# গোপীনাথ বৰদলৈ

STATE CENTRAL LIBRARY
Call No
ASSAM.

অসম প্ৰকাশন পৰিষদ

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১

139773/A/RF

প্ৰথম প্ৰকাশ
আগষ্ট, ১৯৭৯

মূল্য ঃ ত্ৰিশ টকা

মুদ্ৰক
পলাড চিল্ক-স্ক্ৰীণ প্ৰিণ্টাৰ্ছ
চান্দমাৰী, গুৱাহাটী-৭৮১০০৩

# ভূমিকা

ভাৰত মাতৃৰ অন্যতম শ্ৰেষ্ঠ সন্তান, দেশৰ স্বাধীনতা যুঁজৰ অন্যতম নায়ক, স্বাধীন অসমৰ প্ৰথম মুখ্যমন্ত্ৰী (তেতিয়া প্ৰধান মন্ত্ৰী) লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পবিত্ৰ মৃত্যু-বাৰ্ষিকী উপলক্ষে অসম প্ৰকাশন পৰিষদে এই গৰাকী মহান নেতাৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ-স্বৰূপে এই গ্ৰন্থখনি প্ৰকাশ কৰিছে।

উত্তৰ-স্বাধীনতা যুগৰ সমস্যা-জৰ্জৰিত অসম ৰাজ্যৰ প্ৰশাসনীয় দায়িত্বৰ গধূৰ দায়িত্ব কৃতিত্বৰে বহন কৰি লোকপ্ৰিয় বৰদলৈয়ে নিজৰ ৰাজনৈতিক বিচক্ষণতা আৰু দূৰদৰ্শিতাৰ পৰিচয় দিছিল। অসমৰ স্বাৰ্থৰ আছিল তেওঁ সজাগ প্ৰহৰী। গ্ৰুপিংৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি, অসমীয়া সমাজৰ পৰা কানি বৰ বিষ নিৰ্মূল কৰি, অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি আৰু পৰ্বত-ভৈয়ামৰ মাজত সম্প্ৰীতিৰ হকে অশেষ যত্ন কৰি বৰদলৈয়ে যি জনপ্ৰিয়তা আৰ্জিছিল, সি আছিল অতুলনীয়। তেখেতৰ ব্যক্তিত্ব আছিল এহাতে কুসুমৰ দৰে কোমল, আনহাতে বজ্ৰৰ দৰে কঠোৰ। গান্ধীজীৰ জীৱনাদৰ্শ আৰু গীতাৰ মহাবাণীয়ে তেওঁৰ জীৱন দৰ্শনক গঢ় দিছিল।

এই গ্ৰন্থত লোকপ্ৰিয়ৰ চমু জীৱনীৰ পৰা আৰম্ভ কৰি তেখেতৰ ৰাজনৈতিক জীৱন আৰু ব্যক্তিত্বৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা কেইটামান প্ৰবন্ধ গ্ৰন্থখনৰ "স্মৃতি-গ্ৰন্থ" অংশত সন্নিবিষ্ট কৰা হৈছে। এই প্ৰবন্ধসমূহ ৰচনা কৰিছে লোকপ্ৰিয় বৰদলৈৰ ঘনিষ্ঠ সান্নিধ্যত অহা কাকাচাহেব কালেলকৰ, মহেন্দ্ৰমোহন চৌধুৰী, অমিয়কুমাৰ দাস, হেম বৰুৱা, দেবেশ্বৰ শৰ্মা, বিজয়চন্দ্ৰ ভাগৱতী, মৌলবী আব্দুল মতলিব মজুমদাৰ, অতুলচন্দ্ৰ হাজৰিকা, গৌৰীশংকৰ ভট্টাচাৰ্য, সতীশচন্দ্ৰ কাকতী, ডা. ঘনশ্যাম দাস, পূৰ্ণচন্দ্ৰ শৰ্মা, পুষ্পলতা দাস, সুৰবালা বৰদলৈ আৰু লিলি মজিন্দাৰ বৰুৱাই। এওঁলোক সকলোলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ আগবঢ়াইছোঁ। গ্ৰন্থখনৰ আৰম্ভণিতে সন্নিবিষ্ট কৰা লোকপ্ৰিয় বৰদলৈৰ চমু অথচ তথ্যপূৰ্ণ জীৱনী এখন লেখি পৰিষদৰ উপ-সভাপতি শ্ৰীহৰেন্দ্ৰনাথ বৰুৱাদেৱে আমাক উপকৃত আৰু অনুগৃহীত কৰিছে।

গ্ৰন্থখনৰ শেষ ছোৱাত লোকপ্ৰিয় বৰদলৈৰ বিভিন্ন ৰচনা সন্নিবিষ্ট হৈছে। এই ৰচনা সমূহ আৰু লোকপ্ৰিয় বৰদলৈৰ কেইখনমান আপুৰুগীয়া ছবি প্ৰকাশ কৰিবলৈ অনুমতি দি লোকপ্ৰিয়ৰ পত্নী শ্ৰীমতী সুৰবালা বৰদলৈ আৰু কন্যা শ্ৰীমতী লিলি মজিন্দাৰ বৰুৱাই আমাক কৃতজ্ঞতাপাশত আবদ্ধ কৰিছে।

শেষত, অসমৰ তথা ভাৰতৰ ৰাজনৈতিক ইতিহাসত কালাতীত প্ৰভাৱ বিস্তাৰ কৰা এগৰাকী নেতাৰ নিজা ৰচনাৱলীৰে সমৃদ্ধ এই স্মৃতি গ্ৰন্থখনিৰ ঐতিহাসিক মূল্যই পাঠকসকলৰ পৰা যথাযোগ্য স্বীকৃতি লাভ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

চন্দ্ৰপ্ৰসাদ শইকীয়া

গুৱাহাটী
আগষ্ট, ১৯৭১

# সূচী


**প্ৰথম খণ্ড**

| | | |
|---|---|---|
| গোপীনাথ বৰদলৈ : চমু জীৱনী | হৰেন্দ্ৰনাথ বৰুৱা | ১ |

**দ্বিতীয় খণ্ড**

**স্মৃতিগ্ৰন্থ**

| | | |
|---|---|---|
| গোপীনাথ বৰদলৈ | অমিয়কুমাৰ দাস | ৫৮ |
| মই জনা গোপীনাথ বৰদলৈ | দেবেশ্বৰ শৰ্মা | ৬৯ |
| লোকপ্ৰিয় গোপীনাথ বৰদলৈ | হেম বৰুৱা | ৮৪ |
| স্বাধীনতা যুগৰ শ্ৰেষ্ঠ ৰাজপুৰুষ | কাকাচাহেব কালেলকৰ | ৯০ |
| গান্ধী যুগৰ শ্ৰেষ্ঠ প্ৰতিনিধি | বিজয় চন্দ্ৰ ভাগৱতী | ৯৫ |
| লোকপ্ৰিয় বৰদলৈৰ বিচক্ষণ নেতৃত্ব | মহেন্দ্ৰমোহন চৌধুৰী | ১০৫ |
| লোকপ্ৰিয় গোপীনাথ : লেছেৰিবোটলা | অতুলচন্দ্ৰ হাজৰিকা | ১৫৮ |
| লোকপ্ৰিয় বৰদলৈৰ ওপৰত গান্ধীজীৰ প্ৰভাৱ | সতীশচন্দ্ৰ কাকতী | ১৬৮ |
| গোপীনাথ বৰদলৈৰ স্মৃতিচয়ন | মৌলবী আব্দুল মতলিব মজুমদাৰ | ১৭৯ |
| বৰদলৈদেৱৰ ব্যক্তিত্বত এভুমুকি | পুষ্পলতা দাস | ১৮১ |
| শঙ্কৰদেৱৰ পিছতে | গৌৰীশঙ্কৰ ভট্টাচাৰ্য | ২০৪ |
| গোপীনাথ বৰদলৈৰ স্মৃতিত | পূৰ্ণচন্দ্ৰ শৰ্মা | ২১৩ |
| গোপীনাথ বৰদলৈ : ভক্তি তৰ্পণ | সুৰবালা বৰদলৈ | ২১৭ |
| লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দূৰদৰ্শিতা | ডাঃ ঘনশ্যাম দাস | ২২৭ |
| দেউতাৰ সোঁৱৰণত | লিলি মজিন্দাৰ বৰুৱা | ২৩৫ |

তৃতীয় খণ্ড

## গোপীনাথ বৰদলৈৰ ৰচনাৱলী


| | |
|---|---|
| শ্ৰীৰামচন্দ্ৰ | ২৫০ |
| বুদ্ধদেৱ | ২৭৪ |
| যীশুখৃষ্ট | ৩৩৮ |
| হজৰত মহম্মদ | ৩৫১ |
| গান্ধীজী | ৪০৪ |
| তৰুণৰাম ফুকন | ৫৪০ |
| প্ৰথম অধ্যায় | ৫৪১ |
| দ্বিতীয় অধ্যায় | ৫৬৩ |
| তৃতীয় অধ্যায় | ৫৮২ |
| চতুৰ্থ অধ্যায় | ৫৯২ |
| পঞ্চম অধ্যায় | ৬০৮ |
| অনাসক্তি যোগ | ৬১৩ |
| প্ৰথম অধ্যায় | |
| অৰ্জ্জুন-বিষাদ-যোগ | ৬২৪ |
| দ্বিতীয় অধ্যায় | |
| সাংখ্য যোগ | ৬৩১ |
| তৃতীয় অধ্যায় | |
| কৰ্ম্ম-যোগ | ৬৪৫ |
| চতুৰ্থ অধ্যায় | |
| জ্ঞান-কৰ্ম্ম-সন্ন্যাস যোগ | ৬৫৬ |
| পঞ্চম অধ্যায় | |
| কৰ্ম্ম-সন্ন্যাস যোগ | ৬৬৬ |
| ষষ্ঠ অধ্যায় | |
| ধ্যান যোগ | ৬৭৪ |
| সপ্তম অধ্যায় | |
| জ্ঞান-বিজ্ঞান যোগ | ৬৮২ |
| অষ্টম অধ্যায় | |
| অক্ষৰ-ব্ৰহ্ম যোগ | ৬৮৮ |

নবম অধ্যায়

রাজবিদ্যা আরু রাজগুহ্য যোগ ৬৯৪

দশম অধ্যায়

বিভূতি যোগ ৭০১

একাদশ অধ্যায়

বিশ্বরূপ-দৰ্শন যোগ ৭০৮

দ্বাদশ অধ্যায়

ভক্তিযোগ ৭২০

ত্রয়োদশ অধ্যায়

ক্ষেত্র-ক্ষেত্রজ্ঞ-বিজ্ঞান যোগ ৭১৪

চতুর্দ্দশ অধ্যায়

গুণত্রয় বিভাগ যোগ ৭৩১

পঞ্চদশ অধ্যায়

পুরুষোত্তম যোগ ৭৩৭

ষোড়শ অধ্যায়

দৈৱাসুৰসম্পদ-বিভাগ-যোগ ৭৪১

সপ্তদশ অধ্যায়

শ্রদ্ধাত্রয় বিভাগ যোগ ৭৪৭

অষ্টাদশ অধ্যায়

সন্ন্যাস যোগ ৭৫২

# প্রথম খণ্ড

# গোপীনাথ বৰদলৈ

চমু জীৱনী

**হৰেন্দ্ৰনাথ বৰুৱা**

# পাতনি

প্ৰকাশন পৰিষদৰ আহ্বান ক্ৰমে চাৰি মাহৰ ভিতৰতে লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ এই জীৱনীখন লেখিব লগা হ'ল। এই জীৱনী সিমান বহল আৰু বিতং হোৱা নাই। কিন্তু বৰদলৈ ডাঙৰীয়াৰ বিশেষ আৱশ্যকীয় কোনো কথা বোধহয় ইয়াত বাদ পৰাও নাই। সাধাৰণ অৱস্থাত হলে ইয়াত যিখিনি কথা সন্নিবিষ্ট কৰা হৈছে, ইমান কম সময়ৰ ভিতৰত সেইখিনিও বিচাৰি-বুটলি অনা একৰকম অসম্ভৱ হ'লহেতেন। সৌভাগ্যবশতঃ নিজ সম্পাদিত বাতৰি কাকতৰ পিঠিতে ইয়াৰ ভালেখিনি প্ৰকাশ পাইছিল আৰু বৰদলৈ ডাঙৰীয়াৰ এজন প্ৰীতিভাজন আৰু বিশ্বস্ত সহকৰ্মী স্বৰূপে নিজৰো ভালেখিনি কথা জনা আছিল। কোনো কোনো ক্ষেত্ৰত আৰু বিষয়ত নিজেও সংশ্লিষ্ট আছিলো। সেই কাৰণেই ইমানকে কৰিব পৰা হ'ল। ইয়াৰ ভিত্তিতে ভবিষ্যতে কোনো যোগ্যতৰ আৰু আগ্ৰহশীল আৰু গৱেষণা-প্ৰয়াসীজনে বৰদলৈ ডাঙৰীয়াৰ বৃহত্তৰ জীৱনী লেখিব পাৰিব আৰু লেখাও ভাল হ'ব।

জীৱনীখনিত বৰদলৈ ডাঙৰীযাৰ কাৰ্যবহুল আৰু ঘটনাবহুল জীৱনৰ কথাখিনি মাত্ৰ লিপিবদ্ধ বা উল্লেখ কৰি নগৈ সেইবিলাকৰ বিষযে কিছু আলোচনা-সমালোচনাও কৰা হৈছে আৰু সেইবিলাকৰ পটভূমিৰো কিছু আভাস দিবলৈ চেষ্টা কৰা হৈছে। যিকোনো জীৱনী-পুথিত তেনে কৰাটো বাঞ্ছনীয় বুলি আমি ভাবো। এই বিষয়ত কিমানদূৰ কৃতকাৰ্য হৈছো, সেইটো বিজ্ঞ আৰু সুধীসকলৰ বিচাৰ্য।

এই জীৱনীখন লেখাত আন কোনো লোকক সহযোগী লোৱা হোৱা নাই। সেই হিচাপে ইযাত ওলাব পৰা কোনো ভুল বা দোষৰ কাৰণে আমি আন কাৰো ফালে ঠেলা মাৰিব নোৱাৰিম আৰু তাৰ সকলো দায়িত্ব নিজে মূৰ পাতি লব লাগিব বুলিও সম্পূৰ্ণ সজাগ।

লেখক

## শিক্ষা ঃ আইন ব্যৱসায়

গুৱাহাটীৰ এটা মধ্যবিত্ত পৰিয়ালত ১৮৯০ চনত গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ জন্ম হয়। তেওঁৰ বাল্যাৱস্থাতে দেউতাক বুদ্ধেশ্বৰ বৰদলৈয়ে বৰপেটাৰ চৰকাৰী চিকিৎসালয়ত ডাক্তৰ কাম কৰি থাকোঁতেই মাকৰ মৃত্যু হয়। ১৯০৭ চনত তেওঁ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত নাম লগায় আৰু বুৰঞ্জী, লজিক আৰু কেমিষ্ট্ৰী তেওঁৰ পাঠ্য বিষয় স্বৰূপে লয়। ১৯০৯ চনত তেওঁ প্ৰথম বিভাগত আই-এ পাছ কৰি কলিকতাৰ স্কটিছ চাৰ্চ কলেজত বি-এ পঢ়িবলৈ লয় আৰু সেই সময়ৰ বঙ্গভঙ্গ আন্দোলনৰ আভাস পায়। (স্বেচ্ছাচাৰী বৰলাট লৰ্ড কাৰ্জনে বঙ্গদেশক পূব বঙ্গ আৰু পশ্চিম বঙ্গ দুখন প্ৰদেশত বিভক্ত কৰাৰ প্ৰতিবাদ কল্পে এই আন্দোলন হৈছিল আৰু অসমকো এখন স্বকীয় প্ৰদেশৰ মৰ্যাদাৰ-পৰা বঞ্চিত কৰি পূব বঙ্গ ইয়াক এই সংযুক্ত প্ৰদেশৰ এটা কমিছনাৰৰ বিভাগত পৰিণত কৰাৰ কাৰণে অসমেও পেটে সমগ্ৰিতে এই আন্দোলন ভাল পাইছিল।) স্কটিছ চাৰ্চ কলেজত চতুৰ্থ বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোঁতেই বৰদলৈ ডাঙৰীয়াৰ দেউতাকৰ মৃত্যু হয়। কেইমাহমানৰ পিছতে (১৯১১ চনত) তেওঁ বুৰঞ্জীত দ্বিতীয় শ্ৰেণীৰ অনাৰ্ছলৈ বি-এ পাছ কৰে আৰু কলিকতাতে বুৰঞ্জীৰ এম-এ আৰু আইন পঢ়িবলৈ লয়। ১৯১১ চনত তেওঁৰ ককাই-দেৰেকৰো মৃত্যু হয় আৰু ১৯১৩ চনত নিজেও মাৰাত্মক টাইফয়দ ৰোগত মৃত্যুৰ পৰা কথমপিহে ৰক্ষা পৰে। তথাপি ১৯১৪ চনত তেওঁ দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম-এ পাছ কৰে আৰু তিনি বছৰীয়া আইনৰ পাঠ্যক্ৰম সমাপ্ত আৰু ইয়াৰ প্ৰথম পৰীক্ষা পাছ কৰি গুৱাহাটীলৈ ঘূৰি আহে।

সেই অৱস্থাতে কটন কলেজত বুৰঞ্জীৰ অধ্যাপক পদ এটাৰ আৱশ্যক হয় আৰু বৰদলৈ ডাঙৰীয়াই সেই পদৰ কাৰণে চেষ্টা কৰে। কিন্তু সেই বিষয়ত

কৃতকাৰ্য হ'ব নোৱাৰিলে। সেই কাম পোৱা হলে তেওঁৰ হয়তো আইন পাছ কৰাও নহ'লহেতেন আৰু ৰাজনীতিত যোগ দিয়াও নহ'লহেতেন বুলি পিছৰ কালত তেওঁ সহকৰ্মী আৰু বন্ধু-বান্ধৱৰ আগত কৈছিল। সেই কাম নোপোৱাত তেওঁ তৰুণৰাম ফুকন ডাঙৰীয়াৰ অনুৰোধত সাময়িকভাৱে স্থানীয় সোনাৰাম হাইস্কুলত হেডমাষ্টৰ হৈ আইনৰ মাধ্যমিক আৰু শেষ পৰীক্ষা পাছ কৰি ১৯১৭ চনত ওকালতি কৰিবলৈ লয়। খেল, অভিনয় আৰু সঙ্গীতত বৰদলৈৰ খুব ৰাপ আছিল আৰু এইবিলাকত সক্ৰিয় ভূমিকা অবলম্বন কৰি আৰাম আৰু আনন্দত দিন কটাইছিল। তেওঁ অন্ততঃ এবাৰ ইংৰাজীত অভিনয় কৰাৰ কথাও পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰপৰা জনা যায়। সন্দিকৈ ডাঙৰীয়াই কৈছে :

"মই আই-এ পঢ়োতে কটন কলেজ হোষ্টেলত এবাৰ ভাল অভিনয় দেখিছিলো। অধ্যক্ষ ছুডমাৰ্চনৰ বিশেষ অনুমতি লৈ সেইবাৰ ছাত্ৰ সকলে 'জয়মতী' আৰু ইংৰাজীত 'জুলিয়াছ চিজাৰ'ৰ অভিনয় কৰিছিল। চিজাৰৰ ভাওত ৰাধিকা বৰুৱাৰ অভিনয় সুন্দৰ হৈছিল। এণ্টনিৰ ভাও লৈছিল গোপীনাথ বৰদলৈয়ে। তেওঁ সেইবাৰ কলিকতাত এম-এ পৰীক্ষা দি আহিছিল আৰু ছাত্ৰসকলে অনুৰোধ কৰাত সেই অভিনয়ত যোগ দিছিল।" - ['কৃষ্ণকান্ত সন্দিকৈ' (আব্দুছ চাত্তাৰ), ১৮ পিঠি]। এইবিলাকৰ লগতে তেওঁ তেতিয়াৰ অসমৰ ৰাজনৈতিক অনুষ্ঠান অসম এছচিয়েশ্যনৰ লগত উপৰুৱা ভাৱে সংযোগ ৰাখিছিল।

## কংগ্ৰেছত যোগদান

এনেতে ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ অহিংস অসহযোগ আন্দোলনৰ আহ্বান পৰে। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু দেশপ্ৰেমিক কুলধৰ চলিহা প্ৰমুখ্যে কেইজনমান নেতাই অবিলম্বে ওকালতি পৰিত্যাগ কৰি এই আন্দোলনত যোগ দিয়ে আৰু ইয়াৰ কেইমাহমানৰ পিছত দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ লগে লগে গোপীনাথ বৰদলৈ প্ৰমুখ্যে আন এদল-বিশিষ্ট লোকেও এই আন্দোলনত যোগ দিয়ে। অহিংস অসহযোগ আন্দোলন আৰু সেই আন্দোলনত এই নেতাসকলৰ ভূমিকাৰ কথা বিশেষ-ভাৱে স্মৰণীয়। বৰদলৈ দেশভক্ত ফুকনৰ প্ৰতি খুব অনুৰক্ত আছিল আৰু

তেওঁ বিশেষকৈ বিদেশী বস্ত্ৰ বৰ্জন, সূতা কটা আৰু খদ্দৰ প্ৰচলনৰ কাম কৰিছিল আৰু এই অৰ্থে পিঠিত নিজৰ পিন্ধা-উৰা কাপোৰৰ টোপোলা আৰু যঁতৰ লৈ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ অংশবিশেষত পদব্ৰজে বিস্তৃতভাৱে ভ্ৰমণ আৰু প্ৰচাৰ কৰিছিল। কপাহ আনিবৰ কাৰণে তেওঁ গাৰো পাহাৰলৈকো গৈছিল। ১৯২১ চনৰ শেষৰ ফালে কৰ্মবীৰ বৰদলৈ আৰু দেশভক্ত ফুকন প্ৰমুখ্যে নেতাসকলৰ গ্ৰেপ্তাৰৰ পিছত শ শ কংগ্ৰেছ কৰ্মী গ্ৰেপ্তাৰ হওঁতে ১৯২২ চনৰ আগ ভাগত বৰদলৈ ডাঙৰীয়াও গ্ৰেপ্তাৰ হয় আৰু বিচাৰত তেওঁক এবছৰ কাৰাদণ্ড দিয়া হয়।

ইয়াৰ পিছত চৌৰিচৌৰাত জনতাৰ হিংসাত্মক আচৰণৰ কাৰণে মহাত্মা গান্ধীয়ে আন্দোলন প্ৰত্যাহাৰ কৰে। কিন্তু আন্দোলন প্ৰত্যাহাৰ কৰা সত্ত্বেও তেখেতক গ্ৰেপ্তাৰ কৰা হয় আৰু বিচাৰত ছবছৰ কাৰাদণ্ড দিয়া হয়। কংগ্ৰেছ কৰ্মীসকল বিমোৰত পৰে। মহাত্মাই তেওঁলোকক হিন্দু-মুছলিম ঐক্য, অহিংসা, স্বদেশী প্ৰচাৰ আদি গঠনমূলক কামত আত্মনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়া সত্ত্বেও তেওঁলোকৰ ভিতৰত এদলে পুনৰ কাউন্সিল এছেমব্লিত সোমাই সেইবিলাকৰ যোগেই ৰাইজৰ যথাসাধ্য উপকাৰ সধাৰ আৰু বিদেশী চৰকাৰৰ অন্যায়-অবিচাৰৰ প্ৰতিবাদ আৰু প্ৰতিকাৰ দাবী কৰাৰ পোষকতা কৰে। এই দলৰ নেতৃত্ব কৰে দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহৰুৱে। ১৯২৩ চনত দেশবন্ধু চিত্তৰঞ্জন দাসৰ সভাপতিত্বতে হোৱা কংগ্ৰেছৰ অধিবেশনত তেওঁলোকৰ কাউন্সিল-এছেমব্লিত সোমোৱা প্ৰস্তাৱ গৃহীত নহ'ল যদিও (বল্লভভাই পেটেল আৰু ৰাজাগোপালাচাৰিয়ে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল।) দাস আৰু নেহৰুৱে কংগ্ৰেছৰ ভিতৰতে স্বৰাজ্য দল নামে এটা দল খুলি কাউন্সিল এছেমব্লিৰ নিৰ্বাচনত যোগ দিয়াৰ অভিযান চলায় আৰু দেশভক্ত ফুকন ডাঙৰীয়ায়ো এই দলত যোগ দিয়ে। ফুকন ডাঙৰীয়া কেন্দ্ৰীয় এছেমব্লিলৈ নিৰ্বাচিত হ'ল আৰু অসমৰ আন কিছু কংগ্ৰেছীয়ে প্ৰাদেশিক আইন সভা বা কাউন্সিলত সোমাল। কৰ্মবীৰ বৰদলৈ আৰু কুলধৰ চলিহা প্ৰমুখ্যে এদল কংগ্ৰেছ নেতা বাহিৰত থাকিল। গোপীনাথ বৰদলৈ ডাঙৰীয়ায়ো তেতিয়া ওকালতিত পুনৰ যোগ দি নিৰপেক্ষ হৈ থাকিল।

১৯২৬ চনত পাণ্ডুত হোৱা কংগ্ৰেছৰ ৪১ তম অধিবেশনত গোপীনাথ বৰদলৈ ডাঙৰীয়াই সক্ৰিয় ভূমিকা অৱলম্বন কৰে। তাৰ পিছত মিউনিচিপেলিটী

আৰু লোকেল বৰ্ডত যোগ দিয়ে। লাহোৰ কংগ্ৰেছৰ সিদ্ধান্তক্ৰমে ১৯৩০-৩২ চনত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা আইন অমান্য আন্দোলনত ঘৰুৱা নানান লেঠাৰ কাৰণে তেওঁ যোগ দিব নোৱাৰিলে। দেশভক্ত ফুকন, কুলধৰ চলিহা প্ৰমুখ্যে কেইবাজনো নেতাও সেই আন্দোলনৰপৰা আঁতৰি থাকে আৰু অসমত সেই আন্দোলনৰ নেতৃত্ব কৰে শ্ৰীযুত বিষ্ণুৰাম মেধি আৰু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই। ১৯৩২ চনত বৰদলৈ ডাঙৰীয়া গুৱাহাটী মিউনিচিপেল বৰ্ডৰ চেয়াৰমেন হয় আৰু তাৰ পিছতে কংগ্ৰেছৰ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব নোৱাৰা কংগ্ৰেছ কৰ্মী আৰু দেশহিতৈষী লোককেইজনমানৰ সৈতে আগৰ অসম এছচিয়েশ্যনখনকে পুনৰ জীৱিত কৰি, অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় আৰু হাইকৰ্ট পতা আৰু পাৰিলে তেতিয়া অসমৰ অন্তৰ্ভুক্ত হৈ থাকি অসমৰ স্বাৰ্থত পদে পদে বাধা সৃষ্টি কৰি অহা ছিলেট জিলাখন অসমৰপৰা পৃথক কৰাৰ পোষকতা কৰে।

## ১৯৩৬-৩৭ চনৰ নিৰ্বাচন: কংগ্ৰেছ দলপতি

১৯৩৬ চনত আগন্তুক প্ৰাদেশিক এছেমব্লিৰ নিৰ্বাচনসমূহত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত কৰে; কিন্তু ১৯৩৫ চনৰ ভাৰতৰ শাসন সংস্কাৰ আইনে প্ৰাদেশিক আইন সভাবিলাকক আৰু মন্ত্ৰীসকলক দিয়া অকিঞ্চিৎকৰ দায়িত্ব বৃদ্ধি কৰা নহলে কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ নকৰি আইন সভাবিলাকত বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰিবলৈ স্থিৰ কৰে। এই অৱস্থাত বৰদলৈ ডাঙৰীয়াৰ দৰে কংগ্ৰেছৰ মধ্যপন্থী লোকসকল চিন্তাত পৰে। দেশভক্ত ফুকন আৰু ৰোহিনী কুমাৰ চৌধুৰী প্ৰমুখ্যে তেওঁলোকৰ কেইজনমানে 'মিলিত জনসংঘ' নামে এটা নতুন ৰাজনৈতিক দল গঠন কৰি আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ আৰু মন্ত্ৰীত্বও লৈ দেশৰ যথাসম্ভৱ হিত সাধন কৰাৰ পোষকতা কৰে। বৰদলৈ ডাঙৰীয়াই এই ক্ষেত্ৰত প্ৰথমতে কিছু দোধোৰ-মোধোৰ কৰি থাকি পিছত ডাঃ ভুবনেশ্বৰ বৰুৱা প্ৰমুখ্যে তেওঁৰ দুজনমান ঘনিষ্ঠ বন্ধুৰ প্ৰভাৱত কংগ্ৰেছ প্ৰাৰ্থী স্বৰূপেই সেই নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ সিদ্ধান্ত কৰে। সেই কাৰণে তেওঁক চৌধুৰী প্ৰমুখ্যে 'মিলিত জনসংঘ'ৰ বন্ধুসকলে কটু সমালোচনা কৰাত বৰদলৈয়ে ১৯৩৫ চনৰ ভাৰত শাসন আইন অনুসাৰে প্ৰাদেশিক বিধান সভা আৰু মন্ত্ৰীসকলে দেশৰ কোনো উল্লেখযোগ্য কাম কৰিব

নোৱাৰিব আৰু তেনে প্ৰচেষ্টা পৰিত্যাগ কৰি জাতীয়তাবাদী বা দেশহিতৈষী লোকসকলে বিধান সভাত বিৰোধী দলৰ ভূমিকা অবলম্বন কৰাই শ্ৰেয়ঃ ইয়াৰ তেওঁ প্ৰত্যয় গৈছে বুলি আমাৰ সম্পাদিত 'অসমীয়া' কাকতত এটা যুক্তিপূৰ্ণ প্ৰবন্ধ লেখে।

সেই সময়ত অসম বিধান সভাৰ ১০৮ খন আসন ভিন ভিন সম্প্ৰদায়-স্বাৰ্থৰ আৰু স্বকীয়া নিৰ্বাচনৰ ভিত্তিত ভাগ কৰি দিয়া হৈছিল। য়ুৰোপীয় চাহ খেতিয়ক, য়ুৰোপীয় খ্ৰীষ্টান আৰু য়ুৰোপীয় বণিকসকলৰ কাৰণে ৯ খন আসন আচুতীয়াকৈ ৰখা হৈছিল। গতিকে সেই কেইখন আসনত কংগ্ৰেছ প্ৰাৰ্থী দিয়াৰ প্ৰশ্নই নাছিল। মুছলমানসকলৰ অতি সংখ্যাধিক ভাগেই কংগ্ৰেছৰপৰা আঁতৰি থকাৰ কাৰণে তেওঁলোৰ। কাৰণে সংৰক্ষিত ৩৪ খন আসনৰো সৰহভাগত কংগ্ৰেছ প্ৰাৰ্থী দিয়াটো সম্ভৱ নাছিল। চাহ বাগিচাৰ বনুৱা সমষ্টিবিলাকত আৰু পাহাৰী জিলাকিখনতো (মুঠ আসন ৯ খন) কংগ্ৰেছে যথেষ্ট প্ৰভাব বিস্তাৰ কৰিব পৰা নাছিল। গতিকে ৫০ খনমান আসনৰ কাৰণেহে কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰাটো সম্ভৱ আছিল। ইতিমধ্যে কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াৰো মৃত্যু হৈছিল। গতিকে সিমানবিলাক আসনৰ কাৰণে প্ৰাৰ্থী তুলি শক্তিক্ষয় কৰি ভালেমান সমষ্টিত হৰাতকৈ তাকৰ সংখ্যক আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰি সেইবিলাকত জয়লাভ কৰাটোহে বাঞ্ছনীয় বুলি কংগ্ৰেছ নেতা-সকলৰ ভিতৰত বহুতে মত প্ৰকাশ কৰে। গোপীনাথ বৰদলৈ ডাঙৰীয়াইও এই মতকে পোষণ কৰিছিল। তেওঁ আনকি তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিব খোজা দক্ষিণ গুৱাহাটীৰ তিনিখন আসনৰ যুটীয়া সমষ্টিত কংগ্ৰেছে তিনিওখন আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিব খোজাত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অসন্মত হয় আৰু কয় যে এই তিনিওখন আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ গলে কংগ্ৰেছে এখনো আসন নাপাব পাৰে। আনহাতে কংগ্ৰেছে দুখন আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিলে দুয়োখন আসন লাভ কৰাটো একৰকম নিশ্চিত। তেওঁ ভাবিছিল যে সেই সমষ্টিত মিলিত জন সংঘৰ প্ৰাৰ্থী স্বৰূপে প্ৰতিদ্বন্দ্বিতা কৰা, তেওঁৰ অন্তৰঙ্গ বন্ধু আৰু প্ৰাক্তন কংগ্ৰেছী ৰোহিনী কুমাৰ চৌধুৰী ডাঙৰীয়া নিৰ্বাচিত হ'বই আৰু পিছত বৃটিছ গভৰ্ণমেণ্টৰ লগত কংগ্ৰেছৰ কিবা আপোচ হলে আৰু কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ কৰিবলৈ সন্মত হলে তেওঁক আৰু অন্যান্য প্ৰগতিবাদী অকংগ্ৰেছী এম-এল-এ কেইজনমানক কংগ্ৰেছ দলত যোগ দিয়াব পৰা যাব। কাৰণ কংগ্ৰেছে

মন্ত্ৰীত্ব গ্ৰহণ নকৰাতহে তেওঁলোকৰ আপত্তি। তেওঁৰ এই আপত্তি আৰু যুক্তিৰ প্ৰতি সন্মান দেখুৱা হ'ল, কিন্তু প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰধান সম্পাদক ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ দৃঢ় আৰু আত্মবিশ্বাসপূৰ্ণ পোষকতাত কংগ্ৰেছে ৪৮ খন আসনৰ কাৰণেই প্ৰতিদ্বন্দ্বিতা কৰিবলৈ স্থিৰ কৰে আৰু তেওঁৰ আৰু প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়াৰ অক্লান্ত নিৰ্বাচন-অভিযানৰ ফলত ৩৮ খন আসন লাভ কৰি বিধান সভাত সৰ্বপ্ৰধান দল হয়। গতিকে দেখা গ'ল যে সৰহসংখ্যক কংগ্ৰেছ প্ৰাৰ্থী তোলাৰ পক্ষে ত্যাগবীৰ বৰুৱাৰ মত নিৰ্ভুল আছিল আৰু খুব সম্ভৱ দক্ষিণ গুৱাহাটী সমষ্টিটো কংগ্ৰেছে তিনিওখন আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰা হলেও কংগ্ৰেছ জয়া হ'লহেতেন। সেই নিৰ্বাচনত কামৰূপৰ বঙ্গিয়া সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী সিদ্ধিনাথ শৰ্মা ডাঙৰীয়াৰ বিৰুদ্ধে উঠা মিলিত জনসংঘৰ প্ৰাৰ্থী দেশভক্ত তৰুণ ৰাম ফুকনৰো পৰাজয় হৈছিল। দেশভক্ত ফুকনতকৈ ৰোহিনী চৌধুৰী ডাঙৰীয়াৰ প্ৰভাব-প্ৰতিপত্তি নিশ্চয় বেছি নাছিল।

ইয়াৰ পিছত বিধান সভাৰ কংগ্ৰেছ দলৰ নেতা নিৰ্বাচনৰ প্ৰশ্ন আহিল। কংগ্ৰেছী এম-এল-এসকলৰ দুই-তৃতীয়াংশ অসম উপত্যকা বা খাচ অসমৰ আৰু এক তৃতীয়াংশ সুৰমা উপত্যকাৰ। কিন্তু অসম উপত্যকাৰ সদস্যসকলৰ ভিতৰত কোনো এজন প্ৰধান আৰু লব্ধপ্ৰতিষ্ঠ কংগ্ৰেছ নেতা নথকাত (দেশভক্ত ফুকন ডাঙৰীয়াই কংগ্ৰেছ ত্যাগ কৰাৰ কথা আগতেই কোৱা হৈছে। শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াও কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াৰ মৃত্যুত কেন্দ্ৰীয় আইন সভাৰ সদস্য হৈ যায়।) আৰু আনহাতে সুৰমা উপত্যকাৰ কংগ্ৰেছী এম-এল-এসকলৰ ভিতৰত অন্ততঃ এজন প্ৰধান আৰু বিচক্ষণ কংগ্ৰেছ নেতা—শ্ৰীবসন্ত কুমাৰ দাস থকা আৰু এই দলৰ দলপতি হবলৈ ইচ্ছা কৰাত এক সমস্যাৰ সৃষ্টি হয়। বসন্ত বাবুৱে কেন্দ্ৰীয় এছেমব্লিলৈৰপৰা আহি সেই নিৰ্বাচনত অসম বিধান সভাৰ সদস্য হৈছিলহি। ছিলেটৰ কংগ্ৰেছীসকলৰো সৰহভাগেই অসমৰ ন্যায্য স্বাৰ্থৰ পোষকতা কৰা নাছিল আৰু বসন্ত বাবুও সেইসকলৰে অন্তৰ্ভুক্ত আছিল। কেন্দ্ৰীয় এছেমব্লিৰ সদস্য স্বৰূপে তেওঁ আনকি অসম প্ৰদেশৰ নামটোও উত্তৰ-পূব প্ৰদেশ কৰাৰ পোষকতা কৰিছিল আৰু এই কথালৈ কৰ্মবীৰ বৰদলৈৰ লগত সংঘৰ্ষত আহিছিল। এনে অৱস্থাত তেওঁক অসম বিধান সভাৰ কংগ্ৰেছ দলৰ দলপতি কৰাত অসমবাসীৰ স্বাভাৱিকতে আপত্তি আছিল। এনে সমস্যাৰ উদ্ভৱ হোৱাৰ সম্ভাৱনা আগি অসম কংগ্ৰেছৰ নেতাসকলৰ কেইজনমান সহকৰ্মীয়ে

নির্বাচনৰ আগতে উপলব্ধি কৰিছিলো আৰু সেই কাৰণেই প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়া নির্বাচনত উঠিবলৈ সন্মত নোহোৱাত কেন্দ্ৰীয় এম-এল-এ আৰু প্ৰবীন নেতা কুলধৰ চলিহা ডাঙৰীয়াক এই নির্বাচনত উঠিবলৈ অনুৰোধ কৰিছিলো। কিন্তু তেখেতেও কেইমাহমানৰ আগতে মাত্ৰ কৰ্মবীৰ বৰদলৈৰ ঠাইত কেন্দ্ৰীয় পৰিষদৰ সদস্য হৈ এতিয়া সেই পদ ইস্তফা দি আহিবলৈ সঙ্কোচ কৰিলে আৰু তেনে কৰাৰ পৰিবৰ্তে আমাৰ লগতে মেধি ডাঙৰীয়াক সেই নির্বাচনত উঠিবলৈ পুনৰ অনুৰোধ কৰিছিলহঁক। কিন্তু মেধি ডাঙৰীয়াই তেখেতৰ পূৰ্ব সিদ্ধান্ত পৰিত্যাগ নকৰি অচল-অটল হৈ ৰ'ল। প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি স্বৰূপে তেওঁ নিজে নির্বাচনত থিয় দি কংগ্ৰেছৰ পক্ষে প্ৰদেশখনত নির্বাচনী অভিযানৰ ভাৰ লোৱাহে উচিত বুলি যুক্তি দৰ্শালে। চলিহা-মেধি ডাঙৰীয়াদ্বয়ৰ এই অস্বীকৃতিৰ তুলনাত কেন্দ্ৰীয় পৰিষদৰ ছিলেটী সদস্য বসন্ত বাবুৱে সেই পদ ইস্তফা দি আহি এই প্ৰাদেশিক নির্বাচনত অৱতীৰ্ণ হোৱাটো প্ৰনিধানযোগ্য কথা। তেওঁ ভবিষ্যতে বৃটিছ গভৰ্ণমেণ্টৰ লগত কংগ্ৰেছৰ এটা আপোচ হ'ব আৰু কংগ্ৰেছে প্ৰদেশসমূহত মন্ত্ৰীত্ব গ্ৰহণ কৰিব বুলি কিবা উমান পাযেই এইদৰে প্ৰাদেশিক নির্বাচনত উত্তীৰ্ণ হৈ আহি ইয়াৰ কংগ্ৰেছ দলৰ দলপতি তথা প্ৰদেশখনৰ মুখ্যমন্ত্ৰী হোৱাৰ প্ৰয়াস কৰিছিলনেকি, সেইটোও ভাবিবলগীয়া, আৰু এনে সম্ভাবনাৰ কথা উপলব্ধি কৰিব পৰা হলে চলিহা-মেধি ডাঙৰীয়াদ্বয়েও সেই নির্বাচনত অৱতীৰ্ণ হোৱাৰ পৰা বিৰত নহ'লহেতেননেকি, সেইটোও চিন্তা কৰিবলগীয়া।

যি নহওক, অসম উপত্যকাৰ এম-এল-এ আৰু অন্যান্য কংগ্ৰেছীসকলে অসমীয়া এম-এল-এসকলৰ ভিতৰত গোপীনাথ বৰদলৈ ডাঙৰীয়াক নেতা পদৰ প্ৰাৰ্থী কৰিবলৈ সিদ্ধান্ত কৰে আৰু প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীযুত মেধি আৰু বৰদলৈয়ে সুৰমা উপত্যকাৰ অন্যতম কংগ্ৰেছ নেতা আৰু সুৰমা উপত্যকা কংগ্ৰেছৰ সভাপতি শ্ৰীযুত ব্ৰজেন্দ্ৰনাৰায়ণ চৌধুৰী আৰু বসন্ত বাবু প্ৰমুখ্যে নেতাসকলৰ লগত আলোচনা কৰি বসন্ত বাবুক বিধান সভাৰ অধ্যক্ষ পদৰ কাৰণে অসম উপত্যকাৰ কংগ্ৰেছী এম-এল-এসকলে যথাসাধ্য চেষ্টা কৰাৰ প্ৰতিশ্ৰুতিত বৰদলৈ ডাঙৰীয়াক কংগ্ৰেছ দলৰ দলপতি কৰাত সন্মত কৰালে আৰু বৰদলৈ ডাঙৰীয়া অপ্ৰতিদ্বন্দ্বীভাৱে কংগ্ৰেছ দলৰ দলপতি আৰু ছিলেটৰ শ্ৰীক্ষীৰোদ চন্দ্ৰ দেব ইয়াৰ উপ দলপতি নির্বাচিত হ'ল। বসন্ত বাবুকো তেওঁৰ অকংগ্ৰেছী প্ৰতিদ্বন্দ্বী খান বাহাদুৰ কেৰামত আলিক পৰাজিত কৰি

বিধান সভাৰ অধ্যক্ষ পতাত কংগ্ৰেছ দল কৃতকাৰ্য হ'ল।

## দলপতি বৰদলৈৰ ভূমিকাঃ শ্বাদুল্লা মন্ত্ৰীসভাৰ পতন

বিধান সভাত আন দলবিলাকৰ ভিতৰত আগৰ মন্ত্ৰী ছাৰ মহম্মদ শ্বাদুল্লাৰ নেতৃত্বত লগ লগা নিৰ্দলীয় মুছলমান এম-এল-এসকলৰ তথাকথিত স্বতন্ত্ৰ দলটোৱেই হৈছিল দ্বিতীয় বৃহৎ দল। ছিলেটৰ মুছলমান এম-এল-এ আব্দুল মতিন চৌধুৰীৰ নেতৃত্বত গঠিত মুছলিম লীগ দলটোৱে তৃতীয় স্থান লাভ কৰিছিল। য়ুৰোপিয়ান চাহ খেতিয়কসকলৰ দলটো আছিল চতুৰ্থ দল। তাৰ পিছত আছিল ভৈয়ামৰ জনজাতীয় দল, পাহাৰী দল, মিলিত জনসঙ্ঘ প্ৰভৃতি। সাধাৰণ সমষ্টিসমূহৰপৰা নিৰ্বাচিত হোৱা দুজনমান সদস্য স্বতন্ত্ৰ হৈয়ে থাকে। ভাৰতৰ আন সাতখন প্ৰদেশত তেতিয়া মন্ত্ৰীত্ব গ্ৰহণ কৰিবলৈ সন্মত নোহোৱা কংগ্ৰেছ দল বিধান সভাত সংখ্যাগৰিষ্ঠ (উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত ডাঃ খান চাহেবৰ নেতৃত্বত কংগ্ৰেছী আৰু তেওঁলোকৰ সমৰ্থক অকংগ্ৰেছী এম-এল-এ-সকলৰ যুটীয়া দলটো) দল আছিল। গতিকে সেই আঠখন প্ৰদেশত গভৰ্ণৰ-সকলে মন্ত্ৰীসভা গঠন কৰিব নোৱাৰা আৰু শাসনতন্ত্ৰ অচল হোৱা অৱস্থাৰ উদ্ভৱ হয়। গভৰ্ণৰসকলে সেইবিলাক প্ৰদেশ নিজে পোনপটীয়াভাৱে শাসন কৰাৰ ভাৰ হাতত লবলগা হয়। আন প্ৰদেশকিখনত অকংগ্ৰেছী মন্ত্ৰীসভা গঠিত হয়। অসমতো ছাৰ শ্বাদুল্লাৰ নেতৃত্বত উক্ত প্ৰায় আটাইকেইটা দলৰ সমৰ্থনত এখন মন্ত্ৰীসভা গঠিত হয় যি মন্ত্ৰীসভাত সংখ্যালঘিষ্ঠ মুছলমান সম্প্ৰদায়ৰ তিনিজন আৰু সংখ্যাগৰিষ্ঠ হিন্দু সম্প্ৰদায়ৰ মাত্ৰ দুজন মন্ত্ৰী লোৱা হয়। মতিন চৌধুৰীৰ নেতৃত্বত মুছলিম লীগ দলে সম্প্ৰতি সেই মন্ত্ৰীসভাত মন্ত্ৰীত্ব গ্ৰহণ নকৰি ছাৰ শ্বাদুল্লা আৰু আন স্বতন্ত্ৰ মুছলমান এম-এল-এ-সকলক মুছলিম লীগত যোগ দিবলৈ আৰু মন্ত্ৰীসভাখন কাৰ্যতঃ মুছলিম লীগ প্ৰধান মন্ত্ৰীসভাত পৰিণত কৰিবলৈ হেঁচা দিবলৈ ধৰে। কংগ্ৰেছ দলে বিৰোধী দলৰ ভূমিকা অৱলম্বন কৰে।

এনেতে বৃটিছ গভৰ্ণমেণ্টে কংগ্ৰেছৰ দাবী কিছু পৰিমাণে পূৰণ কৰিলে। তেওঁলোকে ১৯৩৫ চনত শাসন সংস্কাৰ আইনে প্ৰাদেশিক বিধান সভাসমূহ আৰু মন্ত্ৰীসভাসমূহক দিয়া ক্ষমতাত আৱশ্যক বোধ কৰিলে গভৰ্ণৰসকলে হস্তক্ষেপ কৰিবলৈ দিয়া ব্যৱস্থা কাৰ্যকৰী কৰা নহব বুলি কংগ্ৰেছক প্ৰতিশ্ৰুতি

দিলে ; আৰু সেই প্ৰতিশ্ৰুতি লৈ কংগ্ৰেছে উপৰোক্ত সাতোখন প্ৰদেশত মন্ত্ৰী-সভা গঠন কৰে আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভা গঠিত হয়। তেতিয়া উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত কংগ্ৰেছ কোৱালি-শ্যন মন্ত্ৰীসভা গঠন কৰিবলৈ দিয়াৰ দৰে অসমৰ কংগ্ৰেছ দলকো কংগ্ৰেছ কৰ্তৃপক্ষই কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভা গঠন কৰিবলৈ দিলে ইয়াৰ কংগ্ৰেছ দলে তেনে মন্ত্ৰীসভা গঠন কৰিবলৈ সমৰ্থ হব আৰু কংগ্ৰেছ কৰ্তৃপক্ষই তেনে অনুমতি দিয়া উচিত বুলি বৰদলৈ ডাঙৰীয়াই তথা অসমৰ কংগ্ৰেছ দলে কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষক টানি ধৰে আৰু তেনে ভাৰসাত বিধান সভাৰ কেইজনমান অকংগ্ৰেছী সদস্যক কংগ্ৰেছ দলৰ সহযোগী সদস্য কৰি লবলৈ সমৰ্থ হয়। স্বতন্ত্ৰ মুছলিম সদস্য ফখৰুদ্দিন আলি আহমদো এনে সদস্যসকলৰ অন্যতম আছিল। ইতিমধ্যে ১৯৩৭ চনৰ ডিচেম্বৰ মাহত হাজো সমষ্টিৰ কংগ্ৰেছী সদস্য যোগেন্দ্ৰনাথ বৰুৱাৰ মৃত্যু হোৱাত সেই সমষ্টিৰ উপ-নিৰ্বাচনত জয়-লাভ কৰি প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙ-ৰীয়াও এই দলত যোগ হৈছিলহি। এইদৰে কংগ্ৰেছ দল শক্তিশালী হৈ উঠাত ছাৰ ছাদুল্লাই আত্মৰক্ষাৰ কাৰণে তেওঁৰ মন্ত্ৰীসভাখন সম্প্ৰসাৰিত আৰু পুনৰ্গঠিত কৰি লয় আৰু মতিন চৌধুৰী তথা মুছলিম লীগৰ ওচৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পন কৰে। পুনৰ্গঠিত মন্ত্ৰীসভাত সুৰমা উপত্যকাৰ আগৰ স্বতন্ত্ৰ মুছলমান মন্ত্ৰী দুজনৰ ঠাইত মতিন চৌধুৰী আৰু আন এজন উগ্ৰ লীগপন্থী মন্ত্ৰী নিযুক্ত হ'ল আৰু ছাদুল্লা চাহাবে তেওঁলোকৰ নিৰ্দেশত সম্পূৰ্ণ সাম্প্ৰ-দায়িক আৰু অসমৰ স্বাৰ্থৰ প্ৰতিকূলভাৱে কাম কৰিবলৈ ধৰে। সুৰমা উপত্যকাত মুছলমানৰ সংখ্যা এনেযে আনতকৈ সৰহ আছিল। ছাদুল্লা মন্ত্ৰীসভাই অসম উপত্যকাতো মুছলমানৰ সংখ্যা বৃদ্ধি কৰিবৰ কাৰণে পূব বঙ্গৰ মুছলমান পমুৱাৰ ব্যাপক আগমণ আৰু আমদানিৰ পৃষ্ঠপোষকতা কৰে। অসমৰ হোজা আৰু শান্তিপ্ৰিয় জনজাতীয় লোকসকলৰ ওপৰত এই বহিৰাগত মুছলমান পমুৱাৰ আক্ৰমণ আৰু অত্যাচাৰ চৰম সীমাত উপনীত হয়। হেজাৰ-বিজাৰ জনজাতীয় লোকে এই অত্যাচাৰত তিষ্ঠিব নোৱাৰি তেওঁলোকৰ সাতাম পুৰুষীয়া মাটি ভেটি পৰিত্যাগ কৰি হাবি-জঙ্ঘললৈ পিছুৱাই যাব-লগা হয়।

বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত বিৰোধী কংগ্ৰেছ দলে অ-সাম্প্ৰদায়িক আৰু

অসমৰ সামূহিক স্বাৰ্থৰ ভিত্তিত শ্বাদুল্লা মন্ত্ৰীসভাৰ এই কু-শাসনৰ বিৰুদ্ধে থিয় দিয়ে। তেওঁলোকে পূব বঙ্গৰ পমুৱাসকলে বে-দখল কৰা চৰকাৰী গোপাচাৰবিলাক মুক্ত কৰাৰ আৰু পমুৱাসকলে উচ্ছেদ কৰা জনজাতীয় আৰু থলুৱা লোকসকলৰ মাটি-সম্পত্তি উদ্ধাৰ কৰি তেওঁলোকক নিৰাপত্তা দিয়াৰ, আগৰ চৰকাৰৰ পোষকতাত য়ুৰোপীয় চাহ খেতিয়কসকলে একৰকম বিনা খাজনাই ভোগ কৰি, অসম চৰকাৰক একো ভাগ নিদিয়াকৈ চাহ বাগানসমূহৰপৰা কোটি কোটি টকা লাভ খোৱা প্ৰথাৰ ওৰ পেলাই সেইবিলাকৰ ওপৰত উপযুক্ত পৰিমাণ কৃষি আয়কৰ লগাই অসমৰ জনসাধাৰণৰ কল্যাণজনক কামৰ কাৰণে ধন উলিওৱা, চাহ বাগানবিলাকৰ বনুৱাসকলৰ অৱস্থা উন্নত কৰাৰ আৰু তেওঁলোকৰ ল'ৰা ছোৱালীবিলাকক লেখা-পঢ়াৰ সুবিধা দিয়াৰ কাৰণে প্ৰত্যেক বাগানতে স্কুল খুলিবলৈ মালিকসকলক বাধ্য কৰা, সৰ্বসাধাৰণ ৰাইজৰ মাটিৰ খাজনা হ্ৰাস কৰা ইত্যাদি জনহিতকৰ দাবীৰ ভিত্তিত শ্বাদুল্লা চৰকাৰৰ বিৰুদ্ধে যুঁজ কৰিবলৈ ধৰে। কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিলে এইবিলাক কাম কৰিবই বুলি তেওঁলোকে দৃঢ়ভাৱে ঘোষণা কৰে। ইয়াৰ ফলত বিধান সভাৰ আৰু কেইবাজনো অকংগ্ৰেছী আৰু শ্বাদুল্লা মন্ত্ৰীসভাৰ সমৰ্থক এম-এল-এই কংগ্ৰেছ দলত সহযোগী সদস্য স্বৰূপে যোগ দিয়েহি। সেইসকলৰ ভিতৰত মিলিত জনসংঘৰ শ্ৰীপুৰন্দৰ শৰ্মাও আছিল। সেই দলৰ মন্ত্ৰী ৰোহিনীকুমাৰ চৌধুৰী মাথোন শ্বাদুল্লা মন্ত্ৰীসভাৰ লগত থাকে।

১৯৩৮ চনৰ বিধান সভাৰ প্ৰথম অধিবেশনত পৰিবৰ্দ্ধিত শ্বাদুল্লা মন্ত্ৰীসভা একাধিক প্ৰস্তাৱত পৰাজিত হয় আৰু এটা অনাস্থাৰ প্ৰস্তাৱত কথমপি ৰক্ষা পৰে। তাৰ পিছৰ অধিবেশনত কংগ্ৰেছ দলে এই মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাৱ গৃহীত কৰাবই বুলি দৃঢ় প্ৰতিজ্ঞ হয় আৰু ১৩ চেপ্তেম্বৰৰ দিনা মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাৱ অনাৰ দিন স্থিৰ হয়। ইফালে কংগ্ৰেছ সভাপতি সুভাসচন্দ্ৰ বসু আৰু কংগ্ৰেছ সংসদী বৰ্ডৰ সভাপতি মৌলানা আবুল কালাম আজাদ অৱস্থা নিৰীক্ষণ কৰিবলৈ আৰু আৱশ্যক হলে অসমত কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভা গঠন কৰিবলৈ আহি চিলং পায়হি। শ্বাদুল্লা চাহাবে তেওঁৰ দল সংখ্যালঘিষ্ঠ দলত পৰিণত হৈছে বুলি অনুভৱ কৰি অনাস্থাৰ প্ৰস্তাৱ উত্থাপন কৰাৰ আগতে বিধানসভাত সেই কথা স্বীকাৰ কৰি তেওঁৰ মন্ত্ৰীসভাই পদত্যাগ কৰিছে বুলি ঘোষণা কৰে। বিৰোধী কংগ্ৰেছ

দলক তেওঁলোকে বিকল্প মন্ত্ৰীসভা গঠন কৰক বুলিও তেওঁলোকৰ প্ৰতি তেওঁ শুভেচ্ছা জ্ঞাপন কৰে। শ্বাদুল্লা মন্ত্ৰীসভাৰ পদত্যাগৰ কথা চৰকাৰী ভাবেও ঘোষণা কৰা হয়।

## কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভা গঠন

শ্বাদুল্লা মন্ত্ৰীসভাৰ পদত্যাগৰ পিছত গভৰ্ণৰে কংগ্ৰেছ দলৰ নেতা বৰদলৈ ডাঙৰীয়াক নতুন মন্ত্ৰীসভা গঠন কৰিবলৈ নিমন্ত্ৰণ কৰে আৰু বৰদলৈ ডাঙৰীয়াই তাত সন্মতি প্ৰকাশ কৰে। কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভা যাতে স্থায়ী হয়, তাৰ কাৰণে কংগ্ৰেছ নেতাসকলে গভীৰভাৱে বিবেচনা কৰিবলগীয়া হৈছিল। মুছলমানসকল প্ৰদেশখনত সংখ্যালঘিষ্ঠ যদিও বৰদলৈ মন্ত্ৰীসভাত মুছলমান মন্ত্ৰীৰ সংখ্যা যাতে পূৰ্বৰ শ্বাদুল্লা মন্ত্ৰীসভাত থকা তিনিজনতকৈ হ্ৰাস কৰা নহয়, সেই বিষয়ে সাৱধানতা অবলম্বন কৰা হয়। জনজাতীয় (পাহাৰ আৰু ভৈয়ামৰ) আৰু অনুসূচিত সম্প্ৰদায়ৰ প্ৰতিনিধিত্বৰ কথাও বিবেচনা কৰিবলগীয়া হয়। তদুপৰি সংখ্যালঘিষ্ঠ হৈয়ো অসম উপত্যকাৰ সৈতে সমান ভাগ পাবলৈ বিচৰা সুৰমা উপত্যকাৰ বিষয়ে বিবেচনা কৰিব লগা হয়।

বহুত আলোচনাৰ অন্তত কংগ্ৰেছ সভাপতি বসুৱে ঘোষণা কৰে যে, মুখ্যমন্ত্ৰী বৰদলৈ ডাঙৰীয়াৰ কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভাত আঠজন সদস্য থাকিব - চাৰিজন অসম উপত্যকাৰ (পাহাৰ অঞ্চলকো ধৰি.) আৰু চাৰিজন সুৰমা উপত্যকাৰ। অমুছলমান মন্ত্ৰীকেইজনৰ নাম অবিলম্বে ঘোষণা কৰা হ'ব আৰু মুছলমান মন্ত্ৰীকেইজন তেওঁলোকে কংগ্ৰেছ দলৰ নীতি আৰু কাৰ্যপদ্ধতি মানি লোৱা সাপেক্ষে তেওঁলোকৰ দল-উপদলকেইটাৰ লগত আলোচনা কৰি কেইদিনমানৰ পিছত ঘোষণা কৰা হ'ব। (তেতিয়া কংগ্ৰেছ দলত দুই উপত্যকাৰ মাত্ৰ একোজনকৈ মুছলমান এম-এল-এ আছিল।) বৰদলৈ ডাঙৰীয়াৰ অভিপ্ৰায় আছিল এই যে, সুৰমা উপত্যকাৰ দুজন মুছলিম লীগৰ সদস্যক মন্ত্ৰী হবৰ কাৰণে ললে তাৰ কংগ্ৰেছী মুছলমানজনৰ পৰিবৰ্তে তেওঁলোক দুজনক আৰু অসম উপত্যকাৰ কংগ্ৰেছী ফখৰুদ্দিন আলি আহমদক লৈ তিনিওজন মুছলমান মন্ত্ৰীৰ নাম একেলগে ঘোষণা কৰিব।

এইমতে ১৭ চেপ্তেম্বৰৰ দিনা বৰদলৈ ডাঙৰীয়াই অমুছলমান মন্ত্ৰী পাঁচজনৰ নাম গভৰ্ণৰৰ হাতত দাখিল কৰে আৰু গভৰ্ণৰে এই তালিকা গ্ৰহণ কৰি প্ৰথমে ১৯ চেপ্তেম্বৰৰ দিনা দুপৰীয়া চাৰে দহ বজাত আৰু তাৰ পিছত চাৰে বাৰ বজাত তেওঁলোকৰ শপত গ্ৰহণৰ সময় ধাৰ্য কৰে। ১৯ চেপ্তেম্বৰৰ দিনা দুপৰীয়া ১১ বজাত বিধান সভাৰ অধিবেশনত বৰদলৈ ডাঙৰীয়াই মন্ত্ৰীসকলৰ শপত গ্ৰহণৰ সময়ৰ এই পৰিবৰ্তনৰ কথা অধ্যক্ষক জনাই এই কথাও নিবেদন কৰে যে মন্ত্ৰী-সকলে শপত গ্ৰহণ কৰাৰ পিছতো বিধান সভাৰ কাযক্ৰম ঠিক কৰিবলৈ নতুন মন্ত্ৰীসভাত কেইদিনমান সময় লাগিব। গতিকে এই অৱস্থাত বিধান সভাই একো কাম কৰিব নোৱাৰে আৰু অধ্যক্ষ মহোদয়ে সম্প্ৰতি অধিবেশন স্থগিত ৰাখিব লাগে। কিন্তু বিৰোধী দলে অৰ্থাৎ আগৰ ছাদুল্লা মন্ত্ৰীসভাৰ দলে বৰদলৈ ডাঙৰীয়াৰ এই যুক্তিসঙ্গত প্ৰস্তাবৰো বিৰোধিতা কৰি পূৰ্বৰ মন্ত্ৰীসভাই ধাৰ্য কৰি যোৱা মতেই সভাৰ কাৰ্য চলাই যোৱাৰ পোষকতা কৰে। কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ কৰিলে কংগ্ৰেছলৈ আহিব বা আনিব পৰা যাব বুলি পূৰ্বে তেওঁৰ অন্তৰঙ্গ বন্ধু বৰদলৈ ডাঙৰীয়াই আশা কৰা ৰোহিনী কুমাৰ চৌধুৰী ডাঙৰীয়াই আনকি সেই মুহূৰ্ততে বৰদলৈ মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাব দাঙি ধৰিবলৈ তেওঁ-লোকক অনুমতি দিব লাগে বুলি বিস্ময়কৰভাৱে জিদ ধৰে। অধ্যক্ষ শ্ৰীবসন্ত কুমাৰ দাসে মন্ত্ৰীসভাৰ সদস্যসকলে সাংবিধানিকভাৱে শপত কৰাৰ আগতে মন্ত্ৰীসভা সাংবিধানিকভাৱে গঠিত হৈছে বুলিব নোৱাৰি আৰু তেনে অৱস্থাত মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাব উত্থাপন কৰাৰ প্ৰশ্ন উঠিব নোৱাৰে বুলি ৰায় দি বিধান সভাৰ অধিবেশন সাম্প্ৰতিকভাৱে স্থগিত ৰাখে।

তেতিয়া বুজা গ'ল যে, গভৰ্ণৰে বিদায়ী মন্ত্ৰীসভাৰ দলক এইদৰে অসতৰ্ক অৱস্থাত কংগ্ৰেছক মৰিও মৰকামোৰ মাৰিবলৈ সুবিধা দিবৰ কাৰণেই য়ুৰোপিয়ান আৰু মুছলিম লীগ দলৰ নেতাসকলৰ লগত আলোচনা কৰি নতুন মন্ত্ৰীসভাৰ মন্ত্ৰীসকলৰ শপত গ্ৰহণৰ সময় উপৰোক্তভাৱে বিধান সভা বহাৰ পিছলৈ নিছিল। এই ব্যৰ্থতাৰ পিছতো গভৰ্ণৰে তেওঁলোকক সুবিধা দিবৰ কাৰণে এক অভাবনীয় ধৰণৰ মইমতীয়া আচৰণ কৰিছিল। তেওঁ অধ্যক্ষই বিধান সভাৰ অধিবেশন স্থগিত ৰখাৰ পিছতে মন্ত্ৰীসকলৰ শপত গ্ৰহণ অনুষ্ঠান বন্ধ কৰি বৰদলৈ ডাঙৰীয়াক তেওঁৰ লগত দেখা কৰিবৰ কাৰণে আমন্ত্ৰণ কৰিছিল।

বৰদলৈ ডাঙৰীয়াই গভৰ্ণৰক দেখা কৰাত তেওঁ বৰদলৈ ডাঙৰীয়াক কয় যে

অধ্যক্ষই বিধান সভাৰ অধিবেশন বন্ধ ৰখাটো উচিত কাম হোৱা নাই। বৰদলৈ ডাঙৰীয়াই সমিধান দিয়ে যে, নতুন মন্ত্ৰীসভা নিয়মিতভাৱে গঠিত নোহোৱা আৰু চৰকাৰ পক্ষৰ প্ৰতিনিধিত্ব কৰিবলৈ বিধান সভাত কোনো নথকা অৱস্থাত অধ্যক্ষই বিধান সভাৰ অধিবেশন সাময়িকভাৱে স্থগিত ৰখাটো একো ভুল হোৱা নাই বুলি তেওঁ ভাবে। কিন্তু সেইটো যি নহওক, অধ্যক্ষৰ সেই কাৰ্যৰ বিষয়ে তেওঁৰ কৰিবলগীয়া একো নাই; তেওঁ মাথোন বিচাৰে যে, নতুন মন্ত্ৰীসভা অবিলম্বে প্ৰতিষ্ঠিত হওক।

ইয়াৰ পিছত তিনিদিন ধৰি নেপথ্যত কিম্বা প্ৰকাশ্যে নানান আলোচনা-সমালোচনা আৰু বাকবিতণ্ডা চলে। কংগ্ৰেছ সভাপতি বসুৱে গভৰ্ণৰে শ্বাদুল্লা মন্ত্ৰীসভাৰ পদত্যাগ গ্ৰহণ কৰিও আৰু কংগ্ৰেছ দলপতি বৰদলৈৰ নতুন মন্ত্ৰীসভাৰ মন্ত্ৰীসকলৰ শপত গ্ৰহণ অনুষ্ঠান পাতিও সেই কাম স্থগিত ৰাখি অসমত একৰকম চৰকাৰবিহীন বা অৰাজক অৱস্থাৰ সৃষ্টি কৰাত ক্ষোভ প্ৰকাশ কৰি বাতৰি কাকতত এটা কটু বিবৃতি দিয়ে আৰু ইয়াৰ কাৰণে দায়ী কোন প্ৰশ্ন কৰে। যি নহওক ১০ ছেপ্টেম্বৰৰ দিনা বৰদলৈ মন্ত্ৰীসভাৰ সদস্যসকলক (বৰদলৈৰ সৈতে ছজন) পিছদিনা শপত গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ কৰা হয় আৰু সেইমতে ১১ ছেপ্টেম্বৰৰ দিনা মন্ত্ৰীসকলে শপত গ্ৰহণ কৰে। তেওঁলোক আছিল (বৰদলৈৰ বাহিৰে) সুৰমা উপত্যকাৰ শ্ৰীকামিনীকুমাৰ সেন, শ্ৰীঅক্ষয় কুমাৰ দাস, শ্ৰীজে. জে. এম. নিকলছ্ ৰয় (পাহাৰী জনজাতীয়), শ্ৰীৰূপনাথ ব্ৰহ্ম (ভৈয়ামৰ জনজাতীয়) আৰু শ্ৰীৰামনাথ দাস (অনুসূচীত সম্প্ৰদায়)। ইয়াৰ পিছত তেওঁৰ পূৰ্ব পৰিকল্পনা মতে বৰদলৈয়ে মুছলমান মন্ত্ৰী তিনি-জনৰ নাম ঘোষণা কৰে - অসম উপত্যকাৰ শ্ৰীফখৰুদ্দিন আহমদ আৰু সুৰমা উপত্যকাৰ শ্ৰীআলি হায়দৰ আৰু শ্ৰীমামুদ আলি। ইয়াৰ পিছৰ দুজন শ্বাদুল্লা মন্ত্ৰীসভাৰ সমৰ্থক আছিল আৰু এতিয়া কংগ্ৰেছ দলৰ সহযোগী হৈ তেওঁ-লোকে কংগ্ৰেছৰ কাৰ্যক্ৰম মানি লৈছিল।

এইদৰেই প্ৰদেশখনৰ এজন কনিষ্ঠ আৰু দ্বিতীয় শাৰীৰ কংগ্ৰেছ নেতা গোপীনাথ বৰদলৈ ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী হয়। আগতে কোৱা হৈছে যে, ১৯৩৭ চনৰ বিধান সভাৰ নিৰ্বাচনত প্ৰবীণ আৰু লব্ধপ্ৰতিষ্ঠ নেতা তৰুণৰাম ফুকন কিম্বা কুলধৰ চলিহাৰ কথাই নাই—প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীযুত বিষ্ণুৰাম মেধি নিৰ্বাচিত হৈ অহা হলেও বৰদলৈ ডাঙৰীয়া কংগ্ৰেছ দলৰ দলপতি আৰু সেই হিচাপে অসমৰ মুখ্যমন্ত্ৰী হব নোৱাৰিলে-

হৈছেন। শ্ৰীযুত মেধি বয়সত বৰদলৈৰ সমনীয়াই আছিল যদিও ১৯২১ আৰু ১৯৩০-৩১ চনৰ আন্দোলনত তেওঁ বৰদলৈতকৈ অধিকতৰ সক্ৰিয় ভূমিকা অৱলম্বন কৰি আৰু দীৰ্ঘকাল কাৰাদণ্ড ভোগ কৰি অধিকতৰ বিখ্যাত আৰু জনপ্ৰিয় হৈ উঠিছিল। বস্তুতঃ ১৯৩০ চনৰ আইন অমান্য আন্দোলনত (বৰদলৈ এই আন্দোলনত নাছিলেই) শ্ৰীযুত মেধি আৰু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই গুৰিয়াল আছিল বুলি আগতে কোৱা হৈছে। ১৯৩০ চনত তৰুণৰাম ফুকন ডাঙৰীয়াৰ ঠাইত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হৈ শ্ৰীযুত মেধি তেতিয়ালৈকে বাৰম্বাৰ সেই পদত পুনঃ নিৰ্বাচিত হৈ আছিল। কিন্তু বিধান সভাৰ কংগ্ৰেছ দলৰ সভাপতি স্বৰূপে বৰদলৈ ডাঙৰীয়াই ইতিমধ্যে তেওঁৰ সততা, নিষ্ঠা আৰু অমায়িকতাৰে সহকৰ্মীসকলৰ প্ৰীতি আৰু শ্ৰদ্ধাভাজন হৈ পৰাৰ পিছত মেধি ডাঙৰীয়াই হাজো সমষ্টিৰ পৰা বিধান সভালৈ নিৰ্বাচিত হৈ আহিছিল যদিও দলৰ সদস্যসকলে তেওঁ-লোকৰ দলপতি পৰিবৰ্তন কৰাৰ কথা নাভাবিলে।

মুখ্যমন্ত্ৰীস্বৰূপে তেওঁৰ মন্ত্ৰীসভা গঠনত বৰদলৈ ডাঙৰীয়াই খুব দুৰদৰ্শিতা ৰাজনীতিজ্ঞান আৰু বুদ্ধিমত্তাৰ পৰিচয় দিলে। কংগ্ৰেছ সভাপতি সুভাষ বসুৱে দিয়া মন্ত্ৰীসভা গঠনৰ সূত্ৰ বা 'ফৰমুলা'ৰ ভিতৰতো চিলেটৰ আক্ৰোশী লোকসকলে হয়তো আশা কৰিছিল যে, সুৰমা উপত্যকাৰ হিন্দু মন্ত্ৰী দুজনৰ দুয়োজনেই তেওঁলোকৰ ভিতৰৰপৰা হব আৰু আনহাতে অসম উপত্যকাৰ চাৰিজন মন্ত্ৰীৰ (বৰদলৈৰ বাহিৰে) ভিতৰত বৰদলৈয়ে এজনো চৌকা আৰু বৰ্ণহিন্দু মন্ত্ৰী লব নোৱাৰি অকলশৰীয়া হৈ পৰিব আৰু এই মন্ত্ৰীসভাত সুৰমা উপত্যকাৰ মন্ত্ৰী চাৰিজনেই (মুছলমান দুজনৰ সৈতে) প্ৰভুত্ব কৰিব পাৰিব। কিন্তু বৰদলৈ ডাঙৰীয়াই অমুছলমান মন্ত্ৰী দুজনৰ ভিতৰত তেনে কোনো উগ্ৰ আৰু আঞ্চলিকতাবাদী সদস্যক মন্ত্ৰী নলৈ দুজন মধ্যপন্থী লোককহে ল'লে। তেওঁলোকৰ ভিতৰতো এজন অনুসূচীত সম্প্ৰদায়ৰ হিন্দু। এওঁক লোৱাৰ পক্ষে বৰদলৈ ডাঙৰীয়াৰ যুক্তি হ'ল এই যে, অসমৰ অনু-সূচীত সম্প্ৰদায়ৰ লোকসংখ্যা অসম উপত্যকাতকৈ সুৰমা উপত্যকাত বেছি আৰু তেওঁলোকৰ এজনক মন্ত্ৰী লোৱাৰ কাৰণে তেওঁ সেই সম্প্ৰদায়ৰ লোক-সকলৰপৰা বহুত আবেদন পাইছে। স্বতন্ত্ৰ সদস্য শ্ৰীকামিনী সেন আৰু শ্ৰীঅক্ষয় দাসক কংগ্ৰেছ দলত যোগ দিয়াই মন্ত্ৰী কৰাৰ কাৰণে কংগ্ৰেছ দলৰ সদস্য সংখ্যাও বৃদ্ধি হয়। আনহাতে অসম উপত্যকাতো কেইবাজনো

সুযোগ্য কংগ্ৰেছী লোককো চেৰাই তেওঁ অনুসূচীত সম্প্ৰদায়ৰ ৰামনাথ দাসকে মন্ত্ৰী কৰে। দাসক লোৱাৰ ফলত কংগ্ৰেছ দলে এজন ওপৰঞ্চি সদস্য লাভ কৰাৰ উপৰিও অনুসূচীত সম্প্ৰদায়ৰ অধিকতৰ আস্থা লাভ কৰিলে। এই মন্ত্ৰীসভা গঠনত পাহাৰ আৰু ভৈয়ামৰ জনজাতীয় সকলো সন্তুষ্ট হ'ল। এইদৰেই প্ৰশাসনৰ ক্ষেত্ৰতো বিজ্ঞ আৰু জনপ্ৰিয় ব্যৱস্থা অবলম্বন কৰি বৰদলৈ ডাঙৰীয়া জনসাধাৰণৰ প্ৰিয় 'লোকপ্ৰিয়' হৈ উঠিল।

## মন্ত্ৰীসভাৰ কাৰ্যকলাপঃ পদত্যাগ

কংগ্ৰেছ দল বিধান সভাত অকলে সংখ্যাগৰিষ্ঠ নোহোৱা স্বত্বেও সৰহভাগ স্বতন্ত্ৰ আৰু অকংগ্ৰেছী সদস্যৰ সমৰ্থনত বৰদলৈ মন্ত্ৰীসভা অপৰাজেয় হৈ উঠিল আৰু মুছলিম লীগ, য়ুৰোপিয়ান দল আৰু আত্মসৰ্বস্ব ৰোহিনী চৌধুৰীৰ মিলিত জনসজ্বই বাৰম্বাৰ আৰু প্ৰাণপনে চেষ্টা কৰিও এই মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাৱ 'পাচ' কৰাটো দূৰৰ কথা এওঁলোকক আন কোনো প্ৰস্তাৱতো আৰু এবাৰো পৰাজিত কৰিবলৈ সমৰ্থ নহ'ল। বৰদলৈৰ চৰকাৰে দলৰ পূৰ্বপ্ৰতিশ্ৰুতি ৰক্ষা কৰি মাটিৰ খাজনা তাকৰীয়া মাটিৰ মালিকসকলক কিছু অধিক আৰু সৰহীয়া মাটিৰ মালিকসকলক কিছু কম মাত্ৰাত মুঠতে আগতকৈ এৰ-তৃতীয়াংশ ৰেহাই দিয়ে, চাহ খেতিয়কসকলৰ ওপৰত (তেতিয়া তেওঁলোকৰ শতকৰা ৯০ ভাগেই য়ুৰোপিয়ান আছিল) কৃষি-আয়কৰ ধাৰ্য কৰি বছৰি ৪০ লাখ টকাৰ অধিক আয় বৃদ্ধি কৰে, বহিৰাগত মুছলমান পমুৱাসকলৰ বে-দখল আৰু অত্যাচাৰৰপৰা স্থানীয় অধিবাসীসকলক (তেওঁলোকৰ সৰহভাগেই নিৰীহ জনজাতীয় লোক আছিল) ৰক্ষা কৰে, বহিৰাগতসকলক মাটি বন্দবস্তি দিয়াটো সীমাবদ্ধ কৰে, তেওঁলোকে বে-দখল কৰা গ্ৰেজিং আৰু সংৰক্ষিত বনাঞ্চলবিলাক তেওঁলোকৰ কবলমুক্ত কৰে আৰু কানি নিবাৰণী আইন প্ৰবৰ্তন কৰি আৰু কানীয়াসকলৰ যথোচিত তত্বাবধান লোৱা আদি নানান জনহিতকৰ কাম কৰে।

কিন্তু বৰদলৈ ডাঙৰীয়াই তথা বৰদলৈ মন্ত্ৰীসভাই এইদৰে অসমৰ জনকল্যাণমূলক কাম কৰিবলৈ সৰহদিন নাপালে। ১৯৩৯ চনৰ ১ ছেপ্টেম্বৰৰ দিনা দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল। ৩ ছেপ্টেম্বৰৰ দিনাই ইংলণ্ডৰ ৰজাই তেওঁৰ নিজ দেশ আৰু তেওঁলোকৰ সাম্ৰাজ্যৰ পক্ষে জাৰ্মানী আৰু ইটালীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি বেতাঁৰ বিবৃতি প্ৰচাৰ কৰিলে। সেই

বিবৃতি আৰু ঘোষণাও স্বাধীনতা আৰু গণতন্ত্ৰ ৰক্ষাৰ, পৰৰাজ্য গ্ৰাস আৰু নিষ্পেষণৰ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে এই যুদ্ধত নমা হৈছে বুলি কোৱা হৈছিল। পৰাধীন ভাৰতে প্ৰথম মহাসমৰত ইংলণ্ডক ধনে জনে সহায় কৰি (মহাত্মা গান্ধীয়ে নিজেই সেই যুদ্ধত বৃটিছ চৰকাৰক ধন-জন গোটাই দিছিল) তাৰ বিনিময়ত ভাৰতৰ স্বায়ত্ব শাসনৰ দাবী সম্পৰ্কে কোনো সুবিচাৰ নোপোৱাৰ— বৰং জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ দৰে অত্যাচাৰৰহে সন্মুখীন হ'ব লগা অভিজ্ঞতাৰ পটভূমিত কংগ্ৰেছে এতিয়া সমিধান দিলে যে, পৰাধীন ভাৰতে এই যুদ্ধত বৃটেইনৰ সহযোগিতা কৰিব নোৱাৰে। বৃটেইনে যদি প্ৰকৃতপক্ষে স্বাধীনতা আৰু গণতন্ত্ৰ ৰক্ষাৰ আৰু নিষ্পেষণৰ বিৰোধিতা কৰাৰ উদ্দেশ্যেই এই যুদ্ধত অবতীৰ্ণ হৈছে আৰু ভাৰতকো লিপ্ত কৰিবলৈ বিচাৰিছে, তেন্তে প্ৰথমতে তেওঁলোকে ভাৰতৰ স্বাধীনতাৰ দাবী পূৰণ কৰক। ভাৰতৰ স্বাধীনতাও নাই, গণতন্ত্ৰও নাই আৰু ই নিজেই বৃটেইনৰ দ্বাৰা নিষ্পেষিত। এনে অৱস্থাত ভাৰতে এই যুদ্ধত বৃটেইনৰ লগত সহযোগিতা কৰাটো সম্ভৱ নহয়। ভাৰতৰ স্বাধানতাৰ দাবীৰ সন্তোষজনক মীমাংসা হ'লেহে আৰু স্বাধীন ভাৰতেহে এই যুদ্ধত সহযোগিতা কৰাৰ কথা বিবেচনা কৰিব পাৰে। মহাত্মা গান্ধীয়ে নীতিগত ভাবেই যুদ্ধত ভাৰতে সহযোগিতা কৰিব নালাগে বুলি দিয়া পৰামৰ্শ উপেক্ষা কৰিও কংগ্ৰেছে এই মনোভাব প্ৰকাশ কৰিছিল। কিন্তু বৃটিছ গভৰ্ণমেণ্টে কংগ্ৰেছৰ এই দাবী সম্পৰ্কে কোনো যুক্তিসঙ্গত মীমাংসা নকৰাত আৰু যুদ্ধৰ পিছতহে এই বিষয়ে বিবেচনা কৰিব পৰা হ'ব বুলি সমিধান দিয়াত কংগ্ৰেছ আৰু মহাত্মাৰ মাজৰ এই মতানৈক্যও তল পৰিল আৰু কংগ্ৰেছে মহাত্মা গান্ধীৰে নেতৃত্বত যুদ্ধত সহযোগিতা নকৰিবলৈ আৰু যুদ্ধ-বিৰোধী সত্যাগ্ৰহ কৰিবলৈ সিদ্ধান্ত কৰে। এই অৱস্থাত কংগ্ৰেছী মন্ত্ৰীসভাবিলাকে পদত্যাগ কৰিবলগা হয়। ইফালে মুছলিম লীগৰ লাহোৰ অধিবেশনে অসমকো তেওঁলোকে বিচৰা পাকিস্তান ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ দাবী কৰে। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ মুখ্যমন্ত্ৰী ডাঃ খান চাহাবে সেই প্ৰদেশৰ বিশেষ সমস্যাৱলীলৈ চাই তেওঁৰ কংগ্ৰেছ-কোৱেলিশ্যন মন্ত্ৰীসভা পদত্যাগ কৰাৰপৰা অব্যাহতি দিব আৰু যুদ্ধত সহযোগিতা বা বিৰোধিতা একো নকৰাকৈ প্ৰদেশখনৰ স্বাৰ্থ ৰক্ষা কৰি থাকিবলৈ দিব লাগে বুলি কেন্দ্ৰীয় কংগ্ৰেছ ৱৰ্কিং কমিটিৰ ওচৰত আবেদন কৰিছিল। কিন্তু উত্তৰ-পশ্চিম প্ৰদেশতকৈ অধিক গুৰুতৰ আৰু জটিল সমস্যাপূৰ্ণ অসমৰ মুখ্যমন্ত্ৰী

বৰদলৈ ডাঙৰীয়াই তেওঁৰ মন্ত্ৰীসভাকো পদত্যাগৰপৰা এইদৰে অব্যাহতি দিবলৈ কংগ্ৰেছ ৱাৰ্কিং কমিটিক অনুৰোধ কৰিবলৈ আগ নাবাঢ়িলে। তেওঁ এই বিষয়ে মহাত্মা গান্ধীৰ আগত মাত্ৰ উল্লেখ কৰাতহে মহাত্মাই হলে বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰা উচিত নহয় বুলি কৈছিল। প্ৰদেশ কংগ্ৰেছ মহলতো এই প্ৰশ্নটো সুঠাকৈ থকা নাছিল; কিন্তু প্ৰদেশ কংগ্ৰেছ সভাপতি শ্ৰীতৈয়বুল্লা প্ৰমুখ্যে কেইবাজনো নেতাই এনে প্ৰস্তাবৰ বিৰোধিতা কৰি আদৰ্শনীয় সৰ্ব-ভাৰতীয় ভূমিকা অবলম্বন কৰাত বৰদলৈ ডাঙৰীয়াই এই বিষয়ে একো উচ্চ বাচ্য নকৰিলে। বহু বছৰ কংগ্ৰেছত সক্ৰিয় ভূমিকা গ্ৰহণ নকৰাকৈয়ে মুখ্যমন্ত্ৰী হৈ এতিয়া সেই পদ আৰু ক্ষমতাৰ মোহত তেওঁ তেনে কৰিছে বুলি সতীৰ্থসকলে ভবাৰ ভয়ত তেওঁ তেনে কৰাৰপৰা বিৰত থাকিল। প্ৰদেশ কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে আনকি বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰাৰ পিছত কোনো বিকল্প মন্ত্ৰীসভাই যুদ্ধ প্ৰচেষ্টাত সহযোগিতা কৰাৰ বাহিৰে অন্যান্য বিষয়ত কংগ্ৰেছৰ বা বৰদলৈ মন্ত্ৰীসভাৰ নীতি আৰু কাৰ্যপন্থাকে অনুসৰণ কৰিলে বিধান সভাৰ কংগ্ৰেছ সদস্যসকলে সেই মন্ত্ৰীসভাক স্বাধীন-ভাৱে সমৰ্থন দিব বুলি বিধান সভাৰ কংগ্ৰেছ দলে এটা প্ৰস্তাৱ লোৱাতো আপত্তি কৰিছিল আৰু এই বিষয়ে কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ দৃষ্টি আকৰ্ষণ কৰিছিল। কিন্তু ৱাৰ্কিং কমিটিয়ে যেনিবা বিধান সভাৰ কংগ্ৰেছ দলৰ এই প্ৰস্তাব একো অসঙ্গত হোৱা নাই বুলি ৰায় দিলে।

এইটোও বৰদলৈ ডাঙৰীয়াৰ ৰাজনৈতিক জীৱনৰ এটা উল্লেখযোগ্য ঘটনা আৰু অভিজ্ঞতা। বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত বিধান সভাৰ কংগ্ৰেছ দলে এই প্ৰস্তাবটো লবলগা হৈছিল আগৰ শ্বাদুল্লা মন্ত্ৰীসভাৰ মন্ত্ৰী ৰোহিনীকুমাৰ চৌধুৰীয়ে কংগ্ৰেছ দলৰ দলপতি স্বৰূপে বৰদলৈ ডাঙৰীয়ালৈ দিয়া এখন চিঠিৰ সন্দৰ্ভত। সেই চিঠিত চৌধুৰী ডাঙৰীয়াই জনাইছিল যে তেওঁৰ নেতৃত্বত বিধান সভাৰ কেইটামান অকংগ্ৰেছী দল উপদলৰ আৰু স্বতন্ত্ৰ সদস্যৰ এটা নতুন দল গঠিত হৈছে আৰু কংগ্ৰেছ দলৰ পিছতে বিধান সভাত এইটোৱেই বৃহৎ দল হৈছে আৰু কংগ্ৰেছ-কোৱেলিশ্যন মন্ত্ৰী-সভাই পদত্যাগ কৰাৰ পিছত এই দলে নতুন মন্ত্ৰীসভা গঠন কৰিবলৈ চেষ্টা কৰিব আৰু এইদলে যুদ্ধ প্ৰচেষ্টাত সহযোগিতা কৰাৰ বাহিৰে আন বিষয়ত কংগ্ৰেছ কোৱেলিশ্যন দলে গ্ৰহণ কৰা নীতি আৰু কাৰ্যপন্থাকে অনুসৰণ কৰিব। গতিকে কংগ্ৰেছ দলে যুদ্ধ প্ৰচেষ্টাৰ বাহিৰে আন ক্ষেত্ৰত এই

দলৰ সম্ভাব্য মন্ত্ৰীসভাক সমৰ্থন কৰিব বুলি তেওঁ আশা কৰে আৰু এই বিষয়ে কংগ্ৰেছ দলৰ অভিমত জানিব খোজে।

বৰদলৈ ডাঙৰীয়াই বিধান সভাৰ কংগ্ৰেছ দলৰ সভাত এই চিঠিৰ বিষয়ে আলোচনা কৰি সদস্যসকলৰ সম্মতিক্ৰমে চৌধুৰীক জনায় যে, (১) বিধান সভাৰ কংগ্ৰেছ সদস্যসকলে তেওঁ উল্লখ কৰা সম্ভাব্য মন্ত্ৰীসভাৰ যুদ্ধ প্ৰচেষ্টাৰ বিৰোধিতা কৰিব। (২) কংগ্ৰেছ দলৰ সদস্যসকল তেওঁৰ (অৰ্থাৎ চৌধুৰীৰ) কোৱেলিশ্যন দলৰ লগত নবহিব আৰু সেই দলৰ অংশ নহয় আৰু (৩) কংগ্ৰেছ দলৰ এম-এল-এসকলে মহাত্মা গান্ধীৰ যুদ্ধবিৰোধী সত্যাগ্ৰহৰ-পৰা বিৰত নহয়। এই মূল সূত্ৰ সাপেক্ষে বিধান সভাত সাময়িকভাৱে উপস্থিত থকা কংগ্ৰেছী সদস্যসকলে সম্ভাব্য কোৱেলিশ্যন মন্ত্ৰীসভাক সমৰ্থন দিব। বৰদলৈ ডাঙৰীয়া আৰু তেওঁৰ সতীৰ্থ কংগ্ৰেছ এম-এল-এসকলে (অন্ততঃ তেওঁলোকৰ সৰহ অংশই) অনুভৱ কৰিছিল যে, বৰদলৈ মন্ত্ৰীসভাৰ পদত্যাগৰ পিছত শ্বাদুল্লা মতি চৌধুৰীৰ মুছলিম লীগ-কোৱেলিশ্যন চৰকাৰ গঠিত হোৱাতকৈ ৰোহিনীকুমাৰ চৌধুৰী ডাঙৰীয়াৰ উক্ত দলৰ মন্ত্ৰীসভা গঠিত হোৱাটোহে বাঞ্ছনীয়; লীগ-কোৱেলিশ্যন মন্ত্ৰীসভা গঠিত হলে এই মন্ত্ৰীসভাই আকৌ লাখে লাখে পূব বঙ্গৰ মুছলমান পমুৱা আমদানী কৰি অসমৰ মাটি শেষ কৰিব আৰু অসমীয়াৰ দুৰ্গতি বৃদ্ধি কৰিব। বৰদলৈ ডাঙৰীয়া আৰু তেওঁৰ উক্ত কংগ্ৰেছী সতীৰ্থসকলৰ এই যুক্তি নিৰ্ভুল আছিল। প্ৰদেশ কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে ইয়াৰ বিৰোধাৰণ কৰাৰ যুক্তি নাছিল। পিছত গভৰ্ণৰে নতুন কোৱেলিশ্যন দলৰ দলপতি চৌধুৰীক নতুন মন্ত্ৰীসভা গঠন কৰিবলৈ নামাতি বৃটিছ গভৰ্ণমেণ্টৰ অধিক প্ৰীতিভাজন মুছলিম লীগ দলৰ দলপতি ছাৰ শ্বাদুল্লাকহে মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান কৰিলে—সেইটো বেলেগ কথা।

## যুদ্ধ-বিৰোধী সত্যাগ্ৰহ আৰু দ্বিতীয় শ্বাদুল্লা মন্ত্ৰীসভা

অক্টোবৰ মাহৰ শেষত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰিলে। নবেম্বৰ মাহটো অন্যান্য কংগ্ৰেছ নেতাসকলৰ সৈতে সমগ্ৰ প্ৰদেশত যুদ্ধ-বিৰোধী সত্যাগ্ৰহৰ প্ৰস্তুতি সম্পন্ন কৰি ১০ ডিচেম্বৰৰ দিনা বৰদলৈ ডাঙৰীয়াই গুৱাহাটী কাছাৰিৰ আগত মহাত্মা গান্ধী তথা কংগ্ৰেছে নিৰ্দেশ কৰি দিয়া যুদ্ধ-বিৰোধী ধ্বনি দি সত্যাগ্ৰহ কৰে। সেই সত্যাগ্ৰহৰ সত্যাগ্ৰহীৰ তালিকা

আৰু সত্যাগ্ৰহৰ ক্ৰমো মহাত্মা গান্ধীৰ অনুমোদনক্ৰমে নিৰ্দিষ্ট হৈছিল। বৰদলৈ ডাঙৰীয়া অসমৰ প্ৰথম সত্যাগ্ৰহী আছিল। সেইদিনা হেজাৰ-বিজাৰ লোকে তেওঁৰ সত্যাগ্ৰহ আচৰণ নিৰীক্ষণ কৰি তেওঁৰ সেই সত্যাগ্ৰহৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰিছিল। বৰদলৈ ডাঙৰীয়াক গ্ৰেপ্তাৰ কৰি সেই দিনাই বিচাৰত এবছৰ কাৰাদণ্ড বিহা হ'ল।

এইদৰে সমগ্ৰ ভাৰতত কংগ্ৰেছ নেতাসকলে যুদ্ধ-বিৰোধী সত্যাগ্ৰহ কৰি দেশত নতুন জাগৰণ আৰু স্বাধীনতাৰ স্পৃহা সৃষ্টি কৰে আৰু তেওঁলোকক গ্ৰেপ্তাৰ কৰা আৰু কাৰাদণ্ড বিহা হয়। জেলত বৰদলৈ ডাঙৰীয়াৰ স্বাস্থ্যৰ অবনতি ঘটাত এবছৰ নৌহওঁতেই ১৯৪১ চনৰ মে মাহত তেওঁক মুক্তি দিয়া হয়। তেওঁ পুনৰ সত্যাগ্ৰহ কৰিবনে (তেনে কৰাৰেই সাধাৰণ নিৰ্দেশ আছিল) সেই বিষয়ে মহাত্মা গান্ধীৰ পৰামৰ্শ বিচৰাত মহাত্মাই সেই অৱস্থাত বৰদলৈয়ে পুনৰ সত্যাগ্ৰহ কৰাটো হিংসাৰ তুল্য হ'ব বুলি ভাবে বুলি সমিধান দিয়ে, কিন্তু তেওঁ কি কৰে, সেইটো নিজেই বিবেচনা কৰি কৰিবলৈ কয়। বৰদলৈ ডাঙৰীয়াই কিছুদিন গা টগাই লোৱাই যুক্তিসঙ্গত বুলি ভাবে। ডিচেম্বৰ মাহৰ শেষৰ ফালে চৰকাৰে সকলো সত্যাগ্ৰহী বন্দীক মুক্তি দি কংগ্ৰেছৰ লগত এটা আপোচ আলোচনা চলোৱাৰ ইচ্ছা প্ৰকাশ কৰে আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে ইয়াত সহাৰি দিয়ে। মহাত্মা গান্ধীয়ে যুদ্ধৰ বিৰোধিতা কৰাৰ বিষয়ত তেওঁ একো আপোচ কৰাৰ পক্ষপাতী নহয় বুলি ৰাজনীতিৰপৰা আঁতৰি থাকিবলৈ সিদ্ধান্ত কৰে।

ইফালে মহাযুদ্ধ দ্ৰুতগতিৰে বিভিন্ন দিশত বিয়পি পৰিল। জাপানেও এই যুদ্ধত জাৰ্মানী আৰু ইটালীৰ পক্ষে যোগ দি প্ৰায় সমগ্ৰ দক্ষিণ-পূব এচিয়া তড়িৎ গতিত দখল কৰি দক্ষিণ এচিয়া মুখে আগবাঢ়ি ব্ৰহ্মদেশত সোমালহি আৰু ভাৰত আক্ৰমণ কৰাৰ সম্ভাৱনাও প্ৰবল হৈ উঠিল। ব্ৰহ্মদেশৰ বহুত প্ৰবাসী ভাৰতীয়ই জাহাজেদি ভাৰতৰ উভয় কুলত নামিলহি। কিন্তু ততোধিক সংখ্যকে জাহাজেদি আহিব নোৱাৰি মাটিয়েদি পৰ্বত-পাহাৰ বগাই খোজ কাঢ়ি আহি মণিপুৰেদি অসম সোমালহি। বাটত শাৰীৰিক কষ্ট, অনাহাৰ আৰু জ্বৰ-বেমাৰত শ শ লোকৰ মৃত্যু হয়। তেওঁলোকৰ ভিতৰত বহুত ল'ৰা-ছোৱালী, তিৰোতা আৰু বৃদ্ধ লোক আছিল। বৰদলৈ ডাঙৰীয়া তথা অসম কংগ্ৰেছে ডিমাপুৰত এই শৰণাৰ্থীসকলৰ কাৰণে শিবিৰ পাতি তেওঁলোকৰ সেৱাৰ ব্যৱস্থা কৰে। জাপানী বেতাৰ যোগে প্ৰকাশ্যভাবেই

কোৱা হয় যে, ভাৰতৰ জনসাধাৰণৰ প্ৰতি জাপানৰ কোনো বিদ্বেষ নাই যদিও শত্ৰুপক্ষৰ সামৰিক শিবিৰ আৰু যাতায়তৰ পথবিলাকৰ ওপৰত তেওঁ-লোকে আক্ৰমণ চলাবই লাগিব – জনসাধাৰণ সেইবিলাকৰপৰা আঁতৰি থাকিব লাগে। ইফালে ব্ৰহ্মদেশৰ সীমান্তবৰ্তী ভাৰতীয় প্ৰদেশ সমগ্ৰ অসমখনেই একপ্ৰকাৰ বৃটিছ আৰু মাকিন সৈন্যৰ শিবিৰত পৰিণত হৈছিল। সাগৰৰ তীৰবৰ্ত্তী প্ৰদেশকেইখনৰো সেই অৱস্থাই হৈছিল। উপকূলবৰ্তী মাদ্ৰাজ আৰু আন দুখনমান চহৰত কেইটামান বোমাও পৰিছিল। বঙ্গোপসাগৰত জাপানী যুদ্ধ জাহাজো পৰিলক্ষিত হৈছিল।

এই অৱস্থাতে ১৯৪২ চনৰ ১৩ মাৰ্চত বৃটিছ গভৰ্ণমেণ্টৰ প্ৰতিনিধি ছাৰ ষ্টাফৰ্ড ক্ৰিপছ্ কংগ্ৰেছৰ লগত আপোচৰ প্ৰস্তাৱ লৈ ভাৰত পাযহি। তেওঁৰ তথা বৃটিছ গভৰ্ণমেণ্টৰ এই প্ৰস্তাৱৰ মৰ্ম আছিল এই যে, কংগ্ৰেছে বিচৰা মতে ভাৰতৰ নতুন সংবিধান ৰচনা কৰিবলৈ এখন গণপৰিষদ গঠন কৰা হ'ব আৰু প্ৰাদেশিক বিধান সভাসমূহৰ নিৰ্বাচন পাতি প্ৰতি প্ৰদেশৰ নিৰ্বাচিত সদস্যসকলৰ প্ৰতিনিধিৰে এই গণপৰিষদ গঠিত হ'ব। দেশীয় ৰাজ্যসমূহেও এই গণপৰিষদলৈ প্ৰতিনিধি পঠিয়াব পাৰিব। কিন্তু এই কাম যুদ্ধৰ অন্ততহে কৰিব পৰা যাব। গণ পৰিষদত কোনোবা প্ৰদেশৰ প্ৰতিনিধিসকলে সামগ্ৰিক ভাৰত ৰাষ্ট্ৰত সোমাব নুখুজিলে সেই প্ৰদেশক স্বকীয়াভাৱে থাকিবলৈ দি ক্ষমতা হস্তান্তৰ কৰা হ'ব, অৰ্থাৎ সেই প্ৰদেশক এখন বেলেগ ৰাষ্ট্ৰৰ স্বীকৃতি দিয়া হ'ব। ইতিমধ্যে কংগ্ৰেছে যুদ্ধত সকলো প্ৰকাৰে সহায়-সহযোগিতা কৰিব লাগিব।

স্বাভাৱিকতে এই প্ৰস্তাৱত মহাত্মা গান্ধী কিম্বা কংগ্ৰেছ সন্মত নহ'ল। ৱাৰ্দ্ধাত কংগ্ৰেছ ৱাৰ্কিং কমিটিযে এসপ্তাহ জুৰি আলোচনা কৰি দাবী কৰিলে যে বৃটেইনে অবিলম্বে এখন অন্তৰৰ্তী ৰাষ্ট্ৰীয় চৰকাৰৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰি ভাৰতৰপৰা আঁতৰি যাওক। তেনে এক ৰাষ্ট্ৰীয়. চৰকাৰেহে যুদ্ধত ভাৰতে কি কৰে. সেই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব।

## 'ভাৰত-এৰা' আন্দোলন আৰু বৰদলৈ

এই প্ৰস্তাৱৰ পিছতে প্ৰায় দুমাহলৈকে বৃটিছ গভৰ্ণমেণ্টৰ একো সঁহাৰি নোপোৱাত আৰু যুদ্ধৰ পৰিস্থিতি অধিক গুৰুতৰ হৈ উঠাত এই বিষয়ে

বিবেচনা কৰিবলৈ ৭ আৰু ৮ আগষ্টত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ জৰুৰী অধিৱেশন পতা হয়। এই অধিবেশনত মহাত্মা গান্ধীৰ পৰামৰ্শমতে বিখ্যাত 'ভাৰত-এৰ' (কুইট্ ইণ্ডিয়া) প্ৰস্তাবটো গ্ৰহণ কৰি বৃটিছ গভৰ্ণমেণ্টক ভাৰত পৰিত্যাগ কৰিবলৈ কোৱা হয়। স্বাধীন ভাৰতে এই যুদ্ধত সহযোগিতা কৰা-নকৰাৰ বিষয়ে কংগ্ৰেছৰ আগৰ অস্পষ্টতা দূৰ কৰি সহযোগিতা কৰিব বুলিও মহাত্মা গান্ধীৰ বিৰোধিতা সত্ত্বেও কমিটিয়ে স্পষ্টভাৱে ঘোষণা কৰিছিল। মহাত্মাই তেওঁৰ বক্তৃতাত বৃটিছ গভৰ্ণমেণ্টে কাৰ হাতত ক্ষমতা অৰ্পণ কৰি ভাৰত ত্যাগ কৰিব, সেইটো নিৰ্দ্ধাৰণ কৰিব নোৱাৰিলে ভাৰতক ভগবানৰ হাতত এৰি দি তেওঁলোকে এই দেশ ত্যাগ কৰক বুলি দৃঢ়ভাৱে দাবী কৰে।

বৃটিছ গভৰ্ণমেণ্টে কংগ্ৰেছৰ ওপৰত তীব্ৰ আক্ৰমণ আৰু ভীষণ দমন নীতিৰে কংগ্ৰেছৰ এই দাবীৰ উত্তৰ দিয়ে। ৯ আগষ্টৰ দোকমোকালিতে মহাত্মা গান্ধী আৰু কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সদস্যসকলক গ্ৰেপ্তাৰ কৰি কোনোবা অজান ঠাইলৈ লৈ যোৱা হ'ল, কংগ্ৰেছ অনুষ্ঠান আৰু কংগ্ৰেছ কমিটিবিলাকৰ বে-আইনী ঘোষণা কৰা হ'ল আৰু সমগ্ৰ ভাৰতত কংগ্ৰেছ নেতাসকলক গ্ৰেপ্তাৰ আৰু কাৰাৰুদ্ধ কৰা হ'ল। বৰদলৈ ডাঙৰীয়া আৰু সিদ্ধিনাথ শৰ্মা ডাঙৰীয়াক নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিৱেশনৰপৰা ঘূৰি অহাৰ পথত ধুবুৰীত গ্ৰেপ্তাৰ কৰা হয়। প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীতৈয়বুল্লা আৰু ৱাৰ্কিং কমিটিৰ সদস্যসকলক আৰু বিধান সভাৰ কংগ্ৰেছী এম-এল-এসকলোকো তড়িৎ গতিত গ্ৰেপ্তাৰ কৰি বন্দী কৰা হয়।

এনে অৱস্থাৰ উদ্ভৱ হ'ব পাৰে বুলি নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে আগতে অনুমান কৰিছিল আৰু সেয়ে হ'লে কংগ্ৰেছী লোকসকলে আৰু ৰাইজে নিজ-বুদ্ধি-বিবেচনাৰেই স্বাধীনতাৰ যুদ্ধ চলাই যাব লাগিব বুলি সঁকিয়াই থৈছিল। সেইমতে জেলৰ বাহিৰত থকা কংগ্ৰেছীসকলে আৰু ৰাইজে স্বাধীনভাৱে আৰু নিজ বিবেচনাৰেই স্বাধীনতাৰ যুঁজ চলাবলৈ ধৰে। এই যুঁজতেই দেশৰ হেজাৰ-বিজাৰ নিৰস্ত্ৰ লোকে কাৰাদণ্ড আৰু আন নানান নিৰ্যাতন ভোগ কৰাৰ উপৰিও বহুতে পুলিচৰ গুলীত প্ৰাণ বিসৰ্জন দিয়ে, অসমত গোলাঘাটৰ কুশল কোঁৱৰৰ ফাঁচী হয় আৰু বজালী, গহপুৰ, ঢেকিয়াজুলি, বৰহমপুৰ আৰু বাৰপূজীয়াত পুলিচৰ গুলীত কনকলতা, ভোগেশ্বৰী ফুকন, মুকুন্দ কাকতি, বদন বৰ্মন, তিলক ডেকা আদি সাহসী আৰু নিৰস্ত্ৰ

ডেকা-গাভৰুসকল নিহত হয়।

ইফালে বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰাৰ পিছত ছাৰ শ্বাদুল্লাই তেওঁৰ প্ৰতিদ্বন্দ্বী ৰোহিনী চৌধুৰীৰ কোৱেলিশ্যন দলৰ মনোবল ভাগি গৈছে আৰু সেই দলৰ কেইবাজনো সদস্যই তেওঁৰ (অৰ্থাৎ ছাৰ শ্বাদুল্লাৰ) দলত যোগ দি এই দলক চৌধুৰীৰ দলতকৈ সংখ্যাগৰিষ্ঠ কৰিছে আৰু গভৰ্ণৰে অবিলম্বে তেওঁক নতুন মন্ত্ৰীসভা গঠন কৰিবলৈ দিব লাগে বুলি আবেদন কৰে আৰু গভৰ্ণৰে ততালিকে তেওঁক মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান কৰে। ছাৰ শ্বাদুলাই চৌধুৰীৰ দলৰ কেইজনমান দুৰ্বলমনা আৰু স্বাৰ্থান্বেষী সদস্যক আঁতৰাই নি এইবাৰ এখন দহজনীয়া মন্ত্ৰীসভা গঠন কৰে আৰু কংগ্ৰেছৰ বিপৰীতে যুদ্ধত পূৰ্ণ মাত্ৰাই সহযোগিতা কৰাৰ অভিযান চলাবলৈ আৰু অসমত লাখ লাখ পূব বঙ্গৰ মুছলমান পমুৱাক বসতি দিবলৈ ধৰে। বৰদলৈ চৰকাৰে থলুৱা নিৰীহ জনজাতীয় লোকসকলক পূব বঙ্গৰ মুছলমান পমুৱাৰ বে-দখল আৰু অত্যাচাৰৰপৰা ৰক্ষা কৰিবলৈ প্ৰবৰ্তন কৰা বেষ্টনা 'লাইন প্ৰথা' ৰহিত কৰা হ'ল আৰু আনকি চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভবিলাকতো এই বহিৰাগত পমুৱাসকলক বসতি দিবলৈ ধৰিলে। ১৯৪৩ চনৰ ডিচেম্বৰত অসমলৈ আহোঁতে স্বয়ং বৰলাট লৰ্ড ৱেভেলে শ্বাদুল্লা মন্ত্ৰীসভাই অসমত "অধিক খাদ্য শস্য গজোৱা"ৰ (Grow more food) অজুহাতত অধিক মুছলমান গজোৱাৰ (Grow more moslems) অভিযান কৰাৰ কথা তেওঁৰ ডায়েৰীত লেখি থৈ গৈছে। ১৯৪১ চনৰ পিয়লত শ্বাদুল্লা চৰকাৰে অসমৰ মুছলমানৰ সংখ্যা আগতকৈ শতকৰা ১৫ ভাগ বৃদ্ধি কৰি প্ৰায় ৩৫ লাখ কৰে। আনহাতে হিন্দুৰ সংখ্যা ১৯৩১ চনৰ পিয়লতকৈ ৭ লাখ কম কৰি ৪৫ লাখ ৪০ হেজাৰ কৰি দেখুৱায়। বৰদলৈ ডাঙৰীয়াই অহোপুৰুষাৰ্থ কৰি দ্বিতীয় শ্বাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটায়। তাৰ পিছত প্ৰদেশখনত ৰাজ্যপালৰ শাসন প্ৰবৰ্তন কৰা হয়। কিন্তু 'ভাৰত পৰিত্যাগ কৰা' আন্দোলনত বৰদলৈ প্ৰমুখ্যে কংগ্ৰেছ এম-এল-এসকলে কাৰাৰুদ্ধ হোৱাত পুনৰ শ্বাদুল্লা মন্ত্ৰীসভা গঠিত হয়। ১৯৪৪ চনৰ ২৬ আগষ্টত অস্বুস্থতাৰ কাৰণে বৰদলৈ ডাঙৰীয়াক পুনৰ মুক্তি দিয়া হয়। পুণাত বন্দী অৱস্থাতে মহাত্মা গান্ধীৰ পত্নী মহীয়সী কস্তুৰবাৰ মৃত্যু হোৱাৰ পিছত মেলেৰিয়া ৰোগত আক্ৰান্ত হোৱা মহাত্মা গান্ধীকো মুক্তি দিয়া হয়। বৰদলৈ ডাঙৰীয়াই মৃত আৰু দুৰ্গত কংগ্ৰেছ সেৱীসকলৰ পৰিয়াল বৰ্গৰ খবৰ লৈ তেওঁলোকক যথাসাধ্য সাহায্য দিয়াৰ দিহা কৰে। তেওঁৰ আগে আগে জেলৰপৰা মুক্ত হৈ অহা মোক মুছলিম লীগে অসমক প্ৰস্তাৱিত

পাকিস্থানৰ অন্তৰ্ভুক্ত কৰিবলৈ কৰা দাবী আৰু তথাকথিত যুক্তিসমূহ খণ্ডন কৰি, আৱশ্যকীয় তথ্য পাতিবে এখন সৰু কিতাপ লেখিবলৈ আহ্বান কৰে। তেওঁ কয় যে এই কিতাপ অসমৰ বাহিৰতো প্ৰচাৰৰ কাৰণে ইংৰাজীত হ'ব লাগে অসমৰ বিষয়ে ভাৰতৰ ৰাষ্ট্ৰীয় নেতাসকলৰ সৰহভাগেই একো নাজানে। মই কেইমাহমানৰ পিছতে 'Reflections on Assam cum Pakistan' নামে কিতাপখন লেখি (পাণ্ডুলিপি) বৰদলৈ ডাঙৰীয়াক দিলো আৰু তেওঁ তাক পঢ়ি খুব সন্তোষ প্ৰকাশ কৰে আৰু নিজেই তাৰ এখন পাতনি লেখি দি ইয়াক ছপোৱাৰ দিহা কৰে। জেলৰপৰা ওলাই অন্য আন দুজন সহ-যোগী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী আৰু শ্ৰীঅক্ষয় কুমাৰ দাসক অসমৰ সঙ্কট আৰু পৰিস্থিতিৰ বিষয়ে এখন প্ৰতিবেদন লেখি দি বৰদলৈ ডাঙৰীয়াই মহাত্মা গান্ধীৰ ওচৰলৈ পঠিয়ায়। সেই প্ৰতিবেদনত অসমক প্ৰস্তাবিত পাকিস্থানৰ অন্তৰ্ভুক্ত কৰিবলৈ মুছলিম লীগে কৰা দাবীৰ সন্দৰ্ভত শ্বাদুল্লা মন্ত্ৰীসভাই অসমৰ থলুৱা লোকৰ স্বাৰ্থ বিপন্ন কৰি ইয়াত লাখ লাখ পূব বঙ্গৰ মুছলমান পমুৱাক বসতি দি মুছলমান-সংখ্যাগৰিষ্ঠ প্ৰদেশ কৰিবলৈ কৰা প্ৰয়াসৰ কথা বিশেষভাৱে উল্লেখ কৰা আৰু এই বিষয়ে মহাত্মাৰ পৰামৰ্শ বিচৰা হৈছিল। মহাত্মাই শ্বাদুল্লা মন্ত্ৰীসভাৰ এই কামৰ আৰু মুছলিম লীগৰ অসমক পাকি-স্থানৰ অন্তৰ্ভুক্ত কৰাৰ দাবীৰ নিন্দা কৰি বৰদলৈ ডাঙৰীয়া আৰু অসমৰ ৰাইজক সকলো প্ৰকাৰে এই দুষ্ট প্ৰসায় প্ৰতিৰোধ কৰিবলৈ পৰামৰ্শ দিয়ে। বৰদলৈ ডাঙৰীয়াই তেখেতৰ ওপৰত থকা গুৱাহাটীৰ বাহিৰলৈ যোৱাৰ নিষেধাজ্ঞা উপেক্ষা কৰি শ্বিলঙৰ বিধান সভালৈ যাবনে —এই বিষয়ে মহাত্মাৰ পৰামৰ্শ বিচৰাত মহাত্মাই কৰ্তৃপক্ষক জাননী দি তেওঁ নিশ্চয় বিধান সভালৈ যাব পাৰিব বুলি কয়।

বৰদলৈ ডাঙৰীয়াই জেলৰ বাহিৰত থকা আন কংগ্ৰেছ এম-এল-এসকল আৰু ৰোহিনী কুমাৰ চৌধুৰীৰ দলৰ সৈতে বিধান সভাত শ্বাদুল্লা মন্ত্ৰীসভাৰ এই সাম্প্ৰদায়িক আৰু অসম-বিৰোধী কামৰ বিৰোধিতা কৰিবলৈ আগবাঢ়ে আৰু শ্বাদুল্লা মন্ত্ৰীসভাৰ কেইজনমান অমুছলমান সদস্যয়ো তাত ভিতৰি সমৰ্থন জনায়। এই কথাৰ গম পাই শ্বাদুল্লা চাহাবে ১৯৪৫ চনৰ জানুৱাৰীত তেওঁৰ পমুৱা সংস্থাপন নীতি সামান্যভাৱে পৰিবৰ্তন কৰি তেওঁৰ মন্ত্ৰীসভা ৰক্ষা কৰিবলৈ প্ৰয়াস পায়। কিন্তু বৰদলৈ ডাঙৰীয়া এই ব্যৱস্থাত সন্তুষ্ট নহল। অৱস্থা বেয়া দেখি শ্বাদুল্লা চাহাবে বৰদলৈৰ লগত আপোছ আলোচনা কৰিবলৈ

আগবাঢ়ি আছে। তেতিয়া ৰোহিনী কুমাৰ চৌধুৰীৰ দলৰ মন্ত্ৰীসভা পাতি সেই মন্ত্ৰীসভাক কংগ্ৰেছ দলে সমৰ্থন দি থকাটো উচিত হবনে শ্বাদুল্লা মন্ত্ৰীসভা পুনৰ্গঠন কৰি চৌধুৰীক আৰু তেওঁৰ দলৰ দুজনমান লোক সেই মন্ত্ৰীসভাৰ অন্তৰ্ভুক্ত কৰি কাম কৰি যোৱা উচিত হ'ব এই বিষয়ে বৰদলৈৰ মনত প্ৰশ্ন জাগিল। এই বিষয়ে পৰামৰ্শ বিচাৰি তেওঁ পুনৰ শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীক মহাত্মা গান্ধীৰ ওচৰলৈ পঠিয়ালে। মহাত্মাই ছাৰ শ্বাদুল্লাৰ মতি-গতি প্ৰকৃতপক্ষে পৰিবৰ্তন হৈছে যদি তেওঁৰ লগতে৷ এটা আপোছ কৰি, যুদ্ধত নানা ৰকমে ক্ষতিগ্ৰস্ত হোৱা অসমৰ ৰাইজক এখন শক্তিশালী আৰু স্থায়ী মন্ত্ৰীসভা পাতি যথাসাধ্য সকাহ দিয়াটো বেয়া নহয় বুলি অভিমত প্ৰকাশ কৰে; কিন্তু এই বিষয়ে বৰদলৈ ডাঙৰীয়াকে সিদ্ধান্ত লবলৈ কয়। শ্ৰীচৌধুৰীয়ে মহাত্মাক অলপ লেখি দিবলৈ অনুৰোধ কৰাত তেখেতে এটুকুৰা কাকতত বৰদলৈ ডাঙৰীয়ালৈ এই এষাৰ কথা লেখে--

"My dear Bordoloi, you are a leader and you act as a leader" ('বৰদলৈ, তুমি এজন নেতা; আৰু তুমি নেতাৰ দৰে কাম কৰা।")

বৰদলৈ ডাঙৰীয়াই ভাবি-চিন্তি চাই তেওঁৰ সঙ্কুচিত কংগ্ৰেছ দলৰ (তেতিয়াও শ্ৰীবিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা, শ্ৰীদেবেশ্বৰ শৰ্মা, ফখৰুদ্দিন আলি আহমদ, অৰুণ কুমাৰ চন্দ প্ৰভৃতি কংগ্ৰেছ দলৰ কেবাজনো সদস্য জেলত আছিল) সমৰ্থনত ৰোহিনী কুমাৰ চৌধুৰীৰ দলৰ নামমাত্ৰ সংখ্যাগৰিষ্ঠ মন্ত্ৰীসভা এখনতকৈ শ্বাদুল্লা চাহেবে কংগ্ৰেছ দলৰ দাবী মানি ললে তেওঁলোকৰ মনোনীত কেইজনমান সদস্যৰে সৈতে তেওঁৰ নেতৃত্বতে এখন নবগঠিত মন্ত্ৰীসভা পতাই ভাল বুলি বোধ কৰিলে আৰু শ্বাদুল্লা চাহাবৰ লগত আলোচনাত নামিল। এই আলোচনাত শ্বাদুল্লা মন্ত্ৰীসভাৰ পূব বঙ্গৰ মুছলমান পমুৱাক সংস্থাপন কৰা নীতিৰ পৰিবৰ্তন কৰা আৰু অসমৰ থলুৱা লোকক—বিশেষকৈ ট্ৰাইবেল বা জনজাতীয় লোকসকলৰ স্বাৰ্থৰক্ষাৰ প্ৰশ্নই বিশেষ প্ৰাধান্য লাভ কৰিছিল আৰু বৰদলৈ ডাঙৰীয়াই ট্ৰাইবেল নেতা শ্ৰীৰবিচন্দ্ৰ কছাৰীকো লগত ৰাখিছিল।

## শ্বাদুল্লা-বৰদলৈ চুক্তিঃ কংগ্ৰেছ মন্ত্ৰীসভা

শ্বাদুল্লা চাহাবে তেওঁৰ মন্ত্ৰীসভা আৰু প্ৰভুত্ব একেবাৰে যোৱাতকৈ বৰদলৈ ডাঙৰীয়াৰ চৰ্তসমূহতে মুঠতে সন্মত হ'ল। এই চৰ্তসমূহৰ মতে (১) জেলত থকা ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়াৰ (২) সভা আৰু শোভাযাত্ৰাৰ

ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা (৩) যিসকল কংগ্ৰেছী লোকৰ বিৰুদ্ধে ৱাৰেণ্ট বা নিষেধাজ্ঞা আছে, সেইবিলাক উঠাই লোৱাৰ (৪) ৰোহিনী কুমাৰ চৌধুৰীক ৰাজহ মন্ত্ৰী পাতি ভূমি পট্টন আৰু বহিৰাগত পমুৱা সংস্থাপন নীতি সংশোধন কৰাৰ আৰু (৫) লোকেল বডৰ আসনসমূহ পুনৰ বণ্টন কৰাৰ সিদ্ধান্ত কৰা হয়।

'ছাদুল্লা-বৰদলৈ চুক্তি' বুলি অভিহিত এই চুক্তি অনুসাৰে ৰোহিনী কুমাৰ চৌধুৰীৰ উপৰিও সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই, শ্ৰীবৈদ্যনাথ মুখাৰ্জী আৰু শ্ৰীঅক্ষয় কুমাৰ দাসক (ছিলেটৰ) পুনৰ্গঠিত ছাদুল্লা মন্ত্ৰীসভাত লোৱা হয় আৰু আগৰ পাহাৰী আৰু ভৈয়ামৰ জনজাতীয় মন্ত্ৰী দুজনক বাহাল ৰখা হয়। অসম উপত্যকাৰ শ্ৰীছৈয়দুৰ ৰহমানক ছাদুল্লা চাহাবে নতুন মন্ত্ৰী পাতে।

এই ব্যৱস্থাৰ ফলত অসমৰ স্বাৰ্থ বহু পৰিমাণে ৰক্ষা পৰে। কিন্তু এই ক্ষেত্ৰতো বৰদলৈ ডাঙৰীয়াৰ কাৰ্য কিছু নেতৃস্থানীয় কংগ্ৰেছীয়েও (অসমৰ) ভাল পোৱা নাছিল। তেওঁলোকে বিকল্প শক্তিশালী আৰু স্থায়ী মন্ত্ৰীসভা এখন গঠন কৰাটো সম্ভৱ নহ'লেও ছাদুল্লা মন্ত্ৰীসভাখন ভঙাটোহে বাঞ্চনীয় আছিল বুলি ভাবিছিল। কিন্তু তাতকৈ বৰদলৈ ডাঙৰীয়াৰ এই ব্যৱস্থা প্ৰকৃতপক্ষে অধিক ফলদায়ক আছিল আৰু তেখেতে ইয়াৰ কাৰণে বহুতৰ প্ৰশংসা আৰু সমৰ্থনো লাভ কৰিছিল।

ইয়াৰ পিছত বৰদলৈ ডাঙৰীয়া বিশ্ব ভাৰতীৰ শ্ৰীনিকেতনত সমাবৰ্তন উৎসৱত ভাষণ দি সেৱাগ্ৰামলৈ গৈ মহাত্মা গান্ধীৰ লগত তেওঁৰ এই সিদ্ধান্তৰ যৌক্তিকতা আৰু আন নানান বিষয়ে আলোচনা কৰে। মহাত্মাই এই বিষয়ে তেওঁৰ পূৰ্ব অভিমতকে দোহাৰি কয় যে, অসমৰ কাৰণে তেওঁৰ এই কাৰ্য মঙ্গলজনক হ'লে এইটো নিভুৰ্ল কাম হৈছে। অসমৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে তেওঁ আন নালাগে কংগ্ৰেছ দলে পুনৰ কংগ্ৰেছ-কোৱেলিশ্যন মন্ত্ৰীসভা গঠন কৰাটোও সমৰ্থন কৰিব—যদিও দেখাত সেইটো কংগ্ৰেছৰ আদৰ্শৰ লগত খাপ নাখায়।

ইতিমধ্যে মাৰ্কিন যুক্তৰাষ্ট্ৰই জাপানৰ ওপৰত মাৰাত্মক পৰমানৱিক বোমা প্ৰয়োগ কৰাৰ ফলত যুদ্ধৰ অৱসান হয়। জুলাই মাহত (১৯৪৫) ইংলেণ্ডত পাৰ্লামেণ্টৰ নতুন নিৰ্বাচন হ'ল আৰু সেই নিৰ্বাচনত লেবাৰ পাৰ্টি বা বনুৱা দ'ল বিপুল ভোটাধিক্যত জয়ী হ'ল আৰু কনজাৰ্ভেটিভ পাৰ্টি বা ৰক্ষণশীল দলৰ মিঃ চাৰ্চিলৰ ঠাইত লেবাৰ পাৰ্টিৰ নেতা মিঃ এট্‌লি প্ৰধান মন্ত্ৰী হয়।

মিঃ পেথিক লৰেন্স নতুন ভাৰত-সচিব হয় আৰু বৰলাট ৱেভেলক আলোচনাৰ কাৰণে মাতি পঠোৱা হয় আৰু তেওঁ লণ্ডনত থাকোতেই সেই বছৰৰে শীত কালত ভাৰতৰ প্ৰাদেশিক আইন সভাবিলাকৰ নতুন নিৰ্বাচন পতা হ'ব বুলি ঘোষণা কৰা হয়। বৰলাট ৱেভেল ঘূৰি আহি কেইদিনমানৰ পিছতে ঘোষণা কৰিলে যে, বৃটিছ গভৰ্ণমেণ্টে ভাৰতৰ কাৰণে নতুন সংবিধান এখন ৰচনা কৰিবলৈ একান্তভাৱে ইচ্ছা কৰিছে আৰু ভাৰতৰ কেন্দ্ৰীয় আইন সভা আৰু প্ৰাদেশিক আইন সভাবিলাকৰ নিৰ্বাচনৰ পিছতে এই অৰ্থে এখন সংবিধান ৰচনা-পৰিষদ বা গণপৰিষদ গঠন কৰা হ'ব বুলি ঘোষণা কৰিবলৈ তেওঁক কৰ্তৃত্ব দিয়া হৈছে। নিৰ্বাচনৰ পিছতেই তেওঁ তেওঁৰ শাসন পৰিষদখনো (তেতিয়া কেন্দ্ৰত মন্ত্ৰীসভা নাছিল) নতুনকৈ আৰু অধিক প্ৰতিনিধিমূলক কৰি গঠন কৰা হ'ব। ৯ আগষ্টৰ দিনা কংগ্ৰেছ অনুষ্ঠানসমূহৰ ওপৰত থকা বে-আইনী ঘোষণা প্ৰত্যাহাৰ কৰা হয়।

ছেপ্তেম্বৰ মাহৰ আগভাগত কংগ্ৰেছৰ ৱাৰ্কিং কমিটি আৰু তাৰ পিছতে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন পতা হয়। ৱাৰ্কিং কমিটিৰ সেই অধিবেশনত বৰদলৈ ডাঙৰীয়ায়ো বিশেষভাৱে আমন্ত্ৰিত হৈ যোগ দিছিল। কমিটিয়ে আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লয়। তাৰ পিছত নিৰ্বাচনত বৰদলৈ ডাঙৰীয়াৰ লগতে কুলধৰ চলিহা আৰু শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়া নিৰ্বাচন-অভিযানৰ নেতৃত্ব কৰে (এই নিৰ্বাচনৰ আগতে ১১ আগষ্টৰ দিনা ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু হয়।) আগৰ নিৰ্বাচনৰ অভিজ্ঞতাৰ পৰিপ্ৰেক্ষিতত আৰু অসমক প্ৰস্তাৱিত পাকিস্থানৰ গ্ৰাসৰপৰা মুক্ত কৰিবৰ কাৰণে এই নিৰ্বাচনত কংগ্ৰেছে অধিক আসন লাভ কৰি মন্ত্ৰীসভা গঠন কৰিবই লাগিব বুলি অনুভৱ কৰি কংগ্ৰেছে যথাসাধ্য অধিক আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিছিল। আনহাতে ছাৰ ছাদুল্লাৰ মুছলিম লীগ আৰু তেওঁলোকৰ সহযোগীসকলেও এই নিৰ্বাচনত সংখ্যা-গৰিষ্ঠতা লাভ কৰিবলৈ উঠি-পৰি লাগিছিল আৰু সেই বিষয়ত কৃতকাৰ্য হ'ব বুলিও ভাবিছিল। নিৰ্বাচন অভিযানৰ মাজতে ধৰমতুলৰ ডাক বঙলাত বৰদলৈ ডাঙৰীয়াৰ লগত এদিন ছাদুল্লা চাহাবৰ মুখামুখি হওঁতে ছাদুল্লা চাহাবে বৰদলৈ ডাঙৰীয়াক আত্মপ্ৰত্যয়ৰ সুৰত কৈছিল যে বিধান সভাৰ মুঠ ১০৮খন আসনৰ ভিতৰত অন্ততঃ ৬৪ খন তেওঁলোকে লাভ কৰিব। তেওঁ মুছলমানসকলৰ কাৰণে নিৰ্দিষ্ট ৩৪ খন আসনৰ আটাইকেইখনকে আৰু য়ুৰোপিয়ান আৰু ভাৰতীয়

খ্ৰীষ্টানৰ কাৰণে নিৰ্দিষ্ট মুঠ ১০ খন আসনো সম্পূৰ্ণৰূপে পোৱাৰ উপৰিও জনজাতীয় ৯ খন, বনুৱাৰ ৪ খন, ভাৰতীয় চাহ খেতিয়কৰ দুখন আৰু মহিলাৰ আসনখনো পাব বুলি ডাঠি কৈছিল। তদুপৰি সাধাৰণ সমষ্টিৰ ৪৭ খন (অনুসূচীতকো ধৰি) আসনৰ ভিতৰতো কেইখনমান তেওঁলোকে পাব বুলি দাবী কৰি বৰদলৈ ডাঙৰীয়াক সুধিছিল—"এতিয়া কোৱাচোন গোপী, তুমি কেনেকৈ বিধান সভাত তোমালোকে সংখ্যাগৰিষ্ঠতা লাভ কৰিবা বুলি আশা কৰিছা?" বৰদলৈ ডাঙৰীয়াই উত্তৰত কৈছিল, "ছাৰ, আমি সংখ্যাগৰিষ্ঠতা লাভ কৰিমেই। কেনেকৈ কৰিম, আমাৰ সেই ৰণকৌশলৰ কথা আপোনাৰ আগত কেনৈ ক'ম?" (বৰদলৈ ডাঙৰীয়াই কটন কলেজত কেমিষ্ট্ৰীসহ আই-এ পঢ়ি থাকোতেই শ্বাডুল্লা চাহাব কিছু কালৰ কাৰণে সেই কলেজত কেমিষ্ট্ৰীৰ ডেমনষ্ট্ৰেটৰ হৈছিল। সেই সূত্ৰেই তেওঁ বৰদলৈক নাম কাঢ়ি মাতিছিল আৰু বৰদলৈৰ 'ছাৰ' হৈছিল)।

নিৰ্বাচন সম্পন্ন হ'ল আৰু সঁচাকৈয়ে কংগ্ৰেছে ৬১ খন আসন লাভ কৰি বিধান সভাত সংখ্যাগৰিষ্ঠ দল হ'ল। এইটো কংগ্ৰেছৰ কাৰণে এক অসাধাৰণ কৃতকাৰ্যতা আছিল আৰু এই কৃতকাৰ্যতাৰ কৃতিত্ব আছিল প্ৰধানতঃ বৰদলৈ ডাঙৰীয়াৰ। ইয়াৰ পিছত ফেব্ৰুৱাৰী (১৯৪৬) প্ৰথম সপ্তাহতে অসমত সম্পূৰ্ণ কংগ্ৰেছী মন্ত্ৰীসভা গঠিত হ'ল। এই মন্ত্ৰীসভা গঠনৰ ক্ষেত্ৰতো ছিলেটী নেতাসকলে কিছুমান অসঙ্গত দাবী কৰি এক সমস্যাৰ সৃষ্টি কৰিছিল। কিন্তু বৰদলৈ ডাঙৰীয়াই সেই সমস্যাও কৌশলেৰে অতিক্ৰম কৰে। সেই মাহতেই বৃটিছ গৱৰ্ণমেণ্টে কংগ্ৰেছৰ স্বাধীনতাৰ দাবীৰ বিষয়ে আলোচনা কৰিবলৈ ভাৰত-সচিব পেথিক লৰেন্স আৰু আন দুজন বৃটিছ মন্ত্ৰী এইচ ভি· আলেকজেণ্ডাৰ আৰু ছাৰ ষ্টাফৰ্ড ক্ৰিপছক লৈ এটা কেবিনেট মিছন বা প্ৰতিনিধি দল ভাৰতলৈ পঠোৱাৰ কথা ঘোষণা কৰে।

## কেবিনেট মিছনৰ আঁচনি আৰু অসম

১৯৪৬ চনৰ ২৩ মাৰ্চৰ দিনা এই কেবিনেট মিছন ভাৰত পালেহি আৰু প্ৰথমতে চিমলাত কংগ্ৰেছ আৰু মুছলিম লীগৰ নেতাসকলৰ লগত তেওঁলোকৰ ক্ষমতা হস্তান্তৰৰ আঁচনি সম্পৰ্কে প্ৰাথমিক আলোচনা কৰি দিল্লীত অন্যান্য নেতাসকলৰ লগতো আলোচনা কৰে। মুখ্যমন্ত্ৰী আদি কোনো প্ৰাদেশিক নেতাকো আলোচনাৰ কাৰণে মতা হয়। কিন্তু অসমৰ মুখ্যমন্ত্ৰী বৰদলৈ

ডাঙৰীয়াক শেহতীয়াকৈ আৰু দেখনিয়াৰ ভাবেহে মতা হৈছিল। সেই আঁচনিত অসমৰ প্ৰতি ঘোৰ অনিষ্টকৰ ব্যৱস্থা এটা আছিল কাৰণে বৰদলৈ ডাঙৰীয়াই তাত আপত্তি কৰিব বুলিযেই তেওঁক সেইদৰে পিছলৈ থৈ আৰু আঁচনিখন মুছলিম লীগ আৰু কংগ্ৰেছ কর্তৃপক্ষই মানি লোৱাৰ পিছত, মাত্ৰ সেই বিষয়ে আপত্তি নকৰিবলৈ ক'বলৈ বা প্ৰবোধ দিবলৈকে তেওঁক সেই-দৰে মতা হৈছিল নে কি ক'ব নোৱাৰি। কিন্তু পিছত বৰদলৈ ডাঙৰীয়াৰ তথা অসমৰ তীব্ৰ বিৰোধিতাৰ কাৰণেই ক্ৰিপছ্ মিছনৰ এই সমগ্ৰ আঁচনি ব্যৰ্থ হৈ যায়।

বৰদলৈ ডাঙৰীয়াই দিল্লীৰপৰা ঘূৰি আহি বৃটিছ কেবিনেট মিছনৰ আৰু কংগ্ৰেছ নেতৃবৃন্দৰ মনোভাবৰ আভাস আমাক (কংগ্ৰেছ সহকৰ্মীবৃন্দক) দিলেহি। তেওঁ কয় যে, বৃটিছ গভৰ্ণমেণ্টে ১৯৪২ চনৰ ক্ৰিপছ সূত্ৰ (এই সূত্ৰৰ বিষয়ে আগতে উল্লেখ কৰা হৈছে,) কিছু সংশোধন কৰি, সাম্প্ৰদায়িক ভিত্তিত ভাৰতখন দুখন বা ততোধিক স্বাধীন ৰাষ্ট্ৰত বিভক্ত নকৰি এখন ফেডাৰেল বা যুক্তৰাষ্ট্ৰৰ পৰিকল্পনা কৰিছে। কিন্তু মুছলিম লীগৰ সন্তুষ্টিৰ কাৰণে প্ৰদেশ আৰু যুক্তৰাষ্ট্ৰৰ মাজতে তিনিখন 'গ্ৰুপ' বা শাখাৰাজ্য গঠন কৰাৰো আঁচনি কৰিছে যি আচনিত মুছলিম লীগে বিচৰা স্বাধীন পূব পাকিস্থান আৰু পশ্চিম পাকিস্থানক তেনে একোখন গ্ৰুপ বা শাখা ৰাজ্যত পৰিণত কৰিবলৈ বিচৰা হৈছে। এই গ্ৰুপ ৰাজ্যকেইখনৰ ক্ষমতা প্ৰাদেশিক চৰকাৰসমূহতকৈ বহুত বেছি হ'ব আৰু এতিয়া প্ৰদেশসমূহ আৰু কেন্দ্ৰই ভোগ কৰা ক্ষমতা এওঁলোকক (গ্ৰুপ ৰাজ্যসমূহক) অৰ্পণ কৰা হ'ব। কেন্দ্ৰীয় কংগ্ৰেছ কর্তৃ-পক্ষই সাম্প্ৰদায়িক ভিত্তিত দেশখন কেইবাখনো স্বাধীন ৰাজ্যত বিভক্ত কৰাতকৈ এই ব্যৱস্থা অধিক গ্ৰহণীয় বুলি ভাবিছে আৰু মুছলিম লীগে বঙ্গ-দেশৰ লগতে অসমকো পূব পাকিস্থানৰ অন্তৰ্ভুক্ত কৰিবলৈ কৰা দাবী যেনেকৈ গ্ৰহণযোগ্য নহয়, তেনেকৈ অসমক বঙ্গদেশৰ সৈতে এখন গ্ৰুপ ৰাজ্যৰ অন্ত-ভুক্ত কৰাতো অসমৰ সন্মতি নাই—এই কথা তেখেতে কংগ্ৰেছ নেতৃবৃন্দক কৈ আহিছে আৰু তেওঁলোকে এই বিষয়ে বিবেচনা কৰিব বুলি তেওঁক আশ্বাস দিছে কিন্তু তেওঁ আশ্বাসত প্ৰত্যয় যাব পৰা নাই বুলি কৈ তেওঁ আকৌ দিল্লীলৈ যায় আৰু এই বিষয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটি সজাগ হ'ব লাগে বুলি কয়। সেইমতে ১৭ মে'ৰ দিনা প্ৰদেশ কংগ্ৰেছ কমিটিৰ এখন জৰুৰী অধিবেশন আহ্বান কৰা হয়। কংগ্ৰেছ সহকৰ্মীসকলে একবাক্যে এই আঁচনিৰ বিৰোধিতা কৰে।

বৰদলৈ ডাঙৰীয়া ঘূৰি গৈ দিল্লী পোৱাৰ কেইঘণ্টা মানৰ আগতে ১৬ মে'ৰ দিনা কেবিনেট মিছনে তেওঁলোকৰ আঁচনিখন প্ৰকাশ কৰে। এই আঁচনিৰ মূল কথাকেইটা আছিল এই যে (১) ভিন ভিন প্ৰাদেশিক বিধান সভাবিলাকে প্ৰতিখন বিধান সভাৰ মুঠ সদস্য সংখ্যাৰ দহ ভাগৰ এভাগ অনুপাতে নিৰ্বাচিত কৰি দিয়া প্ৰতিনিধিৰে ভাৰতীয় গণ-পৰিষদ এখন হ'ব আৰু বিধান সভাসমূহৰ মুছলমান আৰু অমুছলমান সদস্যসকলে তেওঁলোকৰ নিজ নিজ সদস্য সংখ্যাৰ উক্ত অনুপাতে বেলেগে তেওঁলোকৰ প্ৰতিনিধি বাচিব; (২) ভিন ভিন প্ৰদেশৰপৰা এইদৰে নিৰ্বাচিত হোৱা গণ-পৰিষদৰ সদস্যসকলে গণ-পৰিষদৰ প্ৰাথমিক অধিবেশনত সমবেত হৈ তিনিখন ছেক্সন বা শাখা পৰিষদত বিভক্ত হ'ব। মাদ্ৰাজ, বোম্বাই, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ আৰু উৰিষ্যা 'ক' শাখাত, সিন্ধু, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, বেলুচিস্থান আৰু পাঞ্জাব 'খ' শাখাত আৰু অসম বঙ্গদেশ 'গ' শাখাত অন্তৰ্ভুক্ত হ'ব; (৩) শাখা পৰিষদবিলাকে নিজ নিজ শাখাৰ অন্তৰ্ভুক্ত প্ৰদেশ-বিলাকৰ আৰু তেওঁলোকে এখন গ্ৰুপ ৰাজ্য কৰিবলৈ হলে সেই গ্ৰুপ ৰাজ্যৰ সংবিধান ৰচনা কৰিব; (৪) এনে গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত কোনো প্ৰদেশে ইচ্ছা কৰিলে পিছত সেই গ্ৰুপ ৰাজ্যৰপৰা ওলাই গৈ আন কোনো এখন গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ব পাৰিব; আৰু (৫) গণ-পৰিষদৰ সকলো সদস্যই লগ লাগি পিছত ভাৰতীয় ইউনিয়ন বা যুক্তৰাষ্ট্ৰ এখনৰ সংবিধান ৰচনা কৰিব।

অসমে বঙ্গৰ সৈতে কোনো গ্ৰুপ ৰাজ্য গঠন কৰিব নোখোজে আৰু অসমৰ সংবিধানো বঙ্গদেশৰ বিপুল সংখ্যাগৰিষ্ঠ 'গ' শাখা পৰিষদক ৰচনা কৰিবলৈ দিব নোৱাৰে—এই সিদ্ধান্তকে ১৭ মে'ত বহা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে গ্ৰহণ কৰি কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ আৰু দিল্লীত থকা বৰদলৈ ডাঙৰীয়াক টেলিগ্ৰাম যোগে জনায়। যিহেতু অসমে গ্ৰুপৰাজ্যত সোমাব নোখোজে, সেই হেতুকে গণ-পৰিষদৰ অসমৰ প্ৰতিনিধিসকলে 'গ' শাখা পৰিষদত যোগকে নিদিয়ে বুলি সিদ্ধান্ত লবলৈ এই লেখকে দিয়া পৰামৰ্শ প্ৰদেশ কংগ্ৰেছ কমিটিয়ে গ্ৰহণ নকৰিলে। আমি অসমৰ প্ৰতিনিধি-সকলে 'গ' শাখা পৰিষদত যোগ দিলেই অসমৰ বিপদ হ'ব আৰু সেই পৰিষদে সমূহীয়া ভোটত 'গ' গ্ৰুপৰাজ্য গঠন কৰা-নকৰাৰ বিষয়ে সিদ্ধান্ত কৰিব বুলি ভাবি সেই পৰামৰ্শ দিছিলো। কিন্তু সভাপতিয়ে সেই ভয়

অমূলক বুলি কয়। তেওঁ সৰহভাগ সদস্যই আঁচনিখনৰ উক্ত (৩) নং ধাৰাৰ উদাৰ ব্যাখ্যা কৰি 'গ' শাখা পৰিষদত অসমৰ সৰহভাগ প্ৰতিনিধিয়ে অসম 'গ' গ্ৰুপৰাজ্যত সোমোৱাৰ বিৰোধিতা কৰিলেই সেই গ্ৰুপৰাজ্য গঠন বিফল হ'ব বুলি অৰ্থ কৰিছিল আৰু যিহেতু গণ-পৰিষদত অসমৰ ১১ জন প্ৰতিনিধিৰ ভিতৰত অন্ততঃ সাতজন অমুছলমান প্ৰতিনিধিয়ে গ্ৰুপৰাজ্য বিৰোধিতা কৰিব, সেই হেতুকে তেনে ভয়ৰ কাৰণ নাই বুলি ভাবিছিল। এই লেখকে তেওঁলোকৰ সেই ব্যাখ্যা গ্ৰহণ কৰিব নোৱাৰি অম্বিকাগিৰি ৰায় চৌধুৰী আৰু উমেশচন্দ্ৰ চৌধুৰী প্ৰভৃতি কেইজনমান বন্ধুৰে সৈতে বৰদলৈ ডাঙৰীয়ালৈ বেলেগে এখন টেলিগ্ৰাম কৰিলো। বৰদলৈ ডাঙৰীয়াই দুয়োখন টেলিগ্ৰামৰ প্ৰাপ্তি স্বীকাৰ কৰি, তেওঁ দুদিন পিছতে গুৱাহাটী পাবহি আৰু সকলো কথা ক'বহি বুলি টেলিগ্ৰামতেই উত্তৰ দিলে আৰু প্ৰদেশ কংগ্ৰেছ সভাপতিক প্ৰদেশ কংগ্ৰেছৰ ৱাৰ্কিং কমিটিৰ এখন জৰুৰী অধিবেশন পাতিবলৈ অনুৰোধ কৰিলে। ইয়াৰ পিছতে ১৮ মে'ৰ দিনা এখন সাংবাদিক মেলত কেবিনেট মিছনে তেওঁলোকৰ আঁচনিৰ 'ছেক্সন' বা শাখা পৰিষদ আৰু গ্ৰুপৰাজ্যৰ ব্যৱস্থাৰ ব্যাখ্যা কৰি কয় যে, (১) প্ৰদেশবিলাক সেই ব্যৱস্থা মতে তিনিটা ছেক্সন বা শাখা পৰিষদত সোমোৱাটো বাধ্যতামূলক আৰু (১) প্ৰতিটো শাখা পৰিষদৰ সদস্যসকলে তেওঁলোকৰ গ্ৰুপ ৰাজ্য গঠন কৰিব নে নকৰে, সেইটো সামূহিক কোনো এখন প্ৰদেশৰ ভোটৰ নহয় সামূহিক সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰিব। গ্ৰুপৰাজ্যত সোমোৱা কোনো প্ৰদেশে ইচ্ছা কৰিলে পিছত ওলাই আহিব পাৰিব বুলি কেবিনেট মিছনৰ ৪ নং ধাৰাত যি ব্যৱস্থা দিয়া হৈছিল, তাত 'পিছত' অৰ্থাত অন্ততঃ ৫ বছৰৰ পিছত বুলি তেওঁলোকে ব্যাখ্যা কৰিলে। গতিকে আমাৰ প্ৰদেশ কংগ্ৰেছ কমিটিয়ে কৰা উক্ত আচনিৰ ৩ নং ধাৰাৰ ব্যাখ্যা ভুল আৰু আমি কৰা ব্যাখ্যা সঠিক বুলি সাব্যস্ত হ'ল। 'গ' গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পাঁচ বছৰৰ পিছত কি অৱস্থাৰ সৃষ্টি হয়— মুছলমান সংখ্যাগৰিষ্ঠ এই ৰাজ্যৰ তৎপৰতাত অসম মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশত পৰিণত হৈ তাৰপৰা কেতিয়াও ওলাব নোৱাৰাৰ (কাৰণ তেতিয়া এই গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত অসমৰ সদস্যসকলৰো সৰহভাগ মুছলমান হ'ব আৰু তেওঁলোকে তাৰপৰা ওলাই অহাৰ পক্ষে ভোট নিদিব,) সম্ভাৱনাও স্পষ্ট হৈ উঠিল।

বৰদলৈ ডাঙৰীয়াই দিল্লীৰপৰা ঘূৰি আহি ক'লেহি যে, তেওঁ কংগ্ৰেছ

সভাপতি মৌলানা আজাদ, পণ্ডিত নেহৰু আৰু ছৰ্দাৰ পেটেলক লগ ধৰি কেবিনেট মিছনৰ আঁচনিত অসমক 'গ' গ্ৰুপ ৰাজ্যত সুমোৱা ব্যৱস্থাৰ পুনৰ জোৰেৰে আপত্তি জনায় আৰু কেবিনেট মিছনক এই ব্যৱস্থা সংশোধন কৰিবলৈ টানি ধৰিবলৈ অনুৰোধ কৰে। কিন্তু তেওঁলোকে সমিধান দিয়ে যে, তেওঁলোকে ইতিমধ্যে এই বিষয়ে কেবিনেট মিছনক টানি ধৰিছিল আৰু তেনেকৈ ধৰাৰ ফলতে তেওঁলোকে আগৰ ব্যৱস্থাৰ ভাষাৰ সামান্য পৰিবৰ্তন কৰিছে; কিন্তু তেওঁলোকে এই ব্যৱস্থা একেবাৰে পৰিহাৰ কৰিবলৈ সন্মত নহয় আৰু কংগ্ৰেছেও সেই কথালৈয়ে আঁচনিখন অগ্ৰাহ্য কৰাটো উচিত হ'ব বুলি বোধ কৰা নাই। কংগ্ৰেছ সভাপতি আজাদে বোলে তেওঁক বুজনি দিছিল যে কেবিনেট মিছনৰ শাখা পৰিষদ সম্পৰ্কীয় ধাৰাৰ (৩) নং উপধাৰা মতে অসমৰ প্ৰতিনিধিসকলে শাখা পৰিষদত অসমক গ্ৰুপ ৰাজ্যত সুমোৱাৰ বিৰোধিতা কৰিব পাৰিব। সেই উপধাৰাৰ ভাষাটো আছিল এই:

"The sections shall proceed to settle the provincial constitution for the provinces included in each section and shall also decide whether any group constitution shall be set up for those provinces and if so, with what provincial subjects the group should deal........."

বৰদলৈ ডাঙৰীয়াই কয় যে, তেৰো কংগ্ৰেছ সভাপতিৰ সেই কথাত কিছু আশ্বস্ত হৈছিল আৰু গ্ৰুপ ৰাজ্যত কোনো প্ৰদেশ সোমোৱা-নোসোমোৱাটো সংশ্লিষ্ট পৰিষদৰ প্ৰতিনিধিসকলেই সিদ্ধান্ত কৰিব বুলি কংগ্ৰেছ সভাপতিয়ে উক্ত ৩ নং উপধাৰাৰ যি অৰ্থ কৰিছে, সেইটো স্পষ্ট কৰি দিবৰ কাৰণে কেবিনেট মিছনক ক'ব লাগে বুলি তেওঁক ধৰিছিল। কিন্তু এনেতে ১৮ মে'ৰ দিনা সাংবাদিক মেলত কেবিনেট মিছনে উক্ত উপধাৰাৰ যি ব্যাখ্যা দিছে, সেই ব্যাখ্যাই কংগ্ৰেছ সভাপতিৰ ব্যাখ্যা ভুই কৰিছে। গতিকে তেওঁ কংগ্ৰেছ সভাপতি, নেহৰু আৰু ছৰ্দাৰ পেটেলক এই ব্যাখ্যা কংগ্ৰেছ সভাপতিয়ে দিয়া ব্যাখ্যাৰ দৰে সংশোধন কৰিবলৈ কেবিনেট মিছনক টানি ধৰিবলৈ লিখিতভাৱে জনাই আহিছে; কিন্তু তেওঁলোকে এই বিষয়ে কিবা কৰিব বা কৰিব পাৰিব বুলি তেওঁৰ বিশ্বাস নহয়। এনে অৱস্থাত অসমৰ বিপদ নিশ্চিত যেন দেখা গৈছে আৰু আমি এই বিষয়ে কৰ্তব্য নিৰ্দ্ধাৰণ কৰিব লগা হৈছে বুলি তেওঁ কয়।

প্ৰদেশ কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে এতিয়া বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰে আৰু ২৬ মে'ৰ অধিবেশনত কেবিনেট মিছনৰ উক্ত গ্ৰুপ ৰাজ্যৰ ব্যৱস্থাৰ বিৰুদ্ধে সমগ্ৰ প্ৰদেশত আন্দোলন কৰিবলৈ আৰু ১০ জুনত এই আঁচনিৰ বিষয়ে আলোচনা কৰিবলৈ দিল্লীত পতা কংগ্ৰেছ ৱাৰ্কিং কমিটিক এই ব্যৱস্থাত সম্মতি নিদিবলৈ অনুৰোধ কৰি প্ৰস্তাব গ্ৰহণ কৰে। ১০ জুনত ৱাৰ্কিং কমিটি বহাৰ আগতে তাৰ সদস্যসকলক আৰু ভাৰতৰ অন্যান্য কংগ্ৰেছ নেতা-সকলক আৰু বাতৰি কাকতক অসমৰ প্ৰতি কৰা এই অন্যায়ৰ কথা বুজাই ৱাৰ্কিং কমিটিৰ এই অধিবেশনৰ সময়ত দিল্লীত উপস্থিত হবলৈ শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীকামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, শ্ৰীদেৱকান্ত বৰুৱা, হৰেশ্বৰ গোস্বামী আৰু শ্ৰীমতী পুষ্পলতা দাসক লৈ এটা প্ৰতিনিধি দলক ভাৰ দিয়ে। শ্ৰীজগদীশচন্দ্ৰ মেধিক আহবায়ক পাতি পাঁচজন সদস্যৰ এখন 'কাৰ্যপৰিষদ' (কাউন্সিল অব একশ্যন) গঠন কৰি অসমৰ ভিতৰত সংগঠন আৰু গ্ৰুপ বিৰোধী প্ৰচাৰ কাৰ্য চলাবলৈ ভাৰ দিয়ে। জিলা কংগ্ৰেছ কমিটিবিলাকক তেওঁলোকৰ নিজ নিজ এলেকাত এই বিষয়ে জনমত গঠন কৰিবলৈ আৰু আৱশ্যক হলে এই গ্ৰুপ ব্যৱস্থাৰ বিৰুদ্ধে সক্ৰিয় আন্দোলন কৰিবলৈ এটা স্বেচ্ছাসেৱক বাহিনী তৈয়াৰ কৰি আৱশ্যকীয় প্ৰস্তুতি চলাবলৈ আহ্বান কৰে। জুন মাহৰ প্ৰথম সপ্তাহটো গ্ৰুপ বিৰোধী (প্ৰতিবাদ) সপ্তাহ স্বৰূপে পালন কৰি এই ব্যৱস্থাৰ বিৰুদ্ধে ৰাইজৰ সভাত প্ৰস্তাৱ গ্ৰহণ সেইবিলাক প্ৰদেশ কংগ্ৰেছ কমিটিলৈ পঠাবলৈ নিৰ্দেশ দিয়া হয়। ছাত্ৰ আৰু যুৱক অনুষ্ঠান-সমূহ আৰু সদৌ ৰাইজক এই বিষয়ত কংগ্ৰেছৰ লগত সহযোগিতা কৰিবলৈ আহ্বান কৰা হয়।

প্ৰদেশ কংগ্ৰেছ কমিটিৰ এই আহ্বানক্ৰমে সমগ্ৰ অসমত অসংখ্য প্ৰতিবাদ সভা অনুষ্ঠিত হয় আৰু গ্ৰুপ ব্যৱস্থাৰ বিৰুদ্ধে সৰ্বস্ব পণ কৰি যুঁজ কৰিবলৈ সেই সভাবিলাকত সংকল্প গ্ৰহণ কৰা হয়। কৃষক, বনুৱা, যুৱক আৰু ছাত্ৰানুষ্ঠানবিলাকেও এই আহ্বানত অভূতপূৰ্ব সঁহাৰি দিয়ে। অসম ছাত্ৰ ইউনিয়নে সেইদিনাই (২৬ মে'ৰ) প্ৰদেশ কংগ্ৰেছ কমিটিক এই আন্দোলনত তেওঁলোকৰ পূৰ্ণ সহযোগিতা জ্ঞাপন কৰে।

প্ৰদেশ-কংগ্ৰেছৰ উক্ত প্ৰতিনিধি দলে কেইবাখনো প্ৰদেশত কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সদস্যসকলক আৰু আন বিশিষ্ট নেতা আৰু বাতৰি কাকতৰ সম্পাদকসকলক লগ ধৰি অসমৰ এই বিপদৰ কথা নিবেদন কৰি সৰহভাগ

পৰা আশাজনক সঁহাৰি নাপালে। তেওঁলোকে অসমৰ প্ৰতি অন্যায় কৰা হৈছে বুলি স্বীকাৰ কৰিও অসমক 'গ' গ্ৰুপৰ পৰা অব্যাহতি দিলে মুছলিম লীগে কেবিনেট আঁচনি গ্ৰহণ নকৰিব আৰু তেতিয়া ভাৰতৰ আসন্ন স্বাধীনতা প্ৰতিহত হ'ব বুলি শংকা প্ৰকাশ কৰিলে। পণ্ডিত গোবিন্দ বল্লভ পন্থতো এলোটা তৰ্কহে কৰিলে। কেইখনমান বাতৰি কাকতৰ পৰা অৱশ্যে আমি ভাল সমৰ্থন পাইছিলোঁ। বিশেষকৈ পাটনাৰ চাৰ্চলাইট, কলিকতাৰ হিন্দুস্থান ষ্টেণ্ডাৰ্ড আৰু দিল্লীৰ হিন্দুস্থান টাইমছ কাকতৰ পৰা। বঙ্গদেশৰ নেতাসকল এই বিষয়ত দ্বিধাবিভক্ত আছিল। শৰৎচন্দ্ৰ বসুৱে অৱশ্যে আমাক সম্পূৰ্ণ সমৰ্থন কৰিছিল। প্ৰতিনিধি দলে ১০ জুনৰ দিনা দিল্লীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমদ, অমিয় কুমাৰ দাস প্ৰভৃতি লগ লাগি কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ আগত অসমক 'গ' শাখা পৰিষদত আৰু 'গ' গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থাৰ প্ৰতিবাদ কৰি সেই ব্যৱস্থা ৰদ কৰিবলৈ ৱাৰ্কিং কমিটিক টানি অনুৰোধ জনায়। ৱাৰ্কিং কমিটিত মহাত্মা গান্ধীও উপস্থিত আছিল। কিন্তু তেখেতে সেইদিনা মৌন ব্ৰত অৱলম্বন কৰাৰ কাৰণে আলোচনাত ভাগ লোৱা নাছিল আৰু আমাৰ কথা মনোযোগ সহকাৰে শুনিছিল। কংগ্ৰেছ সভাপতি মৌলানা আজাদে অসমৰ আপত্তি সম্পূৰ্ণ যুক্তিসঙ্গত বুলি স্বীকাৰ কৰে আৰু কেবিনেট মিছনৰ আঁচনিৰ এই ব্যৱস্থা সংশোধন কৰিবলৈ তেওঁলোকে পুনৰ চেষ্টা কৰিব বুলি আশ্বাস দিয়ে। তেওঁ কয় যে, কংগ্ৰেছে গ্ৰুপৰাজ্য গঠন নকৰাকে পোষকতা কৰে আৰু 'ক' শাখা পৰিষদত তেওঁলোকৰ সংখ্যাগৰিষ্ঠতাৰ বলত সেই ব্যৱস্থা নোহোৱা কৰিবও পাৰিব। 'খ' আৰু 'গ' শাখা পৰিষদৰ কংগ্ৰেছ সদস্য-সকলেও গ্ৰুপ ব্যৱস্থাৰ বিৰোধিতা কৰিব। কিন্তু এই দুই শাখা পৰিষদত তেওঁলোকে সংখ্যালঘিষ্ঠ; সেই হেতুকে এই বিষয়ত তেওঁলোকে জয়লাভ কৰাৰ সম্ভাৱনা নাই। 'গ' শাখা পৰিষদৰ অসমৰ সদস্যসকলৰ ভিতৰত কংগ্ৰেছৰ সংখ্যাগৰিষ্ঠতা থাকিব আৰু কোনো এখন প্ৰদেশৰ প্ৰতিনিধিসকলৰ সৰহভাগে সেই প্ৰদেশক গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ বিৰোধিতা কৰিলে সেই মত মানি লোৱা উচিত—এইটোৱেইহে কেবিনেট মিছনৰ আঁচনিৰ সেই ব্যৱস্থাৰ স্বাভাৱিক অৰ্থ বা ব্যাখ্যা। এই ব্যাখ্যা দুষ্ট কৰি কেবিনেট মিছনে কৰা ব্যাখ্যা কংগ্ৰেছে মানি লোৱা নাই। কিন্তু কেবিনেট মিছনক এই স্বাভাৱিক আৰু যুক্তিসঙ্গত ব্যৱস্থা গ্ৰহণ কৰাব নোৱাৰিলে ৱাৰ্কিং কমিটিয়ে

কি কৰিব, সেই বিষয়ে কংগ্ৰেছ সভাপতি তথা ৱাকিং কমিটিয়ে প্ৰতিনিধি দলক কোনো স্পষ্ট সমিধান নিদিলে। আমি এই বিষয়ে বাৰম্বাৰ প্ৰশ্ন কৰাত কংগ্ৰেছ সভাপতিয়ে কেবিনেট মিছনৰ আঁচনিৰ কোনো ধাৰা-উপধাৰাৰ ব্যাখ্যা বিষয়ত মতভেদে দেখা দিলে সেই বিষয়ে ফেডাৰেল ক'র্টৰ অভিমত বিচাৰিবলৈ আঁচনিত দিয়া ব্যৱস্থাৰ কথা উল্লেখ কৰে। তেতিয়া আমাৰ বুজিবলৈ বাকী নাথাকিল যে, ফেডাৰেল ক'ৰ্টে আমাৰ বিৰুদ্ধে ৰায় দিলেও কংগ্ৰেছে সেই কথালৈ কেবিনেট মিছনৰ আঁচনি অগ্ৰাহ্য নকৰিব।

ইয়াৰ পিছত আমি আটাইকিজনে নিজৰ ভিতৰত আলোচনা কৰি আৰু সম্পূৰ্ণ একমত হৈ মহাত্মা গান্ধীক পিছত বেলেগে লগ ধৰিম বুলি গুৱাহাটী-মুৱা হ'লো। প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আগন্তুক ৬ আৰু ৭ জুলাইত বোম্বাইত হ'ব লগা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ কেবিনেট মিছনৰ আঁচনিৰ আলোচনাত অসমৰ প্ৰতিনিধিসকলক 'গ' গ্ৰুপ ব্যৱস্থাৰ বিৰোধিতা কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিজনৰ বাহিৰে অসমৰ আন আটাইকিজন প্ৰতিনিধিয়ে বিৰোধিতা কৰা সত্ত্বেও নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে এই আঁচনি অধিকাংশ (২০৫-৫১) ভোটত গ্ৰহণ কৰিলে।

### বৰদলৈৰ ভূমিকা: ঘটনাৰ গতি পৰিবৰ্তন

অসমৰ এই বিপদজনক অৱস্থাত বৰদলৈ ডাঙৰীয়াই যি ভূমিকা গ্ৰহণ কৰিলে, সেইটোৱেই তেখেতৰ নেতৃত্বৰ সাৰ্থকতাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন। তেখেতে কেন্দ্ৰীয় কংগ্ৰেছ নেতৃত্ব আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অভিমত, নিৰ্দেশ আৰু সাহায্যলৈ অপেক্ষা নকৰি, এই অৱস্থাত অসমে 'গ' শাখা পৰিষদত যোগ নিদিয়ে আৰু অসমৰ সংবিধানো অসমে নিজে ৰচনা কৰিব লাগে বুলি প্ৰদেশ কংগ্ৰেছ কমিটিক পৰামৰ্শ দিলে আৰু নিজে মুখ্যমন্ত্ৰী আৰু কংগ্ৰেছ দলৰ দলপতি স্বৰূপে অসম বিধান সভাৰ ১৬ জুলাইত বহা অধিবেশনত এই সভাই গণ পৰিষদৰ কাৰণে দহজন প্ৰতিনিধি নিৰ্বাচন কৰিবলৈ য়ুৰোপিয়ান সদস্য মিঃ হুইটেকাৰে এটা প্ৰস্তাব দাঙি ধৰাৰ আগতে গণ-পৰিষদত অসমৰ প্ৰতিনিধিসকলৰ কৰ্তব্য নিৰ্দেশ কৰি এই মৰ্মে এটা প্ৰস্তাব দাঙি ধৰে: যিহেতু অসম বিধান সভাই কেবিনেট মিছনৰ আঁচনিখনৰ বিষয়ে আলোচনা কৰি অসম প্ৰস্তাৱিত 'গ' গ্ৰুপ ৰাজ্যত সোমোৱাটো ইয়াৰ স্বাৰ্থৰ ঘোৰ পৰিপন্থী হ'ব বুলি বিবেচনা কৰে আৰু যিহেতু অসম প্ৰদেশৰ সংবিধানো গণ-পৰিষদলৈ নিৰ্বাচিত অসমৰ প্ৰতিনিধিসকলে নিজে ৰচনা

কৰাটোহে উচিত বুলি বিবেচনা কৰে আৰু যিহেতু অসমৰ মতৰ বিৰুদ্ধে কোনো শাখা পৰিষদে অসমৰ কোনো গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিব অসমৰ সংবিধান ৰচনা কৰিব নোৱাৰে বুলি দৃঢ়মত পোষণ কৰে, সেই হেতুকে এই বিধান সভাই ইয়াৰ দ্বাৰা নিৰ্বাচিত গণ-পৰিষদৰ প্ৰতিনিধি দহজনক এইদৰে কাম কৰিবলৈ নিৰ্দেশ দিয়ে '

(১) এই প্ৰতিনিধিসকলে একেলগে বহি অসমৰ সংবিধান ৰচনা কৰিব আৰু সেই সভাত তেওঁলোকৰ বাহিৰে আন কোনো প্ৰতিনিধি উপস্থিত থাকিব নোৱাৰিব, (২) এই প্ৰতিনিধিসকলে আন কোনো প্ৰদেশৰ প্ৰতিনিধিৰ সৈতে কোনো গ্ৰুপ ৰাজ্য বা প্ৰদেশৰ সংবিধান ৰচনা কৰিব নোৱাৰিব আৰু (৩) এই প্ৰতিনিধিসকলে সৰ্বভাৰতীয় সংবিধান ৰচনা কৰিবৰ কাৰণে গণ-পৰিষদত যোগ দিব।

এই প্ৰস্তাব বিধান সভাত বিনা ভোটত গৃহীত হয়। ইয়াৰ পিছত বৰদলৈ ডাঙৰীয়াৰ সৈতে দহজন সদস্য ( ইয়াৰ তিনিজন মুছলিম লীগপন্থী মুছলমান, ) গণ-পৰিষদলৈ নিৰ্বাচিত হয়। কংগ্ৰেছ ৱাৰ্কিং কমিটিয়েও কেবিনেট মিছনে তেওঁলোকৰ আঁচনিৰ গ্ৰুপৰাজ্য গঠন সম্পৰ্কীয় ধাৰাৰ বিষয়ে তেওঁলোকে (কেবিনেট মিছনে) কৰা অস্বাভাৱিক আৰু অসংগত ব্যাখ্যা সংশোধন নকৰাত গণ-পৰিষদখন এখন স্বাধীন পৰিষদ আৰু এই পৰিষদে কেবিনেট মিছনৰ আঁচনিৰ এই ধাৰাৰ নিজস্ব ব্যাখ্যা কৰি সেইমতে কাম কৰি যাব বুলি ঘোষণা কৰে। মহাত্মা গান্ধীয়েও সেইটো সমৰ্থন কৰে। কিন্তু গ্ৰুপ ৰাজ্যৰ বিৰুদ্ধে অসমৰ এই মনোভাবৰ আৰু এই মনোভাবকে কংগ্ৰেছে পৰোক্ষভাৱে সমৰ্থন কৰাৰ প্ৰতিবাদকল্পে মুছলিম লীগে গণ-পৰিষদৰ অধিবেশন বৰ্জন কৰিবলৈ সিদ্ধান্ত কৰে আৰু ইয়াৰ ফলত কংগ্ৰেছৰ ৰবমূৰীয়াসকলে আকৌ থৰক বৰক কৰিবলৈ ধৰে আৰু ৭ চেপ্তেম্বৰৰ দিনা নতুন কংগ্ৰেছ সভাপতি পণ্ডিত নেহৰুৱে এটা অনাতাঁৰ বক্তৃতাত মুছলিম লীগৰ সহযোগিতা লাভ কৰি কেবিনেট মিছনৰ আঁচনি কাৰ্যকৰী কৰিবলৈ ব্যগ্ৰতা প্ৰকাশ কৰে আৰু কয় যে, কংগ্ৰেছে ছেক্সন বা শাখা ৰাজ্য গঠন কৰাৰ বিষয়ে আলোচনা কৰিবলৈ সম্পূৰ্ণৰূপে সাজু আছে। "We are perfectly prepared to and have accepted the position of sitting in sections which will consider the question of formation of Groups") তেওঁ কেবিনেট মিছনৰ আঁচনিৰ গ্ৰুপ গঠনৰ ব্যৱস্থা সম্পৰ্কীয় ধাৰাটোৰ ক্ষেত্ৰত গণ-পৰিষদে নিজ ব্যাখ্যাৰে কাম কৰি যাব বুলি

ৱাৰ্কিং কমিটিয়ে কৰা ঘোষণাৰ প্ৰতিকূলে এই ধাৰাৰ ব্যাখ্যা সম্পৰ্কে ফেডাৰেল ক'ৰ্টৰ ৰায় মানি লোৱা হ'ব বুলিও ঘোষণা কৰে।

অসমৰ উদ্বেগ-উৎকণ্ঠা বৃদ্ধি হ'ল। ইতিমধ্যে গণ-পৰিষদ বহিল। মুছলিম লীগে তেওঁলোকৰ অবিহনে গণ-পৰিষদে গ্ৰুপ ৰাজ্য গঠন সম্পৰ্কে কি কৰে, সেইটো লক্ষ্য কৰিবৰ কাৰণে গণ-পৰিষদৰপৰা আঁতৰি ৰ'ল। তেওঁলোকে নৱগঠিত অস্থায়ী কেন্দ্ৰীয় মন্ত্ৰীসভাতো যোগ নিদিলে। বৰদলৈ ডাঙৰীয়াই মুছলিম সদস্য তিনিজনৰ বাহিৰে অসমৰ অ-মুছলমান সদস্যকেইজনৰে সৈতে দিল্লী পায়েই কংগ্ৰেছ সভাপতি নেহৰু তথা কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষৰ এই নতুন সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা অসমৰ বিপদত মহাত্মা গান্ধীৰ সহায় প্ৰাৰ্থনা কৰি আৰু অসম বিধান সভাৰ উপৰোক্ত প্ৰস্তাবটোৰ সম্পৰ্কে তেখেতৰ পৰামৰ্শ বিচাৰি এখন চিঠি দি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী আৰু শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীক নোৱাখালিৰ আভ্যন্তৰত সাম্প্ৰদায়িক সংঘৰ্ষ অৱসান ঘটোৱাৰ চেষ্টাত থকা মহাত্মাজীৰ ওচৰলৈ পঠিয়ায়। মহাত্মাই গ্ৰুপ ৰাজ্যত সোমোৱাত অসমৰ অসন্মতি সম্পূৰ্ণ যুক্তিসঙ্গত বুলি কেবিনেট মিছনৰ এই অন্যায় ব্যৱস্থা কংগ্ৰেছে অগ্ৰাহ্য নকৰাত বিৰক্তি প্ৰকাশ কৰে আৰু কংগ্ৰেছৰ এই আচৰণ উপেক্ষা কৰিও এই অন্যায় ব্যৱস্থাৰ বিৰোধিতা কৰিবলৈ বৰদলৈ ডাঙৰীয়াক তথা অসমবাসীক পৰামৰ্শ দিয়ে। তেখেতে 'গ' শাখা পৰিষদত অসমৰ প্ৰতিনিধিসকলে যোগকে নিদিবলৈ অসম বিধান সভাই দিয়া নিৰ্দেশ সমৰ্থন কৰি কয় যে উক্ত শাখা পৰিষদত যোগ দিলেই অসমৰ বিপদ অনিবাৰ্য - অসম নিঃশেষ হৈ যাব। কংগ্ৰেছে গ্ৰুপ ৰাজ্য গঠনৰ ব্যৱস্থাৰ ব্যাখ্যা সম্পৰ্কে ফেডাৰেল ক'ৰ্টৰ পৰামৰ্শ বিচৰা আৰু এই বিষয়ে ফেডাৰেল ক'ৰ্টৰ ৰায়কে মানি লবলৈ কৰা সিদ্ধান্তৰ সমালোচনা কৰি মহাত্মাই কয় যে ফেডাৰেল ক'ৰ্টটো হৈছে এটা বৃটিছ গৱৰ্ণমেণ্টৰ সৃষ্ট অনুষ্ঠান। এই ক'ৰ্টে যে বৃটিছ কেবিনেট মিছনে দিয়া ব্যাখ্যাৰ পক্ষেই তেওঁলোকৰ ৰায় দিব, তাত কোনো সন্দেহ নাই।

মহাত্মা গান্ধীৰ এই শক্তিশালী সমৰ্থনে অসমক বৰ উৎসাহিত কৰিলে আৰু সেই অনুপাতে মুছলিম লীগক নিৰুৎসাহ কৰিলে। ১৯৪৭ চনৰ ৬ জানুৱাৰীৰ দিনা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে পণ্ডিত নেহৰুৰ উপৰোক্ত ঘোষণাৰ অনুকূলে আনুষ্ঠানিকভাৱে প্ৰস্তাৱ গ্ৰহণ কৰা সত্ত্বেও মুছলিম লীগে সৰ্বভাৰতীয় গণ-পৰিষদৰ আৰু অমুছলমান সংখ্যাগৰিষ্ঠ আৰু মুছলমান সংখ্যা-

গৰিষ্ঠ দুটা ভাগত দেশখন বিভক্ত কৰি দুখন স্বাধীন ৰাজ্যৰ সংবিধান ৰচনা কৰিবৰ কাৰণে তেওঁলোকৰ নিজ নিজ গণ-পৰিষদ গঠনৰ দাবী কৰিলে।

ইয়াৰ পিছত ২০ ফেব্ৰুৱাৰীৰ (১৯৪৭) দিনা বৃটিছ-প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে যে, ১৯৪৮ চনৰ জুনৰ ভিতৰতে বৃটেইনে ভাৰত পৰিত্যাগ কৰিব আৰু কেবিনেট মিছনৰ আঁচনিমতে গঠিত ভাৰতীয় গণ-পৰিষদে ৰচনা কৰা সাংবিধানিক চৰকাৰৰ হাতত ভাৰতৰ শাসন ভাৰ গতাই দিয়াটোৱেই তেওঁলোকৰ ইচ্ছা আছিল যদিও বৰ্তমান পৰিস্থিতিলৈ চাই গণ-পৰিষদে সেই দায়িত্ব নিয়াৰিকৈ সম্পন্ন কৰিব পাৰিব বুলি বোধ নহয়। ইতিমধ্যে বিশেষ অৱস্থাৰ কাৰণে পতা ভাৰতৰ বৰলাট লৰ্ড ৱেভেলৰ কাৰ্যকালৰ পৰিসমাপ্তি ঘটাত তেওঁৰ ঠাইত লৰ্ড মাউণ্টবেটেনক ভাৰতৰ বৰলাট নিযুক্ত কৰা হৈছে। তেওঁ ভাৰতীয় নেতৃবৰ্গৰ লগত আলোচনা কৰি ক্ষমতা হস্তান্তৰৰ যাবতীয় আৱশ্যকীয় ব্যৱস্থা কৰিব।

লৰ্ড মাউণ্টবেটেনে ২২ মাৰ্চৰ দিনা দিল্লী পাই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই কংগ্ৰেছ আৰু মুছলিম লীগৰ নেতাসকলৰ লগত আলোচনা কৰি পিছত মহাত্মা গান্ধীৰ লগত আলোচনা কৰে আৰু পাৰিলে সেই বছৰৰ ভিতৰতে ভাৰতৰ শাসনভাৰ ভাৰতীয়ৰ হাতত গতাই দিবলৈ তেওঁৰ ইচ্ছা বুলি কয়। মুছলিম লীগে তেওঁলোকৰ পূৰ্বৰ দাবীকে দোহাৰিলে। কংগ্ৰেছ নেতাসকলে মুছলিম লীগৰ সেই আকোৰগোজ মনোভাৱৰ আৰু ইতিমধ্যে সৃষ্টি কৰা ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ দাবী কিছু পৰিমাণে মানি লৈও স্বাধীনতাৰ ভিত্তিত দেশখনৰ যথাসম্ভৱ বৃহত্তৰ অংশ ৰক্ষা কৰাৰ মনোভাৱকে প্ৰকাশ কৰিলে। লৰ্ড মাউণ্টবেটেনেও দেশখন সেইদৰে বিভক্ত কৰাৰ কথাকে ভবাৰ উমান পাই মহাত্মা গান্ধীয়ে দেশখনক বিভক্ত কৰি দুটা চৰকাৰৰ (মুছলিম লীগ আৰু কংগ্ৰেছৰ) হাতত অৰ্পণ কৰাতকৈ ইয়াক মুছলিম লীগৰ নেতা মিঃ জিন্নাৰ প্ৰধান মন্ত্ৰীত্বত এটা চৰকাৰৰ হাততে অৰ্পণ কৰিবলৈ তেওঁক পৰামৰ্শ দিয়ে। মাউণ্টবেটেনে সেই প্ৰস্তাৱ গ্ৰহণ কৰাত তেওঁৰ আপত্তি নাই বুলি মহাত্মাক সমিধান দিছিল; কিন্তু কংগ্ৰেছ নেতাসকলে মহাত্মাৰ এই প্ৰস্তাৱ সমৰ্থন নকৰিলে। মহাত্মাই তেতিয়া হ'লে তেওঁ এই বিষয়ত একো নামাতে বুলি কংগ্ৰেছ নেতাসকলক সমিধান দি, পুনৰ সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰিত বিহাৰত শান্তি স্থাপনৰ চেষ্টাত ব্ৰতী হ'ল। কংগ্ৰেছ নেতাসকলে মুছলিম লীগে বিচৰা পাকিস্তানৰ মুছলমান

গৰিষ্ঠ পঞ্জাব আৰু বঙ্গদেশৰ অমুছলমান সংখ্যাগৰিষ্ঠ জিলাকেইখনকে ভাৰতৰ ভিতৰত ৰখাৰ পোষকতা কৰিলে আৰু মাউণ্টবেটেন তাত সন্মত হ'ল। মুছলিম লীগেও তেওঁলোকে বিচৰা পাকিস্থানতকৈ কিছু সঙ্কুচিত এই পাকিস্থানকে গ্ৰহণ কৰিবলৈ সন্মত হ'ল। মাউণ্টবেটেনে এই ব্যৱস্থাত তৎক্ষণাত বৃটিছ গৱৰ্ণমেণ্টৰ সন্মতি আনিলে আৰু এই দৰেই ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতত দুখন স্বাধীন ৰাষ্ট্ৰৰ জন্ম হ'ল।

কংগ্ৰেছে মুছলিম লীগে বিচৰাতকৈ সৰু পাকিস্থান এখন হলেও সন্মতি দিয়াটো যুক্তিসঙ্গত হওক বা নহওক, পূৰ্ব্বৰ কেবিনেট মিছনৰ আঁচনিৰ অসমক মুছলমান সংখ্যাগৰিষ্ঠ বঙ্গদেশ কৰাৰ ব্যৱস্থা অসমে অগ্ৰাহ্য নকৰা হ'লে মুছলিম লীগে যে সেই আঁচনি কৰিলেহেঁতেন আৰু অসম 'গ' শাখাৰাজ্যৰূপী পূব পাকিস্থানত ভাগ গ'লহেঁতেন, তাত সন্দেহ নাই। ভাৰতৰ ৰাজনৈতিক মানচিত্ৰ আৰু ইতিহাসেও আন ৰূপ ললেহেঁতেন। মহাত্মা গান্ধীৰ অনুমোদনক্ৰমে হলেও অসমক এই গ্ৰুপৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থাৰ সম্পৰ্কে কংগ্ৰেছৰ নিৰ্দেশো অমান্য কৰি অসমক জগাই তোলা আৰু পৰোক্ষভাৱে কেবিনেট মিছনৰ সেই সমগ্ৰ আঁচনিকে ব্যৰ্থ কৰাৰ প্ৰধান কৃতিত্ব বৰদলৈ ডাঙৰীয়াৰ। তেওঁৰ অবিহনে অসমৰ আন কোনোবাজন নেতাই এই ভূমিকা গ্ৰহণ কৰিলেহেঁতেন বুলি বোধ নহয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিজনে তেওঁৰ সভাপতিত্বতে প্ৰদেশ কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন অসমৰ প্ৰতিনিধিসকলক অসমক গ্ৰুপৰাজ্যৰ অন্তৰ্ভুক্ত কৰা ব্যৱস্থাৰ বিৰোধিতা কৰিবলৈ নিৰ্দেশ দিয়া সত্বেও তেওঁ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনত কেনেকৈ ইয়াৰ অন্যাচৰণহে কৰে, সেই কথা আগতে উল্লেখ কৰা হৈছে।

## দেশ বিভাজনৰ পিছৰ ভূমিকা আৰু ঘটনাৱলী

কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে মুছলিম লীগে বিচৰা বঙ্গদেশ আৰু পঞ্জাবৰ মুছলমান সংখ্যাগৰিষ্ঠ জিলাকিখনকহে পাকিস্থানৰ অন্তৰ্ভুক্ত কৰা উচিত বুলি দিয়া প্ৰস্তাৱমতে মুছলিম লীগে বঙ্গদেশৰ মুছলমান সংখ্যাগৰিষ্ঠ জিলাকিখনৰ লগালগিকৈ থকা অসমৰ মুছলমান সংখ্যাগৰিষ্ঠ ছিলেট জিলাখনো পাকিস্থানৰ অন্তৰ্ভুক্ত কৰিব লাগে বুলি দাবী কৰে। কংগ্ৰেছৰ বৰমূৰীয়াসকলে সেই দাবীত সন্মতি প্ৰকাশ কৰিব খোজাত বৰদলৈ ডাঙৰীয়াই তেওঁৰ সহযোগী ছিলেটৰ কংগ্ৰেছ নেতা শ্ৰীবসন্তকুমাৰ দাস প্ৰভৃতিৰ সৈতে আলোচনা

কৰি, ছিলেট জিলাখন পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা বা নকৰাটো ছিলেট জিলাৰ গণভোটলৈহে নিৰ্দ্ধাৰণ কৰিবলৈ কংগ্ৰেছ ৱাৰ্কিং কমিটিক আৰু বৰলাট লৰ্ড মাউণ্টবেটেনক সন্মত কৰায়। কিন্তু গণভোটত ছিলেটৰ সৰহভাগ লোকে এই জিলাক পাকিস্থানৰ অন্তৰ্ভুক্ত কৰাৰ পক্ষে ভোট দিলেও ইয়াৰ অমুছলমানগৰিষ্ঠ কৰিমগঞ্জ মহকুমাৰ সৰহাংশ অসমতে কাছাৰ জিলাৰ অন্যতম মহকুমা স্বৰূপে ৰাখিবলৈ বৰদলৈ ডাঙৰীয়াই মাউণ্টবেটেনক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি সন্মত কৰায়। ইমানতো বৰদলৈয়ে কৌশল কৰি ছিলেট জিলাখন পাকিস্তানৰ অন্তৰ্ভুক্ত কৰালে বুলি কিছুমান লোকে ভুল কথা কোৱা শুনা যায়। তেওঁলোকে এই প্ৰকৃত কথা জনা উচিত। ছিলেট-কাছাৰৰ এক বৃহৎ সংখ্যক লোকে অসমৰ ন্যায্য স্বাৰ্থৰ বিৰোধিতা কৰি থকা সত্ত্বেও বৰদলৈ ডাঙৰীয়াই তেওঁলোকৰ প্ৰতি অবিচাৰ কৰাৰ কথা কেতিয়াও চিন্তা কৰিব নোৱাৰিছিল। ছিলেটৰ গণভোট গ্ৰহণতো বৰদলৈয়ে তেওঁলোকক অসমত থাকিবলৈ বুজনি দিয়া আৰু খৰচ-পাতি দি এই ভোট গ্ৰহণত বহুত লোকক নিয়োগ কৰাৰ কথাও জনাজাত।

দেশ বিভাজনৰ আৰু স্বাধীনতাৰ পিছতো কাছাৰত থকা এই অসম বিৰোধী লোকসকলে (তেওঁলোকৰ ভিতৰত বহুত কংগ্ৰেছী লোকো আছিল) ত্ৰিপুৰাৰ বঙালী লোক এদলৰ সৈতে লগ লাগি কাছাৰ আৰু ত্ৰিপুৰাক 'পূৰ্বাচল' নামে এখন সুকীয়া প্ৰদেশৰ অন্তভুক্ত কৰাৰ দাবী কৰি এখন 'পূৰ্বাচল সন্মিলন' পতাৰ আয়োজন কৰিছিল আৰু বঙ্গদেশৰ কংগ্ৰেছ নেতাসকলক সেই সন্মিলনলৈ আমন্ত্ৰণ কৰাৰ উপৰিও কেইজনমান সৰ্বভাৰতীয় কংগ্ৰেছ নেতাকো আনি সেই পূৰ্বাচল প্ৰদেশ গঠনৰ দাবীৰ লগত সংশ্লিষ্ট কৰিবলৈ চেষ্টা কৰিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ জেনেৰেল চেক্ৰেটৰী আচাৰ্য যুগলকিশোৰক এই সন্মিলনৰ সভাপতিত্ব কৰিবলৈ তেওঁলোকে পায় সন্মতো কৰাইছিল। বৰদলৈ ডাঙৰীয়াই এই কথাৰ গম পাই আচাৰ্য যুগলকিশোৰক এই সন্মিলনৰ অসমৰ অঙ্গচ্ছেদ কৰাৰ অভিপ্ৰায়ৰ কথা কোৱাত তেওঁ এই সন্মিলনত যোগ নিদিয়াৰ উপৰিও এই উদ্যোগত চেঁচা পানী ঢালিলে। আচাৰ্য যুগলকিশোৰ এজন অতি সৎ আৰু পণ্ডিত লোক আছিল। তেওঁ আগতে লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যও আছিল। অথচ এই যুগলকিশোৰজীয়েও কাছাৰখন ত্ৰিপুৰাৰ দৰেই এখন দেশীয় ৰাজ্য আৰু এই দুই দেশীয় ৰাজ্য লগ লাগি এখন অপেক্ষাকৃত বৃহৎ বেলেগ প্ৰদেশ হ'ব খোজাটো

দোমনীয় নহয় বুলি ভাবিছিল বুলি তেওঁ বৰদলৈ ডাঙৰীয়াৰ আগত কোৱাৰ কথা বৰদলৈ ডাঙৰীয়াই আমাক আমোদৰে কৈছিল। তেখেতে কাছাৰক অসমৰপৰা এৰাৰ কথাই নাই প্ৰাচীন কামৰূপৰ অঙ্গ আৰু আহোম ৰাজত্বৰ দিনৰে পৰা অসমৰ লগত সৌহার্দ্যপূর্ণ সম্পর্ক থকা ত্ৰিপুৰাকো অন্তর্ভুক্ত কৰাৰহে পোষকতা কৰিছিল।

দেশ বিভাজনৰ তথা বঙ্গ বিভাজনৰ ফলত জলপাইগুৰি আৰু দাৰ্জিলিং জিলা আৰু দেশীয় ৰাজ্য কোচবিহাৰৰ লগত মূল পশ্চিম বঙ্গৰ ভৌগোলিক সংযোগ বিচ্ছিন্ন হ'বৰ উপক্ৰম হৈছিল আৰু পশ্চিম বঙ্গই সেই সংযোগ ৰক্ষা কৰিবৰ কাৰণে পাকিস্থানে বিভাজন সূত্ৰে পাব লগা মুছলমান সংখ্যাগৰিষ্ঠ দিনাজপুৰ জিলাৰ একাংশ পশ্চিম বঙ্গৰ ভিতৰত ৰখাৰ দাবী কৰিছিল আৰু তাৰ বিনিময়ত পশ্চিম বঙ্গৰ সীমান্তৰ আন কোনো এছোৱা পাকিস্থানক দিবলৈও সন্মতি প্ৰকাশ কৰিছিল। লৰ্ড মাউণ্টবেটেনে এই প্ৰস্তাবৰ মীমাংসা কৰিবলৈ আৰু পশ্চিম বঙ্গ আৰু পূব পাকিস্থানৰ সীমা নিৰ্দ্ধাৰণ কৰি দিবলৈ এজন চুইডিশ বিশেষজ্ঞৰ সভাপতিত্বত এখন ত্ৰিবিউনেল গঠন কৰি দিছিল। তেতিয়া কোচবিহাৰ, দাৰ্জিলিং আৰু জলপাইগুৰিৰ এক বৃহৎ সংখ্যক লোকে পশ্চিম বঙ্গতকৈ অসমৰ অন্তর্ভুক্ত হ'বলৈকে ইচ্ছা প্ৰকাশ কৰিছিল। বৰদলৈ ডাঙৰীয়াই এই ইচ্ছাৰ প্ৰতি সমাদৰ জনাইছিল আৰু তেখেতৰ সৈতে এই বিষয়ত একে মত পোষণকাৰী আমাক এই বিষয়ে উক্ত ঠাইবিলাকৰ নেতৃস্থানীয় লোকসকলৰ লগত আলোচনা কৰিবলৈ পৰামর্শ দিছিল। আমি সেইমতে তেওঁলোকৰ লগত চিঠি-পত্ৰেৰে যোগাযোগ কৰাৰ উপৰিও প্ৰদেশ কংগ্ৰেছ কমিটিৰ এজন বিশিষ্ট সদস্য শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু গুৱাহাটী প্ৰৱাসী কোচবিহাৰৰ ডেকাক লগত লৈ কোচবিহাৰ, জলপাইগুৰি আৰু দাৰ্জিলিং তিনিও ঠাইলে গৈ তাৰ স্থানীয় নেতৃবর্গৰ সৈতে আলোচনা কৰিছিলো আৰু তেওঁলোকৰপৰা ভাল সঁহাৰি পাইছিলো। এনেতে যেনিবা উক্ত ত্ৰিবিউনেলত খাস পশ্চিম বঙ্গৰ লগত উক্ত ঠাইবিলাকৰ ভৌগোলিক সংযোগ ৰক্ষাৰ সিদ্ধান্ত হোৱাত সেই প্ৰশ্ন তল পৰিল।

এইদৰে প্ৰদেশখনৰ বিপদ-জঞ্জালবোৰ অতিক্ৰম কৰাৰ পিছত বৰদলৈ ডাঙৰীয়াই ইয়াক উন্নত আৰু আধুনিকভাৱে নিৰ্মাণ কৰাত মনোনিবেশ কৰে আৰু বিশ্ববিদ্যালয়, হাইকোৰ্ট, মেডিকেল কলেজ, ইঞ্জিনিয়েৰিং কলেজ, আয়ুৰ্বেদ কলেজ আদি স্থাপন কৰে। লগে লগে তেখেতে ভাৰতীয় গণ-পৰিষদত বিশিষ্ট

ভূমিকা অবলম্বন কৰে আৰু এজন সৰ্ব-ভাৰতীয় বা ৰাষ্ট্ৰীয় নেতা স্বৰূপে পৰিগণিত হয়। ভাৰত চৰকাৰে ভাৰতৰ শাসন বহিভূৰ্ত আৰু আংশিক শাসন-বহিভূৰ্ত অঞ্চলবিলাকৰ কাৰণে কেনে শাসন ব্যৱস্থা কৰা উচিত, সেই বিষয়ে পৰামৰ্শ দিবলৈ প্ৰাতঃস্মৰণীয় সমাজসেৱক অমৃতলাল ঠক্কৰৰ সভাপতিত্বত এটা আয়োগ গঠন কৰে বৰদলৈ ডাঙৰীয়া সেই আয়োগৰ অন্যতম বিশিষ্ট সদস্য আছিল।

## গণপৰিষদ আৰু অসমৰ সাম্প্ৰদায়িক অশান্তি

ঠক্কৰ আয়োগে অসমৰ শাসন-বহিভূৰ্ত নগাপাহাৰ আৰু মিজোপাহাৰ জিলা আৰু আংশিক শাসন-বহিভূৰ্ত খাছিয়া জয়ন্তীয়া পাহাৰ, গাৰোপাহাৰ আৰু মিকিৰ পাহাৰৰ শাসন-ব্যৱস্থা কেনে হোৱা উচিত, সেই বিষয়ে বিচাৰ কৰিবলৈ বৰদলৈ ডাঙৰীয়াৰ সভাপতিত্বত এটা শাখা কমিটি গঠন কৰে। তেতিয়াৰ অসমৰ অন্যতম পাহাৰী মন্ত্ৰী ৰেভাৰেণ্ড জে. জে. এম নিকলচ ৰয় এই ছাব-কমিটিৰ অন্যতম সদস্য আছিল। এই কমিটিৰ অনুমোদন ক্ৰমে ঠক্কৰ আয়োগে তথা গণ-পৰিষদে সেই জিলাকিখনক স্বায়ত্ত শাসিত জিলা ৰূপে সংবিধানৰ ৬ষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰে। এই ব্যৱস্থাৰ যৌক্তিকতা সম্পৰ্কে সেই সময়ত অসমত কিছু বিতৰ্কৰ সৃষ্টি হৈছিল আৰু আনকি গণ-পৰিষদৰ অসমৰ সদস্য কুলধৰ চলিহা আৰু ৰোহিনী কুমাৰ চৌধুৰীয়েও ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু বৰদলৈ ডাঙৰীয়াই যে সম্পূৰ্ণ সদিচ্ছা আৰু উদাৰতাবশতঃ এই অনুমোদন কৰিছিল, তাত সন্দেহ নাই।

বৰদলৈ ডাঙৰীয়াৰ তৎপৰতাতেই সংবিধানত অসমৰ 'প্লেইনছ ট্ৰাইবেল' বা ভৈয়ামৰ জনজাতীয় লোকসকলক (পাহাৰী জনজাতীয়সকলৰ উপৰিও) বেলেগ স্বীকৃতি দিয়া হয়। গণ-পৰিষদৰ প্ৰতিনিধিসকলে আনকি প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰু আৰু উপ প্ৰধানমন্ত্ৰী ছৰ্দাৰ পেটেলেও অসমৰ পাহাৰী জিলা কিখনৰ 'ট্ৰাইবেল' বা জনজাতীয়সকলৰ বাহিৰে ইয়াৰ ভৈয়ামতো কিছুমান 'ট্ৰাইবেল' বা জনজাতীয় বুলি বেলেগ স্বীকৃতি দিয়াৰ পোষকতা কৰা নাছিল। আনকি এওঁলোকৰ অস্তিত্বৰ কথাকে উপলব্ধি কৰা নাছিল আৰু বৰদলৈ ডাঙৰীয়াই এই বিষয়ে তেওঁলোকক বেলেগে লগ ধৰি আৰু বুজাই-বৰাই এই ব্যৱস্থাত সন্মত কৰাবলগা হৈছিল বুলি তেখেতে আৰু তেখেতৰ লগে লগে থকা সহকৰ্মী আৰু অস্থায়ী সংসদৰ সদস্য, জাতীয়বাদী ট্ৰাইবেল নেতা

শ্ৰীধৰণীধৰ বসুমতাৰীয়ে প্ৰসঙ্গক্ৰমে আমাক কৈছিল আৰু এই কথা তেতিয়া কাকতে-পত্ৰে ওলায়ো গৈছে।

## সাম্প্ৰদায়িক সঙ্ঘৰ্ষ আৰু বৰদলৈৰ ভূমিকা

১৯৫০ চনৰ আগভাগত অসমত হোৱা হিন্দু-মুছলমান সাম্প্ৰদায়িক সঙ্ঘৰ্ষ আৰু সাম্প্ৰদায়িক লোক প্ৰব্ৰজনৰ ক্ষেত্ৰতো বৰদলৈ ডাঙৰীয়াই এক কষ্টকৰ আৰু আদৰ্শবাদী ভূমিকা অৱলম্বন কৰে আৰু নিজৰ ভগ্নস্বাস্থ্যৰ গুৰুতৰ অৱনতি ঘটায়। সেই সাম্প্ৰদায়িক সংঘৰ্ষ আৰু লোক প্ৰব্ৰজন আছিল দেশ বিভাজনৰ সূত্ৰে বঙ্গদেশখন পূব বঙ্গ বা পূব পাকিস্থান আৰু পশ্চিম বঙ্গত বিভক্ত হোৱাৰ ফলত উদ্ভৱ হোৱা সমস্যা। অসমত হিন্দু-মুছলমানৰ ভিতৰত ইতিপূৰ্বে কেতিয়াও এনে সাম্প্ৰদায়িক সঙ্ঘৰ্ষ হোৱা নাছিল। এই উভয় সম্প্ৰদায়েই শান্তি আৰু সম্প্ৰীতিৰেই বাস কৰিছিল। দেশ বিভাজনৰ লগে লগেই সিন্ধু আৰু পাকিস্থানী পশ্চিম পঞ্জাব আৰু পূব বঙ্গৰপৰা অমুছলমান-সকলৰ ভাৰতলৈ প্ৰব্ৰজন হয়। মুছলিম লীগৰ নেতাসকলে আগতে পাকিস্থানত অমুছলমান সংখ্যাগৰিষ্ঠসকলক সকলো প্ৰকাৰে ৰক্ষণা-বেক্ষণ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া সত্বেও সেই পাকিস্থানী প্ৰদেশবিলাকত সংখ্যালঘিষ্ঠ অমুছল-মানসকলৰ ওপৰত সংখ্যাগৰিষ্ঠ মুছলমান সম্প্ৰদায়ৰ ভীষণ আক্ৰমণ অত্যাচাৰ হ'বলৈ ধৰিলে। পাকিস্থান চৰকাৰে সেই প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰিলে বা নকৰিলে। তদুপৰি পাকিস্থানৰ ৰাষ্ট্ৰনায়কসকলে নিজেই ঘোষণা কৰিছিল যে, পাকিস্থান এখন মুছলমান ৰাষ্ট্ৰ আৰু ইয়াত মুছলমানসকলেহে 'নেশ্যন' বা জাতি ; অমুছলমানসকল 'মাইনৰিটী' আৰু দ্বিতীয় শ্ৰেণীৰ নাগৰিকহে। গতিকে সেই অৱস্থাত অমুছমানসকল তাত থকাটো অসম্ভৱ হৈ উঠে। আনহাতে ভাৰতে নিজক এখন ধৰ্ম-নিৰপেক্ষ বা 'ছেকুলাৰ' ৰাষ্ট্ৰ আৰু ইয়াৰ অমুছলমান মুছলমান-সকলো সমান আৰু একে পৰ্যায়ৰ নাগৰিক বুলি ঘোষণা কৰিছিল আৰু সেই কথা আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰিছিল। তথাপি পাকিস্থানত অমুছলমানসকলৰ ওপৰত হোৱা অত্যাচাৰ-উৎপীড়ন আৰু তাৰপৰা হোৱা তেওঁলোকৰ প্ৰব্ৰজনৰ প্ৰতিক্ৰিয়া স্বৰূপে ভাৰততো কিছু সাম্প্ৰদায়িক সঙ্ঘৰ্ষ নোহোৱাকৈ থকা নাছিল। ইয়াৰপৰাও কিছুমান সেই সঙ্ঘৰ্ষৰ কাৰণে আৰু কিছুমান তেওঁলোকৰ আকাঙ্ক্ষিত আৰু প্ৰাণৰ ৰাষ্ট্ৰ পাকিস্থানত বাস কৰিবলৈ স্ব-ইচ্ছাৰে এই দেশ এৰি গৈছিল।

পশ্চিম পাকিস্থানতকৈ পূব পাকিস্থানত হিন্দুৰ সংখ্যা বহুত বেছি (প্ৰায় ডেৰ কোটি) আছিল। গতিকে তাত হিন্দুৰ ওপৰত উৎপীড়ন আৰু হিন্দুসকলৰ ভাৰতলৈ প্ৰব্ৰজন দীঘলীয়া আৰু অধিক ভয়ঙ্কৰ হৈছিল। তাৰপৰা অহা লাখ লাখ হিন্দু ভগনীয়া পশ্চিমবঙ্গৰ উপৰিও চুবুৰীয়া অসমত সোমাবলৈ ধৰে আৰু স্বাভাবিকতে তেওঁলোকৰ লগত আগতে পূব বঙ্গৰপৰা অসমলৈ অহা মুছলমান পমুৱাসকলৰ ঠায়ে ঠায়ে সংঘৰ্ষ হয়। উপপ্ৰধান আৰু গৃহমন্ত্ৰী চৰ্দাৰ পেটেলে পাকিস্থানক সতৰ্ক বাণী শুনায় যে, পূব পাকিস্থানৰ হিন্দুসকলৰ ওপৰত হোৱা অত্যাচাৰ আৰু হিন্দুসকলৰ প্ৰব্ৰজন অবিলম্বে বন্ধ কৰা নহ'লে ভাৰতে পাকিস্থানৰ বিৰুদ্ধে ইয়াৰ প্ৰতিকাৰ ব্যৱস্থা লবলৈ বাধ্য হ'ব। তেতিয়া পাকিস্থানৰ প্ৰধান মন্ত্ৰী নবাব লিয়াকৎ আলি খানে এই বিষয়ে মীমাংসা কৰিবলৈ দিল্লী পালেহি আৰু কেইবাদিনো আলোচনা কৰি প্ৰধানমন্ত্ৰী নেহৰুৰ সৈতে এটা চুক্তি কৰিলেহি। 'নেহৰু-লিয়াকৎ চুক্তি' নামে অভিহিত এই চুক্তিমতে ভাৰত পাকিস্থান উভয় ৰাষ্ট্ৰই তেওঁলোকৰ নিজ নিজ ৰাষ্ট্ৰৰ সাম্প্ৰদায়িক অশান্তিৰ উপশম ঘটোৱাৰ আৰু সংখ্যালঘুসকলক নিৰাপত্তা দিয়াৰ উপৰিও দেশত্যাগীসকলক ঘূৰাই আনি পুনঃ সংস্থাপিত কৰিবলৈ কৰা সিদ্ধান্তমতে মুখ্যমন্ত্ৰী বৰদলৈয়ে অসমৰ সাম্প্ৰদায়িক সঙ্ঘৰ্ষ হোৱা ঠাইবিলাকত অবিশ্ৰাম পৰিভ্ৰমণ কৰি শান্তি স্থাপনৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰিবলৈ ধৰে। সংখ্যালঘুসকলক পূৰ্ণ নিৰাপত্তা দিবৰ কাৰণে তেওঁৰ ব্যাকুলতাৰ অন্ত নাই। মুছলমান বসতিৰ ঠাইবিলাকত (সেই-বিলাকৰ সৰহভাগেই পূব বঙ্গৰপৰা আগতে অহা মুছলমান পমুৱা বসতিৰ ঠাই আছিল আৰু অসমীয়া হিন্দু-মুছলমানৰ ভিতৰত তেতিয়াও কোনো সাম্প্ৰদায়িক সঙ্ঘষ হোৱা নাছিল) শান্তিৰক্ষী পুলিচৰ ব্যৱস্থা কৰাৰ উপৰিও উক্ত চুক্তিৰ মৰ্মানুসৰি তেওঁ অসম পৰিত্যাগ কৰি তেওঁলোকৰ নিজ দেশ পূব বঙ্গলৈ উভটি যোৱা মুছলমানসকলকো পুনৰ অসমলৈ ঘূৰি আহিবলৈ তেওঁ গোহাৰি জনায় আৰু ইয়াত তেওঁলোকৰ পুনঃ সংস্থাপন আৰু নিৰাপত্তাৰ আশ্বাস দিয়ে। পূব পাকিস্থানতো বৰদলৈৰ এনে হেজাৰ বিজাৰ গোহাৰি-পত্ৰ প্ৰচাৰ কৰা হয়। কিন্তু পূব বঙ্গ বা পূব পাকিস্থানৰ মুখ্যমন্ত্ৰী সুহৰাৱৰ্দিয়ে হলে সেই ৰাজ্যৰ উৎপীড়িত আৰু দুৰ্দশাগ্ৰস্ত হিন্দু সংখ্যালঘিষ্ঠসকলৰ ৰক্ষা আৰু নিৰাপত্তাৰ কাৰণে অনুৰূপ কোনো ব্যৱস্থা লোৱা দেখা নগ'ল। তাৰপৰা আহি অসমত সোমোৱা লাখ লাখ হিন্দু ভগনীয়াক তালৈ ঘূৰাই নিবলৈ

আৰু পুনঃ সংস্থাপিত কৰিবলৈ চেষ্টা কৰাতো দূৰৰে কথা।

বৰদলৈ ডাঙৰীয়াৰ স্বাস্থ্য ভাল নথকাত—বিশেষকৈ তেখেতৰ ভীষণ ৰক্ত-চাপ বৃদ্ধিৰ কাৰণে ইতিপূৰ্বে তেওঁক বৃটিছ বিদেশী চৰকাৰেও জেলৰপৰা মুক্তি দিব লগা হোৱাৰ কথা আগতে উল্লেখ কৰা হৈছে। এতিয়া অসমৰ এই মূলত বঙালী হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সঙ্ঘৰ্ষৰ পৰিস্থিতিত তেওঁৰ ৰক্তচাপ পুনৰ বৃদ্ধি হ'ল। ইয়াৰ ভিতৰতে আগৰ অশান্তিমূলক আৰু দুৰ্গম মিজো পাহাৰলৈ জীপ গাড়ীত যোৱা কষ্টত তেওঁৰ এবাৰ হৃদ আক্ৰমণো হৈছিল। এনে অৱস্থাত তেওঁ পঞ্জাব, বঙ্গদেশ আৰু বিহাৰত হোৱাৰ তুলনাত অসমত হোৱা এই সৰু সাম্প্ৰদায়িক সঙ্ঘৰ্ষতে ইমান বিচলিত আৰু উদ্বিগ্ন হোৱাৰ আৰু ইমান বেছিকৈ পৰিশ্ৰম কৰাৰ পৰিণাম বৰ বেয়া হ'ব পাৰে বুলি শঙ্কা কৰি তেওঁৰ সহযোগী বন্ধু আৰু মোৰ আত্মীয় ডাঃ ভুবনেশ্বৰ বৰুৱাই মোক মনে মনে কৈছিল, “বৰদলৈৰ স্বাস্থ্য বৰ বেয়া, তেওঁ আমাক কেতিয়া কি কৰে ঠিক নাই। মই তেওঁক চম্ভালিব পৰা নাই। তোমাক তেওঁ বৰ ভাল পায় আৰু তোমাৰ কথা কিছু শুনে। তেওঁক ইমান চিন্তা আৰু পৰিশ্ৰম নকৰিবলৈ অলপ কৰাচোন।”

ইয়াৰ পিছতে এদিন গা-টো বেয়া লগাৰ কাৰণে বৰদলৈ ডাঙৰীয়াই গুৱাহাটীৰ ঘৰতে বিশ্ৰাম লওঁতেই ডাঃ বৰুৱাই কোৱামতে পাৰিলে তেওঁক অলপ কওঁ বুলি গ'লো। গৈ দেখো যে, কেইজনমান লোক পৰ্টিক'ত বহি আছে। বৰদলৈ ডাঙৰীয়াই আগফালৰ কোঠালিতে বিচনাত দীঘল দি, তেখেতৰ আন এজন অন্তৰঙ্গ বন্ধু আৰু মোৰো অগ্ৰজপ্ৰতিম শ্ৰীলক্ষ্মীনাথ দাসৰ সৈতে কথা পাতি আছে। শ্ৰীদাসেও মই কম বুলি ভৰা কথাকে তেখেতক কৈ এই সৰু সাম্প্ৰদায়িক সঙ্ঘৰ্ষৰ কথা লৈ ইমান দৌৰি ফুৰা আৰু চিন্তা কৰি শৰীৰটোৰ ওপৰত অত্যাচাৰ কৰা ঠিক হোৱা নাই বুলি তেওঁক বুজনি দিছে আৰু বৰদলৈ ডাঙৰীয়াই তেওঁৰ বিশেষ একো হোৱা নাই আৰু “এতিয়াও ক্ৰিকেট খেলিব পাৰো, ডাক্তৰেহে দুদিনমান পৰি থাকিবলৈ কৈছে” বুলি সমিধান দিছে। মই “দুৰ্গম মুছলমান পমুৱা বস্তিত ইমান কষ্ট কৰি দৌৰি ফুৰাতকৈ ক্ৰিকেট খেলাও বোধহয় লঘু ক্ৰিয়াই হ'ব” বুলি ধেমালিৰ সুৰতে দাসৰ লগত যোগ দি মন্তব্য কৰিলো।

এই সাম্প্ৰদায়িক অশান্তিৰ কাৰণে আমি দায়ী নহওঁ। পাকিস্থানে মুছলিম ৰাষ্ট্ৰ পাতিছে। তাৰ হিন্দুসকলৰ ওপৰত অত্যাচাৰ-উৎপীড়ন কৰাত তেওঁ-

লোক এই দেশলৈ ভাগি আহিছে আৰু তাৰ প্ৰতিক্ৰিয়া স্বৰূপে ইয়াত কিছু সাম্প্ৰদায়িক অশান্তি হৈছে আৰু ইয়াৰপৰা কিছু মুছলমান পাকিস্থানলৈ গৈছে। প্ৰকৃতপক্ষে এইবিলাক ভাৰতীয় মুছলমানো নহয়; আগেয়ে পূব বঙ্গৰ (পূব পাকিস্থানৰ) পৰা অহা পাকিস্থানী মুছলমানহে। এওঁলোকে অসমকো পাকিস্থানৰ অন্তভুৰ্ক্ত কৰাৰ অভিযান চলাইছিল আৰু ফখৰুদ্দিন আলি আহমদৰ দৰে লোককো নিৰ্বাচনত ভোট দিয়াৰতো কথাই নাই অপমানো কৰিছিল। তেওঁলোকৰ কাৰণে আপুনি ইমান দুখ কৰিছে কিয়? তেওঁলোকৰ পাকিস্থানলৈ যোৱাসকলক পুনৰ ইয়ালৈ ঘূৰি আহিবলৈ জনোৱা আপোনাৰ গোহাৰিপত্ৰ পূব পাকিস্থানত হেজাৰ-বিজাৰে বিতৰণ কৰা হৈছে। কিন্তু পূব বঙ্গৰ মুখ্যমন্ত্ৰী চুহৰাবৰ্দিয়ে পূব বঙ্গৰ উৎপীড়িত হিন্দু সংখ্যালঘিষ্ঠসকলৰ মাজত এইদৰে ঘূৰিছেনে? তাৰপৰা প্ৰাণৰ ভয়ত ভাৰতলৈ পলাই অহা হিন্দু ভগনীয়াসকলক পূব পাকিস্থানলৈ ঘূৰি যাবলৈ আহ্বান কৰি তেওঁ কিমান গোহাৰি পত্ৰ প্ৰচাৰ কৰিছে?"

কথাখিনি ক'বলৈহে পালো, বৰদলৈ ডাঙৰীয়াই পণ্ডিতদেৱৰ সুৰত আৰু কিছু উচ্চস্বৰে সমিধান দিলে: "আপুনিও এনে কথা কয়নে? আমি মহাত্মা গান্ধীৰপৰা এই শিক্ষাহে পালোনে? এই সাম্প্ৰদায়িক সংঘৰ্ষত আমি নীৰৱ দৰ্শক হৈ থাকিব পাৰোনে? চুহৰাবৰ্দি চাহাবে তেওঁৰ কৰ্তব্য পালন নকৰিলে বুলিয়েই মই মোৰ কৰ্তব্য পালন নকৰিমনে?"

হিতে বিপৰীত হ'ল বুলি অনুভৱ কৰি লৰালৰিকৈ তেওঁক বিৰত কৰি ক'লো, "বাৰু, সেইবোৰ কথা এতিয়া আলোচনা নকৰোঁ। আপুনিও কথা কৈ নাথাকিব বিশ্ৰাম লওঁক, আমি এতিয়া আহোঁ" বুলি কৈ শ্ৰীদাসৰ সৈতে আহি ঘৰ পালোহি। প্ৰকৃতপক্ষে বৰদলৈ ডাঙৰীয়াৰ প্ৰতি আন কোনোবাই অন্যায় কৰিলেও মই সহ্য কৰিব নোৱাৰিছিলো। এবাৰ প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্বাচনত তেওঁক এজন সহকৰ্মীয়ে অন্যায়ভাৱে পৰাজিত কৰাত এইটো কংগ্ৰেছী সহকৰ্মীসকলৰ তেওঁৰ ওপৰত অনাস্থাৰ পৰিচায়ক হৈছে বুলি অনুভূতিপ্ৰৱণ বৰদলৈ ডাঙৰীয়াই ততালিকে বিধান সভাৰ কংগ্ৰেছ দলপতিৰ পদ পৰিত্যাগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষলৈ চিঠি লেখিলে। কংগ্ৰেছ কৰ্তৃপক্ষই বৰদলৈ ডাঙৰীয়াৰ এই চিঠি পাই তবধ মানিলে। এই নিৰ্বাচনৰ বৈধতাৰ প্ৰশ্ন কৰি প্ৰদেশ কংগ্ৰেছ নিৰ্বাচন কমিটিৰ ওচৰত গোচৰ দিবলৈ বৰদলৈ ডাঙৰীয়া সন্মত নহ'ল। মই

তেওঁৰ এজন সমৰ্থকস্বৰূপে তেনে নিৰ্বাচনী গোচৰ কৰি সেই নিৰ্বাচন নাকচ কৰাত আৰু বৰদলৈ ডাঙৰীয়াহে নিয়মসঙ্গতভাৱে নিৰ্বাচিত বুলি ঘোষণা কৰাতহে কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষৰো চিন্তাৰ উপশম হয়।

সেইদৰে ১৯৪৭ চনৰ শেহৰ ফালে কেন্দ্ৰীয় উপপ্ৰধান মন্ত্ৰীয়ে শিলঙৰ এখন ৰাজহুৱা সভাত বৰদলৈ ডাঙৰীয়াক এজন 'নিঃস্বাৰ্থ আৰু কাৰ্যদক্ষ' (selfless and able) নেতা বুলি অভিহিত কৰি তেওঁৰ সন্মুখহাৰ 'কৰিবলৈ ৰাইজক আহ্বান জনায়। কিন্তু কি ভাবি ক'ব নোৱাৰো, সেই কথাকে টানি আনি মোৰ এজন শ্ৰদ্ধেয় সাংবাদিক বন্ধু কেদাৰনাথ গোস্বামীয়ে 'আসাম ট্ৰিবিউন' কাকতত (১৯৪৮ চনৰ ৮ জানুৱাৰীৰ সংখ্যাত) এই বিষয়ে এখন চোকা আৰু কটূক্তিপূৰ্ণ চিঠি লেখে। সেই চিঠিত তেওঁ অন্যান্য কথাৰ লগতে কয় যে, প্ৰকৃতপক্ষে অসমৰ কংগ্ৰেছ নেতাসকল নেতা নহয়—কেন্দ্ৰীয় নেতা-সকলৰ দাসতুল্য অনুগামীহে। তেওঁলোক মাথোন কেন্দ্ৰীয় নেতাসকলক ধনৰ টোপোলা উপহাৰ দি তেওঁলোকৰ প্ৰশংসাপত্ৰ আৰু সমৰ্থন লাভ কৰি আত্মৰক্ষা কৰাত অভ্যস্ত; ইত্যাদি।

("But one of the banes of Assam's politics is its leaders' inferiority complex which is inimical to the development of courage and initiative. Due to this complex, not leadership but what may be called followership has developed in Assam. Assam's leaders are not leaders, they are followers or just rubber-stamps or gramophones to endorse or echo the decisions of their all-India bosses. They are big through the reflected glory of the latter. Their highest glory and gratification consist in giving receptions and purses to their bosses and being patted on the back in return. They cannot stand over on their own legs in their own home unless they are propped up by timely visits or messages of their bosses. No wonder that with this mentality of utter dependence and servility Assam has failed to take her rightful place in all India affairs and her Congress administrators have failed to achieve anything praiseworthy even within the precincts of the province......")

গোস্বামীয়ে ওপৰত উল্লেখ কৰা ধৰণৰ সঙ্কোচমনা আৰু স্বাৰ্থান্বেষী কংগ্ৰেছ নেতা অসমত নোহোৱা নহয় আৰু তেওঁলোকৰ প্ৰতি মোৰো বৰ শ্ৰদ্ধা নাই। কিন্তু তেওঁলোকৰ লগত বৰদলৈ ডাঙৰীয়াক সাঙোৰাত মই বৰ বেয়া পাইছিলো। বৰদলৈ ডাঙৰীয়া সমুলি তেনে নেতা নাছিল আৰু এই কথা মই বন্ধুবৰ গোস্বামীলৈকো লেখিছিলো আৰু তাত একাধিক ক্ষেত্ৰত বৰদলৈ ডাঙৰীয়াই নেহৰু, ছৰ্দাৰ পেটেল আদি কেন্দ্ৰীয় নেতাসকলৰ লগত অসমৰ কথা কৈ মুখামুখিকৈ থিয় যুঁজ দিয়াৰ কথা উল্লেখ কৰিছিলোঁ।

যি নহওক, উপৰোক্ত অসুস্থতাৰ দুদিনমানৰ পিছতে বৰদলৈ ডাঙৰীয়াই পুনৰ ৰাজধানীলৈ গৈ কামত লাগিলগৈ। এনে দুশ্চিন্তা আৰু মানসিক উত্তেজনা খন্তেকৰ কাৰণে হলেও পাতলাবৰ কাৰণে বন্ধু ডাঃ বৰুৱাৰ সনিৰ্বন্ধ অনুৰোধ মতে উজান বজাৰৰ শিল্পী ডেকাসকলে পতা এটা অনুস্থানত ৫ আগষ্টৰ দিনা (১৯৫০) তেওঁ গুৱাহাটীলৈ আহিছিল। সেই ৰাতিয়েই হৃদ আক্ৰমণত তেখেতৰ পৰলোক হয়। এই আকস্মিক আৰু ব্ৰজপাতস্বৰূপ বাতৰিত ৰাজ্যময় হাঁহাকাৰ কৰি উঠিল, প্ৰধান মন্ত্ৰী নেহৰু আৰু গৱৰ্ণৰ জেনেৰেল শ্ৰীৰাজা-গোপালাচাৰী প্ৰমুখ্যে ৰাষ্ট্ৰ নেতাসকলৰপৰা আৰম্ভ কৰি কেউফালৰপৰা অসংখ্য শোকবাণী আহিবলৈ ধৰিলে। শ্বিলঙৰ সতীৰ্থ মন্ত্ৰীসকলকে ধৰি অসমৰ ভিন ভিন ঠাইৰপৰা বহুত সহকৰ্মীও তেওঁলোকৰ শ্ৰদ্ধেয় নেতা আৰু সহকৰ্মীৰ শেষ দৰ্শনৰ কাৰণে উধাতু খাই আহি তেওঁৰ ঘৰ পালেহি। তেখেতৰ লগত ইতিপূৰ্বে অসমৰ কথা লৈ একাধিকবাৰ উখনা উখনি লগা, ভাৰতৰ লৌহ-মানৱ আৰু উপপ্ৰধান মন্ত্ৰী ছৰ্দাৰ পেটেলে মৰ্মস্পৰ্শী ভাষাৰে মন্তব্য কৰিলে —"আধুনিক অসমৰ নিৰ্মাতা, শ্বেৰ-ই-আসাম গোপীনাথ বৰদলৈৰ মৃত্যুত ভাৰতে এজন অগ্ৰগণ্য দেশপ্ৰেমিক আৰু নেতাক হেৰুৱালে।"

মৃত্যুৰ কেইদিনমানৰ আগতেও উপপ্ৰধান মন্ত্ৰী পেটেলে ভাৰতৰ দেশীয় ৰাজ্যবিলাকক সেইবিলাকৰ চুবুৰীয়া ভাৰতীয় প্ৰদেশ বা ৰাজ্যবিলাকৰ লগ লগাই অনাৰ পৰিপ্ৰেক্ষিতত পুৰণি অসমৰ অঙ্গ কোচবিহাৰ ৰাজ্যখনক পশ্চিমবঙ্গৰ লগ লাগিবলৈ হেঁচা দিওঁতে তাৰ ৰজা আৰু থিলঞ্জীয়া অধিবাসীসকলে কোচবিহাৰক অসমৰহে অন্তৰ্ভুক্ত কৰাৰ পোষকতা কৰোতে বৰদলৈ ডাঙৰীয়াৰ উদ্যোগত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে কোচবিহাৰৰ সেই দাবী সমৰ্থন কৰি সেই ৰাজ্যক অসমৰ অন্তৰ্ভুক্ত কৰাৰ পক্ষে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। বৰদলৈ ডাঙৰীয়াই নিজেও এই বিষয়ে প্ৰধানমন্ত্ৰী নেহৰুলৈ লেখিছিল আৰু প্ৰধান মন্ত্ৰীয়ে তেওঁৰ লগত

আলোচনা নকৰাকৈ এই বিষয়ে একো নকৰে বুলি তেওঁক আশ্বাস দিছিল। এই অৱস্থাতে হোৱা বৰদলৈ ডাঙৰীয়াৰ মৃত্যুৱে তাহানি পুৰণি অসমৰ অঙ্গ কোচবিহাৰ আৰু জলপাইগুৰিক পুনৰুদ্ধাৰ কৰাৰ প্ৰস্তুতি চলাই থকা অৱস্থাতে এই গুৱাহাটীতেই স্বাধীন অসমৰ পৰাক্ৰমী ৰজা ৰুদ্ৰসিংহ স্বৰ্গদেৱৰো পৰলোক হোৱাৰ কথা মনত পেলায়। পৰিতাপৰ আৰু বিস্ময়ৰ কথা যে, বৰদলৈ ডাঙৰীয়াৰ মৃত্যুৰ কেইদিনমানৰ পিছতে উপপ্ৰধান মন্ত্ৰী চৰ্দাৰ পেটেলে কলিকতাৰ এখন সভাত প্ৰধান মন্ত্ৰী নেহৰুৱে মুখ্যমন্ত্ৰী বৰদলৈক দিয়া উক্ত আশ্বাসৰ প্ৰতিকূলে কোচবিহাৰখন পশ্চিমবঙ্গৰ অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত কৰা হৈছে বুলি ঘোষণা কৰে। কোচবিহাৰৰ এজন মন্ত্ৰীৰ সৈতে তাৰ কেইবাজনো থলুৱা নেতা কোচবিহাৰৰ প্ৰতি এই অন্যায়ৰ প্ৰতিকাৰ বিচাৰি আৰু কোচবিহাৰক অসমৰ অন্তৰ্ভুক্ত কৰাৰ পক্ষে সহায় সমৰ্থন বিচাৰি আহি অসম পালেহি। তেওঁলোকে মুখ্যমন্ত্ৰী মেধি ডাঙৰীয়া প্ৰমুখ্যে অসমৰ চৰকাৰী নেতাসকলৰ উপৰিও কোচবিহাৰক অসমৰ অন্তৰ্ভুক্ত কৰাৰ পৃষ্ঠপোষক আৰু তেওঁলোকৰ লগত পূৰ্ব পৰিচিত স্বৰূপে আমাৰ ওচৰো চাপিছিলহি। আমি এই বিষয়ে যথাসাধ্য চেষ্টাও কৰিছিলো; কিন্তু সাহসী আৰু শক্তিশালী নেতা বৰদলৈ ডাঙৰীয়াৰ অবিহনে অসমৰ কংগ্ৰেছ নেতৃত্ব আৰু চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে উচ্চ-বাচ্য কৰিবলৈ সাহ নকৰিলে।

বৰদলৈ ডাঙৰীয়াৰ মৃত্যুৰ পিছত অসমৰ কংগ্ৰেছ দলত তীব্ৰ দলাদলিৰ উদ্ভৱ হয় আৰু বৃহত্তৰ অসম গঠনৰ কথাই নাই—হৈ থকা অসম ৰাজ্যবো ভাঙোন আৰম্ভ হয়। ইয়াৰ নেতাসকলে ৰাজ্যখনৰ স্বাৰ্থতকৈ নিজৰ প্ৰতিষ্ঠাৰ কাৰণে অধিক তৎপৰ হবলৈ ধৰে। কংগ্ৰেছত অৱনতি আৰু দলাদলিয়ে দেখা দিয়ে। এই পৰিস্থিতিতে এই লেখককে ধৰি অসমৰো এদল কংগ্ৰেছীয়ে কংগ্ৰেছ পৰিত্যাগ কৰে।

## সহকৰ্মীৰ প্ৰতি প্ৰীতি

সহকৰ্মীসকলৰ প্ৰতি প্ৰীতি-সহৃদয়তা বৰদলৈ চৰিত্ৰৰ আন এটা বিশেষত্ব আছিল। ১৯৪১-৪৩ চনৰ গণ-বিপ্লৱৰ অন্তত অসুস্থতাৰ কাৰণে জেলৰপৰা মুক্তি পোৱাৰ পিছত তেওঁ দুৰ্দশাগ্ৰস্ত মুক্তি যুজাৰুসকলৰ কিম্বা তেওঁলোকৰ পৰিয়ালবৰ্গৰ সাহায্যৰ কাৰণে সেই অসুস্থ শৰীৰেও যত্নপৰ হোৱাৰ কথা আগতে উল্লেখ কৰা হৈছে। স্বাধীনতাৰ পিছত পুনৰ মুখ্যমন্ত্ৰী হৈও তেওঁ

অনুভূতি অক্ষুন্ন ৰাখিছিল। মুখ্যমন্ত্ৰী স্বৰূপে এবাৰ গোলাঘাট চফৰত যাওঁতে তেওঁ যোৰহাট জেলত মৃত্যু হোৱা তেওঁৰ মৰমৰ সহবন্দী কমলা মিৰিৰ পৰিয়াল-বৰ্গক মাত লগাবলৈ মহকুমাৰ সীমান্তৱৰ্তী দুৰ্গম মিৰি গাৱঁলৈকো গৈছিল আৰু লগত স্থানীয় এম-এল-এ ৰাজেন্দ্ৰনাথ বৰুৱা প্ৰমুখে আমি কেইবাজনো গৈছিলো। বৰদলৈ ডাঙৰীয়াক পাই কমল মিৰিৰ পৰিয়ালবৰ্গ আবেগত যিমান অভিভূত হৈছিল, বৰদলৈ ডাঙৰীয়াক তাতকৈ অধিক অভিভূত হোৱা দেখা গৈছিল। কংগ্ৰেছ কৰ্মীসকলক ক'ত কি কথাত সংস্থাপিত কৰিব পাৰি, সেই বিষয়ে তেওঁ বিশেষভাৱে চিন্তা কৰিছিল। তেওঁ কোনো কোনো পুৰণি আৰু নিশকতীয়া এম-এল-এৰ ঠাইত নতুন আৰু যোগ্যবান ডেকা কংগ্ৰেছ কৰ্মীক নিৰ্বাচনৰ কাৰণে মনোনীত কৰিছিল; আন কোনো কোনো যোগ্যতা সম্পন্ন ডেকা কংগ্ৰেছ কৰ্মীক মুন্সীপ, মেজিষ্ট্ৰেট, চাব জজ, ডি. এছ. পি. আদি চৰকাৰী কামত মকৰল কৰিছিল। তেওঁলোক সকলোৱেই নিজ নিজ পদ সুখ্যাতিৰে বহন কৰি পিছত জজ, উপাযুক্ত, বিভাগীয় ছেক্ৰেটৰী, ইন্স-পেক্টৰ জেনেৰেল বা এডিছনেল ইন্সপেক্টৰ জেনেৰেল আদি পদলৈ উন্নীত হয়। স্বাধীন চৰকাৰৰ সেৱাত অনভিজ্ঞ আৰু আগৰ আমোলাতান্ত্ৰিক মনো-ভাবৰ ডেকাতকৈ লোকসেৱা পৰায়ণ কংগ্ৰেছ কৰ্মীসকল যোগ্যতৰ হ'ব বুলি বৰদলৈ ডাঙৰীয়াই বিশ্বাস কৰিছিল। মই চৰকাৰী পদ কিম্বা এম-এল-এ কোনোটোৰে কাৰণে আগ্ৰহ নকৰা কাৰণে বোধ হয় মোৰ প্ৰতি তেওঁৰ অধিক ভাল ভাব হৈছিল। সাংবাদিকতাৰ প্ৰতি মোৰ অধিক ৰাপ থকা যেন দেখি, 'অসমীয়া'ৰ সম্পাদক হিচাপে পোৱাতকৈ ভালেখিনি অধিক বেতনত ভাৰতৰ এখন প্ৰধান ৰাষ্ট্ৰীয় দৈনিক 'হিন্দুস্থান টাইমছ' কাকতৰ সম্পাদক দেবদাস গান্ধীৰ ( মহাত্মা গান্ধীৰ পুত্ৰ ) লগত আলোচনা কৰি, মই সেই কাকতৰ সম্পাদকীয় বিভাগত যোগ দিমনে, সেই বিষয়ে সোধোতেও মই তেওঁৰ সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিলো আৰু সাংবাদিক স্বৰূপে হলেও মোৰ দেশসেৱাৰ স্থলী অসমেইহে বুলি সমিধান দিছিলো। তেওঁ এই সমিধানত সন্তোষ প্ৰকাশ কৰিছিল। আন এদিন প্ৰিয়বন্ধু খগেন্দ্ৰ নাৰায়ণ নাথৰ অনুৰোধত এছেমব্লিৰ নিৰ্বাচনত গোৱালপাৰাৰ এখন আসনৰ কাৰণে এজন নিশকতীয়া প্ৰবীন কংগ্ৰেছী প্ৰাৰ্থীৰ পৰিবৰ্তে এজন নতুন আৰু জাতীয়তা ভাবাপন্ন ডেকা প্ৰাৰ্থীৰ পক্ষে তেওঁক খাটনি ধৰোতে তেওঁ মই কোৱা কথা বিবেচনা কৰাৰ আশ্বাস দি হাঁহি হাঁহি কৈছিল, "আপুনি নিজে

এম-এল-এ হ'ব নোখোজে; কিন্তু আমাৰ একাধিকবাৰ এম-এল-এ হৈ থকা প্ৰবীণ লোক কিছুমানেও নতুন মানুহক সেই পদ এৰি দি আন ৰকমে দেশৰ কাম কৰিব নোখোজে। তেনে কৰিবলৈ ক'লে তেওঁলোকে বেয়া পায়। সিদিনা তেনে এজনক কৈছো, বোলো ইচ্ছা কৰিলে তেওঁ মোৰ ঠাইতে নিৰ্বাচনত উঠক; মই গাৱঁত গঠনমূলক কাম কৰিম। সঁচাকৈয়ে বৰুৱা, মোক কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষই অব্যাহতি দিয়া হলে এছেমব্লি আৰু চৰকাৰ এৰি মই গাৱঁত গান্ধীজীৰ আদৰ্শত কাম কৰি বেছি সুখী হ'লোহেঁতেন।" এইটো তেওঁৰ তৰল উক্তি নাছিল। খাদী আৰু কুটীৰ শিল্প, বুনিয়াদী শিক্ষা, হিন্দুস্থানী প্ৰচাৰ আদি গান্ধীজীৰ গঠনমূলক কাম আঁচনিত বৰদলৈ ডাঙৰীয়াৰ গভীৰ নিষ্ঠা আৰু বিশ্বাস আছিল এই কথা তেওঁৰ সমসাময়িক সহকৰ্মী আৰু অন্যান্য বহুতেই ভালকৈ জানে। (কোৱা বাহুল্য যে, মোক আশ্বাস দিয়ামতে সেই ডেকাজনক বিধান সভাৰ নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী মনোনীত কৰা হৈছিল আৰু তেওঁ যোগ্যতাৰো পৰিচয় দি পিছত ৰাজ্যখনৰ অধিকতৰ গুৰুত্ব আৰু দায়িত্বপূৰ্ণ পদ অধিকাৰ কৰে।) সহকৰ্মীৰ প্ৰতি সহানুভূতিশীল আৰু দলৰ আৰু দেশৰ উভয়ৰে স্বাৰ্থত নতুন নতুন আৰু উপযুক্ত ডেকাক দায়িত্ব অৰ্পণ কৰিবলৈ সজাগ এনে নেতা পিছৰ কালত অসমৰ কংগ্ৰেছ দলত আমি দ্বিতীয়জন দেখা নাই সাম্প্ৰদায়িক বিবেচনাত নিজে দাবী কৰি আৰু নেতা-সকলক শ'ল ঠেকত পেলাই কোনো কোনো ডেকাই তেনে সুবিধা আদায় কৰাটো অৱশ্যে বেলেগ কথা। প্ৰবীন নেতাসকলৰ সৰহভাগেই দলৰ আৰু দেশৰ দায়িত্ব লবলৈ নতুন মানুহ তৈয়াৰ নকৰি, পিছত যি হয় হ'ব - যিমান দিনলৈকে পাৰে তেওঁলোকেই ক্ষমতাৰ অধিস্থিত থকাতহে অভ্যস্ত।

## বৰদলৈৰ গান্ধী-ভক্তি

মহাত্মা গান্ধী আৰু তেওঁৰ আদৰ্শ আৰু কাৰ্যাবলীৰ প্ৰতি বৰদলৈ ডাঙৰীয়াৰ অবিচল আস্থা আছিল। তেওঁ বিশ্বাস কৰিছিল যে, বহুগুণাকৰ, ত্যাগী আৰু নিঃস্বাৰ্থ সমাজ প্ৰেমিক আৰু বিশ্বপ্ৰেমিক মহাপুৰুষসকলেই প্ৰকৃত মহাত্মা; ৰজা, মন্ত্ৰী, ৰাষ্ট্ৰপতি আৰু সেনাপতিসকলতকৈ এনে মহাপুৰুষসকলৰ স্থান বহুত ওপৰত। মহাত্মা গান্ধীক তেওঁ তেনে এজন মহাপুৰুষ বুলি আন্তৰিকভাৱে বিশ্বাস কৰিছিল আৰু তেওঁক বুদ্ধ, হজৰত মহম্মদ আৰু যীশুখ্ৰীষ্টৰ দৰে অৱতাৰী পুৰুষসকলৰ শাৰীতে ঠাই দিছিল। তেওঁ এইদৰে গান্ধীজীৰ বিষয়ে

লেখিবলৈ গান্ধীজীৰ অনুমতি বিচাৰি চিঠি লেখাত গান্ধীজীয়ে তেওঁক সঁকিয়াই দিছিল যে, ভগৱানৰ প্ৰেৰিত আৰু প্ৰধানতঃ ধৰ্মগুৰু এই মহাপুৰুষসকলৰ সৈতে তেওঁক একে শাৰীত ঠাই দিবলৈ গলে কিছুমান লোক কষ্ট হ'ব। তথাপি বৰদলৈ ডাঙৰীয়াই সেই পৰিকল্পনা পৰিত্যাগ নকৰিলে; সেই ধৰ্মাৱতাৰসকলৰ জীৱনীৰ লগতে আৰু একে পৰ্য্যায়তে গান্ধীজীৰ জীৱন কাহিনী লেখি গ'ল। মহাত্মাজীৰ বিষয়ে তেওঁ প্ৰতেকক কৈছে,

"বাপা, মই কি মহাপুৰুষজনৰ জীৱনী ক'বলৈ ওলাইছো, তেওঁৰ সম্পৰ্কে তোমালোক সকলোৱে কিছু বেছি জানা। কংগ্ৰেছ মহাসভাৰ গুৰিয়াল হোৱাৰ কাৰণে তেওঁৰ নাম নজনা লোক বা ল'ৰা-ছোৱালী কোনো নাই। তথাপি তেওঁৰ সম্পৰ্কে বেছিভাগ লোকৰেই জ্ঞান তেওঁ এজন অদ্বিতীয় ৰাজনৈতিক নেতা হিচাপেহে। তেওঁ ভাৰতক স্বাধীনতা দান কৰিবলৈ আহিছে, ভাৰতৰ লাখ লাখ দুখীয়া মানুহৰ অন্ন-বস্ত্ৰৰ ব্যৱস্থাৰ নিমিত্তে তেওঁ বৃটিছ শাসনৰ বিৰুদ্ধে যুঁজ কৰি স্বাধীনতা স্থাপন কৰিবলৈ বিচাৰিছে এই বুলিহে বহুত-লোকে তেওঁক জানে। এনে অৱস্থাত পৃথিৱীৰ ধৰ্মগুৰুসকলৰ জীৱনীৰ লগত তেওঁৰ জীৱনী একে ঠাইতে লগ লগোৱাৰ কাৰণে মোক তোমালোকে দোষ দিব পাৰা। প্ৰকৃতপক্ষে তোমালোকৰ কাৰণে মই মহাত্মা গান্ধীৰ জীৱনী লেখিবৰ অভিপ্ৰায়েৰে মহাত্মালৈ অনুমতি বিচাৰি চিঠি লেখাত তেৱেঁই এই আসোঁৱাহ তুলিছে। তেওঁ লিখিছে: 'You will offend all orthodoxy by bracketing me with the 'Avatars' and the prophets and I think rightly. You can not write of a living man in the same way as the dead, who by common consent, have been acclaimed as 'Great Teachers'.' অৰ্থাৎ 'তুমি মোক অৱতাৰ আৰু ঈশ্বৰৰ প্ৰেৰিত লোকসকলৰ লগত একেলগে ধৰি সঁচাকৈয়ে সকলো পৌৰাণিক নিয়মৰ বিৰোধী হ'বা। পৃথিবীৰ লোকে গ্ৰহণ কৰা মহৎ গুৰুসকলৰ জীৱনীৰ দৰে এজন জীয়াই থকা মানুহৰ জীৱনী একেলগে লেখিব নোৱাৰা।' এই আসোঁৱাহ সম্পৰ্কে মই কৈছো যে, মহাপুৰুষসকলৰ শাৰী নাই। তেওঁলোকৰ প্ৰত্যেকেই সাময়িক গ্লানি দূৰ কৰি ঈশ্বৰৰ ইচ্ছা পূৰণ কৰিবলৈ জন্ম গ্ৰহণ কৰে আৰু তেওঁলোকৰ অসীম শক্তিৰ দ্বাৰা গ্লানিবিলাক দূৰ কৰে। লগে লগে নিহিত হৈ থকা চিৰন্তন সত্য কিছুমান পৃথিৱীত প্ৰচাৰ কৰি যায়। আমি সাধাৰণ মানুহে যি সমাজত থাকো, সেই সমাজৰ দোষবিলাক চিনিকে নাপাওঁ

আৰু বহুত সময়ত সেইবিলাক গুণ বুলি ভাবি লওঁ। বহুতে নিজৰ স্বাৰ্থৰ কাৰণে এই দোষবিলাকৰ কথা জানিও সেইবিলাক দূৰ কৰিবলৈ যি শক্তি আৰু ত্যাগ লাগে, তাৰ অভাৱত সেইবোৰ আওকাণ কৰি বহি থাকে। কিন্তু মহা-পুৰুষসকলে নিজৰ অসাধাৰণ অনুভূতি, সহানুভূতি, বুদ্ধি, সাহস, ত্যাগ আৰু আত্মশক্তিৰ বলত সামাজিক অন্যায়, অত্যাচাৰ আৰু অনিয়মবিলাক ভালকৈ বুজে আৰু সেইবিলাক দূৰ কৰিবলৈ আগবাঢ়ে। সংস্কাৰ কৰিবলগীয়া সমাজ যিমানেই ডাঙৰ হয়, সেই মহাপুৰুষৰ মহত্বও সেই পৰিমাণে ব্যাপক হয়। সেইদৰে তেওঁলোকে যি ধৰ্ম আৰু নীতি প্ৰচাৰ কৰে, তাৰো ব্যাপকতা সংস্কাৰ কৰিবলগীয়া সমাজৰ কলেবৰৰ ওপৰত নিৰ্ভৰ কৰে।

"মহাত্মাৰ সমগ্ৰ জীৱনেই সত্যৰ অন্বেষণত চলি আছে। সেই অন্বেষণৰ আজিলৈকে শেষ হোৱা নাই। তেওঁ যি সত্য বিচাৰি পাইছে, সি নতুন সত্য নহলেও জগতবাসীয়ে তাক কেনেভাৱে গ্ৰহণ কৰে, তাৰ প্ৰমাণ এতিয়াও সম্পূৰ্ণভাৱে পোৱা হোৱা নাই। কিন্তু এইটো সৰ্বসম্মত বুলি ধৰিব পাৰি যে, তেওঁ আজিৰ জগতত এজন অদ্বিতীয় পুৰুষ। তেওঁ বৰ্ত্তমান জগতৰ স্বাৰ্থপূৰ্ণ বাস্তবতাৰ আৰু তাৰ লগত অন্যায়-অত্যাচাৰৰ বিপক্ষে থিয় হৈছে আৰু দুঃখিত পীড়িত আৰু নিষ্পেষিত মানবৰ সমস্যাবিলাক সমাধান কৰিবলৈ ওলাইছে। তেওঁ এই কাৰ্য সম্পূৰ্ণ সমাধান কৰা সম্পৰ্কে ভবিষ্যতে জীৱনী লেখকসকলে ক'ব; কিন্তু সেই স্বৰ্গী হোৱা প্ৰধান ধৰ্ম-গুৰুসকলৰ সৈতে তেওঁৰ স্থান একে বুলি স্বীকাৰ নকৰিলেও তেওঁৰ জীৱনী সম্বন্ধে তোমালোক সকলোৱে জনা উচিত।"

মহাত্মা গান্ধী মাত্ৰ এজন ৰাজনৈতিক নেতা আৰু তেওঁৰ জীৱন ৰাজ-নীতিতে লিপ্ত আছে বুলি দৰ্শোৱা সম্পৰ্কে বৰদলৈ ডাঙৰীয়াই কৈছে:

"এই সম্বন্ধে মই এইখিনি মাত্ৰ কৈ থওঁ যে, তেওঁৰ ৰাজনৈতিক নেতৃত্ব তেওঁৰ ধৰ্ম জীৱনৰ এটা অংশ মাথোন। এই বিষয়ে তেওঁৰ জীৱনী পঢ়োতেই ভালকৈ বুজি পাবা।"

মহাত্মাজীৰ অভিনব আৰু মৌলিক অহিংস অসহযোগ আন্দোলন আৰু নীতিৰ সম্পৰ্কে বৰদলৈ ডাঙৰীয়াই লেখিছে:

"এই নীতি অবলম্বনৰপৰা ভাৰতৰ এটা নতুন যুগ প্ৰবৰ্ত্তন হোৱা বুলি ক'ব পাৰি আৰু ইয়াৰ পিছৰ ঘটনাবিলাকৰপৰা তোমালোকে জানিব পাৰিবা···কেনেকৈ ত্যাগ, পবিত্ৰতা আৰু কষ্ট-সহিষ্ণুতাৰ দ্বাৰাহে স্বাধীনতা

অৰ্জন কৰিব পাৰি, সেই ভাৱে ভাৰতবাসীৰ মনত ঠাই ল'লে। ব্যক্তিগত-ভাৱে মানুহক ঘৃণা নকৰি শাসনতন্ত্ৰৰপৰা পাপ প্ৰকৃতি আৰু অন্যায় দূৰ কৰা নীতি 'ভাৰতৰ ৰাজনীতিত প্ৰথম সুমোৱালে মহাত্মা গান্ধীয়ে। ইয়াৰ আগৰ ৰাজনীতিৰ মূল আছিল বুদ্ধি, বাক্য আৰু টকাৰ খেলা—এক কথাত ক'বলৈ হ'লে শক্তি-প্ৰভাৱৰ খেল'। গান্ধীজীয়ে সেই ৰাজনীতিক সততা, আন্তৰিকতা, ত্যাগ, কষ্ট-সহিষ্ণুতা আৰু মানৱ প্ৰেমৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিলে।............১৯২১ চনৰ মাচ মাহৰপৰা তেওঁ অসহযোগীবিলাকক গণ আইন অমান্য আন্দোলন বা সত্যাগ্ৰহৰ নীতি বুজাবলৈ চেষ্টা কৰে। যদি তেওঁ অসহযোগ আন্দোলনৰ অভ্যন্তৰত হিংসা আৰু উপদ্ৰৱৰ চিন নেদেখিলে-হেঁতেন, তেন্তে তেওঁ ১৯৩০ চনলৈকে বাট নাচাই ১৯২১ চনতেই সত্যাগ্ৰহ আন্দোলন চলালেহেঁতেন। অসহযোগেই বোলা বা সত্যাগ্ৰহেই বোলা, গান্ধীজীৰ সকলো চেষ্টাই জগত গুৰুসকলৰ কাৰ্যধাৰাৰ সৈতে একে—যি কাৰ্যধাৰাৰ প্ৰধান উদ্দেশ্য হৈছে মানৱ সমাজক সকলো পাপ আৰু বেয়া ভাৱৰপৰা মুক্ত কৰা।........ .....

"বিশেষ লক্ষ্য কৰিবলগীয়া কথা এই যে, গান্ধীজীৰ এই অসহযোগ নীতি প্ৰথমতে বহুসংখ্যক ভাৰতীয় নেতাৰ মনঃপুত হোৱা নাছিল। ইতিপূৰ্বেই ১৯১৯ চনৰ অমৃতসৰ কংগ্ৰেছৰপৰাই নৰমপন্থীসকলে কংগ্ৰেছ পৰিত্যাগ কৰি সুকীয়াকৈ এটা নতুন দল গঠনৰ কল্পনা কৰিছিল। কংগ্ৰেছৰ উগ্ৰপন্থীসকলৰ ভিতৰতেই এসময়ৰ ত্যাগী একচ্ছত্ৰী নেতা লোকমান্য তিলকে ৰাজনীতিত আধ্যাত্মিকতাৰ বিশেষ ঠাই নাই বুলি গান্ধীজীৰ অসহযোগ নীতি ভাল চকুৰে চোৱা নাছিল। কংগ্ৰেছৰ কলিকতা বৈঠকত দেশবন্ধু চিত্তৰঞ্জন দাস, ব্যোমকেশ চক্ৰবৰ্তী প্ৰভৃতি নেতাসকলে আদালত আৰু ব্যৱস্থাপক সভা বৰ্জনৰ বিপক্ষেহে মত দিলে। কিন্তু তথাপি বিষয় বাচনি সভাত গান্ধীজীৰ প্ৰস্তাৱ অতি কম-সংখ্যক ভোটত হ'লেও গৃহীত হ'ল। মূল কংগ্ৰেছ সভাত গান্ধীজীৰ প্ৰস্তাৱ সম্পূৰ্ণৰূপে পৰিবৰ্তিত বা সংশোধিত নোহোৱাকৈয়ে গৃহীত হ'ল। পুনৰ নাগপুৰ বৈঠকত গান্ধীজীৰ প্ৰস্তাৱ বহুসংখ্যক ভোটত গৃহীত হ'ল।

"গান্ধীজীৰ প্ৰস্তাৱৰ বিপক্ষে এই লোকসকলৰ অভিমতত আচৰিত হ'বলগা একো নাই। এই নেতাসকলে লোকমান্য তিলকৰ দৰেই, ৰাজনীতিত ধৰ্মমূলক ভাৱৰ মোল বুজি পোৱা নাছিল। তেওঁলোক পাশ্চত্য ৰাজনীতিতহে পণ্ডিত আছিল। পাশ্চত্য ৰাজনীতিত ধৰ্মমূলক নীতিৰ ঠাই নাই। বৰঞ্চ তাত নানা

কু-চক্ৰ, হিংসানীতি আৰু ধনৰ প্ৰভাৱেৰেহে বেছিকৈ ঠাই লৈছে। এই লোক-সকলে তেওঁলোকৰ আইন ব্যৱসায় আৰু আন ব্যৱসায়ত প্ৰতিপত্তিৰ কাৰণে যি ঠাই পাইছিল, সেই প্ৰতিপত্তি ত্যাগ কৰাটো যুক্তিসঙ্গত বুলি নাভাবিছিল। তেওঁলোকে সেই প্ৰতিপত্তি ব্যৱহাৰৰ দ্বাৰাহে দেশৰ স্বাধীনতা আনিব পাৰি বুলি বিশ্বাস কৰিছিল। কিন্তু এই বিৰোধ সত্ত্বেও মহাত্মা গান্ধীৰ প্ৰস্তাব গৃহীত হোৱাৰ পিছত এই নেতাসকলেই তেওঁলোকৰ অজস্ৰ ধন আয় হোৱা আইন ব্যৱসায় পৰিত্যাগ কৰিলে। দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহৰুৰ ত্যাগ জগতত জ্বলন্ত দৃষ্টান্ত হৈ থাকিব। এওঁলোকৰ ত্যাগৰ আদৰ্শই দেশত ত্যাগৰ ভাব এনেদৰে বোৱালে যে, সকলো ঠাইতে অসংখ্য উকীল, বেৰিষ্টাৰ, মুক্তিয়াৰ আদিয়ে নিজৰ ব্যৱসায় ত্যাগ কৰি গান্ধীজীৰ নিৰ্দেশমতে দেশৰ কামত একান্ত মনে লাগিলহি। আমাৰ অসমতো নবীনচন্দ্ৰ বৰদলৈ আৰু বেৰিষ্টাৰ তৰুণৰাম ফুকন প্ৰভৃতিয়ে নিজৰ আইন ব্যৱসায় ত্যাগ কৰি দেশৰ কামত লাগি গ'ল। সেইদৰে অনেক ব্যৱস্থাপক সভাৰ সদস্য লোকে অসহযোগৰ নিৰ্দেশমতে ব্যৱস্থাপক সভা ত্যাগ কৰিলে। সেইদৰে বহুত বৃটিছ চৰকাৰৰ উপাধিধাৰীয়ে তেওঁলোকৰ উপাধি বৰ্জন কৰিলে। হাজাৰ হাজাৰ কলেজীয়া আৰু স্কুলীয়া ছাত্ৰই কলেজ আৰু স্কুল পৰিত্যাগ কৰিলে। এইদৰে বৃটিছ শাসনৰ প্ৰতি ঘোৰ অশ্ৰদ্ধা দেশত বিয়পি পৰিল আৰু ইয়াৰ ফলত জাতীয়তাভাৱ আৰু স্বাধীনতাৰ স্পৃহাই মানুহৰ অন্তৰত ঠাই ল'লে। ......ইতিপূৰ্বে কংগ্ৰেছ মহাসভা কেৱল ধনী বেৰিষ্টাৰ, উকীল আৰু ব্যৱসায়ীৰ মাজত আবদ্ধ আছিল। কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত উপস্থিত হোৱা নেতাসকলক জনসাধাৰণে নিয়মিতভাৱে নিৰ্বাচিত কৰি পঠিওৱা নাছিল। গান্ধীজীয়ে এই কংগ্ৰেছ অনুষ্ঠানক প্ৰকৃততে জনসাধাৰণৰ অনুষ্ঠান কৰি তুলিলে। শান্তিপূৰ্ণ উপায়েৰে ভাৰতৰ স্বৰাজ লাভ কৰাত বিশ্বাসী লোকমাত্ৰেই চাৰি অনা পইচা দি কংগ্ৰেছত ভৰ্তি হ'ব পৰা হ'ল। গাওঁ, চহৰ সকলো ঠাইতে কংগ্ৰেছৰ লোকসকলে সভা পাতিলে। এইবিলাকৰ প্ৰতিনিধিবগই গৈ নিখিল ভাৰত কংগ্ৰেছ কমিটি আৰু কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সদস্য হ'ব পৰা হ'ল।............।

"অতি অলপ দিনৰ ভিতৰতে অসহযোগ আন্দোলনৰ কৃতকাৰ্যতাৰ লগে লগে চৰকাৰ সজাগ হ'বলৈ বাধ্য হ'ল। কিছুমান প্ৰাদেশিক চৰকাৰ নিৰুপায় হৈ অতি নিষ্ঠুৰ দমন-নীতি, ল'বলৈ বাধ্য হ'ল। মাদক দ্ৰব্য নিবাৰণৰ

কাৰণে কংগ্ৰেছ স্বেচ্ছাসেৱকসকলে মদ, ভাং, আফিঙৰ দোকানৰ আগত শান্তিপূৰ্ণভাৱে এইবোৰ বস্তু কিনিবলৈ অহা মানুহক এইবোৰ নিকিনিবৰ কাৰণে অনুৰোধ বা পিকেটিং কৰিছিল। যেতিয়া বহুত ঠাইত চৰকাৰৰ আবকাৰী আয় এনে পিকেটিংৰ ফলত কমি গ'ল, তেতিয়া চৰকাৰ নিশ্চিন্ত হৈ থাকিব নোৱাৰিলে আৰু স্বেচ্ছাসেৱকসকলক প্ৰথমতে সাধাৰণ অনুসাৰে আৰু পিছলৈ ১৯২১ চনৰ নবেম্বৰ মাহৰপৰা সকলো স্বেচ্ছাসেৱকৰ দলকে বে-আইনী বুলি ঘোষণা কৰি গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। মাদকতা নিবাৰণ, পঞ্চায়ত আইন, অস্পৃশ্যতা নিবাৰণ ইত্যাদি নৈতিকতামূলক কাৰ্যত ব্যস্ত থকা স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰাৰপৰা আন্দোলনৰ নৈতিক শক্তি বাঢ়িল আৰু লগে লগে বৃটিছ শাসকৰ অনৈতিকতা সাধাৰণ গাৱঁলীয়া মানুহৰ আগতো বঢ়িয়াকৈ ধৰা পৰিল। নৈতিক শক্তিত হাৰিলেও বৃটিছে দমন-নীতিৰ কোনো পৰিবৰ্তন নকৰিলে। জুলাই মাহত আলি ভ্ৰাতৃদ্বয়ক খিলাফত সভাত সৈনিক-সকলক চৰকাৰী কাম এৰিবলৈ আহ্বান কৰাৰ কাৰণে সশ্ৰম কাৰাদণ্ড দিয়া হৈছিল। নবেম্বৰ মাহত ক্ৰিমিনেল ল' এমেণ্ডমেণ্ট আইন জাৰি কৰাৰ লগে লগে সমগ্ৰ ভাৰতবৰ্ষতে সকলো ডাঙৰ নেতা আৰু স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়া হ'ল। এই দমন-নীতিৰপৰা লালা ৰাজপত ৰায়, পণ্ডিত মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস আৰু আমাৰ নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকন প্ৰভৃতি কোনো নেতাই ৰেহাই পোৱা নাছিল।·· ······বহুত ভাৰতীয়ক বিশেষ পুলিচ (স্পিচিয়েল পুলিচ) হিচাপে নিযুক্ত কৰা হ'ল আৰু বহুত ঠাইত শাস্তিমূলক পাইকাৰী জৰিমনা লগোৱা হ'ল। অসমৰ কামৰূপ জিলাৰ বকো অঞ্চলত আৰু শিৱসাগৰৰ টিয়ক অঞ্চলত এই জৰিমনা লগোৱা হয়। ভাৰতৰ বিভিন্ন ঠাইত মানুহক ভয় খুৱাবৰ কাৰণে সশস্ত্ৰ চিপাহীৰে কুচ কাৱাজ কৰাই ভীতি প্ৰদৰ্শন কৰা হৈছিল। কিন্তু এনে দমন-নীতিৰ দ্বাৰা আন্দোলন বন্ধ হোৱাটো দূৰত থাওক ই ক্ৰমে বৃদ্ধি পাবলৈহে ধৰিলে। লগে লগে কংগ্ৰেছৰ বৰ্জন নীতি বেছি শক্তিশালী হ'ল আৰু কৰ্মীসকলৰ উৎসাহ দিনক দিনে বাঢ়ি গ'ল। এই সময়ত ভাৰতবাসীৰ মানসিক অৱস্থাৰ বুজ লৈ কিছুমান বৃটিছ চিন্তাশীল লোকে ভাৰতত বৃটিছ সাম্ৰাজ্যৰ যৱনিকা পৰা বুলি আশঙ্কা প্ৰকাশ কৰিছিল। সেই সময়ত মিঃ জিন্না আৰু পণ্ডিত মদনমোহন মালব্যৰ চেষ্টাত বৰলাট লৰ্ড ৰীডিঙে কংগ্ৰেছৰ

লগত আপোচৰ কথা উল্লেখ কৰিছিল। কথা আছিল যে, আগন্তুক বৃটিছ যুৱৰাজক ৰাইজে যথোচিত অভ্যৰ্থনা জনাব আৰু ফলস্বৰূপে বৰলাটে ৰাজনৈতিক বন্দীসকলক মুক্তি দি ভাৰতৰ শাসন সংস্কাৰ সম্পৰ্কে পিছৰ মাৰ্চ মাহত ঘূৰণীয়া মেজমেল পাতি নেতাসকলৰ লগত আলোচনা কৰিব। দেশবন্ধু চিত্তৰঞ্জন দাসে আলিপুৰ জেলৰ ভিতৰৰপৰা এই সম্পৰ্কত কংগ্ৰেছৰ হৈ আলোচনা চলাইছিল। কিন্তু বৰলাট চাহাবে ক্ৰিমিনেল এমেণ্ডমেণ্ট আইনত বন্দী হোৱা মানুহখিনিৰ বাহিৰে আলি ভ্ৰাতৃদ্বয়, ডাঃ কিচলু প্ৰভৃতি ৰাজনৈতিক বন্দীক এৰি দিবলৈ মান্তি নোহোৱাত গান্ধীজীয়ে ভাৰত ভ্ৰমণাৰ্থে অহা যুৱৰাজৰ অভ্যৰ্থনাৰ বিৰুদ্ধে কৰা প্ৰচাৰ কায বন্ধ কৰিবলৈ মান্তি নহল। ফল স্বৰূপে দমন-নীতিৰ কঠোৰতা বাঢ়িবলৈ ধৰিলে আৰু কংগ্ৰেছেও যিবোৰ কাম কৰাৰ কাৰণে কংগ্ৰেছী স্বেচ্ছাসেকসকল চৰকাৰৰ চকুত দোষী প্ৰতিপন্ন হৈছিল, সেইবোৰ কামকে কৰি কাৰাবৰণ কৰিবলৈ কংগ্ৰেছ কৰ্মী আৰু স্বেচ্ছাসেৱকসকলক নিৰ্দেশ দিলে।”

১৯২২ চনৰ ১২ ফেব্ৰুৱাৰীৰ দিনা উত্তৰ প্ৰদেশৰ চৌৰিচৌৰাত জনতাই কুৰিজনমান পুলিচ কনিষ্টবল আৰু এজন পুলিচ চাব ইন্সপেক্টৰক খেদি নি থানা ঘৰৰ ভিতৰত সুমোৱাই, বাহিৰৰপৰা দুৱাৰ বন্ধ কৰি দি ঘৰটোত জুই লগাই তেওঁলোক আটাইকিজনকে জীয়াই জীয়াই পুৰি মৰা হিংসাত্মক কাযত বিচলিত হৈ মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলন বন্ধ কৰি দিয়ে। এই দুয়োটা (উক্ত মুছলমান নেতাকিজনক জেলৰপৰা মুক্তি নিদিয়াৰ কাৰণেই গান্ধীজীয়ে বৰলাটৰ লগত স্বাধীনতাৰ দাবীৰ আপোচ-আলোচনা কৰিবলৈ সন্মত নোহোৱা আৰু চৌৰিচৌৰাৰ উক্ত ঘটনাৰ কাৰণেই আইন অমান্য আন্দোলন বন্ধ কৰি দিয়া।) কাৰ্যৰ বিৰুদ্ধেই দেশবন্ধু চিত্তৰঞ্জন দাস প্ৰমুখ্যে দেশৰ কিছুমান গণ্য-মান্য নেতায়ো মহাত্মাৰ কাযৰ বিৰূপ সমালোচনা কৰিছিল। কিন্তু বৰদলৈ ডাঙৰীয়াই গান্ধীজীৰ এই দুই কাৰ্যও সম্পূৰ্ণৰূপে সমৰ্থন কৰিছে। চৌৰিচৌৰাৰ ঘটনাৰ কাৰণে মহাত্মাই তেওঁৰ শক্তিশালী আইন অমান্য আন্দোলন আৰু সত্যাগ্ৰহ বন্ধ কৰাৰ বিষয়ে তেওঁ লেখিছেঃ

“.........তেওঁ এই আইন অমান্য বা সত্যাগ্ৰহ বন্ধ কৰা সম্পৰ্কে মই তোমালোকক অলপ ভাবি চাবলৈ কওঁ। তোমালোকে দেখিছা যে, মহাত্মাই ভাৰতৰ স্বৰাজ আন্দোলনৰ গুৰি বঠা ধৰাৰপৰা কেনেকৈ প্ৰতি ক্ষেত্ৰতে

আন্দোলনটোৱে সফলতা লাভ কৰি আহিছিল। দেশী-বিদেশী অনেক চিন্তা-শীল লোকে এতিয়াও কয় যে, মহাত্মাই যদি তেওঁৰ আন্দোলন বন্ধ নকৰিলে-হেঁতেন, তেন্তে ভাৰতবাসীয়ে তেতিয়াই স্বৰাজ আদায় কৰিব পাৰিলেহেঁতেন। সেই সময় বহুত বৃটিছ লোকে ভাৰতবৰ্ষখন বৃটিছ সাম্ৰাজ্যৰপৰা হেৰাল বুলি ধৰি লৈছিল। প্ৰায় এনে অৱস্থাৰপৰাই ১৯১৮-১৯ চনৰ ৰুছ বিপ্লৱ কৃতকাৰ্য হৈছিল। মহাত্মাই নিজেই মানুহৰ উৎসাহ দেখি এবছৰৰ ভিতৰতে স্বৰাজ পোৱাৰ আশা আছে বুলি কৈ ফুৰিছিল। তেওঁ ইয়াকো জানিছিল যে, যদি তেওঁ এনে অৱস্থাত আন্দোলন স্থগিত কৰে, তেন্তে তেওঁ ভাৰতবাসীৰ তাচ্ছিল্য আৰু অবিশ্বাসৰ পাত্ৰ হ'ব। ইমানবোৰ মানুহক কষ্ট দি তেওঁলোকক কাৰাগাৰত এৰি হঠাতে এনে এটা সিদ্ধান্ত লোৱাটো সকলো নেতাৰ পক্ষে সম্ভৱপৰ নহ'লহেঁতেন। কিন্তু মহাত্মাৰ সিদ্ধান্ত কংগ্ৰেছৰ অন্যান্য আশা অনুগত-সকলৰ আপত্তিয়ে অলপো লৰচৰ কৰিব নোৱাৰিলে। ইয়াৰ কাৰণ এয়ে যে, মহাত্মাৰ বিচাৰ সম্পূৰ্ণৰূপে নৈতিকতাৰ ওপৰত নিৰ্ভৰশীল। এই মহৎ সিদ্ধান্তই স্পষ্টকৈ প্ৰমাণ কৰে যে, যেই সেই উপায়েৰে স্বৰাজৰ দৰে অমূল্য বস্তু লবলৈকো তেওঁ ৰাজি নাছিল। ব্যক্তিগত হিংসা, ঘৃণা, দ্বেষ আৰু অনুষঙ্গিত মিছা প্ৰতাৰণা বা প্ৰবঞ্চনাৰ দ্বাৰা অৰ্জন কৰা কোনো বস্তুৱেই স্থায়ী হ'ব নোৱাৰে এইটো তেওঁৰ ধ্ৰুব বিশ্বাস আছিল। সেই কাৰণে পৰম কাম্য স্বৰাজকো তেওঁ অসৎ উপায়েৰে লাভ কৰিবলৈ ৰাজি নহয়। তোমালোকে ভাবি চাবা যে, এনে বিচাৰ আৰু সিদ্ধান্ত কেবল জগতৰ মহা-পুৰুষসকলৰ ক্ষেত্ৰতহে দেখা যায়।”

গান্ধীজী আৰু গান্ধীবাদৰ প্ৰতি এই অসীম আৰু অবিচল আস্থাই বৰদলৈ ডাঙৰীয়াৰ নিজৰ কৃতকাৰ্যতাৰো প্ৰধান উৎস আছিল।

# দ্বিতীয় খণ্ড

# গোপীনাথ বৰদলৈ

## অমিয় কুমাৰ দাস

"ভাৰতৰ বাবে আজি যিজন মানুহৰ প্ৰয়োজন আছিল, সেইজন মানুহেই আজি আমাৰ মাজৰপৰা আঁতৰি যাবলগীয়া হ'ল বিধাতাৰ কি নিষ্ঠুৰ পৰিহাস।" কথা কেইআষাৰ কৈছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে। তেওঁ সেইদিনা নাজানিছিল যে অসমৰো অৱস্থা এনে হ'ব, অসমৰ মানুহেও তেওঁৰ বাবে এনেদৰেই আক্ষেপ কৰিব।

১৯৪৮ চন, মহাত্মা গান্ধীৰ মৃত্যুৰ পিছত তেওঁৰ চিতা-ভস্মৰ এটা তামৰ কলহ পৰশুৰাম কুণ্ডত বিসৰ্জন কৰিবলৈ মোক দায়িত্ব দিয়াৰ সময়ত ওপৰত উল্লেখ কৰাৰ দৰে তেওঁ কৈছিল। আজি বৰদলৈৰ কথা সোঁৱৰণ কৰোঁতে এনেবিলাক কথাই মনলৈ আহি আছে। তেওঁ সেই সময়ৰ ভৌগোলিক অসমখনক একেখন ৰাজ্য হিচাপে গঢ় দিয়াত ব্ৰতী হৈছিল। ভাৰতে স্বাধীনতা পোৱাৰ পিছত তেওঁ অসমৰ মুখ্যমন্ত্ৰী হৈ তেওঁৰ সপোনৰ সোণৰ অসমক সেই কল্পনাৰেই ৰূপ দিবলৈ চেষ্টা কৰিছিল। আজি অসম খণ্ড-বিখণ্ড হৈ একো একোটা সৰু গোটত পৰিণত হোৱাত অসমৰ ৰাইজে একেদৰেই আক্ষেপ কৰিছে। কিছুমানে ভাৰতীয় সংবিধানৰ ষষ্ঠ তালিকাখনেই অসমক খণ্ডিত কৰাৰ কাৰণে দায়ী বুলি ভাবে বৰদলৈদেৱে পিছে ইয়াত সন্মতি জনাওঁতে এনে হ'ব পাৰে বুলি সপোনতো ভৱা নাছিল—বৰঞ্চ তেওঁ অনুসূচিত জাতিবিলাকৰ মনত বিশ্বাসৰ ভাৱ জন্মাবলৈহে এই তালিকাত সন্মতি দিছিল। তেওঁ গভীৰ আত্মবিশ্বাস লৈ সংবিধানৰ নিৰ্দেশমতে কাম কৰিবলৈ যত্ন কৰিছিল আৰু সেইকাৰণেই কিজানি অসমৰ অনুসূচীত ভাইসকলৰপৰাও সেইদৰে সমানেই আদৰশ্ৰদ্ধা পাইছিল।

১৯৫০ চনৰ ৬ আগষ্টৰ সেই দিনটো—প্ৰায় ২৫ বছৰৰ নানান ঘটনাৱলীৰ স্মৃতিৰ মাজতো ডাৰৰীয়া সেই দিনটোৰ কথা কিয় মাজে মাজে মনলৈ আহে ক'ব নোৱাৰো। সেই দিনটো আছিল শনিবাৰ। দুপৰীয়া ১২ বজাৰ পাছত খবৰ পালো বৰদলৈ হেনো গুৱাহাটীলৈ যাবলৈ ওলাইছে।

কিছুমান সময়ত ভৱিষ্যতলৈ ঘটিবলগীয়া কিছুমান ঘটনাৰ ছাঁ আগতেই মানুহৰ মনত পৰেনেকি ? সেইদৰে মোৰ মনতো সেইদিনা কিবা এটা ছাঁ পৰিছিল। অকস্মাতে মোৰ মনলৈ ভাৱ আহিল কাইলৈ কিজানি আৰু বৰদলৈক নাপাওঁ এনে এটা ভাৱত বৰদলৈক লগ পাবলৈ গ'লো আৰু মনে মনে ঈশ্বৰক খাটিলোঁ এই ভাৱ যেন মিছা হয় আৰু অসমৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে তেওঁ যেন দীৰ্ঘজীৱি হয়।

পুৰতি নিশা প্ৰায় তিনিমান বজাত হঠাতে ফোন বাজি উঠাত মই বিছনা এৰি ফোন ধৰিলো। সিফালৰ পৰা আই-জি-পি চৌধুৰায়ে ক'লে, "আপুনি শুনা নাই ?" মই নজনাকৈয়ে কৈ উঠিলো "বৰদলৈৰ কিবা খবৰ আছেনেকি ?" তেওঁ ক'লে, "হয় তেখেত ২ ৩০ মান বজাত ঢুকাল।" মই শ্ৰীযুত মেধিৰ খবৰ লোৱাত তেও ক'লে, "তেখেত অলপ আগতে গ'ল।" ময়ো যাবলৈ ওলালো। আমি স্কুলত পঢ়ি থাকোতেই বৰদলৈৰ কথা শুনিছিলো। সেই সময়ত অসমত বাতৰি কাকতৰ বৰ প্ৰচাৰ নাছিল নাথাকিলেও অসমত কোন কোন ছাত্ৰ মেধাবী ; কোনজনা ছাত্ৰই বি, এ পাছ কৰি এম, এ পঢ়াত লাগিছে, তাৰ খবৰ ৰাখিছিলো। বিশেষকৈ ভাগবাৰ হেমচন্দ্ৰ বৰুৱা এনেবিলাক খবৰ সংগ্ৰহ কৰাত অগ্ৰণী আছিল। এদিন বাতৰি ওলাল যে মেধাবী অসমীয়া ছাত্ৰ গোপীনাথ বৰদলৈ টাইফয়েদ বেমাৰ হৈ মেডিকেল কলেজ হাস্পতালত পৰি থাকিবলগীয়া হৈছে –কলিকতা মেডিকেল কলেজৰ প্ৰিন্সিপাল কৰ্ণেল ক্যালভাৰ্টে চিকিৎসা কৰি আছে ; আৰু এজন অসমীয়া মেধাবী ছাত্ৰ (অসমৰ খ্যাতনামা ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ পুতেক) এই অসুখতে ঢুকাল। এই বাতৰিয়ে অসমৰ অসমীয়া ছাত্ৰসকলৰ মনলৈ এটা বৰ বেজাৰৰ ভাব আনিছিল আৰু বৰদলৈ যাতে সুস্থ হৈ উঠে তাৰ বাবে প্ৰাৰ্থনা জনাইছিল –তেওঁলোকৰ অন্তৰপৰা ওলোৱা এই প্ৰাৰ্থনা ভগবানে শুনিলে। বৰদলৈ সুস্থ হৈ উঠিল।

"আমি তিৰোতাসকলক আঁৰ কাপোৰৰ আঁৰত ৰখা কথাষাৰ শুচাই পেলাম আৰু বোধকৰোঁ আমাৰ ইয়াত এনে নিয়ম নাছিল। শিক্ষিত বঙ্গালী-সকলক অনুকৰণ কৰি এনে নিয়ম চলাইছো। আমাৰ গাওঁবিলাকততো এনে নিয়ম নাই।" কিছুমান ছাত্ৰই বাটত ফুৰোতে এনেদৰে আলোচনা কৰি আছিল। বৰদলৈয়ে ওপৰত লেখা মন্তব্যষাৰ কৰিছিল।

১৯১১ চনত পূজাৰ বন্ধত বৰদলৈ তেজপুৰলৈ আহিছিল। তেওঁ তেওঁৰ সহপাঠী বন্ধু চন্দ্ৰনাথ শৰ্মাৰ (কলিবাৰী) ঘৰত আলহী আছিল। অসমৰ ব্ৰাহ্মণ সমাজত চলি থকা 'গৌৰীদান প্ৰথা'ৰ বিৰুদ্ধে মন্তব্য কৰি তেওঁ কৈছিল যে অসমৰ ব্ৰাহ্মণ সমাজ তিৰোতাৰ শিক্ষাৰ ক্ষেত্ৰত এইবাবেই পিছ পৰি আছে। গুৱাহাটীত তেওঁলোকে এখন সমিতি পাতি প্ৰতিজ্ঞা পত্ৰ এখনত চহী কৰাইছিল। প্ৰতিজ্ঞা পত্ৰত এয়েই আছিল যে ১৬ বছৰৰ তলৰ ছোৱালী তেওঁলোকে বিয়া নকৰায়। প্ৰতিজ্ঞাপত্ৰত চহী কৰা বহুতেই সামাজিক হেঁচাত প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলেও এই কথাষাৰে তেওঁলোকৰ সমাজ সংস্কাৰৰ প্ৰতি থকা আগ্ৰহৰ চিনাকি দিয়ে। সৰুতে বিয়া দিয়া কথাষাৰে ব্ৰাহ্মণ সমাজৰ বহুতকে বৰ দুখত নেপেলোৱাকৈ নাছিল। ছোৱালীৰ বাবে উপযুক্ত পাত্ৰ বিচাৰি হাবাথুৰি খাই ফুৰিবলগীয়া হৈছিল; আৰু কিছুমানে সমাজৰ ভয়ত বয়স লুকুৱাই মিছাৰ আশ্ৰয় লবলৈও বাধ্য হৈছিল।

১৯২০ চনত অসম ছাত্ৰ সন্মিলনৰপৰা অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ সোঁৱৰণত কেইখনমান অসমীয়া কিতাপ প্ৰকাশ কৰিবলৈ স্থিৰ কৰাত মই বৰদলৈক লগ ধৰিলো তেওঁ সেই সময়ত গুৱাহাটীত ওকালতি আৰম্ভ কৰিছিল। 'ভাৰত গৌৰৱ' নামেৰে ভাৰতৰ ৰাজনৈতিক নেতাসকলৰ একো একোটা চমু জীৱনী আৰু ৰাজনীতিৰ বাহিৰেও আন আন ক্ষেত্ৰত যশস্যা লাভ কৰা লোকসকলৰো জীৱনী উক্ত কিতাপখনত সুমোৱাটো স্থিৰ কৰা হৈছিল। এই সম্পৰ্কে মই বৰদলৈদেৱক লেখা এটা দিবলৈ অনুৰোধ কৰিছিলো আৰু কাৰ জীৱনী লেখিবলৈ ভাল পাব বুলি সোধাত তেওঁ সেই সময়ৰ বিচাৰপতি, সমাজ-সংস্কাৰক আৰু পাণ্ডিত্যৰ খ্যাতি লাভ কৰা মাৰাঠী মনিষী ৰাণাডেৰ জীৱনীখনেই লেখিবলৈ ভাল পাব বুলি কৈছিল। কিন্তু ১৯২১ চনত অসহযোগ আন্দোলন আৰম্ভ হোৱাত এই কাম সমাপ্ত কৰিব পৰা নগ'ল। -ই ১৯২০ চনৰে আৰু এটি দিনৰ কথা মোৰ মনলৈ আহি আছে। সেইদিনা গুৱাহাটী মিউনিচিপেলিটীৰ সন্মুখত এটা ডাঙৰ প্ৰশ্ন উপস্থিত হৈছিল। লৰ্ড চেমছফোৰ্ড অসমলৈ আহিব, গুৱাহাটীৰ মিউনিচিপেলিটীৰপৰা অভিনন্দন দিয়া হ'বনে? উজনিত চাৰিসত্ৰীয়া গোঁসাইসকলে অভিনন্দনৰ ব্যৱস্থা কৰিছে। আগৰ বছৰত হোৱা পাঞ্জাবৰ ঘটনাৱলীৰ পাছত গুৱাহাটীয়ে কি বাট লয়? গোটেই অসমৰ ডেকাসমাজে গুৱাহাটীলৈকে চাই আছে – মিটিং বহিছে ৪ অক্টোবৰ তাৰিখে। গুৱাহাটীৰ ৰেটপেয়াৰসকলৰ

বিৰোধিতাৰ বতৰৰ মাজত সেইদিনা কর্তৃপক্ষই অভিনন্দন দিয়াৰ প্রস্তাব এৰিলে। এই বতৰ সৃষ্টি হোৱাৰ আঁৰত আছিল বৰদলৈকে আদি কৰি কিছুমান ডেকা উকীল।

লোকপ্রিয় বৰদলৈৰ ৰাজনৈতিক জীৱন আৰম্ভ হয় আসাম এছোছিয়েশ্যনত যোগ দিয়াৰ পাছৰপৰা। তেওঁ ১৯১৪ চনত বি. এল পৰীক্ষাত উত্তীর্ণ হৈ ওকালতি আৰম্ভ কৰিলে। ৰাজনীতিত তেওঁ দেশভক্ত ফুকনৰ লগৰীয়া আছিল। বৰদলৈ আৰু ৰোহিনী চৌধুৰীয়ে সদায় গধূলি গৈ ফুকনক লগ নধৰাকৈ নাথাকিছিল।

অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ পাছত তেওঁ আন বহুতো উকীলৰ লগত ওকালতি ব্যৱসায় এৰি পেলালে। তাৰ আগতে তেওঁলোকে দেওবাৰে কোনোবা গাৱঁলৈ গৈ অসহযোগৰ বাণী প্রচাৰ কৰি আছিল। আগষ্ট মাহত মহাত্মা গান্ধী অসমলৈ অহাৰ পাছত অসমৰ বহুতো উকীলে আদালত এৰি অসহযোগৰ আন্দোলনত একাণপতীয়াকৈ লাগিছিল। ১৯২১ চনৰ নবেম্বৰ মাহৰ শেহত দেশভক্ত ফুকন, কর্মবীৰ নবীনচন্দ্র বৰদলৈ, বিষ্ণুৰাম মেধিকে আৰম্ভ কৰি কেইবাজনো উকীলক গ্রেপ্তাৰ কৰাৰ পাছত তেওঁৰ ওপৰত ৱাৰেণ্ট ওলাইছে বুলি এটা উৰা-বাতৰি ওলাইছিল। দুদিনমান বাহিৰলৈ নোলোৱাকৈ ৱাৰেণ্টলৈ বাট চাই ঘৰতে বহি থকাৰ পাছত ৱাৰেণ্ট নহাত তেওঁ দক্ষিণপাৰৰ গাওঁবিলাকলৈ দীঘলীয়া কার্য-সূচী লৈ ওলাই গৈ গাৰো-পাহাৰৰ ডামৰা পালেগৈ। তাত তেওঁৰ মক্কেল কেইবাজনো আছিল। এখন বাইচাইকেলেৰে তেওঁ এইবিলাক ঠাইলৈ গৈ ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি, ৰাজনৈতিক আন্দোলনত অহিংসাৰ তাৎপর্য বুজাই ফুৰি, এসপ্তাহমান পাছত উলটি আহি গুৱাহাটী পোৱাত পুনৰ শুনিবলৈ পালে যে তেওঁক গ্রেপ্তাৰ কৰা হ'ব, ৱাৰেণ্ট ওলাইছে। সেইবাবে তেওঁ পুনৰ এদিনলৈ ৱাৰেণ্ট অহালৈ বাট চাই ৱাৰেণ্ট নহাত আহমদাবাদত বহিবলগীয়া কংগ্রেছৰ অধিবেশনত যোগ দিবলৈ ৰাওনা হ'ল।

আহমদাবাদত খাদীৰ প্রাচুর্য দেখি লোকপ্রিয় বৰদলৈদেৱে ১৯২১ চনৰ ডিচেম্বৰ মাহত এইদৰে মন্তব্য কৰিছিল—"অসমৰ অর্থনীতি ভাৰতৰ আন প্রদেশৰ অর্থনীতিতকৈ সম্পূর্ণ বেলেগ। অসমৰ গাওঁবিলাকত অসমৰ খেতিয়কে স্বাৱলম্বী হ'বলৈ প্রয়োজনীয় বস্তু নিজেই উৎপাদন কৰিবলৈ যত্ন কৰে। তেওঁলোকে বনুৱা হিচাপে কাম নকৰে। বর্তমানে দীঘত মিলৰ সূতা দি

বাণিত নিজে কটা সূতাৰে বৈছে; কিন্তু মহাত্মা গান্ধীৰ মতে এইবিলাক আচল খাদী নহয়, ভাঁজ দিয়া খাদী বুলি মহাত্মাই কৈছে। দীঘ-বাণি দুয়োটাতে কটা সূতাৰে কিছুমান ঠাইত খাদী ওলালেও তাৰে অসমৰ প্ৰয়োজন পূৰাব নোৱাৰিব। নানান ডিজাইনবে কাপোৰ বোৱা নহয়। কাপোৰত ৰং দি, ছাপ মাৰি গ্ৰাহকৰ মন আকৰ্ষণ কৰি নানান বিধৰ কাপোৰ বজাৰত উলিয়াব নোৱাৰিলে খাদী এমুঠি কংগ্ৰেছ কৰ্মীৰ মাজতে সীমাবদ্ধ হৈ থাকিব।

"আহমদাবাদ কংগ্ৰেছত প্ৰতিনিধিসকলৰ বাবে সজা ঘৰত ওপৰৰ চালো খাদীৰেই আছিল। আমাৰ দেশে আৰু ১০ বছৰৰ ভিতৰত আমাৰ দেশতে উৎপন্ন হোৱা খাদী কাপোৰেৰে বিদেশী কাপোৰৰ ঠাই পূৰণ কৰিব পাৰিব।"

এইদৰে ১৯২১ চনত আহমদাবাদত বহা কংগ্ৰেছ অধিবেশনত খাদীৰ ভবিষ্যত সম্পৰ্কে আমি আলোচনা কৰিছিলো। ইয়াৰ পাঁচ বছৰ পাছত পাণ্ডুৰ কংগ্ৰেছ অধিবেশনৰ লগত পতা খাদী প্ৰদৰ্শনীত মহাত্মা গান্ধী সন্তুষ্ট হ'লেও আমি সন্তুষ্ট হ'ব পৰা নাছিলো, কাৰণ আন ৰাজ্যৰ তুলনাত আমি বহুত পাছ পৰি আছিলো বুলি ভাবিছিলো। পাণ্ডু কংগ্ৰেছত পিছে এটা ডাঙৰ কাম হৈছিল, যাৰ কাৰণে গান্ধীজীয়ে অসমৰ ইমান শলাগ লৈছিল। নগাৱঁৰ জালুগুটি অঞ্চলে কংগ্ৰেছৰ আধিবেশন পাতিবলৈ পেণ্ডেলৰ কাপোৰ বৈ উলিয়াইছিল বৃক্ষ শমাই এই দায়িত্ব সুকলমে পালন কৰিব পাৰিছিল।

১৯২১ চনৰ আহমদাবাদ কংগ্ৰেছৰপৰা উভতি অহাৰ পাছত অসমৰ ৰাজনৈতিক পৰিস্থিতি বেয়াৰ ফালে ঢাল খালে। গভৰ্ণমেণ্টে দমন নীতি নিৰ্দয়ভাৱে প্ৰয়োগ কৰিবলৈ ধৰিলে; কলিকতাত যিদৰে কিছুমান লোকক পুলিচৰ ক্ষমতা দি অবৈতনিক পুলিচ কৰ্মচাৰী গঠন কৰিছিল—তাৰে এটা সংস্কৰণ অসমতো গঠন কৰা হ'ল। তেওঁলোকক 'চিভিল গাৰ্ড' বুলি আখ্যা দিয়া হৈছিল। এই পদত কিছুমান চাহ-খেতিয়কক লোৱা হৈছিল। এনেয়ে তেওঁলোকে অসহযোগ আন্দোলন দমন কৰিবলৈ গভৰ্ণমেণ্টে যত্ন কৰা নাই বুলি গভৰ্ণমেণ্টক দোষ দি আছিল, এতিয়া তেওঁলোকৰ কিছুমানকে 'চিভিল গাড'ৰ ক্ষমতা দিয়াত ঠায়ে ঠায়ে গাৱঁলীয়া ৰাইজৰ লগত সংঘৰ্ষ হ'বলৈ ধৰিলে। এনে এটা পৰিস্থিতিত কংগ্ৰেছ কৰ্মীসকলে বিষয়-বাব নোলোৱাকৈয়ে প্ৰদেশ কংগ্ৰেছৰ কাৰ্য চলাই আছিল। কিন্তু সৰহদিন এইদৰে চলোৱাটো সম্ভৱ নহব কাৰণে অসমৰ কংগ্ৰেছ কৰ্মীসকলে প্ৰদেশ কংগ্ৰেছৰ এটা

অধিবেশন পাতিবলৈ যত্ন কৰিলে আৰু এনে এটা অধিবেশন তেজপুৰত পতা হৈছিল। এই অধিবেশনলৈ অসমৰ প্ৰায় সকলো ঠাইৰেপৰা প্ৰতিনিধি আহিছিল। এই অধিবেশনত লোকপ্ৰিয় বৰদলৈক সভাপতি পদত নিৰ্বাচন কৰাটো স্থিৰ হ'লেও তেওঁ সেই পদ লবলৈ অস্বীকাৰ কৰিলে তেওঁ ক'লে, "মোকো আৰু কেইদিনমান পাছত গ্ৰেপ্তাৰ কৰিব" আৰু মোৰ প্ৰস্তাবৰ বিৰুদ্ধে তেওঁ মোৰ নামটোহে প্ৰস্তাব কৰিলে। মোকো তেওঁৰ দৰেই অৱস্থা হৈছিল, কাৰণ সেই সময়ত আমাৰ কাক ক'ত গ্ৰেপ্তাৰ কৰে একো ঠিক নাছিল। যি হওক, শেষত নলবাৰীৰ প্ৰতাপচন্দ্ৰ গোস্বামীদেৱকে সভাপতিৰ পদত নিৰ্বাচিত কৰা হ'ল। এইদৰে নানা ঘটনাৱলীৰ মাজেদি ১৯২২ চন গয়া কংগ্ৰেছত শেষ হ'ল আৰু ইয়াৰ পিছ'ৰ স্বৰাজিষ্ট যুগ আৰম্ভ হ'ল। এই স্বৰাজিষ্ট যুগৰো অন্ত পৰিল লাহোৰত বহা কংগ্ৰেছ অধিবেশনৰ স্বাধীনতাৰ প্ৰস্তাবত। স্বৰাজিষ্ট নীতিৰ ব্যৰ্থতাত ডেকা ভাৰতে অহিংস মুক্তি সংগ্ৰামত মহাত্মা গান্ধীৰ নেতৃত্ব গ্ৰহণ কৰিলে। এই সময়তে লোকপ্ৰিয় বৰদলৈৰ ৰাজনৈতিক ভুল হোৱা বুলি কিছুমান লোকোৱা কয়। মানুহৰ জীৱনত ভুল নোহোৱাটোহে অস্বাভাৱিক আৰু ভুলৰ ব্যাখ্যাও মানুহে মানুহে সুকীয়া। কথাটো হ'ল লাহোৰ কংগ্ৰেছৰপৰা উভতি অহাৰ বাটত কলিকতাত দেশভক্ত ফুকন, ৰোহিণী কুমাৰ চৌধুৰী আৰু লোকপ্ৰিয় বৰদলৈয়ে এটা বিবৃতিৰ যোগে প্ৰকাশ কৰিলে যে অসমৰ কিছুমান সমস্যা থকা বাবে অসমে আন্দোলনৰপৰা আঁতৰি থাকিব। এই বিবৃতি ৭ জানুৱাৰী তাৰিখৰ অমৃত বাজাৰ পত্ৰিকা আৰু ষ্টেটছমেন কাকতত প্ৰকাশিত হৈছিল। এই বিবৃতিত দেশভক্ত ফুকনৰ নাম থকাত সমালোচনাৰ লক্ষ্য দেশভক্তযেই হ'বলগীয়া হৈছিল। লোকপ্ৰিয় বৰদলৈয়ে দেশভক্তৰ প্ৰতি থকা তেওঁৰ আনুগত্যৰ কাৰণেই কিজানি এই বিবৃতিত চহী কৰিছিল। লাহোৰ কংগ্ৰেছৰ নিৰ্দেশ আছিল, এছেম্বলী-কাউন্সিলৰপৰা পদত্যাগ কৰা। অসমতো ১১ জন সদস্যই পদত্যাগ কৰি ওলাই আহিছিল। কিন্তু পদত্যাগ কৰি ওলাই অহাৰ পাছতেই দুগৰাকীমানে পুনৰায় নিৰ্বাচন প্ৰাৰ্থী হৈছিল। দেশভক্তৰ দৰে নেতা এগৰাকীয়ে কংগ্ৰেছৰ নিৰ্দেশৰ বিৰুদ্ধে নিৰ্বাচন প্ৰাৰ্থী হোৱাত দেশৰ ডেকা শক্তিৰ অন্তৰলৈ দুখৰ ভাব আহিছিল। দেশভক্ত ফুকনৰ নিজ বিশ্বাসমতে চলাৰ এটা সাহ আছিল, সেয়ে তেওঁ নিজ বিশ্বাসমতে চলিও কংগ্ৰেছৰ কামত সহযোগ কৰিছিল। তেওঁৰ নামত অসমীয়া কাকতত এটা গোহাৰি প্ৰচাৰিত

হৈছিল। তাত তেওঁ এইদৰে জনাইছিল যে ৫০ জন সেৱক সত্যাগ্ৰহ কৰিবলৈ ওলাই আহিলে তেওঁ সত্যাগ্ৰহত যোগ দিব। ইয়াৰ প্ৰত্যুত্তৰত দুজনমানে তেওঁক জনালে "কংগ্ৰেছৰ নিৰ্দেশমতে আপুনি এছেম্বলীৰপৰা ওলাই আহক। সত্যাগ্ৰহ কৰিবলৈ সেৱক আহি আপোনাৰ লগত যোগ দিবহি।"

১৯৩৪ চনত ৰাজনৈতিক সোঁতে আকৌ গতি সলাবলগীয়া হ'ল। ভাৰতৰ মুক্তি আন্দোলন সাময়িকভাৱে স্থগিত হ'ল। এই সময়তে গান্ধীজী অসমলৈ অহাৰ বাটত বিহাৰৰ ছাহাৰছাত কংগ্ৰেছৰ নেতৃস্থানীয় দুগৰাকীমানৰ লগত ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰি তেওঁবিলাকে বিচৰামতে কেবাগৰাকীৰ নেতাৰ স্বাক্ষৰত এটা বিবৃতি প্ৰকাশ কৰিবলগীয়া হ'ল। সেই বিবৃতিত কংগ্ৰেছে ভাৰতীয় লেজিছলেটিভ এছেম্বলীবিলাকত কিয় প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচাৰিছে তাক বুজাই কোৱা হৈছিল। ছাহাৰছাৰ এই প্ৰস্তাৱক নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে পাটনাত বহা অধিবেশনত অনুমোদন কৰিলে। গান্ধীজী নিজে ইয়াৰ বিৰোধী আছিল যদিও সৰহভাগ নেতাই এই ক্ষেত্ৰৰ জৰিয়তে জনসেৱা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰাত তেওঁ বাধা নিদিলে, কিন্তু কেইমাহমান পাছত নিজে কংগ্ৰেছৰ সভ্য পদ ত্যাগ কৰিলে। এই প্ৰস্তাৱমতে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে প্ৰাদেশিক কংগ্ৰেছ কমিটিবিলাকক নিৰ্বাচন সংগঠন কৰিবলৈ নিৰ্দেশ দিলে আৰু সেই নিৰ্দেশমতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ তৰফৰপৰা প্ৰাৰ্থীৰ বাবে আবেদন কৰিবলৈ জাননী দিয়া হ'ল। এই জাননামতে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু কুলধৰ চলিহাদেৱে প্ৰাৰ্থীত্বৰ কাৰণে মনোনয়ন পত্ৰ দাখিল কৰিলে। তেজপুৰত বহা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে দুয়োগৰাকী বয়োবৃদ্ধ নেতাকে নিজৰ ভিতৰতে আলোচনা কৰি এটা সিদ্ধান্তলৈ আহিবলৈ অনুৰোধ কৰাত দুয়োগৰাকী নেতাই এঘণ্টামান নিজৰ ভিতৰতে আলোচনা কৰাৰ পাছত চলিহাদেৱে সেইবাৰৰ কাৰণে বৰদলৈদেৱৰ নামকে প্ৰস্তাৱ কৰিলে। দেশভক্ত ফুকনদেৱে নিৰ্বাচনৰ এই জাননী বাতৰি কাকতত প্ৰকাশ হোৱাৰ লগে লগেই অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সম্পাদকৰপৰা এটা আশ্বাস বিচাৰিলে যে তেওঁক মনোনয়ন দিয়া হ'ব নে নহয়—সম্পাদকে নিয়ম বহিৰ্ভূত এই কাম কৰিবলৈ অসমৰ্থতাৰ কথা জনোৱাত তেওঁ আৰু প্ৰদেশ কংগ্ৰেছ কমিটিৰ ওচৰত আবেদন পত্ৰ দাখিল নকৰিলেও উৰ্দ্ধতম কৰ্তৃপক্ষৰ ওচৰত নিজৰ ইচ্ছাৰ কথা জনালে। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে এই

কথাযাৰ ভালদৰে বুজিবৰ কাৰণে কলিকতালৈ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ প্ৰতিনিধি এজনক মাতি পঠিয়ালে আৰু প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশমতে ময়েই যাবলগীয়া হ'ল। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মৌলানা আবুল কালাম আজাদ আৰু ডাঃ বিধান ৰায়ৰ ওপৰত এই কথাযাৰৰ শেষ সিদ্ধান্তৰ দায়িত্ব দিছিল। ফুকনদেৱৰ সমৰ্থকসকলে এই কথাষাৰেই প্ৰচাৰ কৰিছিল যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিত তথাকথিত বুদ্ধিজীৱী (intelligentsia) সকল নাই, সৰহ ভাগেই গাঁও বাসী। সেইকাৰণে ফুকনদেৱক নিদিলে কংগ্ৰেছ হাৰিব। এনেবিলাক প্ৰচাৰৰ কাৰণেই নেতা দুগৰাকীয়ে এটা সিদ্ধান্তলৈ আহিবলৈ প্ৰায় সাতদিনমান সময় ল'লে। তেওঁবিলাকে ফুকনকেই ল'ব লাগে বুলি মোক খুব বুজাইছিল কিন্তু গণতন্ত্ৰ বিৰোধী কথাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে সন্মতি দিব নোৱাৰে বুলি দৃঢ়ভাবে জনোৱাত তেওঁবিলাকে শেষত বৰদলৈদেৱকে মনোনয়ন দিবলৈ বাধ্য হ'ল। এই সিদ্ধান্তই অসমৰ কংগ্ৰেছ কৰ্মীসকলক বিমোৰত পেলোৱাদি পেলালে। অসমৰ কৰ্মীসকলে দুয়ো গৰাকী নেতাকে শ্ৰদ্ধা কৰিছিল। সেয়ে দুয়োগৰাকীৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাত কাক সমৰ্থন কৰিব ভাবি পোৱা নাছিল। আমি বাইজক এনাৰ কথাই বুজাইছিলো যে নীতি আৰু নিয়মানুবৰ্তিতাৰ পিনৰপৰা আমি শুদ্ধ বাটতেই আছোঁ; সেয়ে আমাৰ জয় অনিবাৰ্য। লোকপ্ৰিয় বৰদলৈদেৱ দেশভক্ত ফুকনৰ অতি অনুৰাগী থকা সত্বেও নীতিৰ পিনৰপৰা কাক সমৰ্থন কৰা উচিত হ'ব, এই কথাষাৰ লৈ মোৰ লগত কেইবাদিনো আলোচনা কৰিছিল। সেই কাৰণে আমি ভাবিছিলো যে লোকপ্ৰিয় বৰদলৈদেৱে শেষত কৰ্মবীৰ বৰদলৈদেৱকে সমৰ্থন জনাইছিল। এই নিৰ্বাচনত বৰদলৈদেৱৰ জয়ে আৰু ফুকনদেৱৰ পৰাজয় কংগ্ৰেছৰ নীতিৰ জয়কে ঘোষণা কৰিছিল। এই জয়ৰ বাতাবৰণতে আৰু কংগ্ৰেছে ১৯৩৫ চনত কংগ্ৰেছৰ সোণালী জয়ন্তী উৎসৱো পালন কৰিলে আৰু দেশভক্ত ফুকনদেৱেও এই উৎসৱত যোগ দিছিলহি। যি কংগ্ৰেছে ১৯২১ চনত চৰকাৰৰ লগত অসহযোগিতা কৰাৰ সংকল্প লৈছিল, সেই কংগ্ৰেছেই ১৯৩৫ চনত ভাৰত শাসন আইনমতে পতা নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ সিদ্ধান্ত ল'লে আৰু সেইমতে নিৰ্বাচনী সংগঠন কৰিবলৈ প্ৰদেশ কংগ্ৰেছ কমিটিবিলাকক নিৰ্দেশ দিলে। কংগ্ৰেছে নিৰ্বাচনত নামিবলৈ স্থিৰ কৰিলেও ক্ষমতা গ্ৰহণ কৰিবনে নকৰে, সেই বিষয়ে থাটাং সিদ্ধান্ত লোৱা নাছিল, কাৰণ এই আইনমতে মন্ত্ৰীতকৈও গৱৰ্ণৰৰ হাততহে অধিক ক্ষমতা

দিয়া হৈছিল। কংগ্ৰেছৰ সৰহ সংখ্যক নেতা মন্ত্ৰীত্ব গ্ৰহণৰ পক্ষপাতী নাছিল। কিন্তু আমাৰ প্ৰবীণ নেতা ফুকনদেৱ মন্ত্ৰীত্ব গ্ৰহণৰ পক্ষপাতী আছিল আৰু তেওঁৰ নিজৰ যুক্তি দৰ্শাই কেইবাটাও প্ৰবন্ধও লেখিছিল। সেই প্ৰবন্ধবিলাকত তেওঁ এই মন্ত্ৰীত্ব গ্ৰহণ যে অসমৰ কাৰণে কল্যাণকৰ হ'ব, তাকে প্ৰতীয়মান কৰিবলৈ যত্ন কৰিছিল। এই প্ৰবন্ধবিলাকক সবল যুক্তিৰে প্ৰত্যুত্তৰ জনাইছিলে ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই। এই প্ৰবন্ধবিলাকৰ পৰিপ্ৰেক্ষিতত দেশভক্ত ফুকনদেৱ আৰু ৰোহিণীকুমাৰ চৌধুৰীদেৱে 'মিলিত জনসংঘ' বা 'পিপলছ্ পাৰ্টি' নাম দি এটি দল সংগঠন কৰিলে। লোকপ্ৰিয় বৰদলৈদেৱ দেশভক্ত ফুকনৰ প্ৰতি অতি অনুৰক্ত থকা সত্ত্বেও আৰু ৰোহিণী কুমাৰ চৌধুৰীদেৱ তেওঁৰ বিশেষ বন্ধু হোৱা সত্ত্বেও তেওঁ এই দলত যোগ নিদিলে। এই সময়ত অসমৰ কংগ্ৰেছৰ বুৰঞ্জীত এটি শোকলগা ঘটনা ঘটিল; কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱ স্বৰ্গী হ'ল যি সময়ত তেওঁৰ বয়সৰ অভিজ্ঞতাই দিয়া নেতৃত্বৰ প্ৰয়োজন আছিল, সেই সময়তে তেওঁ অসমক এৰি থৈ গ'ল। তেওঁৰ শূন্য আসন পূৰ্ণ কৰিবলৈ সেই সময়ত কুলধৰ চলিহাদেৱ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো এটা উল্লেখযোগ্য ঘটনা আছিল যি প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ শক্তিৰ চিনাকি দিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে দিয়া নিৰ্দেশমতে নিৰ্বাচনী কমিটি গঠন কৰিবলৈ নগাওঁত প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ এখন অধিবেশন বহিল। সেই অধিবেশনে কৰ্মযোগী হৰেকৃষ্ণ দাসদেৱক নিৰ্বাচনী কমিটিৰ সভাপতি নিৰ্বাচিত কৰিলে আৰু মোক সম্পাদকৰ দায়িত্ব দিলে। লোকপ্ৰিয় বৰদলৈদেৱে গুৱাহাটীৰ দক্ষিণ সমষ্টিৰপৰা উঠিবৰ কাৰণে আবেদন পত্ৰ দাখিল কৰিলে কিন্তু সেই আবেদন-পত্ৰত এটি চৰ্ত আছিল যে সেই তিনিজনীয়া সমষ্টিটোত যেন কংগ্ৰেছে দুজন প্ৰাৰ্থীকহে মনোনয়ন দিয়ে; নহলে ভোটৰ বেমেজালি হ'ব পাৰে আৰু কংগ্ৰেছ হৰাৰ শঙ্কা থাকে। এই কথাষাৰলৈ সেই সময়ত কংগ্ৰেছ মহলত সমালোচনা নোহোৱাকৈ থকা নাছিল - বহু কংগ্ৰেছী বন্ধুৱে সমালোচনাৰ সুৰত এইদৰে কৈছিল যে এই সমষ্টিৰ অন্যতম প্ৰাৰ্থী চৌধুৰী গোপীনাথ বৰদলৈৰ বন্ধু কাৰণে তেওঁ এই চৰ্ত বান্ধি দিছে। যিহওক, আমি তেওঁৰ কথামতে দুজনক হে মাথোন মনোনয়ন দিলো। মই নিজেও ভাবো তেওঁৰ কথাষাৰত যুক্তিযুক্ততা নথকা নহয়। কাৰণ নিৰ্বাচনৰ নতুন নিয়মতে ভোট দিওঁতে ভোটদাতাসকলে তিনিজনক ভোট দিবলৈ যাওঁতে বেমেজালি হোৱাটো অতি স্বাভাৱিক আছিল।

সাধাৰণ নিৰ্বাচন শেষ হোৱাৰ পিছত গুৱাহাটীত দ্বিতীয়া পাৰ্লামেণ্টৰী বোৰ্ড বহি বৰদলৈ কংগ্ৰেছ পাৰ্টিৰ নেতা আৰু স্বৰ্গীয় ক্ষিৰোদদেৱক সহকাৰী নেতা নিৰ্বাচিত কৰিলে। ইয়াৰ পিছত বিধানসভাৰ দ্বিতীয়া অধিবেশন এখন বহি বসন্ত কুমাৰ দাসদেৱক অধ্যক্ষৰ পদত নিৰ্বাচিত কৰিলে। কংগ্ৰেছ বিৰোধী পক্ষত থকা সত্ত্বেও কংগ্ৰেছী সদস্য এজনাক অধ্যক্ষপদত নিৰ্বাচিত কৰাটো সেই সময়ত এটি উল্লেখযোগ্য ঘটনা। ইয়াৰ কিছুমাহমান পাছত বিধান-সভাৰ বাজেট অধিবেশন বহে আৰু প্ৰাদেশিক মন্ত্ৰীসভাই এই অধিবেশনত তেৰ বাৰ পৰাজয় স্বীকাৰ কৰিবলগীয়া হয়। এনে বিপৰ্যয়ৰ পিছতো শ্বাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰা নাছিল। কিন্তু ১৯৩৮ চনৰ ছেপ্তেম্বৰ মাহৰ এটা অধিবেশনত মন্ত্ৰীসভাই বিৰোধী পক্ষৰপৰা অনাস্থা প্ৰস্তাৱ দাখিল হোৱাৰ পিছতেই আৰু সেই প্ৰস্তাৱৰ ওপৰত আলোচনা হোৱাৰ আগতেই পদত্যাগ কৰে। এই পদত্যাগৰ পাছত গবৰ্ণৰে কংগ্ৰেছ দলক মন্ত্ৰীসভা গঠন কৰিবলৈ আমন্ত্ৰণ জনোৱাত কংগ্ৰেছ-দলে সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলগীয়া হয়। এই সংযুক্ত মন্ত্ৰীসভাৰ দায়িত্বশীল ভাৱে নিয়াৰিকৈ চলাব পৰাটোৱেই বৰদলৈৰ নেতৃত্বৰ কৃতিত্ব আছিল। এই মন্ত্ৰীসভাৰ জীৱন-কাল কেৱল ১৪ মাহহে আছিল, কাৰণ ১৯৩৯ চনত দ্বিতীয় মহাৰণ আৰম্ভ হোৱাত আৰু ভাৰতৰ মতামত নোলোৱাকৈয়ে ভাৰতো এই যুদ্ধত জড়িত বুলি ঘোষণা কৰাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নিৰ্দেশত কংগ্ৰেছী মন্ত্ৰীসভাবিলাকে পদত্যাগ কৰে। অসম সংযুক্ত মন্ত্ৰীসভায়ো পদত্যাগ কৰে।

এইদৰে ১৯৩৭ চনৰপৰা ১৯৫০ চনলৈকে জীৱনৰ বাটত আমি দুয়ো একেলগে খোজ দিবলগীয়া হৈছিল। ১৯৩৬ চনত কংগ্ৰেছ পাৰ্লামেণ্টৰী বোৰ্ডৰ সম্পাদক হিচাপেও তেওঁৰ লগত নিৰ্বাচনৰ ক্ষেত্ৰত একেলগে কাম কৰিবলগীয়া হৈছিল। ঘটনাবহুল এই ১৩ বছৰৰ স্মৃতিৰ মালাৰ্বাবিৰপৰা কোন কেইপাহি ফুল আজি বাচি লওঁ, সেয়ে মোৰ প্ৰশ্ন হৈছে। স্বদেশ-সেৱা আছিল তেওঁৰ জীৱনৰ ব্ৰত। দুখ, ভাগৰ পাহৰোৱা সঙ্গীতৰ সুৰে যিদৰে তেওঁৰ অন্তৰত স্পন্দন আনিছিল; সেইদৰেই স্বদেশৰ সমস্যাবিলাকেও তেওঁৰ মন আৱৰি থৈছিল। ১৯৪৬ চনৰপৰা এই কেইবছৰ তেওঁৰ ৰাজনৈতিক জীৱনৰ চৰম মুহূৰ্ত। এই সময়তেই তেওঁৰ প্ৰতিভা, তেওঁৰ ৰাজনৈতিক বিচক্ষণতাৰ যেন পূৰ্ণ বিকাশ হৈছিল। মোৰ মনলৈ আহে, সেই সময়ত কিমানবিলাক সমস্যাই মূৰ দাঙি উঠিছিল আৰু সেই সমস্যাত কি বিচক্ষণতাৰে তেওঁ থিয় দিছিল। ১৯৪৬ চনৰ লগে লগে

অসমৰ সমুখত যি এটি নতুন সমস্যাই দেখা দিছিলহি, সেই সমস্যা হৈছে 'গ্ৰুপিং সমস্যা'। বৃটিছে ভাৰত ত্যাগ কৰিব এইটো স্থিৰ কথা। কিন্তু কেনেকৈ ক্ষমতা হস্তান্তৰ কৰিব? এই সমস্যা সমাধান কৰিবলৈ বৃটিছ কেবিনেট মিশ্যনে 'গ্ৰুপিঙৰ' প্ৰস্তাব উত্থাপন কৰিলে। ভাৰতবৰ্ষক তিনিটা গ্ৰুপত ভাগ কৰা হ'ল। পাঞ্জাব আৰু সিন্ধুপ্ৰদেশ এটা গ্ৰুপত, অসম আৰু বঙ্গপ্ৰদেশ এটা গ্ৰুপত আৰু উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, মাদ্ৰাজ, বোম্বে প্ৰভৃতি আন প্ৰদেশবিলাক এটা গ্ৰুপত। এই গ্ৰুপৰ ৰাজনৈতিক তাৎপৰ্য লোকপ্ৰিয় বৰদলৈৰ ওচৰত ফটফটীয়াকৈ ওলাল। এফালে অসমৰ সমস্যা বুজা ভাৰতীয় নেতৃত্ব আৰু অসমক বলিশালত দি হ'লেও স্বাধীনতা পাবলৈ ভাৰতীয় নেতৃত্বৰ আগ্ৰহেই বুলিব পাৰি নে অসম সম্পৰ্কে তেওঁবিলাকৰ উদাসীনতাই বুলিব পাৰি, ক'ব নোৱাৰো। এনে এটি দুৰ্যোগত তেও অসমৰ স্বাৰ্থৰক্ষাৰ কাৰণে সাহেৰে থিয় দিলে। ভাৰতত বৃটিছ শাসনৰ অন্ত পৰিব। ভাৰতে স্বাধীনতা পাব। কিন্তু স্বাধীন ভাৰতত অসম আৰু অসমীয়া নিশ্চিহ্ন হৈ যাব, এই কথাষাৰেই তেওঁৰ মনত শেলে বিন্ধাদি বিন্ধি আছিল। এই সময়ত বৰদলৈয়ে মহাত্মা গান্ধীৰ লগত কিদৰে যোগাযোগ ৰাখি গ্ৰুপত সোমাবলগীয়া অৱস্থাৰপৰা অসমক ৰক্ষা কৰিলে, তাক অসমবাসীয়ে সদায়েই কৃতজ্ঞতাৰে সুঁৱৰিব।

তেওঁৰ দেশপ্ৰেমৰ এই দিশটোৱে ভবিষ্যতৰ উত্তৰাধিকাৰীসকলক প্ৰেৰণা যোগাওক।

# মই জনা গোপীনাথ বৰদলৈ

## দেবেশ্বৰ শৰ্মা

১৯১১ চনৰ কথা। মই কটন কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। মই কলেজৰ ছাত্ৰাবাসতে থাকো। ৬ষ্ঠ কালিৰ দীঘলীয়া বন্ধৰ আগে আগে আমাৰ প্ৰথম আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰই শ্বেক্সপিয়েৰৰ নাটক এখন (মোৰ যিমান দূৰ মনত পৰে 'দি মাৰ্চেণ্ট অৱ ভেনিচ') আমাৰ ছাত্ৰাবাসতে অভিনয় কৰিবলৈ লোৱা হৈছিল। আমাক অভিনয় শিকাবলৈ এজন সুশ্ৰী সৌম্য মূৰ্তিৰ ডেকা প্ৰায় প্ৰতি আবেলি আমাৰ ছাত্ৰাবাসলৈ আহে। আমি নাটকৰ আখৰা কৰো আৰু তেখেতে আমি ভুল কৰিলেও কোনো বিৰক্তি প্ৰকাশ নকৰাকৈ আমাক সকলো ভাব-ভংগী, অঙ্গ-প্ৰত্যঙ্গৰ সঞ্চালন পৰিপাটীকৈ শিকাই দিয়ে। প্ৰথম দিনা যেতিয়া তেখেত আহিল মই এজন লগৰীয়া ছাত্ৰক সুধিলো "এখেত কোন?" তেওঁ মোক কাণে কাণে ক'লে "এওঁ গোপীনাথ বৰদলৈ। কলিকতাত এম-এ পঢ়িছিল, পৰীক্ষা দি ঘৰলৈ আহিছে, আৰু গুৱাহাটীৰেই বাসিন্দা।" এয়ে মোৰ স্বৰ্গীয় গোপীনাথ বৰদলৈদেৱৰ লগত প্ৰথম সাক্ষাত মানুহজন যেনে সুশ্ৰী তেনে মধুৰ স্বভাৱৰ। এইদৰে আমাক প্ৰায় ২০।২৫ দিন আখৰা কৰাত তেখেতে সহায় কৰি দিলে আৰু তেতিয়াৰেপৰাই তেখেতৰ লগত মোৰ চিনা পৰিচয় হয়।

ইয়াৰ পাছত বৰদলৈদেৱে গুৱাহাটীত ওকালতি আৰম্ভ কৰিলে আৰু মই কটন কলেজৰপৰা বি, এ পাছ কৰি কলিকতাত এম, এ আৰু ল' পঢ়িবলৈ গলো। তাৰপৰা ভালে দিনলৈকে আমি লগ ভাগ নহৈছিলো বুলি ক'লেও ভুল কৰা নহ'ব।

আমি দুয়ো আকৌ লগ লাগিলো ১৯২০ চনৰ শেষৰ ফালে। তেতিয়া অসমত অসহযোগ আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনৰ কালতে বৰদলৈদেৱৰ সৈতে মই কিছুকাল কাম কৰিবলৈ সুযোগ পাইছিলো। অসমত এই আন্দোলনৰ প্ৰধান কেন্দ্ৰ আছিল গুৱাহাটী নগৰ। ১৯২০/২১

চনত এই আন্দোলন সম্পৰ্কীয় নানান বিষয়ত অসমৰ চাৰিওপিনৰপৰা কংগ্ৰেছী লোকসকল গুৱাহাটীলৈকে গৈছিল আৰু স্বাভাৱিকতে ময়ো অলেখবাৰ গৈছিলো। সেইদিনত অসমৰ অবিসম্বাদী নেতা আছিল দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু কুলধৰ চলিহা। এই তিনিজনৰ পাছতেই সমপৰ্যায়ৰ নেতা আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰোহিণীকুমাৰ চৌধুৰী, তৈয়বুল্লা চাহেব, কালীপ্ৰসাদ বৰুৱা, তেজপুৰৰ চন্দ্ৰনাথ শৰ্মা, ডিব্ৰুগড়ৰ লক্ষেশ্বৰ বৰুৱা, ৰজনী বৰুৱা, শ্যাম চৌধুৰী, ফাইজুদ্দিন, শিৱসাগৰৰ ভুৱনচন্দ্ৰ গগৈ, দুৰ্গাপ্ৰসাদ বৰঠাকুৰ, পদ্মনাথ বৰঠাকুৰ, যোৰহাটৰ কৃষ্ণনাথ শৰ্মা, নগাওঁৰ পণ্ডিত কনকচন্দ্ৰ শৰ্মা, বৰপেটাৰ ধনীৰাম তালুকদাৰ, শ্ৰীহট্টৰ ব্ৰজেন্দ্ৰ বাবু আৰু বসন্ত কুমাৰ দাস।

দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ কংগ্ৰেছৰ অসহযোগ আন্দোলনৰ সকলো কামতে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু ৰোহিণী কুমাৰ চৌধুৰী দুয়ো সোঁহাত বাওঁহাত আছিল। উভয়ে ওকালতি বন্ধ কৰি মনে-প্ৰাণে কংগ্ৰেছৰ কামত লাগি গৈছিল। সেইদৰে যোৰহাটৰ, কৃষ্ণনাথ শৰ্মা, ৰামেশ্বৰ ভট্টাচাৰ্য, বিষ্ণু শৰ্মা, লক্ষেশ্বৰ বৰুৱা ('ৰাষ্ট্ৰপতি'), হেমনাথ ফুকন, সৰ্বেশ্বৰ বৰচেতীয়া, তেতিয়াৰ কলেজ এৰি অহা এচাম যুৱক আৰু মই কুলধৰ চলিহাৰ নেতৃত্বত যোৰহাটত কংগ্ৰেছৰ অসহযোগ আন্দোলনৰ স্বেচ্ছাসেৱকৰ কাম কৰিছিলোঁহঁক।

মহাত্মা গান্ধী অসমলৈ ১৯২১ চনৰ আগষ্ট মাহত আহে আৰু ১৮ আগষ্ট তাৰিখে গুৱাহাটীত পদাৰ্পণ কৰে। সেই উপলক্ষে অসমৰ প্ৰায় সকলো চুক-কোণৰপৰা ভালেমান কংগ্ৰেছী সেৱক গুৱাহাটীত মহাত্মা গান্ধীৰ দৰ্শন পাবলৈ আৰু তেখেতৰ বাণী শুনিবলৈ সমবেত হৈছিলগৈ। মহাত্মাজী অসমলৈ অহাত সেইদিনৰ অসমীয়া ৰাইজৰ মাজত যি উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছিল, তাক আজিৰ যুৱক চামে কল্পনা কৰিব পৰাই সম্ভৱ নহয়। তেখেতৰ লগত আহিছিল মৌলানা মহম্মদ আলি, যমুনালাল বাজাজ, কাণপুৰৰ মৌলানা আজাদ চোহানী আৰু অন্যান্য লগৰীয়াসকল। মহাত্মাৰ থকা মেলাৰ ব্যৱস্থা কৰা হৈছিল তৰুণৰাম ফুকনৰ ঘৰত। আন আন স্বেচ্ছাসেৱকসকলৰ লগতে গান্ধীজী অহাৰ তিনিদিনমানৰ আগতে ময়ো গুৱাহাটী পাইছিলোগৈ। ফুকন ডাঙৰীয়া মোৰ আইৰ মোমায়েক পৰশুৰাম খাউণ্ডৰ কনিষ্ঠা কন্যা বিয়া

কৰোঁতা সূত্ৰত সম্পৰ্কত মোৰ 'মহাদেউ' হয়। তত্ৰাচ মই তেখেতক চিনাকি দিয়া নাছিলোঁ। মহাত্মাৰ সেৱা শুশ্ৰূষাৰ নিমিত্তে আন স্বেচ্ছাসেৱকৰ লগতে ফুকনৰ খোলা প'টিকত কাঠৰ বেঞ্চৰ ওপৰতে ৰাতি মোৰ অৱসৰ সময়ত শুই আছিলোঁ। বেছিভাগ সময় পাল পাতি সাৰে থকাই আমাৰ কৰ্তব্য আছিল কিজানিবা কেনেবাকৈ মহাত্মা প্ৰমুখে বিশিষ্ট অতিথিসকলৰ কিবা লাগে ভাগে।

কটন কলেজত নাটকৰ আখৰা শিকোৱাৰ পাছৰেপৰা ভালেদিনলৈ মই বৰদলৈক লগ পোৱা নাছিলোঁ। মহাত্মাজী গুৱাহাটীলৈ অহাতেহে মই তেখেতক লগ পাওঁ। তেখেতে গুৱাহাটীৰ আদালতত ওকালতি কৰিছিল আৰু মযো ছাত্ৰ হৈ জীৱনৰ এই কালছোৱা কটাইছিলোঁ। মহাত্মাজীৰ আগমনত ফুকনৰ হাউলিত প্ৰথম দিনা গধূলি আৰু পাছদিনা পুৱা খুব ডাঙৰ সভা হয়। সভাস্থলত বিলাতী কাপোৰ পোৰা যজ্ঞও হৈছিল। বহুতে নিজৰ আচল বিলাতী কাপোৰ, খহাই জ্বলি থকা জুইলৈ দলিয়াই দিছিল আৰু অনেকে দলিয়াই দিয়া কাপোৰৰ দাম ইমান বেছি হৈছিল যে তাৰ জুই পাছদিনালৈকে জ্বলি আছিল। মহাত্মাজীৰ অসম আগমনৰ পাছৰপৰা বৰদলৈয়ে আন সহকৰ্মীসকলৰ সৈতে মহাত্মাজীৰ প্ৰৱৰ্তিত অসহযোগ আন্দোলনত যোগ দিছিল। কিছুদিনৰ পাছতে স্কুল আৰু কাছাৰী বৰ্জনৰ কাৰ্যক্ৰমণিকা আহি পৰিল। তেজপুৰৰ চন্দ্ৰনাথ শৰ্মাই জয়জয়তে ওকালতি বৰ্জন কৰাৰ পাছত গুৱাহাটী আৰু আন আন ঠাইত বহুতো উকীলে ওকালতি আৰু কাছাৰী বৰ্জন কৰিছিল। অসমৰ যি সকল উকীলে ওকালতি বৰ্জন কৰিব অথচ নিজসকলৰ আন উপাৰ্জনৰ বাট নাই, তেনে চাম উকীলক ঘৰ চলাবলৈ সহায় কৰিবলৈ যমুনালাল বাজাজে অসমৰ নিমিত্তে একলাখ টকাৰ এটা পুঁজি দিছিল। ওকালতি বৰ্জন কৰা তেনে উকীলে মাহে ৫০/৬০ টকাকৈ এই পুঁজিৰপৰা সহায় পাইছিল। অসহযোগ আন্দোলনৰ ঢৌ ভাৰতবৰ্ষৰ চাৰিওপিনে চুকে কোণে বিয়পি পৰিল। তেতিয়া চৰকাৰী Criminal Law Amendment Act মতে প্ৰথমতে মুৰব্বিসকলক নেতৃস্থানীয় কংগ্ৰেছৰ কৰ্মীসকলক গ্ৰেপ্তাৰ কৰিলে। এই ধৰ-পাকোৰত বৰদলৈকো এৰেষ্ট কৰা হ'ল আৰু তেখেতক আন এঘাৰ কি বাৰজন সহকৰ্মীৰ সৈতে দুজনৰ দুখন হাতত হেণ্ডকাফ লগাই আৰু সেই হেণ্ডকাফৰ মাজেদি এডাল মোটা ৰছী সৰকাই সাঙুৰি লৈ গুৱাহাটীৰপৰা তেজপুৰলৈ চালান দিয়া হৈছিল। গুৱাহাটীৰ জাহাজ ঘাটত এনে হেণ্ডকাফ লগাই সাঙোৰা অৱস্থাত তেওঁবিলাকৰ এখন ফটো লোৱা হৈছিল। লেখকৰ হাতত সেই

ফটোগ্ৰাফৰ নকল নাই।

১৯২২ চনত চৌৰী-চ'ৰা পুলিচ থানাৰ দুৰ্ঘটনাৰ পাছত মহাত্মাজীয়ে অসহযোগ আন্দোলন স্থগিত ৰাখিলে আৰু উকীলসকলৰ প্ৰায়বিলাকেই আকৌ ওকালতি কৰিবলৈ ঘূৰি গ'ল। অসহযোগ আন্দোলন এনেদৰে হঠাৎ একেবাৰে বন্ধ কৰি দিয়াৰ পাছত অগণন দেশসেৱক বিমোৰত পৰি পেপুৱা লাগিল আৰু সকলো পিনৰপৰা তেওঁলোকৰ মনলৈ অৱসাদ আহিল। ১৯২৬ চনৰ ডিচেম্বৰ মাহত যদিও ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন গুৱাহাটীত পতা হৈছিল, তত্ৰাচ ই ৰাইজৰ মনলৈ বিশেষ উৎসাহ উদ্দীপনা আনিব নোৱাৰিলে। সেই অধিবেশন অসমৰ কাৰণে অত্যন্ত বিপযয়সূচক হৈ পৰিছিল। কংগ্ৰেছ অধিবেশন আৰম্ভ হোৱাৰ লগে লগে দিল্লীত স্বামী শ্ৰদ্ধানন্দজীক হত্যা কৰাৰ বাতৰি আহি কংগ্ৰেছ শিবিৰ সোমোৱাত সকলোৰে মন গভীৰ বেজাৰৰ ছাঁই ঢাকি ধৰিছিল। তদুপৰি কংগ্ৰেছ অধিবেশনৰ দ্বিতীয় দিনৰেপৰা নেৰানেপেৰা বৰষুণ আৰম্ভ হ'ল। ফলত কংগ্ৰেছলৈ অহা প্ৰতিনিধিসকল তেওঁলোকৰ নিমিত্তে সজা শিবিৰত থাকিব নোৱাৰিলে। দেশভক্ত ফুকনে জাহাজ কোম্পানীৰপৰা জাহাজ এখন খুজি লৈ প্ৰতিনিধি বগক তাতে ৰাতিটো কটাবলৈ ব্যৱস্থা কৰি দিলে। এনে অৱস্থাত প্ৰতিনিধি বগৰপৰা শিবিৰত থকা মেলাৰ বাবে দিবলগীয়া মাচুল তুলিবপৰা নহ'ল। তাতে আকৌ কংগ্ৰেছ অধিবেশনৰ নিমিত্তে যিমান ধন উঠিছিল, তাতকৈ বহুত বেছি ব্যয় হ'ল। শেষত বহু টকাৰ ধাৰ দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈৰ ওপৰত পৰিলহি। এই দুৰ্যোগত আমাৰ সকলোৰে মন অস্থিৰহৈ পৰিছিল। পইচাৰ অভাৱত আমাৰ স্বেচ্ছাসেৱকসকল ঘৰলৈ উভতি যোৱাৰ উপায় নাইকিয়া হ'ল। তেতিয়া মই গোপীনাথ বৰদলৈদেৱক ক'লো—"এতিয়াতো স্বেচ্ছাসেৱকসকলক ঘূৰি যোৱাৰ বাবে ৰেলৰ ভাড়া দিবলৈ আমাৰ পইচা নাই। কংগ্ৰেছৰ কাৰণে থকা অতিৰিক্ত চাউলকে স্বেচ্ছাসেৱকৰ বিভিন্ন দলক ভগাই দিয়া হওক। তেওঁবিলাকে খোজকাঢ়ি যাওঁতে বাটত ৰান্ধিবাঢ়ি খাই যাব পাৰিব।" বৰদলৈদেৱে তেতিয়া উত্তৰ দিলে "চাউল আমি বেচিব লাগিব। স্বেচ্ছাসেৱকে ভিক্ষা মাগি খাই যক।" মই যেতিয়া নবীনচন্দ্ৰ বৰদলৈদেৱক স্বেচ্ছাসেৱকৰ এই দুৰৱস্থাৰ কথা ক'লোগৈ, তেখেতে তেখেতৰ যথাসৰ্বস্ব এশ টকা দি মোক ক'লে "দেৱেশ্বৰ, মোৰ ঘৰত আৰু এপইচাও নাই। অথচ মোৰ ঘৰত কলিকতাৰপৰা কংগ্ৰেছলৈ অহা অতিথি

আছে। মই যি যেনেকৈ পাৰো কৰিমগৈ। তুমি এশ ৰূপ লৈ যোৱা। কি পাবা কৰাগৈ।" মই এই ৰূপ শ আনি আৰু আন কাৰোবাৰ পৰাও খুজি আনি স্বেচ্ছাসেৱকসকলক পাথেয় দি বিদায় দিলোঁ। ১৯২৬ চনৰ গুৱাহাটী কংগ্ৰেছৰ গোটেই স্বেচ্ছাসেৱক দলৰ মই আছিলো সৰ্বাধিনায়ক।

১৯৩০ চনত সত্যাগ্ৰহ আন্দোলন আৰম্ভ হ'ল এই আন্দোলন ভাৰতৰ জনগণক জাগ্ৰত কৰি তুলিলে। ১৯৩০-৩৩ চনলৈ এই সত্যাগ্ৰহ আন্দোলন এধাৰেবাকৈ চলিব ধৰিছিল। অসমৰ কিছুমান জিলাত যথেষ্ট সংখ্যক স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰা হৈছিল। আনহাতে কিছুমান ঠাইত কংগ্ৰেছ কৰ্মীসকলক প্ৰায়ে গ্ৰেপ্তাৰ কৰ নহৈছিল পুলিব লাগে অৰ্থাৎ য'ত যেনেকুৱা উগ্ৰ বা শান্ত মনোভাৱৰ ডেপুটী কমিছনাৰ আছিল, সেই ডেপুটী কমিছনাৰে আন্দোলন দমাবলৈ বিভিন্ন প্ৰণালী লোৱা দেখা গৈছিল। যেনেকৈ গুৱাহাটীত বহুত সত্যাগ্ৰহীক পিকেটিং কৰাৰ দোষত ১৯৩০ চনত গ্ৰেপ্তাৰ কৰা হৈছিল। আনহাতে যোৰহাটত গোটেই দুৰ্গাপুজ মাহটো ঠেঙাল মৌজাৰ ইন্দ্ৰেশ্বৰ বৰমেধি আৰু ৰত্নেশ্বৰ শৰ্মাৰ নেতৃত্বত টো, হেতা, চাউল- ধৰি লৈ জিলাত কানি-ভাং-মদ পিকেটিং কৰা কাকো এৰেষ্ট কৰা নাছিল।

১৯৩০-৩৩ চনৰ সত্যাগ্ৰহত এটা বেলেগ স্বৰূপ দেখা পোৱা হৈছিল। এই সত্যাগ্ৰহত শীৰ্ষস্থানীয় নেতা তিনিজন ফুকন, বৰদলৈ আৰু চলিহাই আন্দোলনত সক্ৰিয়ভাৱে যোগ দিয়া নাছিল। গোপীনাথ বৰদলৈয়েও ১৯৩০ চনৰ সত্যাগ্ৰহত যোগ দিয়া নাছিল। এই শীৰ্ষস্থানীয় নেতা কেইগৰাকীয়ে কিয় ১৯৩০-৩৩ চনৰ আন্দোলনত যোগ দিয়াৰপৰা বিৰত আছিল, ইয়াৰ প্ৰকৃত কাৰণটো মই আজিও বিচাৰি পোৱা নাই। এটা কথা সঠিক বুলি ধৰিলে বোধকৰো ভুল নহ'ব যে এবছৰৰ ভিতৰতে স্বৰাজ হোৱাৰ যি কল্পনা ১৯২১ চনত কৰা হৈছিল, সেই কল্পনা বাস্তৱত পৰিণত নহৈ চৌৰীচ'ৰা দুৰ্ঘটনাত সত্যাগ্ৰহ বন্ধ কৰিবলগা হোৱাত বহুতোলোকৰে মন ভাঙি গৈছিল। ইয়াৰ আন এটা কাৰণ হৈছিল ১৯২২ চনৰ গয়া কংগ্ৰেছতে কাউন্সিলৰ ভিতৰ সোমাই ভিতৰৰপৰা ভাৰতীয় বৃটিছ গৱৰ্ণমেণ্টক কাবু কৰিবলৈ যি আদৰ্শ আৰু কাৰ্য-পদ্ধতি লৈছিল, সিয়ে বহুতো কংগ্ৰেছী নেতৃবৃন্দৰ মন দুৰ্বল কৰি পেলাইছিল অৰ্থাৎ তেওঁবিলাকে আকৌ কাৰাবৰণ কৰিবলৈ ইচ্ছা নকৰিছিল। তৃতীয় এটা কাৰণ আছিল এই যে ১৯২৬ চনৰ গুৱাহাটী কংগ্ৰেছৰ পিছত কংগ্ৰেছৰ বহুতো দেনা তেওঁবিলাকৰ নিজৰ গাত পৰাত ফুকন আৰু নবীন

বৰদলৈ কাবু হৈ পৰিছিল। ইত্যাদি নানা কাৰণতে এই নেতৃস্থানীয় লোকসকলৰ সহযোগিতা ১৯৩০-৩৩ চনৰ আন্দোলনত বাইজে পোৱা নাছিল।

তাৰ পাছত আকৌ বৰদলৈক লগ পাওঁ ১৯৩৭ চনৰ নিৰ্বাচনৰ পাছত। ১৯৩৫ চনত ভাৰত শাসন আইনৰ দ্বাৰা দ্বৈত শাসন প্ৰতিষ্ঠিত হয় আৰু তাৰ নিমিত্তে ১৯৩৭ চনৰ জানুৱাৰীত নতুনকৈ পুনৰ নিৰ্বাচন হয়। এই নিৰ্বাচনত মুছলিম সম্প্ৰদায়, ইংৰাজ চাহ খেতিয়ক সম্প্ৰদায়, দেশী চাহ খেতিয়ক সম্প্ৰদায় আদি বিভিন্ন সম্প্ৰদায়সকলৰ নিমিত্তে আচুতীয়া আসনৰ ব্যৱস্থা হৈছিল। অসম বিধান সভাৰ ১০৮ খন আসনৰ ভিতৰত কংগ্ৰেছে মাত্ৰ ৩৩ খন আসনহে লাভ কৰিব পাৰিছিল। সেই সময়ৰ ভু-ৰথাসকলে এই ৩৩ খন আসনতো কংগ্ৰেছ জয়যুক্ত হ'ব পাৰিব বুলি আশা কৰিব নোৱাৰিছিল। কিন্তু অসমৰ সাধাৰণ বাইজে য'তে সম্ভৱপৰ হ'ল ত'তে কংগ্ৰেছক অকুণ্ঠিত সমৰ্থন দিছিল। ১৯৩৭ চনৰ নিৰ্বাচনৰ কথা সিদিনা বিহাৰত হোৱা নিৰ্বাচনৰ লগতহে ৰিজাব পাৰি। কিন্তু ইয়াত এটা বিশেষ পাৰ্থক্য আছে যে ১৯৩৭ চনৰ নিৰ্বাচনত নিৰ্বাচনী খৰচটো বহু বাস্তৱ কাৰণত নিচেই কম আছিল। সিদিনা বিহাৰ নিৰ্বাচনত যেনেকৈ গোটেই শাসন যন্ত্ৰটো শাসক দলৰ জয়ৰ অৰ্থে খটোৱা হৈছিল, ঠিক সেইদৰে ১৯৩৭ চনত গোটেই শাসন যন্ত্ৰটো আৰু বেচৰকাৰী ইংৰাজ দলেও কংগ্ৰেছক হৰুৱাবলৈ সকলো প্ৰকাৰে উঠি পৰি লাগিছিল। ডেপুটী কমিছনাৰে মাতি নি কওক বা নকওক, মৌজাদাৰ গাওঁবুঢ়াসকল কংগ্ৰেছৰ বিৰুদ্ধে উঠি পৰি লাগিছিল। সেই অনুপাতেই আউনী আটী আৰু দক্ষিণপাট সত্ৰই কংগ্ৰেছ প্ৰাৰ্থীৰ বিৰুদ্ধে দেখদেখকৈ ৰাইজৰ মাজত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিছিল। এই পৰিস্থিতিত ৩৩ জন সভ্য জয়া হৈ আহিল। কংগ্ৰেছ দলে বিৰোধী দল গঠন কৰিবলগীয়া হ'ল আৰু গুৱাহাটীত কংগ্ৰেছী সদস্যসকলৰ এখন সভা আহ্বান কৰা হৈছিল। তাত দলপতি, উপদলপতি, চীফ হুইপ (chief whip), দলৰ সম্পাদক আদি নিৰ্বাচন কৰিবলৈ ব্যৱস্থা কৰা হৈছিল। এই সভাত মই অমিয় কুমাৰ দাসৰ নাম দলপতিৰ কাৰণে প্ৰস্তাৱ কৰিলোঁ। ছিলেট আৰু কাছাৰৰ সভ্যৰ মাজৰপৰা বসন্ত কুমাৰ দাসৰ নাম উত্থাপন কৰা হ'ল। অমিয় কুমাৰ দাসে দলপতিৰ কাৰণে প্ৰাৰ্থীত্ব অস্বীকাৰ কৰাত তেওঁৰ নাম প্ৰাৰ্থীৰ তালিকাৰপৰা নাকচ কৰা হ'ল। গুৱাহাটীৰ কোনোবা এজন নিৰ্বাচিত সভ্যই গোপীনাথ বৰদলৈৰ নাম প্ৰস্তাৱ কৰিলে। মই অমিয় কুমাৰ দাসৰ নাম প্ৰস্তাৱ

কৰাৰ কাৰণ আছিল এইটোৱেই যে এওঁতে তেওঁ যেনেকৈ বহুগুণ সম্পন্ন অমায়িক লোক, সেইদৰে আনহাতে তেওঁ সকলো স্বাৰ্থ বিসৰ্জন দিয়া কংগ্ৰেছৰ এজন অক্লান্ত কৰ্মী। আৰু বোধহয় গোপীনাথ বৰদলৈদেৱে ১৯৩০-৩১ চনৰ আন্দোলনত যোগ নিদিয়াটোৱেও হয়তো মোৰ মনোভাবক প্ৰভাৱান্বিত কৰিছিল। সি যি হওক, শেষত এইটোৱেই সিদ্ধান্ত হ'ল যে গোপীনাথ বৰদলৈদেৱ দলপতি হ'ব, উপদলপতি হ'ব শ্ৰীহট্টৰ প্ৰবোধচন্দ্ৰ দেৱ। বসন্ত কুমাৰ দাস স্পীকাৰ হ'ব আৰু সৰ্বসন্মতিক্ৰমে মোক চীফ হুইপ পাতিব।

কংগ্ৰেছৰ উৰ্দ্ধতম কর্তৃপক্ষই সিদ্ধান্ত কৰিছিল যে কংগ্ৰেছৰ সভ্যসকলৰ দ্বাৰা গৱৰ্ণমেণ্ট গঠিত নহ'ব। অসমৰ দৰে বিধান সভাত সংখ্যালঘিষ্ঠ প্ৰদেশ-কিখনৰ বেলিকা গৱৰ্ণমেণ্ট গঠন কৰা প্ৰশ্ন নুঠে। কিন্তু চাৰি মাহৰ পাছত কংগ্ৰেছে নতুন সিদ্ধান্ত ল'লে যে যিবিলাক প্ৰদেশৰ বিধান সভাত কংগ্ৰেছী দল সংখ্যাগৰিষ্ঠ, তাত এই সংখ্যাগৰিষ্ঠ দলে চৰকাৰ গঠন কৰিব পাৰিব। অসম, সিন্ধু প্ৰদেশ, বঙ্গ, পঞ্জাব আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশক বাদ দি বাকী প্ৰদেশবিলাকত কংগ্ৰেছী চৰকাৰ গঠন হ'ল। উত্তৰ পশ্চিম সীমান্ত প্ৰদেশত বিশেষ পৰিস্থিতিৰ কাৰণে সেই প্ৰদেশৰ কংগ্ৰেছী দলক অন্যান্য দলৰ লগলাগি চৰকাৰ গঠন কৰিবলৈ অনুমতি দিয়া হ'ল। অসমৰ বেলিকা এই বিবেচনা কৰা নহ'ল। কিন্তু পিছত অসমৰ কংগ্ৰেছ বৰকৈ ৬টি পৰি লগাত সম্ভৱ হ'লে কংগ্ৰেছ গৱৰ্ণমেণ্ট গঠন কৰিব পাৰে বুলি এৰাধৰাকৈ কংগ্ৰেছ হাইকমাণ্ডে অসমকো অনুমতি দিলে। তেতিয়া কংগ্ৰেছৰ সভাপতি আছিল সুভাষ চন্দ্ৰ বসু। অসমত মুছলাম লীগৰ মন্ত্ৰী আছিল ছাৰ মহম্মদ ছাদুল্লা। তেওঁৰ মুখ্যমন্ত্ৰীত্বত আব্দুল মতিন চৌধুৰীকে ধৰি ভালেমান মুছলমান সদস্য সন্তুষ্ট নাছিল। আনহাতে ছাৰ মহম্মদ ছাদুল্লাৰ নেতৃত্বত থকা মুছলমান-অমুছলমান সদস্যসকলৰ মাজত বহুত অমিল আছিল বিশেষকৈ মন্ত্ৰীত্ব লৈ।

লীগ মন্ত্ৰীসভাৰ অন্তৰ্দ্বন্দ্বৰ সুযোগ লৈ অসমৰ কংগ্ৰেছ দলেও চৰকাৰ গঠন কৰিবলৈ চেষ্টা কৰিলে। এই সংযোগত গোপীনাথ বৰদলৈৰ সুস্থ আৰু বলিষ্ঠ নেতৃত্ব পোৱা হ'ল। তেখেতে বুজিছিল যে পৰ্বত আৰু ভৈয়ামৰ পাহাৰী লোকসকলৰ সমৰ্থন পালে মন্ত্ৰীসভা গঠন কৰিবপৰা হ'ব। কিন্তু বৰদলৈয়ে নিজে আগবাঢ়ি কোনো কাম কৰিবলৈ বিচৰা বিধৰ মানুহ নাছিল। তেখেতে কোনো কথাতে সহজে মত নিদিয়ে আৰু দিলেও বহুত ভাবিচিন্তি বিলম্বেহে মত প্ৰকাশ কৰে। তেখেতৰ মত পাছত কাৰ্যতঃ ভ্ৰান্তিমূলক

বুলি প্ৰমাণ হ'লেও তেখেতে সেই পৰিস্থিতিৰপৰা ওলাই যোৱাৰ ছুৱাৰ সদায় মুকলি কৰি ৰাখে। যি হওক, বৰদলৈৰ নেতৃত্বতেই শ্বাদুল্লাৰ মন্ত্ৰী-সভা পতন হ'ল যদিও বৰদলৈ তাত আগৰণুৱা নাছিল।

সুভাষ চন্দ্ৰ বসুৱে কংগ্ৰেছ সভাপতি হিচাপে ছিলঙলৈ আহি যথেষ্ট উদগনি দিলে আৰু তৰুণৰাম ফুকনে শ্বাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটাই কংগ্ৰেছী চৰকাৰ গঠন কৰাত যথেষ্ট সহায় কৰিছিল। কিছুদিনৰ আগেয়ে 'নীলাচল' কাকতত শ্ৰীসদা চলিহা দেৱৰ "বৰাক বনাম ব্ৰহ্মপুত্ৰ" শিৰোনামাৰে তিনিটা প্ৰবন্ধ পঢ়িছিলো। এই প্ৰবন্ধত তেখেতে সেই সময়ৰ অৰ্থাৎ ১৯৩৭ চনৰ আইনমতে অসম প্ৰদেশৰ কংগ্ৰেছী দলৰ নেতা নিৰ্বাচন, মুছলিম লীগৰ পতন আৰু কংগ্ৰেছী গৱৰ্ণমেণ্ট গঠন হোৱা বিষয়বোৰ আলোচনা কৰিছিল। তেখেতে সেই সময়ৰ ভালেমান পুৰণি কথা সংগ্ৰহ কৰি অসম বুৰঞ্জীৰ এটা দশকৰ পৰা "বৰাক বনাম ব্ৰহ্মপুত্ৰ" শীৰ্ষকেৰে বুৰঞ্জীৰ এটি অলেখিত অধ্যায় ৰচনা কৰিবলৈ প্ৰয়াস পাইছিল কিন্তু সেই প্ৰবন্ধত এনে ভালেমান কথাই ঠাই পাইছে যিবিলাকৰ বাস্তৱতে কোনো ভিত্তি নাই। সেই তিনিটা প্ৰবন্ধৰ সমালোচনা কৰা ই ঠাই নহয়। কিন্তু এই কথা উল্লেখ নকৰিলে ইতিহাসত দুটা অপ্ৰকৃত কথাই ঠাই পায় বুলি ক'বলৈ বাধ্য হৈছো যে তেতিয়া কংগ্ৰেছী দলৰ ভিতৰত অসম আৰু সুৰমা উপত্যকাৰ সভ্যসকলৰ মাজত হিংসা আৰু বিদ্বেষ ভাব আছিল বুলি শ্ৰীচলিহাই লেখা কথা অতিৰঞ্জিত। বৰদলৈ অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ কথাত সম্পূৰ্ণ নিৰপেক্ষ আছিল। উভয় ঠাইৰ মানুহে তেখেতক সমানে ভাল পাইছিল আৰু উভয় উপত্যকাৰ মাজত তেখেতে সম্পূৰ্ণভাৱে পক্ষপাতিতাৰ দোষমুক্ত শাসন চলাইছিল। দ্বিতীয়তঃ বৰদলৈয়ে বা কংগ্ৰেছে কেতিয়াও কোনো অৱস্থাতে কোনো দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নাছিল। কংগ্ৰেছ দলক কোনো কোম্পানী বা ব্যক্তিয়ে শ্বাদুল্লা মন্ত্ৰী-সভাৰ সভ্য ঘোচ দি ফুচুলাই আনিবলৈ টকা দিয়া নাছিল আৰু কংগ্ৰেছ দলেও গ্ৰহণ কৰা নাছিল। সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিয়ে অলপ সুচল ওলালতে লীগ মন্ত্ৰীসভাৰ পতন ঘটাবলৈ আৱহাৱাৰ সৃষ্টি কৰিছিল। লগতে কিছু অৰ্থনৈতিক কাৰণো আছিল। যেনে - কমাৰ্চিয়েল কেৰিয়িং কোম্পানীক শ্বাদুল্লা মন্ত্ৰীসভাই ছিলং-গুৱাহাটীৰ ৰাষ্টাত মটৰ আৰু ট্ৰাক চলাবলৈ পুনৰ পাৰমিট দিয়াৰ কথাও উঠিছিল। আনহাতে শ্ৰীহট্টৰ শ্ৰীলক্ষ্মী কোম্পানীয়ে এই পাৰমিটৰ কাৰণে প্ৰতিযোগিতা কৰিছিল। তৃতীয়তঃ আব্দুল মতিন

চৌধুৰীয়ে শ্বাহুল্লাৰ প্ৰধান মন্ত্ৰীত্ব সহ্য কৰিবলৈ টান পাইছিল। এই আটাই-বিলাক কাৰণতে লীগ মন্ত্ৰীসভাৰ পতন ঘটিল।

কংগ্ৰেছী গৱৰ্ণমেণ্ট গঠন কৰাৰ সময়ত মৌলানা আবুল কালাম আজাদো ছিলঙলৈ আহিছিল। তেতিয়া তেখেতক দেৱান একলিমুৰ ৰজা নামৰ চিলেট জিলাৰ ইংৰাজীত সামান্য মাত্ৰ লেখা পঢ়া-জনা অথচ ধনী বিধান সভাৰ সদস্য এগৰাকীয়ে আপত্তি কৰিছিলগৈ যে কংগ্ৰেছ দলে টকা খৰচ কৰি সভা ভঙাই নি দল গৰিষ্ঠ কৰিছে। আজাদে বৰদলৈক এইবিষয়ে সুধিলে। বৰদলৈয়ে আজাদক উত্তৰ দিলে "এই কথা মই সত্য বুলি স্বীকাৰ নকৰো। এনে দুৰ্নীতিৰ কথা মোক কোনেও কোৱাও নাই আৰু মোৰ কাণত পৰাও নাই। আপুনি চীফ হুইপ্ জনাক মাতি সুধিব পাৰে।" কিছুসময়ৰ পাছত মৌলানা আজাদে মোক মতাই নিলে আৰু সুধিলে, "কংগ্ৰেছ চৰকাৰৰ দুৰ্নীতিৰ কথা মোৰ কাণত পৰিছে, তুমি কি কোৱা?" তেতিয়া মই তেখেতক সুধিলো, "আপোনাক এনে কথা কোনে ক'লে?" তেতিয়া আজাদে ক'লে যে দেৱান একলিমুৰ ৰজাই আপত্তি দিছে। মই ক'লো, "তেখেতক মাতকচোন।" তেতিয়া আজাদ চাহাবে দেৱান একলিমুৰ ৰজাক মাতি পঠিয়ালে। তেখেত আহি আজাদৰ সন্মুখত মোৰ লগত বহিল। তেখেতক আজাদে ক'লে, "ৰজা চাহেব! আপুনি মোক কৈছিল কংগ্ৰেছে দল ভাঙি নি সংখ্যাগৰিষ্ঠ কৰিছে বুলি। মই সোধাত কংগ্ৰেছী লোকে অস্বীকাৰ কৰিছে। মইতো একো প্ৰমাণ পোৱা নাই।" এইবুলি আজাদে মোক সুধিলে, "আপোনাৰ ক'বলৈ কি আছে?" তেতিয়া মই ক'লো, "ৰজা চাহেব! আপোনাক মন্ত্ৰী পদ দিলে আপুনি কংগ্ৰেছৰ দলভুক্ত হ'ব আৰু কংগ্ৰেছলৈ এটা শকত পুঁজি আগবঢ়াব বুলি কোৱা নাছিলনে আৰু মই আপোনাৰপৰা টকা লৈছিলোনে?" ৰজাই ক'লে, "আপুনি মোৰপৰা ধন লবলৈ অস্বীকাৰ কৰিছিল।" মই আকৌ সুধিলো—"আপোনাক মন্ত্ৰীত্ব দিম বুলি কৈছিলোনে?" তেওঁ ক'লে "নাই কোৱা। আপুনি কৈছিল, শ্বাহুল্লা মন্ত্ৰীসভা পতনৰ পাছত কংগ্ৰেছৰ যুক্ত মন্ত্ৰীসভা যেতিয়া গঠনৰ সময় আহিব, তেতিয়াহে এই কথা বিবেচনা হ'ব পাৰিব।" এই সকলোবোৰ কথা আজাদ চাহাবে শুনি আছিল। তেখেতে ক'লে "বাৰু আপোনালোকে যাওক এতিয়া।"

বৰদলৈৰ ওচৰলৈ কোনো অনীতিমূলক কিম্বা দুৰ্নীতিমূলক প্ৰস্তাৱলৈ কোনো সভ্য বা বাহিৰা মানুহ যাবলৈ সাহ নকৰিছিল। বৰদলৈদেৱ সদায়

সৌম্য শান্ত আৰু ধীৰ স্থিৰ প্ৰকৃতিৰ মানুহ আছিল। যেতিয়া ছাদুল্লাৰ মন্ত্ৰীসভাই ইস্তফা দিলে আৰু কংগ্ৰেছী মন্ত্ৰীসভা গঠন কৰাৰ সময় হ'ল, তেতিয়া আমি দেখিলো আমাৰ দলৰ চৰকাৰ ৰক্ষা কৰিবলৈ হ'লে বহল দৃষ্টিভংগীৰ গোটেই বিষয়টো পৰীক্ষা কৰি চাব লাগিব। এহাতে কংগ্ৰেছী মন্ত্ৰীসভা যেনেকে খুব ডাঙৰ হ'ব নালাগিব, আনহাতে সেইদৰে পৰ্বত ভৈয়ামৰ পাহাৰী জনজাতি আদি সকলোৰে কাৰণে মন্ত্ৰীসভাত পাৰ্যমানে ঠাই হ'ব লাগিব। এইবিলাক কথা ভাবিচিন্তি আমি আলোচনা কৰাৰ পাছত আমাৰ দলৰ উপ অধিনায়ক (ডেপুটী লিডাৰ) কাছাৰৰ শ্ৰীঅৰুণ কুমাৰ চন্দ আৰু দলৰ চীফ হুইপ মই, আমি দুয়ো মন্ত্ৰীত্ব নালাগে বুলি ডাঠি কৈ বৰদলৈৰ মন্ত্ৰীসভা গঠন কৰাত অনেক গুণে সহজ কৰি দিলোঁহঁক। ছিলেটৰ বৈদ্যনাথ মুখাৰ্জীয়েও (তেওঁ আছিল সুৰমা উপত্যকাৰ ভাৰতীয় চাহ শিল্পীসকলৰ হৈ) ধনে জনে লাগি মন্ত্ৰীসভাক সৰুকৰাবলৈ নিজে উঠি পৰি লাগিছিল।

আকৌ যেতিয়া 'ক্ৰিপছ মিছন'ত ভাৰতৰ বিভিন্ন প্ৰদেশসমূহৰ কথা ওলাল, তেতিয়া বৰদলৈৰ প্ৰকৃত দেশপ্ৰেমৰ ভাব অতি সুস্পষ্টভাৱে ফুটি ওলাল। যেতিয়া অসমক বঙ্গদেশৰ লগত এটা গোট কৰিবলৈ ক্ৰিপছ মিছনে প্ৰস্তাৱ দিলে আৰু মহাত্মা গান্ধীৰ বাহিৰে সৰ্বভাৰতীয় নেতাসকলৰ প্ৰত্যেকেই অসমক বলি দিয়াত সন্মতি দিলে তেতিয়া বৰদলৈৰ বাৰিও টোপনি নোহা হ'ল। তেখেতে সৰ্বভাৰতীয় প্ৰতিজন নেতাকে দিল্লীত লগ ধৰিছিল আৰু অনুৰোধ কৰিছিল যে অসমক বঙ্গদেশৰ লগত একগোট কৰিলে অসমৰ অস্তিত্ব চিৰ-কাললৈ লোপ পাব। কিন্তু কোনো নেতাৰপৰা তেখেতে সঁহাৰি নাপাইছিল। মাত্ৰ শৰৎচন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জীয়ে অসমক সমৰ্থন দিছিল আৰু অসম বঙ্গদেশৰ গোটলৈ যাব নালাগে বুলি কৈছিল। এই সম্পৰ্কে তেতিয়াৰ বিধান সভাৰ কংগ্ৰেছ দলৰ ডেপুটী লিডাৰ বৈদ্যনাথ মুখাৰ্জীক লগত লৈ দিল্লীৰ ভাঙ্গি কলনীলৈ বৰদলৈদেৱে যাত্ৰা কৰিলে। পাছত যেতিয়া কংগ্ৰেছী নেতৃবৃন্দৰ সমৰ্থন পাই ক্ৰিপছ মিছনৰ গ্ৰুপিং প্ৰস্তাৱ ঠন ধৰি উঠিল, তেতিয়া বৰদলৈ অস্থিৰ হৈ মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিজয় ভাগৱতীক নোৱাখালিত মহাত্মা গান্ধীক সাক্ষাৎ কৰি সকলো কথা জনাই পৰামৰ্শ লবলৈ পঠালে। অসমৰ নেতা দুজনে এই বিষয়ে সোধাত গান্ধীজীয়ে ক'লে—"এই বিষয়ে এটা স্পষ্ট সিদ্ধান্ত ল'বলৈ মোক এক মিনিটো সময় নালাগে। কাৰণ মই এই সম্পৰ্কে চিন্তা কৰা আৰু সিদ্ধান্ত লোৱা আছে। মই হাড়ে হিমজুৰে এজন কংগ্ৰেছী

লোক, কংগ্ৰেছৰ বৰ্ত্তমান সংবিধানৰ মতেই প্ৰধান বচক। কিন্তু মই বৰদলৈক কৈ থোৱা আছে যে কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে যদি অসমক স্পষ্ট নিৰ্দেশ নিদিয়ে, তেন্তে অসমে ইয়াৰ প্ৰতিবাদ কৰিব লাগে আৰু গণ পৰিষদৰ (Constituent Assembly) পৰা ওলাই আহিব লাগে। কংগ্ৰেছৰ ভালৰ কাৰণে কংগ্ৰেছৰ বিৰুদ্ধে এনে ই এক সত্যাগ্ৰহৰ দৰে হ'ব।

"ভুলেই হওক বা শুদ্ধই হওক ফেডাৰেল ক'র্টৰ ৰায় মানি লবলৈ সিদ্ধান্ত কৰিছে। কংগ্ৰেছৰ এই সিদ্ধান্ত অতি বিপদজনক। ইয়াত কংগ্ৰেছে ঠগ খাব। গ্ৰুপিং সম্পৰ্কে কংগ্ৰেছে দিয়া ব্যাখ্যা নিচ লোকে ধাৰণা কৰিছে ফেডাৰেল ক'র্টৰ ৰায় ইয়াৰ বিপক্ষে যাব বুলি মোৰ অনুমান হৈছে। কাৰণ মন্ত্ৰীসভাই (Cabinet) লোকসকলৰ মতৰ পোষকতা কৰিবৰ কাৰণে আইনজ্ঞৰ মত পাইছেই।" "ফেডাৰেল ক'ৰ্ট বৃটিছ চৰকাৰৰ সৃষ্টি। ইয়াত তেওঁলোকৰ মতৰ পোষকতা কৰা লোকৰ সংখ্যাই বেছি। কিন্তু কংগ্ৰেছে ফেডাৰেল ক'র্টৰ ৰায় মানি ল'বলৈ সিদ্ধান্ত কৰাৰ কাৰণে সেই ৰায় কংগ্ৰেছৰ প্ৰতিকূল হ'লেও কংগ্ৰেছে তাক মানিব লাগিব। এই অৱস্থাত যদি অসম নিমাত হৈ থাকে তেন্তে অসম চিৰকাললৈ উচ্ছন্ন হৈ যাব (If Assam keeps quiet it is finished)। অসমে যি কাম কৰিব খোজে তাক কৰাবলৈ অসমক কোনেও বাধ্য কৰাব নোৱাৰে। আজি অসম বহু পৰিমাণে স্বায়ত্ত শাসিত।"

"অসম স্বয়ং শাসিত আৰু সম্পূৰ্ণ স্বাধীন হৈ থাকিব লাগিব। সেই কাম কৰাৰ সাহস তোমালোকৰ আছে নে নাই মই ক'ব নোৱাৰো। সেই কথা—তোমালোকেহে জানা। তোমালোকে তেনে ঘোষণা কৰিব পাৰিলে বৰ ভাল হ'ব। গণ-পৰিষদৰ সভ্যসকলে শাখা পৰিষদত (section) বিভক্ত হোৱাৰ সময় হ'লেই তোমালোকে ঘোষণা কৰিবা, 'সুধীবৃন্দ! অসমে শাখা পৰিষদ বৰ্জন কৰিছে।' ভাৰতৰ স্বাধীনতা লাভ কৰিবৰ কাৰণে ইয়েই এক-মাত্ৰ চৰ্ত। ভাৰতৰ প্ৰতিখন প্ৰদেশ নাইবা প্ৰতিটো গোটে (unit) নিজৰ ভবিষ্যত সম্পৰ্কে নিজৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। মই আশা কৰো অসম এই বিষয়ত ভাৰতবৰ্ষৰ পথ প্ৰদৰ্শক হ'ব।

"শিখসকলৰ প্ৰতিও মোৰ এই একেই উপদেশ। কিন্তু শিখসকলতকৈ তোমালোকৰ অৱস্থা বেছি সহজ। তোমালোকৰ এখন সম্পূৰ্ণ প্ৰদেশ আছে। শিখসকল এখন প্ৰদেশৰ এটা সম্প্ৰদায়হে। দেশৰ প্ৰতিজন ব্যক্তিৰে মোৰ দৰে নিজৰ কাৰণে কাম কৰাৰ অধিকাৰ আছে বুলি মই অনুভৱ কৰো।" অসমৰ প্ৰতিনিধি দুজনে প্ৰশ্ন কৰিলে,—"কিন্তু কেৱল অসমৰ স্বাৰ্থৰ খাতিৰত

ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়নৰ কাম বন্ধ কৰিব নোৱাৰি বুলি নেতাসকলে আমাক কৈছে। ভাৰতীয় স্বাধীনতা পথৰ কণ্টক হ'বলৈ অসমক দিব নোৱাৰি।"

গান্ধীজীয়ে উত্তৰ দিলে, "সেইটো হ'বলৈ দিব নালাগে। সেইকাৰণে মই কৈছো যে মই এতিয়া বুজিব নোৱৰা হৈছো। ইমান দিনৰ মূৰতো এই সৰল কথাটো সকলোৱে নুবুজা হৈছে কিয়? অসম আঁতৰি গলে ভাৰতৰ স্বাধীনতাৰ পথ বন্ধ নহয়, মুক্তহে হ'ব।" মহেন্দ্ৰ চৌধুৰীয়ে পুনৰ প্ৰশ্ন কৰিলে—"বৃটিছ গৱৰ্ণমেণ্টে এই বুলি ঘোষণা কৰিছে যে গণ পৰিষদে ৰচনা কৰা সংবিধানখন দেশৰ কোনো অঞ্চলে মানি ল'বলৈ অনিচ্ছা প্ৰকাশ কৰিলে সেই অঞ্চলৰ ওপৰত বলেৰে জাপি দিয়া নহ'ব। সেইবাবে ভাৰতৰ কোনো অংশই সেই সংবিধান মানি নললে বৃটিছ গৱৰ্ণমেণ্টে তাক মানি নল'ব।"

গান্ধীজীয়ে ক'লে, "বৃটিছ গৱৰ্ণমেণ্ট কোন? ইংলণ্ড নাইবা আন কাৰোবাৰ কৃপাত আমাৰ দেশে স্বাধীনতা লাভ কৰিব বুলি যদি আমি ভাবিছো, তেনেহ'লে আমি মহাভুল কৰা হ'ব। ই স্বাধীনতা নহৈ কালহে হ'ব। তেনে স্বাধীনতাই আমাক সমূলঞ্চে মষিমূৰ কৰিব। আমি এফালে স্বাধীনতাৰ গুণ-গান কৰিছো, আনফালে অসহায় লোকৰ হাতৰ মুখলৈ চাইছো। কেবিনেট মিছনৰ আঁচনিখন এখন মধ্যকালীন আঁচনি। যদি আমি নিভুলভাৱে কাম কৰো, তেন্তে স্বাধীনতাৰূপী পাৰিজাত জুপি পূৰ্ণবিকশিত হৈ পৰিব। আমি ভুল কৰিলে ই লেৰেলি যাব। মন কৰিবা, মুছলিম লীগৰ নীতি ঠিক আছে। তেওঁলোকে গণ-পৰিষদে সংবিধান গ্ৰহণ নকৰিলে গণ-পৰিষদে লীগৰ ওপৰত সেই সংবিধান বলেৰে জাপি দি তেওঁলোকক সেও মনাব নোৱাৰে। এই অৱস্থাত বৃটিছ গৱৰ্ণমেণ্টে কাৰো হৈ মাতিব নোৱাৰে। গণ-পৰিষদৰ কামত বৃটিছে কোনো হস্তক্ষেপ কৰিব নোৱাৰে। ভাৰতত থকা সৰহ সংখ্যক মুছলমান আৰু অমুছলমানে একেলগ হৈ যদি এখন সংবিধান ৰচনা কৰিব পাৰে আৰু বৃটিছ পাৰ্লিয়ামেণ্ট যদি তাত হস্তক্ষেপ কৰিবলৈও বিচাৰে তথাপি আমি বৃটিছ পাৰ্লিয়ামেণ্টক অৱজ্ঞা কৰিব পাৰিম। আমাৰ শক্তি আছে। অলপ দিনৰ আগতে আয়াৰলেণ্ডত এনেকুৱা সমস্যাৰ সৃষ্টি হৈছিল। ডি ভেলেৰাৰ (De Valera) আদৰ্শ অহিংস নাছিল। ভাৰতৰ অৱস্থা আয়াৰলেণ্ডতকৈ ভাল। আমি দকৈ চিন্তা কৰিব

নোৱাৰিলে আমি আগতে হেৰুৱাই অহাৰ দৰে প্ৰাপ্ত এই সুবিধা হেৰুৱাব লাগিব।"

"অসমে নিজৰ দায়িত্ব নিজে গ্ৰহণ কৰিলে ভাৰতৰ আন আন খণ্ডবো তেওঁলোকৰ দায়িত্ব ল'ব পাৰিব। যুক্তৰাষ্ট্ৰীয় সংবিধানৰ কাৰণে তোমালোকে চিন্তাকৰাৰ প্ৰয়োজন কি? অসমে অসমৰ সংবিধান ৰচনা কৰি ল'ব পাৰিব। এয়ে যথেষ্ট নহয়। তোমালোকে এতিয়াও এখন সংবিধানৰ মূল ভেঁটিত চলি আছাহঁক।"

"১৯৩৫ চনৰ সংবিধানখনক মই অমান্য কৰিব খোজা নাই। এই সংবিধানে প্ৰদেশবিলাকক স্বায়ত্ত শাসন দান কৰিছে। দেশৰ জনসাধাৰণৰ যোগ্যতাৰ ওপৰত ইয়াৰ উন্নতি নিৰ্ভৰ কৰিছে। তোমালোকৰ দেশত পাহাৰী আৰু মুছলমান ভাতৃসকলো আছে। তোমালোকে সৎভাৱে কাম কৰিলে বাকীখিনি লোকৰো সমৰ্থন পাবা।"

"তোমালোকে হিংসা-দ্বেষ পৰিহাৰ কৰিব লাগিব আৰু দুৰ্বলতা জয় কৰিব লাগিব। অসমীয়া মানুহৰ সাহস যেনেকৈ আছে দুৰ্বলতাও তেনেকৈ আছে। কাৰণ মই মোৰ অসমক ভালকৈ জানো (for I know my Assam)।" আকৌ শ্ৰীভাগৱতী আৰু শ্ৰীচৌধুৰীয়ে ক'লে "আপোনাৰ শুভ-আশীৰ্বাদ লাভ কৰিলে আমি আনকি কংগ্ৰেছবৰ্বা এলাই দিয়ো ৰক্ষা দিব পাৰো।"

গান্ধীজীয়ে এই কথা লক্ষ্য কৰিছিল যে ১৯৩৯ চনত যেতিয়া কংগ্ৰেছে মন্ত্ৰীসভা ত্যাগ কৰাৰ কথা ওলাইছিল তেতিয়া অসমৰ বিশেষ অৱস্থাৰ কথা ভাবি সুভাষচন্দ্ৰ বসুৱে অসমে মন্ত্ৰীসভা ত্যাগ কৰা উচিত নহয় বুলি এক প্ৰতিবাদ তুলিছিল। "তেতিয়া মই বৰদলৈক কৈছিলো যে যদিও মই নিজেই সেই মন্ত্ৰীত্ব বৰ্জনৰ আঁচনি কৰিছিলো তথাপি মই সুভাষ বসুৰ কথাত যথেষ্ট যুক্তিযুক্ততা দেখিছিলো। আৰু মই কৈছিলো যে উচিত যেন নেদেখিলে অসমে মন্ত্ৰীসভা পৰিত্যাগ কৰিব নালাগে। কিন্তু অসমে তেতিয়া মন্ত্ৰীত্ব পৰিহাৰ নকৰিলে। এইটো অসমে ভুল কৰিলে।"

মৌলানা আজাদে অসমৰ কাৰণে স্বকীয়া ব্যৱস্থা কৰিব নোৱাৰি বুলি কৰা আপত্তিৰ কথা দৰ্শাই তেতিয়া অসমৰ প্ৰতিনিধি দুজনে ইয়াৰ যুক্তি দেখুৱালে। গান্ধীজীয়ে আকৌ ক'লে, "এই ক্ষেত্ৰত অসমৰ কাৰণে কোনো

সুকীয়া ব্যৱস্থা কৰাৰ প্ৰশ্ন উঠা নাছিল। মানুহে ক'লেহেঁতেন—'অসমে কংগ্ৰেছৰ বিৰুদ্ধে ভদ্ৰভাৱে বিদ্ৰোহ কৰিলে।' কিন্তু দাসত্বসুলভ মনোবৃত্তিৰে আমাৰ মানুহৰ মন ভৰা। মানুহে ভাবে যে তেওঁলোকে যদি কংগ্ৰেছক দাসৰদৰে অনুকৰণ নকৰে, তেন্তে তেওঁলোকে নিজৰ নাইবা কংগ্ৰেছৰ প্ৰতি ভুল কৰা হ'ব। মই আগতেই কৈছিলো যে অন্যায় হ'লে এখন প্ৰদেশে কিয় এজন ব্যক্তিয়েও কংগ্ৰেছৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰে আৰু সেই কাম কৰি কংগ্ৰেছৰ মঙ্গল সাধিব পাৰে। মই নিজেও সেই কাম কৰি আহিছো। কিছুমান সংঘৰ্ষ আৰু সংঘাতৰ সন্মুখীন নোহোৱাকৈ কংগ্ৰেছে বৰ্ত্তমান মৰ্যাদা লাভ কৰা নাই।" "তোমালোকৰ সাহপিত হ'বৰ কাৰণে আৰু তোমালোকৰ অন্তৰ কঠোৰ কৰিবৰ কাৰণে মই এই কথা কৈছো। তোমালোকে যদি এতিয়াই ঠিকমতে কামত নালাগা তেন্তে অসমৰ নাম লুমাব ( If you don't act correctly and now, Assam will be finished )। বৰদলৈক ক'বা, মই অস্থিৰতা অনুভৱ নকৰাকৈ থকা নাই। তাৰ বাবে মোৰ মন প্ৰস্তুত। অসমে নিজৰ অস্তিত্ব যেন বিলোপ নকৰে। সমগ্ৰ বিশ্বৰ বিৰুদ্ধে থিয় দিও অসমে নিজৰ অস্তিত্ব ৰক্ষা কৰিব লাগিব। নচেৎ মই ক'ম যে অসমত কেৱল বাওনাহে আছে, মানুহ নাই ( Else I will say that Assam had only manikins and no men )। বঙ্গদেশে অসমৰ ওপৰত যে প্ৰভুত্ব বিস্তাৰ কৰিব পাৰে ই এটা অভাৱনীয় কথা।" প্ৰতিনিধি দুজনে আকৌ গান্ধীজীক সুধিলে যে তেওঁলোকে মহাত্মাৰপৰা আশীৰ্বাদ লৈ কংগ্ৰেছৰ বিৰুদ্ধে এই বিদ্ৰোহ আৰম্ভ কৰিছে বুলি দেশৰ জনসাধাৰণক ক'ব পাৰিবনে ? গান্ধীজীয়ে উত্তৰ দিলে, "ভগৱানৰপৰা আশীৰ্বাদ পাইছো বুলি ক'বা। ভগৱানৰ আশীৰ্বাদ পৰম সম্পদ। আৰু তোমালোকৰ জনসাধাৰণক ক'বা যে স্বয়ং গান্ধীয়ে ক'লেও আমি আমাৰ কৰ্তব্য পথৰপৰা বিচ্যুত নহওঁ।"

মহাত্মাৰ বাণীত অসমীয়া ৰাইজে অফুৰন্ত প্ৰেৰণা আৰু অদম্য সাহস লাভ কৰিলে। অসমৰ কংগ্ৰেছ কৰ্মীসকল কৰ্মক্ষেত্ৰত অধিক তৎপৰ হৈ পৰিল। বৰদলৈ ডাঙৰীয়াই উদ্দীপ্ত আৰু দৃঢ় কণ্ঠে ঘোষণা কৰিলে যে অসমে চেক্সন বা শাখা পৰিষদত কোনোপধ্যেই যোগ নিদিয়ে আৰু বঙ্গদেশৰ লগত গোট নাবান্ধে। তেতিয়া আৰু নানা কাৰণত গ্ৰুপিং প্ৰথা তল পৰিল।

গণ পৰিষদৰ সংবিধানৰ ৬ষ্ঠ সূচীৰ প্ৰণয়ন কৰাটো বৰদলৈদেৱৰ এটা স্মৰণীয় কৃতিত্ব। দুৰ্ভাগ্যবশতঃ ৬ষ্ঠ সূচী কাৰ্যত আন্তৰিকতাৰে খটাই তাৰ শুভাশুভ ফল পোৱাৰ কোনো প্ৰমাণ পোৱা নহ'ল। সেয়ে হ'লেও বৰদলৈৰ মেধা আৰু দীৰ্ঘদৃষ্টিৰ ই এটা চমৎকাৰ নিদৰ্শন। অসমৰ দুৰ্ভাগ্য যে বৰদলৈক বেছিদিন নাপালে। বৰদলৈদেৱে দীৰ্ঘদিন মুখ্যমন্ত্ৰীত্ব কৰিবলৈ জীয়াই থকা হ'লে এতিয়া যেনেকৈ অসম খণ্ড বিখণ্ড হ'ল, অসমৰ তেনেকুৱা অৱস্থা হ'ল-হেতেন নে নাই, সি ইতিহাসত 'হেতেন' হৈয়ে ৰ'ল।

# লোকপ্ৰিয় গোপীনাথ বৰদলৈ

হেম বৰুৱা

স্বাধীনতা ৰণত জপিয়াইপৰা ভাৰতীয় ৰাষ্ট্ৰনায়কসকলক আগতে দূৰৈৰ-পৰা বৰ বৰ ফুলৰ মালা পিন্ধি ৰাজহুৱা সভাত বক্তৃতা দিয়া দেখিছিলো। সান্নিধ্যলৈ আহিবলৈ সুবিধা পোৱা নাছিলো। এইষাৰ কথা ভাৰতীয় প্ৰায়বোৰ নেতাৰ ক্ষেত্ৰতে খাটে। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ ক্ষেত্ৰতো এইষাৰ কথা প্ৰয়োগ কৰিব পাৰি। এইজনাৰ সান্নিধ্যলৈ অহাৰ সুবিধা পাইছিলো বিয়াল্লিছ চনৰ জেল-জীৱনৰ জৰিয়তে। তাৰ পিছত পাইছিলো মানুহজন যেতিয়া অসমৰ প্ৰধানমন্ত্ৰী হয়, তেতিয়া। সেই সময়ত প্ৰদেশৰ প্ৰশাসনীয় গুৰিয়ালসকল মুখ্যমন্ত্ৰী বুলি জনাজাত নাছিল, সেইসকলক প্ৰধান মন্ত্ৰীহে বোলা হৈছিল। এই কাৰণেই লোকপ্ৰিয় বৰদলৈকো প্ৰধানমন্ত্ৰী বুলি জনা গৈছিল।

অসমখন এখন সমস্যাৰে ভৰপূৰ প্ৰদেশ। এনে এখন প্ৰদেশৰে লোক-প্ৰিয় বৰদলৈ ডাঙৰীয়া প্ৰধানমন্ত্ৰী হৈছিল। সেই সময়ত ভাৰতলৈ বৃটিছ কেবিনেট মিছন আহিছিল। এওঁলোকে অসমকো মিষ্টাৰ জিন্নাৰ প্ৰস্তাব অনুসৰি গ্ৰুপিঙত অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছিল। এই গ্ৰুপিঙৰ প্ৰস্তাবে উথল-মাথলৰ সৃষ্টি কৰিছিল। দেশত প্ৰবল বিৰোধিতা হৈছিল। অসমৰ এই বিৰোধিতাৰ নেতৃত্ব কৰিছিল, লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই। ইয়েই এইজনাৰ জনপ্ৰিয়তাৰ সঁচাৰ কাঠি। কংগ্ৰেছ ৱৰ্কিং কমিটিত এজন সৰ্ব-ভাৰতীয় নেতাই যেতিয়া স্বাধীনতা পোৱাৰ আশাত গ্ৰুপিঙক সমৰ্থন জনাইছিল, তেতিয়া লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই আমাৰ আগত এইজন নেতাক 'মূৰ্খ' বুলি অভিহিত কৰিছিল। গ্ৰুপিঙৰ বিৰোধিতা কৰি বৰদলৈ ডাঙৰীয়াই কেনেকৈ যুঁজিছিল, ই বুৰঞ্জীৰ এক মনোৰম অধ্যায়।

আমাৰ মনত আছে, বিৰাট এক শোভাযাত্ৰা তেখেতৰ কুকুৰমুত্তাৰ ঘৰ পাইছিলহি। সেই শোভাযাত্ৰাত আমাৰ নেতৃবৰ্গই বৰদলৈ ডাঙৰীয়াক কথাবাৰ বিতংভাৱে কৈছিল। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়ায়ো গ্ৰুপিং আৰু সৰ্বভাৰতীয় নেতৃবৰ্গৰ বিষয়ে আমাক বুজাই কৈছিল

অসমখন নানাবৰণীয়া জাতিৰে গুঠা তোলা এখন দলিচা। এইসকলৰ মাজত সম্প্ৰীতিৰ ভাব দৃঢ়কৈ সিঁচি সমাজখন নিৰাময় কৰিব পৰাৰ ওপৰতে বহুতখিনি প্ৰশাসনীয় কৃতকাৰ্যতা নিৰ্ভৰ কৰে। অসমত বহুতো জনজাতীয় মানুহ আছে। এইসকলৰ মাজত ভৈয়ামৰ সৈতে ঐক্য স্থাপন কৰি মিলা প্ৰীতি আনিব পৰাৰ ওপৰত দেশৰ নেতাস্বৰূপে বহুতখিনি কথা নিৰ্ভৰ কৰে এই কাম আহোম ৰজাসকলে পাৰিছিল। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়ায়ো পাৰিছিল। ডাঙৰ ডাঙৰ কলাফুল আৰু চুটি নাকেৰে বৰদলৈ ডাঙৰীয়াক দেখিলে এজন পৰ্বতীয়া গাম যেন লাগিছিল। এই কাৰণেই মানুহজন জনজাতীয় সমাজত ইমান জনপ্ৰিয় আছিল। মানুহজনৰ মৃত্যুৰ বাতৰি শুনাৰ লগে লগে সমগ্ৰ জাতিটো জঁই পৰাৰ দৰে জনজাতীয় সমাজো জঁই পৰিছিল। সেইদিনা সকলোৱে ভাবিছিল, আজি দেশৰ কিবা অন্ধকাৰ যুগ। এই ভাব পোন্ধৰ আগষ্ট, বৰদলৈ ডাঙৰীয়াৰ আদ্যশ্ৰাদ্ধৰ দিনা অধিক প্ৰকট হয়।

লোকপ্ৰিয় বৰদলৈ এজন সম্পূৰ্ণ ব্যক্তি আছিল। ৰাজনীতিত থকা বহুতো মানুহে সঙ্গীত, অভিনয় বা খেল ধেমালিৰ প্ৰতি কোনো অনুৰাগ নাৰাখে। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই কিন্তু ৰাখিছিল। এইজনাই বিয়াল্লিছ চনৰ জেল জীৱনত গোৱা বৰগীত আজিও শ্ৰোতাৰ কাণত বাজি আছে। এখেতে অভিনয়ো কৰিছিল। কলেজত পঢ়াৰ দিনতে জুলিয়াছ চীজাৰৰ 'এণ্টনি'ৰ ভাও লৈছিল। এইবাৰ কথা আমাক অধ্যাপক পি, চি, ৰয় মহোদয়ে অনাৰ্চ শ্ৰেণীত কৈছিল। এইদৰে মানুহজনে মঞ্চত ঠাই পোৱাৰ উদাহৰণ বহুতো আছে। আগতে কৈছো, মানুহজনৰ খেল ধেমালিৰ প্ৰতি অনুৰাগ আছিল বুলি। কলেজত পঢ়ি থকা অৱস্থাতে মানুহজনে কলিকতাত ক্ৰিকেট খেলিছিল। প্ৰধানমন্ত্ৰী হৈ থাকোতেও বাতৰি কাকতখন হাততপৰা মাত্ৰকে আগতে দিনৌ খেল-ধেমালিৰ পৃষ্ঠাটোহে চাইছিল। মানুহজনৰ মৃত্যুৰ পিছত "ক্ৰিকেটিয়াৰ ইন্ পলিটিক্স" বোলা এটা প্ৰবন্ধ লেখি অমৃত বাজাৰ পত্ৰিকাত প্ৰকাশ কৰিছিলো। এই প্ৰবন্ধটো বৰদলৈ ডাঙৰীয়াই চাইচিতি দিছিল। তাত মই

ভেখেতক 'অকলশৰীয়া' বোলোতে দাঁতিত যোগ দিছিল, "অকলশৰীয়া সঁচা কথা, যদিও কংগ্ৰেছ অনুষ্ঠানক মই জীৱন জুৰি সেৱা কৰিছিলো।"

মানুহজন অল্পভাষী আছিল। অভিজ্ঞতাৰ পিনৰপৰা মানুহজন পুৰঠ আছিল। সেই কাৰণে মানুহজনৰ সৈতে কথা পাতি ভাল লাগিছিল। সঁচা কথা, মানুহজনে মাজে মাজে গোজৰি উঠিছিল। সাগৰত গোজৰণি উঠিলেও ই যেনেকৈ প্ৰশান্ত, লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াইও সেইদৰে প্ৰশান্ত আছিল। এই কাৰণেই মানুহজনক সকলো শ্ৰেণীৰ মানুহে ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল।

অসমৰ সমস্যা আৰু বৰদলৈৰ সমস্যা একে আছিল। এইজনাৰ কোনো ঘৰুৱা কথা নাছিল। এই কাৰণেই বৰদলৈৰ মৃত্যুৰ পিছত চৰ্দাৰ পেটেলে বৰদলৈৰ বিষয়ে এইদৰে কৈছিল:

"It is difficult to think of Assam without Gopinath Bardoloi. He had identified himself with the interest of his State, and for years the political life had so much intermingled with his great personality that we had come to think of those two entities being always synonymous."

লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই দাৰিদ্ৰ্য কি বস্তু জানিছিল। সেই কাৰণেই নিজৰ আদৰ্শৰপৰা অকণো লৰচৰ নকৰাকৈ আছিল। এইজনাৰ বিশ্বাস আছিল অটল। আৰু এই কাৰণেই সম্ভৱতঃ লুটি-বাগৰ মানুহজনে মাৰিব নাজানিছিল। নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে লুটি-বাগৰ মৰা মানুহক বৰদলৈ ডাঙৰীয়াই সমূলঞ্চে দেখিব নোৱাৰিছিল। মানুজনে কেতিয়াও কাকো ব্যক্তিগত আলোচনাতো কটু সমালোচনা নকৰিছিল। এদিন এই বিষয়ে আলোচনা প্ৰসঙ্গত মানুহজনে লিন্ উটাঙৰপৰা উদ্ধৃতি দি কৈছিল: "তুমি নিজে সেই অৱস্থাত পৰিলে ধীৰে সুস্থিৰে অন্যৰূপে ব্যৱহাৰ কৰিব পাৰিলেহে আনক নোৱাৰাৰ কাৰণে সমালোচনা কৰিবা।" মানুহজনৰ জীৱনাদৰ্শ গান্ধীজীৰ দৰ্শনে আৰু গীতা অধ্যয়নে সাঁচ দিছিল। নিজকে গান্ধীবাদী বুলি জয়ঢোল কোবাই ফুৰা বিধৰ নাছিল যদিও মানুহজন যে প্ৰকৃততে গান্ধীদৰ্শনৰ দ্বাৰা আপ্লুত হৈছিল, সেইবিষয়ে সন্দেহ নাই। এইজনাৰ দেশপ্ৰেম আৰু মানৱপ্ৰেম, এই দুটা বস্তুৱে গঢ় দিছিল। মৃত্যুৰ কেইদিনমান আগতে বৰদলৈ ডাঙৰীয়াই

সৰগৰ দুৱাৰমুখত গান্ধীজীয়ে যেন থিয় হৈ তেওঁক হাত বাউল দি মাতিছে, এই ধৰণেৰে সপোন দেখিছিল। এয়ে আদি আৰু এয়ে অন্ত। ইয়াৰ পিছত পাঁচ আগষ্ট তাৰিখে পুৱাই মানুহজনৰ মৃত্যুৰ বাতৰি গুৱাহাটী চহৰত বিয়পি পৰিল। তেখেতৰ উলুবাৰীৰ ঘৰ মানুহেৰে উপচি পৰিল। ক'তো ৰিৰ দি বাট পাবলৈ নোহোৱা হ'ল।

গান্ধীজীৰ প্ৰকৃত শিষ্য স্বৰূপে অসমৰ প্ৰধান মন্ত্ৰী হৈয়ে মানুহজনে কানি বৰ বিহ সমাজৰপৰা নিৰ্মূল কৰিবলৈ যত্ন কৰিছিল। এইবিষয়ে বৰদলৈ ডাঙৰীয়াৰ গান্ধীজীৰ লগত হোৱা চিঠি-পত্ৰৰ আদান-প্ৰদান আত্ম প্ৰকাশক। এই চেষ্টাৰ ফলতেই আমাৰ সমাজৰপৰা কানি খোৱা প্ৰচলন উঠি যায়।

সেইদৰে লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ শিক্ষাৰ প্ৰতি আগ্ৰহো যথেষ্ট আছিল। বিশ্ববিদ্যালয়ৰ কাৰণে ধন সংগ্ৰহ কৰি ফুৰোতে মাজুলীত কেনেকৈ স্বৰ্গীয় মাধব বেজবৰুৱাৰপৰা 'চিনেট'ৰ অসমীয়া প্ৰতিশব্দ শিকিলৈ ব্যৱহাৰ কৰিছিল, সেই বিষয়ে সকলোৱে জানে। বৰদলৈ ডাঙৰীয়া গুৱাহাটীত বিশ্ব-বিদ্যালয় এটা স্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। লগত কেইজনমান উদীয়মান ডেকাক লৈ বিশ্ববিদ্যালয়ৰ কাৰণে অৰ্থসংগ্ৰহ কৰি ফুৰা কথাষাৰ আমি নিজে জানো। অসমৰ বিশ্ববিদ্যালয়ে কেনে ৰূপ লোৱা উচিত, সেই বিষয়েও মানুহজনৰ স্পষ্ট ধাৰণা আছিল। এই ধাৰণা সভাই সমিতিয়ে বক্তৃতা দিওঁতে ব্যক্তও কৰিছিল। বিশ্ববিদ্যালয় এইজনাৰ মতে হ'ব লাগিব চহৰৰ কোলাহলৰপৰা আঁতৰত। ইয়াৰ পৰিবেশ হ'ব লাগিব শান্ত, স্নিগ্ধ আৰু নিৰ্জন। এই আদৰ্শ অনুসাৰে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হৈছে। কেৱল বিশ্ববিদ্যা-লয়েই নহয়, উচ্চ শিক্ষাৰ মাধ্যম আনবোৰ অনুষ্ঠানৰ কাৰণে মানুহজনে বৰ চেষ্টা কৰিছিল। বি বৰুৱা কলেজৰ কাৰণে আৰু অন্যান্য উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়োতে মানুহজনে কেনেভাবে যত্ন কৰিছিল, সকলোৱে জানে। আনকি অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী হওঁতেও শিক্ষা বিভাগটো নিজৰ হাতত ৰাখিছিল।

এইদৰে সকলো ক্ষেত্ৰত অসমৰ সমস্যাসমূহৰ কথা চিন্তা কৰিছিল আৰু সমাধানৰ নিৰ্দেশো আগবঢ়াইছিল। অসমত থাকুৰাতেলকে আৰম্ভ কৰি শিল্পজাত বস্তুৰ কাৰণে কেঁচামাল বহুতো আছে। এইবোৰৰ উপযুক্ত প্ৰযোগ কৰি অসমখন সমৃদ্ধিশালী কৰিবলৈ এইজনাই কেন্দ্ৰৰ ওচৰত প্ৰস্তাৱ দাঙি ধৰিছিল। সেইদৰে কাম কৰা হ'লে আজিৰ পেট্ৰলিয়াম আৰু ৰসায়নৰ মন্ত্ৰীত্ব

কেন্দ্ৰৰ হাতত নাথাকিলহেতেন, প্ৰদেশৰ হাততহে থাকিলহেতেন। তেতিয়াহলে আজিৰদৰে প্ৰদেশবোৰক স্বায়ত্ত শাসন দিয়া প্ৰশ্ন নুঠিলহেতেন।

কোনো কোনোৱে এইষাৰ কথাৰ বাবে লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই ভাৰতৰ মানচিত্ৰখন ডোখৰ ডোখৰ কৰিব খুজিছিল বুলি কোৱা শুনিছোঁ। দকৈ ভাবি চাবলৈ গ'লে ইয়াৰ দ্বাৰা ভাৰতৰ সংহতি নষ্ট নহয়। ভাৰতৰ সংহতি ৰক্ষা কৰিবলৈ হ'লে আমি আন কিছুমান বস্তুৰ ওপৰত গুৰুত্ব দিব লাগিব। এইষাৰ কথা সকলোৱে জানে। গতিকে পুনৰ দোহাৰি প্ৰবন্ধৰ আকাৰ বঢ়াব খোজা নাই। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া মানুহজনে যেনে সৰল আছিল, তেনে সৰলতা তেওঁৰ সাজপাৰতো পৰিস্ফুট হৈছিল। মানুহজনে সদায়েই শুধবগা খদ্দৰৰ কাপোৰ পিন্ধিছিল। জাৰৰ দিনত সেইদৰে গাতো আছিল বগা চাদৰহে। ভৰিত আছিল বগা টেনিছজোতা। মানুহজনক দেখিলে খেলুৱৈই যেন লাগিছিল। সঁচাকৈয়ে বৰদলৈ ডাঙৰীয়া ৰাজনীতিতো একপ্ৰকাৰ খেলুৱৈয়ে আছিল। খেলুৱৈৰ দৰে সৰলতা আৰু উদাৰতা। এই উদাৰতাই মানুজনক মহত্ব দিছিল। সেইকাৰণেই মানুহজনৰ মৃত্যুৰ দিনা দেশ জুৰি শ্ৰদ্ধাৰ নৈ বৈছিল।

লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া জনপ্ৰিয়তা বিচাৰি হামবাও কাঢ়ি ফুৰা বিধৰ নাছিল। কামৰ জৰিয়তে যদি জনপ্ৰিয়তা আহিছিল, তেন্তে তেনে জনপ্ৰিয়তাক আকোৱালি লৈছিল। জনপ্ৰিয়তা বিচাৰি কোনো কামকে বৰদলৈ ডাঙৰীয়াই কৰা নাছিল। এইখিনিতে মোৰ ডক্তৰ জনছনৰ জীৱনী লেখক বছ্ৱেলৰ অতি মনোৰম কথা এফাকি মনত পৰিছে ঃ

"Popularity is a crime from the moment it is sought. It is only a virtue when men have it whether they will or no."

বৰদলৈৰ বিষয়ে সাক্ষাত প্ৰসঙ্গৰ জৰিয়তে বম্বেৰ বিখ্যাত সাংবাদিক তেলিয়াৰ খাঁই বৰ সুন্দৰ প্ৰৱন্ধ এটা লেখিছে। এই প্ৰৱন্ধটোও মানুহজনক 'অসম অৰণ্যৰ সিংহ' বুলি বৰ্ণাইছে। গ্ৰুপিঙৰ সময়ত এইজনাই যি সিংহ-বিক্ৰমৰ পৰিচয় দিলে, সেই পৰিচয়ে কেৱল অসমৰ মানুহকে নহয়, ভাৰতৰ মানুহকো তবধ মনাইছিল। এইকাৰণেই কবি চুইণবাৰ্ণৰ ভাষাতে মানুহজনৰ বিষয়ে ক'বলৈ মন গৈছে ঃ

"Have we not men with us royal
Men the masters of things ?"

লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া আজি আমাৰ মাজত নাই। এইজনাৰ সিংহ-বিক্ৰমে প্ৰত্যেকজন অসমীয়াকে ন্যায়ৰ কাৰণে যুঁজিবলৈ উদ্‌গনি যোগাব নিশ্চয়।

লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া আমাৰ পৰ্বতীয়া জনজাতিৰ মাজত অশেষ জনপ্ৰিয় আছিল। ইয়াৰ ঘাই কাৰণ হৈছে মানুহজনৰ সংবেদনশীল আৰু সহানুভূতিশীল দৃষ্টিভঙ্গী। এইজনা আমাৰ সংবিধান ৰচনা কৰোঁতে সেই পৰিষদৰ পাহাৰী অঞ্চলৰ প্ৰতিনিধি আছিল। এইজনাই আগবঢ়োৱা পৰামৰ্শৱলী ভাৰতীয় পৰিষদে গ্ৰহণ কৰি সুদূৰপ্ৰসাৰী দৃষ্টিভঙ্গীৰ পৰিচয় দিছে। এইজনা অসমৰ সমস্যাসমূহ দিল্লীত উত্থাপন কৰাৰ ক্ষেত্ৰত সিদ্ধহস্ত আছিল। এইকাৰণে কোনো কোনো সময়ত মিষ্টাৰ নেহেৰুৰ সৈতে মতানৈক্যও হৈছিল। সেইবুলি এই মতানৈক্য খন্তেকীয়া।

# স্বাধীনতা যুগৰ শ্ৰেষ্ঠ ৰাজপুৰুষ

## কাকাচাহেব কালেলকৰ

গোপীনাথ বৰদলৈ স্বাধীনতা যুগৰ এগৰাকী শ্ৰেষ্ঠ ৰাজপুৰুষ আছিল। বহু বছৰ তেখেতৰ লগত মোৰ বৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। এই দীৰ্ঘকাল সান্নিধ্যত থাকিও বৰদলৈৰ কোনো ধৰণৰ হীন মনোবৃত্তি নাইবা হীন চিন্তা-ধাৰা মই কেতিয়াও দেখা পোৱা নাছিলোঁ। নিজৰ মানুহৰ প্ৰতি তেখেতৰ সহৃদয়তা অসাধাৰণ আছিলেই, বিৰোধী পক্ষৰ মানুহৰ প্ৰতিও তেখেতৰ মনত উদাৰতা আছিল। ইংৰাজ চৰকাৰৰ লগত সম্বন্ধ হোৱাৰ পিছতো নিজৰ গৌৰৱ, নিজৰ তেজস্বিতা আৰু ৰাষ্ট্ৰৰ সন্মান তেখেতে অৱনমিত হ'বলৈ দিয়া নাছিল আৰু এই কাৰণে মহাত্মাজীৰ বৰদলৈৰ প্ৰতি বৰ শ্ৰদ্ধা আছিল। বৰদলৈ অকল ৰাজনীতিৰে মানুহ নাছিল, ভাৰতীয় সংস্কৃতি আৰু ভাৰতীয় দৰ্শনৰ প্ৰতি তেখেতৰ গভীৰ নিষ্ঠা আছিল। তেখেতে সাহিত্যৰ শক্তিৰ কথা জানিছিল আৰু সাহিত্যৰ জৰিয়তে তেখেতে ৰাইজলৈ সেৱা আগবঢ়াইছিল।

বঙ্গ আৰু অসমৰ মাজত আগতে কিছু অৰিয়াঅৰি ভাব থকা কথাটো মোৰ ভালদৰে জনা আছিল। গতিকে বঙালীসকলৰ প্ৰতি বৰদলৈৰ মনতো কৰবাত যদি কটুতাৰ ভাবো থাকিলেহেঁতেন, তাকো মই ক্ষমনীয় বুলি মানি ললোঁহেঁতেন। কিন্তু বহুদিনীয়া পৰিচয়ৰপৰা মই এই কথা স্পষ্টকৈ ক'ব পাৰোঁ যে বৰদলৈৰ মনত বঙালীসকলৰ প্ৰতি কটুতা নাইবা ভেদ ভাব লেশমাত্ৰ নাছিল। তেখেত যেতিয়া অসমৰ প্ৰধানমন্ত্ৰী হ'ল, মই দেখা পাই-ছিলোঁ। চাৰ 'আকবৰ হাইদৰী আৰু শ্ৰীশ্ৰীপ্ৰকাশ ডাঙৰীয়া দুজনেই বৰদলৈৰ নিঃস্বাৰ্থ সেৱা, উজ্জ্বল দেশভক্তি আৰু ৰাজনৈতিক দূৰদৰ্শিতাৰ বাবে তেখেতক যথেষ্ট সন্মান কৰিছিল। ৰাইজৰ প্ৰতিনিধিৰ অধিকাৰ সম্বন্ধে বৰদলৈ সদায় সজাগ আৰু সতৰ্ক আছিল, এই কথাও মোৰ চকুত নপৰাকৈ

নাছিল। ৰাজ্যৰ প্ৰধানমন্ত্ৰী হোৱা বাবে তেখেতে নিজৰ অধিকাৰসমূহ বৰ সতৰ্কতাৰে ৰক্ষা কৰিছিল।

ৰাষ্ট্ৰভাষা প্ৰচাৰ সম্পৰ্কত বহুবাৰ মই অসমলৈ যাবলগীয়া হৈছে। এই কাৰ্যতো বৰদলৈৰপৰা মই সদায় আন্তৰিক সহায় সহযোগ পাইছিলোঁ। পাকিস্থানৰ ওচৰ-চুবুৰীয়া ৰাজ্য হোৱা বাবে অসমৰ ৰাইজেও হিন্দী আৰু উৰ্দু দুয়ো ভাষাৰ লগত ভালকৈ চিনাকি হোৱা প্ৰয়োজন বুলি তেখেতে জানিছিল।

অসমৰ সাহিত্য-বিকাশৰ বাবেও তেখেতৰ পূৰ্ণ আগ্ৰহ আছিল। আৰম্ভণিৰে-পৰা তেখেতে অসমৰ বাবে এটি স্বতন্ত্ৰ বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলন চলাইছিল। অসমৰ প্ৰশাসন সঞ্চালনৰ কামতকৈয়ো অসম বিশ্ববিদ্যালয়ৰ কাম তেখেতৰ মতে বেছি মহত্বপূৰ্ণ আছিল।

সকলোৱে এই কথা জানে যে মহাত্মাজীয়ে আগৰেপৰা ভাষাভিত্তিক ৰাজ্য গঠনত উৎসাহ দিছিল। দেশৰ প্ৰতিটো প্ৰধান ভাষাৰে একোখনকৈ স্বকীয়া বিশ্ববিদ্যালয় হোৱাটো তেখেতে বাঞ্ছা কৰিছিল কিন্তু আজিকালি বিশ্ববিদ্যালয়সমূহ যি পদ্ধতিত স্থাপন কৰা হয়, সেই বিষয়ে মহাত্মাজীৰ মনত বৰ অসন্তুষ্টি আছিল। অসম বিশ্ববিদ্যালয়ৰ কথা প্ৰসঙ্গত মই কেবাবাৰো উক্ত বিষয়ে তেখেতৰ লগত আলোচনা কৰিছিলোঁ। গান্ধীজীয়ে কৈছিল, অসম বিশ্ববিদ্যালয়খন সাধাৰণভাৱে সংগঠিত হ'লে সি কলিকতা বিশ্ববিদ্যা-লয়ৰ 'ব্লটিং পেপাৰ কপি'হে হ'ব। কলিকতা বিশ্ববিদ্যালয়ৰ বিশেষত্বসমূহ গ্ৰহণ কৰা সহজসাধ্য নহ'ব কিন্তু তাৰ বেয়া গুণবোৰৰ অনুসৰণ সহজতে হ'ব। বিৰোধী মনোবৃত্তিৰ বিদ্বানসকলে শকত দৰমহা ল'ব আৰু ইংৰাজীৰ জৰিয়তে সকলো কাম কাজ চলাব। অসমীয়া সাহিত্য সেৱা তেওঁলোকে কম বেছি পৰিমাণে কৰিব সচাঁ কিন্তু সেয়া অসমীয়া ভাষাৰ প্ৰতি শ্ৰদ্ধা-ভক্তিৰ ভাবত নহয়, পেটনেচ্ বা পোহ-পাল দিয়াৰ ভাবতহে কৰিব। তেওঁ-লোকে অসমীয়া ভাষাক নিজ প্ৰদেশৰ ৰাণী কৰি নলব, তাক ইংৰাজীৰ চৰণ-সেৱিকা কৰিহে ৰাখিব। এনে ধৰণৰ বিশ্ববিদ্যালয় স্থাপনৰ বাবে খৰধৰ কৰা হৈছে কিয়? আগতে ৰাইজৰ শক্তি বৃদ্ধি পাবলৈ দিয়া, তাৰ পিছত বিশ্ববিদ্যালয়ৰ কথা ভবা হ'ব।

মই ক'লোঁ—বৰ্তমানে অসম ৰাজ্যখন কলিকতা বিশ্ববিদ্যালয়ৰ অধীন হৈ আছে, তেওঁলোক স্বতন্ত্ৰ হ'ব বিচাৰিছে।

ইয়াৰ পিছত বৰদলৈ ডাঙৰীয়াই মহাত্মাজীক সুধিলে, উপাচাৰ্য হিচাপে আপুনি 'কাকা'ক দিব পাৰিবনে?

মই মহাত্মাজীক কলোঁ -অসমৰ প্ৰতি মোৰ মৰম আছে, অসমৰ সেৱা কৰিবলৈ মই সাজু। কিন্তু উপাচাৰ্য অসম প্ৰদেশৰে কোনোবা যোগ্য ব্যক্তি হোৱা প্ৰয়োজন। বাহিৰৰ কোনো ব্যক্তি অসম প্ৰদেশৰ বাবে অনুকূল নহ'ব।

মহাত্মাজীয়ে ক'লে—তোমাৰ কথা সচাঁ। অসম প্ৰদেশৰ সাংস্কৃতিক আৰু শিক্ষাগত বিকাশ কৰাটো যদি কাম্য হয়, তেন্তে গোপীনাথ বৰদলৈয়ে নিজে উপাচাযৰ পদ গ্ৰহণ কৰাটো উচিত হ'ব। প্ৰদেশৰ প্ৰধানমন্ত্ৰী হোৱা সত্ত্বেও এই দায়িত্ব তেওঁহে গ্ৰহণ কৰা কাম্য। যদি তেখেতে উপাচাৰ্য পদ গ্ৰহণ কৰে, তেন্তে তুমি তেখেতক সহায় কৰিব পাৰা।

চাৰ আকবৰ হাইদৰীৰ লগত মোৰ আলাপ-আলোচনা হ'ল। তেখেতে পৰামৰ্শ দিলে, বৰদলৈৰ স্বাস্থ্য ভাল নহয়। তেখেতৰ ওপৰত অধিক বোজা চপাই দিয়া বিপদৰ কথা হ'ব।

বৰদলৈৰ স্বাস্থ্যৰ বিষয়ে আমি সকলো চিন্তিত আছিলোঁৱেই। মহাত্মাজীয়ে তেখেতক পুনালৈ মতাই আনি ডঃ দিনশ্বাহ মেহতাৰ হতুৱাই প্ৰাকৃতিক চিকিৎসা কৰোৱাৰ কথা ভাবিছিল। মহাত্মাজীয়ে তাৰ সকলো দায়িত্ব নিজৰ ওপৰতে লৈছিল। কিন্তু ইতিমধ্যে নিৰ্বাচনৰ দিন আহি পৰিল, বৰদলৈৰ সেৱাৰ অবিহনে অসম প্ৰদেশৰ ৰাজনীতিক সংগঠন হোৱা টান আছিল। গতিকে স্বাস্থ্যৰ কথা এফলীয়া কৰি বৰদলৈয়ে নিৰ্বাচনৰ আন্দোলনত লাগিব-লগীয়া হ'ল; ৰাজ্যৰ সংকট সমাধানৰ দায়িত্ব ল'বলগীয়া হ'ল। দেশ বিভাজনৰ ফলস্বৰূপে অসম প্ৰদেশখনৰ অৱস্থা বৰ জটিল হৈ উঠিল কিন্তু বৰদলৈ ডাঙৰীয়াই বৰ নিপুণতাৰে সকলো ৰক্ষা কৰিলে।

ভাৰত মাতৃৰ সৰ্বশ্ৰেষ্ঠ সুসন্তানসকলৰ মাজত বৰদলৈকো গণনা কৰা হৈছিল। অসম প্ৰদেশৰ বহুতো জটিল সমস্যা এনে ধৰণৰ আছিল যে তেখেতৰ অবিহনে আন কোনেও ভালদৰে চম্ভালিব নোৱাৰিলেহেঁতেন। এইটো

এই কাৰণেই সম্ভৱ হৈছিল যে তেখেতৰ ওপৰত সকলো মানুহৰে বিশ্বাস আছিল। ৰাজ্যৰ শাসন-পৰিচালনাৰ ক্ষেত্ৰ, সম্পূৰ্ণৰূপে জনকল্যাণৰ ওপৰতে নিজৰ একাগ্ৰতাময়ী দৃষ্টি ৰাখিব পাৰিছিল। ৰাজপদৰ মোহ তেখেতৰ অকণমানো নাছিল। কৰ্তব্যৰ খাতিৰতহে তেখেতে প্ৰধানমন্ত্ৰীৰ আসন গ্ৰহণ কৰিছিল। সেই পদ এৰি দিয়াৰ কথা তেখেতে কেইবাবাৰো ভাবিছিল। কিন্তু মহাত্মাজীয়ে দিয়া পৰামৰ্শ ৰক্ষাৰ বাবে তেখেতে ৰাজ্য-ভাৰ বহন কৰিছিল। তেখেতৰ স্বাস্থ্যৰ যাতে অৱনতি নহয়, সেই দৃষ্টিৰে গান্ধীজীয়ে তেখেতক যেতিয়া নতুন নিৰ্বাচনৰ কামত নোসোমাই নিজৰ স্বাস্থ্যৰ উন্নতিৰ বাবে চাৰি-পাঁচ মাহ সময় দিবলৈ পৰামৰ্শ দিলে, তেতিয়া অসমৰ ৰাইজে সেই নিৰ্দেশলৈ আওকাণ কৰি তেখেতক সেই ক্ষেত্ৰলৈ জোৰ কৰি লৈ আহিল।

বৰদলৈৰ প্ৰতি মহাত্মাজীৰ বৰ সন্মান আছিল। বৰদলৈয়ে অসহযোগ আন্দোলনৰ কালছোৱাত আৰু তাৰ পিছৰ পৰিস্থিতিতো ধীৰ গম্ভীৰ মনোভাবেৰে যি ধৰণে নিজৰ প্ৰদেশখনৰ ৰক্ষণাবেক্ষণ কৰিলে, গান্ধীজীয়ে তাক বৰ প্ৰশংসাৰ চকুৰে চাইছিল।

মোৰ সৈতে তেখেতৰ সম্পৰ্ক যিমান পুৰণি, সিমানে ঘনিষ্ঠও আছিল। কেইবাবাৰো আমি দুয়ো একেলগে বহি জটিল সমস্যাসমূহৰ আলোচনা কৰিছিলোঁ। অসম ৰাজ্যত অসমীয়া-বঙালী অৰিয়া-অৰি চলি থকা দিনত তেখেতে বৰ বেজাৰেৰে নিজৰ মনৰ কথাবোৰ মোৰ আগত প্ৰকাশ কৰিছিল, যাৰ ফলত মই দেখা পাইছিলোঁ যে বঙালীৰ বিৰুদ্ধে অসমীয়াৰ প্ৰতি পক্ষপাতিত্বৰ ভাব তেখেতৰ মনত বিন্দুমাত্ৰ নাছিল।

ৰাষ্ট্ৰভাষা সম্পৰ্কে তেখেতৰ চিন্তাধাৰা বৰ স্পষ্ট আছিল। তেখেতে এই কথা জানিছিল আৰু কৈছিল যে পূৰ্ব-পাকিস্থান ৰাষ্ট্ৰখন ওচৰত থকা বাবে উৰ্দু লিপি জনাটো অসমীয়া ৰাইজৰ বাবে উপযোগী আৰু প্ৰয়োজনীয়। যেতিয়া আন আন লোকে হিন্দুস্তানীৰ পক্ষ ত্যাগ কৰি গুচি গৈছিল, বৰদলৈ বৰ আগ্ৰহেৰে 'প্ৰান্তীয় হিন্দুস্তানী প্ৰচাৰ সভা'ৰ অধ্যক্ষ হ'ল। বিধান সভাৰ সিদ্ধান্ত অনুসৰি প্ৰাদেশিক চৰকাৰৰ নীতিসমূহ পৰিচালনা তেখেতেহে কৰিছিল, তথাপি আমাৰ সভাৰ কাৰ্যকলাপত তেখেতৰ শ্ৰদ্ধা

আৰু আগ্ৰহ কম নাছিল। তেখেতৰ মৃত্যুত অসম প্ৰদেশখনে হেৰুৱালে নিজৰ এজন সৰ্বোচ্চ সেৱক, আৰু ভাৰতমাতৃয়ে হেৰুৱালে এগৰাকী চৰিত্ৰ-বান নিষ্ঠাবান, মহামতি, দূৰদৰ্শী ৰাষ্ট্ৰপুৰুষ।

গান্ধীজীৰ সিদ্ধান্ত পূৰ্ণৰূপে অনুধাবন কৰি সেই অনুসৰি নিজৰ আৰু ৰাষ্ট্ৰীয় জীৱন গঠনৰ তৎপৰতা মুষ্টিমেয় যি কেইজনৰ মাজত পোৱা যায়, বৰদলৈৰ স্থান নিশ্চয় তেওঁলোকৰ মাজত আছিল। এগৰাকী শ্ৰেষ্ঠ বন্ধু হেৰুৱাৰ ফলত মই কিমান যে দুখ পালোঁ, তাৰ বৰ্ণনা ইয়াত কৰিব নোখোজোঁ।

বৰদলৈৰ মৃত্যুৰ পিছতে অসম প্ৰদেশত ভূমিকম্প হ'ল, নৈবোৰত প্ৰচণ্ড বানপানী আহিল আৰু ৰাইজৰ ক্ষয়-ক্ষতিৰ সীমা নাইকিয়া হ'ল। মই তেতিয়া অন্তৰত কলোঁ—হয়তো ভগবানে বৰদলৈক এই ভয়াবহ ঘটনাৰ বেদনাৰপৰা ৰক্ষা কৰিলে।

অসমত থকা আৰু বহুভাষী ৰাইজে বৰদলৈৰ যথাযোগ্য স্মাৰক নিৰ্মাণ কৰিব ইয়াত সন্দেহ নাই, কিন্তু বৰদলৈৰ দৰে নিঃস্বাৰ্থ সেৱা, উদাৰ বৃত্তি, আৰু সৰ্বকল্যাণকাৰী নীতিৰ পৰম্পৰা অসম প্ৰদেশত অক্ষুণ্ণ হৈ থাকক আৰু তাৰ উত্তৰোত্তৰ বিকাশ আৰু শ্ৰীবৃদ্ধি হওক—এয়ে হ'ব তেখেতৰ প্ৰকৃত স্মাৰক।

# গান্ধী যুগৰ শ্ৰেষ্ঠ প্ৰতিনিধি

## বিজয় চন্দ্ৰ ভাগৱতী

একো একোজন পুৰুষৰ জীৱনৰ লগত ইতিহাসৰ অবিচ্ছেদ্য সম্পৰ্ক গঢ়ি উঠে। তেওঁলোকৰ জীৱনৰ বিশেষ কোনো এটা সময়ৰ বিশেষ একোটা কামৰ পৰিণাম হিচাপে ইতিহাসৰ গতি নিৰূপিত হয়। ইতিহাসত ইয়েই তেওঁলোকক স্মৰণীয় কৰি ৰাখে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়া এনে এজন পুৰুষ। ১৯৪৬-৪৭ চনত বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বই ভাৰতৰ ৰাজনৈতিক ইতিহাসত এক বিশেষ মোৰ দিছিল। তেতিয়া বৃটিছ 'কেবিনেট মিছনে' সমষ্টি গঠনৰ (ভাৰতৰ প্ৰদেশ বিলাক 'ক' 'খ' আৰু 'গ' এই তিনটা সমষ্টি বা group ত বিভক্ত কৰাৰ) যি প্ৰস্তাৱ দাঙি ধৰিছিল, ভাৰতৰ স্বাধীনতাৰ কাৰণে অন্য কোনো কাৰ্যকৰী উপায় নাই বুলি ভাবি, ইয়াৰ অন্তৰ্নিহিত আসোঁৱাহ সত্বেও, সেই প্ৰস্তাৱ সেই সময়ৰ সৰ্বপ্ৰধান ৰাজনৈতিক দল কংগ্ৰেছ আৰু মুছলীম লীগে প্ৰায় মানি লওঁ লওঁ হৈছিল। বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত অসমে তাত প্ৰধানকৈ বাধা জন্মাইছিল। প্ৰস্তাৱিত অসম বঙ্গ সমষ্টিত ভুক্ত হ'বলৈ, অসমে অস্বীকাৰ কৰিছিল। অসম এছেম্বলীত সেই বিষয়ে এটা প্ৰস্তাৱো গ্ৰহণ কৰা হৈছিল। শেষত, মুছলীম লীগে সমষ্টি গঠনৰ আঁচনি প্ৰত্যাখ্যান কৰাৰ কাৰণ হিচাপে অসম এছেম্বলীৰ এই প্ৰস্তাৱৰ কথা বিশেষকৈ উল্লেখ কৰিছিল। মহাত্মা গান্ধীয়ে ১৯৪৬ চনৰ ১৫ ডিচেম্বৰত নোৱাখালীত দিয়া বিবৃতিৰ আগলৈকে কংগ্ৰেছৰ বেছিভাগ নেতাই সমষ্টি গঠনৰ প্ৰস্তাৱ মানি ল'বলৈ তৈয়াৰেই হৈছিল। তেওঁলোকে কেৱল সেই প্ৰস্তাৱৰ কোনো কোনো বিষয়ৰ তাৎপৰ্য সম্পৰ্কে 'ফেডাৰেল কোৰ্ট'ৰ ৰায় বিচাৰিছিল। সেই সন্ধিক্ষণত, মহাত্মা গান্ধীৰ আশীৰ্বাদ লৈ, বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত অসমে সমষ্টি গঠনৰ আঁচনিৰ বিৰুদ্ধে তীব্ৰ আন্দোলন নকৰা-হেঁতেন, হয়তো ভাৰতৰ ৰাজনীতিয়ে এক বিশেষ গতি ল'ব পাৰিলে হয়।

গান্ধীজীয়ে তেখেতৰ নোৱাখালীৰ বিবৃতিত কৈছিল: "I have told Bordoloi that if there is no clear guidance from the Congress Committee Assam should not go into sections. It should lodge its protest and retire from the Constituent Assembly.

"Rightly or wrongly, the Congress has come to the decision that it will stand by the judgement of the Federal Court. The dice are heavily loaded. The decision of the Federal Court will go against the Congress interpretation of 'Grouping' as far as I can make out for the single reason that the Cabinet has got the legal advice which upholds their decision.

The Federal Court is the creation of the British. It is a packed court. But to be consistent, the Congress must abide by its decision whatever it may be. If Assam keeps quiet, it is finished. No one can force Assam to do what it does not want to do."

অৱশেষত, সমষ্টি গঠনৰ প্ৰস্তাৱ নাকচ হ'ল। দেশ বিভাজনৰ ভিত্তিত, ভাৰতৰ স্বাধীনতাৰ আঁচনি কাৰ্যকৰী কৰা হ'ল। কাজেই, বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত সমষ্টি গঠনৰ প্ৰস্তাৱৰ বিৰুদ্ধে যি আন্দোলন হৈছিল, অকল অসমৰে নহয়—সি ভাৰতৰ ৰাজনৈতিক ইতিহাসৰ গতি নিৰূপক। সেই সময়ৰ ভাৰতৰ ৰাজনৈতিক ইতিহাস বুজিব লাগিলে, বৰদলৈ ডাঙৰীয়াৰ জীৱনৰ এইছোৱা বিশেষভাৱে আলোচনা কৰিবলগীয়া। লাভ-লোকচান কি হ'ল, নহ'ল, সেই সম্পৰ্কে তৰ্কৰ থল থাকিলেও, এই বিষয়ে কোনো সন্দেহ নাই যে অসমৰ সমষ্টি গঠনৰ বিৰোধী আন্দোলনৰ পটভূমিতহে, তাৰ পিছৰ অধ্যায়টোত ভাৰতৰ ইতিহাসৰ ধাৰা পৰিষ্কাৰ হ'ব।

বৰদলৈ ডাঙৰীয়াৰ জীৱনৰ আন এটা অধ্যায়ৰ কথাও বিশেষভাৱে উল্লেখযোগ্য। ই অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় ইতিহাসত বেলেগ এটা ৰূপ দিছিল। এই অৱস্থাটো বুজিবলৈ, তাৰ আগৰ অসমৰ অৱস্থালৈ এভুমুকি মৰা প্ৰয়োজন।

বৃটিছ শাসনৰ যুগত ভাৰতৰ অন্যান্য প্ৰদেশত স্বাধীনতা যুদ্ধত বিশেষ বিশেষ লোকসকল যোগ দি কাৰাবৰণ আদি কৰিছিল যদিও, সেই একেলগতে মধ্য আৰু নৰমপন্থী লোকসকলে বৃটিছৰ লগত সহযোগিতা কৰি, নিজৰ নিজৰ প্ৰদেশৰ সাধাৰণ কিছু উন্নয়নমূলক কাম কৰাত মন দিছিল। কিন্তু অসমত স্বাধীনতা যুদ্ধত যিসকলে যোগ দি ইংৰাজৰ লগত অসহযোগিতা কৰিছিল, তেওঁলোকৰ বাহিৰে মধ্য বা নৰমপন্থী ৰাজনৈতিক শ্ৰেণী এটা তেনেকৈ ওলোৱা নাছিল। সেইকাৰণে, ইংৰাজৰ শাসনৰ লগত সহযোগিতা কৰি আন প্ৰদেশত যি সামান্য উন্নয়নমূলক কাম হৈছিল, অসমত সিয়ো হ'ব পৰা নাছিল। বিশ্ব-বিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং স্কুল স্থাপনৰ দৰে সাধাৰণ আৰু প্ৰাথমিক কামবিলাকো হ'ব পৰা নাছিল। তদুপৰি, অসমত সাধাৰণভাৱে ইংৰাজৰ শাসন চলাৰ উপৰিও, ইংৰাজ চাহ খেতিয়কৰ ৰাজত্বও চলিছিল। ইয়াৰে পৰিণাম স্বৰূপে এনে অৱস্থা দেখা দিছিল যে, আনকি মণ্টেগু-চেমচ্‌ফৰ্ড শাসন-সংস্কাৰৰপৰা অসমক বাদ দি থব খোজা হৈছিল। সেই সময়ৰ অসমৰ সৰ্বপ্ৰধান ৰাজনৈতিক অনুষ্ঠান অসম এছোছিয়েশ্যনে এই প্ৰশ্নটো লৈ আন্দোলন কৰিব লগা হৈছিল। অসম এছোছিয়েশ্যনৰ তেতিয়াৰ সাধাৰণ সম্পাদক চন্দ্ৰনাথ শৰ্মাই বহু পৰিশ্ৰম কৰি বিলাতলৈ প্ৰতিনিধি দল এটা পঠোৱাৰ কাৰণে ধন সংগ্ৰহ কৰিছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন বৰুৱাৰ প্ৰতিনিধি দল লণ্ডনলৈ গৈছিল আৰু তেখেতসকলৰ চেষ্টাত অসমকো ভাৰতৰ অন্য ৰাজ্যৰ দৰে শাসন সংস্কাৰৰ আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়। যদিও, সেই শাসন-সংস্কাৰৰ বিশেষ একো মূল্য নাছিল আৰু ভাৰতৰ প্ৰগতিশীল ৰাজনৈতিক সকলৰ মতে তাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে, তথাপি অসমক ভাৰতৰ অন্য প্ৰদেশৰ লগত একেলগে থাবলৈ নিদিয়াৰ যি দুৰভিসন্ধি আছিল, তাৰ বিৰুদ্ধে যুঁজিব লগা হৈছিল। তাৰ পিছত ভাৰতৰ মুছলীম লীগৰ সাম্প্ৰদায়িক ৰাজনীতিৰ খেল চলিবলৈ ধৰিলে। অসমত ই এটা ভীষণ ৰূপ লয়। থলুৱা আৰু বহিৰাগত পমুৱা মানুহৰ মাজত অবিশ্বাস আৰু সন্দেহৰ ভাব সৃষ্টি কৰাৰ চেষ্টা হ'ল। ছাদুল্লা মন্ত্ৰীসভা বৃটিছ সাম্ৰাজ্যবাদৰ divide and rule নীতিৰ এটা যন্ত্ৰ হোৱাদি হৈ পৰিল। অসমৰ আইনসভাত তেতিয়া চাৰিহেজাৰ যুৰোপীয়ানে ৯ খন আসন দখল কৰি অসমৰ ভাগ্য-নিয়ন্তা হৈ আছিল। ছাদুল্লা মন্ত্ৰীসভা তেওঁলোকৰ ভোটৰ বলত তৰি আছিল। তেওঁলোকে ভেদ ভাৱ সৃষ্টি কৰাত ইন্ধন যোগাইছিল। মানুহৰ মনত সেই সময়ত, কিংকৰ্তব্য-

বিমূঢ় হোৱাৰ মনোভাৱ দেখা গৈছিল। তেনে অৱস্থাত শ্বাদুল্লা মন্ত্ৰীসভাৰ পৰিবৰ্ত্তে, বৰদলৈ মন্ত্ৰীসভা গঠনৰ অধ্যায়টো অসমৰ কাৰণে পট পৰিবৰ্তন কৰা ঐতিহাসিক ঘটনা। ১৯৩৮ চনৰ ১৩ চেপ্তেম্বৰ তাৰিখে শ্বাদুল্লা মন্ত্ৰী সভাই পদত্যাগ কৰিলে। ৰাজনৈতিক বিৰোধিতা থাকিলেও, কোনেও এই কথা অস্বীকাৰ কৰিব নোৱাৰে যে, প্ৰধানমন্ত্ৰী ছাৰ শ্বাদুল্লাই অসম এছেম্বলীত ১৩ চেপ্তেম্বৰত যেতিয়া দেখিলে যে, তেওঁৰ দলত সভ্য কমিছে আৰু বিৰোধী দলত অধিক সভ্যই যোগ দিছে, তেতিয়া অনাস্থাৰ প্ৰস্তাৱলৈ নবৈ, তেখেতে পদত্যাগ কৰে। ছাৰ শ্বাদুল্লাই ইয়াৰদ্বাৰা গণতান্ত্ৰিক পদ্ধতিৰ এটা আদৰ্শ দাঙি ধৰিছিল। তাৰ পিছত বৰদলৈ মন্ত্ৰীসভা গঠন হ'ল। তেতিয়াৰ কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসু আৰু মৌলানা আবুল কালাম আজাদ সেই সময়ত অসমত আছিল। তেখেতসকলৰ অনুমোদন অনুসৰি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত কংগ্ৰেছ সম্মিলিত মন্ত্ৰীসভা গঠন কৰাটো স্থিৰ হয়। বৰদলৈ ডাঙৰীয়াই মন্ত্ৰীসকলৰ নাম গৱৰ্ণৰক দাখিল কৰে। কিন্তু বৃটিছ সাম্ৰাজ্যবাদী কৌশল খটুৱাই সেই মুহূৰ্তলৈকে বৰদলৈ মন্ত্ৰীসভা যাতে হ'ব নোৱাৰে, তাৰ কাৰণে গৱৰ্ণৰে চেষ্টা কৰিছিল। বৰদলৈ প্ৰমুখ্যে কেইজনমান মন্ত্ৰীৰ শপত গ্ৰহণৰ দিন আৰু সময় নিৰ্দ্ধাৰিত হ'ল। সেই শপত গ্ৰহণৰ উৎসৱলৈ যথাৰীতিমতে নিমন্ত্ৰণো জনোৱা হ'ল। কিন্তু শেষ মুহূৰ্তত গৱৰ্ণৰে শপত লোৱা উৎসৱ বন্ধ কৰি দিছিল। তেতিয়া কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুৱে গৱৰ্ণৰৰ এনে অগণতান্ত্ৰিক অশোভনীয় কাৰ্যৰ তীব্ৰভাৱে সমালোচনা কৰি বিবৃতি দিছিল। যি যি কি নহওক, বৰদলৈ মন্ত্ৰীসভা গঠনত এনেধৰণে যি বাধাৰ সৃষ্টি কৰা হৈছিল, সি টিকিব নোৱাৰিলে। বৰদলৈ মন্ত্ৰীসভাই শাসনৰ ভাৰ গ্ৰহণ কৰিলে। কিন্তু বৰদলৈ ডাঙৰীয়াই ভালকৈ জানিছিল যে, দেশ স্বাধীন নোহোৱালৈকে আৰু ১৯৩৫ চনৰ ভাৰত শাসনৰ চাৰিবেৰৰ মাজত থাকি ৰাইজৰ বিশেষ কাম কৰা সম্ভৱ নহয়। প্ৰধানমন্ত্ৰী হোৱাৰ অলপ পিছতে বৰদলৈ ডাঙৰীয়াই এটা বক্তৃতাত পৰিষ্কাৰকৈ কৈছিল: "যেতিয়ালৈকে দেশে পূৰামাত্ৰাই স্বায়ত্ত-শাসন নাপায় বা দেশে সৰ্ববিধ ক্ষমতা নিজৰ হাতত নাপায়, তেতিয়ালৈকে কোনো মন্ত্ৰীসভাই অসমৰ বহুমুখী অভৰি-অনাটন সম্পূৰ্ণৰূপে দূৰ কৰিব নোৱাৰে। তথাপি বৰ্তমান শাসনতন্ত্ৰৰ পৰিধিৰ মাজত থাকি যিমানদূৰ পাৰি দেশৰ কল্যাণ সাধন কৰিবলৈ আৰু জাতিক স্বাধীনতাৰ পথত আগবঢ়াই নিবলৈ চেষ্টা কৰা হ'ব।"

অসমৰ বিশেষ পৰিস্থিতিলৈ চাই আৰু কংগ্ৰেছে আন আন প্ৰদেশত যি নীতি লৈ মন্ত্ৰীসভা গঠন কৰিছিল, তাকে সাৰোগত কৰি অসমত বৰদলৈ ডাঙৰীয়াই মন্ত্ৰীসভা গঠন কৰিছিল যদিও তেখেতে মূল উদ্দেশ্যটো সদায় আগত ৰাখিছিল। আইনসভা আৰু মন্ত্ৰীসভাৰ কামৰ জৰিয়তেও দেশ কেনেকৈ স্বাধীনতাৰ লক্ষ্যস্থানত উপনীত হ'ব পাৰে, তাৰ কাৰণেই তেখেতে সততে চেষ্টা কৰিছিল। মূল লক্ষ্যৰ প্ৰতি দৃষ্টি ৰাখি, বৰদলৈ মন্ত্ৰীসভাই বৰ কম সময়ৰ ভিতৰতে অসমৰ উন্নতিৰ কাৰণে লেখত লবলগীয়া কাম কৰিছিল।

কংগ্ৰেছৰ আহ্বানমতে, ১৯৩৯ চনৰ ১৫ নবেম্বৰ তাৰিখে অন্যান্য কংগ্ৰেছী মন্ত্ৰীসভাৰ লগতে, অসমৰ কংগ্ৰেছ সন্মিলিত মন্ত্ৰীসভায়ো পদত্যাগ কৰে। অসমত এনে এটা মত আছিল যে, বৰদলৈ মন্ত্ৰীসভা কংগ্ৰেছ সন্মিলিত মন্ত্ৰীসভাহে। সেইকাৰণে কংগ্ৰেছী মন্ত্ৰীসভাৰ প্ৰতি পদত্যাগ কৰিবলৈ কংগ্ৰেছৰ যি নিৰ্দেশ, সি অসমত নাখাটে বুলি তেওঁলোকে ভাবিছিল। কংগ্ৰেছৰ উৰ্ধতম মহলতো দুইএজনে ভাবিছিল যে অসমৰ পৰিস্থিতিলৈ চাই কংগ্ৰেছ সন্মিলিত মন্ত্ৰীসভাই পদত্যাগ কৰিব নালাগে। কিন্তু বৰদলৈ ডাঙৰীয়াই অসমক ভাৰতৰ মূল ৰাজনৈতিক ধাৰাবপৰা বিচ্ছিন্ন কৰি ৰাখিব নুখুজি দেশৰ বৃহত্তৰ স্বাৰ্থলৈ চাই পদত্যাগ কৰিছিল। অসমৰ প্ৰগতিশীল ৰাজনৈতিকমতে এই বিষয়ে বৰদলৈ ডাঙৰীয়াক সম্পূৰ্ণৰূপে সমৰ্থন কৰিছিল। বৰদলৈ ডাঙৰীয়াৰ জীৱনৰ ই এটা গুৰুত্বপূৰ্ণ অধ্যায়। তাৰ পিছত সাম্ৰাজ্যবাদী যুদ্ধত ধন-জন দি সহায় নকৰিবলৈ মহাত্মাগান্ধীৰ নেতৃত্বত ব্যক্তিগত সত্যাগ্ৰহ আৰু ১৯৪১ চনৰ গণবিপ্লৱ। বৰদলৈ ডাঙৰীয়া অসমত এই আন্দোলনৰ আছিল এজন সৰ্বপ্ৰধান গুৰিয়াল। ১৯৪৪ চনত তেখেত জেলৰপৰা ওলাই আহিল। তেতিয়া তেখেতৰ স্বাস্থ্য ভাল নাছিল। তথাপিও তেখেতে জেলৰপৰা ওলায়েই অসমত বিশ্ববিদ্যালয় পতাৰ ৰাজহুৱা প্ৰচেষ্টাত যোগ দিছিল। ১৯৪৫-৪৬ চনত সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ অৱতীৰ্ণ হ'ল। সেই নিৰ্বাচনত অসমত কংগ্ৰেছে সংখ্যা গৰিষ্ঠতা লাভ কৰে। বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত কংগ্ৰেছী মন্ত্ৰীসভা গঠন হ'ল। ভাৰতৰ স্বাধীনতা লাভৰ আগমুহূৰ্তৰ এই চোৱা কামত ভাৰতৰ ৰাজনীতিত বৰদলৈ ডাঙৰীয়াই যি গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল, সেই সম্পৰ্কে প্ৰথমতেই উল্লেখকৰা হৈছে। ইয়াৰ পিছত যেতিয়া স্বাধীন ভাৰতৰ সংবিধান ৰচনাৰ কাৰণে গণপৰিষদ বহিল, তেতিয়া তাত বৰদলৈ ডাঙৰীয়াই বিশেষ অংশ গ্ৰহণ কৰিছিল। সংবিধানৰ Sixth schedule ৰচনাত, তেখেতৰ

অৱদান সকলোতকৈ বেছি। বৰদলৈ ডাঙৰীয়াৰ ৰাজনৈতিক চিন্তাধাৰা আৰু দৃষ্টিভঙ্গী কেনে আছিল, তেখেতৰ এই কাৰ্যৰপৰা তাৰ সম্যক পৰিচয় পোৱা যায়। তেখেতে বৃহত্তৰ অসমৰ জটিল জন-সমস্যা সমাধানৰ কাৰণে বিশেষ উদাৰ দৃষ্টিভঙ্গীৰে গোটেই প্ৰশ্নটো অনুধাৱন কৰিছিল। তেখেতে ভাবিছিল যে, অসমৰ পৰ্বত আৰু ভৈয়ামৰ বিভিন্ন লোক সমষ্টিক মিলাই এক কৰি ৰাখিবলৈ হ'লে গভীৰ সহানুভূতিৰে তেওঁলোকৰ অৱস্থা আৰু মনৰ কথা-বিলাক বুজিবলৈ চেষ্টা কৰিব লাগিব। তেখেতৰ এই ভাৱ প্ৰকাশ পাইছে গণপৰিষদৰ The Nort-East Frontier (Assam) Tribal and excluded areas sub-committee ৰ চেয়াৰমেন হিচাপে তেখেতে ১৯৪৭ চনৰ ২৮ জুলাইত দাখিল কৰা ৰিপোৰ্টত। এই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিয়েই, সংবিধানৰ Sixth schedule ৰচনা কৰা হয়। অসমৰ পাহাৰ অঞ্চলত বিভিন্ন শাসন ব্যৱস্থা চলি আছিল। The North-East Frontier, নগাপাহাৰ জিলা, লুচাই পাহাৰ জিলা আছিল excluded areas; ইয়াৰ ভিতৰত ফ্ৰন্টিয়াৰ ট্ৰেক্টত গৱৰ্ণৰে শাসন কাম চলাইছিল, ১৯৩৫ চনৰ ভাৰত শাসন আইনৰ ১২৩ ধাৰা অনুসৰি গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে সেই আইনত excluded areas সম্পৰ্কে যি বিধান আছে, সেই বিধানৰ বলত নহয়। এই অঞ্চলৰ শাসনৰ সকলো খৰছ ভাৰত চৰকাৰে বহন কৰিছিল। নগা পাহাৰ জিলা, লুচাই পাহাৰ জিলা আৰু উত্তৰ কাছাৰ excluded areas ত পৰিছিল। ইয়াত গৱৰ্ণৰে শাসন চলাইছিল। অসমৰ মন্ত্ৰীসভাৰ তাত হাত নাছিল। সেই অঞ্চলৰ খৰছ প্ৰাদেশিক আইনসভাৰ ভোটা-ভোটিলৈ নাহিছিল। তৃতীয়বিধ আছিল Partially excluded areas; খাচী পাহাৰ জিলা (বৃটিছ অংশ) গাৰো পাহাৰ জিলা আৰু মিকিৰ পাহাৰ জিলা, এই অঞ্চলত পৰিছিল। ইয়াত প্ৰাদেশিক গৱৰ্ণমেণ্টে শাসন কৰিব পাৰিছিল, কিন্তু প্ৰাদেশিক আইন- সভাত পাছ হোৱা কোনো আইন, সেই অঞ্চলত প্ৰয়োগ হ'ব নে নহয়, সেইটো গৱৰ্ণৰৰ ইচ্ছাধীন আছিল।

সংবিধানত Sixth schedule ব্যৱস্থা কৰি অসমৰ পাহাৰ অঞ্চলখিনিত আগৰ বিভিন্নতা দূৰ কৰি একেধৰণৰ পদ্ধতি প্ৰবৰ্তন কৰি, অসমৰ সংহতি সুদৃঢ় কৰিব খোজা হৈছিল। গণপৰিষদত ১৯৪৯ চনৰ ৬ চেপ্তেম্বৰ তাৰিখে Sixth schedule সম্পৰ্কে আলোচনা হয়। তাত অংশ গ্ৰহণ কৰি এই বিষয়ে গণপৰিষদৰ Drafting Committee ৰ চেয়াৰমেন্‌ মাননীয় বৰদলৈ

ডাঙৰীয়াই কৈছিল—

"Now I want to place before you the background in which the draft had to be formulated. It is not unknown to you that the rule of the British Government and the activities of the foreign mission always went together. These areas were formerly entirely excluded areas in the sense that none from the plains could go there and contact them That was the position till 15th August 1947, when India became independent.

"The foreign rulers till then had in these areas power to send out of the place any one they desired within twenty four hours. Again sir, some of these areas were war zones. During the war, the then rulers and officers developed in the mind of these tribal people a sense of separation and isolation and gave them assurances that at the end of the war they will be independent states managing their affairs in their own way. They were led to believe that the entire hill areas would be constituted into a province and put under same irresponsible governor. You might possibly have read in the papers that plans were hatched in England in which the ex-governors of Assam evidently took part to create a sort of a kingdom over there.

"Now with this background, sir, our investigation began early in 1946. People of this area were already fully suffused with these ideas of isolation and separation. The most important fact that presented itself before this committee was whether for the purpose of integration the methods of force, the methods of the use of the Assam Rifles, and the military forces, should be used or a method should be used in which the willing co-operation of these people could be

obtained for the purpose of governing these areas.

"Sir, it is necessary to mention that there are certain institutions among these hill tribes which, in my opinion, are so good and that if we wanted to destroy them, I cosider it to be very wrong. One of the things which I felt was very creditable to these tribals was the manner in which they settle their disputes............then the democracy which prevails there though limited in the sense it is confined only to the tribals of a clan or region will rouse the admiration of any disinterested student. The point therefore that presented itself to us was whether we should raise in them a spirit of enmity or hatred by application of force or whether we should bring them up under the broad principle of Government by good will and love. The advisory committee thought that the latter course is the course that should be adopted."

অসমৰ দুজন শ্ৰদ্ধেয় নেতা কুলধৰ চলিহা আৰু ৰোহিণী কুমাৰ চৌধুৰীয়ে গণপৰিষদত Sixth schedule ৰ District council ৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল। তেওঁলোকৰ আশংকা আছিল যে, ইয়াৰদ্বাৰা পাহাৰ অঞ্চলবিলাকক সুকীয়াকৈ ৰখাৰ ব্যৱস্থা হৈছে। ৰোহিণীকুমাৰ চৌধুৰীয়ে গণপৰিষদত কৈছিল: "This autonomous district is a weapon whereby steps are taken to keep the tribal people perpetually away from the non-tribals."

কুলধৰ চলিহাই কৈছিল, "If you see the background of this schedule you will find that the British mind is still there. There is the old separatist tendency and you want to keep them away from us. You will thus be creating a tribalstan just as you have created a Pakistan."

ৰেভাৰেণ্ড নিকলছ ৰয়ে কোৱা একেষাৰ কথা এই প্ৰসঙ্গত উল্লেখযোগ্য। তেখেতে গণপৰিষদত কৈছিল—

"To say that these tribesmen will be inimical or they would raid Assam or go over to Tibet if this sixth schedule is introduced in these areas is rather surprising. This idea is based on wrong understanding of facts and a wrong psychological approach to the problem of bringing the hill folk and plain people together."

ষষ্ঠ পৰিচ্ছেদৰ ওপৰত গণপৰিষদত হোৱা বিতৰ্কৰ উত্তৰত আইন সচিব ডাঃ আম্বেদকাৰে কৈছিল; "I agree that we have been creating regional and district councils to some extent on the lines which were adopted by the United States for the purpose of Red Indians. But my point is that those who have based their criticism of this schedule on this fact namely that we are creating regional and district councils have altogether failed to understand the binding factors which we have introduced in the constitution.

"The first thing that we have done is this that we have provided that the executive authority of Govt of Assam shall extend not merely to the non-tribal areas in Assam, but also to the tribal areas, that is to say, the executive authority of the Assam Government will be exercised even over those areas which are covered by the autonomous districts. This, as will be seen, is a great improvement over the provisions contained in the Government of India Act, 1935."

পিছৰ ঘটনাৱলীলৈ আঙুলিয়াই কোনোৱে ক'ব পাৰে যে, যি আশা কৰি বৰদলৈ ডাঙৰীয়াই পাহাৰ অঞ্চলত District Council আৰু Regional Councilৰ আঁচনি কৰিছিল আৰু সংবিধানত Sixth Schedule সন্নিবিষ্ট কৰা হৈছিল, সি পূৰণ নহ'ল। কিয়নো কেবাখনো পাহাৰী জিলাত স্বকীয়া ৰাজ্যৰ দাবী উঠিল আৰু শেষত তাত স্বকীয়া ৰাজ্য গঠন কৰাও হ'ল। কিন্তু পিছৰ ঘটনাৱলীৰে বৰদলৈ ডাঙৰীয়াৰ সেই সময়ৰ কামৰ ফলাফল বিচাৰ কৰিলে, ভুল হ'ব। কিয়নো নানা কাৰণত ৰাজনৈতিক

পৰিস্থিতিৰ পৰিবৰ্তন হয়। অৱস্থাৰ এনেভাৱে পৰিবৰ্তন হয় যে, এটাক আনটোৰ কাৰণ বুলি ক'ব নোৱাৰি। মূল প্ৰশ্ন হৈছে, যি নীতি আৰু মনোভাৱলৈ বৰদলৈ ডাঙৰীয়াই অসমৰ জটিল জন-সমস্যা সমাধান কৰিব খুজিছিল, সি শুদ্ধ আছিল নে নাই? বোধহয়, কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে সেই নীতি আৰু মনোভাবেই শুদ্ধ পন্থা। বৰদলৈ ডাঙৰীয়াই যি দৃষ্টি-ভঙ্গীৰে প্ৰতিটো প্ৰশ্ন বিচাৰ কৰিছিল, যি সহানুভূতি আৰু উদাৰতাৰ মনোভাৱেৰে কাম কৰিছিল, ভাৰতৰ উত্তৰ-পূব সীমান্তৰ সংহতি আৰু উন্নতিৰ কাৰণে সি অপৰিহাৰ্য চৰ্ত।

দুৰ্ভাগ্যৰ কথা যে, যেতিয়া বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত অসম গঢ়াৰ বুনিয়াদী কাম আৰম্ভ হৈছিল, তেতিয়াই আচম্বিতে তেখেতৰ পৰলোক হ'ল। নিজৰ প্ৰতিভা আৰু গুণৰ বলত সৰ্বভাৰতীয় ক্ষেত্ৰত বৰদলৈ ডাঙৰীয়াই প্ৰতিষ্ঠা লাভ কৰিছিল--এজন অগ্ৰণী নেতা হিচাপে। তেখেতে সময় পোৱা হ'লে, অসমক সকলো প্ৰকাৰে যে সমৃদ্ধ কৰি তুলিব পাৰিলেহেঁতেন, তাত সন্দেহ নাই। গান্ধী যুগৰ বহুতো ৰাজনৈতিক নেতা আৰু কৰ্মীৰ দৰে বৰদলৈ ডাঙৰীয়াৰ ৰাজনীতিক মতবাদৰ মূল আধাৰ আছিল মানৱতা; আৰু ৰাজনৈতিক ক্ৰিয়াকলাপৰ প্ৰণালী আছিল অহিংসা। নীতিগত নিষ্ঠা, সহৃদয়তা, ধীৰ-স্থিৰ বিচাৰ, আপোচ-মীমাংসাৰ ভাৱ তেওঁলোকৰ ৰাজনৈতিক জীৱনৰ লক্ষণ আছিল। যদিও দলিত নিষ্পেষিতজনৰ দৃষ্টিকোণৰপৰাই সকলো প্ৰশ্ন তেওঁলোকে বিচাৰ কৰিছিল, তথাপি শ্ৰেণী সংঘাত আদি বিজ্ঞান সম্মত সমাজবাদৰ প্ৰশ্নবিলাকলৈ তেওঁলোক যোৱা নাছিল।

লোকপ্ৰিয় বৰদলৈ গান্ধী যুগৰ এজন শ্ৰেষ্ঠ প্ৰতিনিধি। গান্ধীবাদৰ আদৰ্শৰ প্ৰেৰণাই তেখেতক এক বিশেষ ব্যক্তিত্বৰ অধিকাৰী কৰিছিল। তেখেতৰ সেই ব্যক্তিত্বই সকলোকে আকৰ্ষণ আৰু প্ৰভাৱান্বিত কৰিছিল। কোনো সন্দেহ নাই যে তেখেতৰ জীৱনৰ দৃষ্টান্তই সদায় নতুন প্ৰেৰণা সৃষ্টি কৰিব সৰ্বসাধাৰণৰ কল্যাণকামী এখন নতুন সমাজ ৰচনাৰ কামত। বৰদলৈ ডাঙৰীয়াৰ পবিত্ৰ স্মৃতিৰ প্ৰতি আজি আমাৰ অৰ্ঘ্য নিবেদন কৰোঁতে তেখেতৰ জীৱনৰ শিক্ষা লবলৈ যেন চেষ্টা কৰোঁ।

# লোকপ্ৰিয় বৰদলৈৰ বিচক্ষণ নেতৃত্ব

**মহেন্দ্ৰমোহন চৌধুৰী**

লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দ'ৰ এগৰাকী মহান ব্যক্তিক সোঁৱৰণ কৰা আৰু তেখেতৰ জীৱনৰ ঘটনাৱলী সকলোৱে অন্তৰত সজীৱ কৈ থকাকৈ বিশ্লেষণ কৰা বৰ টান কথা। তথাপিও কৰ্তব্যৰ খাতিৰত তেখেতৰ সম্পৰ্কে এটা চমু পৰিচয় আগবঢ়াবলৈ বাধ্য হৈছো। মই আগতে অসম প্ৰকাশন পৰিষদৰ সচিব, মোৰ সহোদৰ-প্ৰতীম শ্ৰীমান চন্দ্ৰপ্ৰসাদ শইকীয়াৰ অনুৰোধক্ৰমে তেনে এটা প্ৰবন্ধ সঙ্কলন কৰি পঠিয়াইছিলোঁ। তেতিয়া মই পঞ্জাবৰ ৰাজ্যপালৰ দায়িত্বত আছিলো আৰু মোৰ লিখা পঢ়া কৰিবৰ কাৰণে যথেষ্ট অৱসৰো আছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেই প্ৰবন্ধটো কৰবাত কেনেবাকৈ হেৰোৱাত নানা সাংসাৰিক অসুবিধাৰ সন্মুখীন হোৱা সত্বেও শ্ৰীমান শইকীয়াৰ অনুৰোধক্ৰমে পুনৰ এই প্ৰবন্ধটো লৰালৰিকৈ যুগুত কৰিব লগা হ'ল। প্ৰবন্ধটো যে সম্পূৰ্ণ হোৱা নাই সেই কথা জানিও শাৰীৰিক অসুস্থতাৰ মাজতে আমাৰ অতি চেনেহৰ নেতা, মোৰ পিতৃতুল্য আৰু যাৰ কাৰণে আজি মই ৰাজনৈতিক ক্ষেত্ৰত পৰিচয় দিব পাৰিছো, সেই বৰদলৈদেৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়োৱাৰ উদ্দেশ্যে এই প্ৰচেষ্টা হাতত লবলগীয়া হ'ল। প্ৰবন্ধটোত যথেষ্ট ভুলত্ৰু'টী ৰৈ গলেও সদাশয় পাঠকসকলে নিজগুণে ইয়াৰ দোষখিনি মৰিষণ কৰি গ্ৰহণযোগ্য যদি কিবা থাকে তাকে গ্ৰহণ কৰিলে কৃতাৰ্থ মানিম।

১৯২৮ চনত পণ্ডিত মতিলাল নেহৰুৰ সভাপতিত্বত কলিকতাত কংগ্ৰেছ অধিবেশন বহিছিল। সেই অধিবেশনত নেহৰুৰ ৰিপ'ৰ্ট লৈ বিতৰ্ক হৈছিল। বিতৰ্কটোৰ মূল উদ্দেশ্য আছিল নেহৰুৰ ৰিপ'ৰ্ট অনুমোদন নে পূৰ্ণ স্বাধীনতাৰ দাবী কংগ্ৰেছৰ লক্ষ্য হব? কংগ্ৰেছৰ এদল লোকে নেহৰু ৰিপ'ৰ্ট ওফৰাই পেলাবলৈ চেষ্টা কৰিছিল। কিন্তু মহাত্মা গান্ধীৰ মধ্যস্থতাত বৃটিচ চৰকাৰক এবছৰ সময় দি যদি তাৰ ভিতৰত নেহৰু ৰিপ'ৰ্ট গ্ৰহণ নকৰে তেনেহলে

এবছৰৰ পিছত ১৯১৯ চনৰ ৩১ ডিচেম্বৰত কংগ্ৰেছৰ যে পূৰ্ণ স্বাধীনতাই লক্ষ্য সেইটো ঘোষণা কৰিব। মহাত্মাৰ সেই প্ৰস্তাৱ কংগ্ৰেছে গ্ৰহণ কৰিলে।

ক্ৰমে ক্ৰমে এটা বছৰ অতিক্ৰমি কংগ্ৰেছ অধিবেশনৰ সময় চমু চাপি আহিল। কিন্তু বৃটিছ চৰকাৰে কংগ্ৰেছৰ সেই প্ৰস্তাৱ নামানিলে। কংগ্ৰেছৰ অধিবেশনৰ স্থান লাহোৰত নিৰ্ণীত হ'ল। সভাপতি নিৰ্বাচিত হ'ল পণ্ডিত জৱাহৰলাল নেহৰু।

অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে দেশভক্ত তৰুণৰাম ফুকন, ৰোহিণীকুমাৰ চৌধুৰী, লোকপ্ৰিয় বৰদলৈ আৰু লগতে আমিও কেইজনমানে তাত যোগ দিবলৈ গৈছিলো। আমি লাহোৰ পাই দেখিলো যে পূৰ্ণ স্বাধীনতা আৰু নেহৰু ৰিপ'ৰ্ট লৈ কংগ্ৰেছৰ প্ৰতিনিধি শিবিৰ উত্তপ্ত। অসমৰ প্ৰতিনিধিসকলৰ ভিতৰত ৰোহিণীকুমাৰ চৌধুৰী নেহৰুৰ পক্ষে আছিল। কিন্তু ফুকন আৰু লোকপ্ৰিয় বৰদলৈয়ে প্ৰস্তাৱটো প্ৰথমতে সমৰ্থন কৰিছিল যদিও পিছত সেই সমৰ্থন প্ৰত্যাহাৰ কৰি লৈছিল। পূৰ্ণ স্বাধীনতাই কংগ্ৰেছৰ একমাত্ৰ লক্ষ্য বুলি প্ৰস্তাৱটো মহাত্মা গান্ধীৰ অনুমোদনক্ৰমে ১৯২৯ চনৰ ৩১ ডিচেম্বৰ তাৰিখে লাহোৰৰ ৰাভি নদীৰ পাৰত ৰাতি বাৰ বাজি যোৱাত আকাশলঙ্ঘা জয়ধ্বনিৰে গৃহীত হোৱাৰ পিছত পণ্ডিত জৱাহৰলাল নেহৰুৱে কংগ্ৰেছ সভাপতি হিচাপে কংগ্ৰেছৰ পতাকা উত্তোলন কৰিলে। কংগ্ৰেছৰ নিৰ্দেশ হল, ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনটো পূৰ্ণ স্বাধীনতাৰ দিন হিচাপে পালন কৰিব লাগে আৰু সকলো সংসদী সদস্যই কেন্দ্ৰ আৰু ৰাজ্য সংসদী সভাবিলাকৰপৰা ইস্তফা দি ওলাই আহিব লাগে। অসমত দুটা মত হল। ৰোহিণীকুমাৰ চৌধুৰী প্ৰমুখ্যে বিশিষ্ট নেতৃবৰ্গই সিদ্ধান্ত ললে যে সভ্য পদ ইস্তফা দিব, কিন্তু লগে লগে স্বতন্ত্ৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰতিদ্বন্দ্বিতাত কিন্তু চৌধুৰীৰ বাহিৰে বাকী যিসকল সদস্যই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল সেইসকলে কৰ্মবীৰ বৰদলৈ প্ৰমুখ্যে পৰাজিত হ'ল। ইয়াৰ পিছৰপৰাই কংগ্ৰেছৰ সক্ৰিয় কাৰ্যসূচীৰপৰা বৰদলৈ ডাঙৰীয়া লাহে লাহে আঁতৰি গৈছিল যদিও কংগ্ৰেছৰ সকলো কথাতে তেখেতে নৈতিক সমৰ্থন জনাইছিল।

১৯৩০ আৰু ১৯৩১ চনৰ আন্দোলনৰপৰা আমাৰ প্ৰায় সকলো নেতাই বিৰত আছিল। কিন্তু আন্দোলন পূৰ্ণবেগে চলিছিল। ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা,

শ্ৰীবিষ্ণুৰাম মেধি, অমিয়কুমাৰ দাস, সিদ্ধিনাথ শৰ্মা প্ৰমুখ্যে নেতাসকলে আন্দোলনৰ নেতৃত্ব কৰিছিল।

## আমাৰ প্ৰথম পৰিচয়

১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়াৰ অপৰাধত আমি জেললৈ গৈ তাৰপৰা ওলাই আহি খাবলৈ আৰু থাকিবলৈ ঠাই নাপাই অনাই-বনাই ঘূৰি ফুৰিবলগীয়া হৈছিল। কাৰোবাৰ ঘৰ ভাড়ালৈ থাকিবলৈ ললেও দুই-চাৰি দিনতে পুলিচৰ তাড়নাত আমাক তাৰপৰা উলিয়াই দিছিল। সেই সময়ত মই আৰু মোৰ বন্ধু শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা প্ৰায় একেলগে আছিলো আৰু এইবিলাক অসুবিধাৰ দুয়ো সমভাগী হৈছিলো। ডা. কীৰ্তি বৰুৱা তেতিয়া কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ এটা ভগা খেৰৰ ঘৰত আছিল। তাতেই আমি খোৱাবোৱা কৰিছিলো। আমাৰ খাবলৈ চাউল আদিৰ যোগান ধৰিছিল ভুবনেশ্বৰ কহাৰে। তেখেতে খুজি মাগি চাউল আদি সংগ্ৰহ কৰি আমাক খুৱাইছিল। কিন্তু পইচাৰ বৰ অভাৱত বৰ কষ্টেৰে দিন যাপন কৰিবলগীয়া হৈছিল। আমাৰ অন্যতম বন্ধু গোলোকচন্দ্ৰ পাঠকে আমাৰ খোৱাৰ কাৰণে আৰু কংগ্ৰেছৰ কামৰ কাৰণে চান্দা আদায় কৰাৰ দায়িত্ব লৈছিল। মই আৰু শ্ৰীলক্ষ্মীধৰ বৰাও মাজে মাজে তেওঁৰ লগত চান্দা সংগ্ৰহৰ কাৰণে গৈছিলো। বেছিকৈ চান্দা দিওঁতাসকলৰ ভিতৰত দুগৰাকী নেতাৰ এগৰাকী হ'ল যোগেন্দ্ৰনাথ বৰুৱা উকিল আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ। এই দুগৰাকী নেতাই আমাক গলেই দহ টকাকৈ চান্দা দিছিল। এনেকুৱা চান্দাৰপৰাই কংগ্ৰেছৰ কাম-কাজ আৰু আমাৰ খোৱা-লোৱা চলিছিল। বাকী চান্দা দিওঁতাসকলৰ নাম আজি মনত নপৰে। দুই এটকা মাজে মাজে দিয়া লোকৰ সংখ্যাও বৰ তাকৰীয়া নাছিল। কিন্তু সেই সময়ত কংগ্ৰেছৰ বাবে দহ টকা চান্দা দিয়া লোক এই দুগৰাকী নেতাৰ বাহিৰে নাছিল আৰু যেতিয়াই তেতিয়াই এখেত-সকলৰ ওচৰ চাপিলে সেইখিনি চান্দা পোৱা হৈছিল। লোকপ্ৰিয় বৰদলৈদেৱৰ লগত এই লৈয়ে আমাৰ পৰিচয়ৰ সূত্ৰপাত হৈছিল।

লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া গুৱাহাটী পৌৰসভাৰ সভাপতি হৈছিল। তেখেতৰ আদেশমতে কটন কলেজৰ সমুখৰ পথটোত আলকাটৰা দিয়া হৈছিল। তাৰ আগতে গুৱাহাটীৰ মানুহে আলকাটৰা দিয়া পথ দেখা নাছিল। বৰদলৈ-দেৱৰ অনুগ্ৰহতে সেইটো হৈ উঠিছিল। সভাপতি হিচাপে তেখেত বিচক্ষণ

আৰু কাৰ্যদক্ষ লোক আছিল। তেখেতে গুৱাহাটী চহৰৰ পানী আৰু স্বাস্থ্যৰ যথেষ্ট উন্নতিসাধন কৰিছিল।

✓ লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ খেলা-ধূলাৰ প্ৰতি গভীৰ ৰাপ আছিল। ইণ্ডিয়া ক্লাবৰ টেনিছ ক'ৰ্টখনৰ তেখেত এগৰাকী অন্যতম প্ৰতিষ্ঠাতা আছিল। তেখেত ক্ৰিকেট আৰু টেনিছ খেলত পাকৈত আছিল। কিন্তু আমাৰ অন্য আকৰ্ষণ থকাত তেখেতসকলৰ লগত আমাৰ সাহচৰ্য কিছু পাতল হৈ আহিছিল।

তাৰপাছত আহিল ১৯৩৫ চনৰ ভাৰত সংস্কাৰ আইন। এই আইনৰ বলত ভাৰতবৰ্ষৰ প্ৰদেশবিলাকে দুৱলীয়া শাসনৰ (dyarchy) পৰিবৰ্তে প্ৰাদেশিক ক্ষেত্ৰত বেছি ক্ষমতা লাভ কৰিছিল। ১৯৩৬ চনৰ শেহ ভাগত আৰু ১৯৩৭ চনৰ জানুৱাৰী মাহত এই শাসন সংস্কাৰৰ মৰ্মে নিৰ্বাচন পতা হ'ল। নিৰ্বাচনৰ এটা ডাঙৰ বিষয় আছিল, কংগ্ৰেছে মন্ত্ৰীসভাত অংশ গ্ৰহণ কৰিবনে নকৰে। সেই বিষয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে কোনো নিৰ্দেশ নিদিলেও অসমে মন্ত্ৰীসভাত অংশগ্ৰহণ নকৰাটোৱে ঠিক হৈছিল। তেতিয়া ছিলেট জিলাখন অসমৰ অন্তৰ্ভুক্ত আছিল। ৰোহিণীকুমাৰ চৌধুৰী প্ৰমুখ্যে একাংশ নেতাই অসমৰ ওপৰত ছিলেটৰ প্ৰাধান্য হ্ৰাস কৰিবলৈ হলে মন্ত্ৰীসভাত অংশগ্ৰহণ কৰাটো উচিত বুলি মত প্ৰকাশ কৰিছিল। প্ৰথম অৱস্থাত লোকপ্ৰিয় বৰদলৈদেৱেও এই মতৰ পক্ষপাতী আছিল। এই উদ্দেশ্যে চৌধুৰীদেৱৰ নেতৃত্ব আৰু দেশভক্ত তৰুণৰাম ফুকনৰ পৃষ্টপোষকতাত মিলিত জনসংঘ নামে এটা দলৰ জন্ম হৈছিল। সেই দলৰ দ্বাৰা উক্ত উদ্দেশ্য কংগ্ৰেছৰ বিৰুদ্ধে নিৰ্বাচন চলোৱাৰ প্ৰস্তুতি হ'ল। লোকপ্ৰিয় বৰদলৈদেৱেও সেই দলক পৰোক্ষভাৱে সমৰ্থন জনাইছিল। কিন্তু শেহত, আমাৰ সৌভাগ্য গুণে, বৰদলৈ ডাঙৰীয়া সেই দলৰপৰা কংগ্ৰেছলৈ পুনৰ ঘূৰি আহিল। তেখেতে যেতিয়া নিৰ্বাচনত কংগ্ৰেছৰপৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা উঠিছিল তেতিয়া এটা প্ৰশ্ন উঠিছিল যে তেখেতে কামৰূপৰ দক্ষিণ পাৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব লাগে। সেই সমষ্টিত ৰোহিণী কুমাৰ চৌধুৰীও এগৰাকী প্ৰাৰ্থী আছিল। তাত তিনিজনীয়া ভোট দিয়া নিয়ম (cumulative) আছিল, অৰ্থাৎ এজনে তিনিজনক একেলগে ভোট দিব পাৰে আৰু ভগায়ো দিব পাৰে। তাৰে এখন আসন অনুসূচীত জাতিৰ বাবে সংৰক্ষিত আছিল। বৰদলৈদেৱে বিচাৰ কৰি চাইছিল যে চাৰিজন প্ৰাৰ্থী হলে দুজনৰ পৰাজয়ৰ সম্ভাৱনা আছে। গতিকে যদি কংগ্ৰেছে চাৰিজন প্ৰাৰ্থী মনোনীত কৰে তেনেহলে তেখেতে নিৰ্বাচনত নুঠে। এয়ে আছিল তেখেতৰ শেষ সিদ্ধান্ত।

বহুতো লোকে তেখেতৰ এই যুক্তি মানি লবলৈ টান পালেও তাৰ প্ৰয়োজনীয়তা কিন্তু উপলব্ধি কৰিছিল।

লোকপ্ৰিয় বৰদলৈয়ে নিৰ্বাচনত জয়লাভ কৰিলে। লগতে অনুসূচীত সম্প্ৰদায়ৰ পৰা বেলিৰাম দাস নিৰ্বাচিত হ'ল। অৱশ্যে ৰোহিণীকুমাৰ চৌধুৰীৰো কথাই সুঠৈ। মুঠতে সেই নিৰ্বাচনত অসম কাউন্সিলৰ ১০৮ খনৰ আটাই কেইখন আসনত প্ৰতিদ্বন্দ্বিতা কৰা হোৱা নাছিল। তাৰ ভিতৰত কংগ্ৰেছে ৩৮ খন আসনত জয় লাভ কৰিছিল।

সেই সময়ত আমাৰ দেশত পৃথক নিৰ্বাচন পদ্ধতি প্ৰচলিত আছিল। মুছলমানসকলৰ প্ৰায়খিনিয়ে মুছলিম লীগৰ পক্ষৰপৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ইউৰোপীয় নজন আছিল। বাগিচাৰ মজদুৰৰপৰা পাঁচজন পৃথক নিৰ্বাচনৰ যোগেদি নিৰ্বাচিত হৈছিল। উপজাতিসকলেও পৃথক নিৰ্বাচনৰ যোগেদি নিৰ্বাচিত হোৱাৰ প্ৰথা আছিল। অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ ভিতৰত প্ৰবল প্ৰতিদ্বন্দ্বিতা চলিছিল, গতিকে এনে পৰিস্থিতিত কংগ্ৰেছে ১০৮ খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা নকৰাটো বৰ জ্ঞানীৰ কাম হৈছিল যদিও আমাৰ বহুতে এই সিদ্ধান্ত মানি লবলৈ টান পাইছিল। এই ক্ষেত্ৰত বৰদলৈদেৱৰ দূৰদৰ্শিতা প্ৰকাশ পাইছিল। যদি আটাইবিলাক আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিলেহেঁতেন তেনেহ'লে নিৰ্বাচনৰ ফলাফল কি হ'লহেঁতেন সেইটো সঠিক কৈ কোৱা বৰ টান।

কংগ্ৰেছ সদস্যৰ সংখ্যা ৩৮ হৈছিল যদিও একক সংখ্যা গৰিষ্ঠতা হোৱা নাছিল, তথাপি এটা শক্তিশালী বিপক্ষ দল হিচাপে কাম কৰাৰ কাৰণে চৰকাৰী দলটোৱে ছাৰ মহম্মদ ছাদুল্লাৰ নেতৃত্বত কেবা বাৰো পৰাজয় বৰণ কৰিবলগীয়া হৈছিল। বৰদলৈদেৱৰ নেতৃত্বৰ বিচক্ষণতা এইখিনিতে ফুটি উঠিছিল। চৰকাৰী পক্ষৰ প্ৰথম পৰাজয় হয় পৰিষদ অধ্যক্ষ নিৰ্বাচন কৰোতে। বিৰোধী দলৰ বিপুল সংখ্যাধিক্য সত্বেও কংগ্ৰেছ প্ৰাৰ্থী শ্ৰীবসন্ত কুমাৰ দাস বিৰোধী দলৰ খানবাহাদুৰ কেৰামত আলিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰি অধ্যক্ষ পদৰ বাবে নিৰ্বাচিত হৈছিল। এই সংক্ৰান্তত এটা কথা উল্লেখ কৰিব লাগিব। সেইটো হৈছে, বৰদলৈ ডাঙৰীয়াক কংগ্ৰেছ দলৰ নেতা নিৰ্বাচন কৰিবলৈ অসম উপত্যকাৰ বহুতো নেতা মান্তি হোৱা নাছিল। তেওঁলোকে এগৰাকী বিকল্প প্ৰাৰ্থী উলিয়াবলৈ চেষ্টা কৰিছিল। সেই কাৰণে সমগ্ৰ দলটোৰ নিৰ্বাচনৰ আগদিনাখন লোকবন্ধু ভুবনেশ্বৰ বৰুৱাৰ বাসগৃহত অসম উপত্যকাৰ

সকলো নিৰ্বাচিত সদস্য আৰু নেতাসকলৰ সভা আহূত হৈছিল। তাত বহুতো বাকবিতণ্ডাৰ পাছত নেতা পদৰ কাৰণে অমিয় কুমাৰ দাস আৰু বৰদলৈৰ নাম প্ৰস্তাবিত হৈছিল। অমিয় কুমাৰ দাসৰ নাম প্ৰস্তাব কৰিছিল শ্ৰীদেবেশ্বৰ শৰ্মাদেৱে। দাসে তেখেতৰ নাম বৰদলৈদেৱৰ সপক্ষে উঠাই ললে আৰু বৰদলৈ ডাঙৰীয়া অপ্ৰতিদ্বন্দ্বিতাৰে নেতা নিৰ্বাচিত হ'ল। সেই সভাখনত সভাপতিত্ব কৰিছিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীবিষ্ণুৰাম মেধিদেৱে। শ্ৰীমেধিদেৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰিলে। কাৰণ, তেখেতে নিৰ্বাচন প্ৰচাৰ কাৰ্যৰ দায়িত্ব মূৰ পাতি লৈছিল আৰু আপ্ৰাণ চেষ্টা কৰি কংগ্ৰেছক জয়যুক্ত কৰিব পাৰিছিল। তেখেতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাহেঁতেন তেখেত যে দলপতি নিৰ্বাচিত হ'লহেঁতেন তাত কোনো সন্দেহ নাছিল।

সি যিয়েই নহওক লোকপ্ৰিয় বৰদলৈদেৱ নেতা বাছনিত উঠিল আৰু তেখেতক নিৰ্বাচিত কৰা বাবে কংগ্ৰেছ দল প্ৰশংসাৰ যোগ্য।

বৰদলৈদেৱৰ নেতৃত্বৰ কালছোৱাতে কেবাটাও গুৰুত্বপূৰ্ণ সমস্যা অসমত উদ্ভৱ হৈছিল আৰু সেইবিলাক সমাধানৰ ক্ষেত্ৰত যে তেখেতৰ নেতৃত্ব অপৰিহাৰ্য আছিল সেইটোৰ উল্লেখ নিষ্প্ৰয়োজন। তেখেতে কংগ্ৰেছ দলৰ নেতা নিৰ্বাচিত হোৱাৰ সময়ত কংগ্ৰেছৰ বৰ ঘনিষ্ঠ সম্পৰ্কত নাছিল। তেখেতে দেশভক্ত তৰুণৰাম ফুকনৰ বৰ অন্তৰঙ্গ অনুগামী আছিল। ১৯২১ চনত যেতিয়া মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন আৰম্ভ হ'ল আৰু দেশভক্ত ফুকনে অসমত তাৰ নেতৃত্ব গ্ৰহণ কৰিলে, তেতিয়া বৰদলৈদেৱেও ওকালতি পৰিত্যাগ কৰি সেই আন্দোলনত যোগ দিছিল। তেখেতে ৰাজনীতিৰ শুকান বক্তৃতাতকৈ গঠনমূলক কামতহে বেছি প্ৰবৃত্ত আছিল। তেখেত কামৰূপৰ দক্ষিণ পাৰ আৰু গোৱালপাৰাৰ এটা অঞ্চলত খদ্দৰৰ প্ৰচাৰ কামত ব্ৰতী হৈছিল আৰু তাৰ কৃতকাৰ্যতাৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। তেখেতে সূতা কাটিছিল আৰু কপাহ সংগ্ৰহ কৰিবৰ কাৰণে গাৰোপাহাৰলৈও গৈছিল। সেই আন্দোলনত তেখেতৰ এবছৰ সশ্ৰম কাৰাদণ্ড হৈছিল। দেশভক্ত ফুকনৰো এবছৰ কাৰাদণ্ড হৈছিল। কিন্তু সকলোতকৈ অধিক কাল কাৰাদণ্ড ভুগিবলগীয়া হৈছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱে। জেলৰ পূৰ্ণ মিয়াদ পোন্ধৰ মাহ ভোগ কৰি অদম্য উৎসাহ উদ্দীপনা লৈ জেলৰপৰা ওলাই আহিছিল।

কিন্তু দেশত তেতিয়া ৰাজনৈতিক আবহাৱাৰ পৰিবৰ্তন হৈছিল। কংগ্ৰেছ

গয়া অধিবেশনত দুভাগ হ'ল। এদল হ'ল কাউন্সিললৈ যোৱা আৰু আন দল হ'ল কাউন্সিল বৰ্জন কৰা। কাউন্সিললৈ যোৱা দলৰ নেতৃত্ব কৰিছিল দেশবন্ধু চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৱে। মহাত্মা গান্ধীয়ে চৌৰী-চৌৰা (গোৰখপুৰ জিলাত) ঘটা এক হিংসাত্মক ঘটনাত মৰ্মান্তিক দুখ পাই আইন অমান্য অহিংস অসহযোগ আন্দোলন হিমালয় সদৃশ ভুল কৰা বুলি তুলি ললে। তাৰ পিছত মহাত্মা গ্ৰেপ্তাৰ হৈছিল আৰু বিচাৰত তেওঁৰ ছ বছৰ কাৰাদণ্ড হৈছিল। সেইটো এটা ঐতিহাসিক বিচাৰ বুলি আইনজ্ঞ মহলত জনাজাত। তেখেতে অহিংস অসহযোগ আইন অমান্য আন্দোলনত ঘটা সকলো দোষৰ বাবে নিজে দোষী বুলি আৰু তাৰ বাবে সৰ্বোচ্চ দণ্ড পাব লাগে বুলি বিচাৰকৰ আগত বিবৃতি দিছিল। কিন্তু যেতিয়া দেশত শান্তি প্ৰতিষ্ঠা হ'ল, তেতিয়া তেখেতক মুক্তি দিয়া হৈছিল। ওলাই আহি তেখেতে দেখিলে যে কংগ্ৰেছ দুফাল হৈ গৈছে। তেতিয়া তেখেতে এটা আপোচৰ সূত্ৰ উলিয়াই কলে যে কাউন্সিললৈ যোৱাসকলে স্বৰাজ দল নাম দি কাউন্সিলত যোৱাৰ কোনো বাধা নাই আৰু যি সকলে সেইটো কৰিব নোখোজে তেওঁলোকে গঠনমূলক কামত আত্মনিয়োগ কৰিব লাগে। সেই-মতে কংগ্ৰেছৰ ভিতৰত ঐক্য ৰক্ষা কৰা হ'ল।

কাউন্সিললৈ যোৱা দলটোক সাধাৰণভাৱে pro-changerৰ দল আৰু নোযোৱাসকলক no-changer বুলি অভিহিত কৰা হৈছিল। ৰাজা গোপাল-আচাৰী, ডঃ ৰাজেন্দ্ৰ প্ৰসাদ, চৰ্দাৰ বল্লভভাই পেটেল প্ৰমুখ্যে মুখ্য নেতা-সকল no-changer ৰ দলভুক্ত আছিল আৰু দেশবন্ধু চিত্তৰঞ্জন দাসৰ নেতৃত্বত গঠিত pro-changer দলত অন্যান্য নেতাসকল যোগ দিছিল। দেশভক্ত ফুকনে আন্তৰিকতাৰে সেই দলত ভুক্ত হৈছিল আৰু বহুতো ধীৰপন্থী কংগ্ৰেছ নেতাই 'either to mend or to end' এই ধ্বনি তুলি ভাৰত শাসন আইনৰ সংশোধন নাইবা ধ্বংস কৰিব বিচাৰিছিল। বঙ্গদেশত স্বৰাজ্য দলে শাসনতন্ত্ৰ অচল কৰি তুলিছিল, কিন্তু শেষত গৈ তেওঁলোকে চিত্তৰঞ্জন দাসৰ লোকান্তৰৰ পাছত শাসন সংস্কাৰ অন্ত পেলোৱা কাউন্সিল আৰু এছেম্ব্লীৰ যোগেদি সম্ভৱ নহয় বুলি ওলাই আহিব লগা হৈছিল। দেশভক্ত ফুকনো কেন্দ্ৰীয় বিধান পৰিষদৰ সভা নিৰ্বাচিত হৈছিল। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া নিৰ্বাচনত নমা নাছিল যদিও তেখেত দেশভক্ত ফুকনৰ সমৰ্থক আছিল।

বৰদলৈ ডাঙৰীয়াৰ কলেজীয়া শিক্ষা আৰম্ভ হৈছিল গুৱাহাটীৰ কটন

কলেজত। তাৰপৰা ইণ্টাৰমেডিয়েট পাছ কৰি কলিকতালৈ বি· এ· পঢ়িবলৈ গৈছিল। তাত গৈ স্কটিছ চাৰ্চ কলেজত নাম ভৰ্তি কৰিলে। বৰদলৈয়ে আমাৰ আগত বহুদিন কোৱা মনত আছে যে তেখেতৰ যদি কিবা সদগুণ আছে তেনেহলে সেইটো স্কটিছ চাৰ্চ কলেজত পঢ়াৰ কাৰণে। কলিকতাত যেতিয়া বি· এ. পৰীক্ষাৰ বাবে তেখেত প্ৰস্তুত হৈছিল তেতিয়া তেখেতৰ টাইফয়দ অসুখ হৈছিল। সেই বেমাৰত তেখেতে কালান্তকভাৱে আক্ৰান্ত হৈছিল। তেতিয়া টাইফয়দ ৰোগৰ কোনো চিকিৎসা নাছিল। কেৱল পৰিচৰ্যাৰ ওপৰত ৰোগীৰ জীৱন নিৰ্ভৰ কৰিছিল। তেখেতৰ এগৰাকী অতি ঘনিষ্ঠ সহোদৰ তুল্য বন্ধু আছিল তেজপুৰৰ চন্দ্ৰনাথ শৰ্মাদেৱ। তেখেতৰ নিজৰ গা ভালে নথকা সত্ত্বেও লোকপ্ৰিয়ৰ জীৱন বচাবৰ কাৰণে অহো-পুৰুষাৰ্থ কৰি দিনেৰাতিয়ে পৰিচৰ্যা কৰিছিল। ডাক্তৰসকলেও যথেষ্ট তৎপৰ-তাৰে চিকিৎসা হাতত লৈছিল আৰু ঈশ্বৰৰ ইচ্ছাত তেখেতৰ সেই যাত্ৰাত কোনোমতে প্ৰাণ ৰক্ষা পৰিছিল। তেখেতৰ বি. এ-ত বুৰঞ্জীত অনাৰ্চ আছিল। বেমাৰ সম্পূৰ্ণ সুস্থ নোহওঁতেই তেখেতে পৰীক্ষা দিবলগীয়া হোৱাত প্ৰথম শ্ৰেণীৰ অনাৰ্চ নাপালেও দ্বিতীয় শ্ৰেণীৰ প্ৰথম হৈ কৃতিত্বৰে বি. এ· পাছ কৰিছিল। পাছত এম· এ আৰু ল পঢ়িবলৈ কলিকতাতে আৰম্ভ কৰিছিল।

বৰদলৈদেৱ বৰ ভ্ৰমণপ্ৰিয় আছিল। সেই কালছোৱাত তেখেতে চন্দ্ৰনাথ শৰ্মাদেৱৰ লগত ভাৰত ভ্ৰমণ কৰিছিল আৰু সেই ভ্ৰমণৰ বহুতো স্মৃতি কাহিনী তেখেতে আমাৰ আগত ব্যক্ত কৰিছিল। এইটো জনা কথা যে আজিকালিৰ দৰে সেই সময়ত ভাৰত ভ্ৰমণ বৰ সুখৰ নাছিল। তথাপিও ভাৰতৰ সভ্যতা, সংস্কৃতি আৰু সংহতিৰ লগত সমন্বয় বিচাৰি এই ভ্ৰমণ তেখেতে কৰিছিল আৰু তাৰ বাবে যথেষ্ট কষ্ট আৰু অসুবিধা ভুগিবলগা হৈছিল।

চন্দ্ৰনাথ শৰ্মা লোকপ্ৰিয়ৰ লোকান্তৰৰ বহুত দিন পিছলৈকে জীয়াই আছিল আৰু যেতিয়া লোকপ্ৰিয় দেৱ আমাৰ প্ৰধান মন্ত্ৰী হ'ল তেতিয়া তেখেঁতে তেজপুৰৰপৰা আহি তেওঁলোকৰ জীৱনৰ পুৰণি অভিজ্ঞতাৰ কাহিনী-বিলাক চৰ্চা কৰিছিল যিবিলাক আমাৰ কাৰণে বৰ উপভোগ্য আছিল। বৰদলৈদেৱে যেতিয়া হাইস্কুলৰ নৱমমান শ্ৰেণীত পঢ়িছিল তেতিয়াও তেখে-তৰ কলাজ্বৰ হোৱাত পৰীক্ষা দিব নোৱাৰিছিল আৰু সেই চেগতে তেখে-

তৰ লগত একেলগে পঢ়া সহপাঠী শ্ৰীবিষ্ণুৰাম মেধি, কালীৰাম বৰ্মণ, মহম্মদ তৈয়বউল্লা, কুমুদৰাম বৰাই তেখেতক পিছ পেলাই আগবাঢ়ি গ'ল। তাৰ বাবে লোকপ্ৰিয় বৰদলৈদেৱে তেখেতৰ জীৱনত কোনো অনুশোচনা কৰা আমি শুনা নাছিলো।

১৯৪০ চনত মহাত্মা গান্ধীয়ে একক সত্যাগ্ৰহ ঘোষণা কৰিলে আৰু সত্যাগ্ৰহীসকলৰ তালিকা তেখেতে নিজেই অনুমোদন কৰাৰ দায়িত্ব ললে। সেই একক সত্যাগ্ৰহৰ প্ৰথম সত্যাগ্ৰহী নিৰ্বাচিত হৈছিল আচাৰ্য বিনোবা ভাৱে। তেতিয়া আচাৰ্যৰ নাম ভাৰতত বৰ সুপৰিচিত নাছিল। কেবাদিনো সত্যাগ্ৰহ কৰাৰ পাছত তেখেতক গ্ৰেপ্তাৰ কৰি ছমাহ কাৰাদণ্ড দিয়া হ'ল। দ্বিতীয় দল সত্যাগ্ৰহীৰ ভিতৰত সকলো কংগ্ৰেছ বিধায়কসকল পৰিছিল। মহাত্মা গান্ধীয়ে নিৰ্দেশ দিলে যে বিধায়কসকলে সত্যাগ্ৰহ কৰিব লাগে।

সত্যাগ্ৰহৰ কৌশল বৰ সৰল আছিল। আগতীয়াকৈ পুলিচক জাননী দি দুটা ধ্বনি উচ্চাৰণ কৰা হয়। তাৰে প্ৰথমটো হ'ল, বৃটিছক যুদ্ধত ধন আৰু জনেৰে সহায় কৰিব নালাগে আৰু দ্বিতীয়টো হ'ল সকলো হিংসাত্মক যুদ্ধকে অহিংস আৰু শান্তিপূৰ্ণভাৱে বাধা দিব লাগে। এই দুটা অতি সাধাৰণ বাক্য উচ্চাৰণ কৰোতে যে বৃটিছ সাম্ৰাজ্যৰ মূলোচ্ছেদ নহয়, এই কথা জানিও বৃটিছ চৰকাৰে দমন-নীতি চলাই এই আন্দোলন বন্ধ কৰিবলৈ উঠি-পৰি লাগিছিল। মহাত্মাৰ নিৰ্দেশত প্ৰতি গাৱঁতে এখন সভা পাতি তাত সত্যাগ্ৰহৰ তাৎপৰ্য বুজাই দিব লাগে আৰু সত্যাগ্ৰহী হবলৈ ইচ্ছুক লোকসকলৰ প্ৰতিশ্ৰুতি-পত্ৰ লব লাগে। কথা মতে কাম আৰম্ভ হ'ল আৰু গাৱেঁ গাৱেঁ সত্যাগ্ৰহী ভৰ্তি আৰু সভা-সমিতি কৰাৰ ব্যৱস্থা হ'ল। অসমত বিধায়কসকলৰ ভিতৰত বিধায়িনী দলৰ নেতা লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই ১৯৪০ চনৰ ১০ ডিচেম্বৰত গুৱাহাটীৰ কটন কলেজৰ সন্মুখত অগণিত জনতাৰ আগত সত্যাগ্ৰহ কৰিলে আৰু চৰকাৰে তাতেই তেখেতক গ্ৰেপ্তাৰ কৰি এবছৰ কাৰাদণ্ড বিহিলে। এনেকৈ সকলো বিধায়কে সত্যাগ্ৰহ কৰি বিভিন্ন মিয়াদ লৈ জেল বৰণ কৰিবলৈ ধৰিলে। তাৰ পিছত আহিল তৃতীয় তালিকা। সেইখন তালিকাত আমাৰ নামো ভুক্ত আছিল।

১৯৪২ চনৰ ১০ ডিচেম্বৰত, বৰদলৈদেৱৰ কাৰাবৰণৰ ঠিক এমাহ পিছত, মোৰ সত্যাগ্ৰহ কৰাৰ পাল পৰিছিল। মই মাত্ৰ এটা বাক্যহে উচ্চাৰণ

কৰিবলৈ পাইছিলোঁ। মোক পুলিচে গ্ৰেপ্তাৰ কৰি লৈ গ'ল। মই সত্যাগ্ৰহ কৰা ঠাইডোখৰ আছিল আমাৰ ঘৰৰপৰা প্ৰায় আঢ়ৈ মাইল দূৰ। অজস্ৰ জনতা আমাৰ গাৱঁৰপৰা মোৰ লগত সমদল কৰি সত্যাগ্ৰহ কৰা ঠাইলৈ আহিছিল। সেই দিনৰ দৃশ্য মনত পৰিলে আজিও শৰীৰ ৰোমাঞ্চিত হৈ উঠে। গ্ৰেপ্তাৰ কৰি নি বৰপেটা থানাত হাজিৰ কৰা মাত্ৰেই মোৰ বিচাৰ হ'ল আৰু সেই বিচাৰত ন মাহ সশ্ৰম কাৰাদণ্ড হ'ল আৰু তৃতীয় শ্ৰেণীৰ বন্দী হিচাপে পৰিগণিত হব লাগিব বুলি হুকুম হ'ল। মই অম্লান বদনে মোৰ বিৰুদ্ধে বিচাৰকৰ ৰায় মানি ললোঁ। বৰপেটাত জেল নথকাৰ কাৰণে মোক গুৱাহাটীলৈ পিছদিনাখন পুৱাই লৈ গ'ল। সেই দিনাখন আছিল মাঘ বিহু। মাঘ বিহুত আইক এটি সেৱাও জনাব নোৱাৰাৰ বাবে দুখ লাগিলেও জেললৈ যোৱাত বৰ আনন্দ পাইছিলোঁ। গধুলি গুৱাহাটী জেলত সোমালোঁ। মোক জেললৈ আগবঢ়াই থবলৈ গৈছিল গোলোকচন্দ্ৰ পাঠকে। মোৰ সত্যাগ্ৰহৰ সময়ত দুজন বিশিষ্ট লোক, হৰেশ্বৰ গোস্বামী আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামী উপস্থিত আছিল। তেওঁলোকৰ লগত নানান ধঁাহি-তামাচাৰে দিন কটাইছিলো।

মোক অনাৰ আগদিনাখনেই লোকপ্ৰিয় বৰদলৈ, শ্ৰীবিষ্ণুৰাম মেধি আৰু আন কেবাজনো প্ৰথম শ্ৰেণীৰ সত্যাগ্ৰহী কয়দীক যোৰহাট জেললৈ স্থানান্তৰিত কৰাত তেখেতসকল থকা ৱাৰ্ডতে মোক অকলে থাকিবলৈ দিলে। থাকিবৰ সুবিধা পাইছিলো যদিও পোছাক-পৰিচ্ছদ বদলাই তৃতীয় শ্ৰেণীৰ পোছাক আৰু কানি-কাপোৰ ব্যৱহাৰ কৰিবলগা হৈছিল। তাৰবাবে মনত অলপো আক্ষেপ নাছিল। যি হওক মোৰ নিজা কথা ইয়াতেই বাদ দিলো।

জেলত কেইমাহমান কটোৱাৰ পিছত বৰদলৈদেৱৰ চকুৰ অসুখ হ'ল। তেখেত উচ্চ ৰক্তচাপত ভুগিছিল। সেই কাৰণেই নেকি তেখেতক জেলৰপৰা খালাছ দিলে। কিন্তু হুকুম হ'ল যে তেখেতে গুৱাহাটী চহৰ এৰি কলৈকো যাব নোৱাৰে। অৰ্থাৎ গৃহবন্দী হৈ থাকিব লাগিব। বৰদলৈদেৱে এই হুকুম মানিবনে লঙ্ঘন কৰিব সেই বিষয়ে পৰামৰ্শ বিচাৰি মহাত্মা গান্ধীলৈ চিঠি লেখিলে। উত্তৰত মহাত্মাই জনাইছিল যে একেলগে চকুৰ বেমাৰ, অতিৰিক্ত ৰক্তচাপ গাত লৈ হুকুম অমান্য কৰাটোও শৰীৰৰ ওপৰত অত্যাচাৰ কৰা যেন হ'ব আৰু সেইটো অহিংসাৰো বিৰোধী। অগত্যা লোকপ্ৰিয়দেৱে

সেইটো মানি ললে। কিন্তু কেইগৰাকীমান তেখেতৰ বন্ধুৰ মধ্যস্থতাত বিশেষকৈ ৰোহিণী কুমাৰ চৌধুৰীৰ (সেই সময়ত শ্বাদুল্লা মন্ত্ৰীসভাৰ এগৰাকী বিশিষ্ট মন্ত্ৰী) হেঁচাত চৰকাৰে তেখেতক চকুৰ চিকিৎসাৰ কাৰণে কলিকতালৈ যাবলৈ অনুমতি দিলে। কোনো ৰাজনৈতিক কায-কলাপত যোগ দিব নোৱাৰিব বুলিও আদেশ দিলে। কলিকতালৈ কেইদিনমানৰ কাৰণে চিকিৎসাৰ কাৰণে গলেও তেখেতে তেনে নিদেশ বৰ ভাল পোৱা নাছিল। কাৰণ সেই সময়ত তেখেতৰ দৰে বহুতো বেমাৰী সত্যাগ্ৰহীৰ জেলত চিকিৎসা নোপোৱাকৈ থকাৰ কথাটোৱে তেখেতৰ বিবেকক বৰকৈ খুন্দিয়াইছিল। তেখেত চিকিৎসাৰ অন্তত উভতি অহাত আকৌ সেই আগৰ গৃহবন্দী হোৱাৰ হুকুম বাহাল হ'ল।

আনফালে পাৰ্ল হাৰবাৰৰ পতনৰ পাছত জাপানে ব্ৰহ্মদেশ দখল কৰিলে। জাপান আহি ব্ৰহ্মদেশৰ দুৱাৰমুখ পাওতে, ব্ৰহ্মদেশত থকা লাখ লাখ ভাৰতীয় অসমৰ পূবফালৰ পৰ্বত শ্ৰেণী পাৰহৈ ভাৰতবৰ্ষত সোমাল। নাগালেণ্ড, মণিপুৰ, কলিকতা, মাদ্ৰাজ আদি ঠাইত জাপানে বোমা পেলালে। দেশত এটা আতঙ্কৰ সৃষ্টি হ'ল। মহাত্মা গান্ধীয়ে বৃটিছক যুদ্ধত সহায় কৰা চৰ্ত হিচাপে এই বুলি জনালে যে যুদ্ধৰ পাছত ভাৰতক স্বাধীনতা দিব লাগিব আৰু তেনেহলে ভাৰতবৰ্ষই বৃটিছক ধনে প্ৰাণে সহায় কৰিব। এই উদ্দেশ্যে বৰলাটলৈ আৰু বৃটিছ প্ৰধানমন্ত্ৰী চাৰ্চিলৰ লগত পত্ৰৰ আদান-প্ৰদানো কৰিছিল। তথাপিও গান্ধীজীয়ে আশ্ৰয় প্ৰাৰ্থীসকলক সাহায্য কৰা কামত কংগ্ৰেছ কৰ্মীসকলক আত্মনিয়োগ কৰিবলৈ দিলে। কিন্তু বৃটিছে এইবিলাক কথাত কৰ্ণপাত নকৰিলে। যেতিয়া কলিকতা আদি ঠাইত বোমা পৰিল তেতিয়া অসমবাসীৰ মুখ শুকাই গ'ল। বিশেষকৈ ৰাজস্থানী মহাজন ব্যৱসায়ীসকলে অসম পৰিত্যাগ কৰি নিজৰ নিজৰ ঠাইলৈ যাবলৈ আৰম্ভ কৰাত অসমত এটা ভীষণ পৰিস্থিতিৰ সৃষ্টি হ'ল। অসমৰ নেতাসকলে এই সমস্যাৰ সন্মুখীন হবৰ কাৰণে উপায় চিন্তা কৰিলে। লোকপ্ৰিয় বৰদলৈদেৱে প্ৰদেশখনৰ সকলো যুৱকক শান্তি সেনা গঠন কৰি যি কোনো জৰুৰী অৱস্থাৰ সন্মুখীন হ'বলৈ আহ্বান জনালে। বৰদলৈ ডাঙৰীয়াই তেতিয়া প্ৰধান মন্ত্ৰী পদ কংগ্ৰেছৰ নিৰ্দেশমতে ইস্তফা দিলে। যেতিয়া যুদ্ধ লাগিল আৰু ভাৰতৰ কোনো জনমত নোলোৱাকৈ ভাৰতীয়সকলকো সেই যুদ্ধত বৃটিছৰ লগত

অংশীদাৰ বুলি ঘোষণা কৰিলে তেতিয়া মহাত্মা গান্ধীয়ে তাৰ তুৰ্খোৰ বিৰোধিতা কৰিছিল আৰু কংগ্ৰেছ মন্ত্ৰীসভাবপৰা ওলাই আহিব লাগে বুলি আহ্বান জনাইছিল ।

অসমতো বৰদলৈ সংযুক্ত মন্ত্ৰীসভাই ইস্তফা দিলে । অসমত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন হোৱাটোও বৰদলৈদেৱৰ এটা সুস্থিৰ নেতৃত্বৰ পৰিচায়ক ।

আগতে উল্লেখ কৰি অহা হৈছে যে ১০৮ জনীয়া অসম কাউন্সিলত কংগ্ৰেছৰ সদস্য মাত্ৰ ৩৮ জনহে । এনেকুৱা অৱস্থাত কংগ্ৰেছ যুক্ত মন্ত্ৰীসভা গঠন হোৱাটো আশ্চৰ্য যেন লাগে । আগেয়ে কোৱা হৈছে যে কাউন্সিলত প্ৰায় সোতৰ বাৰ মন্ত্ৰীসভাৰ পৰাজয় হোৱা সত্বেও লীগ মন্ত্ৰীসভাই পদ ইস্তফা নিদি চলি থাকিবলৈ চেষ্টা কৰিছিল । এবাৰ এটা অনাস্থা প্ৰস্তাবত কংগ্ৰেছ আৰু চৰকাৰ দলে সমান সমান ভোট পোৱাত অধ্যক্ষ শ্ৰীবসন্ত কুমাৰ দাসে স্থিতাবস্থা বাহাল ৰখাৰ পক্ষে নিজৰ ভোট দি মন্ত্ৰীসভা ৰক্ষা কৰিছিল । তথাপিও মন্ত্ৰীসভাই ইস্তফা নিদিলে । তাৰ পিছত পুনৰায় আৰু এটা অনাস্থা প্ৰস্তাব দাঙি ধৰাত ছাৰ শ্বাদুল্লাই অৱস্থা বিষম দেখি নিজে কাউন্সিল সদনত মন্ত্ৰীসভাৰ হৈ ইস্তফা দিযে আৰু কংগ্ৰেছক মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান জনাই ৰাজ্যপালক অনুৰোধ জনায় ।

সেই সময়ত অসমত ৰাজ্যপাল আছিল ছাৰ এণ্ড্ৰু ক্লো । ৰাজ্যপালে বৰদলৈ ডাঙৰীয়াক কংগ্ৰেছ দলপতি হিচাপে মন্ত্ৰীসভা গঠন কৰিব পাৰে নে নোৱাৰে পৰামৰ্শ ললে । বৰদলৈদেৱে সেই পৰামৰ্শত সন্মতি জনালে আৰু অচিৰতে মন্ত্ৰীসভা গঠন কৰিব বুলি কৈ আহিল । তাৰ পাছত বৰদলৈদেৱে পাচজন সভ্যৰ নাম মন্ত্ৰী পদৰ বাবে প্ৰস্তাব কৰি ৰাজ্যপালৰ হাতত দিলে । সেই সময়ত কাউন্সিলৰ অধিবেশন বহি আছিল । ৰাজ্যপালে সেই তালিকা গ্ৰহণ কৰিলে । এইখিনিতে কোৱা উচিত যে সেই তালিকাখনত মুছলমানৰ সদস্যৰ কোনো নাম নাছিল । পাছত ভাবি-চিন্তি দিব বুলি কৈছিল ।

ৰাজ্যপালে মন্ত্ৰীসভাক শপত গ্ৰহণ কৰোৱাৰ দিন ঠিক কৰিলে । গেজেটত আগৰ মন্ত্ৰীসভাৰ ইস্তফা আৰু নতুন মন্ত্ৰীসকলৰ নাম প্ৰকাশ পালে । শপত গ্ৰহণ উৎসৱলৈ বহুতো লোকক নিমন্ত্ৰণো জনালে । সেই দিনাখনেই কাউন্সিলৰ সভাত কংগ্ৰেছ-যুক্ত মন্ত্ৰীসভাৰ বিৰুদ্ধে ছাৰ শ্বাদুল্লাৰ দলে এটা অনাস্থা প্ৰস্তাব আনিলে । কিন্তু যিহেতুকে মন্ত্ৰী সভা সেই সময়ত গঠন হোৱা নাছিল সেই

কাৰণে অধ্যক্ষ মহোদয়ে সেই প্ৰস্তাৱটো অবৈধ বুলি দাঙি ধৰিবলৈ নিদিলে । এই কথা কাণত পৰাত ৰাজ্যপাল খণ্ডত জ্বলি-পকি উঠিল আৰু শপত গ্ৰহণ অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল বুলি আদেশ জাৰি কৰিলে । বৰদলৈদেৱ আৰু তেওঁৰ সতীৰ্থসকল ৰাজ ভৱনলৈ শপত গ্ৰহণ নকৰাকৈ উভতি আহিল আৰু পৰিষদৰ সভা সিদিনালৈ স্থগিত হ'ল ।

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মহলত বিতৰ্ক উঠিছিল যে অসমত সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলৈ দিয়া হবনে নহয় আৰু সেই উদ্দেশ্যে বুজ লবলৈ কংগ্ৰেছ সংসদীয় বডৰ পূৰ্ব ভাৰতৰ ভাৰপ্ৰাপ্ত সদস্য মৌলানা আবুল কালাম আজাদক পঠোৱা হ'ল । মৌলানা চাহাব আহিলত কংগ্ৰেছ মন্ত্ৰীসভা গঠন কৰিব নে সিন্ধু প্ৰদেশৰ খান বাহাদুৰ আলাবক্সৰ মন্ত্ৰীসভাক কংগ্ৰেছে সমৰ্থন দিয়াৰ দৰে সমৰ্থন দিব এই কথাটো লৈ বৰ বিতৰ্ক হ'ল । এনে বিতৰ্কৰ ফলত প্ৰায় দুদিন অসমত কোনো মন্ত্ৰীসভা নাছিল । এই খবৰ সেই সময়ৰ কংগ্ৰেছ সভাপতি নেতাজী সুভাষ চন্দ্ৰ বসুক জনোৱা হ'ল আৰু তেখেত লৰালৰিকৈ ছিলঙলৈ আহিল । তেখেতে এই বিষয়ে এটা সিদ্ধান্ত দিলে যে কংগ্ৰেছে অন্য দলৰ লগত লগ লাগি মন্ত্ৰীসভা গঠন কৰিব । কোনো দলক মন্ত্ৰীসভা গঠন কৰিবলৈ দি সমৰ্থন নজনায় । কথা নিষ্পত্তি হলত সুভাষ বাবুৱে বাতৰি কাকতত এটা বিবৃতিৰে অভিযোগ তুলিলে যে ৰাজ্যপালৰ কামটো সম্পূৰ্ণ অবৈধ আৰু অন্যায় হৈছে । বৰদলৈদেৱ আৰু তেখেতৰ সতীৰ্থ সকলক অতি শীঘ্ৰে শপত গ্ৰহণ কৰাব লাগে । সেই বিবৃতিটোৱে কাম দিলে । ৰাজ্যপাল এণ্ড্ৰুৱে আগৰ ঠাইৰ পৰা নামি আহিল আৰু বৰদলৈদেৱ আৰু তেখেতৰ মনোনীত সভ্যসকলক শপত গ্ৰহণ কৰালে ।

অসমত যুক্ত মন্ত্ৰীসভা গঠন হ'ল । তাৰ পাছৰ দিনা কাউন্সিলৰ সভাত পুনৰায় মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দাঙি ধৰা হ'ল । অধ্যক্ষ মহোদয়ৰ নিৰ্দেশমতে প্ৰধানমন্ত্ৰী হিচাপে বৰদলৈদেৱে কাৰ্যভাৰ গ্ৰহণ কৰা নায়েই, তদুপৰি নতুন কাৰ্যসূচী লৈ নতুন মন্ত্ৰীসভাই কাউন্সিলৰ অধিবেশন বহুৱাব তেতিয়াহে অনাস্থাৰ প্ৰস্তাৱ উঠিব পাৰিব । শ্বাদুল্লা চাহাবে সেইটোৰ বিৰুদ্ধাচৰণ কৰি দাবী কৰিছিল যে পুৰণি কাৰ্যসূচীৰেই সভা চলি থাকিব লাগে । দুয়োপক্ষৰ কথা শুনি অধ্যক্ষ মহোদয়ে বৰদলৈদেৱৰ যুক্তি গ্ৰহণ কৰিলে আৰু অনিৰ্দিষ্ট কাললৈ অধিবেশন স্থগিত ৰাখিলে ।

কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা .অসমত স্থাপিত হ'ল। মন্ত্ৰীসভাত মুছলমান সদস্য কাক লোৱা হব ? সেই সময়ত প্ৰায় ভাগ মুছলমান সদস্যই লীগ পন্থী। কেইজনমান স্বতন্ত্ৰ আছিল। ফখৰুদ্দিন আলি আহমেদো স্বতন্ত্ৰভাৱে নিৰ্বাচিত হৈছিল। তেখেত কোনো দলত ভুক্ত নাছিল। কিন্তু তেখেতৰ লগত এজনে মুছলমান নথকাত মন্ত্ৰীসভাত লোৱাটো সমীচীন নহব বুলি ভবা হৈছিল। এনে এটা পৰিস্থিতিত কৰিমগঞ্জৰ খান বাহাদুৰ মহম্মদ আলিয়ে মন্ত্ৰীসভাত যোগ দিবলৈ সন্মতি দিলে। পিছত তেখেতক আৰু আহমেদ চাহাবক লৈ পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰীসভা গঠিত হ'ল। অৱশ্যে তাৰ পাছত আলি হায়দৰ খানেও মন্ত্ৰীসভাত যোগ দি মন্ত্ৰীসভা সম্পূৰ্ণ কৰাত সহযোগ কৰিছিল। আলি হায়দৰ খান ছিলেটৰ এগৰাকী জমিদাৰ আছিল আৰু তেখেতৰ প্ৰভাৱ প্ৰতিপত্তিও আছিল যথেষ্ট। তেখেতে বে-পৰোৱাভাৱে কংগ্ৰেছ যুক্তমন্ত্ৰী সভাত যোগ দিছিল। কংগ্ৰেছ যুক্ত মন্ত্ৰীসভাত এতিয়া তিনিগৰাকী মুছলমান সদস্য হ'ল। কংগ্ৰেছ যুক্ত মন্ত্ৰীসভাৰ কাৰ্যসূচীৰ এটা বিষয় হ'ল –খেতিৰ আয়ৰ ওপৰত আয়কৰ ধাৰ্য কৰা। সেই সময়ত চাহ বাগিছাৰ মালিক প্ৰায় আটাইখিনিয়ে য়ুৰোপীয় আছিল। তেখেতসকলে বাগিছাৰ গ্ৰাণ্টৰ মাটিৰ বাবে নাম মাত্ৰ খাজানা দিছিল আৰু যিহেতুকে কোম্পানীবিলাক লণ্ডনত ৰেজিষ্টাৰ হৈছিল, সেই কাৰণে তেওঁলোকৰ আয়কৰো বিলাতততহে দিবলগীয়া হৈছিল। ৰাজহ আৰু অৰ্থমন্ত্ৰী ফখৰুদ্দিন আলি আহমেদে বুদ্ধি পাঙিলে যে চাহ খেতি এটা সম্পূৰ্ণ উদ্যোগ। ই খেতি হিচাপে আয়কৰ ৰেহাই পাব নোৱাৰে। সেই কাৰণে ভাৰতবৰ্ষত পোনপ্ৰথমে অসমতে Agricultural Income Tax ধাৰ্য কৰি আইন প্ৰণয়ন কৰা হ'ল। সেই সময়ত অসমত আছিল দুখন পৰিষদ –উচ্চ আৰু নিম্ন পৰিষদ। নিম্ন পৰিষদত বিলখন পাছ হলেও উচ্চ পৰিষদত বিলখন পাছ নহ'ল। তেতিয়া সাংবিধানিক নিয়ম মতে উভয় সদনৰ সভাত বিলখন পাছ হব লাগিব। যেতিয়া উভয় সদনৰ যুটীয়া অধিবেশন বহিল তেতিয়া এই বিষয়টো লৈ তুমুল যুদ্ধ হ'ল আৰু সভ্যসকলক লৈ টনা আজোৰা লাগিল। শেষত ছৈয়দুৰ ৰহমান চাহাবে বিলখনৰ বিৰুদ্ধে ভোট নিদিলত উভয় সদনৰ সভাত বিলখন গৃহীত হ'ল। তেতিয়াৰ পৰা বাগিছাৰ আয়ৰ একাংশ Agricultural Income Tax হিচাপে অসমে পোৱাটো আইন সঙ্গত হ'ল। সেই টকাৰপৰা অসমৰ ৰাজকোষলৈ কেবা কোটিও টকা বছৰে

অহাৰ বাট মুকলি হ'ল। কানি নিবাৰণৰ বাবে অসমৰ সকলো ৰাইজৰে এটা প্ৰবল জনমত গঠিত হোৱাত সংযুক্ত মন্ত্ৰীসভাই কানিৰ ব্যৱহাৰ উঠাই দি আইন পাছ কৰি কানি খোৱা প্ৰথাৰ নিৰ্মূল সাধন কৰিলে। আন কথা বাদ দিলেও এই দুটা সিদ্ধান্তৰ কাৰণে কংগ্ৰেছ যুক্ত মন্ত্ৰীসভাৰ খ্যাতি অসম বুৰঞ্জীত স্থায়ীভাৱে থাকি যাব।

এতিয়া পুনৰ আমি ব্ৰহ্মদেশৰ ভগনীয়া আৰু শান্তি সেনা সংগঠনৰ কথালৈ আহো। ব্ৰহ্মদেশৰ ভগনীয়াবিলাকে মনিপুৰ হৈ পৰ্বত পাহাৰ বনজঙ্গল অতিক্ৰম কৰি অসমৰ ডিমাপুৰত খিতাপি ললেহি। এতিয়া অৰণ্যে ডিমাপুৰ নগালেণ্ডৰ অন্তৰ্ভুক্ত এটা ৰেলৱে জংছন। বাটতে যে কিমান মানুহ খাবলৈ নাপাই বা বেমাৰ আজাৰ হৈ মৰিল তাৰ হিচাপ উলিয়াবৰ বাবে কোনো নগ'ল। অসমলৈ আহিও ৰেলৰ লাইনৰ পাৰে পাৰে সৰু সৰু ষ্টেচনবিলাকত হেজাৰ হেজাৰ মানুহ মৰিছিল। ডিমাপুৰত কংগ্ৰেছৰপৰা এটা আশ্ৰয় প্ৰাৰ্থী শিবিৰ পতা হৈছিল আৰু সেই শিবিৰৰ নায়ক আছিল শ্ৰীদেবেশ্বৰ শৰ্মা। শিবিৰৰ চাৰি মাইল ব্যাপি দুৰ্গন্ধ বায়ুৰে পৰিপূৰ্ণ হৈছিল। গাঁত খানি স্বেচ্ছাসেৱকসকলে একোটা গাঁততে কেবাটাও মৰাশ পুতিছিল।

সেই সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি আছিল পণ্ডিত জৱাহৰলাল নেহৰু। তেখেতেও শিবিৰ পৰিদৰ্শন কৰিবলৈ আহিছিল। সেই সময়ত বকোত এটা শান্তিসেনাৰ সমাবেশ হৈছিল। সেই সমাবেশ সকলোৱে অপূৰ্ব বুলি কৈছিল। শান্তিসেনা সংগঠনটোক আৰু তাৰ সংগঠক লোকপ্ৰিয় বৰদলৈদেৱক পণ্ডিত নেহৰুৱে ভূৰি ভূৰি প্ৰশংসা কৰিছিল।

লোকপ্ৰিয় বৰদলৈদেৱে বৰপেটালৈও এই সংগঠনৰ কামত গৈছিল। বৰপেটাৰ সৰভোগৰ দক্ষিণ গণকবাৰীত এই সেনাৰ প্ৰশিক্ষণ শিবিৰ বৰদলৈদেৱে পৰিদৰ্শন কৰিছিল। প্ৰশিক্ষণ দিছিল এগৰাকী কংগ্ৰেছৰ একনিষ্ঠ সেৱক আৰু নিয়মানুৱৰ্তিতাত খটি খুন নোহোৱা তেজপুৰৰ শ্ৰীবাপাৰাম গগৈ দেৱে। তেখেতক শিক্ষাৰ্থীসকলে বৰ সন্মান কৰিছিল আৰু তেখেতেও শিক্ষাৰ্থীসকলৰ মন জয় কৰিব পাৰিছিল। সৰভোগৰ নন্দমোহন মজুমদাৰৰ ঘৰৰ ওচৰতে এটুকুৰা ঐতিহাসিক স্থান আছে, তাতেই ব্ৰজনাথ শৰ্মাক পৰ্যবেক্ষক নিযুক্ত কৰি শিবিৰটো চলোৱা হৈছিল। তাৰপৰা তেখেত বৰপেটালৈ আহিছিল আৰু আমাৰ সকলোৰে অনুৰোধক্ৰমে চেঙালৈও গৈছিল। গোলকচন্দ্ৰ পাঠকে তেখেতৰ কাৰ্যসূচী ৰচনা

কৰিছিল। বৰদলৈদেৱে গৰমত চটফটাই এখন ভগা গাড়ীত বৰপেটাৰপৰা এঘাৰ মাইল দূৰৰ চেংাৰলৈ গৈছিল। বাটে বাটে যিমানবিলাক গাওঁ ঢুকি পোৱাত আছিল সেই-সকলৰ বাইজে সমবেত হৈ তোৰণ আদি সাজি বৰদলৈদেৱক ৰাজোচিত সন্মান যাচিছিল।

মই সেই সময়ত বৰপেটা জিলা কংগ্রেছৰ সাধাৰণ সম্পাদক আছিলো আৰু লোকপ্রিয় বৰদলৈক আদৰ-অভ্যর্থনা জনাই বৰ গৌৰব বোধ কৰিছিলো। জিলা কংগ্রেছ কমিটিৰ সভাপতি, শ্রীঅক্ষয়কুমাৰ দাসৰ নিদেশত সকলো কাৰ্যক্ৰম ৰচিত হৈছিল। শ্রীদাস ডাঙৰীয়া এগৰাকী নীৰৱ, বুদ্ধিমান আৰু কংগ্রেছক প্রাণতকৈও ভাল পোৱা লোক। আজিৰ মানুহে তেখেতে মুক্তি সংগ্রামত কি অবদান যোগাইছিল সেইটো হয়তো কল্পনাও কৰিব নোৱাৰিব। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ একেৰাহে মুক্তি সংগ্রামত যোগ দি জীৱিত থকা নেতা বৰ বিৰল। সেইসকলৰ ভিতৰত শ্রীদাস ডাঙৰীয়া যে এগৰাকী বিশিষ্ট নেতা তাক কোৱা নিষ্প্রয়োজন। তেখেত মন্ত্রীত্ব পদৰ বাবে লালায়িত নাছিল যদিও দুবাৰ এম-এল-এ হৈছিল। তেখেতে কথা কম কয়, কিন্তু যিখিনি কয় সেইখিনি বৰ হৃদয়গ্রাহী।

শান্তিসেনা সংগঠনৰ কামত বৰদলৈদেৱে মনে প্রাণে লাগি তাক কৃতকায কৰিছিল। পণ্ডিত জৱাহৰলাল নেহৰুৱে এই কথা প্রশংসাৰে স্বীকাৰ কৰি গৈছে।

১৯৪১ চনৰ আগষ্ট মাহত বোম্বাই মহানগৰীত নিখিল ভাৰত কংগ্রেছ কমিটিৰ সভা বহিছিল। তাত অসমৰপৰা লোকপ্রিয় বৰদলৈ আৰু সিদ্ধিনাথ শর্মাদেৱে যোগদান কৰিছিল। সেই অধিবেশনতে ইতিহাস প্রসিদ্ধ 'ভাৰত-ত্যাগ' প্রস্তাৱ গৃহীত হৈছিল। আঠ আগষ্টৰ কাযকৰী কমিটিৰ সভাত পোন প্রথমে প্রস্তাবটো গৃহীত হয়। ন আগষ্টত অখিল ভাৰত কংগ্রেছ কমিটিৰ সভাত মহাত্মা গান্ধীয়ে প্রস্তাবটোৰ ওপৰত ভাষণ দিয়াৰ কথা আছিল; কিন্তু ৰাতি নৌ পুৱাওঁতে মহাত্মা গান্ধী, পণ্ডিত নেহৰু, চৰ্দাৰ পেটেল প্রমুখ্যে নেতাসকলক আৰু প্রদেশ বিলাকতো অনেক নেতাক গ্রেপ্তাৰ কৰিলে।

বৰদলৈদেৱৰ আৰু শৰ্মাদেৱে অসমলৈ উভতি আহিছিল। কিন্তু সদায় চিন্তা হৈছিল যে ক'ত তেখেতসকলক গ্রেপ্তাৰ কৰে। তেখেত দুজনৰ লগত শ্রীকামিনী শৰ্মাও গৈছিল। বাটতে শ্রীশৰ্মাক নেতা দুগৰাকীয়ে কেনেকৈ আন্দোলন চলাব লাগিব তাৰ দিহা দিছিল। আৰু সেই সম্পর্কৰ কাগজ পত্র তেওঁৰ হাতত

দিছিল। ধুবুৰীৰপৰা তেখেতসকলে গুৱাহাটীলৈ জাহাজেৰে আহিব। কাৰণ বাৰিষাৰ কাৰণে বেকী নদীৰ দলং ভগাত অসমলৈ ৰেল চলাচল বন্ধ হৈছে। বৰদলৈদেৱৰ গ্ৰেপ্তাৰৰ বাতৰি বিদ্যুত বেগে অসমত বিয়পি পৰিল আৰু আন্দোলনৰ গতি আগতকৈ তীব্ৰ হ'ল। নানা ঠাইত পশ্চাৎঘাট কাৰ্যও যে নোহোৱা নাছিল এনে নহয়। কিন্তু আন্দোলনৰ ব্যাপকতাৰ তুলনাত সেইটো বৰ ধৰ্তব্য নহয়।

বৰপেটাত প্ৰথমতে কাকো গ্ৰেপ্তাৰ কৰা হোৱা নাছিল। চৌব্বিশ আগষ্টৰ দিনা সকলো কেন্দ্ৰীয় ঠাইতে আৰু বৰপেটা চহৰতো ব্যাপকভাৱে আন্দোলন সমৰ্থন কৰি বহুতে বৰ উত্তেজিত বক্তৃতা দিছিল। সেই সময়ত সামৰিক বিভাগৰপৰা বৰনগৰৰ বেকী নদীৰ পাৰত এটা বিমান বন্দৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল। ঠিকাদাৰবিলাক গাঁবলৈ সোমাই গাঁৱৰ বাঁহ-খেৰ যি কোনো মূল্যতে কিনি আনি আৰু শিল-বালি আদিৰো যোগান ধৰি বৃটিছৰ যুদ্ধ প্ৰচেষ্টাত সহায় কৰিছিল। তেওঁলোকে বহুতেই বহু অৰ্থ উপাৰ্জনো কৰিবলৈ সক্ষম হৈছিল। কংগ্ৰেছ কৰ্মীসকলে এই কথাটো ভাল নাপাইছিল। বহুতো মানুহৰ ঘৰ-বাৰী উচ্ছেদ কৰি বিমান বন্দৰৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছিল। বহুতো মানুহে থকা ঘৰ-বাৰী এৰি দিব লগা হৈছিল। এইবোৰ কাৰণে মানুহৰ ক্ষোভ বৃদ্ধি পাই থাকোতেই চৌব্বিশ আগষ্টৰ সমাবেশে দুগুণ ঘি ঢলাৰ দৰে মানুহক বৰ উত্তেজিত কৰিলে। ঠিক হ'ল যে বিমান ঘাটি পুৰি পেলাব লাগিব। সেইদিনা ৰাতি প্ৰায় বাৰমান বজাত প্ৰথমতে ঠিকাদাৰৰ শ্ৰমিকসকলক ভয় দেখুৱাই তাৰপৰা আঁতৰ কৰি বিমান ঘাটিত জুই লগাই সকলোবিলাক সংগৃহীত আহিলা পাতি আৰু সৰভোগ থানা, ডাক বঙলা আদি পুৰি ছাই কৰা হ'ল। বিমান ঘাটিত অগ্নিদাহ কৰা ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল ব্ৰজনাথ শৰ্মাদেৱে। ঘটনাটো ঘটাৰ পিছত মানুহৰ মনত আনকি আমাৰ মনতো এটা ত্ৰাসৰ সৃষ্টি হৈছিল। কাৰণ আমি বুজিব পাৰিছিলো যে এই ঘটনাটো বৃটিছ চৰকাৰে কেতিয়াও সহজভাৱে গ্ৰহণ নকৰে আৰু তাৰ বিৰুদ্ধে নিশ্চয় কিবা এটা বিশেষ ব্যৱস্থা ল'ব। ভবা-মতেই হ'ল। একত্ৰিশ আগষ্টত বহু সংখ্যক পুলিচ মিলিটাৰী সেই অঞ্চলত সোমাল আৰু যদিও উদ্দেশ্য আছিল ব্ৰজনাথ শৰ্মাক গ্ৰেপ্তাৰ কৰা তথাপিও তেখেতক বিচাৰি নাপাই নন্দ মোহন মজুমদাৰ, শ্ৰীনবদ্বীপৰঞ্জন পাটগিৰি, শ্ৰীবলাই সেন, ৰত্নকান্ত দাস সহ চাৰিজন আৰু মোকো মজুমদাৰৰ ঘৰত

লগ পাই গ্ৰেপ্তাৰ কৰিলে। আমাক লৰীত তুলি বৰপেটালৈ আনিছিল। মোক যদিও বিচনা-আঠুৰা আদি থানাৰ ভিতৰত ব্যৱহাৰ কৰিবলৈ অনুমতি দিছিল কিন্তু মজুমদাৰক দিবলৈ অমান্তি হোৱাত মযো মোৰ বিচনা-আঠুৰা আদি ব্যৱহাৰ নকৰি একেলগে একে ব্যৱহাৰ গ্ৰহণ কৰি ৰাতিটো কটালো। ৰাতি প্ৰায় দহমান বজাত আমাৰ গাঁৱৰ ফালৰপৰা ষোল্লজন নেতৃস্থানীয়লোক আৰু ভলন্টিয়াৰ গ্ৰেপ্তাৰ কৰি আনিলে। সেইসকলৰ ভিতৰত আমাৰ সৰু ভাই শ্ৰীহৃদয়ানন্দ চৌধুৰীও আছিল। যেতিয়া আমাৰ সংখ্যা বৃদ্ধি হ'ল তেতিয়া বৰপেটা থানাত লক্আপত আমাক শোৱাতো দূৰৰ কথা আটাই-বিলাকক থিয় দি থাকিবলৈকে ঠাইৰ নাটনি পৰিল। শৌচ-প্ৰস্ৰাবৰ বন্দো-বস্ততো নাছিলেই। এনেকৈয়ে অতি কষ্টেৰে ৰাতিটো পুৱাল। হুকুম দিলে যে আমি গুৱাহাটী জেললৈ যাব লাগিব। আমাক সৰুপেটা ষ্টেচনলৈ মটৰেৰে লৈ গ'ল। সৰুপেটাৰপৰা লাইন নথকাৰ কাৰণে পাঠশালা ষ্টেচনলৈ খোজকাঢ়ি যাব লগা হ'ল। ভাদমহীয়া দুপৰীয়াৰ ৰ'দত আমাৰ সেই পদ-যাত্ৰা আৰম্ভ হৈছিল। কিন্তু সকলোৱে হাস্য মুখে সেইবিলাক দুখ-কষ্ট গ্ৰহণ কৰিছিল। পাঠশালা ষ্টেচন আহি পোৱাত বহুতো বন্ধুৱে আমাক দেখা কৰি নাৰিকলৰ ডাব খাবলৈ দিছিল। সেই ডাবৰ পানী আমাৰ সকলোৰে কাৰণে অমৃততুল্য আছিল। এনেকৈ আহি পাঠশালাত ৰেলত উঠি আমি গধূলি গুৱাহাটী জেল পালোহি। আমাক জেলৰপৰা পাবলগীয়া বয়-বস্তু, বাচন-বৰ্তন, কাপোৰ-কানি আদি সকলো চমজাই দিলে। জেলত এটা সমস্যা হ'ল। আমি আটাইবিলাকে আছিলো বিচাৰাধীন কয়েদী। গতিকে পুৱা মাৰ ভাত খাবলৈ ফাইল কৰিবলৈ দিয়া অলপ সুবিধাৰ বাহিৰে আমাক ঘৰৰ ভিতৰত দিনটো তলা বন্ধ কৰি থৈ দিছিল। গধূলি ভাত খাবলৈ অৱশ্যে আধা ঘণ্টামানলৈ উলিয়াই আনিছিল। আমাৰ তেনেকৈ জেল-জীৱন আৰম্ভ হ'ল। আমি আটাইবিলাকে বিচাৰাধীন হৈয়ে প্ৰায় সাত-আঠ মাহ তেনেদৰে থাকিবলগীয়া হৈছিল। যিহেতুকে বিচাৰাধীন কয়েদীক কোনো পিন্ধা কাপোৰ আদি নিদিয়ে সেয়ে বহুতো বন্ধুৱে ঘৰৰপৰা কাপোৰ আদি আনিব নোৱাৰাৰ বাবে বৰ কষ্ট ভুগিবলগীয়া হৈছিল।

ৰাজনৈতিক কয়েদীৰে জেল ভৰি গ'ল। অসংখ্য মানুহ; জেলত সেই অনুপাতে ঠাই নাছিল। অসমৰ সকলো জেলতেই সেই একেই অৱস্থা।

আনকি কৰ্মচাৰীবিলাকৰো বৰ বিপদ হৈছিল। সকলো অসুবিধাকে আমাৰ ভিতৰতে নিজে নিজে চম্ভালি লৈছিলো। কেইগৰাকীমান আশী বছৰৰ ওপৰৰ বুঢ়া মানুহো আমাৰ লগত আছিল। তেওঁলোকৰ অসুবিধাৰ কথা ভাবিহে আমি বৰ চিন্তাত পৰিছিলো।

দিন কিন্তু গৈ থাকিল। গোলকচন্দ্ৰ পাঠক, হৰেশ্বৰ গোস্বামী, শ্ৰীজগদীশ-চন্দ্ৰ মেধি, শ্ৰীগিৰীশচন্দ্ৰ চৌধুৰী, শ্ৰীলক্ষ্মীধৰ বৰা, গৌৰীকান্ত তালুকদাৰ আৰু মোক ছিলেট জেললৈ স্থানান্তৰ কৰিলে। আমাৰ অপৰাধ আছিল আমি ৰাতি শোৱাৰ আগেতে শ্ৰীজয়প্ৰকাশ নাৰায়ণ হাজাৰীবাগ জেলৰপৰা পলাই যোৱাৰ বিষয়ে আলোচনা কৰিছিলো। প্ৰকৃততে ক'বলৈ গলে সেই আলোচনা সম্পূৰ্ণ একাডেমিক আছিল। তাত কোনেও জেলৰপৰা পলাই যোৱাৰ কথা অবতাৰণা কৰা নাছিল। ছিলেট জেলখন অসমৰ সৰ্ববৃহৎ জেল আছিল। আমি ১৯৩১ আৰু ১৯৪১ চনত অসম উপত্যকাৰ যি কেইখন জেলত আছিলো সেইফালৰপৰা ছিলেট জেলখন সম্পূৰ্ণ বেলেগ আছিল আৰু তাৰ প্ৰশাসনীয় ব্যৱস্থাও আছিল অন্য ৰকমৰ। আমাৰ জেইলৰ আছিল উগ্ৰ প্ৰকৃতিৰ খাঁ-বাহাদুৰ পিয়াৰউদ্দিন আলি আহমেদ। মানুহজন পাতল আৰু ক্ষীণ। তেওঁক কয়েদীবিলাকে বৰ ভয় কৰিছিল আৰু বহুতে সন্মানো কৰিছিল। কাৰণ তেখেতে জেল কৰ্তৃপক্ষই কৰিব পৰা সকলো কাম অনায়াসে কৰিব পাৰিছিল।

আমি ছিলেট জেলত থাকোতেই কুশল কোৰঁৰ যোৰহাট জেলত ফাঁচি হয়। ঘৰত জুই লগাবৰ চেষ্টা কৰা বুলি সেই জেলৰ ৰাজনৈতিক বন্দী-সকলৰ ওপৰত অমানুষিক অত্যাচাৰো কৰা হৈছিল। সেই অত্যাচাৰৰ নিষ্ঠুৰ চিকাৰ আছিল এজন বিশেষ অহিংসাবাদী, গান্ধীবাদী কংগ্ৰেছী যোৰহাটৰ শশীধৰ মলিয়াবৰুৱা। তেখেতে জেলৰপৰা ওলাই আহি কিছুদিন একেবাৰে অকৰ্মণ্য জীৱন যাপন কৰিবলগীয়া হৈছিল। জেলৰ ৱাৰ্ডাৰৰ মাৰত তেখেতৰ এনেকুৱা অৱস্থা হৈছিল আৰু সেই অৱস্থাতেই তেখেতৰ মৃত্যু হৈছিল। তেখেতৰ স্মৃতি আজিও আমাৰ বহুতৰে মনত বৰ সজীৱ হৈ আছে। তেখেতৰ অমায়িক প্ৰকৃতিয়ে সকলোকে মুগ্ধ কৰিছিল আৰু তেখেত লোকপ্ৰিয় বৰদলৈ-দেৱৰ বৰ প্ৰিয়ভাজন আছিল। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ ডায়েৰীত দুজন বিশিষ্ট নেতাৰ নাম উল্লেখ আছে। তাৰ ভিতৰত মলিয়াবৰুৱাক ধৰা হোৱা নাই। তাত আছিল কমলা মিৰি আৰু কুশল কোঁৱৰ। কমলা মিৰিক

বৰদলৈ ডাঙৰীয়াই বৰ্ণ শিক্ষা দি লেখিব পঢ়িব পৰা কৰিছিল।

কুশল কোৰঁৰৰ কাহিনীটো বৰ ৰোমাঞ্চকৰ হিচাপে বৰদলৈৰ ডায়েৰীত উল্লেখ আছে। তাত আছে যে কোৰঁৰৰ ফাঁচীৰ আগদিনা আবেলি সকলো ৰাজনৈতিক বন্দীকে তেখেতক দেখা কৰিবলৈ দিছিল। দেখা কৰিবলৈ বৰদলৈ ডাঙৰীযাও গৈছিল। কিন্তু মনত সংকোচ হ'ল, তেখেতক কি বুলি সান্ত্বনা দিব। যেতিয়া তেখেতৰ ওচৰলৈ গৈ তেখেতৰ লগত কথা বতৰা আৰম্ভ কৰিলে, তেতিয়া মনৰ পৰা সেই সংকোচ দূৰ হ'ল। কোৰঁৰদেৱে তেতিয়া গীতা পঢ়ি আছিল। তেখেতে কলে যে জেলৰ বাহিৰত তেখেতে যিখন গীতা পঢ়িছিল সেইখন গীতা তেখেতক আনিবলৈ নিদিলে। জেলৰ ভিতৰলৈ আহি সেই কথা ব্যক্ত কৰাত লোকপ্ৰিয় বৰদলৈ আৰু শ্ৰীদেবেশ্বৰ শৰ্মাদেৱৰ অনুৰোধক্ৰমে আন এখন গীতা তেখেতক পঢ়িব দিয়া হৈছিল। হিংসাত্মক কাযৰ বাবে অপৰাধী সাব্যস্ত হোৱাত কোৰঁৰদেৱে বৰ দুখ পাইছিল আৰু কৈছিল যে তেখেঁত কোনো হিংসাত্মক কাযত লিপ্ত নাছিল। কিন্তু মহাত্মা গান্ধীৰ এগৰাকী বিশ্বস্ত অনুগামী হিচাপে ওপৰৰ পৰা আন্দোলন পৰিচালনাৰ বাবে যিবিলাক নিদেশ পাইছিল সেই নিদেশমতে তেখেত মাত্ৰ পৰিচালিত হৈছিল। সৰুপেটাৰ ৰেল ষ্টেচনৰ ওচৰত মিলিটাৰী ৰেল এখন লাইনচ্যুত হয আৰু বহুতো লোকৰ প্ৰাণ হানিৰ লগতে বযবস্তু নষ্ট হৈছিল। তাৰে প্ৰায়চিত্ত হিচাপে তেখেতে হাঁহিমুখে মৃত্যুদণ্ড গ্ৰহণ কৰিছিল। তেখেতৰ বাবে কোনো চিন্তা নকৰিবলৈ বাৰে বাৰে অনুৰোধ কৰিছিল। বিশেষকৈ মানুহৰ যেতিয়া মৃত্যু অনিবায। বৰদলৈ প্ৰমুখ্যে বন্দীসকলৰ মনত প্ৰবোধ দিবলৈ একো নাথাকিল। পিছদিনা ৰাতিপুৱাই ফাঁচী দিবলৈ নিয়াৰ সময়ত তেখেতে ডাঙৰ ডাঙৰকৈ সুৰ লগাই গীতাখন পাঠ কৰি কৰি ফাঁচী কাঠত উঠিছিল আৰু এনেকৈয়ে এগৰাকী মহান ব্যক্তিৰ জীৱনৰ অবসান ঘটিছিল। তেখেতৰ মৰাশ পুলিচ মিলিটাৰীয়ে চিভিল কৰ্মচাৰীবিলাকৰ সাক্ষাতত জেলৰ ওচৰতে দাহন কৰিছিল। তেখেতৰ সেই শেষ সমাধি এতিয়াও এগৰাকী মহানলোকৰ স্মৃতিতীৰ্থ হিচাপে সংৰক্ষিত হৈ আছে।

কমলা মিৰিক বৰদলৈ ডাঙৰীযাই সূতা কাটিবলৈও শিকাইছিল আৰু তেখেতৰ কাৰণে এটি যঁতৰো সংগ্ৰহ কৰি দিছিল। এবাৰ তেখেতৰ গ্ৰহণী বেমাৰ হৈছিল। বেমাৰৰ চিকিৎসা জেলৰ হাস্পাতালতে হৈছিল। কিন্তু বেমাৰৰ উপশম নহ'ল। ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে। জেলৰপৰা তেখেতক

সাময়িকভাৱে খালাচ দিয়াৰ প্ৰস্তাব কৰা হৈছিল; কিন্তু তেখেতে সেই প্ৰস্তাবত মান্তি নহ'ল। মৃত্যু সন্নিকট বুলি ভাবি তেখেতক যাবলৈ অনুৰোধ কৰা সত্বেও তেখেত মান্তি নহ'ল। উত্তৰত তেখেতে কৈছিল যে তেখেতৰ মৃত্যুয়েই যদি ভগৱানৰ অভিপ্ৰেত হয়, তেনেহলে তেখেতৰ সহকৰ্মীসকলৰ লগত জেলতে মৃত্যুবৰণ কৰিব। তেখেতৰ তেনে অটল প্ৰতিজ্ঞা দেখি কোনো ৰাজনৈতিক বন্দীয়ে আৰু জেলৰ পৰা ওলোৱাৰ কথা নকলে। তেখেতৰ খালাচৰ আগদিনাখন ৰাতিয়েই লোকান্তৰ হ'ল। ৰাতিপুৱা মৃতদেহটো খালাচ দিলে। তেখেতৰ আত্মাই আজিও দেশৰ মঙ্গলসাধন কৰিবলৈ আশীৰ্বাদ দি আছে। যদি বৃটিছ চৰকাৰে মিছা ভেম গুচুৱি মিয়াদ শেষ হোৱাৰ তিনি-চাৰি দিনৰ আগতে তেখেতক খালাচ দিলেহেঁতেন তেন্তে তেখেতে হয়তো মুক্তভাৱে মুক্ত আকাশৰ তলত মৰিব পাৰিলেহেঁতেন। কিন্তু সেইটো সাম্ৰাজ্যবাদীৰ অৰ্থহীন সন্মানবোধৰ বাবে হৈ নুঠিল।

১৯৪৪ চনত স্বাস্থ্যজনিত কাৰণত বৰদলৈ ডাঙৰীয়াক জেলৰ পৰা খালাচ দিলে। উল্লেখ কৰা উচিত হব যে বৰদলৈদেৱৰ কোনো নিৰ্দিষ্ট কাৰাবাসৰ ম্যাদ নাছিল। তেখেত security prisoner হৈ আছিল। এইবাৰো তেখেতৰ ওপৰত চৰ্ত আৰোপ কৰা হ'ল যে তেখেত নিজ নগৰৰ বাহিৰলৈ যাব নোৱাৰে। ঘৰতে আবদ্ধ হৈ থাকিব লাগিব। মাজতে কেইদিনমানৰ কাৰণে তেখেতক কলিকতালৈ যাবলৈ অনুমতি দিয়া হৈছিল; কিন্তু কোনো ৰাজনৈতিক আন্দোলনত যোগ দিয়াৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছিল। তেখেত কলিকতালৈ গ'ল আৰু চিকিৎসা আদি কৰাৰ ছেগতে আমাৰ ৰাজনৈতিক বন্দীসকলক সাহায্য কৰিবৰ কাৰণে কিছু অৰ্থ সংগ্ৰহ কৰি আনিছিল। এনে সময়তে আমি জেলৰপৰা খালাচ হৈ আহো।

বৰদলৈদেৱে মোক ৰাজনৈতিক বন্দীসকলৰ ঘৰৰ খবৰ বাতৰি লবলৈ আৰু কেইগৰাকীমানক অৰ্থ সাহায্য দিবলৈ গোটেই অসমতে পৰিভ্ৰমণ কৰিবলৈ আদেশ দিছিল। লগতে ছোৱালী আৰু তিৰোতাৰ ওপৰত মিলিটাৰী বা পুলিচৰ অত্যাচাৰৰ বিষয়ে প্ৰতিবেদন এখনো প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছিল। সেইমতে মই যাত্ৰা কৰিলো আৰু উজনি অসমৰ প্ৰায় গাৱেঁ-ভূঞে পৰিভ্ৰমণ কৰিবলৈ আৰম্ভ কৰিলো। মোৰ কামত সহায় কৰিছিল নৰেন্দ্ৰনাথ শৰ্মা আৰু হুছেইন চাহাবে। এইলোক দুয়োজন ডেৰগাঁৱৰ। এনেদৰে ঘূৰি ঘূৰি সাহায্য বিতৰণ কৰি আৰু খবৰ সংগ্ৰহ কৰি উভতি আহি

বৰদলৈ ডাঙৰীয়াক সকলোবিলাক কথা জনালো। সেই সময়ত কংগ্ৰেছ বে-আইনী। মোৰ প্ৰতিবেদনমতে কংগ্ৰেছ কৰ্মীসকলৰ কৰ্তব্য নিৰ্দ্ধাৰণ কৰিবলৈ আলোচনা কৰিবৰ কাৰণে জেলৰ বাহিৰত থকা কংগ্ৰেছ কৰ্মী-সকলক গোটাই এখন সভা পতাৰ সিদ্ধান্ত ললো। সভাখন গুৱাহাটীতে বহাৰ ঠিক হ'ল আৰু উজান বজাৰৰ কুমুদচন্দ্ৰ গোস্বামীৰ বাহিৰৰ অফিচৰ সৰু ঘৰটোত সভাৰ স্থান নিৰ্বাচিত হ'ল। সভাখনত প্ৰায় পঞ্চাশ গৰাকীমান কৰ্মী উপস্থিত আছিল। শ্ৰীলক্ষ্মীধৰ বৰা, শ্ৰীঅক্ষয়কুমাৰ দাস, শ্ৰীদেৱকান্ত বৰুৱা (বাকীবিলাকৰ নাম মনত নাই) প্ৰমুখ্যে কৰ্মীসকলে লোকপ্ৰিয় বৰদলৈ-দেৱৰ নেতৃত্বত সভা পাতিলে। সভাত ঠিক হ'ল যে মই দাখিল কৰা প্ৰতিবেদনখন বৰদলৈদেৱে নিজে সংশোধন কৰি মহাত্মা গান্ধীৰ ওচৰলৈ পঠিয়াব। লগতে 'অসম গ্ৰামসেৱা সংঘ' নামে এটা অনুষ্ঠান স্থাপন কৰি কংগ্ৰেছ কৰ্মীসকলে পুৰুষ-মহিলা সকলোৰে সহযোগত মহাত্মা গান্ধীৰ গঠন-মূলক কাৰ্যাৱলীৰে কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য চলাব। শ্ৰীবিষ্ণুৰাম মেধি, ফখৰুদ্দিন আহমেদ, শ্ৰীদেবেশ্বৰ শৰ্মা আৰু অমিয়কুমাৰ দাস তেতিয়াও জেলতেই আছিল। প্ৰতিবেদনখন তৈয়াৰ হোৱাৰ পাছত সেইখন মহাত্মা গান্ধীক দিবলৈ মোক আৰু শ্ৰীঅক্ষয়কুমাৰ দাসক দায়িত্ব দিলে। সেই সময়ত মহাত্মা গান্ধীয়ে জেলৰপৰা খালাচ পাই পুণাৰ পাঁচগণিত জিৰণী লৈ আছিল। আমাৰ যোৱাৰ সকলো বন্দোবস্ত লোকপ্ৰিয় বৰদলৈদেৱেৰ তত্ত্বাবধানত হৈছিল।

পাঁচগণি এটা সৰু পাহাৰী ষ্টেচন। সেই ঠাইডোখৰৰ লগত আমাৰ কাৰো পৰিচয় নাছিল। তথাপি বৰদলৈদেৱৰ নিৰ্দেশ মতে যাবৰ বাবে সাজু হলো আৰু সেই বিষয়ে আমাৰ কেবাগৰাকী লোকৰ লগতো আলোচনা কৰিছিল। শ্ৰীলক্ষ্মীধৰ বৰাদেৱে দুই-তিনিবাৰ প্ৰতিবেদনখন বৰদলৈদেৱে শুধৰাই দিয়া মতে টাইপ কৰি প্ৰস্তুত কৰিছিল। সেইখনৰ শেষ টাইপ কৰা অৱস্থাত বৰদলৈদেৱে দেখা নাপালে। কাৰণ বৰা ডাঙৰীয়াৰ ভয় যে আকৌ সংশোধন আদি কৰিলে পুনৰ টাইপ কৰিব লাগিব।

প্ৰতিবেদনখনত অসমত মিলিটাৰীয়ে নাৰীৰ ওপৰত অত্যাচাৰ কৰাৰ কথা, বস্তুৰ দাম দৰ বিশেষকৈ নিমখ দুষ্প্ৰাপ্য হোৱাৰ কথা উল্লেখ আছিল। আজি হয়তো মানুহে পাহৰি গৈছে যে নিমখৰ দাম তেতিয়া সেৰে পঞ্চলিছ টকালৈ উঠিছিল। আনকি নিমখৰ বস্তা ধোৱা পানীও বজাৰত বিক্ৰি হৈছিল।

ধানৰ দাম বৃদ্ধি পাইছিল আৰু অৰ্থৰ লোভত আমাৰ মানুহে তেওঁলোকৰ ভৰাল উদং কৰি ধান বিক্ৰি কৰি দিছিল। ধানৰ দাম বৃদ্ধি পোৱা আৰু টকা উভৈনদী হোৱা খবৰ আমি জেলতে বন্ধু বান্ধৱৰ চিঠিৰপৰা পাইছিলো। বস্তু দুষ্প্ৰাপ্য হ'লেও টকাৰ অভাব নাছিল। মানুহে মিলিটাৰীত ঠিকা কৰি বহুত টকা লাভ কৰিছিল।

আমি পাঁচগণিলৈ যাত্ৰা কৰিলো। গধূলি গৈ পুণা পালো। ষ্টেচনৰ ওচৰতে থকা হোটেলত ৰাতিটো কটাই পুৱাই বাচত পাঁচগণিলৈ যাত্ৰা কৰিলো। পাঁচগণি পুণাৰপৰা প্ৰায় পাঁচ মাইল দূৰত। তেতিয়া পেট্ৰোলৰ অভাৱ আছিল, সেয়ে আমি ষ্টীম ইঞ্জিন লগোৱা বাচত যাব লগা হৈছিল। আমাৰ লগত এগৰাকী মাৰোৱাৰী বন্ধুও পুণাৰ পৰা মহাত্মা গান্ধীক দেখা কৰিবলৈ একেলগে গৈছিল মাৰোৱাৰী বন্ধু গৰাকীৰ পাঁচগণিত এটা ঘৰ আছিল। ঘৰটো খালি। আমাক তেখেতে সেইটো ঘৰতে থাকিবলৈ নিমন্ত্ৰণ জনালে। আমি তেখেতৰ আতিথ্যত বৰ আনন্দ পাইছিলো। তাৰ পিছত প্ৰায় আবেলি গৈ পাঁচগণি পালোগৈ। মহাত্মা গান্ধীৰ কাৰণে শ্ৰীঅক্ষয়কুমাৰ দাসৰ শাহুৱেকে নিজ হাতে সূতা কাটি বোৱা কেইখনমান কাপোৰ আৰু কেইটামান আনাৰস লৈ গৈছিলো। আমি প্ৰথমে তেখেতৰ সেইসময়ৰ ব্যক্তিগত সচিব ডাঃ জীৱৰাম মেহতাক লগ ধৰিলো আৰু তেখেতক আমাৰ পাঁচগণিলৈ অহাৰ উদ্দেশ্য জনালো। ডাঃ মেহতাই আমি তালৈ যোৱাৰ কথা আগৰ পৰাই জানিছিল। ডাঃ মেহতা পিছত গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু লণ্ডনত ভাৰতীয় হাই কমিচনাৰ হৈছিল। তেখেতে আমাৰ পৰা প্ৰতিবেদনখন আৰু লগতে আমাৰ উপহাৰখিনিও ললে। তেখেতে আমাক বহিবলৈ দি মহাত্মাৰ ওচৰলৈ গ'ল আৰু আমাৰ উদ্দেশ্যৰ কথা কলে। গান্ধীজীয়ে আমাক মাতি নিলে আৰু ক'লে যে আমাৰ প্ৰতিবেদনখন বৰ দীঘলীয়া, সেয়ে সেইখন পঢ়িবলৈ তেখেতৰ সময় লাগিব। আমাৰ উপঢৌকনখিনিৰ বাবে তেখেতে ধন্যবাদ জনালে। তেখেতে প্ৰতিবেদনখনৰ দুই এটা পাত লুটিয়াই আমাক জনালে যে প্ৰতিবেদনখন তেওঁ মনোযোগেৰে পঢ়িব লাগিব। কিন্তু তেখেতে পাঁচগণি এৰি ৱাৰ্দ্ধালৈ যোৱাৰ সময় অতি সন্নিকট। গতিকে তেখেতে সময়মতে প্ৰতিবেদনখন পঢ়ি আমাক কবলগীয়া কথা আৰু পৰামৰ্শ দিব। লগতে আমাক পুণালৈ গৈ তেওঁৰ কাৰণে তাত তিনিদিন অপেক্ষা কৰিবলৈ কলে আৰু লগতে উপদেশ দিলে যে অসমীয়া

মানুহবিলাক তেখেতৰ নিচিনাই দুখীয়া গতিকে সেই কাৰণে আমি পুণালৈ গৈ হোটেলত নাথাকি ধৰমশালাতে থাকিব লাগিব। তেখেতে আৰু কলে যে তাত মাটিৰ বাচন বৰ্তন-বন্ধা-বঢ়া কৰি খাবৰ বাবে পোৱা যায়। গতিকে সেই বাচন-বৰ্তন কিনি বজাৰ আদি কৰি ধৰমশালাত খাই-বই শুবৰ কাৰণে সুবিধা হব।

তেতিয়া পাঁচগণিত কিনকিনীয়া বৰষুণ। লগতে বতৰো ঠাণ্ডা। আমি কিন্তু তেনেকুৱা এটা পৰিস্থিতি হব বুলি নাভাবি কানি কাপোৰ সৰহকৈ নিয়া নাছিলো। তথাপি অতি কষ্টেৰে তাত মাৰোৱাৰী বন্ধুজনৰ ভাড়া ঘৰ-টোত ৰাতিটো কটালো আৰু পুৱাই তাৰ পৰা পুণালৈ উভতিলো। আহি মহাত্মা গান্ধীৰ কাৰণে তিনিদিন অপেক্ষা কৰি থাকিব লগাত পৰিলো। তিনি দিনৰ পিছত মহাত্মাই মেহতাক প্ৰাকৃতিক চিকিৎসালয়ত দেখা কৰাৰ কথা আছিল; কিন্তু তেখেত তালৈ আহিলত মানুহৰ অত্যন্ত ভীৰ হোৱাত আমাক জনালেঁ যে তেখেতে আমাৰ লগত সুস্থিৰভাৱে কথা হব, কাৰণ প্ৰতিবেদনখনত বহুতো কথা উল্লেখ কৰা হৈছে। সেইবিলাকৰ বিষয়ে তেখেতে আমাৰ পৰা কিছু স্পষ্টীকৰণ লৈ তেখেতৰ কবলগীয়াখিনি আমাক কব। সেইকাৰণে তেখেতে আমাক পিছদিনাখন কল্যাণ ষ্টেচনত লগধৰি আমাক সকলো জনাব। আমি আশ্বস্ত হৈ আহিলো।

পিছদিনাখন কল্যাণ ষ্টেচনলৈ গ'লো। আমাক তেখেতৰ সহযাত্ৰীসকলে মাতি নি মহাত্মা গান্ধীয়ে ভ্ৰমণ কৰিবলগা ডবাত বহুৱালে আৰু গান্ধীজীলৈ অপেক্ষা কৰিবলৈ উপদেশ দিলে। ৰেল এৰিবৰ সময় হোৱাৰ লগে লগেই মহাত্মাই অসংখ্য মানুহৰ ভিৰ ঠেলি আহি আমাৰ লগত বহিয়ে কথা পাতিবলৈ আৰম্ভ কৰিলে আৰু প্ৰতিবেদনত উল্লেখ কৰা বিষয়সমূহৰ যথাযথ উত্তৰ দিলে। তেখেতে কলে অসমত যিটো পৰিস্থিতি হৈছে তাত মানুহৰ এক-মাত্ৰ উপায় হ'ল 'be fearless', 'নিৰ্ভয় হোৱা'। বৰদলৈ ডাঙৰীয়াৰ স্বাস্থ্য সম্পৰ্কে আৰু গঠনমূলক কামৰ প্ৰগতি আদিৰ বিষয়েও আমাৰ লগত তেখেতে কথা পাতিছিল। এনেতে যাবৰ সময় হোৱাত আমাকো লগত লৈ তেখেতে আহাৰ গ্ৰহণ কৰিলে। আমিও আহাৰ কৰিলো। ৰেলখন ষ্টেচন পালেই মানুহৰ ভিৰ আৰু 'মহাত্মা গান্ধী কী জয়' ধ্বনিৰে ষ্টেচনত আকাশ পৱন ধ্বনিত হৈ উঠিছিল। খিৰিকী বন্ধ কৰি গলেও উন্মত্ত জনতাই মহাত্মা গান্ধীৰ দৰ্শনৰ কাৰণে দৰ্জা-খিৰিকী ভাঙি দিব খোজে। মহাত্মা

গান্ধীয়ে খিৰিকীৰে মুখ উলিয়াই হৰিজনৰ কাৰণে পইচা সংগ্ৰহ কৰিছিল আমাৰ সকলোকে সেই কামত নিযুক্ত কৰিছিল। ৰাতিপুৱা আমি ৱান্ধা ষ্টেচন পালো। মহাত্মা মটৰেৰে ৱান্ধাৰপৰা সেৱাগ্ৰামলৈ যাত্ৰা কৰিলে। আমি টাঙ্গাৰে গলো। তেখেতক হৰিজনসকলে সেৱাগ্ৰামৰ দুৱাৰ মুখত অভ্যৰ্থনা জনালে। সেই অভ্যৰ্থনাত তেওঁলোকে ভজন গাইছিল। ভজন-টোৰ অৰ্থ আছিল যে মানুহে পৰমেশ্বৰক নিৰাকাৰ বুলি কয় কিন্তু যিসকল লোকে ঈশ্বৰক সাকাৰ ৰূপত দেখা পায় তেওঁলোকে কেনেকৈ পৰমেশ্বৰ যে নিৰাকাৰ সেইটো বিশ্বাস কৰিব পাৰে, ইত্যাদি। ভজনটোৰ সুৰ আৰু সঙ্গও সম্পূৰ্ণ হোৱাত সকলো মানুহৰে চকুলো বৈ পৰিছিল। সেৱাগ্ৰামত আমাৰ থকা ঠাই নিৰ্দ্ধাৰণ কৰি দিলে মহাত্মাই নিজেই আৰু খোৱাৰ সময়ৰ কথাও আমাক জনাই থৈ গ'ল। ৰেলত ৰাতিটো আমি যি অৱস্থাত কটাইছিলো তাৰপৰা আমাৰ ধাৰণা হৈছিল যে মহাপুৰুষৰ লগত ভ্ৰমণ কৰা বৰ সন্তোষজনক নহয়। কিন্তু দেখিছিলো মহাত্মাই নিৰ্বিকাৰভাৱে জনতাক দেখা দিছিল আৰু হৰিজনৰ বাবে অৰ্থ সংগ্ৰহ কৰিছিল। এইটো কেৱল এঠাইত বা দুঠাইত যে হৈছিল এনে নহয়, কল্যাণ ষ্টেচনৰপৰা সেৱাগ্ৰাম আশ্ৰমলৈকে হৈছিল।

দুপৰীয়া তেখেতৰ লগতে আমিও ভোজন কৰিবলগীয়া হোৱাত প্ৰথমতে অলপ বিব্ৰত হ'লেও পৰম সৌভাগ্য বুলি অনুভৱ কৰিছিলো। কোনটো বস্তু বা কোনখন আঞ্জা কেতিয়া খাব লাগে তেখেতে নিৰ্দেশ দিছিল। তেখেতৰ নিৰ্দেশ মানি সেইমতে কাম কৰিছিলো। তেখেতে আমাক আকৌ কিছু উপদেশ আবেলি ভ্ৰমণত দিব বুলি ক'লে আৰু আমি সেইকাৰণে আবেলি ভ্ৰমণত তেখেতৰ সঙ্গী হ'ব লাগিব। ইমানবিলাক অনুগ্ৰহ মহাত্মা গান্ধীৰপৰা পোৱাটো পৰম ভাগ্য বুলি পৰমেশ্বৰক আৰু আনহাতে তাৰবাবে সুবিধা দিয়াত লোকপ্ৰিয় বৰদলৈৰ উদ্দেশ্যে নীৰৱে কৃতজ্ঞতা জনালো।

আবেলি মহাত্মাৰ লগত ভ্ৰমণৰ বাবে ওলালো। আমাৰ যদি কিবা কথা সুধিবলৈ বাকী আছে সুধিবলৈ কলত আমি প্ৰথমতে চৰকাৰৰ পৃষ্ঠপোষকতাত অসমখনক মুছলমান সংখ্যাগৰিষ্ঠ কৰি পাকিস্থানৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰা ষড়যন্ত্ৰৰ কথা উত্থাপন কৰিলো। উত্তৰত তেখেতে কৈছিল যে বৰদলৈয়েও সেইটো প্ৰতিবেদনখনত উল্লেখ কৰিছে। সেইটো কেতিয়াও অসমীয়া ৰাইজে

মানি লব নালাগে। এখন সৰু প্ৰদেশলৈ যদি এখন ডাঙৰ ওচৰ চুবুৰীয়া প্ৰদেশৰো অবাধ জনপ্ৰব্ৰজন চলে আৰু শেষত যদি সেই প্ৰদেশৰ লোকখিনি সংখ্যালঘিষ্ঠ হ'বৰ সম্ভাৱনা থাকে, তেনেহলে তাৰ বিৰুদ্ধে সকলোৰে সত্যাগ্ৰহ কৰিবৰ অধিকাৰ আছে। তেখেতে কৈছিল, এই বিষয়ত কোনেও সাম্প্ৰদায়িকতাৰ বহণ দিব নোৱাৰে। তেনে সম্প্ৰদায়ৰ বিৰুদ্ধে থলুৱা লোকসকলৰ উচিত ব্যৱস্থা লবলৈ অধিকাৰ আছে। দ্বিতীয় প্ৰশ্ন এটা আছিল: হিংসা আৰু অহিংসা সংক্ৰান্তত হোৱা অসমৰ একাংশ কংগ্ৰেছীলোকৰ মাজৰ মতভেদ। সেই সময়ত শঙ্কৰ বৰুৱা পলাতক হৈ আছিল। যেতিয়া বহুতো নাৰীৰ ওপৰত মিলিটাৰী আৰু পুলিচৰ অত্যাচাৰ আৰম্ভ হ'ল তেতিয়া তাৰ প্ৰতিৰোধৰ কাৰণে বৰুৱাদেৱে ছোৱালীসকলক তৰোৱালৰ শিক্ষা দি তাৰ প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰচাৰ কৰিছিল। সেই সময়ত জেলত থকা শ্ৰীদেবেশ্বৰ শৰ্মা প্ৰমুখ্যে নেতাকেইজনমানে সেই কাৰ্যৰ দ্বাৰা হিংসাক প্ৰশয় দিয়া বুলি শঙ্কৰ বৰুৱাৰ বিৰুদ্ধে অভিযোগ তুলিছিল। মহাত্মা গান্ধীয়ে তাৰ উত্তৰত কৈছিল যে তেখেতে অসমৰ গোটেইখিনি মহিলাই তৰোৱাল ব্যৱহাৰ কৰি আত্মমৰ্যাদা ৰক্ষা কৰিব বুলি নাভাবে। তেখেতে কৈছিল, যদি এগৰাকী মহিলায়ো তৰোৱাল ব্যৱহাৰৰ দ্বাৰা আত্মমৰ্যাদা ৰক্ষা কৰিবলৈ সক্ষম হয়, তেখেতে পৰম আনন্দ পাব। আত্মমৰ্যাদা ৰক্ষাৰ কাৰণে মিলিটাৰীৰ বিৰুদ্ধে তৰোৱাল ব্যৱহাৰ কৰি আত্মৰক্ষাৰ চেষ্টা কৰাটো সম্পূৰ্ণ অহিংস। অহিংস নীতি ভীৰুৰ নীতি নহয়। অহিংস নীতি ব্যৱহাৰৰ দ্বাৰা আত্মৰক্ষা কৰিব পৰাটো অতি প্ৰশংসনীয়; কিন্তু যিসকল তাৰপৰা বঞ্চিত সেইসকলে অস্ত্ৰৰ ব্যৱহাৰ কৰিও আত্মৰক্ষা, ধন-সম্পত্তি আৰু মৰ্যাদা ৰক্ষা কৰা নিতান্ত উচিত। সেইটো অহিংসাৰ অন্তৰ্বৰ্তী। বৰদলৈয়ে আৰু লেখিছিল যে বেছি দাম পোৱাৰ কাৰণে মানুহে অৰ্থৰ লোভত ভৰালৰ সমস্ত ধান বেচি শেষ কৰিছে। সেইটো এটা আত্মঘাতী নীতি। মহাত্মাই কৈছিল, তেখেতে জনাত অসমৰ প্ৰতি গৃহস্থৰে ধানৰ ভৰাল আছে আৰু তাৰপৰাই নিজৰ ভৰণ-পোষণৰ উপৰিও বিপদৰ সময়ত ওচৰ চুবুৰীয়াকো সহায় কৰিবলৈ সক্ষম হয়। আমেৰিকাৰ টকা আছে, আমেৰিকাৰ সৈন্যক খুৱাবলৈ খাদ্যবস্তু লাগে। সেই স্বাৰ্থত তেওঁলোকে কি অন্যায় কৰি ভাৰতৰ মানুহক অৰ্থলোভত লোভী কৰি মানুহৰ পতন সাধিছে সেইটো তেওঁলোকে পিছত বোধকৰো বুজিব পাৰিব। যুদ্ধৰ উন্মাদনাত এইবিলাক চিন্তা তেওঁ-

লোকৰ আহিব নোৱাৰে। তেখেতে আমাক কৈছিল, এইবিলাক কথাৰ যদি প্ৰতিৰোধ সম্ভৱ হয় আৰু তেওঁৰ স্বাস্থ্যই কুলায় তেনেহলে তেখেতে তাৰ বিৰুদ্ধে প্ৰচাৰ চলাব। সেইটোও গঠনমূলক কামৰ এটা অঙ্গ। জাতি এটাৰ ভবিষ্যত নষ্ট কৰি বৰ্তমান গ্ৰহণ কৰা এই নীতি হিংসা নীতি। তেখেতে বাৰে বাৰে বৰদলৈদেৰেৰ স্বাস্থ্যৰ বাবে যথেষ্ট উদ্বেগ প্ৰকাশ কৰিছিল আৰু পাৰিলে এবাৰ তেখেতক সেৱাগ্ৰামলৈ কিছুদিনৰ বাবে জিৰণী লবৰ বাবে যাবলৈ কৈছিল।

বৰদলৈ ডাঙৰীয়াক আমি উভতি আহি মহাত্মাৰ সেইবিলাক কথা কলো। তেখেতে বিশেষ কৰ্ণপাত নকৰিলে। কিন্তু সেৱাগ্ৰামলৈ এবাৰ হ'লেও গৈছিল। সেইবাৰত তেখেতে মহাত্মা গান্ধীক লগ পোৱাৰ কথা নিজৰ ডায়েৰীত লেখিছিল যে তেখেতে তীৰ্থলৈ গৈছিল যদিও তীৰ্থৰ বিগ্ৰহ দেখা নাপালে। মনত সেই কাৰণে বৰ দুখ থাকি গ'ল।

পিছৰবাৰ বৰদলৈদেৱৰ ৱান্ধালৈ যাওঁতে মোকো লগত লৈ গৈছিল। কিন্তু ৱান্ধালৈ গৈ আমি জানিব পাৰিলো যে মহাত্মা গান্ধীয়ে মৌন ব্ৰত লৈছে। এমাহলৈ কাৰো লগত কথা-বতৰা নকয়। অৱশ্যে অপৰিহাৰ্য কাৰণত তেখেতে লেখিত উত্তৰ দিছিল। সেই সময়ত ৱান্ধা আৰু বাজাজ অতিথি শালাত শেখ আব্দুল্লা আৰু পাঞ্জাব প্ৰদেশ কমিটিৰ সভাপতি মিঞা ইফ্তিকাৰউদ্দিন চাহাবো আছিল। মিঞা ইফ্তিকাৰউদ্দিন চাহাব ভাৰত বিভাজনৰ পিছত পাকিস্থানলৈ গ'ল। বিয়াল্লিছৰ গণ বিপ্লৱত তেখেতৰ দুবছৰ ফাটেক আৰু দহ হাজাৰ টকা জৰিমনা হৈছিল। তেখেতৰ ডেকা বয়সতে মৃত্যু হ'ল।

বৰদলৈদেৱ যি সময়ত ৱান্ধালৈ গৈছিল সেই সময়তে কস্তুৰবা গান্ধীৰ বছৰেকীয়া শ্ৰাদ্ধ নাম-কীৰ্তন আৰু প্ৰাৰ্থনাৰে পালন কৰা হৈছিল। মহাত্মা গান্ধীয়ে সেই সময়ত এমাহ কাল মৌনতা অৱলম্বন কৰিছিল আৰু কোনো নেতা গলে লিখিত প্ৰশ্নৰ লিখিত উত্তৰ দিছিল। বৰদলৈদেৱে মহাত্মা গান্ধীক কি কি বিষয় লৈ পৰামৰ্শ লবলৈ গৈছিল তাৰ এটা লিখিত টোকা আগেয়ে তেখেতৰ হাতত দিছিল আৰু তেখেতে লিখিত উত্তৰ দিছিল। উত্তৰবিলাক সৰু সৰু কাগজৰ টুকুৰাত দিছিল। বৰদলৈদেৱে সেইবিলাক সংৰক্ষণ কৰিছিল। কস্তুৰবা সেৱা সমিতিৰ পক্ষৰপৰা ছোৱালী কৰ্মীসকলৰ এটা প্ৰশিক্ষণ কেন্দ্ৰ খোলাৰ বিষয় আছিল। মহাত্মা গান্ধীৰ উত্তৰবিলাকৰপৰাই তেখেতক কি কি প্ৰশ্ন কৰা হৈছিল সেইবিলাকৰ আভাস পোৱা যাব।

তেখেতৰ প্ৰতিবেদনৰ প্ৰতিলিপি আজি পাবলৈ নাই।

সেই সময়ৰ অসমৰ অৱস্থা বৰ্ণাই বৰদলৈদেৱে যিখন প্ৰতিবেদন মহাত্মা গান্ধীলৈ পৰামৰ্শ বিচাৰি পঠিয়াইছিল সেই প্ৰতিবেদনৰ উত্তৰত বাকী থকা কথাখিনি তলত তেখেতে দিয়াৰ দৰেই হুবহু নকল কৰি দিয়া হ'ল। অনুবাদত পাঠকসকলে প্ৰকৃত অৰ্থটো বুজিব নোৱাৰিব বুলি ভয় কৰি। মোৰ আগৰ প্ৰবন্ধটোত বৰদলৈদেৱৰ প্ৰশ্নবিলাকৰ উল্লেখ আছিল, এতিয়া এই প্ৰবন্ধতো লৰালৰিকৈ লেখি উলিয়াবলগা হোৱাত সেইবিলাক মনত পেলোৱা টান হল কাৰণে দিব পৰা নগ'ল। পাঠকসকলে মনোযোগ দি পঢ়িলে সেই-বিলাক বুজিবলৈ টান নহ'ব।

There is a reference in the report before me. There are three things in which you seek my advice. It is this. Do as you think best in each case. Really I am useless as anybody else should be without being on the scene. You are the best judge. Act fearlessly. Do not mind even if you may find you made a mistake. Is freedom embarrassing? Then you will always be a slave even if the chains are of gold. My opinion in each case like this is that every order of the kind should be disobeyed. But if a particular person feels otherwise he or she should act accordingly. My advice may be disregarded as one of perfection. If I were you, I should allow Pushpalata to obey her own conscience.

I have read your thing carefully. I am myself in doubt. But on the whole my personal opinion is that if I am a member, I should go and attend. Assam is a most peculiar case. What may apply to Bombay ought not to be made applicable to Assam. Hence I say quite seriously act as the dictate of your heart tells you. If by coming you discover your heart, the visit will have been worth-while: Not even if you take a ready-made opinion from me. It may flatter my vanity but not serve you.

So you may enroll members. Strictly speaking an illegal organisation cannot enroll members. But we are doing many illegal things. You may add this one.

I am of your opinion.

Both sides are right and both are wrong. You will be more wrong if you take away my opinion and act on it. I tell you, if you are a leader, act as a leader and not my follower. You are right in consulting me, as you would be in consulting anyone else. But ultimately you should do what appeals to you as right even if the whole world is against you. That is Satyagraha, that is leadership.

Constructive work :

If anybody wants to work individually, you should let him on his own responsibility. An organisation must have tests which no member can defy. But an individual becoming his own organisation naturally is above any other organisation. He must act as he chooses and take the consequence.

Get the scheme from Jajuji, Ashadevi, Kumarappa, Jhanbhai and Pamaka.

Kasturba Fund and Training School :

It is only an idea. You will know when one is opened. Why should they wait if they have any action in mind? Let them give the lead. Forty is a good number. They can do education work, maternity work, sanitation etc. The fact that there is no institution here is a sure guide for you to wait and watch. But that there is no institution here does not mean that nothing is being done here. Much

is being done but not of an institutional character yet. There are some already. See them and watch how they discharge themselves. They are from Bengal and other provinces too.

See the persons whose names I have given you. I am like an oracle useless and even dangerous as all oracles are. No, I am coming nearer to you every moment. You may not know it now. But you will later on. In all I have written I have not played with you. I have put heart into you. My direct advice is what I have given.

মহাত্মা গান্ধীৰ প্ৰশ্নোত্তৰৰ হুবহু নকল তেখেতে যি ভাষাত লেখিছিল ঠিক সেই ভাবেই ওপৰত তুলি দিয়া হ'ল। এই প্ৰশ্নোত্তৰ অসমৰ কাৰণে এটা জীৱন-মৰণৰ সমস্যা। গতিকে ইয়াৰ প্ৰত্যেকটো শব্দই বৰদলৈদেৱৰ অসমৰ প্ৰতি মহৎ অবদানৰ স্বাক্ষৰ আৰু মহাত্মা গান্ধীৰ অতুলনীয় ভালপোৱাৰ নিদৰ্শন। দুখৰ বিষয়, আজিৰ নেতাসকলৰ বহুতৰে এনে ভালপোৱা বা আন্তৰিকতা অসমৰ প্ৰতি নথকাৰ কাৰণে, আনকি তেওঁলোকৰ বহুতে অসমৰ ভৌগোলিক পৰিস্থিতিৰ বিষয়েও অজ্ঞ হোৱাৰ, দূৰদৰ্শিতা হীনতাৰ কাৰণেও অসমে বহুতো অন্যায়-অবিচাৰ সহ্য কৰি থাকিবলগা হৈছে। অসমৰ দুৰ্ভাগ্য আজি মহাত্মা গান্ধী নাই, বৰদলৈও নাই !

লোকপ্ৰিয় বৰদলৈদেৱে ১৯৪২ চনত যোৰহাট জেলত আৰু ১৯৪১ চনত সত্যাগ্ৰহী অৱস্থাত বন্দী হৈ থকা কালত কেইখনমান জীৱনী লেখিবলৈ প্ৰয়াস কৰিছিল। সেইবিলাকৰ ভিতৰত 'অনাসক্তি যোগ', 'শ্ৰীৰামচন্দ্ৰ', 'বুদ্ধদেৱ' আৰু আৰু 'হজৰত মহম্মদ' প্ৰধান। তেখেতে মহাত্মা গান্ধীৰ বিষয়েও এখন সৰু গ্ৰন্থ সংকলন কৰাৰ উদ্দ্যেশ্যে সেই বিষয়ে মহাত্মাৰ মতামত বিচাৰিছিল। উত্তৰত মহাত্মাই জনাইছিল।

Dear Bordoloi,

I was delighted to have your letter. You are certainly making the best use of your time. I am glad too that you are spinning.

I donot mind your writing about me. But you will offend all orthodoxy by bracketing me with the Avatars or Prophets

and I think rightly. You cannot write of a living man in the same way as of the dead who, by common consent, have been acclaimed as great teachers.

Your second question is difficult. I believe with those Muslims who think that the Prophet's years in Mecca were the years in which he taught and lived pure non-violence. He became an administrator in Medina and thus ceased to be a pure teacher. In any case the net effect of the Quran is that non-violence is one obligation but violence is permissible. We are bound to accept as authoritative the interpretation generally given by the Muslim world and not the one I have prepared.

As to Krishna's advice to Arjuna you should read any introduction to 'Anasakti yog'. If You have not read it you will tell me and I shall send you a copy.

I would advise you all to learn both Urdu and Hindi. Then only shall we evolve an all India speech.

Yours
Bapu

বৰদলৈ ডাঙৰীয়া এগৰাকী সুগায়ক আছিল। সুললিত ৰাগিণীত গোৱা বৰগীত আৰু ৰবীন্দ্র সঙ্গীত মই নিজে শুনি মুগ্ধ হৈছিলো। তেখেতৰ সেইবিলাক গীতৰ ঝঙ্কাৰ মোৰ কাণত এতিয়াও ৰিণিকি ৰিণিকি বাজি থকা যেন মাজে সময়ে অনুমান হয়।

বাজাজবাৰী অতিথিশাল'ত ৰাতি শোৱাৰ সময়ৰ কথা। এটা কোঠালীত আমি দুয়ো বেলেগে বেলেগে বিচনাত শুইছিলো। তেতিয়া তেখেত শুই শুই বৰ-গীত, নামঘোষা আৰু গীতাৰ দ্বিতীয় স্কন্ধৰ শেষৰ উঁনৈশটা শ্লোক— যিকেইটা শ্লোক মহাত্মা গান্ধীয়ে প্ৰাৰ্থনাত সদায় আবৃত্তি কৰিছিল আৰু যত স্থিতপ্ৰজ্ঞৰ লক্ষণ আৰু কৰ্তব্য সম্বন্ধে নিধাৰিত আছিল—সুৰ লগাই গাইছিল। মই সিদিনাহে তেখেত যে এগৰাকী সুগায়ক আছিল সেইটো জানিব পাৰিছিলো।

নামঘোষাৰপৰা তেখেতে প্ৰাৰ্থনাৰ অধ্যায়টো সুৰ লগাই গাইছিল।

তুমি চিত্ত বৃত্তি মোৰ প্ৰবৰ্ত্তক নাৰায়ণ .
তুমি নাথ মই নাথৱন্ত ॥ ইত্যাদি

তেখেতে গোৱা প্ৰাৰ্থনাৰ বৰগীতটো মোৰ সম্পূৰ্ণ মনত নাই, প্ৰথমৰ চাৰিশাৰী আছিল—

মাধৱ মাধৱ দীন দয়াল ।
দৈবকী নন্দন ৰাম গোপাল ॥
মোৰ ইষ্টদেৱ যাদৱ ৰায় ।
সেৱা কৰিবাৰ নামে উপায় ।

(মাধৱদেৱ)

গীতাৰ শ্লোককেইটা সকলোৰে জনাজাত বাবে তাৰ পুনৰাবৃত্তি কৰা অনুচিত বুলি ভাবি উল্লেখ নকৰিলো ।

তাৰ পিছতহে তেখেত নিদ্ৰা গৈছিল । এগৰাকী ৰাজনৈতিক নেতাৰ এইবোৰ গুণ বৰ বিৰল, কিন্তু বৰদলৈদেৱ সেই সকলোবিলাক গুণৰে অধিকাৰী আছিল । সেই কাৰণে মানুহে তেখেক এগৰাকী মহান নেতা বুলি স্বীকাৰ কৰিছিল ।

মহাত্মা গান্ধীৰ লগত সকলো কথা খৰচি মাৰি আলোচনা কৰি লোক-প্ৰিয় বৰদলৈদেৱে ৰাষ্ট্ৰাৰপৰা অসমলৈ ঘূৰি আহি এটা বৰ সঙ্কটজনক অৱস্থাৰ সন্মুখীন হ'বলগা হৈছিল । সেইটো আছিল শ্বাদুল্লা চৰকাৰৰ ১৯৪৫ চনৰ মাটি সম্পৰ্কীয় নীতি । সৰহ শস্য উৎপাদনৰ চেলু লৈ এই নীতি গৃহীত হৈছিল । অসমত কি সৰহ শস্য উৎপাদনৰ অভিযান হৈছিল সেই বিষয়ে সেই সময়ৰ ভাৰতৰ বৰলাটে 'A Viceroy's Journal' বোলা কিতাপখনত উল্লেখ কৰিছে । তাত কোৱা হৈছে যে অসমত সৰহ শস্য উৎপাদন কৰা আন্দোলন হোৱা নাছিল, হৈছিল সৰহ মুছলমান উৎপাদন কৰাহে ।

এই নীতিমতে অসমত সহবৰ্তি থকা লাইন প্ৰথাৰ উচ্ছেদ সাধন কৰি অসমত থকা সকলো পত্তনযোগ্য মাটি পমুৱাসকলক দিবৰ কাৰণে আৰু জনজাতীয় লোকসকলক পাহাৰৰ তলৰ এলেকাত মাটি দিবৰ কাৰণে সিদ্ধান্ত লোৱা হৈছিল । তেতিয়া বৰদলৈদেৱৰ বাহিৰে আন কংগ্ৰেছৰ নেতাসকল জেলত আছিল । তেনে অৱস্থাতে এই নীতিত সমৰ্থন লাভ কৰিবৰ কাৰণে বিধান সভাৰ অধিবেশন আহ্বান কৰা হ'ল । বৰদলৈ ডাঙৰীয়াক গুৱাহাটীতে অন্তৰীণ কৰি ৰখাত তেখেতে বিধান সভাৰ অধিবেশনত যোগ দিবৰ কাৰণে চৰকাৰৰ হুকুম অমান্য কৰিবলৈ ঠিক কৰিলে । চৰকাৰৰপৰা কোনো আপত্তি

নাহিল। তেখেতে ইতিমধ্যে বাহিৰত থকা এম-এল-এ সকলৰ মতামত ল'লে। কংগ্ৰেছী সদস্যসকলৰ ভিতৰত কৃষ্ণনাথ শৰ্মাও তেতিয়া অন্তৰীণ হৈ আছিল, শঙ্কৰ বৰুৱা আছিল পলাতক হৈ। সেই কাৰণে এই দুয়োগৰাকী নেতা অধিবেশনত উপস্থিত থাকিব নোৱাৰে বুলি জনালে। বৰদলৈ ডাঙৰীয়াক বিধান সভাত উপস্থিত হ'বলৈ আদেশ দিলে। শ্বাহ্লা দলৰ অন্তৰ্ভুক্ত ৰবিচন্দ্ৰ কছাৰী আৰু সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁইয়ে সেই সৰ্বনাশীয়া নীতিৰ বিৰোধিতা কৰিবলৈ বৰদলৈৰ লগ লাগিল। ৰোহিণীকুমাৰ চৌধুৰীয়েও বৰদলৈক সম্পূৰ্ণ সমৰ্থন জনালে। এক উত্তপ্ত পৰিস্থিতিৰ মাজত বিধান সভা বহিল। বৰদলৈয়ে শ্বাহ্লা আৰু ৰোহিণীকুমাৰ চৌধুৰীৰ লগত এই নীতিৰ বিপক্ষে যুক্তি-তৰ্কৰে আলোচনা কৰিলে। ৰোহিণীকুমাৰ চৌধুৰীৰ মতে বৰদলৈদেৱে মন্ত্ৰীসভা গঠন কৰিব লাগে, কাৰণ ইতিমধ্যে চৰকাৰী দল সংখ্যালঘিষ্ঠ হৈছে। কিন্তু বৰদলৈ ডাঙৰীয়াই এটা বিকল্প চৰকাৰ গঠন কৰাহে উচিত বুলি মত প্ৰকাশ কৰিলে।

কংগ্ৰেছে অৱশ্যে সেই মন্ত্ৰীসভাক সমৰ্থন জনোৱাৰ কথা দৃঢ়ভাৱে ঘোষণা কৰিলে। সেই একে সময়তে উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত ডাঃ খান চাহাবৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হোৱাত অসমতো তেনে এখন মন্ত্ৰীসভা গঠন সম্ভৱ বুলি ক'লে, কিন্তু তেনে কোনো প্ৰস্তাৱত সন্মতি জনোৱাৰ আগতে মহাত্মা গান্ধীৰ মতামত লোৱা উচিত বুলি শ্বাহ্লা চাহাবক জনালে। শ্বাহ্লা চাহাব তাত মান্তি হ'ল আৰু সকলো কথা বৰ্ণাই বৰদলৈদেৱে মহাত্মালৈ এখন চিঠি দিলে আৰু মোক চিঠিখন লৈ গৈ তুৰন্তে তেখেতৰপৰা উত্তৰ আনিব লাগে বুলি নিৰ্দেশ দিলে। মই অতি আনন্দেৰে সেৱাগ্ৰামলৈ যাবলৈ মান্তি হ'লো আৰু ৱাৰ্দ্ধা পায়েই আন সকলো কাম বাদ দি মহাত্মা গান্ধীক দেখা কৰিব পৰা হ'ব নে নহয় টেলিফোনত কথা-বতৰা হ'লো। তেতিয়া তেখেতৰ ব্যক্তিগত সচিব আছিল শ্ৰীমতী মণিবেন পেটেল। তেখেতে মহাত্মাক দেখা কৰাৰ উদ্দেশ্যৰ কথা সুধিলত মই ক'লো যে বৰদলৈদেৱে মহাত্মা গান্ধীলৈ এখন চিঠি দিছে। সেইখন বৰ জৰুৰী বিষয়ৰ চিঠি। মই সেই চিঠিখন তেখেতক দিব লাগে আৰু সেই সম্পৰ্কে যদি প্ৰয়োজন হয় কথা-বতৰাও পাতিব লাগে। শ্ৰীমতী পেটেলে চিঠিখনত কিহৰ বিষয়ে উল্লেখ কৰিছে বুলি সোধাত মই সেই বিষয়ে একো নাজানো বুলি উত্তৰ দিলো। কিন্তু তেখেতে ক'লে

যে চিঠিখনত নিশ্চয় মন্ত্রীসভা গঠনৰ কথা উল্লেখ কৰা আছে আৰু মই তেতিয়াই যদি যাব পাৰো তেনেহলে মহাত্মাক দেখা কৰিব পাৰিম বুলি· তৎক্ষণাত সেৱাগ্রামলৈ মাতি পঠিয়ালে ।

যথা সময়ত এখন টঙ্গাত উঠি সেৱাগ্রাম পালোগৈ। বাহিৰত ফৰিংফুটা জোনাক। প্রার্থনা ক্ষেত্রত মহাত্মাই চৈয়দ মহম্মদ আৰু বোম্বাইৰ কেইজনমান লোকৰ লগত বোম্বাই প্রদেশৰ হিন্দী-হিন্দুস্থানী সম্পর্কীয় বিবাদৰ বিষয়ে কথা পাতি আছিল। সেই সময়ত জেলৰপৰা লেখি দি অহা বুলি ডাঃ চৈয়দ মহম্মদৰ বিৰুদ্ধেও এটা অভিযোগ উঠিছিল। তেখেতে সেইকথা অস্বীকাৰ কৰি মহাত্মাৰ লগত প্রকৃত কথাটোৰ বিষয়ে আলোচনা কৰি আছিল। মোক তেখেতে ওচৰতে বহিবলৈ কৈ লোকপ্রিয়দেৱৰ চিঠিখন পঢ়ি চালে। তাৰপিছত বাকীলোকসকলৰ লগত আলাপ শেষ কৰি মোৰ লগত অসমৰ ৰাজনৈতিক অৱস্থা আৰু অসমীয়া মানুহৰ সম্পর্কে খা-খবৰ ললে আৰু বৰদলৈ ডাঙৰীয়াৰ চিঠিত উল্লেখ কৰা বিষয়ৰ চমু উত্তৰ দি মোৰ কাম শেষ হৈছে বুলি মোক বিদায় দিলে। কিন্তু মই কিছু সময় তাতে বহি থকাত মোক কিবা লিখিত উত্তৰ দিব লাগিবনেকি বুলি সোধাত মই 'হয়' বুলি উত্তৰ দিলো। গান্ধীজীয়ে এটুকুৰা কাগজত বৰদলৈলৈ এখন চিঠি লেখিলে। চিঠিখনত এইখিনি কথা লেখা আছিলঃ

My dear Bordoloi

I have your letter and sought advice about the Assam situation. I cannot advise. You are a leader and act like a leader.

Yours
Bapu

চিঠিখন হাতত লৈ তেখেতক সেৱা জনাই মই এইবুলি কৈছিলো, "Mahatmaji, my mission is done. I can now go away to Assam with your blessings." তেখেতে কৈছিল, "Blessings you have got in abundance. Be fearless and work for the right and just cause. Assam must survive."

মই মহাত্মা গান্ধীৰ আশীর্বাদ লৈ ৱার্দ্ধালৈ আহিলো। তেতিয়া নিশা এঘাৰ বাজি গৈছে। অকলে অকলে অহাটো নিৰাপদ নহয় বুলি ভাবি সেই

সময়ত বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ লৈ থকা কৃষ্ণনাথ শমাৰ পুতেক শ্ৰীকালিদাস শৰ্মাক লগত লৈ ৱাৰ্দ্ধা পালোগৈ। মই ৰাতি নৌপুৱাওঁতে ষ্টেছনলৈ গৈ কলিকতা-মুখী বোম্বে মেইল ধৰিব লাগিব। গতিকে বাহিৰতে আমি এখন বিচনা লৈ শুয়ো সেইদিনা বিনিদ্ৰ ৰজনী অতিবাহিত কৰিলো আৰু ৰাতি পুৱাওঁ-নৌপুৱাওঁতেই ষ্টেছনলৈ গৈ কলিকতাৰ গাড়ীত অসমলৈ যাত্ৰা কৰিলো। হাওৰা ষ্টেছন পায়েই শিয়ালদহ ষ্টেছনত অসম মেইল ধৰিবৰ কাৰণে অনতিপলমে এখন টেক্সী ভাড়া কৰি শিয়ালদহ ষ্টেছন পাই অসমলৈ যাত্ৰা কৰিলো। বাটত কতো এক মিনিট নোৰোৱাকৈ গুৱাহাটীৰপৰা গৈ শ্বিলং পায়েই বৰদলৈদেৱক দেখা কৰাত তেখেত বৰ আচৰিত হৈছিল আৰু তেখেতক মহাত্মাৰ চিঠিখন দিয়াতহে মই সচাঁকৈ মহাত্মাক দেখা কৰি উভতি আহিছো, সেই কথাত প্ৰত্যয় মানিছিল। শ্বাতুল্লা চাহাবে মোক প্ৰশ্ন কৰিছিল যে মই আকাশী জাহাজেৰে গৈছিলোনেকি! নহলে কেনেকৈ ইমান কম সময়ত সেৱাগ্ৰামৰপৰা মহাত্মা গান্ধীক দেখা কৰি আহিব পাৰিলো। তাৰ পিছত আলাপ-আলোচনাৰ অন্তত সিদ্ধান্ত হ'ল মন্ত্ৰীসভাৰ সেই সময়ত থকা হিন্দু মন্ত্ৰীকেইজনক বাদ দি তেওঁলোকৰ ঠাইত কংগ্ৰেছী সদস্য ল'ব লাগিব আৰু সেইসকলক বাচি দিব লোকপ্ৰিয় বৰদলৈদেৱে নিজে। দ্বিতীয় চৰ্ত আছিল সকলো ৰাজনৈতিক বন্দীক (অহিংস অপৰাধী বন্দী) খালাচ দিব লাগিব। তৃতীয় চৰ্ত আছিল ৰোহিণীকুমাৰ চৌধুৰীক ৰাজহ মন্ত্ৰী পাতিব লাগিব। লগতে ১৯৪৫ চনৰ Land Development Policy নাকচ কৰি দিব লাগিব।

নতুন মন্ত্ৰীসভা গঠন হ'ল। সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই স্বায়ত্ত্ব শাসন বিভাগৰ মন্ত্ৰী হ'ল। শ্ৰীঅক্ষয়কুমাৰ দাস ছিলেটৰপৰা হ'ল। চৌধুৰী ডাঙৰীয়াই ৰাজহ দপ্তৰ গ্ৰহণ কৰি অসমীয়া জাতিক ৰক্ষা কৰাৰ পথ মুকলি কৰি দিলে। শ্ৰীবৈদ্যনাথ মুখাৰ্জী (ছিলেট) অৰ্থমন্ত্ৰী হৈছিল আৰু সেইটো সম্ভৱ হৈছিল লোকপ্ৰিয় বৰদলৈদেৱৰ দূৰদৰ্শী নেতৃত্বৰ বাবে। এই ব্যৱস্থাত জেলত থকা নেতাসকলৰ কেইগৰাকীমানে ঘোৰ আপত্তি কৰি বৰদলৈক ৰাজনৈতিক দেৱলীয়া বুলি আখ্যা দিছিল। কিন্তু অসমৰ ইতিহাসে অকুণ্ঠভাৱে বৰদলৈদেৱৰ অসমপ্ৰীতি কথা ঘোষণা কৰিব।

১৯৪৬ চনৰ আৰম্ভণিতে সাধাৰণ নিৰ্বাচন ঘোষিত হৈছিল। দেশৰ ৰাজনৈতিক পৰিস্থিতি আলোচনা কৰিবৰ কাৰণে পুণাত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠক বহিছিল আৰু তাৰ পিছতেই বোম্বেত নিখিল ভাৰত কংগ্ৰেছ

কমিটিৰ অধিবেশন আহূত হৈছিল। লোকপ্ৰিয় বৰদলৈদেৱ বিশেষভাৱে আমন্ত্ৰিত হৈ ৱৰ্কিং কমিটিৰ অধিবেশনত যোগ দিছিল। তেখেতে মোকো তেখেতৰ এজন বিশ্বাসী কৰ্মী হিচাপে লগত লৈ গৈছিল। পুণাত শঙ্কৰাও দেওৰ এখন আশ্ৰম আছিল আৰু সেই আশ্ৰমতে মৌলানা আবুল কালাম আজাদৰ সভাপতিত্বত কংগ্ৰেছ অধিবেশন বহিছিল। ধাৰাসাৰ বৰষুণৰ বাবে লাউড স্পীকাৰ আদিয়ে কাম নকৰাত অধিবেশনৰ কাৰ্য-বিবৰণী চমু কৰা হৈছিল। সেই অধিবেশনত জেলৰপৰা সদ্য মুক্তি লাভ কৰি আহি শৰতচন্দ্ৰ বসুৱে যোগ দিছিল। তেখেত মঞ্চত উঠোতে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিছিল আৰু তেখেত আৰু ছৰ্দাৰ পেটেলৰ কোলাকুলিয়ে এটা স্বৰ্গীয় দৃশ্যৰ সৃষ্টি কৰিছিল।

অধিবেশনত আগন্তুক সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত গৃহীত হয় আৰু সেইমতে কংগ্ৰেছক ভোট দি জয়ী কৰি ভাৰতৰ স্বাধীনতাৰ দাবী শক্তিশালী কৰিবলৈ ৰাইজক আহ্বান জনোৱা হয়। মহাত্মা গান্ধীয়ে অধিবেশনত '৪২ ৰ আন্দোলন ব্যাখ্যা কৰি এটা সুদীৰ্ঘ ভাষণ দিলে। বৃটিছ চৰকাৰে '৪২ৰ আন্দোলনত ঘটা সকলো হিংসাত্মক কাৰ্যৰ বাবে মহাত্মা গান্ধীক সম্পূৰ্ণ দায়ী কৰি যি অভিযোগ আনিছিল তাক দৰ্শকৰ হৰ্ষধ্বনিৰ মাজত তেখেতে অকাট্য যুক্তিৰে খণ্ডন কৰিছিল আৰু কংগ্ৰেছৰ নেতৃত্বত যে স্বৰাজ প্ৰায় আহো আহো হৈছে সেইটো দৃঢ়স্বৰে ঘোষণা কৰিছিল। তাৰ দুবছৰৰ পিছতেই, অৱশ্যে মহাত্মা গান্ধীয়ে বিচৰা মতে নহলেও, ভাৰতৰপৰা বৃটিছ গুচি গ'ল, ভাৰতবৰ্ষৰ মানুহে দেশ শাসনৰ দায়িত্ব ললে।

বোম্বাইত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনৰ পিছত আমি, অৰ্থাৎ লোকপ্ৰিয় বৰদলৈ আৰু মই, উভতি আহোতে বৰদলৈদেৱৰ চিন্তাৰ বিষয় আছিল: (১) গণ পৰিষদৰ দ্বাৰা ভাৰতৰ নতুন সংবিধান ৰচনাৰ কথা, (২) মুছলিম লীগে অসমক পাকিস্থানৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ বিচৰাৰ কথা আৰু (৩) অসমৰ নিৰ্বাচনত কংগ্ৰেছে একক সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ কথা। এইবিলাক কথা বৰদলৈদেৱে মোৰ লগত আলোচনা কৰিছিল। তেখেতে লগতে মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব লাগিব বুলিও কৈছিল। মই কিন্তু সেই কথাৰ বিপক্ষে আছিলো, কাৰণ নিৰ্বাচন খেলিবলৈ হলে সেই সময়ত প্ৰবল পৰাক্ৰমী আৰু অজস্ৰ টকা উপাৰ্জন কৰা ধনীৰাম তালুকদাৰৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মোৰ আৰ্থিক সম্বল নাই বাবে তাত সম্মতি জনোৱা

নাছিলো। বৰদলৈদেৱে কিমান টকা হ'লে প্ৰতিদ্বন্দ্বিতা কৰিব পৰা যাব সেই বিষয়ে মোৰ মতামত লৈছিল মোৰ অনুমানমতে অন্ততঃ পাঁচ হেজাৰ টকাৰ প্ৰয়োজন হ'ব বুলি কোৱাত বৰদলৈদেৱে সেইটো সম্ভৱ বুলি মোক জনাইছিল। মই কিন্তু কথামাৰ তেখেতৰ সাৰ শূন্য ভাবৰ বুৰ্বুৰণি বুলিহে ধৰি লৈছিলো, তাত মোৰ অকণো আন্তৰিকতা নাছিল। তাৰ পাছত কংগ্ৰেছে অসমত একক সংখ্যাগৰিষ্ঠতা পাব নে নাই বুলি সোধাত পৃথক নিৰ্বাচনৰ যোগেদি নিৰ্বাচন হ'লে সেইটো সম্ভৱ নহ'ব বুলি উত্তৰ দিছিলো। বৰদলৈদেৱে কিন্তু সংখ্যাগৰিষ্ঠতা পোৱাৰ ক্ষেত্ৰত অটল বিশ্বাস ৰাখি কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰিবই বুলি মোক উত্তৰ দিছিল। অসমত পমুৱাৰ সোঁত বন্ধ কৰিবলৈ তেখেত দৃঢ় প্ৰতিজ্ঞ হৈছিল। সংবিধান কেনেকুৱা হ'ব তাৰো আভাস মোক তেখেতে দিছিল।

গুৱাহাটী পোৱাৰ লগে লগে নিৰ্বাচনৰ প্ৰস্তুতি চলিবলৈ ধৰিলে। য়ুৰোপীয়সকলৰ এখনৰ বাদে বাকী আটাইবিলাক আসনতে কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰাৰ ঠিক হ'ল ফখৰুদ্দিন আলীআহমদক স্বতন্ত্ৰভাৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কোৱা হৈছিল, কিন্তু তেখেতে সেই প্ৰস্তাৱত সন্মত নহ'ল। তেখেতে কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপেহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি দৃঢ় প্ৰতিজ্ঞ আছিল। তৈয়বুল্লা চাহাবে নিৰ্বাচন বৰ্জন কৰিলে। তেখেতক মঙ্গলদৈ মুছলমান সমষ্টিৰপৰা লীগৰ প্ৰধান নেতা আব্দুল মতিন চৌধুৰীৰ বিৰুদ্ধে নিৰ্বাচনত যোগ দিবলৈ অনুৰোধ কৰা সত্ত্বেও সন্মত নহ'ল। আহমেদ চাহাবে চাকৰি ইস্তফা দি ওলাই অহা আব্দুল হাইৰ বিৰুদ্ধে ৰঙ্গিয়া মুছলমান সমষ্টিৰপৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ৰাজী হ'ল। কংগ্ৰেছৰ মন্ত্ৰী সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁয়ে কংগ্ৰেছ প্ৰাৰ্থী শ্ৰীপূৰ্ণানন্দ চেতিয়াৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ৰোহিণীকুমাৰ চৌধুৰীয়ে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ মৃত্যুত খালী হোৱা কেন্দ্ৰীয় বিধান সভালৈ ইতিমধ্যে অপ্ৰতিদ্বন্দ্বিভাৱে নিৰ্বাচিত হৈছিল। তেখেত তেতিয়া মন্ত্ৰীও আছিল আৰু তেখেতকে শ্ৰীচেতিয়াৰ নিৰ্বাচনৰ সকলো দায়িত্ব দিয়া হৈছিল। চৌধুৰীদেৱ মন্ত্ৰী থকা সত্ত্বেও নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যত ভ্ৰমণ কৰোতে চাৰকুইট হাউচটো দুৰৱে কথা যি কোনো চৰকাৰী বঙলাতে থাকিবলৈ দিয়া হোৱা নাছিল। ছিলেটৰ প্ৰভাৱশালী প্ৰতিদ্বন্দ্বি আছিল ৰায়বাহাদুৰ প্ৰমোদচন্দ্ৰ দত্ত। কংগ্ৰেছৰপৰা দত্ত ডাঙৰীয়াক হৰুৱাবৰ কাৰণে সকলো আয়োজন চলিছিল আৰু শেষত তেখেতক পৰাজিতো কৰা

হৈছিল। সেই সময়ত দত্ত ডাঙৰীয়া এগৰাকী অতি ক্ষমতাশালী ব্যক্তি আছিল।

লোকপ্ৰিয় বৰদলৈদেৱে কোৱা মতে কাৰ্যতঃ মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটোৱে স্থিৰ হৈছিল আৰু মই সেই নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হৈছিলো। ফখৰুদ্দিন চাহাব প্ৰতিদ্বন্দ্বিতাত নমাত চৰ্চিলে পেটেলে বৰদলৈ লৈ চিঠি দি জনাইছিল: "Mr. Bordoloi, spend as much money as you like, Fakhruddin must win." বৰদলৈদেৱে মোক আহমেদ চাহাবৰ নিৰ্বাচন যুদ্ধ চলাবলৈ দায়িত্ব দিছিল। কিন্তু আমাৰ বহুতৰে মনত গুৰুতৰভাৱে সন্দেহ যে কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিব। এদিনাখন শ্বাদুল্লা চাহাবৰ লগত বৰদলৈদেৱৰ ভেটা ভেটি হোৱাত শ্বাদুল্লা চাহাবে বৰদলৈ ডাঙৰীয়াক সেই প্ৰশ্ন কৰিছিল, "গোপী, তুমি কেনেকৈ কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰিব পাৰে বুলি কল্পনা কৰিছা? মোৰ হাতৰ মুঠিত ৩৪ জন মুছলমান, ৯ জন যুৰোপীয়, ৫ জন মজদুৰ, ৭ জন জনজাতীয় লোক আছে আৰু তাৰ বাহিৰেও তোমালোকৰ বিভীষণবিলাক যেনে, প্ৰমোদ দত্ত, হীৰেন্দ্ৰ চক্ৰৱৰ্তী, মহেন্দ্ৰ শইকীয়া, সুৰেন বুঢ়াগোহাঁই, নবকুমাৰ দত্ত আছে। গতিকে তোমাৰ সংখ্যাগৰিষ্ঠতাৰ অঙ্কটো সম্পূৰ্ণ ভুল।" তেতিয়া বৰদলৈদেৱে সত্য উত্তৰ দিছিল, "ছাৰ, কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা পাবই, কিন্তু কেনেকৈ পাব সেই কথা মই আপোনাক ক'ব নোৱাৰো। সেইটো আমাৰ ৰণ-কৌশল।"

নিৰ্বাচনত ফখৰুদ্দিন চাহাবৰ শোচনীয় পৰাজয় হ'ল। বহুত চেষ্টা আৰু ধন খৰচ কৰিও তেখেতে জয়যুক্ত হ'ব নোৱাৰিলে। কিন্তু কাছাৰ আৰু ছিলেটৰ তিনিজন লৈ কংগ্ৰেছে নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। কংগ্ৰেছে সেই নিৰ্বাচনত মুঠ ১০৮ জনৰ ভিতৰত ৫৯ খন আসনত জয়লাভ কৰিছিল। ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত যদি কংগ্ৰেছে নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলেহেঁতেন তেনেহলে অসমক যে পাকিস্থান ৰাহুৱে গ্ৰাস কৰিলেহেঁতেন তাত কোনো ভুল নাই আৰু সেইটো সম্ভব হৈছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ বুদ্ধিমত্তা আৰু জনপ্ৰিয়তাৰ কাৰণে। পাছৰ ইতিহাসে সেই কথা প্ৰমাণ কৰিব।

বিলাতত সাধাৰণ নিৰ্বাচন হলত চাৰ্চিলৰ সংৰক্ষণশীল দল নিৰ্বাচনত পৰাজয় হ'ল আৰু শ্ৰমিক দলৰ নেতা এটলী প্ৰধান মন্ত্ৰী হ'ল। এটলী

প্ৰধান মন্ত্ৰী হৈয়েই ভাৰতৰ লগত বুটিছৰ এটা মীমাংসাৰ সূত্ৰপাত উলিয়াব লাগে বুলি চেষ্টা কৰিলে আৰু লৰ্ড পেথিক লৰেন্স (Lord Pathic Lawrence), ষ্টাফোৰ্ড ক্ৰিপ্স (Stafford Cripps) প্ৰমুখ্যে বিশিষ্ট নেতাসকলৰ দ্বাৰা এটা মিছন গঠন কৰি ভাৰতলৈ পঠিয়ালে। লৰ্ড পেথিক লৰেন্স তেতিয়া ভাৰত সচিব (Secretary of State for India) আছিল আৰু তেখেতেই সেই মিছনৰ নেতৃত্ব কৰিছিল। মিছন ভাৰতবৰ্ষলৈ আহিল আৰু ভাৰতৰ ৰাজনৈতিক দল আৰু নেতাসকলৰ লগত আলোচনা চলালে।

এইবিলাক ঘটনা ঘটাৰ সময়ত ভাৰতৰ মুছলমানসকলে জিন্নাৰ মুছলীম লীগৰ নেতৃত্বত পাকিস্থানৰ দাবী তুলিছিল। অৱশেষত মিছনে ভাৰতক পাকিস্থান আৰু হিন্দুস্থান এই দুখন দেশ হিচাপে সন্মতি দিবৰ কাৰণে অমান্তি হৈ তেওঁলোকৰ আঁচনি পৰিত্যাগ কৰি ভাৰতে যি কৰে কৰিব বুলি ভাৰতবৰ্ষৰ ওপৰত দায়িত্ব দি গুছি গ'ল। কেবিনেট মিছনৰ মূল কথা আছিল – প্ৰত্যেক প্ৰদেশৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰপৰা বাচি এখন গণপৰিষদ গঠন হব আৰু সেই গণপৰিষদে ভাৰতবৰ্ষৰ সংবিধান ৰচনা কৰিব। পাকিস্থানৰ দাবী সম্পৰ্কে ভাৰতবৰ্ষক তিনিটা শাখাত ভাগ কৰা হ'ব (ক), (খ) আৰু (গ)। এই প্ৰস্তাবত অসম বঙ্গদেশৰ লগত সাঙোৰ খাই থাকিব। (ক) শাখাত উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ সিন্ধু প্ৰদেশ আৰু পঞ্জাব সংখ্যাগৰিষ্ঠ অঞ্চল মাজতে (ক) শাখাটো কেবল হিন্দু সংখ্যাগৰিষ্ঠ অঞ্চল। বিবেচনা কৰি চালে দেখা যায়, কেবিনেট মিছনে পাকিস্থানৰ দাবী প্ৰত্যাখ্যান কৰিছিল যদিও বাস্তব ক্ষেত্ৰত পূব আৰু পশ্চিম ভাৰতত পাকিস্থানৰ অন্তৰ্ভুক্তিৰ কথা মানি লৈছিল। কেবিনেট মিছনৰ প্ৰস্তাবত মুছলিম লীগে আৰু জিন্না চাহাবে অসন্মতি জনাইছিল যদিও প্ৰকৃততে কিন্তু তেখেতসকলে পেটে পেটে কেবিনেট মিছনৰ প্ৰস্তাব মানি তাতকৈয়ো বেছি পাবৰ কাৰণে প্ৰয়াস কৰিছিল; গণপৰিষদৰ বাবে সদস্য নিৰ্বাচিত হ'ল অসমৰপৰা আঠজন। ছজন অমুছলমান আৰু দুজন মুছলমান। অমুছলমানৰ ভিতৰত আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ, কুলধৰ চলিহা, ৰোহিণীকুমাৰ চৌধুৰী, জেমছ নিকলছ ৰয়, শ্ৰীধৰণীধৰ বসুমতাৰী, শ্ৰীনিবাৰণচন্দ্ৰ লহকৰ আৰু বসন্তকুমাৰ দাস। মুছলমানৰ ভিতৰত আছিল ছাৰ ছৈয়দ মহম্মদ ছাদুল্লা আৰু ছৈয়দ আব্দুৰ ৰৌফ। এইসকলৰ ভিতৰত আজি মাত্ৰ জীয়াই আছে শ্ৰীবসুমতাৰী আৰু শ্ৰীনিবাৰণচন্দ্ৰ লহকৰ।

মুছলিম লীগে গণপৰিষদ বৰ্জন কৰিলেও অমুছলমানসকলৰ দ্বাৰা গণ-

পৰিষদৰ প্ৰাথমিক কাম আৰম্ভ হ'ল। বৰদলৈদেৱে কেবিনেট মিছনৰ প্ৰস্তাব যোগে প্ৰথমে দিল্লীলৈ যাওঁতে বাটতে সেই প্ৰস্তাবটো পোৱাত বৰ অস্থিৰ হৈ উঠিছিল আৰু তাৰ প্ৰতিকাৰৰ কথা চিন্তা কৰিছিল। তেখেতৰ লগত শ্ৰীবৈদ্যনাথ মুখাৰ্জী আৰু মই আছিলো। তেখেতে আমাৰ লগত কেবিনেট মিচনৰ কথা আলোচনা কৰি তাৰ দ্বাৰা অসমৰ ভৱিষ্যত সম্পৰ্কে কি হব পাৰে সেই কথাকে পাতি গৈছিল। আমি গণপৰিষদৰ সদস্য নহলেও বৰদলৈদেৱে আমাক আলোচনাৰ বাবে প্ৰয়োজন হব পাৰে বুলি লগত লৈ গৈছিল। শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, শ্ৰীৰবীন্দ্ৰনাথ আদিত্য আৰু দলৰ অন্যতম সম্পাদক শ্ৰীনীৰেন্দ্ৰনাথ দেৱো দিল্লীলৈ গৈছিল।

দিল্লী পায়েই তেখেতে কেবিনেট মিছনৰ বাবে হব পৰা বিষম পৰিণামৰ কথা জনাই নেতাসকলক সকলো কথাকে অৱগত কৰাইছিল। আমাকো আলোচনা চলাবৰ বাবে আদেশ দিছিল। কিন্তু কাৰোপৰা কোনো সহাঁৰি পোৱা নগ'ল। দক্ষিণৰ নেতাসকলে অসমৰ যি হয় হওক, ভাৰতবৰ্ষ স্বাধীন হব এইটোহে আমাক কৈছিল। আনকি পেটেল, পণ্ডিত জৱাহৰলাল নেহৰু, ডঃ ৰাজেন্দ্ৰপ্ৰসাদ আদিয়েও কোনো উপায় দিব নোৱাৰিলে। এইটো উল্লেখ নকৰিলেও হব যে কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে ইতিমধ্যে কেবিনেট মিছনৰ পৰিকল্পনা প্ৰায়ে গ্ৰহণ কৰিছিল। মহাত্মা গান্ধী তেতিয়া সম্প্ৰদায়িক কন্দলত জৰ্জৰিত নোৱাখালিত ভ্ৰমণত ব্যস্ত আছিল। বৰদলৈ ডাঙৰীয়াই কিন্তু হতাশ নহৈ তেওঁৰ মতে কাম চলাই আছিল। এদিন দুপৰীয়া ডিচেম্বৰ মাহত তেখেতে গণপৰিষদৰ সভাত উপস্থিত হৈ মোক ক'লে যে তেখেতে এখন মহাত্মা গান্ধীলৈ চিঠি লেখিব, সেইখন চিঠি লৈ মই নোৱাখালীলৈ শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীৰ লগত যাব লাগিব। পাৰিম নে নোৱাৰিম বুলি সোধাত মই পাৰিম বুলি আগ্ৰহেৰে গাত ললো। তেতিয়া নোৱাখালীলৈ যোৱা বৰ বিপদজনক আছিল। অসমৰ এগৰাকী বিশিষ্ট বন্ধু প্ৰভুদয়াল হিম্মতসিংকাই আমি কেনেকৈ যাব লাগিব, ক'ত থাকিব লাগিব এইবিলাক কথা বুজাই দিছিল। ৰেলৰ তেতিয়া সময় নাই, যুদ্ধৰ কাৰণে সকলো গণ্ডগোল হৈ গৈছে। তথাপি কেতিয়া কোন সময়ত কোন ঠাই পাওঁ সেইবিলাক অনিশ্চিত সত্ত্বেও আমি কলিকতা মেইলত নোৱাখালীলৈ যাত্ৰা কৰিলো। কলিকতা আমি নিয়মমতে চাৰি বজাতে পাব লাগিছিল, কিন্তু ৰাতি দহ বজাতহে পালো। আমাক দিয়া নিৰ্দেশ মতে এজন শিখ ড্ৰাইভাৰৰ টেক্সীৰে হিম্মতসিংকাৰ

ঘৰলৈ গ'লো আৰু বাটত কোনো বাধা বিঘিনি নোহোৱাকৈ বহুতো ৰাস্তা ঘূৰি-পকি প্ৰায় ৰাতি বাৰমান বজাত হিম্মতসিংকাৰ ঘৰত আলহী হ'লো। হিম্মতসিংকাই আমাক তেখেতৰ ঘৰৰ আলহী বুলি ক'লে আৰু আগেয়ে জনাই থৈছিল। আমাৰ কোনো অসুবিধা নোহোৱাকৈ ৰাতিটো তাতে কটালো। ৰাতিপুৱাই উঠি ৰেল ষ্টেচনলৈ গৈ ৰেলত গোৱালন্দ অভিমুখে যাত্ৰা কৰিলো। গোৱালন্দত ৰেলৰপৰা নামি জাহাজেৰে চৌমোহনীলৈ গ'লো। [illegible] চৌমোহনীত জাহাজৰ-পৰা নামি আমাক দিয়া ঠিকনামতে এগৰাকী ডাঙৰ জমিদাৰৰ ঘৰত আলহী হ'লো। তেওঁলোকে খোৱা-বোৱাত বৰ যত্ন লৈছিল কিন্তু মহাত্মা গান্ধী ক'ত আছে কোনেও ঠিককৈ ক'ব নোৱাৰিলে। আমাক মাত্ৰ এইটো আভাস দিলে যে কাজিৰখিলত মহাত্মা গান্ধীৰ [illegible] গুপ্ত কেম্প পৰি আছে। তেখেতক লগ [illegible] পোৱা যাব। অইনে একো ক'ব নোৱাৰিব, কাৰণ [illegible] ঘূৰি ফুৰিছে। আমি তদানুসৰি কাজিৰখিললৈ এখন [illegible] কৰি যাত্ৰা কৰিলো। কাজিৰখিললৈ গৈ দেখিলো যে [illegible] নাই, [illegible] গৈছে, কিন্তু তেখেতৰ বাহৰৰ লোকে ক'লে যে মহাত্মা গান্ধী শ্ৰীৰামপুৰ গাওঁত আছে। আমি তাৰপৰা পুনৰ শ্ৰীৰামপুৰ অভিমুখে টেঙ্গালৈ যাত্ৰা কৰিলো। টেঙ্গাৰে শেষ লক্ষ্য পালো। তাৰপৰা আমি খোজকাঢ়ি যাব লাগিব। টেঙ্গা ষ্টেচনত গৈ আমি কেইগৰাকীমান আমাৰ [illegible] লোকক লগ পালো। তেখেতসকলো শ্ৰীৰামপুৰ [illegible] সেইটো জানি বৰ আনন্দিত হ'লো। মটৰ ষ্টেচনৰপৰা তেখেতসকলৰ লগত একেলগে খোজকঢ়া আৰম্ভ কৰিলো। বাট তেনেকৈ নাই [illegible]। [illegible] মাজে মাজে গৈ শ্ৰীৰামপুৰ পালোগৈ [illegible] কাৰণে ওলাইছে। তেখেতেও আমি [illegible] পাইছে। অসমৰপৰা অহা বুলি জানি তেখেতে আমাক তেখেতৰ লগতে খোজকাঢ়ি যাবলৈ নিৰ্দেশ দিলে। পাঞ্জাবী বন্ধু কেইজনক ক'লে যে তেওঁলোকৰ লগত তেখেতে পাছতহে কথা হব পাৰিব, অৰ্থাৎ আমাৰ লগত কথা পতা শেষ কৰি। ভ্ৰমণান্তত আমাক মাতি নি তেখেত আমাৰ কাষত বহিলে। বৰদলৈদেৱৰ চিঠিখন আমি তেখেতৰ হাতত দিলো। তেখেতে পঢ়ি চাই আমাক দুটামান কথা ক'লে। কথাৰ অন্তত মই তেখেতক সুধিলো যে বৰদলৈ ডাঙৰীয়া আকৌ ইয়ালৈ আহিব লাগিবনেকি? তেখেতে উত্তৰত কৈছিল যে যদি আমি

তেখেতৰ কথাবিলাক ঠিকমতে বুজিব পাৰিছো তেনেহলে বৰদলৈ আৰু আহিব নালাগে। যদি বুজা নাই তেন্তে আহিব লাগিব। তেখেতে ক'লে যে তেখেতৰ লগত হোৱা কথাখিনি আমি বুজিছো নে নাই তাক জানিবলৈ আমাৰ কথা-বতৰাৰ এটা টোকা তেখেতৰ হাতত দিব লাগিব। সেই প্ৰস্তাবত আমি হতভম্ব হ'লো। মই ভাগৱতীদেৱক কলো যে তেখেত সাংবাদিক, সেয়েই সেইটো কৰিব লাগিব। কিন্তু এটা প্ৰশ্ন উঠিল যে আমি দুয়ো 'manikins' শব্দটোৰ অৰ্থ বুজি নাপাওঁ। তথাপি কিবা জোৰা টুটা দি এখন লেখি উলিওৱা হ'ল। ভাত খাই উঠি মহাত্মা গান্ধীয়ে অলপ শোৱে। সেইকাৰণে কিছুসময় অপেক্ষা কৰি ভাত খাই উঠাৰ লগে লগে গৈ তেখে-তক পুনৰ দেখা কৰিলো। আমাক আৰু তেখেতে বিশেষ কথা নুশুধিলে, মাত্ৰ নিম্নোক্ত চিঠিখন বৰদলৈ লৈ দিলে। টোকাটো প্ৰস্তুত কৰিছিল সেই সময়ত তেখেতৰ প্ৰাইভেট চেক্ৰেটৰী হিচাপে থকা ডাঃ সুশীলা নায়াৰে :

On December 15, he (Mahatma Gandhi) was interviewed by two Congressmen from Assam on behalf of Mr. Bardoloi, Chief Minister of Assam. Asked for guidance in regard to 'grouping', Gandhi replied :

"I do not need a single minute to come to a decision, for on this I have a mind. I am a Congressman to the very marrow, as I am mainly the framer of the Constitution of the Congress, as it stands to-day. I have told Bardoloi that if there is no clear guidance from the Congress Committee, Assam should not go into the sections. It should lodge its protest and retire from the Constituent Assembly. It will be a kind of Satyagraha against the Congress for the good of the Congress.

"Rightly or wrongly, the Congress has come to the decision that it will stand by the judgement of the Federal Court. The dice are heavily loaded. The decision of the Federal Court will go against the Congress interpretation of 'grouping', as far as I can make out, for the simple reason

that the cabinet has got legal advice which upholds their decision.

"The Federal Court is the creation of the British. It is a packed Court. But to be consistent, the Congress must abide by its decision whatever it may be If Assam keeps quiet, it is finished. No one can force Assam to do what it does not want to do. It is autonomous to a large extent to-day.

"It must become fully independent and autonomous. Whether you have that courage, grit and the grumption I do not know. You alone can say that. But if you can make that declaration, it will be a fine thing. As soon as the time comes for Constituent Assembly to go into section, you will say, 'Gentlemen, Assam retires.' For the independence of India, it is the only condition. Each unit must be able to decide and to act for itself. I am hoping that in this, Assam will lead the way.

"I have the same advice for the Sikhs. But your position is much happier than that of the Sikhs. You are a whole province. They are a community inside a province. But I feel every individual has the right to act for himself, just as I have."

Question: "But we are told that the framing of the Constitution for the whole of India cannot be held up for the sake of Assam. It cannot be allowed to block the way."

Gandhi: "There is no need to do that. That is why I say that I am in utter darkness. Why are not these simple truths evident to all after so many years? If Assam retires, it does not block, but leads the way to India's

independence."

Question : "The British Government have declared that the Constitution framed by the Constituent Assembly cannot be imposed on unwilling units. And so, if some parts do not accept it, the British Parliament will not accept it."

Gandhi : "Who is the British Government ? If we think independence is going to descend on our heads from England or somewhere we are greatly mistaken. It will not be independence. We will be crushed to atoms. We are fluctuating between independence and helpless dependence. The Cabinet Mission's plan lies in between.

"If we act rightly, there will be the full blown flower of independence. If we react wrongly, the blossom will wither away. Mind you, the League standpoint is quite correct. If they stand out, the Constituent Assembly cannot impose its Constitution on an unwilling party. The British Government have no say in the matter, one way or the other.

"The British cannot interfere with the working of the Constituent assembly. Supposing the vast majority, including the Muslims and others form a Constitution, you can defy the British Parliament if it seeks to interfere. Power is in your own hands. Some such thing happened in Ireland only recently. And De Valera is no non-violent fighter. The position of India is far better than that of Ireland. If we have not the penetration, we will lose the advantage we have, as it is apparently being lost to-day.

"If Assam takes care of itself, the rest of India will be able to look after itself. What have you got to do with the Constitution of the Union Government ? You should

form your own Constitution. That is enough. You have the basis of a Constitution all right even now.

"I have never despised the Constitution of 1935. It is based on provincial autonomy. It has the capacity for the fullest growth, provided the people are worth it. The hill people are with you. Many Muslims are also with you. The remainder can be, too, if you act on the square.

"You will have to forget petty jealousies and rivalries, and overcome your weakness. Assam has many weakness, as it has much strength, for I know my Assam.

"With your blessings, we can even go outside the Congress and fight," they interposed.

Gandhi said that in 1939, when there was the question of giving up the Ministry, Subhas Babu opposed it, as he thought Assam's was a special case. "I told Bardoloi that there was much in what Subhas Babu had said and, although I was the author of that scheme of boycott, I said Assam should not come out, if it did not feel like it. But Assam did come out. It was wrong."

Assam Congressmen complained that Azad had then said that exception could not be made in the case of Assam.

Gandhi replied. "Here there is no question of exception. People would have said, 'Assam rebelled and that civilly. But we have that slavish mentality. We look to the Congress and then we feel that if we do not follow it slavishly, something will go wrong with it. I have said that not only a province but even an individual can rebel against the Congress and, by doing so, save it, assuming that he is in the right. I have done so myself. The

Congress has not attained the present stature without much travail

"I have given you all this time to steel your hearts, to give you courage. If you don't act correctly and now, Assam will be finished. Tell Bardoloi, I don't feel the least uneasiness. My mind is made up. Assam must not lose its soul. It must uphold it against the whole world. Else, I will say that Assam had only manikins and no men. It is an impertiment suggestion that Bengal should dominate Assam in any way.

"Asked if they could tell the people that they had rebelled against the Congress with his blessings, Gandhi said. 'Talk of God's blessings. They are much richer. Tell people even if Gandhi tries to dissuade us, we won't listen."

এইখিনি মহাত্মা গান্ধীয়ে গ্ৰুপিঙৰ সন্দৰ্ভত অসমৰ কৰ্তব্য সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শ। ইয়াক অনুবাদ কৰিবলৈ গ'লে মহাত্মা গান্ধীৰ সম্পূৰ্ণ পৰামৰ্শটো প্ৰকাশ নহ'ব বুলি আশঙ্কা কৰি তেখেতৰপৰা যেনেকৈ পোৱা গৈছিল সেই তেনেকৈ আগবঢ়োৱা হ'ল।

লোকপ্ৰিয় বৰদলৈদেৱে পৰামৰ্শটো পাই আনন্দত উত্ৰাৱল হ'ল আৰু টাইপ কৰাই ৱৰ্কিং কমিটিৰ সদস্যসকলৰ মাজত বিতৰণ কৰি দিছিল। ৱৰ্কিং কমিটিয়ে সেইমতে গ্ৰুপিঙৰ প্ৰস্তাবটো নাকচ কৰিলে। অসম সেই সমস্যাত ৰক্ষা পৰিল আৰু ভাৰতবৰ্ষৰ ইতিহাসে অন্য ৰূপ ল'লে। তাৰ পাছত লৰ্ড ৱাভেলৰ পৰিবৰ্তে লৰ্ড মাউণ্টবেটেন ভাৰতৰ বৰলাট নিযুক্ত হৈ আহিল। লৰ্ড মাউণ্টবেটেনে ১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিছে ভাৰতীয় নেতাসকলৰ হাতত ক্ষমতা হস্তান্তৰ কৰিব বুলি ঘোষণা কৰিলে। সেই মতেই কাম হ'ল। পূৰ্ববঙ্গ প্ৰদেশখন পাকিস্থানৰ ভুক্ত হ'ল। পঞ্জাবৰ পশ্চিম অংশ, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু প্ৰদেশ আৰু বেলুচিস্থান লৈ পশ্চিম পাকিস্থান হ'ল। ছিলেটত জনমত (referendum) লোৱাতো স্থিৰ হ'ল, আৰু জনমত অনুসৰি ছিলেট পূব পাকিস্থানৰ ভুক্ত হ'ল। তাৰ পাছত সীমা নিৰ্দ্ধাৰণ কমিটিৰ নিৰ্দেশ মতে ৰেডক্লিফ

চাহাৰে ৰায় দিলে যে সমগ্ৰ ছিলেট পাকিস্থান ভুক্ত হ'ব নোৱাৰে। অসমৰ লগা লগিকৈ কৰিমগঞ্জ মহকুমাৰ প্ৰায় তিনিখন থানা অসমত ভুক্ত হ'ব লাগে। সেইমতে ১৫ আগষ্টত সেই তিনিখন থানা অসমত অন্তৰ্ভুক্ত হৈ নতুন অসম প্ৰদেশ গঠিত হ'ল আৰু এনেকৈ ভাৰতবৰ্ষৰ অংশগত হিচাপে হৈ স্বাধীন হ'ল। অসমৰ কাৰণে এইটো বৰ ডাঙৰ ভাগ্যৰ কথা আৰু তাৰ সকলো কৃতিত্ব বৰদলৈদেৱৰ আৰু অসমীয়া লোকৰ। যদি অসমৰ মানুহে ভুল কৰি নিৰ্বাচনত কংগ্ৰেছক একক সংখ্যাগৰিষ্ঠ নকৰিলেহেঁতেন, তেনেহ'লে সেইটো সম্ভৱ নহ'লহেঁতেন। কংগ্ৰেছে ভোটত সংখ্যাগৰিষ্ঠতা লাভ কৰা হেতু শাসনৰ গৰাকীৰপৰা লোকপ্ৰিয় বৰদলৈদেৱৰ নেতৃত্বই অসম ৰক্ষা কৰিলে। ভগৱানৰ ইচ্ছাত সেইটো হবলৈ হ'লে আজি অসমৰ বাহিৰে পূৰ্ব পাকিস্থানৰ দৰে দুখ কষ্ট ভুগিব লাগিলহেঁতেন। এই কাৰণে অসমীয়া ৰাইজে গোপীনাথ বৰদলৈদেৱৰ চিৰদিনলৈ অশেষ শ্ৰদ্ধাৰে মানি লৈছে।

আমাৰ ভ্ৰমণৰ উদ্দেশ্য সিদ্ধি হ'ল আৰু তেখেতৰ বিনম্ৰভাৱে নমস্কাৰ জনাই আমি তেখেতৰপৰা বিদায় লৈ পুনৰ চামোহানালৈ উভতি আহিলো। উভতি আহি বৰদলৈদেৱে নিৰ্দেশ দিয়া মতে তেখেতক এখন টেলিগ্ৰাম দিলো: "Mission successful arriving Delhi straight" আৰু কলিকতামুৱা হ'লো।

কলিকতাৰপৰা শ্ৰীবিজয় ভাগৱতদেৱ লগত আহিল। আমি মহাত্মা গান্ধীৰ বাণীটোৰ কেবাটাও প্ৰতিলিপি কৰিছিলো। তাৰে এটা তেখেতে নিলে বাকীবিলাক মই বিচনাৰ ভিতৰত, জেপত আৰু চুটকেচত ভৰাই ল'লো যাতে এখন কিবা প্ৰকাৰে কিবা হ'লেও কথাখিনি হেৰাই নাযায়। কলিকতাৰপৰা মই দিল্লীলৈ যাত্ৰা কৰিলো। গধূলি পাঁচ বজাত পাব লগা গাড়ীখন ৰাতি দহ বজাতহে পালে। বৰদলৈ থকা ঠাই কেনিং লেন পাওঁতে ৰাতি প্ৰায় বাৰমান বাজিছিল। দিল্লীৰ ডিচেম্বৰ মাহৰ ৰাতি অত্যন্ত ঠাণ্ডা, কিন্তু টাঙ্গাৰ শব্দ শুনিয়ে বৰদলৈ ডাঙৰীয়া দুৱাৰ মেলি ওলাই আহি মোক মাত লগালে অৰ্থাৎ তেতিয়ালৈকে তেখেতে শোৱা নাছিল, মোৰ কাৰণে অপেক্ষা কৰি আছিল। টাঙ্গাৰপৰা নমা মাত্ৰকে তেখেতে মোৰ প্ৰশ্ন কৰিলে, "কেনেকৈ তোমাৰ মিছন কৃতকাৰ্য হ'ল বুলি টেলিগ্ৰাম কৰিব পাৰিলা?" তেখেতৰ কথাৰ সুৰত উত্তেজনা প্ৰকাশ পাইছিল। তেখেতে মোক আৰু সুধিলে, "মহাত্মা গান্ধীয়ে লেখিত-ভাৱে কিবা দিছেনে নাই?" এই দিছে বুলি কৈ মোৰ জেপত থকা কাগজখন

উলিয়াই তেখেতৰ হাতত দিলে । [illegible] এখন মূল্যবান কাগজ মই জেপত লৈ [illegible] উঠিছিল; কিন্তু কাগজখনৰ প্ৰতিলিপি [illegible] উপস্থিত হোৱাৰ এটা কপি ভাগৰতী ডাঙৰীয়াই [illegible] বুলি [illegible] বুদ্ধিৰ প্ৰশংসা কৰিলে । কাগজখন পঢ়ি উঠি [illegible] নদায়া বাবুক মাতি আনিলে আৰু [illegible] কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সভ্য-সকলক এটা [illegible] তেখেতৰ যেন জীৱনত এটা ডাঙৰ [illegible] । আৰু মুখৰ চেহেৰাত ফুটি উঠিছিল । মোক [illegible] । আমাৰ কাম আমি কৰাত লাগি গ'লোঁ।

পিছদিনাখন [illegible] শ্ৰীদেৱকান্ত বৰুৱাৰ কথা মতে টোকাটো কাগজলৈ পঠিয়ালে । বৰদলৈদেৱে [illegible] কথা [illegible] আমি [illegible] কৰো কৰিবলৈ দি তেখেতে কিন্তু [illegible] বুলি কৈছিল [illegible] ডাঙৰ ডাঙৰ আখৰেৰে টোকাটো [illegible] প্ৰকাশ হৈছিল ।

তাৰ পাছত [illegible] কমিটিৰ মনোভাবৰ পৰিবৰ্তন হ'ল । অসমৰ ভাগ্য ৰবি উদয় হ'ল । [illegible] কৰিলে । তাৰ পাছত কথাবিলাক [illegible] কাৰণে উল্লেখ কৰাটো নিষ্প্ৰয়োজন বুলি উল্লেখ কৰাৰপৰা বিৰত হ'লো। এয়ে আছিল দূৰদৰ্শী লোকপ্ৰিয় [illegible] । যিদিনাখন দিল্লীত লৰ্ড মাউণ্টবেটেনে [illegible] ভাৰত বা পাকিস্তানত অন্তৰ্ভুক্ত [illegible] বুলি [illegible] যিদিনাখন তেওঁৰ অনাতাঁৰ ভাষণ [illegible] শ্যামাপ্ৰসাদ মুখাৰ্জীও লগত আছিল। ভাষণ শেষ হোৱাত [illegible] মুখাৰ্জী [illegible] ভাৰত [illegible] বিভাজনৰ কাৰণে বৰদলৈ ডাঙৰীয়াক দায়ী [illegible] ।

সৰ্বভাৰতীয় [illegible] নেতা ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু শৰৎচন্দ্ৰ বসু [illegible] কৰাৰ বিৰোধী আছিল । অসম বিধান সভাত [illegible] বিৰুদ্ধে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল আৰু তাৰ খচৰাও শৰৎচন্দ্ৰ বসু [illegible] কৰি দিছিল

সেই প্ৰস্তাৱটো [illegible] কংগ্ৰেছ ৱৰ্কিং কমিটিৰ লগত বৰ তৰ্ক কৰিব লগাত পৰিছিল [illegible] প্ৰস্তাৱৰ খচৰাটোও মোৰ সৌভাগ্যগুণে অনু-

মোদনৰ কাৰণে কংগ্ৰেছ সভাপতি মৌলানা আজাদৰ কলিকতা বাসভবনলৈ নিব লগা হৈছিল। তিনিদিন প্ৰস্তাবটো খাটি পৰীক্ষা কৰিহে তেখেতে অলপ পৰিবৰ্তন কৰি পাছ কৰিবলৈ অনুমতি দিছিল। অসম বিধান সভাত সেই প্ৰস্তাবটো পাছ হোৱাৰ কাৰণে অসন্তুষ্ট হৈ মুছলিম লীগ দলটোৱে দোহাই দি কেবিনেট মিছন প্লেন সমৰ্থন প্ৰত্যাহাৰ কৰিছিল আৰু মধ্যৱৰ্তী চৰকাৰৰপৰা মুছলিম লীগৰ সদস্যসকলক ইস্তফা দিবলৈ আদেশ কৰিছিল।

লোকপ্ৰিয় বৰদলৈৰ কৰ্মক্ষেত্ৰ কেৱল ৰাজনৈতিক দিশতে আছিল এনে নহয়, তেখেতে প্ৰধান মন্ত্ৰী হোৱাৰ আগৰেপৰা গুৱাহাটীত বিশ্ববিদ্যালয় হব লাগে বুলি আন্দোলন কৰিছিল আৰু সেই উদ্দেশ্যেৰে আগবাঢ়ি ৰাইজৰ বহুতৰ সমালোচনা সত্ত্বেও অৰ্থ সংগ্ৰহ কৰিছিল। প্ৰধান মন্ত্ৰী হৈয়েই তেখেতে বিশ্ববিদ্যালয় আইন পাচ কৰে আৰু বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰে। তাৰ লগে লগে অসম মেডিকেল কলেজো তেখেতৰ প্ৰেৰণাতে স্থাপিত হৈছিল।

অসমত জনজাতীয় আৰু অজনজাতীয় আটাইবিলাকৰে প্ৰতি তেখেতে সমদৃষ্টিৰে চোৱাৰ ফলত উভয় সম্প্ৰদায়ৰে তেখেতে মন জয় কৰিব পাৰিছিল আৰু সম্প্ৰীতি স্থাপনত কৃতকাৰ্য হৈছিল। জনজাতীয় লোকসকলে তেখেতক তেওঁলোকৰ এজন বুলি গণ্য কৰিছিল আৰু সেই সংহতি তেখেতে ৰক্ষা কৰাত সমৰ্থও হৈছিল। পৰ্বত-ভৈয়ামৰ মাজত তেখেত আছিল মিলা-প্ৰীতিৰ সূত্ৰ আছিল। বৰদলৈদেৱক পাহাৰৰ মানুহে অন্তৰৰে শ্ৰদ্ধা কৰিছিল। তেখেতৰ আদ্য শ্ৰাদ্ধৰ দিনাখন সকলো ফৈদৰ মানুহ উপস্থিত হৈ তেখেতৰ অকাল আৰু আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছিল।

গঠনমূলক কামৰ ক্ষেত্ৰত তেখেত অগ্ৰগণ্য আছিল আৰু নানা ঠাইত গঠনমূলক কামৰ কেন্দ্ৰ স্থাপন কৰি তাত কৰ্মীসকলক নিযুক্ত কৰিছিল। কংগ্ৰেছ কৰ্মীসকলৰ দুখ মোচন কৰিব পৰাটো তেখেতৰ বাবে এটা আনন্দৰ কথা আছিল। গান-বাজনা, খেল-ধেমালিতো তেখেতে অংশ গ্ৰহণ কৰিছিল আৰু সেই ক্ষেত্ৰত কাম কৰা লোকসকলক বিশেষ উৎসাহ দিছিল। তেখেতে ভাল বৰগীত আৰু নামঘোষা গাব পাৰিছিল। মই তেখেতৰ লগত একেলগে ৰাস্তাত ৰাতি যাপন কৰাৰ সময়ত তেখেতে সুললিত কণ্ঠে বৰগীত আৰু নামঘোষাৰ 'তুমি চিত্ত বৃত্তি মোৰ' সুৰ লগাই গোৱা শুনি আচৰিত হৈছিলো। চিকাৰত তেখেতৰ ডেকা কালত বৰ ৰাপ আছিল। শ্বিলং ৰাস্তাৰ বেতবোৰ দাতিকাষৰীয়া অঞ্চলত আৰু

সোণাপুৰ আদি ঠাইত মিকিৰ বন্ধুসকলৰ লগত তেখেতে চিকাৰ কৰি ভাল পাইছিল। তেখেতে এদিন মোক শ্বিলঙৰপৰা একেলগে গাড়ীত আহোতে কৈছিল যে তেখেতে সেইবিলাক ঠাইৰ প্ৰতিজোপা গছকে চিনি পায়, মানুহ-বিলাককো বৰ আপোন বুলি ভাবে। তেখেতৰ বহুতো মিকিৰ বন্ধুৱে আজিও তেখেতৰ নাম লয় আৰু তেখেতৰ গুণ গৰিমাৰ প্ৰশংসা কৰে। ১৯৫০ চনৰ ৪ আগষ্টৰ দিনা তেখেতে শ্বিলঙৰপৰা গুৱাহাটীলৈ অহাৰ আগতে মোক মাতি নি কৈছিল যে তেখেতৰ হাতত অলপ গঠনমূলক কামৰ কাৰণে টকা আছে। তাৰ কাৰণে একলাখমান টকাৰ এখন আঁচনি কৰিব লাগে। মই যেন আঁচনি-খন প্ৰস্তুত কৰি থওঁ, কিয়নো তেখেতে গুৱাহাটীৰপৰা ঘূৰি আহি তাৰ শেষ-ৰূপ দিয়াৰ কথা।

গুৱাহাটীলৈ আহি তেখেতে তেখেতৰ প্ৰিয় বন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাৰ লগত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সহ অভিনয় চাইছিল। তেখেতে এখন সাংবাদিক মেলত মিজোৰামৰ সমস্যাবিলাক বুজাই দিছিল। সেই সাংবাদিক মেল অনুষ্ঠিত হৈছিল তেখেতে মিজোৰাম পৰিভ্ৰমণ কৰাৰ ঠিক পিছতে।

এইবিলাক কৰাৰ শেষত তেখেতে নতুনকৈ বন্ধা এটা সাধাৰণ কুটিৰত প্ৰথম দিনৰ বাবে নিশা অতিবাহিত কৰিছিল। লগত তেখেতৰ সহধৰ্মিণীও আছিল। কিন্তু পাঁচ তাৰিখে বোৱাৰী পুৱাতেই ফোন পালো, বৰদলৈ ডাঙৰীয়াৰ অৱস্থা উদ্বেগজনক, শ্বিলঙৰপৰা আমি আহিব লাগে। আহিবলৈ ওলাইছো, এনেতে আকৌ ফোন পালো যে বৰদলৈ ডাঙৰীয়া লোকান্তৰ হৈছে। বাতৰিটো পাই মৰ্মাহত হলো আৰু আমি সকলোৱে তত্তালিকে গুৱাহাটীলৈ আহিলো। এনেকৈয়ে এগৰাকী সৰ্বজনপ্ৰিয় মহান নেতা আমাৰ পৰা কেতিয়াও অন্তৰত পূৰণ হ'ব নোৱাৰা খালী আসন ৰাখি গুচি গ'ল। অসমৰ এটা উজ্জ্বল তাৰকা কক্ষচ্যুত হ'ল। তেখেতৰ মৃত্যুত প্ৰকৃতিয়েও তাণ্ডৱ ৰূপ ল'লে। তেখেতৰ আদ্য শ্ৰাদ্ধৰ দিনা প্ৰলয়ঙ্কৰী ভূমিকম্পত অসমৰ ধন-জন আদিৰ অশেষ ক্ষয়-ক্ষতি হৈছিল। তাৰ পাছৰপৰাই বানপানী, গৰাখহনীয়া এই প্ৰাকৃতিক দুৰ্যোগসমূহে অসমৰ অপূৰণীয় ক্ষতি সাধন কৰি আছে। এনে অৱস্থাত তেখেতৰ দৰে এগৰাকী দূৰদৰ্শী নেতা নোহোৱা হৈ যোৱাটো আমাৰ বাবে অতিশয় দুৰ্ভাগ্যজনক কথা। মৃত্যুৰ ২৮ বছৰ পাছতো তেখেতৰ অভাব অসমৰ প্ৰত্যেকজন মানুহেই অনুভৱ কৰিছে,

বিশেষকৈ পৰ্বত-ভৈয়ামৰ মিলা-প্ৰীতিৰ ক্ষেত্ৰত ।

বৰদলৈদেৱ অসমৰ প্ৰধান মন্ত্ৰী হৈ থকা অৱস্থাতে, ১৯৫০ চনৰ জানুৱাৰী মাহৰপৰা অসমৰ জাতীয় জীৱনৰ তৰাকাশত এটুকুৰা ক'লা মেঘে দেখা দিয়ে। সেই বিপ্লৱৰ ৰূপ প্ৰকাশ হৈছিল অসমত অভূতপূৰ্ব সাম্প্ৰদায়িক আন্দোলনৰ মাজেদি। অসমত পমুৱাৰ অবাধ আগমন চৰকাৰে প্ৰতিৰোধ কৰাত সম্পূৰ্ণ কৃতকাৰ্য নোহোৱাৰ কাৰণে আৰু সেই পমুৱাসকলে জনজাতীয় এলেকাত অবৈধভাৱে প্ৰৱেশ কৰি তাৰ মাটি-বাৰীবপৰা জনজাতীয় লোকসকলক উচ্ছেদ কৰাৰ কাৰণে জনজাতীয় লোক আৰু চাওতাল সম্প্ৰদায়ৰ লোকসকলে একেলগ হৈ পমুৱাসকলক খেদি দিবৰ কাৰণে এটা আন্দোলন চলায় আৰু ঘৰ-দুৱাৰ জ্বলাই দি গৃহচ্যুত কৰে। তেওঁলোকে ভৰাল সা-সম্পত্তি, গৰু-মহ আৰু দোকান-পোহাৰ লুট কৰি পমুৱাসকলক অসম এৰি যাবলৈ নিৰ্দেশ দিয়ে। সেইসকল বিপন্ন মানুহৰ কৰুণ আৰ্তনাদত ধৰিত্ৰী কঁপি উঠিছিল। অন্যান্য সাধাৰণ মানুহবিলাকেও পৰোক্ষভাৱে আন্দোলনত ইন্ধন যোগাইছিল। বৰদলৈ ডাঙৰীয়াই বলিয়াৰ দৰে তাক দমন কৰিবৰ কাৰণে ঘূৰি ফুৰিছিল। তেখেতৰ তেতিয়া নিজা গাড়ীও নাছিল। গোৱালপাৰা আৰু কামৰূপ জিলাৰ ভিতৰুৱা অঞ্চলত এইবিলাক ঘটনা ব্যাপকভাৱে হৈছিল। বৰদলৈদেৱৰ লগত আমাৰো যাব লগা হৈছিল। তেখেতে মোক লগত লৈ কোনো চিপাহী-চন্তৰী নোলোৱাকৈ য'তে ধোঁৱা দেখে তালৈকে গৈছিল আৰু পলাতকসকলক নপলাবলৈ অনুৰোধ জনাই ফুৰিছিল। আমাৰ কাম হ'ল সেইসকল লোকৰ সাহায্যৰ কাৰণে ব্যৱস্থা কৰা। সেই বিষয়ত বিশেষ নেতৃত্ব দিছিল শ্ৰীঅক্ষয়কুমাৰ দাসে। এই সংক্ৰান্তত তেখেতৰ পৰিবাৰৰ ককায়েক আৰু এজন পমুৱাৰ মাটিৰ লগত স্বাৰ্থ-সংশ্লিষ্ট পৰ্বতীয়া গোসাঁইকো গ্ৰেপ্তাৰ কৰা হৈছিল। সাম্প্ৰদায়িক সংঘৰ্ষত সম্পত্তিৰ উপৰিও বহুতো মানুহে প্ৰাণ হেৰুৱাব লগা হৈছিল। গৰু, ম'হ কোনে ক'ত নিলে, ক'লৈ গ'ল তাৰ বা-বাতৰি লোৱা মানুহ নোলাল। জীৱনৰ ভয়ত পমুৱাসকল পূব পাকিস্তান এতিয়াৰ বাংলাদেশলৈ পলাবলৈ লাগিল। সেই সময়ত বৰদলৈদেৱে এদিন বৰপেটালৈ সাহায্য সমিতি গঠন কৰিবৰ কাৰণে গৈছিল। এই উদ্দেশ্যে অনুষ্ঠিত এখন সভাত বহুতো ভদ্ৰলোক, বিশেষকৈ উকীল সম্প্ৰদায়ৰ নেতৃস্থানীয় লোকো উপস্থিত আছিল। বৰদলৈদেৱে আৰ্ত-মানুহক সাহায্য কৰিবৰ কাৰণে আৰু তেওঁলোকৰ বয়-বস্তুবিলাক যাতে লোকচান

নহয় সেইটো চাবৰ কাৰণে এটা অৰ্থ সাহায্য সমিতি গঠন কৰিব লাগে বুলি প্ৰস্তাব দাঙি ধৰিছিল। প্ৰস্তাবটোত ৰাইজৰ ফালৰপৰা সঁহাৰি পোৱাৰ পৰিবৰ্তে এগৰাকী বিশিষ্ট উকীল নেতাই থিয় হৈ ক'লে যে প্ৰধানমন্ত্ৰীয়ে সেইবিলাক কথা কোৱাৰ মূল্য নাই। সেই সময়ত মাত্ৰ একেটা কথা যে বিশেষ জাহাজ, ৰেল আৰু নাও বন্দোবস্ত কৰি অনাহূত মানুহবিলাকক পাকিস্থানলৈ পঠাব লাগে। মানুহৰ দুখ-বিপদত যে মানুহে তেনেদৰে কথা ক'ব পাৰে বৰদলৈয়ে সেইটো কেতিয়াও ভাবিব পৰা নাছিল। তেখেতে গোৱালপাৰা আৰু কামৰূপ জিলাৰ শান্তিৰক্ষাৰ ভাৰ পদস্থ কৰ্মচাৰী আৰু কংগ্ৰেছ কৰ্মীসকলৰ মাজত ভগাই দি মৰ্মান্তিক আঘাত লৈ গুৱাহাটীলৈ ঘূৰি আহিল। গুৱাহাটীৰপৰা শ্বিলং পায়েই তেওঁলৈ খবৰ আহিল যে এখন মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলৰ ৰাইজে সঙ্কটপূৰ্ণ মুহূৰ্তত তেওঁলোকৰ ওচৰলৈ আহিবলৈ নিমন্ত্ৰণ জনাইছে। খবৰটো পায়েই তেখেতে মোক লগত লৈ সেই ঠাইলৈ যাত্ৰা কৰিলে। নাওঁতে বাটৰ হেকড়া গাৱঁৰপৰা কমলাকান্ত দাস মেনেজাৰক লগত লৈ আহিল। নগৰবেৰা হাইস্কুলৰ প্ৰাঙ্গনত থকা কেন্দু গছ এজোপাৰ তলত অনুষ্ঠিত এখন বিৰাট ৰাজহুৱা সভাত তেখেতে ভাষণ দিছিল। তেখেতে মোক কৈছিল যে ১৯২০ চনৰ অসহযোগ আন্দোলনৰ প্ৰথম ৰাজহুৱা সভাখনো তেখেতে ঠিক তাতেই পাতিছিল। সেইখন ৰাজহুৱা সভাই তেখেতৰ জীৱনত ভাষণ দিয়া শেষ সভা আছিল। প্ৰবল বতাহ বৰষুণৰ বাবে সভা শেষ নহ'লেও সকলো মানুহে বৰদলৈদেৱক প্ৰতিশ্ৰুতি দিছিল যে সেই অঞ্চলত তেওঁলোকে কোনো অশান্তি হ'বলৈ নিদিয়ে।

'৪৭ চনৰ ১৫ আগষ্টৰ পিছতো যেতিয়া দিল্লীত গণপৰিষদ বহি আছিল তেতিয়া এটা প্ৰবল জনৰব উঠিছিল যে মিঃ জিন্নাই পাকিস্থানক এটা hill station দিব লাগে বুলি দাবী কৰিছে আৰু সেই সংক্ৰান্তত শ্বিলঙৰ নাম ওলাইছিল। জনৰবটো শুনি লোকপ্ৰিয় বৰদলৈদেৱে মহাত্মা গান্ধীক কথাটো জনালে। লগতে তেওঁ লৰ্ড মাউণ্টবেটেনক তেনে কৰাৰপৰা বিৰত হবলৈ অনুৰোধ জনাব লাগে বুলিও ক'লে। গান্ধীয়ে উত্তৰত ক'লে যে তেখেতে সেইটো কলেও একো ফল নধৰিব। সেইবিষয়ে চৰ্দাৰ পেটেলক তেওঁ ক'বলৈ কোৱাত বৰদলৈদেৱে কথাটো চৰ্দাৰ পেটেলক জনালে। পেটেলে নৈশ ভোজমেলত লৰ্ড মাউণ্টবেটেনক এইবিষয়ে ক'বলৈ বৰদলৈদেৱক পৰামৰ্শ দিলে। ৰাতিৰ ভোজমেলত

বৰদলৈদেৱে কথাটো অকলে লৰ্ড মাউণ্টবেটেনক লগধৰি জনালত তেওঁ ক'লে যে সেইবিষয়ে তেখেতক মহাত্মা গান্ধীয়েও কৈছিল, কিন্তু কথাটো তেনেই ভিত্তিহীন। আচল কথাটো আছিল, সেইসময়ত পূব-পাকিস্থানত যিগৰাকী গবৰ্ণৰ আছিল তেখেতৰ গা ভাল নাছিল, গতিকে এটা hill station পাকিস্থানে পোৱা উচিত বুলি লৰ্ড মাউণ্টবেটেনৰ দৃষ্টি আকৰ্ষণ কৰিছিল। কিন্তু সেইটো সম্ভৱ নহয় বুলি তেখেতে গৱৰ্ণৰক জনোৱাত তাতেই কথাটোৰ অৱসান হৈছিল। Redcliff awardৰ পিছত পাকিস্থান আৰু ভাৰতবৰ্ষৰ সীমা সম্পৰ্কত কাৰো হস্তক্ষেপ নচলিব সেইটো লৰ্ড মাউণ্টবেটেনৰ মুখৰপৰা শুনিহে লোকপ্ৰিয় বৰদলৈদেৱে স্বস্তিৰ নিশ্বাস পেলাব পাৰিছিল।

এইগৰাকী মহান নেতাৰ দূৰদৰ্শিতা আৰু যোগ্যতাৰ কথা আমি এই সংক্ৰান্তত পৰম শ্ৰদ্ধাৰে সোঁৱৰিছো। আমাৰ পৰম সৌভাগ্য যে সেইগৰাকী নেতাৰ নেতৃত্বত আমি কাম কৰিবলৈ আৰু তেখেতৰ উপদেশ, প্ৰেমৰ সোৱাদ লবলৈ সুযোগ পাইছিলো।

লোকপ্ৰিয় বৰদলৈদেৱৰ মহান নেতৃত্বৰ কথা কৈ শেষ কৰিব নোৱাৰি। আজি এই ছেগতে আমি সোণৰ অসম গঢ়াৰ উদ্দেশ্যে তেখেতে যোগোৱা অৱদানৰ কথা কৃতজ্ঞতাৰে সোঁৱৰিছো।

# লোকপ্ৰিয় গোপীনাথ ঃ লেছেৰিবোটলা

**অতুলচন্দ্ৰ হাজৰিকা**

লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱ অসমৰ এগৰাকী সৰ্ববাদীসন্মত জাতীয় নেতা। ঘাইকৈ ৰাজনীতিতে জীৱনৰ শেষ দিনলৈকে দেহে-কেহে লাগিছিল যদিও ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ কেবাটাও দিশত বৰদলৈদেৱৰ কম-বেছি পৰিমাণে বৰঙণি আছিল। কৰ্মবীৰ বৰদলৈ আৰু দেশভক্ত ফুকনৰ দৰে লোক-প্ৰিয় গোপীনাথেও ত্যাগৰ অগ্নি-পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ জাতিক সবল নেতৃত্ব দান কৰিছিল। সেয়ে হলেও দেশখনক শাসকীয় ক্ষমতাৰ বাঘজৰী হাতত তুলি লৈ গঢ়ি তুলিবলৈ যি সৌভাগ্য লাগে, আন দুগৰাকী মহান নেতাক নিয়তিয়ে সেই সৌভাগ্যৰপৰা বঞ্চিত কৰিছিল। অৱশ্যে লোকপ্ৰিয়য়ো আৰু কেইবছৰমান জীয়াই থকা হলে অন্তত তেখেতৰ প্ৰধান মন্ত্ৰীত্বৰ (প্ৰিমিয়াৰ) কাযকাল সম্পূৰ্ণ কৰিব পৰা হ'লেও অসমে তেখেতৰপৰা আৰু অধিক বুজন অৰিহণা পালেহেঁতেন বুলি আশা কৰিবৰ থল আছিল।

বৃটিছ আমোলৰেপৰা তেখেতে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছিল আৰু গড়গঞা মিতিৰ শ্ৰীহট্ট জিলাখন অসমৰ ভিতৰত ওলোমাবাদুলী হৈ নথকা হলে সেই সময়তে তাৰ সফল ৰূপায়ণ হ'লহেঁতেন। বৰদলৈদেৱে শাসনৰ শীৰ্ষবিন্দুত অধিষ্ঠিত হৈয়েই কেৱল গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিয়েই ক্ষান্ত হোৱা নাছিল, তেখেতে একে সময়তে গুৱাহাটী হাইকোৰ্ট, অসম মেডিকেল কলেজ, অসম পশু মহাবিদ্যালয় আদি কেবাটাও লাগতিয়াল অনুষ্ঠানৰ সৃষ্টি কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাত জ্ঞানাচাৰ্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱক উপাচাৰ্য আৰু ফণীধৰ দত্তক ৰেজিষ্ট্ৰাৰ হিচাপে মনোনীত কৰি তেখেতে যি দূৰদৰ্শিতাৰ পৰিচয় দিছিল, তাৰ সুফল অচিৰতে ফলিয়ালে। ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত এনে দূৰদৰ্শিতাৰ অভাৱ হোৱাৰ বাবেই আজিও সেইখন বিশ্ববিদ্যালয় কেৰোণীয়া আউল লগা অৱস্থাতে আছে। তেখেতে সুদীৰ্ঘ জীৱন পোৱা

হলে অসমে শ্বিলং ৰাজধানী বিনামূলীয়াকৈ মেঘালয়ক যৌতুকত এৰি দি আহিবলগীয়া নহ'লহেঁতেন আৰু দেশ স্বাধীন হোৱাৰ ইমান বছৰৰ পিছতো বাৰুনি হালদিয়াক প্ৰদান কৰিব পৰা সম্পত্তি পানীয়া সোণ দান কৰি অস্থায়ী ৰাজধানী দিছপুৰত চৌখুটি মাৰি লোণে তেলে খাবলগীয়া অৱস্থা নিশ্চয় নহ'লহেঁতেন ।

*

লোকপ্ৰিয় বৰদলৈৰ সুদীৰ্ঘ ৰাজনৈতিক জীৱনৰ কাৰ্যকলাপৰ কথা এই গ্ৰন্থৰ যথাস্থানত বৰ্ণনা কৰিছো । মই মাথোন ইমানকে কওঁ যে যি সময়ত ভাৰতৰ দেশী নেতাসকলে নিৰ্মাণিত অসমক বিনাবাধাই জিন্নাস্থানে পাকিস্তানৰ অংশৰ লগত ঠেলি দিবলৈ সাজু হৈছিল, সেই সময়ত পুণ্যশ্লোক মহাত্মা গান্ধীৰ আশীৰ্বাদ লৈ লোকপ্ৰিয় গোপীনাথে সাহসী নেতৃত্ব দি অসমক এক চৰম বিপদৰ পৰা ৰক্ষা কৰিছিল । গোপীনাথৰ উদ্ধৱ-কটকী হৈছিল শ্ৰীমহেন্দ্ৰ মোহন । অমৃত সমান সেইবাৰৰ কথা অসমৰ জাতীয় বুৰঞ্জীৰ এক অবিস্মৰণীয় গৌৰৱোজ্জ্বল কাহিনী ।

*

মই সাহিত্যৰ চাৰিবেৰৰ মাজত এচুকত থকা মানুহ । সেইকাৰণে জয়-জয়তে গোপীনাথৰ সাহিত্যিক জীৱনৰ সম্পৰ্কে আলোচনা এৰিব লওঁ । এই কথা স্বীকাৰ কৰিব লাগিব যে গোপীনাথৰ অসমীয়া সাহিত্য ভঁৰাললৈ বোলে ডাঙৰ জিলিকা বৰঙণি নাই কিন্তু সেইবুলি যে তেওঁৰ সাহিত্যিক বৰঙণি সামান্য হলেও নগণ্য আছিল এনে কথাও ক'ব নোৱাৰি । ৰাজনীতিত জাহ যোৱা নেতাসকলে সাধাৰণতে অলস জেলজীৱনক সাহিত্য চৰ্চাৰে সৰস কৰি তোলা দেখা যায় । সেই সকলৰ বাবে কাৰাগাৰেই সাহিত্য তীৰ্থ ৰূপ ধাৰণ কৰে । পণ্ডিত জৱাহৰলাল নেহৰু প্ৰমুখ্যে ভাৰতীয় নেতা-সকল আৰু নবীন তৰুণ প্ৰমুখে অসমৰ নেতাসকলেও সম বজাৰ ৰাজ্যতে বাণী বীণাপাণিৰো থাপনা পাতিছিল । গোপীনাথ বৰদলৈ ডাঙৰীয়াও ইয়াৰ ব্যতিক্ৰম নাছিল । মই তলত তলত নাম দিয়া পুথি পাঁচখন বৰদলৈ ডাঙৰীয়াৰ বন্দী জীৱনৰ সুফল

(ক) শ্ৰীৰামচন্দ্ৰ

(খ) বুদ্ধদেৱ

(গ) যিশুখ্ৰীষ্ট

(ঘ) হজৰত মহম্মদ
(ঙ) মহাত্মা গান্ধী

এই আটাইকেইখন পুথি শিশুৰ উপযোগীকৈ ৰচনা কৰা হৈছে। তেখেতে জেলৰপৰা ওলাই অহাৰ পিছত 'শংকৰদেৱ' নামৰ পুথিখন মই লাগি ভাগি ছপাই দিছিলোঁ। মই সম্পাদনা কৰা 'দীপক'ৰ কেইসংখ্যামানত ছোৱা ছোৱাকৈ 'শ্ৰীৰামচন্দ্ৰ' নামৰ পুথিখন উলিয়াইছিলোঁ। দুখৰ বিষয় পুথিখনৰ প্ৰকাশৰ অসম্পূৰ্ণভাৱে সমাপ্তি ঘটাবলগীয়া হৈছিল কিয়নো তাৰ পাছৰ ছোৱাৰ পাণ্ডুলিপি এজন 'বন্ধু'ৱে পঢ়িবলৈ নি ঘূৰাই নিদিয়াত উদ্ধাৰ কৰিব পৰা নহ'ল। এনে মুখে লটপট ভিতৰি কপট বন্ধুসকল নিজৰ ইষ্ট আৰু লোকৰ অনিষ্ট কৰাত পাকৈত। এনে এজন ভণ্ড বন্ধুৰ কথা লিখিনিতে মোৰ মনত পৰিছে। দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাই ৰোগশয্যাত শুই শুই বুকুত বহী লৈ কাঠপেঞ্চিলেৰে এখন উপন্যাস ৰচনা কৰিছিল। সেই উপন্যাসৰ পাণ্ডুলিপি তেওঁৰ বন্ধু শৰৎচন্দ্ৰ বৰুৱাই (মহৰ্ষি কমলাকান্তৰ জোঁৱাই) নগদ পাঁচশ টকাৰে এজন সাহিত্যিকৰ হাতত দিছিল. শৰ্মাদেৱৰ জীৱিত কালত কিতাপখন ছপাৰ আকাৰত তেওঁ চাই যাবলে। অতি পৰিতাপৰ কথা উপন্যাসখন ছপা হোৱাটো দূৰৰ কথা পাণ্ডুলিপিও পিছত পোৱা নগ'ল আৰু টকা পাঁচশও ভালুকৰ গাঁতত সোমাল। সি যি নহওক লোক-প্ৰিয়ৰো 'শ্ৰীৰামচন্দ্ৰৰ' শেষৰ ছোৱাৰো তেনে দুৰ্ভাগ্য হ'ল বুলি ক'ব পাৰি। এই কিতাপখন উজু ভাষাত লেখা ৰামায়ণৰ কাহিনী হলেও গোপীনাথে ৰামায়ণৰ অবাস্তৱ যেন কথাবোৰ বাস্তৱ চকুৰে নিৰীক্ষণ কৰি সেইবোৰৰ তাৎপৰ্য কোমল মনৰ ল'ৰা-ছোৱালীবিলাকক বুজাবলৈ চেষ্টা কৰিছিল।

মহাত্মা গান্ধীৰ জীৱনীখন অসম প্ৰকাশন পৰিষদে প্ৰকাশিছে। ইচ্ছুকসকলে পঢ়ি চালে সবিশেষ জানিব পাৰিব। এই প্ৰসংগত এই কথা মই দৃঢ়তাৰে ক'ব পাৰোঁ যে মহাত্মা গান্ধীৰ প্ৰতি বৰদলৈৰ ডাঙৰ আৰু সকলো সময়তে অবিচল ভক্তি আছিল। তেখেতে জটিল ৰাজনৈতিক সমস্যাবোৰো মহাত্মা গান্ধীৰ চিন্তাধাৰাৰ লগত মিল থকা অহিংস পদ্ধতিৰে সমাধান কৰিবলৈ চেষ্টা কৰিছিল। মই নিজে তেখেতৰ বৈঠকখানাত বন্ধু-বান্ধৱৰ লগত এনে ধৰণৰ আলাপ-আলোচনা দুই এবাৰ শুনিবলৈ পাইছিলোঁ।

বৰদলৈ ডাঙৰীয়াই মহাত্মা গান্ধীয়ে কৰা গীতাভাষ্যৰ অসমীয়া তৰ্জমা কৰি প্ৰকাশ কৰিছিল। এই পুথিখনৰ পটভূমিৰ কথা জানিছিলোঁ যদিও পাহৰিছোঁ

বাবে বিশেষ লেখিব নোৱাৰিলো। এই কথা কিন্তু নিসন্দেহে কব পৰা যায় যে গীতা আৰু গান্ধী লোকপ্ৰিয়ৰ জীৱনৰ ঘাই পথনিৰ্দেশক আছিল।

২

লোকপ্ৰিয় বৰদলৈয়ে ১৯৩৭ চনত জ্ঞানাচাৰ্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ পৌৰোহিত্যত অনুষ্ঠিত অসম সাহিত্য সভাৰ আদৰণি সমিতিৰ সভাপতিৰ ভাৰ বহন কৰিছিল। আজিকালিৰ দৰে সেই সময়ত ৰাজনৈতিক নেতাসকলক সাহিত্য সভাৰ এনেবোৰ দায়িত্বপূৰ্ণ বাব দিয়া নহৈছিল। সেই সময়ত তাকবাৰ, দেশভক্ত আৰু লোকপ্ৰিয়ক সাহিত্যিকসকলেও আপোন মানুহ বুলি ভাবিছিল। সেই কাৰণেহে গোপীনাথে এই সাহিত্যনাথৰ বাব লবলৈ যোগ্যজন বুলি বিবেচিত হৈছিল মুঠতে সাহিত্য-ক্ষেত্ৰতো নেতৃত্ব দিব পৰা যোগ্যতা গোপীনাথৰ নিশ্চয় আছিল। তেওঁ পাঠ কৰা আদৰণি সভাৰ ছপা ভাষণখন আজি পাবলৈ নোহোৱাটো দুখৰ কথা এনেবোৰ বহুমূলীয়া বস্তু সাচি ৰাখিবলৈ আজিও আমাৰ সাধন হোৱা নাই কমবাস্ত লোকপ্ৰিয় বৰদলৈদেৱক সাহিত্য আৰু সংস্কৃতি সম্পৰ্কীয় লেখিত ভাষণ যুগুত কৰাত বিশেষভাৱে সহায় কৰিছিল গীতি-কবি উমেশচন্দ্ৰ চৌধুৰীয়ে। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমৰ স্বাৰ্থৰ লগত জড়িত সমস্যাবোৰৰ সম্পৰ্কত ডা ভুবনেশ্বৰ বৰুৱাৰ উপৰিও লোকপ্ৰিয়ৰ ভিতৰি বিশ্বাসৰ মানুহ আছিল কবি উমেশচন্দ্ৰ চৌধুৰী আৰু স্বভাৱবিজ্ঞানী লক্ষ্মীনাথ দাস।

সাহিত্য সৃষ্টি হয় প্ৰতিজন মানুহৰ অন্তৰ্নিহিত প্ৰতিভাৰ ভেটিত। চিন্তা চৰ্চাৰ সাৰ-পানী পালে সাহিত্যৰ সোণোবালী শইচ লহপহকৈ বাঢ়ি উঠে। এই সাহিত্য-প্ৰতিভা কম বেছি পৰিমাণে সকলোৰে থাকে। গোপীনাথো যে এই সাহিত্য-প্ৰতিভাৰ অধিকাৰী আছিল সেই কথা ফুই কৰিব নোৱাৰি।

সেই সময়ত গোপীনাথ চফল ডেকা গুৱাহাটী শোধনাগাৰ তেতিয়া সঁচতো নাই, মচতো নাই। সেই ঠাইত আছিল 'সন্তোষীয়া সবল চহাৰ, বিনন্দীয়া প্ৰাণৰ পথাৰ।' তাতেই আছিল বোন্দা নামৰ এখন মিকিৰ গাওঁ। সেই গাৱঁতে আছিল বিহগী কবি ৰঘুনাথ চৌধাৰীৰ খেতিৰ পামঘৰ। তাতেই আছিল কবিৰ 'কেতেকী'জনীৰ জন্মস্থান। ৰাজনীতিত সক্ৰিয়ভাৱে লেটি লোৱাৰ আগতে লোকপ্ৰিয়ই মাজে-সময়ে দেশভক্ত ফুকনৰ লগত আৰু কেতিয়াবা অকলে অৱসৰ বিনোদনৰ বাবে হাতত বন্দুকটো লৈ চিকাৰলৈ ওলাই গৈছিল। সেই সময়ৰে

এদিন তেওঁ বোন্দাৰ হাবিত চিকাৰ কৰিবলৈ গৈছিল। সেইদিনা বৰদলৈ ডাঙৰীয়া চিকাৰ কৰি আহি কবিৰ পামঘৰত সোমালহি। কবি চৌধাৰী গুৱাহাটীলৈ অহাত বৰদলৈয়ে তেওঁক লগ নাপালে। ক্ষন্তেক সময় তেওঁ চোতালত থিয় হৈ ৰ'ল। হঠাতে বিহগী কবিৰ কবি খেতিডৰালৈ চকু পৰাত তেওঁ একেবাৰে বিস্ময়াভিভূত হৈ পৰিল। কবিৰ খেতিৰ কামলৈ এখন বেঞ্চি নিয়াই তাতে তেওঁ বহি ললে আৰু আধা ঘণ্টামান সময় অপলকনেত্ৰে জক-মকাই থকা কবিবোৰ চাবলৈ ধৰিলে। চাই চাই তেওঁৰ যেন হেঁপাহ নপলোৱা হ'ল। অন্ধকাৰে সেই মনোৰম দৃশ্য ঢাকি পেলোৱাতহে তেওঁ মুখ-আন্ধাৰি লগাৰ পিছত ঘৰলৈ উলটি আহিছিল।

পিছদিনা বিহগী কবিলৈ তেওঁ এখন চিঠি লেখি পঠিয়াই দিছিল এইদৰে "প্ৰিয় চৌধাৰী! আগতে মই ভাবিছিলোঁ, আপুনি কবিতা লেখে। কালি আবেলি আপোনাৰ পামলৈ গৈ বুজিলোঁ- আপুনি অকল কবিতাকে নিলিখে, কবিতা সৃষ্টিও কৰে। শাৰীয়ে শাৰীয়ে ৬।৭ হাজাৰ বন্ধা কবি, ফুল কবিৰ সৌন্দৰ্য, পূবে-পশ্চিমে হালধীয়া, ৰঙা, নীলা ফুলেৰে সুশোভিত চামে চামে মতৰমাহ, বতাহত ঢৌ খেলি থকা সৰিয়হৰ ফুলৰ অনুপম ৰূপৰাশি মই বিমোহিত হৈ উপভোগ কৰিলোঁ। ক্ষন্তেকৰ বাবে পাহৰি গৈছিলোঁ, মই ক'ত আছোঁ ইন্দ্ৰৰ নন্দন কাননত নে মৰ্ত্যৰ কোনো দেৱাংগ ফুলনিত·········।"

সাপেহে সাপৰ ঠেং দেখা পায়। গোপীনাথে ৰঘুনাথলৈ লেখা চিঠিৰ এই কথাকেইশাৰীতে তেওঁৰ অন্তৰ্নিহিত সুপ্ত কবি-প্ৰতিভাৰ উমান পোৱা নাযায়নে বাৰু?

*

শিক্ষা আৰু সংস্কৃতিৰ প্ৰতি যে গোপীনাথৰ প্ৰবল অনুৰাগ আছিল, সেই কথা নিসন্দেহে সত্য। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাতা হিচাপে তেখেতৰ নাম ওপৰতে স্মৰণ কৰি অহা হৈছে। শিক্ষাক তেওঁ জীৱনৰপৰা কোনো দিনে বাদ দিয়া নাছিল। কলেজীয়া শিক্ষা সমাপ্ত কৰি আহি ওকালতি কৰাৰ পূৰতে তেখেতে অলপ দিন গুৱাহাটীৰ সোণাৰাম হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে কৰ্ম-জীৱনৰ পাতনি মেলিছিল। অসমৰ মুখ্যমন্ত্ৰীৰ গধুৰ দায়িত্ব গ্ৰহণ কৰিও তেখেতে শিক্ষা দপ্তৰটো নিজৰ হাতত ৰাখি গৃহ, বিত্ত আদি মুখ্য দপ্তৰৰ কাষতে এলাগী শিক্ষা দপ্তৰটোকো বিশেষ মৰ্যাদা দিছিল।

বুথাৎ কানিংহাম চাৰ্কুলাৰৰ শুভ পৰিণতি হিচাপে জন্ম লাভ কৰা গুৱাহাটী কামৰূপ একাডেমীৰ লোকপ্ৰিয় বৰদলৈ আছিল প্ৰতিষ্ঠাতা সভাপতি। এই বিদ্যালয়খনিক অন্যান্যৰ লগতে তেখেতেও লালন-পালন কৰি খুটি খাব পৰা কৰি তুলিছিল। শিক্ষা বিভাগৰ লগত সনাপোটিকা সম্বন্ধ এৰি তেখেত মন্ত্ৰী হৈছিলগৈ যদিও এই স্কুলৰ লগত তেখেতৰ পৰোক্ষ সম্পৰ্ক কোনো দিনে ছেদ হোৱা নাছিল। স্কুলখনে চৰকাৰী কাৰ্যৰ পৰা আদা হৈ থিয়দণ্ডা দিছিল আৰু বহু দিনলৈ চৰকাৰী সাহায্যলৈ হাত মেলাও নাছিল। গোপীনাথে শিক্ষা-দপ্তৰৰ ভাৰ লৈ নিজে আগ ভাগ লৈ স্কুলখনৰ চৰকাৰী মঞ্জুৰি-প্ৰাপ্ত হাইস্কুলত পৰিণত কৰিছিল। তেখেতে কৈছিল, বিদেশী চৰকাৰৰপৰা ভিক্ষা লোৱা আৰু স্বদেশী চৰকাৰৰ পৰা সাহায্য লোৱা একে কথা নহয়। স্বদেশী চৰকাৰ কামৰূপ একাডেমীৰো নিজা চৰকাৰ। স্কুলৰ পৰিচালনা কমিটিয়ে তেখেতৰ কথাৰ যুক্তিযুক্ততা দেখি যথাসময়ত দৰখাস্ত দি সহজে মঞ্জুৰি লাভ কৰিলে। এইদৰে কামৰূপ একাডেমীক গোপীনাথে যেনেকৈ জন্ম দিছিল, তেনেকৈ ইয়াৰ জীৱন ধাৰণৰ দিহাও লগাই দিছিল।

মুখ্যমন্ত্ৰীৰ কৰ্মব্যস্ত কাৰ্যসূচীৰ মাজতো সুৰুঙা উলিয়াই তেওঁ আৱশ্যকমতে এই স্কুলৰ নিমন্ত্ৰণ ৰক্ষা কৰিছিল। এবাৰ এখন বঁটা বিতৰণ সভাৰ কথা। সেই সভাৰ সভাপতি লোকপ্ৰিয় গোপীনাথ। নিৰ্দিষ্ট সময়ত আহি তেখেতে সভাপতিৰ আসনত বহিল আৰু নিজেই সভাৰ কাৰ্য পৰিচালনা কৰিবলৈ ললে। কাৰ্যসূচী দীঘলীয়া, মাজে মাজে গীত, আবৃত্তি, দৃশ্যাভিনয় আদি থাপ খুৱাই দিয়া হৈছিল। বৰদলৈদেৱে বাছি বাছি লাগতিয়াল বিষয়কেইটা দি নিজে বঁটা বিতৰণ কৰি, সভাপতিৰ চমু ভাষণ দি সভা সমাপ্ত কৰি গুচি গ'ল। চোঁচৰত ছাত্ৰ-ছাত্ৰীবিলাকে চৰ্চিমাজি তেজীয়াসাহেব হৈ থাকোতেই ফেচু বজা হ'ল। মুখ্যমন্ত্ৰী আহি বঁটা বিতৰণ কৰিবলৈছে, গান-বাজনা চাই সময় কটাবলৈ তেখেতৰ আহৰি নাই বা ক'ত?

*

লাও ডাঙৰ হ'লেও পাতৰ তলত হৈ থাকে, গোপীনাথৰ সাংস্কৃতিক জীৱনটোও তেনেকৈ ৰাজনৈতিক জীৱনে ঢাক খুৱাই ৰাখিছে বুলি ক'ব পাৰি। ছাত্ৰ কালৰেপৰা তেওঁৰ খেল-ধেমালি, গান-বাজনা, অভিনয়ৰ প্ৰতি যথেষ্ট অনুৰাগ আছিল, এই অনুৰাগ জীৱনৰ শেষ দিনলৈকে অব্যাহত আছিল। মৃত্যুৰ ৰাতিও তেখেতে কুমাৰ ভাস্কৰৰ 'প্ৰতিবাদ' নাটকৰ অভিনয় চাই পাটীত পৰিছিলগৈ।

গোপীনাথ বৰদলৈ এজন নিপুণ খেলুৱৈও আছিল। মোৰ ছাত্ৰ-জীৱনত ছাৰ খাত্তুল্লাই আৰু গোপীনাথে স্থানীয় জজ পথাৰত বেটবল কোবোৱা চোৱাৰ সৌভাগ্য হৈছিল। নেহৰু ষ্টেডিয়ামত সৰ্বভাৰতীয় খেল-প্ৰতিযোগিতাৰ বাবে 'লোকপ্ৰিয় বৰদলৈ ট্ৰফী' প্ৰদান কৰি লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাদেৱে নিসন্দেহে উপযুক্ত স্বীকৃতিৰ আৰু অকৃত্ৰিম বন্ধুত্বৰ চানেকি ৰাখি গৈছে।

অসমৰ নাট্যজগততো গোপীনাথৰ সবল পদক্ষেপ নপৰাকৈ থকা নাছিল; কিন্তু নিয়তিয়ে আনফালে টানি নিয়াত নাটশালৰ মজিয়াত তেওঁৰ খোজ মচ খাই গ'ল। কলেজীয়া জীৱনত তেওঁ দুই-এবাৰ ইংৰাজী অভিনয়ত নামিছিল। এবাৰ ওথেলো নাট্যাভিনয়ত তেওঁ হৈছিল ওথেলো, ইয়াগো হৈছিল অধ্যাপক পি· চি· ৰায়। 'জুলিয়াচ চিজাৰ' অভিনয়ত তেওঁ এণ্টনিও হৈ দৰ্শকৰ প্ৰসংশা আৰ্জিবলৈ সমৰ্থ হৈছিল।

তেওঁ গুৱাহাটীৰ সুপ্ৰসিদ্ধ কুমাৰ ভাস্কৰ নাট্যমন্দিৰ প্ৰতিষ্ঠাতো বিনা-মূলীয়া শ্ৰমদান কৰিছিল। এই নাটশালৰ কামৰূপ নাট্যসমিতিৰ প্ৰথম সম্পাদক হৈ গোপীনাথে সুদক্ষ পৰিচালকৰ প্ৰমাণ দিব পাৰিছিল, নাট্যসমিতিৰ বয়সীয়া সদস্যসকলেও চফল ডেকা গোপীনাথৰ নেতৃত্ব স্বেচ্ছাৰে মানি লৈছিল।

অভিনেতা হিচাপে কুমাৰ ভাস্কৰত গোপীনাথক দেখা পাবলৈকো মোৰ সৌভাগ্য হৈছিল। 'চন্দ্ৰগুপ্ত' অভিনয়ত তেওঁ হৈছিল বিশ্ববিজেতা গ্ৰীকবীৰ আলেকজেণ্ডাৰ। ওখ-পাখ গহীন-গম্ভীৰ গোপীনাথ সেই মহাবীৰজনৰ চৰিত্ৰৰ লগত খাপখাই পৰিছিল। দুৰ্গেশ্বৰ শৰ্মা ৰচিত 'চন্দ্ৰাৱলী'ত ( As you like it ) গোপীনাথ হৈছিল জনাৰ্দন আৰু তেওঁৰ ভায়েক নাটকৰ নায়ক পুষ্কৰৰ ভাও ৰূপায়িত কৰিছিল মাণিকচন্দ্ৰ চৌধাৰীয়ে। 'পাৰ্থ পৰাজয়' অভিনয়ত পাৰ্থ আৰু বৃষকেতুৰ শ্মশানত বেতালৰ ভাও লৈ গোপীনাথে গীত গাই ওলাইছিল। কি গীত গাইছিল মনত পৰা নাই।

এইখিনিতে প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে গুৱাহাটী নাট্যানুষ্ঠানৰ চালুকীয়া কালত গোপীনাথৰ ককায়েক ইন্দ্ৰেশ্বৰ বৰদলৈও এজন আগশাৰীৰ অভিনেতা আছিল। গোপীনাথৰ ভুমলীয়া ভায়েক ৰত্নেশ্বৰ বৰদলৈও কামৰূপ নাট্যসমিতি আৰু গুৱাহাটী সন্মিয়া সন্মিলনীৰ এজন অপৰিহাৰ্য যন্ত্ৰশিল্পী আছিল। এই ৰত্ন বৰদলৈ সুনিপুণ বেহেলাবাদক আছিল। তেওঁ মঞ্চত দেখা দি জ্যোতিপ্ৰসাদৰ 'মোৰ জীৱনৰ সখাকৃষ্ণ' গীতটো নিভাজ জ্যোতি-

সুৰত পৰিবেশন কৰিছিল। গোপীনাথৰ মায়েক শশীকলা দেৱীও গুৱাহাটীৰ এগৰাকী বিখ্যাত নামতী আছিল। তেওঁ ৰচনা কৰা নুজন সংখ্যাৰ গোসাঁই নাম আৰু আই নামে ছপাৰ পোহৰ দেখা পোৱা নাই। মুঠতে লোকপ্ৰিয় বৰদলৈৰ পৰিয়ালটোক শিল্পী পৰিয়াল আখ্যা দিব পৰা যায়।

*

মই জনাত গোপীনাথৰ বিশেষ অনুৰাগ আছিল বৰগীত আৰু শাস্ত্ৰীয় সংগীতত। হৰিকৃষ্ণ দাস, গিৰিশচন্দ্ৰ ৰায়চৌধুৰী, অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰভৃতিৰ লগতে লোকপ্ৰিয় গোপীনাথে গোৱা বৰগীতো 'বঙ্গভাৰবিজ্ঞানী' লক্ষ্মীনাথ দাসে 'টেপ্' কৰি সাঁচি ৰাখিছিল। দুৰ্ভাগ্যৰ বিষয় স্বৰ্গীয় দাসে কাৰো হতুৱাই সেইবোৰৰ স্বৰচানেকি কৰাব নোৱাৰিলে আৰু তেওঁৰ মৃত্যুৰ পিছত অমূল্য সম্পত্তি সেই 'টেপ'স্থ বৰগীতবোৰো বিনষ্ট হ'ল। এয় হৈছে এন্দুৰে সেন্দুৰৰ মোল নুবুজাৰ নিচিনা কথা।

বৰদলৈদেৱৰ শাস্ত্ৰীয় সংগীত প্ৰীতিৰ নিদৰ্শন স্বৰূপে মোৰ 'স্মৃতিৰ পাপৰি'ৰ পৰা অলপ কথা এইখিনিতে তুলি দিছো। লোকপ্ৰিয় বৰদলৈ সংগীতসাধক শশীকান্ত গোস্বামীৰ দৰে থিয়েটাৰপ্ৰেমী আৰু সংগীতপ্ৰেমী আছিল। গোপীনাথেও বৰগীত গাইছিল, বেহেলা বজাইছিল আৰু গোস্বামীৰ দৰে শাস্ত্ৰীয় সংগীতৰ চমজদাৰ আছিল। শাস্ত্ৰীয় সংগীতৰ যোগেদি তেওঁলোকৰ বন্ধুত্ব গাঢ় হৈছিল। গুৱাহাটীত য'তে সংগীতৰ 'আছৰ' বহে, ডাঙৰ ওস্তাদ আহে, তালৈ শশী গোস্বামী যাবই যাব। এবাৰ তিলক দাসৰ ঘৰত অনুষ্ঠিত হব-লগীয়া সংগীত আছৰলৈ যাব বুলি গোপীনাথে শশীকান্তলৈ আগতীয়া বতৰা দি পঠালে। ইযাকো জনালে বোলে তেওঁ আছৰলৈ গোপীনাথ হৈহে যাব, মুখ্যমন্ত্ৰী হৈ নাযায়। কথাটো যেন গুপুতে ৰখা হয়। গোসাঁয়ে বতৰাটোৰ মৰ্ম বুজি সেইমতে কাম কৰিলে আৰু আনকি আছৰৰ মালিক তিলক দাসকো কোনো কথা জানিবলৈ নিদিলে। তেওঁ জানিছিল যে পুলিচৰ কুকুৰে চোৰৰ গোন্ধ পোৱাৰ দৰে বিশেষ এচাম মানুহে বহু দূৰৈৰপৰাই মন্ত্ৰীৰ গোন্ধ পায়। এইবোৰ মানুহে গাত বৰমাখিৰ দৰে লাগি থাকি মন্ত্ৰীক শান্তিৰে খাব-শুব লৈকো সুবিধা নিদিয়ে।

যি কি নহওক, আছৰ চলি থাকোঁতে, সাধাৰণ সাজেৰে (মুৰত গান্ধী টুপীটোও নোহোৱাকৈ) লোকপ্ৰিয় বৰদলৈ আহিল। তেওঁ সমজুৱাসকলৰ

মাজত সোমাই লেপেটা কাঢ়ি দলিচাৰ ওপৰত বহিলগৈ। আছৰ শেষ হোৱাত তেওঁ উঠি গুচি গ'ল। মন্ত্ৰী হোৱা বুলি গোস্বামীৰ তৎপৰতাত কোনেও হৈ চৈ কৰিবলৈ সুবিধাকে নাপালে।

এনেদৰে ৰাজনীতিৰ উপৰিও সাহিত্য সংস্কৃতিৰ দেউলৰ বিভিন্ন দিশত গোপীনাথক দেখা পোৱা গৈছিল।

*

লোকপ্ৰিয় বৰদলৈৰ আমোলত অসমত পৰ্বত-ভৈয়াম সম্পৰ্কৰ ফাট মেলা নাছিল, আজিকালিৰ দৰে দেশৰ মাটিও চপৰা চপৰে গৰাখহনীয়া হোৱা নাছিল। কালনেমীয়ে লংকা ভাগ কৰাৰ দৰে তেতিয়াৰ ৰাজনৈতিক গ্ৰহ-উপগ্ৰহবিলাকে বিভেদৰ সুৰুঙা উলিয়াবলৈ চল বিচাৰি পোৱা নাছিল। লোক-প্ৰিয় বৰদলৈৰ বিৰাট ব্যক্তিত্ব আৰু বহল বক্ষত সকলোকে সামৰি লব পৰা অসাধাৰণ শক্তি আছিল বুলি ধাৰণা কৰিব পাৰি। সুদূৰ অৰুণাচল (নেফা) আৰু মিজোৰামতো (লুচাই পাহাৰ) লোকপ্ৰিয়ৰ মৰমৰ উমান পোৱা গৈছিল। অৰুণাচলবাসীয়ে আজিও এইজনা জননেতাক শ্ৰদ্ধাৰে স্মৰণ কৰে। আজিও পূব প্ৰান্তৰ সেই অজান্তিমুলুকত লোকপ্ৰিয় বৰদলৈৰ স্মৃতিৰঞ্জিত 'সাংস্কৃতিক গৱেষণা-কেন্দ্ৰ'ই পুৰণি দিনৰ মৰম-চেনেহৰ সাক্ষ্য বহন কৰি আছে।

মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী বৰদলৈদেৱৰ আমোলতে এবাৰ তেতিয়াৰ অসমৰ শিক্ষাধিকাৰ ড: হিৰণ্যচন্দ্ৰ ভূঞাদেৱ সদলবলে লুচাই জিলালৈ (মিজোৰাম) শিক্ষা-চক্ৰ কৰিবলৈ গৈছিল। তেওঁলোকক হেনো জিলাখনৰ ভিতৰুৱা অঞ্চলতো 'অ' মোৰ আপোনাৰ দেশ' গীত গাই, মিজো ছাত্ৰীবিলাকে অসমীয়া গাভৰুৰ দৰে মুগাৰ ৰিহা-মেখেলাৰ সাজপাৰ পিন্ধি 'গাড অব অনাৰ' দি স্বাগত সম্ভাষণ জনাইছিল। আলহী পৰিদৰ্শক দলটোৱে জিলাৰ আও-হতীয়া ঠাইতো অসমীয়া প্ৰীতি দেখা পাই মুগ্ধ হৈছিল। ইও নিশ্চয় আছিল সহৃদয় শাসক বৰদলৈদেৱৰ ব্যক্তিত্বৰে সুফল।

*

এতিয়া অলপ ব্যক্তিগত কথাৰে আলচৰ মোখনি মাৰো। কামৰূপ নাট্য সমিতিৰ 'আসাম ক্লাব'ত বৰদলৈদেৱ মোৰ দেউতাৰ এজন তাচখেলৰ নিয়-মিত লগৰীয়া আছিল। দেউতাৰ লগত বন্ধুত্ব সূত্ৰেই তেখেতক মই সৰুৰে-পৰাই চিনি পাইছিলো। বাটে-পথে লগ পালে তেখেতে দু-আমাৰ কথাৰে

মোৰ খা-খবৰ লৈছিল। 'আৱাহন'ত প্ৰকাশ হোৱা মোৰ কবিতাবোৰ পঢ়ি তেখেতে ভালপোৱা বুলি উমেশ দাদাৰ মুখে (উমেশ চৌধাৰী) মই জানিব পাৰিছিলো। আৰু সম্ভৱতঃ সেই কাৰণে আৰু মোৰ নাটকৰ অভিনয় চাই ভাল পাই তেখেতে পিছলৈ মোক বিশেষ মৰম চকুৰে চাইছিল।

মই বি-এ মহলাত উঠাৰ পিছত প্ৰায় চাৰি বছৰ একমাত্ৰ শিক্ষকৰ পদ এটা পাবলৈ বোন্দাপৰ দি আছিলো। স্কুল-শিক্ষকৰ পদৰ কলেজ-শিক্ষক হোৱাৰ কথা কেতিয়া মোৰ কল্পনাত ঠাই পোৱা নাছিল। আন কোনো-ফালে যাবলৈ মন মেলা নাছিলো, ওকালতি পাছ কৰিছিলো যদিও জজ্ঞলায়া আইন ব্যৱসায়ৰ প্ৰতি মোৰ লোভ নাছিল। সিকালে খাৰাঙে মহগুৰু, শৰৎ গোসাঁইৰ নগাৰপাৰা বৰ্ণিত হৈ ঠেছেনা বালক সংস্কৃতিৰ পথাৰত অলৌগুটি টলৌগুটি খেলি নিবন্ধৰ জীৱন কটাবলৈ বাধ্য হৈছিলো। বৰদলৈদেৱে এই কথাৰ খবৰ ৰাখিছিল। তেখেত মুখ্যমন্ত্ৰী হোৱাৰ পিছতেই এদিন দেউতাক লগ পাই কৈছিল "অতুলে এমান দিনে মাষ্টৰি কাম এটা পোৱা নাই কিয়? মই তাক কাম দিম।"

যেনে কথা তেনে কাম। বৰদলৈদেৱৰ অনুগ্ৰহত ডিব্ৰুগড়ৰ পিঠিত নোম গজিল। শিক্ষক হৈ মোৰ জীৱনৰ অভিলষিত স্থল, বৰ পলমকৈ হলেও লাভ কৰিলো। 'শৰত'ৰ অৰ্দ্ধচন্দ্ৰৰ জোনাক মোৰ কপালত নিমিলিলেও 'গোপীনাথৰ' ৰাস-পূৰ্ণচন্দ্ৰৰ এচিকটা পোহৰৰ মুখ দেখি আজিও সঞ্চাৰিত হৈ আছো। এই উপকাৰ পাহৰিব পৰা বিধৰ নহয়।

# লোকপ্ৰিয় বৰদলৈৰ ওপৰত গান্ধীজীৰ প্ৰভাৱ

সতীশ চন্দ্ৰ কাকতী

গান্ধীজীৰ অন্যতম সহকৰ্মী আৰু তেওঁৰ গঠনমূলক কাযক্ৰমত পৰম বিশ্বাসী কাকা চাহাব কালেলকাৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আকস্মিক মৃত্যুৰ বাতৰি শুনি শোকসন্তপ্ত পৰিয়াললৈ লেখা দীঘলীয়া চিঠিখনত লেখিছিল : "………I had many occasions of talking to Bapu about him (Gopinath Bordoloi), and knew that Bapu had a very high opinion about his character and statesmanship."

লোকপ্ৰিয় বৰদলৈৰ বিয়োগত দেশ আৰু বিদেশৰ বিশিষ্ট ব্যক্তিয়ে শোক-বাণী তেওঁৰ পৰিয়ালবৰ্গলৈ পঠাইছিল। এই শোক-বাণীবোৰত লোকপ্ৰিয়ৰ চৰিত্ৰ, ব্যক্তিত্ব আৰু নেতৃত্বৰ উচ্চ প্ৰশংসা প্ৰকাশ হৈছিল। চৰ্দাৰ বল্লভভাই পেটেলে কৈছিল : "It is difficult to think of Assam without Bardoloi." গান্ধীজীয়ে যে বৰদলৈক এজন প্ৰকৃত কংগ্ৰেছী লোক আৰু গান্ধীজীৰ একনিষ্ঠ সেৱক হিচাপে গণ্য কৰিছিল, সেইটো বৰদলৈৰ বিভিন্ন কাৰ্যাৱলীয়ে প্ৰমাণ কৰিছিল।

১৯১৫ চনত গান্ধীজী দক্ষিণ আফ্ৰিকাৰপৰা ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰাৰ পিছত ভাৰতৰ বিভিন্ন ঠাইত বাইজে মোহনদাস কৰমচাঁদ গান্ধীৰ নাম শুনিবলৈ ধৰে, বিশেষকৈ চম্পাৰণ জিলাত তেওঁৰ কাৰ্যাৱলীৰ পৰিপ্ৰেক্ষিতত গান্ধীজীৰ নাম জনাজাত হয়। কিন্তু অসমৰ জনসাধাৰণৰ মাজত ১৯২০ চনলৈকে অৰ্থাৎ অসহযোগ আন্দোলনৰ সময়লৈকে গান্ধীৰ নাম বৰ জনাজাত হোৱা নাছিল। গান্ধীজীৰ নেতৃত্বত মুক্তি সংগ্ৰামৰ প্ৰথম আন্দোলন হয় ১৯২০ চনত। এই আন্দোলন অসহযোগ আন্দোলন বা নন্-ক'অপাৰেচন মুভমেণ্ট বুলি জনাজাত হৈছিল যদিও, সৰ্বসাধাৰণ লোকৰ মাজত এই আন্দোলন 'স্বৰাজ'ৰ আন্দোলন হিচাপে জনপ্ৰিয় হৈ উঠিছিল। ১৯২১ চনত

গান্ধীজী পোন প্ৰথমবাৰৰ কাৰণে স্বৰাজৰ বাণী প্ৰচাৰ কৰিবলৈ অসমলৈ আহে। সেই সময়ত দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ অসমত স্বৰাজ আন্দোলনৰ মুখ্য নেতা আছিল। গোপীনাথ বৰদলৈ প্ৰমুখ্যে ডেকাচাম, বিশেষকৈ যিসকলে নতুনকৈ ওকালতি ব্যৱসায়ত নামিছিল, তেওঁলোক আছিল ফুকন-বৰদলৈৰ অনুগামী। সেই সময়তেই কংগ্ৰেছ অনুষ্ঠান অসমত সংগঠিত হৈছিল। গোপীনাথ বৰদলৈ ১৯২১ চনত গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদক আছিল। গান্ধীজীৰ অসম ভ্ৰমণৰ পিছত তেতিয়াৰ চৰকাৰে অসমৰ কংগ্ৰেছৰ নেতৃবৃন্দক নানাভাৱে উৎপীড়ন কৰে। উল্লেখযোগ্য যে স্বৰাজ আন্দোলনৰ অন্যতম কাৰ্যসূচী হিচাপে অসমত কানি বৰ্বিহৰ বিৰুদ্ধে প্ৰবল অভিযান চলোৱা হৈছিল। এই অভিযানত বৃটিছ চাহ খেতিয়কসকল বিশেষভাৱে ক্ষুব্ধ হৈছিল, কাৰণ চাহ বাগিছাৰ শ্ৰমিকসকলক বৃটিছ চাহ-খেতিয়ক শ্ৰেণীয়ে কানি খুৱাই শোষণ কৰিছিল। স্বাভাৱিকতেই তেতিয়াৰ চৰকাৰে কংগ্ৰেছ আন্দোলনত লিপ্ত বহুত লোকক গ্ৰেপ্তাৰ কৰি জেল-জৰিমনাৰ দ্বাৰাই উৎপীড়ন কৰিছিল।

গান্ধীজীৰ আহ্বানক্ৰমে অসমৰ কেইবাজনো উকীলে তেওঁলোকৰ ওকালতি ব্যৱসায় বন্ধ ৰাখিছিল। ১৯২১ চনৰ ৪ চেপ্তেম্বৰ তাৰিখৰ তেওঁৰ গুজৰাটী কাকত 'নৱজীৱন'ত গান্ধীজীয়ে এই বিষয়ে তলত দিয়া দৰে উল্লেখ কৰিছিল "...... I must not omit to mention that out of nearly seventyeight Assamese pleaders fifteen have suspended practice, probably the highest percentage throughout India." সেই সময়ত অসমীয়া উকীলৰ সংখ্যা তাকৰ আছিল যদিও, অসমত অসমীয়া উকীলে গান্ধীজীৰ স্বৰাজ আন্দোলনৰ কাৰণে ওকালতি ব্যৱসায় বৰ্জন কৰি শতকৰা হাৰত ভাৰতৰ ভিতৰত প্ৰথমস্থান লাভ কৰিছিল। সেইটো অসমৰ কাৰণে আজিও পৰম গৌৰৱৰ বিষয় বুলি ক'লে অত্যুক্তি কৰা নহয়।

গোপীনাথ বৰদলৈ ওকালতি বন্ধ কৰাসকলৰ ভিতৰত অন্যতম আছিল। পুলিচে এওঁকো গ্ৰেপ্তাৰ কৰিব বুলি ইতিমধ্যে বাতৰি ওলাল, কিন্তু অসমৰ কংগ্ৰেছী লোকে গোপীনাথ বৰদলৈক আন এটা দায়িত্ব দিলে। সেই সময়ত আহমেদাবাদত কংগ্ৰেছৰ অধিবেশন বহে আৰু গান্ধীজীক কংগ্ৰেছ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব দিয়া হয়। অসমৰ কংগ্ৰেছী লোকৰ নিৰ্দেশক্ৰমে গোপীনাথ বৰদলৈ আৰু তেওঁৰ সহকৰ্মী দুজন নে তিনিজন আহমেদাবাদলৈ গৈ গান্ধীৰ

ওচৰত অসমত বৃটিছ চৰকাৰৰ অত্যাচাৰ আৰু উৎপীড়ন সম্পৰ্কে এটা বিশদ টোকা দাখিল কৰে। তৰুণৰাম ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈ নেতৃদ্বয়ক কানি বৰ্বিহৰ বিৰুদ্ধে দিয়া বক্তৃতাৰ কাৰণেই যে গ্ৰেপ্তাৰ কৰি ফাটেক দিয়া হৈছিল, সেই কথা টোকাটোত উল্লেখ কৰা হৈছিল। গান্ধীজীয়ে গোপীনাথ বৰদলৈক (এওঁ অসমৰ প্ৰতিনিধিসকলৰ নেতৃত্ব কৰিছিল) নিৰ্দেশ দিছিল যে অসমৰ প্ৰতিনিধিসকলে অসমলৈ উভতি আহি তৰুণৰাম ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈয়ে দিয়া বক্তৃতাৰ সাৰাংশ যি বক্তৃতাৰ কাৰণে এই নেতৃদ্বয়ক ফাটেক দিয়া হৈছিল লিপিবদ্ধ কৰি ৰাজ্যৰ বিভিন্ন ঠাইত হাজাৰ-বিজাৰ সভা পাতি জনসাধাৰণৰ আগত পুনৰ পাঠ কৰি কাৰাবৰণ কৰিব লাগে। লগতে গান্ধীজীয়ে কৈছিল যে, মদ আৰু কানিৰ দোকানবোৰৰ আগত পূৰ্বৰদৰে পিকেটিং পূৰ্ণোদ্যমে চলাই থাকিব লাগিব। অৱশ্যে গান্ধীজীয়ে সাৱধান কৰি দিছিল যে স্বেচ্ছাসেৱকসকলে চৰকাৰৰ দমন-নীতি সত্ত্বেও অহিংস হৈ থাকিব লাগিব। গান্ধীজীয়ে বৰদলৈ আৰু তেওঁৰ সতীৰ্থকেইজনৰ আগত দোহাৰি কৈছিল যে স্বেচ্ছাসেৱক বাহিনীৰ অহিংস কাৰ্যই যদি বৃটিছৰ পুলিচ বাহিনীৰ খং তুলি সিহঁতৰ বন্দুকেৰে স্বেচ্ছাসেৱকক হত্যা কৰাব পাৰে, তেন্তে কংগ্ৰেছ আন্দোলনৰ জয় অনিবাৰ্য হ'ব।

কিন্তু গোপীনাথ বৰদলৈয়ে গান্ধীজীৰ নিৰ্দেশমতে তেওঁৰ বাণী প্ৰচাৰ কৰিব নোৱাৰিলে। কাৰণ, আহমেদাবাদৰপৰা অসমলৈ প্ৰত্যাৱৰ্তন কৰাৰ লগে লগেই পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰে। কেইদিনমান পিছত তেওঁক এৰি দিয়া হ'ল; কিন্তু তেওঁ পুনৰ গ্ৰেপ্তাৰ হয় আৰু এবছৰ সশ্ৰম কাৰা-দণ্ডত দণ্ডিত হয়।

১৯২৬ চনৰ ডিচেম্বৰ মাহত পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ২৬তম অধিবেশনৰ সময়ত তৃতীয়বাৰৰ কাৰণে গোপীনাথ বৰদলৈ গান্ধীজীৰ সংস্পৰ্শত আহিছিল। বৰদলৈ মণ্ডপ সজা বিভাগৰ সম্পাদক আছিল আৰু সেইবাবে গান্ধীজীৰ লগত আলোচনা কৰাৰ বাবে তেওঁ সময় কৰিব নোৱাৰিছিল যদিও গান্ধীজীয়ে খাদী প্ৰদৰ্শনী উদ্বোধন কৰাৰ সময়ত বৰদলৈয়ে গান্ধীজীক লগ পাইছিল। কোৱা বাহুল্য যে, স্বামী শ্ৰদ্ধানন্দক হত্যা কৰাৰ পৰিপ্ৰেক্ষিতত পাণ্ডু কংগ্ৰেছ অধিবেশনত এটা গভীৰ শোকৰ ছাঁ পৰে আৰু অধিবেশনখন সমাপ্ত কৰি গান্ধীজী প্ৰমুখ্যে কংগ্ৰেছ

নেতৃবৃন্দ নিজ নিজ স্থানলৈ উভতি যায়।

১৯১৭-১৯৩৪ চনৰ কালছোৱাত গোপীনাথ বৰদলৈ কংগ্ৰেছৰ আন্দোলনত নিবিড়ভাৱে জড়িত নাছিল। কিন্তু পূৰ্বতে তেওঁ গান্ধীজীৰ সংস্পৰ্শত আহোতে গান্ধীজীৰ দ্বাৰা যিভাৱে প্ৰভাৱান্বিত হৈছিল, সেই প্ৰভাৱ কিঞ্চিৎমানো ম্লান হোৱা নাছিল। ১৯৩৪ চনত গান্ধীজী যেতিয়া অসম ভ্ৰমণ কৰিবলৈ আহিল, সেই সুযোগতে গোপীনাথ বৰদলৈয়ে মহাত্মাৰ লগত পুনৰ যোগাযোগ কৰিবলৈ সক্ষম হ'ল। ১৯৩০-৩১ চনৰ আইন অমান্য আন্দোলনৰ পিছত গান্ধীজীয়ে কেতবোৰ গঠনমূলক কামত বিশেষভাৱে জোৰ দিছিল। ১৯৩৪ চনত গান্ধীজীয়ে হৰিজন উন্নয়নৰ কাৰণে ভাৰতৰ বিভিন্ন প্ৰদেশ পৰিভ্ৰমণ কৰে আৰু হৰিজনসকলৰ উন্নয়নমূলক কামৰ কাৰণে ধন সংগ্ৰহত মনোনিবেশ কৰে। ১৯৩৪ চনৰ গান্ধীজীৰ অসম ভ্ৰমণো সেই অভিযানৰ অংশবিশেষ আছিল। এইবাৰৰ ভ্ৰমণত গান্ধীজী গুৱাহাটীৰ ডাঃ হৰিকৃষ্ণ দাস ডাঙৰীয়াৰ পাণ বজাৰৰ বাসভৱনত আছিল।

গুৱাহাটীত থকা কেইদিনত গান্ধীজীয়ে অসমৰ কংগ্ৰেছী লোকৰ লগত হৰিজন আৰু হিন্দুস্থানী প্ৰচাৰ সম্পৰ্কে আলোচনা কৰিছিল। গুৱাহাটী পৌৰসভাৰ তৰফৰপৰা গান্ধীজীক এখন মানপত্ৰ প্ৰদান কৰা হৈছিল; কিন্তু ইতিমধ্যে গান্ধীজীয়ে পৌৰসভাৰ অধীনত কাম কৰা হৰিজনসকলৰ থকা-মেলাৰ দুৰৱস্থাৰ বিষয়ে জানি হৰিজন বস্তি পৰিদৰ্শন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। সেই সময়ত লোকপ্ৰিয় বৰদলৈ পৌৰসভাৰ কোনো কৰ্মকৰ্তা নাছিল যদিও গান্ধীজীয়ে হৰিজন বস্তি পৰিদৰ্শন কৰিবলৈ যাওঁতে তেতিয়াৰ পৌৰসভাৰ চেয়াৰমেনজন নিজে তালৈ নগৈ, বৰদলৈক গান্ধীজীৰ লগত পঠাইছিল। গান্ধীজীয়ে হৰিজন-সকলৰ বস্তি পৰিদৰ্শন কৰি গভীৰ অসন্তোষ প্ৰকাশ কৰিছিল আৰু তাৰ পুনৰ নিৰ্মাণৰ কাৰণে বৰদলৈক নিৰ্দেশ দিছিল। তাৰ কেইমাহমানৰ পিছত বৰদলৈ নিজেই পৌৰসভাৰ চেয়াৰমেন নিৰ্বাচিত হয়। এই দায়িত্ব গ্ৰহণ কৰাৰ পিছত বৰদলৈয়ে পৌৰসভাৰ হৰিজনসকলৰ থকা-মেলাৰ অৱস্থা উন্নত কৰাৰ উদ্দেশ্যে এখনি আঁচনি গ্ৰহণ কৰে আৰু এই কামত কিছু আগবাঢ়ে। তেতিয়াৰপৰাই হৰিজনৰ বাবে উন্নয়ন কামত বৰদলৈ বিশেষভাৱে জড়িত থাকে।

গান্ধীজীৰ ভ্ৰমণৰ পিছত অসমত হৰিজন সেৱক সংঘ নামৰ এটা অনুষ্ঠান পতা হয়। এই অনুষ্ঠানৰ গুৰি ধৰিছিল ভাৰতৰ মুক্তি-যুদ্ধৰ অন্যতম বিশিষ্ট নেতা গৰমূড়ীয় সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে। কিন্তু এই অনুষ্ঠানৰ

কাম-কাজ যাতে ভালদৰে পৰিচালিত হয়, তাৰ বাবে লোকপ্ৰিয় বৰদলৈ গান্ধীজীৰ দ্বাৰা পৰিচালিত কেন্দ্ৰীয় পুজিৰপৰা অৰ্থসাহায্য পোৱাত যথেষ্ট সহায় কৰিছিল।

হিন্দুস্থানী প্ৰচাৰ গান্ধীজীৰ গঠনমূলক আঁচনিৰ অন্যতম দিশ আছিল। সেই সময়ত প্ৰত্যেকখন প্ৰদেশত এই আঁচনিৰ কাৰ্যকৰী কৰিবলৈ হিন্দুস্থানী প্ৰচাৰ সমিতি স্থাপন কৰা হয়। অসমতো তেনে সমিতি স্থাপন কৰা হৈছিল আৰু এই সমিতিখনৰ গুৰি ধৰিছিল লোকপ্ৰিয় বৰদলৈয়ে। অসমত ৰাষ্ট্ৰভাষা প্ৰচাৰ সন্দৰ্ভত যিবোৰ অসুবিধা হৈছিল, তাক গান্ধীজীৰ আগত বৰদলৈয়ে ব্যাখ্যা কৰিছিল আৰু বাহিৰৰপৰা কেইজনমান হিন্দী শিক্ষক অসমলৈ পঠাবলৈ গান্ধীজীক অনুৰোধ কৰা হৈছিল। গান্ধীজীয়ে কিন্তু বাহিৰৰপৰা কোনো শিক্ষক অসমলৈ পঠাব নোৱাৰিব বুলি সমিধান দিয়ে; তাৰ পৰিবৰ্তে, অসমৰপৰাহে কেইজনমান ডেকাক হিন্দীত প্ৰশিক্ষণ লোৱাৰ বাবে ৱাৰ্দ্ধালৈ পঠাবলৈ পৰামৰ্শ আগবঢ়ায়। তাৰ পিছত বৰদলৈয়ে কেইজনমান কৰ্মীক ৱাৰ্দ্ধাত হিন্দী প্ৰশিক্ষণ দি আনে আৰু অসমত হিন্দী প্ৰচাৰ কাম ধাৰাবাহিক হিচাপে চলোৱা হয়। গুৱাহাটীত অৱস্থিত অসম হিন্দী প্ৰচাৰ সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয় বৰদলৈৰ অন্যতম গঠনমূলক আঁচনিৰ নিদৰ্শন।

১৯৩৬-৪৭ চনৰ কালছোৱাত লোকপ্ৰিয় বৰদলৈ গান্ধীজীৰ গভীৰ সংস্পৰ্শত আহিবলৈ সুবিধা পায়, কাৰণ এই সময়ছোৱাৰ অসমৰ ৰাজনীতিত বৰদলৈয়ে এটা বলিষ্ঠ নেতৃত্ব দিছিল। উল্লেখযোগ্য যে ১৯৩৬ চনত কংগ্ৰেছে প্ৰাদেশিক ব্যৱস্থাপক পৰিষদৰ নিৰ্বাচনত নামিবলৈ সিদ্ধান্ত লয়। সেই সময়ৰ অসমত মুছলীম লীগ আৰু বৃটিছ চাহ-খেতিয়ক সম্প্ৰদায়ৰ প্ৰভুত্ব অভেদ্য আছিল। তেনে পৰিস্থিতিত যে নিৰ্বাচনী যুদ্ধত অসমৰ কংগ্ৰেছে উল্লেখযোগ্য জয়লাভ কৰিব, তেনে সম্ভাৱনা নাছিল। কিন্তু আচৰিত কথা যে মুছলীম লীগ আৰু বৃটিছ চাহ খেতিয়কৰ যুটীয়া প্ৰত্যাহ্বান সত্বেও অসম ব্যৱস্থাপক পৰিষদৰ মুঠ ১০৮ খন আসনৰ ভিতৰত কংগ্ৰেছে ৩৩ খন আসন লাভ কৰিবলৈ সক্ষম হৈছিল। কংগ্ৰেছে প্ৰদেশবোৰত মন্ত্ৰীত্ব গ্ৰহণ কৰাৰ পক্ষে আৰু বিপক্ষে কংগ্ৰেছ ৱৰ্কিং কমিটিত প্ৰবল মতভেদ হৈছিল। যিহেতু অসমত ১০৮ খন আসনৰ ভিতৰত কংগ্ৰেছে মাত্ৰ ৩৩ খন আসনহে লাভ কৰিছিল, সেই হেতুকে অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন কৰাৰ প্ৰশ্ন উঠিব

নোৱাৰিছিল। অসম কংগ্ৰেছ বিধায়িনী দলৰ দলপতি হিচাপে বৰদলৈ অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হ'ল। অৱশ্যে কংগ্ৰেছে বিৰোধী দল হিচাপে সংসদত বহিছিল। কিন্তু বৰ আচৰিত কথা যে মুছলীম লীগ, চাহ-খেতিয়ক আৰু আন অনা-কংগ্ৰেছী দলকেইটাৰ সৰ্বমুঠ ৭২ জন সদস্য আছিল যদিও, বৰদলৈৰ ৰাজনৈতিক দক্ষতাৰ ফলত ১৯৩৮ চনৰ ছেপ্তেম্বৰ মাহত অনাস্থাসূচক প্ৰস্তাৱৰ সন্মুখীন হৈ ছাৰ শ্বাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰিব লগাত পৰে। তাৰ পৰিণতি হিচাপে মাত্ৰ ৩৩ জন সদস্যৰ কংগ্ৰেছ দলে কেইবাজনো অনা-কংগ্ৰেছী সদস্যৰ সমৰ্থনত প্ৰথমবাৰৰ কাৰণে অসমত কংগ্ৰেছ সন্মিলিত মন্ত্ৰীসভা গঠন কৰে আৰু বৰদলৈয়ে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। অসমৰ ৰাজনীতিত এইটো এটা ডাঙৰ পদক্ষেপ বুলি ক'ব পাৰি।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে চৰকাৰৰ দায়িত্ব গ্ৰহণ কৰিয়েই বৰদলৈ মন্ত্ৰীসভাই অসমত আটক হৈ থকা ৰাজনৈতিক বন্দীসকলক জেলৰপৰা মুক্তি দিয়ে। অসমৰ সংযুক্ত কংগ্ৰেছ মন্ত্ৰীসভাৰ এইটো প্ৰথম কাৰ্য আছিল। বৰদলৈ চৰকাৰৰ এই কাৰ্যই ভাৰতত এটা আলোড়ন সৃষ্টি কৰিছিল।

মাত্ৰ ১৩ মাহ কাল চৰকাৰৰ দায়িত্বত থকাৰ পিছত বৰদলৈ মন্ত্ৰীসভাই দ্বিতীয় মহাযুদ্ধৰ সন্দৰ্ভত কংগ্ৰেছৰ যুদ্ধবিৰোধী অভিযান তথা সত্যাগ্ৰহ আন্দোলনৰ সিদ্ধান্ত অনুসৰি পদত্যাগ কৰিবলগা হয়। অসম মন্ত্ৰীসভাই পদত্যাগ কৰাৰ বিৰুদ্ধে অসমৰ নেতৃবৃন্দৰ মাজত মতভেদ হৈছিল। বিশেষকৈ মুছলীম লীগে অসমখনক মুছলীম সংখ্যাগৰিষ্ঠ প্ৰদেশ হিচাপে পৰিগণিত কৰিবলৈ যি চক্ৰান্ত কৰিছিল, তাৰ পৰিপ্ৰেক্ষিতত অসম কংগ্ৰেছ চৰকাৰৰ দায়িত্বত থাকিব লাগে বুলি যুক্তি প্ৰদৰ্শন কৰা হৈছিল। কিন্তু সেই যুক্তি কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে সমৰ্থন নকৰিলে। শেহান্তৰত কংগ্ৰেছৰ সিদ্ধান্তমতে ১৯৩৯ চনৰ নৱেম্বৰ মাহত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰে।

দ্বিতীয় মহাযুদ্ধৰ ( ১৯৩৯-৪৫ ) সময়ত মুছলীম লীগ মন্ত্ৰীসভাই অসমখনক মুছলীম গৰিষ্ঠ প্ৰদেশ কৰিবলৈ যি অভিযান চলাইছিল, তাক এই প্ৰবন্ধত দীঘলীয়াভাৱে আলোচনা কৰা সম্ভৱ নহয়। এই অভিযানৰ বিৰুদ্ধে গোপীনাথ বৰদলৈয়ে নানাভাৱে যুঁজিছিল। স্মৰণ কৰা উচিত যে, বঙ্গদেশৰ ৰংপুৰ আৰু মৈমনসিং জিলাৰপৰা মুছলীম লীগৰ প্ৰৰোচনাত তেতিয়াৰ মুখ্যমন্ত্ৰী শ্বাদুল্লা চাহাবে লাখ লাখ মুছলমান আমদানি কৰিছিল। কিন্তু শ্বাদুল্লা

চাহাবে তেওঁৰ ৰাজনৈতিক অভিসন্ধি অৰ্থাৎ অসমত মুছলমান সম্প্ৰদায়ৰ লোক-সংখ্যা বৃদ্ধি কৰি জিন্না চাহাবৰ কল্পিত পাকিস্থানত অসমখন জাহ নিয়াবলৈ কৰা প্ৰচেষ্টাক অন্যৰূপ দিবলৈ প্ৰয়াস কৰিছিল। শ্বাদুল্লা চাহাবে মৈমনসিং আৰু ৰংপুৰৰপৰা আমদানি কৰা লোকসকলক অসমত চন পৰি থকা মাটি পট্টন দি, 'অধিক খাদ্য উৎপাদন কৰা' আঁচনি কৰিবলৈ লোৱা প্ৰচেষ্টা বুলি ঘোষণা কৰিছিল। কিন্তু বৰদলৈয়ে এই আঁচনি অসমৰ কাৰণে এটা মাৰাত্মক বিপদৰ সংকেত বুলি ভাবি তাক প্ৰকাশ্যে ঘোষণা কৰিছিল আৰু তাৰ বিপৰীতে যুঁজিবলৈ ৰাইজক সজাগ কৰি তুলিছিল। লগতে তেওঁ গান্ধীজী প্ৰমুখ্যে নেতাসকলৰ মনোযোগ আকৰ্ষণ কৰি মুছলীম লীগৰ ষড়যন্ত্ৰৰ কথা ব্যাখ্যা কৰিছিল।

শ্বাদুল্লা চৰকাৰৰ দিনত তথাকথিত 'অধিক খাদ্য-উৎপাদন' আঁচনিখন যে অসমক মুছলমান গৰিষ্ঠ প্ৰদেশ হিচাপে পৰিণত কৰাৰ আঁচনি আছিল, সেইটো ভাৰতৰ তেতিয়াৰ ভাইচৰয় লৰ্ড ৱাভেলে—'Wavell A Viceroy's Journal' নামৰ গ্ৰন্থত (১৯৭৩ চনত প্ৰকাশিত) উল্লেখ কৰিছে। ১৯৪৫ চনত ভাইচৰয়ৰ দায়িত্ব গ্ৰহণ কৰি তাৰ কেইমাহমানৰ পিছত লৰ্ড ৱাভেল অসম ভ্ৰমণৰ কাৰণে আহে আৰু শ্বাদুল্লা প্ৰমুখ্যে মন্ত্ৰীসকলক শ্বিলঙত লগ ধৰি অসমৰ সমস্যাৱলী সম্পৰ্কে আলোচনা কৰে। তেওঁৰ ডায়েৰীত লৰ্ড ৱাভেলে এই বুলি মত লিপিবদ্ধ কৰিছিল: "The grow more movement was in fact a movement for grow more Muslems." বৃটিছ চৰকাৰৰ ঘোৰ সমৰ্থক ছাৰ শ্বাদুল্লা চাহাবৰ মন্ত্ৰীসভাই প্ৰবৰ্তন কৰা আঁচনি এখনৰ ওপৰত বৃটিছ ভাইচৰয় এজনে যে এনে মন্তব্য তেওঁৰ ডায়েৰীত লেখি থৈছিল, সেই কথা তেতিয়া কোনেও নাজানিছিল; মাত্ৰ ১৯৭৩ চনত তেওঁৰ ডায়েৰী গ্ৰন্থৰ আকাৰত প্ৰকাশ হ'লতহে সেই মন্তব্য প্ৰকাশ পালে। এইটো কিন্তু মন কৰিবলগীয়া যে গোপীনাথ বৰদলৈয়ে তেওঁৰ দূৰদৃষ্টিৰে পাকিস্থানৰ পৰিকল্পনাৰ সম্ভেদ পাইছিল আৰু তাৰ বিৰুদ্ধে বিধান সভাৰ বাহিৰ আৰু ভিতৰে তেওঁ প্ৰচাৰ কাৰ্য চলাইছিল, সৰ্ব-ভাৰতীয় কংগ্ৰেছী নেতৃবৃন্দৰ মনোযোগ আকৰ্ষণ কৰিছিল আৰু পত্ৰালাপৰ যোগেদি গান্ধীজীৰো পৰামৰ্শ বিচাৰিছিল।

১৯৪০ চনৰ ডিচেম্বৰ মাহত ব্যক্তিগত সত্যাগ্ৰহী হিচাপে এবছৰ কাৰাদণ্ডত বৰদলৈ জেললৈ যায়। কিন্তু শাৰীৰিক অসুস্থতাৰ কাৰণে ১৯৪০ চনৰ জুন মাহত

তেওঁক মুক্তি দিয়া হয়। ইতিমধ্যে দ্বিতীয় মহাযুদ্ধই অসমখনক সম্পূর্ণ ৰণস্থলী কৰি তুলিছিল। অসমৰ গাওঁ আৰু চহৰ অঞ্চলত মিলিটাৰীৰ অত্যাচাৰ দেখি বৰদলৈ অত্যন্ত চিন্তিত হৈছিল আৰু সত্যাগ্ৰহ আন্দোলন অসমত স্থগিত ৰাখি কংগ্ৰেছী লোকে মিলিটাৰী অত্যাচাৰ আৰু উৎপীড়নৰ বিৰুদ্ধে শান্তিপূৰ্ণভাৱে যুঁজিব লাগে বুলি গান্ধীজীলৈ পত্ৰ লেখিছিল। বৰদলৈৰ চিঠি পঢ়ি গান্ধীজী মৰ্মাহত হৈছিল আৰু অসমত শান্তি সেনা গঠন কৰি জনসাধাৰণক মিলিটাৰীৰ অত্যাচাৰৰপৰা ৰক্ষা কৰিবলৈ গান্ধীজীয়ে পৰামৰ্শ দিয়ে। অসমৰ তিৰোতাই আৱশ্যক হ'লে হাতত চুৰি লৈ পাষণ্ড মিলিটাৰীৰ অত্যাচাৰৰ বিৰুদ্ধে যুঁজিব লাগে বুলিও গান্ধীজীয়ে নিৰ্দেশ দিছিল। আত্মমৰ্যাদা সংৰক্ষণৰ বাবে এনে কাম অহিংস নীতিৰ বিৰোধী নহয় বুলি গান্ধীজীয়ে মন্তব্য কৰিছিল।

ভাৰত-ত্যাগ আন্দোলনৰ সম্পৰ্কত বৰদলে সেই বছৰৰ আগষ্ট মাহত পুনৰ গ্ৰেপ্তাৰ হয় আৰু ১৯৪৪ চনলৈ আটক-বন্দী হিচাপে জেলত থাকিবলগীয়া পৰে।

১৯৩৯ চনৰপৰা ১৯৪৬ চনলৈ এই সাত বছৰ কালত অসমলৈ বঙ্গদেশৰ পমুৱা মুছলমানৰ সোঁত ইমান প্ৰবল হৈছিল যে ভাৰত বিভাজনৰ সময়ত জিন্না-চাহাবে অসমক পাকিস্থানক অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন কৰিছিল। এই দাবীৰ বিৰুদ্ধে বৰদলৈয়ে নানা কৌশলেৰে যুঁজিব লগাত পৰিছিল। এই যুঁজত তেওঁ পাইছিল গান্ধীজীৰ পৰামৰ্শ আৰু উৎসাহ। গান্ধীজীৰ উৎসাহ আৰু পৰামৰ্শ নোপোৱা হ'লেতেন ভাৰতৰ ইতিহাস তথা অসমৰ ইতিহাসে অন্য গতি ল'লেহেঁতেন বুলি ক'লেও অত্যুক্তি কৰা নহয়।

দ্বিতীয় মহাযুদ্ধৰ পাছত ভাৰতৰ ৰাজনৈতিক সমস্যাৰ সমাধান কৰিবলৈ বৃটিছ চৰকাৰে প্ৰচেষ্টা চলায়। বৃটেইনত শ্ৰমিক দল সাধাৰণ নিৰ্বাচনত জয় লাভ কৰি, ভাৰত-সমস্যাটোৰ মীমাংসাৰ বাবে এটা সূত্ৰ উদ্ভাৱন কৰে। এই সূত্ৰ ১৯৪৬ চনৰ ১৬ মে'ত ঘোষণা কৰা হয়। সূত্ৰটো কেবিনেট মিছন'ৰ প্ৰস্তাব বুলি জনাজাত। এই সূত্ৰমতে ভাৰতবৰ্ষক তিনিটা শাখা (section) বিভক্ত কৰাৰ পৰিকল্পনা কৰা হয়। 'গ' শাখাত বঙ্গদেশৰ লগতে অসমক সাঙুৰি দিবলৈ প্ৰস্তাব কৰা হ'ল। সেই সময়ত বৰদলৈ অসমৰ প্ৰধানমন্ত্ৰী। দিল্লীলৈ যোৱাৰ পথত তেওঁ ৰেডিঅ' যোগে বৃটিছ চৰকাৰৰ গ্ৰুপিং আঁচনিৰ সম্বাদ পায়। বৰদলৈ এই প্ৰস্তাৱত অত্যন্ত বিচলিত হৈ পৰে। কাৰণ তেওঁ উপলব্ধি কৰিছিল যে গ্ৰুপিং আঁচনি পাকিস্থান আঁচনিৰ অন্য ৰূপ আৰু তাৰ দ্বাৰা

অসমক মুছলমানগৰিষ্ঠ পৰিষদৰ তলত ৰখাৰ ষড়যন্ত্ৰ আছে। অসমলৈ পমুৱা মুছলমান আমদানি কৰাৰ বাবে অসমৰ শ্বাদুল্লা মন্ত্ৰীসভা আৰু বঙ্গদেশৰ নাজিমুদ্দিন মন্ত্ৰীসভাৰ যুটীয়া প্ৰচেষ্টা হৈছিল আৰু সেই প্ৰচেষ্টাত গ্ৰুপিং আঁচনিৰ মাধ্যমেদি পাকিস্থানে বাস্তৱৰূপ লোৱাৰ সংকেত বৰদলৈয়ে দেখিবলৈ পাইছিল।

নতুন দিল্লীত পণ্ডিত জৱাহৰলাল নেহৰু, মৌলানা আবুল কালাম আজাদ, চৰ্দাৰ বল্লভভাই পেটেল প্ৰমুখ্যে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যসকলক গ্ৰুপিং আঁচনিৰ দ্বাৰা অসমৰ চৰম অন্যায় হ'ব বুলি বৰদলৈয়ে বিশদভাৱে বিশ্লেষণ কৰি দিছিল; কিন্তু ৱৰ্কিং কমিটিয়ে ইতিমধ্যে কেবিনেট মিছনৰ প্ৰস্তাব গ্ৰহণ কৰিবলৈ প্ৰায় প্ৰতিশ্ৰুত হৈছিল। বৰদলৈয়ে এই গ্ৰুপিং আঁচনিৰ বিৰুদ্ধে যুঁজিবলৈ স্থিৰ কৰিলে। বৰদলৈৰ পক্ষে এইটো এটা মৰসাহ হৈছিল, কাৰণ তেতিয়া গণপৰিষদ আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে গ্ৰুপিং আঁচনি গ্ৰহণ কৰাৰ সপক্ষে প্ৰায় সিদ্ধান্ত কৰিছিল; ভাৰতৰ কোনো নেতাই তাৰ প্ৰতিকূলে মত দিয়া নাছিল বা দিবলৈ সাহস নকৰিছিল। মুছলাম লীগৰ পক্ষৰপৰাও কেবিনেট মিছনৰ বিৰুদ্ধে কোনো মত প্ৰকাশ হোৱা নাছিল, কাৰণ গ্ৰুপিং আঁচনিমতে মুছলীম লীগে 'গ' শাখাৰ যোগেদি পূব ভাৰতত; আৰু 'খ' শাখাৰ যোগেদি পশ্চিম ভাৰতত, নামত নহলেও কামত, দুখন পাকিস্থান পতাৰ সম্ভাৱনা দেখিছিল। 'গ' আৰু 'খ' শাখাত যে মুছলমান প্ৰধান শাসন প্ৰৱৰ্তন হ'ব, সেইটো বৰদলৈৰ দৃঢ়মত আছিল আৰু তেওঁ অনুমান কৰিছিল যে অসমক শাখাভুক্ত কৰিলে, অসমৰ অস্তিত্ব লোপ হোৱাৰ সম্ভাৱনা অনিবাৰ্য। অসমক এই বিপৰ্যয়ৰপৰা ৰক্ষা কি ভাৱে কৰিব পৰা যায় -সেইটো আছিল বৰদলৈৰ সমুখত প্ৰধান সমস্যা আৰু তেওঁৰ নেতৃত্বৰ কাৰণে এটা চৰম পৰীক্ষা।

সি যি কি নহওক, বৰদলৈয়ে এখন দীঘলীয়া চিঠি লেখি গান্ধীজীৰপৰা নিৰ্দেশ বিচাৰিছিল। বৰদলৈয়ে এই ঐতিহাসিক চিঠিখন শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী আৰু শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীৰ হাতত দি পঠাইছিল। চিঠিৰ উত্তৰত গান্ধীজীয়ে কৈছিল যে অসমৰ ৰাইজ যদি মাত্ৰ মানুহৰ আকৃতি নহয়, প্ৰকৃত মানুহ হয়, তেন্তে তেওঁলোকে গ্ৰুপিং আঁচনিৰ বিৰুদ্ধে যুঁজিব লাগে।

"If they are men, and not manikins, they must oppose the Grouping plan." গান্ধীজীৰ এই অমৰ বাণীয়ে অসমৰ জনসাধাৰণক এনে শক্তি যোগালে তাৰ দ্বাৰা বৰদলৈৰ নেতৃত্বত অসমৰ সমগ্ৰ ৰাইজ

গ্ৰুপিং প্ৰস্তাৱৰ বিৰুদ্ধে থিয় দিলে। ফলত এই প্ৰস্তাৱ নাকচ হ'ল। তাৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত বিভাজন কৰিহে ভাৰত সমস্যাটো বৃটিছ চৰকাৰে মীমাংসা কৰিবলগাত পৰিল।

কিছুমান সমালোচকে ক'বলৈ প্ৰয়াস কৰে যে অসমে গ্ৰুপিং প্ৰস্তাৱৰ বিৰোধিতা নকৰাহেঁতেন ভাৰত বিভাজন নহ'লহেঁতেন। এই সমালোচনা কিমানদূৰ যুক্তিযুক্ত কিম্বা কেবিনেট মিছনৰ প্ৰস্তাৱমতে ভাৰতক ক, খ আৰু গ শাখাত বিভক্ত কৰাহেঁতেন, ভাৰতৰ ঘটনা প্ৰবাহে কি ধাৰা ললেহেঁতেন তাক বুৰঞ্জীবিদসকলে বিবেচনা কৰিব। কিন্তু তেনে আঁচনি গ্ৰহণ কৰি অসমক 'গ' শাখাত জাহ নিবলৈ দিয়াহেঁতেন, অসমক যে মুছলমানপ্ৰধান ৰাষ্ট্ৰ (গ) শাখা তথা বেনামী পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা হ'লহেঁতেন, সেইটো নিৰ্ঘাত সত্য কথা। গোপীনাথ বৰদলৈদেৱৰ দূৰদৃষ্টি আৰু গান্ধীজীৰ বাণীৰ বলত অসম তেনে এটা বিপদৰপৰা ৰক্ষা পৰিল। ই অসমৰ জাতীয় জীৱনৰ এটা ঐতিহাসিক ঘটনা।

সন্দেহ নাই, ১৯৪৫-৪৭ চনৰ সন্ধিক্ষণত লোকপ্ৰিয় বিচক্ষণ নেতৃত্বৰ কাৰণে অসমক এটা পৰম ৰাজনৈতিক দুৰ্যোগৰপৰা মুক্ত কৰা হ'ল। কিন্তু বৰদলৈ প্ৰকৃততে গান্ধীবাদী আৰু গঠনমূলক কামত হে পৰম বিশ্বাসী লোক আছিল। ১৯৪০-৪৪ চনত বৰদলৈ সুদীৰ্ঘ কাল কাৰাবাসত থাকোঁতে (এবাৰ তেওঁ স্বাস্থ্যজনিত কাৰণত সাময়িকভাৱে জেলৰপৰা খালাচ পাইছিল) অৱতাৰৰূপীসকলৰ যেনে, শ্ৰীৰামচন্দ্ৰ, বুদ্ধদেৱ, যীশুখৃষ্ট আৰু হজৰত মহম্মদৰ বাণী অধ্যয়ন কৰি, অসমীয়া ভাষাত এই অৱতাৰৰূপী পুৰুষসকলৰ জীৱন চৰিত্ৰ লেখিছিল। গান্ধীজীকো এই অৱতাৰৰূপী পুৰুষসকলৰ লগৰ এজন বুলি বৰদলৈয়ে জ্ঞান কৰিছিল আৰু গান্ধীজীৰ জীৱন-আলেখ্য লেখাৰ মানসে বৰদলৈয়ে তেখেতৰ অনুমতি বিচাৰিছিল। উত্তৰত গান্ধীজীয়ে বৰদলৈক কৈছিল: "তুমি মোক ভালদৰে বুজা, গতিকে মোৰ জীৱনী লেখাত তোমাৰ অধিকাৰ আছে।" ইয়াৰ দ্বাৰা প্ৰমাণ হৈছিল যে গান্ধীজীয়ে বৰদলৈক তেওঁৰ এজন বিশিষ্ট অনুগামী হিচাপে গ্ৰহণ কৰিছিল।

বৰদলৈৰ কৰ্ম-জীৱনৰ উল্লেখযোগ্য আন এটা দিশ আছিল অসমৰ জনজাতীয় ৰাইজৰ প্ৰতি তেওঁৰ অকুণ্ঠ মৰম আৰু তেওঁলোকৰ উন্নয়নৰ কাৰণে চৰকাৰী আৰু বেচৰকাৰী উভয় পৰ্যায়ত ৰচনা কৰা বিভিন্ন কাৰ্যসূচী। এই প্ৰবন্ধত এই বিষয়ে সবিশেষ আলোচনা কৰা সম্ভৱ নহয়। পৰ্বত-ভৈয়ামৰ

জনজাতীয় লোকসকলে বৰদলৈক প্ৰকৃততে পিতৃ-সদৃশ বুলি জ্ঞান কৰিছিল। ১৯৫০ চনৰ ১৫ আগষ্টত বৰদলৈৰ আদ্য-শ্ৰাদ্ধৰ দিনা নগাপাহাৰ, মিজোপাহাৰ আৰু অন্যান্য জনজাতীয় অঞ্চলৰ অগণন লোক আহি লোকপ্ৰিয়ৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছিল আৰু বৰদলৈৰ শিলপুখুৰীৰ বাসভৱনত এই জনজাতীয় লোকসকলে চকুলো পেলাইছিল। এই দৃশ্য অতি মৰ্মস্পৰ্শী আছিল। নগা-সকলৰ তেতিয়াৰ নেতা এ-জেদ ফিজোৱে বৰদলৈৰ শোক-সন্তপ্ত পৰিয়াললৈ লেখা চিঠিখনত এইদৰে কৈছিল:

"With only a few others, Bordoloi saw, years ago, amidst the gathering storm, a patch of blue sky. In that great vision of his and his unremitting contribution towards its realization will be found truly depicted the impress of his character which neither death nor time can rob away. In life, Bordoloi was a friend of Nagas whose friendship they held dear. Nagas have been made poorer today that he has gone."

( August 6, 1950 )

পৰ্বত-ভৈয়ামৰ অসমীয়া ৰাইজৰপৰা লোকপ্ৰিয় বৰদলৈয়ে যি অকৃত্ৰিম শ্ৰদ্ধা লাভ কৰিছিল, তাৰ প্ৰধান কাৰণ আছিল গান্ধীজীৰ প্ৰতি থকা বৰদলৈৰ পৰম শ্ৰদ্ধা আৰু গান্ধীবাদৰ ওপৰত অটল বিশ্বাস।

লোকপ্ৰিয় বৰদলৈৰ ওপৰত গান্ধীজীৰ প্ৰভাৱ খণ্ডেকীয়া নাছিল। গান্ধীজী সম্পৰ্কে লেখা এটা প্ৰবন্ধত বৰদলৈয়ে নিজেই কৈছে: "Gandhiji did not come upon my life as a storm.........To me he had always been a force influencing or trying to influence every thought and action of my life.........His advice was seldom in the nature of 'do this or do that', but always to inspire me with courage to fight out anything that I consider as an evil or wrong. I felt and am feeling that he was seeking to develop in me spiritual strength to fight untruth or wrong." বৰদলৈৰ যি ব্যক্তিত্ব আৰু ভাবমূৰ্তি বা ইমেজ গঢ়ি উঠিছিল, তাৰ কাৰণ আছিল তেওঁৰ ওপৰত গান্ধীজীৰ নিবিড় প্ৰভাৱ।

# গোপীনাথ বৰদলৈৰ স্মৃতিচয়ন

মৌলবী আব্দুল মতলিব মজুমদাৰ

## আধ্যাত্মবাদী বৰদলৈ

পঞ্চাছৰ দশকৰ আগৰ কথা। তেতিয়াৰ প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈৰ অসম মন্ত্ৰীসভাত মই আছিলো কৃষি মন্ত্ৰী। আমাৰ ৰাজ্যত এটা কৃষি অনুষ্ঠান গঠন কৰা সম্পৰ্কে বিভিন্ন স্তৰত প্ৰায়েই আলোচনা হৈছিল। এই সম্পৰ্কে মই বৰদলৈৰ সৈতে কথা পাতিছিলো। এনে এটা অনুষ্ঠান স্থাপন কৰিবৰ বাবে সুবিধাজনক স্থান এডোখৰ বিচাৰি উলিয়াবলৈ তেওঁ আমাক কৈছিল। যোৰহাটেই কম-বেছি পৰিমাণে কেন্দ্ৰীয় স্থান হ'ব বুলি বিবেচনা কৰা হৈছিল। সেই সময়ত সামৰিক বাহিনীৰ কিছুমান ঘৰ খালি হৈ পৰি আছিল বাবে তাৰ কেইটামান ঘৰতে কৃষি অনুষ্ঠানটো পাতিবলৈ সুবিধাজনক হ'ব বুলি ভবা হৈছিল। বৰদলৈৰ সৈতে মই পুনৰ কথা পাতিছিলো। এই উদ্দেশ্যে এবাৰ যোৰহাটলৈ যাবৰ বাবে তেওঁ যো-জা কৰি পেলালে। চাকিট হাউছৰপৰা সামৰিক বাহিনীৰ ঘৰ অভিমুখে যাওঁতে বাটতে যোৰহাট কাৰাগাৰখন অতিক্ৰম কৰাৰ সময়ত বৰদলৈয়ে কৈছিল, "এজন বন্ধুৰ সৈতে ইয়াত মই সুদীৰ্ঘ ৩বছৰ কটাই গৈছো।" তেওঁৰ এজন বন্ধু মানে যোৰহাটৰ শ্ৰীদেৱেশ্বৰ শৰ্মাৰ কথাকে তেওঁ কৈছিলনেকি, মোৰ ঠিক, মনত পৰা নাই। আবেলি আমি সামৰিক বাহিনীৰ ঘৰ-দুৱাৰবোৰ পৰিদৰ্শন কৰিলো। বস্তুত ফালৰপৰা চাই সেইবোৰৰ উপযুক্ততা ঠাৱৰ কৰিলো। গোটেই আবেলিটো আমি তাত কটালো। সূৰ্যাস্তৰ আগে আগে এটা ঘৰৰ চৌহদ আমি ঘূৰি-পকি চালো। চৌহদটো মুকলি আৰু আহল বহল। মই তেওঁৰ কাষতে আছিলো। তেনেতে হঠাতে তেওঁ চিঞৰি উঠিছিল, "এনেকুৱা এখন ঠাইতে মহম্মদে (দ') পোন প্ৰথমবাৰৰ বাবে আল্লাক হৃদয়ত ধাৰণ কৰিছিল।" তাৰ পিছত তেওঁ মোক কৈছিল যে মহম্মদ এজন ভেড়াৰখীয়া ল'ৰা আছিল আৰু সেইবাবেই তেওঁ সাধনাত সিদ্ধিলাভ কৰাৰ আগতে মুকলি পথাৰ আৰু আকাশৰ সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰচুৰ সুযোগ পাইছিল।

**দলীয় সভাত বৰদলৈ**

এদিন এখন দলীয় সভাত সদস্যসকল দলৰ কৌশল সম্পৰ্কীয় আলোচনাত ব্যস্ত হৈ আছিল আৰু দলে প্ৰয়োজনীয়সংখ্যক আসন লাভ কৰিব পাৰিলে সকলোপ্ৰকাৰৰ সা-সুবিধা গ্ৰহণ কৰিবলৈ তেওঁলোকে আগ্ৰহ প্ৰকাশ কৰিছিল। সভাৰ সভাপতি বৰদলৈয়ে পৰিষ্কাৰভাৱে খোলা-খুলিকৈ কৈছিল যে আসনসমূহ সদুপায়ে লাভ কৰিব নোৱাৰিলে তাৰ এখন আসনো তেওঁ গ্ৰহণ নকৰে ।

বৰদলৈ অতি সৎ, সাধু আৰু ঋষিতুল্য ব্যক্তি আছিল। প্ৰধান মন্ত্ৰী হিচাপে তেও বৰ সুখী নাছিল প্ৰধান মন্ত্ৰী পদৰ লগত সংশ্লিষ্ট থকা স্থান আৰু আড়ম্বৰৰ সৈতে তেওঁৰ স্বভাৱ ভালদৰে খাপ খোৱা নাছিল। দুখীয়া মানুহৰ সংসৰ্গহে তেওঁ ভাল পাইছিল। তেওঁ দৰমহা সম্পূৰ্ণৰূপে নলৈছিল আৰু প্ৰায়েই গাৱঁৰ মানুহৰ সীমাহীন দাৰিদ্ৰ্যৰ মাজলৈ গুচি যাবলৈ দিবৰ বাবে তেওঁ ব্যক্তিগতভাৱে মোক অনুৰোধ কৰিছিল। মই তেওঁৰ কথাত সন্মতি দিয়া নাছিলো ।

**বৰদলৈৰ উদাৰ মানসিকতা**

বৰদলৈ সদায় উদাৰ মনৰ আছিল। পাকিস্তান সংঘৰ্ষৰ সময়ত এদিন মই তেওঁৰ ঘৰত তেওঁৰ লগত বহি আছিলো। তেনেতে কেইজনমান লোক উৎকণ্ঠিত হৈ সোমাই আহিল। তেওঁলোকে খবৰ দিলে যে কেইখনমান গাৱঁত মানুহে 'পাকিস্তান জিন্দাবাদ' বুলি ধ্বনি দিছে। কথাটো শুনি মই কিছু বিৰক্ত হৈছিলো, কিন্তু বৰদলৈৰ মুখত কোনো উত্তেজনা দেখা নাপালো। তেওঁ শান্তভাৱে কৈছিল, "পাকিস্তান মুৰ্দাবাদ হোৱাটো কোনেও নিবিচাৰে।" সকলোৱে শান্তি ৰক্ষা কৰা উচিত। তেওঁ আৰু কৈছিল যে নিজৰ ইচ্ছামতে জনতাক দমন কৰি ৰখাটো কাৰো পক্ষে সম্ভৱ নহয়।

# বৰদলৈদেৱৰ ব্যক্তিত্বত এভুমুকি

**পুষ্পলতা দাস**

বৰদলৈদেৱক জীৱনত মই প্ৰথমবাৰ দেখো গুৱাহাটীৰ শিলপুখুৰীৰ তেওঁৰ নিজা বাস ভৱনত। বৰদলৈদেৱৰ কথা মনলৈ আহিলেই ১৯২৫ চনৰ সেই দৃশ্যটোৰ ছবি মনৰ চকুত ওপঙি ফুৰে। তেওঁক সেইদিনা ৰাজনৈতিক নেতা হিচাপে দেখা নাছিলো। দেখিছিলো মাতৃৰ হৃদয়ৰ গোটেইখিনি মমতাসনা পিতৃ হিচাপে। এই ৰূপটোৱে মোৰ মনত ৰেখাপাত কৰিছিল কাৰণেই কিজানি মই তেওঁৰ ৰাজনৈতিক জীৱনটো সেই ৰূপটোৰে ছবি বিচাৰি ফুৰিছিলো। যেতিয়াই তাৰ আভাস পাইছিলো তেতিয়াই স্মৃতিৰ তুলাপাতত তাৰ আঁক বহি গৈছিল। তেওঁৰ কৰ্তব্যপৰায়ণ সেই স্নেহখিনিয়ে অসুস্থা পত্নীৰ সেৱাৰ উপৰিও অকালতে জন্ম লোৱা প্ৰথমা কন্যা 'মণি'ক তুলাৰে আবৰি বুকুৰ উম্ দি জীয়াই তুলিছিল - যি পৰিচৰ্যাই অভিজ্ঞ ডাক্তৰসকলৰ অশুভ ভৱিষ্যতবাণীকো অসাৰ্থক প্ৰতিপন্ন কৰাবলৈ সমৰ্থ হৈছিল। সেই একেটি কন্যাকে নিউমনিয়া-টাইফইডৰ নিচিনা দুৰাৰোগ্য ৰোগৰপৰাও তেওঁ সেই একে সেৱাৰেই আৰোগ্য কৰি তুলি লোকবন্ধু ডা: ভুবনেশ্বৰ বৰুৱাৰ নিচিনা ডাক্তৰৰপৰা আদৰ্শ শুশ্ৰূষাকাৰী-পিতাৰ প্ৰশংসা পাইছিল। এই সেৱা ৰসখিনিকে পিছদিনা তেওঁ ঘৰৰ সংকীৰ্ণ পৰিধিৰপৰা বৃহৎ পৰিধিলৈ বোৱাই দিলে সেইদিনাৰেপৰা দেশে তেওঁক 'লোকপ্ৰিয়'—এই মধুৰ সম্বোধনেৰে আকোৱালি ললে। লোকপ্ৰিয়ৰ সংস্কৃত মনে ভাৰতীয় ভাবধাৰাৰ শ্ৰেষ্ঠ সম্পদ বিশ্বমানবতাবোধক অন্তৰেৰে উপলব্ধি কৰিছিল কাৰণেই মানৱতাৰ নামত ব্যক্তিৰ আত্মা অপমানিত হোৱাটো বিচৰা নাছিল শোষিত ব্যক্তি আৰু সমষ্টিৰ আত্মসন্মান ৰক্ষাৰ কাৰণে বহুতৰ দৰে তেওঁৰ যি অভিযান, সেই অভিযানক বহুতে সংকীৰ্ণ দৃষ্টিৰে চাব খুজিলেও মূলতে সি আছিল সামাজিক সচেতন মন এটাৰ উদাৰ দায়িত্ববোধ। এই দায়িত্ববোধেই তেওঁক অসমৰ ন্যায়সঙ্গত স্বাৰ্থ-ৰক্ষাৰ কাৰণে সদায়েই উদগনি দি আহিছিল। ছাত্ৰ অৱস্থাত তেওঁ বিচাৰিছিল অসমক বৌদ্ধিক জগতত প্ৰতিষ্ঠা কৰিবলৈ। সেয়ে নিজ সাধনাৰে তেওঁ

প্ৰতিভাবান ছাত্ৰসকলৰ শাৰীত ঠাই পাইছিল আৰু মেধা আৰু প্ৰেৰণাৰ সংযোগেৰে জীৱনৰ সপোনক সফল কৰি তুলিছিল। বিশ্ববিদ্যালয়ৰ দেওনা পাৰ হৈ যিদিনা পূৰ্ণবয়স্ক নাগৰিকৰ দায়িত্ব লৈ তেওঁ কৰ্মক্ষেত্ৰত নামিল, সেইদিনা নিজ অধ্যাপনা আৰু আন ব্যৱসায়ৰ উপৰিও সেই সময়ৰ একমাত্ৰ জাতীয় প্ৰতিষ্ঠান অসম এছোচিয়েছনৰ যোগেদি দেশসেৱাত ব্ৰতী হ'ল—ভাৰতৰ পূব প্ৰান্তত পৰি থকা অসম যাতে ন্যায্য প্ৰাপ্তিৰপৰা বঞ্চিত নহয়; সৰল অসমীয়া ৰাইজ যাতে ৰাজনীতি, অৰ্থনীতি, সামজিক মৰ্যাদাৰ ক্ষেত্ৰত প্ৰতাৰিত নহয় সেই উদ্দেশ্যেৰে। ইয়াৰ পিছতে ১৯২১ চনত যেতিয়া ভাৰতীয় ৰাজনীতিৰ পট পৰিবৰ্তন হ'ল, অহিংস অসহযোগৰ ৰূপলৈ কংগ্ৰেছৰ মহা অভ্যুত্থান ঘটিল, অসম এছোচিয়েছনেও সেইদিনা কমবীৰ চন্দ্ৰনাথ শৰ্মাৰ অনুপ্ৰেৰণাত আবেদন-নিবেদনৰ ৰূপ সলাই কংগ্ৰেছ অনুষ্ঠানৰ ৰূপলৈ ৰূপান্তৰিত হ'ল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ ধীৰপন্থীসকলেও নতুনক বাট এৰি দি আতৰি যোৱাৰ দৰে অসম এছোচিয়েছনৰ ধীৰপন্থীসকলেও নতুনৰ হাতত অসমৰ ভৱিষ্যত সমৰ্পণ কৰি আতৰি যাবলৈ বাধ্য হ'ল। দেশৰ নেতৃত্ব সুস্থ-সবল আদৰ্শৰ ডেকা-শক্তিয়ে ললে। লোকপ্ৰিয় বৰদলৈদেৱো তাৰে এজন একনিষ্ঠ সেৱক হৈ পৰিল।

১৯২১ চনত লোকপ্ৰিয় বৰদলৈৰ দৰে বহু ডেকা উকীলে ঘৰুৱা দায়িত্ব থকাৰ কাৰণে একাণপতীয়াকৈ কংগ্ৰেছৰ কামত লাগিব পৰা নাছিল যদিও আজৰি সময়ত আৰু প্ৰতি ৰবিবাৰে ভিতৰুৱা গাওঁবিলাকলৈ গৈ কংগ্ৰেছৰ অহিংস নীতিৰ কথাবোৰ ৰাইজক বুজাই ফুৰিছিল। সেই সময়ত আজিৰ নিচিনাকৈ বাট-পথৰ সুচল নথকাত কিমান কষ্টেৰে তেওঁবিলাকে কাম কৰিবলগীয়া হৈছিল সেই সকলো কথা ৰোমাঞ্চকৰ বৰ্ণনা। সেই দিনত চাইকেলেৰে যাব পৰাটো আজিৰ দিনত মটৰেৰে যোৱাৰ নিচিনা আছিল। বৰদলৈদেৱে কামৰূপৰ দক্ষিণপাৰৰ সকলো অঞ্চল চাইকেলেৰে সামৰিব নোৱাৰাত বহু সময়ত ঘৰুৱা হাতীৰ আশ্ৰয়ো লবলগীয়া হৈছিল। বৰদলৈ-দেৱৰ পৰিবাৰ শ্ৰীযুতা সুৰবালা বৰদলৈৰপৰা শুনিছিলো, এবাৰ চাইকেলৰ-পৰা উফৰি পৰি তেওঁ সাংঘাতিকৰূপে আঘাত পাই দক্ষিণপাৰৰ এঘৰ খেতিয়কৰ ঘৰত পৰি থাকিবলগীয়া হৈছিল। শেষত ঘৰলৈ খবৰ পঠিওৱাত তেওঁ-বিলাকৰ হাতীৰ মাউতগৰাকীয়ে গৈ ৰেলেৰে তেওঁক কোনোমতে ঘৰলৈ আনে। ঘৰলৈ আহিব নোৱাৰাকৈইদিন গাঁৱৰ বন-পাত দৰবেই তেওঁৰ আশ্ৰয় হৈছিল সেই সময়ৰ কৰ্মীসকলে কোনো বিষয়বাব নোলোৱাকৈও প্ৰত্যেকেই

সম্পূৰ্ণ দায়িত্ব লৈ কাম কৰিছিল কাৰণেই সংগঠনে বৃটিছ চৰকাৰৰ দৰে শক্তিশালী শাসনতন্ত্ৰকো সময়ে সময়ে কঁপাই তুলিব পাৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলন আৰম্ভ হওঁতে অসমৰ ডেকা উকীলসকলে এই-দৰে নিজ কৰ্তব্য পালন কৰি থাকিলেও গান্ধীজী অসমলৈ অহাৰ পাছত তেওঁলোকে সম্পূৰ্ণৰূপে আদালত বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয়-ভাৱে যোগ দিলে। ডেকা-শক্তিৰ এই সহযোগে ৰাইজৰ মনলৈ নতুন উদ্দীপনা আনিলে। চৰকাৰৰ নিষ্ঠুৰ দমন-নীতি সত্ত্বেও আন্দোলন তীব্ৰ গতিত চলিবলৈ ধৰিলে। চৰকাৰৰ দমন-নীতিয়ে যেতিয়া চূড়ান্ত ৰূপ ললেগৈ তেতিয়া উজনি অসমৰ কেইগৰাকীমান কৰ্মীয়ে তেজপুৰৰ কৰ্মীসকলক চিঠি লেখি জনালে যে ১৬ নবেম্বৰ তাৰিখে গুৱাহাটীত বহা প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিটিঙৰ পাছত অসমত বহুতো ঘটনা ঘটিল, নেতাসকল জেইলত বন্দী হ'ব-লগীয়া হ'ল, আন্দোলন দমন কৰিবলৈ বৃটিছ চৰকাৰে নতুন উপায় অবলম্বন কৰিলে। পিউনিটিভ্ পুলিচ বহুৱাই গাৱেঁ গাৱেঁ পুলিচ বাহিনীৰ 'মাৰ্চ', পিউনিটিভ পুলিচে পিউনিটিভ টেক্স আদায় কৰিবলৈ গৈ কৰা অমানুষিক অত্যাচাৰ, চাহ বাগিচাৰ হাটবিলাকত ওচৰৰ গাৱঁলীয়া কৰ্মীসকলৰ ওপৰত কৰা অপমানজনক ব্যৱহাৰ, গান্ধীটুপী পিন্ধি যোৱা মানুহৰ মূৰৰপৰা টুপী কাঢ়ি আনি ভৰিৰে গচকা, কংগ্ৰেছ অফিচ ভাঙি পেলোৱা ইত্যাদি কাৰ্যই কৰ্মীসকলক উপায়হীন কৰি তুলিছে। এনে এটা পৰিস্থিতিত অসহযোগ আন্দোলন কেনেকৈ চলাব পাৰি এই সকলো কথা খৰচি মাৰি আলোচনা কৰিবলৈ তেজপুৰত কৰ্মীসকলৰ সভা এখন পতা প্ৰয়োজন। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এই সভা ১৯২১ চনৰ ৩০ জানুৱাৰী তাৰিখে তেজপুৰত বহে আৰু লোকপ্ৰিয় বৰদলৈৰ নামেই সভাপতিৰ বাবে প্ৰস্তাব কৰা হয়; কিন্তু বৰদলৈদেৱে নিজে এই দায়িত্ব লব নুখুজি প্ৰস্তাবকগৰাকীকে সেই দায়িত্ব ল'বলৈ অনুৰোধ কৰে। কাৰণ, তেওঁ জানিছিল যে তেওঁক চৰকাৰে সৰহদিন বাহিৰত নাৰাখিবও পাৰে। সেই দেখি তেওঁ সেই বাব ল'বলৈ অক্ষমতা প্ৰকাশ কৰিছিল। তেওঁৰ এই সন্দেহ অমূলক নাছিল। কাৰণ তেজপুৰৰপৰা গুৱাহাটীলৈ উভতি যোৱা কেইদিনমান পাছতেই তেওঁক গ্ৰেপ্তাৰ কৰি এবছৰলৈ কাৰাদণ্ডিত কৰা হয়।

লোকপ্ৰিয় বৰদলৈৰ ৰাজনৈতিক জীৱন অসহযোগ আন্দোলনত যোগ দিয়াতেই আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ইয়াৰ আগতে তেওঁ অসমৰ

একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান অসম এছোছিয়েশ্যনৰো সভা আছিল। এই অনুষ্ঠানটো গান্ধীজীৰ নেতৃত্বত গঢ়ি উঠা কংগ্ৰেছৰ দৰে সক্ৰিয় কাৰ্য-সূচী নাছিল সকলো কাজ-কাম প্ৰস্তাৱ আৰু চিঠি-পত্ৰতে আবদ্ধ আছিল। বৰদলৈদেৱে এই আন্দোলনত যোগ দি ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা ১৯২৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে এবছৰ বিনাশ্ৰম কাৰাদণ্ড ভোগ কৰি যেতিয়া বাহিৰলৈ ওলাই আহিল তেতিয়া ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিয়ে অলপ ৰূপ সলাইছিল। সেই সময়ত সৰ্বভাৰতীয় নেতাসকলৰ মাজত দুটা পৰস্পৰ বিৰোধী দৃষ্টিভংগী প্ৰকাশত পাইছিল। এটা দলে কংগ্ৰেছৰ বৰ্জন নীতিৰ (স্কুল, কলেজ, আদালত, কাউন্সিল আদি বৰ্জনৰ) বিৰোধিতা কৰি কাউন্সিলত সোমাই চৰকাৰৰ লগত সক্ৰিয় বিৰোধিতা কৰাটো বিচাৰিছিল, আৰু আনটো দলে গান্ধীজীয়ে ভাৰতবাসীক দিয়া গঠনমূলক কামৰ আঁচনিসমূহ সাৰ্থক কৰি বৃটিছ চৰকাৰৰ শোষণৰ ভেটিটোকে দুৰ্বল কৰি শোষণকাৰী চৰকাৰক স্বইচ্ছাৰে উভতি যাবলৈ বাধ্য কৰাৰ কল্পনা কৰিছিল। গয়াত বহা কংগ্ৰেছৰ অধিবেশনত পৰিবৰ্তন বিৰোধীসকলেই জিকিল গান্ধীজীৰ কাৰ্য-সূচীৰ জয় হ'ল। এই সময়ত বৰদলৈদেৱ জেইলতে আছিল। জেইলৰপৰা ওলাই আহি তেওঁ স্বৰাজিষ্ট দলত যোগ নিদি পৰিবৰ্তন বিৰোধীসকলৰ লগতেই আছিল আৰু নিয়মিতভাৱে নিজে কটা সূতাৰ বৰঙণি দিছিল—এনেকি স্বৰাজিষ্ট পাৰ্টিৰ সমৰ্থকসকলেও নিজহাতে কটা সূতাৰ বৰঙণি এইদৰে দিছিল। ১৯২৩ চনৰেপৰা ১৯৩৩ চনলৈকে তেওঁৰ ৰাজনীতি আছিল স্থানীয় স্বায়ত্ব শাসনৰ ভিতৰতে সীমাবদ্ধ—এই সীমাবদ্ধতাৰ মাজতো তেওঁ সুদক্ষ পৰিচালক হিচাপে সদৌ অসমতে স্বীকৃতি পাইছিল। ১৯২৯ চনত লাহোৰত কংগ্ৰেছৰ যি অধিবেশন বহে সেই অধিবেশনতে স্বৰাজিষ্ট যুগৰ অন্ত পৰে - স্বৰাজিষ্ট নীতিৰ ব্যৰ্থতাত ডেকা ভাৰতে মহাত্মা গান্ধীজীৰ নেতৃত্বত অহিংস মুক্তি সংগ্ৰামৰ জৰিয়তে দেশৰ স্বাধীনতাৰ বাবে আকৌ যুঁজ দিবলৈ সংকল্প লয়। এই সংকল্পক স্বৰাজিষ্ট দলৰ বহু নেতাই অন্তৰেৰে সমৰ্থন জনাব পৰা নাছিল। কাৰণ, দেশ এনে সংগ্ৰামৰ বাবে প্ৰস্তুত নহয় বুলি তেওঁলোকে কল্পনা কৰিছিল। অসমো ইয়াৰ ব্যতিক্ৰম নাছিল। সেয়ে লাহোৰ কংগ্ৰেছৰপৰা উভতি অহাৰ বাটত সেই সময়ৰ অসমৰ স্বনামধন্য নেতা দেশভক্ত ফুকনদেৱ, ৰোহিণীকুমাৰ চৌধুৰীদেৱ আৰু গোপীনাথ বৰদলৈদেৱে অসমেও নিজৰ কিছু-মান সমস্যা থকা কাৰণে এই আন্দোলনপৰা আঁতৰি থাকিব বুলি কলিকতাৰ

ষ্টেটছমেন আৰু অমৃত বাজাৰ পত্ৰিকাত যি বিবৃতি দিয়ে সেই বিবৃতিয়ে অসমত আলোড়নৰ সৃষ্টি কৰিছিল। কিন্তু সেই আলোড়ন স্থায়ী নহ'ল কাৰণ, ১৯৩৪ চনত কংগ্ৰেছে আকৌ নীতিৰ পৰিবৰ্তন কৰি ভাৰতীয় লেজিছ-লেটিভ্ এছেম্বলীবিলাকত কংগ্ৰেছৰ প্ৰাৰ্থী থিয় কৰি বিধানসভাসমূহৰ জৰিয়তে প্ৰতিক্ৰিয়াশীল চৰকাৰক আতৰোৱাৰ সংকল্প ললে। গান্ধীজী নিজে এই নীতিৰ বিৰোধী আছিল, কিন্তু সৰহসংখ্যক নেতাই এই নীতিৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰাত গণতান্ত্ৰিক নীতিত বিশ্বাসী গান্ধীজীয়ে তেওঁবিলাকৰ মতৰ বিৰুদ্ধে থিয় নিদি সমৰ্থন জনালে; কিন্তু নিজে কংগ্ৰেছৰ সভাপদ ত্যাগ কৰিলে। গান্ধীজীয়ে সভাপদ ত্যাগ কৰা সত্ত্বেও তেওঁৰ নিচিনা বিৰাট ব্যক্তিত্ব অবিহনে কংগ্ৰেছে কোনো সংগ্ৰামেই চলাব নোৱাৰিব বুলি জানি কংগ্ৰেছ মহাসভাই সকলো সভাতে গান্ধীজীৰ পৰামৰ্শ আৰু আশীৰ্বাদ বিচাৰি তেওঁক সদায়েই নিমন্ত্ৰণ জনাইছিল। বৰদলৈদেৱে ফুকন আৰু চৌধুৰীদেৱৰ সমন্বিতে যি বিবৃতিত চহী কৰিছিল তাৰ মূল আক্ৰমণৰ ভাগী দেশভক্ত ফুকনদেৱেই হ'বলগীয়া হৈছিল আৰু বহুতেই ভাবিছিল যে দেশভক্তৰ অনু-প্ৰেৰণাতে এখেতসকল দুয়ো সেই বিবৃতিত চহী কৰে। মই ভাবো, বৰদলৈ-দেৱে অসমৰ বিশেষ কিছুমান সমস্যা আছে বুলি হয়তো অন্তৰেৰেই অনুভৱ কৰিছিল যে বিধানসভাৰ বৰ মজিয়াত নিজে সোমাই শোষণকাৰী শক্তিক ৰাজপাট লুটিবলৈ নিদি নিজে তাৰ বাধা হৈ থিয় দিব। যি হওক, সেই বিবৃতিত তেওঁ চহী দিও যেতিয়া ৰাইজৰ অনুকূল সমৰ্থন নাপালে তেতিয়া তেওঁ সক্ৰিয় কোনো অংশ নলৈ নিষ্ক্ৰিয়ভাৱেই নিজৰ বিবেকৰ নিৰ্দেশমতে চলিলে। তেওঁৰ সেই সময়ৰ মতবাদৰ সমৰ্থন আনি পাওঁ ১৯৩৯ চনত যেতিয়া সুভাষচন্দ্ৰ বসুৱে অসম আৰু উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ কিছুমান বিশেষ সমস্যা থকাৰ কাৰণে এই দুখন প্ৰদেশে ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনত যোগ দিব নালাগে বুলিছিল—কিন্তু নিখিল ভাৰত কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সভাই, বিশেষকৈ মৌলানা আবুল কালাম আজাদে যেতিয়া অসমক অব্যাহতি দিব নোৱাৰি বুলি নিৰ্দেশ দিলে, তেতিয়া বৰদলৈদেৱে নিয়মানুৱৰ্তী সৈনিকৰ দৰে কংগ্ৰেছৰ সেই নিৰ্দেশ মানি মন্ত্ৰীপদ ইস্তফা দি সত্যাগ্ৰহত অংশ লৈছিল। গান্ধীজী নিজে এই মন্ত্ৰীত্ব বৰ্জন আৰু ব্যক্তিগত সত্যাগ্ৰহৰ আঁচনিৰ ৰচয়িতা আছিল যদিও সুভাষ বসুৰ সেই কথাত যথেষ্ট যুক্তি দেখি বৰদলৈদেৱক সঙ্গত যেন নেদেখিলে মন্ত্ৰীত্ব ত্যাগ কৰিব নালাগে বুলি কৈছিল।

অসমৰ সমস্যাবোৰ ভাৰতবৰ্ষৰ আন আন ৰাজ্যই বুজক এই উদ্দেশ্যেৰে কোনোৱে কোনো পুথি লেখিলে বৰদলৈদেৱে নৈতিক সমৰ্থন নিদিয়াকৈ নাথাকিছিল। শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱাদেৱে 'ৰিফ্লেকচনছ অন আসাম কাম পাকিস্তান' ( Reflections on Assam cum Pakistan ) বুলি ইংৰাজীত যিখনি কিতাপ লেখিছিল, সেই কিতাপৰ ভূমিকাও বৰদলৈদেৱে নিজেই লেখি দিছিল। দেশ স্বাধীন হ'লে প্ৰত্যেক ৰাজ্যৰে নিজৰ বিশ্ববিদ্যালয়, উচ্চ ন্যায়ালয় আদি হ'ব জানিও তেওঁ ১৯৪৪ চনত অন্তৰীণৰ আদেশ মানি জেলৰপৰা ওলায়েই মাধৱচন্দ্ৰ বেজবৰুৱা প্ৰমুখ্যে ডেকাসকলৰ উদ্যমক নিজৰ শক্তিৰে অৰিহণা যোগাইছিল। বৰদলৈদেৱৰ এই জন্মভূমি প্ৰীতিৱে বহু সময়ত তেওঁক সমালোচনাৰ উৰ্দ্ধত ৰাখিব নোৱাৰিছিল। ১৯৩০ চনত বহুজনে তেওঁক ভুল বুজাৰ দৰে ১৯৪৭ চনতো ভাৰতৰ বহু ৰাজ্যই তেওঁক ভুল বুজে। শ্ৰীহট্ট জিলাখন অলপ চেষ্টা কৰিলেই তেওঁ ৰাখিব পাৰিলেহেঁতেন—এনে ভাব বহুতৰে আছিল। এনেকি গান্ধীজীয়েও এই গণভোটৰ সিদ্ধান্ত নিভু'ল বুলি ক'ব পৰা নাছিল। বৰদলৈদেৱে অতীতৰ বহু তিক্ত অভিজ্ঞতাৰ উপৰিও এই অঞ্চলৰ মুছলমান ভাইসকলক এইটোকে প্ৰতীয়মান নিয়াব খুজিছিল যেন লাগে যে, য'ত তেওঁলোকৰ সংখ্যাগৰিষ্ঠতা প্ৰমাণিত হ'ব, তাত তেওঁবিলাকক বলপূৰ্বক পাকিস্তানৰপৰা আঁতৰাই ৰাখিবলৈ চেষ্টা নকৰিব। ভোটৰ সংখ্যাধিক্যত মুছলমান ভাইসকল জিকাত তেওঁলোকক অৰ্থাৎ শ্ৰীহট্ট বা ছিলেট অঞ্চলক পূব পাকিস্তানত যোগ দিবলৈ দিয়া হ'ল। এই সিদ্ধান্ত বৰদলৈদেৱৰ অকলশৰীয়া সিদ্ধান্ত নাছিল সেই সময়ৰ গৃহমন্ত্ৰী বল্লভভাই পেটেলজীৰ সমৰ্থনতে বৰদলৈদেৱে এই গণভোটত মান্তি হ'বলগীয়া হৈছিল।

গান্ধীজীৰ অহিংসাৰ নীতিৰ ওপৰত তেওঁৰ গভীৰ আস্থা আছিল কাৰণেই তেওঁ সুযোগ পালেই উঠি অহা ডেকাচামক নিজৰ অন্তৰৰ উপলব্ধিখিনি বুজাবলৈ যত্ন কৰিছিল। তেওঁৰ কল্পনাৰ সোণৰ অসম গঢ়াৰ উপাদান এই নবীন উদ্যমৰাশিৰ মাজতে যে লুকাই আছে তাক তেওঁ অনুভৱ কৰিছিল আৰু অসমত আকাশবাণীৰ প্ৰথম শাখা শ্বিলঙত স্থাপন হোৱাত আকশবাণীৰ কৰ্তৃপক্ষক 'সোণৰ অসম গঢ়াৰ পথত' শিৰোনামাৰে এলানি ৰূপকৰ আয়োজন কৰিবলৈ অনুৰোধ জনাইছিল। সেই অনুৰোধমতে আমি অসমৰ ডেকা শিল্পীসকলৰ প্ৰতিভাৰ স্বাক্ষৰ আকাশবাণীৰ অসম শাখাৰ জৰিয়তেই পাইছিলো।

গান্ধীজীৰ সত্যাশ্ৰয়ী শান্তিৰ নীতি, শুদ্ধ লক্ষ্য সাধনৰ বাবে শুদ্ধ উপায়ৰ

নীতি- এই সকলোতে বিশ্বাস ৰাখিও তেওঁৰ ৰাজনৈতিক জীৱনত আমি চাণক্যৰ সফলতাও দেখিছিলো। তেওঁ শান্ত, সৌম্য, ধীৰ, স্থিৰ মূৰ্তিৰ আৰতো এখনি ৰাজনৈতিক কলা-কুশলী মন লুকাই আছিল-- যাৰ পৰিচয় স্পষ্টভাৱে পোৱা গৈছিল দেশ বিভাজনৰ আগত আৰু পিছত।

ভাৰতবৰ্ষই স্বাধীনতা পোৱাটো নিশ্চিত যেন দেখি বিদেশী শক্তিয়ে দেশ এৰি যোৱাৰ আগতে কূটনৈতিক জালখন পেলাই থৈ যোৱাৰ সপোন মনে মনে দেখি আছিল আৰু সেই সকলো ষড়যন্ত্ৰ ব্যৰ্থ হৈছিল লোকপ্ৰিয়ৰ সৌম্যভাৱৰ হৃদয় পৰশা কুশলতাত। গণপৰিষদৰ জনজাতীয় শাখা পৰিষদৰপৰা লোকপ্ৰিয় বৰদলৈ, ঠক্কৰ বাপা আৰু সম্পাদক ৰামধানীক লৈ অসমত ষষ্ঠ অনুসূচীৰ প্ৰয়োজনীয়তা সম্পৰ্কে অনুধাবন কৰিবলৈ যি উপ-সমিতি গঠিত হৈছিল সেই সমিতিয়ে অসমৰপৰা ৰূপনাথ ব্ৰহ্মদেৱকো লগত লৈ অসমৰ সকলো পাৰ্বত্য অঞ্চল, জনজাতীয় অঞ্চল ভ্ৰমণ কৰি ফুৰোতে নানা ধৰণৰ প্ৰচাৰধৰ্মী প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছিল। প্ৰশ্নবিলাক প্ৰায় আছিল এনে ধৰণৰ—স্বাধীন হিন্দু ভাৰতে জনজাতীয় ভাইসকলক অখাদ্য (হিন্দুসকলৰ নিষিদ্ধ মঙহ, যেনে গৰু, গাহৰি, মেথোন ইত্যাদি) খায় বুলি ঘিণ নকৰিবনে? হিন্দুসকলৰ লগত জনজাতীয় ভাইসকলৰ, পৰ্বতীয়া ভাইসকলৰ কি মিল আছে যাৰ কাৰণে তেওঁবিলাক ভাৰতৰ লগত একেলগে থাকিব লাগে? সেইদেখি জনজাতীয় ভাইসকলে স্বাধীন ভাৰতৰ বুকুত জাহ নগৈ নিজে স্বাধীনভাৱে থকা উচিত। -এই সকলো প্ৰশ্নৰ উত্তৰ বৰদলৈদেৱে অলপো উত্তেজিত নহৈ সাম্যভাৱেৰে বুজাই দিছিল। ভাৰতবৰ্ষ যে অকল হিন্দুৰাষ্ট্ৰ নহয়, সকলো ধৰ্মাৱলম্বী, সকলো জাতি-উপজাতিকে লৈ গঠন হোৱা এই ভাৰতে ধৰ্মনিৰপেক্ষতাৰ ভেটিত যে সংবিধান ৰচনা কৰিব আৰু জনজাতীয় ভাইসকলক নিজৰ ভাগ্য ৰচনা কৰাৰ সম্পূৰ্ণ অধিকাৰ দিব এই সকলো কথা বুজাই কৈছিল। অসমৰ সাংস্কৃতিক পৰম্পৰাত গঢ়ি উঠা উদাৰ মহাপুৰুষীয়া ধৰ্মই জাতি-উপজাতি সকলোকে মৰমৰ ডোলেৰে কিদৰে সামৰি লৈছিল; নগাৰ নৰোত্তম আতা, গাৰোৰ গোবিন্দ আতা, মিৰিৰ পুৰোষোত্তম আতা আৰু ইছলাম ধৰ্মত বিশ্বাসী চান্দসাই আতাকে আদি কৰি শত সহস্ৰ জনজাতীয় ভায়ে নিজ আচাৰ-ব্যৱহাৰৰ মাজত থাকিও কাল-সংহতিৰ জৰিয়তে বৃহত্তৰ অসমৰ লাইখুটা হৈ আছিল, সেই উদাৰ পৰম্পৰাই জনজাতীয় ভাই-সকলক নিজৰ ভৱিষ্যত নিজে ৰচনা কৰিবলৈ সকলো সুবিধা দি এটা

জাতি হিচাপে কিয় থাকিব নোৱাৰিব —এই প্ৰশ্নৰ উত্তৰ বৰদলৈয়ে তেওঁ-লোকৰপৰাই বিচাৰিছিল। ষষ্ঠ অনুসূচীমতে স্বায়ত্তশাসনৰ এই সকলো সুবিধা তেওঁলোকে পালে যে তেওঁলোকে বিভাজন নিবিচাৰিব এই সত্যটো গণপৰিষদৰ বাকী সভ্যসকলক এই শাখা পৰিষদে বুজাই দিব পৰাত অসমৰ কাৰণে সংবিধানে এই ষষ্ঠ অনুসূচী ৰচনা কৰে। পঞ্চম অনুসূচীমতে আন আন ৰাজ্যবিলাকত জনজাতীয় ভাইসকলৰ উন্নতিৰ কাৰণে পৰামৰ্শ দিবলৈ পৰামৰ্শদাতা কমিটিহে গঠন কৰা হৈছিল। তেওঁলোকৰ মাথোন পৰামৰ্শ দিয়াৰহে অধিকাৰ আছিল, স্বায়ত্তশাসনৰ অধিকাৰ নাছিল।

এই ষষ্ঠ অনুসূচীক ভাৰতৰ অন্য প্ৰদেশ নালাগে অসমৰপৰা নিৰ্বাচিত হোৱা দুগৰাকী সদস্যয়ো প্ৰথমতে অন্তৰেৰে গ্ৰহণ কৰিবপৰা নাছিল। ৰোহিণী কুমাৰ চৌধুৰীদেৱক বৰদলৈদেৱে ভালদৰে বুজোৱাত তেওঁ বুজি শেষত সমৰ্থন জনাইছিল, কিন্তু কুলধৰ চলিহাদেৱে অন্তৰেৰে সৈতে নিসঙ্কোচে সমৰ্থন জনাব পৰা নাছিল। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ই বিভাজনৰ গুটি সিচিব। শেষত সেই সময়ৰ আইন মন্ত্ৰী আম্বেদকাৰৰ প্ৰতিশ্ৰুতি পাই ষষ্ঠ অনু-সূচীৰ প্ৰতি মনত দ্বিধা ৰাখিও তেওঁ নিয়মানুবৰ্তিতাৰ পিনৰপৰা সমৰ্থন জনায়। আম্বেদকাৰজীয়ে গণপৰিষদৰ সদস্যসকলক ইয়াকে কৈ বুজাইছিল যে এই ষষ্ঠ অনুসূচীৰ তাৎপৰ্যৰ বিষয়ে তেওঁ নিজেও বৰ স্পষ্ট নহয়; কিন্তু অসমৰ বিশেষ সমস্যাৰ পিনৰপৰা বিচাৰ কৰি বৰদলৈদেৱৰ আৰু তেওঁৰ সভাপতিত্বত গঠিত হোৱা জনজাতীয় উপসমিতিৰ অনুৰোধত এই ষষ্ঠ অনু-সূচীক সংবিধানত ঠাই দিয়া হ'ল —যদি ভৱিষ্যতে ইয়াৰ পৰিবৰ্তনৰ প্ৰয়োজন হয় তেন্তে সংবিধান সংশোধন নকৰাকৈও পোনপটীয়া সংখ্যাধিক্যৰ ভোটেৰে এই অনুসূচীক সংশোধন কৰিব পাৰিব। এই ষষ্ঠ অনুসূচীক বৰদলৈদেৱে অসমক অবিভক্ত গোট হিচাপে ৰখাৰ সপোনেৰেই সৃষ্টি কৰিছিল। তেওঁ জীৱিত থকা হ'লে এই অনুসূচীক সময়ৰ লগত কিদৰে পৰিবৰ্তন কৰিলে-হেঁতেন ক'ব নোৱাৰি; কিন্তু মৃত্যুৰ পাছত এই ষষ্ঠ অনুসূচীৰ কাৰণেই তেওঁ উত্তৰ দিব নোৱাৰা জগতৰপৰা সমালোচনা শুনিবলগীয়া হয়।

সেই সময়ৰ জটিল পৰিস্থিতিত ষষ্ঠ অনুসূচীত আশ্ৰয় লোৱাৰ বাহিৰে অসমৰ আন গতি নাছিল। ভাৰতৰ স্বাধীনতাক পঙ্গু কৰিবলৈ বিদেশী চৰকাৰৰ এচাম কৰ্মচাৰীয়ে শেষ মুহূৰ্তলৈকে চেষ্টা কৰিছিল। ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰা অসমৰ শেষৰগৰাকী গভৰ্ণৰ ষ্টেনলী ৰীডে বিদায় লোৱাৰ

আগতে নগা ভাইসকলক সম্বোধন কৰি যি ভাষণ দিছিল, তাত তেওঁ এষাৰ কথা কৈছিল যে ব্ৰিটেইনত চৰকাৰ সলনি হৈছে। সেয়ে আগতে তেওঁবিলাকৰ প্ৰতি যি পৰামৰ্শয়েই নাথাকক, বৰ্ত্তমান তেওঁবিলাকে লৰ্ড মাউণ্টবেটেনৰ পৰামৰ্শমতে চলাই উচিত হ'ব। এই কথাষাৰৰ আঁৰত এই ইঙ্গিতেই স্পষ্ট আছিল যে ইয়াৰ আগতে ব্ৰিটিছ চৰকাৰৰ নিৰ্দেশতে আন প্ৰস্তাৱৰ অৱতাৰণা হৈছিল। সেই প্ৰস্তাৱ কি আছিল দেশ স্বাধীন হোৱাৰ পিছত গৃহমন্ত্ৰী দপ্তৰৰ নথি-পত্ৰতে পোৱা গ'ল। অসমৰ গভৰ্ণৰে কহিমাত যি গোপন বৈঠক পাতিছিল তাত এই সিদ্ধান্তই কৰা হৈছিল যে নগা-পৰ্বতক জাতীয় উপবন বা নেছনেল পাৰ্ক (National Park) হিচাপে ৰখা হ'ব ; কাৰণ, নগাপৰ্বতৰ নিজস্ব বৈশিষ্ট্য আছে আৰু ই পূব সীমান্তত দুই ৰাজ্যৰ মাজত থকা নিৰপেক্ষ দেশ (বাফাৰ ষ্টেট) হিচাপে থাকিব। ইয়াৰ অন্তৰালত কি গুপ্ত উদ্দেশ্য লুকাই আছিল, বিদেশী চৰকাৰে ভবিষ্যতৰ বাবে কি ছবি আঁকিছিল, বৰদলৈদেৱৰ তীক্ষ্ণবুদ্ধিৰ ওচৰত সেই অভিসন্ধি ধৰা নপৰাকৈ নাছিল। নগা ৰাজ্যক বাফাৰ ষ্টেট হিচাপে ৰাখি সাম্ৰাজ্যবাদী শক্তিয়ে খোপনি পোতাৰ থল বিচাৰিছিল। এনে পৰিবেশত ভবিষ্যতৰ কাৰণে সকলো সংঘৰ্ষৰ ওৰ পেলাবলৈকে তেওঁ ষষ্ঠ অনুসূচীৰ ওপৰত ইমান গুৰুত্ব দিছিল।

দেশৰ চৰমতম মুহূৰ্ত্তত সুদক্ষ পৰিচালকৰূপে বৰদলৈদেৱৰ ৰাজনৈতিক সাফল্যৰ আৰু ব্যক্তিত্বৰ পৰিচয় পোৱা যায় গ্ৰুপিং আঁচনিৰ (১৯৪৬ চনত ব্ৰিটিছ চৰকাৰে ভাৰতৰ স্বাধীনতাৰ দাবীৰ সমাধান সূত্ৰ হিচাপে আগবঢ়োৱা ব্ৰিটিছ কেবিনেট মিছনৰ আঁচনিখনেই গ্ৰুপিং আঁচনি নামে জনাজাত) সময়ত।

১৯৪৬ চনৰ ১৬ মে'ৰ দিনা দিল্লীত কেবিনেট মিছনে তেওঁলোকৰ তথা বৃটিছ চৰকাৰৰ আঁচনিখন আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। একেদিনাই গুৱাহাটীতো অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এখন জৰুৰী বৈঠক বহিছিল। এই বৈঠকত বৰদলৈদেৱ উপস্থিত থাকিব পৰা নাছিল ; কাৰণ, কেবিনেট মিছনে আঁচনিখন ৰাজহুৱাভাৱে প্ৰকাশ কৰাৰ আগতে সেই সময়ৰ ভাইচৰয় লৰ্ড ৱেভেলক লগত লৈ কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতাসকল, প্ৰাদেশিক মুখ্যমন্ত্ৰীসকল আৰু আন আন সৰ্বভাৰতীয় নেতাসকলৰ লগত তেওঁ আগতীয়াকৈ আলোচনা কৰিছিল। কেবিনেট মিছনৰ সেই আঁচনিখনৰ মূল কথাকেইটা আছিল এনে ধৰণৰ—(১) ভাৰতৰ প্ৰত্যেকখন প্ৰদেশৰ আইন সভাবিলাকে প্ৰতিখন আইন-সভাৰ মুঠ সভ্যসংখ্যাৰ দহ ভাগৰ এভাগ পৰিমাণে ভাৰতীয় গণ-পৰিষদ বা

কনষ্টিটিউয়েণ্ট এছেমব্লিলৈ প্ৰতিনিধি নিৰ্বাচন কৰিব আৰু সংশ্লিষ্ট আইন-সভাৰ মুছলমান আৰু অমুছলমান প্ৰতিনিধি নিৰ্বাচন কৰিব; (২) প্ৰত্যেক প্ৰদেশৰ-পৰা এইদৰে নিৰ্বাচিত হোৱা গণ-পৰিষদৰ সদস্যসকলে গণ-পৰিষদত লগ হৈ তিনিটা ছেক্সন বা শাখা পৰিষদত বিভক্ত হ'ব মাদ্ৰাছ, বোম্বে, মধ্য প্ৰদেশ, বিহাৰ, উৰিষ্যা আৰু উত্তৰ প্ৰদেশ 'এ' ছেক্সন বা ক শাখাত; সিন্ধু, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, বেলুচিস্থান আৰু পাঞ্জাৱ 'বি' ছেক্সন বা 'খ' শাখাত আৰু অসম আৰু বঙ্গদেশ 'চি' ছেক্সন বা 'গ' শাখাত; (৩) ছেক্সন বা শাখা পৰিষদ-বিলাকে নিজ নিজ শাখাৰ অন্তৰ্ভুক্ত প্ৰদেশবিলাকৰ সংবিধান ৰচনা কৰিব আৰু নিজ নিজ শাখাৰ অন্তৰ্ভুক্ত প্ৰদেশবিলাকলৈ এখন গ্ৰুপ বা সংঘৰাজ্য স্থাপন কৰাৰ সিদ্ধান্ত কৰিলে সেই সংঘৰাজ্যৰ সংবিধানো ৰচনা কৰিব; আৰু (৪) গণ-পৰিষদৰ সকলো সদস্যই একগোট হৈ শেষত ভাৰতীয় ইউনিয়ন বা যুক্তৰাষ্ট্ৰৰ সংবিধান ৰচনা কৰিব।

এই ব্যৱস্থা অনুসাৰে 'চি', ছেক্সন বা 'গ' গণ-পৰিষদে বঙ্গদেশ আৰু অসমৰ সংবিধান ৰচনা কৰাৰ উপৰিও এই দুয়োখন প্ৰদেশৰ এখন গ্ৰুপ বা সংঘৰাজ্য গঠন কৰা বা নকৰাৰ বিষয়ে সিদ্ধান্ত ল'ব।

এই আঁচনিৰ আঁৰত থকা গুপ্ত অভিসন্ধিৰ কথা বুজিবলৈ অসমৰ সময় নালাগিল। সেয়ে ১৬ মে'ৰ দিনা গুৱাহাটীত বহি থকা অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে উক্ত ব্যৱস্থা অসমৰ ন্যায্য স্বাৰ্থৰ অনুকূল কেতিয়াও নহ'ব বুলি এই ব্যৱস্থাৰ প্ৰতিকাৰৰ কাৰণে অনুৰোধ জনাই কংগ্ৰেছ ৱৰ্কিং কমিটি আৰু লোক-প্ৰিয় বৰদলৈদেৱলৈ টেলিগ্ৰাম কৰে।

বৰদলৈদেৱে দিল্লীৰপৰা উভতি আহি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ আগত যি ছবি ডাঙি ধৰিলে, সেই ছবি অকণো আশাপ্ৰদ নাছিল। বৰদলৈদেৱে স্পষ্ট-ভাৱেই কৰ্মীসকলক বুজাই দিলে যে অসমৰ বিপদ নুই কৰিব নোৱাৰি। তেওঁ অসম কংগ্ৰেছ আৰু অসমৰ কৰ্মীসকলৰ তাঁৰ বাৰ্তা পাই অসমৰ মনৰ কথা নিখিল ভাৰত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ আগত যুক্তি সহকাৰে ডাঙি ধৰাত কংগ্ৰেছ সভাপতি মৌলানা আজাদে কেবিনেট মিছনৰ প্ৰতিনিধিসকলৰ লগত আলোচনা কৰিছিল। কিন্তু লৰ্ড পেথিক লৰেন্সে কংগ্ৰেছ সভাপতিৰ সেই অনুৰোধ বা পৰা-মৰ্শ ৰাখিব নোৱাৰিব বুলি স্পষ্টভাৱে জনাইছে। বৰদলৈদেৱে কংগ্ৰেছ সভাপতিৰ উপৰিও ভাইচৰয় লৰ্ড ৱেভেল আৰু কেবিনেট মিছনক লিখিতভাৱে জনায় যে অসমৰ সংবিধান অসমৰ প্ৰতিনিধিসকলে নিজেই ৰচনা কৰিবলৈ বিচাৰে আৰু

অসম বঙ্গৰে সৈতে এখন গ্ৰুপ বা সংঘৰাজ্যত সোমাব নে নোসোমায়, সেই কথাও অসমৰ প্ৰতিনিধিসকলেহে থিৰাং কৰিব—এইখিনি কথা তেওঁলোকৰ আঁচনিত স্পষ্ট হ'ব লাগে। বৰদলৈদেৱে আৰু কয় যে গান্ধীজী আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে কেবিনেট মিছনৰ আঁচনিৰ ছেক্সন আৰু গ্ৰুপ সম্পৰ্কীয় ব্যৱস্থাৰ (১৯ নং ধাৰাৰ ৩য় উপধাৰাৰ) ক্ৰিপছ আৰু পেথিক লৰেন্সে দিয়া ব্যাখ্যা ভুল আৰু তেওঁলোকৰ আঁচনিৰ ১৫ নং ধাৰাৰ ৫ম উপধাৰাৰে বিৰোধী বুলি কেবিনেট মিছনৰ লগত কথা-বতৰা চলাই আছে যদিও কেবিনেট মিছনে ১৮ মে'ৰ দিনা সাংবাদিক মেলত দিয়া ব্যাখ্যাৰ কিবা পৰিবৰ্তন কৰিব বুলি মনে নধৰে। কাৰণ, তেওঁলোকে ছেক্সন বা গ্ৰুপ সম্পৰ্কীয় ব্যৱস্থাৰ স্পষ্ট ব্যাখ্যা দি কৈছিল যে, প্ৰদেশবিলাকে আঁচনিখনত নিৰ্দিষ্ট কৰি দিয়া মতে ভিন ভিন ছেক্সন বা শাখা পৰিষদত সোমোৱাটো বাধ্যতামূলক, আৰু প্ৰতিটো ছেক্সনৰ সদস্যসকলে সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা সংশ্লিষ্ট ছেক্সনৰ অন্তৰ্ভুক্ত প্ৰদেশকিখনক লৈ এখন গ্ৰুপ বা সংঘৰাজ্যৰ গঠন কৰিব নে নকৰে সেইটো নিৰ্দ্ধাৰণ কৰিব। তেওঁলোকে আৰু কয় যে আঁচনিখনৰ এই ব্যৱস্থা প্ৰত্যাহাৰ বা সংশোধন কৰিব পৰা নহব। সংশ্লিষ্ট উভয় পক্ষই সংশোধন বিচাৰিলে অৱশ্যে বেলেগ কথা। সেয়ে কেবিনেট মিছনে এনে আকোঁৰগোজ মনোভাৱ ললে কংগ্ৰেছ ৱৰ্কিং কমিটিয়েও অসমৰ কাৰণে ভাৰতৰ স্বাৰ্থ ক্ষুণ্ণ হ'ব বুলি ভাবি হয়তো আমাৰ কথাত সিমান গুৰুত্ব নিদিব পাৰে। সেইদেখি অসমবাসীয়ে গণ আন্দোলনৰ মাজেদি ইয়াৰ সমাধান বিচাৰিব লাগিব।

অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে জুন মাহৰ প্ৰথম সপ্তাহটো গ্ৰুপ বিৰোধী প্ৰতিবাদ সপ্তাহৰূপে পালন কৰিবলৈ স্থিৰ কৰে, ৰাজহুৱা সভা-সমিতি পাতি এই ব্যৱস্থাৰ প্ৰতিবাদ স্বৰূপে প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰদেশ কংগ্ৰেছ কমিটিক জনাবলৈ নিৰ্দেশ দিয়ে আৰু অসমৰ সদৌ ৰাইজক এই বিষয়ত কংগ্ৰেছৰ লগত সহযোগ কৰিবলৈ অনুৰোধ জনায়। এই অনুৰোধৰ সঁহাৰি অভূতপূৰ্ব আছিল। বৰদলৈদেৱে ১৯ মে'ৰ দিনাও ৱৰ্কিং কমিটিক এটা চোকা টোকা দি আহিছে বুলি কয়। পৰিস্থিতিৰ জটিলতা বুজি ২৬ মে'ত প্ৰদেশ কংগ্ৰেছ কমিটিৰ এখন জৰুৰী বৈঠক বহি ১০ জুনৰ দিনা দিল্লীত কংগ্ৰেছ ৱৰ্কিং কমিটি বহাৰ আগে আগে সেই কমিটিৰ যিমানকিজন সদস্যক পাৰে সিমানক আৰু ভাৰতৰ অন্যান্য নেতাসকলক আৰু বাতৰি কাকতসমূহক অসমৰ প্ৰতি কৰা অন্যায়ৰ কথাবোৰ বুজাই ক'বলৈ ৫ জন সদস্যৰ

এটা প্ৰতিনিধি দল পঠিওৱাটো স্থিৰ হয়। এই প্ৰতিনিধি দলে কলিকতা, পাটনা, বানাৰস, নাইনিতাল আৰু দিল্লীত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ প্ৰায়খিনি সদস্যকে লগ ধৰে। দলটোৰ সদস্যসকল আছিল শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী, শ্ৰীদেৱকান্ত বৰুৱা, হৰেশ্বৰ গোস্বামী আৰু এই প্ৰবন্ধৰ লেখিকা। প্ৰতিনিধিসকলে সেই সময়ত এটা কথা অনুভৱ কৰিছিল যে অসমে নিজ শক্তি-সামৰ্থ্যেৰে যুঁজিলে অসমক ৰক্ষা কৰোঁতা কোনো নাই। বঙ্গদেশৰ নেতৃবৃন্দৰ ভিতৰত একমাত্ৰ শৰৎচন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জীৰ বাহিৰে বাকী নেতাসকলৰ, বিশেষকৈ সেই সময়ৰ বঙ্গ প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক কালিপদ মুখাৰ্জীৰ মনোভাব আছিল এনেধৰণৰ: যদি কেবিনেট মিছনৰ আঁচনি কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে গ্ৰহণেই কৰে, তেন্তে অসম বঙ্গদেশৰ লগত থাকিবই লাগিব—তেতিয়া বঙ্গদেশ আৰু অসমৰ কংগ্ৰেছ কৰ্মীসকলে যুটীয়াভাৱে কিজানি ৰক্ষা পৰিব পাৰেই! নহলে অসমে পিছত প্ৰতিবাদ জনাই 'ৱাক আউট' কৰি ওলাই আহিব পাৰিব। অসমৰ সদস্যসকলে এবাৰ শাখাত সোমাই এইদৰে ওলাই অহাটো যে অৰ্থহীন কথা, তাক তেওঁবিলাকে বুজিও নুবুজাৰ ভাও লৈছিল। অসমে এই শাখাত সোমালে যে কি কূটনৈতিক জালৰ ভিতৰত মেৰ খাই পৰিলেহেতেন সেই কথা এই প্ৰতিনিধি দলটোৱে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। আমাৰ দলটো সেই সময়ৰ বঙ্গদেশৰ জাতীয়তাবাদী মুছলিম নেতা নৌছেৰ আলিৰ (বঙ্গ বিধান সভাৰ সেই সময়ৰ অধ্যক্ষ) বাস ভৱনলৈ তেওঁক দেখা কৰিবলৈ যাবলগীয়া হৈছিল। নৌছেৰ আলি চাহাবে মহম্মদ আলি জিন্নাৰ গোটেই আঁচনিটোকে কৰ্মীসকলৰ আগত ফঁহিয়াই দেখুৱাইছিল আৰু আমি যি পৰিস্থিতিৰ মাজেদি তেওঁক দেখা কৰিবলৈ গৈছিলো সেই পৰিস্থিতিৰ মাজত তেওঁ কিদৰে বাচি থাকিবলগীয়া হৈছে তাকো আমাক বুজাই কৈছিল। সেই সন্ধিয়াৰ ঘটনা আজিও মই পাহৰা নাই। আমি নৌছেৰ আলিৰ ঘৰ যেতিয়া পাওঁগৈ তেতিয়া সন্ধিয়া প্ৰায় লাগো লাগো। তেওঁৰ ঘৰৰ সমুখতে এখন মুকলি খেল পথাৰ। সেই পথাৰ পাৰ হৈ গ'লেই তেওঁৰ ঘৰ। আমি ঠিক পথাৰখনৰ মাজ পাওঁতে দেখিলো, বহুতো ডেকা ল'ৰাই বগা পায়জামা আৰু বগা টুপী পিন্ধি হাতত লাঠী আৰু দুজনমানে হাতত মিত্‌দাৰ নিচিনা বস্তু লৈ "লড়কে লেঙ্গে পাকিস্তান— লড়কে লেঙ্গে পাকিস্তান" বুলি ধ্বনি দি দি এজন আদহীয়া ধৰণৰ মানুহৰ তত্বাৱধানত, দুটা পক্ষ হৈ এটা দলে আনটো দলক লাঠীৰে কেনেকৈ আক্ৰমণ

কৰিব পাৰে, তাৰে আখৰা কৰিছে। আমি তাৰ মাজেৰেই পাৰ হৈ গ'লো। তেওঁবিলাকে ইমান মনোযোগেৰে আখৰা কৰি আছিল যে আমি তেওঁবিলাকৰ মাজেৰে পাৰ হৈ যোৱাটো তেওঁবিলাকে লক্ষ্যকে কৰা নাছিল। সেই ডেকা লৰাকিজনৰ মুখত যি নিষ্ঠুৰ দৃঢ়তা ফুটি উঠিছিল, সেই ছবি যেতিয়া মনত পৰে তেতিয়া ভাবো, ডেকা তেজৰ কেচা উৎসাহক মানুহে নিজ স্বাৰ্থ ৰক্ষাৰ কাৰণে কিদৰে অবাটে নিব পাৰে। যি হওক, নৌছেৰ আলিৰ কথাত আমাৰ প্ৰতি তেওঁৰ সহানুভূতিৰ সুৰ বাজি উঠা দেখি ভাল লাগিছিল। তেওঁৰ নৈতিক সমৰ্থনখিনিও সেই সময়ত আমাৰ কাৰণে অপূৰণীয় সম্পদ আছিল। শৰৎচন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জীয়েতো অসমৰ নেতাসকলৰ, বিশেষকৈ বৰদলৈদেৱক 'গ' শাখাৰ বিৰুদ্ধে অসমৰ অভিমত ব্যক্ত কৰি যুগুত কৰা চিঠি-পত্ৰ, প্ৰস্তাৱ আদি ৰচনা কৰোতে কেনেকুৱা অব্যৰ্থ যুক্তিৰে তাক গাঁথিব লাগিব সেই বিষয়ে দিহা-পৰামৰ্শ দি তেওঁবিলাকে নিজেও কিছুমান আঁহি লেখি দিছিল। তেওঁবিলাকে কৈছিল, বঙ্গদেশৰ লগতে অসম মৰিব নালাগে। অসমে যুঁজ দি এই আঁচনি ব্যৰ্থ কৰি দিয়ক। শৰৎচন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জীৰ মেধা সেই সময়ত বৰদলৈদেৱৰ কাৰণে কিমান সহায়ক আছিল, সেই সময়ৰ কৰ্মীসকলে জানে। অসমে সেই দুগৰাকী ব্যক্তিত্বক কৃতজ্ঞতাৰে স্মৰণ কৰিবই লাগিব।

কলিকতাৰপৰা পাটনালৈ গৈ সদাকোট আশ্ৰমত ৰাজেন্দ্ৰ প্ৰসাদজীক লগ ধৰা হ'ল তেওঁ অসমৰ সমস্যাৰ প্ৰতি অতি সহানুভূতিশীল হৈয়ো ৱৰ্কিং কমিটিৰ বাকী সদস্যসকলক যে প্ৰভাৱন্বিত কৰিব পাৰিব, সেই বিষয়ে আশ্বাস দিব নোৱাৰিলে। তথাপিও তেওঁৰ শুভেচ্ছা লৈ দলটো পুৰুষোত্তম দাস টেণ্ডনজীক লগ পাবলৈ আৰু তেওঁৰ 'আজ' খোলা কাগজখনৰ জৰিয়তে অসমৰ এই জীৱন-মৰণ সমস্যাৰ কথাবোৰ বহুলভাৱে প্ৰচাৰ কৰোৱাৰ উদ্দেশ্যেৰে বানাৰসলৈ গ'ল। বানাৰসৰ এই যাত্ৰা সাৰ্থক হৈছিল বুলিয়েই ক'ব লাগিব। কাৰণ, সেই মুহূৰ্তত টেণ্ডনজী বানাৰসত নাথাকিলেও তেওঁৰ কাগজে অসমৰ প্ৰকৃত ছবিখন দাঙি ধৰি অসমৰ পক্ষে জনমত সংগঠন কৰিব পাৰিছিল। বানাৰসৰপৰা দলটো যায় নাইনিতাললৈ; কাৰণ, উত্তৰ প্ৰদেশ বিধান সভাৰ অধিবেশন সেই সময়ত নাইনিতালত বহি আছিল। তাতেই দলটোৱে তিনিগৰাকী নেতৃস্থানীয়লোকক লগ পোৱাৰ সুযোগ পায়। কিন্তু ৰফী আহমেদ কিদোৱাইৰ বাহিৰে বাকী দুগৰাকীৰ উত্তৰ সন্তোষজনক নাছিল। শ্ৰীমতী

বিজয়লক্ষ্মী পণ্ডিতেতো অতি উত্তেজিত হৈ উঠি হঠাতে কৈ পেলাইছিল যে অসমে মুছলীম লীগৰ দৰে আকোঁৰগোজ মনোভাব লৈ ভাৰতৰ বৃহত্তৰ স্বাৰ্থক আঘাত হানিব খুজিছে সেয়ে অসমৰ আবেদন-নিবেদনৰ যোগ্য ঠাই ফটা কাগজৰ টুকুৰি। ইয়াৰ উত্তৰত প্ৰতিনিধিসকলৰ তৰফৰপৰা কোৱা হৈছিল যে ভাৰতৰ ভাগ্য নিয়ন্ত্ৰণ কৰিবলৈ ওলোৱাসকলৰ যদি দৃষ্টিভংগী এনেকুৱাই হয়, তেন্তে ভাৰতৰ ভাগ্য তেওঁবিলাকৰ হাতত নিৰাপদ নহয় আৰু তেওঁ-বিলাক ৰাইজৰ আস্থাৰ যোগ্যও নহয়। তেওঁ এই উত্তৰৰ কাৰণে প্ৰস্তুত নাছিল। সেই কাৰণে তেওঁ অলপ কোমল হৈ উত্তৰ দিবলৈ ওলাওঁতেই প্ৰতিনিধিসকলে অবাবতে সময় নষ্ট নকৰি ওলায় আহিল। তেওঁ তেতিয়াও গান্ধীজীৰ মত জনা নাছিল। পিছত যেতিয়া জানিলে, তেতিয়া অসমৰ প্ৰতি-নিধিসকলক তেওঁ অসমৰ সকলো কথা ভালদৰে নজনাৰ কাৰণে তেনেদৰে কোৱা বাবে আক্ষেপ কৰিছিল বুলি দিল্লীত শুনিছিলো। যি হওক, আমাৰ শেষ দেখা হ'ল পান্তজীৰ লগত। পান্তজীয়ে মাথোন বুজাব খুজিলে যে 'গ' শাখাত সোমালে অসমৰ স্বাৰ্থৰ একো হানি নহয়, তেওঁবিলাকে ইচ্ছা কৰিলেই ওলাই আহিব পাৰিব। তাৰ উপৰিও তেওঁ ক'লে যে অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ কেবাগৰাকীও নেতাই, বিশেষকৈ পৰ্বতীয়া ৰাইজৰ প্ৰতিনিধিত্ব কৰা বেভাৰেণ্ড নিকলচ ৰয়ৰ নিচিনা মানুহে যেতিয়া কেবিনেট মিছনৰ আঁচনি গ্ৰহণযোগ্য বুলি বিবৃতি দিছে, তেতিয়া অসমৰ ৰাইজৰ তাত সমৰ্থন নাই বুলি আমি কেনেকৈ ধৰিম ! অসমৰ প্ৰতিনিধি দলটোৱে অসম প্ৰদেশ কংগ্ৰেছ কমিটি আৰু বৰদলৈদেৱক ডাঁৰৰ বাতৰি ডাঁৰে দি আছিল। পান্তজীৰ এই কথামাৰো বৰদলৈদেৱক টেলিগ্ৰাম কৰি জনোৱা হ'ল আৰু প্ৰদেশ কংগ্ৰেছকো সকলো কথা ৰিপোৰ্ট যোগে জনোৱা হ'ল। বৰদলৈদেৱে টেলিগ্ৰাম পায়েই কংগ্ৰেছ সভাপতি মৌলানা আজাদ চাহাবলৈ টেলিগ্ৰাম কৰি নেতাসকলৰ উক্ত ধাৰণা যে ভুল, তাক বুজাই দিয়াৰ উপৰিও নিজে আহি সভাপতিক লগ ধৰি সকলো বুজায় দিয়েছি।

ইয়াৰ পিছত ১০ জুনৰ দিনা দিল্লীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি মৌলানা তৈয়বুল্লা চাহেব, ফখৰুদ্দিন আলি আহমেদ, শ্ৰীদেবেশ্বৰ শৰ্মা, অমিয়কুমাৰ দাস, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী আৰু প্ৰদেশ কংগ্ৰেছৰ উক্ত প্ৰতিনিধি-সকলে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ আগত অসমক 'চি' ছেক্সনত আৰু গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা ব্যৱস্থাৰ প্ৰতিবাদ কৰে আৰু এই ব্যৱস্থা ৰদ

কৰিবলৈ টানি অনুৰোধ জনায়  কংগ্ৰেছ ৱৰ্কিং কমিটিৰ হৈ সভাপতি মৌলানা চাহাবে অসমৰ কথাত যথেষ্ট যুক্তি আছে বুলি স্বীকাৰ কৰে আৰু কেবিনেট মিছনৰ আঁচনিৰ এই ব্যৱস্থাৰ সংশোধন কৰিবলৈ তেওঁবিলাকে চেষ্টাৰ ক্ৰুটি নকৰে বুলি আশ্বাস দিয়ে। এই আশ্বাসে অসমৰ নেতাসকলক কিছু আশ্বস্ত কৰিলেও কেবিনেট মিছনে ৱৰ্কিং কমিটিৰ এই অনুৰোধ অগ্ৰাহ্য কৰিলে ৱৰ্কিং কমিটিয়ে শেষ সিদ্ধান্ত কি ল'ব, সেই বিষয়ে স্পষ্ট আভাস নোপোৱাত শাখা পৰিষদলৈ অসম যাবলগীয়া হ'লে আৰু গ্ৰুপত সোমাবলগীয়া হ'লে অসমে শাখা পৰিষদত যোগকে নিদিয়ে বুলি জনাই সভাপতিৰ হাতত এখন স্মাৰক পত্ৰ দি আহে। কেবিনেট মিছনে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ এই অনুৰোধত সন্মতি জনাব নোৱাৰাত ৱৰ্কিং কমিটিয়েও এই ধাৰা সম্পৰ্কে গণ পৰিষদে নিজৰ ব্যাখ্যা দি কাম কৰি যাব বুলি ঘোষণা কৰে আৰু সাত জুলাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়েও এই সিদ্ধান্তক অনুমোদন জনায়। ৱৰ্কিং কমিটিয়ে এই সিদ্ধান্তত গান্ধীজীৰ সমৰ্থনো লাভ কৰে। ৱৰ্কিং কমিটিয়ে লগতে বৰদলৈদেৱক অসম বিধান সভাৰ তৰফৰপৰাও সৰ্বসন্মতিক্ৰমে এনে ধৰণৰ প্ৰস্তাৱ অহাটো ভাল বুলি কয়। ৱৰ্কিং কমিটিৰ এই পৰামৰ্শই শেষত অসমৰ কাৰণে পাশুপাত অস্ত্ৰ হৈ দেখা দিয়ে। অসমৰ নেতাসকল এই পৰামৰ্শত সন্তুষ্ট হ'ল আৰু বৰদলৈদেৱ সেই সময়ত দিল্লীতে থকাত তেওঁক ৱৰ্কিং কমিটিবপৰা প্ৰস্তাৱৰ খচৰা এটা লৈ যাবলৈ অনুৰোধ কৰা হ'ল। বৰদলৈদেৱে ৱৰ্কিং কমিটিৰপৰা গণপৰিষদলৈ নিৰ্বাচিত হোৱা প্ৰতিনিধিসকলে কেবিনেট আঁচনি সম্পৰ্কে কি ব্যৱস্থা ল'ব, সেই নিৰ্দেশেৰে এটি খচৰা প্ৰস্তাৱ বিচাৰিছিল; কিন্তু মৌলানা চাহাবে তেতিয়াই প্ৰস্তাৱটো দিব নোৱাৰাত ৱৰ্কিং কমিটিৰে সভ্য এগৰাকীয়ে প্ৰস্তুত কৰা প্ৰস্তাৱ এটাকে মৌলানা চাহাবৰ অনুমোদনৰ কাৰণে বিশেষ কটকী এগৰাকীৰ হাতত পঠিওৱা হ'ল। সেই প্ৰস্তাৱটো পঢ়ি মৌলানা চাহাবে বৰদলৈদেৱলৈ লেখিলে, "বৰ্তমানৰ সমস্যাটো হৈছে গ্ৰুপত সোমোৱা-নোসোমোৱালৈ এটা সমস্যা। তুমি ৱৰ্কিং কমিটিৰ সিদ্ধান্তৰ কথা যেতিয়া জানা, তেতিয়া তাৰে আলম লৈ প্ৰস্তাৱটো ৰচনা কৰিবা আৰু গণ পৰিষদৰ সভ্যসকলৰ দ্বাৰা গঠিত বাছনি বোৰ্ডৰ দ্বাৰা প্ৰস্তাৱটোৰ শব্দবোৰ পৰীক্ষা কৰাই তাক নিয়মসঙ্গতভাৱে প্ৰস্তুত কৰিবা।" বৰদলৈদেৱে সেইমতে বাছনি বোৰ্ডৰ ওচৰত প্ৰস্তাৱটো দাখিল কৰিলে আৰু বাছনি বোৰ্ডেও এটা নে দুটা

শব্দ অলপ ইফাল সিফাল কৰি মূল প্ৰস্তাৱটো প্ৰায় অপৰিবৰ্তিতভাৱেই ৰাখিলে। প্ৰস্তাৱটোৰ মূল কথা আছিল (১) অসম বিধান সভাই গণ-পৰিষদলৈ নিৰ্বাচিত কৰা প্ৰতিনিধিসকলেহে অসমৰ সংবিধান ৰচনা কৰিব। (২) এই প্ৰতিনিধিসকলে নিজ প্ৰদেশৰ সংবিধান ৰচনাৰ কাৰণে কোনো শাখা বা সংঘ ৰাজ্যৰ দ্বাৰা আহ্বান কৰা কোনো সভাতে যোগ নিদিব। (৩) কোনো সংঘ ৰাজ্যই নিজ সংখ্যাধিক্যৰ ভোটেৰে অসমৰ স্বাৰ্থৰ প্ৰতি-কূলে সংবিধান ৰচনা কৰিবলৈ ওলালে অসমৰ প্ৰতিনিধিসকলে তাৰ বিৰো-ধিতা কৰিব। মুঠতে অসমৰ গণপৰিষদৰ সভ্যসকলক ছেক্সনলৈ নাযাব-লৈকে নিৰ্দেশ দিয়া হয়।

এই প্ৰস্তাৱটো অসম বিধানসভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। অসম বিধান সভাৰ মুছলিম লীগৰ সভ্যসকলেও কংগ্ৰেছৰপৰা অনা এই প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰাটো বৰদলৈদেৱৰ ৰাজনৈতিক কুশলতাৰ আৰু তেওঁৰ বৌদ্ধিক প্ৰতিভাৰ এটি উজ্জ্বল নিদৰ্শন। এই প্ৰস্তাৱটো উত্থাপন কৰি বৰদলৈদেৱে দিয়া ভাষণ আৰু বিৰোধী দলৰ নেতা ছাৰ মহম্মদ শ্বাদুল্লাই মুছলিম লীগৰ প্ৰতিনিধি হিচাপে লীগৰ সুৰেৰে এই প্ৰস্তাৱৰ বিৰোধিতা কৰি অথচ শেষত অতি কৌশলেৰে সমৰ্থন জনাই দিয়া ভাষণ অসম বিধান সভাৰ বুৰঞ্জীত এটি উল্লেখনীয় অধ্যায়। দুয়োৰো ভাষণে দুজন দেশপ্ৰেমিকৰ পূৰ্ণ পৰিচয় দাঙি ধৰে। বৰদলৈদেৱৰ যুক্তিপূৰ্ণ ভাষণৰ প্ৰতিটো যুক্তিকে শ্বাদুল্লা চাহাবে নিজৰ অখণ্ডনীয় যুক্তিৰে কাটি গৈয়ো শেষত অসমবাসীৰ বুকুৰ ব্যথা নিজ অনুভূতিৰে অনুভৱ কৰা জন-নায়ক এজনৰ প্ৰকৃত দায়িত্বৰে কৈ উঠে, "ইমান পৰে আমি যিবোৰ আলোচনা কৰিলো সকলো অবান্তৰ। মূল কথা হ'ল আমি গণপৰিষদলৈ দুগৰাকীমান প্ৰতিনিধি নিৰ্বাচন কৰি পঠিয়াব লাগে যিসকলে তালৈ গৈ অসমৰ সংবিধান ৰচনা কৰিব।" তেওঁৰ সমৰ্থনৰ এই সুৰকে আশ্ৰয় কৰি বৰদলৈদেৱে তেওঁৰ প্ৰস্তাৱৰ উত্তৰ দিওঁতে শ্বাদুল্লা চাহাবক উদ্দেশ্য কৰি কয় যে শ্বাদুল্লা চাহাবৰ দেশ প্ৰেমৰ ওপৰত তেওঁৰ সন্দেহ নাই। তেওঁ এই সদনতে অসমৰ স্বাৰ্থৰ হকে এই প্ৰস্তাৱ লিপি-বদ্ধ কৰাৰ নিচিনা কথাকে বহুবাৰ দোহাৰিছিল, সেয়ে তেওঁ এই প্ৰস্তাৱ নিশ্চয় সমৰ্থন কৰিব। বৰদলৈদেৱে উত্তৰ দিওঁতে বিধানসভাৰ সময় প্ৰায় শেষ হৈ আহিছিল। বিৰোধী পক্ষই কোনো আপত্তি নকৰাত প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

অসম বিধান সভাই এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ ছয় দিনমান পিছতে নেহেৰুজী নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতি হয়। তেওঁ ইতিমধ্যে গান্ধীজীৰ লগত পৰামৰ্শ নকৰাকৈয়ে কংগ্ৰেছ কেবিনেট মিছনৰ শাখা সম্পৰ্কীয় ব্যাখ্যাৰ ৰায় ফেডাৰেল কোৰ্টৰপৰা গ্ৰহণ কৰিব বুলি ৰেডিঅ' যোগে ঘোষণা কৰে। তেওঁ এই ঘোষণা অন্তৰ্বৰ্তী চৰকাৰৰ মুৰব্বী হিচাপে কৰিছিল। গান্ধীজীয়ে এই সময়তে নেহৰুজীক এষাৰ কথা কৈছিল। তেওঁ নেহৰুজীক ইয়াকে বুজাইছিল যে তেওঁ ভাৰতৰ মূক জনগণৰ প্ৰতিনিধি, তেওঁবিলাকৰ হৈ কথা কওঁতে তেওঁ যেন তেওঁবিলাকৰ মুখকিখনৰ ছবি মনত পেলাই কথা কয়--সেই ভাষাহীন, নিৰ্বাক মুখকিখনৰ কথা যেন নাপাহৰে। নেহৰুজীয়ে অসম বিধান সভাৰ এই প্ৰস্তাৱটো ভাল পোৱা নাছিল; কাৰণ, মুছলিম লীগে কংগ্ৰেছ আৰু অসমৰ এই সিদ্ধান্তৰ প্ৰতিবাদ জনাই গণপৰিষদ বৰ্জন কৰিবলৈ স্থিৰ কৰিছিল। তেওঁ সেই দেখি কংগ্ৰেছ সভাপতি হিচাপে বৰদলৈদেৱলৈ লেখিলে যে অসম বিধান সভাই প্ৰস্তাৱটো উবাজুৱাকৈ গ্ৰহণ কৰিলে যেন লাগিছে; ছেক্সন আৰু গ্ৰুপ সম্বন্ধে তেওঁবিলাকৰ ধাৰণাৰ খেলিমেলি আছে। আচলতে ছেক্সনে গ্ৰুপলৈ নগৈও ছেক্সন হিচাপেই নিজৰ প্ৰাদেশিক সংবিধান তেওঁলোকে ৰচনা কৰিব পাৰিব। ইয়াৰ উত্তৰত বৰদলৈদেৱে নেহৰুজীক দৃঢ়ভাৱে জনায় যে অসম বিধান সভাৰ প্ৰস্তাৱত একো খেলিমেলি নাই; বৰং তেওঁৰ অনাওঁৰ ভাষণতহে অসমৰ ৰাইজে কিছু খেলিমেলি পাইছে। খুব সম্ভৱ প্ৰস্তাৱটো ওপৰে ওপৰে চাই লৰা-লৰিকৈ ভাষণ দিয়াত তেনে হ'ল। সি হওঁক, প্ৰদেশবিলাকক এটা সমষ্টি হিচাপে ধৰি লৈ ছেক্সন বা শাখাত কাম কৰাৰ ক্ষমতা দিব লাগে আৰু ছেক্সনত ৰাজ্যবিলাকৰ সৰহসংখ্যক সভ্য ৰখাৰো কোনো প্ৰয়োজন নাই। মুঠতে বৰদলৈদেৱে নেহৰুজীক এইটোকে বুজাই লেখিছিল যে প্ৰদেশবিলাকক নিজৰ সংবিধান নিজে ৰচনা কৰাৰ সম্পূৰ্ণ অধিকাৰ দিব লাগিব। এই চিঠিৰ উত্তৰতো নেহৰুজীয়ে বৰদলৈদেৱক ইয়াকে বুজাবলৈ বিচাৰিছিল যে অসমে ছেক্সনলৈ গৈও নিজৰ সংবিধান নিজে ৰচনা কৰিব পাৰিব। ৱৰ্কিং কমিটিয়ে দেশৰ পৰিস্থিতি পৰ্যালোচনা কৰি যেতিয়া ফেডাৰেল কোৰ্টৰ ৰায়কে শেষ ৰায় বুলি মানি লবলৈ সিদ্ধান্ত ল'লে, তেতিয়া আমাৰ নিজ সিদ্ধান্তৰ বিৰুদ্ধে যোৱাৰ উপায় নাই; কিন্তু আমি অসমৰ নিচিনা এখন প্ৰদেশক নিজৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ কেতিয়াও নিদিওঁ। বৰদলৈদেৱে এই কথাতো

প্ৰতীয়মান নহ'ল গণপৰিষদৰ অসমৰ সদস্যসকলৰ গোহাৰিৰে নেহৰুজীক আকৌ জনালে যে, কেবিনেট মিছনৰ শেহতীয়া ব্যাখ্যাই গ্ৰুপিং কমিটিৰ সেই আশ্বাসক অৰ্থহীন কৰি পেলাইছে। তেওঁবিলাকৰ সেই ব্যাখ্যা মানি ল'লে 'চি' ছেক্সন বা শাখা পৰিষদৰ সদস্যসকলে সাধাৰণ সংখ্যা গৰিষ্ঠতাৰে অসমৰ সংবিধান ৰচনা কৰিব—তাৰ মানে আমি দুয়োখন সংবিধানৰ কাৰণে মুছলিম লীগৰ অনুগ্ৰহৰ ওপৰত বৰ্তি থাকিব লাগিব। এনে এটা পৰিস্থিতিত অসমৰ গণপৰিষদৰ সদস্যসকলে ছেক্সনলৈ নোযোৱাটোকে স্থিৰ কৰিছে। তাৰ উপৰি গ্ৰুপিং কমিটিয়ে কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত মত বিৰোধ দেখা দিলে তাৰ শেষ ৰায় ফেডাৰেল কোৰ্টৰ ওপৰত এৰি দিয়াত অসমৰ অৱস্থা আৰু বিপদজনক হৈছে। সেইদেখি অসমৰ সদস্যসকলে অসম বিধান সভাৰ যি নিৰ্দেশ, তাক মানি ছেক্সনলৈ নাযাবলৈকে স্থিৰ কৰিব।

তেওঁবিলাকে গ্ৰুপিং কমিটিক এই বুলি গোহাৰি জনায় যে

(১) গ্ৰুপিং কমিটিয়ে কেবিনেট মিছনে ১৯ (৫) আৰু (৬) ধাৰাৰ যি ব্যাখ্যা দাঙি ধৰিছে তাক একোতেই মানিব নালাগে।

(২) বৰ্তমানৰ পৰিবৰ্তিত পৰিস্থিতিত মেল নিষ্পত্তি কৰা অধিকাৰ ফেডাৰেল কোৰ্টৰ হাতত থাকিব নালাগিব।

(৩) বৃটিছ চৰকাৰক ভাৰতীয় গণপৰিষদৰ কথাত হস্তক্ষেপ কৰিবলৈ নিদি গণপৰিষদে নিজকে সাৰ্বভৌম অনুষ্ঠান বুলি ঘোষণা কৰি নিজ সংবিধান নিজে ৰচনা কৰিব—ছেক্সন আৰু গ্ৰুপ সম্পৰ্কে আৰু তেনে সকলো বিষয়তে গণপৰিষদৰ ৰায়েই শেষ ৰায় হ'ব—গণপৰিষদৰ হাতত সকলো ক্ষমতা অৰ্পিত হ'ব লাগিব।

বৰদলৈদেৱে আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে অসমৰ কথা কওঁতে উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু শিখ ভাইসকলৰ নিৰাপত্তাৰ কথাও ক'বলৈ পাহৰা নাছিল। অসমৰ সমস্যাৰ লগতে তেওঁবিলাকৰ সমস্যাও অসমৰ প্ৰতিনিধিসকলে দাঙি ধৰিছিল। সেই কাৰণে সেই দুখন প্ৰদেশৰ কৰ্মীসকলে বৰদলৈদেৱক আৰু অসম কংগ্ৰেছক তেওঁলোকৰ ত্ৰাণকৰ্তা ৰূপে কাম কৰি আছে বুলি কৃতজ্ঞতাৰে কৈছিল।

অসমৰ সদস্যসকলৰ এই গোহাৰিয়ে নেহৰুজীক উত্তেজিত কৰি তোলে। তেওঁ উত্তেজনাৰ মুহূৰ্তত হেনো কৈছিল যে অসমে লীগৰ দৰে আকোঁৰগোজ

মনোভাব লৈ দেশৰ সৰ্বনাশ কৰিব খুজিছে।

অসম বিধান সভাৰ প্ৰস্তাৱটোৱেই বৰদলৈদেৱৰ ৰক্ষাকবচ আছিল আৰু তাৰে আলম লৈ তেওঁ কুশলতাৰে এই কূটনৈতিক ৰণ চলাইছিল। সেইদেখি পট্টাভি সীতাৰামায়াই এবাৰ আমাক কৈছিল, "তোমালোকৰ বৰদলৈৰ ওজন এপিনে আৰু আনপিনে গোটেই কংগ্ৰেছ ৱৰ্কিং কমিটি।" বৰদলৈয়ে গহীন-গম্ভীৰ, ধীৰ-স্থিৰভাৱে গোটেই ৱৰ্কিং কমিটিকে প্ৰত্যাহ্বান জনাব পাৰিছিল এই কাৰণেই যে অসম বিধান সভাক এনে প্ৰস্তাৱ এটা আনিবলৈ ৱৰ্কিং কমিটিয়েই অনুৰোধ কৰিছিল আৰু মৌলানা চাহাবেই সেই প্ৰস্তাৱৰ পাণ্ডুলিপিও চাই দিছিল আৰু এজন বিশেষ কটকীয়ে সেই প্ৰস্তাৱ বৰদলৈদেৱৰ হাতত দিছিলগৈ। অসমৰ জনতাৰ বিপুল সমৰ্থনত বৰদলৈদেৱে ৱৰ্কিং কমিটিক সাহেৰে ক'ব পাৰিছিল যে তেওঁলোকে আন এজনক মুখ্যমন্ত্ৰীৰ দায়িত্ব দি তেওঁক বেগাই দিব পাৰে যদি তেনে কোনোজনে অসমক গ্ৰুপত সোমাবলৈ বাধ্য কৰাব পাৰে। গণদেৱতাৰ সমৰ্থনপুষ্ট এই অমিত সাহে তেওঁক অসমৰ জীৱন-মৰণ এই ৰণৰ মহাৰথী কৰি তুলিছিল।

তেওঁৰ কূটনৈতিক কুশলতাৰ আন এটি পৰিচয় পোৱা যায় ৰেভাৰেণ্ড নিকলছ ৰয়ৰ নিচিনা এজনক কংগ্ৰেছলৈ অনাত। যি নিকলছ ৰয়ে কেবিনেট মিছনৰ প্ৰস্তাৱক স্বাগত জনাইছিল, সেই নিকলছ ৰয়েই নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বিশেষ গোপন অধিবেশনত যিদিনা এই প্ৰস্তাৱৰ বিৰোধিতা কৰে সেইদিনা বৰদলৈদেৱৰ ৰণ-কৌশলৰে জয় ঘোষণা হৈছিল।

বৰদলৈদেৱৰ ৰাজনৈতিক জীৱনৰ চৰমতম সাফল্য হ'ল গ্ৰুপিং সমস্যাৰ সময়ত গান্ধীজীৰপৰা অসমৰ সমৰ্থন লাভ। এই সমৰ্থনে ৱৰ্কিং কমিটিৰ ভাৰসাম্য বিপন্ন কৰি তুলিছিল আৰু অৱশেষত পৰিস্থিতিৰ ওচৰত ৱৰ্কিং কমিটিয়ে নতি স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল।

এই ব্যক্তিত্বসম্পন্ন মানুহজনৰ জীৱনৰ আন এটি ব্যক্তিত্ব প্ৰকাশ পাইছিল তেওঁৰ স্পৰ্শকাতৰ অভিমানী ব্যক্তিত্বত। ঘৰুৱা জীৱন, ৰাজনৈতিক জীৱন এই দুয়ো জীৱনতে ইয়াৰ প্ৰকাশ আমি দেখিছিলো।

১৯৩১ চনত পলাশবাৰীৰ বৰদুৱাৰৰ ওচৰত জিলা কংগ্ৰেছৰ এখন সভা বহিছিল। তাতেই বাজহুৱাভাৱে বৰদলৈদেৱক মই প্ৰথমে দেখো। লোক-বন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাৰ বিশেষ অনুৰোধত বৰদলৈদেৱে চমুকৈ দুআষাৰ

কৈছিল; কিন্তু সেই বক্তৃতা অতি প্ৰাণস্পৰ্শী বক্তৃতা আছিল। মোৰ কিশোৰীমনে ৰাজনীতিৰ কথাবোৰ সেই সময়ত বিশেষকৈ বুজি নাপালেও সেই বক্তৃতাৰ মূল উদ্দেশ্য যেন অলপ অলপ বুজি পাইছিল। অসমৰ বিশেষ পৰিস্থিতিৰ কাৰণে কামৰূপৰ বহু কৰ্মীৰে ভাব হৈছিল যে বৰদলৈদেৱ আকৌ সক্ৰিয় ৰাজনীতিলৈ নামি আহিব লাগে। বৰদলৈদেৱ কংগ্ৰেছৰপৰা আঁতৰি যোৱা নাছিল; কিন্তু নানা কাৰণত সক্ৰিয়ভাৱে লাগি থাকিব পৰা নাছিল। আমি লক্ষ্য কৰিছিলো, তেওঁ বক্তৃতা দিওঁতে যেন অলপ ৰঙা পৰি উঠিছিল আৰু অকণমান লাজ আৰু সঙ্কোচৰ ভাবেৰে কথাবোৰ কৈছিল। ঘৰলৈ আহি ডাঃ ভুবনেশ্বৰ মোমাইদেউক ইয়াৰ কাৰণ সোধাত মোমাইদেৱে কৈছিলে যে ১৯৩০ চনত তেওঁৰ ৰাজনৈতিক দৃষ্টিভংগীক অসমৰ বহু কৰ্মীয়ে ভালভাৱে গ্ৰহণ কৰা নাছিল। তেওঁলোকে বৰদলৈক ভুল বুজিছিল। বিশেষকৈ ভুল বুজিছিল এটা কথাত, যিদিনা তেওঁ প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হ'ব বুলি কথা দিও শেষত হ'ব নোৱাৰিলে। ১৯৩০ চনত শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াৰ গ্ৰেপ্তাৰৰ পাছত প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ পদ খালি হোৱাত সভাপতিৰ বাবে কেবাগৰাকীও বয়োজ্যেষ্ঠ নেতাৰ নাম প্ৰস্তাৱ কৰা হয়, কিন্তু কোনেও মান্তি হ'ব খোজা নাছিল। কৰ্তৃপক্ষই এই কথাষাৰৰ সুবিধা লৈ এই কথাকে প্ৰচাৰ কৰিছিল যে চৰকাৰৰ দমন-নীতিৰ ভয়ত আজি কোনেও সভাপতিৰ পদ ল'ব নোখোজে। কৰ্মীসকলে নেতাসকলক এই দায়িত্ব ল'বৰ বাবে কাকুতি কৰি ফুৰিবলগীয়া হৈছে। বৰদলৈদেৱ ৰাজী হোৱাত সকলো কৰ্মীয়ে সন্তোষ পাইছিল; কিন্তু শেষ মুহূৰ্তত ব্যক্তিগত আৰু ৰাজহুৱা বহু কাৰণত অমান্তি হ'বলগীয়া হ'ল। ইয়াৰ ভুল ব্যাখ্যা হ'ল যে তেওঁ জেললৈ যাবলৈ বিচৰা নাই। ৰাজনীতিত কৰ্মীসকলৰ যে সুকীয়া দৃষ্টিভংগী থাকিব পাৰে, অসমৰ কৰ্মীসকলে সেইটো তেতিয়াও উপলব্ধি কৰা নাছিল। যি হওক, শেষত যাদৱচন্দ্ৰ চলিহা দেৱক সভাপতি কৰা হ'ল আৰু অমিয় কুমাৰ দাসদেৱক ডিক্টেটৰ মনোনীত কৰা হ'ল। ডিক্টেটৰৰ নামত সকলো কাম হ'লেও চলিহাদেৱ সভাপতিৰ পদত থাকিল। বৰদলৈদেৱে কৰ্মীসকলে তেওঁক ভুল বুজা কথাষাৰত বৰ আঘাত পাইছিল আৰু তেওঁৰ অভিমানী ব্যক্তিত্বই সেই কথাষাৰ পাহৰিব পৰা নাছিল। ১৯৩১ চনত নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে তেওঁৰ উপলব্ধিখিনিকে অনুভৱ কৰাত আকৌ তেওঁ কংগ্ৰেছৰ সক্ৰিয় ৰাজনীতিলৈ উভতি আহে। তেওঁ সংসদী

ৰাজনীতিত যিদৰে বিশ্বাস ৰাখিছিল, ঠিক সেইদৰে গান্ধীজীৰ গঠনমূলক কাৰ্যপন্থাৰ প্ৰতিও বিশ্বাসী আছিল। সেই কাৰণে তেওঁৰ সময়তে আমি বহু গঠনমূলক অনুষ্ঠানৰ জন্ম হোৱা দেখিবলৈ পাইছিলো। এইবিলাক অনুষ্ঠানে আজিও পিছপৰা ভাইসকলৰ মাজত কাম কৰি আছে।

তেওঁৰ ৰাজনৈতিক জীৱনৰ অভিমানী ৰূপটো আৰু এবাৰ প্ৰকাশ পাইছিল ১৯৪৬ চনৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদস্য নিৰ্বাচনৰ সময়ত হোৱা পৰাজয়ত। তেওঁ সেই সময়ত নিজে মুখ্যমন্ত্ৰীৰ পদত থাকিও পৰাজয় বৰণ কৰিবলগীয়া হৈছিল। নিজৰ জনপ্ৰিয়তা হানিৰ কাৰণে নহয়, নতুন গুণানুপাতিক ভোটদানৰ অজ্ঞতাৰ কাৰণত। যিজনে অসমক গ্ৰুপৰ-পৰা ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল, সেইজনেই নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ গ্ৰুপ সম্বন্ধীয় আলোচনাত যোগ দিব নোৱাৰাটো সকলোৰে কাৰণে দুখৰ কাৰণ হৈছিল। তেওঁ এই কথাষাৰত অতি আঘাত পাইছিল আৰু সেই আঘাতৰ প্ৰকাশ মই এটি অতি সৰু কথাত গম পাইছিলো। বৰদলৈদেৱ বৰ স্বল্পভাষী মানুহ আছিল আৰু প্ৰয়োজনৰ অধিক কথা কেতিয়াও নকৈছিল। আমি বয়সত তেওঁতকৈ বহুত সৰু থকাত আমাৰ লগত ৰাজনৈতিক একো কথাকে নাপাতিছিল; কিন্তু ঠিক নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মিটিঙৰ আগদিনা তেওঁ হঠাতে মোক ক'লে, "মোকতো সদস্যসকলে নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ নাবাচিলে, তুমি প্ৰয়োজনতকৈ অধিক ভোট পাই নিৰ্বাচিত হ'লা। মোৰ ক'বলগীয়া কথাখিনি তুমিয়েই ক'বা। অসমক ৰক্ষা কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰিবা।" মই তেওঁ মিটিঙৰ দিনা দিল্লীত নাথাকিবনেকি বুলি সোধাত ক'লে, "মই অসমলৈ যাওঁ পিছত আহিম।" (এইখিনিতে কৈ থোৱা ভাল যে মই স্বইচ্ছাৰে প্ৰাৰ্থী হোৱা নাছিলো, প্ৰদেশ কংগ্ৰেছ কমিটিৰ হেঁচাতহে উঠিবলৈ বাধ্য হৈছিলো)।

বৰদলৈদেৱৰ সেই কথাকেইষাৰ মোৰ কাণত বাজি আছিল আৰু মোৰ বিবেকে মোক যেন প্ৰতি মুহূৰ্তে সঁকিয়াই আছিল অসমক ৰক্ষা কৰিবৰ কাৰণে যি প্ৰস্তুতিৰ প্ৰয়োজন, তাৰ বাবে প্ৰস্তুত হবলৈ। পিছদিনা দিল্লীৰ কনষ্টিটিউছন হাউছত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ গোপন বৈঠক বহিল। নেহৰুজীয়ে ৱৰ্কিং কমিটিৰ হৈ প্ৰস্তাৱ দাঙি ধৰিলে। নেহৰুজীৰ সেই প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ উঠোঁতে মোৰ চকুৰ আগত ওপঙি ফুৰিছিল সদৌ অসমবাসীৰ অসহায় মুখবোৰ— বৰদলৈদেৱৰ সেই কথাকেইষাৰ, যি

কথাকেইমাৰে মোক প্ৰেৰণা যোগাইছিল দ্ৰোণাচাৰ্যৰ নিচিনা গুৰুসকলৰ প্ৰতিও বাক্যবাণ নিক্ষেপ কৰিবলৈ। তেওঁবিলাকক নতশিৰে সবিনয়ে বুজাই দিয়া হৈছিল, কিমান আঘাতেৰে - কিমান অভিমান আৰু বেজাৰেৰে অসমে আজি তেওঁবিলাকব শ্ৰদ্ধাৰ গুৰুতুল্য বীৰসকলক এটা নীতিৰ কথাত প্ৰত্যাহ্বান জনাবলগীয়া হৈছে। বৰদলৈদেৱৰ সবল নেতৃত্বৰ বলত অসম জয়ী হ'ল। ৱৰ্কিং কমিটিয়ে পৰাজয় বৰণ কৰাতকৈ পুৰোষোত্তম দাস টেণ্ডনজীৰ সংশোধনী প্ৰস্তাৱটো মানি ললে। গণপৰিষদৰ সাৰ্বভৌমত্ব স্বীকৃত হ'ল। গান্ধীজীৰ আশীৰ্বাদলব্ধ অসমে আত্মসম্মান ৰক্ষা কৰিব পাৰিলে। বৰদলৈদেৱ নিজে সভাত উপস্থিত নাথাকিও আঁতৰৰপৰাই সদস্যসকলক প্ৰেৰণা যোগাই থাকিল।

বৰদলৈদেৱে নিজে আশাশুধীয়াভাৱে কাম কৰিছিল আৰু আনৰপৰাও একে নিষ্ঠাকেই বিচাৰিছিল, তাৰ অভাব দেখিলেই তেওঁ গভীৰ আঘাত পাইছিল। দিল্লীত তেওঁৰ লগত একেলগে থাকিবলগীয়া হওঁতে তেওঁৰ প্ৰিয় পৰিচাৰক মুক্তিৰ ওপৰত অভিমান কৰি ভাত নাখাই শুই থাকিছিল, তেতিয়া তেওঁৰ শিশু কোমল মনটোৰ আন এটা ৰূপো প্ৰকাশ পাইছিল।

তেওঁ হাজাৰ কৰ্তব্যৰ মাজতো পিতাৰ কৰ্তব্য, ভাতৃৰ কৰ্তব্য, স্বামীৰ কৰ্তব্য কৰিবলৈ নাপাহৰিছিল। অসমৰ জটিল ৰাজনৈতিক পৰিস্থিতিয়ে যেতিয়া তেওঁক খোৱা-শোৱাৰ সময় উলিয়াই দিব পৰা নাছিল, তেনে অৱস্থাতো তেওঁ যেতিয়া শুনিলে যে তেওঁৰ দ্বিতীয় কন্যা পুতুৱে দেউতাকক অসুখৰ সময়ত ওচৰত নাপাই একো নোখোৱাকৈ আছে আৰু দেউতাকে নিজ হাতে খুৱাই নিদিয়ালৈকে একো নাখায়, তেতিয়া তেওঁ সহকৰ্মীসকলক ক'লে, "দেউতাক হিচাপে ছোৱালীৰ প্ৰতি মোৰ এটা কৰ্তব্য আছে, খন্তেকৰ কাৰণে হ'লেও মই হস্পিতেলৰপৰা আহিবগৈ লাগিব।" দেউতাকে নিজ হাতে খোৱা মুখত তুলি দিয়াৰ পিছতহে অভিমানী কন্যাৰ অভিমান ভাঙে। অকালতে মাতৃহীন হোৱা বৰদলৈদেৱৰ মাতৃসম বাইদেৱেকৰ প্ৰতি যি গভীৰ শ্ৰদ্ধা আছিল—মুখ্যমন্ত্ৰী হৈ থকা কালতো সেই সেৱা-পৰিচৰ্যাৰপৰা তেওঁৰ বাইদেৱেক বঞ্চিতা হোৱা নাছিল। সুমধুৰ কণ্ঠৰ অধিকাৰী বৰদলৈদেৱে কঠোৰ বাস্তৱৰ মাজতো সুৰৰ নিজৰাক বাধা দিয়া নাছিল। বৰগীতৰ সুৰীয়া মাতৰ অধিকাৰী সেয়ে তেওঁৰ পুত্ৰ-কন্যাও হ'ব পাৰিছে। তেওঁৰ লেখাই সাহিত্যক বিবিধ উপচাৰেৰে সজাব নোৱাৰিলে সঁচা; কিন্তু জীৱনী-সাহিত্যৰ ক্ষেত্ৰত তেওঁৰ দান নগণ্য নহয়। মহৎ জীৱনৰ জীৱনীয়ে

তেওঁক প্ৰেৰণা যোগাইছিল। গীতাৰ অনাসক্তি যোগৰ কথা তেওঁ লিখনিৰেই লেখা নাছিল; জীৱনেৰেও লেখিছিল। সেয়ে তেওঁ তেওঁৰ পত্নীক সদায়েই কৈছিল আসক্তিবিহীন হৈ কৰ্তব্য কৰি যাবলৈ। তেওঁ কৈছিল যে ক্ষন্তেকৰ কাৰণে পোৱা সা-সুবিধা চিৰস্থায়ী নহয়। ভৱিষ্যতৰ দুখৰ জীৱনৰ কাৰণে সদায়েই প্ৰস্তুত থাকিব লাগে। তেওঁৰ জীৱনটোৱে বহু সপোন দেখিছিল। জনম লোৱা দেশখনৰ নিঃকিন ছবিখন তেওঁ উজ্বলাই তুলিবলৈ বিচাৰিছিল। জাতিটোক কলাসুলভ মন এটাৰ অধিকাৰী কৰিবলৈ কল্পনা কৰি স্কুলৰ পৰিবেশবিলাকক প্ৰাকৃতিক সৌন্দৰ্যেৰে শুৱনি কৰি তুলিবলৈ বিচাৰিছিল। সঙ্গীত-নাটকৰ মাধ্যমেৰে জাতিটোক ৰসগ্ৰাহী মন এটা দিবলৈ বিচাৰিছিল। নিয়তিয়ে তেওঁৰ জীৱন-নাটৰ পৰিসমাপ্তি ঘটালে অতি নাটকীয়ভাৱে—নাটক চাই উঠি যোৱাৰ লগে লগেই। তেওঁ তেওঁৰ পৰম বন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাদেৱক এবাৰ কৈছিল, "মই ভৱিষ্যত অসমৰ মুখ্যমন্ত্ৰীৰ কাৰণে কাৰ কথা কল্পনা কৰিছো ক'ব পাৰিবনে? তেওঁ হৈছে সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই।" অসমৰ পৰ্বত-ভৈয়াম জাতি-উপজাতিৰে গঢ় খাই উঠা এই বাৰেবৰণীয়া সংস্কৃতিৰ ধাৰিকা-শক্তিৰ উহ ক'ত তেওঁ বিচাৰি পাইছিল? তেওঁ আৰু তিনিগৰাকী ডেকাৰ নাম সেই প্ৰসঙ্গত উল্লেখ কৰিছিল—তেওঁলোক আছিল বিমলা প্ৰসাদ চলিহা, শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী আৰু শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী। যি নেতৃত্বই নিজৰ স্থিতিৰ কথাকে ভাবি নাথাকি ভৱিষ্যতৰ কথা ভাবে তেওঁৰেই প্ৰকৃত ৰাজনৈতিক দ্ৰষ্টা নামৰ অধিকাৰী হ'ব পাৰে। প্ৰকৃত ৰাজনীতিজ্ঞৰ পূৰ্ণ পৰিচয় ক্ষমতাৰ অৰিয়া-অৰিত নহয়; সেৱা, ত্যাগ আৰু মেধাৰ পৱিত্ৰ সংযোগতহে পোৱা যায়। বৰদলৈদেৱৰ সেৱাব্ৰতী জীৱনটোৱে অসমাপ্ত সঙ্গীতৰ সুৰ এটি হৈ হেৰাই যাব নোৱাৰে। ভৱিষ্যতৰ উত্তৰাধিকাৰীসকলে তাতেই ন-জীৱন দি নতুন সুৰৰ সঞ্চাৰ কৰিব লাগিব—যি সুৰ আহিবলগীয়া যুগটোৰ কাৰণে গ্ৰহণীয়।

# শঙ্কৰদেৱৰ পিছতে

## গৌৰীশংকৰ ভট্টাচাৰ্য

ব্ৰহ্মপুত্ৰ, মহাবাহো, শান্তনুকুলনন্দন,
অমোঘাগৰ্ভসম্ভূত, পাপং লৌহিত্যমে হৰ !

নাতিদীৰ্ঘ সুঠাম কলেবৰ গম্ভীৰ প্ৰকৃতিৰ শুভ্ৰবসন সুদৰ্শন পুৰুষজন গদগদকণ্ঠে লৌহিত্য-স্তৱ গাই লাহে লাহে গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাটৰ পানীত নামিব ধৰিছে। হাতত পবিত্ৰ মৃন্ময় পাত্ৰত গান্ধীজীৰ অস্থি-ভস্ম। অভ্ৰ-ভেদী হিমগিৰিৰ হৃৎপিণ্ড নিগৰি অমোঘ পৌৰুষেৰে তিব্বত উজাৰি সাগৰ-সঙ্গমৰ যাত্ৰাপথত সুজলা-সুফলা শস্য-শ্যামলা নিৰুপমা অসমৰ মুখ উজলোৱা শান্তনুকুলনন্দনৰ পুত-প্ৰবাহেৰে ভাৰতবৰ্ষৰ পশ্চিম প্ৰান্তত ওপজা আধুনিক ভাৰতীয় জাতীয়তাৰ জনকৰ পুতাস্থি মহাপ্ৰয়াণৰ পথত উচৰ্গা কৰিব ভাৰত-বৰ্ষৰ পূৱ প্ৰান্তৰ প্ৰাগজ্যোতিষপুৰৰ জাতীয় নেতা গোপীনাথ বৰদলৈদেৱে ! সমস্ত অনুষ্ঠানটোৱেই যেন এটা ৰূপক। অসমীয়া জাতি আৰু ভাৰতীয় মহাজাতিৰ সম্পৰ্ক আৰু সমন্বয়ৰ ৰূপৰেখা !

গান্ধীজীৰ ৰাজনৈতিক দৃষ্টিভঙ্গী অনুধাবন কৰিবলৈ ভাৰতীয় মহাজাতীয়-তাৰ মৰ্মকথা বুজিব লাগিব। গোপীনাথ বৰদলৈৰ ৰাজনৈতিক মূল্যায়ন কৰিব খুজিলে ভাৰতীয় মহাজাতিৰ অবিচ্ছেদ্য কিন্তু বিশিষ্ট ধাৰা অসমীয়া জাতীয়তাৰ মৰ্মকথা উপলব্ধি কৰিব লাগিব।

য়ুৰোপীয় দৃষ্টিভঙ্গীৰে চালে জাতীয়তাবাদ মূলতঃ এটা ৰাজনৈতিক-অৰ্থ-নৈতিক প্ৰত্যয়। তাত ভাষা, সংস্কৃতি-সভ্যতাৰ আবেগৰ অবদান নিতান্ত গৌণ। য়ুৰোপীয় ধনবাদী সমাজৰ ৰাজনৈতিক-অৰ্থনৈতিক সম্প্ৰসাৰণৰ প্ৰয়োজনে তাৰ জাতীয়তাৰ গতিপথ নিয়ন্ত্ৰণ কৰে। তাৰ অব্যবহিত পৰিণতি আগ্ৰাসী সম্প্ৰসাৰণবাদ। কিন্তু গান্ধীজী আৰু গোপীনাথ বৰদলৈৰ মৌল জাতীয়তা আগ্ৰাসী সম্প্ৰসাৰণবাদী নাছিল। তাৰ কাৰণ ভাৰতৰ ইতিহাস আৰু ভাৰতীয় পৰম্পৰা।

বিকাশৰ বিভিন্ন স্তৰৰ বিভিন্ন জনগোষ্ঠীৰ সভ্যতা, সংস্কৃতি আৰু জীৱন-যাত্ৰাৰ ধাৰাক সামৰি বহু শতাব্দীৰ সাধ্যসাধনাৰ ফলত ভাৰতীয় সমাজ, সভ্যতা আৰু সাংস্কৃতিক জীৱনত অজস্ৰ বিৰোধ, বৈচিত্ৰ্য আৰু বৈপৰীত্য সত্ত্বেও গঢ়ি উঠিছিল এটা ভৌগোলিক, আবেগিক আৰু জীৱন-পদ্ধতিৰ সংহতি আৰু সমন্বয়। কিন্তু শ্ৰীৰামচন্দ্ৰৰ লঙ্কা-বিজয়, পৰশুৰামৰ প্ৰব্ৰজন, ৰাজ-ৰাজেশ্বৰসকলৰ ৰাজসূয় যজ্ঞসমূহ, উলুপী-চিত্ৰাঙ্গদা-হিৰিম্বাৰ লগত ভীমাৰ্জুনৰ সাহচৰ্য, শঙ্কৰাচাৰ্যৰ চতুৰ্মঠ নাইবা মৌৰ্য-গুপ্ত-মোগল সাম্ৰাজ্যৰ বিজয়-কেতনেও কন্যাকুমাৰীৰপৰা হিমাচল আৰু দ্বাৰকাৰপৰা কুণ্ডিললৈকে সমগ্ৰ ভাৰতবৰ্ষক একেডাল ৰাজনৈতিক বাঘজৰীৰে বান্ধিব পৰা নাছিল। ইংৰাজ বণিকৰ মানদণ্ড বুটিছ সাম্ৰাজ্যৰ ৰাজদণ্ডত ৰূপান্তৰিত হোৱালৈকে ভাৰতবৰ্ষ একেটা ৰাজনৈতিক গোট হৈ উঠিবৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছিল। সেই ৰাজনৈতিক একতাই এহাতে আনিছিল সাম্ৰাজ্যবাদী বন্ধন আৰু আনহাতে গঢ়ি তুলিছিল সমবেদনাৰ সমচেতনা জাগৰিত কৰিছিল মুক্তি আৰু বিকাশৰ কাৰণে সমপ্ৰয়াস।

অসমৰ বিকাশৰ বুৰঞ্জী ভাৰতবৰ্ষৰ ইতিহাসৰেই খণ্ড-সংস্কৰণ। নানা জাতি-উপজাতি, নানা ৰহণীয়া সংস্কৃতি, লেখিত-অলেখিত নানা ভাষা-ভাষী, নানা ধৰ্ম আৰু বিশ্বাসত বিশ্বাসী, নানা ৰহণৰ সামাজিক ৰীতি-নীতিৰে সভ্যতা আৰু বিকাশৰ বিভিন্ন স্তৰৰ বিভিন্ন জনগোষ্ঠীৰ আশা আৰু কৰ্মৰ থলি ভাৰতৰ উত্তৰ-পূব সীমান্তৰ এই মনোমোহা ভূখণ্ড। বিনন্দীয়া বৈচিত্ৰ্য আৰু অফুৰন্ত প্ৰাচুৰ্যৰ মাজতে ইয়াতো অনুভূত হৈছে জনগণৰ অভাৱ আৰু বঞ্চনাৰ নিষ্ঠুৰ বাস্তৱতা, শোষণৰ নিৰ্মম যাতনা। ইয়াতো গঢ়ি উঠিছে সাম্ৰাজ্যবাদী শাসন আৰু ঔপনিবেশিক শোষণৰ বিৰুদ্ধে জনগণৰ তীব্ৰ বিক্ষোভ আৰু মুক্তি আৰু বিকাশৰ কাৰণে সমবেত প্ৰচেষ্টা।

সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণে গান্ধীজীৰ দৰে সমগ্ৰ অসমৰ কাৰণে গোপীনাথ বৰদলৈদেৱে জনগণৰ বাস্তৱ, সুষ্ঠ আৰু গতিশীল বিকাশৰ দাবীৰ মৰ্মকথা উপলব্ধি কৰিব পাৰিছিল আৰু তাৰ সফলতাৰ কাৰণে সৰ্বাত্মক, সুসংবদ্ধ আন্দোলন আৰু সংগঠন গঢ়ি তুলিবলৈ কৰ্মযোগীৰ দৰে আত্মনিয়োগ কৰিছিল। গান্ধীজীৰপৰাই তেওঁ গীতাৰ কৰ্মযোগীৰ দৰে আচৰণ কৰিবলৈ শিকিছিল। জীৱনত যেতিয়াই ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছিল তেতিয়াই তেওঁ আওৰাইছিল—

কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন
মা কৰ্ম্মফলহেতুৰ্ভূৰ্মাতে সঙ্গোহস্ত্বকৰ্ম্মণি ॥

বৃটিছ সাম্ৰাজ্যৰ মুখপাত্ৰ আৰু কংগ্ৰেছ-মুছলীম লীগ নেতৃত্বৰ আপোচৰ ফলত যেতিয়া অসমৰ অস্তিত্ব বিপন্ন হৈছিল, সেই সময়ত কৰ্মযোগী গোপীনাথ বৰদলৈৰ নেতৃত্ব নোপোৱা হ'লে অসমৰ কি দশা হ'লহেঁতেন তাক ভাবিলেও ভয় লাগে। বাপুজীৰ ছবি থাপনাত থৈ ৰাজভোগ খোৱাসকলে ক্ষমতা-লিপ্সাৰ তাড়নাত বাপুজীৰ ইচ্ছাৰ বিৰুদ্ধে ধৰ্মৰ ভিত্তিত দেশ বিভাজন কৰিলে। অসমক তৃতীয় গ্ৰুপৰ যুঁৰলিত জুৰি বৃহত্তৰ বাংলাদেশৰ ব্যৱস্থা কৰিছিল। কিন্তু "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি ৰণক্ষেত্ৰত কৰ্তব্য-বিমুখ মোমাইক মৃত্যুদণ্ড দিয়া লাচিতৰ দেশৰ গোপীনাথ বৰদলৈদেৱে গান্ধী-জীৰ আশীৰ্বাদ আৰু শুভেচ্ছা শিৰত লৈ আৰু অসমৰ জনগণত বিশ্বাস ৰাখি সুস্থ আৰু দৃঢ় নেতৃত্বৰ দ্বাৰা অসমক গ্ৰুপৰ গ্ৰাসৰপৰা ৰক্ষা কৰিলে।

বৰদলৈ ডাঙৰীয়া ব্যক্তিকেন্দ্ৰিক মনোভাৱৰ বীৰপুৰুষ নাছিল। তেখেতে এই কথা ভালদৰে জানিছিল যে গুৰুত্বপূৰ্ণ ৰাজহুৱা সমস্যাৰ সমাধান কোনো ব্যক্তি-বিশেষৰ আত্মকেন্দ্ৰিক প্ৰচেষ্টাৰে হৈ উঠিব নোৱাৰে। যি কোনো কথা বা আদৰ্শ তেতিয়াহে এটা দুৰ্দম শক্তিত পৰিণত হয় যেতিয়া বিশাল জনতাই তাক কায়-মনো-বাক্যে গ্ৰহণ কৰে আৰু তাৰ সফলতাৰ কাৰণে সংগঠিতভাৱে চেষ্টা কৰে। সেই কাৰণে গ্ৰুপৰ জৰিয়তে অসম গ্ৰাসৰ পৰি-কল্পনাৰ কথা গম পোৱাৰ লগে লগে সমগ্ৰ অসমৰ জনতাক তাৰ বিৰুদ্ধে সংঘবদ্ধ কৰিবলৈ তেখেত উঠি-পৰি লাগিছিল।

১৯৪৬ চনৰ ১৬ মে' তাৰিখটো অসমৰ কাৰণে এটা গুৰুত্বপূৰ্ণ দিন। সেইদিনা বৃটিছ চৰকাৰৰ কেবিনেট মিছনে বঙ্গদেশৰ লগত অসমক সাঙুৰি দিয়া গ্ৰুপিং প্ৰস্তাৱ সন্নিবিষ্ট ৰাজপত্ৰখন প্ৰকাশ কৰি দিলে। সেই সময়ত নতুন দিল্লীত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ৱৰ্কিং কমিটিৰ সভা হৈ আছিল। বৰদলৈ ডাঙৰীয়াই দিল্লীৰ সভাত যোগ দিবলৈ গৈছিল। গ্ৰুপৰ প্ৰস্তাৱ প্ৰকাশিত হোৱাৰ লগে লগে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি সমন্বিতে সমগ্ৰ অসম তাৰ বিৰুদ্ধে গৰ্জি উঠিল আৰু উৰ্দ্ধতন কংগ্ৰেছ কৰ্তৃপক্ষক জনাই দিলে যে, অসমে কেতিয়াও এই প্ৰস্তাৱ গ্ৰহণ নকৰে। ১৯ মে' তাৰিখে ৱৰ্কিং কমিটিৰ সভাক বৰদলৈদেৱে দ্ব্যৰ্থহীনভাৱে জনাই দিলে যে অসম কেতিয়াও গ্ৰুপত নোসোমায়। কিন্তু ৱৰ্কিং কমিটিয়ে উপযুক্ত সঁহাৰি নিদিলে।

১০ জুনত আকৌ কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সভা। মহাত্মা গান্ধীও সেই সভাত উপস্থিত। অসম কংগ্ৰেছৰ সভাপতি মৌঃ তৈয়বুল্লা চাহাবৰ নেতৃত্বত অসমৰ প্ৰতিনিধি দল এটা তাত হাজিৰ হৈ দাবী কৰিলে যে একক সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা 'গ্ৰুপ-চি'ৰ সিদ্ধান্ত হ'ব নোৱাৰিব; কাৰণ তাত সদায়ে বঙ্গদেশৰ সংখ্যাগৰিষ্ঠতা আৰু অসমৰ সংখ্যালঘিষ্ঠতা থাকিবই। কংগ্ৰেছ সভাপতি মৌলানা আবুল কালাম আজাদ অসমৰ যুক্তিত পতিয়ন গ'ল আৰু অসমৰ প্ৰতিনিধিমণ্ডলীক আশ্বাস দিলে যে অসমৰ স্বাৰ্থ হানিকৰ কোনো আঁচনিত কংগ্ৰেছে সন্মতি নিদিয়ে; জুলাই মাহত অসম বিধান সভাই ভাৰতৰ গণপৰিষদলৈ দহজন প্ৰতিনিধি নিৰ্বাচন কৰিলে। তাৰে তিনিজন মুছলীমলীগৰ। লগে লগে বিধান সভাই সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি এই প্ৰতিনিধিসকলক নিৰ্দ্দেশ দিলে যে তেওঁলোক কেতিয়াও গ্ৰুপত নবহিব। ইতিমধ্যে মৌলানা আজাদৰ ঠাইত পণ্ডিত জৱাহৰলাল নেহৰু কংগ্ৰেছ সভাপতি হ'ল। তেখেতে ২২ জুলাই আৰু ১৭ চেপ্তেম্বৰ তাৰিখে বৰদলৈ ডাঙৰীয়ালৈ চিঠি লেখি গ্ৰুপিং প্ৰস্তাৱটো অসমে পুনৰ বিবেচনা কৰিব লাগে বুলি পৰামৰ্শ দিলে। ছয় ডিচেম্বৰ তাৰিখে বৃটিছ মন্ত্ৰী-মিছনৰ সংশোধিত ঘোষণা প্ৰকাশিত হ'ল। কিন্তু এই প্ৰস্তাৱতো অসমে গ্ৰুপৰপৰা অব্যাহতি নাপালে। অসমৰ জনমত ক্ষুব্ধ হ'ল। বৰদলৈ ডাঙৰীয়া আৰু বেছি দৃঢ়প্ৰতিজ্ঞ হ'ল। ন ডিচেম্বৰ তাৰিখে তেখেতে গণপৰিষদৰ অসমৰ প্ৰতিনিধিসকল আৰু অসমৰ জনসাধাৰণৰ পক্ষে কংগ্ৰেছ সভাপতিৰ ওচৰত এখন সুদীৰ্ঘ স্মাৰক-পত্ৰ দাখিল কৰি জনাই দিলে যে অসমে বৃটিছ মন্ত্ৰী-মিছনৰ অধুনাতম প্ৰস্তাৱ গ্ৰহণ নকৰে। বৰদলৈ ডাঙৰীয়াৰ পৰামৰ্শ অনুসৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে স্থিৰ কৰিলে যে গ্ৰুপিঙৰ বিৰুদ্ধে যুঁজিবই লাগিব আৰু তাৰ বাবে প্ৰয়োজন হলে অসম কংগ্ৰেছ ভাৰতীয় কংগ্ৰেছৰপৰা ফাটি আহিব। এই বিষয়ত গান্ধীজীৰ পৰামৰ্শ আৰু আশীৰ্বাদৰ কাৰণে তেখেতৰ ওচৰলৈ দূত পঠিয়াবলৈ স্থিৰ কৰা হ'ল।

সেই সময়ত মহাত্মা গান্ধী সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰিত বঙ্গদেশৰ নোৱাখালিত ভ্ৰমণৰত আছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ তদানীন্তন সম্পাদক শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী আৰু অসম কংগ্ৰেছ বিধায়িনী দলৰ সম্পাদক শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে ১৫ ডিচেম্বৰ তাৰিখে বঙ্গদেশৰ শ্ৰীৰামপুৰত গান্ধীজীক লগ ধৰিলেগৈ। ধৈৰ্যসহকাৰে তেওঁলোকৰ বক্তব্য শুনি মহাত্মা গান্ধীয়ে ক'লে:

"এই বিষয়ে মোৰ মন অতি পৰিষ্কাৰ। সিদ্ধান্তত উপনীত হবলৈ মোৰ এক মুহূৰ্তৰো প্ৰয়োজন নাই। মই হাড়ে-হিমজুৰে কংগ্ৰেছী; কাৰণ কংগ্ৰেছৰ বৰ্তমান সংবিধান ৰচনা কৰাত ময়েই প্ৰধান ভূমিকা লৈছিলোঁ। মই বৰদলৈক আগতে কৈছো যে যদিহে কংগ্ৰেছ নেতৃত্বৰপৰা সুস্পষ্ট পথ-নিৰ্দেশ নাহে, তেন্তে অসমে নিজেই সিদ্ধান্ত লৈ গ্ৰুপ বৰ্জন কৰিব লাগিব। প্ৰতিবাদ ঘোষণা কৰি অসম গণপৰিষদৰপৰা ওলাই আহিব লাগিব। কংগ্ৰেছৰ ভালৰ কাৰণেই এইটো কংগ্ৰেছৰ বিৰুদ্ধে একপ্ৰকাৰ সত্যাগ্ৰহৰ দৰে হ'ব।"

আৰু বহু কথাই গান্ধীজীয়ে ক'লে। তাৰ বিৱৰণি সেই সময়ৰ বাতৰি কাকতত প্ৰকাশিত হৈ গৈছে। গান্ধীজীৰ বাণীয়ে অসমৰ প্ৰতিনিধি কেইজনক ইমান সাহস আৰু আত্মবিশ্বাস আনি দিলে যে তেওঁলোকে কৈ উঠিল: "আপোনাৰ আশীৰ্বাদ শিৰত লৈ আমি প্ৰয়োজন হলে কংগ্ৰেছৰপৰা বাহিৰ হৈ গৈয়ো সংগ্ৰাম কৰিবলৈ শক্তি আৰু সাহস ৰাখোঁ।" গান্ধীজীয়ে কৈছিল, "মই মোৰ অসম আৰু অসমৰ নেতা বৰদলৈক ভালদৰে জানো। মোৰ আশীৰ্বাদৰ প্ৰয়োজন নাই। কাৰণ অসমবাসীৰ ওপৰত ভগবানৰ আশীৰ্বাদ আছে!" যেতিয়া সাক্ষাতৰ বিৱৰণি বৰদলৈ ডাঙৰীয়াৰ ওচৰত দাঙি ধৰা হ'ল, তেখেতে কেৱল মিচিকিয়াই এটা তৃপ্তিৰ হাঁহি হাঁহিলে—যেন তেখেতে আগৰে-পৰা সকলো কথা জানে, যেন সকলো কথা-বতৰা তেখেতৰ সাক্ষাততে হৈছিল।

অসমলৈ কংগ্ৰেছ আনোতা নাইবা মহাত্মা গান্ধীৰ লগত অসমৰ প্ৰথম পৰিচয় কৰি দিওঁতা প্ৰথম শ্ৰেণীৰ নেতাসকলৰ শাৰীত গোপীনাথ বৰদলৈ নপৰে। নবীন বৰদলৈ, তৰুণ ফুকন, ৰোহিণীকান্ত হাতীবৰুৱা, চন্দ্ৰনাথ শৰ্মা আদিহে সেই শাৰীৰ নেতা। কিন্তু ভাৰতীয় মহাজাতিক সমাজৰ ভিতৰত অসমৰ স্বকীয়া ৰাজনৈতিক সত্তা প্ৰতিপন্ন কৰা, মহাত্মা গান্ধী তথা সৰ্ব-ভাৰতীয় নেতৃত্বক সেই বিষয়ে উপলব্ধি কৰোৱা আৰু ভাৰতৰ সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ ঐক্য, সংহতি আৰু সমন্বয়ৰ ভেটি স্থাপনৰ ঐতিহাসিক ভূমিকা লোৱা বিষয়ত লোকপ্ৰিয় বৰদলৈৰ স্থান অদ্বিতীয়। আকস্মিক ঘটনাচক্ৰত নাইবা হঠাতে তেখেতে এই স্থান পোৱা নাছিল। সঠিক আৰু সাহসী নেতৃত্ব হঠাতে গঢ়ি উঠা বস্তু নহয়। কেৱল অনাবিল দেশপ্ৰেম, তীক্ষ্ণ বুদ্ধি আৰু ওজস্বিনী বাগ্মিতাও তাৰ কাৰণে যথেষ্ট নহয়। সেইজনেই হৈ উঠে যুগান্তকাৰী নেতা, যিজনে সময়ৰ প্ৰয়োজন বুজি জনতাৰ অন্তৰৰ আকুল

আবেদনক মূৰ্ত ৰূপ দিব পাৰে আৰু জনগণক সচেতন আৰু সংগঠিত কৰি চলমান জনস্ৰোতৰ আগভাগত থাকি শীতল মস্তিষ্ক আৰু সাহসী হৃদয়েৰে দৃঢ়পদক্ষেপে পথ-প্ৰদৰ্শন কৰি যাব পাৰে। সুদীৰ্ঘ সাধনাৰ ফলত কৰ্মযোগী বৰদলৈদেৱে এনেকুৱা মহান নেতৃত্বৰ স্তৰলৈ উঠিব পাৰিছিল। তেখেতৰ ৰাজনৈতিক কৰ্ম-জীৱনত অসমৰ প্ৰত্যেকটো গুৰুত্বপূৰ্ণ মুহূৰ্তত তেখেতে বিচক্ষণ নেতৃত্বৰ পৰিচয় দিছিল।

আমি তেতিয়া স্কুলীয়া ছাত্ৰ। ১৯৩০-৩২ চনৰ গণ-আন্দোলন, লবন সত্যাগ্ৰহ, গান্ধী-আৰউইন চুক্তি, গুৰণীয়া মেজমেল আদিয়ে আমাৰ চেমনীয়া মনকো ৰাজনৈতিক ঘূৰ্ণি-বতাহলৈ টানি আনিছে। ১৯৩৫ চনৰ ভাৰত শাসন আইন প্ৰণয়নৰ প্ৰস্তুতি চলিছে। প্ৰাদেশিক স্বায়ত্ত শাসন প্ৰবৰ্তিত হ'ব এই কথা সকলোৱে বুজিব পাৰিছে। কিন্তু অসম সেই স্বায়ত্ত-শাসনৰ অধিকাৰী হ'ব নে নহয়? যদিহে হয়, কি ৰূপ আৰু গঠন হ'ব সেই অসমৰ? এই বিষয়ত বৰদলৈদেৱে কিদৰে ভাবিছিল তাৰ অলপ আভাস পোৱা যায় সেই সময়ৰ তেখেতৰ এটা প্ৰবন্ধৰপৰা। তাৰ কিয়দংশ উদ্ধৃত কৰা হ'ল:

"যুগ যুগ ধৰি ভাৰতবৰ্ষৰ ইতিহাসে অনৈক্যৰ মাজত ঐক্য দেখুৱাই আহিছে। স্বাধীনতা সংগ্ৰামৰ প্ৰয়োজনে আৰু বিশেষকৈ ৰাজনৈতিক ৰঙ্গমঞ্চত মহাত্মা গান্ধীৰ আবিৰ্ভাৱে ঐক্যৰ দিশটো শক্তিশালী কৰিছে। স্বাধীনতা সংগ্ৰামৰ ভিত্তি জনগণৰ মাজলৈ বিয়পি পৰাৰ ফলত সৰ্বভাৰতীয় ঐক্য আৰু আঞ্চলিক স্বতন্ত্ৰতাৰ আদৰ্শগত বিৰোধ সাময়িকভাৱে স্থগিত থাকি দুয়োটাৰ ভিতৰত এক প্ৰকাৰ বুজাপৰা আৰু সমন্বয় স্থাপিত হৈছে। কিন্তু স্বাধীনতাৰ পিছত এই বিৰোধে পুনৰ মূৰ দাঙিব। আনকি ভাৰতবৰ্ষই পূৰ্ণ স্বাধীনতা পোৱাৰ পূৰ্বেই কেন্দ্ৰ আৰু প্ৰদেশবোৰৰ ভিতৰত অৰ্থনীতি আৰু ৰাজস্ব সংক্ৰান্তত, সম্বল বন্টনৰ প্ৰশ্নত; শিল্প প্ৰতিষ্ঠানৰ স্থান নিৰ্বাচনৰ ক্ষেত্ৰত, ৰাষ্ট্ৰভাষা আৰু আঞ্চলিক ভাষাৰ বিকাশ আৰু মৰ্যাদাৰ ক্ষেত্ৰত ইতিমধ্যে বাদানুবাদ আৰম্ভ হৈছে। যদি আমি সময় থাকোঁতে এইবিলাক প্ৰশ্নৰ সুসমাধান নকৰোঁ তেন্তে ভৱিষ্যতে ই গুৰুতৰ ৰূপ ধাৰণ কৰিব পাৰে। ঐক্যৰ প্ৰধান বাহক হিচাপে আমি ৰাষ্ট্ৰভাষা প্ৰচাৰৰ কাৰণে আন্তৰিকতাৰে সৈতে কাম কৰিব লাগিব। লগে লগে অসমীয়া ভাষাৰ বিকাশ সাধন কৰি পৰ্বত-ভৈয়াম উভয় অঞ্চলৰে গ্ৰহণযোগ্য কৰিব লাগিব।"

১৯৩৫ চনৰ ভাৰত শাসন আইনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰ আৰু প্ৰাদেশিক

চৰকাৰৰ ভিতৰত ৰাজস্ব বণ্টনৰ বাবে নিযুক্ত 'অটোনিমেয়াৰ কমিটি'ৰ প্ৰতিবেদনত যাতে অসমৰ প্ৰতি সুবিচাৰ কৰা হয়, তাৰ কাৰণে ছাৰ চৈয়দ শ্বাদুল্লা আৰু গোপীনাথ বৰদলৈ উভয়ে ৰাজনৈতিক বিৰোধ সত্ত্বেও একেলগে চেষ্টা কৰিছিল।

প্ৰাদেশিক স্বায়ত্ত শাসনৰ ভিত্তিত ১৯৩৭ চনত সাধাৰণ নিৰ্বাচন। সেই সময়ত অসমৰ পৰিস্থিতি অত্যন্ত জটিল আৰু সংকটপূৰ্ণ। এফালে অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ ভিতৰত অন্তৰ্বিৰোধ আৰু আনফালে কংগ্ৰেছ আৰু মুছলীম লীগৰ ভিতৰত অৰিয়া-অৰি। চাহ-বাগান, তেলৰ পুং, কয়লাৰ খনি, ব্ৰহ্মপুত্ৰৰ জল-পৰিবহন, কাঠ-কল আদিৰ মালিক ইংৰাজ গোষ্ঠী এটা শক্তিশালী গোট। পৰ্বতীয়া জিলাকেইখনত প্ৰধানতঃ খ্ৰীষ্ট-ধৰ্ম প্ৰাজকতাৰ ভিতৰেদি তেওঁলোকৰ প্ৰচণ্ড প্ৰভাৱ। অনগ্ৰসৰতাৰ হেতুকে একাংশ জনজাতীয় নেতাৰ সুবিধাবাদী আচৰণ। এই সকলো কথা বিচাৰ কৰি চাই বৰদলৈ ডাঙৰীয়াই ৰোহিণীকুমাৰ চৌধুৰী, ডাক্তৰ জ্যোতিষ দাস, তৰুণৰাম ফুকন আদিৰ লগত আলোচনা কৰিলে যে সৰ্বভাৰতীয় ক্ষেত্ৰত কংগ্ৰেছে আগন্তুক সাধাৰণ নিৰ্বাচনৰ পিছত ক্ষমতা বহন কৰাৰ দায়িত্ব নোলোৱাটোকে ঠিক কৰিলেও অসমৰ বিশেষ অৱস্থালৈ চাই ইয়াত তাৰ ব্যতিক্ৰম কৰিব লাগিব। কিন্তু যেতিয়া চূড়ান্ত সিদ্ধান্ত ল'বলগীয়া হ'ল যে তেনেহলে আগতীয়াকৈয়ে কংগ্ৰেছৰপৰা ওলাই আহি বেলেগ দল কৰাটো সমীচীন হ'বনে নহয়, তেতিয়া বাকীকেইজনে ইতিবাচক সিদ্ধান্ত লৈ মিলিত জনসংঘ খুলিলে। কিন্তু বৰদলৈ ডাঙৰীয়া কংগ্ৰেছতে বৈ গ'ল। অৱশ্যে এটা অলিখিত বুজাপৰাৰ মাধ্যমেৰে গোপীনাথ বৰদলৈ আৰু ৰোহিণীকুমাৰ চৌধুৰী উভয়ে পৰস্পৰ বিৰোধিতা নকৰাকৈ অসম বিধান সভালৈ নিৰ্বাচিত হ'ল। নিৰ্বাচনৰ পিছত দেখা গ'ল যে যিবিলাক প্ৰদেশত কংগ্ৰেছে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিলে, সেই প্ৰদেশবোৰত কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰিলে। অসমত কংগ্ৰেছ বৃহত্তম দল হ'লেও তেনে সংখ্যাগৰিষ্ঠতা নাই। গতিকে মুছলীম লীগ আৰু যুৰোপীয় গ্ৰুপৰ বিৰুদ্ধে কংগ্ৰেছে অসমত কোৱালিছন চৰকাৰ (যুক্ত-মন্ত্ৰীসভা) কৰাটো উচিত বুলি বৰদলৈ প্ৰমুখ্যে অসমৰ কংগ্ৰেছী নেতাসকলে মত দিলে। সুভাষচন্দ্ৰ বসুও এই মতৰ সমৰ্থক। গান্ধীজীৰো সন্মতি আছে। কিন্তু মৌলানা আবুল কালাম আজাদে আঁকোৰগোজভাৱে ধৰি থাকিল যে অসমৰ ক্ষেত্ৰত কোনো ব্যতিক্ৰম হ'ব নোৱাৰে। গতিকে

ছাৰ শ্বাদুল্লা, ৰোহিণীকুমাৰ চৌধুৰী আদিয়ে মুছলীম লীগৰ লগ লাগি মন্ত্ৰী-সভা গঠন কৰিলে। পিছত প্ৰধান মন্ত্ৰীত্ব পাবৰ কাৰণে ছাৰ শ্বাদুল্লায়ো মুছলীম লীগত যোগ দিলে। এই মন্ত্ৰীসভাই অসমৰ জনগণক সন্তোষ দিব নোৱাৰিলে আৰু তাৰ পতন হ'ল। সুভাষ বাবু আৰু বৰদলৈৰ আশা-শুধীয়া চেষ্টাৰ ফলত মৌলানা আজাদ চাহাবেও অসমত কংগ্ৰেছক কোৱালিছন চৰকাৰ গঠন কৰিবলৈ সন্মতি দিলে। এই চৰকাৰ গঠনৰ পিছত এফালে গণ-আন্দোলনসমূহে গা কৰি উঠিব ধৰিলে আৰু আনফালে প্ৰতি-ক্ৰিয়াশীল শক্তিবোৰ সন্ত্ৰস্ত হৈ এই চৰকাৰৰ পতনৰ কাৰণে ষড়যন্ত্ৰ কৰিব ধৰিলে। চৰকাৰৰ প্ৰথম আৰু প্ৰধান কাম হ'ল কানি-ব্যৱহাৰৰ বিৰুদ্ধে সফল অভিযান। সেই সময়তে অসমত বৃটিছ পুঁজিপতিৰ ইন্দ্ৰপুৰী ডিগবৈত ঐতিহাসিক ধৰ্মঘট আৰম্ভ হ'ল। পুঁজিপতি গোষ্ঠীয়ে বিচাৰিলে যে চৰকাৰৰ দমন-যন্ত্ৰই ধৰ্মঘটকাৰী শ্ৰমিকসকলক পিহি গুড়ি কৰক। আমোলাতন্ত্ৰৰ স্থানীয় প্ৰশাসনে প্ৰবল প্ৰতাপী ইংৰাজ পুঁজিপতিৰ ইঙ্গিতত গুলী চালনাৰ হুকুম দি ডিগবৈৰ ৰাজপথ শ্ৰমিকৰ বুকুৰ কেঁচা তেজেৰে ৰাঙলী কৰিলে। কিন্তু সেই সময়ৰ অসমৰ প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ আৰু শ্ৰম মন্ত্ৰী ফখৰুদ্দিন আলি আহমদৰ নিৰ্দেশত প্ৰশাসনিক যন্ত্ৰক জনাই দিয়া হ'ল যে শ্ৰম বিবাদত চৰকাৰে নিৰপেক্ষ ভূমিকা ল'ব। এই সিদ্ধান্তত বৃটিছ ন্যস্ত-স্বাৰ্থ ইমান ক্ৰুদ্ধ হ'ল যে এই স্বাৰ্থৰ মুখপাত্ৰ 'ষ্টেটচম্যান' কাকতে বৰদলৈ চৰকাৰক 'দস্যুদল' আখ্যা দি সম্পাদকীয় প্ৰবন্ধ লেখিলে।

১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হ'ল। কংগ্ৰেছে মন্ত্ৰীত্ব বৰ্জনৰ সিদ্ধান্ত ল'লে। অসমৰ ক্ষেত্ৰত ব্যতিক্ৰম কৰাৰ কথা বহুতে ভাবিলে। মহাত্মা গান্ধীও ব্যতিক্ৰমৰ যুক্তিযুক্ততা সম্পৰ্কে পতিয়ন গ'ল। কিন্তু স্বাধীনতা সংগ্ৰামৰ গতিপথত অসমৰ কাৰণে কোনো ব্যতিক্ৰম মানিবলৈ গোপীনাথ বৰদলৈ ৰাজী নহ'ল। অগত্যা মহাত্মা গান্ধীয়ে অসমৰ কংগ্ৰেছ-কোৱালিছন মন্ত্ৰীসভাকো পদত্যাগ কৰিবলৈ অনুমতি দিলে। ইয়াৰ পিছত ব্যক্তিগত সত্যা-গ্ৰহ, গণ-সত্যাগ্ৰহ, গণ-বিপ্লৱৰ চোঁত বৰদলৈ আছিল অগ্ৰণী নেতা।

সুদীৰ্ঘ কাৰাবাসৰ পিছত বৰদলৈয়ে মুক্তি লাভ কৰিলে ভগ্ন স্বাস্থ্যলৈ। সকলো যুদ্ধ-ক্লান্ত। বৰদলৈ কিন্তু বিশ্ৰাম লৈ বহি থকা বিধৰ লোক নহয়। তেওঁ শৰৎ গোস্বামীক সচিব হিচাপে লৈ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে আন্দোলন আৰু প্ৰস্তুতি আৰম্ভ কৰিলে। মাধৱ বেজবৰুৱা আদিৰ উদ্যোগত

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলন ইতিমধ্যে অসমীয়া জাতিৰ কাৰণে এটা গুৰুত্বপূৰ্ণ জাতীয় প্ৰশ্ন হৈ উঠিছিল। অসমৰ শিক্ষাবিদ, শিক্ষাব্ৰতী আৰু সমাজ-সেৱীসকলৰ উপৰিও হতাশ-প্ৰায় বহুতো ৰাজনৈতিক কৰ্মীৰ কাৰণে এই আন্দোলনে কৰ্মক্ষেত্ৰ আগবঢ়ালে।

চাওঁতে চাওঁতে ১৯৪৬ চনো পাৰ হ'ল। নেতাজী সুভাষচন্দ্ৰৰ আজাদ-হিন্দ বাহিনীৰ বন্দী নেতাসকলৰ মুক্তিৰ কাৰণে গণ-জাগৰণ, নৌ-বিদ্ৰোহ আকাশ আৰু স্থল বাহিনীৰ মাজত তীব্ৰ অসন্তোষ, বিভিন্ন ৰাজ্যৰ পুলিচ-বাহিনীৰ ভিতৰত অসন্তুষ্টি ছাত্ৰ আৰু যুৱ-শক্তিৰ ক্ৰমবৰ্দ্ধমান সংগ্ৰামশীলতা আৰু আন্তৰ্জাতিক পৰিস্থিতিয়ে নিসন্দেহে ভাৰতত বৃটিছ শাসনৰ শেষ অৱস্থা আহিব ধৰাটো সূচালে। সাধাৰণ নিৰ্বাচনত বিপুল ভোটাধিক্য পাই কংগ্ৰেছ জিকিল আৰু গোপীনাথ বৰদলৈ অসমৰ প্ৰধান মন্ত্ৰী হ'ল। বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ, ভেটেৰীনাৰী কলেজ, কৃষি কলেজ আদি জাতি গঠনৰ কাৰণে প্ৰয়োজনীয় সকলো আহিলাৰ পাতনি মেলিলে।

ভাৰতীয় গণ-পৰিষদৰ নেতৃস্থানীয় প্ৰতিনিধি হিচাপে বৰদলৈ ডাঙৰীয়াৰ শ্ৰেষ্ঠ অবদান ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচী। কুখ্যাত কুপল্যাণ্ড-পৰিকল্পনাকে ধৰি বিভিন্ন সাম্ৰাজ্যবাদী পৰিকল্পনাই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্বতীয়া অঞ্চল-সমূহক অসমৰপৰা বিচ্ছিন্ন কৰি ভাৰতৰ মূল জনস্ৰোতৰপৰা আঁতৰ কৰি ৰখাৰ চেষ্টা চলাই আছিল। গণপৰিষদত সিহঁতে ৰেভাৰেণ্ড নিকলছ ৰায়ক সিহঁতৰ আঁচনিৰ উদ্যোক্তা হিচাপে প্ৰয়োগ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। কিন্তু বৰদলৈ ডাঙৰীয়াৰ সহৃদয়তা, সহনশীলতা আৰু ৰাজনৈতিক বিচক্ষণতাই ৰেভাৰেণ্ড ৰায়ৰ অন্তৰ জয় কৰিলে। ষষ্ঠ অনুসূচীৰ জৰিয়তে অসম ৰাজ্যৰ ভিতৰতে থাকিও অসমৰ পৰ্বতীয়া জিলাকেইখনে নিজ নিজ জিলা-পৰিষদৰ তেওঁলোকৰ স্বকীয়া সংস্কৃতি, জীৱন-যাত্ৰাৰ ধাৰা আৰু বিকাশৰ প্ৰতিশ্ৰুতি আৰু ৰক্ষা-কবচ পালে। দুৰ্ভাগ্যৰ বিষয়, বৈচিত্ৰ্য আৰু অনৈক্যৰ মাজতো অসমৰ ঐক্য আৰু সংহতিৰ কাৰণে বৰদলৈদেৱে যি পটভূমি ৰচনা কৰিছিল তাক সফলভাৱে ৰূপায়ণ কৰিবলৈ তেওঁ জীয়াই নাথাকিল। ১৯৫০ চনত বৰ ভুঁইকঁপ হ'ল।

বহু কাম অপূৰ্ণ বা অসম্পূৰ্ণ থাকিলেও গোপীনাথ বৰদলৈদেৱে অসমৰ বহুমুখী বিকাশৰ কাৰণে যি কৰি গ'ল তাৰ মূল্যায়ণ কৰিলে এই কথা নিসন্দেহে ক'ব পাৰি যে অসমীয়া জাতিটো গঢ়ি তোলাৰ ক্ষেত্ৰত তেখেতৰ অবদান মহাপুৰুষ শঙ্কৰদেৱৰ পিছতে।

# গোপীনাথ বৰদলৈৰ স্মৃতিত

**পূৰ্ণচন্দ্ৰ শৰ্মা**

১৯১৭-১৮ চনত আমি কটন কলেজত পঢ়া কালতে বৰদলৈক মই জানিবলৈ সুযোগ পাওঁ। সান্নিধ্যত আহিবৰ সুযোগ নাছিল, কিন্তু সুন্দৰ সুঠাম দেহৰ যৌবনোদ্দীপ্ত ডেকাগৰাকীক ক্ৰিকেট পথাৰত আৰু টেনিছ খেলত দেখিবলৈ পাইছিলো।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ আৰম্ভণিতে ১২ জানুৱাৰীৰ পুৰা উজান বজাৰৰ নাট্য মন্দিৰত অনুষ্ঠিত সভাত তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ আৰু আন আন কেইগৰাকীমান ডেকা উকীলৰ মাজত গোপীনাথ বৰদলৈক দেখা পাইছিলো আৰু বুজিছিলো এইকেইগৰাকী ডেকা উকীলে মহাত্মা গান্ধীৰ আহ্বানত অসহযোগ কৰিবলৈ প্ৰস্তুত আছিল।

১৯২১ চনৰে ৩০/৩১ ডিচেম্বৰত আহমদাবাদ কংগ্ৰেছত বৰদলৈক লগ পাওঁ। কামাখ্যাৰাম বৰুৱা আৰু তেওঁৰ লগত মই উভতি আহি দিল্লী আৰু আগ্ৰাত একেলগে ফুৰোতে দিল্লীৰ দেৱানীখাছ, দেৱানীআম আৰু আগ্ৰাত তাজমহল আৰু দুৰ্গৰ কাৰুকাৰ্যবিলাক বুৰঞ্জীৰ স্নাতক আৰু উচ্চ ডিগ্ৰীধাৰী বৰদলৈদেৱে আমাৰ আগত বৰ্ণনা কৰিছিল আৰু মোগল সম্ৰাটসকলৰ কাহিনী শুনাইছিল। ফলত আমি বহু কথা জানিবলৈ পাইছিলো। ইয়াৰ পিছত বৰদলৈদেৱে অসমত আহি বন্দীশালত থাকিবলগা হয় আৰু তাৰ পিছত দেখা পালেও বিশেষ কিবা আলোচনা কৰা মনত নপৰে।

তেওঁৰ সৈতে আমাৰ সান্নিধ্য ঘটে ১৯৩৭ চনতহে। তৰুণৰাম ফুকন, ৰোহিণীকুমাৰ চৌধুৰীৰ লগ লাগি অসমত এটা সংযুক্ত জাতীয় দল সংগঠন কৰাটো ভুল পথ বুলি বুজি বৰদলৈদেৱে কংগ্ৰেছ প্ৰাৰ্থী হৈ জয়যুক্ত হয় আৰু সংগঠন কাৰ্যত দক্ষতা দেখুৱায়। গুৱাহাটী পৌৰসভাৰ অধ্যক্ষ হিচাপে প্ৰকাশ পোৱা তেওঁৰ কৃতিত্ব আৰু পটুতাৰ গুণত আমি তেওঁক সেই কালৰ চৰকাৰৰ বিৰোধী কংগ্ৰেছ দলৰ দলপতি পাতি লওঁ। তেতিয়াৰপৰা ১৯৫০

চনৰ পাঁচ আগষ্টৰ দিনা দেহত্যাগ নকৰালৈকে একেৰাহে ১৪ বছৰ কাল দলৰ দলপতি হিচাপে তেওঁ অসমৰ অবিসম্বাদী নেতৃত্ব লয়। এই চৈধ্য বছৰ কালত ময়ো বিধানসভাৰ সদস্য আছিলো আৰু ১৯৪৬ চনৰপৰা মই দলৰ চীফ্ হুইপ্ হৈ থকাৰ সময়ত আমাৰ বিশেষ যোগসূত্ৰ স্থাপন হৈছিল। বিৰোধী দলৰ দলপতিজন হৈ বৰদলৈদেৱে ধৈৰ্য, গাম্ভীৰ্য আৰু বুদ্ধিৰ প্ৰখৰতা গুণত বিপক্ষ দলৰো সন্মান পাইছিল আৰু চৰকাৰ পক্ষৰ প্ৰধানমন্ত্ৰী ছাৰ ছাদুল্লাই তেওঁৰ একালৰ ছাত্ৰ বৰদলৈদেৱৰ শলাগ লৈছিল। নিজৰ দলৰ কোনো অশোভনীয় আচৰণত বৰদলৈদেৱে দুখ প্ৰকাশ কৰিছিল; খং কৰা নাছিল।

১৯৩৮ চনত কংগ্ৰেছ দলৰ সংযুক্ত চৰকাৰৰ নেতৃত্ব লৈ কংগ্ৰেছ পক্ষৰ মাত্ৰ আন এজন মন্ত্ৰী ফখৰুদ্দিন আলি আহমদ চাহাবক মন্ত্ৰীসভাত লৈ যি ১৩ মাহ প্ৰধানমন্ত্ৰীৰ দায়িত্ব বহন কৰিছিল, সেইখিনি সময়ৰ ভিতৰতে অসমত দলৰ মৰ্য্যাদা বহু বৃদ্ধি পালে আৰু বৰদলৈদেৱে সুখ্যাতিৰে কৰ্তব্য সম্পাদন কৰিলে। কংগ্ৰেছৰ নিৰ্দেশত ১৯৩৯ চনৰ শেহৰপিনে দ্বিতীয় মহাযুদ্ধত ভাৰতে সহযোগিতা নকৰিব বুলি মন্ত্ৰীসভা ভঙ্গ কৰাৰ প্ৰস্তাৱত, অসমৰ দলে প্ৰতিবাদ কৰি ৰজাব নোৱাৰিলে। বৰদলৈদেৱে দ্বিধা নকৰি মন্ত্ৰীসভা ভঙ্গ কৰি দিছিল আৰু সত্যাগ্ৰহৰ কাৰণে দলৰ সকলোকে নিৰ্দেশ দি নিজে অসমৰ প্ৰথম সত্যাগ্ৰহী হৈ কাৰাবৰণ কৰে। ১৯৪১-৪২ চনতো অসম বিধান সভাত কংগ্ৰেছৰ দাবী তুলি দলক আগন্তুক আন্দোলনৰ কাৰণে প্ৰস্তুত থাকিবলৈ সকিয়াই আছিল।

১৯৪২ চনৰ গণআন্দোলনত বৰদলৈদেৱ বন্দী হয়। আমিও বন্দী হৈ তেজপুৰত থকা অৱস্থাতে যোৰহাট জেলত বৰদলৈদেৱৰ নিয়মানুবৰ্তিতা আৰু সদালাপ, সৎ আলোচনা আৰু ভগবৎ ভক্তিৰ সম্পৰ্কে শুনিবলৈ পাইছিলো। স্বাস্থ্য হানি হ'বলৈ ধৰাত বৰদলৈদেৱক কাৰামুক্তি দি নিজ ঘৰতে অন্তৰীণ কৰি ৰখা খবৰো আমি পাইছিলো আৰু তেখেতৰ স্বাস্থ্যৰ কাৰণে উদ্বিগ্ন আছিলো। ১৯৪৪ চনত বিধান সভাত আমি সৰহসংখ্যক এম· এল· এ· তেতিয়াও বন্দী হৈ থকাত আমাৰ মুক্তিৰ দাবী দিনো উত্থাপন কৰিছিল কিন্তু ছাৰ ছাদুল্লা আছিল অচল-অটল। তেজপুৰ বন্দীশালত মোৰ টাইফয়দ ৰোগৰ কালত মোক মুক্তি দি তেজপুৰতে অন্তৰীণ কৰি ৰখাত মোৰ প্ৰতিবাদ বৰদলৈদেৱে চৰকাৰৰ ওচৰত উত্থাপন কৰি বিফল হৈ মোৰ লৈতে অন্তৰীণৰ আদেশ অমান্য কৰি পুনৰ কাৰাবাসলৈ যোৱাৰ সিদ্ধান্তত সমৰ্থন

জনাই মোক উৎসাহিত কৰিছিল।

১৯৪৫ চনৰ ১৭ জুনত মোৰ মুক্তি হয়। কিন্তু অলপ দিনৰ আগতে ভাৰত প্ৰতিৰক্ষা আইনমতে মতিৰাম বৰাক বন্দী কৰি তেজপুৰ জেলত ৰখা হয়। তেওঁৰ মুক্তি আগন্তুক লোকেল বোৰ্ড নিৰ্বাচনৰ কাৰণে অতি আৱশ্যকীয় বুলি বৰদলৈক মই জনোৱাত কেইদিনমানৰ ভিতৰতে তেওঁৰ যত্নতে বৰাৰ মুক্তি হয়।

বৰদলৈ অন্তৰীণ হৈ থকা কালতে অসমত বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈ অৰ্থ সংগ্ৰহৰ কামত ব্যস্ত হয়। মই কাৰামুক্ত হোৱাৰ অলপ দিনৰ পিছতে তেওঁ নগাৱঁলৈ আহি মোৰ অতিথি হৈ দুদিন থাকি মোক অপ্যায়িত কৰে। সেই দুদিনতে তেখেতৰ আৰু এটা গুণ মই দেখিবলৈ পাইছিলো। পুৱা বৰগীতৰ প্ৰভাতী শুনি মুগ্ধ হৈছিলো। সুললিত কণ্ঠৰে গোৱা গীতে মোক যেন মুহি পেলাইছিল আৰু মোৰ অনুৰোধত তেওঁ একোটা গীত দোহাৰিছিল। ভবিষ্যতলৈকো আশা ৰাখিছিলো সেই কণ্ঠৰ গীত শুনিবলৈ আৰু পিছত তেখেতৰ প্ৰধান মন্ত্ৰীত্বৰ কালত ব্ৰাইটওৱেল ভবনতো পুৱা গৈ শুনিবলৈ মোৰ সৌভাগ্য হৈছিল। বিশ্ববিদ্যালয়ৰ কাৰণে ধন সংগ্ৰহ কৰোঁতে নগাঁৱত ময়ো তেখেতৰ লগতে আছিলো। মতি বৰাই নগাওঁ কলেজ স্থাপনৰ যত্নত থকাত বৰদলৈদেৱে সন্তোষ প্ৰকাশ কৰিছিল। পিছলৈ প্ৰধান মন্ত্ৰীত্বৰ কালত শিক্ষা দপ্তৰৰো মন্ত্ৰী হিচাপে বৰদলৈৰ নগাওঁ কলেজলৈ অবদান হিচাপে চিৰস্মৰণীয় হৈ আছে 'বৰদলৈ হল'। নগাওঁ কলেজ স্থাপনত বৰদলৈ ডাঙৰীয়াৰ উদগনি আৰু তাৰ উন্নয়নৰ কাৰণে কৰা আগ্ৰহ গুণগ্ৰাহী নগঞাই সদায় কৃতজ্ঞতাৰে স্মৰণ কৰিব।

১৯৩৮ চনত নগাৱঁৰ লোকেল বোৰ্ড নিৰ্বাচনত মোৰ প্ৰাৰ্থীত্বলৈ টনা-আজোৰাত বৰদলৈদেৱে প্ৰদেশ কংগ্ৰেছত মোৰ পক্ষ সমৰ্থন কৰি মোৰ প্ৰতি আস্থা আৰু স্নেহৰ পৰিচয় দিছিল। ১৯৪৬ চনৰ প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচনী বোৰ্ডত বৰদলৈদেৱে মোক পৰীক্ষা কৰি চোৱাৰ অভিপ্ৰায়েই হবলা সুধিছিল, "আপোনাক যদি মনোনয়ন দিয়া নহয় আপুনি কি কৰিব?" মই উত্তৰ দিলো, "মোতকৈ যদি কোনোবা অধিক যোগ্য লোক থাকে আৰু তেওঁক মনোনয়ন নিদিয়ে তেনেহলে আপোনালোক দেশদ্ৰোহী হ'ব?" বৰদলৈদেৱে শলাগিলে আৰু ডাঃ ভুবনেশ্বৰ বৰুৱাই জাপমাৰি উঠি যি হৰ্ষধ্বনি কৰিলে সেই দৃশ্য মোৰ চকুত আজিও ভাঁহি আছে। মোক মনোনয়ন দিলে আৰু মই নিৰ্বাচনত বিপুল ভোটাধিক্যত জয়ী হ'লো।

ছাৰ খাহুল্লাৰ প্ৰধান মন্ত্ৰীত্বৰ কালত মুছলিম লীগৰ প্ৰভাৱ অসমত বহু পৰিমাণে পৰিছিল। তেওঁৰ আমন্ত্ৰণতে অসমলৈ বঙ্গদেশৰপৰা মুছলমানসকলৰ এটা সোঁত বৈছিল আৰু অসমৰ মাটি বহুখিনি বিতৰণ হৈছিল। বৰদলৈ আৰু ৰোহিণী চৌধুৰীৰ যত্নতে জনজাতীয়সকলৰ স্বাৰ্থৰক্ষাৰ অৰ্থে লাইন প্ৰথা কৰি কিছু পৰিমাণে জনজাতিসকলৰ কাৰণে ভূমি সংৰক্ষণৰ ব্যৱস্থা হৈছিল। এইটো ঘটিছিল বিশেষকৈ কংগ্ৰেছী এম· এল· এ·সকল বন্দী হৈ থকা অৱস্থাত, ১৯৪৩-৪৪ চনত। অসমৰ লাইন প্ৰথাই জনজাতীয়সকলৰ ভূমি আৰু সংস্কৃতি ৰক্ষা কৰিবলৈ এটা ৰক্ষা-কবচৰ দৰেই আছিল।

অসমৰ মেডিকেল কলেজ স্থাপনৰ কাৰণে বৰদলৈদেৱে সকলো ব্যৱস্থা কৰিলে; কিন্তু কালে মেডিকেল কলেজখনক দেখাৰপৰা তেখেতক বঞ্চিত কৰিলে। অসম মেডিকেল কলেজৰ দুটা ঘাই স্তম্ভ আছিল বৰদলৈদেৱ আৰু ডাঃ ভুবনেশ্বৰ বৰুৱা। শিক্ষা দপ্তৰৰো মন্ত্ৰী হিচাপে তেখেতে শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে আৰু মহাত্মা গান্ধী আৰু ডাঃ জাকিৰ হুচেইন প্ৰণোদিত বুনিয়াদী শিক্ষা-পদ্ধতিৰ প্ৰচলনৰ হকে ব্যৱস্থা কৰিছিল।

বৰদলৈদেৱৰ ওপৰত মহাত্মা গান্ধীৰ প্ৰভাৱ আছিল ব্যাপক আৰু গভীৰ। সূতা-কটা, ঈশ্বৰ-বিশ্বাস, আলাপ-আলোচনাৰ দ্বাৰাই যিকোনো বিবাদৰ নিষ্পত্তি কৰা, ধৰ্ম-বিশ্বাস আৰু প্ৰাৰ্থনাই তেখেতক কেতিয়াও নেৰিছিল। গীত, ভজন আৰু কবিতা আবৃত্তি তেওঁৰ এটা স্বভাৱ হৈ পৰিছিল।

চৈধ্য বছৰ কাল অসম কংগ্ৰেছ দলৰ নেতৃত্ব লৈ নানান ঘকুৰা আলৈ-আহুকাল আৰু নিজৰ পুত্ৰ-কন্যা-পৰিবাৰৰ আশা-আকাঙ্ক্ষালৈ চকু নিদি অসমৰ উন্নয়ণৰ আধাৰ শিলা স্থাপন কৰি বৰদলৈয়ে যি জনপ্ৰিয়তা অৰ্জন কৰিলে সেইবাবে আমি তেওঁক 'লোকপ্ৰিয়' আখ্যাৰে বিভূষিত কৰি সামান্য মাত্ৰ কৃতজ্ঞতা জনাইছো। আজিলৈকে জীৱনত বহু 'দেশপ্ৰেমী' অসাধাৰণ ত্যাগী বিচক্ষণ বুদ্ধিমত্তাৰ লোকৰ সংসৰ্গলৈ আহিবলৈ মোৰ সৌভাগ্য ঘটিছে যদিও অসমৰ ৰাজনীতিজ্ঞ বুলিবলৈ মই মাত্ৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈকেহে সেই সন্মান দি আহিছো।

# গোপীনাথ বৰদলৈ ঃ ভক্তি তৰ্পণ

## সুৰবালা বৰদলৈ

স্মৃতিয়ে যেতিয়া এৰি অহা দিনবিলাকলৈ সোঁৱৰাই দিয়ে, অন্তৰ আত্মাত তেতিয়া নানান ভাবে খলকনি তোলেহি ।

মই নিজে মোৰ স্বামীৰ বিষয়ে কি লেখিম ভাবিব পৰা নাই । কিন্তু প্ৰকাশন পৰিষদে অনুৰোধ জনোৱাত মই চমুকৈ কেইটামান কথাহে লেখিম বুলি ভাবিছো, তাতো ভুল-ভ্ৰান্তি থাকিব পাৰে । হাতত কম সময় থকাৰ কাৰণে কথাবোৰ বহলাই লেখিব নোৱাৰি দুখ থাকিল ।

মোৰ স্বামী স্বৰ্গীয় গোপীনাথ বৰদলৈৰ লগত বিবাহ হোৱা ৫৯ বছৰ হৈ গ'ল । কিন্তু সেই অতিবাহিত দিনৰ স্মৃতি মনত নতুন হৈয়ে আছে। মোৰ ১৩ বছৰ বয়সত বিবাহ হয়। তেতিয়া স্বামী স্বৰ্গীয় বৰদলৈ ডাঙৰীয়াৰ বয়স ২৮ বছৰ পূৰ হবলৈ এমাহ বাকী আছিল। আমাৰ বিবাহ হোতিয়াৰ দিনত বেছ ধুমধামকৈ যাত্ৰা পাৰ্টি, গান-বাজানা কৰি পাতিছিল। মোৰ দেউতা স্বৰ্গীয় ভূমিকান্ত মজিন্দাৰ বৰুৱা আৰু মাতৃ স্বৰ্গীয়া বিবিকা বৰুৱা। দেউতাৰ ছোৱালী একমাত্ৰ ময়ে আছিলো। মোৰ চাৰিজন ককাইদেউ আছিল। মই অলপ জনা হোৱাৰেপৰা খেলা-ধূলাতকৈ পূজা-সেৱা কৰি বৰ ভাল পাইছিলো। ডাঙৰক সন্মান কৰা, সৰুক মৰম কৰা, নিজে নাখায়ো যে আনক খুৱাব লাগে জানিছিলো। জাৰ কালি শেৱালি ফুল তল ঢাকি সৰি থাকিলে বৰ আনন্দ পাইছিলো। কাৰণ, মোৰ পূজা কৰাত সুবিধা হয়। শিলগুটি এটাকে বিগ্ৰহ থাপনা কৰি পূজাত ব্যস্ত হৈ আছিলো। সেই কথা এতিয়াও মোৰ মনৰ পৰা গুচা নাই। মোৰ পিতৃ-মাতৃ আৰু বুঢ়ী আইতা সদায় পূজা-পাঠতে ব্যস্ত আছিল। ঘৰতে পুৰোহিতো ৰাখিছিল। সেই কাৰণে বোধহয় মই পূজা নকৰিলে বেয়া বুলি ভাবিছিলো। পূজা-পাঠ কৰিহে খোৱা-বোৱা কৰিছিলো।

মোৰ বয়স ১৪ বছৰ পূৰ নহওঁতেই মোক শহুৰৰ ঘৰলৈ আনিলে । লগত

ছুজনী বুঢ়ী বাই দিলে মোৰ সহায়ৰ কাৰণে। মাকৰ ঘৰখনতকৈ শহুৰেকৰ ঘৰখন নতুনকৈ জানিবলৈ যে কিমান টান আছিল। তেতিয়াৰ দিনতকৈ আজিৰ দিন বহুত বেলেগ। মোৰ বয়সো কম আছিল। গুৰুজনসকলক, মান্যবৰসকলক মান কৰি আঠু কাঢ়ি সেৱা কৰি ফুৰোতে বেয়া পোৱাতকৈ নতুন শিক্ষা পাই ভালেই পাইছিলো। সৰু সৰুবিলাকৰ মৰম-চেনেহত আত্মহাৰা হৈছিলো।

শহুৰৰ ঘৰৰ আওভাও ভালদৰে বুজি নৌ পাওঁতেই ৰান্ধনী ঘৰত সোমাই চাহ-জলপান কৰি আৰু তামোল কটাৰ লগতে মাছ-মাংসও ৰান্ধিবলগীয়াত পৰিলো। মই বৰ বিবুদ্ধিত পৰিছিলো; কাৰণ, ৰন্ধা-বঢ়া কাম মই ভালদৰে শিকাই নাছিলো। কিন্তু স্বামী বৰদলৈ ডাঙৰীয়া আছিল সকলো কামতে পাৰ্গত। প্ৰথমতে মোক ৰৌ মাছৰ কালিয়া ৰান্ধিবলৈ শিকালে। দীঘল ওৰণিৰ তলত থকা অৱস্থা ইফালে ৰান্ধনী ঘৰটো আছিল খেৰৰ, দুৱাৰ-খিৰিকি বাঁহৰ কাঠিৰে বোৱা। ব্যুহিৰৰপৰা চাই থাকিয়ে মোক ৰান্ধিবলৈ শিকাইছিল। স্বামী বৰদলৈ ডাঙৰীয়াৰ ৰৌ মাছৰ মুৰিঘণ্ট, ৰৌ মাছৰ কালিয়া, পছু মাংসৰ ৰ'ষ্ট বৰ প্ৰিয় আছিল। পাঞ্জাবী ছাৰ্ট, কুৰ্তা, ব্লাউজ কাটি তেখেতে মোক চিলাই কামো নিজেই শিকাইছিল। বাগানৰপৰা আইপমিয়া ফুল চিঙি আনি টেবুল ক্লথত আঁকি দিছিল আৰু ঠিক ফুলৰ ৰঙৰ দৰে ৰঙীন সূতাৰে ফুল তুলিবলৈ শিকাইছিল। ইংৰাজী আৰু হিন্দী পঢ়িবলৈ তেখেতে মোক শিকাইছিল। স্বামী বৰদলৈ ডাঙৰীয়াৰ বায়েক আছিল স্বৰ্গীয় শশীবালা দেৱী। তেখেত এগৰাকী আদৰ্শময়ী মহিলা আছিল। ভায়েকৰ পঢ়া-শুনাৰ প্ৰতি সৰুৰেপৰা অনুৰাগ আছিল কাৰণে বাইদেউ শশীবালা দেৱীয়ে উচ্চ আকাংক্ষা কৰিছিল। দিনৰ দিনটো পঢ়া-শুনা কৰি গধূলি ফুৰিবলৈ ওলাই যোৱা দেখিলে বায়েকে ভায়েকক 'চুঙা বাদুলী' বুলি মাতিছিল। বৰদলৈ ডাঙৰীয়া পঢ়া-শুনা আৰু খেলা-ধূলাত আগৰণুৱা আছিল। সেয়েহে সদায় প্ৰথম শাৰীত নাম ওলাইছিল।

১৯২১ চনত অসহযোগ আন্দোলন আৰম্ভ হয়। ১৯২১ চনত আন্দোলনৰ কামত বাৰে বাৰে গৈ কমিটি কৰিবলগীয়া হৈছিল। মাজে মাজে ভিতৰুৱা গাওঁবিলাকৰ গাৱঁলীয়া ভাইসকলক দেশ ৰক্ষাৰ বাবে বুজাবলগীয়া হোৱাত কেইবাদিনো গাৱঁত ঘূৰিবলগীয়া হৈছিল। মনত সাহস বান্ধি উভতি ধৰলৈ আহোতে কেইবাদিনো হৈ যায়। ১৯২৪ চনত এদিন পানীখাইতিৰ ওচৰৰ ডিগাৰুত মিটিং কৰি আহোতে গধূলি হ'ল। চাইকেলৰ

ব্ৰেক বেয়া আছিল, ঠাই ওখ-চাপৰ, তাতে ব্ৰেক ৰখাব নোৱাৰি বাগৰি পৰি গ'ল। ভাগ্য ভাল পানীখাইতিৰ পৰশু গাওঁবুঢ়াই দেখা পাই ধৰি-মেলি তেওঁৰ ঘৰলৈকে লৈ গ'ল। এডাল লতা চিঙি আনি ঢেকীত খুন্দি ছুখ পোৱা আঠুৰ ঘাত গামোছাখনেৰে মেৰাই দিলে। বন-ঔষধিৰ গুণ আৰু গাওঁবুঢ়া, গিৰীহঁতনীৰ শুশ্ৰূষাত মুগ্ধ হ'ল বৰদলৈ ডাঙৰীয়া। তেখেতক হেনো কাঠৰ পেৰাৰপৰা কাপোৰ উলিয়াই ধান খেৰৰ ঢাৰি-পাটি পাৰি শুবলৈ দিছিল। বুঢ়ীয়ে পুখুৰীৰ মাছ, বাৰীৰ শাক-পাছলি আৰু ভৰালৰ-পৰা আমোল মোলাই গোন্ধোৱা জহা চাউল আনি ভাত ৰান্ধি খুৱাই বিশ্ৰাম লবলৈ দিছিল। এনে অকৃত্ৰিম মৰম-চেনেহত বৰদলৈ ডাঙৰীয়াৰ ভৰিৰ বিষ নাইকিয়া হৈ গৈছিল। "আমাৰ দেউতাক সেৱা কৰিবলৈ পাই এব ভাগ্য দে"—বুলি তেওঁলোকে ৰং কৰিছিল। পিছদিনা তেখেত ৰেলেৰে ঘৰলৈ আহিল।

আমাৰ ঘৰটো তেতিয়া আছিল শিলপুখুৰীত (প্ৰকাশন পৰিষদৰ পুৰণি কাৰ্যালয়)। ১৯২৫ চনৰ কোনো এটা দিনত স্বামী বৰদলৈ ডাঙৰীয়া, বিষ্ণুৰাম মেধি, জ্যোতিষচন্দ্ৰ দাস, ৰোহিণীকুমাৰ চৌধুৰী আদি কেইবাজন বন্ধুৱে মটৰেৰে পৰিবাৰসকলক লৈ পলাশবাৰীৰ ডাক বঙলাত উঠিল। দেশৰ আলোচনা সম্বন্ধে কিছু শুনিবলৈ মোৰো তেতিয়া সৌভাগ্য মিলিছিল। পলাশবাৰীখন চাওঁ বুলি আমি তিনিগৰাকী ওলালোঁ। নতুন বোৱাৰী নিৰ্মলা মেধি, ডাঃ জ্যোতিষচন্দ্ৰ দাসৰ সহধৰ্মিনী শ্ৰীযুতা ৰাজবালা দাস আৰু মই। আমি হাতত টিপট লৈ চাহ বিলাইছিলো।

ডিচেম্বৰ মাহ, ১৯২৪ চন। ঠাণ্ডাত মুৰত পাগুৰী মাৰি তেখেত ৰাতি চাবে-তিনি বজাত গৈ আছিল। এতিয়াৰ গৱৰ্ণমেণ্ট ছেলছ এম্পৰিয়াম সেই সময়ত আমবাৰী বুলি জনাজাত আছিত। ৰাষ্টাত বিজুলী বাতি নাছিল। কেৰাচিন তেলেৰে জ্বলোৱা চাকি আছিল। স্বামী বৰদলৈ ডাঙৰীয়াই ভৰলুমুখ হৈ পাণ্ডুৰ জাহাজত উঠিবৰ সময়ত পুৰা পাঁচ বাজি ত্ৰিশ মিনিট গৈছিল। জাহাজখন আমিনগাৱঁত চাপিব। ৰেল আহি আমিনগাৱঁতহে ৰয়হি। অসমৰ নেতা হিচাপে বৰদলৈ ডাঙৰীয়াই আহমেদাবাদৰ কংগ্ৰেছ মহাসভাত যোগদান কৰিবলৈ গৈছিল। সেই এন্ধাৰ নিশা পুলিচৰ চকুত ধূলি দি স্বামী বৰদলৈদেৱে পাণ্ডুৰ ঘাটত পাব কৰা জাহাজেৰে ভাটীমুৱা ৰেলত উঠিল গৈ আহমেদাবাদৰ কংগ্ৰেছ মহাসভাত যোগ দিলে। ঘূৰি

অহাৰ পোন্ধৰ দিন মানৰ পাছত তেখেত ধুবুৰীত পুলিচৰ নজৰত পৰিল।

১৯২৪ চনৰ এটা দিনত পুলিচে আমাৰ ঘৰটো ঘেৰি ধৰিলেহি। পুৱা চাৰি বজাত বাহিৰৰপৰা চিঞৰিবলৈ আৰম্ভ কৰিছিল, "বৰদলৈ উঠক, আলহী আহিছো।" মোৰ আৰু জা বাইদেউৰ ভয় লাগিল শেহ নিশানো কোনে মাতে! খৰখৰিখন খুলি চাই দেখিলো, পুলিচে ঘৰটো ঘেৰি আছে। সকলোৱে সাৰ পালে। কিন্তু বৰদলৈ ডাঙৰীয়া যে কংগ্ৰেছ মহাসভাৰপৰা ঘূৰি অহা নাছিল, গম পোৱা নাই। পুলিচৰ নজৰত আছিল কংগ্ৰেছ অফিচতে পৰোৱানা দেখুৱাই লগে লগে জেললৈ নিব। দেশ জুৰি ভয়ানক আন্দোলনৰ কাৰ্য চলিছিল। লিঠু কৰা, হাতে লেখা কাম দৰকাৰ বুজি নিজৰ ঘৰলৈকো আনি সমাধা কৰা হৈছিল। পুলিচে খানাতালাচ কৰি কেইখনমান কাগজ-পত্ৰ উলিয়াই নিলে; ডিউটি কৰি তেওঁলোক গুছি গ'ল। বৰদলৈ ডাঙৰীয়াক কংগ্ৰেছ অফিচত ধৰিলে।

ঘৰলৈ আহি তেখেতে লৰালৰিকৈ ভাত খালে। "মই জেললৈ ওলালো, তুমি দুখ নকৰিবা। মোৰ খদ্দৰৰ বিছনা ছাদৰ, গাৰু, খদ্দৰৰ বেদিং নিজে কটা সূতাঁৰ ধুতি, কুৰ্তা পাঞ্জাবী লগতে যঁতৰ আৰু পাজী পঠাবলৈ নাপাহৰিবা" বুলি ঘোৰা গাড়ীত উঠি গুৱাহাটী জেললৈ গ'লগৈ। তিনি দিনৰ পিছতে চৰকাৰে তেখেতক এৰি দিলে। সেইবাৰ জেল জীৱন তিনি দিনত শেষ হৈছিল। দ্বিতীয়বাৰ এবছৰ ৰাখিছিল। তৃতীয়বাৰ যোৰহাটৰ জেলত আছিল। জেল জীৱনৰ সঙ্গী আছিল শ্বহীদ কুশল কোঁৱৰ, ফখৰুদ্দিন চাহাব, গৰমুৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী, মহাদেৱ শৰ্মা, শ্ৰীযুত বিষ্ণুৰাম মেধি, গৌৰী তালুকদাৰ, শ্ৰীবিজয় ভাগৱতী, শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী আদি। যোৰহাট জেলৰপৰা মোলৈ লেখা চিঠি এতিয়াও হাতত আছে। যঁতৰত কাটি কাটি মাহে প্ৰায় দুসেৰ ডেৰ সেৰকৈ সূতা ঘৰলৈ পঠায়, সেই সূতাৰে ধুতি, পঞ্জাবী কুৰ্তা, গাৰুৰ ৱাৰ, বিছনা চাদৰ, গামোছা বৈ পঠাবৰ কাৰণে। ফখৰুদ্দিন চাহাবলৈকো ডাঙৰ পাৰী দিয়া বিছনা চাদৰ বৈ পঠোৱা হৈছিল। যোৰহাট জেল জীৱনতে অনাসক্তি যোগখন অসমীয়ালৈ ভাঙনি কৰি উলিয়াইছিল। গান্ধীজী আৰু হজৰৎ মহম্মদ পুথিও জেলতে লেখিছিল। উপনিষদ, গীতা আদি জেল জীৱনতে লেখা-পঢ়া কৰাৰ সময় পাইছিল আৰু গৰমুৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ

গোস্বামীৰ লগত আলোচনা কৰিবলৈ সুবিধা পাইছিল। গান্ধীজী আৰু হজৰৎ মহম্মদ নামৰ কিতাপ দুখন মোৰ ছোৱালী লিলিৰ চেষ্টাত ছপা কৰা হ'ল। কিন্তু যীশু খ্ৰীষ্ট আৰু ৰামচন্দ্ৰখন নোলাল। ভালেমান দিনৰ আগতে শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা দেৱে আলোচনীত মাজে মাজে শ্ৰীৰামচন্দ্ৰৰ প্ৰবন্ধ দি আছিল। স্বামী বৰদলৈ ডাঙৰীয়াৰ যোৰহাট জেলতে চকু আৰু দাঁত বেয়া হোৱাত চিকিৎসাৰ কাৰণে খালাচ দিয়া হয়। কিছুদিন কলিকতাত চিকিৎসা কৰাই তেখেত ঘৰলৈ উভতি আহে। তেখেতক লোকবন্ধু ডাক্তৰ ভুবনেশ্বৰ বৰুৱাই চিকিৎসা কৰি আছিল। তাৰ পিছত পশ্চিম বঙ্গৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী স্বৰ্গীয় বিধানচন্দ্ৰ ৰায় আৰু ডাঃ হেমচন্দ্ৰ বৰুৱাই চিকিৎসা কৰিছিল।

এবাৰ ১৯২৪ চনৰ কোনোবা এটা ভৰ বাৰিষা আহাৰ মাহত উত্তৰ গুৱাহাটীৰ ডুমুনী চকীত মিটিং পতা হৈছিল। এই মিটিঙত কেইবাখনো গাৱঁৰ মানুহ গোট খাইছিল। মিটিং শেষ কৰি নাৱঁৰ ঘাটলৈ আহোঁতে ৰাতি হৈছিল। লগত আছিল দুজন বন্ধু সিদ্ধিনাথ শৰ্মা আৰু ভৃগুচন্দ্ৰ দাস। তিনিও বন্ধুক মোৰ দেউতাই ভাত খুৱাই লগত নাৱৰীয়া দুজনেৰে সৈতে ডাঙৰ নাও এখন ঠিক কৰি দিলে। ৰাতি বাৰ বজাত পানীৰ সোঁতে উজনিমুৱা নাও ভটিয়াই লৈ গ'ল। ব্ৰহ্মপুত্ৰৰ উখল-মাখল পানী, শিলত ঠেকা লগা শব্দ শুনিলেই বুকু কঁপি উঠে। নাৱৰীয়া দুজন নাও চলোৱাত পাৰ্গত আছিল। খোৱা কাকা আৰু ধাতু কাকা নামেৰে এওঁলোক দুজন জনাজাত। দুয়ো নাৱঁৰীয়াই ঘোপ মৰা অন্ধকাৰৰ মাজেৰেই নাও চলাই লৈ আহিল। বিপদৰ কাণ্ডাৰী ভগবান।

আন এবাৰ এনেধৰণৰ ঘটনা এটা মনত পৰে। ১৯২৫ চনৰ কোনোবা এটা দিনত বামুন্দী নামৰ ঠাইত দুৰণিবটীয়া ভিতৰুৱা গাৱঁৰ মানুহ লগ লাগি ডাঙৰ মিটিঙৰ আয়োজন কৰিছিল। স্বামী বৰদলৈ ডাঙৰীয়াই লোকবন্ধু ভুবনেশ্বৰ বৰুৱা আৰু কেইজনমান বন্ধুক লগত লৈ গৈছিল।

এইবাৰো ভৰ বাৰিষা এটাত বুকুত দহ গুণ সাহস লৈ বামুন্দী ঘাটৰ ডাঙৰ নৌকাত উঠিল। নাওঁ উজাই আনিব নোৱাৰি কোনোমতেই। এনেতে ধুবুৰী ফালৰপৰা এখন ডাক জাহাজ আহিল। জাহাজৰ ঢৌত পৰি নাওখন তল-ওপৰ লাগিল। নাৱৰীয়াই বিচক্ষণতাৰে নাও ভটিয়াই কামাখ্যাত

লগালৈগে । এটাইকেইজনে ত্ৰাহি মধুসূদন সুৰ ঁৰি ফাঁচী বজাৰৰ ঘাট চাপিলে । স্বামী বৰদলৈ ডাঙৰীয়াই যি কোনো কামতে একমাত্ৰ পৰমেশ্বৰক বিশ্বাস ৰাখি কাম কৰিছিল ।

১৯২৬ চনত অসমত কংগ্ৰেছ মহাসভা পতা হৈছিল । এই মহাসভাৰ বাবে ঠাই পছন্দ কৰিবলৈ এবাৰ দেশভক্ত ফুকন ডাঙৰীয়া আৰু বৰদলৈ ডাঙৰীয়া ওলাল । লগত যাবলৈ মোৰো সৌভাগ্য মিলিছিল--ফুকন ডাঙৰীয়াৰ সহধৰ্মিনী আৰু বায়েক গিৰীজা ফুকননীও ওলাইছিল । ১৯২৬ চনৰ অসমত বহা কংগ্ৰেছ অধিবেশনত স্বামী বৰদলৈ ডাঙৰীয়াই জান-প্ৰাণ দি খাটিবলগীয়া হৈছিল । ইয়াৰ বাবে নিজৰ ওকালতি কামো বহুত দিনলৈ ক্ষতি কৰিছিল ।

মাজে মাজে ঘৰুৱা অশান্তি নোহোৱাকৈ থকা নাছিল । কাৰণ, আৰ্থিক অৱস্থা আমাৰ একেবাৰে স্বচ্ছল নাছিল । বৰদলৈ ডাঙৰীয়াই দেশ সেৱাই সকলো কামতকৈ শ্ৰেষ্ঠ বুলি ভাবিছিল । তেখেতৰ মনলৈ অলপ চিন্তা-ভাবনা আহিলেই ল'ৰা-ছোৱালীক লৈ ভাল ভাল সাধু কয় । ল'ৰা-ছোৱালী-বিলাকক উচ্চ-নীচ ভাব নানিবলৈ শিকাইছিল । ১৯৪৪ চনৰ দুৰ্গা পূজাৰ আগতে মহালয়াৰ তিথি পৰিল । অক্টোবৰ মাহ । দিনটো ভালেই আছিল । দুপৰীয়া এক বাজি যাবৰ সময় হ'ল । ঘৰৰ পৰিয়ালে খোৱাৰ পিছত ভাত খাবলৈ গা ধুই আহি টেবুলত সজাই থোৱা ভাতৰ ওচৰত বহিল । এনেতে এজন ভিক্ষাৰীৰ মাত শুনি তৎক্ষণাত উঠি গ'ল । দেখিলে, বাহিৰত এজন ভিক্ষাৰী বহি আছে । মোক ক'লেহি, "এজন মানুহলৈ ভাত হ'বনেকি ?" মই অলপ ভবা যেন দেখি নিজৰ কাৰণে বাঢ়ি থোৱা ভাতৰ কাঁহীখন দাঙি লৈ গ'ল আৰু ভিক্ষাৰীক খাবলৈ দিলে, ভিক্ষাৰীয়ে সন্তুষ্ট মনেৰে খাই নুঠিল মানে ভিতৰলৈকে নাহিল । আমাৰ তৃতীয় ল'ৰা ভাইটিয়ে কান্দিব ধৰিলে দেউতাকে ভাতখিনি দাঙি ভিক্ষাৰীক দিয়া দেখি । নিজৰ ভাগৰ ভাতখিনি কিয় দিয়া হৈছিল সেই বিষয়ে তেখেতে বুজাই কলে, "মহালয়াৰ দিনা পিতৃ-পিতামহসকলৰ শ্ৰাদ্ধ হয় । সেই কাৰণে মই আজি মোৰ ভাগৰ ভাতখিনি দি বৰ শান্তি পাইছোঁ ।" এই ভাবটো উঠি অহা ল'ৰা-ছোৱালী-সকলৰ থকা উচিত ।

মাঘ বিহুত তেখেতে ওচৰচুবুৰীয়া ল'ৰা-ছোৱালীবিলাকক মাতি অনাই চকুত কাপোৰ বান্ধি কলহ ভাঙিব দিছিল আৰু প্ৰথম, দ্বিতীয় আৰু তৃতীয়

পুৰস্কাৰদি আমোদ পাইছিল। উৰুকাৰ ৰাতি চোতালত বহি নিজে দেখুৱাই মাছ-মাংস ৰন্ধাইছিল। ওচৰৰ দুখীয়া মানুহৰ ল'ৰা-ছোৱালীবিলাকক মাতি আনি, বিশেষকৈ মুছিয়াৰৰ ল'ৰা আৰু হুকি নামৰ মিকিৰ ল'ৰা এজনক খুৱাইছিল। ল'ৰাবিলাকক খুৱাই খুৱাই সুখি থাকে, কোনে কি খেল ভাল পায়। তাৰ পিছত এটুকুৰা কাগজৰ লাড়ু এটা সাজি লাড়ুটোত যাদু মন্ত্ৰ আছে বুলি ফু-মাৰি গালে দলিয়াই দিয়া মাত্ৰেই সিহঁতে পলায় পত্ৰং হয়। তেখেতে মাৰ্বল খেল, ৰিং খেলত হৰা-জিকা চাই আনন্দ পাইছিল আৰু বিজয়ীকেইজনক সদায় পুৰস্কাৰ দিছিল। সিহঁতৰ দুগুণ উৎসাহ বঢ়া দেখা গৈছিল। ল'ৰা-ছোৱালীবিলাকে তেখেতক মাজু দাদা বুলি মাতিছিল। মাজু দাদা সিহঁতৰ আপোনতকৈও অতি আপোন আছিল।

বৰদলৈ ডাঙৰীয়াৰ বৰশীত মাছ ধৰাত বৰ ৰাপ আছিল। বৰশী মৰাৰ লগ আছিল হুকি মিকিৰ, প্ৰসাদ, আৰু মহীৰাম বৰুৱা। প্ৰত্যেক শনিবাৰে বোন্দা নামৰ ঠাইলৈ মাছ মাৰিবলৈ যায়। বৰশীত টোপ গঁঠাই বৰদলৈ ডাঙৰীয়াই মাছ ধৰি বৰ স্ফূৰ্তি পাইছিল। চিকাৰতো বৰ ৰাপ আছিল। ডিগাৰু, পানীখাইতি, ক্ষেত্ৰী পাণবাৰীলৈকে চিকাৰ কৰিবলৈ ওলাইছিল। এই ঠাইৰ গাৱঁলীয়া ভাইসকলক বৰ মৰম কৰিছিল। ক্ষেত্ৰী আৰু সোণাপুৰত কমলা বাগান কৰিবলৈ পুলি লগাইছিল। কিন্তু কমলা পূৰঠ হোৱাৰ আগতেই বিধাতাই বৰদলৈ ডাঙৰীয়াক লৈ গ'ল।

চিকাৰতো তেখেতৰ অভিজ্ঞতা সম্পূৰ্ণ আছিল। গাৱঁৰ মানুহক আগতে কৈ ৰখামতে চিকাৰী বৰদলৈ ডাঙৰীয়াই লগৰীয়া বিৰু মিকিৰ আৰু ৰাম কিশানক লৈ ঘৰৰ হাতীৰে পহু, মুগী চিকাৰ কৰিছিল। বাঘ বা হাতী চিকাৰত তেখেতৰ খুব চখ নাছিল।

মাঘৰ উৰুকাৰ ভোজ-ভাত খাবলৈ পহুৰ মাংস, কমলা টেঙাৰ টোপা ঘৰে ঘৰে পঠিয়াই দিছিল।

গৰমৰ দিনত শনিবাৰে গধূলি চোতালত বহি ডাঙৰ ছোৱালী মণি, বাপা আৰু সৰু সৰু ল'ৰা-ছোৱালীক লৈ অৰ্গেন বজাই বৰগীত, ব্ৰহ্ম সংগীত, ৰবীন্দ্ৰ সংগীত গাবলৈ শিকাইছিল। ধৰ্মমূলক সাধুও শুনাইছিল। মিকিৰ ল'ৰা অসমীয়া ভাষা নজনা হুকিক কথা ক'বলৈ শিকোৱাৰ লগতে বিহুগীত শিকাই তাঁহিৰ খলকনিত গোটেইখন তোলপাৰ লগাইছিল।

বৰদলৈ ডাঙৰীয়াই আৰ্থিক সাহায্য দি কেইবাজনো দুখীয়া ল'ৰাক পঢ়ুৱাই সহায় কৰিছিল। এজন মণিপুৰী ল'ৰাক ঘৰত ৰাখি খৰচ দি পঢ়ুৱাই মেট্ৰিক পৰীক্ষা দিয়াই কামত ভৰ্তি কৰাই দিছিল।

বৰদলৈ ডাঙৰীয়াই কলিকতা বিশ্ববিদ্যালয়ত পঢ়িছিল। ছাত্ৰ অৱস্থাৰ কালছোৱাত গান-বাজানাত আগশাৰীত তেওঁৰ নাম আছিল। ক্লাছিকেল, ব্ৰহ্ম সংগীত, ৰবীন্দ্ৰ সংগীত গাবলৈ অৰ্গেন, বেহেলা আৰু এছৰাজ বজাবলৈ শিকিছিল। অসমীয়া বিহু গীততো তেখেত পটু আছিল। ছাত্ৰ জীৱনতে কলিকতীয়া ছাত্ৰ-বন্ধুৰ লগত থিয়েটাৰ কৰিছিল আৰু অসমীয়া বিহু গীতত সুখ্যাতি অৰ্জন কৰিব পাৰিছিল। হনুমানৰ পোছাক পিন্ধি গীত গাইছিল—"কল্মৌ খাওঁতে বুঢ়া হনুমন্তে নগৰী কৰিলে চন ঐ গোবিন্দাই ৰাম।"

১৯৩৮ চনত বম্বেৰ আৰ্য সমাজৰ কাম প্ৰচাৰৰ কাৰণে এজন বিজ্ঞ সাধু আহিছিল। স্বামী বৰদলৈ ডাঙৰীয়াই সাধুজনৰ কথা ভাল পায়। সেই সময়ৰ চীফ ইঞ্জিনিয়াৰ ৰমেশচন্দ্ৰজীয়ে আন কেইজনমান বন্ধুক লৈ আৰ্য সমাজৰ কাম আৰম্ভ কৰিছিল। প্ৰথমে আহুতি দি যজ্ঞ আদি কৰা হৈছিল। সমাজ পাতি লৈ গোৱা হৈছিল "উঠ জাগ মুছাফিৰ ব'ল ভাই। যো শোয়ত হ্যায় ৱো শোয়ত হ্যায়, যো জাগত হ্যায় তো পায়ত হ্যায়।" এইফাঁকি গীতেৰে কাম আৰম্ভ হৈছিল।

স্বামী বৰদলৈ ডাঙৰীয়াই দুজনী হাতী কিনিছিল। নাম মদন মালা আৰু সুন্দৰ মালা। দুইজনী হাতীয়েই বৰ আদৰৰ জীয়ৰী ছোৱালীৰ দৰে আছিল। মাউতে গা ধুৱাই চোতাললৈ অনা মাত্ৰকে 'হাউত'কৈ মাতিব ধৰে। দুইজনী হাতীৰ মাততে মানুহৰ লগত কথা পতাৰপৰা উঠি আহিব লাগে, আৰু নাহিলে সিহঁতে চিঞৰি চিঞৰি ভিতৰলৈ সোমাই আহে। হাতীকেইজনীক মৰমেৰে কল, ধান খুৱাইহে বৰদলৈ ডাঙৰীয়াই সন্তুষ্টি পাইছিল। দুৰ্ভাগ্যবশতঃ এবাৰ মদনমালা চিকাৰলৈ যাওঁতে মৃত্যু মুখত পৰে। তাইৰ মৃত্যুত বৰদলৈ ডাঙৰীয়াই খুব দুখ পালে। সুন্দৰমালাকো পোৱালীৰে সৈতে বেছি দিলত তেখেতৰ মনলৈ বৰ দুখ আহিল। দিল্লীৰপৰা ট্ৰেইনেৰে মহাত্মা গান্ধীয়ে দিয়া গীতাখন, শ্বহীদ বীৰ কুশল কোঁৱৰে চিলাই দিয়া মোনা (গীতা ভৰাই থোৱা মোনাখন), চছমা, দাঁত, ডায়েৰীখনৰ সৈতে গোটেই এটেচী কেছটো চুৰি হ'ল।

স্বামী বৰদলৈ ডাঙৰীয়াই কেইবাদিনো ঘনাই ঘনাই সপোন দেখিছিল।

ভগবানে বিপদৰ সূচনা ভালে দিনৰপৰাই শুনাইছিল। কোনেও নাজানিছিল সেই কাল-ৰাতিৰ সপোনেই যে দিঠকত পৰিণত হ'ব। আগন্তুক সময় উপস্থিত হ'ল। ৰ'দ দি থকা ফৰকাল বতৰত হঠাৎ বতাহ-বৰষুণ নোহোৱাকৈ বিনা মেঘে বজ্রপাতৰ শব্দ শুনা গ'ল। বৰদলৈ ডাঙৰীয়াই অফিচৰপৰা আহিয়ে ল'ৰা ছোৱালীবিলাকৰ খা-খবৰ ললেহি। এইবাৰৰ বজ্রপাততে লেডীকীন কলেজৰ ছাত্রীকেইগৰাকীমানৰ গাত বিজুলীৰ শ্বক লাগি হস্পিটেলত চিকিৎসাধীন হৈ আছিল। তেখেতে কৈছিল যে বিনা মেঘে বজ্রপাত পৰাই দেশৰ কুলক্ষণ বুজাইছে। "ল'ৰা-ছোৱালীহঁত শুনিছানে, মোক মৃত্যুৱে মাতিছে।" নিয়তিৰ বিধান কোনে খণ্ডাব? এনে বাক্যই যে কার্যত পৰিণত হ'ব কোনেনো ভাবিছিল?

১৯৫০ চনৰ ১০ শাওণ (পাঁচ আগষ্ট)ৰ ৰাতি দুই বজাত অসমৰ বন্তি-গছি নুমাই গ'ল। অসমী আইৰ সুপুত্রক অকালতে বিধাতাই লৈ গ'ল। দেশৰ বহুতো কাম আধৰুৱা হৈয়ে ৰ'ল।

প্রকৃতিয়ে যেন ইনাই বিনাই কান্দিলে। কেইদিনমানৰ পিছতে ভূমিকম্পৰ জোকাৰণিত পাহাৰ-পর্বত, নদ-নদী ভাঙি-চিঙি চুৰমাৰ হ'ল। শদিয়া পৰশুৰাম কুণ্ডৰ চিনচাব নাইকীয়া হৈ গ'ল। উত্তৰ লক্ষীমপুৰৰ দফলা পাহাৰ আদিত, মাজুলীৰ শ্রীশ্রীগোঁসাই ঈশ্বৰসকলৰ সত্রত মাজুলী নদীয়ে খাওঁ খাওঁ মূর্তি ধাৰণ কৰিলে। সত্রত পানী সোমাই চিনচাব নোহোৱা কৰিলে। বহুত ভিতৰুৱা গাঁৱৰ মানুহৰ চিন নাইকীয়া হৈছিল। ১৯৫০ চনৰ ১৫ আগষ্টৰ এই বৰ ভূমিকম্পৰ জোকাৰণিৰ ফলত হোৱা কৰুণ কাহিনী মানুহৰ স্মৃতিত সজীৱ হৈ আছে। লোকপ্রিয় বৰদলৈ ডাঙৰীয়া আছিল পৰৰ দুখত দুখী। ন্যায়পৰায়ণতাই আছিল তেখেতৰ ধর্ম। কোনো লোকে ধনী-দুখীয়াৰ ভাব বথা ভাল নাপাইছিল। তেখেত মন্ত্রী হৈ থকা অৱস্থাত মাজতে সুবিধা লোৱা এজন লোকে চাকৰি দিব বুলি আশা দেখুৱাই দুখীয়া গাঁৱৰ লৰা এজনক লগত লৈ গৈছিল। বৰদলৈয়ে মানুহজনক ধমকি দি গাঁৱৰ লৰাজনক খুৱাই-বোৱাই খৰচ দি গাঁৱলৈ পঠিয়াই দিছিল। মিছা কথা কৈ মানুহক অন্যায় কৰা কথাটোত তেখেতে বৰ বেয়া পাইছিল।

তেখেতে কেতিয়াও কাকো বিমুখ নকৰিছিল। এদিন এজন নেপালী গোৱালৰ ছোৱালীৰ বিয়াত বৰদলৈয়ে গাড়ীৰে কন্যাক দৰাঘৰত থোৱালেগৈ। উচ্চ-নীচ ভেদ ভাব নৰখাকৈ তেখেতে জীৱন কটালে। পৰোপকাৰেই মহৎ গুণ

বুলি ধৰিছিল বৰদলৈ ডাঙৰীয়াই। গাঁৱলীয়া মিকিৰ-কছাৰীসকলক সবলতাৰ বাবে বৰ মৰম কৰিছিল।

স্বামী বৰদলৈ ডাঙৰীয়াৰ উদাৰ, ধৈৰ্যশীল আৰু মৰমিয়াল স্বভাৱে উঠি অহা লৰা-ছোৱালীক সহায় কৰিব বুলি মোৰ আশা থাকিল।

# লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দূৰদৰ্শিতা

ডাঃ ঘনশ্যাম দাস

আমাৰ দেশত যিসকল দেশপ্ৰেমিক মুক্তি যুঁজাৰু আৰু বিশিষ্ট পুৰুষে গঠনমূলক দৃষ্টিভঙ্গীৰে দেশ গঠনত আত্মনিয়োগ কৰি আদৰ্শ ৰাখি গৈছে, সেইসকলৰ ভিতৰত গোপীনাথ বৰদলৈ ডাঙৰীয়াও অন্যতম। তেখেত যে কেৱল এগৰাকী ৰাজনীতিজ্ঞ পুৰুষেই আছিল এনে নহয়; এগৰাকী অতি বিচক্ষণ, দূৰদৰ্শী আৰু আদৰ্শনীয় পুৰুষো আছিল। স্বাধীনতা সংগ্ৰামত আত্মনিয়োগ কৰি আগবঢ়োৰা হৈ যথেষ্ট কষ্ট আৰু দীৰ্ঘকাল কাৰাবৰণ কৰিবলগীয়া হৈছিল যদিও তেখেতৰ চিন্তাধাৰাত সদায়েই গঠনমূলক কামৰ প্ৰতিহে বেছি লক্ষ্য থকা দেখা গৈছিল। তাৰ যথেষ্ট প্ৰমাণ পোৱা যায় তেখেতৰ জীৱনৰ কাৰ্যাৱলীৰ মাজত।

মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেখেতে নিষ্ঠাৰে কাম কৰিবলৈ চেষ্টা কৰিছিল। হৰিজন আন্দোলনৰ সম্পৰ্কত গান্ধীজী ১৯৩৪ চনত অসমলৈ অহাৰ পিছৰপৰাই বৰদলৈ ডাঙৰীয়াই অস্পৃশ্যতা দূৰীকৰণৰ কামত লাগি গৈছিল। সেই চনতেই তেখেত গুৱাহাটী পৌৰ সভাৰ সভাপতি থকাৰ সময়তে এদিন কামৰূপ একাডেমী বিদ্যালয়ত হৰিজনসকলৰ লগত বহি একেলগে ভোজন কৰি অস্পৃশ্যতা দূৰীকৰণৰ পাতনি মেলিছিল। তাৰ পিছৰপৰাই তেখেতে হৰিজনসকলৰ হিত চিন্তা কৰি কাম কৰিবলৈ চেষ্টা কৰিছিল।

গুৱাহাটী লোকেল বোৰ্ডৰ চেয়াৰমেন হৈ থকা কালছোৱাতো তেখেতে পিছপৰা গাওঁ অঞ্চলত খোৱাপানী আৰু চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ নাদ, পুখুৰী আৰু ডাক্তৰখানা পাতি দিয়াত যত্নপৰ হৈছিল আৰু সেই সম্পৰ্কত ভালেমান গাওঁবুঢ়াৰ লগত যোগাযোগ আৰু সংশ্ৰৱ ৰাখিছিল। আজিকোপতি বাচি থকা দুই-এগৰাকী গাওঁবুঢ়াই তেখেতক সুঁৱৰি তেখেতৰ কৰ্মময় জীৱনৰ কথা কোৱা শুনা যায়।

সেই সময়ত কলাজ্বৰ বেমাৰে যেতিয়া আমাৰ অসমতো মহামাৰীৰূপে গাৰ্ঁলীয়া অঞ্চল আক্ৰান্ত কৰি এটা অতি ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছিল, বৰদলৈ ডাঙৰীয়াই উদ্বিগ্ন হৈ কেনেকৈ এই ৰোগ নিৰ্মূল কৰিব পাৰি, এই সম্পৰ্কে প্ৰায়েই আমাৰ লগত আলোচনা কৰি খবৰ লৈছিল। সেই সময়তে গুৱাহাটীত কলাজ্বৰ কমিছন বহি বাহিৰৰপৰা অহা বিশেষজ্ঞৰ দল এটাই তথ্য-পাতি সংগ্ৰহ কৰি কলাজ্বৰ চিকিৎসা আৰু ৰোগৰ উৎপত্তি সম্বন্ধে অনুসন্ধান চলাইছিল আৰু সেই দলৰ লগত ময়ো কিছুদিন সহায় কৰিবলগীয়া হোৱাত বৰদলৈ ডাঙৰীয়াই প্ৰায়েই মোক সুধিছিল কি প্ৰতি-কাৰৰ ব্যৱস্থা কৰা হৈছে। দক্ষিণ কামৰূপৰ ডিমৰীয়া মৌজাৰ তেতেলীয়া গাৱঁত শতকৰা প্ৰায় ৯০ জনেই কলাজ্বৰত ভুগি এটা ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছিল। ভালেমান ৰোগী বিনা চিকিৎসাত মৃত্যুমুখত পৰিবলগীয়া হৈছিল। ময়ো সেই গাওঁ অঞ্চললৈ খবৰ লবলৈ যাবলগীয়া হৈছিল। কলাজ্বৰৰ ভয়তে মানুহ গাওঁ এৰি অইন ঠাইলৈ গৈছিল। তেখেতে উৎকণ্ঠিত হৈ জিলাৰ চিভিল ছাৰ্জনৰ লগত আলোচনা কৰি কিবা এটা ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰাত জানিবা গুৱাহাটী হস্পিটেলৰ লগতে কলাজ্বৰ ৰোগী ৰাখি চিকিৎসা কৰাৰ কাৰণে এটা ৱাৰ্ড খোলা হ'ল। প্ৰায় একে সময়তে দক্ষিণ কামৰূপৰ ঘাইকৈ জনজাতীয় লোকসকলৰ মাজত ডমৰু গুহু (Yaws) আৰু নগা ঘাই মানুহক ব্যাপকভাৱে আক্ৰান্ত কৰি খেতিৰ সময়ত যন্ত্ৰণাৰ সীমা নোহোৱা কৰিছিল। এই সম্পৰ্কেও তেখেতে ডাঃ হৰেকৃষ্ণ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু মোৰ লগত আলোচনা কৰিছিল আৰু অনুৰোধ কৰিছিল কিবা এটা ব্যৱস্থা ল'বলৈ। সেই সময়ত ময়েই দুই-এখন গাৱঁৰ অৱস্থা চাই আহি তেখেতক জনাবলগীয়া হৈছিল। দুই-চাৰি বছৰৰ ভিতৰতে জানিবা এই দুয়োবিধ ৰোগ নিৰ্মূল কৰিব পৰা হ'ল প্ৰামাণ্য দৰৱ থকাৰ কাৰণে।

অসমত কানীয়াৰ সংখ্যা বাঢ়ি যোৱাৰ কথা তৰুণ ফুকন ডাঙৰীয়াই মহাত্মা গান্ধীজীক ১৯২১ চনত অসমলৈ অহাৰ সময়ত কোৱাৰ পিছত গান্ধীজীয়ে তেতিয়াৰ প্ৰদেশ কংগ্ৰেছ কমিটিক পৰামৰ্শ দিয়া মতে ১৯২৪ চনত এখন কানি তদন্ত কমিটি গঠন কৰা হৈছিল। সেই কমিটিৰ সভাপতি আছিল দীনবন্ধু এণ্ড্ৰুজ চাহাব। কমিটিৰ ৰিপোৰ্টৰপৰা দেখা গ'ল যে অসমত অকল শিৱসাগৰ জিলাতেই দহ হাজাৰ মানুহে ২৩৭ সেৰকৈ কানি খাইছিল। এই তথ্যই সকলোকে, ঘাইকৈ গোপীনাথ বৰদলৈ, ডাঙৰীয়াকো বৰ উৎকণ্ঠা আৰু

চিন্তাত পেলাইছিল। তেওঁ আন নেতৃস্থানীয় কৰ্মীসকলৰ লগত আলোচনা কৰি মহাত্মা গান্ধীৰ পৰামৰ্শমতে কানি নিবাৰণৰ পৰিকল্পনা কৰিলে। পিছে মাজে মাজে অসহযোগ আন্দোলনৰ ব্যাপকতাই নেতৃস্থানীয় লোকসকলক ব্যস্ত কৰি ৰখা সত্ত্বেও বৰদলৈ ডাঙৰীয়াই আঁচনি যুগুত কৰি কাম হাতত লৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল। অৱশ্যে সেয়া বিশেষ ফলদায়ক নহ'ল। স্থানীয় কৰ্মী আৰু স্বেচ্ছাসেৱক কিছুমানে কেৱল কানি নিবাৰণী প্ৰচাৰ কাৰ্যহে চলাই আছিল। ১৯৩৭-৩৮ চনত কংগ্ৰেছৰ সিদ্ধান্তমতে প্ৰাদেশিক স্বায়ত্ব-শাসনৰ প্ৰস্তাৱত যুটীয়া মন্ত্ৰীসভাত যোগদান কৰিবলগীয়া হৈছিল। সেই সময়তে কানি নিবাৰণীৰ প্ৰচেষ্টা আকৌ সক্ৰিয়ভাৱে আৰম্ভ কৰিলে আঁচনি যুগুত কৰা মতে। সেই কালছোৱাত তেখেতে অসমৰ আন এটা জটিল সমস্যা লৈয়ো অতি চিন্তিত হৈ গান্ধীজীৰ দৃষ্টি আকৰ্ষণ কৰি পৰামৰ্শ বিচাৰিছিল। বৰদলৈ ডাঙৰীয়া প্ৰধান মন্ত্ৰীৰ (সেই সময়ত প্ৰধান মন্ত্ৰী বুলিয়েই কোৱা হৈছিল।) দায়িত্ব লোৱাৰ আগয়ে ছাৰ ছাদুল্লা মন্ত্ৰীসভাৰ সময়ত অসমত ময়মনচিং জিলাৰপৰা অসংখ্য মুছলমান লোকক অনাই অসমত প্ৰত্যেক পৰিয়ালকে ৩০ বিঘাকৈ মাটি পট্টন দিছিল আৰু জনজাতি লোক-সকলক পৰিয়ালে প্ৰতি মাত্ৰ ৫ বিঘা মাটি পৰ্বতীয়া দাঁতি-কাষৰীয়া ঠাইতে দিছিল। বৰদলৈ আৰু শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই ইয়াত ঘোৰ প্ৰতিবাদ কৰিছিল। ফল নধৰাত বৰদলৈ ডাঙৰীয়াই সকলো ঘটনা গান্ধীজীক জনালে আৰু কংগ্ৰেছ-কোৱেলিশ্যন মন্ত্ৰীসভা গঠনৰ সন্মতি আনিলে।

কংগ্ৰেছ-কোৱেলিশ্যন মন্ত্ৰীসভা গঠন কৰাৰ সময়ত কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসু ডাঙৰীয়ায়ো শ্বিলঙলৈ আহি সহায় কৰিছিল। বৰদলৈ ডাঙৰীয়াই দায়িত্ব লৈয়েই তেখেতৰ কল্পিত কামবোৰ হাতত ললে। ১৯৩৯ চনত মহাত্মা গান্ধীয়ে বৰদলৈ ডাঙৰীয়াক অসমত কানি নিবাৰণী কামৰ অগ্ৰগতি সম্পৰ্কে সুধি পঠিয়ালে। উত্তৰ স্বৰূপে ১৯৩৯ চনত বৰদলৈ ডাঙৰীয়াই গান্ধীজীলৈ লেখি সবিশেষ জনালে। সেই চিঠিত তেখেতে এইদৰে লেখিছিল—

"আপোনাক জনাবলৈ পাই আমি অতি সুখী হৈছো যে আমি লোৱা আঁচনিমতে কাম কৰি আশানুৰূপভাৱে কৃতকাৰ্য হৈছো। সম্পূৰ্ণ আঁচনিখন এনে ধৰণৰ—

(১) প্ৰথম ভাগত স্থানীয় কানি নিবাৰণী কমিটিবোৰ গঠন আৰু বিভিন্ন ঠাইত স্বেচ্ছাসেৱক দল গঠন কৰা।

(২) ব্যাপকভাৱে প্ৰচাৰ কাৰ্য চলোৱা।

(৩) যিসকলে স্বইচ্ছাই চিকিৎসা লব নোখেজে সেইসকলক চিকিৎসা কেন্দ্ৰলৈ আনি চিকিৎসা কৰা।

(৪) কৰ্মীসকলৰ ওপৰত তদাৰক কৰি দৃষ্টি ৰখাৰ দায়িত্ব দিয়া যাতে কানীয়াসকল কানি বেপাৰী আৰু তেওঁলোকৰ এজেণ্টসকলৰ কবলত নপৰে।

আঁচনিৰ দ্বিতীয় ভাগত হৈছে চিকিৎসা কেন্দ্ৰ স্থাপন কৰা। সেইমতে ৫০টা চিকিৎসা কেন্দ্ৰ স্থাপন কৰা হৈছে। চিকিৎসাৰ প্ৰধান কাম হৈছে যিসকল কানি খোৱাৰ ফলত শাৰীৰিক ক্ষয় আৰু স্নায়ুদুৰ্বলতাত ভুগিছে সেইসকলক আৰোগ্যৰ কাৰণে লেচিথিন ( Lecithin ) বোলা দৰব আৰু গ্লোকোজ ( Glucose ) দিয়া হৈছে। তৃতীয় ভাগত হৈছে তদাৰক বা চোকা দৃষ্টি ৰখা আৰু এইটোৱেই হৈছে প্ৰধান লক্ষ্য। আমি এই আঁচনি মতে কাম কৰাৰ এমাহু বাৰ দিনৰ ভিতৰত ৭০ ভাগ কানীয়াই কানি খাব এৰিছে। প্ৰায় ৯৮,০০০ কানীয়াৰ ভিতৰত আপোনাৰ আশীৰ্বাদত আৰু হিতাকাঙ্খী ব্যক্তিসকলৰ শুভেচ্ছাত বাকী ৩০ ভাগ কানীয়াকো কানি খোৱা এৰুৱাই সম্পূৰ্ণকৈ নিৰ্মূল কৰিবলৈ সমৰ্থ হ'ম, অন্ততঃ আমি কাম কৰা অঞ্চলৰপৰা। সেইটো সম্পূৰ্ণ নোহোৱালৈকে আমি শেষলৈকে চেষ্টা চলাই যাম। অৱশ্যে এটা ভয় আছে যে সতৰ্ক বা চোকা দৃষ্টি নাৰাখিলে হয়তো পুনৰ কানীয়া বাঢ়িব পাৰে। তাৰ বাবে আমি আবকাৰী কৰ্মচাৰী বৃদ্ধি কৰিম আৰু স্থানীয় স্বেচ্ছাসেৱক দলে যদি তদাৰক আৰু দৃষ্টি ৰখা কামটো চলাই যায় তেনেহ'লে কানি খোৱা অভ্যাস এটা অতীতৰ ঘটনা বুলিহে গণ্য হব।"

নিসন্দেহে ক'ব পাৰি যে অসমে এইটো এটা ডাঙৰ দায়িত্ব পালন কৰিছে। হৰিজন কাকতত ১।৭।৩৯ তাৰিখে প্ৰকাশিত কংগ্ৰেছ মহাসভাৰ ৱৰ্কিং কমিটিৰ সিদ্ধান্তমতে ১৯৩৮-৩৯ চনত বৰদলৈ ডাঙৰীয়া আৰু কংগ্ৰেছী মন্ত্ৰীসকল মন্ত্ৰীসভা ত্যাগ কৰি অহাৰ পিছত দ্বিতীয় মহাসমৰৰ প্ৰস্তুতি দেখি দেশ তথা অসমক কেনেকৈ ৰক্ষা কৰিব পাৰি সেই লৈ চিন্তাত পৰিছিল। তাকেই চিন্তা কৰি বৰদলৈ ডাঙৰীয়াই এদিন ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু মোক ক'লে যে আমি গাওঁ অঞ্চলৰ মানুহক সজাগ কৰি ৰখা উচিত। তেখেতে দক্ষিণ কামৰূপ অঞ্চল আৰু দক্ষিণ গোৱালপাৰা অঞ্চলতেই ভ্ৰমণ কৰাৰ প্ৰস্তাৱ দি কাৰ্যসূচী তৈয়াৰ কৰি এখন মটৰগাড়ী যোগাৰ কৰিবলৈ ক'লে। মই মোৰ পুৰণি চেভ্ৰোলেট গাড়ীখনকে ঠিক কৰি মেকানিকৰ কাম জনা মোৰ

সৰু ভাই অৰবিন্দক লগত লৈ বৰদলৈ আৰু ডাঃ বৰুৱাৰ সৈতে ৰাওনা হৈ বকো, বান্দাপাৰা, চাখাতি, ৰংজুলি, দুধনৈ, কৃষ্ণাই, আগীয়া লক্ষীপুৰ আদি ঠাইত সভা-সমিতি পাতি যুদ্ধৰ সময়ত লবলগীয়া ব্যৱস্থা আৰু গাৱঁলীয়া ৰাইজৰ কৰ্তব্য সম্বন্ধে আৰু প্ৰাথমিক সাহায্যৰ কিছু আভাস দি ৰাইজক সজাগ হৈ থাকিবলৈ কৈ এসপ্তাহৰ ভিতৰতে গুৱাহাটীলৈ উভতি আহিলো। তেখেতে তাৰ পিছতেই গুৱাহাটীত এটা জৰুৰীকালীন সাহায্য কমিটি গঠন কৰিবলৈ পৰামৰ্শ দিলে। ডাঃ হৰেকৃষ্ণ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা, ডাঃ কনক বৰুৱা, ডাঃ গোপালচন্দ্ৰ দুৱৰা, ডাঃ যতীন্দ্ৰ ৰায় আৰু মোকলৈ এটা কমিটি গঠন কৰা হ'ল আৰু ময়েই সেই কমিটিৰ চেক্ৰেটাৰীৰ ভাৰ লবলগীয়া হৈছিল। আমি গুৱাহাটীতেই আত্মৰক্ষামূলক ব্যৱস্থা আৰু প্ৰাথমিক চিকিৎসাৰ বিষয়ে প্ৰশিক্ষণ দিছিলো পুৰুষ-মহিলা, ডেকা-গাভৰু নিৰ্বিশেষে।

কেইদিনমান পিছতেই যুদ্ধ বিৰোধী ধ্বনি কৰি বৰদলৈ ডাঙৰীয়াই কাৰাবৰণ কৰে। ১৯৪২ চনৰ গণ আন্দোলন শাম কাটিল। বৰদলৈ প্ৰমুখ্যে নেতসকল জেলৰপৰা মুক্তি পাই ওলাই আহিলে। তেখেতৰ লগত দেখা কৰিবলৈ গৈ খা-খবৰ লওঁতে তেখেতে আন্দোলনৰ ঘটনা কেইটামানৰ কথা সুধিলে আৰু গাওঁ অঞ্চলৰ কেইজনমান নিষ্ঠাবান কৰ্মীৰ খা-খবৰ বিশেষকৈ ক'লে। জেলত দিনকেইটা কেনেকৈ কটাইছিল সেই বিষয়ে সোধাত তেওঁ কৈছিল যে জেলৰপৰাই মহাত্মা গান্ধীৰ লগত পত্ৰালাপ কৰি পৰামৰ্শলৈ কেইখন মানপুথি লেখিছিল। তাৰ ভিতৰত হজৰত মহম্মদৰ জীৱনী এখন।

১৯৪৭ চনত সগৌৰবে নিৰ্বাচিত হৈ অসমৰ মন্ত্ৰীসভাৰ নেতৃত্ব লৈ শাসনৰ দায়িত্বভাৰ লোৱাৰ লগে লগে তেখেতে অসমখন গঢ়ি তুলিবলৈ কেইটামান বিশেষ কাম হাতত লৈছিল। সেই চনতেই প্ৰথমে অসম কানি নিবাৰণী আইন প্ৰয়োগ কৰালে আৰু নিজেই বহাগ মাহত শিৱসাগৰলৈ গৈ কানি আইন প্ৰয়োগৰ উদ্বোধনী উৎসৱত যোগদান কৰি কানি বৰবিহ অসমৰপৰা নিৰ্মূল কৰিবলৈ ওজস্বী ভাষাৰে অসমৰ ৰাইজক নিবেদন জনালে। দ্বিতীয়তে অসমত মেডিকেল কলেজ পতাৰ উদ্দেশ্যে পুনৰ এখন মেডিকেল শিক্ষা কমিটি গঠন কৰি দি ডিব্ৰুগড়তেই মেডিকেল কলেজ স্থাপন কৰাৰ সিদ্ধান্ত ললে আৰু তেখেতৰ পৰামৰ্শতেই বেৰী হোৱাইট মেডিকেল কলেজ নাম নাৰাখি অসম মেডিকেল কলেজ নামাকৰণ কৰা হ'ল। এই কমিটিত ইণ্ডিয়ান

মেডিকেল কাউন্সিলৰ এগৰাকী বিশিষ্ট সদস্য, চৰকাৰী বিষয়া, ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু ময়ো আছিলো।

ডিব্ৰুগড়ৰ বৰবাৰীত থকা মিলিটাৰী হস্পিটালতেই কলেজ আৰম্ভ কৰা হ'ল। সেই চনতেই অসম মেডিকেল কলেজ স্থাপনৰ উদ্বোধনী সভাত বৰদলৈয়ে কৈছিল যে মেডিকেল কলেজৰ কৃতিত্ব কেৱল ডাঙৰ ডাঙৰ অট্টালিকা, অসংখ্য ঘৰ-দুৱাৰ, ৱাৰ্ডৰ ওপৰতেই নিৰ্ভৰ নকৰে –কৃতিত্ব নিৰ্ভৰ কৰিব যদি এই কলেজৰপৰা মানব সেৱাৰ আহিঁবে সমাজ সেৱক চিকিৎসক গঢ়ি উঠে। তাৰ পিছত তেখেতে অসমত বিশ্ববিদ্যালয় পতাৰ কথা চিন্তা কৰি কাম হাতত ললে আৰু অসমবাসীয়েও তাত সহাঁৰি জনালে। গুৱাহাটী বিশ্ববিদ্যালয় গঢ়ি উঠাৰ মূলতে বৰদলৈ ডাঙৰীয়া। সেই সময়তে বহুতে বৰদলৈ ডাঙৰীয়াক অসমৰ খনিকৰ বুলিয়ে আখ্যা দিছিলে। এই দুয়োটা লেখতলবলগীয়া বৃহৎ অনুষ্ঠানৰ উপৰিও তেখেতে অসমত হাইকোৰ্ট, ইঞ্জিনিয়াৰিং স্কুল, ফৰেষ্ট স্কুল, পশু চিকিৎসাৰ শিক্ষানুষ্ঠান আদিও স্থাপন কৰালে।

এইবোৰ গঠনমূলক কামৰ উপৰিও তেখেতে পৰ্বত-ভৈয়ামৰ লোকৰ মাজত মিলা-প্ৰীতিৰ ভাব বৃদ্ধি কৰাৰ উদ্দেশ্যে, সেইবোৰ ঠাইত ভ্ৰমণ কৰাৰ কথা কেতিয়াবাৰপৰাই পাঙি আছিল। বাস্তৱতাৰ মাজেদিয়েই তেখেতে উত্তৰ-পূব-সীমান্ত অঞ্চল (আজিকালিৰ অৰুণাচল) দুই-এদিন ভ্ৰমণ কৰি আহিল যদিও তেখেতৰ স্বাস্থ্য সিমান ভাল নাছিল। অলপ সময়ৰ ভিতৰতে তেখেতে সেই অঞ্চলৰ আবৰ, দফলা প্ৰভৃতি লোকসকলৰ লগত দেখা-সাক্ষাৎ কৰি তেওঁলোকৰ অন্তৰ জয় কৰিবলৈ সমৰ্থ হৈছিল ; এই বিষয়ে এটা কথাৰপৰাই প্ৰমাণিত হৈছিল। বৰদলৈ ডাঙৰীয়া উত্তৰ-পূব সীমান্ত অঞ্চলৰপৰা অহাৰ কিছুদিন পিছতেই ডিব্ৰুগড়ৰ ফালে যোৱাৰ কথা আছিল। তাকে শুনি ভালেমান আবৰ, দফলা আদি সীমান্ত অঞ্চলৰ লোক আহি ডিব্ৰুগড়ৰ খলিহামাৰীত শ্ৰীলক্ষেশ্বৰ বৰুৱা ডাঙৰীয়াৰ চৌহদত শিবিৰ পাতি আছিল। সেই সময়ত ময়ো ডিব্ৰুগড়লৈ যাবলগীয়া হৈছিল। তেওঁলোকক দেখা পাই সুধিলো, "আপোনালোক ক'লৈ আহিছে, ক'লৈ যাব ?" উত্তৰত ক'লে "আমি আহিছো বৰদলৈ চাহাবক লগ পাবলৈ। সুধিব খুজিছো যে বৰদলৈ চাহাব ডাঙৰ আছে নে জেমছ চাহাব ডাঙৰ আছে।" কাৰণটো পিছত জানিব পাৰিলো যে বৰদলৈ সীমান্ত অঞ্চললৈ যাওঁতে জাতীয়

পতাকা উত্তোলন কৰা হৈছিল, কিন্তু জেমছ চাহাবে হেনো পিছত এবাৰ তেওঁলোকে জাতীয় পতাকা উত্তোলন কৰিব খোজাত উত্তোলন নকৰিলে। সীমান্তৰ এই পৰ্বতীয়া লোককেইজনে কেবাদিন ধৰি তাত আছিল আৰু নিজে খোৱাবস্তু ভাৰ-ভেটি লৈ আহিছিল। তেওঁলোকে বজাৰৰপৰা নিজে অসমীয়া ল'ৰা-পুথি কিনি আনি শিকিবৰ মানসেৰে পঢ়িব ধৰিছিল।

বৰদলৈ ডাঙৰীয়াৰ দুখীয়া আৰু সাধাৰণ লোকৰ প্ৰতি যে দয়াৰ ভাব আছিল, কথা এটাৰপৰাই বুজিব পাৰি। তেখেত মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত গুৱাহাটীত এদিন বৰদা শীল নাপিতৰ হতুৱাই চুলি কটাই থাকোতে বৰদাই তেখেতক ক'লে, "দেউতা, মোৰ ঘৰৰ কাৰণে টিনকেইপাতৰ প্ৰয়োজন আছিল মই 'পাৰমিট'ৰ' কাৰণে দৰ্খাস্ত দি হায়ৰাণ হ'লো নাপালো।" বৰদলৈ ডাঙৰীয়ায়ো নিজৰ ঘৰৰ বাবে কেইপাতমান টিনৰ কাৰণে দৰ্খাস্ত দিছিল। চুলি কটাই উঠাৰ পিছত বৰদলৈ ডাঙৰীয়াই বৰদাৰ হাতত যোগান বিভাগৰ ডেপুটি ডিৰেক্টৰলৈ এই বুলি এখন চিঠি লেখি দিলে—"মোক টিনপাত নালাগে, এতিয়া বৰদাকহে আগেয়ে দিব লাগে, কিয়নো তেওঁ মোতকৈ আগেয়ে দৰ্খাস্ত দিছে আৰু তেওঁৰ প্ৰয়োজন বেছি।" এইটো বৰদলৈ ডাঙৰীয়াৰ এটা মহৎ গুণৰ পৰিচয়।

বৰদলৈ ডাঙৰীয়াই মাজে মাজে শ্বিলঙৰপৰা নামি আহি বণিহাটৰ বঙলাত জিৰণি লৈ কাম কৰাৰ কথা ভাবিছিল। কাৰণ, শ্বিলঙত কামৰ বোজাৰ উপৰিও সাক্ষাৎ কৰা মানুহৰ ভিৰত কাম কৰিবলৈ অসুবিধা পাইছিল। এদিন বৰ্ণিহাটলৈ অহাৰ সময়ত ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু মোক মাতি পঠিয়ালে কিবা কথা আলোচনা কৰিবলৈ। আমি দুয়ো গৈয়েই দেখিলো, বঙলাত ভালেমান খাচীয়া, মিকিৰ আৰু নেপালী কানিয়া মানুহে তেখেতক আমনি কৰিছে তেওঁলোকক কানি খাবলৈ অনুমতি-পত্ৰ লাগে। তেখেতৰ লগতে আমিও কানিয়াকেইজনক বুজনি দিব ধৰিলো। কানি খোৱা কেনেকৈ এৰিব পাৰি, সেই বিষয়েও বুজাই কোৱা হ'ল। বৰদলৈ ডাঙৰীয়াই আমি দুজন যে ডাক্তৰ পৰিচয় কৰাই দিলে। কানিয়াসকলৰ দুই-এজনে কানি এৰিবলৈ চেষ্টা কৰিব বুলি কৈ ক'লে যে কানি এৰিবলৈ দৰবৰ ব্যৱস্থা কৰি দিব লাগে।

তাৰ কেইদিনমান পিছতে বৰদলৈ ডাঙৰীয়াই নগা পাহাৰলৈ যোৱাৰ কথা ভাবিলে। ডাঃ ভুবনেশ্বৰ বৰুৱাই তেখেতক কিছুদিন অপেক্ষা কৰিবলৈ কৈ

ক'লে, "ডাঃ বিধানচন্দ্ৰ ৰায় শ্বিলঙলৈ আহিব, সেই সময়তে আপোনাক দেখুৱাব লাগিব; কিয়নো আপোনাৰ হৃদ্‌পিণ্ডৰ অলপ দোষ আছে (dilated heart)।" ডাঃ বিধানচন্দ্ৰ ৰায় অহাত দেখুওৱা হ'ল। ডাঃ ৰায়েও নগা পাহাৰলৈ যোৱাটো স্থগিত ৰাখিবলৈ ক'লে। কেইদিনমান অপেক্ষা কৰি বৰদলৈৰ মনে নামানিলে। নগা পাহাৰলৈ দুই-এদিনৰ কাৰণে গ'ল। তাৰপৰা আহি শ্বিলঙলৈ গৈ ভগ্ন-স্বাস্থ্য লৈয়েই জৰুৰী কামবোৰ কৰিলে আৰু গুৱাহাটীলৈ আহি ৰাতি ভাস্কৰ নাট্য মন্দিৰত সহ-অভিনয় চাবলৈ গ'ল। অভিনয় চাই আহি উলুবাৰীত নতুনকৈ সজা বাসভৱনত ১৯৫০ চনৰ ৫ আগষ্টৰ মাজ ৰাতি হঠাতে হৃদৰোগত আক্ৰান্ত হোৱাত তেখেতৰ বহুমূলীয়া জীৱনৰ অৱসান ঘটিলে। হাজাৰ হাজাৰ গুণমুগ্ধ ৰাইজে তেখেতৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ তেখেতৰ বাসভৱনলৈ ঢাপলি মেলিলে আৰু সমদলেৰে শ্মশান-যাত্ৰাত যোগ দি অন্ত্যেষ্টি-ক্ৰিয়া সম্পাদন কৰিলে। তেখেতে পৰ্বতীয়া লোকসকলৰ অন্তৰ কেনেকৈ জয় কৰিছিল তাৰ প্ৰমাণ তেখেতৰ আদ্যশ্ৰাদ্ধৰ সময়ত পোৱা গৈছিল। সুদূৰ উত্তৰ-পূব সীমান্ত অঞ্চলৰপৰা কেবাগৰাকী নেতৃস্থানীয় পৰ্বতীয়া লোকে তেখে-তৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ গুৱাহাটীলৈ আহি দুৰাতি কামৰূপ একাডেমীত আছিল। হঠাতে তেওঁলোকৰ মুৰব্বী এগৰাকী নেতাই কৈ উঠিল, "বৰদলৈ ডাঙৰীয়া সংসাৰ এৰি গ'ল ইফালে ভূমিকম্পয়ো আমাৰ অঞ্চল কঁপাই দিলে আমি সোনকালে যাওঁগৈ আমাৰ তাত বা কি ধ্বংসলীলা হৈছে।"

# দেউতাৰ সোঁৱৰণত

**লিলি মজিন্দাৰ বৰুৱা**

লোকপ্ৰিয় গোপীনাথ বৰদলৈক মোৰ পিতৃ হিচাপে পোৱা কথাষাৰ লেখনিৰ দ্বাৰা প্ৰকাশ কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ। তেখেত আমাৰ বাবে আদৰ্শ পিতৃ আছিল। মই ভাবো তেখেত কেৱল নটা ল'ৰা-ছোৱালীৰ পিতৃয়েই নহয়; আমাৰ বয়সৰ শিলপুখুৰীৰ পুৰণি ঘৰৰ চুবুৰীৰ সকলো ল'ৰা-ছোৱালীৰ তথা অসমৰ বা ভাৰতৰে বহুতৰ পিতৃস্বৰূপ আছিল।

দেউতাক মই দহ বছৰ বয়সলৈকে পাইছিলো। সেই লৰালিৰ কথা-বোৰ এতিয়াও মোৰ স্মৃতিপটত স্পষ্ট হৈ ভাঁহি আছে। সপোনতে এতিয়াও দেউতাক দেখো, প্ৰায় দুযুগ আগতে পিন্ধা শুভ্ৰ পোছাকযোৰেৰে সৈতে, কিন্তু যেন অপাৰ্থিব; সেইয়া মোৰ 'মৰমৰ দেউতা' যেন আৰু নহয়। দেউতাক হেৰুৱাৰ বহুত দিনলৈকে যেন পদে পদে তেখেতে বাট দেখুৱাই নিছিল; অকলশৰীয়াকৈ পঢ়ি থকা অৱস্থাত অন্তৰত কোনোবাই একেষাৰ বাণী শুনাই যোৱাৰ দৰে অনুভৱ কৰিছিলো - এই কথাবোৰ মই মোৰ ডায়েৰী আকাৰত লেখি গৈছিলো আৰু মই ভাবিছিলো যে এয়া মোৰ দেউতাই মোক উপদেশ দিছে। মাৰ্গাৰেট শ্লেডলৈ বাপুজীয়ে লেখা "মৃত্যুৰ পিছত মই তোমাৰ বেছি ওচৰলৈ আহিম"—এই কথাষাৰ মোৰ সত্য যেন অনুভৱ হয়।

দেউতাই ৰাজনীতি কৰিছিল যদিও ঘৰখনৰ প্ৰতিটো কথাতে মন দিছিল। বাল্যবিধবা বায়েক শশীবালা দেব্যা, দুৰ্মলীয়া ভায়েক ৰত্নেশ্বৰ বৰদলৈ আৰু শ্ৰীযুত গণেশচন্দ্ৰ বৰদলৈৰ ভৰণ-পোষণৰ দায়িত্ব, তদুপৰি দুই ভাই-ককাইৰ পৰিয়ালৰ সমস্ত দায়িত্বৰ ভাৰ লৈ কিমান সুচাৰুৰূপে চলাইছিল তাৰ প্ৰমাণ তেখেতে জেলৰপৰা ঘৰলৈ লেখা চিঠিবোৰতে পোৱা যায়। এঠাইত তেখেতে মালৈ (শ্ৰীযুতা সুৰবালা বৰদলৈ) যোৰহাট জেইলৰপৰা লেখিছিল, "তোমাৰ শৰীৰ সম্বন্ধে মোৰ মনত চিন্তা হয়। এনেয়ে দুৰ্বল, তাতে ধান্ধনীৰ অভাৱত নিশ্চয় বৰ কষ্ট হৈছে; কিন্তু কি কৰিবা, আমাৰ দৰে দুখীয়া ঘৰত থাকিব

লাগিলে এই কষ্ট ভোগ কৰিব লাগিব।” যুদ্ধৰ সময়ত ধানৰ দাম বাঢ়িব বুলি জানি ১৯৪১ চনৰ জানুৱাৰী মাহত সবহকৈ ধান কিনি ৰাখি যাতে এই বিৰাট পৰিয়ালটো শৃঙ্খলাৰে চলে তাৰ বাবে উপদেশ দি চিঠি দিছিল। ডাঙৰ দাদালৈ (লেঃ কৰ্ণেল ধীৰেণ বৰদলৈ) দূৰৈত থাকিও পিতৃ হিচাপে থকা দায়িত্বৰপৰা আঁতৰি যোৱা নাছিল। সেয়েহে তেখেতে জেলৰপৰা দাদালৈ লেখিছিল, “ইংৰাজীতে কথা কোৱা, হিন্দীতে কথা কোৱা, হিন্দী, সংস্কৃত আৰু ইংৰাজী উচ্চাৰণ আৰু বিশেষকৈ ধৰ্ম সম্বন্ধীয় কিতাপ পঢ়া, গান আৰু গীত গোৱা বিষয়ে তোমালৈ লেখিছিলো। মনটো নিজৰ বশ-মতে চলাব পৰাই পৃথিবীৰ ভিতৰত সকলোতকৈ ডাঙৰ কাম। ইয়াকে কৰিব পাৰিলে তুমি ডাঙৰ আৰু ভাল মানুহ হ’ব পাৰিবা।” সৰুৰেপৰা যাতে আমাৰ মনত ধৰ্মৰ প্ৰতি আসক্তি থাকে সেই কথাত তেখেতে এই ধৰণে গুৰুত্ব দিছিল। আৰু কেৱল চিঠিৰে উপদেশ দিয়েই থকা নাছিল। শিলপুখুৰীৰ ঘৰৰ চোতালত পকী নামঘৰ এটা সাজিবলৈ ঘৰৰ নক্সাও জেলৰ পৰাই পঠাই দিছিল। এই ঘৰত আমি তুখন ঘৰৰ চৈধ্যটা আৰু চুবুৰীৰ আন আন ল’ৰা-ছোৱালীয়ে মিলি সন্ধিয়া প্ৰাৰ্থনা কৰা দৈনন্দিন নিয়ম আছিল। প্ৰাৰ্থনাত গাবলগীয়া গীতবোৰ– নামঘোষা, ৰবীন্দ্ৰ সংগীত, ভজন, বাইবেলৰ অধ্যায় জেলৰপৰা লেখি পঠাইছিল––ইয়াৰ ভিতৰত “মম অন্তৰ বিকশিত কৰ” আৰু “পৰম কৃপালু হুইয়া” উল্লেখযোগ্য। সকলো ধৰ্মৰ প্ৰতি থকা তেখেতৰ প্ৰেম আৰু উদাৰতা ইয়াতেই প্ৰকাশ পায়।

১৯৪৭ চনত এবাৰ আমাৰ সাপ্তাহিক বন্ধ বাৰটোত পৰাকৈ ভাইটি আৰু মই দেউতাক খুব জোৰকৈ ধৰিলো যে ওচৰৰ ঠাইলৈ আমাক ফুৰাবলৈ নিবই লাগিব। তেতিয়া দেউতা মুখ্যমন্ত্ৰী। আমাক এৰি থৈ দেউতাই মফচল কৰি আৰু মেল-মিটিঙ কৰি ফুৰাত বৰ দুখ পাইছিলো, কিয়নো মুখ্যমন্ত্ৰীৰ দায়িত্বৰ বিষয়ে বুজিবলৈ আমাৰ জ্ঞানেই হোৱা নাছিল। মান্তি হৈ দেউতাই শ্বিলঙৰ দক্ষিণলৈ অৱস্থিত মাফলং নামৰ ঠাইলৈ ৰাতি থকাকৈ লৈ গ’ল। আমি ঠাইখিনি গৈ পোৱাৰ পৰা কিনকিনীয়া বৰষুণ—বস্তিৰ মাজত থকা আলহী ঘৰটোৰ (P.W.D-I. B.) চাৰিওফালে বোকা আৰু গাহৰিময়। আমি ক’লৈকো ফুৰিবলৈ ওলাব নোৱাৰিলো। দেউতাই সুবিধাটো ল’লে—আমাক খুব অনাসক্তি যোগৰ শ্লোক শিকালে। আমিও এফালৰপৰা মুখস্থ কৰি গ’লো। অৰ্থবোৰ বুজাই দিয়া কিন্তু মনত নপৰে।

দেউতা এজন সঙ্গীতজ্ঞ আছিল। মোৰ ল'ৰালিৰ কিছুমান কথাৰপৰা তেখেতৰ সংগীত চৰ্চা আৰু সংগীতৰ প্ৰতি থকা প্ৰবল ধাউতিৰ কথা প্ৰায় মনলৈ আহে। অসম প্ৰকাশন পৰিষদৰ পুৰণি অফিচটোৰেই আমি থকা ঘৰ আছিল। ঘৰটোৰ পিছফালে মুকলি ঠাই অলপ আছিল। জহকালি দেউতাই অৰ্গেনটো লৈ গান গাইছিল আৰু সৰু ভায়েক মুমলি থুৱাই বেহেলা বজাইছিল। আমি আটাইবোৰে গান গাইছিলো। এইবোৰৰ ভিতৰত বৰগীত, ৰবীন্দ্ৰ সংগীত আৰু ভজন থাকে। মাজে মাজে শিশুৰ মন যোগোৱাকৈ সহজ-সৰল গীত-মাতো আমাক শিকাই আনন্দ পাইছিল। মোৰ এতিয়াও মনত পৰে, দেউতাই সেই গানটো গাবলৈ কোৱা—"ছোটী সী মন মেৰে, ছোটী সী দুনিয়া ৰে।" তেখেতে মোৰ কণ্ঠত এই হিন্দী গীতটো শুনি খুব আমোদ পাইছিল আৰু প্ৰায়ে কৈছিল, "বাচা, তোমাৰ ভঙা ঢোলটো বজাই দিয়াচোন!" কোৱাৰ লগে লগে মই গাইছিলো। তেখেতে মুখ্যমন্ত্ৰী হৈ শ্বিলঙত থকা কালছোৱাত সংগীত চৰ্চাৰ বাবে আমাক সকলোকে সুবিধা দিছিল। আমাৰ মাষ্টৰ অহা দিনটোত তেখেতে অফিচৰপৰা ঘৰলৈ আহি পোনে পোনে বাইদেউহঁতৰ কোঠালীত সোমাই বাবুল দাদাক (অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰদলৈ) তবলা-লহৰাৰ জ্ঞানৰ পৰীক্ষা কৰিছিল আৰু বাইদেউৰ (গিৰিজা চাংকাকতি) ওচৰলৈ গৈ চেতাৰখনত 'মলহাৰ' ৰাগটো বজাই কোন কোন স্বৰলিপি এই ৰাগত থাকে সেই বিষয়ে প্ৰশ্ন কৰিছিল। ননী গোপাল পুৰকায়স্থ চাৰতকৈ দেউতাই ওস্তাদী মাৰিবলৈ যোৱা বুলি পেটে পেটে বেয়া পাইছিলো; কিন্তু ছাৰে হয় বুলি কোৱাত বুজিছিলো যে দেউতাৰ সকলো দিশতে কিমান অভিজ্ঞতা আছিল! কলেজীয়া জীৱনত হেনো তেখেতে গৰমৰ বন্ধত যেতিয়া কলিকতাৰপৰা অসমলৈ আহে, প্ৰায়ে তেজপুৰলৈ তেখেতৰ অন্তৰঙ্গ বন্ধু চন্দ্ৰ নাথ শৰ্মা ডাঙৰীয়াৰ ঘৰলৈ গৈছিল। সেই সময়ত তেখেতে গোৱা গানৰ বিষয়ে ভায়েক শ্ৰীযুত ফটিক চন্দ্ৰ শৰ্মা ডাঙৰীয়াই প্ৰকাশ কৰিছিল।

দেউতা আছিল এজন সুনিপুণ চিত্ৰকাৰ। আমাৰ স্কুলত তেতিয়া প্ৰথমে ছবিত 'ৰাটাৰ কালাৰ' কৰিবলৈ শিকায়। দেউতাই কলিকতাৰপৰা মোৰ বাবে ধুনীয়া বাইছ বিধ বিভিন্ন ৰঙ থকা বিলাতী কোম্পানীৰ 'পেইণ্টিং বক্স' এটা আনি দিছিল। স্মৃতি স্বৰূপে মই এতিয়াও সাঁচি থৈছো। আন ছবিৰপৰা চাই অঁকা বা হুবহু নকল কৰিলে তেখেতে অকণো ভাল নাপাইছিল। এবাৰ বনভোজ খাবলৈ আমাক লৈ যাবৰ বাবে দেউতাক এসপ্তাহমান আগৰপৰা কৈ থকাৰ পিছত আমাক লৈ গ'ল। বৰাপানী—শ্বিলংৰপৰা মোল মাইল আঁতৰত

গুৱাহাটীৰ ফাললৈ (এতিয়া সেই ঠাইৰ বহু সাল সলনি হ'ল)। মাইঁত বন্ধা-বঢ়াত লাগিছিল—আটাইবোৰ লৰা-ছোৱালী নৈৰ কাষে কাষে ফুৰিবলৈ, মাছ মাৰিবলৈ বুলি ভাগে ভাগে গ'লগৈ। মোক কিন্তু দেউতাই তম্বু এটাৰ তলত বহুৱাই ছবি অঁকাৰ সজুলি উলিয়াবলৈ আদেশ দিলে। মোক তেখেতে আঙুলিৰে পোনাই শ্বিলং গুৱাহাটীৰ একা-বেকা ৰাস্তাটো দেখুৱাই ক'লে যে, "ৰাস্তাটোত চলি থকা পৰিবহন বিভাগৰ গাড়ী-কেইখনৰ সৈতে এখন লেণ্ডস্কেপ আঁকা।" কোনটো ৰং ক'ত দিব লাগে তেখেতে খুব মৰমেৰে শিকাই গৈছিল। দেউতাৰপৰাই মই ছবি অঁকাৰ আভাস পাইছিলো, লগতে উপলব্ধি কৰিছিলো তেখেতৰ মাজত থকা চিত্ৰকাৰৰ প্ৰতিভা। দেউতাৰ শোৱনি কেঠাৰ মজিয়াত বহি ভাইটি (ৰবীন্দ্ৰ) আৰু মই প্ৰায়েই লেখা-পঢ়া কৰিছিলো। তেখেতে সেই সময়ত আমাৰ কাষত নাথাকি অফিচ ৰুমত ৰাজনৈতিক নেতাসকলৰ লগত মিটিং কৰিছিল, যদিও সেই কোঠালীৰ মাটিত বহি পঢ়া-শুনা কৰিবলৈ আমাৰ বেলেগ ধৰণৰ ধাউতি আছিল। কেতিয়াবা তেখেতে এখন ছবি আমাৰ দুয়োৰে মাজত দি প্ৰতিযোগিতা চলাই বেছ আনন্দ পাইছিল। আনকি বিচনা-চাদৰ আৰু ৰুমালত দিবলগীয়া সূতাৰ ৰং পৰ্যন্ত তেখেতে জেলৰপৰা নমুনা আঁকি পঠিয়াইছিল। আমাৰ অতি মৰমৰ ধাই মা-স্বৰূপ পুৰী বায়ে তেখেতৰ মনঃপুত হোৱাকৈ বিচনা চাদৰ আৰু ৰুমাল বৈ পঠিয়াইছিল। কেৱল দেউতাৰ বাবেই নহয়, তেখেতৰ ইচ্ছা অনুযায়ী ফখৰুদ্দিন আলি চাহাবলৈকো (সহবন্দী) বৈ পঠিয়াইছিল।

দেউতাৰ ৰন্ধা-বঢ়া বিষয়তো বৰ হেপাহ আছিল। উৰুকা ভোজৰ ৰাতি বন্ধা-বঢ়াৰ তালিকা তেখেতে নিজেই কৰি ভাল পাইছিল। আগৰ দিনত বিয়া-বাৰু খুব কম বয়সতে হৈছিল। ভূমিকান্ত মজিন্দাৰ বৰুৱাৰ চাৰিটা পুত্ৰৰ মাজত একমাত্ৰ কন্যা আছিল বাবে মায়ে ঘৰৰ কাম-বন দেউতাৰ বিধবা বায়েক জেঠাইৰ-পৰা শিকে। মাছ-মাংস ৰান্ধিব লগা হ'লে হেনো লাজ লাজকৈ দেউতাই ঘৰুৱা লগুৱা এটাৰ যোগেদি খিৰিকিৰ বাহিৰপৰা মাক ৰন্ধা-বিদ্যা শিকাইছিল (মাৰ মুখে শুনা)। বিদেশী আদব-কায়দাৰ ভোজ-মেলত যোগ দি কোন কোন আঙ্গাত কি কি দিব লাগে মাক শিকাইছিল। তেখেতে মাগুৰ মাছ শুকান খৰিছাৰে ভজা খাই বৰ ভাল পাইছিল। যোৰহাট জেলত তেখেতে ৰন্ধা-বঢ়া কৰিবলৈ যোৱাৰ কথা ৬।১।৪১ চনৰ চিঠিত মালৈ লেখিছিল।

দেউতাৰ প্ৰায়বোৰ খেলৰ প্ৰতি ৰাপ আছিল। তাৰ ভিতৰত ক্ৰিকেট উল্লেখযোগ্য। জীৱনৰ শেষছোৱাত ১৯৪৭ চনত শেষবাৰৰ বাবে তেখেতে ক্ৰিকেট খেলে। এই খেল অনুষ্ঠিত হয় মুখ্যমন্ত্ৰীৰ একাদশ বনাম ৰাজ্যপালৰ একাদশ। অসমৰ সেই সময়ৰ বিখ্যাত খেলুৱৈ শ্ৰীযুত পুলিন দাস, পিলিক চৌধুৰীকে আদি কৰি ভালেমান খেলুৱৈয়ে যোগদান দিছিল। খেল অনুষ্ঠিত হৈছিল শ্বিলঙৰ পলো গ্ৰাউণ্ডত। সেই দিনটোত আমাৰ ঘৰ-খন বিয়া ঘৰৰ দৰে হৈছিল। ফুটবল খেলা তেখেতে পছন্দ কৰিছিল সঁচা, কিন্তু এই খেল খেলিবলৈ দাদাহঁতক তেখেতে উদগনি দিয়া নাছিল। বেড্-মিনটন তেখেতে জেলত থকা অৱস্থাত এঘণ্টাকৈ খেলিছিল (জেলৰপৰা মালৈ লেখা চিঠিৰপৰা ২৩।১১।৪২) তেখেতে টেনিছ যে খেলিছিল তাৰ চিনস্বৰূপে এতিয়াও আমাৰ উলুবাৰীৰ ঘৰত ৰেকেটখন আছে। কেৰম আৰু লুডু খেলত আমি তেখেতৰপৰা প্ৰায়ে সহযোগ পাইছিলো।

লোকবন্ধু ভুবনেশ্বৰ বৰুৱাদেৱ দেউতাৰ পৰম বন্ধু আছিল। কেৱল বন্ধু আৰু ডাঃ শুভাকাঙ্খীয়ে নহয়, বৰুৱা ডাক্তৰো আছিল। ডাক্তৰ শ্ৰীযুত ঘনশ্যাম দাস ডাঙৰীয়াও তেখেতৰ ঘৰুৱা ডাক্তৰ আছিল। দেউতাৰ ওপৰত যেতিয়া কামৰ হেঁচা বেছি পৰে, তেতিয়া তেখেতে অৱসৰ বিনোদনৰ প্ৰয়োজন বুলি বালিভোজ খোৱাৰ আয়োজন কৰে। সেই স্বভাৱটো আমি এতিয়াও দাদা, ডাঃ বিশ্বজিৎ বৰুৱা আৰু গোপাল গোস্বামীৰ (অসম বিধান সভাৰ ভূতপূৰ্ব অধ্যক্ষ স্বৰ্গীয় হৰেশ্বৰ গোস্বামীৰ ভায়েক) বছৰি কৰা বালিভোজৰ মাজত দেখিবলৈ পাওঁ। বৰুৱা খুড়াদেউৰ ধুমলীয়া দুগৰাকী ছোৱালী মাইনু, গীতিমা, মই আৰু ভাইটিয়ে দেউতাহঁতৰ এই ধৰণৰ আনন্দৰ ভাগ ল'বলৈ সুবিধা পাইছিলো। এবাৰ চিকিৎসা কৰাবৰ বাবে মাও তেখেতৰ লগত যোৱাৰ প্ৰয়োজন হ'ল। মা নহ'লে থাকিব নোৱাৰো বুলি ভাইটি আৰু ময়ো ওলালো। বৰুৱা খুড়াদেউৰ উপদেশ অনুসৰি আমি জাহাজেৰে যোৱাটো ঠিক কৰা হ'ল। আমাৰ জাহাজখন সুন্দৰবনৰ মাজে মাজে গৈছিল। খুলনা, গুৱালন্দৰ ঘাটে ঘাটে ৰৈছিল। সুন্দৰবন হাবিৰ মাজেদি গৈ থাকোতে আমি জাহাজৰপৰা বনৰীয়া জন্তু দেখিছিলো। বাঘ পোৱালীৰে সৈতে কোনো কোনো ঠাইত হৰিণ পহু নিৰ্বিকাৰ হৈ অৰণ্যত চৰি ফুৰিছিল। দেউতাই প্ৰাকৃতিক সৌন্দৰ্যৰ তাৎপৰ্য মাক বুজাইছিল—লগতে আমিও শুনিছিলো। এই ওঠৰদিনীয়া জাহাজ-যাত্ৰাত দেউতাই আমাক অনাশক্তি যোগৰ শ্লোক

শিকাৰলৈ এবা নাছিল। জাহাজৰ খালাছীবোৰে বাম ঠাই পালে কিদৰে নিচান দিয়ে সেইবোৰ আমি অনুকৰণ কৰি দেখুৱাইছিলো আৰু তেখেতেও আমোদ পাইছিল।

দেউতাইঁতে খৰালি সময়ত বৰ্তমান ভুটান সীমান্তৰ ফালে, মথনগুড়ি নামৰ ঠাইত এটা কেম্প কৰিবলৈ গৈছিল। লগত শ্ৰীযুত মহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়া, শ্ৰীযুত সতীশ কাকতিদেৱ, ৰূপনাথ ব্ৰহ্মদেৱকে আদি কৰি ভালেমান মানুহ গৈছিল। আমাৰ স্কুল ঠাণ্ডাৰ বাবে বন্ধ আছিল। গতিকে সেই-বাৰো দেউতাৰ লগত যাবলৈ আমি সুবিধা ললো। ৰূপানাথ ব্ৰহ্মদেৱৰ ছোৱালী ৰাণীও (ৰাজলক্ষ্মী দেৱী) ওলাল। এটা বৰ সুন্দৰ অথচ ভয় লগা কথা মোৰ ৰিণিকি ৰিণিকি মনত পৰে। তাত জীৱ-জন্তু একো মাৰিবলৈ নিদিয়ে। আমাৰ সকলোৰে বন্যজন্তু চাবৰ মন। ঠিক কৰা হ'ল যে পানীৰ ডোঙা থকা এঠাইত নিমখ থোৱা হ'ব সেই নিমখীয়া পানী খাবলৈ জীৱ-জন্তু আহিব। ঠাইখিনিৰ ওচৰত বিৰাট ওখ গছ এজোপাৰ ফেৰেঙনিত টঙিৰ এটা সাজি দিলে। আমি খাই-বৈ ডুপৰীয়া ওলালো হাতীৰে। উঠিলেই কঁপি থকা দীঘল, দুৰ্বল জখলাদালৰ খটখটিয়েদি দেউতাই টঙি ঘৰটোলৈ উঠি গ'ল। পিছে পিছে ময়ো গ'লো। আমাক নিশব্দে বহি থাকিবলৈ আদেশ দিলে। সকলোৱে মনে মনে উৎকণ্ঠাৰে বাট চাই আছো। বন্য জন্তু আহিব-চাম। দূৰৈত অৰণ্যৰ মাজত হাতীৰ মাতৰ গৰ্জন শুনি-ছিলো কিন্তু নেদেখিলো। সেইখিনি সময়ৰ ভিতৰত মই এটা কথা লক্ষ্য কৰিছিলো যে দেউতাৰ মুখখন ৰঙা পৰি আহিছিল। ৰক্তচাপ বাঢ়িছে বুলি মোৰ মনলৈ ভাব অহাত মনত বৰ দুখ লাগিছিল আৰু সেইবাবে জন্তু চোৱাৰ আনন্দ বিসৰ্জন দি ততালিকে টঙিঘৰৰপৰা নামি আহিলো।

ডেকা অৱস্থাত দেউতাই প্ৰায়ে চিকাৰ কৰিবলৈ গৈছিল। তেখেতৰ দুইনলীয়া বন্দুকটো এতিয়াও আছে। আমাৰ ঘৰত তেখেতে চিকাৰ কৰি মাৰি অনা শিঙাল হৰিণ পশুৰ মূৰ কেইবাটাও সজাই থোৱা আছে। এবাৰ এটা জালপহীয়া সাপ মাৰি ছালখনেৰে মাৰ বাবে ভেনিটি বেগ আৰু হিল থকা জোতা এযোৰ কলিকতাত কৰাই আনিছিল। ঘঁৰিয়াল এটা মাৰি তাৰ চামৰাৰপৰা কৰি থোৱা বাকচ দুটাও আছে। মাৰ মুখত তেখেতৰ চিকাৰী বয়সৰ কাহিনী আৰু বস্তুবোৰ দেখি তেখেতৰ এই বিদ্যাত পাৰ-দৰ্শিতাৰ কথা বুজিছিলো। কিন্তু পিছৰ জীৱনত মৃগয়া বনবিলাকত জীৱ-জন্তু

হত্যা মানা কৰি সংৰক্ষণৰ বাবে তেখেতে চেষ্টা কৰিছিল। এয়া হৈছিল গান্ধীজীৰ প্ৰতি থকা অসীম শ্ৰদ্ধা আৰু তেখেতৰ কথা আখৰে আখৰে মানিবলৈ কৰা চেষ্টাৰ পৰিচয়।

খেলা-ধূলা চিকাৰ কৰাৰ লগতে মাছ মৰাতো তেখেতৰ বৰ ৰাপ আছিল। মাছ মাৰিবলৈ যাওঁতে তেখেতৰ লগত গৈছিল আমাৰ হাতীৰ মাউত বিৰু ককাই, পুতেক দুৰ্গা, শিলপুখুৰীৰ ঘৰৰ পাৰা প্ৰতিবেশী বিহাৰী ভাই ৰাম প্ৰসাদ আৰু নন্দলাল। সাধাৰণতে তেখেতে দুৰ্গাপূজাৰ দশমীৰ দিনা ঘৰৰ আটাইকে দুৰ্গা গোসানীক বিসৰ্জন দিয়া চাবলৈ পঠিয়াই নিজে ফ্লাস্কত চাহ আৰু টিফিন লৈ গৈ গোটেই দিনটো মাছ মাৰিবলৈ বোন্দা নামৰ ঠাইলৈ গৈছিল। সেইদৰে কলেজত পঢ়ি থকা অৱস্থাতো হেনো তেজপুৰলৈ গৈ বন্ধু চন্দ্ৰনাথ শৰ্মাৰ লগত মাছ মাৰিবলৈ গৈ বৰ ভাল পাইছিল।

দেউতাই আমাক সৰুৰেপৰা এটা বিশেষ ধৰণৰ শিক্ষা দিবলৈ যত্ন কৰিছিল। সেইটো হৈছে অনাড়ম্বৰভাৱে জীৱন যাপন কৰা। মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাত আমি চৰকাৰী গাড়ীত উঠি ঘূৰি ফুৰাটো তেখেতে কেতিয়াও পছন্দ নকৰিছিল। সেয়েহে এবাৰ স্কুললৈ যাবৰ সময়ত দবা-পিটা বৰষুণত মায়ে গাড়ীখনৰ বাবে অনুৰোধ কৰাত তেখেতে খঙেৰে কৈছিল, "কলিকতাৰপৰা আনি দিয়া পানী কোট আৰু ছাটি লৈ স্কুললৈ যাবলৈ দিয়া।" অৰ্থাৎ সৰ্বসাধাৰণে যি দৰে বৰষুণত তিতি স্কুললৈ গৈছে, আমিও যোৱা উচিত। আৰু দুটা উদাহৰণৰ কথাই মোৰ মনত দ-কৈ ৰেখাপাত কৰিছিল। সেই সময়ত মুখ্যমন্ত্ৰীৰ বাসভৱন হিচাপে শ্বিলঙৰ ব্ৰাইট ৰেল নামৰ ঘৰটো দিছিল। মায়ে এগৰাকী মন্ত্ৰীৰ পৰিবাৰৰ কথা শুনি আমি থকা ঘৰটোতো পৰ্দা, কাৰ্পেট আৰু ফাৰ্নিছাৰ দিয়াৰ কথা ভয় ভয়কৈ দেউতাৰ আগত কৈছিল। এই কথাত দেউতাই তীব্ৰ প্ৰতিবাদ কৰিলে আৰু ক'লে যে দুদিনৰ বাবে মুখ্যমন্ত্ৰীৰ পত্নী হৈ এইবিলাক বিলাসৰ বাবে আশা কৰাটো অন্যায়। সেয়েহে বাহিৰত বহা কোঠালিটোৰ বাহিৰে আমাৰ কোনো এটা কোঠালিতে সাজ-সজ্জা নাছিল। একে ধৰণৰ ঘটনা এটা ঘটিছিল দেউতাৰ এবাৰ অসুখৰ সময়ত। দেউতাক ৰাতি পথ্য হিচাপে দিবলৈ পাউৰুটি নাছিল। আমাৰ ঘৰুৱা শিক্ষক শ্ৰীযুত গুৰুদত্ত ভাগৱতী দেৱে মুখিলত মায়ে পাউৰুটি নোহোৱাৰ কথা কৈছিল। হয়তো মুখ্যমন্ত্ৰীৰ ঘৰৰপৰা ছাপ্ৰাছী এটাই ফোন কৰিলেও পাউৰুটিৰে ঘৰ ভৰিলহেঁতেন;

কিন্তু দেউতাই এইবোৰ বেয়া পাইছিল কাৰণেই মায়ে ৰোগীকো ৰাতি ৰুটি খাবলৈ দিব নোৱাৰিলে।

দেউতাই মাজু বাইদেউলৈ (হেমলতা চাংকাকতি) জেলৰপৰা এই দৰে লেখিছিল, "তুমি অকণমান ছোৱালীজনীয়ে ইমান ৰন্ধা কাম কেনেকৈ কৰিব পাৰিছা ? ঘৰত ৰান্ধনি দিব নোৱাৰাৰ কাৰণে মোক বেয়া নাপাবা। সাধাৰণ মানুহে এইদৰে নিজৰখিনি নিজে ৰান্ধি-বাঢ়ি খায়। লগতে তোমাৰ কামো শিকা হৈছে—গাত শক্তিও হ'ব। সেই বুলি পঢ়িবলৈ নেৰিবা।" আনহাতে তেখেতে আমি স্বাৱলম্বী হৈ জীৱন কটোৱা, অৰ্থাৎ খেতি কৰা, খৰি কটা, মিস্ত্ৰী কাম, ৰন্ধা-বঢ়া, বোৱা-কটা সকলো কথাতে পৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ চলিব পাৰিবলৈ উপদেশ দিছিল। সেয়েহে দাদালৈ লেখিছিল, "তুমি ঘোঁৰাত উঠিব শিকিবা, যাতে ভালকৈ শিকিব পাৰা চাবা। স্কুলৰপৰা অনুপস্থিতত বহুত সময় পাইছা—মিস্ত্ৰী কামৰ সৰঞ্জাম কিনি অনাই ভুমলি খুড়াৰক কৈ কাম শিকিবা। শাক-পাচলি, কবি ইত্যাদি কৰাৰ বিষয়ে Sutton-ৰ কিতাপ পঢ়িবা যাতে লগে লগে বিদ্যাও বাঢ়ে। নিশ্চয় জানিবা পৃথিৱীৰ সকলো কাম ঈশ্বৰে কৰাই লৈ গৈছে। গতিকে সদায় সান্ধ্য গায়ত্ৰী কালত বিশেষভাৱে ভাবিবা। মই আশা কৰি আছো যে গোসাঁই-ঘৰত আটাইকেউটি ল'ৰা-ছোৱালী মাতি নি স্তোত্ৰ আৰু আন গান গোৱাবা।" ছোৱালী হ'লে পঢ়াতকৈ ঘৰুৱা আন কাম বেছি প্ৰয়োজনীয় বুলি বোধ কৰি মাজু বাইদেউলৈ যোৰহাট জেলৰপৰা ২৯-৩-৪৩ ত এইদৰে লেখিছিল, "ভালকৈ পঢ়িবা, কিন্তু ঘৰৰ কাম, সূতা-কটা, কাপোৰ-বোৱা, বেজীৰ কাম মোৰ মনেৰে পঢ়াতকৈ ডাঙৰ।"

বিদেশী সামগ্ৰী বৰ্জন কৰিবলৈ চলা আন্দোলন সেই সময়ত ভাৰতৰ প্ৰত্যেক ঘৰতে কাৰ্যত পৰিণত হৈছিল। আমাৰ ঘৰতো নোহোৱাকৈ থকা নাছিল। খুড়াহঁতৰ আৰু আমাৰ—এই দুয়োখন ঘৰৰ প্ৰায় প্ৰত্যেকলৈ সুকীয়াকৈ দেউতাই সূতা-কটাৰ উপদেশ দি চিঠি দিছিল। কেৱল উপদেশেই নহয়, সূতাৰ হিচাপো খুজিছিল। পূজাৰ পোছাকৰ বাবে প্ৰত্যেকেই নিজৰ নিজৰ পেণ্ট-ফ্ৰকৰ জোখাৰে সূতা কটাটো ধৰা-বন্ধা কথা আছিল। সূতা কটা নাই বুলি কেনেবাকৈ গম পালে ল'ৰা-ছোৱালীলৈ কঠোৰভাৱে লেখিছিল।

স্বাধীনতাৰ আন আন যুঁজাৰুসকলৰ দৰে দেউতায়ো জেলত বন্দী হৈ থকা

অৱস্থাত সময়ৰ সদ্ব্যৱহাৰ কৰিছিল। সূতা কটা, কিতাপ অধ্যয়ন কৰা, লেখা ইত্যাদি কাম দেউতাই জেলত থকা সময়তে কৰে। এই কালছোৱাৰ ভিতৰত তেখেতে গান্ধীজী, বুদ্ধদেৱ, যীশুখ্ৰীষ্ট, শ্ৰীৰামচন্দ্ৰ, হজৰত মহম্মদ, তৰুণ ৰাম ফুকনৰ কথা লেখে আৰু অনাসক্তি যোগৰ ভাঙনি যুগুত কৰে। দৈনন্দিন কামৰ ভিতৰত কিতাপ লেখা আৰু সূতা কটাই প্ৰধান আছিল। তেখেতে ভবিষ্যত জীৱনৰ কথা ভাবি মালৈ এইদৰে লেখিছিল। এই চিঠি-খনৰপৰা তেখেতৰ যে ৰাজনীতিৰ নেতা হিচাপে থাকিবলৈ অকণো ইচ্ছা নাছিল এনে লাগে। "ইয়াত বহি ভবিষ্যত জীৱনৰ নানা কথা পাঙিছো। কিন্তু সকলো পৰমেশ্বৰৰ ওপৰত। পাৰিলে মই পুনৰায় ওকালতি আৰু ৰাজনীতি ক্ষেত্ৰলৈ উভতি যাবৰ মন নাই। গাঁৱলীয়া জীৱনৰ বাহিৰে আমাৰ চলা টান হ'ব বুলি ভাবিছো, তোমালোকে তালৈ সাজু হ'ব পাৰিবানে?"

ভৈয়ামৰ জনজাতিসকলৰ মাজত থাকি খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰাৰ দেউতাৰ একান্ত ইচ্ছা আছিল যেন লাগে। ভৈয়াম আৰু পৰ্বতীয়া জনজাতিৰ প্ৰতি তেখেতৰ অন্তৰত এখন সুকীয়া আসন আছিল। সেয়েহে নগা বিদ্ৰোহীসকলৰ মাজলৈ ১৯৬৫ চনত যাওঁতে মোক চাহ খাবলৈ দি তাৰে এজনে কৈছিল "Peace-time তে আহিব দেই নহ'লে বৰদলৈ লাগা ছোৱালী নে কোন আছে কোনে ভী নাজানিব।" সেইকাৰণেই বোধকৰো দেউতাৰ মৃত্যুত এ জেদ ফিজোৱে লেখিছিল, "In life Bordoloi was a friend of Nagas whose friendship they held so dear. Nagas have been made poorer today that he has gone." সেইদৰে মিজো পাহাৰলৈ যাওঁতেও বৰদলৈৰ ছোৱালী বুলি জানি জামাবক বস্তিত মানুহৰ সমাগম হৈছিল। বিদ্ৰোহী নগাৰ উপ-সভাপতি ইমকংমেৰণ আওৱে দেউতাৰ কথা উল্লেখ কৰি ভক্তিৰ চকুলো টুকিছিল।

দেউতাক মই অকল দহ বছৰৰ বাবেহে পাইছিলো।—এই কম বয়সতে নিষ্ঠুৰ নিয়তিয়ে মোক পিতৃ স্নেহৰপৰা চিৰদিনলৈ বঞ্চিতা কৰি পেলালে। মই সেই সময়ত জীৱনৰ আও-ভাও একো বুজিব পৰা হোৱা নাছিলো। জেইল জীৱনৰপৰা তেখেতে মালৈ লেখা চিঠিবোৰৰপৰা মাৰ প্ৰতি তেখেতৰ যে কিমান স্নেহ, শ্ৰদ্ধা আৰু ভক্তি আছিল তাক স্পষ্টভাৱে বুজিব পাৰিছো। সেই চিঠিবোৰৰপৰা ৰাজনৈতিক বন্দী হিচাপে জীৱন যাপন কৰি ব্ৰহ্মচৰ্য

ব্ৰতৰ প্ৰতি দেউতা আগ্ৰহী হোৱা যেন লাগিছিল আৰু মাকো সেইদৰে প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছিল। এঠাইত তেখেতে লেখিছে, "সহধৰ্মিণী হৈ তোমাৰ পবিত্ৰতাই উভয়কে ধৰ্ম পথত আগ বাঢ়িবলৈ শক্তিবন্ত কৰিবলৈ পৰমেশ্বৰক প্ৰাণেৰে সৈতে খাটা, সতীৰ প্ৰাৰ্থনা পৰমেশ্বৰে নুশুনি নোৱাৰে।" দেউতাৰ অনুপস্থিতিত সাংসাৰিক যন্ত্ৰণাত মাই কষ্ট পাই লেখাত তেখেতে ধৈৰ্য্যশীলা মহিলা আৰু দেশৰ কাৰণে ত্যাগৰ দ্বাৰা কাম কৰিবলৈ সান্ত্বনা দি চিঠি দিছে "...কিন্তু দেশৰ কাৰণে, দহৰ কাৰণে আৰু বিশেষকৈ পৰমেশ্বৰৰ প্ৰিয় কৰ্ম কৰাত যি পাৰ্থিব হানি তোমালোকৰ হয়, সেইটো আনন্দে সহিবা বুলি সাহসতে এই ব্ৰত লৈছিলো। সেই কাৰণে দুৰ্বলতাক প্ৰশ্ৰয় নিদিবা।" দেউতাৰ মাৰ প্ৰতি থকা অকপট ভালপোৱাৰ চিন স্বৰূপে এখন চিঠিৰ উদ্ধৃতি নিদি নোৱাৰিলো "তোমাৰ-মোৰ সম্বন্ধ এদিনীয়াও নহয় আৰু এযুগীয়াও নহয়, যেতিয়ালৈকে উভয়ে মুক্ত নহওঁ মানে জনমে জনমে এইদৰেই চলিব লাগিব---স্বামী-স্ত্ৰীভাৱে নহলেও আন ভাবেৰে এক আত্মাৰ অংশ হৈ থাকিব লাগিব।"

১৯৫০ চনৰ ৩ আগষ্টৰ দিনা দেউতাই ৰাতিপুৱা শুই উঠি মাৰ আগত মহাত্মা গান্ধীক সপোনতে দেখাৰ কথা কৈছিল। "বাপুৱে মোক হাত বাউল দি মাতিছে" বুলি মাৰ আগত কৈ গহীন হৈ আছিল। ৫ তাৰিখে দুপৰীয়া খাই-বৈ গুৱাহাটীলৈ অহাৰ কাৰ্যসূচী কৰি থোৱা হৈছিল। শ্ৰীযুত গিৰীশ চৌধুৰীৰ পৰিচালনাত ভায়েক শ্ৰীঅনিল চৌধুৰীৰ 'প্ৰতিবাদ' নাটকখন চোৱাৰ বাবে অহাৰ কথা। শনিবাৰ আৰু ৰবিবাৰে মোৰ স্কুল বন্ধ। সেইবাবে দেউতাৰ লগত গুৱাহাটীলৈ আহিবলৈ ময়ো ওলালো। মোৰ মনত থকাত ৰাইজৰ কামৰ উপৰি সেইদিনা গুৱাহাটীত ঘৰুৱা হিচাপে তিনিটা কাম আছিল—নাটকখন চোৱা, ঘৰৰ খুটা পোতা আৰু বাবুল দাদাক (সেই সময়ত শিলপুখুৰীৰ ঘৰত মুমলি দাদাৰ লগত থাকি মেট্ৰিকৰ বাবে পঢ়া শুনা কৰিছিল) দেখা কৰা। দেউতাই সেইদিনা মাক তেখেতৰ লগত আহিবলৈ সঙ্গ বিচাৰিছিল। কিন্তু ৰাতিপুৱা দেউতাই মাক ঘৰ চলোৱাৰ বাবে সীমিত পইচা ওপৰঞ্চি খৰচ কৰাত খুব টানকৈ ক'লত মা অভিমান কৰি আহিব খোজা নাছিল। মুখ্যমন্ত্ৰীৰ ঘৰ বুলি শ্বিলঙৰ ঘৰত আলহীৰ উৎপাত হৈছিল---তাৰ ভিতৰত গুৱাহাটীৰ আলহীয়েই সৰহ (অৱশ্যে সেইসকলৰ কোনো কোনোৱে আমাক এতিয়া চিনিকে নাপায়।) নিজৰ ল'ৰা-

ছোৱালী আৰু আলহীৰ শুশ্ৰূষাৰ বাবে সীমিত অৰ্থৰে ঘৰখন চলোৱাত মায়ে বৰ টান পাইছিল আৰু সেয়ে ঘৰখন চলাব পৰাকৈ অন্ততঃ দৰমহাৰ টকা-কেইটা লবলৈ দেউতাক প্ৰায়েই অনুৰোধ কৰিছিল। মা দেউতাৰ লগত আহিবলৈ অমান্তি হোৱাত দেউতায়ো ত্বপৰীয়া নোখোৱাকৈয়ে আহিবলৈ ওলাল। অৱশেষত মৌলাই গেট বন্ধ হ'বৰ হ'ল ল'ৰালৰিকৈ শেষ মুহূৰ্তত মা-দেউতা মই আৰু গিৰিজা বাইদেৱে শ্বিলঙৰপৰা গুৱাহাটী অভিমুখে যাত্ৰা কৰিলো। আমাৰ আটাইতকৈ সৰু ভাইটি বলীন্দ্ৰ তিনি বছৰীয়া। তাক কোলাত লৈ মোৰ এজন দাদাই আমাৰ গাড়ীখনৰ পিছে পিছে ঘৰৰ চৌহদৰ-পৰা আলি নোপোৱালৈকে দৌৰি দৌৰি বিদায় দিবলৈ আহিছিল। মায়ে লৰালৰিতে তামোল খাবলৈ পাহৰিলে দেউতাই সিদিনা শেষবাৰৰ বাবেই যে মাক চোবোৱা তামোল মুখৰপৰা উলিয়াই খাবলৈ দিছিল, সেই কথা আমি কোনেও বুজা নাছিলো। সেই সময়ত গুৱাহাটী-শ্বিলং ৰাষ্টাত গেটৰ পদ্ধতি থকাত নংপোত গেট বন্ধ হৈ যাব বুলি আমাৰ গাৰো ড্ৰাইভাৰ মনীন্দ্ৰ চাংমাই খুব জোৰে গাড়ী চলালে। ফলত নংপো পোৱাৰ আগতে কেকুৰী এটাৰ কাষত গাড়ীখনৰ আৰোহীক বচাবলৈ গৈ ক'লা কুকুৰ এটাক চেপিবলৈ বাধ্য হ'ল। দেউতাই কুকুৰটো মৰা দেখি ত্বখ কৰিছিল। আমি সেইটোৱেই বেয়া দৃশ্য বুলি পিছত ভাবিছিলো। গুৱাহাটী পাই উলুবাৰীৰ তিনিটা কোঠালীৰ সৰু ঘৰটো মায়ে চাফ-চিকুণ কৰাত লাগিল। দেউতাই শোৱা বিছনাখন জাৰি-জোকাৰি পৰিষ্কাৰ কৰি ল'বলৈ ধৰোতে নেপালী চকীদাৰটোৱে কৈছিল যে আগদিনা হেনো সেই বিছনাখনৰ তলত এটা ক'লা ফেঁটী সাপ সোমাইছিল। মায়ে এই কথা গম পাই ঘৰটোৰ চাৰিওফালে ফেনাইল ঢলালে আৰু আটাইকেইটা কোঠালীৰ মজিয়াৰ পানী যোৱা ছিদ্ৰবোৰত সোপা দি বন্ধ কৰি দিলে। কথাতে কয়, ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে? সেয়ে কাল-নিয়তিয়ে সেইদিনা ৰাতি ত্বপৰত দেউতাক আমাৰ মাজৰপৰা চিৰদিনৰ বাবেই লৈ যাবলৈ যে সাজু হৈ আছিল, সেই বিষয়ে আমি কোনেও বুজা নাছিলো।

শ্বিলঙৰপৰা আহি পোৱাৰ লগে লগে ইজন সিজনকৈ দেউতাক দেখা কৰিবলৈ অহা মানুহৰ ভিৰ হ'ল। তেখেতে অকণো বিশ্ৰাম ল'বলৈ নাপালে। সন্ধিয়া আমি নাটক চাবলৈ গ'লো। মায়ে অলপ অচৰপ বন্দাবস্ত কৰি থৈছিল। কাৰণ, থিয়েটাৰ চাই আহি ৰান্ধিলে ৰাতি বেছি হ'ব।

মানুহৰ হুলস্থুলত আমি অহাৰ খবৰ বাবুল দাদাক দিব পৰা নগ'ল। আমি সন্ধিয়া হৈ অহাত সময়মতে থিয়েটাৰ চাবলগীয়া হোৱাত দেউতাৰ আৰু বাবুল দাদাক লগ পোৱা নহ'ল। ৰাতি বেছি হৈ অহাত আৰু হয়তো বুজি নোপোৱা বাবে মই ঘৰলৈ গুচি আহিবলৈ উচপিচাই আছিলো। আনহাতে মা আৰু বাইদেৱে কিন্তু থিয়েটাৰ চাই বেছ আনন্দ পাইছিল। অৱশেষত নাটকখন শেষ কৰি উভতিলো। দেউতাই অভিনেতাসকলক পিছদিনা ৰাতিপুৱা প্ৰশংসা পত্ৰ লবলৈ আমন্ত্ৰণ জনালে। বাটত অভি তালুকদাৰৰ ঘৰটোলৈ চাই তেখেতে কৈছিল, "এওঁ ঘৰটো সাজিয়ে গ'লগৈ, ময়ো মৰিম আৰু।" মায়ে দেউতাই এইবোৰ কথা কোৱাত বাধা দিছিল। সেইদিনাই আকৌতে ৰাস্তাত (বৰ্তমান লোকবন্ধু ভুবনেশ্বৰ বৰুৱা আলি) ৰেলৱে ক্ৰছিঙৰ ওচৰত মদ খাই তাচ খেলি থকা মানুহবোৰ দেখা পাই তেখেতে বেজাৰ কৰি কৈছিল "হে প্ৰভু, এই সংসাৰৰপৰা মোক উদ্ধাৰ কৰা।" তেখেতে গুৱাহাটীলৈ আহি এটা কথাৰ বাবে প্ৰায়ে মনত অশান্তি পোৱাৰ ভাব বুজি পাইছিলো আৰু সেইটো হৈছে ৰাজ আলিত গৰুবোৰ পালে পালে বহি থকা তেখেতৰ বৰ অসহনীয় আছিল।

ঘৰ পাই খাই বৈ সকলো শুলে। ৰাতি এঘাৰ মান বজাৰপৰা দেউতাৰ বুকুৰ বিষ আৰম্ভ হ'ল। ৰাতি গহীন হৈ আহিলত তাত সেই বিপদত সাৰথি হিচাপে চাপ্ৰাছী এটা আৰু আমি ছোৱালী দুজনীৰ বাহিৰে কোনো ওচৰত নাছিল। মায়ে ধৈৰ্য ধৰি প্ৰতিপাল কৰিলে দেউতাৰ বাকচত থোৱা বুকুৰ বিষৰ দৰৱ দেউতাৰ কথামতেই দিলে। তেখেতে ভাল নাপালে- বিষত আৰ্তনাদ কৰি কেৱল ইংৰাজীতে হেনো কৈছিল, "Oh God help me!" মোৰ মুৰৰপৰা গাৰুটো টানি অনাতহে মই সাৰ পাওঁ আৰু সেই সময়ত দেউতাই যমৰাজৰ লগত যুদ্ধ কৰি প্ৰায় পৰাজয় হৈছে -। বাইদেউ আৰু মোক মায়ে গাড়ীত ডাঃ বৰুৱা খুৰাদেউৰ (লোকবন্ধু বৰুৱা) ওচৰলৈ আৰু শিলপুখুৰীৰ ঘৰলৈ পঠিয়ালে। দুৰ্ভাগ্যবশতঃ গাড়ীখন বাটতে বেয়া হৈ গ'ল। কোনোমতে ডাঃ খুড়াদেউক কথাটো কোৱাৰ লগে লগে "মোৰ জীউটো গ'লনেকি" বুলি নিজৰ বুকুত-হেচা মাৰি ধৰি আঁতৰি গ'লগৈ। তেখেতৰো এই বেমাৰ আছিল- সেইবাবে এই মৰ্মান্তিক বেজাৰ পোৱাৰ লগে লগে তেখেতৰ অসুখটোৱেও বুকুত খুন্দা মাৰি ধৰিলে। মই কিন্তু তেতিয়াও বুজা নাছিলো ঘৰলৈ উভতি আহি দেউতাৰ সুঠাম হাত দুখনত হাত ফুৰাই কৈ আছিলো, "দৌতা উঠানা!" সেই

হাত ঢুখনত শুই দেউতাৰ আদৰ লবলৈ দেউতা যে আৰু নাই—এই কথাষাৰ বুজি পিতৃশোকত ভাঙি পৰিছিলো। আমি উলুবাৰীৰপৰা শিলপুখুৰীৰ ঘৰলৈ গ'লোগৈ। দেউতা ঢুকুৱাৰ পিছতো তেখেতক দেখা পাবৰ বাবে মই সদায় এটা আশাৰে দেউতাৰ শেষ শয্যাৰ কোঠালীটোলৈ সন্ধিয়া গৈছিলো আৰু হতাশ হৈ কান্দি কান্দি শিলপুখুৰীৰ ঘৰলৈ উভতি আহিছিলো। শ্বিলঙলৈ এঘাৰ-দিনীয়া আদ্য শ্ৰাদ্ধ সম্পন্ন কৰি যেতিয়া উভতি গৈছিলো তেতিয়া দেউতাৰ বিছনাখন মই কাকো চুবলৈকো দিয়া নাছিলো। দেউতাৰ গাৰ গোন্ধটো যেন বিছনাখনত লাগি আছিল। ইয়াকে লৈ মই দেউতাৰ কথা ভাবি ভাবি ভাল পাইছিলো আৰু পিতৃ বিয়োগৰ বেদনা কমাবলৈ যত্ন কৰিছিলো। তেখেতৰ মহাপ্ৰয়াণ হোৱাৰ কিছুদিনৰ আগতে শ্বিলঙত বিনা মেঘে বজ্ৰপাত পৰিছিল। অফিচৰপৰা উভতি আহি দেউতাই মাক কৈছিল "আজি বিনা মেঘে বজ্ৰপাত পৰিলে শুনিলা? দেশত আকাল আহিব।" সঁচাকৈয়ে দেউতাৰ বিয়োগৰ লগে লগে অসম দেশলৈ নানান দুৰ্যোগ আহি পৰিল প্ৰাকৃতিক তথা ৰাজনৈতিক আন্দোলনৰ এটা অদ্ভুত পৰিৱৰ্তনৰ সূচনা পৰিলক্ষিত হ'ল।

# তৃতীয় খণ্ড

# শ্ৰীৰামচন্দ্ৰ

মৰমৰ বাপা,

আজি কেইবাদিনৰেপৰা মই ফাটেকত বন্ধ থাকি তোমাক আৰু তোমাৰ দৰে স্কুলত পঢ়া সৰু সৰু ল'ৰা-ছোৱালীবিলাকক কেনেকৈ দুআষাৰ ভাল কথা শিকনি দিব পাৰিম এই বুলি ভাবি আছিলোঁ। অৱশেষত মই মোৰ জনাৰ ভিতৰত পৃথিবীৰ সৰ্ব্বোৎকৃষ্ট পাঁচজন মহাজনৰ জীৱনী এখন তোমাক উপহাৰ দিম বুলি ঠিক কৰিছোঁ। যদি ঈশ্বৰৰ ইচ্ছাত মই এই কামতো কৰিব পাৰোঁ, মই আশা কৰিছোঁ, তুমি আৰু তোমাৰ ভাই-ভনী আৰু লগৰ ল'ৰা-ছোৱালী-সকলৰ সৈতে মিলি সেইখন মন দি পঢ়িবা।

সৰুৰেপৰা সদায় সজ আৰু ভাল কথা শুনিবলৈ তোমাৰ ইচ্ছা দেখি মই সন্তোষ পাই আহিছোঁ। মই ঘৰত থাকোঁতে তোমাক আৰু তোমাৰ ভনীয়েৰা-হঁতক লগত লৈ ঈশ্বৰক সম্বন্ধে আলোচনা আৰু বৰগীত গোৱা শুনি তোমাৰ মাৰে আৰু জেঠাইদেৱে বৰ ভাল পোৱা মই নিজে দেখি আহিছোঁ। মই ভাবি আছোঁ, তুমি সেই সজ অভ্যাস এৰা নাই। আজি সকলো ল'ৰা-ছোৱালীয়েই তেনেকৈ ঈশ্বৰৰ গান গোৱা দেখিলে ভাল পালোহেঁতেন। দুখৰ বিষয় এইযে, আজিকালিৰ মাক-বাপেকে বা অধ্যক্ষই ল'ৰাৰ স্কুলীয়া শিক্ষাৰ কাৰণে মাষ্টৰ ধৰি অনেক টকা খৰচ কৰে সঁচা কিন্তু ল'ৰা-ছোৱালীৰ ঈশ্বৰত বিশ্বাস আৰু ধৰ্মশিক্ষা সম্বন্ধে চৰ্চ্চাৰ বিশেষ কোনো বন্দবস্ত কৰা দেখা নাযায়। এইটো সঁচা যে মানুহে নিবিচাৰিলেও পৰমেশ্বৰ সকলো ঠাইতে, জীৱতে বা প্ৰাণীতে ব্যাপক হৈ আছে। কিন্তু যি এই জগতৰ স্ৰষ্টা, আৰু জগতৰ সকলো প্ৰাণীৰে পালনকৰ্ত্তা তেঁওজনৰ বিষয়ে জানিবলৈ চেষ্টা নকৰাতো বেয়া নহয়নে? তোমা-লোকৰ দৰে শিশু-হৃদয়ত পৰমেশ্বৰ সদায় থাকে আৰু তেনে শিশু-হৃদয় পদ্ম ফুলৰ দৰে প্ৰস্ফুটিত কৰি চাবিও ফালে গোন্ধেৰে আমোল মোল কৰি তোলে। পৃথিৱীৰ যত মহৎ লোকসকল, তেওঁলোককো পৰমেশ্বৰে চলাই লৈ মহৎ

কাৰ্য্য সাধন কৰাইছে : তুমি যদি তেনে মহৎ লোক হ'ব খোজা, তেন্তে ঈশ্বৰক তোমাৰ হৃদয়ত স্থান দিবলৈ চেষ্টা নকৰিবানে ? সেই কাৰণে সকলো ল'ৰা-ছোৱালীয়ে ঈশ্বৰক চিন্তা কৰিব লাগে, আৰু তেওঁ যেন তোমালোকৰ হৃদয়ত থাকি সদায় সজ কামলৈ মতি দিয়ে, বুদ্ধি দিয়ে, তাৰ কাৰণে তেওঁক প্ৰাৰ্থনা কৰিব লাগে। তোমাৰ দ্বাৰাই ঈশ্বৰৰ মহৎ ইচ্ছা অনুসাৰে যাতে পৃথিবীত মহৎ কাম সাধন হয় তাৰ বাবেও প্ৰাৰ্থনা কৰিব লাগে।

সৃষ্টিৰ পাঁচজনা ডাঙৰ মহাজন হৈছে শ্ৰীৰামচন্দ্ৰ, বুদ্ধদেৱ, প্ৰভু যিশুখ্ৰীষ্ট, হজৰত মহম্মদ ৰছুল আৰু বৰ্ত্তমান যুগৰ মাথো গান্ধীজী। মহাপুৰুষৰ ভিতৰত কোনো প্ৰকাৰ তুলনা বাঞ্ছনীয় নহয়। স্থান আৰু সময় প্ৰভেদে তেওঁলোকে জন্ম গ্ৰহণ কৰি বিশ্ব নিয়ন্তা ভগবানৰ ইচ্ছা পৃথিবীত পূৰণ কৰি ইহ সংসাৰ ত্যাগ কৰে। গীতাত ভগবানে কৈছে, "যেতিয়া ধৰ্ম্মৰ হানি হয়, আৰু অধৰ্ম্মৰ প্ৰচলন হয় তেতিয়াই মই সংসাৰত অৱতাৰ হওঁ, আৰু সাধুসকলক ৰক্ষা কৰিবৰ কাৰণে যুগে যুগে জন্ম গ্ৰহণ কৰোঁ।"

পৰমেশ্বৰ ভগবান, যাক আমি নিজ চকুৰে দেখা নাপাওঁ আৰু যি সকলো ঠাইতে থাকিও নেদেখা হৈ থাকে, নিজে আহি পৃথিবীত উপজিব নোৱাৰিলেও তেওঁ সৃজন কৰা মানুহক এনে শক্তি দিব পাৰে যাৰ দ্বাৰাই ভগবানৰ ওপৰত কৈ অহা উদ্দেশ্য সিদ্ধ হব পাৰে। মই ওপৰত উল্লেখ কৰা আটাইকেইজনা মহাপুৰুষেই তেনেধৰণৰ। তেওঁলোকে নিজ নিজ ঠাইত অধৰ্ম্ম গুচাই ধৰ্ম্ম প্ৰবৰ্ত্তন কৰাবলৈ আৰু এই সংসাৰত ধৰ্ম্ম অথবা সজ কথা, সজ নীতি আৰু মানুহৰ মাজত শান্তি স্থাপন কৰিবলৈ আহিছিল। তেওঁলোকে জগতবাসীক এনে কিছুমান সজ উপদেশ দি গৈছে, যদি মানুহে সেইবিলাক মানি চলে তেন্তে মানব জাতিৰ প্ৰকৃততে উন্নতি নহৈ নোৱাৰে।

এইসকল মহাপুৰুষৰ বাহিৰেও পৃথিবীত বহু মহাপুৰুষ জন্ম গ্ৰহণ কৰি মানুহ জাতিৰ অনেক উপকাৰ সাধন কৰি থৈ গৈছে। আমাৰ এই ভাৰতবৰ্ষতেই, আনকি অসমতো তেনে মহাপুৰুষ উদ্ভৱ হৈছিল। দাক্ষিণাত্যৰ শ্ৰীশঙ্কৰাচাৰ্য্য, পশ্চিম অঞ্চলত কবিৰ আৰু নানক, বঙ্গদেশত শ্ৰীচৈতন্য, অসমত শ্ৰীশঙ্কৰদেৱ আৰু বৰ্ত্তমান যুগত শ্ৰীৰামকৃষ্ণ পৰমহংস, শ্ৰীদয়ানন্দ সৰস্বতী, ৰাজা ৰামমোহন ৰায় প্ৰভৃতি মহাপুৰুষসকলে এই পুণ্য ভাৰত ভূমিতে জন্ম গ্ৰহণ কৰি সৎ আৰু সাধু জীৱনৰ আহিৰে আৰু সজ শিক্ষাৰে ভাৰতবাসী আৰু জগতবাসীৰ নিমিত্তে শান্তিৰ পথ দেখুৱাই থৈ গৈছে তোমালোকে এই মহাপুৰুষসকলৰ

ডাঙৰ জীৱনী পঢ়িবাহঁক। তোমালোকৰ নিচিনা উঠি অহা ল'ৰা-ছোৱালীয়ে ভাল যুঁজাৰু, যেনে—আলেকজেণ্ডাৰ, নেপোলিয়ন আৰু আমাৰ দেশৰ পুৰু, বিক্ৰমাদিত্য, চিলাৰায় আৰু লাচিত ফুকন প্ৰভৃতিৰ জীৱনী নিশ্চয় পঢ়িবলৈ ভাল পোৱা। সেই মহা যুঁজাৰুসকলৰ কথা অৱশ্যে তোমালোকে জনা উচিত। তোমালোকে ইয়াকো মনত ৰখা উচিত যে, তেনে যুঁজাৰুসকলৰ প্ৰভাৱ সাময়িক ভাৱৰহে আছিল। কিছুমানৰ ৰাজ্য জয় কৰাৰ আকাঙ্ক্ষা আৰু তাৰ লগে লগে অনেক লোকক হত্যা বা ধ্বংস কৰাৰ উদ্দেশ্যও আছিল। কিন্তু মই ওপৰত নাম লোৱা মহাপুৰুষসকলৰ প্ৰভাৱ চিৰযুগমীয়া; কিয়নো তেওঁলোকৰ উদ্দেশ্য মানুহক ধ্বংস কৰা নাছিল, আছিল মানুহক ৰক্ষা কৰাহে। এই আটাইবিলাক মহাপুৰুষৰে প্ৰধান উদ্দেশ্য আছিল মানুহৰ মাজত ন্যায়-পৰায়ণতা প্ৰৱৰ্তন কৰা, মানুহে মানুহৰ উন্নতি সাধন কৰিবৰ কাৰণে শিক্ষা দিয়া, আৰু মানুহৰ মাজত হিংসা, দ্বেষ আদি বেয়া ভাৱৰ সলনি প্ৰেম আৰু প্ৰীতি স্থাপন কৰা। সেই শিকনিবোৰৰ নীতি মানৱসমাজক সদায় লাগি থাকিব। সেই নিয়মবিলাকৰ দ্বাৰা আমাৰ মানৱজাতি শাসিত হলেহে মানুহৰ মাজত শান্তি আহিব। সেই কাৰণে এই মহাপুৰুষসকলৰ জীৱনৰ কাৰ্য আৰু তেওঁলোকে দি যোৱা শিকনি আমাৰ পক্ষে বৰ লাগতিয়াল।

এইসকলৰ প্ৰথম জীৱনী লেখকসকলে সেই সময়ৰ অৱস্থা আৰু সেই সময়ৰ মানুহে ভালকৈ বুজি পোৱাকৈ লেখিছিল। যুগে যুগে মানুহৰ শিক্ষা আৰু বুজনি অনুসৰি মানুহৰ বুজি পোৱা শক্তিৰো পৰিৱৰ্তন হয়। যেনে, আগৰ দিনৰ মানুহে নানা প্ৰকাৰ অলৌকিক শক্তিক বিশ্বাস কৰিছিল। সেইদৰে সেই সময়ৰ মানুহে ভূত, দৈত্য ইত্যাদি অভৌতিক জীৱত আজি-কালিৰ লোকতকৈ বেছি বিশ্বাস কৰিছিল। সেই কাৰণে জীৱনী লেখক কবি-সকলে সেইবোৰ বেছিকৈ উল্লেখ কৰিছিল। আজিকালিৰ বৈজ্ঞানিক যুগত বহুতে অভৌতিক কথা বিশ্বাস কৰিব নোখোজে, আৰু কিছুমানে সেই সম্বন্ধে একো বিচাৰ নকৰিও এই জীৱনী লেখকসকলৰ মহাকাব্য আৰু আন আন লেখাবোৰৰ মুঠ কথাখিনি সত্য বুলি গ্ৰহণ কৰি লৈছে। ময়ো তোমালোকৰ দৰে সৰু সৰু ল'ৰা-ছোৱালীয়ে যাতে সহজে বুজি পোৱা তেনেকৈ চমুকৈ মুঠ কথাখিনিহে লেখিম। তোমালোক সকলোৱে মূল পুথিবিলাক পঢ়িবা।

শ্ৰীৰামচন্দ্ৰৰ জীৱনী 'ৰামায়ণ,' বাল্মীকি ঋষিয়ে সংস্কৃত ভাষাত লেখি-ছিল। এই ৰামায়ণৰ অনুবাদ সকলো ভাৰতীয় আঞ্চলিক ভাষাতেই হৈছে।

অসমীয়া ভাষাত প্ৰথমে মাধব কন্দলিয়ে ৰামায়ণ ৰচিছিল। কীৰ্ত্তিবাস নামৰ এজন পণ্ডিতে বঙলা ভাষাত ৰামায়ণ লেখি গৈছে। হিন্দী পঢ়িব শিকিলে তোমালোকে কবি তুলসীদাসৰ হিন্দীৰ ৰামায়ণো পঢ়িবলৈ পাবা। বুদ্ধদেৱৰ জীৱন চৰিত বৌদ্ধ ধৰ্ম্ম সম্বন্ধীয় গ্ৰন্থত পোৱা যায়। বুদ্ধদেৱৰ জীৱনী আৰু বৌদ্ধ ধৰ্ম্ম সম্বন্ধে কিবা জানিব খুজিলে পালি ভাষা শিকিব লাগে। যিশুখ্ৰীষ্টৰ জীৱনী চাৰিজন সাধু লোকে প্ৰকাশ কৰিছে। তেওঁলোকৰ নাম মেথিউ, মাৰ্ক, লুক আৰু জন্। এই জীৱনীবিলাক প্ৰথমে হিব্ৰু ভাষাত লেখা হৈছিল। তাৰ পিছত আন ভাষাতো প্ৰকাশ হৈছিল। হজৰত মহম্মদৰ জীৱনীও তেওঁৰ শিষ্যসকলৰপৰা জনা গৈছে। তেওঁৰ সম্বন্ধে লেখা পুথিবিলাক আৰবী ভাষাৰ। মহাত্মা গান্ধীৰ জীৱনী বহুতে লেখিছে, কিন্তু তেওঁৰ বিষয়ে বেছিকৈ জানিব পাৰি তেওঁ নিজে লেখা আত্ম-জীৱনীৰপৰা। সেই কিতাপখনৰ ইংৰাজী নাম 'My Expriments With Truth.' অসমীয়াতে 'মোৰ সত্য অন্বেষন' বুলি তৰ্জ্জমা কৰিব পাৰি। সেই কিতাপখন শ্ৰীযুত অমিয়কুমাৰ দাসে অসমীয়াত ভাঙনি কৰিছে। পঢ়িবা দেই!

মই লেখা জীৱনীখিনি অতি চমু হ'ব। কিন্তু মহাপুৰুষসকলৰ বিশেষ গুণবিলাকৰ সম্বন্ধে মই মাজে মাজে উল্লেখ কৰিম। তেওঁলোকৰ শিকনিবিলাকৰ কথাও অলপ-অচৰপ উনুকিয়াই যাম। সেইবিলাক লেখাৰ উদ্দেশ্য এই যে মহাপুৰুষৰ জীৱন-চৰিত পঢ়িলেই আমি ভাল বা ডাঙৰ হ'ব নোৱাৰো। আমি নিজে নিজৰ জীৱনত আৰু কামত সেই মহাপুৰুষৰ জীৱনীৰ আৰ্হি আৰু তেওঁলোকৰ উপদেশ কামত খটাব লাগিব। তেতিয়াহে তোমালোকৰ জীৱনী পঢ়া সাৰ্থক হ'ব আৰু তেওঁলোকক অনুসৰণ কৰি মহৎ আৰু ডাঙৰ হ'ব পাৰিবাহঁক। মুনিসকলে নিজে অতি সাধাৰণভাৱে জীৱন নিয়াইছিল; কিন্তু নানা বিজ্ঞান আৰু সমাজৰ উপকাৰৰ বাবে উচ্চ চিন্তা কৰি মানুহৰ উপকাৰ সাধিছিল। ঈশ্বৰৰ পূজা-সেৱা আৰু ঈশ্বৰ জ্ঞান মানুহক বিলাই দিবলগীয়া হোৱা এওঁলোক প্ৰায়েই বামুণ আছিল। সেই কাৰণে সমাজৰ লোকে তেওঁলোকক বৰকৈ শ্ৰদ্ধা কৰিছিল আৰু ভাল পাইছিল। সকলো মানুহে, আনকি ৰজাসকলেও তেওঁলোকক আনতকৈ বেছি সন্মান কৰিছিল আৰু সকলো লাগতিয়াল কথাতেই তেওঁলোকৰ উপদেশ মতেহে কাম কৰিছিল। বশিষ্ঠ, বিশ্বামিত্ৰ ঋষিসকল এই সময়তে জীয়াই আছিল। বশিষ্ঠ মুনি শ্ৰীৰামচন্দ্ৰৰ বংশৰ পুৰোহিত আছিল। তেওঁ অতি সাধু আৰু সৰ্ব্বজ্ঞ পণ্ডিত আছিল। সেই

দৰে বিশ্বামিত্ৰ মুনিও বৰ ডাঙৰ সাধক আৰু যুদ্ধ বিদ্যা শিক্ষা দিয়াতো পাৰ্গত আছিল। এইসকল মহৰ্ষিৰ বাহিৰেও অযোধ্যা আৰু সেই সময়ৰ আন আন নগৰৰ ওচৰে-পাজৰে অনেক মুনিয়ে বাস কৰিছিল। বৰ্ত্তমান যুগতো কিছু-মান মহৎ লোকে এই আশ্ৰমী শিক্ষা পুনৰুদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছে। আৰ্য্য সমাজৰ নেতা শ্ৰীশ্ৰীদয়ানন্দ সৰস্বতীয়ে সকলো শিক্ষাকে 'আশ্ৰম অনুষ্ঠান' কৰি দিবলৈ বিচাৰিছিল। সেই কাৰণে তেওঁৰ অনুগামী লোকসকলে কাংগ্ৰি আদি ঠাইত শিক্ষাৰ কাৰণে আশ্ৰম স্থাপন কৰিছে। কবিবৰ ৰবীন্দ্ৰ ঠাকুৰৰ পিতৃদেব দেবেন্দ্ৰনাথ ঠাকুৰে বোলপুৰ বুলি এডোখৰ ঠাইত আশ্ৰম থাপনা কৰি নানা ৰকমৰ শিক্ষা দিয়াইছে। ৰবি ঠাকুৰৰ শান্তিনিকেতনতো এই আহিৰে শিক্ষা দিয়া হৈছে। সেইদৰে মহাত্মা গান্ধীয়েও সবৰমতি (আহমেদা-বাদৰ ওচৰত), সেৱাগ্ৰাম (ৱাৰ্দ্ধাৰ ওচৰত) আশ্ৰম থাপনা কৰি তেওঁৰ সেৱা-ধৰ্ম্ম প্ৰচাৰ কৰিব্ৰ ধৰিছে। তোমালোকে এইবিলাক ঠাই চাবলৈ যাবাদেই!

ৰাজধানী, গাওঁবিলাক আৰু আশ্ৰমবোৰৰ বাহিৰে আন ঠাইবোৰ হাবি-য়নি আৰু কোনো কোনো ঠাই ডাঠ হাবিৰে ভৰা আছিল। সেই সময়ত ভালেমান সৰু সৰু ৰজা আছিল। এই ৰজাবিলাকে প্ৰতাপশালী ডাঙৰ ৰজাক মানি লৈছিল। হাবিয়নি আৰু অৰণ্যবোৰত ৰাক্ষস, দৈত্য আদি উৎপতীয়া আৰু ঘটমতীয়া মানুহ আছিল। এই ৰাক্ষসবিলাক ডকাইতৰ দৰে আছিল আৰু সুবিধা পালেই ঋষি-মুনিবিলাকক অত্যাচাৰ কৰি তেওঁলোকৰ খোৱা-বোৱা আৰু পূজাৰ বস্তুবিলাক কাঢ়ি নিছিল। বহু সময়ত বননিৰ মাজেৰে কিবা ধন-সোণ বা খোৱা বস্তু লগত লৈ কোনোবা মানুহ গলে ডকা দি লুটি-পুটি লৈ গৈছিল। আনকি মানুহৰ প্ৰাণ হানি কৰিও অশেষ অত্যাচাৰ কৰিছিল। এই ৰাক্ষসবিলাকৰ ভিতৰত কিছুমানে মানুহক মাৰি মানুহৰ মাংসও খাইছিল। প্ৰকৃততে এই ৰাক্ষসবিলাক কি জানিছানে? এইবিলাক দেশৰ অশিক্ষিত, কুসংস্কাৰী আৰু হিংসা প্ৰবৃত্তিৰ আদিম বাসী লোক আছিল। বননি, পৰ্ব্বত, পাহাৰ আদি ঠাইত বাস কৰি থকাৰ কাৰণে এই-বিলাক মানুহে সভ্য বা ভাল মানুহৰ সমাগমকে সহ্য কৰিব নোৱাৰিছিল আৰু লগ পালেই মৰামৰি, কটাকটি আৰু যুদ্ধ কৰি সভ্য মানুহবিলাকৰ আৰু ঋষি-মুনিসকলৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিছিল।

শ্ৰীৰামচন্দ্ৰই অযোধ্যাৰ ৰাজ্যভাৰ লোৱাৰ আগতে ৰাক্ষসবিলাকৰ অত্যাচাৰ ইমান বাঢ়ি গৈছিল যে ঋষি-মুনিসকলে দেশত থকা আৰু সমাজক নিয়মমতে

উচ্চ শিক্ষা দিয়া টান হৈ পৰিছিল। বিশেষকৈ ভাৰতবৰ্ষৰ দক্ষিণে লঙ্কা দ্বীপত এটা মহা অত্যাচাৰী, প্ৰতাপী আৰু শক্তিশালী ৰাবণ নামেৰে ৰাক্ষস ৰজা হৈ ভাৰতবৰ্ষৰ উত্তৰ খণ্ড, অৰ্থাৎ অযোধ্যা ইত্যাদিৰ ওচৰলৈকে নিজৰ ৰাক্ষস অনুচৰৰ দ্বাৰাই সেই ঠাইৰ মানুহৰ ওপৰত অত্যাচাৰ আৰু নানা ৰকমৰ পাপ আৰু হিংসা বৃত্তি প্ৰৱৰ্ত্তন কৰিছিল। তেওঁ ৰজা, প্ৰজা, ঋষি-মুনি সকলোকে পীড়ণ কৰি আছিল। বাল্মীকিৰ ৰামায়ণৰ মতে এই অত্যাচাৰী ৰাক্ষসসকলক ধ্বংস কৰি ধৰ্ম্ম স্থাপন কৰিবলৈ ভগৱানে শ্ৰীৰামচন্দ্ৰৰূপে মানুহ হৈ তেওঁৰ ইচ্ছা সাধন কৰিলেহি। কীৰ্ত্তন ঘোষাতো শ্ৰীৰামচন্দ্ৰক দশ অৱতাৰৰ ভিতৰত এজন অৱতাৰ বুলি ধৰা হৈছে।

"মৎস্য কূৰ্ম্ম নৰসিংহ বামণ পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম॥
বুদ্ধ কল্কি নামে দশ, আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহোঁ প্ৰণাম॥"

শ্ৰীৰামচন্দ্ৰ সূৰ্য্য বংশৰ ৰজা বুলি কয়। এওঁৰ আৰু এওঁৰ পূৰ্ব্ব পুৰুষৰ ৰাজ্য অযোধ্যাত আছিল। তেওঁৰ পূৰ্ব্ব পুৰুষ 'মান্ধাতা' আছিল। তেওঁৰ সাতপুৰুষীয়া আপ আছিল ভাগীৰথ। ভাগীৰথ এজন মহা তপস্বী আছিল। নিজৰ দেশত পানীৰ অভাৱ আৰু দুৰ্ভিক্ষ হোৱাত এই মহাৰজাজনে কঠোৰ তপস্যা কৰি গঙ্গা নৈখন হিমালয় পৰ্ব্বতৰপৰা নমাই সাগৰলৈকে লৈ আহে। সেই সময়ৰপৰা অযোধ্যাত পানীৰ অভাৱ বহুত কমি গ'ল। দেশত অৱশ্যে দুৰ্ভিক্ষ মাজে মাজে হৈ আছিল। শ্ৰীৰামচন্দ্ৰৰ আজো-ককাকৰ নাম ৰঘু আছিল, ককাক আছিল অজ আৰু তেওঁৰ দেউতাক আছিল ন্যায়ৱন্ত আৰু ধৰ্ম্মৱন্ত ৰজা দশৰথ এই আটাইকেইজন ৰজাই অতি পৰাক্ৰমী আছিল। ৰঘু ৰজাই স্বয়ং স্বৰ্গৰ ৰজা ইন্দ্ৰকো ৰণত হৰুৱাইছিল বুলি ৰামায়ণত লেখা আছে।

দশৰথ ৰজাৰ আন মাদৈসকলৰ উপৰিও তিনিজনা শ্ৰেষ্ঠ মহিষী আছিল। তেওঁলোক হৈছে কৌশল ৰাজ্যৰ ৰাজকুঁৱৰী কৌশল্যা, গিৰিৰাজ নগৰৰ ৰাজকুঁৱৰী কৈকেয়ী আৰু সিংহল ৰাজ্যৰ ৰজা সুমিত্ৰৰ জীয়াৰী সুমিত্ৰা। পিছে আন এজনা মাদৈৰ এটি ছোৱালীৰ বাহিৰে কোনো ল'ৰা হোৱা নাছিল। সেইবাবে দশৰথ ৰজাই মনত বৰ দুখ কৰি আছিল। বহুত দিন দেশত অনাবৃষ্টি আৰু দুৰ্ভিক্ষ হোৱাৰ বাবে ৰজাই নানা সাধনা কৰি শণি-

গ্ৰহক সন্তুষ্ট কৰিলে। তাৰ ফলত দেশত প্ৰচুৰ পৰিমাণে বৰষুণ দিলে, আৰু খাল-দোংবোৰ পানীৰে চপ্‌চপীয়া হ'ল। গোটেই অযোধ্যা দেশখন নতুন ঘাঁহ-পাতেৰে ধুনীয়া হৈ উঠিল। এই নতুন বাৰিষাত ৰজাই এদিন মৃগয়া কৰিব'লৈ বনলৈ গৈছিল। দশৰথ ৰজাৰ শব্দ অনুসৰণ কৰি শৰ (বান) মাৰিব পৰা এটা ডাঙৰ শক্তি আছিল। তেওঁ শব্দ অনুসৰি হৰিণ মাৰিম বুলি ধনুকাৰ লগতে লৈ ফুৰিছিল। হাবিত বহুপৰ ঘূৰি ঘূৰি তেওঁ সন্ধিয়া সময়ত এখন শ্ৰীফল (বেলৰ দৰে) গছৰ বননিৰ মাজত সোমালহি। এনেতে হঠাৎ পহুৱে পানীত নামি পানী খোৱা যেন অনুমান কৰিলে। তেওঁ ধনুৰপৰা কাঁড় এৰি দিলে। দুখৰ বিষয় কাঁড়পাতে গৈ সিন্ধু নামেৰে মুনিৰ সৰু ল'ৰা এটিৰ বুকুতহে বিন্ধিলেগৈ। ৰজাই লৰি গৈ সেই নিৰ্ম্মম দৃশ্য দেখি বিচুৰ্ত্তি হ'ল। তেওঁ মুখত পানী দিয়াত কাৰে বিন্ধা মুনি ল'ৰাটিয়ে জ্ঞান পাই ক'লে—"মহাৰাজ! তুমি কি কু-কাৰ্য কৰিলা? মোৰ আই আৰু পিতা উভয়ে অন্ধ। ময়েই তেওঁলোকক ভিক্ষা মাগি আনি আৰু ফল-মূল তুলি দি খুৱাই জীয়াই ৰাখিছিলোঁ। মই তেওঁলোকলৈ পানী নিবলৈ আহিছিলোঁ। তুমি মোক বধাৰ লগে লগে তেওঁলোককো বধ কৰিলা। কপালত যি লেখা আছিল সেয়ে ঘটিল। এতিয়া মোক মোৰ অন্ধ আই আৰু পিতাৰ কাষলৈ লৈ ব'লা।" ইয়াকে কৈ ল'ৰাটিয়ে চকু মুদিলে। সেই চকু আৰু মেল নাখালে। দশৰথ ৰজাই শোক আৰু বেজাৰত অভিভূত হৈ মৰা মুনি ল'ৰা-টোক কোলাত তুলি অন্ধ মুনিৰ আশ্ৰমলৈ গ'ল।

মুনিয়ে দশৰথ ৰজাই তেওঁলোকৰ মহা অন্যায় কৰা জানিব পাৰি ক'লে, "হে মহাৰাজ! তুমি মোৰ অকণি ল'ৰাটোকে মাৰি নেৰিলা, তাৰ লগে লগে আমি অন্ধ বুঢ়া-বুঢ়ীহালকো বধ কৰিলা; কিয়নো এই শিশুটিয়ে আছিল আমাৰ কণাৰ লাখুটি, একমাত্ৰ জীৱনৰ অৱলম্বন। তুমি আমাৰ মনত যি কষ্ট দিলা তাক বুজাই কবৰ মোৰ সাধ্য নাই। কিন্তু নিশ্চয় জানিবা যে এই মৰিবলৈ ওলোৱা মুনিৰ কথা অথলে নাযায়। পুত্ৰ শোকত আমি যিদৰে প্ৰাণ ত্যাগ কৰিবলৈ ওলাইছো, তুমিও সেইদৰে পুত্ৰ শোকতে প্ৰাণ ত্যাগ কৰিবা।" অপুত্ৰক দশৰথ ৰজাই ভাবিলে, এই অভিশাপ ফল-বতী হ'বলৈ হ'লে তেওঁৰ পুত্ৰ জন্মিব লাগিব। এই কথা ভাবি তেওঁ মনত আনন্দহে পালে। তেওঁৰ পক্ষে অভিশাপেই বৰ হ'ব। ৰজাই তেওঁৰ দৰে অপুত্ৰকৰ কেনেকৈ পুত্ৰ হ'ব পাৰে মুনিক সুধিলে। অন্ধ মুনিয়ে সেই

আশ্ৰমৰ এটা শ্ৰীফল ৰজাৰ হাতত দিলে আৰু সেই ফলটো ৰজাৰ ডাঙৰ মাদৈক খাবলৈ দিবলৈ কলে। তাৰ অলপ পিছতে অন্ধ মুনি আৰু মুনি পত্নীৰ পুত্ৰ শোকতে মৃত্যু হ'ল : ৰজাই তেওঁলোকৰ শৰৰ সংকাৰ কৰি বিষাদ মনেৰে ৰাজধানীলৈ উলটি আহিল। মুনিৰ কথামতে দশৰথ ৰজাই হোম-যজ্ঞ কৰি সেই শ্ৰীফলটো ডাঙৰ মাদৈ কৌশল্যাক দিলে। তেতিয়া কৌশল্যাই গোটেইটো ফল নিজে নাখাই এভাগ কৈকেয়ীক আৰু এভাগ সুমিত্ৰাকো দিলে। এই ফল খোৱাৰ কিছু দিন পিছত কৌশল্যাৰ গৰ্ভত শ্ৰীৰামচন্দ্ৰ, কৈকেয়ীৰ গৰ্ভত ভৰত আৰু সুমিত্ৰাৰ গৰ্ভত লক্ষ্মণ আৰু শত্ৰুঘ্নৰ জন্ম হৈছিল।

২৮।১২।৪০ বাপা,

অন্ধ মুনিৰ পুতেকে কি কাৰণে দশৰথৰ কাঁড় লাগি মৰিব পালে, সেই কথা জীৱ যোৱাৰ আগতে দশৰথ ৰজাক বুজাই দিছিল। সেই কথাখিনি এতিয়া কওঁ শুনা। অন্ধ মুনিৰ পুতেক হেনো পূৰ্ব্বজন্মত ৰজাৰ ল'ৰা আছিল। এদিন এহাল কুপটি চৰাই ডালত বহি আছিল। এই ৰজাৰ ল'ৰাই বাটলু গুটিৰে এই চৰাইহালৰ এটা মাৰি পেলালে। তেতিয়া মৰোঁ মৰোঁ হোৱা কপৌটোৱে সেই ৰজাৰ ল'ৰাক শাও দিলে আৰু সেই অভিশাপৰ ফলতেই তেওঁ অন্ধ মুনিৰ পুতেক হৈ জন্ম ধৰি দশৰথ ৰজাৰ বাণত মৃত্যু হ'ল। এই সাধু কথাৰপৰা তোমালোকে জনা উচিত যে অনাহকত নিজৰ আমোদৰ বাবে কোনো প্ৰাণীকে কষ্ট দিব বা মাৰিব নাপায় আৰু মানুহে যি কামকেই কৰে তাৰ ফল এদিন নহয় এদিন ভোগ কৰিবই লাগে।

শ্ৰীৰামচন্দ্ৰ আৰু তেওঁৰ ভায়েককেইজনৰ জন্ম হোৱাত সমগ্ৰ অযোধ্যা-পুৰীৰ লোকেই, ভবিষ্যতে শাসন কৰিবলৈ ৰজা পাই বৰ আনন্দিত হ'ল। শ্ৰীৰামচন্দ্ৰই সৰুৰেপৰা অসাধাৰণ শক্তিৰ পৰিচয় দিবলৈ ধৰিলে। পাঁচ বছৰ পাৰ হোৱা মাত্ৰে ৰামচন্দ্ৰৰ হাতত খড়ি দিয়া হ'ল আৰু বশিষ্ঠ মুনিৰ আশ্ৰমলৈ নানা শিক্ষা লাভ কৰিবৰ কাৰণে পঠিওৱা হ'ল। শ্ৰীৰামচন্দ্ৰই অতি কম দিনৰ ভিতৰতে ব্যাকৰণ, কাব্য শাস্ত্ৰ, স্মৃতি, শ্ৰুতি ইত্যাদি সকলো বিষয়ৰ পাঠকে শেষ কৰি অসাধাৰণ জ্ঞান উপাৰ্জ্জন কৰিলে। তাৰ পিছত নানা বিধ অস্ত্ৰৰ ধনুৰ্ব্বেদ শাস্ত্ৰ শিকিবলৈ ধৰিলে। অলপ দিনতে তেওঁ মালযুঁজ, লাঠিখেলা, ধনুকাঁড় শিক্ষা ইত্যাদি অতি সহজে শিকিলে। ধনুৰ

বিদ্যাত তেওঁ ইমান পাৰ্গতালি দেখুৱালে যে তেওঁৰ প্ৰতিভা দেখি সকলোৱে বিস্ময় মানিছিল। ৰামৰ ধনুৰ্বিদ্যা শক্তিৰ প্ৰমাণ চোৱাৰ উদ্দেশ্যে এদিন ৰাৱণৰ মোমায়েক মাৰীচ ৰাক্ষসো আশ্ৰমলৈ গৈছিল। ৰামায়ণত লেখা আছে যে, সেইদিনা মাৰীচ ৰাক্ষসে হৰিণা পছুৰ ৰূপ ধৰি ৰাম-লক্ষ্মণক অৰণ্যৰ মাজত বহুদূৰলৈ লৈ গৈছিল আনকি হাবিৰ মাজত বাট হেৰুৱাই তেওঁলোকৰ প্ৰাণৰ আশঙ্কা হৈছিল। এইদৰে সকলো প্ৰকাৰ শাস্ত্ৰকে পঢ়ি-শুনি আৰু সকলো ৰকম বিদ্যাকে অভ্যাস কৰি শ্ৰীৰামচন্দ্ৰ এদিন এজন ন্যায়পৰায়ণ, সত্যবাদী, ধৰ্মিষ্ঠ, মহাবলবান, শক্তিবন্ত, যুঁজাৰু হৈ উঠিল। এফালে ৰামচন্দ্ৰ যেনে চন্দ্ৰৰ দৰে বাঢ়ি ডেকা হবলৈ ধৰিলে, আনপিনে তেওঁৰ ভাবি পত্নী সীতাও তেওঁৰ তোলনীয়া পিতাকৰ ঘৰত তেনেকৈ বাঢ়িবলৈ ধৰিলে। ৰামায়ণত উল্লেখ আছে যে, মিথিলা ৰাজ্যৰ ৰজা জনকে হালবাওঁতে মাটিত এটা কণী ভঙাত এই কন্যাজনী পায়। জনক আৰু তেওঁৰ ৰাণীয়ে মিলি এই অপৰূপ, অতি সুন্দৰী কন্যাজনীক নানা সজ উপদেশ দি আৰু সজ কথা শিকাই তুলি-তালি ডাঙৰ-দীঘল কৰে। যেতিয়া সীতা দেৱী ডাঙৰ হৈ উঠিল তেতিয়া জনক ৰজাই এনে সুন্দৰী সু-শিক্ষিতা ছোৱালী কাক দিব একো ঠিক কৰিব নোৱাৰি স্থিৰ কৰিলে, যে তেওঁৰ লগত থকা এখন বৰ ডাঙৰ ধনু, যাৰ নাম হৰধনু আছিল যেয়েই ভাঙিব পাৰিব তাকেই সীতাক দিব।

ইফালেদি বিশ্বামিত্ৰ ঋষিয়ে শ্ৰীৰামচন্দ্ৰৰ অসীম শক্তি আৰু বিদ্যা-বুদ্ধিৰ বতৰা পাই শ্ৰীৰামচন্দ্ৰক ৰাক্ষস মাৰিবৰ বাবে তেওঁৰ আশ্ৰমলৈ মাতি আনিবলৈ গ'ল। দশৰথ ৰজাই প্ৰথমে মুনিজনৰ প্ৰস্তাব ভাল পোৱা নাছিল। অৱশেষত অৱশ্যে মান্তি হ'ল। দশৰথ ৰজাই পুতেক ৰামক বিশ্বামিত্ৰ ঋষিৰ লগত যাবলৈ অনুমতি দিলে। শ্ৰীৰামচন্দ্ৰয়ো নতুন ঠাই চাবলৈ পাব বুলি মনত বৰ ৰং পালে। তেওঁ লগতে মৰমৰ ভায়েক লক্ষ্মণকো লৈ মুনিৰ আশ্ৰমলৈ ওলাল। তেওঁলোকে বাটত নানা ঋষি-মুনিৰ আশ্ৰমৰ মাজেদি আহি সেইবিলাক চাই বৰ আনন্দ পালে। বিশ্বামিত্ৰ ঋষিয়েও ৰাম-লক্ষ্মণক বাটে বাটে লগ পোৱা আশ্ৰমবিলাক, নদী-পৰ্বত আদি চিনাকি কৰি দি গৈ আছিল। বাটতে এঠাইত তাৰকা নামেৰে এজনী ডাঙৰ ৰাক্ষসীয়ে ৰামক গিলি খাই থম বুলি আগুৰি ধৰিছিল। তাই সেই অৰণ্যৰ ডাঙৰ ডাঙৰ গছেৰে ৰাম-লক্ষ্মণক কোবাবলৈ খেদি আহিছিল। কিন্তু শ্ৰীৰামচন্দ্ৰই অকলে অতি সাহসেৰে ধনুকাড়েৰে সেই ডাঙৰ ৰাক্ষসীজনীক মাৰি পেলাই-

ছিল। ইয়াৰ পিছত তেওঁলোক গঙ্গা নদী পাৰ হ'ল। ৰাক্ষসৱ উৎপাত সহ্য কৰিব নোৱাৰা মুনি-পত্নীবিলাকে ৰামক সেই অসভ্য ৰাক্ষসবিলাক বধ কৰিবলৈ খাটনি ধৰিলে। ৰামচন্দ্ৰই তেওঁলোকৰ ধৰ্ম-কৰ্ম যাতে ৰক্ষা হয় সেই কাৰণে অনেক ৰাক্ষসক বধ কৰিলে আৰু সেই ৰাক্ষসবিলাকক সেই ঠাইৰপৰা বহু দূৰলৈ খেদি পঠিয়ালে। শ্ৰীৰামচন্দ্ৰই যিবোৰ ঠাইৰ মাজেদি গৈ আছিল সেইবোৰ ঠাইতে ধৰ্ম কাৰ্য সুসম্পন্ন কৰি মুনিবিলাকক শান্তিৰে থাকিবলৈ সুবিধা লগাই দিলে।

ইয়াৰ পিছত বিশ্বামিত্ৰ মুনিৰ অনুৰোধ মতে শ্ৰীৰামচন্দ্ৰই জনক ৰজাৰ মিথিলা নগৰ পালেগৈ। সেই সময়ত ৰাজকুঁৱৰী সীতা দেৱীক হৰধনু ভঙ্গ কৰি বিয়া কৰিবৰ আশাতে ভালেমান ৰজা আৰু ৰাজকোৱঁৰ জনক ৰজাৰ নগৰলৈ আহিছিল: কিন্তু সেই দুৰ্জয় ধনু ভঙাটো দূৰৰ কথা, ধনুৰ আকৃতি দেখা পাই বহুতে দূৰৰপৰাই ফৰিং ছিটিকা দি পলাল। কোনেও সেই ধনু হাতত তুলি লবকে নোৱাৰিলে। সদৌশেষত সকলোৱে পৃষ্ঠভঙ্গ দিয়াত বিশ্বামিত্ৰ ঋষিৰ অনুৰোধ মতে শ্ৰীৰামচন্দ্ৰই ধনু ভাঙিবলৈ আগবাঢ়ি গ'ল। তেওঁ অনায়াসে সেই ধনু দাঙি ধৰিলে আৰু সকলোৱে সন্মুখত সেই ধনু মৰক্ কৰে ভাঙি পেলালে। ৰামৰ বীৰত্ব দেখি সকলোৱে বিস্ময় মানিলে। সকলোৰে মনত দৃঢ় প্ৰত্যয় জন্মিল যে ৰামচন্দ্ৰ এজন সাধাৰণ মানৱ নহয়।

## অযোধ্যা কাণ্ড

মৰমৰ বাপা,

মই আজি ৰামচন্দ্ৰৰ ত্যাগ, সত্যনিষ্ঠ, পিতৃ আজ্ঞা আৰু পিতৃ সত্য পালন কৰিবৰ কাৰণে যি অদ্বিতীয় আৰ্হি জগতত থৈ গৈছে তাৰ কথা কম।

দশৰথ ৰজা বুঢ়া হৈ আহিল। তেওঁৰ আৰু নিজে ৰাজ্য চলাবলৈ হেপাহ নোহোৱা হ'ল। ৰামচন্দ্ৰ তেওঁৰ বৰপুত্ৰ। সেই কাৰণে দেশৰ নিয়ম-মতে তেওঁ অযোধ্যাৰ ৰজা হ'বৰ উপযুক্ত। তদুপৰি ৰামচন্দ্ৰ ৰজাৰ আন-কেইজন ল'ৰাতকৈ বেছি মৰমৰ আছিল। অযোধ্যাৰ প্ৰজাবিলাকেও ৰামক বৰ ভাল পাইছিল। শ্ৰীৰামচন্দ্ৰৰ গাত ৰাজ্যভাৰ লবলৈ লাগতিয়াল সকলো গুণেই আছিল। দশৰথ ৰজাই শ্ৰীৰামচন্দ্ৰকে ৰাজ্যভাৰ গতাই দিবলৈ মনে মনে পাঙিলে। তেওঁ কুল পুৰোহিত বশিষ্ঠ মুনি আৰু ৰাজ্যৰ পাত্ৰ-মন্ত্ৰী

সকলোকো মনে মনে মাতি আনি এই বিষয়ে পৰামৰ্শ কৰিলে। সকলোৱে ৰজাৰ সিদ্ধান্তত আনন্দ প্ৰকাশ কৰিলে। তেতিয়া ৰজাই জ্যোতিষী পণ্ডিতৰ হতুৱাই দিন-বাৰ চোৱালে। যেতিয়া ৰামৰ ৰাজ্য অভিষেকৰ দিন ধাৰ্য কৰা হ'ল, ৰামচন্দ্ৰই শাস্ত্ৰৰ নিয়মমতে আৰু পুৰোহিতৰ নিৰ্দেশমতে অভি-ষেকৰ আগৰ দিনা গধূলি অধিবাস কৰিলে।

শ্ৰীৰামচন্দ্ৰ ৰজা হ'ব বুলি জানিব পাৰি সমস্ত অযোধ্যাপুৰী আনন্দতে মতলীয়া হৈ আছিল, পিছে সেই আনন্দৰ মূৰামূৰি সময়ত বিঘিনি মিলিল।

দশৰথৰ সৰু মাদৈ কৈকেয়ীৰ লগত মাকৰ ঘৰৰপৰা এজনী বান্দী আহিছিল। তাই কুঁজী বুঢ়ী, নাম মন্থৰা। কুজীয়ে ৰামচন্দ্ৰ ৰজা হোৱাৰ অলপো বুজ লোৱা নাছিল। অযোধ্যা নগৰৰ মানুহবিলাকে মন-প্ৰাণ খুলি ৰং-ধেমালি কৰা দেখা পাই তাৰ কাৰণ সুধি জানিব পাৰিলে যে কাইলৈ হেনো ৰামচন্দ্ৰ অযোধ্যাৰ ৰাজপাটত উঠিব। কথাটো শুনিয়েই কুজী বুঢ়ীৰ মুখখন কেহৰাজ যেন ক'লা হৈ গ'ল। এই কুজীজনী বৰ কপটীয়া আৰু পৰৰ ভাল দেখিব নোৱাৰা তিৰোতা আছিল। তাই ভাবিলে, ৰাম ৰজা হ'লে তাইৰ গৰাকিনী কৈকেয়ী মাদৈৰ পুতেক ভৰত ৰামৰ লগুৱাৰ দৰে থাকিব লাগিব। এই কথা তাই সহ্য কৰিব নোৱাৰিলে। কেনেকৈকেনো সেইটো নোহোৱা কৰিব পাৰে তাকে তাই ভাবিবলৈ ধৰিলে। ভাবি ভাবি তাই উপায় উলিয়ালে আৰু উধাতু খাই লাখুটিত ভৰ দি হেকেৰ-পেকেৰকৈ কুঁজটো নচুৱাই কৈকেয়ীৰ ওচৰলৈ গ'ল।

আন মাদৈকেইগৰাকীৰ দৰে সৰল নহলেও কৈকেয়ীয়ে হলে ৰামক নিজৰ ল'ৰাৰদৰে ভাল পাইছিল। ৰাম ৰজা হব বুলি জানিব পাৰি তেওঁ আনন্দ মনেৰে ভাল সাজ-পাৰ পিন্ধি নিজৰ কাৰেঙত অকলে বহি আছিল। সেই সময়তে কুজী গৈ উপস্থিত হল। কৈকেয়ী মাদৈয়ে তৎক্ষণাত আনন্দতে পিছদিনা ৰাজ অভিষেক উৎসৱত পিন্ধিবৰ কাৰণে নানা সুন্দৰ কাপোৰ আৰু অলঙ্কাৰ তাইক উলিয়াই দিলে। মন্থৰাই সেইবোৰ পিন্ধা দূৰে থাকক খঙতে দূৰলৈ দলিয়াই পেলাই দি ৰাণীক অতি খঙেৰে কবলৈ ধৰিলে, "কুঁৱৰী! তোমাৰ দেখিছো অলপো লাজ নাই আৰু তোমাৰ বংশগৌৰৱো নাই। এই বুঢ়ী বেটীয়ে তোমাক সৰুৰেপৰা মিছাতেই তুলি-তালি ডাঙৰ কৰিলোঁ। তোমাৰ নিজৰ সুযোগ্য পুত্ৰ থাকোঁতে, ৰাম ৰজা হব! সেই-কাৰণে তুমি আনন্দহে কৰিছা! চিকৌ কটা! ৰাম কপটীয়া, তাৰ মাক কৌশল্যাও

কপটীয়া। সিহঁতে নানা কথাৰে লাপুং ৰজাক বশ কৰি ৰামক অযোধ্যাৰ ৰাজপাট দিবলৈ বিচাৰিছে। তাকো তুমি দেখা পোৱা নাইনে?" কৈকেয়ী মাদেয়ে মন্থৰাৰ কথাত পোনতে তাইকহে বেয়া বুলিলে। তেওঁ ক'লে, "ৰাম মোৰ সৰ্বগুণধৰ ল'ৰা। ৰামে মোক ভৰতৰ দৰে শ্ৰদ্ধা, ভক্তি আৰু মৰম কৰে। তই এনেদৰে উভতা বুলিয়াবি। সেই ৰামৰ বিপক্ষে মই যাব নোৱাৰো।" তাৰ পাছত কুজীয়ে ভৰত ৰজা হ'লে কৈকেয়ীৰ কি কি সুবিধা হব, ৰাজমাও হ'লে তেওঁৰ কিমান সন্মান বাঢ়িব, এনেবোৰ নানা মিছা আৰু কূট কথা এখনিকে দহখনি কৰি কবলৈ ধৰিলে। তাইৰ লগনীয়া কথাবোৰ শুনি কৈকেয়ীৰ মনো কুনলী আছিল আৰু অৱশেষত তেওঁৰ মনৰ ভাব একেবাৰে সলনি হৈ গ'ল। তেওঁৰ মনত ৰাজমাও হবলৈ লোভ জন্মিল আৰু ৰামক গুচাই নিজ পুত্ৰ কোঁৱৰ ভৰতকে ৰজা পতাৰ আকাঙ্ক্ষা মনলৈ আহিল। কুজীয়ে সেয়ে কৈকেয়ীৰ মনৰ ভাব বুজিব পাৰি কবলৈ ধৰিলে, "চোৱা আইটী! আজি বহুদিন আগতে বুঢ়া ৰজাই যেতিয়া ইন্দ্ৰৰ লগত যুদ্ধ কৰি গোটেই শৰীৰত ঘা লৈ উভতি আহিছিল তেতিয়া তুমি শুশ্ৰূষা কৰি তেওঁক আৰোগ্য কৰিছিলা। তেতিয়া ৰজাই তোমাক এটা বৰ দিম বুলি অঙ্গীকাৰ কৰিছিল। পিছে তুমি তেতিয়া বৰ নলৈ পিছলৈ যি বৰ লাগে খুজিম বুলি কৈছিলা, নহয় জানো? আকৌ তেওঁৰ এটা বিহ ফোঁহোৰা হোৱাত তুমি ভাল কৰোঁতে তোমাৰ ওঁঠ আৰু মুখত তেজ আৰু পুঁজ লাগিছিল। সেই বাবেও ৰজাই তোমাৰ পৰিচৰ্য্যাত সন্তুষ্ট হৈ আৰু এটি বৰ দিব খুজিছিল। তুমি সেই বৰো পিছলৈ লম বুলি কৈছিলা। আজি তুমি ৰজাৰপৰা সেই বৰ দুটা সৰকাবৰ সময় হৈছে। মোৰ কথা যদি শুনা তেন্তে তুমি ৰজাক খাটনি ধৰি পোৱা এটা বৰেৰে ভৰতক ৰাজপাটত বহুৱাব লাগিব আৰু আনটো বৰেৰে ৰামক ৰজাৰ হতুৱাই বনবাসলৈ পঠাব লাগিব। যেতিয়ালৈকে ৰজাই তেনে প্ৰতিশ্ৰুতি নিদিয়ে তেতিয়ালৈকে ৰজাক নেৰোপালি হৈ লাগি কাৰ্য্যসিদ্ধি কৰিব লাগিব। যদি পাৰা তেন্তে তোমাৰ কপাল ফুলিব আৰু যদি নোৱাৰা তেন্তে কপাল ফুটিব।" কৈকেয়ীয়ে চেষ্টা কৰি চাম বুলি কোৱাত মন্থৰাই তেওঁক ৰোহঘৰত সোমাই কেনেকৈ ৰজাৰপৰা বৰ লব লাগিব সেই বিষয়ে ভালৈ পঢ়োৱাদি শিকাই-বুজাই থৈ এটা কূট হাঁহি মাৰি লাখুটিত ভৰ দি হেকেব-পেকেব কৈ কুঁজটো নচুৱাই কৈকেয়ীৰ কাষৰেভৰপৰা ওলাই গ'ল। অৱশেষে অলপ আঁতৰত বৈ তাই কব পানী

কলৈ যায় জানিবলৈ খাপ দি থাকিলগৈ।

ইফালে দশৰথ ৰজাই ৰাজ অভিষেকৰ সকলো জা-জোগাৰ কৰি প্ৰিয়তমা কৈকেয়ী ৰাণীক এই শুভ সংবাদ দিবলৈ গ'ল। তেওঁ গৈ দেখিলে, কৈকেয়ীয়ে ৰোহঘৰত সোমাই খঙতে বাঘিণীৰ দৰে মূর্তি ধৰি মাটিত বাগৰি কান্দি আছে। ৰজাই অতি আদৰেৰে কৈকেয়ীয়ে কিয় তেনেভাবে মাটিত পৰি আছে সুধিলে। উত্তৰত কৈকেয়ীয়ে মাত্ৰ ক'লে, "মহাৰাজ তোমাৰ পূৰ্বৰ প্ৰতিজ্ঞালৈ মনত পেলোৱা। তুমি মোক দুটা বৰ দিম বুলি অঙ্গীকাৰ কৰিছিলা। সেই বৰ দুটা আজি মোক দিবা নে নিদিয়া কোৱা।" প্ৰতিজ্ঞা পাশে বান্ধ খাই থকা ৰজাই বৰ দিম বুলি তেতিয়াই কথা দিলে। সেই সুবিধা পাই কৈকেয়ীয়ে ক'লে, "প্ৰথম বৰৰ দ্বাৰা মোৰ পুত্ৰ কোঁৱৰ ভৰতক তুমি অযোধ্যা ৰাজ্য দিবই লাগিব আৰু দ্বিতীয় বৰৰ দ্বাৰা শ্ৰীৰামচন্দ্ৰক চৈধ্য বছৰৰ বাবে বন-বাসলৈ পঠাব লাগিব।" ৰজাই কৈকেয়ীৰ কথা শুনি ইমান দুখ পালে যে তৎক্ষণাৎ মূৰ্চ্ছিত হৈ পৰি গ'ল। অলপ সময়ৰ পিছত সংজ্ঞা পোৱা মাত্ৰকে তেওঁ কৈকেয়ীক নানা প্ৰকাৰ গালি পাৰিবলৈ ধৰিলে। কৈকেয়ীয়েও নিজৰ কথা এৰি নিদি ৰজাক বেছিকৈহে ধিক্কাৰ দিবলৈ ধৰিলে। দশৰথ ৰজাই বিমোৰত পৰি আকৌ মূৰ্চ্ছা গ'ল। অলপ পিছতে শ্ৰীৰামচন্দ্ৰও কৈকেয়ীৰ কাষৰলৈ আশীৰ্বাদ লবলৈ আহিল। দেউতাকৰ তেনে অবস্থা দেখি তেওঁ মনত বৰ দুখ পালে। ৰজাই ৰামক একো কবলৈ নোপাওঁতেই কৈকেয়ীয়ে ৰজাই তেওঁক দিব খোজা বৰৰ কথা ৰামৰ আগত কলে। ভৰতক ৰাজ-পাটত তুলিব খোজা আৰু ৰামক বনবাস দিয়াৰ প্ৰস্তাৱৰ কথাও ৰামৰ আগত তেওঁ ভাঙি-পাতি ক'লে। ৰামে ততালিকে কৈকেয়ীৰ দুয়োটা প্ৰস্তাৱতে মান্তি হ'ল। তেওঁ অলপো ওজৰ-আপত্তি নকৰি পিতৃয়ে যাতে সত্যৰপৰা বিচলিত হব নোৱাৰে, সেই উদ্দেশ্যে বিমাতা হলেও কৈকেয়ী মাদেৰ মনোবাঞ্ছা পূর্ণ কৰিবলৈ দৃঢ়সঙ্কল্প কৰিলে আৰু পিছদিনা ৰাতিপুৱাই অযোধ্যাপুৰী এৰি গৈ বনবাসলৈ যাবলৈ স্থিৰ কৰিলে।

এই আচৰিত আৰু কোনেও নভবা কথা শুনি কেৱল ৰাজপুৰীৰ লোকেই নহয়, সমগ্ৰ অযোধ্যা নগৰ আনকি ওচৰ-পাজৰে থকা ৰজাবিলাকেও শুনি শোক আৰু বেজাৰত বিহ্বল হ'ল। কিন্তু ৰামে অলপো বিচলিত বা অসন্তোষ নকৰি নিজেই ঘৰে ঘৰে গৈ বিদায় লবলৈ ওলাল। প্ৰথমে মাক কৌশল্যাৰ আগত নিজে গৈ এই হিয়া-ভঙা শোকৰ বাতৰি দিলেগৈ।

কৌশল্যাও শোকতে মূৰ্চ্ছা গ'ল। কিন্তু স্থিৰচিত্ত ৰামে বিমাতা কৈকেয়ীক দোষ দিবলৈ নিষেধ কৰি বুজাই-বঢ়াই সীতা দেৱীৰ ওচৰলৈ গ'ল। প্ৰথমে সীতা দেৱীক মাকৰ লগতে থাকি মাকক সেৱা-শুশ্ৰূষা কৰি থাকিবলৈ কৈছিল। সতী সীতাই কিন্তু স্বামীক এৰি অযোধ্যাৰ ৰাজ কাৰেঙত থাকিবলৈ কোনো-পধ্যে মান্তি নহ'ল। অৱশেষত ৰামচন্দ্ৰয়ো সীতাৰ অনুনয়-বিনয় আওকাণ কৰিব নোৱাৰি তেওঁকো বনবাসৰ লগৰীয়া কৰি ল'লে। লক্ষ্মণেও মৰমৰ ককায়েক ৰামক এৰি থাকিবলৈ মান্তি নহ'ল। তেওঁ মাকৰ অনুমতি লৈ ৰামচন্দ্ৰৰ লগতে বনবাসলৈ ওলাল। শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ যিবিলাক নিজা সম্পত্তি আছিল সকলোবিলাক তেওঁলোকে দুখীয়া-নিছলাক দান কৰি দিলে। শেষত তিনিওজনে সকলো ৰাজভূষণ আৰু বহুমূলীয়া আ-অলঙ্কাৰ ইত্যাদি পেলাই দি সাধাৰণ কাপোৰ আৰু গছৰ ছাল পিন্ধি দশৰথ ৰজাৰ ওচৰলৈ শেষ বিদায় লবলৈ গ'ল তেওঁলোকক দেখি ৰজাই শোকতে মূছকঁছ গ'ল।

অযোধ্যাৰ ৰাজসিংহাসন ভৰিৰে ঠেলি সাধাৰণ মানুহৰ দৰে যেতিয়া শ্ৰীৰামচন্দ্ৰ, সীতা দেৱী আৰু লক্ষ্মণ অযোধ্যাপুৰীৰ মাজেদি বনলৈ ওলাই যায়, তেতিয়া নগৰীয়া নৰ-নাৰীসকলে বাটলৈ ওলাই আহি চাই চাই কত বিলাপ কৰি কান্দিলে, সমগ্ৰ অযোধ্যাতে কেৱল কান্দোনৰ ৰোলহে শুনা গ'ল। সেইদিনা অযোধ্যাত কাৰো ভাতৰ চৰুলৈ জাল নগ'ল। দশৰথ ৰজাই মাজে মাজেহে মূৰ্চ্ছাৰপৰা সাৰ পাই "হে ৰাম, হে ৰাম" বুলি আটাহ পাৰি উঠে আৰু আকৌ মূৰ্চ্ছিত হৈ পৰি যায়। ৰাতি গাত সংজ্ঞা পাই তেওঁ পূৰ্বৰ পাপৰ কথা—কেনেকৈ অন্ধ মুনিৰ পুতেকক শব্দভেদী বাণেৰে বধ কৰিছিল আৰু সেই হত্যাৰ কাৰণেই কেনেকৈ অন্ধ মুনি আৰু তেওঁৰ ঘৈণী-য়েক মৰিল সেই কথা—ৰাণী কৌশল্যাক বিৱৰি ক'লে। অন্ধ মুনিয়ে তেওঁক যি শাপ দিছিল সেই কথাও ক'লে। এইদৰে কৈ কৈ বিলাপ কৰি থাকোতেই ৰজাৰ মৃত্যুক্ষণ উপস্থিত হ'ল আৰু তেওঁ নিমাত হৈ স্বৰ্গী হ'ল।

দশৰথ ৰজাৰ মৃত্যু হ'ল। শ্ৰীৰামচন্দ্ৰ বনবাসলৈ গ'ল, শূন্য অযোধ্যা-পুৰীৰ ৰাজপাটত ৰজা নোহোৱাৰ বাবে হাহাঁকাৰ লাগি পৰিল। কুল-পুৰোহিত বশিষ্ঠ মুনিয়ে ব্যস্ত হৈ ভৰত আৰু শত্ৰুঘ্ন কোঁৱৰক মোমায়েকৰ ঘৰৰপৰা জৰুৰী বাৰ্তা পঠিয়াই মতাই আনিলে। কোঁৱৰ ভৰতে ৰাম বনবাসী হোৱা, তেওঁ ৰজা হোৱাৰ প্ৰস্তাব আৰু দেউতাক দশৰথ ৰজাৰ

মৃত্যুৰ কথা শুনি শোকতে বিহ্বল হ'ল। দেউতাক আৰু ককায়েক শ্ৰীৰামচন্দ্ৰৰ প্ৰতি নিদাৰুণ ব্যৱহাৰৰ কৰাৰ বাবে তেওঁ কৈকেয়ীক বৰ বেয়াকৈ ককৰ্থনা কৰিলে। মন্থৰা বুঢ়ীৰ কুমন্ত্ৰণাত এইবোৰ হোৱা বুলি জানিব পাৰি শত্ৰুঘ্ন কোঁৱৰে কুঁজী বুঢ়ীক ভালকৈ মজা এপালি দিলে। তাইৰ কুঁজটোত ধৰি পাৰে মানে ঠেকেছিছিল। ভৰতে তেওঁ নিজে ৰজা হ'ব নোৱাৰে বুলি মাকক খাটাং সমিধান দিলে। বশিষ্ঠ মুনিয়ে তেওঁক প্ৰজা পালন কৰা কৰ্তব্যৰ বিষয়ে পাৰে মানে বুজালে। অৱশেষত ভৰতে ৰামৰ অনুমতি লৈ আৰু তেওঁৰ প্ৰতিনিধি স্বৰূপে ৰাজ্য চলাবলৈ গাত ললে। ইয়াৰ ভিতৰতে ৰামচন্দ্ৰই অযোধ্যা এৰি তিনি-চাৰি দিনৰ বাট পাইছিলগৈ। বশিষ্ঠ মুনি, ভৰত আৰু ৰাজ্যৰ পাত্ৰ-মন্ত্ৰী বিষয়া মিলি ৰামচন্দ্ৰক লগ ধৰিলেগৈ। ভৰতে ৰামক কোনো মতেই উভতি আহিবলৈ সন্মত কৰাব নোৱাৰি শেষত ইয়াকে স্থিৰ কৰিলে যে ৰামচন্দ্ৰৰ পাদুকাযোৰহে ৰাজ-সিংহাসনত থোৱা হ'ব আৰু তেওঁ তাৰ তলতহে আসন গ্ৰহণ কৰিব। ৰামচন্দ্ৰই ভৰতৰ প্ৰস্তাৱত মান্তি হৈ তেওঁৰ পাদুকাযোৰ দিলে। তাকে লৈ সকলোৱে উভতি আহিল। কোঁৱৰ ভৰতে ৰামৰ নামত অযোধ্যাৰ ৰাজ্যভাৰ ল'লে।

ৰামচন্দ্ৰৰ বনবাসৰ দুখৰ কাহিনী কোৱাৰ আগতে মই তোমালোকক তেওঁৰ এই অতুলনীয় ত্যাগৰ কথা ভাবি চাবলৈ কওঁ। ভাবি চোৱাচোন বাৰু আমাৰ কথা আৰু ৰামচন্দ্ৰৰ কথা। আমি ভাল কাপোৰ এখন পিন্ধিবলৈ নাপালে, ভাল খোৱা এসাজ খাবলৈ নাপালে কেনেকৈ মনত বেজাৰ পাওঁ, অথচ শ্ৰীৰামচন্দ্ৰই ইমান সুখত ডাঙৰ-দীঘল হৈয়ো কেনেকৈ সকলো সুখকে এৰি চৈধ্য বছৰৰ কাৰণে গছৰ বাকলি পিন্ধি, হাবিৰ ফলমূল খাই, কষ্টময় জীৱন ধাৰণ কৰিবলৈ ওলাইছিল। ইচ্ছা কৰিলে তেওঁ ভাৰত-বৰ্ষৰ সকলো ভাল ভাল ৰাজ্য আৰু ধন-সম্পত্তিৰ গৰাকী হৈ পৃথিৱীৰ সকলো ৰকম সুখকে ভোগ কৰিব নোৱাৰিলেহেঁতেন জানো? নিশ্চয় পাৰিলেহেঁতেন। কিন্তু সেইবিলাক সকলোকে ত্যাগ কৰি দাৰিদ্ৰ্যৰ লাও-লোটা হাতত লৈ ৰাজ-কাৰেঙৰপৰা বহু দূৰৰ অৰণ্যলৈ ওলাই গ'ল। তেওঁ কি শক্তিৰ বলত আৰু কি মহৎ ভাবত এনে ত্যাগ কৰিব পাৰিছিল, বুজিব পাৰিছানে? শ্ৰীৰামচন্দ্ৰই শাস্ত্ৰত পঢ়া সকলোবিলাক সজ কথা পঢ়িয়েই সন্তুষ্ট হৈ থকা নাছিল, তেওঁ সেইবিলাক সুবিধা পালেই নিজৰ জীৱনতো প্ৰয়োগ কৰিছিল। সেই কাৰণে তেওঁ কোমল বয়সতে হিংসাকুৰীয়া বলবান ৰাক্ষসৰ লগত যুঁজ কৰিছিল। সিহঁতক

নাশ কৰি ঋষি-মুনিৰ আশ্ৰম শান্তিময় কৰিছিল। নিজৰ বিপদৰ কাৰণে এদিনো ভয় কৰা নাছিল। এইদৰে সৎকাম কৰোঁতে কৰোঁতে তেওঁৰ মহৎ কাম কৰিবলৈ মনৰ বল বাঢ়ি গৈছিল। সেই কাৰণে যেতিয়া জীৱনৰ সকলোতকৈ ডাঙৰ পৰীক্ষাৰ সময় আহিল, তেওঁ সকলো সংসাৰী প্ৰলোভনকে দমন কৰিবলৈ সমৰ্থ হ'ল। সত্যৰক্ষা আৰু প্ৰতিজ্ঞা পালন কৰাতো সকলোতকৈ ডাঙৰ সন্মান। সেই কাৰণে তেওঁ ৰজা হোৱা সন্মানকো সত্য ৰক্ষাৰ নিমিত্তে নেওচা দিলে, ৰাজসিংহাখন হেলাৰঙে ত্যাগ কৰিলে। এনে ত্যাগৰ বাবে অমান্তি হ'লে তেওঁৰ পিতৃ দেৱতা সত্য ভ্ৰষ্ট হ'ব। এই কথা সত্যব্ৰত শ্ৰীৰামচন্দ্ৰই কেনেকৈ সহ্য কৰিব? তেওঁ প্ৰকৃত পিতৃ-ভক্ত আছিল। পুতেক হৈ পিতাকৰ ধৰ্মৰক্ষা কৰাটো পুতেকৰ অৱশ্যে কৰ্তব্য। জীৱনৰ এনেকুৱা পৰীক্ষাৰ সময়তো শ্ৰীৰামচন্দ্ৰই নিজ দৃঢ় আত্মশক্তিৰ বলত সকলো লোভ, সকলো মোহ, সকলো অহঙ্কাৰ, সত্যস্বৰূপ ঈশ্বৰৰ ওচৰত সঁপি দি বনবাসৰ মহা দুখকো সুখ বুলি আনন্দচিত্তে গ্ৰহণ কৰিলে। জীৱনতে এনে অগ্নি পৰীক্ষা সকলো মহাপুৰুষৰে জীৱনত ঘটিছে আৰু সেইসকলে তেনে পৰীক্ষাত জয়ী হৈছে বুলিয়েই আজি তেওঁলোকক ঈশ্বৰৰ অৱতাৰ বুলি মানি লোৱা হৈছে। এনে পৰীক্ষা সকলোৰে জীৱনত আহে, তোমালোকৰ জীৱনতো আহিব। পঢ়াশলীয়া পৰীক্ষাৰ দৰে যদি সেই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰা, তেতিয়াহে প্ৰকৃত ভাল আৰু ডাঙৰ মানুহ হ'ব পাৰিবাহঁক। ঈশ্বৰক আৰাধনা কৰিলে সেই শক্তি পোৱা যায়। ৰামচন্দ্ৰৰ দৰে পিতৃ-মাতৃৰ প্ৰতি ভক্তি পৰায়ণ হ'লে, সজ কথা মানি চলিলে, তোমালোকেও তেনে শক্তি পাবা।

## অৰণ্য কাণ্ড

বাপা,

ৰামায়ণ বা শ্ৰীৰামচন্দ্ৰৰ জীৱনী ভালকৈ বুজিবলৈ হ'লে ভাৰতবৰ্ষৰ মানচিত্ৰখন ভালকৈ বুজিব লাগে। মই তোমালোকক আগে কেৱল দুখন বা তিনিখন ৰাজ্যৰ কথা কৈছোঁ; যেনে, কৈকেয়ী ৰাণীৰ পিতাকৰ ৰাজ্য, কৌশল্যাৰ পিতাকৰ ৰাজ্য আৰু সীতা দেৱীৰ পিতৃ জনকৰ ৰাজ্য। এই আটাইকেইখন ঠায়েই উত্তৰ ভাৰতত। ৰাম বনবাসলৈ যাওঁতে ক্ৰমে দক্ষিণ ফালে নামি আহি শেষত লঙ্কা দ্বীপ অৰ্থাৎ বৰ্তমান............

× × ×

শূৰ্পণখাই ৰাম-লক্ষ্মণৰ লগত খৰ-দূষণৰ যুদ্ধখন ভালকৈ চাই আছিল।

কুকায়েকহঁত যুদ্ধত মৰাত তাইৰ শোক, ঈৰ্ষা আৰু হিংসা বেছিকৈ বাঢ়িল। ৰাম-লক্ষ্মণৰ ওপৰত কেনেকৈ প্ৰতিশোধ লব তাকে ভাবি ৰাবণৰ আগত সকলো কথাকে বঢ়াই খবৰ দিলেগৈ। ক'লে, "চোৱা, তোমাৰ দৰে সসাগৰা পৃথিবীৰ অধিপতি ৰাক্ষস ৰজাক ৰাম-লক্ষ্মণৰ দৰে সাধাৰণ মানুহে এনে অন্যায় আৰু অপমান কৰে। ৰাম-লক্ষ্মণে আমাৰ ভাৰতবৰ্ষত থকা ৰাক্ষস কুলকে মাৰি নাশ কৰিলে। তোমাৰ দৰে প্ৰতাপশালী আৰু শক্তিৱন্ত দাদা থাকোঁতে মোৰ নাক-কাণ কাটি কুৎচিতা কৰিলে। তোমাৰ সহোদৰ কেবাজনক সবংশে ধ্বংস কৰিলে আৰু সেই ঠাইত ৰাক্ষসবিলাকৰ থাকিবৰ ঠাই নোহোৱা হ'ল। তুমি যদি এই সময়তে তাহঁতক শাস্তি নিদিয়া তেন্তে তোমাকো নষ্ট কৰিব।" জেদ আৰু ঈৰ্ষাত মতলীয়া হৈ তেওঁ আকৌ কব ধৰিলে, "শ্ৰীৰামচন্দ্ৰ দশৰথ ৰজাৰ পুতেক, অকলে বনলৈ অহা নাই; লগত তেওঁৰ পত্নী সীতা দেৱীকো লৈ আহিছে। সীতা দেৱী ৰামচন্দ্ৰৰ প্ৰাণস্বৰূপ। সীতাৰ দৰে সুন্দৰী তিৰোতা ত্ৰিভুবনত নাই। এতেকে সীতাক হৰণ কৰি আনি তোমাৰ তিৰোতা কৰি লোৱা। তাৰ দ্বাৰাই তোমাৰো তুষ্টি হ'ব আৰু ৰামকো ভালকৈ শাস্তি দিয়া হ'ব।"

ৰাবণ অতি অসৎ স্বভাৱৰ ৰজা আছিল। শিৱক পূজা কৰি আৰু শক্তিৰ সাধনা কৰি শাৰীৰিক বল বহু পাইছিল সঁচা; কিন্তু তাৰ গাত ৰাক্ষস স্বভাব পূৰামাত্ৰাই আছিল। ইতিপূৰ্বে তেওঁ কত লোকৰ সুন্দৰী তিৰোতা হৰণ কৰিছিল তাৰ সীমা নাই। আজিও শূৰ্পণখা ভনীয়েকৰ মুখে সীতাৰ সৌন্দৰ্যৰ কথা তেওঁ শুনি সীতাক হৰণ কৰিবলৈ ঠিক কৰিলে।

মাৰীচ ৰাক্ষসৰ কথা আগেয়ে জানিছা। ৰাম ল'ৰা হৈ থাকোতে এদিন ৰামক বননিত ফাঁকি দি মাতি আনি মাৰিব খুজিছিল। এই মাৰীচে বহুৰূপ ধৰিব জানিছিল আৰু দণ্ডকাৰণ্যত থাকি নিজৰ চতুৰ বুদ্ধিৰ কাৰণে ঋষি-মুনি নাইবা আন কাৰোপৰা কোনো প্ৰকাৰ প্ৰতিবন্ধক নোপোৱাকৈ ভালদৰে চলি আছিল। ৰাবণে সাগৰ পাৰ হৈ মাৰীচৰ লগত পৰামৰ্শ কৰি ক'লে, "তুমি মোক সীতা হৰণ কৰাত সহায় কৰা, তুমি সোণোৱালী পহু হৈ ৰামৰ আগে আগে গৈ ৰামক ভুলোৱাই লৈ যাবা। মই তাৰ পাছত সীতাক হৰি আনিম।" মাৰীচে শ্ৰীৰাম কোন আৰু ৰামৰ শক্তি কেনে তাকো জানে। ৰাৱণ ৰজাক নানা প্ৰকাৰে সীতাক হৰণ কৰি নানিবলৈ বুজালে, ভয় দেখুৱালে; কিন্তু ৰাৱণ পাপত এনেভাৱে বলীয়া হ'ল যে, ৰাৱণৰ কথা মুশুনিলে

মাৰীচক বধিব বুলি ভয় দেখুৱাবলৈ ধৰিলে। মাৰীচে উপায় নাপাই সোণৰ মৃগৰ ভাও লৈ ৰামক ভুলাবলৈ ৰাজী হ'ল।

এতিয়া ৰাৱণে আকাশীৰথত উঠি আহি ৰাম-লক্ষ্মণহঁতৰ পঞ্চৱতী আশ্ৰমৰ ওচৰতে নামি ৰথ কিছু দূৰৈত থৈ গছৰ আঁৰত লুকাই থাকিল। মাৰীচে অতি ধুনীয়া হৰিণৰ ৰূপ ধৰিলে আৰু সীতা আৰু ৰাম-লক্ষ্মণৰ আগত জপিয়াই জপিয়াই ওলালহি। সীতাই দেখিয়েই মোহিত হ'ল। পহুটোৰ ছালৰপৰা আশ্ৰমত বহা আসন কৰিবৰ কাৰণে পহুটো মাৰিবলৈ ৰামক কাকুতি কৰিবলৈ ধৰিলে। লক্ষ্মণে মাৰীচৰ ছল বুলি ভাবি ৰামক মানা কৰিলে। কিন্তু পৰমেশ্বৰৰ কি ইচ্ছা, ৰামে পহুটো পাৰিলে ধৰিবলৈ নহলে মাৰিবলৈ আশ্ৰমৰপৰা ওলাই আহিল। পহুটোৱেও এবাৰ ৰামৰ ওচৰলৈ আহে আকৌ এবাৰ দূৰলৈ যায়; এইদৰে ৰামক ভুলাই আশ্ৰমৰপৰা বহু দূৰলৈ লৈ গ'ল। শেষত ৰামৰ সন্দেহ হৈ কাঁড় মাৰি দেখে যে ই পহু নহয়, ৰাক্ষসহে। দুষ্টবুদ্ধি মাৰীচে তেতিয়া, "ভাই লক্ষ্মণ মই মৰিলো মই মৰিলো" বুলি কেইবাবাৰো আতাহ পাৰিলে আৰু পাছত মৰিল। মাৰীচৰ আতাহ সীতা দেৱীয়ে ৰিণিকি ৰিণিকি শুনি ৰামচন্দ্ৰৰ মাত বুলি ভুল কৰি লক্ষ্মণক সেইপিনে দৌৰি গৈ চাবলৈ কলে। লক্ষ্মণৰ মনত আশঙ্কা লাগি প্ৰথমে যাব খোজা নাছিল। কিন্তু সীতা দেৱীয়ে শোকত অস্থিৰ হৈ লক্ষ্মণক এনে বেয়া ভাবেৰে গালি পাৰিলে যে, অনিচ্ছা সত্বেও লক্ষ্মণে সেই মাত মতাপিনে দৌৰি গ'ল। এতিয়া দুষ্ট ৰাৱণে সন্ন্যাসীৰ পোছাক পিন্ধি সীতাৰ আগত ভিক্ষা বিচাৰিলে আৰু সীতাৰ মাক-বাপেক স্বামী ইত্যাদিৰ কথা সুধিলে আৰু নিজকো সেই ঠাইৰ ৰাৱণ নামৰ এজন সন্ন্যাসী বুলি পৰিচয় দিলে। সীতাই প্ৰথমে লক্ষ্মণৰ কথামতে আশ্ৰমৰপৰা বাহিৰ হৈ নাহিবলৈ স্থিৰ কৰিছিল। কিন্তু ভণ্ড সন্ন্যাসী যেতিয়া খঙতে ভিক্ষা নোলোৱাকৈ যাবলৈ ওলাল, সীতাই আৰু একোকে নাভাবি ভিক্ষা দিবলৈ ওলাই আহিল। সেই সুবিধা পাই ৰাৱণে তৎক্ষণাত সীতাক হাতত ধৰি জোৰেৰে টানি ৰথত তুলি লৈ আৰু নিজৰ ৰাজ-পোছাক পিন্ধি ৰথ আকাশলৈ উৰুৱাই দিলে।

বাপা, এই ৰথে আজিকালিৰ আকাশী জাহাজৰ দৰে ওপৰেৰে উৰি ফুৰিব পাৰিছিল। সেই সময়ত প্ৰকৃততে আজিকালিৰ ধৰণৰ ৰথেই আছিল নে কবিসকলেহে বৰ খৰকৈ যোৱা ঘোৰাৰ গতিকে আকাশেৰে উৰিব পৰা ৰথ বুলিছিল, ক'ব নোৱাৰো। কিন্তু বৰ্ণনাৰপৰা বুজা যায় যে সেই বিলাক

আজিকালিৰ আকাশী জাহাজৰ দৰেই। আজিকালিৰ সৰু আকাশী জাহাজবিলাকক ডাঙৰ ডাঙৰ চৰায়ে দিগদাৰী দিব পাৰে। কেতিয়াবা শগুণৰ লগত খুন্দা খাই তেনে জাহাজ বা যান ভাগি যোৱাও শুনা গৈছে। সীতাক ৰাৱণে ৰথত লৈ আহোতে ৰাৱণৰো তেনে অৱস্থা হৈছিল। জটায়ু নামৰ এটা ডাঙৰ ঈগল পক্ষী ৰামৰ পূৰ্ব্বপুৰুষসকলৰ দিনৰে পুৰণি বন্ধু আছিল। সীতাক ৰথত পলুৱাই নিয়া দেখা পাই পক্ষীটোৱে ৰাৱণক খুটিয়াই ৰাৱণৰ ৰাজ-পাগুৰী, পাছত মূৰৰ চুলিবিলাকো তুলি মূৰটো টকলা কৰিলে। উপায় নাপাই ৰাৱণে সীতাক মাটিত নমাই থৈ জটায়ুৰ লগত যুদ্ধ কৰিবলৈ বাধ্য হ'ল। বুঢ়া পখীক হৰুৱাবলৈ ৰাৱণৰ বেছি পৰ নালাগিল। পাখি দুখন কাটি তললৈ পেলাই থৈ সীতাক পুনৰায় ৰথত তুলি লঙ্কাৰ ফালে লৈ গ'ল।

সীতাৰ এতিয়া কি অৱস্থা হ'ল তোমালোকে ভাবি চোৱাচোন! হ'বলগীয়া ৰাজৰাণী হৈয়ো তেওঁ স্বামীৰ কাৰণে বনবাসী হৈছিলহি, এতিয়া তেনে স্বামীৰপৰাও বঞ্চিত হৈ ডকাইত ৰাৱণৰ হাতত লাঞ্ছিত হবলগাত কিমান দুখ লাগিছিল তাক বৰ্ণায় কোৱা টান। তেওঁক প্ৰথমতে এৰি দিবলৈ ৰাৱণক নানা ৰকমে কাকুতি কৰিলে, তাৰ পাছত নানা কথাৰে ৰাৱণক লাজ দিবলৈ ধৰিলে। কিন্তু পাষণ্ড ৰাবণে সেই সকলোবিলাককে আওকাণ কৰি সীতাক কেনেকৈ নি সকলো মহিষী আৰু তিৰোতাবিলাকৰ ওপৰত ৰাণী পাতিব আৰু সীতাক সোণৰ তৈয়াৰী ৰাজপ্ৰাসাদত ৰাখিব ইত্যাদি কথা কৈ ভুলাবলৈহে চেষ্টা কৰিব ধৰিলে। সীতাই একোকে উপায় নাপাই পাগলীৰ দৰে কান্দিব ধৰিলে আৰু বাটত যাকে লগ পালে আনকি পশু-পক্ষী, গছলতা প্ৰভৃতি সকলোকে ৰামক লগ পালে তেওঁক ৰাৱণে কি দশা কৰি লৈ যাবলৈ ধৰিছে বুজাই ক'লে। তাৰ পাছত ৰামচন্দ্ৰই যাতে তেওঁক কোন বাটেৰে লৈ গৈছে তাৰ চিন পায়, তাকে ভাবি তেওঁৰ গাত যি কাপোৰ আৰু অলঙ্কাৰ আছিল, তাক এপদ এপদকৈ বাটে বাটে পেলাই যাবলৈ ধৰিলে। বায়ুবেগেৰে ৰথ চলাই বাটত কেইবাঠাইতো প্ৰতিবন্ধক লঙ্ঘন কৰি ৰাৱণে সীতাক লৈ অৱশেষত লঙ্কাপুৰী পালেগৈ। সীতাক ৰাৱণে পুনৰায় ৰাজকাৰেঙৰ ভিতৰলৈ নিবলৈ বৰকৈ অনুৰোধ আৰু যত্ন কৰিলে; কিন্তু কোনো মতেই লৰচৰ কৰাব নোৱাৰিলে। সেইকাৰণে অশোক বন বুলি এডোখৰ বনত সীতাক ৰাক্ষস আৰু শূৰ্পণখাক পহৰা ৰখাই এটা পঁজাঘৰত সুমোৱাই থলে। সীতাই শ্ৰীৰামচন্দ্ৰ আৰু পৰমেশ্বৰক আৰাধনা কৰি এই

দুখৰ দিন কটাব ধৰিলে।

আনপিনে শ্ৰীৰামচন্দ্ৰই মাৰীচ ৰাক্ষসৰহে সললোখিনি চাতুৰী বুলি জানি মনতে সীতাক হেৰুৱাব বুলি আশঙ্কা কৰি ঘৈভতি আহি কিছু দূৰ পাওঁতেই লক্ষ্মণক দেখা পাই তেওঁৰ সীতাক হেৰুওৱা আশঙ্কা যে সত্যত পৰিণত হৈছে তাক বুজিবলৈ আৰু বেছি বাকী নাথাকিল। দুয়ো ভায়ে দৌৰি আশ্ৰমলৈ গৈ দেখে যে সীতা নাই। "সীতা নাই! সীতা নাই!" বুলি এনে থিৰচিতীয়া ৰামো পগলাৰ দৰে হ'ল আৰু ওচৰৰ সকলো ঠাইতে সীতাক বিচাৰি ফুৰিলে। ঋষি-মুনিৰ আশ্ৰমবিলাকত, পাহাৰত, শিলৰ খোৰোঙত, নদীৰ পাৰত, পুখুৰীৰ পাৰত সকলো ঠাইতে পগলাৰ দৰে চোৰা ঠাইতে দহ-বাৰবাৰকৈ আকৌ চালে, কিন্তু তথাপি সীতাৰ একো সন্ধান নাপালে; বলিয়াৰ দৰে দুয়ো ভায়েকে দক্ষিণৰ ফালে যাবলৈ ধৰিলে। গৈ থাকোতে দেখিলে, সীতাৰ গাৰ কাপোৰ আৰু অলঙ্কাৰ ঠায়ে ঠায়ে পৰি আছে। ৰাম-লক্ষ্মণ দুয়োজনে সেই ঠাইবিলাকত বিচাৰি থাকোতে দেখে যে ৰাৱণৰ লগত আকাশত যুদ্ধ কৰা জটায়ু পক্ষীটো ওচৰতে পৰি আছে। সেই পক্ষীয়ে ৰামৰ পূৰ্ব্বপুৰুষৰ বন্ধু বুলি চিনাকি দিলে আৰু কেনেকৈ ৰাৱণে সীতাক ৰথত তুলি নিলে তাকে ৰাম-লক্ষ্মণক ভালকৈ বুজাই দিলে। যেন সেই কথা কবলৈহে বাট চাই আছিল; জটায়ু পক্ষীৰ সেই খবৰ দিয়াৰ পাছতে মৃত্যু হ'ল।

## কিষ্কিন্ধ্যা কাণ্ড

১।১।৪১

আজি খ্ৰীষ্টীয় নতুন বছৰৰ নতুন দিন। মই তোমাক আৰু তোমাৰ দৰে সকলো ল'ৰা-ছোৱালীলৈ মোৰ মৰম পঠিয়ালো। ঈশ্বৰে তোমালোকক দীৰ্ঘায়ু কৰক আৰু জ্ঞান আৰু শক্তিৱন্ত কৰি তেওঁৰ ইচ্ছা পূৰণ কৰিবলৈ উৎসাহ আৰু বুদ্ধি দিয়ক।

ৰামচন্দ্ৰই জটায়ু পক্ষীৰ মুখৰপৰা সীতাক ৰাৱণে নিয়া বুলি বুজিব পাৰিলে যদিও তেওঁক নি ক'ত ৰাখিছে, কেনেকৈ এনে দুৰ্দান্ত আৰু শক্তিশালী ৰাক্ষসৰ হাতৰপৰা উদ্ধাৰ কৰিব, কোন বাটেৰে যাব ইত্যাদি কথা ভাবি-চিন্তি বিমোৰত পৰিল। পঞ্চবতী বনৰ পজাঘৰ এৰি তেওঁ দক্ষিণ-পূবফালে গৈ ঋষ্যমুক নামৰ পৰ্ব্বত এখনৰ তল পালেহি। এই পাহাৰত বান্দৰৰ ৰজা

সুগ্ৰীৱ তেওঁৰ লগৰ আন আন বান্দৰ বিষয়াৰ সৈতে নিজৰ দেশৰপৰা খেদা খাই আহি আছিলহি।

এই বান্দৰবিলাক কোন অনুমান কৰিব পাৰিছানে? মই তোমালোকক ৰাক্ষস আৰু দানব-দৈত্যবিলাক কি বুজাবলৈ চেষ্টা কৰিছিলোঁ। মোৰ মনেৰে এই বান্দৰবিলাকো ৰাক্ষসবোৰৰ দৰেই, আন জাতীয় ভাৰতৰ আদিমবাসী। কৌশল আৰু বুদ্ধিত এওঁলোক আন ৰাক্ষসতকৈ কোনো গুণে কম নহয়। অৱশ্যে উত্তৰ ভাৰতৰ আৰ্য্যবোৰৰ বুদ্ধি আৰু বল এওঁলোকতকৈ নিশ্চয় বেছি আছিল। মোৰ মনেৰে উত্তৰ ভাৰতৰ আৰ্য্যসকলে এই ৰাক্ষস আৰু বানৰবিলাকৰ আচাৰ-ব্যৱহাৰ তেওঁলোকতকৈ পৃথক আৰু হেয় বুলি ভাবি এনে নাম দিছিল। তোমালোকে শুনিব পোৱা যে, মাদ্ৰাজৰ ফালে কিছু-মান লোকক বামুণবিলাকে আজি অলপ দিনলৈকে বৰ ঘিণ কৰি আছিল। এই প্ৰভেদ আৰু ঘিণ কৰাৰ কাৰণো মোৰ মনেৰে পূৰ্ব্বৰ মুষ্টিমেয় শিক্ষিত আৰ্য্য আৰু আদিমবাসীবিলাকৰ ভিতৰত এই প্ৰভেদৰপৰাই প্ৰথম উদ্ভৱ হৈছিল। অতি সুখৰ বিষয় এই যে, ঘিণ ভাব এতিয়া ক্ৰমে ক্ৰমে দূৰ হৈ যাবলৈ ধৰিছে মহাত্মা গান্ধী আৰু আন আন উদাৰ লোকৰ প্ৰভাৱত।

শ্ৰীৰামচন্দ্ৰৰ মহত্তৰ কাৰণে আৰু বিশেষকৈ তেওঁক সহায় দৰকাৰ হোৱাত তেওঁ এই বানৰবিলাকক ঘিণ কৰা দূৰত থাকক, নিতান্ত আপোন কৰি ল'লে। হনুমান সুগ্ৰীৱৰ মন্ত্ৰী আছিল। শ্ৰীৰাম-লক্ষ্মণক ঋষ্যমুক পৰ্ব্বতলৈ অহা দেখি হনুমানে নিজে আগবাঢ়ি গৈ তেওঁলোকে কিয় এই হিংস্ৰ জন্তুৰে ভৰা পৰ্ব্বতখনলৈ আহিলে সুধিলে। তাৰ উত্তৰত লক্ষ্মণে কলে যে, তেওঁ-লোক দশৰথ ৰজাৰ পুত্ৰ। পিতৃ-বাক্য ৰক্ষাৰ কাৰণে শ্ৰীৰামচন্দ্ৰই বনবাসলৈ আহি অৱশেষত এই দণ্ডকাৰণ্যৰ পঞ্চৱটী আশ্ৰমৰপৰা সীতাক হেৰুৱালে। হনুমানে সকলো কথা শুনি শ্ৰীৰামচন্দ্ৰক মহাপুৰুষ বুলি হৃদয়েৰে বোধ কৰি অতি সাদৰেৰে মাতি নি বানৰ ৰজা সুগ্ৰীৱৰ ওচৰলৈ লৈ গ'ল। সুগ্ৰীৱৰ আগত ৰামৰ দুখৰ কাহিনী বৰ্ণায় কোৱাত সুগ্ৰীৱে তেতিয়াই ৰামৰ লগত অগ্নি সাক্ষী কৰি মিত্ৰতা পাতিলে আৰু প্ৰতিশ্ৰুতি দিলে যে যেতিয়ালৈকে চন্দ্ৰ-সূৰ্য্য পৃথিৱীত থাকিব, তেতিয়ালৈকে ৰামে যেনেকৈ বিচাৰে তেনেকৈ সহায় কৰি থাকিব। বৰ্ত্তমানে ৰাৱণক সবংশে ধ্বংস কৰি সীতা উদ্ধাৰ কৰি ৰামক দিব। সুগ্ৰীৱৰ লগত ৰামে এইদৰে মিত্ৰতা পাতি তেওঁৰ অতিথি হৈ কেইদিনমান থকাৰ পাছত সুগ্ৰীৱেও নিজৰ দুখৰ কাহিনী ৰামচন্দ্ৰৰ

আগত ক'বলৈ ধৰিলে, "যদিও আজি মই ৰজা বুলি পৰিচিত, প্ৰকৃততে মই কিষ্কিন্ধ্যাৰ ৰজা নহওঁ। পিতৃবিয়োগৰ পিছত মই আৰু মোৰ ডাঙৰ ককাই বালী উভয়ে সমানে ৰাজ্যভাৰ লওঁ। বালীয়েহে এতিয়া সেই ৰাজ্যৰ ৰজা। বালীৰ দৰে এজন মহাবীৰ নাই। ৰাৱণৰ দৰে ৰাক্ষস ৰজাকো, তেওঁ সাগৰত নামি তপ কৰাৰ সময়ত অপমান কৰাৰ কাৰণে চাৰিখন সাগৰত ডুবুৰাই ডুবুৰাই পানী খুৱাই প্ৰাণকে মাৰিবৰ উপক্ৰম কৰিছিল। পাছত ৰাৱণে নানা কাকুতি-মিনতি কৰাতহে এৰি দিলে। সেইদৰে মাটিৰ তলত থকা দৈত্য এটাই আমাৰ ৰাজ্য ল'বলৈ চেষ্টা কৰিছিল। বালী ৰজাই তাক গোটেই ঠাইতে খেদি লৈ ফুৰাত শেষত ভয়তে সি পৰ্ব্বতৰ গুহাৰ ভিতৰত থকা এটা গাতেৰে তললৈ সোমাই গ'ল। মই আৰু আমাৰ বানৰ বিষয়াবিলাকে তেওঁক এই পৰ্ব্বতৰ গুহাৰ মাজত সোমাবলৈ মানা কৰিছিলোঁ। কিন্তু মহাবীৰ বালী আমাৰ হাক-বাধা নামানি সেই সুৰঙ্গেৰে সোমাই গ'ল। আমি সেই সুৰঙ্গৰ মুখত কেইবাদিনো থাকি পহৰা দি পাছত নহা দেখি গুচি আহিলোঁ। তেতিয়াও ভাবিছিলোঁ, কিজানি বালী বীৰে দৈত্যক মাৰি উভতি আহেই! অৱশেষত যেতিয়া বহুদিনলৈকে নাহিল, দেশৰ পাত্ৰ-মন্ত্ৰীবিলাকে বালী ৰজা মৰা বুলি অনুমান কৰিলে। তাৰ পিছত সেই দৈত্য সেই সুৰঙ্গেৰে আকৌ ওলাই আহি আমাৰ ৰাজ্যত অত্যাচাৰ কৰিব বুলি ভয় কৰি আমি সুৰঙ্গটো এটা ডাঙৰ শিলেৰে বন্ধ কৰি দিলো। সেইদৰে বিষয়াবিলাকৰ কথামতে বালী ৰজা মৰা বুলি অনুমান কৰি আমি তেওঁৰ শ্ৰাদ্ধ ইত্যাদি কৰিলো। আচৰিত কথা যে এবছৰমানৰ পিছত বালী ৰজা সুৰঙ্গৰ মুখৰ সেই প্ৰকাণ্ড শিল ঠেলি ওলাই আহি খঙতে প্ৰচণ্ড মূৰ্ত্তি ধৰি ৰাজধানী ওলালহি। আমি সকলোৱে দেখি আনন্দ পালো। কিন্তু বালীয়ে মোৰ ওপৰত খঙতে অস্থিৰ হৈ উঠিল আৰু মই তেওঁক ৰাজ পদৰপৰা বঞ্চিত কৰিবৰ কাৰণেহে সুৰঙ্গৰপৰা ওলোৱা বাটটো বন্ধ কৰি মাৰিবৰ উপক্ৰম কৰিছিলো বুলি মোক নানা অপমান কৰি তৎক্ষণাত ৰাজ্যৰ-পৰা বাহিৰ হ'বলৈ হুকুম দিলে। মই কত বুজালো, কত অনুনয় কৰিলো, কিন্তু মোৰ কথা নুশুনি মোক মাৰিবলৈহে খেদি আহিল। অসীম বলশালী বালীক বলে নোৱাৰি পলাই আহি মই এই ঋষ্যমুক পৰ্ব্বতত আহি বসতি কৰিছোহি। নিজ ৰাজ্যৰপৰা বঞ্চিত হৈ এতিয়া মই নানা কষ্টত দিন কটাব ধৰিছো।" সুগ্ৰীৱৰ কথা শুনি শ্ৰীৰামচন্দ্ৰই তেওঁক অভয় দিলে আৰু

কলে যে বালীক বধ কৰি তেওঁ সুগ্ৰীবক ৰাজপাটত বহুৱাব। বালীৰ ইমান শক্তি যে সুগ্ৰীবে ৰামৰ কথা বিশ্বাসেই কৰিব পৰা নাছিল। তেতিয়া ৰামে নিজৰ শক্তি দেখুৱালে। ৰামে মৰা একেপাট কাড়ে সাতডাল গছৰ মাজেদি গৈও যেতিয়া ওলাই গ'ল; তেতিয়াহে ৰামে বালীক বধিব পাৰিব বুলি সুগ্ৰীবে প্ৰত্যয় মানিলে।

প্ৰকৃততে সুগ্ৰীব প্ৰথমতে ভয়াতুৰ আৰু সোৰোপা আছিল। ৰামে সুগ্ৰীবক বালী ৰজাৰ লগত যুঁজ কৰিবৰ কাৰণে কিষ্কিন্ধ্যালৈ যাবলৈ কলে। সুগ্ৰীবে প্ৰথমে যাবলৈ সাহ কৰা নাছিল। ৰামে অভয় দিয়াত প্ৰথম দিনা যুঁজ কৰিবলৈ গ'ল; কিন্তু বালী-সুগ্ৰীব উভয়ৰে পোছাক একে ৰকম থকাৰ কাৰণে বালীক মাৰিব বিচাৰোতে, সুগ্ৰীবক মাৰিবৰ ভয়ত শ্ৰীৰামচন্দ্ৰই লগত অনা সাংঘাটিক অস্ত্ৰ···············

× × ×

···হ্ৰদ সৰোবৰ, সাগৰ আৰু সকলো ঠাইৰে নাম দিয়া আছে। সেই-বিলাক আজিকালিৰ নামৰ লগত প্ৰায়েই নিমিলে। তথাপি বিবৰণৰপৰা বুজিব পাৰি যে সুগ্ৰীবে ভাৰতৰ সকলো ঠাইতে, বৰ্তমান বঙ্গদেশৰ উত্তৰ ভাগলৈ আৰু আমাৰ অসমৰ ফাললৈকে মানুহ পঠাইছিল।

কিছুদিনৰ পিছত এই সৈন্যবিলাক তিনিফালৰপৰা উভতি আহিব ধৰিলে; কিন্তু কোনেও সীতা বা ৰাৱণৰ কোনো খবৰেই আনিব নোৱাৰিলে। অঙ্গদৰ লগত যি বানৰ সেনাবাহিনী গৈছিল, তেওঁলোকো নানা ঠাইত ফুৰি ফুৰি এমাহতকৈও বেছি দিন বিচাৰি বিচাৰি একো সন্ধান নাপাই ভাগৰি পৰিল। সীতাক বিচাৰি আনিব নোৱাৰাৰ বাবে সেনাপতি অঙ্গদক সুগ্ৰীব আৰু ৰামে মাৰিব বুলি ভয় কৰি তেওঁ বিবুদ্ধি হৈ পৰিল। পাতাল-পুৰীত সোমাই এটা দৈত্যৰ অমূল্যপুৰী এখনৰপৰা ওলাই অহাৰ পিছতো যেতিয়া সীতাৰ একো খবৰ নাপালে তেতিয়া অঙ্গদ একেবাৰে হতাশ হৈ গ'ল। বিফলে ঘৰলৈ উভতি যোৱাতকৈ সকলো বানৰবিলাকে আত্মহত্যা কৰি মৰিবলৈ ওলাল। কেৱল হনুমান এই কথাত ৰাজী নহ'ল। এজোপা গছৰ তলত বহি নিজৰ ভিতৰতে এইদৰে দুখৰ কথা কৈ থাকোতে এটা ডাঙৰ পাখি-কটা ঈগল পক্ষী ওলাই আহিল। সেই পক্ষীটোৱে জটায়ুৰ ভায়েক বুলি পৰিচয় দিলে আৰু কথাই কথাই জানিব পাৰিলে যে সেই

পক্ষীটোকো ৰাৱণে সীতাক হৰি নিওঁতে ৰাৱণৰ আকাশীযানখন যাবলৈ নিদি আগুৰি ধৰাৰ কাৰণে ৰাৱণে তেওঁকো তেনেকৈ পাখি কাটি থৈ গ'ল। পৰ্বতৰ ওপৰৰ গছৰপৰা ৰাৱণৰ ৰাজ্য দেখা যায়। বানৰবিলাকে ভাত উঠি চাবলৈ চেষ্টা কৰিলে, কিন্তু ভালকৈ দেখা নাপাই আকৌ বিমোৰত পৰিল। পিছত সেই ঈগল পক্ষীৰ পুতেকৰপৰা লঙ্কালৈ কিমান দূৰ আৰু কোন বাটেৰে যাবলৈ লাগিব সকলো খবৰ হনুমান আৰু অঙ্গদে বুজি ল'লে।

## সুন্দৰাকাণ্ড

অঙ্গদৰ এতিয়া সাহ বাঢ়ি আহিল আৰু লঙ্কা নগৰীৰপৰা সীতাৰ খবৰ আনিব পাৰিব বুলি মনত আশা আহিল। সসৈন্যে অলপ দিনৰ পিছতে সাগৰৰ পাৰ ওলালহি। মানচিত্ৰ চালে দেখিবা যে ভাৰতবৰ্ষৰ লগত লঙ্কা দ্বীপ প্ৰায় লাগি আছে। আজিকালিও সেতুবন্ধ ৰামেশ্বৰম বুলি এডোখৰ ঠাই আছে। শ্ৰীৰামচন্দ্ৰই হেনো সেই ঠাইত সেতু বান্ধি লঙ্কালৈ গৈছিল, তেতিয়াৰপৰা সেই নাম হৈছে। এতিয়াও দেখা যায় যে লঙ্কা আৰু ভাৰত-বৰ্ষৰ মাজৰ সাগৰত কেইবাটাও দ্বীপপুঞ্জ আছে। যি যিকি নহওক, বানৰ সৈন্যবিলাকৰ বাবে এই সাগৰ পাৰ হোৱাটো দেখোতেই বৰ ডাঙৰ কথা হৈ পৰিল। সেনাপতি অঙ্গদে তেওঁলোকৰ ভিতৰত কোনোবাই স্বইচ্ছাই শ্ৰীৰামচন্দ্ৰৰ শুভ কাৰ্যত সহায় কৰিবৰ অৰ্থে আগ বাঢ়িবনেকি সুধিলে। কোনেও আগবাঢ়ি নহা দেখি অঙ্গদে নিজেই সেই কাম কৰিবলৈ ওলাল। তাকে দেখি বহুত সেনাপতিৰ লগত থকা তেওঁৰ মন্ত্ৰী জাম্বুবানে ক'লে যে বুঢ়া নহ'লে তেওঁ নিজেই আগ বাঢ়িলেহেঁতেন। কিন্তু তেওঁ নিশ্চিতকৈ অঙ্গদক বুজাই ক'লে যে যদি হনুমানক এই কামটোৰ ভাৰ দিয়া হয় তেন্তে হনুমানে তত্তালিকে সাগৰ পাৰ হৈ সীতাৰ খবৰ আনিব পাৰিব।

হনুমানক ইমান সময় কোনেও একো নোকোৱা দেখি বেজাৰ কৰি আছিল; এতিয়া নিজে আগবাঢ়ি আহি শ্ৰীৰামচন্দ্ৰৰ বাবে প্ৰাণ দিবলৈকো অঙ্গীকাৰ কৰিলে আৰু সাগৰ পাৰ হৈ সীতাৰ খবৰ আনি দিবলৈ গাত ললে। হনুমানৰ কথাত সকলোৱে বৰ আশ্বাস পালে। হনুমানে সাধনা কৰি শৰীৰত অসীম শক্তি পাইছিল। (অসম্পূৰ্ণ) *

---

* লোকপ্ৰিয় বৰদলৈয়ে শ্ৰীৰামচন্দ্ৰৰ জীৱনীখন সৰু ল'ৰা-ছোৱালীয়ে সহজে বুজিব পৰাকৈ লেখিছিল যদিও সম্পূৰ্ণ পাঠ উদ্ধাৰ কৰিব পৰা নগ'ল। ইয়াৰ পিছৰছোৱা বৰদলৈৰ কোনোৱা এজন বন্ধুৱে পঢ়িবলৈ নি হেনো ঘূৰাই নিদিলে।

# বুদ্ধদেৱ

## পাতনি

গান্ধীজীৰ আশ্ৰমৰ একাদশ ব্ৰতৰ ভিতৰত "সৰ্ব্ব ধৰ্ম্মে সমানত্বং" এটা মূল ব্ৰত। এই ব্ৰতৰ নীতি ভাৰতবৰ্ষৰ বৰ্ত্তমান যুগত প্ৰভু ৰামকৃষ্ণ পৰমহংসদেৱে প্ৰচাৰ কৰে। গান্ধীজীয়ে আৰু তেওঁৰ আশ্ৰমবাসীসকলে দৈনন্দিন জীৱনত এই ব্ৰত পালন কৰে। আচলতে ই এটা নিখুঁত সত্য। ঈশ্বৰৰ বিশ্বাস কেনেকৈ আৰু কেতিয়া মানুহৰ মনত সোমালহি সেইটো বৈজ্ঞানিক চৰ্চ্চাৰ বিষয় হব পাৰে, কিন্তু এইটো ঐতিহাসিক সত্য যে ঈশ্বৰৰ অস্তিত্ব মহাজনসকলে অন্তৰ-আত্মাৰ অনুভূতিৰ পৰাই পাইছে আৰু এই মহাপুৰুষসকলে বেলেগ দেশত বেলেগ ৰাজবংশত জন্ম গ্ৰহণ কৰিলেও সকলো মহাপুৰুষেই জগতৰ মঙ্গলময় কিছুমান মৌলিক সত্য গ্ৰহণ কৰি গৈছে আৰু তাকে প্ৰচাৰ কৰিছে। দেশ-কাল পাত্ৰ অনুসৰি তেখেতসকলৰ শিকনি বেলেগ হলেও সকলোৰে উদ্দেশ্য একেই—মানৱ সমাজৰ উন্নতি আৰু শান্তি।

১৯৪০।৪১ চনত সত্যাগ্ৰহ আন্দোলন সম্বন্ধে জেলত থকা সময়ত কেনেকৈ উঠি-অহা লৰা-ছোৱালীৰ মনৰপৰা সাম্প্ৰদায়িক বিৰোধ ভাব দূৰ কৰি সমতা ভাব আনিব পাৰি ইয়াকে চিন্তা কৰি, ভাৰতবাসীয়ে মনা অৱতাৰী পুৰুষসকলৰ জীৱনী লেখিবলৈ স্থিৰ কৰো ইয়াকে দেখুৱাবলৈ যে সকলো ধৰ্ম্ম মৌলিক তত্ত্বত একেই আৰু আমাৰ বুজনিৰ ভুলৰ কাৰণেহে আমি ধৰ্ম্ম লৈ নিজৰ ভিতৰত বিৰোধ কৰো। সেই সঙ্কল্প লৈ প্ৰভু শ্ৰীৰামচন্দ্ৰ, বুদ্ধদেৱ, যীশুখ্ৰীষ্ট আৰু মহম্মদ ৰছুলৰ জীৱনী লেখি শেষ কৰো আৰু বৰ্ত্তমান যুগৰ অৱতাৰী-পুৰুষ মহাত্মা গান্ধীয়ে কেনেকৈ তেখেতৰ নিজ জীৱনত এই ব্ৰত পালন কৰিছে তাকে দেখুৱাবৰ কাৰণে গান্ধীজীৰ অনুমতি লৈ তেখেতৰ জীৱনীও লেখিবলৈ আৰম্ভ কৰো। জেলৰপৰা ওলাই অহাৰ পিছত সময়ৰ অভাৱৰ কাৰণে আৰু বিশেষভাৱে নিজৰ ভাষা-জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰাৰ কাৰণে জীৱনী কেখন শুদ্ধকৈ দি নতুনকৈ লিখাই দিবলৈ বন্ধু এজনক অনুৰোধ কৰো। ১৯৪২ চনত আকৌ জেলত পৰোতে নিজে চাই-চিতি লম বুলি ভাবি পাণ্ডুলিপিখিনি বিচৰাত দেখা গল যে যি খণ্ডত শ্ৰীৰামচন্দ্ৰৰ জীৱনীৰ শেষছোৱা আৰু প্ৰভু যীশুখ্ৰীষ্টৰ জীৱনীৰ আগছোৱা আছিল সেই খণ্ড নোহোৱা হল। সময়ৰ অভাৱত একোকে কৰিব নোৱাৰি বেজাৰত এই জীৱনী কেখন আলমাৰিৰ ভিতৰত সুমুৱাই থৈ দিছিলো কিন্তু শ্ৰদ্ধেয় কবি শ্ৰীযুত ৰঘুনাথ চৌধাৰীয়ে ছপাবলৈ বিশেষভাৱে উৎসাহ দিয়াত আৰু অধ্যাপক শ্ৰীমান অতুলচন্দ্ৰ হাজৰিকা আৰু স্কুল-শিক্ষক শ্ৰীমান নগেন্দ্ৰনাথ শৰ্ম্মাই নিজে সকলো চাই-চিতি ছপাই দিবলৈ গাত লোৱাত মই আকৌ এবাৰ গ্ৰন্থকাৰ হিচাপে ওলাবলৈ সাহ কৰিলো। এখেতসকলক মোৰ অন্তৰৰ ধন্যবাদ জনালো।

এটাই কেথন জীৱনীয়েই একেটা সত্যকে প্রতিপন্ন কৰিবৰ উদ্দেশ্যে লিখাৰ কাৰণে একেলগে এখন পুস্তক হৈ ওলালে ভাল হলহেতেন কিন্তু সেইটো হৈ নুঠিল। আচলতে বাকী কেথন যে কেতিয়াবা শেষ কৰিম তাৰো আশা নাই। এটাই কেইখন জীৱনীয়েই উঠি অহা ছাত্ৰক সম্বোধন কৰি লিখা হৈছে। মোৰ লৰাৰ নামে সম্বোধনটো কেৱল প্ৰতিক মাত্ৰ। আজি সাম্প্ৰদায়িক বিৰোধ হৈ ধৰ্ম আৰু জাতিৰ দোহাই দি কিছুমান লোকে কি অভাৱনীয় নৃশংসতাৰ আশ্ৰয় লৈছে তাক দেখি-শুনি মানুহ মাত্ৰেই শিয়ৰি উঠিব লগাত পৰিছে। এনে দিনত ধৰ্ম আচৰণ সম্বন্ধে সাম্যভাব আৰু উদাৰতাৰ যে আৱশ্যক তাক সকলো লোকেই কব ধৰিছে। যদি মোৰ ক্ষুদ্ৰ জীৱনী কেথনে উঠি-অহা ছাত্ৰ-ছাত্ৰীসকলৰ মনত অলপো সাম্য আৰু উদাৰতাৰ ভাৱ আনিব পাৰে তেন্তে বুজিম যে তেওঁলোকক সেৱা কৰাৰ মোৰ ইচ্ছা পূৰণ হল। ইতি—

বিনীত

শ্ৰীগোপীনাথ বৰদলৈ

## অৰ্পণ

স্বাধীন অসমৰ
মোৰ মৰমৰ
উঠি অহা
লৰা-ছোৱালীবিলাক!

তোমালোকৰ ওপৰতেই আমাৰ দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। মহাপুৰুষসকলৰ জীৱনৰ চানেকীৰে যাতে দেশ আৰু দহৰ সেৱাত তোমালোকে নিজৰ জীৱন নিয়োজিত কৰিব পাৰা সেই আশাৰে মোৰ এই 'বুদ্ধদেৱ' তোমালোকৰ হাতত অৰ্পণ কৰিলো।

জয় হিন্দ্

শিলং
১৮।১১।৪৭

আশীৰ্ব্বাদক
শ্ৰীগোপীনাথ বৰদলৈ

## আগ-কথা

মৰমৰ বাপা! এতিয়া আমি বুদ্ধদেৱৰ জীৱন-চৰিত আলোচনা কৰোহক। তাৰ আগেয়ে আমি দুটামান কথা ভাবি চাব লাগিব। বুদ্ধদেৱক আমাৰ পুৰাণত এজনা অৱতাৰ বুলি ধৰা হৈছে। আজি যদিও ভাৰতবৰ্ষত সেই অৱতাৰৰ পূজা নাই বা তেওঁৰ অস্তিত্বকে বিশেষভাৱে দেখা পোৱা নাযায় তথাপি তেওঁ নিশ্চয় এনে কিছুমান অসাধাৰণ শক্তি আৰু মহান আদৰ্শ দেখুৱাই গৈছে যে হিন্দু শাস্ত্ৰকাৰসকলে বুদ্ধদেৱক ঈশ্বৰ, প্ৰেৰিত মহাপুৰুষ বা অৱতাৰ বুলি মানিবলৈ বাধ্য হৈছে। আমাৰ মহাপুৰুষে ঘোষাত লেখিছে

"মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম, ৰঘাই, শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম॥"

আন আন অৱতাৰৰ দৰে এই মহাপুৰুষজনাযো অকল ভাৰতবৰ্ষৰ লোকৰে সাময়িক সামাজিক গ্লানি দূৰ কৰি ক্ষান্ত থকা নাই। তেওঁ সমগ্ৰ জগত-বাসীৰ উপকাৰৰ কাৰণে কিছুমান নতুন আদৰ্শ সৃষ্টি কৰি থৈ গৈছে আৰু মানৱ সমাজৰ কাৰণে নতুন কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰি থৈ গৈছে। সেইবোৰ জগতৰ পৰিবৰ্ত্তন স্বত্বেও মানুহে চিৰন্তন সত্য বুলি মানি লবলৈ বাধ্য হৈছে।

এসময়ত বৌদ্ধ ধৰ্ম্ম সমগ্ৰ পৃথিৱীৰে প্ৰধান ধৰ্ম্ম আছিল বুলি ক'লেও বঢ়াই কোৱা নহয় প্ৰায় ১৫০০ বছৰ ধৰি অৰ্থাৎ খৃঃ পূঃ ৫০০ ৰ পৰা ১০০০ বছৰলৈকে বুদ্ধৰ শিকনি গোটেই এছিয়া মহাদেশতে প্ৰচলিত আছিল। আনকি য়ুৰোপৰ আৰু আফ্ৰিকাৰ ভূমধ্য সাগৰৰ উপকূল অঞ্চলতো ভাৰত-বাসী সাওদসকলৰ লগত যোৱা ভিক্ষুবিলাকে ধৰ্ম্ম প্ৰচাৰ কৰা বুলি জানিব পৰা যায়। এছিয়াৰ আন অঞ্চলৰ কথা বাদ দিও বৰ্ত্তমান দক্ষিণ ৰুছিয়া, তুৰ্কিস্তান, পাৰস্য আদি ঠাইতো বৌদ্ধ প্ৰচাৰকসকলে বুদ্ধৰ প্ৰেমময় বাণী প্ৰচাৰ কৰিছিল। কিছুমান ধাৰ্ম্মিক লোকে ভাবে যে যীশুখ্ৰীষ্টৰ জীৱনৰ মূল আদৰ্শ অৰ্থাৎ ঈশ্বৰ যে প্ৰেমময় এই ভাবটো যীশুৱে সেই ঠাইত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱৰ পৰাহে গ্ৰহণ কৰিছিল। বুদ্ধৰ উপদেশ আৰু শিকনিৰ কথা কওঁতে আমি আকৌ এই বিষয়ে আলোচনা কৰিমহক। এনেবোৰ কাৰণৰ পৰাই বুদ্ধদেৱৰ নিচিনা

মহাপুৰুষ এজনাক হিন্দু শাস্ত্ৰকাৰসকলে অৱতাৰ বুলি মানি লোৱাটো একো আচৰিত কথা নহয়।

এতিয়া যি সমাজৰ মাজত থাকি আৰু যি সমাজৰ নানা দোষ-অন্যায দেখি বুদ্ধদেৱ জগতৰ মহৎ উপকাৰ কৰিবলৈ সঙ্কল্প গ্ৰহণ কৰিলে সেই সম্বন্ধে মই অলপ কওঁ শুনা:

১৬-২-৪১

শ্ৰীৰামচন্দ্ৰৰ জীৱন-চৰিত পঢ়োঁতে তোমালোকে জানিছা কেনেকৈ প্ৰাচীন ভাৰতবৰ্ষত অনেক সৰু সৰু ৰাজ্য আছিল আৰু কেনেকৈ সেইবোৰৰ মাজত যি জন ৰজাই প্ৰতাপশালী হয় তেৱেই সাময়িকভাৱে ৰাজচক্ৰৱৰ্ত্তী অৰ্থাৎ বৰ্ত্তমান সম্ৰাটৰ দৰে খিতাপী হবলৈ বিচাৰিছিল। আৰ্য্যসকলে হিন্দুস্থানত সোমাওতে প্ৰথমতে দলে দলে আহিছিল। তেওঁবিলাকে ক্ৰমে সিন্ধু নদৰ উপত্যকা আৰু তাৰ পিছত গঙ্গা নদীৰ পাৰৰ ঠাইবোৰত বসতি কৰে। আৰ্য্য-সকল ভ্ৰমণকাৰী জাতি গুছি স্থায়ী বসতি কৰা লোক হোৱাৰ লগে লগে এই সৰু ৰাজ্যবোৰ গঠিত হয় আৰু এনে ৰাজনৈতিক অৱস্থা বুদ্ধদেৱ জন্মা কাললৈকে থকা যেন দেখা যায়। শ্ৰীৰামচন্দ্ৰৰ দিনৰ পৰা বুদ্ধদেৱৰ দিনলৈকে কিমান বছৰ হব সেই কথা কোনেও সঠিককৈ কব নোৱাৰে। কিছুমান বিদ্বান লোকে ১০০০ বছৰমান বুলি কব খোজে। কিছুমানে তাতকৈযো বেছি বুলি কয়। কিছুমান পণ্ডিতে ৫০০ বা ৭০০ বছৰৰ বেছি নহয বুলি অনুমান কৰে।

২৭-১-৪১

সি যিকি নহওক প্ৰত্যেক জন ডাঙৰ ৰজাই ৰাজচক্ৰৱৰ্ত্তী হবলৈ ইচ্ছা কৰিছিল। সেই নিমিত্তে সেই কালৰ ৰাজ্যবোৰৰ মাজত সততে যুদ্ধ-বাগৰ চলি আছিল। বৰ্ত্তমান কাশ্মীৰৰ কাষৰ পৰা অসমৰ কাষলৈ বিশেষকৈ গঙ্গা নদীৰ পাৰৰ ৰাজ্যবোৰৰ ভিতৰত লিচ্ছবি, মগধ, কাশী, কোশল, অঙ্গ, মল্ল বিদেহ ইত্যাদি ৰাজ্য কেইখন বিশেষভাৱে জনাজাত আছিল। মগধ ৰাজ্য প্ৰায় ১০০ বছৰমান পিছত গৈ অশোক, চন্দ্ৰগুপ্ত আদি ৰজাসকলৰ দিনত প্ৰায় সমগ্ৰ ভাৰতবৰ্ষ ব্যাপি বিস্তৃত হৈছিল আৰু সকলো প্ৰকাৰ শিক্ষা পাণ্ডিত্য আদিৰ কেন্দ্ৰস্থল হৈছিল। বুদ্ধদেৱৰ পিতাক শুদ্ধোধন ৰজাৰ ৰাজ্যও তেনে এখন স্বাধীন ৰাজ্য আছিল। এই ৰাজ্যখন নেপাল পৰ্ব্বতৰ তলৰ

বৰ্ত্তমান তেৰাই নামেৰে সমভূমিৰ এক খণ্ড। কাশীৰ উত্তৰে আৰু পূবে প্ৰায় ১০০ মাইল দূৰৈত। এই বিভিন্ন ৰাজ্যবোৰৰ মাজত সাময়িক বিৰোধ বা যুদ্ধ চলি থকা সত্ত্বেও মানুহৰ আৰ্থিক, সামাজিক আৰু ধৰ্ম্ম-জীৱনৰ তুলনাত ৰাজনৈতিক অৱস্থা শান্তিময় আছিল বুলি ক'ব পাৰি। তোমালোকে প্ৰাচীন হিন্দু ঋষিমুনিসকলৰ মহত্ত্বপূৰ্ণ ধৰ্ম্ম জীৱন সম্বন্ধে নিশ্চয় শুনিছা। বৰ্ত্তমান সময়ৰ ভাৰতৰ আৰু য়ুৰোপৰ বিজ্ঞলোক সকলে ভাৰতবাসী আৰ্য্য-সকলৰ পবিত্ৰতা, মৌলিকতা আৰু ভাবধাৰাৰ বিশেষত্ব দেখি বিস্মিত হয় আৰু এইবিলাক বিকাশৰ অনুমানিক বিৱৰণ দিয়ে। অতীত কালৰ কোনো ৰকমৰ লিখিত বুৰঞ্জী লেখাৰ কাৰণে তেওঁলোকে সেই সময়ৰ বেদ, উপনিষদ, দৰ্শন আৰু আন আন শাস্ত্ৰ যি পাইছে তাৰ পৰা এই অনুমান স্থিৰ কৰিছে। তেওঁলোকৰ মত এই যে বৈদিক যুগেই আৰ্য্যসকলৰ ঈশ্বৰ-বিশ্বাসৰ প্ৰথম বিকাশৰ সময়। এই বৈদিক যুগৰ সময়তে উপনিষদ সৃষ্টি হয়। ইযাৰ পিছত এই উপনিষদ বিলাককে ভিত্তি কৰি হিন্দু দৰ্শনবিলাক বিকাশ হয়। বৈদিক যুগৰ সময়নিৰ্দ্ধাৰণ সম্বন্ধে বহুত মতভেদ আছে য়ুৰোপীয়। পণ্ডিত-সকলে এতিয়াৰ পৰা ৪৫০০ বছৰমান আগতেহে বুলি কব খোজে। তেওঁ-লোকৰমতে উপনিষদ প্ৰচাৰৰ কাল ৩১০০-৩২০০ বছৰ মানহে হব। কিন্তু লোকমান্য বাল গঙ্গাধৰ তিলক আৰু অধ্যাপক জেকবিয়ে ঋক্-বেদত উল্লি-খিত নক্ষত্ৰৰ গতিৰ পৰা ঠিক কৰিছে যে বৈদিক যুগ এতিয়াৰপৰা ৬৫০০ বছৰৰ কম নহয় আৰু সেইকাৰণে উপনিষদ লিখা বা প্ৰচাৰৰ সময় ৪০০০ বছৰমান আগতে হব বুলি ধৰিব পাৰি।

২৮-২-৪৫

উপনিষদৰ তথ্যবিলাককে আশ্ৰয় কৰি হিন্দুৰ দৰ্শনবিলাক লিখা হয়। তোমালোকে নিশ্চয় ভাৰত বুৰঞ্জীত ছয়-ব্ৰাহ্মণৰ দৰ্শন শাস্ত্ৰৰ সম্বন্ধে পঢ়িছা। এই দৰ্শনৰ যুগো প্ৰায় ৩০০০ বছৰমান আগতে আছিল বুলি নিৰ্দ্ধাৰিত কৰিছে আৰু বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ আনকি তাৰ পিছতো দৰ্শন চৰ্চ্চা চলি থকাৰ প্ৰমাণ পোৱা যায়। পণ্ডিতসকলে স্থিৰ কৰিছে যে বৌদ্ধ ধৰ্ম্মৰ মূল ভিত্তি সাঙ্খ্য দৰ্শন।

বুদ্ধ আৱিৰ্ভাব হবৰ সময়ত মানুহৰ ধৰ্ম্মবিশ্বাস যেনেকুৱা আছিল সেই কথা জানিবলৈ হলে আমি বেদ, উপনিষদ আদিৰ বিষয়ে অলপ জনা উচিত। ৰামায়ণ পঢ়োতে তোমালোকে পাইছা কেনেকৈ ঋষি-মুনিসকলে নগৰৰ পৰা

দূৰৈত আশ্ৰম পাতি ঈশ্বৰৰ বিষয়ে চিন্তা কৰিছিল আৰু মানৱ জাতিৰ উপকাৰৰ অৰ্থে নানা ঠাইত শাস্ত্ৰ উদ্ঘাটন কৰিছিল। বেদৰ গানো এই ঋষিবিলাকে ঈশ্বৰৰ পৰা পোৱা বুলি ঈশ্বৰবিশ্বাসী লোকে বিশ্বাস কৰে। বেদ চাৰিখন। ইয়াৰ ভিতৰত ঋক, সাম, যজুৰ এই তিনিখনক তিনি ভাগত বিভক্ত কৰিব পাৰি। প্ৰথম খণ্ডত স্তোত্ৰ আৰু গীত, দ্বিতীয় খণ্ডত সেই স্তোত্ৰ গাওঁতে কৰিবলগীয়া যাগ-যজ্ঞ আৰু ক্ৰিয়া কাণ্ড নিয়ম-প্ৰণালীৰ বৰ্ণনা আৰু তৃতীয় খণ্ডত ঈশ্বৰ-তত্ত্ব সম্বন্ধে আলোচনা বা বিচাৰ আছে। বেদৰ গান বিলাকত ঈশ্বৰৰ শক্তি পৰিচায়ক সৰ্ব্বশক্তিমান সূৰ্য্য, বায়ু, বৰুণ, বিদ্যুতৰ ৰজা ইন্দ্ৰ আৰু সৰ্ব্বজীৱস্ৰষ্টা প্ৰজাপতিৰ উপাসনা আছে, আৰু সৰ্ব্বশক্তিমান ঈশ্বৰৰ উপাসনাও আছে। ২য় খণ্ডত নানা প্ৰকাৰ যজ্ঞ আদিৰ নিয়ম প্ৰণালী আছে কেনেকৈ হোম কৰিব লাগিব, কি কি জন্তু বলি দিব লাগিব ইত্যাদি বিষয়ে। তৃতীয় খণ্ডকে উপনিষদ বুলিব পাৰি। এই খণ্ডত যজ্ঞ, ঈশ্বৰ তত্ত্ব সম্বন্ধে গভীৰ আৰু গূঢ় আলোচনা কৰা হৈছে।

যদিও উপনিষদ বা কোনো কোনো দৰ্শনশাস্ত্ৰত এই যজ্ঞ আদি কৰ্ম্মকাৰ্য্যৰ উপকাৰিতা সম্বন্ধে আপত্তি প্ৰকাশ কৰা হৈছিল তথাপি বুদ্ধ আবিৰ্ভাৱ হোৱা কালত ইয়াৰ প্ৰকোপ বেছিকৈ বাঢ়িহে গৈছিল। ইয়াৰ কাৰণ ভাবি উলিয়াবলৈ বেছি পৰ নেলাগে। যদিও ইহুদিবিলাকেই পৃথিৱীত প্ৰথম এক ঈশ্বৰবাদী বুলি দাবী কৰে; প্ৰকৃততে নিৰাকাৰ ঈশ্বৰৰ এক ঈশ্বৰবাদ প্ৰথমে ভাৰতবৰ্ষতেই যে বিকাশ হয় এই সম্বন্ধে পণ্ডিতসকলৰ মাজত মতভেদ নাই বুলি ক'ব পাৰি। কিন্তু এই ঈশ্বৰ তত্ত্ব বেছিভাগ সাধাৰণ মানুহৰ মনোগত নাছিল বুলি ক'লে ভুল নহব। এই ব্ৰহ্মবিদ্যা অতি চিন্তাশীল, বিদ্যোৎসাহী, সংযমী আৰু একাগ্ৰচেতা লোকেহে বিচাৰিব পাৰিছিল; এই বিদ্যা অভিমানী লোকসকলে অনেক কাল সিদ্ধ গুৰুৰ ঘৰত থাকি, গুৰুৰ কাৰণে অশেষ কষ্ট কৰি খেতিবাতি কৰি দি নাইবা গৰু, ভেৰা আদি চৰাই ৰাখি, গুৰুৰ পৰা লাহে লাহে এই মহাবিদ্যা পাইছিল। সেই কাৰণে যিসকলে প্ৰকৃত ঈশ্বৰ-তত্ত্ব বিচাৰিছিল তেওঁলোকে সমাজ ত্যাগ কৰি গুৰু-গৃহত ব্ৰহ্মচাৰী হৈ ভৃত্যৰ দৰে থাকিব লাগিছিল। উপনিষদৰ কালত ব্ৰহ্মজ্ঞ ঋষিসকলে শিষ্যবিলাকক যদিও বিলাসী, ভোগী বা অভিমানী হবলৈ নিদিছিল আৰু তপস্যাৰ দ্বাৰা সদায় নিজৰ মনক সাংসাৰিক আকাঙ্খ্যা বা অভিলাষৰ পৰা মুক্ত কৰি চলিবলৈ কৈছিল কিন্তু পিছত ঈশ্বৰসাধকসকলৰ এনে বিশ্বাস হল

যে সংসাৰ ত্যাগ নকৰিলে ঈশ্বৰক পাব নোৱাৰি; শৰীৰক অশেষ শাস্তি নিদিলে মানুহৰ অভিলাস অৰ্থাৎ ইন্দ্ৰিয় দমন কৰিব নোৱাৰি। গতিকে ঈশ্বৰবিশ্বাসী আৰু ঈশ্বৰ অভিলাসী সমাজৰ ভাল মানুহবিলাকে সংসাৰত্যাগী হৈ কঠোৰ তপস্যাত মগ্ন হৈ হাবিয়ে-বননিয়ে, পৰ্ব্বত-গুহা ইত্যাদিত বাস কৰিবলৈ ধৰিলে। বৌদ্ধ-গ্ৰন্থৰ বিৱৰণৰ পৰা বুজা যায় যে নদী বা নিজৰাৰ পানী পোৱা খট-খটীয়া কিছুমান হাবিয়নি ঠাই সন্যাসীৰ আশ্ৰমেৰে ভৰি গৈ গাঁৱৰ দৰে হৈছিল। এই সন্ন্যাসীবিলাকৰ ভিতৰত কিছুমান আজিকালিৰ বহুত সন্ন্যাসীৰ দৰে নিজৰ ব্ৰত ৰক্ষা কৰিব নোৱাৰি ভ্ৰষ্ট হবলৈ বাধ্য হৈছিল। এইদৰে ধৰ্ম্মৰ গ্লানি হবলৈ ধৰিলে।

১-৩-৪১

ইপিনেদি দাৰ্শনিক পণ্ডিতসকলৰ জ্ঞান আৰু তৰ্ক চৰ্চ্চাৰ দ্বাৰা মনুষ্য সমাজখন অযথা তৰ্ক আৰু বাক-বিতণ্ডাৰ থল হৈ পৰিছিল। দৰ্শনকাৰ ঋষি-সকলৰ তিৰোভাবৰ লগে লগে তেওঁবিলাকৰ শিষ্যবিলাকে ঋষিসকলৰ বাণী আৰু উপদেশবিলাক লৈ নানা তৰ্ক সৃষ্টি কৰিবলৈ ধৰিলে। এই শাস্ত্ৰবিলাকৰ উদ্দেশ্য যদিও ঈশ্বৰতত্ত্ব আছিল তথাপি মুক্তি বা মোক্ষৰ পথ সম্পৰ্কে সকলো-বিলাকৰে একে মত নাছিল। সেই কাৰণেই ছয় ৰকমৰ মত প্ৰকাশ হৈ ছয় দৰ্শন চলিবলৈ ধৰিলে। প্ৰত্যেক মতৰ শাস্ত্ৰজ্ঞ লোকসকলে নিজৰ তথ্যৰ সত্যতা প্ৰমাণ কৰিবৰ কাৰণে আৰু তৰ্ক-শক্তিৰ প্ৰচাৰ কৰিবৰ কাৰণে সমাজত নানা ৰকমৰ তৰ্ক সৃষ্টি কৰিছিল। ইয়াৰ দ্বাৰাই মনুহৰ বিদ্যা যিমানেই নাবাঢ়ক, মানুহৰ আধ্যাত্মিক জীৱনৰ উন্নতি হোৱা দূৰে থাকক, পূৰ্ব্বৰ ঋষিবিলাকে দান কৰি যোৱা অমূল্য উপদেশৰ মূল্য দিনে দিনে হ্ৰাস পাবলৈ ধৰিলে। এইদৰে মানুহৰ সমাজত আন কিছুমান বুদ্ধিমান লোকে জীৱ-জগতৰ উপকাৰৰ কথা নাভাবি বা সমাজৰ উপকাৰৰ কামত সময় নকটাই নিজৰ পাণ্ডিত্য আৰু মহিমা প্ৰকাশ কৰাত ব্যস্ত হৈ পৰিল। এইদৰে সন্ন্যাসী আৰু পণ্ডিত উভয় শ্ৰেণীৰ লোকেই নিজৰ কথা ভাবি থকাত (নিজৰ সজ ইচ্ছা সত্ত্বেও) সমাজৰ এটা ডাঙৰ অংশ অকৰ্ম্মণ্য আৰু পৰগছাৰ দৰে হৈ পৰিল।

যি সমাজত সৰ্ব্বোৎকৃষ্ট লোকবিলাকৰ এনে অৱস্থা হয় সেই সমাজত যে পূৰ্ব্বৰ ভাল নীতিও গৈ অনাচাৰত পৰিণত হব সি ধ্ৰুব সত্য মাথোন। সমাজত কিছুমান স্বাৰ্থপৰ লোকে সদায় নিজৰ স্বাৰ্থ পূৰণৰ চেষ্টাত থাকে। প্ৰায় সৎ, বিদ্বান আৰু বুদ্ধিমান লোকবিলাক ওপৰত কোৱা মতে ব্যস্ত থকাত

এই স্বাৰ্থপৰ লোকবিলাকৰ ব্যক্তিগত উন্নতি কৰাত বহুত সুবিধা হল। মই আগেয়ে কৈ আহিছো যে বেদমতে আৰ্য্যবিলাকে কিছুমান যাগযজ্ঞ আৰু কৰ্ম্মকাণ্ড কৰিব লাগিছিল। সেইবোৰ তেওঁবিলাকে নিজে কৰিছিল। সেই যাগযজ্ঞ ঈশ্বৰৰ বাহ্যিক শক্তিৰ পূজা মাথোন। খেতিৰ কাৰণে বৰষুণ লাগে, শস্য গজিবলৈ সূৰ্য্যৰ তাপ লাগে, পৃথিবীত গৰু-মানুহ আদি প্ৰাণী জন্মিবৰ কাৰণে শক্তি (প্ৰজাপতি) লাগে। সেই কাৰণে সেই সেই শক্তিবিলাকৰ পূজা কৰিছিল। প্ৰথমতে এই পূজা অতি সাধাৰণ আছিল। প্ৰত্যেক মানুহে নিজে পূজাৰ বস্তু গোটাই-মেলি আনি যজ্ঞকুণ্ডত অগ্নিদেৱক আহুতি দিছিল। এনে নিয়মেৰেই ইহুদী পুৰোহিতবিলাকেও ঈশ্বৰ-পূজাত হোম কৰিছিল। যীশুৰ জীৱনীত ইহুদীবিলাকৰ কথা পঢ়োতে এই বিষয়ে আৰু আভাস পাবা এতিয়া তোমালোকে জানা যে ভাৰতবৰ্ষতো ক্ৰমে এই পূজাৰ যাগযজ্ঞৰ পৰাই পুৰোহিত শ্ৰেণী সৃষ্টি হ'ল। ক্ৰমে এই পূজাৰ নিয়মবোৰ ইমান সূক্ষ্ম আৰু বিতং হল যে সকলোৱে এইবিলাকলৈ মন দিব নোৱাৰি এই যাগ-যজ্ঞবিলাক কিছুমান পণ্ডিতৰ দ্বাৰা কৰাবলৈ ধৰিলে। বেদশাস্ত্ৰমতে এই কৰ্ম্মকাণ্ডবিলাক মানুহৰ জীৱনৰ সকলো কথাতে লাগিছিল। সেইকাৰণে এই পুৰোহিতসকলকো সকলো কথাতে আৱশ্যক হ'ল। যদিও এই কৰ্ম্মকাণ্ডবিলাকৰ আধ্যাত্মিক উপকাৰিতা সম্বন্ধে বিশেষ মূল্য নথকা বুলি উপনিষদ আৰু কিছুমান দৰ্শন শাস্ত্ৰই স্পষ্টভাৱে প্ৰকাশ কৰিছিল তথাপি সাধাৰণ জীৱনৰ প্ৰত্যেক কাৰ্য্যতে ঈশ্বৰৰ মহিমা বা উপাসনা-গান বেয়া বুলি কোনেও এই বিলাক দলিয়াই পেলাবলৈ কোৱা নাছিল। ইয়াৰ ফলত এনে হল যে সময়ত মানুহে এই কৰ্ম্মকাণ্ডবিলাকৰ মূল উদ্দেশ্য (ঈশ্বৰলৈ) মন নকৰি কৰ্ম্মকাণ্ডবোৰতহে মনোযোগ দিব ধৰিলে। যি সময়ত বুদ্ধদেৱে প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰে, সেই সময়ত পুৰোহিতসকলৰ পৰা সমাজত যি অন্যায় হৈছিল সেই কথা বৌদ্ধ-পুথিত পোৱা যায়। ইয়াৰ পৰা বুজা যায় যে সেই সময়লৈকে পৌৰোহিত্য অৰ্থাৎ এজনৰ হকে আন এজনে কৰ্ম্মকাণ্ড কৰা কথাটো বৰ ভাল কাম বুলি মানুহে মানি লোৱা নাছিল।

২-৩-৪১

উল্লেখ আছে যে এই পুৰোহিতবিলাকেই অসংখ্য জীৱ-জন্তু বধৰ মূল কাৰণ হৈছিল। এওঁবিলাকেই উচটনি দি ৰজা আৰু অৱস্থাপন্ন মানুহবিলাকৰ হতুৱাই ডাঙৰ ডাঙৰ যজ্ঞ কৰাইছিল। জনা যায় যে প্ৰথমতে কোনো

কোনো যজ্ঞত অনেক গো-বধো কৰা হৈছিল; সেইবোৰক গো-মেধ যজ্ঞ বোলা হৈছিল। অশ্বমেধ যজ্ঞৰ কথা মই শ্ৰীৰামচন্দ্ৰৰ জীৱনীত উল্লেখ কৰিছো। ৰজাবিলাকে নিজৰ খিতাপ আৰু শক্তি প্ৰচাৰ কৰিবৰ কাৰণে এই বিধ যজ্ঞ বিশেষভাৱে পাতিছিল। এই যজ্ঞবিলাকত নিৰপৰাধী পশুবোৰৰ হত্যাকাণ্ডত মৰমিয়াল লোকৰ হৃদয় কাতৰ হৈ পৰিছিল, তথাপি বিশ্বাসৰ কাৰণে আৰু বিশেষকৈ পুৰোহিতসকলৰ প্ৰৰোচনাত এই কৰ্ম্মবিলাককে মোক্ষৰ উপায় বুলি ভাবি লৈ সকলো মানুহেই এই নিষ্ঠুৰ কামবিলাকত যোগ দিছিলহি। প্ৰকৃততে সেই সময়ত সাধাৰণ মানুহে ঈশ্বৰ-প্ৰাপ্তিৰ মাত্ৰ দুটা পথ আছিল বুলি বিশ্বাস কৰিছিল। এটা হৈছে সন্ন্যাস গ্ৰহণ কৰি ভিক্ষাৰ দ্বাৰাই জীযাই থাকি ঈশ্বৰপদ পাবলৈ চেষ্টা কৰা আৰু আনটো হৈছে বলি-বিধান দি হোম যজ্ঞ কৰি দেৱতাসকলক সন্তুষ্ট কৰি সংসাৰ ভোগ কৰা। উপনিষদৰ যুগত হিন্দু সমাজত যি সত্যৰ আবিৰ্ভাৱ হৈছিল সেই সত্য ক্ৰমাৎ সমাজৰ পৰা অদৃশ্য হবলৈ ধৰিলে।

লগে লগে সাধাৰণ মানুহৰ মানসিক আৰু আৰ্থিক অৱস্থাৰো অধোগতি হবলৈ ধৰিলে। যদিও জাতিভেদ উপনিষদৰ দিনতো থকা বুলি জনা যায় সেই সময়ৰ জাতিবিলাক জন্মগত আৰু নিকপকপীয়া নাছিল। সকলোৱে ব্ৰহ্মবিদ্যা শিকিব পাৰিছিল। পণ্ডিত-ক্ষত্ৰিয়য়ো বামুণক শিক্ষা দিছিল। সমাজত জাতিৰ কাৰণে মানুহে মানুহক হীন বুলি নাভাবিছিল আৰু জাতিৰ কাৰণে কোনো মানুহ অশুচি বা অস্পৃশ্য হোৱাৰ প্ৰমাণ পোৱা নাযায়। সেই সময়ত মানুহৰ কৰ্ম্মৰ দ্বাৰাইহে জাতি নিৰ্দ্ধাৰিত হৈছিল। ক্ৰমে পুৰোহিতশ্ৰেণী ব্ৰাহ্মণসকলৰ পৰা লোৱাত আৰু এই যাগ-যজ্ঞত যোগ দিয়া মানুহবিলাক বিশেষভাৱে শুচি বুলি পৰিগণিত হোৱাত এই জাতিভেদৰ ভাবটো লাহে লাহে বেছি কটকটীয়া হৈ আহিবলৈ ধৰিলে।

এই কথা সঁচা যে বুদ্ধদেৱৰ দিনতো জাতি-ভেদত ঘৃণাৰ ভাব অহা নাছিল। ব্ৰাহ্মণ্য আদৰ্শক তেতিয়াও সকলোৱে যথেষ্ট সন্মান কৰিছিল। কিন্তু পুৰোহিতবিলাক যে স্বকীয়া শ্ৰেণীৰ লোক আৰু তেওঁলোকৰপৰা যে সমাজৰ যথেষ্ট অন্যায় হব ধৰিছিল সেই কথা বুদ্ধদেৱৰ সময়ত স্পষ্ট দেখা পোৱা যায়। পুৰোহিতশ্ৰেণী আৰু লগে লগে কৰ্ম্মকাণ্ডত বিশ্বাস বঢ়াৰ লগে লগে মানুহৰ মানসিক খৰ্ব্বতা আহিল। সেই সময়ৰ মানুহৰ শাৰীৰিক আৰু আৰ্থিক অৱস্থাৰ সম্বন্ধে বৌদ্ধ-ভিক্ষুবিলাকৰ কামৰ পৰাই অলপ আভাস পোৱা যায়। স্পষ্ট বুজিব পাৰি কি পৰিমাণে ভোগৰ কাৰণে আহাৰৰ অভাৱত

সাধাৰণ আৰু নৈতিক ব্যভিচাৰিতাৰ বাবে মানুহবিলাকে কষ্ট পাইছিল। ইয়াকো বুজিব পাৰি যে দেশত বিশেষকৈ নগৰবোৰত মানুহৰ সংখ্যা বাঢ়ি গৈছিল কিন্তু সেই অনুপাতে থকা মেল' আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ব্যৱস্থা সমাজৰ পৰা বা ৰজাঘৰৰপৰা বিশেষভাৱে কৰা হোৱা নাছিল। চমুৱাই ক'বলৈ হলে ইয়াকে বুজা যায় যে সেই সময়ত সমাজে নিষ্ক্ৰিয় বা জড় অৱস্থা পাইছিল আৰু সকলো ৰকমে পতনৰ ফালে যাবলৈ ধৰিলে।

বুদ্ধদেৱক অৱতাৰ বোলা হয় এই খিনিতেই আৰু তেওঁৰ মহিমা আৰু মহত্ত্ব এইখিনিতেই যে তেওঁ এই পতিত মনুষ্য সমাজক পুনৰ জীৱন দান কৰিলে আৰু নিজেই অপূৰ্ব্ব ত্যাগ স্বীকাৰ কৰি হিন্দু-সমাজ আৰু লগে লগে সমস্ত মানৱ জাতিক অসীম দয়া আৰু প্ৰেম ধৰ্ম্মেৰে সঞ্জীৱ কৰি, নতুনকৈ সমাজ প্ৰতিষ্ঠা কৰিলে। ১১০০ বছৰলৈ এনে অপূৰ্ব্ব শক্তি দিলে যে তাৰ মহিমা আৰু গৌৰৱ ভাৰত আৰু জগতবাসীৰ কাৰণে চিৰন্তন বস্তু হৈ থাকিল।

## জন্ম

৩।৩।৪১

জগতৰ ত্ৰাণকৰ্ত্তা মহাপ্ৰভু বুদ্ধই আজিৰপৰা প্ৰায় ২৫১০ বছৰ পূৰ্বে বহাগ মাহৰ পূৰ্ণিমা তিথিত এই পৃথিৱীত জন্ম গ্ৰহণ কৰে। লুম্বিনি উদ্যানত তেওঁ জন্ম হয়। বৌদ্ধ শাস্ত্ৰকাৰসকলে তেওঁৰ মাতৃগৰ্ভত স্থিতি হোৱাৰ দিনা আৰু তেওঁ জন্ম হোৱাৰ দিনা কিছুমান আলৌকিক ঘটনাৰ বিৱৰণ দিয়ে। জন্ম হোৱাৰ পিছত স্বয়ং ব্ৰহ্মাই হেনো নৱজাত শিশুক তুলি লৈ মাকৰ হাতত দিয়ে আৰু শিশুটি কালত অদ্বিতীয় পুৰুষ হব বুলি দেৱতাসকলে মাকক আশ্বাসবাণী দি যায়।

বুদ্ধদেৱৰ পিতাকৰ নাম শুদ্ধোধন আছিল। এওঁৰ ৰাজ্য হিমালয় পৰ্ব্বতৰ নামনিৰ বননিবোৰৰ মাজত আছিল। শুদ্ধোধন ৰজা এজন উত্তম বংশৰ শাক্য কুলৰ ক্ষত্ৰিয়। এওঁলোকৰ বংশ আৰু শ্ৰীৰামচন্দ্ৰৰ বংশ একে পূৰ্ব্বপুৰুষ ইক্ষ্বাকু ৰজাৰ সতি সন্ততি বুলি জনা যায়। শুদ্ধোধন ৰজা অতি প্ৰতাপশালী ৰাজচক্ৰবৰ্ত্তী নহলেও তেওঁ সেই সময়ৰ ৰজাবিলাকৰ ভিতৰত বিশেষকৈ মগধ-ৰজাৰ ওচৰত জনাজাত আছিল। প্ৰকৃততে শাক্য-সকলে স্বাধীন হৈ থাকিব পাৰিছিল। কেৱল কোশল আৰু মগধ ৰাজ্যৰ

ভিতৰত সদায় যুদ্ধ হৈ থকাৰ কাৰণে। এই শাক্য ৰাজ্যৰ লোকসকলৰ সকলোতকৈ ডাঙৰ অভাৱ আছিল পানীৰ। খেতি কৰিবলৈ পানী অৱশ্যক। কোহানা নামেৰে নদীখন কোনিযান নামেৰে ৰাজ্যৰ অধীনত আছিল। শুদ্ধোধনে এই কোনিযান ৰজাৰ জীযাৰী মাযাদেৱী আৰু মহাপ্ৰজাপতি উভযকে বিয়া কৰালে। তেওঁৰ আর্থিক সম্পদ যে অনেক আছিল তাত কোনো সন্দেহ নাই বুদ্ধদেৱৰ মাক মাযাদেৱী সৰলা আৰু দযাশীলা ৰাণী আছিল। দুখৰ বিষয় এয়েহে যে বুদ্ধদেৱ জন্মাৰ সাত দিনৰ পিছতে তেওঁ স্বৰ্গী হয। বৌদ্ধ শাস্ত্ৰমতে বুদ্ধ জন্মিলে তেওঁৰ মাক সাত দিনতকৈ বেছি কাল জীযাই থাকিব নোৱাৰে।

বাপা! তোমালোকে জনা উচিত বুদ্ধদেৱৰ নাম শাক্যকাৰৰ সিদ্ধাৰ্থহে আছিল। তেওঁ ওপজাৰ পিছত জ্যোতির্মীষী পণ্ডিতসকলে গণিপটি চাই সেই নাম থৈছিল। পণ্ডিতসকলে ভবিষ্যৎবাণী কৰি কৈছিল—যদি সিদ্ধাৰ্থ গৃহস্থী-ধৰ্ম্মত থাকে তেন্তে তেওঁ সদে পৃথিবীৰ ৰাজচক্ৰবৰ্ত্তী হব আৰু যদি সংসাৰ-ত্যাগী হয তেন্তে তেওঁ জগত-গুৰু বুদ্ধ হব। বুদ্ধদেৱক শাক্য কুলত জন্মা বাবে শাক্যসিংহ বোলা হৈছিল কিন্তু তেওঁৰ ঘৰত মতা নাম আছিল গৌতম। বুদ্ধ হোৱাৰ পিছত শিষ্য আৰু বৌদ্ধ ধৰ্ম্মাৱলম্বী লোকসকলে তেওঁৰ অনেক নাম থৈছিল যেনে শাক্যমুনি, জীন, ভগৱা, লোকনাথ, সৰ্ব্বজ্ঞ, ধৰ্ম্মৰাজ ইত্যাদি।

এনে সুলক্ষনীযা ভৱিষ্য মহাপুৰুষ এজনা নিজৰ ঘৰত ওপজা দেখি ৰজা শুদ্ধোধনৰ আনন্দৰ ঠাই নোহোৱা হল। ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰি আনি ভোজন কৰালে আৰু বহুমূলীযা বস্ত্ৰ দান দিলে। ৰাজগুৰু মালদেৱো এই অপূৰ্ব্ব শিশুক চাবলৈ আহিছিল। যাগ-যজ্ঞৰ পিছত ৰজাই আশীৰ্ব্বাদ লবলৈ পুতেকক অসিত ঋষিৰ ওচৰলৈ লৈ গৈছিল। শিশুৰ গাত অপূৰ্ব্ব লক্ষণবিলাক দেখা পাই ঋষিয়ে ভক্তিগদগদ হৈ ক'বলৈ ধৰিলে –"তুমিয়েই প্ৰভু বুদ্ধ, যি জনাই এই জগত ত্ৰাণ কৰিব।"

### লৰাকাল

১০-৩-৪১

শুদ্ধোধন ৰজাই এতিয়া পুতেক মাউৰা গৌতমক মাহীমাক ৰাণী মহা-প্ৰজাপতিৰ হাতত গতাই দিলে। প্ৰজাপতি দেৱী নিজে নিসন্তান আছিল।

সেইবাবে এই অপূৰ্ব্ব শিশুটিক তুলিতালি লবলৈ পাই তেওঁ মনত বৰ আনন্দ লভিলে । নিজৰ সন্তানৰ দৰে পিয়াহ-পানী দি তেওঁ শিশুটিক বুকুত সুমাই ললে । শিশু গৌতম চন্দ্ৰকলাৰ দৰে দিনক দিনে লহপহকৈ বাঢ়িবলৈ ধৰিলে ।

আঠ বছৰ বয়স হোৱাত ৰজাই গৌতমৰ শিক্ষাৰ কাৰণে বিশেষভাৱে দিহা লগাই দিলে । পাত্ৰ-মন্ত্ৰীসকলৰ লগত পৰামৰ্শ কৰি ৰজাই সেই কালৰ সকলোতকৈ ডাঙৰ মুনি আৰু সৰ্ব্বশ্ৰেষ্ঠ পণ্ডিত বিশ্বামিত্ৰদেৱক মতাই আনিলে । তেওঁৰ গাতে শিক্ষাৰ ভাৰ দি শিশু গৌতমৰ হাতত খৰি দিয়া হল অৰ্থাৎ ৰাজকোঁৱৰৰ বিদ্যাৰম্ভ হল । বিশ্বামিত্ৰদেৱে ৰাজকোঁৱৰৰ ওচৰত থাকি সিদ্ধাৰ্থক শিক্ষা দিবলৈ ধৰিলে । কিন্তু ৰাজকোঁৱৰক শিক্ষা দিওঁতে অলপো কষ্ট কৰিবলগীয়া নহল । গায়ত্ৰী আৰু ধৰ্ম্ম শাস্ত্ৰ, গণিত আৰু পদাৰ্থবিদ্যাৰ কথা উল্লেখ কৰা মাত্ৰকে সিদ্ধাৰ্থইহে মুনিক বুজাই দিলে । প্ৰকৃততে ৰজাৰ লৰাৰ বিদ্যা দেখি মুনি আচৰিত হল । তেওঁ গৌতমক অৱতাৰ বুলি বুজি পালে আৰু ৰাজকোঁৱৰৰ একো শিক্ষাৰ আৱশ্যক নাই বুলিও জানিব পাৰিলে । অলপ দিনৰ পিছতে মুনিয়ে ৰজাৰ পৰা বিদায় লৈ নিজৰ আশ্ৰমলৈ উলটি গল ।

এইদৰে বুদ্ধদেৱে অলপ দিন শিক্ষাৰ পিছতে যিবিলাক উত্তম শিক্ষক লগোৱা হৈছিল সেইবিলাকতকৈয়ো বেছি বিদ্যা আৰু বুদ্ধিৰহে প্ৰমাণ দিছিল । এখন শক্তিশালী ৰাজ্যৰ ৰাজকোঁৱৰ হৈ এই অগাধ বিদ্যা আৰ্জ্জন কৰা সত্ত্বেও সিদ্ধাৰ্থ প্ৰিয়ভাষী, নম্ৰ, বিনয়ী অথচ এনে সত্যব্ৰত আৰু নিৰ্ভীক আছিল যে শিক্ষকসকলে তেওঁক এজন অসাধাৰণ অদ্বিতীয় পুৰুষ হব বুলি মানিবলৈ বাধ্য হৈছিল । ইয়াৰ পিছত সেই সময়ৰ শাৰীৰিক চৰ্চ্চা যেনে ঘোৰাত উঠা, ৰথ চলোৱা, নাওখেলা, ধনুৰ্ব্বিদ্যা আদি বিদ্যাতো সিদ্ধাৰ্থই সকলোকে চেৰ পেলাই অশেষ নিপুণতাৰ চিনাকি দিছিল ।

বাহিৰৰ লোকৰ শোক দুখ দেখি ৰাজপুত্ৰ কেতিয়াবা বৈৰাগী হব পাৰে বুলি শুদ্ধোধন ৰজাৰ মনত সদায় ভয় আছিল । সেইবাবে ৰাজপুত্ৰক সকলোবোৰ শিক্ষাকে বিশেষধৰণে সজোৱা ৰাজপ্ৰাসাদৰ ভিতৰত দিয়া হৈছিল । ৰজাই পুতেকৰ লগৰীয়াবিলাককো ৰাজপৰিয়ালৰ পৰা বাছি দিছিল আৰু কোঁৱৰক কেতিয়াও বাহিৰ ওলাবলৈ সুবিধা নিদিছিল । এই বাবেই হব পাৰে ৰাজপ্ৰাসাদৰ বাহিৰৰ মানুহবিলাকে ৰাজকুমাৰক কাৰেঙৰ

ভিতৰত বন্ধ কৰি ৰাখি এলেহুৱা আৰু আলসুৱা কৰা বুলি শুদ্ধোধন ৰজাক গৰিহণা দিবলৈ ধৰিলে। তেওঁলোকে ক'লে —"জাতিক আৰু দেশক ৰক্ষা কৰিবৰ কাৰণে আমাক বীৰ্য্যবান আৰু শক্তিমান ৰজাহে লাগে। বুঢ়া ৰজাই সিদ্ধাৰ্থক দিনক দিনে বিলাসী আৰু এলেহুৱা কৰিহে তুলিছে।"
১১-৩-৪১

প্ৰজাবিলাকৰ নিন্দাৰ কথা নগৰীয়াবিলাকে গৌতমৰ কাণত পেলালে। তেওঁ ৰজাক এখন শক্তিমেলা পাতিবলৈ অনুৰোধ জনালে আৰু সেই প্ৰতিযোগিতাত যোগ দিবৰ বাবে সকলো ডেকাকে নিমন্ত্ৰণ দিবলৈ ক'লে। যথা সময়ত প্ৰতিযোগিতা আৰম্ভ হ'ল। তাত শাক্য-বংশীয় আৰু আন আন সকলো বলিষ্ঠ ডেকাই যোগ দিলেহি। এই শক্তিমেলাত ৰাজকুমাৰ সিদ্ধাৰ্থই তেওঁৰ অসাধাৰণ শক্তিৰ প্ৰভাৱ দেখুৱালে। ঘোৰাত উঠা বিদ্যাত তেওঁ এনে এটা তেজী ঘোৰা বশ কৰিলে যিটো ঘোৰাৰ ওচৰলৈকে যাবলৈ বহুত সাহসী ডেকাই ভয় কৰিলে আৰু যি কেইজন আগবাঢ়ি ঘোৰাৰ পিঠিত উঠিবলৈ চেষ্টা কৰিছিল সেই কেজনো অকৃতকাৰ্য্য হৈ পৰি গৈছিল। সেইদৰে নাও-খেলা, ৰথ-চলোৱা আদি সকলো বিধৰ প্ৰতিযোগিতাতে তেওঁ সৰ্ব্বপ্ৰথম হৈ নিজৰ কৃতিত্ব দেখুৱালে। সেই প্ৰতিযোগিতাত ডেকাবিলাকৰ ভিতৰত দেৱদত্ত নামেৰে ৰাজবংশৰ ডেকা এজনেহে কোঁৱৰৰ ওচৰ চাপিব পাৰিছিল। আনবিলাকৰ তেওঁৰ কাষেদি যাবলৈকো শক্তি নাছিল। সিদ্ধাৰ্থৰ আচৰিত শক্তি দেখি দৰ্শকবৃন্দই তবধ মানিলে আৰু তেওঁৰ গাত যে ৰাজভাৰ লবলৈ শক্তি আছে সেইবিষয়ে কাৰো মনত লেশমানো সন্দেহ নোহোৱা হ'ল।*

যদিও শুদ্ধোধন ৰজাই ৰাজকোঁৱৰক মনোৰম ৰাজকাৰেঙত আবদ্ধ ৰাখি সকলো প্ৰকাৰ স্বাস্থ্যবান শাৰীৰিক আৰু মানসিক উদ্যমত ব্যস্ত ৰাখিছিল আৰু পৃথিৱীৰ সকলো শোক দুখৰপৰা আঁতৰাই ৰাখিবলৈ নথৈ চেষ্টা কৰিছিল তথাপি ভৱিষ্যত বুদ্ধৰ মন কিবা গুৰুতৰ সমস্যাত লাগি থকা যেন দেখা গৈছিল। ৰং-ধেমালিৰ মাজত তেওঁ মৌন হৈ পৰিছিল, লঘু ভাবৰ কথাৰ আলোচনাত হঠাৎ গম্ভীৰ হৈ পৰিছিল আৰু ব্যাহ্যিক সকলো কামত ব্যস্ত থকা সত্বেও তেওঁৰ মনে কোনোবা নেদেখা-নুশুনা দূৰণি ৰাজ্যলৈ গৈ মানুহে নভবা নজনা কথা ভাবি আছিল। তেওঁ যেন দুখতে কাতৰ হৈ আছে—

* কিছুমান বৌদ্ধ-লিখকে এই মেলাতে যশোধৰাৰ সয়ম্বৰ পতা বুলি প্ৰকাশ কৰে আৰু যশোধৰাই গৌতমৰ গলত মালা পিন্ধাই স্বামী বৰণ কৰে বুলি কয়।

এনে অৱস্থাত লগৰীয়াবিলাকে তেওঁক বহু দিন লগ পাইছিল। লগৰীয়াবিলাকে কাৰণ সুধিলে তেওঁ তাৰ উপযুক্ত উত্তৰ দিছিল। প্ৰকৃততে বুদ্ধৰ মনৰ চিন্তা কোনফালে ঢাল খাইছিল তলত দিয়া ঘটনা দুটাৰপৰা বুজিব পাৰিবা।

বসন্ত কালৰ এদিন। কোঁৱৰ সিদ্ধাৰ্থ নিজৰ ৰাজকাৰেঙত ফুলেৰে ৰমক-জমক হৈ থকা ফুলনিৰ মাজত বহি আছিল। তোমালোকে বোধকৰো জানা যে নানা ৰকমৰ অসংখ্য হাঁহ জাৰকালি হিমালয় পৰ্ব্বতৰপৰা জাকে জাকে নামি আহি ভৈয়ামৰ নদ-নদী বিল আদিত থাকি বসন্ত কাল পৰাৰ লগে লগে আকৌ নিজৰ থকা ঠাই হিমালয় পৰ্ব্বতলৈ উৰি যায়। সেইদিনা সেইদৰে এজাক ধুনীয়া ৰাজহাঁহ বহুদূৰ ৰাজ্যৰপৰা উৰি আহি মাতি মাতি ৰাজকাৰেঙৰ ওপৰেদি গৈছিল। ধনুবিদ্যাত পাৰ্গত কোঁৱৰ দেৱদত্তই দেখা পাই এনে চোকা আৰু লক্ষ্যভেদী কাঁড় এৰিলে যে অতি সুন্দৰ হাঁহ এটাৰ ডোকা এখনত কাড়েৰে বিন্ধা খাই থকা হাঁহটো আহি সিদ্ধাৰ্থৰ ফুলনিৰ মাজত পৰিল। ৰাজকোঁৱৰে লৰি গৈ হাঁহটো কোলাত তুলি ললে আৰু তাৰ গলটো নিজৰ গলত লগাই লৈ কোমল হাতেৰে লাহে লাহে পাখিবিলাক লাৰিবলৈ ধৰিলে। তাৰ পিছত বাঁওহাতেৰে হাঁতটো ধৰি আগহাতেৰে কাড়পাট উঘালি পেলালে আৰু তেতিয়াই ঘাত ঔষধ দি ওলাই অহা তেজ বন্ধ কৰি দিলে। অতি মৰমেৰে তেওঁ হাঁহটো কোলাত লৈ থাকিল। তেতিয়ালৈকে বুদ্ধই বিৰাই বিন্ধিলে কিমান কষ্ট পায় তাকো জনা নাছিল। চৰাইটোৱে কিমান দুখ পাইছিল সেই কথা জানিবৰ বাবে তেওঁ নিজৰ হাতখনকে কাড়পাটেৰে বিন্ধি চালে। দুখ পাই তেওঁৰ চকুলো ওলাল। হাঁহটোৰ দুখৰ কথা অনুভৱ কৰি তেওঁ তাক আৰু বেছিকৈ শুশ্ৰূষা আৰু মৰম কৰিবলৈ ধৰিলে।

দেৱদত্তই হাঁহটো ফুলনিতপৰা দেখি হাঁহটো নিবলৈ তৎক্ষণাৎ মানুহ পঠাই দিলে। বুদ্ধই হাঁহটো নিদি কৈ পঠিয়ালে যে "হাঁহটো মৰা হলেহে দেৱদত্তই পাব পাৰিলেহেঁতেন। হাঁহটো জীয়াই আছে। তেওঁৰ কাঁড়ে তাক উৰিব নোৱাৰা কৰাৰ বাহিৰে আন একো কৰিব পৰা নাই। দেবদত্ত জীয়া হাঁহটোৰ অধিকাৰী হব নোৱাৰে।" দেৱদত্ত অতি দাম্ভিক প্ৰকৃতিৰ আছিল। তেওঁ সিদ্ধাৰ্থৰ কথা মানি লবলৈ মান্তি নহল। ৰাজকোঁৱৰেও তেনে দৃঢ় ভাব

দেখুৱাই হাঁহটো দিবলৈ স্বীকাৰ নকৰি ক'লে—"তেন্তে এই বিষয়ে পঞ্চায়তে বিচাৰ কৰি হাঁহৰ গৰাকী কোন হ'ব লাগে মীমাংসা কৰি দিয়ক।"

কোঁৱৰৰ প্ৰস্তাৱমতে ৰজাই এখন ডাঙৰ মেল গোটালে। অনেক লোক তাত উপস্থিত হ'ল। দুয়োজনৰে দাবি এনে যুক্তিসঙ্গত যেন লাগিল যে হাঁহটো কাৰ হ'ব সেই কথা স্থিৰ কৰাটো বৰ টান যেন লাগিল। মেলুৱৈ-সকল দোধোৰ-মোধৰত পৰিল। এনেতে সভাৰ মাজৰপৰা অচিনাকি বুঢ়া পণ্ডিত এজনে থিয় দি কবলৈ ধৰিলে "যি জনে জীৱ ৰক্ষা কৰে সেইজনেহে জীৱিত প্ৰাণীৰ অধিকাৰী হব পাৰে। যিজনে প্ৰাণী হত্যা কৰিবলৈ বিচাৰে সেইজন কেতিয়াও জীৱিত প্ৰাণীৰ অধিকাৰী হব নোৱাৰে।" বুঢ়াৰ কথাত সকলো সমস্বৰে হয়ভৰ দিলে। বিচাৰত জয় লাভ কৰি সিদ্ধাৰ্থই হাঁহটো পালে। তেও সেই হাঁহটো সম্পূৰ্ণৰূপে আৰোগ্য কৰি এদিন উৰুৱাই দিলে।

কপিলবাস্তুৰ নগৰ আৰু উপবনবোৰ গ্ৰীষ্মৰ আগমনত সৌন্দৰ্য্যেৰে ভৰপূৰ হৈ উঠিছে। নতুন বৰষুণৰ লগে লগে সমগ্ৰ পৃথিৱী ঘোৰ সেউজীয়া হৈছে। হাবি-বননি কুলি, কেতেকী, সখিয়তী আদি চৰাইৰ সুললিত গীতেৰে মুখৰিত হৈ উঠিছিল। আন পিনে পথাৰত খেতিয়কে হাল বাবলৈ ধৰিছে। গাৰ ঘাম টোপা-টোপাকৈ মাটিত পৰিছে। বোকাৰ মাজত হালৰ গৰুবিলাকে বৰ কষ্টেৰে হাল টানিব ধৰিছে। দূৰৰ গাওঁত ঢোলৰ মাত শুনা গৈছে। এনেকুৱা এটা দিনত শুদ্ধোদন ৰজাই ৰাজকোঁৱৰক পৃথিৱীৰ সৌন্দৰ্য্য, মানুহৰ সাধাৰণ আচাৰ-ব্যৱহাৰ আৰু চাল-চলন দেখুৱাবৰ কাৰণে তেওঁৰ লগত ফুৰিবলৈ ওলাবলৈ ক'লে।

গৌতম বাপেকৰ লগত ফুৰিবলৈ ওলাল। কিন্তু তেওঁৰ চকুত জগতৰ সৌন্দৰ্য্যতকৈ জগতৰ দুখৰ কথাহে বেছিকৈ ভাহি উঠিল। তেওঁৰ চকুত পৰিল - কেনেকৈ মৌপিয়া চৰায়ে মৌমাখি ধৰিবলৈ বিচাৰি ফুৰিছে, কেনেকৈ বাজ-চৰায়ে কপৌটি মাৰি মঙহ খাবলৈ ধৰিছে, মাছখোৱা চৰায়ে বুৰ মাৰি পুখুৰীৰপৰা মাছ মুখত লৈ উৰি গৈছে আৰু এইদৰে কেনেকৈ এটা প্ৰাণীয়ে আন এটা প্ৰাণীক বধ কৰি নিজৰ পেট ভৰাই লৈছে। আনকি জহি যোৱা ফুল, সৰিপৰা ফল, পচি যোৱা গছৰ মূঢ়াও তেওঁৰ দৃষ্টিত পৰিল। আন পিনে হালৰ গৰু আৰু হালোৱা দেখি চিন্তা বেছিকৈ বাঢ়ি গ'ল। মহাৰাজৰপৰা তেওঁক তাতে এখন্তেক অকলে থাকিব দিবলৈ অনুমতি লৈ তেওঁ জামুগছ এডালৰ তলত বহি গ'ল আৰু চিন্তা কৰিবলৈ ধৰিলে "এয়েই

বিতোপন জগতনে যি জগত দেখুৱাবলৈ পিতৃদেৱতাই মোক ইয়ালৈ আনিলে? চোৱাচোন, খেতিয়কজনে পেটটো পুহিবৰ বাবে কিমান কষ্ট কৰিব লাগে। গৰুহালৰ অৱস্থা কেনে পুতৌ কৰিবলগীয়া। প্ৰাণীবিলাকৰ ভিতৰত যাৰে শক্তি যিমান বেছি সিমানেই তাৰ প্ৰতিপত্তি। বলীটোৱে নিৰ্বলীক ধৰি খাবলৈ ধৰিছে।" এইবোৰ কথা চিন্তা কৰোঁতে এই দুখিত আৰু ক্ষুদ্ৰ প্ৰাণীবিলাকৰ প্ৰতি তেওঁৰ মনত এনে দয়াৰ ভাব উদ্ভৱ হ'ল যে সেই ঠাইতে ভাল পৈ তুপৰীয়ালৈকে তেওঁ তাতেই বহি থাকিল।

ৰজাই ৰাজকোঁৱৰৰ উভতি নোযোৱা দেখি জামু গছৰ তললৈ গৈ দেখে যে গৌতম চিন্তাত নিমগন হৈ আছে। পিতাকৰ মাত শুনি তেওঁৰ ধ্যান ভাঙিল আৰু লাহে লাহে খাতি ৰথত উঠি ঘৰ পালে

## বিবাহ

গৌতমৰ এনে উদাস ভাব দেখি ৰজাৰ জ্যোতিষীসকলে কথা। বথালৈ মনত পৰিল। তেওঁ গৌতমৰ ভৱিষ্যত জীৱন সম্বন্ধে ভাবিবলৈ ধৰিলে। ইপিনে ৰাজকোঁৱৰৰ ডেকা হ'লহি। বয়স ওঠৰ বছৰ। গৌতমৰ দৰে সুন্দৰ সুপুৰুষ প্ৰকৃততে পৃথিৱীত বিৰল। উজ্জ্বল সোণৰ প্ৰতিমাত সূৰ্য্যৰ দীপ্তি পৰিলে জ্বলি উঠাৰ দিনা নাৰ সিদ্ধাৰ্থও সিপিনেই গৈছিল সেই দিনেত পোহৰ হৈ জিলিকি উঠিছিল। এই মূৰ্তিৰ ওপৰত সেতিয়া বিনয়, নম্ৰতা, দয়াশীলতাৰ ৰহণ চৰিছিল তেতিয়া কোনেও তেওঁক সাধাৰণ মানুহ বুলি ভাবিব নোৱাৰা হ'ল। এই কাৰণেই ৰজা শুদ্ধোদনৰ মনত সদায় ভয় হৈছিল জানোচা এই অপৰূপ মূৰুতিধাৰী ৰাজপুত্ৰ কোনোবা দিনা সন্ন্যাসী হৈ ঘৰবপৰা বাহিৰ ওলাই যায়। পাত্ৰ-মন্ত্ৰীসকলৰ লগত পৰামৰ্শ কৰি গৌতমৰ মন যাতে সংসাৰত লিপ্ত হৈ থাকে সেইকাৰণে সেই কালৰ অদ্বিতীয় সুন্দৰী ৰাজকুঁৱৰী যশোধৰাৰ লগত অতি সমাৰোহেৰে কোঁৱৰৰ বিয়া পাতিলে কাশী ৰাজ্যৰ ৰজা সুপ্ৰবুদ্ধৰ অতি মৰমৰ জীয়েক সুভদ্ৰাকাঞ্চন (যশোধৰা বা গোপা নামেৰেও জনাজাত) আৰু ৰাজকোঁৱৰৰ মিলন যেন মণি-কাঞ্চনৰহে মিল হ'ল।

বাপা। যশোধৰা আৰু গৌতমৰ এই জন্মৰ কথা কোৱাৰ আগতে বৌদ্ধশাস্ত্ৰমতে পূৰ্ব্বৰ আন এক জন্মত তেওঁলোকে কেনেকৈ ধৰ্ম্মচৰ্চ্চা কৰিছিল কওঁ শুনা। বৌদ্ধ শাস্ত্ৰমতে বুদ্ধদেৱে ইতিপূৰ্ব্বে যতবাৰ জন্মগ্ৰহণ কৰিছিল

প্ৰতি বাৰেই হেনো যশোধৰা তেওঁৰ সহধৰ্ম্মিণী হৈছিল কিয়নো যশো-ধৰাই এনে মহা সঙ্কল্প কৰিছিল যে বুদ্ধদেৱ নিৰ্ব্বাণপ্ৰাপ্ত নোহোৱালৈকে সকলো জন্মতে তেওঁ বুদ্ধদেৱৰ স্ত্ৰী হৈহে জন্মগ্ৰহণ কৰিব। সেইকাৰণে শুদ্ধচিত্ত আৰু ধৰ্ম্মমতে চলি থকাৰ কাৰণে তেওঁ বুদ্ধদেৱৰ সহধৰ্ম্মিনী হৈ জন্ম লবলৈ পাইছিল।

বাপা! ইয়াৰ লগতে বৌদ্ধ ধৰ্ম্মমতে পুনৰ্জ্জন্ম কি সেই বিষয়েও তোমা-লোকে অলপ জনা উচিত। হিন্দু আৰু বৌদ্ধধৰ্ম্মমতে পূৰ্ব্বজন্মৰ ভাল কাম বা বেয়া কামৰ ফল অনুসৰি জীৱই ভাল বা বেয়া প্ৰাণী হৈ জন্মগ্ৰহণ কৰে। পূৰ্ব্ব জন্মত কৰি অহা কাৰ্য্য অনুসৰি মানুহৰ মন বা আত্মাই পাপ বা পুণ্যৰ ভাব থৈ এই সংসাৰত ওপজে। জনম লোৱাৰ পিছত মানুহে ন্যায়, শুদ্ধ আৰু ধৰ্ম্মমতে চলিলে মানুহৰ মন আৰু আত্মাই সংসাৰত আসক্তি হোৱা বস্তুৰ সংস্ৰৱ এৰে আৰু এইদৰে ধৰ্ম্মপথত চলিলে সংসাৰৰপৰা মন বা আত্মা এৰা পৰি, হিন্দু ধৰ্ম্মমতে ঈশ্বৰ আৰু বৌদ্ধধৰ্ম্মমতে নিৰ্ব্বাণ প্ৰাপ্ত হয়। সেই দেখি হিন্দু ধৰ্ম্মমতেই হওক বা বৌদ্ধ ধৰ্ম্মমতেই বেয়া কাম বা পাপ কৰিলে বাৰে বাৰে নানা তৰহৰ প্ৰাণী হৈ জন্ম গ্ৰহণ কৰি অশেষ কষ্ট ভোগ কৰি থাকিব লাগিব। কিন্তু যিবিলাকে ভাল কাম কৰি সংসাৰী বস্তুৰপৰা মন অনাশক্ত আৰু প্ৰসন্ন কৰিব পাৰে তেওঁলোকে একে জনমতে বা কেবাজন্মত যেনেতেনে এই সংসাৰৰ নানা দুখ-কষ্টৰ পৰা ৰক্ষা পৰি জীৱৰ নিৰ্ব্বাণ বা বুদ্ধ হয়। হিন্দুবিলাকে এনে অৱস্থাকেই পৰম ব্ৰহ্মৰ লগত জীৱত্মা লীন হোৱা বুলি কয়।

বৌদ্ধ ধৰ্ম্মমতে এই ভাল কাম বা ভাববিলাকক 'পাৰমিত' বা 'পাৰমী' (পালি ভাষাত) বোলে আৰু পাৰমিতবিলাকক দহ ভাগে ভাগ কৰিছে, যেনে দান (যেনে দুখীয়াক দান), শীল (সজ-নীতি) নেক্কম্য (বা কৰ্ম্মত্যাগ বা সংসাৰত বিৰাগ), প্ৰজ্ঞা (জ্ঞান), বীৰ্য্য (শক্তি), ক্ষান্তি (সহ বা সহন শক্তি), সত্য অধিস্থান (সংকল্প) নেও বা মৈত্ৰী (বন্ধুত্ব) আৰু উপেক্ষা (আসক্তি শূন্য)। পাৰমিত গুণবিলাক যেতিয়ালৈকে মানুহৰ স্বভাৱত পূৰ্ণতা-প্ৰাপ্ত নহয় তেতিয়ালৈকে মানুহ বুদ্ধ হ'ব নোৱাৰে আৰু নিৰ্ব্বাণপদ পাব নোৱাৰে। যেতিয়ালৈকে কোনো মানুহৰ এনেকুৱা পূৰ্ণতা নাহে তেতিয়া-লৈকে তেওঁ বাৰে বাৰে উপজি জন্ম-মৃত্যুৰ কষ্ট ভোগ কৰিবলগীয়া হয়। এই দহ গুণৰ পূৰ্ণতা কেনে অৱস্থাত হয় তাৰ উদাহৰণো বৌদ্ধ শাস্ত্ৰত দিয়া

আছে। যেনে দান-পাৰমিতৰ শেষ সীমা হ'ব এনে অৱস্থাত যেতিয়া দাতা-কৰ্ণৰ দৰে সকলো বস্তুকে আনক দিয়াক অলপো সঙ্কোচ অনুভৱ নকৰিব। সত্য পাৰমিতৰ পূৰ্ণতা হ'ব যেতিয়া শত্ৰু আৰু মিত্ৰক সমানে মৰম কৰিবৰ প্ৰবৃত্তি হ'ব। সেইদৰে নিষ্কৰ্ম্ম পাৰমিতৰ পূৰ্ণতা হ'ব এনে অৱস্থাত যেতিয়া মানুহে এই সংসাৰক কয়েদ বা বন্দীশাল বুলি জ্ঞান কৰিব আৰু ইয়াৰপৰা মুক্ত হ'বলৈ ইচ্ছা কৰি থাকিব। অধিষ্ঠান পাৰমিতৰ পূৰ্ণতা হ'ব এনে অৱস্থাত যেতিয়া মানুহে নানা প্ৰলোভন সত্ত্বেও বুদ্ধ-পদ পাবৰ কাৰণে প্ৰচণ্ড ধুমুহাত পৰ্ব্বতৰ দৰে থিৰ হৈ থাকি সংকল্পৰ পৰা বিৰত নহয়। বুদ্ধদেৱৰ জীৱনী পঢ়োতে তোমালোকে দেখিবা যে বুদ্ধৰ জীৱনত এই দহ গুণৰ পূৰ্ণতা হৈছিল আৰু সেইকাৰণেই ৰাজকুমাৰ সিদ্ধাৰ্থ জন্মত বোধি-সত্ত্ব হৈছিল আৰু বুদ্ধ পদ পাইছিল।

কিন্তু বৌদ্ধ-শাস্ত্ৰমতেও বুদ্ধদেৱে একে জনমতে এই মুখ্য নিৰ্ব্বাণ পদ পোৱা নাছিল। অনেক জন্মৰ সাধনাৰ ফলতহে তেওঁ এই নিৰ্ব্বাণ ধাম পাইছিল। কেনেকৈ বুদ্ধদেৱে আন জন্মত এই সাধনাত প্ৰবৃত্ত হৈছিল তাৰ বিৱৰণ 'জাতকত' দিয়া আছে। এই কাহিনীবোৰ এনে করুণ আৰু মৰ্ম্ম-স্পৰ্শী যে তাৰ মাজৰপৰা তলত দিয়া কাহিনীটো উল্লেখ নকৰি থাকিব নোৱাৰিলো। এই কাহিনীৰপৰাই বুদ্ধদেৱে কেনেকৈ দান পাৰমিতত উৎসৰ্গ সাধন কৰিবলৈ চেষ্টা কৰিছিল তাৰ প্ৰমাণ দেখা পাবা।

সেই জন্মত বুদ্ধদেৱ বিশ্বন্তৰ নামেৰে এজন ৰজা হৈ উপজিছিল আৰু যশোধৰা তেওঁৰ ৰাণী আছিল। তেওঁলোকৰ দুজন অতি সুন্দৰ ল'ৰা হৈছিল। ৰজাই ৰাজ্য ত্যাগ কৰি ৰাজৰ্ষি হবৰ ইচ্ছা কৰি বনলৈ যায়। পতিব্ৰতা আৰু ধৰ্ম্মাভিলাষিনী ৰাণীয়েও সৰু শিশু দুটিৰ সৈতে ৰজাৰ লগ লৈ বনবাস খাটে। বনৰ মাজত কঠোৰ তপস্যা কৰি ৰজাই পৱিত্ৰ জীৱন যাপন কৰিছিল আৰু ৰাণীয়েও শুদ্ধমনে স্বামীসেৱা কৰি শিশু দুটিৰ প্ৰতি-পাল কৰিছিল। স্বামীক আৰু শিশু দুটিক খাব দিবলৈ ফল-মূল বিচাৰি এদিন ৰাণীয়ে তেওঁলোকৰ থকা ঘৰৰপৰা আন ঠাইলৈ গৈছিল। সেই সময়ত এজন বুঢ়া বামুণ আহি উপস্থিত হল। তেওঁ ৰজা বিশ্বন্তৰৰপৰা দান বিচাৰিছিল সেই শিশু দুটি। বৌদ্ধ পাৰমিতমতে দানৰ পূৰ্ণতা হ'ব লাগিলে নিৰ্ব্বিকাৰ আৰু আনন্দচিত্তে দান দিব লাগিব। বুদ্ধত্ব অভিলাষী বিশ্বন্তৰ ৰজাই মোক্ষ পাবৰ কাৰণে প্ৰাৰ্থনা জনাই আনন্দমনেৰে সেই অজান দেৱ-

শিশু দুটিক বামুণক দান কৰিলে। ৰাণী উলটি আহি শিশু দুটিক নেদেখি অস্থিৰ হল। ৰাজৰ্ষিক মৌন হৈ থকা দেখি শোকতে অভিভূত হৈ কান্দি কান্দি তেওঁ স্বামীৰ ভৰিত পৰি মূৰ্চ্ছা গল। ৰাজৰ্ষিয়ে অতি মৰমেৰে ৰাণীক শুশ্ৰূষা কৰি তেওঁৰ গালৈ জ্ঞান আনিলে আৰু ক'বলৈ ধৰিলে--"ৰাণী! ময়েই তোমাৰ শিশু দুটি হৰি নিয়াৰ কাৰণ। তুমি নথকাত বুঢ়া বামুণ এজন আহি ল'বা দুটি ভিক্ষা খুজিলে। তুমি নিজে জানা, বুদ্ধত্ব-অভিলাষী লোকে ভিখাৰীয়ে যি কোনো দানকে বিচাৰে তাকেই দিব লাগে। মই এই দান—আমাৰ পুত্ৰ দুটি—জগতৰ কল্যাণৰ কাৰণে, জগতৰ প্ৰাণীৰ উপকাৰৰ কাৰণে দিছো। সেইবাবে তুমি বেজাৰ নকৰিবা বৰং আনন্দ মনেৰে সজ কামৰ ভাগী হৈ ধন্য হোৱা।" ৰাণীয়ে ধৰ্ম্মকাৰ্য্যত স্বামীৰ সহগামিনী হৈ জনমে জনমে বুদ্ধৰ সহধৰ্ম্মিণী হবলৈ পাৰিলে।

এই দৰে এই জনমতো যশোধৰাই ৰাজকুমাৰ সিদ্ধাৰ্থক স্বামীবৰণ কৰিবলৈ পাই নিজৰ জীৱন ধন্য মানিবলৈ ধৰিলে। আন ফালে শুদ্ধোধন ৰজাই তেওঁলোকৰ বৈবাহিক জীৱন যাতে এখন আনন্দৰ নদীৰ দৰে হয় তাৰ নিমিত্তে যিমানে পাৰে আয়োজন কৰিলে। তেওঁ ৰাজকুমাৰ আৰু যশোধৰা গ্ৰীষ্ম, বৰ্ষা আৰু শীত ঋতু পৰিবৰ্ত্তনৰ লগে লগে থাকিবৰ কাৰণে তিনিটা প্ৰকাণ্ড ৰাজপ্ৰাসাদ সজাই দিলে। প্ৰত্যেকটোকে সুদৃঢ় দেৱালেৰে বেৰি দিলে আৰু তাত পহৰা দিবৰ বাবে দুৱৰী-প্ৰহৰী নিযুক্ত কৰিলে। এই প্ৰমোদ-ভৱনবিলাকৰ বিৱৰণ জাতকত পঢ়িবলৈ পোৱা যায়। হিমালয় পৰ্ব্বতৰ ধৱল শৃঙ্গবিলাক ইয়াৰপৰা দেখা গৈছিল। দেৱদাৰু চন্দন আদি সুগন্ধি গছৰ মাজত এই ঘৰবিলাক সজোৱা হৈছিল। তাত দিনত মৰা, ভৰিক, কুলি কেতেকী আদি চৰায়ে মাতে, ৰাতি বাঘে গোজৰে। এই প্ৰাসাদবোৰৰ ভিতৰৰ মুকলি ঠাইবোৰত নানা প্ৰকাৰ ফলৰ গছ ফলেৰে দো খাই আছিল। ৰাজপ্ৰাসাদৰ ভিতৰৰ ঘৰবিলাকৰ সৌন্দৰ্য্য আৰু সুবিধা তাতকৈ চৰাকৈ কৰোৱা হৈছিল। বিতোপন পাথৰৰ জিলিঙনি দিয়া বেৰাৰ মাজেদি পোহৰ আহি তেওঁলোক থকা স্নিগ্ধ শীতল ভৱন উজ্জ্বল কৰি তুলিছিল। পাথৰৰ বেৰাবোৰত সীতা, ৰাম, হনুমান, দ্ৰৌপদী ইত্যাদিৰ মূৰ্ত্তি অঙ্কিত কৰি ৰাজপ্ৰাসাদৰ সৌন্দৰ্য্য, গাম্ভীৰ্য্য আৰু পৱিত্ৰতা বঢ়োৱা হৈছিল। এই ৰাজপ্ৰাসাদৰ ভিতৰতেই তেওঁলোকৰ বহা ঘৰ, গা ধোৱা ঘৰ, শোৱা ঘৰ, লিখিৰা-লিখিৰী থকা ঘৰ আৰু গীত, নৃত্যশালা আদি সকলো প্ৰকাৰৰ আমোদ-প্ৰমোদৰ

দিহা লগাই দিয়া হৈছিল। চিত্রী, গঙ্গী আৰু গৌতমী নামেৰে ৰাজবংশৰ ছোৱালীয়ে আৰু আন আন গায়ক গায়িকাই গান গাই আৰু মৃদু বাদ্য-যন্ত্র বজাই এওঁলোকক শুৱাইছিল আৰু ৰাতিপুৱা টোপনিৰপৰ জগাইছিল। সেই সময়ত সকলো প্রকাৰ সুখাদ্য তেওঁলোকক যোগোৱা হৈছিল। এই দৰে সেই সময়ৰ মানুহে কল্পনা কৰিব পৰা সকলো প্রকাৰ শাল অভিলাষ আৰু বিলাস পূৰণ কৰিবৰ কাৰণে ৰজা শুদ্ধোদনে যোগাৰ কৰি দিছিল। পালি-পহৰীয়াবিলাকক এনে চোকা আদেশ দি থৈছিল যে তেওঁৰ বিনা অনুমতিত যেন কাকো সেই ৰাজপ্রাসাদৰ ভিতৰত সোমাব দিয়া নহয় আৰু কোনো শোকাতুৰ, দুখিত, বুঢ়া কোঙা বা পীড়িত লোক যেন তাৰ ওচৰ নাপাবে আনকি ৰাজকোঁৱৰে যাতে খহিলা এটা পাত বা মৰহি পৰা বা লেৰেলা ফুলৰ পাহি এটাও দেখিবলৈ নাপায় তাৰ বাবেও লগুৱাবিলাকক আদেশ দি থৈছিল। এই সকলো মহা আয়োজনৰ ভিতৰত ৰজাৰ একমাত্র প্রবল ইচ্ছা আৰু আশা আছিল যাতে তেওঁৰ একমাত্র পুত্র সংসাৰৰ মায়াত আবদ্ধ হৈ তেওঁৰ সিংহাসনৰ অধিকাৰী হৈ পৃথিবীৰ ৰাজচক্রৱর্ত্তী হয়।

অনুচৰবর্গই তেওঁলোকৰ কর্ত্তব্য নিয়মমতে পালন কৰি আছিল আৰু সকলোতকৈ সুপ্রসন্না যশোধৰা দেৱীয়ে এনে দেৱদুর্লভ স্বামী পাই তেওঁক শ্রদ্ধা ভক্তি আৰু মৰমৰ দোলেৰে বান্ধি আনন্দৰ সাগৰত বুৰাই ৰাখিছিল। প্রাকৃতিক সৌন্দর্য্য আৰু পশু-পক্ষীৰ আনন্দ ধ্বনিৰ মাজত মনোৰম বাগিচা আৰু ফুলনিৰ ফল-ফুলৰ তৃপ্তি আৰু লালসাপূর্ণ সুখাদ্য ভোগ কৰি, সুললিত সঙ্গীত আৰু সুভঙ্গীপূর্ণ নৃত্যৰ মাদকতাত, বিশেষকৈ অপৰূপা লাৱণ্যময়ী যশোধৰাৰ মৰমৰ দোলত বান্ধ খাই থকা বুদ্ধদেৱৰ জীৱন বাহিৰৰ মানুহৰ মনত সুখ-সপোনৰ যেন অনুমান হৈছিল। কিন্তু যদিও এই মহাপুৰুষজনাক এই-বিলাকৰ পৰা বিমুখ হোৱা যেন দেখা নগৈছিল, তেওঁৰ অন্তৰাত্মা বা চিত্ত এটা প্রকাশ কৰিব নোৱাৰা ভাবেৰে অভিভূত হৈ আছিল। কেতিয়াবা জহৰ দিনত দুপৰীয়া যশোধৰাৰ কোলাত মূৰ থৈ বিশ্রাম কৰি থাকোতে হঠাতে তেওঁ কৈ উঠে "হে সংসাৰ! হে সংসাৰৰ জীৱসকল! মই শুনিছো, মই জানিছো, মই আহিব লাগিছো।" যেন দুখিত সংসাৰে তেওঁক মাতিছে আৰু তেওঁ তাৰ উত্তৰ দিছে। সেই সময়ত তেওঁৰ মুখৰ ভঙ্গীয়ে এনে অসাধাৰণ ৰূপ ধৰিছিল যে যশোধৰাই ভয়তে বিহ্বলা হৈ উঠে। তেওঁ চকুলো টুকিবলৈ ধৰে আৰু সোধে—"প্রভু! আপোনাৰ কি হৈছে?" বুদ্ধদেৱে আকৌ

মৰমিয়াল স্বামীৰ দৰে শান্ত মূৰ্ত্তি ধাৰণ কৰি সুমধুৰ কথাৰে যশোধৰাৰ মনৰ আশঙ্কা দূৰ কৰে।

আকৌ বাগাত এদিন সুমধুৰ ৰাগিণী বজাবলৈ ধৰিছে। যশোধৰা আৰু সিদ্ধাৰ্থই শুনি আছে। কিন্তু ৰাজকুমাৰৰ মনত এনে ভাব হৈছে যেন স্বৰ্গৰ দেৱতাসকলে গান কৰি তেওঁক জগতৰ শোক-দুখ দূৰ কৰিবৰ কাৰণে মায়াময় আৰু অস্থায়ী সংসাৰ ত্যাগ কৰিবলৈ আহ্বান কৰিছে আৰু নিৰ্ব্বাণ পদৰ অভিলাষী হবলৈ উদগনি দিছে। আন কালৰ দৰে সেই গধূলিও তেওঁৰ প্ৰমোদ কুঞ্জত সিদ্ধাৰ্থ আৰু যশোধৰাক আনন্দিত ৰাখিবৰ কাৰণে বাৰেঙৰ লিগিৰীবিলাক আহি তেওঁলোকক সাধুকথা শুনাইছিল, অদৃশ্য ৰাজ্যৰ আচৰিত লোকৰ আৰু আচৰিত প্ৰাণীবিলাকৰ কাহিনী শুনাৰ পিছত বুদ্ধদেৱে এটা দীঘল হুমুনিয়াহ কাঢ়ি যশোধৰাৰ কোমল হাতখন নিজৰ হাতত থৈ ক'বলৈ ধৰিলে "প্ৰিয়া যশোধৰা! চিত্ৰাই আজি আমাক সঙ্গীতেৰে অতি মধুৰ গল্প শুনালে। গল্পত যি বিচিত্ৰ ৰাজ্যৰ কথা শুনালে সেই ৰাজ্য কত? সেই ৰাজ্যতো আমাৰ ইয়াৰ মানুহৰ দৰে অসুখী মানুহ আছেনে—যাৰ উপকাৰ আমি সাধিব পাৰো? সঁচাকৈয়ে যশোধৰা! যেতিয়া মই সূৰ্য্যদেৱক ৰাতিপুৱা বিমল জ্যোতিৰে, দুপৰীয়া প্ৰচণ্ড উত্তাপেৰে আৰু গধূলি ৰঙা গোলাকাৰ মূৰ্ত্তি ধৰি আকাশত অদৃশ্য হোৱা দেখা পাও তেতিয়া মই ভাবো কত অসংখ্য ৰাজ্য, কত অসংখ্য পৰ্ব্বত নদী সাগৰ আৰু কত অসংখ্য লোকক লগ পাই সূৰ্য্যদেৱ ঘূৰি আছে। সেই বিচিত্ৰ দেশবিলাক ঘূৰি ঘূৰি চাবলৈ মোৰো এনে প্ৰবল ইচ্ছা হয় যেন ময়ো সূৰ্য্যদেৱৰ লগে লগেই ঘূৰি থাকিম। যশোধৰা! আনকি যেতিয়া মই তোমাৰ কোমল কোলাত বিশ্ৰাম লৈ থাকো, তোমাৰ মৰমৰ শুশ্ৰূষাত আবদ্ধ হৈ থাকো, তেতিয়াও, মোৰ মনত এনে ভাব হয়—এই প্ৰাসাদৰ বাহিৰত কত দুঃখিত লোক আছে যিবিলাকে হয়তো আমাৰ মৰম দয়া শুশ্ৰূষা বিচাৰিছে। হে মোৰ লগৰীসকল! মোৰ ইচ্ছা হয় যেন ঈগল পখী হৈ হিমালয়ৰ শৃঙ্গৰ ওপৰলৈ উৰি যাওঁ আৰু তাৰপৰা পৃথিৱীৰ চাৰিওপিনে চাই পঠিয়াও ক'ত কি আছে। তোমালোকে কত দেশৰ গল্প কৈছা। বাৰু কোৱাচোন, আমাৰ প্ৰমোদ-ভৱনৰ দুৱাৰৰ বাহিৰে কি আছে।" তেতিয়া লিগিৰীবিলাকে তেওঁলোকে জনা ৰাজ্যবোৰৰ বিৱৰণ দিবলৈ ধৰিলে।

এই প্ৰমোদ-ভৱনৰ জীৱন যে বুদ্ধদেৱৰ মনত ক্ৰমে অসাৰ যেন বোধ

হৈ আহিছিল ওপৰৰ কথাৰ পৰা বুজিব পাৰি। বুদ্ধদেৱৰ চিত্তৰ উদাসীনতা বাঢ়িবলৈ ধৰিলে আৰু আমোদ-প্ৰমোদৰ বাহিৰে সংসাৰত কি আছে জানিবলৈ তেওঁৰ মনত প্ৰবল ইচ্ছা হল। নিজৰ জীৱনৰ উদ্দেশ্য যে মানৱ জাতিৰ মহা উপকাৰ এই ভাবটো তেওঁৰ মনত বদ্ধমূল হল। প্ৰমোদ-ভৱনৰ বাহিৰৰ সংসাৰ কি তাক জানিবৰ কাৰণে বুদ্ধদেৱ ব্যগ্ৰ হৈ পৰিল আৰু সেই উদ্দেশ্যে তেওঁ তেওঁৰ সাৰথি চন্নক মাতি পঠিয়ালে। ৰজাক খবৰ দিয়াত শুদ্ধোধন ৰজাই নগৰৰ ঘৰ-দুৱাৰ, আলি-পদূলি আদি সকলো ঠাই পৰিষ্কাৰ কৰি ৰাখিবলৈ গোটেই নগৰখনকে পুষ্পমালা আদিৰে সুসজ্জিত কৰিবলৈ আৰু বিশেষকৈ খোৰা, কোঙা, ৰুগীয়া, বুঢ়া মানুহ নাইবা মৰা শ ঘাট বা পদূলিৰ আগলৈ নানিবলে আদেশ শুনাই দিলে। নগৰবাসীসকলেও বহু দিনৰ মূৰত ৰাজকোঁৱৰৰ দৰ্শন আশা কৰি গোটেই নগৰখনকে সুসজ্জিত কৰি ৰাখিলে।

## নিমিত্ত দৰ্শন

নিৰ্দ্দিষ্ট সময়তে ৰাজকোঁৱৰে তেওঁৰ প্ৰিয় সাৰথি চন্নৰ লগত বিশুদ্ধ বগা ঘোঁৰা এহালে টনা ৰথত উঠি নগৰ ভ্ৰমণ কৰিবলে ওলাই আহিল। নগৰৰ সুসজ্জা আৰু মানুহৰ আড়ম্বৰ আৰু অভ্যৰ্থনা দেখি তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ মনোৰঞ্জনৰ কাৰণেই এইবিলাক আয়োজন কৰা হৈছে। তেওঁৰ মনত বৰ আনন্দ হল। যিপিনেই যায় সুন্দৰী তিৰোতাৰ উৰুলিধ্বনি, প্ৰজাৰ কাণতালমৰা জয়ধ্বনি। সকলোৱে পদূলি মুখলৈ ওলাই আহি ৰাজ-কোঁৱৰক আদৰ-অভ্যৰ্থনা জনাইছে।

কিন্তু প্ৰফুল্ল মনে নগৰ ভ্ৰমণ কৰি উভতি আহোতে হঠাৎ সিদ্ধাৰ্থৰ চকুত পৰিল এটা বুঢ়া মানুহ। আটাহ পাৰি সি কৈছে—"দয়া কৰি মোক ভিক্ষা দিয়ক। কালি-পৰহিলৈ মই মৰিম।" মানুহটোৰ ছালবোৰ সোতোৰা পৰি গৈছে, তাৰ চকু গাতত সোমাইছে আৰু সি ঘনে ঘনে কাহিবলৈ ধৰিছে। মানুহবিলাকে চিঞৰি চিঞৰি কৈছে—"হেৰ বুঢ়া! গুচ, গুচ। ৰাজকোঁৱৰ আহিছে।" সি হলে একোকে নুবুজি মানুহবিলাকৰ মুখৰ ফালে চাই আছে। ৰাজকোঁৱৰে মানুহবিলাকক বুঢ়াটোক একো কৰিলে নিদি ৰথখন ৰখাবলৈ দি সাৰথিক সুধিলে—"চন্ন! এইটো কোন?" চন্নই উত্তৰ দিলে—"কোঁৱৰ! ই এটা বুঢ়া মানুহ। নেদেখে আৰু কাণেৰেও নুশুনে। অলপ দিনৰ পিছতে ইয়াৰ মৃত্যু হব। আপুনি কিয় তাৰ কথা ভাবি অস্থিৰ হব লাগিছে?"

বুদ্ধই আৰু আগ্ৰহেৰে আকৌ সুধিলে "চন্ন। এই অৱস্থা সকলো মানুহৰে হবনে ? মোৰ, তোমাৰ আৰু সকলোৰে ?" চন্নই কলে "হয় ৰাজকুমাৰ ! জৰা আৰু বুঢ়া কালৰ হাত অকাল মৃত্যু নহলে কোনেও সাৰিব নোৱাৰে। ৰাজকোঁৱৰে তেতিয়া চন্নক শীঘ্ৰে ৰথ ৰাজপ্ৰাসাদলৈ নিবলৈ ক'লে।

মনত এনে দুখ আৰু বেজাৰ পালে যে সেইদিনা তেওঁ একো আহাৰকে গ্ৰহণ নকৰি মৌন হৈ বহি থাকিল। স্বামীৰ মনৰ ভাব দেখি যশোধৰাই তেওঁৰ ভৰিত পৰি কান্দিবলৈ ধৰিলে কিন্তু সিদ্ধাৰ্থই স্থিৰভাৱে ক'বলৈ ধৰিলে—"ভাবি চোৱা যশোধৰা ! তোমাৰ এই অপৰূপ সৌন্দৰ্য্য বুঢ়া কালে নাথাকে। আমি সকলোৱে এদিন বুঢ়া হম। আজিৰ আমাৰ সকলো শাৰীৰিক কামনা আৰু অভিলাষ সময়ে দূৰ কৰিব। এই দুখৰ কথা ভাবি কি সহজে মই এই আমোদ-প্ৰমোদত মগ্ন হৈ থাকো ? মানুহৰ যি পৱিত্ৰ প্ৰেম তাক কালে (বাৰ্দ্ধক্যই) নাশ কৰিব নোৱাৰা উপায় মই বিচাৰি উলিয়াবই লাগিব।" দুখ আৰু চিন্তাত ৰাজকুমাৰে সেই ৰাতি শুব নোৱাৰিলে।

আন পিনে ৰজা শুদ্ধোধনে সেই ৰাতিয়েই একেলগে সাতোটা সপোন দেখিলে। প্ৰত্যেকটো সপোন ভাবি তেওঁ অস্থিৰ হৈ পৰিল। ৰাজ্যত থকা পণ্ডিত আৰু জ্যোতিষীসকলক মাতি আনি তেওঁ সপোনৰ অৰ্থ সুধিলে। কোনেও সবিশেষ একো ক'ব নোৱাৰিলে। ৰজাই অসন্তোষ আৰু খণ্ডত মন মাৰি বহি আছে এনেতে এজন সন্ন্যাসী পণ্ডিত আহি তেওঁক সপোনৰ অৰ্থ ভাঙি দি ক'লে যে সাত দিনৰ ভিতৰতে তেওঁৰ একমাত্ৰ পুত্ৰই জগতৰ পৰা শোক দুখ দূৰ কৰিবৰ বাবে সংসাৰ ত্যাগ কৰিব। তেওঁ এনে এজনা মহাপুৰুষ হব যে তেওঁ ক্ষমতাত সকলো ৰাজচক্ৰৱৰ্ত্তী ৰজাতকৈ ডাঙৰ হব। তেওঁ জগতবাসীৰ মাজত এনে অমিয় মধুৰ ধৰ্ম্ম বিলাব যে মানৱ-জাতিয়ে তাৰ পৰা প্ৰকৃত শান্তি পাব। ৰজাক বেজাৰ কৰিবলৈ হাক দি পণ্ডিতজন গুচি গল। ৰজাই আনন্দ পোৱা দূৰে থাকক যে তেওঁৰ একমাত্ৰ পুত্ৰ আৰু বংশৰ একমাত্ৰ আশা-ভৰসাৰ স্থল কোঁৱৰক হেৰুৱাৰ ভয়ত অস্থিৰ হৈ পৰিল। গৌতমৰ মন মুহিবৰ বাবে তেওঁ আকৌ গান-বাজনা আৰু ডাঙৰ ডাঙৰ গায়ক-গায়িকাৰ আয়োজন কৰি দিলে। ৰাজকুমাৰৰ প্ৰমোদভৱনৰ দুৱাৰত দুৱাৰ-ৰক্ষকৰ সংখ্যা বঢ়াই দুগুণ কৰি দিলে।

কিন্তু যি হবলগীয়া আছিল সি হলেই। ষষ্ঠ দিনৰ দিনা সিদ্ধাৰ্থই ৰজাক লগ ধৰি ক'লে "মোৰ আৰু এবাৰ বাহিৰৰ নগৰখন চাবলৈ বৰ ইচ্ছা

হৈছে। এইবাৰ কাকো একো নোকোৱাকৈ মোক নগৰখন চাবলৈ দিয়ক। মোৰ চাকৰৰ বাহিৰে লগত আন কাকো নিনিও।" ৰজাই ভাবিলে প্ৰথম বাৰ বুঢ়া মানুহ দেখি পুতেকৰ যি বেজাৰ হৈছিল তাক গুচাবৰ উপায় হৈছে ঘনে ঘনে সংসাৰৰ দুখ-কষ্ট কি তাক জানিবলৈ দিয়া। সেইবাবে এইবাৰো নগৰ পৰিদৰ্শন কৰিবলৈ অনুমতি দিলে।

পিছদিনা দুপৰীয়া আকৌ সাৰথি চন্নক লগত লৈ ৰাজকোঁৱৰ খোজ কাঢ়ি নগৰ চাবলৈ ওলাল। গৌতমে বেপাৰী এটাৰ আৰু চন্নই পুৰোহিতৰ সাজ-পাৰ পিন্ধি গৈছিল। তেওঁলোকে বাটে বাটে নগৰৰ নানা দৃশ্য চাই গৈ আছে। হঠাতে তেওঁলোকে মানুহ এটা দেখা পালে। সি মাটিত পৰি আছে। সি ভৰি দুখন মেলি দিব নোৱাৰে। উঠিব খুজিলেই কঁপিব ধৰে, গোটেই গাটো ঘামেৰে ভৰি পৰে, মুখৰ বিবৃত ভঙ্গী হয় চকু দুটা ডাঙৰ আৰু ৰঙা হৈ পৰে। অসহ্য যন্ত্ৰণাত ভুগি সি কবলৈ ধৰিলে "ডাঙৰীয়া! মোৰ মৰো মৰো অৱস্থা হৈছে। মোক ধৰত থৈ আহকচোন।" গৌতমে দেখা পাই লৰি গৈ মানুহজনক তুলি ধৰিলে। তাৰ মূৰটো নিজৰ আঁঠুৰ ওপৰত তুলি ললে। নিজৰ কোমল হাতেৰে তাৰ গা-মূৰ পিচি দি সান্ত্বনা দি তাক সুধিলে "ভাইটি! তোমাৰ কি হৈছে? কিয় তুমি উঠিব নোৱাৰা?" উত্তৰ নাপাই চন্নৰ ফালে চাই ক'লে "চন্ন চন্ন! কি হৈছে এওঁৰ?" চন্নই তেতিয়া বুজাই কলে—"এই মানুহটোৰ কিবা গুৰুতৰ ব্যাধি হৈছে। এই ৰোগৰ পৰা তাৰ মুক্তি নাই। ইয়াৰ পিছত এই ৰোগে তাৰ সমস্ত স্নায়ু আৰু হৃদপিণ্ড নষ্ট কৰি পেলাব আৰু তেতিয়া সি মৰিব। এই ৰোগে আনকো খোচৰে। গতিকে ৰাজকুমাৰ! আপুনি তাক নুচুব। এৰি দিয়ক।" কোঁৱৰে আকৌ সুধিলে -"সকলো মানুহৰে এনে ৰোগ হয়নে?" চন্নই ক'লে "ৰোগ নিশ্চয় সকলো মানুহৰে হয়। মানুহ-খোৱা বাঘ হাবিত লুকাই থকাৰ দৰে ই নেদেখাকৈ সকলো ঠাইতে লুকাই আছে আৰু সুবিধা পালেই মানুহক ধৰি তাৰ মৰণ আনে। সেই কাৰণে সকলো মানুহে ৰোগৰ আশ-ঙ্কাত থাকিব লগাত পৰে।" "তেনেহলে চন্ন! এই ৰোগে মানুহক ধৰি শৰীৰ আৰু মন বিকৃত কৰে, তাৰ পিছত সি বুঢ়া হয় আৰু তাৰ পিছত মৰে। এয়ে জগতৰ নিয়ম নহয়নে?" "হয় প্ৰভু"—চন্নই উত্তৰ দিলে।

ঠিক সেই সময়তে এটা মৰা মানুহক চাঙী এখনৰ ওপৰত তুলি নদীৰ পাৰত দাহ কৰিবলৈ কিছুমান মানুহে লৈ গৈছিল। মানুহবিলাকে ৰাম ৰাম

ধ্বনি কৰি গৈ আছিল আৰু তাৰে ভিতৰৰে কেইজনমানে চিঞৰি চিঞৰি কান্দি গৈ আছিল। সংকাৰ কৰিবৰ কাৰণে শটো চিতাৰ ওপৰত তুলি দিয়া হল। চন্নই ক'বলৈ ধৰিলে—"প্ৰভু! সকলো জীৱৰে এয়ে শেষ অৱস্থা। পৃথিৱী দুখ-কষ্টৰে ভৰা। সকলো আমোদ-প্ৰমোদৰে শেষ পৰিণতি এয়ে। এতিয়া মানুহটোৰ ভোক-পিয়াহ চকু-কাণ-নাকৰ অনুভূতি এইবিলাক ক'লৈ গ'ল? এইদৰে মানুহৰ সকলো মাংসই নাশ পাব। ৰাজ-ৰাজেশ্বৰ আৰু অতি সাধাৰণ সকলোৰে এই একে শেষ অৱস্থা।"

সিদ্ধাৰ্থই এই কৰুণ দৃশ্য দেখি আৰু চন্নৰ কথা শুনি প্ৰথমে নিমাত হ'ল। চকুপানীৰে চকু চলচলীয়া হৈ উঠিল। এক অপূৰ্ব দয়া ভাবেৰে তেওঁ এবাৰ স্বৰ্গৰ ফালে আকৌ এবাৰ পৃথিৱীৰ ফালে তেওঁৰ চকু ঘূৰালে। মুখৰ ভঙ্গী আৰু জ্যোতিৰ পৰা বুজা গ'ল যে তেওঁৰ অন্তৰত কিবা মহাসত্য এটা জাগি উঠিছে। অলপ পৰ বৈ তেওঁ ডাঙৰকৈ ক'বলৈ ধৰিলে "হে দুখ-তাপ-প্ৰপীড়িত মানুহ জাতি! হে মোৰ নিজৰ মাংসপিণ্ডৰে গঠিত ভাইসকল! মই তোমালোকৰ অনন্ত দুখৰ কথা বুজি পাইছো। মোৰ আৰু বুজিবৰ বাকী নাই যে সংসাৰৰ ভোগ-বিলাসিতা আৰু আন সাংসাৰিক সুখৰ একো মূল্য নাই। মই বুজিছো দেৱতাক পূজা কৰিও মানুহে শোক, দুখ, ৰোগ, বাৰ্দ্ধক্য আৰু মৃত্যুৰপৰা সাৰিব নোৱাৰে। আজি মোৰ চকুৰ আগৰ পৰা ডাঙৰ মায়াজাল আঁতৰ হৈ গ'ল। চন্ন! মোক ঘৰলৈ লৈ ব'লা।"

## পুত্ৰ জন্ম

১৫।৩।৪৭

প্ৰমোদভৱনলৈ উভতি গৈ দেখে যে তেওঁৰ এটা পুত্ৰ-সন্তান উপজিছে। এই ঘটনাটোৱে কোঁৱৰৰ মনৰ সঙ্কল্প আৰু বঢ়াই দিলে। তেওঁ ভাবিবলৈ ধৰিলে যে এইদৰে আমোদপ্ৰিয় গাৰ্হস্থ্য জীৱনৰ এঘাৰ বছৰ কটালে। তেওঁৰ এতিয়া বয়স ২৯ বছৰ হলহি ইমান দিনে যশোধৰাৰ মৰমৰ ডোলত বান্ধ খাই থাকিল। এতিয়া পুতেকৰ মৰমত যদি আৱদ্ধ হৈ থাকিব লাগে, তেন্তে তেওঁৰ জীৱনৰ উদ্দেশ্য কেনেকৈ সফল হ'ব? জগতবাসীক যি মায়াজালৰপৰা উদ্ধাৰৰ উপায় তেওঁ উলিয়াব বিচাৰিছিল, এতিয়া তেওঁ নিজেই সেই মায়াজালত ফাঁচ লাগিবৰ উপক্ৰম হ'ল। তেওঁৰ মনে ক'বলৈ ধৰিলে--"আৰু নোৱাৰোঁ থাকিব মই, সময় আহিল।"

## গৃহ ত্যাগ

কিছুমান পিছৰ বৌদ্ধ পুথিয়ে বুদ্ধৰ সংসাৰ ত্যাগৰ ৰাতিৰ কথা বৰ্ণনা কৰিছে। ছাৰ আৰ্ৱিন আৰণোল্ডে তেওঁৰ 'লাইট্ অব্ এছিয়া' নামৰ কৱিতাত সেই বিৱৰণ তুলি দিছে। এই কাহিনী ইমান সঁচা যেন লাগে যে মই চমুকৈ তোমালোকৰ আগত নোকোৱাকৈ থাকিব নোৱাৰিলো।

সেইদিনা চ'ত মাহৰ পূৰ্ণিমা। ফৰিংফুটা জোনৰ পোহৰে পৃথিৱী ছাটি ধৰিছে। প্ৰমোদ উদ্যানত যূতি, যাতি ৰজনীগন্ধা ফুলৰ গোন্ধ মৃদু বতাহে চাৰিওফালে বিলাই দিছে। তেতিয়া প্ৰায় মাজ-নিশা ৰাজপ্ৰাসাদত সকলো নিস্তব্ধ। উদ্যানত নিজৰাৰ মধুৰ কুলু কুলু শব্দৰ বাহিৰে সকলো নিমাত। গায়িকাসকল শ্বেতপাথৰৰ মজিয়াত শুই আছে। বুদ্ধদেৱ আৰু যশোধৰাৰ শোৱা খোটালিৰ সমুখতে যশোধৰাৰ পৰিচৰ্য্যাৰ কাৰণে সুন্দৰী গঙ্গা আৰু গৌতমী নামেৰে নগৰী দুজনী শুই আছে। হঠাৎ যশোধৰাই মূৰটো দাঙি দুয়ো হাতৰ ওপৰত ভৰ দি ভয়তে অস্থিৰ হৈ ওচৰতে শুই থকা বুদ্ধদেৱক মাতিলে—"প্ৰভু! প্ৰভু! উঠক।" দুবাৰ মাতিও কোনো সঁহাৰি নাপাই কান্দি কান্দি তেওঁ ক'বলৈ ধৰিলে "প্ৰভু! এই দুখনীৰ কথা শুনক।" বুদ্ধদেৱে সাৰপাই উঠি সুধিলে—"কি হৈছে তোমাৰ, কিয় কান্দিছা?" যশোধৰাই তেতিয়া সপোনৰ কথা ভাবি শিহৰি উঠিল। চকুলো টুকি টুকি তেওঁ ক'বলৈ ধৰিলে—"মই এই অমূল্য শিশুকণক বুকুত লৈ আনন্দ মনেৰে শুই আছিলো। সপোনত এনে এটা ডাঙৰ দৃশ্য দেখা পালো যে মোৰ মনৰ ভয় আৰু আশঙ্কা এতিয়াও দূৰ হোৱা নাই। মই দেখিলো যেন এটা উওম বগা ষাড়-গৰুৱে এডাল ডাঙৰ পতাকা আৰু এটা অতি উজ্জ্বল মণি পিন্ধি আমাৰ নগৰৰ আলিবাটেৰে আহি আছে। শেষত সি আহি আমাৰ প্ৰমোদ-মন্দিৰত সোমাল। লগে লগে ইন্দ্ৰ-নগৰৰপৰা কোনোবাই কৈছে—"হেৰ! ষাড়টো ধৰ নহলে এই নগৰৰ সকলো সৌন্দৰ্য্য আৰু সকলো মহিমা অদৃশ্য হ'ব।" কোনোৱে তাক ধৰিব নোৱাৰিলে। মই কান্দি কান্দি অথচ ভয় নকৰি ডিঙিত সাৱট মাৰি ধৰিলোঁ। কিন্তু ষাড়টোৱে লাহেকৈ এবা দি এই দ্বাৰৰ শলা ভাঙি প্ৰহৰীবিলাকক খুচি ওলাই গুচি গ'ল। তাৰ পিছত মই দেখিলো যে ইন্দ্ৰৰ ধ্বজাতকৈয়ো ডাঙৰ ধ্বজা এডাল অনেক মানুহে জয়ধ্বনি দি লৈ ফুৰিছে। অসংখ্য মানুহে তাৰ ওপৰত পুষ্পবৃষ্টি কৰিছে।" বুদ্ধদেৱে ক'লে "এনেবিলাক সপোনত ভয় কৰিবৰ একো কাৰণ নাই।"

"নহয় প্ৰভু ! মই শেষত যি দেখিলোঁ সেই কথা শুনক। মই দেখিলোঁ আমাৰ শোৱা-পালেঙত আপুনি নাই। আপোনাৰ পিন্ধা কাপোৰখিনিহে পৰি আছে। আপোনাৰ সোণৰ টঙালিডাল সাপ হৈ মোৰ বুকুত মেৰ খাই আছে। মোৰ হাতৰ খাৰু আৰু কাণৰ কৰিয়া মাটিত পৰি আছে। আনকি আমাৰ বিয়াৰ পালেঙখন মাটিত সোমাই গৈছে আৰু এই সুন্দৰ কাৰেংটোৰ সকলো সাজ-সজ্জা বিশৃঙ্খল হৈ পৰিছে। আৰু এই অখণ্ড দৃশ্যবিলাক দেখাৰ লগে লগে কাণেৰে শুনি আছোঁ "সময় উপস্থিত হ'ল ৰাজকুমাৰ !" এই অদ্ভুত কথা-ফাকি এতিয়াও মোৰ কাণত বাজি আছে। মোৰ ভয় হৈছে প্ৰভু ! মোক ডাঙৰ অপায়ে লগ পাইছে। আপুনি মোক এৰি যাব।" বুদ্ধদেৱে অতি সাদৰেৰে ঘৈণীয়েকক সজাৱলৈ ধৰিলে "দুখ নকৰিবা যশোধৰা ! সপোনৰ কথা সময়মতে সত্য হবও পাৰে। কিন্তু মই সংসাৰৰ ভিতৰতেই থাকো বা সংসাৰত্যাগী হৈ বৈৰাগীয়েই হওঁ তুমি মোৰ সদায় সকলোতকৈ প্ৰিয়তমা হৈ থাকিবা। মই যদি ইহ সংসাৰ ত্যাগ কৰিব লাগে, তেন্তে মানৱ জাতিৰ উপকাৰৰ সংকল্প কৰিহে তেনে ব্ৰত গ্ৰহণ কৰিম। তুমি মোৰ শৰীৰৰ শৰীৰ আৰু মাংসৰ মাংস তেনে মহৎ কাম সাধন কৰাত মোৰ সহায়হে হব লাগে। এতেকে প্ৰিয়া ! তুমি শোক নকৰিবা। এতিয়া নিশ্চিন্ত মনে শান্ত হৈ শুই থাকা।" সৰলা যশোধৰাই স্বামীৰ আশ্বাস পাই চকুলোৰে গাল তিয়াই আকৌ শুলে আৰু ততালিকে টোপনিত অচেতন হ'ল।

ইপিনে বুদ্ধৰ মনত ভাব উদয় হ'ল সময় উপস্থিত আৰু তেওঁ এই প্ৰমোদ-পিঞ্জৰাৰ ভিতৰত আৱদ্ধ হৈ থাকিব নোৱাৰে। নতুনকৈ ওপজা ল'ৰাটো তেওঁ এবাৰ চালে। মনে মনে ভাবিলে এবাৰ তাক কোলাত তুলি লৈ চুমা খোৱা উচিত হবনে ? কিন্তু মায়াৰ ডোলত বান্ধ খাবৰ আশঙ্কা কৰি মন সামৰিলে। টোপনিত লালকাল দি থকা যশোধৰাৰ শান্ত মূৰ্ত্তিখনি আৰু এবাৰ চালে। তাৰ পিছত নিজৰ মনতে ক'বলৈ ধৰিলে—"মোৰ মৰমৰ অৰ্দ্ধাঙ্গিনী ! সুকোমল শিশু-পোণাটি। লগৰীসকল আৰু পূজনীয় পিতৃদেৱ ! তোমালোকক এৰি যাবলৈ বৰ টান পাইছোঁ। কিন্তু কেনে-কৈনো মই ইয়াত থাকো ? কোটি কোটি নৰ-নাৰীয়ে অপাৰ দুখ-কষ্ট ভোগ কৰিব আৰু মই ইয়াত বিলাসত দিন কটাম ! অসম্ভৱ, মই আৰু এখন্তেকো ইয়াত থাকিব নোৱাৰো। মই জগতৰ জীৱৰ উপকাৰ সাধিবই লাগিব।

সেই কাৰণে পিতৃদেৱ ! বাইজ-প্ৰজাসকল ! মৰমৰ লগৰীসকল আৰু মোৰ প্ৰাণাধিকা ৰাণী ! মোক তোমালোকে ক্ষমা কৰিবা আৰু মোৰ মহৎ উদ্দেশ্যৰ কথা ভাবি মনত শান্তি লবাহঁক।" এই বুলি কৈ তেওঁ লাহে লাহে বাহিৰলৈ ওলাই আহিল। পূৰ্ণিমাৰ চন্দ্ৰ আৰু তৰাবিলাকলৈ এবাৰ চাই তেওঁৰ লগৰীয়া সাৰথি চন্নক মাতিলে আৰু তেওঁৰ মৰমৰ বিশুদ্ধ বগা ঘোঁৰা কণ্টকক আনিবলৈ ক'লে। চন্নই প্ৰথমতে অলপ দ্বিধাভাব দেখুৱাত সিদ্ধাৰ্থই ডাঠকৈ আদেশ দিলে—"চন্ন ! মোৰ সময় উপস্থিত। পৃথিৱীৰ হিতৰ কাৰণে মই এতিয়াই ওলাই যাব লাগিব। এই মহা উদ্দেশ্য সাধনৰ কাৰণে মই সিংহাসনত বহি ৰজা হবলৈ জন্ম ধৰা নাই। বৈৰাগীৰ কমণ্ডলু লৈ হলেও সেই উদ্দেশ্য সাধন কৰিবই লাগিব। তুমি কণ্টকক সজাই লৈ আহা।" ১৬।৩।৪১

চন্নই ঘোঁৰা আনিলে আৰু তেওঁকো লগত নিবলৈ বুদ্ধদেৱক অনেক কাকুতি-মিনতি কৰিলে। শেষত বুদ্ধদেৱে অনুমতি দিলে। দুয়োজনে মিলি ৰাজপ্ৰাসাদ পৰিত্যাগ কৰিলে। আচৰিত কথা এয়ে যে কংসৰ মেৰঘৰৰপৰা শিশু-কৃষ্ণ পলাই যোৱাৰ দৰে সেই নিশা কপিলাবাস্তু ৰাজকাৰেঙৰ প্ৰহৰী আটাইবিলাক শুই আছিল আৰু ৰাজদ্বাৰো মেলা হৈ আছিল।

কণ্টক ঘোঁৰাই তাৰ প্ৰিয় গৰাকীক পাই খাড়পাটৰ দৰে লৰি যাবলৈ ধৰিলে আৰু পুৱতি ভোতা তৰা মাৰ নোযোৱাৰ আগতে এই ৰাজ্যৰ সীমা অনোমী নদীৰ পাৰ পালেগৈ। তাতে বুদ্ধদেৱে ঘৰৰপৰা পিন্ধি যোৱা ৰাজ-সাজপাৰ খুঁহাই চন্নৰ হাতত দিলে আৰু নিজে মাত্ৰ এখন সাধাৰণ চুৰিয়া পিন্ধিলে আৰু এখন চেলেং গাত ললে। চন্নই হুক হুক্ কৰি কান্দিবলৈ ধৰাত বুদ্ধই তেওঁক বুজনি দিলে আৰু ৰজালৈ সানুনয়ে কৈ পঠালে - তেওঁৰ প্ৰতি যেন খং নকৰে আৰু শোক নকৰে। তেওঁ ক'লে "মই মানুহৰ শোক নিবাৰণৰ উপায় বিচাৰি বনবাস গ্ৰহণ কৰিলোঁ। ৰজাক কবা মই এটা অমূল্য উপায় বিচাৰি উলিয়াই এদিন আকৌ তেওঁৰ আগত ওলাম হি। যদি নোৱাৰোঁ তেন্তে মই আৰু উলটি নাহোঁ। যদি পাৰো তেন্তে সেই অমূল্য ৰত্ন আনি এদিন পিতৃদেৱৰ শ্ৰীচৰণত নিবেদন কৰিমহি। সকলো ৰাজপুত্ৰই ৰাজ্যৰ অধিকাৰী হৈ অভিলাষৰ মেৰত পৰি নানা দুখ আৰু কষ্ট পায়। ময়ো এনে ৰাজ্য এখন বিচাৰিছো—যি ৰাজ্যৰ লোকে দুখ, জৰা মৃত্যু আদি জয় কৰিব পাৰিব। সেই কাৰণে ৰজাক মোৰ কাৰণে অনাহকত শোক কৰিবলৈ

নিদিবা। তুমি নিজেও একো দুখ নকৰিবা। মোৰ প্ৰতিজ্ঞা অটল।” এই বুলি কৈ তেওঁ অনোমী নদী পাৰ হৈ অৰণ্যৰ মাজত সোমাল। সাৰথি চন্নই কান্দি কান্দি বিহ্বল হৈ উভতি আহিল।

বাপা! তোমালোকে বুদ্ধদেৱৰ মহাত্যাগৰ কথা ভাবিব পাৰিছানে? এই ত্যাগ ৰামচন্দ্ৰৰ সিংহাসন ত্যাগতকৈ কোনো গুণে কম নহয়। শ্ৰীৰামচন্দ্ৰৰ উদ্দেশ্য আছিল পিতৃৰ সত্য ৰক্ষা কৰা। বুদ্ধদেৱৰ উদ্দেশ্য আছিল সমস্ত জীৱ-জগতৰ কাৰণে শান্তিৰ বাট উলিয়াই মহা সত্য নিৰ্দ্ধাৰণ কৰা। ঠিক ৰামচন্দ্ৰৰ দৰেই বুদ্ধদেৱে এই ত্যাগ স্বাভাৱিক ভাৱে ললেও তেওঁ মহা সংকল্প গ্ৰহণ কৰোঁতে নানা প্ৰলোভনে ভূমুকি নমৰাকৈ থকা নাছিল। ইপিনে ৰাজচক্ৰৱৰ্ত্তীৰ বিলাস আৰু আন পিনে ভিক্ষাজীৱী সন্ন্যাসীৰ সৰ্ব্বত্যাগী বৰ্জ্জন আৰু কঠোৰতাৰ ভিতৰত এটা পথ বাছি লবলগীয়াত পৰিছিল। অশেষ কষ্ট হলেও বুদ্ধদেৱে মায়া আৰু অসত্যৰ বাট এৰি ত্যাগ আৰু সত্যৰ বাট ললে। এই সঙ্কল্প লওঁতে যি বিলাস প্ৰলোভনে আহি বুদ্ধক বেঢ়ি ধৰিছিল সেই কথা বুজাবলৈ বৌদ্ধ গ্ৰন্থকাৰসকলে নানা যোজনাৰ সৃষ্টি কৰিছিল। মই সেইবোৰ বিৱৰণ দি বুদ্ধদেৱৰ এই চমু জীৱনী দীঘল কৰিব নোখোজো। কিন্তু তোমালোকে বুজা উচিত যে বুদ্ধৰ অনন্ত মহত্ত্ব এই মহাত্যাগ আৰু মহাসঙ্কল্পত সমস্ত জগতৰ লোকৰ নিমিত্তে নিজৰ সমস্ত ত্যাগ কৰিব পৰা শক্তি পৃথিৱীৰ লোকৰ ভিতৰত বিৰল। এই মহাশক্তি থকাৰ কাৰণেই বুদ্ধদেৱ পৃথিৱীৰ এজন অদ্বিতীয় মহাপুৰুষ।

## সন্ন্যাস জীৱন

যদিও বুদ্ধদেৱে সংসাৰ ত্যাগ কৰিলে, কি উপায়েৰে তেওঁৰ ইচ্ছা পূৰণ হব, অৰ্থাৎ কেনেকৈ জগতবাসীক শোক-দুখৰ মায়াজালৰপৰা মুক্ত কৰিব, সেই কথা তেওঁৰ জনা নাছিল। সেই সময়ত সিদ্ধ পুৰুষ হব লাগিলে সাধকসকলে যি নিয়ম লৈছিল অৰ্থাৎ শৰীৰক অশেষ কষ্ট দি ধ্যান-ধাৰণাৰ দ্বাৰা শক্তি বঢ়োৱা আৰু সংসাৰৰ প্ৰতি মায়া-মোহ নাশ কৰা নিয়ম লবলৈ তেৱোঁ বাধ্য হল। তেওঁ গেৰুৱা চুৰিয়া আৰু চেলেং পিন্ধিলে আৰু অনোমী নদী পাৰ হৈ অৰণ্যৰ মাজত তেনে সাধক বিচাৰি গল।

গৈ গৈ বিম্বিসাৰ ৰজাৰ ৰাজধানী ৰাজগৃহৰ পৰা অলপ দূৰৈত বহুত সন্ন্যাসী থকা ঠাই এডোখৰ পালেগৈ। পাঁচটা পৰ্ব্বতে মিলি সেই ঠাইখন

বেঢ়ি আছে। সেই পৰ্ব্বত কেইটাৰ নাম হৈছে বৈভাৰ, বিপুল, তপোবন, শৈলগিৰি আৰু ৰত্নগিৰি। সৰস্বতী নামেৰে এখন সৰু নৈ বিপুল পৰ্ব্বতৰ তলে তলে বৈ গৈছে। ৰত্নগিৰি পৰ্ব্বতৰ গাত আৰু জোপোহাৰ মাজত পাণ্ডৱ নামৰ এটা শিলৰ গুহা আছে। বুদ্ধদেৱে সেই গুহাত থাকি বাহিৰৰ শিলত বহি ঘোৰ তপস্যা আৰম্ভ কৰিলে।

১৭।৩

ৰাতি পুৱাবলৈ এঘণ্টামান থাকোতেই তেওঁৰ টোপনি ভাগে। উঠি গৈ সৰস্বতী নৈত স্নান কৰি সূৰ্য্যোদয়ৰ লগে লগে তেওঁ ৰাজগৃহ নগৰৰ আলি-বাটেৰে খোজকাঢ়ি গৈ থাকে। যাৰে ইচ্ছা হয় তেওঁক ভিক্ষা দিয়ে। এনে অসাধাৰণ ধুনীয়া মৌনী আৰু পবিত্ৰ যুবক সন্ন্যাসীক ভিক্ষা দিবৰ কাৰণে মতা-তিৰোতা, লৰা-ছোৱালী সকলোৱে বাটৰ মূৰলৈ ওলাই বৈ থাকে; কিন্তু বুদ্ধদেৱে অতি সামান্য খোৱা-বস্তু লৈয়েই আশ্ৰমলৈ উভতি যায়। যি বুদ্ধ-দেৱে নানা তৰহৰ ৰাজভোগ খাই আছিল, এই বস্তুবিলাক খাবলৈ পাই নিশ্চয় তেওঁৰ প্ৰথমে ভাল লগা নাছিল কিন্তু সত্য অন্বেষণৰ কাৰণে আনন্দ মনেৰে তেওঁ এনে নিঃকিন নতুন খাদ্য খাবলৈ আৰম্ভ কৰিলে। দিনৰ এপৰ মানৰপৰা তেওঁ যোগ আৰম্ভ কৰে আৰু ৰাতি দুপৰতহে সেই যোগৰ পৰা উঠে। আশ্ৰমৰ ঠাইখিনি এনে নিৰ্জ্জন আছিল যে দিনতে তাত বনৰীয়া জন্তু ওলায় কিন্তু বুদ্ধদেৱ তপস্যাত এনেভাৱে নিমগ্ন হৈ থাকে যে কেৰ্কেটুৱাই তেওঁৰ গাৰ ওপৰেদি লৰি ফুৰে আৰু নীল কপৌচৰায়ে তেওঁৰ ভৰিৰ তলত পৰি থকা খুদকণ বিচাৰি খাই ফুৰে, তথাপি তেওঁ নিৰ্ব্বিকাৰ একো ক'ব নোৱাৰে।

বুদ্ধদেৱ অকল তপস্যা কৰিয়েই সন্তুষ্ট হৈ থকা নাছিল। যি সমস্যা সমাধানৰ কাৰণে তেওঁ ইমান ব্যাকুল হৈ আছিল অধ্যয়নৰ দ্বাৰা সি সম্ভৱ-পৰ হয় বুলি তেওঁ সেই ঠাইতে আৰ্য্য ঋষিসকলৰ লগত ষড়-দৰ্শন পাঠ কৰিবলৈ আৰম্ভ কৰিলে। বৌদ্ধ লিখকসকলে তেওঁক প্ৰথমে আৰাড় ঋষি আৰু তাৰ পিছত উদ্ৰেক ঋষিৰ শিষ্য হোৱা বুলি কয়। ইয়াৰ বাহিৰে সেই ঠাইৰ ঋষিসকলৰ লগত তেওঁ জৰা মৃত্যু আদি সম্পৰ্কে আলোচনা কৰে। এই ঋষিসকলে তেওঁক বুজাবলৈ চেষ্টা কৰে যে পৰম ব্ৰহ্মৰ বাহিৰে পৃথি-ৱীত একো সত্য নাই। এই মনুষ্য শৰীৰ আৰু ইন্দ্ৰিয়বিলাকে অভিলাষ পূৰণ কৰি থাকে, তেতিয়ালৈকে মানুহে ব্ৰহ্মত্ব পাব নোৱাৰে, কেৱল মায়াতহে

বান্ধ খাই থাকে। সেই কাৰণে অশেষ কষ্ট দি যেতিয়ালৈকে শৰীৰৰ মায়া ধ্বংস কৰিব নোৱাৰে, তেতিয়ালৈকে মানুহে মুক্তি পাব নোৱাৰে। বুদ্ধদেৱে তেওঁৰ সেই সময়ৰ চলিত বিশ্বাসমতে তেওঁলোকক কয় যে যদি পৰম ব্ৰহ্ম মানুহৰ হৃদয়ত থাকে তেন্তে যি শৰীৰ ব্ৰহ্মৰ আধাৰ সেই শৰীৰকে ধ্বংস কৰি ব্ৰহ্মক উপলব্ধি কৰা যায় কেনেকৈ? ইয়াতে কোৱা বাহুল্য মাথোন যে এনে ধৰণৰ আলোচনা উপনিষদৰ দিনৰ পৰা চলি আহিছিল আৰু উপনিষদতো বুদ্ধই কোৱাৰ দৰে শৰীৰক অযথা কষ্ট দিয়াটো বেয়া বুলি উল্লেখ কৰিছে। সি যি নহওক সত্য অন্বেষণকাৰী শাক্যমুনিৰ ঋষিসকলৰ উপদেশ মনোমত নহলেও এই কঠোৰ বাটেৰেই কিজানি তেওঁ বিচৰা সমস্যাৰ কিবা সমাধান পায় এনে ভাবি তেওঁ কঠোৰ তপস্যাৰ বাটেৰে চলিবলৈ সঙ্কল্প কৰিলে।

বুদ্ধৰ জীৱনীলিখকসকলে বৰ্ণোৱা তেওঁ ৰাজগৃহত থাকোতে ঘটা অনেক ঘটনাৰ ভিতৰত দুটা ঘটনা উল্লেখযোগ্য বুলি ভাবি মই ইয়াত তুলি দিলো। ইয়াৰ দ্বাৰাই বুদ্ধদেৱৰ নিজৰ কঠোৰ জীৱন সত্ত্বেও জীৱৰ প্ৰতি অশেষ দয়াৰ পৰিচয় পোৱা যায়। এই ঘটনা দুটা কিমানদূৰ বুৰঞ্জীমূলক কোৱাটো টান কিন্তু ই যে বুদ্ধৰ চৰিত্ৰ আৰু মনোভাবৰ সম্পূৰ্ণৰূপে পৰিচায়ক তাত অকণো সন্দেহ নাই।

এদিন ৰাতিপুৱা ভিক্ষা লৈ উভতি আহোতে সুন্দৰী কিন্তু দুখীয়া মানুহ এজনীয়ে এটা শিশু কোলাত লৈ তেওঁৰ ভৰিৰ ওচৰত আঠু কাঢ়ি ক'বলৈ ধৰিলে—"প্ৰভু! মই একো নাজানো। আপোনাক দেখি মোৰ বিশ্বাস হৈছে—আপুনি নিশ্চয় এজন সিদ্ধ ঋষি। আপুনি ৰোগী মানুহকো ঔষধ দি ভাল কৰিছে। মোৰ এই সৰু লৰাটো দয়া কৰি ভাল কৰি দিয়ক। সি ৰাতিপুৱা ফুলৰ মাজত উমলি থাকোতে এডাল কলা সাপ লগ পাইছিল। মই অলপ দূৰৈত আছিলো। মোৰ বাছাই একো নাজানে। সি গৈ সাপটো ধৰিলে। সাপটোৱেও তাক হাতখনত মেৰিয়াই ধৰিলে। তেতিয়া বাছাই সাপটোৰ মূৰত খামুচি ধৰি তাৰ মুখখন মেলিবলৈ ধৰিছিল কিন্তু হঠাতে সি শেঁতা পৰি গল। মই কেতিয়াও ভবা নাছিলো মোৰ বাছাৰ কিবা হব পাৰে বুলি। লৰালৰিকৈ মই তাক পিয়াহ দিলো কিন্তু পিয়াহ মুখত লৈ তাৰ টোপনি আহিল। সি যে এতিয়ালৈকে সাৰ পোৱা নাই। মানুহে কৈছে সি বোলে সাপৰ বিষত মৰিল ভালে কেইজন মানুহে মোক কৈছে

আপুনি হেনো তাক ভাল কৰি দিব পাৰে। মই কি দিম, কি থম? হে দেৱতা! আপুনি নিজ কৃপা গুণেৰে এই দাসীক ৰক্ষা কৰক আৰু মোৰ কোলাৰ এই পোনাকণক ভাল কৰি দি দুখুনীক জীউ দান দি যাওক।" বুদ্ধৰ হৃদয় দয়াৰে উপচি পৰিল কিন্তু মৃত শিশুক তেওঁ কেনে কৰি জীয়াব। তেওঁ ক'লে, "আইদেউ! বাৰু মই এপালি ঔষধৰ কথা কওঁ শুনা। তুমি মোক কালিলৈ এতোলা ক'লা সৰিয়হ আনি দিবা কিন্তু এনে ঘৰৰ পৰা সেই সৰিয়হ আনিবা যাৰ ঘৰত কোনো কালে কোনো মানুহ মৰা নাই। পোৱানে এবাৰ চেষ্টা কৰি চোৱাগৈ।"

সেই আজলী মানুহজনীয়ে পিছ দিনা আকৌ বুদ্ধদেৱক লগ ধৰিলে। বুদ্ধই সুধিলে, "আইদেউ! সৰিয়হ পালানে?" মানুহজনীয়ে ক'লে, "প্ৰভু! ক'লা সৰিয়হ সকলো ঘৰতে আছে কিন্তু এনে এঘৰ মানুহ মই ক'তো নেপালো যাৰ ঘৰত এসময়ত নহয় এসময়ত মানুহ মৰা নাই। সেই কাৰণে মই মোৰ বাছাক কোলাত নানি নদীৰ পাৰৰ গছৰ তলত থৈ আহিছো আৰু আপোনাৰ পৰা জানিব আহিছো সি যদি সঁচাকৈয়ে মৰিছে তেন্তে সেই মৰণৰ হাতৰ পৰা কেনেকৈ মোৰ বাছাক জীয়াই তুলিব পাৰি।" অতি কোমল সুৰেৰে বুদ্ধদেৱে মানুহজনীক ক'লে, "ভনীটি! তোমাৰ ল'ৰাটি কালিয়েই তোমাৰ কোলাত মৰি আছিল। তুমি আজি মৰা মানুহ জীয়াবলৈ যি ঔষধ বিচাৰি আহিছা মযো তাকেই বিচাৰি ফুৰিছো। তুমি নিজ চকুৰেই দেখা পালা কেনেকৈ জগতৰ সকলো মানুহেই তোমাৰ দৰে দুখীয়া। মৃত্যু সংসাৰৰ এটা নিয়ম। সেইবাবে তুমি শোক নকৰিবা। মৃত ল'ৰাটিৰ সৎকাৰ কৰাগৈ যোৱা।"

আকৌ এদিন দুপৰীয়া। বুদ্ধদেৱে সেই ঠাইৰ সন্ন্যাসী এজনৰ লগত কথা পাতি আছিল। এনেতে কেটামান ভেৰাৰখীয়াই এজাক ভেৰা খেদি গোটেই ঠাইখন ধূলিৰে ধুঁৱলী-কুঁৱলী কৰি গৈছে। ভেৰাজাকৰ মাজৰ এজনী ভেৰা-ছাগলীৰ দুটা সৰু পোৱালি আছিল। এটা ভাল! সি আগে আগে লৰি-ঢাপৰি জপিয়াই গৈছে। আনটোৱে ঠেঙত কেনেবাকৈ দুখ পোৱাৰ বাবে লৰি যাব নোৱাৰি বেবাই ফুৰিছে। মাক ভেৰাজনীয়ে কোনটো পোৱালিৰ ওচৰত থাকিব একো ঠিক কৰিব পৰা নাছিল। তাই লৰি লৰি এবাৰ এটা পোৱালিৰ কাষলৈ গৈছে, এবাৰ বা সিটো পোৱালিৰ কাষলৈ গৈছে। বুদ্ধ-

দেৱে সেই কৰুণ দৃশ্য দেখা পালে। তেওঁ মৰমতে আগবাঢ়ি গৈ দুখ পোৱা ভেৰা-পোৱালিটোক কোলাত তুলি ল'লে আৰু ভেৰাজাকৰ লগে লগে যাবলৈ ধৰিলে। ভেৰাৰখীয়াবিলাকৰ পৰা জানিলে বিম্বিসাৰ ৰজাই কিবা যজ্ঞ উপলক্ষে এশ ভেৰা আৰু এশ ছাগলী বলি দিবলৈ সংকল্প কৰিছে আৰু সেই ভেৰাৰ জাক তালৈকে নিয়া হব। বুদ্ধদেৱেও ভেৰাৰ লগে লগে ৰজা ঘৰলৈ খোজ ল'লে।

১৮।৩।৪১

গহীন-গম্ভীৰ, শান্ত-সৌম্য সুন্দৰ সন্ন্যাসী এজনে কেচুৱা ভেৰা-পোৱালি এটা কোলাত লৈ যোৱা দেখি সকলোৱে আচৰিত হৈ চাবলৈ ধৰিলে। তেওঁ ৰজাঘৰ পোৱাৰ আগতেই কোনোবাই ৰজাক বতৰা দিলেগৈ। ৰজাই নিজে বুদ্ধদেৱক যজ্ঞস্থলীলৈ আগবঢ়াই নিলেহি। ভয়োকাষে শাৰী পাতি বামুণ-পুৰোহিতসকল থিয় হৈ আছে আৰু তেওঁলোকে মন্ত্ৰ উচ্চাৰণ কৰিব ধৰিছে। যজ্ঞকুণ্ডৰ অগ্নিয়ে ঘিউৰ আহুতি পাই দপদপকৈ জ্বলি উঠিছে। এনে সময়তে এটা ডাঙৰ পখৰা পঠা পঘাৰে বান্ধি বলিশালত কাটিবৰ কাৰণে অনা হ'ল। বুদ্ধদেৱে অতি কৰুণ ভাষাৰে এই নিমৰমিয়াল কাম কৰিবলৈ নিষেধ কৰিলে আৰু তেওঁ কবলৈ ধৰিলে, "হে মহাৰাজ! যদি এই পূজাত জীৱহত্যা নিতান্তই কৰিব লাগে তেন্তে ময়েই সেই বলি হবলৈ সাজু আছো তথাপি এই নিমাত নিৰীহ জীৱ কেইটাক হত্যা নকৰিব।" এই বুলি কৈ তেওঁ নিজে গৈ ছাগলীটো শালৰ পৰা মোকোলাই দিলে। তেওঁৰ মুখৰ ভাব ইমান গম্ভীৰ হৈছিল আৰু কথাখিনি কোমল হলেও এনে দৃঢ়ভাৱে কৈছিল যে সেই সমাজৰ ভিতৰত কোনো লোকেই তেওঁক প্ৰতিবন্ধক জন্মাবলৈ সাহ নকৰিলে। তেওঁ আকৌ কবলৈ ধৰিলে, "চাওক মহাৰাজ! আমি অসংখ্য প্ৰাণী হত্যা কৰিব পাৰো কিন্তু এটা অতি ক্ষুদ্ৰ প্ৰাণীকো জীৱ দিব পাৰোনে? আমি যেনেকৈ জীয়াই থাকিবলৈ ভালপাও এই নিৰীহ প্ৰাণী-বিলাকেও তেনেকৈ ভালপায়। আপুনি যেনেকৈ আপোনাৰ উপকাৰৰ কাৰণে দেৱতাসকলৰ কৰুণা বিচাৰিছে, এই নিৰীহ প্ৰাণীবিলাকেও তেনেকৈ কাতৰ-ভাৱে মাতিব লাগিছে চাওকচোন। আমাৰ শাস্ত্ৰৰ মতে এই প্ৰাণীবিলাকে বহু জন্মৰ পিছত এসময়ত মানুহ হবগৈ। যদি সেয়েই হয় তেন্তে ইহঁতক এইদৰে হত্যা কৰাটো ঘোৰ অন্যায় নহবনে? দেৱতাসকল নিশ্চয় এনে নিষ্ঠুৰ নহয় যে জীৱ-বধৰ দ্বাৰাহে তেওঁলোক সন্তুষ্ট হয় আৰু সেই কাৰণে

বলি ভেটী লৈহে তেওঁলোকে আমাৰ উপকাৰ কৰি দিব। শাস্ত্ৰমতে প্ৰত্যেক লোকে তাৰ কৰ্ম্মমতেহে ফল পাব। সেই কাৰণে মানুহ নিজৰ কামৰ বাবে নিজেই দায়ী। হে মহাৰাজ! সমস্ত জীৱৰাজ্য এগছি ডোলেৰে বান্ধ খাই আছে। সকলো জীৱৰে সুখ দুখৰ অনুভূতিৰ শক্তি আছে! সেই কাৰণে সকলো জীৱই ইটোৱে সিটোৰ প্ৰতি দয়া আৰু সহানুভূতি দেখুওৱা উচিত। জীৱক জীৱই নাশ কৰাটো মহা অন্যায় মহা অধৰ্ম্ম।"

বুদ্ধদেৱৰ এই কথাবিলাক সভাৰ পুৰোহিত, আন আন মানুহ, আনকি ৰজায়ো কৰযোৰে থিয় হৈ শুনি আছিল। অৱশেষত সকলোৱে বুদ্ধদেৱৰ সুযুক্তিপূৰ্ণ কথাত প্ৰত্যয় গ'ল আৰু তেতিয়াই বলি বন্ধ কৰি দিলে! বৌদ্ধ পুথিত উল্লেখ আছে যে বিম্বিসাৰ ৰজাই সেই দিনাৰ পৰাই তেওঁৰ ৰাজ্যত বলি দিয়া প্ৰথা ৰহিত কৰিলে। ৰজাই বুদ্ধদেৱৰ অসীম শক্তি, বিদ্যা আৰু সংযম দেখা পাই তেওঁ কোন জানিবলৈ ইচ্ছা কৰিলে। সন্ন্যাসী হোৱাৰ আগতে তেওঁ কোন আছিল, কি কৰিছিল সেই কথা সুধিলে। তেতিয়া বুদ্ধদেৱে তেওঁৰ বিষয়ে সকলো কথাকে জনালে। সেই কথা শুনি বিম্বিসাৰ ৰজাই কলে যে সিদ্ধাৰ্থ সম্বন্ধত তেওঁৰ ককাযেক হয়, গতিকে তেওঁ এই ৰাজ্যত বসতি কৰি তেওঁৰে সৈতে ৰাজত্ব কৰক। বুদ্ধদেৱে ক'লে, "মানৱ জাতিক জৰা-মৃত্যু, শোক-দুখৰ পৰা ৰক্ষা কৰিবলৈ মই মোৰ জীৱনৰ উদ্দেশ্য স্থিৰ কৰি লৈছো। যেতিয়ালৈকে সেই সমস্যাৰ এটা সিদ্ধান্ত বিচাৰি নেপাও তেতিয়ালৈকে মোৰ মনত আন চিন্তা নাই। ৰাজ্য ভোগ কৰাই মোৰ জীৱনৰ উদ্দেশ্য হোৱা হলে মই সন্ন্যাস গ্ৰহণ নকৰিলোহেতেন। মই যি সত্য বিচাৰিছো যদি পাও তেন্তে নিশ্চয় মই আপোনাকে উভতি আহিম।" বিম্বিসাৰে বুদ্ধদেৱক সেৱা কৰি সসম্ভ্ৰমে বিদায় দিলে।

## তপস্যা

এতিয়া সকলোতে জনাজাত হবৰ আশঙ্কা কৰি শাক্যমুনি ৰাজগৃহৰ পশ্চিমে থকা উৰুবেলা বুলি ঠাই এখনলৈ গ'ল আৰু তাত আগতকৈয়ো উগ্ৰভাৱে তপস্যা আৰম্ভ কৰিলে। এই ঠাইতে অলৰা আৰু উদ্ৰেক ঋষি আছিল আৰু পাঁচজন কঠোৰ তপস্যাত ব্ৰতী ব্ৰাহ্মণ আছিল। তেওঁলোকৰ নাম কোণ্ডন্য, ভদ্দিয়, ৱাপালা, মহানাম আৰু অস্‌সজি। বুদ্ধদেৱ এওঁলোকৰ লগত থাকিলহি। আগতে উল্লেখ কৰিছো যে সেই সময়ৰ সাধকসকলৰ কামনা আছিল পৰম

ব্ৰহ্ম লাভ কৰা আৰু উপায় আছিল শৰীৰক অশেষ কষ্ট দিয়া। বৌদ্ধ পুথিবিলাকত এই সাধকবিলাক কিছুমানে কেনেকৈ সদায় বাহু তুলি থাকি, কিছুমানে সদায় এখন ভৰিৰ ওপৰত থিয় দি, কিছুমানে মূৰটো তললৈ কৰি তাৰ ওপৰত ভৰি দি ভৰি দুখন ওপৰলৈ কৰি নানা প্ৰকাৰে হঠ-যোগৰ ব্যায়াম কৰিছিল তাৰ বিৱৰণ দিছে। বুদ্ধদেৱেও তেওঁ বিচৰা সত্যৰ সন্ধান পাবৰ আশাত এই দৰে শৰীৰক কষ্ট দিবলৈ ধৰিলে। এতিয়া তেওঁ ভিক্ষা বিচাৰি ফুৰিব যাবলৈকো এৰিলে। ওচৰতে কমণ্ডলুটো থৈ তেওঁ ৰাতিপুৱাৰপৰা গধূলিলৈ ধ্যানত বহে কিন্তু খাবৰ জোখাৰে বস্তু দিওঁতা কোনো নাই। ক্ৰমাৎ তেওঁৰ সুন্দৰ আৰু সুঠাম শৰীৰ হাড় আৰু ছালত পৰিলগৈ। তথাপি তেওঁ সঙ্কল্পৰ পৰা অলপো বিৰত নহল। কোনোবাই তেওঁক এই কষ্ট পৰিত্যাগ কৰিবলৈ কওঁতে তেওঁ কৈছিল, "মোৰ সমগ্ৰ শৰীৰ যদি শুকাযো যায়, আনকি যদি মোৰ মৃত্যুও হয় তথাপি মই সত্য অন্বেষণত পাছ নপৰো। যুদ্ধত পৰাজিত হোৱাতকৈ মৃত্যু বৰণ কৰাই শ্ৰেয়।"

এইদৰে কঠোৰ তপস্যা কৰি বুদ্ধদেৱে ছবছৰ কটালে। পিছত তেওঁৰ শৰীৰ অতিশয় দুৰ্ব্বল হবলৈ ধৰিলে আৰু তেওঁৰ ধাৰণা শক্তিও টুটি আহিল। একো নোখোৱা-নোবোৱাকৈ কঠোৰ যোগ কৰি দুপৰীয়া প্ৰখৰ ৰদত বহি থাকোতে এদিন হঠাতে তেওঁ মূছ-কঁছ গৈ ভালেখিনি পৰ অচেতন হৈ আছিল। এটা ছেৰাবখীয়া লৰাই তেওঁক তেনে অৱস্থাত দেখা পাই কিছুমান গছৰ ডাল কাটি আনি তেওঁৰ মূৰৰ ওপৰত এটা পজাঘৰ সাজি দিলে। তত-তৈয়াকৈ ছাগলী খীৰাই আনি সি তেওঁৰ মুখত গাখীৰ দিলে। তেতিয়াহে বুদ্ধদেৱ সুস্থ হ'ল। এই ল'ৰাটো জাতত শূদ্ৰ আছিল। সেই বাবে প্ৰথমতে সি বুদ্ধদেৱক মুখত গাখীৰ দিবলৈ সঙ্কোচ কৰা দেখি তেওঁ কৈছিল, "মানুহৰ জাত একো নাই। একে তেজ-মাংসৰে সকলোৰে শৰীৰ সৃষ্ট হৈছে। যি ভাল কাম কৰে সিয়েই দ্বিজ হয়। দিয়া ভাই, তুমি মোৰ মুখত গাখীৰ দিয়া।"

আৰু এদিন তেওঁ এইদৰে যোগধ্যান কৰি থাকোতে নাচনী কেজনীমান আহি ওস্তাদৰ লগে লগে গান গাই ফুৰিছিল। গানৰ অৰ্থ আছিল এনে-কুৱা - যেতিয়া চেতাৰৰ তাঁৰ নিয়মমতে টনা থাকে তেতিয়া আৱাজ ভালকৈ উঠে আৰু বেছিকৈ টানিলে তাঁৰেই ছিঙি যায়। নাচনী কেইজনীৰ গান বুদ্ধদেৱৰ কাণত পৰিল। তেওঁ ভাবিবলৈ ধৰিলে, "এই সাধাৰণ নাচনী

কেজনীৰ কথাতে ইমান ডাঙৰ সত্য আছে। মই মোৰ শৰীৰক ইমান গুৰুতৰ কষ্ট দিয়াটো জানো ঠিক হৈছে? চেতাৰৰ তাঁৰৰ দৰে মোৰ শৰীৰো নষ্ট হৈ যাব নোৱাৰিবনে? সেযে হলে মই সত্য বিচাৰি উলিয়াম কেনেকৈ?"

তেওঁৰ মানসিক পৰিবৰ্ত্তন হ'ল, সুজাতাৰপৰা পূজা পাই আৰু তেওঁৰ লগত কথা-বতৰা হৈ। এতিয়া সেই সুজাতা আৰু বুদ্ধৰ কাহিনী কওঁ শুনা। উৰুবেলাৰ ওচৰত এখন গাওঁ আছিল। সেই গাঁৱত সেনানী নামেৰে এজন মুখিয়াল মানুহ আছিল। সেনানী বৰ পৰিশ্ৰমী আৰু ন্যায়-পৰায়ণ লোক আছিল। মানুহবিলাকে তেওঁক সন্মান দেখুৱাবৰ বাবে সেই গাওঁখনৰ নামো সেনানী থৈছিল। সুজাতা তেওঁৰে ঘৈণীয়েক। সুজাতা অতি সুন্দৰী আৰু পতিব্ৰতা তিৰোতা আছিল। সেনানীয়ে যিদৰে তেওঁলোকৰ বাহিৰৰ সংসাৰখন চলাইছিল সুজাতায়ো সেইদৰে ভিতৰৰ ঘৰখনৰ সকলো কামকে অতি পৰিপাটিকৈ চলাইছিল। ধান আৰু নানান শস্যৰে তেওঁলোকৰ ভঁড়ালঘৰ পূৰ হৈ থাকে। তেওঁলোকৰ গোহালি গৰু-গাই ভেৰা, ছাগলী আদিৰে ভৰি থাকে। অতিথি-শালাৰপৰা অতিথি গুচুৱেই চাকৰে-বান্দীয়ে ঘৰখন ভৰা। চাৰিওফালে জয়জয় ময়ময়। সকলোৱে সন্তুষ্ট মনে কাম কৰি গৃহস্থীখন দিনে দিনে বঢ়াই নিছে। এনেহেন সুখৰ সংসাৰত এটা মাথোঁ দুখৰ কথা আছিল। সুজাতাৰ ল'ৰা-ছোৱালী একো নথকাৰ বাবে তেওঁৰ মনত সদায় দুখ। এইবাৰ এটা ল'ৰা-সন্তান পাবৰ বাবে তেওঁ দেৱতাসকলক বহু পূজা-সেৱা দিলে আৰু ল'ৰা উপজিলেই তেওঁলোকৰ ঘৰৰ কাষতে থকা বননিলৈ গৈ নিজ হাতে ভোগ তৈয়াৰ কৰি বনদেৱতাক এভাগ পূজা দিম বুলি মনে মনে সৈ থলে।

ঈশ্বৰৰ কৃপাত সঁচাকৈয়ে সুজাতাৰ অতি সুন্দৰ ল'ৰা এটা হ'ল। তেওঁ দেৱতাসকলক আকৌ নানান পূজা-সেৱা দিলে আৰু ল'ৰাটিৰ তিনি মাহ পূৰ হোৱাত পূৰ্ব্বৰ প্ৰতিজ্ঞা অনুসৰি বুদ্ধদেৱে তপস্যা কৰি থকা বনদেৱতাক পূজা দিবলৈ ওলাল। এহাতেৰে ল'ৰাটো বুকুত সাৱটি ধৰি, আন হাতেৰে নিজে সিজোৱা পৰমান্নৰ পাত্ৰ মূৰত লৈ সুজাতাই এজনী বুঢ়ী তিৰোতাৰ লগত বননিলৈ গ'ল। বুঢ়ীজনীক আগবাঢ়ি গৈ ডাঙৰ গছ এজোপাৰ তলখন সাৰিপুচি পৰিষ্কাৰ কৰি পূজা দিয়া ঠাই সজাবলৈ কলে। আচৰিত কথা অলপ সময়ৰ পিছতে বুঢ়ীয়ে উলটি আহি ক'লে, "আইটি! তোমাৰ আজি পৰম সৌভাগ্যৰ দিন। সেই গছৰ তলত বনদেৱতাই নিজে দেখা দি ধ্যান-

আসনত বহি আছে। বলা এতিয়া, সোনকালে তেওঁক পূজাভাগি দিয়াগৈ।"

সৰলা সুজাতাই বিশ্বাস কৰি আঠু কাঢ়ি নিজৰ বিহাৰ আঁচলেৰে মাটি-খিনি সাৰি পৰিষ্কাৰ কৰি অতি সুপ্ৰসন্ন আৰু একাগ্ৰচিত্তেৰে সেই সোণৰ পাত্ৰত অনা পৰমান্ন ধ্যানত বহি থকা দেৱতাৰ আগত থলে। এচৰতে একাষৰীয়া হৈ আঠু লৈ কেচুৱাটোক দুই হাতত তুলি লৈ তেওঁ কবলৈ ধৰিলে, "হে দেৱ! পৰম সৌভাগ্যৰ বাবেহে মই তোমাক সোশৰীৰে আগত দেখা পালো। দাসীৰ প্ৰতি তোমাৰ দয়া অশেষ। তুমি মোৰ বাঞ্ছা পূৰ্ণ কৰিছা। এতিয়া মই ঘৰৰ গৰুৰ গাখীৰেৰে নিজ হাতেৰে এই ভোগ যুগুত কৰি আনিছো। তুমি গ্ৰহণ কৰা আৰু মোৰ এই শিশুটিক আশীৰ্ব্বাদ দিয়া প্ৰভু!" ধ্যানত বহি থকা দেৱতাজনা বুদ্ধদেৱৰ বাহিৰে আন কোনো নহয়। আজি কিছুমান দিনৰপৰা কঠোৰ শাৰীৰিক তপস্যাৰ সম্বন্ধে তেওঁৰ মনত সন্দেহ উপস্থিত হৈ আছিল। নাচনী কেইজনীৰ গীত শুনি তেওঁৰ মনত সেই আশঙ্কাই স্পষ্টভাৱে দেখা দিছিল। তেওঁৰ সেই মানসিক দ্বিধাভাব পাতলি সুজাতাৰ সৰলতা আৰু তেওঁ দিয়া ভোগ অমৃত যেন বোধ হ'ল। তেওঁ সেই ভোগ খালে আৰু খোৱাৰ লগে লগে তেওঁৰ মুখলৈ জ্যোতি আৰু প্ৰসন্নতা আহিল আৰু প্ৰকৃততে দেৱতাৰ সৌন্দৰ্য্যৰ দৰে তেওঁৰ ৰূপ জ্বলি উঠিল। সৰলা সুজাতাই অনিমেষ নেত্ৰে তেওঁৰ পিনে চাই আছিল। পিছে বুদ্ধদেৱক আজলী ভাবতেই তেওঁ সুধিলে, "প্ৰভু! সঁচাকৈয়ে তুমি বনদেৱতা নোহোৱানে? এই দাসীৰ পূজাত সন্তুষ্ট হৈছানে?" বুদ্ধদেৱৰ এই উৎকৃষ্ট আহাৰ খোৱাত শৰীৰলৈ অলপ শক্তি আহিল। তেওঁ লাহে লাহে সুধিলে, "তুমি কোন? মোক কি খাবলৈ দিলা? মোৰ শৰীৰত ইমান শক্তি পাইছো।" তেতিয়া সুজাতাই সকলো কথা ভাঙিপাতি ক'লে, "প্ৰভু! মই ল'ৰা এটি পালে এই গছৰ তলতে তোমাক ভোগ দিম বুলি মনে মনে সইছিলো। মই এশজনী গৰুৰ গাখীৰ পঞ্চাচজনী গৰুক খুৱাইছিলো। তাৰে যি গাখীৰ হ'ল তাকে আকৌ পচিশজনীক খুৱালো। সেই পচিশজনীৰ গাখীৰ বাৰজনীক খুৱালো। বাৰজনীৰ গাখীৰ ছজনীক খুৱাই নিজে মই গাখীৰ দুইছিলো। আমাৰ খেতিৰ সকলোতকৈ উৎকৃষ্ট ধানৰ পৰা চাউল বানি সেই গাখীৰ আৰু চাউলত সুগন্ধি মচলা দি মই নিজে ৰান্ধি এই সোণৰ পাত্ৰত তোমাক লগাবলৈ পৰমান্ন আনিছো–মনত বৰ আনন্দেৰে! কিয়নো মোৰ বাঞ্ছা পূৰ্ণ হ'ল আৰু মোৰ জীৱন ধন্য হ'ল।"

বুদ্ধদেৱে তেতিয়া ছুয়োখন হাতেৰে শিশুটোৰ মূৰত ধৰি আশীৰ্ব্বাদ দিলে আৰু ক'লে, "ভনীটি ! মই দেৱতা নহওঁ, তোমালোকৰ দৰেই মানুহহে। এসময়ত মই ৰাজকোঁৱৰ আছিলো। মানুহৰ মনৰপৰা অজ্ঞানতাৰ আন্ধাৰ দূৰ কৰি শোক-দুখৰ বোজা গুচাবৰ নিমিত্তে এই কঠোৰ সন্ন্যাস ব্ৰত গ্ৰহণ কৰিছো। মই নিশ্চয় ভাবিছো সেই সত্য এদিন যেনে হলেও পাম। কিন্তু মই তোমাক এটা কথা সুধিব খোজো, 'সংসাৰত কেৱল মৰম ডোলত বান্ধ খাই জীৱন যাপন কৰাৰ বাহিৰে তোমাৰ মনত একো আকাঙ্ক্ষা নাইনে ?' সুজাতাই উত্তৰ দিলে, "প্ৰভু ! মই অতি সাধাৰণ আৰু অলপ জ্ঞানৰ তিৰোতা মানুহ এজনী মাথোন। মই তত্ত্ব-কথা একোৱে ভু নাপাওঁ। গতিকে ঈশ্বৰে মোক দয়া কৰি যি দিছে তাকে লৈয়েই মই সন্তুষ্ট। প্ৰকৃততে মোৰ দিনবোৰ বৰ সুখত অতিবাহিত হৈ আহিছে। ৰাতি পুৱাও নৌ পুৱাওতেই উঠি গৃহস্থীৰ কাম চাওঁ। চাকৰ-বান্দীক ভাগে ভাগে কামত লগাই দিওঁ। দুপৰীয়া স্বামীয়ে দুখে-ভাগৰে ঘৰলৈ আহিলে তেওঁক সেৱা-শুশ্ৰূষা কৰি আলপৈচান ধৰো। ৰান্ধুলি নিজ হাতে ৰান্ধি-বাঢ়ি আগত থাকি খাবলৈ দিওঁ। ইয়াৰ উপৰিও এই কেচুৱাটো হোৱাৰ পৰা তাক তুলিতালি ডাঙৰ কৰিবলৈ পাই মই মনত বৰ আনন্দ লভিছো। সংসাৰৰ সুখ আৰু মৰম ইয়াতকৈ কিবা বেছি হব পাৰেনে ? মোৰ বিদ্যা-বুদ্ধি কম হোৱাৰ কাৰণে মই নিজে শাস্ত্ৰৰ কথা বেছিকৈ নাজানো। গাঁৱত ডাঙৰ-বৰ্জা পণ্ডিত-সকল আছে। তেওঁলোকে পুৰণি শাস্ত্ৰ পঢ়ি সকলো কথাকে জানে। তেওঁলোকে যি কয় সেয়ে মোৰ পক্ষে শাস্ত্ৰ। তথাপি তেওঁলোকৰপৰা মই দুই-এটা সাধাৰণ কথা বুজিব পাৰিছো। মানুহে ভাল কাম কৰিলে ভাল ফল পায় আৰু বেয়া কাম কৰিলে বেয়া ফল পায়। দয়া আৰু মৰম কৰিলে আৰু বেছি দয়া আৰু মৰম ওপজে। সেই দৰে হিংসা আৰু ঘৃণাৰ পৰাও হিংসা আৰু ঘৃণা বাঢ়ে। এই কথাৰ প্ৰমাণ আমি নিজৰ জীৱনতে দেখি আহিছো। নিশ্চয় মৰণৰ পিছতো ইয়াৰ প্ৰমাণ ভালকৈ দেখা পাম। কিয়নো এগুণ সঁচৰপৰা শস্য পঞ্চাচ গুণ বাঢ়ে। আমাৰ কামৰ ফলো তেনেকৈ নাবাঢ়িব জানো ? আৰু যেতিয়া যি ঘটিবলগীয়া আছে যি ঘটিবই। মই এনেদৰেও ভাবি আছো যে মোৰ শোক আৰু দুখো হব পাৰে আৰু মই জানো মোৰ বাবে এনে দুখো আহিব পাৰে যি দুখ মোৰ পক্ষে সহ্য কৰাও টান হৈ উঠিব কিন্তু তথাপি তাক মই সহ্য কৰিবই লাগিব। পতিব্ৰতা তিৰোতা আৰু মৰমিয়াল

মাকৰ কৰ্ত্তব্য পালন কৰি মই সংসাৰৰ ধৰ্ম্ম পালন কৰিব লাগিব। এই সুকোমল শিশুটোৰেও যদি মোক এৰি যায়- মই বুজিছো ঈশ্বৰে নকৰক তেনে দিন যদি আহে সেই দিনা মোৰ সমগ্ৰ জীৱনৰ জ্যোতিয়ে নোহোৱা হ'ব কিন্তু তথাপি মোৰ স্বামীৰ প্ৰতি যি কৰ্ত্তব্য, মোৰ দেৱতাৰ প্ৰতি যি কৰ্ত্তব্য মই তাক অৱহেলা কৰিব নোৱাৰিম। মোৰ জীৱন শেষ হ'ব কেৱল মোৰ স্বামীৰ জীৱনৰ লগত। তেওঁৰ লগত একেখন চিতাতে মই আনন্দ মনেৰে উঠিম আৰু তিৰোতাৰ প্ৰেমৰ দ্বাৰাই মোৰ স্বামীক স্বৰ্গবাসী কৰিম। এনে জীৱনতকৈ তিৰোতাৰ পক্ষে উৎকৃষ্ট জীৱন আছেনে প্ৰভু? সেই কাৰণে মোৰ মনত কোনো ভয়ৰ ভাব বা দ্বিধা ভাব নাই। মই আনন্দমনে ঋষি-সকলে নিৰ্দ্দিষ্ট কৰি দিয়া বাটেৰে ধৰ্ম্মমতে চলি থাকিম, ইয়াকে বিশ্বাস কৰিয়ে যে ভাল বেয়া যি হবলগীয়া আছে সি মই ইচ্ছা নকৰিলেও হবই হ'ব।

বুদ্ধদেৱে সুজাতাৰ কথা শুনি মুগ্ধ হৈ ক'লে, "ভনীটি! তোমাৰ সৰল ব্যাখ্যাৰ পৰা মই আজি বহুত কথা শিকিলো। যিজন জগতৰ শিক্ষক হ'বলৈ আগবাঢ়ি ওলাইছে তেওঁক তুমি আজি মহা উপদেশ দিলা। তোমাৰ এই সৰল ধৰ্ম্মনিষ্ঠা আৰু কৰ্ত্তব্যবোধ দিনে দিনে বাঢ়ক আৰু তোমাৰ সংসাৰ কৰ্ত্তব্যময় আৰু প্ৰেমময় হওক। ভনীটি, মোকো তুমি আশীৰ্ব্বাদ কৰা যাতে ময়ো যি সত্য বিচাৰিছো তাক অচিৰতে লাভ কৰিব পাৰো।" সুজাতাই শিশুটিৰ ফালে চাই কৰযোৰ কৰি উচ্চাৰণ কৰিলে, "প্ৰভু! তোমাৰ উদ্দেশ্য সিদ্ধি হওক।"

## সিদ্ধিলাভ

ওপৰত উল্লেখ কৰা কাহিনীৰ পৰা সাধক বুদ্ধৰ সেই সময়ৰ মনোভাবৰ আভাস পোৱা যায়। আজি সাত বছৰ শাস্ত্ৰ-অধ্যয়ন, মানসিক ধ্যান আৰু ধাৰণা কৰি কঠোৰ শাৰীৰিক তপস্যা কৰিও তেওঁ বিচৰা সমস্যাৰ একো সিদ্ধান্ত পোৱা নাই। কিন্তু কেজনীমান সাধাৰণ নাচনী আৰু এজনী পতি-ব্ৰতা তিৰোতাৰ কথাৰ ভিতৰত ডাঙৰ সত্য লুকাই থকা যেন তেওঁ অনুভৱ কৰিলে। এতিয়া তেওঁ অনশন ব্ৰতৰ কঠোৰতা ত্যাগ কৰিলে আৰু এসন্ধ্যা খাবলৈ ধৰিলে। শাৰীৰিক কষ্টৰ দ্বাৰা যে বুদ্ধত্ব পাব নোৱাৰি সেই বিষয়ে তেওঁৰ মনত সন্দেহ নোহোৱা হ'ল। লগৰ ব্ৰাহ্মণ সাধক কেইজনে তেওঁক যোগভ্ৰষ্ট হোৱা বুলি ভাবি তেওঁৰ লগ এৰি কাশীৰ সাৰনাথত থাকিলগৈ।

ইয়াৰ কিছুদিন পিছত বৰ্ত্তমান গয়াৰ ওচৰত এজোপা বট গছৰ তলত বহি চিন্তা কৰি থাকোতে এদিন বুদ্ধদেৱে তেওঁ বিচৰা সত্য নিজৰ জীৱনতে উপলব্ধি কৰিলে। তেওঁ পূৰ্ণ জ্ঞানৰ গৰাকী হল। জগতৰ দুখ-শোকৰ মূল কাৰণ কি, কি বাট ল'লে আৰু কি কি কাম কৰিলে মানুহে এই দুখ-শোকৰ পৰা মুক্তি পাব পাৰে তাৰ সমিধান তেওঁ পালে। তেওঁ নিজে বিকাৰ-শূন্য, আসক্তি-শূন্য, পৰম আনন্দময় অৱস্থা লাভ কৰিলে। সেই দিনা বহাগ মাহৰ পূৰ্ণিমাৰ ৰাতি আছিল।

এই জ্ঞান উদয় হবৰ সময়ত বুদ্ধদেৱৰ আগত কেনেকৈ নানান প্ৰলোভন উপস্থিত হৈছিল সেই কথা বৌদ্ধলিখকসকলে বৰ্ণনা কৰিছে। বৌদ্ধমতে মাৰ বুলি এজন দেৱতা সকলোবোৰ পাপৰে বস্তু। এই মাৰে সাধক বুদ্ধক ভ্ৰষ্ট কৰিবৰ কাৰণে যত ৰকমৰ পাপ প্ৰলোভন আছে যেনে – কাম, ক্ৰোধ লোভ, মোহ এই আটাইবিলাকক নানা ভাও দি তেওঁৰ আগলৈ পঠিয়াই দিছিল। সদৌ শেষত মাৰে নিজেই আহি বুদ্ধদেৱক নানা প্ৰকাৰে ভয় খুৱাবলৈ চেষ্টা কৰিছিল। কিন্তু বুদ্ধদেৱে সকলো প্ৰলোভনকে তুচ্ছ জ্ঞান কৰি জয়লাভ কৰিলে। নিৰ্ভীকভাৱে সকলো আশঙ্কা, দ্বিধা আৰু মনৰ ভয় দূৰ কৰিলে আৰু সৰ্ব্বশক্তিমান আৰু সৰ্ব্বপ্ৰেমময় পূৰ্ণ-ব্ৰহ্ম হৈ উঠিল।

বাপা! মহাপুৰুষৰ জীৱনত এনে মানসিক অৱস্থাৰ কথা জীৱনী লিখক-সকলে লিখিছে। যীশুৰ জীৱনী পঢ়োতে পাবা দুকুৰি দিন তেওঁ পৰ্ব্বতৰ গুহাত সোমাই তপস্যা কৰিছিল আৰু চয়তানে আহি তেওঁকো ঠিক এই-দৰে প্ৰলোভন দেখুৱাইছিল। দৰাচলতে বুদ্ধদেৱৰ মনলৈ নানা প্ৰকাৰ ভাব অহাৰ যথেষ্ট কাৰণ আছিল। প্ৰথমতে চোৱা তেওঁ সত্য অন্বেষণ কৰি ৰাজ্য আৰু ৰাজভোগ বিসৰ্জ্জন দিলে। নিজৰ প্ৰাণাধিকা তিৰোতা, কেচুৱা ল'ৰা, মৰমৰ পিতা সকলোকে ত্যাগ কৰিলে। কঠোৰ তপস্যা কৰি একো ফল নোহোৱা দেখি হঠ যোগ তপস্যাকো ত্যাগ কৰিলে. এনে অৱস্থাত মানুহ মাত্ৰৰে মনত আশঙ্কা হোৱা স্বাভাৱিক। তেনেহলে তেওঁৰ জীৱনটো বৃথাই যাবনে? কিন্তু সাধক বুদ্ধদেৱৰ মনত এনেবোৰ দুৰ্ব্বল চিন্তাই, দ্বিধা আৰু আশঙ্কাই খোপনি পুতিব নোৱাৰিলে আৰু এই মানসিক আৰু আধ্যাত্মিক যুদ্ধত জয়লাভ কৰি তেওঁ পূৰ্ণ জ্ঞান, পূৰ্ণ বুদ্ধত্বৰ অধিকাৰী হবলৈ সমৰ্থ হয়।

বুধ-গয়াৰ যি মহাবৃক্ষৰ তলত বুদ্ধদেৱে পূৰ্ণ জ্ঞান পাইছিল সেই ঠাই-খিনি আজিও বৌদ্ধসকলৰ কাৰণে পৱিত্ৰ ঠাই। ইয়াৰ বাহিৰেও তেওঁ যি

ঠাইৰ পৰা থিয় হৈ এই মহা বট গছডালৰ ফালে চাই বুদ্ধত্বৰ সম্বন্ধে চিন্তা কৰিছিল, যি ঠাইত তেওঁ কাৰণময় ধৰ্ম্ম (universal love of God) সম্বন্ধে ধ্যান কৰিছিল, যি ঠাইত বৌদ্ধসকলৰ বাৰনিদানৰ কথা ভাবি ফুৰিছিল, যি ঠাইত থাকি তেওঁ অৱশেষত বৌদ্ধধৰ্ম্ম প্ৰচাৰ কৰিবলৈ সঙ্কল্প কৰিছিল সেই সকলো বৌদ্ধসকলৰ তীৰ্থস্থান।

বুদ্ধদেৱে তেওঁৰ ৩৫ বছৰ বয়সত বুদ্ধিসত্ত হয়। বুদ্ধত্ব লাভ কৰাৰ পিছতো বুদ্ধদেৱ সেই ঠাইত সাত সপ্তাহ আছিল। তেওঁ তাতে মধ্য পন্থাৰ (the middle path) আৰু কৰ্ম্মফল বা ধৰ্ম্মৰ সত্য (law of cansation) লাভ কৰে। এই সম্বন্ধে মই শেষত দু-আষাৰমান কবলৈ চেষ্টা কৰিম। এই সত্যবিলাক উপলব্ধি কৰাৰ পিছতো বুদ্ধদেৱে এইবিলাক জগতৰ লোকৰ মাজত প্ৰচাৰ কৰিব নে তেওঁ মহা নিৰ্ব্বাণ লাভ কৰি নিজৰ শৰীৰকে ত্যাগ কৰিব এই সম্বন্ধে তেওঁৰ মনত দ্বিধা আহিল কিয়নো এই জ্ঞান ইমান মহৎ আৰু সাধাৰণ মানুহৰ পক্ষে বুজিবলৈ ইমান টান যে তেওঁ কেনেকৈ এইবিলাক মানুহক শিক্ষা দিব ভাবিয়ে স্থিৰ কৰিব পৰা নাছিল। বৌদ্ধ লেখকসকলে কয় যে বুদ্ধদেৱে এই ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে আকাশী বাণীৰে আজ্ঞা পালে আৰু তেতিয়াৰপৰা প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিলে।

## ধৰ্ম্ম-প্ৰচাৰ

২১।৩।৪১

ধৰ্ম্মপ্ৰচাৰ কৰাৰ সঙ্কল্প কৰাৰ পিছতে বুদ্ধদেৱে তেওঁৰ লগত তপস্যা কৰা সন্ন্যাসী ব্ৰাহ্মণ কেইজনক বিচাৰি তেওঁ কাশীলৈ আহিল। সাৰনাথ নামেৰে ঠাইত তেওঁলোকক লগ পালে। সন্ন্যাসী কেজনে বুদ্ধই এসন্ধ্যা আহাৰ কৰাৰ কাৰণে তেওঁক তপভ্ৰষ্ট লোক বুলি জ্ঞান কৰি তেওঁৰ লগত কথাকে কবলৈ বিচৰা নাছিল। কিন্তু বুদ্ধদেৱৰ সৌম্য মূৰ্ত্তিত এনে এটা আচৰিত শক্তি আছিল যে বুদ্ধদেৱ ওচৰ চপাত তেওঁলোকে থিয় হৈ নমস্কাৰ জনালে। তেওঁলোকৰ এজনে বুদ্ধদেৱক তাচ্ছিল্যৰ ভাবত সুধিলে, "আপুনি সত্য বিচাৰি পালেনে?" বুদ্ধদেৱে স্বাভাৱিক নম্ৰভাৱে উত্তৰ দিলে, "যি জ্ঞানৰ দ্বাৰা মানুহে জৰা মৃত্যুৰ শোকৰপৰা উদ্ধাৰ পাব পাৰে তেওঁ সেই জ্ঞানৰ পূৰ্ণতা লাভ কৰিছে।" আন এজনে ক'লে, "আমি ইমান দিনে কঠোৰ ব্ৰত পালন কৰিও একো নাপালো, তুমি বিলাসী হৈয়ো পৰমাৰ্থতত্ত্ব বিচাৰি

পালানে ?” বুদ্ধদেৱে উত্তৰ দিলে, “তথাগতক বিদ্রূপ নকৰিবা। মই বিলাসী নহও। নিশ্চয়কৈ জানিবা যে পবিত্র জীৱনে যি জ্ঞান সত্য বুলি বিচাৰে তাক মোৰ জীৱনতে উপলব্ধি কৰিছো।” তেতিয়া কোণ্ডন্যই বুদ্ধদেৱৰ কথাৰ শ্ৰৱণত আচৰিত আৰু মোহিত হৈ তেওঁক সেই ধৰ্ম্মৰ সকলো তত্ত্ব বুজাই কবলৈ কলে। বুদ্ধদেৱে বহুত আলোচনাৰ দ্বাৰা এওঁলোকৰ সকলো সন্দেহ গুচালে আৰু এওঁলোকেই তেওঁৰ প্ৰথম শিষ্য হল। আৰু এওঁলোকে বুদ্ধৰ দৰে হালধীয়া সাজপাৰ ল’লে। বুদ্ধই প্ৰথম প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰাৰ বাবে বৌদ্ধবিলাকৰ মানত এই ঠাই পবিত্ৰ। বৰ্ত্তমানে এই সাৰনাথত এটা ডাঙৰ মন্দিৰ সজোৱা হৈছে আৰু ইয়াত বৌদ্ধ প্ৰচাৰক সকলে বসতি কৰে।

ইয়াতে ৰাজকুমাৰ যশ আৰু ৰাজবংশৰ ৫৪ জন কুমাৰে তেওঁৰ ধৰ্ম্ম গ্ৰহণ কৰি তেওঁৰ অনুগত হৈ লগতে প্ৰচাৰ কৰিবলৈ ওলাল। এই তিনি-কুৰিজনকে বৌদ্ধধৰ্ম্মৰ প্ৰথম ভিক্ষু বুলিব পাৰি। বুদ্ধদেৱে এই ভিক্ষুবিলাকক তেওঁৰ ধৰ্ম্মৰ সকলো কথা ভালকৈ বুজাই দি মানুহৰ মাজত প্ৰচাৰ কাৰ্য্য চলাবলৈ আদেশ দিলে। এই উপদেশবিলাক বিতংকৈ বুদ্ধগ্ৰন্থ পিতকত লিখা আছে। তাৰে আভাস মাথোন দিবলৈ অতি চমুকৈ দুটামান কথা তুলি দিলো যেনে হালধীয়া বসন পৰিধান কৰিলেই ভিক্ষু হ’ব নোৱাৰি। বাক্য, মন আৰু কাৰ্য্যত সকলো প্ৰকাৰৰ সংযম আৰু যিবিলাকৰ অন্তৰত আনন্দ আছে সেইবিলাকহে হালধীয়া বসন পিন্ধিবৰ লায়ক। তেওঁবিলাকে বৌদ্ধ তথ্যবিলাক জানিব লাগিব আৰু সেইবিলাক সম্পূৰ্ণৰূপে নিজৰ জীৱনত খটাব পাৰিলেহে নিৰ্ব্বাণ পাব পাৰিব। ভিক্ষু জীৱন সম্পূৰ্ণ প্ৰেমময় হ’ব লাগিব। সকলো মানুহেই দয়াৰ দ্বাৰা ক্ৰোধক, ভাল কামৰ দ্বাৰা বেয়া কামক, দানৰ দ্বাৰা কৃপণক আৰু সঁচা কথাৰ দ্বাৰাই মিছলীয়াক জয় কৰিব লাগিব। সদায় সঁচা কথা ক’ব, ক্ৰোধৰ বশীভূত নহব আৰু কোনোবাই কিবা খুজিলে নিজলৈ নাটিলেও যি আছে তাকে দিব। মানুহে সামান্য দান দিলেও ভিক্ষুসকলে তাকে মনেৰে বহুত বুলি গ্ৰহণ কৰিব। অন্যায় আচৰণ আৰু উত্তেজনাৰপৰা বিৰত থাকিবৰ বাবে ভিক্ষুৱে নিৰ্জ্জন জীৱন-যাপন, ইন্দ্ৰিয় দমন আৰু সত্য অন্বেষণত ব্যস্ত থাকিব লাগিব। ভিক্ষুৰ পক্ষে শুভ অশুভ চিন, ধূমকেতু আৰু সপোন আদি অৰ্থশূন্য হব লাগিব। মানুহে গালি-শপনি পাৰিলে আৰু বিদ্রূপ কৰিলে ভিক্ষুৱে সেই মানুহক মৰমহে

কৰিব। আন ধৰ্ম্ম বা কপট মানুহৰ প্ৰতি কোনো প্ৰকাৰে অধৈৰ্য্য নহব বা অসদ্ভাব পোষণ নকৰিব। অসময়ত ভিক্ষা কৰিবলৈ বা ৰাতি গাঁৱলৈ নাযাব। সকলো প্ৰকাৰ লালসাৰ পৰা মন সামৰি আনিব। বাক-বিতণ্ডাত সময় নকটাব। বুদ্ধৰ নাম লৈ যিসকলে লোকৰ পৰা কাপোৰ, আহাৰ, আসন, শয্যা আদি খুজি আনে সেইসকলে নিশ্চয় বৌদ্ধ ধৰ্ম্মতে জীৱন যাপন কৰা উচিত। এইদৰে উপদেশ দি আৰু এই শিষ্যবিলাকক অকলে অকলে ফুৰিবলৈ আদেশ দি বুদ্ধদেৱ আন ঠাইত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ওলাল।

তেওঁ ইচিপটন, যাষ্টি (শ্ৰাৱষ্টি) আৰু পিছত পূৰ্ব্বৰ প্ৰতিজ্ঞামতে ৰাজগৃহৰ ৰজা বিম্বিসাৰৰ তালৈ গ'ল। কোৱা বাহুল্য মাথোন যে বিম্বিসাৰে তেওঁক বিশেষ আদৰ আৰু সন্মান জনাই ৰাখিলে। ৰজা নিজেই তেওঁৰ সাধাৰণ শিষ্য হ'ল আৰু বৌদ্ধ লেখকসকলে কয় ইয়াতে বুদ্ধৰ ৯০০ জন ভিক্ষু শিষ্য হয়। বিম্বিসাৰ ৰজাই বুদ্ধক বেলুবন নামেৰে এখন বাঁহৰ বাগিচা দান কৰে। সেই বাগিচাত ৰখা শিলৰ ফলিত এইদৰে লেখা হৈছিল, "তথাগতে (বুদ্ধই) মনুষ্য জীৱন আৰু তাৰ কাৰণ আৰু মনুষ্য জীৱন কেনেকৈ দুখৰপৰা পৰিত্ৰাণ পাব পাৰে এইবিলাক কথা ইয়াতে আমাক পৰিপাটিকৈ বুজাই দিছিল। পাপৰপৰা পাপ বৃদ্ধি হয় কিন্তু সৎ বস্তুৱে মানুহক ৰক্ষা আৰু পৰিত্ৰাণ কৰে। সেই কাৰণে অসৎ কাম পৰিত্যাগ কৰি সত্য গ্ৰহণ কৰাই মানুহৰ এক মাত্ৰ গতি।"

## প্ৰত্যাৱৰ্ত্তন

ৰাজকোঁৱৰ সিদ্ধাৰ্থই কপিলাবস্তু ত্যাগ কৰা আজি ছবছৰ হল। ইমান-দিনে তেওঁৰ পিতাক সুদ্ধোধন ৰজাই বা তেওঁৰ সহধৰ্ম্মিণী যশোধৰাই তেওঁৰ সম্বন্ধে কোনো খা-খবৰকে পোৱা নাছিল। তেওঁলোকে নানান ঠাইলৈ মানুহ পঠাইছিল সঁচা কিন্তু কোনেও সঠিক বতৰা আনি দিব পৰা নাছিল। এনে অৱস্থাত বুঢ়া ৰজা আৰু সিদ্ধাৰ্থৰ একান্ত অনুগতা কুঁৱৰীৰ কি অৱস্থা হব পাৰে সহজে বুজিব পাৰি। ৰজাৰ ৰাজকাৰ্য্যত সমুলি মন নবহা হল। পুতেকৰ শোকত আৰু ভাবনাত তেওঁ আলৰ বুঢ়া হৈ গ'ল। তেওঁ ৰাজ-প্ৰাসাদৰ পৰা বাহিৰলৈ নোলোৱা হল। সিপিনে হায়, সিদ্ধাৰ্থৰ প্ৰমোদ-ভৱনৰ ৰাণী যশোধৰাৰ কি দুৰৱস্থা! কুঁৱৰীৰ গাত এতিয়া আ-অলঙ্কাৰ একো নাই। তেওঁৰ গাৰ কাপোৰ-কানি বিধবা মানুহৰ দৰে একেবাৰে বগা।

শৰীৰ একেবাৰে শুকাই-ক্ষীণাই হাড়ে-ছালে আছেগৈ। কান্দোতে কান্দোতে চকু গাতত সোমাইছে আৰু চকুৰ চাৰিও পাশে কলা দাগ পৰিছে। প্ৰমোদভৱনৰ যিপিনেই তেওঁ চকু ফুৰায় স্বামীৰ কথা মনত পৰি তেওঁৰ অবিশ্ৰান্ত চকুলো ওলায়। যেতিয়া আকাশত জোন উঠে তেতিয়া তেওঁ পাগলীৰ দৰে সোধে, "তুমি ৰাজকোঁৱৰৰ সিদ্ধাৰ্থক কতো দেখিছা, কোৱা।" সেইদৰে দূৰণিবটীয়া চৰাই এটি যেতিয়া প্ৰমোদভৱনৰ আকাশেদি উৰি যায় তালৈ চাই কয়, "হে উৰণীয়া পখী! সৰ্বস্থান, কওঁ বা, ক'ত আছে ৰাজকোঁৱৰৰ সিদ্ধাৰ্থ।"

হঠাৎ এদিন সকলো পৰিৱৰ্তন হ'ল। সেই দিনা তেওঁ আউলী-বাউলী চুলি মেলি বগা কাপোৰ পিন্ধি বহি আছিল। এনেতে তেওঁৰ পুতেক ছবছৰীয়া ৰাহুল আহি প্ৰমোদভৱনৰ সৰোবৰত খেলি থকা মাছবোৰ চাবলৈ তেওঁক ৰিহাৰ আঁচলত ধৰি বলেৰে টানি লৈ গল। হঠাতে এজনী লিগিৰীয়ে লৰি আহি কবলৈ ধৰিলে, "ৰাণী আই! ৰাজকোঁৱৰৰ বতৰা পোৱা গৈছে। দুজন সাউদে আহি মহাৰাজৰ আগত কৈছে কোঁৱৰ বোলে এতিয়া এজনা মহাপুৰুষ–সাধু হৈছে। সকলো মানুহে তেওঁক দেৱতাতকৈও অধিক সন্মানেৰে পূজা দিছে আৰু ৰজাবিলাকে নিজৰ সিংহাসন এৰি আহি তেওঁৰ অভয় চৰণত শৰণ লৈছে।" টোপনিৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে এই কথা শুনি যশোধৰাৰ সমগ্ৰ শৰীৰ যেন হঠাৎ সজীৱ হৈ উঠিল। জাৰকালি পাত সৰি লঠামুৰা হোৱা গছ বসন্তৰ আগমনত কুঁহি পাত ফুলেৰে ঠন ধৰি উঠাৰ নিচিনাকৈ যশোধৰাৰ শৰীৰলৈ বিজুলী সঞ্চাৰে নতুন জ্যোতি আহিল। "সঁচানে সঁচানে" বুলি সুধি তেওঁ ক'লে, "তৎক্ষণাৎ সেই সাউদ দুজনক মোৰ ওচৰলৈ মাতি আনগৈ। মই তেওঁলোকক নিজ মুখেৰে মোৰ স্বামীৰ বতৰা সুধিম। কবিগৈ তেওঁলোকে মোৰ আগত মোৰ প্ৰভুৰ সঠিক বতৰা দিব পাৰিলে মই তেওঁলোকক উপযুক্ত বটা-বাহন দিম।"

সাউদ দুজন আহিল। পৰ্দাৰ বাহিৰত তেওঁলোক বহিল। যশোধৰাই ভিতৰৰ পৰা সুধিলে, "সঁচাকৈয়ে তোমালোকে ৰাজকোঁৱৰৰ সিদ্ধাৰ্থক দেখি আহিছানে? তেওঁ এতিয়া ক'ত আছে? কি কৰিছে?" তেতিয়া সাউদ দুজনে এজন এজনকৈ বুদ্ধদেৱৰ সম্বন্ধে যি কথা শুনিছিল আৰু যি দেখিছিল সকলোখিনি বিবৰি কলে। শেষত তেওঁলোকে বুদ্ধদেৱক বিম্বিসাৰৰ ৰাজধানী ৰাজগৃহত যি অৱস্থাত দেখি আহিছে তাৰো বৰ্ণনা দি ক'লে, "ৰাণী!

বুদ্ধদেৱ আজি পৃথিৱীৰ সকলো বিজেতা বীৰতকৈ ডাঙৰ। কিয়নো কেৱল হাজাৰ হাজাৰ লোকেই নহয়, ৰাজপুত্ৰ, ক্ষত্ৰিয়-ব্ৰাহ্মণ সকলোৱে তেওঁৰ শৰণাগত হৈছে। ৰজাই সিংহাসন এৰি তেওঁৰ ভৰিৰ তলত স্থান বিচাৰিছে। ৰাজকোঁৱৰ সিদ্ধাৰ্থই আজি পূৰ্ণ জ্ঞানৰ অধিকাৰী হৈ জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে ধনী-দুখীয়া ৰজা-প্ৰজা সকলোকে নিজৰ করুণা আৰু মহিমাৰে জয় কৰি ফুৰিছে। যেতিয়া তেওঁ অসংখ্য লোকৰ সন্মুখত কথা কয়, সমজুৱাবিলাকে মৌ পিয়াৰ দৰে তেওঁৰ কথাত ভোল গৈ থাকে। কোনেও তেওঁৰ কথাৰ প্ৰতিবাদ কৰিবলৈ নিবিচাৰে। ৰাণী আই! প্ৰকৃততে তেওঁ জগতৰ লোকক উদ্ধাৰ কৰিবৰ বাবে আমাৰ মাজত ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিছে। আপুনি অলপো উদ্বিগ্ন আৰু চিন্তিত নহব। তেওঁ এতিয়া এই ফাললৈকে আহিব ধৰিছে।" যশোধৰাই সাউদ দুজনৰ মুখত স্বামীৰ মহিমা-কীৰ্ত্তন শুনি নিজেও মুগ্ধ হল। পিছত নানান অমূল্য ধন-সোণ, মণিমুক্তা পুৰস্কাৰ দি তেওঁ সাউদ দুজনক ধন্যবাদ জনাই বিদায় দিলে।

ৰজাৰ আৰু যশোধৰাৰ বুদ্ধদেৱ উলটি অহালৈ বাট চাবলৈ ধৈৰ্য্য নাথাকিল। তৎক্ষণাৎ এজন মানুহ তেওঁক আনিবলৈ পঠিয়াই দিলে আৰু তাক এই বুলি কবলৈ ক'লে, "তোমাৰ বুঢ়া পিতাৰা মৃত অৱস্থাত। আজি ছবছৰে তোমাৰ সহধৰ্ম্মিণীয়ে তুমি উলটি অহালৈ বাট চাই আছে।" বুদ্ধদেৱক ইমান মানুহে বেঢ়ি আগুৰি ধৰি ৰাখিছিল যে সেই কটকীজনে বুদ্ধদেৱৰ আগত কথাকে কবলৈ সুবিধা নেপালে আৰু বুদ্ধদেৱৰ উপদেশ আৰু বক্তৃতা শুনি শুনি এনেভাৱে তেওঁৰ মনৰ গতি পৰিবৰ্ত্তন হল যে নিজ কৰ্ত্তব্য পাহৰি তেৱোঁ অনুচৰ হৈ বুদ্ধদেৱৰ লগে লগে ফুৰিবলৈ ধৰিলে। ৰজাই অস্থিৰ হৈ অৱশেষত নিজৰ প্ৰধানমন্ত্ৰীকেই পুতেকৰ ওচৰলৈ কটকী কৰি পঠালে। মন্ত্ৰীয়ে গৈ বুদ্ধদেৱক লগ ধৰি সকলো কথা কোৱাত তেওঁ তালৈকে যাবলৈ ওলোৱা বুলি কলে। বুদ্ধই শিষ্যবিলাককো উপদেশ দিলে কোনো শিষ্যয়ো যেন নিজৰ পৰিয়ালবৰ্গক সন্তোষ আৰু শান্তিত ৰাখিবলৈ চেষ্টা নকৰাকৈ নেথাকে।

আজি ৬।৭ বছৰৰ মূৰত পুনৰায় ৰাজকুমাৰ নিজ ৰাজ্যলৈ উভতি আহিব বুলি জানি ৰজা আৰু যশোধৰাৰ মনত অপাৰ আনন্দ। তেওঁলোকে তেওঁৰ দৰ্শন পাবলৈ আৰু তেওঁক স্নেহ-সম্ভাষণ জনাবলৈ অস্থিৰ হৈ আছে। সমগ্ৰ নগৰ আৰু ওচৰৰ গাওঁ-ভূঁইৰ পৰা দলে দলে লোক আহি ৰাজ-আলিৰ দুয়ো

কাষে থিয় হৈ আছে। সুন্দৰী তিৰোতাবিলাকে আথৈ ছটিয়াবলৈ আৰু উৰুলি দিবলৈ বাটৰ মূৰত সাজু হৈ আছে। যি বাটেৰে আহি বুদ্ধদেৱ নগৰ সোমাব ৰাজধানীৰ দেৱালৰ সেই দক্ষিণ ফালে আহলবহল চন্দ্ৰতাপ তৰা হৈছিল ৰাজকোঁৱৰ আহি তাৰ তলত জিৰাবৰ বাবে। সেই চন্দ্ৰতাপৰ তলত দেৱী যশোধৰাই পুতেক ৰাহুলৰ হাতত ধৰি থিয় হৈ বাটৰ ফালে চকুৰ নিমিষ নমৰাকৈ চাই আছিল যিমান দূৰলৈ চকুৰ দৃষ্টি যায়। ৰজাই ৰাজকোঁৱৰক সসন্মানে আদৰি আনিবলৈ মণি-মুকুতা লগোৱা ৰাজৰথ আগবঢ়াই পঠিয়াই দিছে। লোকে লোকাৰণ্য। সকলো নৰ-নাৰীয়ে ৰাজ-কুমাৰ অহালৈ বাট চাই আছে ক'ত ৰথ! ক'তা ৰাজকোঁৱৰ! যশোধৰাৰ বুকুখন ঘনে ঘনে নাচি উঠিছে। ৰজাই নিজৰ ৰাজপ্ৰাসাদত ব্যগ্ৰ হৈ থাকি হেৰোৱা ৰত্ন একমাত্ৰ পুত্ৰক আকৌ বাছা বুলি সম্বোধন কৰিবৰ আশাত বাট চাই আছে। এইদৰে বহু সময় গ'ল, তথাপি ৰাজকুমাৰৰ দেখাদেখি নাই। নানাজনৰ মনলৈ নানা ভাব আহিছে মানুহবিলাকে ভাবিছে— সঁচাকৈয়ে যদি কোঁৱৰ আহিছে, তেন্তে ইমান পলম হব কেলেই?

এনেতে যশোধৰাৰ দৃষ্টিত পৰিল বহুত দূৰৈত এদল মানুহে গোটেই বাটটো আগুৰি ধৰি লাহে লাহে খোজকাঢ়ি আগুৱাই আহিব লাগিছে। তাৰে কিছুমানে গেৰুৱা বসন পিন্ধিছে। সকলোৰে আগত এজনা সৌম্য শান্ত মূৰ্ত্তি। তেওঁৰ শৰীৰৰ পৰা যেন স্বৰ্গীয় জ্যোতি ওলাইছে। ক্ৰমে ক্ৰমে আগবাঢ়ি অহাত দেখা গ'ল তেওঁৰ মূৰ খুৰোৱা। নিখুঁত গেৰুৱা ৰঙৰ চুৰিয়া-চেলেঙেৰে শৰীৰ আবৃত আৰু তেওঁৰ হাতত ভিক্ষুৰ কমণ্ডলু। কমণ্ডলুলৈ বাটৰ দুয়ো কাষৰ মানুহৰপৰা তেওঁ ভিক্ষা বিচাৰিছে। মানুহবিলাকে একো দিব নোৱাৰি নতশিৰে প্ৰণিপাত জনাইছে। এই মহা জনতাৰ পাছত নানান লোকে জয়ধ্বনি দি আহিছে। লাহে লাহে তেওঁলোক চন্দ্ৰতাপৰ তলত চাপিলহি। ব্যাকুল হৃদয়েৰে বাট চাই ৰৈ থকা যশোধৰাই আৰু থিয় হৈ থাকিব নোৱাৰিলে। তেওঁ লৰি গৈ মাটিত পৰি বুদ্ধদেৱৰ ভৰি দুখনি সাৱটি ধৰি ভৰি দুখানিতে মূৰটো থৈ মূৰ্চ্ছা গ'ল।

২৩।৩

কিন্তু ৰজা শুদ্ধোধন তেওঁৰ নিজ ৰাজপুত্ৰই সে নিজৰ প্ৰজাৰ মাজত ভিক্ষাৰী হৈ ফুৰিব এই কথা সহ্য কৰিব নোৱাৰিলে। সিদ্ধাৰ্থক আগবঢ়াই আদৰি আনিবলৈ তেওঁ কত আশাৰে ৰথ, হাতী ঘোৰা গায়ন-বায়ন আদি

পঠিয়াই দিছিল, কিন্তু বুদ্ধই খোজকাঢ়িহে আহিল। ৰাজবসন নিপিন্ধি গেৰুৱা বসন পিন্ধা আৰু নিজৰ প্ৰজাৰ বিশেষকৈ নীচ আৰু সাধাৰণ মানুহৰ কাষত ৰাজপুত্ৰই ভিক্ষা বিচাৰি ফুৰিব - এইটো তেওঁ কোনোমতেই সহ্য কৰিব নোৱাৰিলে। তেওঁৰ ৰাজ-অভিমান আৰু পদ-মৰ্য্যাদাত আঘাত লাগিল। ততালিকে তেজী ঘোঁৰা এটাত উঠি তেওঁ সেই জনতাৰ মাজত ওলালগৈ। তাত এনে হীন কাম কৰাৰ বাবে তেওঁ বুদ্ধদেৱক তিৰস্কাৰ কৰিলে।

বুদ্ধদেৱে এবাৰ মাত্ৰ ৰজাৰ মুখলৈ চাই তললৈ মূৰ কৰি পিতাকক প্ৰণিপাত জনোৱাত আৰু বিশেষকৈ বুদ্ধদেৱৰ মুখৰ নম্ৰতা অসাধাৰণ সৌন্দৰ্য্য দেখা পাই তেওঁৰ খং কৰবালৈ গ'ল। তথাপি তেওঁ সুধিলে, "বোপা সিদ্ধাৰ্থ! কিয় তুমি ৰাজকুমাৰ হৈ নিজ ৰাজ্যত এনে হীন কাম কৰি ফুৰিছা? এই ৰাজবাটেৰে তুমি ফটা কাপোৰ পিন্ধি আহিবৰ কি আৱশ্যক আছিল আৰু নীচ মানুহবিলাকৰ ঘৰে ঘৰে কিয় তুমি ভিক্ষা লৈ ফুৰিছা?" বুদ্ধদেৱে অতি নম্ৰ আৰু কোমল মাতেৰে উত্তৰ দিলে, "প্ৰভু! এই প্ৰবৃত্তি আমাৰ একান্ত কৰ্ত্তব্য।" "কৰ্ত্তব্য! কোন দিনা শাক্য-বংশৰ ৰাজকুমাৰে ভিক্ষা খুজি সিংহাসনৰ অধিপতি হৈ গৈছে? কোন দিনা কোনজন ৰজাই ৰাজকুমাৰক ভিক্ষুক হিচাপে বৰণ কৰিব লাগিছিল কোৱাচোন বাৰু?" তেতিয়া বুদ্ধদেৱে অধিক বিনয় ভাৱেৰে ক'লে, "পিতা! আপুনি মোক ভুল নুবুজিব। মই কোনো ৰাজবংশৰ কথা কোৱা নাই। মই বুদ্ধসকলৰ কথাহে কৈছো-- যি বুদ্ধই ইয়াৰ আগতে কতবাৰ জন্ম ধৰিছিল আৰু ইয়াৰ পিছতো কতবাৰ জন্মিব। বুদ্ধই পূৰ্ণ কালৰ অধিকাৰী হৈ মানৱৰ হিতৰ কাৰণে মানুহৰ মাজত সত্ জ্ঞান বিলাই দিয়ে। ময়ো পিতৃদেৱ! আজি ছবছৰে অনেক কষ্ট ভুগি তেনে অমূল্য ৰত্ন আপোনালোকলৈ লৈ আহিছো।" ৰজাই ব্যস্ত হৈ সুধিলে, "ক'তা, কি ৰত্ন আনিছা চাওঁ।" তেতিয়া লাহে লাহে বুদ্ধদেৱে পিতাকৰ হাতখনত ধৰিলে আৰু যশোধৰাক তেওঁৰ বাঁও কাষত লৈ লাহে লাহে খোজকাঢ়ি ৰাজপ্ৰাসাদৰ ফালে যাবলৈ ধৰিলে। লগে লগে তেওঁৰ মনত উদয় হোৱা সত্যবিলাক অতি সৰল আৰু সহজ কথাৰে বুজাই কৈ যাবলৈ ধৰিলে।

অৱশেষত তেওঁবিলাকে ৰাজপ্ৰাসাদ পালেহি। ৰজাৰ মনত যিবোৰ সন্দেহ আৰু আঁসোৱাহ আছিল ক্ৰমে সেইবোৰ দূৰ হৈ আহিল। পতিব্ৰতা যশোধৰাই অমৃত পিয়াৰ দৰে বুদ্ধদেৱৰ কথা শুনি আছিল। সেই দিনা

ৰাতিয়েই ছুয়োজনে বৌদ্ধ ধৰ্ম্মত শৰণ ললে। যশোধৰাই সকলো সাংসাৰিক কামনা-বাসনা পৰিত্যাগ কৰি নিজৰ গোটেইখিনি প্ৰেম জগতৰ প্ৰাণীৰ হিতৰ নিমিত্তে বিলাই দিবলৈ সংকল্প কৰি মনৰ সকলো শোক-দুখ বিসৰ্জ্জন দিলে আৰু ভিক্ষুণী সাজি বুদ্ধদেৱৰ লগত প্ৰচাৰ-কাৰ্য্য চলাবলৈ সৰ্ব্বত্যাগিনী হৈ ওলাল।

শুদ্ধোধন ৰজাই বিম্বিসাৰৰ দৰে তেওঁৰ ৰাজ্যতো এখন ডাঙৰ সভা পাতিলে। চাৰিও ফালৰ ৰাজকুমাৰ সদবংশৰ কুমাৰ, সদবংশৰ লোক আৰু সকলো সাধাৰণ লোককো নিমন্ত্ৰণ কৰি মাতি অনা হ'ল। এই সভাতেই যশোধৰাই প্ৰথমে ভিক্ষুণী বেশেৰে ওলায়। এই সভাত বুদ্ধদেৱে তেওঁ পোৱা জ্ঞান এনে সুন্দৰ ভাৱে বজাই দিলে যে উপস্থিত সমজুৱাবিলাকে তেওঁৰ কথা সত্য বুলি নামানি নোৱাৰিলে। বৌদ্ধ শাস্ত্ৰত লিখা আছে যে সেই সভাত দেৱদত্তই কিবা প্ৰশ্ন তুলিছিল, কিন্তু সময়ত শ্ৰোতামণ্ডলীয়ে বুদ্ধদেৱৰ কথাতে সত্য বুলি মানি বৌদ্ধ-নীতি অৱলম্বন কৰিলে।

## শেষ-জীৱন

ইয়াৰ পিছত বুদ্ধদেৱে আৰু ৪৫ বছৰ এই দৰে প্ৰচাৰ কাৰ্য্য কৰি ফুৰে। তেওঁ যি ফালেই গৈছিল সেই ফালেই সকলোকে জয় কৰি গৈছিল। মানুহৰ মনৰপৰা দ্বিধা, আশঙ্কা গুচাই জীৱৰ কল্যাণকৰী জ্ঞানময় পৱিত্ৰ ধৰ্ম্ম সকলোকে বিলাই ফুৰিছিল। এই ধৰ্ম্মৰ নীতিবিলাক এনে ব্যাপক আছিল যে ৰজা, প্ৰজা গৃহস্থ, সন্ন্যাসী বিশেষকৈ দুঃখিত আৰু হীন লোক বিলাকে (সেই সময়ত বিবেচিত হোৱা) সেই ধৰ্ম্ম গ্ৰহণ কৰিছিল। বৌদ্ধ শাস্ত্ৰবিলাকত উল্লেখ আছে যে সেই সময়ত কশ্যপ, গোশাল কাত্যায়ন, কেশকম্বলা, বেলিট্টিপুট্ট নিগ্ৰ্হনাথ পুত্ৰ আদি আন আন গুৰুৱে তেওঁলোকৰ নিজ নিজ মত গঙ্গা নদীৰ পাৰৰ ৰাজ্যবিলাকত প্ৰচাৰ কৰি ফুৰিছিল আৰু প্ৰত্যেক জনা গুৰুৰেই অসংখ্য শিষ্য আছিল। কিন্তু বুদ্ধদেৱৰ প্ৰচাৰৰ পিছত এইসকল গুৰুৰ ভিতৰত কিছুমান বুদ্ধদেৱৰ শিষ্য হ'ল আৰু বেছি ভাগ মানুহেই বৌদ্ধ দীক্ষা আৰু উপদেশ গ্ৰহণ কৰিলে। বুদ্ধদেৱে নিজে মগধ, কাশী, কোশল, অঙ্গ, কুৰু, মিথিলা আৰু পাঞ্চালৰ কাষলৈ প্ৰায় সকলো ঠাইতেই জাৰৰ কেই মাহত ধৰ্ম্ম উপদেশ দি ফুৰিছিল। ওপৰত উল্লেখ কৰা ৰাজ্যৰ এটাই কেজন ৰজায়েই তেওঁৰ শিষ্য হোৱা বুলি উল্লেখ

কৰা হৈছে। উৰুবেলাত ১০০০ সন্ন্যাসী তেওঁলোকৰ মুখিয়াল কশ্যপেৰে সৈতে বুদ্ধৰ শিষ্য হ'ল। বুদ্ধদেৱৰ ভিক্ষু শিষ্যসকলৰ ভিতৰত অনেক বামুণ আছিল আৰু প্ৰধান শিষ্যৰ ভিতৰত সাৰিপুত্ৰ আৰু মৌদ্গল্যায়ন বামুণ আছিল। কিছুমান প্ৰধান ভিক্ষু ক্ষত্ৰিয় কুলৰপৰাও হৈছিল। ৰক্ষপাল, যম, সোণা নামৰ ক্ষত্ৰিয় জমিদাৰে তেওঁলোকৰ সকলো সম্পত্তি ত্যাগ কৰি ভিক্ষু-সঙ্ঘত যোগ দিছিল। এই দৰে ৰাজপৰিয়াল আৰু আন জাতিৰ তিৰোতা মানুহেও ভিক্ষুণী হৈ নতুন ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিবলৈ ধৰিলে। এইবোৰ প্ৰচাৰ কাৰ্য্যৰ ফলত হাজাৰ হাজাৰ মানুহে নতুন ধৰ্ম্ম গ্ৰহণ কৰিবলৈ ধৰিলে। বুদ্ধদেৱৰ ধৰ্ম্মৰ বিৰোধিতা কৰিলে কেৱল বামুণ পুৰোহিত শ্ৰেণীয়ে। তাৰ কাৰণ হৈছে বুদ্ধদেৱে আৰু ভিক্ষু প্ৰচাৰকসকলে যদিও গুণী ব্ৰাহ্মণক সন্মান কৰিছিল তথাপি তেওঁলোক কোনো প্ৰাণীকেই বলি দি উৎসৰ্গা কৰাৰ ঘোৰ বিৰোধী আছিল আৰু তেওঁলোকে কোনো জাতিৰ মানুহকে হেয় জ্ঞান নকৰি সকলো কুলৰ লোককেই ভাইৰ দৰে জ্ঞান কৰিছিল। তদুপৰি বুদ্ধদেৱে ঈশ্বৰৰ নামে পূজা-অৰ্চ্চনা আদি কৰাৰ পক্ষপাতী নাছিল। এই-বিলাক প্ৰথাৰ আৰু সেই সময়ৰ সমাজৰ নিয়মৰ বিপক্ষে বুদ্ধদেৱে আৰু তেওঁৰ লগৰ ভিক্ষুসকলে প্ৰচাৰ কৰি ফুৰিছিল।

## মহানিৰ্ব্বাণ

৪৫ বছৰ ধৰ্ম্ম প্ৰচাৰ কৰাৰ পিছত বুদ্ধদেৱে শৰীৰ ত্যাগ কৰে। কেজন-মান বৌদ্ধ ভিক্ষুৱে ইয়াৰ ২০ বছৰ কাল বুদ্ধদেৱে কোন কোন ঠাইত ভ্ৰমণ কৰিছিল আৰু ক'ত কি ভাৱে শিক্ষা দিছিল তাৰ তাকৰীয়া বিৱৰণ এৰি থৈ গৈছে। বুদ্ধদেৱৰ মৃত্যুৰ তিনি মাহৰ আগৰ কাহিনী 'পিটক'ত পোৱা যায়। মৃত্যুৰ এবছৰ আগতে শ্ৰীবস্তিৰ জেতায়ন বিহাৰত বাৰিষা দিনকেইটা কটাই আকৌ ৰাজগৃহৰ ওচৰৰ পাঁচোটা পৰ্ব্বতৰ সকলোতকৈ ওখ পৰ্ব্বতটোৰ গুহাত আছিলহি। এই সময়ত মগধ ৰাজ্যৰ ৰজা অজাতশত্ৰু আছিল। তেওঁ উজ্জয়িণী আক্ৰমণ কৰিবৰ বাবে সৈন্য-সামন্ত সমাৱেশ কৰিছিল আৰু বৰ্ত্তমান পাটনাত (পিছত যি পাটলিপুত্ৰ হ'ল) গঙ্গা নদীৰ পাৰত এটা ডাঙৰ দুৰ্গ সজাইছিল। বুদ্ধদেৱে গঙ্গা পাৰ হৈ বৈশালী (?) নামৰ ঠাইলৈ গৈছিল। তাত তেওঁ অম্বপালী নামে নৰ্ত্তকীৰ ঘৰত থকাৰ কাৰণে ডা-ডাঙৰীয়াসকলে তেওঁক বৰ বেয়া পাইছিল। কিন্তু বুদ্ধদেৱৰ মনত সকলো সমান হোৱাৰ

বাবে এনে কথালৈ তেওঁ কাণ নকৰিলে। ইয়াৰ পিছৰ বাৰিষাত তেওঁ বেলুগামক বুলি ঠাইত ওলালগৈ আৰু সেই সময়ত তেওঁৰ গুৰুতৰ পীড়া উপস্থিত হ'ল। তাত তেওঁ প্ৰকাশ্যে ক'বলৈ ধৰিলে যে তেওঁৰ ইহলীলা তিনি মাহত শেষ হব। ঠায়ে ঠায়ে ভিক্ষুবিলাকক মাতি আনি ক'বলৈ ধৰিলে— "ভিক্ষুসকল! মোৰ বয়স পূৰ্‌ হ'ল আৰু মোৰ জীৱনৰ কামো শেষ হ'ল। তোমালোকক এই সংসাৰত এৰি তিনি মাহৰ ভিতৰতে মই তোমালোকৰ মাজৰ পৰা নোহোৱা হম। তোমালোক পৱিত্ৰ আৰু চৰিত্ৰৱান হোৱা। অন্তৰত যেন কোনো প্ৰকাৰ মলিনতা থাকিব নোৱাৰে, তাৰ বাবে সদায় সজাগ থাকিবা। ধৰ্ম্ম উপলব্ধি কৰিবৰ কাৰণে সঙ্কল্পিত হোৱা। ধৰ্ম্ম অনুশাসন মতে চলিলে নিশ্চয় মুক্তি পাবা আৰু সকলো দুখ-শোকৰ ওৰ পৰিব।" ইয়াৰ পিছত তেওঁ পাৱালৈ (?) গ'ল। তাত চুন্দ নামৰ সোণাৰী এজনে সেৱা-শুশ্ৰূষা কৰি তেওঁক খাবলৈ দিয়াত তেওঁৰ খালে। খাই বৈ উঠি তেওঁ কাশীৰ ১০ মাইলমান উত্তৰ-পূবে আৰু কপিলাবস্তুৰ প্ৰায় ৮০ মাইলমান পূবে কুশীনাৰা নামৰ ঠাই এডোখৰলৈ ওলাল। কুকুটা নামৰ নদী এখনৰ ওচৰত তেওঁৰ অসুখ বাঢ়িল। কিন্তু অসুখায়া গাৰেই তেওঁ লাহে লাহে গৈ কুশিযাৰাৰ ওচৰৰ বননি পালে। তেওঁ চুন্দৰ ঘৰৰ খোৱা আহাৰৰ পৰা অসুখ বঢ়া বুলি জানিলে। এই কথা জানিলে চুন্দই মনত বৰ অশান্তি পাব বুলি ভাবি তেওঁৰ লগত থকা আনন্দ নামৰ প্ৰধান ভিক্ষুজনক ক'লে—"আনন্দ! তুমি চুন্দক ক'বা, মই তেওঁৰ শুশ্ৰূষাত বৰ সন্তুষ্ট হৈছো; কাৰণ তেওঁ দিয়া ভোজনে মোৰ মৰণ ওচৰ চপাই দিছে। তেওঁ মোক শুশ্ৰূষা কৰাৰ বাবে আন জনমত ইয়াৰ সুফল পাব।" প্ৰভু বুদ্ধৰ মুখত এই কথাবিলাক শুনি আনন্দ শোকতে অধাৰ হৈ উঠিল আৰু তেওঁ কান্দি কান্দি ক'বলৈ ধৰিলে— "প্ৰভু! মোৰ এতিয়াও একো জ্ঞান হোৱা নাই। এনে দয়ালু প্ৰভুৰ অবিহনে মোৰ কি গতি হব?" বুদ্ধদেৱে তেতিয়া প্ৰবোধ দি ক'লে—"নাকান্দিবা আনন্দ! মনত একো দুখ নকৰিবা। তুমি বহু দিনৰ পৰা মোৰ লগত আছা। তুমি কামত, কথাত আৰু চিন্তাত মোৰ ওচৰ পাইছাহি। এই দৰে শুদ্ধচিত্তে পৱিত্ৰ কাম কৰি থাকিলে নিশ্চয় মায়া অন্ধকাৰৰপৰা মুক্ত হবা।" আন শিষ্যবিলাকৰ আগতো বুদ্ধদেৱে আনন্দৰ গুণৰ কথা বহলাই বুজাই ক'লে।

ৰাতি হোৱাত বুদ্ধদেৱে তেওঁৰ শয্যা ললে। কিন্তু এনে সময়তে সুভদ্ৰা

নামেৰে বামুণ এজনে কেইটামান প্ৰশ্ন সুধিবৰ কাৰণে তত্ত্বজ্ঞ বুদ্ধদেৱক লগ পাবলৈ বিচাৰিলে। বুদ্ধৰ প্ৰধান শিষ্য আনন্দই ৰোগ বাঢ়িবৰ আশঙ্কা কৰি তেওঁক গুৰুৰ কামলৈ যাবলৈ নিষেধ কৰিলে। কিন্তু বুদ্ধদেৱে কথা পতা শুনি বাহিৰত তেওঁক লগ পাবলৈ মানুহ অহা বুলি গম পালে আৰু সুভদ্ৰাক তেওঁৰ ওচৰলৈ আহিব দিবলৈ ক'লে। সুভদ্ৰাই গৈ তেওঁৰ মনৰ সন্দেহ ভঞ্জনৰ কাৰণে বুদ্ধদেৱক অনেক প্ৰশ্ন সুধিলে। বুদ্ধদেৱে তাৰ যথাযথ উত্তৰ দি তেওঁৰ ধৰ্ম্ম এনে প্ৰাঞ্জল ভাৱে বুজাই দিলে যে সুভদ্ৰা বুদ্ধদেৱৰ শিষ্য হ'ল। তাৰ পিছত তেওঁ আনন্দক ক'লে, "জানিবা, মোৰ মৃত্যুৰ লগে লগে মোৰ কাৰ্য্যৰ অন্ত নহয়। মই যি ধৰ্ম্ম আৰু নিয়ম থাপনা কৰি থৈ গলো ইয়াকে তোমালোকে মোৰ বাক্য বুলি মানি লবা।" এই বুলি কৈ তেওঁ ভিক্ষুবিলাকে নিজৰ ভিতৰত আৰু বাহিৰৰ লোকৰ লগত কিদৰে চলিব লাগিব সেই সম্বন্ধে বুজনি দিলে। কাৰবাৰ কিবা সুধিবলৈ আছেনে বুলি আকৌ তেওঁ শিষ্যবিলাকক প্ৰশ্ন কৰিলে। কিন্তু কোনোৱে একো উত্তৰ নিদিয়া দেখি নিজেই মনে মনে ক'লে, "যিসকলে সজ ভাৱে আৰু সজ কাম কৰে তেওঁলোকৰ অন্তৰ মুক্তি হবই।" শেষত শিষ্যবিলাকলৈ তলত লিখা শেষ বাণী উচ্চাৰণ কৰি অনন্ত-নিদ্ৰাত তেওঁ চকু মুদিলে। "ভিক্ষুসকল! তোমালোকে নিশ্চয় জানিবা সকলো বস্তুৰেই লয় নিহিত আছে। তোমালোকে অধ্যৱসায় আৰু চেষ্টাৰে নিজৰ মুক্তি নিজে উপাৰ্জ্জন কৰা।"

## বৌদ্ধ-ধৰ্ম্মৰ মূল-নীতি

বাপা! মই এতিয়া বৌদ্ধধৰ্ম্মৰ মূল নীতি আৰু কেনেকৈ এই ধৰ্ম্ম প্ৰচাৰ কৰা হ'ল সেইবিষয়ে তোমালোকক ক'ম। মই আগতে বুদ্ধদেৱে ভিক্ষু-বিলাকক কি শিক্ষা দিছিল সেই সম্বন্ধে কৈ আহিছো আৰু এতিয়া তোমা-লোকে জানিব পাৰিছা যে সকলো শ্ৰেণীৰ আৰু কুলৰ লোকৰপৰা বিশেষকৈ পণ্ডিত বামুণ আৰু ক্ষত্ৰিয় ৰাজকুলৰ লোকহে বেছিকৈ ভিক্ষু হৈছিল। প্ৰথ-মতে যিবিলাক লোকে নিজৰ অনুভূতিৰ প্ৰেৰণাত সংসাৰ ত্যাগ কৰি বুদ্ধ-দেৱৰ লগ লৈছিলহি সেই বিলাকক ভিক্ষু বুলি কোৱা হৈছিল। কিন্তু যেতিয়া সকলো ৰকমৰ মানুহে ভিক্ষু হবলৈ বিচাৰিলে তেতিয়া বুদ্ধদেৱে ভিক্ষু হব লাগিলে পালিবলগীয়া কিছুমান নিয়ম বান্ধি দিলে। তেওঁলোকে প্ৰথমে শৰণ লব লাগিছিল আৰু এই শৰণত তেওঁলোকে তিনিটা সংকল্প

কৰিব লাগিছিল—যেনে (১) বুদ্ধত শৰণ ললে নিজৰ জীৱনত বুদ্ধৰ জীৱন অনুকৰণ কৰিবলৈ সংকল্প কৰিব (২) বৌদ্ধ ধৰ্ম্মত শৰণ ললে বৌদ্ধ ধৰ্ম্মৰ আদেশ-উপদেশ বিশ্বাস কৰি সেইমতে চলিবলৈ সঙ্কল্প কৰিব লাগিব আৰু (৩) বৌদ্ধ সঙ্ঘত শৰণ ললে ভিক্ষুসকলৰ দলৰ যি নীতি নিয়ম আছে সেই মতে চলিবলৈ সঙ্কল্প কৰিব লাগিব আৰু তলত লিখা দহটা নিয়ম পালিবলৈ প্ৰতিশ্ৰুতি দিব লাগে।

১। মই কোনো প্ৰাণী বধ নকৰো।

২। মই কেতিয়াও চুৰ নকৰো।

৩। মই সকলো প্ৰকাৰ কু-আচৰণৰ পৰা বিৰত থাকিম।

৪। মই কেতিয়াও মিছা কথা নকওঁ।

৫। মই কোনো মাদক বস্তু নাখাওঁ।

৬। নিষিদ্ধ সময়ত মই কেতিয়াও একো নাখাওঁ।

৭। মই গান, নাচ, সঙ্গীত আৰু ভাওনাত যোগ নিদিওঁ।

৮। কেতিয়াও মালা, সুগন্ধি আতৰ বা অলঙ্কাৰ নিপিন্ধো আৰু নলওঁ।

৯। মই কেতিয়াও ওখ বহল শেতেলিত নোশোওঁ।

১০। কোনোবাই দিলেও মই সোণৰূপ গ্ৰহণ নকৰো। ভিক্ষু হওঁতে তেওঁলোকক গেৰুৱা বস্ত্ৰ দিয়া হয়। ইয়াৰ পিছতে বিদ্যা আৰু বুদ্ধি অনুসৰি ভিক্ষুবিলাকে বন্ধা নিয়মমতে বিহাৰ বা ভিক্ষু থকা আশ্ৰমত থাকিব লাগে। এই আশ্ৰমবিলাক মানুহৰ বসতি ঠাইৰপৰা দূৰৈত আছিল। তাত বৌদ্ধ ধৰ্ম্ম সম্বন্ধে অধ্যয়ন কৰিব লাগে আৰু ব্ৰহ্মচাৰীৰ কঠোৰ জীৱন যাপন কৰিব লাগে। এসন্ধ্যা খাবলৈ পায়। তাকো আকৌ মানুহে নিজ ইচ্ছাৰে যি দিয়ে তাৰেহে হয়। কঠোৰ শেতেলিত শুব লাগে। গাৰ কাপোৰো মুঠতে তিনিখন বা চাৰিখনতকৈ বেছি নহয়। এইবিলাককে অতি পৰিষ্কাৰকৈ ৰাখিব লাগে। যেতিয়া এই ব্ৰহ্মচাৰীবিলাকৰ বিদ্যা-বুদ্ধি বাঢ়ে তেতিয়া তেওঁলোকক প্ৰচাৰক কৰি আন ঠাইলৈ পঠিওৱা হয়। তেওঁলোকে খৰালি দিনত নিৰ্দ্দিষ্ট ঠাইবিলাকত ফুৰি বৌদ্ধ নীতি-নিয়ম আৰু ধৰ্ম্ম প্ৰচাৰ কৰিছিল। মানুহৰপৰা কেৱল এসপ্তাহৰ সিধা লৈ বাৰিষা দিনত আকৌ 'বিহাৰ'বিলাকলৈ উভতি গৈছিল। আৰ্য্যবিলাকে ব্ৰহ্মচাৰী জীৱনটো (অৰ্থাৎ ৫ বছৰৰপৰা ২৫ বছৰ বয়সৰ ভিতৰলৈ) যেনেকৈ কটাব লাগিছিল ভিক্ষুবিলাকেও সমস্ত জীৱনটোকেই পৃথিৱীৰ সকলো মায়া-লালসা অভিমান ইত্যাদি পৰিত্যাগ

কৰি তেনেকৈ কটাব লাগিছিল। এই ভিক্ষুসকলে কেৱল ধৰ্ম্ম শিক্ষা দিয়েই ক্ষান্ত নাছিল। কিছুমানে ৰোগীক চিকিৎসা, পশু-পক্ষী জাতিৰ প্ৰতি দয়াৰ কামো কৰি ফুৰিছিল।

বাপা, বুদ্ধদেৱৰ মহানিৰ্ব্বাণৰ পিছত এনে এদল সৰ্ব্বত্যাগী আৰু একান্ত ভক্তৰ দলৰ সহায়ত সমগ্ৰ ভাৰতবৰ্ষত আনকি পৃথিৱীৰ তিনি ভাগৰ এভাগত যে বৌদ্ধ ধৰ্ম্মৰ পতাকা উৰিব তাত বিচিত্ৰ কি! প্ৰচাৰকসকলতকৈয়ো তেওঁলোকে যি ধৰ্ম্ম প্ৰচাৰ কৰিছিল সেই ধৰ্ম্ম কিমান বিচিত্ৰ আৰু সুন্দৰ। সেই কাৰণে মই সেই বিষয়ে অতি চমুকৈ দু-আষাৰ ক'বলৈ ওলালো। বুদ্ধই মহানিৰ্ব্বাণ পোৱাৰ পিছত এই ভিক্ষুসকলে এছিয়াৰ প্ৰায় সকলো ঠাইলৈ গৈ ধৰ্ম্ম প্ৰচাৰ কৰেগৈ আৰু ৭০০।৮০০ বছৰৰ ভিতৰত চীন, জাপান, বালী, মালয় আদিলৈ গৈ বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰে। প্ৰত্যেক দেশত এই ধৰ্ম্মৰ ৰূপ আৰু প্ৰচাৰৰ নিয়ম কিছু পৰিমাণে পৰিৱৰ্ত্তন হয়। তথাপি এই পৰিৱৰ্ত্তনৰ মাজতো আমি যিমানখিনি বুজি পাওঁ তাৰ দ্বাৰাই বৌদ্ধ ধৰ্ম্মৰ মূল নীতি যে কিছুমান চিৰন্তন সত্যৰ ওপৰত প্ৰতিষ্ঠিত তাক কোৱা বাহুল্য মাথোন।

প্ৰকৃততে বৌদ্ধ ধৰ্ম্ম হিন্দু ধৰ্ম্মৰ এটা ৰূপ বুলিব পাৰি। বেছি ভাগ কথাতেই ই হিন্দু ধৰ্ম্মৰ বৈজ্ঞানিক ব্যাখ্যা। কিছুমান বিষয়ত ইয়াক আৰ্য্য হিন্দু সমাজৰ সাময়িক প্ৰথা শোধনকাৰী বুলি ক'ব পাৰি। কিন্তু এইটো নিশ্চয় যে এই সংশোধনৰ লগে লগে বুদ্ধদেৱে মানৱ সমাজৰ আগত কিছুমান অপূৰ্ব্ব আদৰ্শ আৰু সত্যও যে দাঙি ধৰি গৈছে। ঈশ্বৰ-প্ৰেৰিত মহাপুৰুষসকলে প্ৰথমে প্ৰচাৰ কৰোতে কোনো দিনেই নতুন ধৰ্ম্ম উলিওৱা বুলি ক'ব নিবিচাৰে। যীশুৰ জীৱনী পঢ়িলে পাবা যে তেওঁ কেইবা ঠাইতো কৈছিল বোলে তেওঁ পুৰণি ধৰ্ম্ম প্ৰৱৰ্ত্তাবলৈহে আহিছে, ধ্বংস কৰিবলৈ অহা নাই। মহম্মদ ৰচুলৰ প্ৰচাৰ পুৰণি ইহুদী ধৰ্ম্মৰ ভিত্তিৰ ওপৰত। সেইদৰে বুদ্ধদেৱেও প্ৰথমে হিন্দু সন্ন্যাসীৰ দৰেই তেওঁৰ ধৰ্ম্ম জীৱন আৰম্ভ কৰে। তেওঁ স্বৰ্গী হোৱাৰ ৪০০।৫০০ বছৰ পিছত (যেতিয়া মহাযান বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ হয়) বৌদ্ধ ধৰ্ম্মৰ আকাৰ আৰু প্ৰচাৰ কোনো কোনো বিষয়ত বিপক্ষবাদী হয় সঁচা, কিন্তু তেওঁৰ জীৱন কালত আৰু ইহলোক ত্যাগ কৰাৰ পিছত প্ৰায় ৩০০ বছৰমানলৈকে ভাৰতবাসীসকলে বা বৌদ্ধসকলেও তেওঁলোকৰ ধৰ্ম্ম, নীতি-নিয়ম ইত্যাদি বেলেগ বুলি মানি ললেও হিন্দু-ধৰ্ম্মৰ

বাহিৰা ৰূপ বুলি কেতিয়াও ধৰা নাছিল। পাশ্চাত্যৰ পণ্ডিতসকলেও বিশেষকৈ যিসকলে হিন্দু ধৰ্ম্ম-শাস্ত্ৰ আৰু বৌদ্ধ ধৰ্ম্ম শাস্ত্ৰ সমানে পঢ়িছে তেওঁলোকে বৌদ্ধ ধৰ্ম্মক হিন্দু ধৰ্ম্মৰ শাখা বুলি কয়।

২৫।২।৪১

কিছুমান লোকে বৌদ্ধ ধৰ্ম্মক নাস্তিকবাদী বা ঈশ্বৰ-অবিশ্বাসী ধৰ্ম্ম বুলি ক'ব খোজে আৰু বুদ্ধই ঈশ্বৰ নথকা বুলি প্ৰচাৰ কৰা বুলি ক'বলৈ বিচাৰে। বৌদ্ধ মহাযানমতে যিয়েই নহওক এই কথা স্পষ্টভাৱে ক'ব পাৰি যে বুদ্ধই কেতিয়াও ঈশ্বৰ নাই বুলি প্ৰচাৰ কৰা নাছিল। তেওঁ সকলো মানুহকে সৎ-স্বভাৱী, সত্যবাদী হবলৈ, দুখিতক উপকাৰ কৰিবলৈ ইত্যাদি উপদেশ দি প্ৰচাৰ কৰি ফুৰোতে এদিন এখন সভাত পাঁচজন ব্ৰাহ্মণ-পণ্ডিতে তেওঁ-লোকৰ ভিতৰত ঈশ্বৰতত্ত্ব সম্বন্ধে যি বাদানুবাদ হৈছিল তাৰ মীমাংসা কৰি দিবলৈ অনুৰোধ কৰিলে। এজন এজনকৈ প্ৰত্যেকজনে বেলেগ বেলেগকৈ ক'লে, "মই পঢ়া শাস্ত্ৰমতে ঈশ্বৰৰ প্ৰকৃতি এনেকুৱাহে আৰু সংসাৰত এই দৰে চলিলেহে ঈশ্বৰ-প্ৰাপ্তি হব ইত্যাদি।" বুদ্ধদেৱে পণ্ডিতসকলৰ তৰ্ক-আলোচনা বহুত পৰ একান্ত মনেৰে শুনি থাকি অৱশেষত এটাই কেদলকে সুধিলে, "তোমালোকৰ কোনোবা এখন শাস্ত্ৰত পৰমেশ্বৰক ক্ৰোধান্ধ, অন্যায় পৰায়ণ, হিংসুক নাইবা ব্যভিচাৰী বুলি কৈছেনে?" তেতিয়া এটাই কেইজনে কৈ উঠিল "নাই প্ৰভু! আমাৰ শাস্ত্ৰই তেওঁক পৱিত্ৰ, সৎ, দয়ালু আৰু ন্যায়পৰায়ণ বুলিহে কৈছে।" তেতিয়া বুদ্ধদেৱে তেওঁলোকক ক'লে, "তেন্তে ভাইসকল! যদি ঈশ্বৰক পাব খোজা তেন্তে তেওঁৰ সম্বন্ধে তৰ্ক কৰাৰ আগতে তোমালোকে পৱিত্ৰ, সৎ, দয়ালু আৰু ন্যায়পৰায়ণ হবলৈ চেষ্টা নকৰা কেলেই?"* এই সম্বন্ধে মহাত্মা গান্ধীয়ে কি কৈছে তাকো তোমা-লোকে জনা উচিত। ১৯২৭ চনৰ ২৪ নবেম্বৰত লঙ্কা-দ্বীপৰ বৌদ্ধ ধৰ্ম্মাৱলম্বী লোকসকলৰ অনুৰোধত কলম্বো নগৰত মহাত্মাই এটা বক্তৃতা দিছিল সেই বক্তৃতাত তেখেতে কৈছিল, "মই বহু ঠাইত কোৱা শুনিছো, আৰু কি বৌদ্ধ পুথি কিছুমানতো পঢ়িছো বুদ্ধদেৱে বোলে ঈশ্বৰত বিশ্বাস কৰা নাছিল। মোৰ সামান্য জ্ঞানেৰে এনে ধাৰণা বুদ্ধদেৱৰ মূল উপদেশৰ বিপক্ষে যায়। মোৰ মনেৰে বুদ্ধই সেই সময়ত ঈশ্বৰ পূজাৰ নামত যি ব্যভিচাৰ চলিছিল তাৰ বিৰোধিতা কৰাকেই তেওঁৰ ঈশ্বৰত বিশ্বাস নথকা বুলি মানুহে ভুল বুজিছিল।

* স্বামী বিবেকানন্দৰ আমেৰিকাৰ বক্তৃতাৰপৰা উদ্ধৃত।

ঈশ্বৰ যে হিংসা-পৰবশ নাইবা তেওঁ যে সাধাৰণ মানুহৰ দৰে কোনো কামৰ বাবে অনুতপ্ত হব পাৰে নাইবা পৃথিৱীৰ ৰজাৰ দৰে তেওঁক প্ৰলোভন দেখুৱাই আৰু ভেটিৰ দ্বাৰাই বশীভূত কৰিব পাৰি এনে বিশ্বাস বুদ্ধদেৱে অসত্য বুলি পৰিত্যাগ কৰিছিল। ঈশ্বৰক সন্তুষ্ট কৰিবৰ কাৰণে যে ঈশ্বৰে প্ৰজা অসংখ্য নিৰীহ প্ৰাণীৰ তেজ দিব লাগিব এনে বিশ্বাসৰ বিপক্ষে তেওঁৰ গোটেই আত্মা বিদ্ৰোহী হৈ উঠিছিল। সেই কাৰণে তেওঁ সেই সময়ৰ এনে ভ্ৰম বিশ্বাস নিৰ্ম্মূল কৰি ঈশ্বৰক তেওঁৰ প্ৰকৃত সিংহাসনত বহুৱালে। তেওঁ অতি দৃঢ় ভাবে পুনৰাই প্ৰকাশ কৰিলে যে ঈশ্বৰৰ বিশ্বৰাজ্য ন্যায় শাসন আৰু ধৰ্ম্মত প্ৰতিষ্ঠিত আৰু তেওঁ দ্বিধা-শূন্য হৈ প্ৰকাশ কৰিলে যে এই সত্য ধৰ্ম্ম ই ঈশ্বৰ।" বৌদ্ধশাস্ত্ৰজ্ঞ ইংৰাজ আৰু ডেভিড চ্ চাহাবে কয় যে জগত কোনে সৃষ্টি কৰিলে আৰু এই ব্ৰহ্মাণ্ডৰ আদি কাৰণ কোন আদি প্ৰশ্নবোৰৰ সমস্যা বৌদ্ধ ধৰ্ম্ম ই নিবিচাৰে। বুদ্ধদেৱৰ শিকনিমতে জগতৰ সকলো সমস্যাৰ সমাধান হব পাৰে জগতত অনাদি কালৰপৰা প্ৰৱৰ্ত্তিত হৈ থকা নিয়ম বা ধৰ্ম্মৰ জ্ঞানৰপৰা। ইংৰাজীলৈ তৰ্জ্জমা কৰিলে এই ধৰ্ম্ম বা নিয়মকে Universal law of Causation বুলিব পাৰি। হিন্দুসকলে এই নিয়মকে কৰ্ম্মফল বোলে। বৌদ্ধসকলে ইয়াক বোধকৰো "পতিচ্ছা সমোৎপাদ" বোলে। ইংৰাজী সংস্কৃত আৰু পালি ভাষাত যদিও তিনটা শব্দ একে ভাবতে ব্যৱহাৰ কৰিছো, প্ৰকৃততে বৌদ্ধমতে এই নিয়ম বা ধৰ্ম্ম এই আটাই কেইটা শব্দতকৈ বেছি অৰ্থজ্ঞাপক।

২৬।৩।৪১

মোৰ পক্ষে এই নিয়মৰ সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিবলৈ যোৱাটো ধৃষ্টতা মাথোন। কিন্তু তথাপিতো কেইটামান মূল কথা বুজাবলৈ চেষ্টা কৰিলো। অতি অলপ কথাতে প্ৰকাশ কৰিবলৈ গলে এই সত্যৰ অৰ্থ এই যে প্ৰত্যেক কাৰ্য্য, প্ৰত্যেক কথা, আনকি প্ৰত্যেক চিন্তাৰো ফল আছে। মানুহে ভাল কাম কৰিলে নিজৰ জীৱন ভাল হয়, সমাজৰো ভাল হয় আৰু বেয়া কাম কৰিলে নিজৰতো বেয়া হয়, সমাজৰো বেয়া হয় আৰু সমগ্ৰ জাতিটোৰে বেয়া হয়। যেনে ভাবি লোৱাচোন যেতিয়া এজন মানুহে নিজৰ স্বাৰ্থৰ কথা নেভাবি পৰৰ উপকাৰৰ অৰ্থে কাম কৰে তেতিয়া সেই মানুহ জনৰ মন উদাৰ হয়, কাৰো লগত হাইকাজিয়া নহয়, সকলোৱে তেওঁক ভাল পায় আৰু সেই কাৰণে

তেওঁ ভাল কাম কৰিবলৈকো শক্তিৱন্ত হয়। কিয়নো তেওঁৰ কাম সমাজৰে কাম। তেওঁৰ কামৰ দ্বাৰা সমাজৰ উপকাৰ হবই। লগে লগে তেওঁ নিজে সমাজৰ কাম কৰোতে যিবিলাক মানুহে কাম কৰিব তেওঁলোকৰো সেই দৰে মন উন্নত হব। এইদৰে এজন ভাল মানুহৰ ভাল কামৰ দ্বাৰাই তেওঁৰ নিজৰ, তেওঁৰ সমাজৰ আৰু সমগ্ৰ মানৱ সমাজৰেই ভাল হব। সেইদৰে আকৌ এটা বেয়া কামৰো বেয়া ফল হব। এজন মানুহে চুৰ কৰাৰ আগতে তাৰ মনত লোভ উপস্থিত হব। সি কেনেকৈ আনৰ বস্তু চুৰ কৰি আনিব সেই কথা ভাবোতে তাৰ মন কলুষিত হব তাৰ পিছে, (চুৰ কৰাৰ পিছত) যাৰ বস্তু চুৰি হল তাৰ মনত দুখ হল আৰু চোৰটোৰ তাৰ মনত হিংসা জন্মিল। সমাজৰ মানুহৰ মনলৈ অশান্তি অস্থিৰতা আহিল কিয়নো কাৰ বস্তু কোনে চুৰ কৰি নিব তাৰ একো ঠিক নোহোৱা হব। মানুহে মানুহক মিছাতে অবিশ্বাস আৰু সন্দেহ কৰিবলৈ ধৰিব। সমগ্ৰ মানৱ সমাজৰ কথা ভালকৈ ভাবি চালেও দেখা যায় যে এই চুৰি ডকাইতিৰ প্ৰবৃত্তিৰ পৰাই পৃথিৱীত আজি এনে মহামাৰী যুদ্ধ উপস্থিত হৈছে। এই নিয়ম যে কেৱল মানুহৰ বাবেহে সত্য এনে নহয়। সমাজ আৰু জাতিবোৰৰ গাতো এই কথা খাটে। অন্যায়কাৰী সমাজ আৰু অন্যায়কাৰী জাতি যেনে-তেনে ধ্বংস হবই ই ধ্ৰুব সত্য লাগিলে সি হাজাৰো বাহ্যিক আড়ম্বৰত ডাঙৰ বা প্ৰতাপশালী হওক। সেই দৰে আন সমাজ বা জাতিৰ উপকাৰ কৰিবলৈ বিচৰা সমাজ বা জাতি ধ্বংস নহৈ লোকৰ উন্নতিৰহে কাৰণ হব আৰু সমাজ আৰু জাতিবোৰৰ মাজত প্ৰেম আৰু শান্তি আনিব। তোমালোকে অলপমান ভাবিলেও এই নিয়ম কেনে অখণ্ডনীয় সত্য বুজি পাবা। তুমি সি এজন ল'ৰাক মৰম কৰা সিও তোমাক মৰম কৰিব। তুমি যদি তাক খং কৰা, তোমাকো সি খং কৰিব। যদি তুমি এজনক মাৰা, সিও তোমাক মাৰিব আৰু মাৰিব নোৱাৰিলেও তাৰ পোটক তুলিবলৈ ছেগ বিচাৰিব। অথচ খং নকৰাকৈ যদি দুয়ো জনে যুঁজ কৰা তেন্তে নিজৰ মনত ৰংহে পাবা। এই অখণ্ডনীয় সত্য বাস্তৱ জগততো খাটে। আজি ২৫০০ বছৰ আগেয়ে বুদ্ধই শিকনি দিয়া তথ্যৰ সত্যতা আজি পাশ্চাত্য জগতে বুজিছে। এতিয়া স্বীকৃত হৈছে বাহ্যিক জগতৰ কোনো শক্তি (energy) বা কোনো বস্তু ধ্বংস নহয় (Matter is indestructible)। অণু-পৰমাণু হিচাপে হলেও বা সেইবিলাক পৰিৱৰ্ত্তিত আকাৰে হলেও ইয়াতে থকা আৰু কিছুমান বন্ধা নিয়মৰ দ্বাৰাই

এই বাহ্যিক জগত প্ৰখণ্ড কালৰ পৰা চলি আছে। বৌদ্ধসকলে বাহ্যিক জগতৰেই হওক বা মানসিক জগতৰে হওক এইবিলাকৰ প্ৰথম কাৰণ অৰ্থাৎ এই নিয়ম কোনে সৃষ্টি কৰিলে বা ক'ৰ পৰা হ'ল এই সম্বন্ধে চিন্তা কৰি সময় কটাব নোখোজে। বুদ্ধদেৱৰ মতে এইবিলাক কথাত সময় নিয়াটো অন্যায় আৰু মানুহৰ ক্ৰমোন্নতিৰ বিৰোধী। এই কাৰণেই কিছুমান হিন্দু ধৰ্ম্ম শাস্ত্ৰকাৰে তেওঁক ঈশ্বৰবিৰোধী বুলি ভ্ৰম কৰিছে।

মানুহৰ কাৰণে এই কৰ্ম্ম-কাণ্ডৰ ফল পূৰ্ণ বুদ্ধ নোহোৱালৈকে ইহ জনমতে শেষ নহয়। মানুহে ভাল কাম বা বেয়া কাম কৰাৰ লগে লগে প্ৰত্যেক মানুহতে কিছুমান প্ৰবৃত্তিৰ উৎপত্তি হয়। এই প্ৰবৃত্তিবোৰ মানুহৰ শৰীৰ ভস্ম হোৱাৰ পিছত আকৌ আন ঠাইত উৎপন্ন হয়। বেয়া প্ৰবৃত্তি হলে বেয়া জীৱ হৈ আৰু ভাল কাম কৰিলে ভাল জীৱ হৈ জন্ম ধৰিব। সমস্ত জীৱ-জগৎ এক সূত্ৰে গঁথা আছে। গতিকে আগৰ জনমত আন জীৱ এটা এই জনমত আন জীৱ হোৱাটো একো আচৰিত নহয়। সেই কাৰণে বুদ্ধদেৱে কোনো জীৱকে হিংসা কৰা মহা অন্যায় এই কথা প্ৰচাৰ কৰিছিল আৰু এই কাৰণেই তেওঁ যজ্ঞ বা ঈশ্বৰ পূজাৰ নামত জীৱ হত্যা কৰাৰ ইমান বিৰোধী আছিল। অলপ দকৈ ভাবি চালে বুজিব পাৰি যে প্ৰবৃত্তিমূলক পুনৰ্জ্জন্মৰ তথ্যৰ ফলত ১৯০০ খৃষ্টাব্দৰ পণ্ডিত ডাৰবিনৰ তথ্যৰ লগত কিছু মিল আছে। যদি প্ৰকৃততে মানুহে অতি সামান্য কীটাণুৰ পৰাই ক্ৰমোন্নতিৰ দ্বাৰা এই অৱস্থা পাইছেহি তেনেহলে এটা প্ৰশ্ন আমাৰ সকলোৰে মনত উদয় হয় -এই জীৱবিলাকৰ সিহঁতৰ ক্ষণিক জীৱনৰ ভিতৰুৱত স্বভাৱজ শক্তিৰ বাহিৰে নিজ স্বকীয়া শক্তি আছেনে? অৰ্থাৎ বাস্তৱ জীৱনৰ ভিতৰত সিহঁতে কোনো শক্তি লাভ কৰিব (acquired) পাৰেনে যাৰ দ্বাৰাই এই জীৱই উচ্চ জীৱৰ অৱস্থা লাভ কৰিব পাৰে? এইবিলাক তৰ্কৰ কথা। বৌদ্ধ-মত মতে অন্ততঃ মানুহৰ তেনে শক্তি আছে অৰ্থাৎ মানুহে নিজৰ শক্তিৰ দ্বাৰাই নিজে অসীম উন্নতিপ্ৰাপ্ত হৈ পূৰ্ণ জ্ঞানী বুদ্ধ হব পাৰে নাইবা বেয়া কাম কৰি অতি সাধাৰণ কীটৰ তুল্যও হব পাৰে। সেই কাৰণে বুদ্ধিযুক্ত সৎ কৰ্ম্মীৰ পক্ষে মানুহৰ ভৱিষ্যৎ নিৰাশাময় নহৈ উন্নতিৰ সপোন মাথোন, অন্ধকাৰ নহৈ পূৰ্ণ জ্যোতিময়। পাপী, মূৰ্খ আৰু অসৎ লোকৰ কাৰণে ভৱিষ্যৎ বৰ দুখকষ্টময়।

এতিয়া তোমালোকে মোক নিশ্চয় সুধিবা—"আমি এই নিয়মবিলাকৰ

কথা শুনিবলৈকে ইমান টান পাইছোঁ। মানুহে বৌদ্ধ ধৰ্ম্ম কেনেকৈ গ্ৰহণ কৰিব?" প্ৰকৃততে বুদ্ধদেৱেও মনত এই সত্যবোৰ উদয় হোৱাৰ পিছত কেনেকৈ তেওঁ মানুহৰ মাজত এইবোৰ প্ৰচাৰ কৰিব সেই কথা ভাবি নিজেই বৰ বিমোৰত পৰিছিল। তেওঁ ভাবি ভাবি এই সত্য প্ৰচাৰৰ কাৰণে অতি সহজ উপায় উলিয়ালে।

প্ৰথমতে এই সত্যবোৰ উপলব্ধি কৰিব লাগিলে মানুহৰ শিক্ষা আৰু সাধনা লাগিব। এই শিক্ষা আৰু সাধনা লাভ কৰোতে যেনেকৈ এপিনে আমাৰ মন লোভ, মোহ আদি সাংসাৰিক বিলাস অভিলাষ আদিৰপৰা মুক্ত ৰাখিব লাগিব, আনপিনে তেনেকৈ শৰীৰক কঠোৰ শাস্তি দি মনটোক বিকাৰৰ পৰা ৰক্ষা কৰিব লাগিব। তপস্যা কৰি থাকোতে নাচনী কেই-জনীমানৰ পৰা গান শুনি তেওঁৰ মনত এই জ্ঞান উদয় হয়। এই উদাহৰণৰ পৰাই তেওঁ মধ্য পন্থৰ (মজ্জম) নীতি প্ৰকাশ কৰে। মানুহে অত্যন্ত কষ্ট, অত্যন্ত দুখ, অত্যন্ত সুখ নাইবা অত্যন্ত বিলাসৰ দ্বাৰাই ধৰ্ম্ম আচৰণ কৰিব নোৱাৰে। শৰীৰ আৰু মনত সুস্থ অৱস্থাত হে জ্ঞান উপাৰ্জ্জন কৰিব পাৰে সজ চিন্তা কৰিব পাৰে আৰু সজ কাৰ্য্য কৰিব পাৰে। এই মধ্যম পন্থৰ নিয়ম পালন কৰিব লাগিলে মানুহে (১) সজ বিলাস (২) সজ উদ্দেশ্য (৩) শুদ্ধ বাক্য (৪) সৎ কাৰ্য্য (৫) সৎ জীৱিকাৰ উপায় (৬) সৎ চেষ্টা (৭) সৎ কাৰ্য্যলৈ মন (৮) সৎ চিন্তা এই আঠ প্ৰকাৰ আচৰণ কৰিব লাগিব। জ্ঞান আৰু চিন্তা শক্তিৰ পূৰ্ণতা আৰু সেই জ্ঞানৰপৰা উদ্ভৱ হোৱা সকলো কৰ্ত্তব্যৰে পূৰ্ণতা পালে যেই সেই লোকেই বুদ্ধ হব পাৰে। বৌদ্ধ ধৰ্ম্মমতে এনেকুৱা লোক একে জনমতে হোৱা বিৰল। 'পৰামিত' অৰ্থাৎ সৎ গুণবোৰ পূৰ্ণতা সাধন কৰিবলৈ বহু জন্ম লাগিব পাৰে কিন্তু এইটো নিশ্চয় যে ই মানুহৰ অসাধ্য নহয় আৰু মানুহৰে লভ্য পদ। সেই জগতৰ সকলো প্ৰকাৰ জ্ঞান যেনে--বিজ্ঞান, মনোবিজ্ঞান, আন যত ৰকমৰ জ্ঞান সকলোৰে পক্ষে সম্ভৱ নহব পাৰে কিন্তু এই জ্ঞানো মানুহৰ অসাধ্য নহয়।

তৎক্ষণাৎ বুদ্ধত্ব প্ৰাপ্ত হোৱা টান কথা। সেই কাৰণে বুদ্ধদেৱে সাধাৰণ মানুহে, ৰজাসকলে আৰু বিশেষকৈ ভিক্ষুসকলে কি জ্ঞান উপাৰ্জ্জন কৰিব লাগিব আৰু কি কি কৰ্ত্তব্য সমাধান কৰিব লাগিব তাক স্পষ্টভাৱে কৈ গৈছে। এই কৰ্ত্তব্যৰ সাৰ অংশ কেইটামান কথাতে কব পাৰি। সকলো জীৱই মূলতঃ এক। সেইকাৰণে সকলো জীৱকে মৰম আৰু দয়া কৰিব

লাগে। এতেকে জীৱক বলি দিয়া বা নিজৰ তৃপ্তিৰ কাৰণে মাৰি খোৱাটো পাপ। সেইদৰে মানুহে মানুহক মৰম, দয়া কৰিব আৰু সহানুভূতি দেখুৱাব। সেইকাৰণে যি কাম বা কৰ্ত্তব্যৰ দ্বাৰা এই ভাববিলাক মানুহৰ মনত বাঢ়ে সেইবিলাকেই প্ৰকৃত বা সৎ কাম। এনেকুৱা কামৰপৰা ব্যক্তিগতভাৱে মানুহৰ, সামাজিকভাৱে সমাজৰ আৰু জাতীয়ভাৱে জাতিৰ শান্তিৰ কাৰণ হব। এনে কৰ্ত্তব্য পালনৰ দ্বাৰা মানুহে কৰ্ম্মৰ ভাল ফল পাব আৰু বুদ্ধি সৎ হবলৈ উপযুক্ত হব। এই কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰি তেখেতে সাধাৰণ মানুহক অহঙ্কাৰশূন্য হবলৈ কৈছিল আৰু তলত লিখা নিয়মবোৰ সঘনে পালন কৰিবলৈ কৈছিল।

(১) মই জীৱহত্যা সম্বন্ধে যি নীতি আছে পালন কৰিম।

(২) মই পৰৰ কোনো বস্তু অপহৰণ নকৰো আৰু এই সম্বন্ধে যি নিয়ম আছে পালন কৰিম।

(৩) মই কোনো তিৰোতাৰ লগত অবৈধ আচৰণ নকৰো আৰু এই সম্বন্ধে যি নিয়ম আছে পালন কৰিম।

(৪) মই কেতিয়াও মিছা কথা নকওঁ। আনক কঠোৰ বচন নোবোলো, নিন্দা নকৰো, অনাহক কথাত সময় নকটাও আৰু এই সম্বন্ধে যি নিয়ম আছে মই তাক পালন কৰিম।

(৫) মই কেতিয়াও ফটিকা বা মাদকতা সৃষ্টি কৰা বস্তু নাইবা কানি ভাঙৰ দৰে চিত্তত বিকাৰ জন্মোৱা বস্তু নাখাও আৰু এই সম্বন্ধে যি নিয়ম আছে তাক পালন কৰিম।

ইয়াৰ বাহিৰেও দহটি গুণ বা পৰামিত চৰ্চ্চা কৰিবলৈ কোৱা হৈছে সেই কেইটাৰ কথা আগেয়েই কৈ আহিছো। অলপ ভাবি চালেই বুজি পাবা যে সেই গুণবিলাক আচৰণ কৰিলে মানুহ সম্পূৰ্ণ জ্ঞানী হব পাৰিব আৰু কেৱল জীৱ-জগতৰ উপকাৰৰ কাৰণে জীৱন উৎসৰ্গ কৰিব লাগিব।

মই আগেয়ে কৈছো বৌদ্ধ ধৰ্ম্মত ভিক্ষুবিলাকৰ কাৰণে আৰু বেছি কঠোৰ অনুশাসনৰ বন্দোবস্ত কৰিছিল। ঠিক যীশুখ্ৰীষ্টই শিষ্যবিলাকৰ পৰা বিচৰাৰ দৰে তেওঁ এই ভিক্ষু শিষ্যবিলাকৰ পৰা সম্পূৰ্ণৰূপে নিয়ম পালন বিচাৰিছিল। ব্ৰহ্মচাৰ্য্যৰ কঠোৰ নিয়ম তেওঁলোকে মানিবই লাগিছিল। যিসকলে কোনো ধৰ্ম্ম বা নীতি প্ৰচাৰ কৰিব ওলায় সেইসকলৰ জীৱন সম্পূৰ্ণৰূপে সেই নীতি আৰু ধৰ্ম্মমতে নহলে ধৰ্ম্মৰ মৰ্য্যাদা ক'ত থাকিব? এই

সম্বন্ধে এটা সাধু কলেই তোমালোকে বুদ্ধদেৱে তেওঁৰ শিষ্যৰ পৰা কিমান সাধনা বিচাৰিছিল বুজি পাবা। বক্কনি নামৰ এজন শিষ্যই বুদ্ধদেৱৰ সুন্দৰ সুঠাম আৰু নিপোটল দেহটো চাই থাকিবলৈ বৰ ভাল পাইছিল আৰু বুদ্ধদেৱৰ ওচৰৰ পৰা কলৈকো নগৈছিল। বুদ্ধদেৱে এই কথা বুজি পাই বক্কনিক ক'লে—"তুমি মোৰ ওচৰৰ পৰা গুচি যোৱা। মানুহৰ শৰীৰত কি আছে যে তাকে চাই তুমি পাপত পৰিব ধৰিছা ?" বক্কনিয়ে মনত ইমান দুখ পালে যে তেওঁ নদীত পৰি আত্মহত্যা কৰিব ধৰিছিল। কিন্তু বুদ্ধদেৱে সেই কথাৰ গম পাই তৎক্ষণাৎ বক্কনিক লগ ধৰিলে আৰু ভিক্ষু হবলৈ হলে কেনেকৈ নিয়ম পালন কৰিব লাগে তেওঁক আকৌ ভালকৈ বুজালে। বক্কনিৰ মন তেতিয়াৰ পৰা বিকাৰশূন্য হ'ল।

এনে নিখুত চৰিত্ৰবান, পূৰ্ণত্যাগী, প্ৰেমময়, পূৰ্ণবুদ্ধিসৎ মহাপুৰুষৰ জ্ঞানৰ পৰা উদয় হোৱা, ত্যাগী ভিক্ষুৰ দ্বাৰা প্ৰচাৰিত হোৱা এনে পৱিত্ৰ ধৰ্ম্ম যে সৰ্ব্বব্যাপী হব তাত আচৰিত হবলগীয়া একো নাই। সৌভাগ্যৰ বিষয় এয়ে যে ভাৰতবাসী তেতিয়াও পৰাধীন হোৱা নাছিল আৰু আৰ্য সন্তানসকল আত্মা ধ্বংসকাৰী পাশ্চাত্য বাস্তব-বাদৰ গ্ৰাসত সোমোৱা নাছিল। বৰ্ত্তমান পাশ্চাত্য সভ্যতাৰ তেতিয়া নাম-গোন্ধেই নাছিল। হিন্দু আৰ্য্য সন্তানসকলে সত্যক সত্য বুলি গ্ৰহণ কৰিবলৈ আগ্ৰহ কৰিছিল। সেইকাৰণেই এই নতুন ধৰ্ম্মই পুৰোহিতমণ্ডলী, জাতিভেদ আৰু তিক্তাতামূলক পাণ্ডিত্যৰ শক্তি নাশ কৰিবলৈ ওলাল। প্ৰায় সাধাৰণ মানুহেই বিশেষকৈ ৰজা, মহাৰজা, সন্ত সাধু আৰু বিজ্ঞ লোকসকলে এই ধৰ্ম্ম সাদৰেৰে গ্ৰহণ কৰিলে। সাগৰত ঢৌ উঠাৰ দৰে প্ৰথমে ভাৰতবৰ্ষত তাৰ পিছত ক্ৰমে সমগ্ৰ এছিয়াত এনে জনহিতকৰ, দয়াশীল, প্ৰেমময় আন্দোলন এটাই মনুষ্য সমাজৰ উন্নতিৰ অৰ্থে লাগিল যে বুদ্ধদেৱ পৃথিৱীৰ ভিতৰত এজনা সৰ্ব্বশ্ৰেষ্ঠ মহাপুৰুষ বুলি প্ৰতিষ্ঠিত হল। ভাৰতবৰ্ষৰ জ্ঞানী আৰ্য্যসকলে তেওঁৰ ব্যাখ্যাবিলাক গ্ৰহণ কৰি হিন্দু ধৰ্ম্মৰ অংশ কৰি ললে।

## বৌদ্ধ-যুগৰ ভাৰতবৰ্ষ

২৮।৩।৪১

এই কথা লক্ষ্য কৰিবলগীয়া যে বৌদ্ধ ধৰ্ম্মৰ প্ৰচলনৰ লগে লগে ভাৰতবৰ্ষৰ ৰাজনৈতিক গৌৰৱৰ দিন আৰম্ভ হয় আৰু বৌদ্ধধৰ্ম্ম অদৃশ্য হোৱাৰ

লগে লগে ভাৰতৰ গৌৰৱ-সূৰ্য্য মাৰ যায় বুলি ক'ব পাৰি। ভাৰতবৰ্ষৰ বুৰঞ্জী অলপ বহলাই পঢ়িলেই এই কথাৰ প্ৰমাণ পাবা। বুদ্ধদেৱ স্বৰ্গী হোৱাৰ কিছুদিন পিছৰপৰা মগধ ৰাজ্য বাঢ়িবলৈ আৰম্ভ কৰে। ৰাজগৃহৰ পৰা তুলি নি পাটলিপুত্ৰত (বৰ্ত্তমান পাটনা আৰু বাকিপুৰ জুৰি ঠাইখন) মগধৰ ৰাজধানী পতা হয়। গ্ৰীক-সম্ৰাট আলেক্‌জেণ্ডাৰৰ লগত পুৰু ৰজাৰ সন্ধি হোৱাৰ পিছত ভাৰতৰ উত্তৰ-পশ্চিম-খণ্ড গ্ৰীকৰাজ্যৰ এখন প্ৰদেশ হয়। এনে সময়তে মৌৰ্য্যৰাজ চন্দ্ৰগুপ্তৰ উত্থান হয়। তেওঁ গ্ৰীকবিলাকক খেদি পঠিয়াই ভাৰতক স্বাধীন কৰি ডাঙৰ সাম্ৰাজ্য গঠন কৰে। ইয়াৰপিছত ৰাজৰ্ষি অশোকৰ কথা তোমালোকে নিশ্চয় পঢ়িছা। অশোকৰ ৰাজ্য সমগ্ৰ ভাৰতবৰ্ষ বিয়পি আছিল। তেওঁ নিজে এজন উৎসাহী বৌদ্ধ আছিল। তেওঁৰ শাসন কাৰ্য্যৰ নিয়ম প্ৰণালীবোৰ বৰ্ত্তমান পাশ্চাত্য ঐতিহাসিকসকলেও অতি উত্তম আছিল বুলি কয়। এইদৰে প্ৰায় ১১০০ বছৰ হৰ্ষবৰ্দ্ধন বা শিলাদিত্য আদি ৰজাৰ দিনলৈকে ভাৰতবৰ্ষৰ ৰাজনৈতিক শক্তি অক্ষুণ্ণ থাকে। ভাৰতীয় যোদ্ধাই পাৰস্য, গ্ৰীক আদি সেনানীক ঘটুৱাই ৰাজ্য-শাসন শক্তিত সেইবিলাক জাতিতকৈ বেছি পাৰ্গতালি দেখুৱাইছিল। কিন্তু তাতকৈ ভাৰতবৰ্ষৰ ডাঙৰ গৌৰৱৰ কথা হৈছে সেই সময়ৰ সভ্যতা আৰু সংস্কৃতি। এই গৌৰৱৰ বাবে নিশ্চয় আৰ্য্য ভাৰতবৰ্ষ বুদ্ধদেৱৰ ওচৰত ঋণী। সেই সময়তে বৰ ডাঙৰ ডাঙৰ আলিবাট বন্ধা হয়। সেইবোৰৰ চিন আজিলৈকে আছে। সেই আলিবাটৰ দুয়ো কাষে সুন্দৰ সুন্দৰ গছ ৰোৱা হয় আৰু বাটৰুৱাই যাতে পানীৰ কষ্ট পাব নোৱাৰে সেইবাবে ঠায়ে ঠায়ে কুৱা খন্দাই দিয়া হৈছিল। মানুহৰ চিকিৎসাৰ কাৰণে চিকিৎসালয় আৰু গৰু-ছাগলী ইতৰ প্ৰাণীৰ চিকিৎসা আৰু ৰক্ষাৰ কাৰণে পিঞ্জিৰাপল আদি সজা হয়। শুনি চমক খাব লাগে—অশোক ৰজাই যাতে প্ৰজাবিলাক অভাৱত নপৰে, ব্যভিচাৰী হবলগীয়া নহয় আৰু তিৰোতাবিলাক সৎ চৰিত্ৰৰ হয় এইবিলাকৰ তত্ত্বাৱধান কৰিবৰ বাবে মতা আৰু তিৰোতা বিষয়া নিযুক্ত কৰিছিল। সকলো ধৰ্ম্মকে সমানে ৰক্ষা কৰিছিল। বিজ্ঞ পণ্ডিতসকলক ৰক্ষাৰ কাৰণে আৰু ভিক্ষুসকলৰ পোহপালৰ কাৰণে ৰজাসকলে মাটিবাৰী দান কৰিছিল। ঠায়ে ঠায়ে প্ৰকাণ্ড বুদ্ধস্তূপবিলাক (মন্দিৰ) বৌদ্ধ ভিক্ষুসকলৰ অধ্যয়ন, ধ্যান আৰু থকাৰ কাৰণে সজাই দিয়া হৈছিল। ভাৰতৰ গৌৰৱ নালন্দা বিশ্ববিদ্যালয় এই সময়ৰ এজন। তাত হাজাৰ হাজাৰ ছাত্ৰই পঢ়িছিল আৰু তালৈ তুৰস্ক চীন, জাপান, পাৰস্য

আদি দূৰ-দূৰণিৰ পৰাও বিদ্যাৰ্থী আহিছিল। এনে সকলো অনুষ্ঠান ৰজাই ৰাজকোষৰ ধনেৰে চলাইছিল। বৌদ্ধ ধৰ্ম্মমতে ভিক্ষা কিমান লাগতিয়াল বস্তু তাৰ প্ৰমাণ আমাৰ দেশৰ খামটিসকলৰ নিয়মৰপৰা বুজিব পাৰিবা। খামটিসকলৰ গুৰুৰ ওচৰলৈ সকলো ল'ৰাই পঢ়িবলৈ যাবই লাগিব, নগলে বাপেক-মাকক সমাজে শাস্তি-বিধান কৰে।

ৰাজৰ্ষি অশোকৰ দৰে ৰজাসকলে বৌদ্ধ ধৰ্ম্মৰ গৌৰৱ ভাৰতবৰ্ষতেই প্ৰচাৰ কৰি সন্তুষ্ট নাছিল। ওচৰৰ সিংহল আৰু ব্ৰহ্মদেশ, উত্তৰে নেপাল তিব্বত, তাৰো উত্তৰে চীন মহাদেশ, পশ্চিমে এছিয়া-মাইনৰ আৰু ৰুছিয়াৰ সীমালৈকে আটাইখিনি ঠাইত, পূবে মলয় দ্বীপপুঞ্জ প্ৰভৃতি বহু ঠাইলৈ বৌদ্ধ প্ৰচাৰক পঠাইছিল। একল ৰজাৰ খৰচতেই নহয়, সেই প্ৰচাৰক-সকলে অশেষ কষ্ট ভোগ কৰি, নিজৰ প্ৰাণ বিপন্ন কৰি দলে দলে গৈ এই ঠাইবিলাকত কেৱল এক উদ্দেশ্য অৰ্থাৎ জীৱৰ উদ্ধাৰৰ কাৰণে পবিত্ৰ প্ৰেম-ধৰ্ম্মৰ পোহৰ বিলাই দিছিলগৈ। এই সাধু প্ৰচাৰকসকলে নিজৰ বিনয়, নম্ৰতা, আৰু সদাচৰণৰ দয়াৰ গুণত অচিনা দেশত গৈ নিচিনা মানুহক আপোন ভাই কৰি ললে আৰু তেওঁবিলাকৰ উপকাৰৰ কাৰণে নিজৰ জীৱন দিলে। এই মহা তপস্যা আৰু ত্যাগৰ ফলত আজি পৃথিৱীৰ সকলোতকৈ অধিক সংখ্যক লোক বৌদ্ধ ধৰ্ম্মাৱলম্বী। প্ৰায় ২১০ কোটি লোকৰ ভিতৰত ৪০ কোটি বৌদ্ধ।

এই মহৎ আদৰ্শৰ ফল এছিয়াবাসী বিশেষকৈ ভাৰতবাসীৰ জীৱনত সকলো স্তৰতে ফুটি ওলাল। শিল্প, কাৰুকাৰ্য্য, ভাস্কৰ্য্য আৰু বিশেষকৈ নিৰ্ম্মাণ শিল্পই (architecture) এই সময়তে অপূৰ্ব্ব ৰূপ ললে। লাখে লাখে অপূৰ্ব্ব বুদ্ধ মূৰ্ত্তি সৃষ্টি হবলৈ ধৰিলে। অসংখ্য মঠ-মন্দিৰ আদি নিৰ্ম্মিত হল। পৰ্ব্বতৰ গুহাবোৰত সুন্দৰ ভাস্কৰ্য্য, শিলা মূৰ্ত্তি, শিলৰ স্তম্ভ ইত্যাদিৰে ভাৰতবৰ্ষ উপচি পৰিল। লগে লগে এটা মহিমাময় সাহিত্য সৃষ্টি হল যি কালৰ ধ্বংস শক্তিৰ সত্বেও পৃথিৱীৰ নানান ভাষাত এটি আচৰিত বস্তু হৈ আছে আৰু যাৰ সৌন্দৰ্য্য আৰু সত্য পাশ্চাত্য পণ্ডিতসকলে এতিয়াহে উপলব্ধি কৰিব ধৰিছে।

২১।৩।৪১

এই সময়ৰ সৎ আদৰ্শ, সৎ কাৰ্য্য আৰু সদাচৰণৰ ফলত সাধাৰণ ভাৰতবাসীৰ চৰিত্ৰ আৰু সমাজ কিভাৱে গঠিত হৈছিল তাৰ প্ৰমাণ এই সময়ৰ

ভিতৰত আমাৰ দেশলৈ অহা কটকী আৰু পৰিব্ৰাজকসকলৰ পৰা পাবা। কাৰণ ভাৰতবৰ্ষৰ গৌৰৱ এইদৰে চাৰিওফালে বাষ্ট্ৰ হৈ পৰিছিল যে ৰেল-জাহাজ নথকা সত্বেও সুদূৰ এছিয়া-মাইনৰ, চীন দেশ, ব্ৰহ্মদেশ আদি ঠাইৰ পৰা বহু লোক তীৰ্থ কৰিবলৈ ভাৰতবৰ্ষলৈ আহিছিল। মই তোমালোকক মেগেস্থেনিচ, ফাহিয়ান আৰু হুয়েনচাং এই কেইজন ভ্ৰমণকাৰীয়ে ভাৰতবৰ্ষ সম্বন্ধে কি কৈ গৈছে পঢ়িবলৈ কওঁ। মেগেস্থেনিচ গ্ৰীক ৰাজ্যৰ কটকী আছিল আৰু তেওঁ মহাৰাজ চন্দ্ৰগুপ্তৰ ৰাজসভাত বহিছিল। বাকী দুজন চীন পৰিব্ৰাজক আছিল। এজনে ৪ৰ্থ শতাব্দীত আৰু এজনে ৭ম শতাব্দীত ভাৰত ভ্ৰমণ কৰিছিল। নৈতিক শক্তি বা শিল্প-কাৰুকাৰ্য্য আৰু প্ৰকাণ্ড মঠ-মন্দিৰৰ সৌন্দৰ্য্যৰ কথাকে নকও, তেওঁলোকে সাধাৰণ মানুহৰ সম্বন্ধে যি কৈ গৈছে সি অতি চমৎকাৰ। তেওঁলোকৰ মতে সেই সময়ৰ ভাৰতবাসী অসীম সাহসী আৰু সত্যবাদী আছিল আৰু তেওঁলোকে মিছা কথা ঘিণ কৰিছিল। দেশত চোৰ-ডকাইত একেবাৰেই নাছিল। আনকি অসাৱধান-তাৰ কাৰণে মানুহে মূল্যবান বস্তুও নেহেৰুৱাইছিল। সকলো লোকেই শান্তিপ্ৰিয়, মৰমিয়াল আৰু অতিথি-পৰায়ণ আছিল। সমাজৰ মাজত হাই-কাজিয়া সমূলি নাছিল। দয়া মৰম আদি গুণ অকল মানুহৰ মাজতে সীমাবদ্ধ নাছিল। সকলো জন্তু আৰু প্ৰাণীয়েও তাৰ ভাগ পাইছিল। মানুহবিলাক স্বভাৱতে পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল। তিৰোতাবিলাকৰ ভিতৰত পৰ্দ্দা নাছিল আৰু বহুত তিৰোতা শিক্ষিতা আৰু বিদুষী আছিল। সেই সময়ৰ ভাৰতবাসীয়ে বিদ্যাৰ মোল বুজিছিল আৰু তেওঁলোকে জ্ঞান-বিজ্ঞান চৰ্চ্চাৰ কাৰণে বৰ উৎসাহী আছিল। ৰজা-মহাৰজা আৰু ধনী মানুহবিলাকে এই উৎসাহ বঢ়াবৰ বাবে যথেষ্ট ধন ভাগিছিল। মুঠতে ক'বলৈ হলে বেছি ভাগ মানুহৰে জীৱন অকল নিজৰ সুখৰ নিমিত্তে আৱদ্ধ নাৰাখি সদৌ সমাজৰ উপকাৰ আৰু উন্নতিৰ কাৰণে লগোৱা হৈছিল।

এনে গৌৰৱময় সমাজ পৃথিৱীৰ বুৰঞ্জীত কেতিয়াবা কোনো ঠাইত স্ৰজন হৈছে নে নাই সন্দেহ। বৰ্ত্তমান পাশ্চাত্য সভ্যতাৰ ভিতৰত পৰোপকাৰী সমাজ অনেক আছে তথাপি মানুহ ইমান সাংসাৰিক ভোগ আৰু লালসাত ব্যস্ত যে তেওঁলোকে আনক বিশেষকৈ শান্তিপ্ৰিয় আৰু অজলা লোক আৰু জাতিক লুণ্ঠন নকৰিলে এই ভোগবিলাস আৰু লালসা চৰিতাৰ্থ কৰিব নোৱাৰে। অশোকৰ দৰে ৰজাৰ দিনত ভাৰতবাসীয়ে লোকক সত্য আৰু

সজ নীতি দান কৰিছিল—ৰাজ্য-বিস্তাৰৰ আশাত নহয়, কেৱল জীৱ-জগতৰ উপকাৰৰ কাৰণে। এই বিৰাট, নিৰ্ম্মল, প্ৰেমময় আৰু অহৈতুকী সভ্যতা আৰু কৃষ্টি সৃষ্টি কৰোতে বুদ্ধদেৱৰ ত্যাগময় জীৱন আৰু বুদ্ধদেৱৰ প্ৰেমময় ধৰ্ম্মই সৰ্ব্বতোভাৱে সহায় কৰিছিল অৰ্থাৎ হিন্দু ঋষিসকলৰ মহাবাণীবিলাকে বৌদ্ধ ধৰ্ম্মত পৰিণতি লাভ কৰিলে আৰু উভয়ে মিলি ভাৰতবৰ্ষৰ ধৰ্ম্ম হ'ল।

## সামৰণি

এতিয়া মোৰ বুদ্ধদেৱ সম্বন্ধে কবলগীয়া কথা শেষ হল। তোমালোকে বুদ্ধদেৱৰ প্ৰকৃত গৌৰৱ আৰু মহত্ত্ব কোনখিনিত আছে ভাবি চাইছানে? অতি চমুকৈ ক'বলৈ গলে মোৰ মনেৰে প্ৰথম হৈছে জীৱ-জগতৰ কাৰণে নিস্বাৰ্থ ত্যাগ। ঈশ্বৰক পাবৰ আশা কৰি নাইবা মুক্তি কামনা কৰি বুদ্ধদেৱৰ আগত আৰু পিছতো বহুতে সংসাৰ ত্যাগ কৰিছে। বহু সময়ত মানুহে কোনো এটা উদ্দেশ্য সিদ্ধিৰ কাৰণে সকলো ত্যাগ কৰি সেই উদ্দেশ্যত লাগি থকা দেখা যায়। বুদ্ধদেৱৰ উদ্দেশ্যত নিজৰ কোনো প্ৰকাৰ নিজত্ব নাই। তেওঁ পৃথিৱীৰ উপকাৰৰ কাৰণে নিজৰ সৰ্ব্বস্ব আনকি নিজকে আহুতি দিলে। এই উপকাৰ কেৱল মানুহৰ কাৰণেই নহয়, সকলো জীৱৰ কাৰণে। এই কাৰণেই স্বামী বিবেকানন্দই কৈছিল—"পৃথিৱীত মহাজনসকলৰ ভিতৰত এওঁেই একমাত্ৰ মানৱ যি জনাই এটা ছাগলী বলিশালত দেখি তাক ৰক্ষা কৰিবৰ কাৰণে নিজে বলি হবলৈ আগবাঢ়ি গৈছিল।" অসমৰ মহাপুৰুষেও এনে দৃষ্টান্ত দেখুৱাইছিল

তেওঁ জীৱনৰ দ্বাৰা প্ৰমাণ কৰা দ্বিতীয় সত্য হৈছে যে তুমিয়েই তোমাৰ ভাগ্যৰ গৰাকী। নিজে চেষ্টাৰ দ্বাৰাই ভাল কাম কৰি ভাল হবলৈ চেষ্টা নকৰিলে কেৱল পূজা-অৰ্চ্চনা বা গুৰু-গোঁসাইৰ দ্বাৰা মানুহ ভাল হব নোৱাৰে। গতিকে সকলে পৰা গোটেই জীৱন ভাল ভাব ভাবি, ভাল কথা কৈ আৰু ভাল কাম কৰি নিজৰ জীৱন গঢ়ি লব লাগিব। বুদ্ধদেৱে তেওঁৰ ঠিক মৃত্যুৰ আগতে তেওঁৰ মৰমৰ শিষ্যবিলাকক এইদৰে কৈ দেছ এৰে—"আন কোনেও তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় হোৱা। নিজেই নিজৰ মুক্তি উলিয়াই লব লাগিব। মই বুদ্ধত্ব অৰ্থাৎ পূৰ্ণ জ্ঞান অশেষ চেষ্টাৰে পাইছো। তোমালোকে চেষ্টা কৰিলেও এই পদ যেনে-তেনে পাবা।"

বাপা! তোমালোকে বুদ্ধদেৱৰ মহত্ত্বৰ কথা ভাবি চাবানে আৰু বুদ্ধদেৱৰ মহৎ উপদেশমতে চলিবলৈ চেষ্টা কৰিবানে?

# যীশুখৃষ্ট

"এতিয়া যীশু জেৰুজালেমৰ ওচৰৰ অলিভচ পৰ্ব্বত (Mount Olivus) পালেহি। তাৰপৰা তেওঁৰ শিষ্য দুজনক হুকুম দিলে, 'এই পোনে পোনে গৈ থাকা গাঁও পাবা, তাত গাধ এটা আৰু ঘোঁৰা পোৱালি এটা পাবা, তোমালোকে সেই দুটা লৈ আহিবা। যদি গৰাকীয়ে সোধে, তেন্তে কবা, প্ৰভু যীশুৰ দৰকাৰ আছে।' তেতিয়া কাপোৰখিনি তাৰ ওপৰত থৈ তেওঁ গাধটোত উঠিল।"

ঈশ্বৰৰ পুত্ৰ যীশু এইদৰে জেৰুজালেমলৈ আহিব বুলি ধৰ্ম্ম পুস্তকত লিখা থকাৰ কাৰণে, আৰু যীশুৱেই যে সেই ঈশ্বৰৰ পুত্ৰ, এই কথা সাধাৰণ আৰু দুখীয়া মানুহবিলাকে জানি তেওঁক অশেষ সন্মান দেখুৱা'লে। তাহাতে নিজৰ গাৰ কাপোৰ বাটত পাৰি দিলে। কিছুমানে গছৰ সৰু ডাল কাটি আনি সেইদৰে পাৰি দিলে। এইভাৱে যেতিয়া তেওঁ জেৰুজালেম ওলালহি, তাৰ মানুহবিলাকে সুধিব ধৰিলে, "এওঁ কোন?" লগত থকা মানুহবিলাকে চিঞৰি ক'বলৈ ধৰিলে, "এওঁ নাজিৰেথৰ যীশু। ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ।" তেতিয়া যীশুৱে জেৰুজালেমৰ ধৰ্ম্ম মন্দিৰৰ ভিতৰত সোমাল। তাত বিক্ৰি কৰিবলৈ বা কিনিবলৈ যি বস্তু আনিছিল বা যিবিলাক বস্তু কিনা বা বিক্ৰি হৈ গৈছিল, সেইবিলাক পেলাই দিলে। যি মেজত ভঙনীয়া পইছা আছিল তাকো বগৰাই দিলে। এইদৰে পুৰোহিতৰ আসনবিলাকো বগৰাই দিলে। উপস্থিত থকা পুৰোহিতসকলক ক'লে, "শাস্ত্ৰত এই মন্দিৰ উপাসনাৰ ঘৰ বুলি কৈছে, তোমালোকে ইয়াক ডকাইতিৰ ঘৰলৈ সৃষ্টি কৰিছা।" এই বুলি কৈ তাত উপস্থিত থকা ৰোগী, অন্ধ লোকবিলাকক ভাল কৰি গুছি গল। ইহুদি মাতব্বৰসকলে খঙতে কিছুমান প্ৰশ্ন কৰিছিল। সেইদিনা তেওঁ সেইবিলাকৰ উত্তৰ নিদিলে।

এই পাপী ইহুদি পুৰোহিত আৰু মাতব্বৰবিলাকৰ ষড়যন্ত্ৰৰ কথা বুজিবলৈ বাকি নাথাকিল। সৰ্ব্বজ্ঞানী যীশুৰ বুজিবলৈ বাকি নাছিল যে তেওঁৰ আহুতি বা বলিদান দিবৰ সময় ওচৰ চাপিলহি। এই

সময়ৰপৰা তেওঁ জেৰুজালেমৰ ফালে যাবলৈ বৰ ইচ্ছুক হ'ল। ইহুদি পুৰোহিত আৰু মাতব্বৰসকলৰ হাতত কেনেকৈ লাঞ্ছিত হব আৰু কেনেকৈ তেওঁক তাহাতে হত্যা কৰিব আৰু তিনিদিনৰ মূৰত তেওঁ সশৰীৰে স্বৰ্গলৈ যাব, এইবিলাক কথা তেওঁ শিষ্যবিলাকৰ আগত ক'বলৈ ধৰিলে। এই শিষ্যবিলাকৰ যীশুহেন লোক এজনক পাই আৰু শ্ৰদ্ধা হোৱা স্বাভাবিক। পিটাৰে এই কথা শুনি দুখ পাই যীশুক ভিতৰলৈ মাতি ভৎসৰ্না কৰিলে। কিন্তু যীশুৱে পিটাৰক খঙেৰে উত্তৰ দিলে, "তুমি সাতান (Satan) পিটাৰ, তুমি মোৰ বাটৰ প্ৰতিবন্ধক নহবা। তুমি মোহত বান্ধ খাইহে এনে কথা কৈছা। তুমি ঈশ্বৰৰ কথা ভবা নাই, সেই কাৰণে হে শিষ্যসকল। যদি মোক বিচাৰা তেন্তে নিজক আহুতি দি মোৰ পিছে পিছে আহা। যিসকলে মোৰ কাৰণে সকলো ত্যাগ কৰিব পাৰিব, সেইসকলেহে মোক পাব। মই ঈশ্বৰৰ মহৎ প্ৰভাৱৰ কাৰণে গৌৰৱপূৰ্ণ কাম কৰিবলৈ আহিছো। তোমালোকক মই ইযাকো ক'ব পাৰো যে তোমালোকৰ ভিতৰত বহুতে মোৰ মৃত্যু নেদেখাকৈ নমৰা।"

এই সময়ৰপৰা তেওঁৰ কল্পিত ধৰ্ম্মৰাজ্যৰ কথা অসংখ্য জনতাৰ আগত ব্যাখ্যা কৰিবলৈ ধৰিলে (তেনে কথা দুআষাৰমান শেষত ক'ম), শিষ্যসকলে তেওঁৰ অবিহনে কেনে ভাবে এই ধৰ্ম্মৰাজ্যৰ নিয়ম পালন কৰিব সেইবিলাক বুজাবলৈ ধৰিলে আৰু তেওঁ তিৰোভাব হোৱাৰ পাছত জেৰুজালেম আৰু ইহুদি ৰাজ্যত কি হব, এইবিলাক শিষ্যসকলক ক'বলৈ ধৰিলে।

আগেয়ে কৈছো,* কেনেকৈ ইহুদিবিলাকে যীশুক জালত পেলাবলৈ বিচাৰি ফুৰিছিল। এতিয়া তাহাতে প্ৰতিশোধ লবৰ কাৰণে সাজু হ'ল। ঈশ্বৰ ভাবাপন্ন যীশুৱে জানি শুনিও সেই জালত ধৰা দিলেহি। যীশুৱে বুজিলে, তেওঁৰ ইহ সংসাৰত কৰিবলগীয়া কাম শেষ হল। দুখীয়া, ৰোগী আৰু পাপীৰ কাৰণে কেৱল দুখ, কষ্ট, ত্যাগ আৰু সন্ন্যাস বৰণ কৰি, কৰ্ম্মৰ আৰু জ্ঞানৰ দ্বাৰা ইহুদি ৰাজ্যৰ অসংখ্য লোকক প্ৰায় ১১ বছৰ কাল তেওঁৰ ধৰ্ম্ম বিলালে। বহুতে তেওঁৰ কথামতে চলি শান্তি পাবলৈ ধৰিলে, কিন্তু

* ৰাজনৈতিক বন্দী হিচাপে যোৰহাট জেলত কাৰাবাস খাটোতে লোকপ্ৰিয় বৰদলৈয়ে যীশুখৃষ্টৰ জীৱনীখন সম্পূৰ্ণ কৰিছিল। তেতিয়াৰ জেল অধীক্ষকে গ্ৰন্থখনি ছাতে লেখা অৱস্থাত ৭০ পৃষ্ঠাৰ আছিল বুলি উল্লেখ কৰিছে। জীৱনীখনৰ শেষছোৱা সম্প্ৰতি আমাৰ হাতত পৰাত তেনেভাৱেই তাক প্ৰকাশ কৰা হ'ল।

ইহুদি মাতব্বৰসকলে ধৰ্ম্ম মনা দূৰে থাকক, তেওঁক ষড়যন্ত্ৰ কৰি মাৰিবলৈ বুদ্ধি সাজিলে। যীশুৱে এই অধৰ্ম্মী আৰু পাপি লোকক ধৰ্ম্ম পথলৈ আনিবলৈ এই ষড়যন্ত্ৰকাৰীসকলৰ হাতত জীৱন দিয়াই একমাত্ৰ আৰু চৰম কৰ্ত্তব্য বুলি ধৰি ললে। যিদিনা তেওঁ ইহুদি মাতব্বৰসকলক জেৰুজালেম মন্দিৰত গালি পাৰিছিল, সেই দিনাই তেওঁৰ বিপক্ষে মৃত্যুদণ্ডৰ অভিযোগ আনিবৰ কাৰণে ইহুদিবিলাকে তেওঁৰপৰা প্ৰশ্নৰ উত্তৰ বিচাৰিছিল, যাতে সেই উত্তৰৰ দ্বাৰাই তেওঁক বান্ধিব পাৰে। ১ম প্ৰশ্ন আছিল, ৰোমান সম্ৰাটক কৰ দিয়াতো আইন সঙ্গত হয়নে? যীশুৱে এই ইহুদি মাতব্বৰবিলাকৰ অসৎ ভাব বুজিব পাৰি ক'লে, "মোক কিয় মিছাতে পৰীক্ষা কৰিছা?" এটা টকা অনাই সম্ৰাটৰ ছাবটো দেখুৱাই তেওঁ ক'লে, "সম্ৰাটৰ যি বস্তু (অৰ্থাৎ কৰ বা ধন-বিত) সম্ৰাটক দিয়া, কিন্তু ঈশ্বৰক দিবলগীয়া বস্তু ঈশ্বৰক দিবা।" এই উত্তৰত ইহুদি মাতব্বৰবিলাকে বিফল হৈ লাজ পাই গুচি গল। এইদৰে আন ঠাইতো এই ভণ্ড ইহুদিবিলাকে লগত সাক্ষী ৰাখি তেওঁক নানা কথাৰে বান্ধিবলৈ চেষ্টা কৰি আছিল; কিন্তু কোনো বেয়া কথা বা খণ্ডৰ পৰিচয় যীশুৱে দিয়া নাছিল। জেৰুজালেম মন্দিৰলৈ ওলাই আহি তেওঁ ওচৰৰ গাওঁ এখনত থাকিবলৈ যাওঁতে তেওঁৰ শিষ্যসকলে মন্দিৰটোৰ বাহিৰৰ ফালে চাবলৈ অনুৰোধ কৰিলে। যীশুৱে ক'লে, "জানিবা, এই মন্দিৰৰ এটি পাথৰো থিয় হৈ নেথাকে।" তাৰ পাছত (নিজৰ মৃত্যুৰ পাছৰ কথা ভাবি) ক'লে, "চাবা এই দেশত ঘোৰ অশান্তি উপস্থিত হব। মহামাৰি আৰু দুৰ্ভিক্ষ হব। জাতিয়ে জাতিৰ লগত যুঁজ কৰিব। আকাশত নানা অশুভ চিন ওলাব। মোৰ কাৰণে তোমালোকে ধৰ্ম্ম মন্দিৰত আৰু ৰজাৰ ওচৰত অপমান পাবা আৰু কাৰাবাস খাটিব লাগিব। সেই কাৰণে এতিয়াৰপৰাই সেইবিলাকৰ কাৰণে সাজু হোৱা। মই তোমালোকক ৰক্ষা কৰিম আৰু নিশ্চয় জানিবা, তোমালোকৰ চুলি এডালো কোনেও অনিষ্ট কৰিব নোৱাৰিব। জেৰুজালেম সৈন্যেৰে বেৰি ধৰিব, আৰু সৰু সৰু লৰা-ছোৱালী আৰু গৰ্ভৱতী তিৰোতাৰ অশেষ কষ্ট হ'ব। মানুহবো মনত বৰ ভয় সোমাব। পৃথিৱীত অনেক অঘটন ঘটিব। এনে অৱস্থাতহে মানুহে মোক গৌৰৱময় বুলি বুজিব। এইবিলাক কথা জানি লোৱা। জানিবা, তোমালোকৰ মুক্তিৰ সময়ো ওচৰ চাপিছে।"

ইয়াৰ পাছত দিনত যীশুৱে জেৰুজালেমৰ মন্দিৰবিলাকত ধৰ্ম্মৰ বিষয়ে

বক্তৃতা দিয়েহি আৰু ৰাতি শিষ্যসকলেৰে সৈতে অলিভচ পৰ্ব্বতত থাকেগৈ।

সেই সময়ত প্ৰধান ইহুদি পুৰোহিতৰ নাম আছিল কাফেইয়াচ। তেওঁৰ চোতালতে ইহুদিসকলৰ মাতব্বৰ, পুৰোহিত, নিয়মদাতা আৰু হুকুমলেখক-বিলাকে গোটখাই যীশুৰ প্ৰান কেনেকৈ নাশ কৰিব পাৰে তাৰে পৰামৰ্শ কৰিব ধৰিলে। যীশু দিনত অসংখ্য লোকৰ লগত আছিল আৰু সকলো সাধাৰণ আৰু দুখীয়া মানুহেই তেওঁক মৰম আৰু শ্ৰদ্ধা কৰিছিল। সেই কাৰণে দিনত ধৰিলে এই মানুহবিলাকে প্ৰতিবন্ধক কৰিব আৰু ভৱিষ্যতে এটা ডাঙৰ অশান্তি হব বুলি ভাবি, ৰাতিহে যীশুক ধৰিব'ল ঠিক কৰিলে। কিন্তু এই ইহুদি মাতব্বৰবিলাকে যীশুৱে ৰাতি কেনে ভাবে থাকে তাক ঠিককৈ নাজানিছিল। সেই কাৰণে তেওঁলোকে যীশুৰ শিষ্যকিজনক হাত কৰিবলৈ বুদ্ধি কৰিলে। যীশুৰ প্ৰধান ১২ জন শিষ্যৰ ভিতৰত জুডাচ্ ইস্কেৰিয়টে এই বিশ্বাসঘাটকতা আৰু প্ৰতাৰণাৰ কাম কৰিলে। যীশুৱে কেবাদিনো শিষ্যবিলাকক কৈছিল, "নিশ্চয় জানিবা, তোমালোকৰ মাজৰ এজনে ঈশ্বৰৰ সন্তানক শত্ৰুৰ হাতত গতাই দিব।" যীশুৰ বাণী সত্য হল। এই ক্ৰুৰমতি আৰু বিশ্বাসঘাটক জুডাচৰ প্ৰকৃতি ইহুদি মাতব্বৰ-বিলাকেও জানিছিল। তাক মনে মনে মাতি আনিলে। সি ৩০ টকা ৰূপ লৈ যীশুক ইহুদি মাতব্বৰসকলক হাতত গটাই দিবলৈ ৰাজী হ'ল।

যিদিনা যীশুক ইহুদি মাতব্বৰসকলে ধৰিব, সেইদিনা ইহুদিৰ ডাঙৰ পৰ্ব্বদিন, 'পাছোডাৰ ভোজ'। শিষ্যবিলাকে এই পৰ্ব্বৰ কথা জানি যীশুৱে কত সেই ভোজ খাব সুধিলে। তেও ক'লে, "চহৰলে যোৱা মানুহজনক (এজন মানুহক উদ্দেশ্য কৰি) ক'বা যে প্ৰভু যীশুৱে তেওঁৰ সময় ওচৰ চাপিলহি বুলি ক'বলৈ ক'ছে, আৰু বাৰ শিষ্য আৰু তেওঁৰ কাৰণে ভোজৰ যোগাৰ কৰি থবলৈ কৈছে।" সেইমতে শিষ্যবিলাকে ঠিক কৰাত যীশুৱে সেই ঘৰ পালেগৈ। সন্ধ্যা ভোজ খাই থকাত তেওঁ ক'লে, "তোমালোকৰ ভিতৰত এজনে আজিয়েই বিশ্বাসঘাতকতা কৰিবা।" শিষ্য-বিলাকে শুনি বেজাৰ পালে আৰু প্ৰত্যেকে "মইনে সেইজন প্ৰভু" বুলি সুধিলে। যীশুৱে ক'লে, "যিজনে মোৰ লগত থালত হাত ধুইছিল, সেই-জনেই বিশ্বাসঘাটক আৰু লগতে জুডাচে সোধাত "হু" বুলি ক'লে। তেতিয়া তেওঁ সকলোৱে শুনাকৈ ক'বলৈ ধৰিলে, "মই নিজেই শৰীৰ ত্যাগ কৰিবলৈ সাজু হৈ আহিছো, কিন্তু যিজনে এনে বিশ্বাসঘাটকতাৰ কাম কৰিব

তাৰ দুৰ্দ্দশাৰ কথা মই কি কম!" তেতিয়া কটিৰ টুকুৰা কৰি তেওঁ গোটেই কেইজন শিষ্যকে দিলে, সেইদৰে আঙুৰৰ ৰসো বিলাই দি ক'লে, "এই কটি মোৰ মাংস আৰু এই ৰস মোৰ তেজ, তোমালোকে ইয়াকে খাই মোৰ দৰে শক্তিবান হ'বা।" এই বুলি কৈ আকৌ তেতিয়াই অলিভচ পৰ্ব্বতলৈ শিষ্যবিলাকেৰে সৈতে গুচি গল। তালৈ গৈ ক'লে, "তোমালোকে আটাই-বিলাক আজি ৰাতি মোৰ কাৰণে অসত্যত পৰিবা।" আনকেজনে বেজাৰকৈ মনে মনে আছিল, কিন্তু প্ৰধান শিষ্য পিটাৰে উত্তৰ দিলে, "প্ৰভু! আনে যি কৰে কৰক, মই তোমাক কেতিয়াও অস্বীকাৰ নকৰো।" যিশুৱে উত্তৰত ক'লে, "চাবা পিটাৰ, আজি ৰাতিপুৱা কুকুৰাই মাত দিয়াৰ আগতে তুমি মোক তিনি বাৰ অস্বীকাৰ কৰিবা।" তাৰ পাছত সেই ৰাতিয়েই ওচৰৰ জেথ্চেমেচা বুলি ঠাই এখনলৈ গৈ তেওঁৰ শিষ্য পিটাৰ আৰু দুজনক মাতি আনি কলে, "তোমালোকে ইয়াতে পহৰা দি থাকা, মই ঈশ্বৰক উপাসনা কৰো। আজি মোৰ বৰ শোক লাগিছে, আৰু উদ্বিগ্ন হৈ আছো।" তাৰ পাছত সাষ্টাঙ্গে মাটিত পৰি এইদৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, "হে প্ৰভু! বদি এই কঠোৰ কাটৰ (বিষ) মই নাখালেও হয় (তেওঁৰ সন্নিকণ্ড ক্ৰুচত মৃত্যুৰ কথা ভাবিব) তেন্তে মোক সেই বিষ খাবলৈ নিদিবা। কিন্তু হে পৰমেশ্বৰ তোমাৰ ইচ্ছাহে পূৰ্ণ কৰা—মোৰ দুখ আৰু কষ্টৰ কথা নাভাবিবা।" উপাসনাৰপৰা উঠি আহি দেখে পিটাৰ শুই আছে। পিটা-ৰক জগাই তেওঁকো উপাসনা কৰিবলৈ কৈ তেওঁ আকৌ প্ৰাৰ্থনা কৰিলে, "হে প্ৰভু, যদিও আত্মা সুস্থ সবল হৈ আছে, শৰীৰ যে অতি দুৰ্ব্বল। তথাপি যদি তোমাৰ ইচ্ছা যে মই এই বিষ পান কৰিব লাগে, তেন্তে তোমাৰ ইচ্ছা পূৰ্ণ হওক।" উপাসনাৰপৰা উঠি আহি দেখে যে এইবাৰো শিষ্যবিলাক শুই আছে। এইদৰে যীশুৱে তিনিবাৰ প্ৰাৰ্থনা কৰি আহি শেহত শিষ্যবিলাকক জগাই ক'লে, "চোৱা মোৰ যাবৰ সময় হলহি।" এই কথা কোৱা মাত্ৰে দেখে যে জুডাচ্ ইস্কেৰিয়াট, অনেক পুৰোহিত, মাতব্বৰ আৰু ইহুদি লোক থাপত তৰোৱাল ইত্যাদি অস্ত্ৰেৰে সজ্জিত হৈ সেই ঠাইত উপস্থিত। আগতে জুডাচে লগত যোৱা ইহুদি মাতব্বৰবিলাকৰ আগত কৈ গৈছিল যে যিজনকেই শ্ৰদ্ধা দেখুৱাই চুমা খাব, সেইজনকেই যীশু বুলি লব্। সেইমতে জুডাচে আহি যীশুক চুমা খালেহি। যীশুৱে শান্ত-ভাৱে ক'লে, "যি কামৰ বাবে তোমালোক আহিছা কৰা।" তেতিয়া এই

পুৰোহিতবিলাকে যীশুক বান্ধিবলৈ ধৰিলে। এনেতে তাৰে এজন মানুহে এনে অন্যায় দেখি তৰোৱালেৰে প্ৰধান পুৰোহিতৰ চাকৰৰ কাণখন কাটি পেলালে। যীশুৱে তত্তালিকে সেই মানুহজনক তৰোৱাল বন্ধ কৰিবলৈ আজ্ঞা দি ক'লে, "যিবিলাকে তৰোৱাল ব্যৱহাৰ কৰে তেওঁলোকৰ তৰোৱালৰ দ্বাৰাই মৃত্যুও হব (অৰ্থাৎ পাশবিক ক্ষমৰ দ্বাৰা পাশবিক বলহে উৎপত্তি হ'ব)। তোমালোকে ভাবিচানে যে মই ঈশ্বৰৰ সহায় বিচাৰিলে অসংখ্য সৈন্যৰ সহায় নাপালোহেতেন? তেতিয়াহলে মোৰ মৃত্যু সম্বন্ধে শাস্ত্ৰত যি লিখা আছে, সেইটো কেনেকৈ পূৰ্ণ হব?" ইহুদি মাতব্বৰবিলাকক সম্বোধন কৰি তেওঁ ক'লে, "তোমালোকেতো মোক সদায় ধৰ্ম্ম মন্দিৰত ধৰ্ম্ম শিক্ষা দিওঁতে লগ পাইছিলা, তেতিয়া মোক নধৰিলা কেলেই ইয়াত শাস্ত্ৰৰ কথা যে ফলিছে তাৰহে প্ৰমাণ হোৱা নাইনে?" সেই ৰাতিয়েই সকলোৱে যীশুক ধৰি প্ৰধান মন্ত্ৰী কেফাইয়াচৰ তালৈ লৈ গল। সকলোবিলাক ইহুদি পুৰোহিত মাতব্বৰ, গ্ৰন্থ আৰু হুকুমলেখক গোটখাই তেওঁলোকৰ মেল বহুৱালে, আৰু যাতে মৃত্যুদণ্ড দিব পাৰে তাৰ কাৰণে সাক্ষী বিচাৰিলে। কিন্তু একো প্ৰমাণ নাপালে। তাৰ ভিতৰৰ এজনে ক'লে, "এওঁ জেৰুজালেমৰ ঈশ্বৰৰ মন্দিৰটো ভাঙিম বুলিছিল। আৰু আগষ্টৰ তিনি দিনৰ ভিতৰত নতুনকৈ সজাম বুলি কৈছিল।" প্ৰধান মন্ত্ৰীয়ে তেতিয়া যীশুক সুধিলে, "কথা সচা হয়নে?" যীশুৱে কিন্তু সেই কথাৰ একো উত্তৰ নিদিলে। তেতিয়া প্ৰধান পুৰোহিতে আকৌ সুধিলে, "তুমি ঈশ্বৰৰ সন্তান যীশুখৃষ্ট হোৱানে?" তাৰ উত্তৰত যীশুৱে ক'লে, "কথা সচা; নিশ্চয় ইয়াৰ পাছতে গম পাবা যে শক্তিবন্ত হৈ ঈশ্বৰৰ সোঁহাতত থাকিম আৰু সেই শক্তি আকাশৰ মাজেদি ফাটি ওলাব।" এই কথা কোৱা মাত্ৰে প্ৰধান পুৰোহিতজনে খঙ উঠাৰ ভাও দি তেওঁৰ পোছাক ফালি পেলাই সমাজৰ আগত ক'বলৈ ধৰিলে, "এই মানুহটোৰ বিপক্ষে আৰু কি প্ৰমাণ লাগে? ই ঈশ্বৰক বদনাম আৰু কলঙ্কিত কৰিছে। তোমালোক সকলোৱে শুনিলা। বাইজসকল! তোমালোকে ইয়াৰ শাস্তি কি দিব খোজা?" আগৰ ষড়যন্ত্ৰ মতে মেলুৱৈবিলাকে কৈ উঠিল, "ইয়াৰ শাস্তি মৃত্যু হোৱা উচিত।" তেতিয়া এই কপট, হিংসুক আৰু ক্ৰূৰ ইহুদিবিলাকে যীশুক অপমান কৰিবৰ কাৰণে মুখত থু পেলালে, চাৰিওফালৰপৰা ধোচা, চৰ, ভুকু মাৰিবলৈ ধৰিলে, আৰু ঠাট্টা কৰি কবলৈ ধৰিলে, "তুমি খৃষ্ট!

ভবিষ্যতৰ কথা কই ফুৰা ; বাৰু কোৱাচোন তোমাক কোনে মাৰিলে ?” এই সময়ত যীশুৰ শিষ্য পিটাৰে সকলো চাই আছিল। কোনোবাই তেওঁক দেখুৱাই ক'লে, “এৱো যীশুৰে শিষ্য নহয় ?” কিন্তু পিটাৰে ভয়তে ‘নহয়’ বুলি মিছা মাতিলে। এইদৰে তিনিজন লোকৰ আগত পিটাৰে তিনিবাৰ যীশুক অস্বীকাৰ কৰাৰ লগে লগে কুকুৰাই ডাক দিলে আৰু ৰাতি পুৱাল।

ইহুদি জাতি আৰু ৰাজ্য ৰোমান সম্রাটৰ তলতীয়া হৈ থকা কাৰণে প্ৰাণদণ্ড দিবৰ ক্ষমতা নাছিল আৰু সকলো ডাঙৰ অপৰাধৰ বিচাৰ ৰোমান কৰ্ম্মচাৰীবিলাকেহে কৰিছিল। সেই কাৰণে ইহুদি প্ৰধান পুৰোহিত আৰু মাতব্বৰবিলাকে কি ভাবে গোচৰ কৰি যীশুক প্ৰাণদণ্ড দিয়াব পাৰিব, সেই সম্বন্ধে সকলো আলোচনা কৰি ঠিক কৰিলে।

ইপিনে জুডাচৰ কি অৱস্থা হল শুনা। যেতিয়া জুডাচে দেখিলে যে এই ইহুদিবিলাকে সঁচাকৈয়ে যীশুক প্ৰাণনাশ কৰিব, তাৰ মনত এনে এটা আত্মগ্লানি উপস্থিত হ'ল যে সি অধৈৰ্য্য হৈ পৰিল। ৰূপ ৩০টা ইহুদি মাতব্বৰহতক ফিৰাই দিলে। কিন্তু তাহাতে ঘূৰাই নললে। তেতিয়া সেই টকা মন্দিৰত দলিমাৰি পেলাই থৈ গুচি গল আৰু পাছত দিঙিত ফাঁচ লগাই গছৰপৰা ওলমি মৰি থাকিলগৈ। আনকি ইহুদিহঁতেও মানুহৰ তেজৰ বাবে দিয়া ৰূপ বুলি ভাবি এই ৰূপখিনি বিদেশী মানুহৰ কবৰখানাত পুতি থলেগৈ।

এতিয়া যীশুক ৰোমান যুবাদাৰ পনটিয়াচ পাইলেটৰ আগত হাজিৰ কৰা হ'ল। আৰু প্ৰধান পুৰোহিত কাফেইয়াচে যীশুৰ অপৰাধবিলাকৰ বিৱৰণ দি অভিযোগ কৰিলে। যীশু মনে মনে থাকিল। তেতিয়া যুবাদাৰে নিজে ক'লে, “তোমাৰ বিপক্ষে প্ৰধান পুৰোহিতে যিবিলাক অভিযোগ আনিছে তাক তুমি শুনিছা ?” কিন্তু সেই প্ৰশ্নৰ উত্তৰতো যীশু মৌন হৈয়ে থাকিল দেখি পাইলেটে আচৰিত মানিলে। সেই দিনাই বাৰাব্বাচ নামৰ এটা ডকাইত ধৰি অনা হৈছিল। সেই দিনা পাছোডাৰৰ পৰ্ব্ব দিনৰ কাৰণে কয়দি এজনক খালাচ দিয়াৰ নিয়ম আছিল। পাইলেটে যীশুক কেৱল ইহুদিবিলাকৰ হিংসাৰ কাৰণেহে দোষাৰোপ হোৱা বুলি জানি খালাচ দিবলৈ ইচ্ছা কৰিছিল। আনকি পাইলেটৰ ঘৈণীয়েকেও কিছুমান বেয়া সপোন দেখি ভয় পাই এই নিৰপৰাধী লোকজনক খালাচ দিবৰ কাৰণে গিৰিয়েকক কৈ পঠিয়াইছিল। কিন্তু পাইলেটে উপস্থিত ইহুদি

মাতব্বৰবিলাকক সোধাত সিহঁতে বাৰাব্বাচকহে খালাচ দিবলৈ ক'লে আৰু যীশুক ক্ৰচত দিবলৈ ক'লে। পাইলেটে পুনৰায় ক'লে, "এই মানুহজনৰ দোষ নাই, মই এই মানুহজনক শাস্তি দি পাপৰ ভাগী হ'ব নোৱাৰো।" কিন্তু ইহুদি মাতব্বৰবিলাকে লগলাগি সকলোৱে ক'বলৈ ধৰিলে, "যি পাপ লাগে আমাৰ গাত নাইবা আমাৰ সন্তান-সন্ততিৰ গাত লাগিব। আপুনি যীশুক ক্ৰচত দিয়ক।" গণ্ডগোল বাঢ়ি যোৱাৰ আশঙ্কা কৰি পাইলেটে অৱশেষত যীশুক কোবালে আৰু ক্ৰচত দিবলৈ হুকুম দিলে আৰু চিপাহী-বিলাকক এনে শাস্তি দিবলৈ গতাই দিলে।

চিপাহীবিলাকে যীশুক গবৰ্ণৰৰ বিচাৰ ঘৰলৈ লৈ গ'ল। ৰজাৰ ভাও দি ঠাট্টা কৰিবৰ কাৰণে নাঙঠ কৰিলে, ৰঙা পোছাক এটা পিন্ধাই দিলে। ৰাজমুকুটৰ পৰিবৰ্তে কঁাইটৰ এডাল মালা মূৰত পিন্ধাই দিলে, ৰাজদণ্ডৰ পৰিবৰ্তে সোঁহাতত এডাল খাগৰি মাৰি লবলৈ দিলে। তেতিয়া সিহঁতে আঁঠু লৈ "হে ইহুদি ৰজা।" বুলি ক'বলৈ ধৰিলে। তাৰ পাছত সিহঁতে তেওঁৰ গাত থু পেলালে, খাগৰি মাৰিদালেৰে মূৰত কোবালে। এইদৰে লাঞ্ছনা কৰা শেষ হ'লত আকৌ নিজৰ পোছাক পিন্ধালে আৰু গলগেথা (মৰিশামা) নামৰ ঠাই এডোখৰলৈ লৈ গ'ল। তাত তেওঁক পিয়াহ গুচাবৰ কাৰণে মদ দিয়াৰ চল কৰি তিতা বিষ লগ লগাই দিয়া হৈছিল। কিন্তু যীশুৱে মুখত লৈয়ে পেলাই দিলে। তাৰ পাছত তেওঁক ক্ৰচত দিলে আৰু তেওঁৰ মূৰৰ ওপৰত "এইজন যীশু, ইহুদিবিলাকৰ ৰজা।" বুলি লেখাই দিলে। [ক্ৰচটো কি জানানে? ই কাঠৰ এই † চিনটোৰ দৰে। পুৰণি কালত মৃত্যুদণ্ডৰ এটা উপায় আছিল। শাস্তি দিবলগীয়া মানুহক জীয়াই জীয়াই হাত-ভৰি আদি শৰীৰৰ সকলো ঠাইতে গজাল মাৰি থিয় কৈ থৈ দিয়া হৈছিল। অসহ্য কষ্ট পাই মানুহজনৰ মৃত্যু হৈছিল]। এতিয়া সেই বাটেদি যোৱা ইহুদিবিলাকে, আৰু বিশেষকৈ পুৰোহিত আৰু হুকুম লিখোঁতা-সকলে সন্ত যীশুক মৰণ কালতো ঠাট্টা কৰিবলৈ নেৰিলে। "এই ভণ্ডজনে আনক ৰক্ষা কৰিবলৈ আহিছিল। এতিয়া নিজকে ৰক্ষা নকৰে কেলেই? ই বোলে ইহুদিবিলাকৰ ৰজা -নামি আহকচোন ক্ৰচৰপৰা! ই হেনো ঈশ্বৰ বিশ্বাসী, আনকচোন ঈশ্বৰক মাতি -ঈশ্বৰে তাক উদ্ধাৰ কৰকহি।

দিনৰ তিনিমান বজাত যীশুৰ জীৱন শেষ হৈ আহিল। তেওঁ দুখত ঈশ্বৰক ডাঙৰ কৈ কাকুতি কৰি মাতিলে, "হে প্ৰভু! হে প্ৰভু! মোক

তুমি এৰিবানে ?” এই কথাত মানুহ এজনে ভুলতে এলিজা নামৰ মানুহ এজনক মাতিছে বুলি ভাবি চিৰিশ ডুবাই খাগৰি এডালেৰে স্পঞ্জ এটা মুখৰ ওচৰত তুলি ধৰিছিল ; কিন্তু ওচৰত থকা নিষ্ঠুৰ ইহুদি মাতব্বৰ-বিলাকে তাকো দিব নিদি ক’লে, “আহকচোন কোন এলিজা আহে । আমি এলিজাকে চাই লওঁ ।” তাৰ পাছত যীশুৱে এবাৰ ডাঙৰকৈ আতাহ পাৰি প্ৰাণ ত্যাগ কৰিলে । এজন বাইবেল লেখকে কয় যে যিবিলাক লোকে তেওঁক এনে যাতনা দিছিল সেইবিলাকক ক্ষমা কৰিবলৈ তেওঁ মৃত্যু হোৱাৰ আগতে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল ।

বাইবেলত উল্লেখ আছে যে যীশুৰ মৃত্যু হোৱাৰ লগে লগে আকাশ আন্ধাৰ হৈছিল । বজ্ৰপাত হৈ জেৰুজালেমৰ মন্দিৰ মাজে মাজে ফাটি গৈছিল । প্ৰবল ভূমিকম্প হৈছিল, আৰু কবৰবিলাক ভাঙি গৈ তাৰপৰা ভূত ওলাই মানুহক ভয় দেখুৱাইছিল । এইবিলাকৰপৰা বহুতে বিশ্বাস কৰিলে যে নিশ্চয় এওঁ ঈশ্বৰৰ পুত্ৰ যীশু খ্ৰীষ্ট । মাৰি নামৰ দুজনী তিৰোতাই যীশুক চাবলৈ আহিল । এনেতে গধূলি হ’ল । আৰিমিথিয়া নামৰ নগৰৰ জচেফ নামৰ ধনী মানুহ এজনে যীশুৰ মৃত দেহটো কবৰ দিবলৈ পাইলেটৰ-পৰা হুকুম পালে আৰু এই তিৰোতাকেজনীৰ আগত যীশুৰ শৰীৰ পৰিষ্কাৰ কাপোৰেৰে মেৰিয়াই লৈ কবৰ দিলেগৈ । যীশুৰ পূৰ্ব্বৰ কথামতে তেওঁ তিনি দিনৰ দিনা জী উঠিবৰ কথা আছিল । ইহুদি পুৰোহিতবিলাকে তেনে আশঙ্কা কৰি এচ আৰু কবৰ দিয়াৰ পাছ দিনা পাইলেটক গৈ দৰখাস্ত দিলে যে কবৰটো ভালকৈ শিলেৰে বন্ধ কৰি দিব লাগে আৰু তেওঁ-লোকৰ চিপাহীৰ দ্বাৰা পহৰা দিব লাগে । পাইলেটেও সেইমতে হুকুম দি তেনে কৰালে । ইহুদিবিলাকক কবৰত পহৰা দিবলৈ দিলে আৰু চিপাহীকো পহৰাত ৰাখিলে । তাৰ পাছদিনা ৰবিবাৰে মেৰি নামৰ তিৰোতা দুজনীয়ে কবৰৰ অৱস্থা চাবলৈ গৈ দেখে যে ভূমিকম্প হৈ কবৰৰ মুখত দিয়া ডাঙৰ শিলটো পৰি গৈছে । ওচৰলৈ গৈ দেখে যে যীশুৰ শৰীৰ তাত নাই । বাইবেলৰ মতে কোৱা হয় যে এজন স্বৰ্গৰ দূত তাত উপস্থিত আছিল । পহৰাত থকা মানুহেও আচৰিত মানি এই কথা চহৰত গৈ খবৰ দিলেগৈ । তাৰ পাছত যীশুৱে কেনেকৈ তেওঁৰ ১১ জন শিষ্যক গেলিলত লগ পালে; আৰু কি কি উপদেশ দিলে আৰু তাৰ পাছত সোঁশৰীৰে কেনেকৈ জ্যোতিৰ্ময় হৈ স্বৰ্গাৰোহণ কৰিলে তাৰ বিৱৰণ বাইবেলত আছে ।

এইদৰে বিশ্বাসীবিলাকক যীশুৱে ঈশ্বৰ-শক্তিৰ পূৰ্ণ মহত্ত্ব দেখুৱাই অন্তৰ্ধ্যান হ'ল। কিন্তু অবিশ্বাসী ইহুদি পুৰোহিতবিলাকে প্ৰচাৰ কৰিলে যে সিহঁতে টোপনিত থাকোতে তেওঁৰ শিষ্যবিলাকে পহৰা দিয়া চিপাহী কেতবোৰক বহুত টকা ভেটি দি যীশুৰ মৰাশটো কবৰৰপৰা উলিয়াই নিলে।

বৰ্তমান ২৫ ডিচেম্বৰত যীশুৰ জন্মদিন। সেই কাৰণে তোমালোকে খৃষ্টমাচৰ বন্ধ পোৱা। গুড ফ্ৰাইডেৰ চাৰি দিন বন্ধ তেওঁৰ মৃত্যু উপলক্ষে দিয়া হয়। শুকুৰবাৰৰ দিনা তেওঁক ক্ৰচ আৰু কবৰত দিয়া হয়, শনিবাৰ দিনা কবৰতে থাকে আৰু দেওবাৰৰ দিনা তেওঁ কবৰৰপৰা ওলাই যায় আৰু সোমবাৰৰ দিনা স্বৰ্গাৰোহণ কৰে। তেখেত মুঠতে ৩১ বছৰহে জীয়াই আছিল। তাৰ ভিতৰত আচল প্ৰচাৰ-কাৰ্য্য মাত্ৰ ১২ বছৰমানহে কৰিছিল।

বাপা, যীশুৰ জীৱনী ইয়াতে শেষ হল। তেওঁৰ শিকনি আৰু তেওঁৰ সম্বন্ধে আৰু দুআষাৰমান কওঁ শুনা। তেওঁৰ উপদেশৰ লাগতিয়াল কথা-খিনি প্ৰায় তৰ্জ্জমা হিচাপে চমুকৈ কবলৈ গলে তাৰ অৰ্থ এই "শান্ত আৰু শিষ্টাচাৰী হবা, সুখীয়াতকৈ আৰু ধনীতকৈ, দুখীয়া আৰু নিধৰ্নীয়ে ঈশ্বৰক বিচাৰে আৰু ঈশ্বৰক পায়; সেই সুখ আৰু ধন, মান ইত্যাদিৰ আকাংক্ষা কৰি ঈশ্বৰৰ ভক্তি নেৰিবা। সজ আৰু সত্য কথাৰ কাৰণে সকলো প্ৰকাৰৰ অপমান, লাঞ্চনা আনকি মৃত্যুকো বৰণ কৰিবা (তেওঁ জীৱন দি এই শিক্ষা আমাক দিছে)। কিন্তু সজ আৰু সত্য কথা প্ৰতিষ্ঠা কৰোঁতে, হিংসা-নীতি গ্ৰহণ নকৰিবা কোনোবাই তোমাক এখন গালত চৰ মাৰিলে আনখন গালো পাতি দিবা। প্ৰেম, দয়া আৰু ন্যায়পৰায়ণতাৰ দ্বাৰা মানুহক জয় কৰিবলৈ বিচাৰিবা। ঈশ্বৰ নিজে প্ৰেমময় আৰু দয়াময়। সেই কাৰণে ইহসংসাৰত পাপী, দুখী, শোকাতুৰ, ৰোগী আৰু দলিতসকলক বিশেষকৈ মৰম কৰিবা আৰু তেওঁলোকক শুশ্ৰূষা কৰিবা।"

তেওঁৰ উপদেশ আৰু বক্তৃতাবিলাকত স্বৰ্গ ৰাজ্যৰ (Kingdom of Heaven) কথা বহুবাৰ কৈছে। ওপৰত কোৱা উপদেশবিলাক যিবিলাকে মানি চলে সেইবিলাকেই সেই ৰাজ্যৰ লোক বুলি ক'ব পাৰি। বুজা মানুহৰ পক্ষে সেই ৰাজ্য এই সংসাৰতে আছে আৰু বিশেষকৈ যি লোকেই প্ৰেম-ময় দয়ালু ঈশ্বৰক বিশ্বাস কৰে, বৰ্ত্তমান সংসাৰত নানা দুখ-কষ্ট সহ্য কৰি ভবিষ্যতলৈ ঈশ্বৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে, আৰু ইহসংসাৰত নিজৰ

জীৱন দুখী, দলিত, ৰোগী আৰু পাপীৰ পাপ মোচন কৰিবৰ কাৰণে কটাই দিয়ে সেইসকলকহে স্বৰ্গ ৰাজ্যৰ অধিকাৰী বা স্বৰ্গ ৰাজ্যৰ লোক বুলি ক'ব পাৰি। যিসকলে এই স্বৰ্গ ৰাজ্য বিচাৰে আৰু সেইদৰে কাম কৰে তেওঁ পায়। এইটো বুজাবলৈ চেষ্টা কৰি যীশুৱে কেইবাঠাইতো কেইবাটাও উদাহৰণ স্বৰূপে সাধু কৈছিল আৰু প্ৰায় প্ৰত্যেক ঠাইতে স্বৰ্গ ৰাজ্যৰ প্ৰতিষ্ঠাতা যে তেওঁ নিজেই সেই কথাও বুজাবলৈ বিচাৰিছিল। এটা সাধু কথাত তেওঁ স্বৰ্গৰাজ্যত সজ কথা মানুহৰ মনত কেনেকৈ গজে তাৰ বিৱৰণ দিছিল খেতিয়কৰ উদাহৰণৰপৰা। এজন খেতিয়কে শস্য পেলাইছিল খেতিৰ কাৰণে। কিছুমান বাটৰ ওপৰত পৰাত আৰু সেই শস্য চৰায়ে খোৱাত নগজিল। কিছুমান পৰ্ব্বতত পৰি অলপমান গজি উঠাৰ পাছতে যত্ন নাপাই শুকাই গ'ল। কিছুমান কাঁইটৰ মাজত পৰি কাঁইটেৰে সৈতে গজাত কাঁইটে মাৰি পেলালে। ভাল মাটিত পৰা শস্যখিনিৰপৰা ভাল শস্য হ'ল। এইদৰে যিসকলে স্বৰ্গ ৰাজ্য বা ধৰ্ম্ম ৰাজ্য বুজে তেনে মানুহৰ মনতহে স্বৰ্গ ৰাজ্যৰ ভাব উপজিব। যিবিলাকৰ মনত সেইভাব ওপজাৰ আগতে নষ্ট হৈ যায় সেইবিলাক বাটত পৰা গুটি, যিবিলাকৰ মনত অলপ দিন থাকি নষ্ট হৈ যায় সেইবিলাক পৰ্ব্বতত পৰা গুটি। যিবিলাক পাপ আৰু সজ ভাব একেলগে উপজি শেহত নাশ পায় সেইবিলাক কাঁইটৰ মাজত পৰা গুটি। কিয়নো পাপ ভাবে সজ ভাব নাশ কৰে। আৰু যিবিলাকত সজ ভাব ওপজে সেইবিলাক ভাল মাটিত পৰা শস্য। এঠাইত তেওঁ কৈছিল, স্বৰ্গ ৰাজ্য বিয়াৰ দৰাক পোহৰ দেখুৱাবলৈ বাট চাই থকা ১০ জনী কন্যাৰদৰে। পাঁচজনীয়ে নিজৰ লেম্পত তেলতুল ভৰাই ঠিকঠাক কৈ বাট চাই আছে। বাকী পাঁচজনীয়ে সময়মতে দৰা অহাৰ আগতে সকলো ঠিক কৰিব বুলি ভাবি আছে। সময়মতে দৰা আহিল; যি পাঁচজনীৰ লেম্প ঠিকে আছিল, তেওঁলোকে লেম্প জ্বলাই লৈ দৰাৰ লগে লগে গল আৰু দৰাৰ ওচৰত বহিবলৈ পালে। বাকী পাঁচজনী সাজু নথকাৰ কাৰণে যাবলৈ নাপালে। ইয়াৰ অৰ্থ হৈছে যে যিসকলে (যীশুৰদৰে স্বৰ্গৰাজ্য প্ৰতিষ্ঠাতা) স্বৰ্গৰাজ্য নিবিচাৰে তেওঁলোকে নাপায়।

যীশু অবিবাহিত হৈ আছিল। তেওঁৰ মাক-বাপেকে তেওঁক বৰ মৰম কৰিছিল। তেওঁ মাকৰ চকুৰ মণিৰদৰে আছিল। সকতে তেওঁ এওঁলোকৰ লগে লগে ফুৰিছিল। কিন্তু ঘোৰ তপস্যাৰ পাছত যেতিয়াৰপৰা তেওঁ ধৰ্ম্ম-শিক্ষা

দিবলৈ ধৰিলে তেতিয়াৰপৰা সংসাৰৰ সকলো সম্বন্ধকে ত্যাগ কৰিলে। আজলী মৰমীয়াল, একনিষ্ঠা মেৰিয়ে সুন্দৰ লৰাৰ বিদ্যা-বুদ্ধিৰ শক্তি দেখি মনত আনন্দ পাইছিল; কিন্তু লৰাক কেতিয়াও ঘৰলৈ মাতি আনিবৰ শক্তি নাছিল। কেবাদিনো অসংখ্য লোকৰ সমাগমৰ মাজতে যীশুৱে দিয়া উপদেশমূলক বক্তৃতা শুনি থাকে, বুকুত আশাবান্ধি থাকে, জানোচা, যীশুৱে আহি মা বুলি মাত লগাই! কেবাদিনো তেনে বক্তৃতাৰ পাছত লগ ধৰিব বিচাৰে। কিন্তু যীশুৱে ঈশ্বৰক ধ্যান আৰু ঈশ্বৰ কাৰ্যাত এনে ভাবে লিপ্ত থাকে যে মাকে কোনো কথা ক'বলৈ সুবিধাকে নেপায়। শ্ৰীকৃষ্ণই যশোদাক এৰি থৈ গুচি যোৱাৰ দৰে যীশুৱেও তেনেকৈ মাকৰ কথা নাভাবি ঘূৰি ফুৰিছিল। কিন্তু যীশুৱে যদিও ঘৰৰ বান্ধ চিঙি বৈৰাগী হৈছিল, তেওঁ মনুষ্য সমাজৰ মাজতেই ফুৰিছিল। আগেযে তোমালোকক কৈ আহিছো, কেনেকৈ তেওঁ ৰোগী আৰু দুখীয়াসকলক শাৰীৰিক আৰু মানসিক চিকিৎসা কৰিছিল। পাপী লোকৰপৰা দূৰৈত থকা দূৰে থাকক, যীশুৱে তেওঁলোকক বিচাৰি আনি ঈশ্বৰৰ প্ৰেম বিলাইছিল আৰু পাপ বাটৰপৰা সজ বাটলৈ আনিছিল সংক্ৰামক ৰোগে সোঁচৰাবিলাকক ভাল ডাক্তৰেও ভয় কৰে, কিন্তু যীশুৱে সেইবিলাক ৰোগীকে বেছিকৈ শুশ্ৰূষা কৰি ফুৰিছিল। হোজা, অজলা আৰু অশিক্ষিত লোকক তেওঁ বেছিকৈ মৰম কৰিছিল। সকলোতকৈ বেছি মৰম আছিল তেওঁৰ শিশুবিলাকৰ প্ৰতি। এদিন তেওঁৰ শিষ্যবিলাকে তেওঁক সুধিছিল "প্ৰভু, স্বৰ্গৰাজ্যত সকলোতকৈ ডাঙৰ কোন?" তাৰ উত্তৰত যীশুৱে এটা সৰু ল'ৰা কোলাত বহুৱাই কৈছিল, "এই শিশুবিলাকেই আৰু যেতিয়ালৈকে তোমালোকৰ হৃদয় এই শিশুবিলাকৰ দৰে নহয়, তেতিয়ালৈকে তোমালোকেও স্বৰ্গ ৰাজ্য পাব নোৱাৰা। কেৱল যিবিলাকেই শিশুৰ দৰে সৰল আৰু নম্ৰ হ'ব সেইবিলাককেই স্বৰ্গ ৰাজ্যত ডাঙৰ বুলি জনা যাব। যিবিলাকে এনে সৰল হৃদয়ৰ শিশুক অন্যায় পথলৈ নিব বিচাৰে তাৰ পক্ষে ডিঙিত শিল বান্ধি সাগৰত ডুবি মৰাই ভাল।" আন এঠাইত কেইজনমান সৰু ল'ৰা-ছোৱালীয়ে যীশুক চাবলৈ বিচাৰিছিল। কিন্তু তেওঁৰ শিষ্যবিলাকে তেওঁ বেজাৰ পাব বুলি ভাবি আহিবলৈ দিয়া নাছিল। যীশুৱে তত্তালিকে ক'লে, "তেওঁলোকক মোৰ ওচৰলৈ আহিবলৈ দিয়া।" এই দৰে তেওঁ শিশুবিলাকক সৰলতা আৰু পবিত্ৰতাৰ বাবে বৰ মৰম কৰিছিল।

তোমালোকেও সাধু যীশুৰ মৰমৰ পাত্ৰ হবানে? তেওঁ যিবিলাক

উপদেশ দিছে সেইমতে চলিবলৈ চেষ্টা কৰিবানে ?

বাপা, যীশুৰ মৃত্যুৰ আগতে বহুতে তেওঁক মানিছিল সঁচা, কিন্তু আচলতে মৃত্যুৰ সময়ত তেওঁৰ শিষ্য মাত্র ১১ জনহে আছিল। আজি পৃথিবীত খৃষ্ট ধৰ্ম্মাৱলম্বীৰ সংখ্যা কিমান চোৱা। পৃথিবীৰ মানুহৰ সংখ্যাৰ ভিতৰত প্ৰায় তিনি ভাগৰ এভাগ লোক খ্ৰীষ্টিয়ান। আজি তেওঁ পৃথিবীৰ মানুহ জাতিৰ প্ৰায় তিনিভাগৰ এভাগ লোকৰ বজা। যদিও এইটোও সঁচা যে খ্ৰীষ্টিয়ানবিলাকো নানা দল আৰু সম্প্ৰদায় হৈ বিভক্ত হৈ গৈছে আৰু বৰ্ত্তমান জগতৰ স্বাৰ্থপৰ ভাবৰ কাৰণে এই খ্ৰীষ্টিয়ানবিলাকে, বিশেষকৈ ৰাজনৈতিক ব্যক্তিসকলে যীশুক কাৰ্য্যতঃ অস্বীকাৰহে কৰে, তথাপি, খ্ৰীষ্টৰ নৈতিক শক্তি নমনা লোক পৃথিবীত বিৰল। খ্ৰীষ্ট ধৰ্ম্ম নমনা বহুত মানুহে আজি তেওঁৰ মহত্ত্ব স্বীকাৰ কৰে। পৃথিবীৰ বহু ৰাজ্যতে খ্ৰীষ্ট ধৰ্ম্ম জাতীয় ধৰ্ম্ম। হাজাৰ হাজাৰ গীৰ্জ্জা ঘৰত খ্ৰীষ্টৰ গুণ কীৰ্ত্তন হবলৈ ধৰিছে। সেইদৰে হাজাৰ হাজাৰ লোকে তেওঁলোকৰ জীৱনৰ সাংসাৰিক আনন্দ পৰিত্যাগ কৰি দুখীয়া দৰিদ্ৰ, ৰোগী আৰু দলিত লোকৰ শুশ্ৰূষা কৰি ফুৰিছে। এই মহৎশক্তি সৃষ্টি হ'ল কেৱল খ্ৰীষ্টৰ মহৎ ত্যাগৰপৰা। ঈশ্বৰৰ কাৰণে আৰু দুখিত মানৱৰ দুখ দূৰ কৰিবৰ কাৰণে তেওঁৰ জীৱন উৎসৰ্গাও ডাঙৰ উৎসৰ্গা নহয়। তেওঁৰ এই ত্যাগ সেই সময়ৰ মানুহৰ মনত ডাঙৰ কথা বুলি মনা দূৰে থাকক মানুহে তেওঁক দুবুদ্ধি নানা প্ৰশ্নৰে বিদ্ৰূপ কৰি তেওঁৰ প্ৰাণকে বধিলে। কিন্তু যেনেকৈ প্ৰকাণ্ড আহঁত গছ চিনিব নোৱাৰা সামান্য গুটি এটাৰপৰা গজে, সেইদৰে তেওঁৰ জীৱনৰ গুটিয়েও তেনেকৈ এডাল প্ৰকাণ্ড নৈতিক বৃক্ষ সৃষ্টি কৰিলে যাৰ শীতল ছায়াত অনেক সাধু, সন্ত আৰু ঈশ্বৰবিশ্বাসী লোকে পৰম আনন্দ পায়। সেই কাৰণে তোমালোকে বুজি ল'বা যে সজ কাম, সজ কথা, ত্যাগ আৰু ঈশ্বৰ বিশ্বাসীহে পৃথিবীত অমৰ হৈ থাকিব, আৰু মানুহক উন্নত কৰিব। যীশুৰ জীৱনৰ মূল উপদেশ তোমালোকে মনত ৰাখিবা।

# হজৰত মহম্মদ

## নিবেদন

লোকপ্ৰিয় গোপীনাথ বৰদলৈ মোৰ শ্ৰদ্ধেয় সহযোগী। গান্ধীজীৰ প্ৰকৃত শিষ্যৰ বাহিৰে তেখেত এগৰাকী মহামতি শাসনকৰ্ত্তা আৰু ধাৰ্ম্মিক লোক আছিল। বৃটিছ গৱৰ্ণমেণ্টৰ Security act অনুসাৰে আমি যেতিয়া যোৰহাট জেলত আছিলো, তেখেতে ভবিষ্যদ্বক্তা সাধুপুৰুষসকলৰ জীৱনী আৰু আদৰ্শৰ বিষয়ে কেইবাখনো কিতাপ পঢ়ে। তাৰ পিছত তেখেতে তেওঁবিলাকৰ জীৱনী আৰু শিক্ষাৰ বিষয়ে অসমীয়া ভাষাত কিতাপ লেখাত ব্যস্ত হৈ পৰে। সৰহভাগ ইংৰাজীতে লেখা হজৰৎ মহম্মদৰ জীৱনীয়ে তেখেতৰ মনত সংঘৰ্ষৰ সৃষ্টি কৰিছিল আৰু এইবোৰৰ বিষয়ে তেখেতে প্ৰায়ে মোৰ সতে আলোচনা কৰিছিল আৰু তেতিয়াই মই জানিছিলো যে তেখেতে এই মহাপুৰুষজনৰ বিষয়ে লেখিছিল। অসমবাসীৰ আগত তেখেতে এই মহাপুৰুষসকলৰ ব্যক্তিত্বৰ যি চিত্ৰাঙ্কণ কৰি দেখুৱাইছে সি অতুলনীয় বৰঙণি।

তেখেতৰ অসমীয়াতে লেখা কিতাপখন তেখেতৰ ছোৱালী লিলিয়ে মোক চাই দিয়াৰ কোৱাত মই অতি সন্তোষ পাইছো। আশাকৰো তেখেতৰ আন কেইখন জীৱনীৰ দৰে এইখনো এখন মূল্যবান সংস্কৰণ হবগৈ।

এজন মহাপুৰুষৰ জীৱনী লেখা নিশ্চই সহজ নহয়, বিশেষকৈ বহু যুগৰ আগতে মানুহৰ ভাবধাৰাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা লোকসকলৰ বিষয়ে জীৱনী লিপিবদ্ধ কৰিবলৈ হলে যথেষ্ট অধ্যয়নৰ আৱশ্যক—সকলো কথা জুকিয়াই লেখিবলৈ কৰিব লগা হয় কঠোৰ পৰিশ্ৰম। ইংৰাজী, উৰ্দ্দু আৰু আন বহু ভাষাতে হজৰত মহম্মদৰ বিষয়ে কিতাপ লেখা হৈছে। বৰদলৈদেৱে অতি সহজ আৰু সৰল অসমীয়াৰে হজৰতৰ চৰিত্ৰ আৰু কাৰ্য্যকলাপবোৰ ব্যাখ্যা কৰি দেখুৱাইছে। তেখেতৰ শিক্ষাৰ ওপৰত গুৰুত্ব দি কথাবোৰ স্পষ্টকৈ ফুটাই তুলিছে। এই মহান ব্যক্তিজনৰ প্ৰচাৰ কাৰ্য্যৰ হুবহু বৰ্ণনা দ্বিগুণে আৰু নিৰপেক্ষভাৱে এই বিষয়টো প্ৰতিভাত কৰি তোলোতে লেখকৰ যথেষ্ট পাৰদৰ্শিতা ওলাই পৰিছে। এজন মহাপুৰুষৰ জীৱনীৰ জটিল সমস্যাবোৰৰ ওপৰত লেখকৰ মনোভাব আৰু স্থিৰ নিবেদনে তেখেতৰ দূৰদৰ্শিতা আৰু ধৰ্ম্ম পৰায়ণতাৰ সত্য প্ৰমাণ দিছে। সকলো ধৰ্ম্মৰ প্ৰতি সমান শ্ৰদ্ধা দেখুওৱা বাবে মই তেখেতক এগৰাকী মহান নেতা হিচাপে সদাই ভক্তি কৰিছিলো।

• বৰদলৈদেৱে অসমীয়াতে লেখা মহাপুৰুষ হজৰৎ মহম্মদৰ জীৱনীখনক মই এই কাৰণেই প্ৰশংসা কৰো যে ই মাত্ৰ তেওঁৰ মহান শিক্ষা আৰু তেওঁৰ জীৱনক সমাদৰ কৰিবলৈকে শিকোৱা নাই; লোকপ্ৰিয় বৰদলৈদেৱে এই ধৰ্ম্মক অতি শুদ্ধভাৱে বুজাই দিছে যিটোৱে আমাৰ দেশৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত থকা ভুল ধাৰণা আঁতৰাই একতাৰ ডোলেৰে বান্ধিব।

ফখৰুদ্দিন আলি আহমেদ
৫।৬।৬৩

## হজৰত মহম্মদ

বাপা,

এতিয়া মই তোমালোকক ইছলাম ধৰ্ম্মৰ প্ৰচাৰক মহম্মদ ৰছুলৰ জীৱনী সম্বন্ধে চমুকৈ কম। ইয়াৰ আগতে যিকেইজন মহাপুৰুষৰ জীৱন সম্বন্ধে পঢ়িলা বিশেষকৈ শ্ৰীৰামচন্দ্ৰৰ আৰু খৃষ্টৰ জীৱনীত বৰ্ত্তমান বিজ্ঞানমতে অনেক অভৌতিক আৰু আচৰিত কথাৰ উল্লেখ আছে। যদিও বুদ্ধৰ জীৱনত তেনেকুৱা অভৌতিক কথা কমেই আছিল, পিছৰ লেখকসকলে তেনে অনেক অভৌতিক কথা আনি বুদ্ধৰ মহত্ত্ব দেখুৱাবলৈ চেষ্টা কৰিছিল। আজি যি মহাপুৰুষজনৰ কথা ক'বলৈ ওলাইছোঁ, তেওঁৰ জীৱনী লেখকসকলেও তেনে অনেক অভৌতিক ঘটনাৰে এই মহাপুৰুষজনৰ জীৱনৰ মহত্ত্ব আৰু গৌৰৱ প্ৰকাশ কৰিবলৈ অনেক পুথি লেখিছিল। সৌভাগ্যৰ বিষয় যে বৰ্ত্তমান যুগৰ জীৱনী লেখকসকলে এই অভৌতিক কথাবোৰ বাদ দি বুৰঞ্জীমূলক কথাৰ ওপৰত ভিত্তি কৰি এই মহাপুৰুষৰ জীৱনী জগতৰ আগত দাঙি ধৰিছে। ৰছুলৰ জীৱন এজন অকপট, নিষ্ঠাবান, সাধকৰ জীৱন। ই এজন অসাধাৰণ লোকৰ প্ৰতিভা, সৰলতা দয়াশীলতা, সাহ, সহৃদয়তা, সহনশীলতা, আত্মনিৰ্ভৰশীলতা আদি সকলো সৎ গুণৰ বিকাশ মাত্ৰ। এওঁৰ এই গুণবোৰ প্ৰকাশ কৰিবলৈ তেওঁৰ আদি জীৱনী লেখকসকলে বহুত আচৰিত কথাৰ (miracles) দ্বাৰা প্ৰমাণ কৰিবলৈ চেষ্টা কৰিলেও ইয়াৰপৰা আচল কথা বাচি উলিওৱাত পণ্ডিতসকলে টান পোৱা নাছিল। এই কাৰণে এই পণ্ডিতসকলে লেখা মহম্মদ ৰছুলৰ জীৱন আগৰ যুগৰ মহাপুৰুষসকলতকৈ বেছি বুৰঞ্জীমূলক বুলি ক'ব পাৰি। এই কাৰণেই বোধকৰো পাশ্চাত্য লেখকসকলৰ কিছুমানে এই মহাপুৰুষজনৰ কিছুমান ঘটনা সম্বন্ধে তেওঁক দোষাৰোপ কৰিবলৈ সুবিধা পাইছে। কিছুমানে তেওঁক এজন সাধাৰণ ধৰ্ম্ম সংস্কাৰক বুলি ক'বলৈ বিচাৰে। কিন্তু তোমালোকৰ দৰে উঠি অহা ল'ৰা-ছোৱালীয়ে ভাবি চোৱা উচিত যে যাৰ উপদেশ আৰু আজ্ঞামতে, বিশেষকৈ যিজনে প্ৰচাৰ কৰা ঈশ্বৰৰ বাণীৰ দ্বাৰাই প্ৰায় ন কোটি ভাৰতবাসী আৰু তাতকৈ প্ৰায় তিনিগুণ আন আন দেশৰ লোকে আজিও চলি আছে আৰু

তাৰ ভিতৰত অসংখ্য লোকে জীৱনত শান্তি পাব লাগিছে, সেই মহাপুৰুষজন সাধাৰণ ধৰ্ম্ম সংস্কাৰক নহয়, তেওঁ অসাধাৰণতকৈও অসাধাৰণ। বহু সময়ত মানুহৰ সংকীৰ্ণতাৰ কাৰণে, বিশেষকৈ আমাৰ জ্ঞানৰ অসম্পূৰ্ণতাৰ কাৰণে আমি যি সমাজত বাস কৰোঁ, যিভাবে পূজা-সৎকাৰ কৰোঁ, তাকেই আদৰ্শ বুলি ধৰি লৈ আনৰ নিয়ম নীতি বা ধৰ্ম্ম বিশ্বাস তাচ্ছিল্য কৰিবলৈ শিকো। এই সংকীৰ্ণতাৰ বশবৰ্ত্তী হৈ কিছুমান লোকে মহাপুৰুষসকলক নিজৰ জ্ঞানৰ তুলাচনীৰে ইজনৰ লগত সিজনক তুলনা কৰি সমাজত কাজিয়াৰ সৃষ্টি কৰে। মোৰ মনেৰে প্ৰকৃত বিজ্ঞ লোকসকলে, বিশেষকৈ বিজ্ঞ হিন্দুসকল সংকীৰ্ণ মনৰ হ'ব নোৱাৰে। আনকি কোনো প্ৰকৃত ধাৰ্ম্মিক বা বুজ থকা মানুহেই তেনে সংকীৰ্ণতাৰ প্ৰশ্ৰয় দিব নোৱাৰে। মহাপুৰুষক ঈশ্বৰে প্ৰেৰণ কৰে সমাজৰ কিছুমান গ্লানি দূৰ কৰিবলৈ আৰু লগে লগে কিছুমান চিৰন্তন সত্য প্ৰকাশ কৰিবলৈ। এইভাবে বিচাৰ কৰিলে মহম্মদ ৰছুলক আমি এজন ঈশ্বৰ প্ৰেৰিত শ্ৰেষ্ঠতম পুৰুষ বুলি স্বীকাৰ কৰিবই লাগিব। এই একে কাৰণেই আমি আগতে লেখা কেজনকো ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ বুলি কৈ আহিছো। সেই কাৰণে মহম্মদ ৰছুলৰ জীৱনী বুজিব লাগিলে কি ধৰণৰ সমাজক উন্নত কৰিবলৈ তেওঁ জন্ম লৈছিল আমি প্ৰথমেই তাক জনা উচিত। তাৰ পাছত কি শক্তি আৰু কি উপায় অৱলম্বন কৰি এই সমাজৰ উন্নতি কৰিলে আৰু শেষত তেওঁৰ এই মহৎ চেষ্টা কিমান দূৰ ফলৱতী হল অৰ্থাৎ জগতৰ সমাজৰ কি উপকাৰ সাধিলে তাকো জনা উচিত।

যিদেশত এই মহাপুৰুষজন জন্মিছিল আৰু প্ৰথমতে ধৰ্ম্ম প্ৰচাৰ কৰিছিল, সেই দেশখনৰ নাম আৰৱ দেশ। মানচিত্ৰ চালেই দেখা পাবা যে এই দেশৰ পশ্চিম অঞ্চল লোহিত সাগৰৰ পাৰে পাৰে আৰু দক্ষিণ অঞ্চল আৰৱ সাগৰৰ পাৰত। এই লোহিত সাগৰৰ পশ্চিমে আফ্ৰিকা মহাদেশ, ইয়াৰ উত্তৰখণ্ড ইজিপ্ত বা মিচৰদেশ। যীশুৰ জীৱনী আলোচনা কৰোঁতে তোমালোকে মিচৰ ৰাজ্য সম্বন্ধে কিছু জানিছা। আৰৱ দেশৰ দক্ষিণে সাগৰ আৰু দক্ষিণ-পশ্চিম কোণত আফ্ৰিকা মহাদেশৰ ভিতৰত থকা আবিচিনিয়া নামৰ সৰু দেশ এখন। এইখনো বৰ পুৰণি দেশ। আজি সাত বছৰমান আগতে এই দেশখন মুছলনীয়ে দখল কৰি ইটালী সাম্ৰাজ্যৰ ভুক্ত কৰিছিল; কিন্তু এতিয়া বৃটিছৰ লগত ইটালীৰ যুদ্ধ লগাত বৃটিছৰ জয় হোৱাত এই ৰাজ্যৰ ৰজাই

আকৌ আবিচনিয়া দখল কৰিলে। এচিয়াৰ মানচিত্ৰ চালে দেখিবা যে সাগৰেৰে এই ঠাই ভাৰতবৰ্ষৰ ওচৰত। আৰবৰ উত্তৰ, উত্তৰ-পূব আৰু পূব খণ্ড আদিম ধৰ্ম্মবিলাকৰ আদিম ৰাজ্যবিলাকৰ আৰু আদিম সভ্যতাৰ লীলাভূমি। যিশু খ্ৰীষ্টৰ জীৱনীৰ কথা কওঁতে মই তোমালোকক ইয়াৰ কিছু আভাস দিছো। আৰবৰ ঠিক উত্তৰৰ ৰাজ্য পূৰ্ব্বৰ ইহুদীসকলৰ আৰু খ্ৰীষ্টৰ লীলাভূমি। চিৰিয়া আৰু পেলেষ্টাইনৰ পূবে আৰু আৰব মৰুভূমিৰ উত্তৰে বিখ্যাত মেচোপটেমিয়া ৰাজ্য। আৰু এই ঠাইৰো পূবে বৰ্ত্তমান পাৰস্য ৰাজ্য পুৰণি মিডিচ ৰাজ্য। এই দুখন ৰাজ্যৰ সভ্যতা প্ৰায় হিন্দু আৰ্য্যসকলৰ সমসাময়িক বুলিব পাৰি। এই ঠাইতেই জোৰাষ্ট্ৰিয়ান ধৰ্ম্ম প্ৰচাৰ হয়। পণ্ডিতসকলে এওঁলোকৰ ধৰ্ম্মৰ লগত ইমান সামঞ্জস্য পাইছে যে তেওঁলোকে দুয়োটা জাতি, অৰ্থাৎ জোৰাষ্ট্ৰবাদী আৰ্য্য আৰু বৈদিক আৰ্য্যবিলাক একেলগে হিন্দুকোষ পৰ্ব্বতত বসতি কৰা বুলি কয়।

বেবিলনিয় আৰু পাৰস্য এই উভয় ৰাজ্যই সময়ভেদে বিস্তাৰ লাভ কৰি ইজিপ্ত বা মিচৰ ৰাজ্যৰ কাষ পাইছিল। মাজে মাজে মিচৰৰ ফেৰোৱাৰ লগত ঘোৰ যুদ্ধ হৈছিল আৰু মিচৰ এই বেবিলনিয় আৰু পাৰস্য ৰাজ্যৰ পৰাধীন হব লগাতো পৰিছিল। নেককত নেজাৰে যে কিছুমান ইহুদীক বন্দী কৰি নিয়াৰ কথা ইহুদী বুৰঞ্জীত পঢ়িছা, সেইটো বেবিলনিয় ৰাজ্য বিস্তাৰ কৰোঁতে, বেবিলনিয়ৰ ৰজা নেবুকত নেজাৰে কৰিছিল। বৰ্ত্তমান এচিয়া মাইনৰৰ পৰা আৰম্ভ কৰি আমাৰ ভাৰতবৰ্ষৰ কাষলৈ এই গোটেইখিনি ঠাই প্ৰথমে পাৰস্য ৰাজ্য (ডেৰিয়ানৰ দিনত); তাৰ পিছত গ্ৰীক ৰাজ্য (আলেকজেণ্ডাৰ) আৰু তাৰ পিছত ৰোমান ৰাজ্যৰ তললৈ আহে। এই ঠাই প্ৰায় ছয় খ্ৰীষ্টাব্দলৈ ভাৰতবৰ্ষ আৰু চীন দেশৰ বাহিৰে পৃথিবীৰ আন ঠাইৰ তুলনাত সভ্য ঠাই বুলি পৰিগণিত আছিল।

যদিও মহম্মদৰ জন্মৰ ওচৰৰ ঠাইবিলাকত এক প্ৰকাৰ সভ্যতা চলি আছিল বুলি ধৰিব পাৰি, আৰব দেশৰ লোহিত সাগৰৰ পাৰৰ ঠাইখিনি বাদে বাকী সকলো ঠাইতে বৰ্ব্বৰতা পূৰা বিদ্যমান আছিল। ইয়াৰ অনেক কাৰণৰ ভিতৰত আৰব দেশৰ ভূমি আৰু জলবায়ুৰ কাৰণো কম নহয়। মানচিত্ৰ চালেই বুজিবা যে সাগৰৰ পাৰৰ কিছু ঠাইত বাদে আৰব দেশ সম্পূৰ্ণ মৰুভূমি। সাগৰৰ পাৰৰ ঠাইখিনি দুই ভাগে বিভক্ত। উত্তৰে হেজাজ প্ৰদেশ আৰু দক্ষিণে ইয়েমেন প্ৰদেশ। মক্কা এই দুয়ো প্ৰদেশৰ মাজত।

মৰুভূমিও কেবাটাও প্ৰদেশত বিভক্ত, যেনে নেজদ, সামাৰ, ওমান, ইত্যাদি। এই মৰুভূমিৰ মাজত যিবোৰ উৰ্ব্বৰা ঠাই আছে, তাতেই মানুহে বসতি কৰে। স্বাভাৱিকতে এই ঠাই বোৰত মানুহে জীৱন ধাৰণ কৰা টান হৈ পৰে - আন কথা ভবা দূৰত থাকক। এই অঞ্চলত বাস কৰা মানুহক বেদুইন বোলে। বেছিভাগ মানুহেই চিৰকলীয়া বাসিন্দা হব নোৱাৰে। ইহুদীসকলে থাকিবলৈ ৰাজ্য বিচাৰি ফুৰাৰ দৰে আৰববিলাকেও থাকিবলৈ ঠাই বিচাৰি ফুৰিব লগাত পৰিছিল। বেছি ভাগৰে খেতি নথকাত ভেৰা, গৰু, উট ইত্যাদি পুহি জীৱন ধাৰণ কৰিবলৈ বাধ্য হৈছিল। বৰ কষ্টেৰে ঘাঁহ থকা ঠাই বিচাৰি উলিয়ায় আৰু তাত ঘাঁহ শেষ হলেই আন ঘাঁহ থকা ঠাই বিচাৰি উলিয়াব লগা হয়। খোৱা-পিন্ধাত মানুহৰ বৰ কষ্ট হোৱাৰ কাৰণে বহুতে চোৰ আৰু ডকাইত হবলৈ বাধ্য হৈছিল। গতিকে ভাল মানুহ বিলাকেও চোৰ ডকাইতৰ পৰা পৰিত্ৰাণৰ বাবে যুদ্ধ বৃত্তি শিকি সদায় মাৰামাৰি আৰু কটা-কটিত ব্যস্ত থাকিব লগাত পৰিছিল। সমাজত জোৰ বা শক্তি থকা মানুহে সকলো পাইছিল। দুৰ্ব্বলী আৰু ধৰ্ম্মভীৰু লোকৰ সদায় বিপদ আছিল। এইবোৰ কাৰণতে মানুহক দাসভাৱে বিক্ৰী কৰা হৈছিল। বাপেক-মাকে নিজৰ ল'ৰা-ছোৱালীক খুৱাব-পিন্ধাব নোৱাৰি চিৰদিনীয়া গোলাম হিচাপে বিক্ৰী কৰিছিল। ওচৰৰ ধনী মানুহবিলাকে আৰু আৰব জাতিৰ মাজত থকা ধনী মানুহ বিলাকে অতি কম মূল্যতে এই ল'ৰা-ছোৱালীক দাস হিচাপে কিনি লৈছিল। জীৱন ধাৰণৰ কাৰণে তিৰোতা মানুহবিলাকে সকলো প্ৰকাৰৰ হীন কাম কৰিবলৈ বাধ্য হৈছিল আৰু সাধাৰণ গৰু-ছাগলীৰ দৰে বিক্ৰী হৈছিল। এইবোৰ কাৰণত সমাজৰ ভিতৰত সদাচৰণ আৰু সৎ কথাৰ একেবাৰে আদৰ নোহোৱা হৈছিল! মাৰা-মাৰি, কটা-কটি মানুহৰ সাধাৰণ আৱশ্যকতা হৈ পৰিছিল। ইজনৰ ধন সিজনে কাঢ়ি নিয়া, ইজনৰ ল'ৰা-তিৰোতা সিজনে চুৰ কৰি নিয়া, এদল লোকে আন এদলৰ ধন-জন বলেৰে কাঢ়ি নিয়া দৈনিক ঘটনা হৈ পৰিছিল। মদ খোৱা, জুৱা খেলা আদি স্বাভাৱিক প্ৰথা হৈ পৰিছিল। এই অধঃপতনৰ সুবিধালৈ তাকৰীয়া ধনী মানুহবোৰ অত্যাচাৰী হৈ উঠিছিল। ধনী মানুহবিলাকে ধাৰৰ টকাত অত্যাধিক সুত লবলৈ ধৰিলে আৰু প্ৰতিবাদত দুখীয়া মানুহবিলাকে ভাবিব নোৱাৰা শাস্তি আৰু জুলুম পাইছিল। চহৰ-নগৰত পাপৰ মাত্ৰা আৰু বেছি হৈছিল। অৱস্থাপন্ন মানুহ মাত্ৰেই বেহা-বেপাৰ কৰি জীৱন-ধাৰণ কৰিছিল। এই বেপাৰীবিলাকে

দল বান্ধি নানা ধৰণৰ বস্তু লৈ সুদূৰ ডামস্কাচ বাগদাদ আৰু মিচৰৰ আলেকজেন্ড্ৰিয়া আদি চহৰলৈ গৈছিল। কিন্তু এই বেপাৰীবিলাকৰ মাজত এনে ব্যভিচাৰ আৰু পাপ চলিছিল যে তাৰ বিৱৰণ ইয়াত দিব নোৱাৰি।

এই সমস্ত সমাজ পতনৰ কাৰণ আৰৱবাসীৰ গ্লানিময় ধৰ্ম্ম জীৱনো এটা প্ৰধান। লোহিত সাগৰৰ পাৰৰ প্ৰদেশ কেইখনত পূৰ্ব্বৰ ইহুদী ধৰ্ম্মৰ আৰু তাৰ পাছত তাৰ মূলতে উদ্ভৱ হোৱা খ্ৰীষ্টিয়ান ধৰ্ম্মৰ ঢৌ লগাৰ যথেষ্ট প্ৰমাণ পোৱা যায়। প্ৰকৃততে মুছলমানসকলে নিজকে ইব্ৰাহামৰ পুত্ৰ ইছমাইলৰ সন্ততি বুলি কয়। ইহুদী আদি পুৰুষ ইব্ৰাহামক আৰৱবাসীসকলে ইছলাম ধৰ্ম্ম প্ৰচাৰ হোৱাৰ আগেই ভালকৈ মানিছিল। মক্কাৰ প্ৰাচীন মন্দিৰ কাব্বাত ইব্ৰাহামৰ মূৰ্ত্তিক আৰবীসকলে অতি সাদৰেৰে পূজা কৰিছিল। এই ইহুদীবিলাকেও এক ঈশ্বৰ বাদ পৰিত্যাগ কৰি মূৰ্ত্তি পূজা কৰিছিল। তেওঁবিলাকৰ মাজত সৎ ভাব নাছিল। পৰস্পৰৰ মাজত সদায় হাই-কাজিয়া আৰু ই সামাজিক শান্তি নাইকিয়া কৰিছিল। খ্ৰীষ্টিয়ানসকলৰ আৰু বেছি অধঃপতন হৈছিল। যীশুখ্ৰীষ্টৰ মৃত্যুৰ এশ বছৰমানৰ ভিতৰতে যীশু ঈশ্বৰ হয় নে নহয় এই কথালৈ খ্ৰীষ্টিয়ানবিলাকৰ মাজত অনেক দলা-দলিৰ সৃষ্টি হয় আৰু ইটো দলৰ মত আন দলবিলাকৰ ওপৰত এনেভাৱে চলাবলৈ চেষ্টা কৰিলে যে দলবিলাকৰ ভিতৰত তুমুল যুদ্ধ, হত্যাকাণ্ড আৰু অশেষ অত্যাচাৰ হবলৈ ধৰিলে। এই মাৰা-মাৰি আৰু প্ৰতিশোধৰ হাত সাৰিবৰ কাৰণে কিছুমান খ্ৰীষ্টিয়ানে আৰব দেশত ঠাই লৈছিলহি। কিন্তু এওঁলোকৰ বেছি ভাগ লোকৰ ধৰ্ম্মজ্ঞান বা আচাৰ-ব্যৱহাৰৰ এনে প্ৰভাৱ নাছিল যাৰ দ্বাৰা আৰৱবাসীসকলৰ নৈতিক আৰু আধ্যাত্মিক ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হৈছিল। এই আদিম আৰৱবাসীসকল আগৰদৰে ঘোৰ পৌত্তলিকাতে আবদ্ধ হৈ থাকিলে। এই মূৰ্ত্তি পূজা হিন্দুসকলৰ মূৰ্ত্তি পূজাৰ লগত ইমান পৃথক যে মই সেই সম্বন্ধে মাত্ৰ ভূষাৰমান কম। হিন্দু মূৰ্ত্তি পূজাৰ পৰা যে বেদুইনহঁতৰ মূৰ্ত্তি-পূজা একেবাৰে পৃথক এই সম্বন্ধে বহুত মুছলমান লিখকে উনুকিয়াই গৈছে। হিন্দুসকলে যদিও মূৰ্ত্তি সাজে, মূৰ্ত্তিটোক মাটিৰ বা শিলৰ বস্তু বুলিয়েই মানিলয় আৰু এইবিলাকৰ একো ক্ষমতা নাই বুলি স্বীকাৰ কৰে। তেওঁলোকে এই মূৰ্ত্তিত ঈশ্বৰৰ কোনো এটা শক্তিক আৰাধনা কৰে। গতিকে হিন্দুৰ মূৰ্ত্তি পূজা কৰা মানে সৰ্ব্বশক্তিমান ঈশ্বৰৰ কোনো এটা শক্তি পূজা আৰাধনা কৰা। সেই কাৰণে সকলো হিন্দুৱেই একমনে সৰ্ব্বশক্তিমান ঈশ্বৰত

বিশ্বাস কৰে। আৰববাসী বেদুইনবিলাকে এই মূৰ্ত্তিবোৰক শক্তিমান বুলি মানি লৈছিল। সৰ্ব্বশক্তিমান ঈশ্বৰক বিশ্বাস কৰিবলৈ শিকা নাছিল। সেই কাৰণে এওঁলোকে নানা ৰকমৰ পাথৰ, গছ-গছনি, মৰুভূমিৰ গেজেলা পছু, পৰ্ব্বতৰ নিজৰা ইত্যাদিৰ পূজা কৰিছিল। পূজাৰ প্ৰধান উদ্দেশ্য আছিল নিজৰ ধন, সম্পত্তি, শক্তি আদি বৃদ্ধি কৰা। আৰববিলাক নানা জাতিত বিভক্ত আছিল। কিছুমান জাতিৰ নিজৰ স্বকীয় মূৰ্ত্তি আছিল যাক ইষ্টদেৱতা বুলি মানি সেই জাতিৰ মানুহে পূজা কৰিছিল। মক্কা সৰিফৰ কাব্বাত যেনে ধৰণৰ পূজা চলিছিল তাৰ দ্বাৰাই সেই সময়ৰ আৰবসকলৰ ধৰ্ম্ম কেনে আছিল তাক ভালকৈ বুজিব পাৰি। এই কাব্বাত বিভিন্ন জাতিয়ে নিজৰ নিজৰ মূৰ্ত্তিবোৰ ৰাখিছিল। তাত সকলোতকৈ ডাঙৰ আৰু সম্মানৰ মূৰ্ত্তি আছিল ইব্ৰাহামৰ। বছৰে বছৰে বসন্ত কালৰ সময়ত বহুত দূৰৈৰপৰা মানুহ আহি মক্কা চহৰত সমবেত হৈ কাব্বা মন্দিৰত তীৰ্থ কৰে। পূজাৰ সময়ত মতা-তিৰোতা সকলো মানুহে মন্দিৰৰ চাৰিওফালে উলঙ্গ হৈ সাতবাৰ প্ৰদক্ষিণ কৰিব লাগিছিল। জানিব পৰা যায় যে আন জন্তুৰ কথাই নাই, মানুহো ইয়াত বলি দিয়া হৈছিল। অনেক মানুহ সমাগম হোৱাৰ ফলত কিছুমান মানুহৰ, বিশেষকৈ কোৰেইছসকলৰ বেহা-বেপাৰৰ সুবিধা হৈছিল। লগে লগে নানা ৰকমৰ চুৰি, ডকাইতি, ব্যভিচাৰ আদিৰো সৃষ্টি হৈছিল।

আনপিনে আৰবৰ ৰাজনৈতিক অৱস্থাও এনে শোচনীয় আৰু জঘন্য আছিল। এই সময়ত কিছুমান জাতিৰ প্ৰাধান্যতা বৰ বেছি আছিল আৰু এইবোৰ জাতিৰ কোনেও কাকো নেমানিছিল। ইটো জাতিৰ লগত সিটো জাতিৰ যুদ্ধ আৰু মাৰা-মাৰি চলি আছিল। সকলোৰে উদ্দেশ্য আছিল প্ৰাধান্যতা লাভ কৰি সৰিফৰ মালিক হোৱা আৰু কাব্বা মন্দিৰ চলাবলৈ শক্তিমন্ত হোৱা। কাৰণ সেই সময়ত কাব্বা মন্দিৰ চলোৱাটো অকল সন্মানৰ কথাই নাছিল, বৰ লাভজনক কামো আছিল। এই জাতিবোৰৰ অধিক সংখ্যক মানুহ একেবাৰে নিৰক্ষৰ আছিল। যি সময়ত মহম্মদ ৰছুলৰ আৰব গগনত আবিৰ্ভাৱ হয় সেই সময়ত এই জাতিবোৰৰ ভিতৰত আটাইতকৈ বেছি প্ৰতাপশালী আৰু মানী জাতি আছিল মহম্মদ ৰছুলৰ নিজ জাতি কোৰেইছ। মহম্মদৰ জন্ম হোৱাৰ ১০০ বছৰমান আগৰ পৰাই এই বংশৰ লোকে কাব্বা মন্দিৰ পৰিচালনা কৰিছিল আৰু আৰববাসীৰ মাজত প্ৰাধান্যতা লাভ কৰিছিল। আৰবৰ উত্তৰ ফালে গ্ৰীক ৰাজা চিৰিয়ালৈকে বিস্তৃত

হৈ আছিল। আৰু উত্তৰ পুবে পাৰস্য ৰাজ্য বিস্তৃত হৈ আছিল। এই ৰাজ্যবিলাকে মৰুভূমি পূর্ণ আৰব দেশলৈ নজৰকে কৰা নাছিল। লোহিত সাগৰৰ পশ্চিমে মিচৰ ৰাজ্য আৰু আবিচিনিয়া আছিল, এই ৰাজ্যবিলাকৰ পূৰ্ব্বৰ গৌৰৱ আৰু সভ্যতা নাছিল; কিন্তু পুৰণি সভ্যতা আৰু কৃষ্টিৰ অধিকাৰী বুলি সেই সময়ত জনাজাত আছিল।

মহম্মদৰ ককাক আব্দুল মুটল্লেব কোৰাইছৰ মুৰব্বী হোৱাৰ কাৰণে কাব্বা মান্দৰ চলোৱা সন্মানৰ অধিকাৰী আছিল। মুটল্লেব সম্বন্ধে এটা কাহিনী আছে। তেওঁৰ ল'ৰা-ছোৱালী বাৰটা আছিল। তেওঁ কাব্বা মন্দিৰত এইদৰে প্রতিজ্ঞা কৰিছিল যে যদি তেওৰ আটাইকেইটা ল'ৰা-ছোৱালী নাবালক অৱস্থালৈ জীয়াই থাকে; তেওঁ বাৰটা ল'ৰা-ছোৱালীৰ ভিতৰত এজনক কাব্বা মন্দিৰত বলি দিব। প্রতিশ্রুতি কৰা মতে তেওঁৰ সকলোতকৈ মৰমৰ লৰা আব্দুল্লাক (ভৱিষ্যৎ মহম্মদ ৰছুলৰ পিতৃ) কাব্বা মন্দিৰত বলি দিবলৈ লৈ গৈছিল; কিন্তু 'পাইগিয়াৰ' আকাশবাণী শুনি ল'ৰাৰ পৰিবর্ত্তে এশটা উটহে বলি দিলে। আব্দুল্লাই কোৰেইছ জাতিৰ জহৰী বংশৰ মাতব্বৰ ওয়াহাবৰ কন্যা আমিনাক বিয়া কৰায়। কিন্তু তেওঁৰ কেৱল পঁচিশ বছৰ বয়সতে মদিনাৰ ওচৰৰ এখন ঠাইলৈ যাওঁতে বাটতে মৃত্যু হয়। ইয়াৰ কিছুদিন পাছতে আমিনাৰ গর্ভৰপৰা ইচলাম ধৰ্ম্ম প্রচাৰক, ঈশ্বৰৰ প্রেৰিত মহাপুৰুষ মহম্মদৰ ৫৭০ খৃষ্টাব্দত নিজঘৰ মক্কাত জন্ম হয়। কিন্তু মহম্মদৰ তদাৰকৰ ভাৰ তেওৰ ককাক আব্দুল মোটাল্লেবৰ ওপৰত পৰিল। সেই সময়ত উচ্চ কোৰেইছ বংশৰ নিয়মমতে মাকে নিজৰ ল'ৰাক পিয়াহ নুখুৱাইছিল, সেই কাৰণে শিশু মহম্মদক তুলি তালি ডাঙৰ-দীঘল কৰিবৰ কাৰণে হালিখা নামৰ বেডুইন তিৰোতা এজনীক গতাই দিয়া হল। ডাঙৰ হোৱাত মহম্মদক মাকৰ ওচৰলৈ অনা হল। কোৱা বাহুল্য যে মাকৰ একমাত্র ল'ৰা মহম্মদ চকুৰ মনিৰ দৰে আছিল। কিন্তু মহম্মদৰ মাকো বেছিদিন জীয়াই নেথাকিল। মহম্মদৰ ছয় বছৰ বয়সত মাকে তেওঁক মদিনা নগৰলৈ লৈ গৈছিল। তাত প্রায় এমাহ থাকি উভতি আহোতে বাটত তেওঁৰ সাংঘাতিক বেমাৰ হৈ মৃত্যু হয়। মদিনা যাত্রাৰ কথা আৰু তেওঁৰ মাকৰ চিত্র শিশু মহম্মদৰ সৰল অন্তঃকৰণত চিৰকাললৈ অঙ্কিত হৈ ৰৈছিল। এতিয়া মহম্মদৰ তদাৰক কৰোঁতা তেওঁৰ ককাইদেউতাক আব্দুল মুটল্লেবৰ বাহিৰে পৃথিবীত আন কোনো নাছিল। কিন্তু তেওঁৰ এনে দুৰ্ভাগ্য যে অলপদিন

পাছতে বৃদ্ধ মুটল্লেবো ৮২ বছৰ বয়সত ইহসংসাৰৰ পৰা বিদায় লয়। এই বুঢ়াজনে মহম্মদক বৰ মৰম কৰিছিল। তেওঁৰ মৃত্যুত বালক মহম্মদে মৰ্ম্মান্তিক শোক পায়। বুঢ়া মুটল্লেবে তেওঁৰ অবিহনে মহম্মদৰ কি অবস্থা হব তাক আশঙ্কা কৰি তেওঁক তেওঁৰ পুতেক মহম্মদৰ খুড়াক আবুতালিবক গতাই দিলে। আবুতালিবেও মহম্মদক নিজৰ লৰাৰ দৰে জ্ঞান কৰি তুলিতালি ডাঙৰ কৰিবলৈ ধৰিলে।

সেই সময়ত আৰব দেশত লিখা-পঢ়া শিকাৰ কোনো বন্দোৱস্ত নাছিল। গতিকে মহম্মদে স্কুলীয়া শিক্ষা পোৱা নাছিল নাইবা তেওঁক কোনো শিক্ষক ৰাখি পঢ়োৱা হোৱা নাছিল। কিন্তু নিৰ্ম্মল আৰু অকপট লোকৰ কাৰণে শিক্ষাৰ অভাৱ নহয়। সৰুতে মাউৰা হোৱাৰ কাৰণে মহম্মদ বছুলৰ মন কোমল আৰু কৰুণ ভাবেৰে ভৰি আছিল। তেনে আগ্ৰহী মনৰ লোকে বিশ্ব প্ৰকৃতিৰ পৰা নানা কথা শিকিব পাৰে। দহ বাৰ বছৰ বয়সতে তেওঁক ভেৰা চৰাবলৈ দিয়া হৈছিল। সেই সময়ত সকলো ভাল মানুহৰ লৰাই ভেৰা ৰখায়া হৈছিল আৰু এনে কাম কৰাটো আৰব সমাজত লাজৰ কথা নাছিল। ভাবুক আৰু গম্ভীৰ স্বভাৱৰ মহম্মদক আৰব ভূমিৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু প্ৰচণ্ডতাই নিশ্চয় অভিভূত কৰিছিল। আৰব দেশৰ ৰাতিৰ নীল আকাশৰ অসংখ্য তৰাৰ তিৰবিৰণি, দূৰৈৰ ভেৰাৰ পাল আৰু ভেৰা-ৰখীয়াৰ মধুৰ ধ্বনি, বিশাল, বিস্তৃত মৰুভূমিৰ বালিৰাশি আৰু প্ৰকাণ্ড শিলৰ স্তূপ, পৰ্ব্বত আৰু গুহাৰ নিস্তব্ধতাই আৰু বিশেষকৈ এই নিৰ্জ্জনতাৰ মাজত সেউজীয়া, সুন্দৰ খেজুৰ বননিয়ে মহম্মদ ৰছুলক শিক্ষকৰ শিকনিতকৈও ডাঙৰ বিচিত্ৰ আৰু উপদেশ পূৰ্ণ শিকনি দিছিল। নিজৰ সৰলতা আৰু মধুৰ স্বভাৱৰ কাৰণে আৰু বিশেষকৈ দুখত ডাঙৰ দীঘল হোৱাৰ কাৰণে মহম্মদে দুখীয়াৰ দুখলৈ নজৰ নিদিয়াকৈ থকা নাছিল। এইবিলাক গুণৰ কাৰণে তেওঁ মানুহৰ বৰ প্ৰিয় হৈ পৰিছিল। মহম্মদ শব্দৰ অৰ্থ প্ৰশংসনীয়, প্ৰকৃততে তেওঁ মানুহৰ প্ৰশংসাৰ পাত্ৰ হৈছিল। মহম্মদৰ বয়স বাঢ়ি অহাৰ লগে লগে সেই সময়ৰ মানুহৰ, সমাজৰ আৰব দেশৰ অৱস্থালৈও তেওঁৰ নজৰ নপৰাকৈ থকা নাছিল। বাৰ বছৰ বয়সতে চিৰিয়ালৈ যোৱা বেপাৰী দলৰ লগত খুড়াক আবু তালিবৰ সহকাৰী হৈ চিৰিয়া পাইছিল। এই সময়তে ইহুদী আৰু খ্ৰীষ্টিয়ানবিলাকৰ মাজত চলি থকা কুপ্ৰথাবিলাক তেওঁৰ চকুত পৰিছিল। বুহেৰা নামৰ এজন সাধু খৃষ্টিয়ানৰ লগত তেওঁৰ

পৰিচয় ঘটে। এই খৃষ্টিয়ানজনে মহম্মদ ভৱিষ্যতে ৰছুল হব বুলি ভৱিষ্যত বাণী কৰিছিল। কিছুমান খৃষ্টিয়ান গ্ৰন্থকাৰে কয় যে মহম্মদে প্ৰচাৰ কৰা বহুত কথা এই বুহেৰা সাধুৰ পৰা শিকা। ইয়াৰ কিছু দিনৰ পিছত কোৰাইছ জাতিৰ লগত আন এটা আৰব জাতিৰ যুদ্ধ লগাৰ সময়ত তেওঁ নিজে উপস্থিত আছিল। এইদৰে আৰব জাতিবোৰৰ মাজত কেনে ভেদ-ভাব আছিল তাকো তেওঁ জানিলে। নিজৰ জীৱিকাৰ কাৰণে আৰু খুড়াকক সহায় কৰিবৰ কাৰণে তেওঁ নিজে বেপাৰী ব্যৱসায় গ্ৰহণ কৰে। এই কাৰ্য্য-ক্ষেত্ৰতো তেওঁ অনেক ৰকমৰ মানুহৰ সংস্ৰৱত আহি আৰব সমাজৰ দোষ-ভাল বুজিবৰ সুবিধা পাইছিল। আনফালে নিজৰ সদাচাৰ সত্যবাদিতা আৰু ন্যায় ব্যৱহাৰৰ কাৰণে সকলো মানুহৰ আদৰৰ আৰু বিশ্বাসৰ পাত্ৰ হৈ পৰিছিল। এইদৰে মহম্মদে তেওঁৰ ২৫ বছৰ বয়সলৈকে এপিনে যেনেকৈ প্ৰকৃতিৰ আৰু মানৱৰ অপূৰ্ব্ব ৰাজ্যৰ পৰা নানা প্ৰকাৰৰ অভিজ্ঞতা আৰু ব্যৱহাৰিক জ্ঞান লাভ কৰিলে, আনপিনে তেওঁৰ সৰলতা, প্ৰীতি আৰু মধুৰ ব্যবহাৰৰ দ্বাৰা আৰু বিশেষকৈ নিজৰ অটল পবিত্ৰ চৰিত্ৰৰ দ্বাৰা সকলোৰে শ্ৰদ্ধা আৰু প্ৰশংসাৰ ভাজন হৈ পৰিল।

এই সময়ত তেওঁৰ জীৱনত এটা ডাঙৰ পৰিৱৰ্ত্তন ঘটে। মহম্মদৰ বেপাৰী কামত সততা আৰু পটুতা দেখি এই কোৰেইছ বংশৰে এজনী সম্পত্তিশালী বিধবাই তেওঁৰ হৈ মহম্মদক কিবা কাৰবাৰ কৰিবলৈ দিছিল। বিধবা গৰাকীয়ে মহম্মদৰ পৰা লাভৰ অংশ বহুত পাইছিল আৰু মহম্মদে তেওঁক হিচাব-পত্ৰ এনে বিশ্বাসেৰে বুজাই দিছিল যে বিধবা গৰাকীৰ মহম্মদৰ প্ৰতি বৰ মৰম আৰু শ্ৰদ্ধা জন্মিল। তেওঁ মহম্মদক সমুদায় সম্পত্তিৰ অংশীদাৰ কৰি তেওঁৰ লগত বিয়াৰ প্ৰস্তাৱ কৰিলে। মহম্মদে সন্মতি দিলে। যদিও খাদিজাৰ (বিধবা গৰাকীৰ) বয়স এই সময়ত চল্লিশ বছৰ আছিল অৰ্থাৎ এওঁ মহম্মদতকৈ পোন্ধৰ বছৰে ডাঙৰ আছিল। এওঁলোকৰ বৈবাহিক জীৱন বৰ সুখময় হৈছিল। এওঁলোকৰ এটা ল'ৰা আৰু চাৰিজনী ছোৱালী জন্ম হয়। বিয়াৰ ফলত মহম্মদে অন্ন-চিন্তা কৰিব নলগা হয়। আনপিনে স্ত্ৰীৰ অশেষ স্নেহ, বন্ধুত্ব আৰু বিশেষকৈ সৎ উপদেশ তেওঁৰ বৰ ডাঙৰ সম্পদ হৈ পৰিল।

অন্ন-চিন্তা দূৰ হলত ৰছুলে তেওঁৰ ধৰ্ম্ম-জীৱন চৰ্চ্চা আৰু উৎকৰ্ষ সাধনৰ নিমিত্তে সুবিধা পালে। সেই সময়ত আৰব সমাজত ৰং-ধেমালিত তেওঁ

একেবাৰেই যোগ নিদিছিল। তেওঁ কোনো দিন মূৰ্ত্তিপূজা নাইবা মূৰ্ত্তিৰ ওচৰত বলি দিয়াত যোগ নিদিছিল। এনে পূজা সম্বন্ধে কোনো ভোজ বা আমোদ-প্ৰমোদ হলে তেওঁ তাৰ পৰা আঁতৰি থাকিছিল এটা উচ্চ আকাংক্ষা আৰু উচ্চ নীতিয়ে তেওঁৰ শিশুকালৰ চিন্তাশীল স্বভাৱ দুগুণ বলেৰে উভতি আহিল। তেওঁ এতিয়া ক্ৰমে ধ্যান কৰিবলৈ ধৰিলে। মক্কা নগৰৰ তিনিমাইল অন্তৰত হীৰা নামৰ এটা পৰ্ব্বতৰ গুহা আছিল। তেওঁ অকলশৰে এই গুহাত ধ্যান আৰু আৰাধনা আৰম্ভ কৰিলে। তেওঁ এতিয়া ঘৰলৈ নহা হল নিজকে ধ্যান আৰু আৰাধনাত নিমগ্ন ৰাখিলে। প্ৰথমতে এনে অৱস্থাত তেওঁ দিঠকতে সপোনৰ দৰে দেখা হল। অৱশেষত এদিন ৰাতিপুৱা কোনো-বাই তেওঁৰ কাণে কাণে স্পষ্ট আদেশ দিলে—"পঢ়া" মহম্মদে চমক খাই ক'লে, "মই পঢ়িব নেজানো।" আকৌ সেই আজ্ঞা বেছি জোৰকৈ ধ্বনিত হৈ উঠিল। কিন্তু সত্যবাদী বছুলৰ আত্মাই আকৌ উত্তৰ দিলে, "মই পঢ়িব নেজানো।" তেতিয়া সেই বাণী পুনৰ ধ্বনি হল, "যি ঈশ্বৰে মানুহক সৃষ্টি কৰিছে তেওঁ দয়াবান আৰু মানুহক লেখনিৰ দ্বাৰা আগতে নজনা কথাৰ জ্ঞান দিছে, সেই ঈশ্বৰৰ নামে পঢ়া।" কিছুমান লিখকে এই আজ্ঞা ঈশ্বৰ প্ৰেৰিত দূতৰ দ্বাৰাই দিয়া বুলি বৰ্ণনা কৰিছে। সেই সময়ৰ পৰাই মহম্মদৰ মনত ক্ৰমে এটা সত্যই স্থান পাবলৈ ধৰিলে যে তেওঁৰ জৰিয়তে পৰমেশ্বৰে সমাজৰ মহাপাপ আৰু ধৰ্ম্মৰ গ্লানি দূৰ কৰাৰ ইচ্ছা কৰিছে আৰু এই দায়িত্ব তেওঁ বহন কৰিবই লাগিব। এই সমাধি অৱস্থাত মহম্মদৰ সমস্ত শৰীৰত কম্পন উপস্থিত হৈছিল। গোটেই গাটো ঘামেৰে তিতি গৈছিল অন্তৰত ভয় আৰু সন্দেহৰ সঞ্চাৰ নোহোৱাকৈ থকা নাছিল। ততালিকে তেওঁ ঘৰলৈ উভতি আহিল আৰু প্ৰিয়া খাদিজাৰ আগত দীঘল দি পৰি ক'লে, "মোৰ কি হল?" খাদিজাই স্বামীক শুশ্ৰূষা কৰি সোধাত ক'লে, "মই হয় যাদুকৰ, নহয় মই পাগল হলোঁ।" তাৰ পিছত হীৰা পৰ্ব্বতত ঘটা সকলো ঘটনা তেওঁক আদ্যোপান্ত বুজাই ক'লে। খাদিজাই ক'লে, "তুমি ভয় নকৰিবা, পৰমেশ্বৰে তোমাক তেওঁৰ বাণী প্ৰচাৰ কৰিবলৈ পঠিয়াইছে। খাদিজাৰ অতি বুঢ়া ককায়েক এজন আছিল। তেওঁ অন্ধ আছিল আৰু ভালকৈ লৰিচৰি ফুৰিব নোৱাৰিছিল। কিন্তু এসময়ত তেওঁ ইহুদী আৰু খ্ৰীষ্টিয়ান শাস্ত্ৰৰ ডাঙৰ পণ্ডিত আছিল। সন্দেহ ভঞ্জনৰ কাৰণে খাদিজাই এই ঘটনাটোৰ সম্বন্ধে বুঢ়া পণ্ডিতক সোধাত ক'লে "মহম্মদ এজন নবী হব।"

এই জ্যোতি অহাৰ আগতে আন আন মহাপুৰুষ সকলৰ মনত উপস্থিত হোৱাৰ দৰে এই মহাপুৰুষজনৰ মনতো নানা দ্বিধা, আশঙ্কা আৰু দুৰ্ব্বলতাৰ ভাব আহি উপস্থিত হৈছিল। ইয়াত আচৰিত হোৱাৰ কোনো কাৰণ নাই। ঈশ্বৰৰ ইচ্ছা পূৰ্ণ কৰিবলৈ তেওঁৰ যন্ত্ৰ হব লাগিলে যি ত্যাগ, শক্তি, বুদ্ধি আৰু একতা আৰু একনিষ্ঠতা লাগে সেই সম্বন্ধে দ্বিধা অহাতো স্বাভাৱিক। একান্ত ভক্ত প্ৰাণ মহম্মদে স্বকীয়া আত্মিক শক্তিৰ বলত এই যুদ্ধত জয়লাভ কৰিলে। তেওঁৰ হৃদয়ত অসীম সাহ, মনত অদম্য উৎসাহ আৰু জীৱনলৈ পূৰ্ণ কৰ্ত্তব্যপৰায়ণতাৰ ভাব আহিল। প্ৰত্যেক কামতেই পৰমেশ্বৰৰ শক্তি অনুভৱ কৰিবলৈ ধৰিলে। এইদৰে তেওঁ ঈশ্বৰ সম্বন্ধীয় নানা সত্য উপলব্ধি কৰিবলৈ ধৰিলে, যাক কোৰাণত সুললিত পদৰ দ্বাৰা বৰ্ণনা কৰা আছে।

এইদৰে নৈতিক আৰু ধৰ্ম্মীয় শক্তিত প্ৰতিষ্ঠিত হৈ ৰছুলে ঈশ্বৰৰ আজ্ঞা পালন কৰি নিজৰ জন্মভূমি মক্কাত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে। যদিও আৰৱবাসী জঘন্য ব্যভিচাৰিতা আৰু পাপৰ কুণ্ডত পৰি আছিল, তথাপি ভিতৰত দুই এজন লোকে এক ঈশ্বৰক মনে মনে বিশ্বাস কৰিছিল। এওঁলোকে সমাজৰ অন্যায় আৰু পাপ সহি থাকিব নোৱাৰি মনে মনে এজন উদ্ধাৰকৰ্তা আৰু সংস্কাৰকৰ কাৰণে ব্যগ্ৰ হৈ আছিল। এনে লোকসকলে ইছলাম ধৰ্ম্ম সহজে গ্ৰহণ কৰিলে। ৰছুলৰ প্ৰথম শিষ্য হল তেওঁৰ নিজৰ সহধৰ্ম্মিণী খাদিজা। তেওঁৰ দ্বিতীয় শিষ্য আলি। এওঁ মহম্মদৰ খুড়াক আবু তালিবৰ ল'ৰা। আবু তালিবৰ অৱস্থা বেয়া হোৱাত মহম্মদে এই ল'ৰাজনৰ ভৰণ পোষণৰ ভাৰ লয়। পাছত এওঁতেই নিজৰ জীয়েক ফটিমাক বিয়া দিয়ে। ইয়াৰ পাছত আবুবকৰ দীক্ষিত হয়। আবুবকৰ উচ্চ বংশ কোৰেইছ জাতিৰ এটা ফৈদৰ মুখীয়াল। সৎ কাম, বীৰত্ব আৰু সাধুতাৰ কাৰণে গোটেই আৰৱ সমাজত এওঁৰ সন্মান আছিল। সকলো ভদ্ৰবংশৰ লোকেই কোনো কথাত টান পৰিলে এওঁৰ উপদেশ লৈছিল। ৰছুল স্বৰ্গী হোৱাৰ পাছত এওঁৰ মূৰতেই ইছলাম ধৰ্ম্ম ৰক্ষাৰ ভাৰ আৰু মুছলমান সকলৰ চালনাৰ (মালিক) ভাৰ পৰে। তাৰ পাছত খলিফা ওমৰ খালিফ ওচমান আৰু তেওঁৰ বংশৰ চাৰিজন লোক, খাদিজাৰ খুড়াকৰ পুতেক জুবেয়াৰ ইত্যাদি কিছুমান লোকে নতুন "এক ঈশ্বৰ বাদ" ধৰ্ম্ম গ্ৰহণ কৰিলে। উচ্চ বংশৰ মানুহৰ বাহিৰেও সাধাৰণ বংশৰ অনেক লোকে ইহ পৃথিৱীৰ অত্যাচাৰৰপৰা ৰক্ষা পাবলৈ আৰু ভৱিষ্যত জীৱন শান্তিময় কৰাৰ

মানসে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। এইদৰে সম্পূৰ্ণ সহিষ্ণুভাৱে নিজৰ জনা শুনা আৰু আপোন মানুহৰ মাজত এক ঈশ্বৰবাদ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। প্ৰায় তিনি বছৰৰ মূৰত ১৫০।২০০ মানুহ তেওঁৰ ধৰ্ম্মত দীক্ষিত হল। এই নতুন ধৰ্ম্মাৱলম্বী মানুহৰ সংখ্যা কম হলেও এওঁলোকৰ পৰমেশ্বৰত আৰু ৰছুলৰ চালনাত অটল বিশ্বাস আছিল।

ইয়াৰ প্ৰমাণ তোমালোকে এতিয়াই পাবা। বাপা, নতুন ধৰ্ম্মত দীক্ষিত লোকসকলৰ মাজত এটা কথা লক্ষ্য কৰিবলগীয়া। কাবা মন্দিৰৰ লগত সম্বন্ধ থকা কোনো লোকেই এই নতুন আন্দোলনত যোগ দিয়া নাছিল। আনকি তেওঁৰ নিজৰ মৰমৰ খুড়াক আবু তালেবৰ (যাৰ হাতত কাবা চালনাৰ ভাৰ সামান্যভাৱে আছিল) নিজৰ পুতেক আলিয়ে এই ধৰ্ম্ম গ্ৰহণ কৰাত আপত্তি নকৰি নিজে এই ধৰ্ম্ম গ্ৰহণ নকৰিলে। এদিন মহম্মদে এই সম্বন্ধে অনুৰোধ কৰাত তেওঁ উত্তৰ দিলে, "বোপা, মই এতিয়া বুঢা কালত আমাৰ পূৰ্ব্বপুৰুষৰ ধৰ্ম্ম এৰিব নোৱাৰো। কিন্তু মই তোমাক এইখিনি আশ্বাস দিও যে যদি কোনোবাই তোমাক কিবা অত্যাচাৰ কৰিবলৈ আহে, তেন্তে মই মোৰ প্ৰাণ দিও ৰক্ষা কৰিম।" যেতিয়া ভাল ভদ্ৰ আৰু ন্যায়পৰায়ণ মানুহবিলাকৰ মত আবু তালেবৰ দৰে হব পাৰে, তেতিয়া যিবিলাক স্বাৰ্থলোভী, অন্যায়কাৰী আৰু দুষ্ট প্ৰকৃতিৰ লোক, সেইবোৰে যে ৰছুলৰ মহৎ কাৰ্য্যত সম্পূৰ্ণৰূপে বিৰোধ কৰিব তাক সহজে বুজিব পৰা যায়। কাবাত ইব্ৰাহামৰ মূৰ্ত্তিৰ বাহিৰে তিনিশ ষাঠিটা পুতলা আছিল। তাৰে দিনে এটাত পূজা হৈছিল। এই পূজাৰ পৰা পূজাৰী-পুৰোহিতবোৰৰ জীৱন ধাৰণ হৈছিল। ইয়াৰ বাহিৰেও এই মন্দিৰ আৰু লগে লগে মক্কা চলোৱাৰ পৰা অনেক লোকৰ জীৱিকাৰ উপায় ওলাইছিল। এনেদৰে মন্দিৰ আৰু চহৰ চলোৱাৰ বাবে পুৰোহিত আৰু কৰ্ম্মচাৰীবিলাকে মানুহৰ সন্মান লাভ কৰিছিল। এই লোকসকলে আৰু তেওঁলোকৰ বংশ পৰিয়াল, জ্ঞাতি-বন্ধু আদিয়ে এনে এটা লাভজনক আৰু সন্মানজনক অনুষ্ঠান উঠি যোৱাটো কেনেকৈ চাই থাকিব পাৰে? মই আগেয়ে কৈ আহিছো যে এই সমুদায় পূজা, মন্দিৰ আৰু চহৰ চলোৱাৰ ভাৰ কোৰেইছ বংশৰ লোকৰ ভিতৰত আছিল। গতিকে এওঁলোকেই মহম্মদৰ সকলোতকৈ বেছি বিৰুদ্ধবাদী হয়। যদিও মহম্মদ তেওঁলোকৰ বংশৰেই সন্তান, তেওঁলোকে নিজৰ বংশৰ লোকে ধৰ্ম্ম সংস্কাৰৰ দোহাই দি নিজৰ লাখ লাখ বংশ কুটুম্বৰ মুখৰ ভাত কাঢ়ি

নিব খোজা কথাটো সহ্য কৰিব নোৱাৰিলে। নিজৰ সাময়িক ব্যক্তিগত স্বাৰ্থ, আক্ৰোশ আৰু লোভ, জাতিগত অভিমানে কোৰেইছ বংশৰ লোকক অন্ধ কৰি তুলিলে। "দীনলৈ" (ধৰ্ম্মলৈ) সম্পূৰ্ণৰূপে আওকাণ কৰি কেনেকৈ নতুন ধৰ্ম্ম ধ্বংস কৰিব পাৰে তাৰ কাৰণে সাজু হল। আৰববাসী লোক-সকল এনেয়ে হিংসুক আৰু নৃশংস; এতিয়া তেওঁলোকৰ সমস্ত হিংসা আৰু নিষ্ঠুৰতা নতুন ধৰ্ম্মৰ বিপক্ষে প্ৰয়োগ কৰিবলৈ ধৰিলে। ৰছুলৰ আচল পৰীক্ষা এতিয়াৰপৰা আৰম্ভ হল। বিৰোধ নাশ কৰি শান্তি অনাই মনুষ্য জীৱনৰ মহত্বৰ চিনাকি। ৰছুলে এই মহত্বৰ কেনে প্ৰমাণ দিলে তেওঁৰ জীৱনৰ বাকী কেইবছৰৰ ঘটনাই তোমালোকক কব।

বাপা, তোমালোকে অলপ দকৈ ভাবি চালেই পাবা যে মহম্মদ ৰছুলৰ সন্মুখত যি প্ৰতিবন্ধক আহি থিয় হৈছিল, সি কম-বেছি পৰিমাণে সকলো মহাপুৰুষৰ আগত উপস্থিত হয়। বুদ্ধদেৱৰ আগত পুৰোহিতৰ অত্যাচাৰ আৰু নিষ্ঠুৰতাই থিয় হৈছিল। যীশুৱে এই পুৰোহিত আৰু ধৰ্ম্মগুৰুসকলৰ অত্যাচাৰ প্ৰপীড়ন আদি নাশ কৰিবলৈ গৈ নিজৰ প্ৰাণ আহুতি দিয়াকে সৰ্ব্বোৎকৃষ্ট উপায় বুলি ভাবিলে। মহম্মদ ৰছুলে এই বিৰোধ কেনেকৈ নাশ কৰি ইছলাম ধৰ্ম্ম প্ৰতিস্থাপন কৰিলে তোমালোকে ভালকৈ বুজিবা।

তিনি বছৰৰ পাছত মহম্মদে এই নতুন ধৰ্ম্ম প্ৰকাশ্যে সাধাৰণ লোকৰ মাজত প্ৰচাৰ কৰিবলৈ আগ বাঢ়িল আৰু ইয়াৰ কাৰণে সমাজৰ পৰা সি গৰিহণা আৰু অত্যাচাৰ পাব পাৰে তালৈকে সাজু হল। এই উদ্দেশ্যে তেওঁ 'ছাফা' নামৰ পাহাৰলৈ কোৰেইছ সমাজৰ সকলো গণ্যমান্য লোকক মাতিলে। বক্তৃতাত তেওঁ পুতলা আৰু মূৰ্ত্তি পূজাৰ দোষ আৰু এক ঈশ্বৰ বাদ সম্বন্ধে সুন্দৰভাৱে বুজাই দিলে। লগতে মূৰ্ত্তি পূজাৰ পৰা সমাজত যিবোৰ পাপ সোমাইছিল তাকো নানা ৰকমৰ উদ্ধৃতিৰে বুজাই দিলে। কিন্তু কোৰেইছ বিলাকে তেওঁৰ বক্তৃতা ভালকৈ শুনা দূৰত থাওক, তেওঁৰ কথাৰ বিদ্ৰূপ কৰিবলৈ ধৰিলে; সকলো কথা ঠাট্টা কৰি উৰুৱাই দিলে। দুষ্ট আৰু চালাক মানুহ বিলাকে ভবিষ্যতে ধৰ্ম্ম বিপ্লৱ ঘটি তেওঁলোকৰ শক্তি আৰু প্ৰতিপত্তি লোপ পাব বুলি ভয় কৰিবলৈ ধৰিলে আৰু যাতে এই আন্দোলন গুৰিতে বিনাশ হয় তাৰ বন্দোবস্ত কৰিবলৈ ধৰিলে। তেওঁ-লোকে তেওঁৰ খুড়াক আবু তালেবৰ ওচৰ চাপি ভতিজাকক প্ৰচাৰ কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ আদেশ দিবলৈ কলে। কিন্তু বুঢ়াই মানা কৰা দূৰে

থাকক, স্পষ্টভাৱে ক'লে, "তোমালোকৰ মাজত এজন সাধু প্ৰকৃতিৰ মানুহে এটা ভাল ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিছে– তোমালোকে কিয় আপত্তি কৰা। সকলো ভাল-বেয়া বিচাৰৰ মালিক ঈশ্বৰহে।" তাৰ পাছত কোৰেইছ জাতিৰ মাতব্বৰ বিলাকে মিলি মহম্মদক লগ ধৰি ক'লে, "তুমি আমাৰ পিতৃ-পিতা-মহৰ ধৰ্ম্ম নাশ নকৰিবা। তোমাৰ শক্তি সামৰ্থ্য আৰু সজভাব আমি দেখিছো, সেই কাৰণে তুমি আমাৰ প্ৰধান মুৰব্বী হোবা আৰু আমাক আদেশ দি চলাই লৈ ফুৰা। তোমাৰ নতুন ধৰ্ম্ম প্ৰচাৰ বন্ধ কৰা। মহম্মদ ৰাজী নোহোৱাত তেওঁলোকে আকৌ ক'লে, "কোৰেইছসকলৰ যি ধন সম্পত্তি আছে সেইবোৰ তুমি লোৱা আৰু তোমাৰ ইচ্ছামতে খৰচ কৰা। কিন্তু যি নিয়মৰ দ্বাৰা আমি ধন উপাৰ্জ্জন কৰিছে তাক তুমি ধ্বংস নকৰিবা।" তেওঁলোকৰ কোৱা হলত মহম্মদে গম্ভীৰভাৱে উত্তৰ দিলে, "মাননীয় মাতব্বৰসকল, মই এই নতুন ধৰ্ম্ম আমাৰ জাতিৰ উপকাৰৰ নিমিত্তে প্ৰচাৰ কৰিছো। ই পৰমেশ্বৰৰ হুকুম। মোক পৃথিবীৰ সমুদায় সম্পদ আৰু সম্মান দিলেও মই এই আদেশ লংঘন কৰিব নোৱাৰো? তোমালোক সকলোৱে এক ঈশ্বৰত বিশ্বাস কৰা আৰু পুতলা পূজা এৰি দিয়া। যদি তেনে কৰিবলৈ নোৱাৰা, তেন্তে মোক মোৰ বাটেৰে যাবলৈ দিয়া। মোক প্ৰলোভন দেখুৱাই বশ কৰিবলৈ চেষ্টা নকৰিবা।" এই চেষ্টাত একো ফল নোহোৱা দেখি কোৰেইছ ভদ্ৰলোক সকলে মিলি মহম্মদক কাব্বাত উপাসনা কৰিবলৈ মানা কৰি দিলে। তেওঁলোকে সৰু সৰু ল'ৰা-ছোৱালী বিলাকক বাটত মহম্মদক দেখিলে অশ্লীল গালি পাৰিবলৈ, গাত ধূলি, গোবৰ ইত্যাদি দলিয়াই দিবলৈ শিকাই দিলে। তেওঁ উপাসনা আৰু ধ্যান কৰা ঠাইবোৰত আৰু অহা-যোৱা বাটত কাঁইট দিবলৈ ধৰিলে। এদিন মহম্মদে উপাসনা কৰি থাকোতে কোনোবা দুষ্ট কোৰেইছে তেওঁৰ গাত উটৰ নাড়ি-ভুৰি কিছুমান পেলাই দিছিল! হাট-বজাৰত তেওঁক প্ৰকাশ্যভাৱে অপমান কৰা হৈছিল আৰু মানুহে তেওঁক পগলা, বাজিকৰ ইত্যাদি বুলি মাতিছিল। এই নৃশংস মানুহবোৰে এওঁৰ শিষ্যসকলক ইয়াতকৈও কঠোৰ অত্যাচাৰ কৰিবলৈ ধৰিলে, এজন শিষ্যক জ্বলি থকা জুইৰ অঙঠাত পেলাই দি বুকুত ভৰিৰে হেচা মাৰি ধৰি থকা হৈছিল। আন এজনক মৰুভূমিৰ তপত বালিৰ ওপৰত চিতকৈ পেলাই থৈ বুকুৰ ওপৰত প্ৰকাণ্ড শিল এটাৰ ছাপ দি থৈ দিয়া হৈছিল। কিছুমান মানুহৰ (তাৰে ভিতৰত তিৰোতা মানুহো আছিল) লাঠীৰ কোবত

প্ৰাণ বায়ু উৰি গৈছিল। কিছুমান মানুহ অত্যাচাৰৰ ফলত পগলা হৈ গৈছিল। ইমান নৃশংস অত্যাচাৰ আৰু নিৰ্যাতন সত্ত্বেও কোনো এজন শিষ্যয়ো ধৰ্ম্ম ত্যাগ নকৰিলে। ৰছুলৰ সাহ-শক্তি দিনক দিনে বাঢ়ি যাব-লৈছে ধৰিলে। দ্বিতীয় খলিফা ওমৰৰ দীক্ষাৰ উদাহৰণৰ পৰা সেই সময়ত শিষ্যবিলাকৰ নতুন ধৰ্ম্মত বিশ্বাস, আস্থা আৰু সাহৰ প্ৰমাণ পোৱা যায়। ওমৰ নিজে কোৰেইছৰ উচ্চ বংশৰ সাহসী আৰু ন্যায়পৰায়ণ আৰু একে-বাৰে নিভাজ পোনপটীয়া স্বভাৱৰ লোক আছিল। তেওঁ নজনাতে তেওঁৰ ভনী আৰু ভনী জোৱায়েকে কেতিয়াবাই মনে মনে ইছলাম ধৰ্ম্মত দীক্ষিত হৈ আছিল। এদিন কোৰেইছ বংশৰ কিছুমান মানুহ তেওঁৰ ওচৰ চাপি মহম্মদৰ বিপক্ষে অনেক কথা লগালে আৰু কেনেকৈ মহম্মদে তেওঁলোকৰ পিতৃ, পিতামহৰ ধৰ্ম্ম ধ্বংস কৰি নিজে ডাঙৰ নবী বোলাবলৈ চেষ্টা কৰিছে তাক বুজালে। তেতিয়াই মহম্মদৰ প্ৰাণ বধিবলৈ সঙ্কল্প কৰি হাতত ওমৰে তৰোৱাল লৈ ওলাই আহিল। কিছুদূৰ বাট যোৱাৰ পিছত এজন মানুহে লগ পাই ক'লে, "তুমি মহম্মদক মাৰিবলৈ আহিছা; কিন্তু নিজ ঘৰতে ভনী আৰু ভনীজোৱাই যে তেওঁৰ প্ৰধান শিষ্য সেইটো খবৰ পোৱানে?" এই কথা শুনি ওমৰ খঙতে উত্তাৱল হৈ ঘৰলৈ উভতি আহিল। ঘৰৰ পাপ আগেয়ে খণ্ডন কৰি তাৰ পাছতহে দূৰৈৰ পাপ খণ্ডন কৰিবলৈ মন কৰিলে। ঘৰলৈ আহি দেখে যে ভনীয়েকে কোৰাণ পঢ়ি আছে। খঙতে বলিয়ান হৈ তেওঁ ভনীয়েক আৰু জোৱায়েকক ভালকৈ মাৰ শোধালে আৰু কোৰাণ পঢ়িবলৈ এৰি দি এই নতুন ধৰ্ম্ম পৰিত্যাগ কৰিবলৈ আদেশ দিলে। মাৰৰ আঘাতত তেজেৰে বাঙলী হৈ ভনীয়েকে নম্ৰভাৱে জনালে যে তেওঁক বধ কৰিলেও তেওঁ ইছলাম ধৰ্ম্ম এৰিব নোৱাৰে। লগে লগে তেওঁ পঢ়িবলৈ ধৰিলে "আকাশত যি আছে আৰু পৃথিবীত বিৰাজমান হৈ থকা সকলো বস্তুৱে ঈশ্বৰক স্তুতি কৰে। পৰমেশ্বৰ সৰ্ব্বশক্তিমান আৰু সৰ্ব্বজ্ঞানী। তেৱেঁই স্বৰ্গ আৰু পৃথিবী জুৰি আছে। তেৱেঁই আদি আৰু তেৱেঁই অন্ত। তেওঁ গুপ্তভাৱে আৰু বাহ্যিকভাৱে আছে; তেওঁ সৰ্ব্বজ্ঞ।......তুমি যতেই থাকা তেওঁ তোমাৰ লগতে আছে, তুমি যি কাম কৰা তেওঁ দেখে। স্বৰ্গ আৰু পৃথিৱীৰ তেৱেঁই মালিক ঈশ্বৰ আৰু ৰছুলক বিশ্বাস কৰা।" এই কথাবোৰ শুনি ওমৰৰ সৰ্ব্ব শৰীৰ কঁপি উঠিল। ভনীয়েকক নিষ্ঠুৰ ব্যৱহাৰ কৰা কাৰণে ঘোৰ অনুশোচনাই অন্তৰ আবৰি ধৰিলে। ওমৰ স্থিৰেৰে থাকিব

নোৱাৰিলে। তেওঁ চিঞৰি উঠিল—পৰমেশ্বৰেই একমাত্ৰ ঈশ্বৰ আৰু মহম্মদেই একমাত্ৰ বচুল। ততালিকে তেওঁ মহম্মদৰ ওচৰলৈ লৰি গল আৰু তেওঁৰ ওচৰত শৰণ ললে। দুয়োজনে মিলি একেলগে ঈশ্বৰ উপাসনা কৰিলে। মহম্মদৰ হামজা নামৰ আন এজন খুড়াকেও এই ধৰ্ম্ম গ্ৰহণ কৰিলে। হামজা এজন সাহসী যোদ্ধা, সত্যবাদী আৰু মহৎ প্ৰকৃতিৰ লোক আছিল। মুছলমানবিলাকৰ ওপৰত অত্যাচাৰ দেখি তেওঁ ইছলাম ধৰ্ম্মৰ ভিতৰত কি আছে তাক জানিবৰ ইচ্ছা কৰিলে আৰু শেষত ভতিজাকৰ ওচৰত দীক্ষা ললে।

এইদৰে প্ৰবল অত্যাচাৰৰ মাজেৰে ইছলাম ধৰ্ম্মৰ প্ৰতিপত্তিও বাঢ়ি আহিবলৈ ধৰিলে। মুছলমানৰ সংখ্যা বাঢ়ি আহিল। সজ প্ৰকৃতিৰ লোকসকলে অত্যাচাৰৰ বিৰুদ্ধে থিয় হবলৈ ধৰিলে। বচুলে যি কাম কৰিবলৈ টান পাইছিল, তেওঁ আৰু তেওঁৰ শিষ্যবিলাকৰ নিৰ্য্যাতন সহিষ্ণুতা, অকপট ঈশ্বৰ বিশ্বাস আৰু নিৰ্ম্মল স্বভাৱৰ দ্বাৰা সেই কামত লাহে লাহে আগবাঢ়িবলৈ ধৰিলে। ঈশ্বৰ প্ৰেৰিত প্ৰকৃত নেতাৰ দৰে মহম্মদে দ্বিগুণ উছাহেৰে ঈশ্বৰৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলে আৰু মানুহৰ মনত এটা বিপ্লৱ উপস্থিত কৰি তুলিলে। কিন্তু যিমানেই এই আন্দোলন ফলৱতী হব ধৰিলে, সিমানেই সমাজৰ স্বাৰ্থলোভী মানুহবিলাকৰ শত্ৰুতা বাঢ়িবলৈ ধৰিলে। কোৰেইচ বংশৰ মানুহবিলাকে মুছলমান সকলক অত্যাচাৰ কৰিবলৈ, তেওঁলোকক সমাজৰ পৰা বাহিৰ কৰি দিবলৈ আৰু তেওঁলোকৰ লগত কোনো সংশ্ৰৱ নেৰাখিবলৈ দৃঢ়-প্ৰতিজ্ঞ হ'ল। অত্যাচাৰ ইমান বাঢ়ি আহিল যে তেওঁৰ শিষ্যবিলাকৰ বেছিভাগেই মক্কা এৰি আন ঠাইলৈ যাবলৈ বিচাৰিলে। মহম্মদে নিজে সম্প্ৰতি মক্কা ত্যাগ কৰিবলৈ মন নকৰিলে। তেওঁ তেওঁৰ শিষ্যবিলাকক লোহিত সাগৰৰ সিপাৰৰ আবিচিনিয়া ৰাজ্যলৈ যাবলৈ অনুমতি দিলে। প্ৰায় এশজন মান মুছলমান মনে মনে আবিচিনিয়ালৈ গুচি গ'ল। আবিচিনিয়াৰ ৰজা আছিল খৃষ্টিয়ান আৰু এজন সৎ প্ৰকৃতিৰ লোক। এই মুছলমানবিলাকক তেওঁ অভয়বাণী দি থাকিবলৈ দিলে। কোৰাইছবিলাকে এই মুছলমানবিলাকৰ পৰা ইছলাম ধৰ্ম্ম বাঢ়ি যাবৰ আশঙ্কা কৰি ৰজাক এওঁলোকক ফিৰাই দিবৰ কাৰণে অনুৰোধ কৰিলে। আৰু এওঁলোকৰ বিৰুদ্ধে নানা ৰকমৰ মিছা অভিযোগৰ সৃষ্টি কৰিলে। তেতিয়া ৰজাই মুছলমানবিলাকক মাতি আনি কথাটো কোৱাত তেওঁলোকে ক'লে, "মহাৰাজ, আমি কাৰো একো দোষ কৰা নাই। আমি বৰ পাপী আছিলো।

আমি মূৰ্ত্তি পূজা কৰিছিলো ; ওচৰ-চুবুৰীয়া মানুহৰ লগত সদায় মাৰা-মাৰি, কটা-কটি কৰি আছিলো ; আমাৰ বাই-ভনী আনকি তিৰোতাৰো সতীত্ব নাছিল। এতিয়া আমাৰ মাজত এজন মহাপুৰুষ উপজিছে। তেওঁ আমাক এক ঈশ্বৰত বিশ্বাস কৰিবলৈ শিকালে। আমি তেওঁৰ কথামতে আমাৰ পূৰ্ব্বৰ কু-প্ৰথাবোৰ এৰি দি এতিয়া এক ঈশ্বৰক আৰাধনা কৰো। এতিয়া আমাৰ ভিতৰৰ সকলো প্ৰকাৰৰ হিংসা, অত্যাচাৰ আৰু ব্যভিচাৰ নোহোৱা হৈছে আৰু আমি বৰ শান্তিত আছো। মহম্মদৰ কথামতে চলা বাবে এই লোকসকলে আমাক বেয়া পায়। তেওঁলোকে আমাক নি আগৰ পাপ-পঙ্কত পেলাবলৈ চায়।" ৰজাই মুছলমানসকলৰ কথাত পতিয়ন গ'ল আৰু তেওঁলোকক এৰি দিবলৈ মান্তি নহল। কোৰেইছবিলাকে আকৌ এবাৰ চেষ্টা কৰি চাইছিল কিন্তু ফল একো নহল।

মহম্মদৰ ভাগ্যত দুখ আৰু যাতনা বেছিকৈহে বাঢ়িবলৈ ধৰিলে। এনে সময়তে তেওঁ প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰাৰ তেৰ বছৰৰ পিছত তেওঁৰ প্ৰিয়তমা ভাৰ্য্যা খাদিজাৰ মৃত্যু হয় আৰু ইয়াৰ কেইমাহমানৰ পিছত তেওঁৰ শিশুকালৰ অভিভাৱক আৰু পিতৃতুল্য আবু তালিবৰ মৃত্যু হয়। এই দুজনৰ মৃত্যুৱে তেওঁক বৰ শোক দিয়ে আৰু তেতিয়াৰ পৰা তেওঁ এই সংসাৰত একেবাৰে অকলশৰীয়া হৈ পৰিল। আৰু সময়ত পৰামৰ্শ দিবলৈকো বয়সীয়া মানুহ নোহোৱা হ'ল। তথাপি তেওঁ নিজৰ কৰ্ত্তব্যৰ পৰা তিলমাত্ৰকে বিৰত নহল। আনপক্ষে কোৰেইছবিলাকে তেওঁক অকলশৰীয়া পাই বেছিকৈহে অত্যাচাৰ কৰিব ধৰিলে। মক্কাত এইদৰে ধৰ্ম্ম প্ৰচাৰত অসুবিধা পাই তেওঁ মক্কাৰ ওচৰৰ তেফ্ নামৰ চহৰ এখনত ধৰ্ম্ম প্ৰচাৰ কৰাৰ অভিপ্ৰায়ে সেই চহৰৰ তিনিজন মুৰব্বী লোকৰ ওচৰলৈ যায়। এই লোককেইজনেও তেওঁক নানা প্ৰকাৰে বিদ্ৰূপ আৰু ঠাট্টা কৰি ঘৰৰ পৰা বাহিৰ কৰি দিলে। তাতো ক্ষান্ত নাথাকি এই মানুহ কেইজনে মহম্মদক অপমান আৰু অত্যাচাৰ কৰিবলৈ গুণ্ডা আৰু দুষ্টলোক লগাই দিলে। এই গুণ্ডাবোৰে তেওঁ যোৱা বাটৰ দুয়োকাষে থিয় হৈ তেওঁক নানা প্ৰকাৰৰ অশ্লীল গালি দিছিল। তাৰ উপৰিও তেওঁক গাত আৰু ভৰিত এনেভাৱে শিলগুটি মাৰিবলৈ ধৰিলে যে তেওঁৰ শৰীৰ তেজেৰে ৰাঙলী হৈ গৈছিল। আঙুৰ ফলৰ বাৰীৰ ভিতৰত সোমাইহে কোনো ৰকমে তেওঁ প্ৰাণৰক্ষা কৰিছিল।

মক্কা আৰু ওচৰৰ ঠাইবিলাকত ধৰ্ম্ম প্ৰচাৰৰ প্ৰতিবন্ধক পাই ৰছুলে

এতিয়া নতুন প্ৰণালীৰে প্ৰচাৰকাৰ্য্য আৰম্ভ কৰিলে। মই আগেয়ে তোমা-লোকক কৈছোঁ যে বছৰে বছৰে প্ৰায় ভুইমাহমানলৈকে কাবাত তীৰ্থ কৰিবলৈ অহা মানুহেৰে মক্কা চহৰ ভৰি পৰে। মহম্মদে এই মানুহবোৰক ইছলাম ধৰ্ম্মৰ বিষয়ে শিক্ষা দিবলৈ ধৰিলে। এওঁলোকক কোৰাণ পঢ়ি শুনায় আৰু এক ঈশ্বৰ আৰাধনাৰ মহত্ত্ব সম্বন্ধে শিকনি দিয়ে। কোৰেইছবিলাকে কিন্তু নানা উপায়ে আন ঠাইৰপৰা অহা মানুহবিলাকৰ মাজতো ৰছুলৰ বিপক্ষে অনেক বেয়া কথা লগাবলৈ ধৰিলে। এই তীৰ্থযাত্ৰীবিলাকৰ ভিতৰত কিছুমান মানুহ মদিনাৰ পৰাও আহিছিল। এদিন প্ৰচাৰ কৰিবৰ উদ্দেশ্যে ফুৰি থাকোতে তেওঁ ছ'জন মদিনাবাসীক লগ পালে আৰু তেওঁলোকৰ ওচৰত বহি এনে সুন্দৰ আৰু হৃদয়গ্ৰাহীকৈ এক ঈশ্বৰবাদ ধৰ্ম্ম বুজাই দিলে যে তেওঁলোকে তৎক্ষণাত তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে। দেশলৈ উভতি গৈ তেওঁলোকে মানুহৰ মাজত প্ৰচাৰ কৰিলে যে আৰবসকলৰ মাজত এজন ৰছুল (ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ) জন্মিছে, যিজনে আৰব জাতিৰ পাপ আৰু ব্যভিচাৰ দূৰ কৰি মানুহক মুক্তিপথৰ সন্ধান দিব। তাৰ পিছৰ বছৰত আৰু কিছুমান মদিনাবাসীয়ে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। মহম্মদৰ আগত তেওঁলোকে এক ঈশ্বৰ মানিবলৈ, আৰব সমাজত প্ৰচলিত থকা কু-আচাৰ পৰিত্যাগ কৰিবলৈ আৰু ৰছুলক সকলো অৱস্থাতে মানিবলৈ প্ৰতিশ্ৰুতি দিলে। এইসকল মানুহৰ চেষ্টাৰ ফলত তৃতীয় বছৰত পঁচাত্তৰজন লোকে মহম্মদক লগ ধৰিবলৈ আহিল। তেওঁলোকে মহম্মদৰ লগত আলোচনা কৰিলে। তেওঁলোকে তেওঁৰ অৱস্থা বুজি পাই তেওঁক মদিনালৈ নিমন্ত্ৰণ জনালে। মহম্মদে তেওঁলোকক সকলো বিপদৰ কথা বুজাই ক'লে। মহম্মদক মানিলে তেওঁলোকৰ নানা বিপদ আহিব পাৰে। কিন্তু মদিনাবাসীসকলে একবাক্যে উত্তৰ দিলে যে তেওঁলোকে সকলো কথা জানি শুনিয়েই ইছলাম আৰু ৰছুলক গ্ৰহণ কৰিছে। তেতিয়া তেওঁলোকে মহম্মদক ক'লে, "আমি আপোনাৰ কাৰণে প্ৰাণ দিবলৈকো ৰাজী আছো।" এই কথা শুনি মহম্মদে ক'লে, "তোমালোকেই মোৰ সৰ্ব্বস্ব ; মই তোমালোকৰ আৰু তোমালোকো মোৰ।" এই বুলি কৈ তেওঁ প্ৰত্যেকৰে লগত কৰমৰ্দ্দন কৰিলে। এই কথা তৎক্ষণাৎ কোৰেইছৰ মাজত জনাজাত হ'ল। তেওঁবিলাকে যাত্ৰীবিলাকক বধ কৰিবলৈ লৰি আহিল, কিন্তু নোৱাৰিলে উপায় নাপাই মহম্মদৰ ওপৰতে এই কামৰ প্ৰতিশোধ লৈ চিৰদিনৰ কাৰণে

ইছলাম ধৰ্ম্ম প্ৰচাৰ বন্ধ কৰিবলৈ পৰামৰ্শ কৰিলে। মহম্মদে এই কথা জানিব পাৰি সকলো ইছলাম ধৰ্ম্মী মানুহকে নিজৰ নিৰাপদৰ কাৰণে মক্কা এৰি মদিনালৈ যাবলৈ আদেশ দিলে। নিজেও মদিনালৈ যাবলৈ স্থিৰ কৰিলে। মহম্মদৰ আদেশমতে এই মুছলমানবিলাকে দুজন চাৰিজনকৈ মনে মনে নিজৰ ঘৰ-দুৱাৰ, বয়-বস্তু ত্যাগ কৰি মদিনালৈ গ'ল। লাহে লাহে এই কথাটো কোৰেইছসকলৰ চকুত পৰিল। তেওঁলোকে মুছলমানবিলাক ক'লৈ গ'ল তাৰ গ'ম ললে আৰু এইটো মহম্মদৰে কাম বুলি তেওঁৰ ওপৰত প্ৰতিশোধ লবলৈ স্থিৰ কৰিলে। তাৰ বাবে মক্কা চহৰৰ বাজহুৱা ঘৰত এখন সভা পাতিলে। তালৈ কোৰেইছৰ বাহিৰেও আন আন জাতিৰ আৰবৰাসীক নিমন্ত্ৰণ জনালে। সভাত মহম্মদক বধ কৰাটোৱেই সিদ্ধান্ত হ'ল। কোনোৱেই অকলে এই কামত আগ নবঢ়া দেখি শেষত এই সিদ্ধান্তলৈ অহা হ'ল যে প্ৰত্যেক বংশৰে বলিষ্ঠ আৰু সাহিয়াল ডেকাৰ দল এটাই এই কাৰ্য্য সমাপন কৰিব। সেইদিনা জুন মাহৰ ৰাতি। এই ডেকা দলটোৱে কাবা মন্দিৰৰ কাষৰ মহম্মদৰ ঘৰ আগুৰি ধৰিলে। মহম্মদে সম্পূৰ্ণৰূপে ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি সাধাৰণ মানুহৰ ভেশ লৈ চিনিব নোৱাৰা হৈ দলটোৰ মাজেৰে ওলাই গ'ল দলৰ মানুহবিলাকে যাতে তেওঁক ঘৰতে থকা বুলি অনুমান কৰে, সেই কাৰণে তেওঁ ঘৰৰপৰা বাহিৰ হৈ অহাৰ আগতে তেওঁৰ গাৰ কাপোৰেৰে তেওঁৰ লগত থকা আলিৰ গা ঢাকি দি শুৱাই থৈ আহিল। পহৰা দি থকা কোৰেইছবিলাকে একো সন্দেহ নকৰিলে। মহম্মদে পলাই আহি তেওঁৰ প্ৰিয় শিষ্য আবু বকৰক লগত লৈ ঠুৰ নামৰ পাহাৰৰ গুহা এটাত সোমাই থাকিল। ৰাতিপুৱা ঘৰৰ ভিতৰত মহম্মদৰ ঠাইত আলিক দেখা পাই সকলো স্তম্ভিত হ'ল। মহম্মদক ধৰিবৰ কাৰণে চাৰিওফালে মানুহ পঠোৱা হ'ল। লগতে এইটোত ঘোষণা কৰা হ'ল যে যিজনে মহম্মদক ধৰি দিব তেওঁ বহু মূল্যবান পুৰস্কাৰ লাভ কৰিব। কোৰেইছৰ মানুহে নানা ঠাইত তেওঁক বিচাৰি ফুৰিছিল। কিছু-মান মানুহে আনকি মহম্মদ লুকাই থকা গুহাৰ কাষো পাইছিল। তাৰে ভিতৰত এজনে গুহাৰ ভিতৰত সোমাবলৈকো মন মেলিছিল। এই সময়ত আবু বকৰ ভয়তে অস্থিৰ হৈ পৰিছিল। কিন্তু ৰছুলে অভয় দি ক'লে, "ঈশ্বৰে আমাক ৰক্ষা কৰিব।" কোৰেইছৰ মানুহে গুহাত নোসোমাই গুচি গ'ল। ৰছুলে ৰক্ষা পালে। লগে লগে ইছলাম ধৰ্ম্ম প্ৰচাৰৰ বাটো মুকলি

হ'ল। ৬১১ খৃষ্টাব্দৰ জুন মাহত ৰছুল আহি মদিনাৰ সীমাত সোমালহি। তেতিয়া তেওঁৰ বয়স বাৱন্ন বছৰ। দহদিনমান চহৰৰ বাহিৰত থাকি দুই জুলাই তাৰিখে মহম্মদ ৰছুলে মদিনা চহৰত প্ৰবেশ কৰে। তেতিয়াৰপৰা তেওঁৰ জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ হয়।

মৰমৰ বাপা, মহম্মদ ৰছুলৰ জীৱনৰ যি অধ্যায় শেষ হ'ল সেই সম্বন্ধে মই তোমালোকক বিশেষকৈ ভাবিবলৈ কওঁ। মোৰ মনেৰে তেওঁৰ পিছৰ জীৱনতকৈও এইছোৱা বেছি মহত্বপূৰ্ণ। এনেকুৱা মহৎ চৰিত্ৰৰ উদাহৰণ পৃথিৱীৰ বুৰঞ্জীত বিৰল। ভাবি চোৱাচোন বাৰু, তেওঁৰ ঈশ্বৰত কিমান অটল বিশ্বাস। যিদিনাৰ পৰা তেওঁ ঈশ্বৰৰ আজ্ঞা পাই ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে, সেইদিনাৰে পৰা প্ৰত্যেক কামতে তেওঁ বাধা-বিঘিনি পাইছিল। তেওঁ এঘৰীয়া হব লগাত পৰিছিল। নিজৰ দৈনিক আহাৰ পৰ্য্যন্ত বন্ধ হৈছিল। শত্ৰুৰ অসহনীয় কটুক্তি, প্ৰতাৰণা, অশেষ অপমান আৰু শাৰীৰিক পীড়ন ভোগ কৰিব লগাত পৰিছিল। কথমপি নিজৰ প্ৰাণটো লৈ জীয়াই আছিল। আনফালে তেওঁ ইছলাম ধৰ্ম্ম পৰিত্যাগ কৰিলে আৰব জাতিৰ নেতা আৰু অশেষ সম্পদৰ মালিক হব পাৰিলেহেঁতেন। কিন্তু তেওঁক কোনো প্ৰলোভনে প্ৰলোভিত কৰিব নোৱাৰিলে। তেওঁক নিৰ্দ্ধাৰিত পথৰপৰা একোৱেই লৰচৰ কৰিব নোৱাৰিলে। তেওঁ সদায় মনত ৰাখিছিল যে সত্য আৰু ধৰ্ম্মৰ জয় হবই লাগিব। শিষ্যবিলাকৰ প্ৰতি তেওঁৰ মৰম আৰু সহানুভূতি অতুলনীয়। তেওঁ শিষ্যবিলাকক সকলো বিপদৰ পৰা ৰক্ষা কৰিবলৈ সাজু আছিল। সকলো বিপদ তেওঁ আগেয়ে মূৰ পাতি লবলৈ সাজু আছিল। কোৰেইছৰ শত্ৰুতাৰ ফল তেওঁ সদায় প্ৰথমে আগবাঢ়ি গ্ৰহণ কৰিছিল। নিজে বিপদত থাকি তেওঁ তেওঁৰ অনুচৰ বিলাকক সদায় নিৰাপদ অৱস্থাত ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেই কাৰণে ইছলাম ধৰ্ম্মাৱলম্বীসকলৰ কোনোৱে ইমান কষ্ট আৰু নিৰ্য্যাতন সত্বেও তেওঁৰ ইছলাম ধৰ্ম্ম পৰিত্যাগ কৰিবলৈ কোৱা নাছিল। মহম্মদৰ সদ ব্যৱহাৰ সহানুভূতিৰ কাৰণে তেওঁলোকে ৰছুলক নিজতকৈ আপোন বুলি ভাবিছিল। ইয়াতকৈও শলাগিবলগীয়া কথা হ'ল তেওঁৰ বিৰুদ্ধবাদী আৰু শত্ৰুসকলৰ লগত ব্যৱহাৰ। পাপী কোৰেইছবোৰে তেওঁক কেনে নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল তাক তোমালোকে পঢ়িলা। কিন্তু তেওঁ এই শত্ৰুবিলাকক এদিনো কটু কথা কোৱা নাছিল। কাকো গালি পৰা নাছিল, আনকি ধৰ্ম্ম ব্যাখ্যাৰ বাহিৰে

তেওঁলোকক কোনো ৰকমৰ বেয়া কথাৰে সম্বোধনো কৰা নাছিল। তেওঁ ধৰ্ম্ম সম্বন্ধে মানুহৰ ভ্ৰম আৰু পাপ দূৰ কৰিবৰ কাৰণে গম্ভীৰভাৱে ঈশ্বৰৰ বাণী মাতি শুনাইছিল আৰু শুৱলাভাৱে বুজাই দিছিল। এই ধৰ্ম্ম তেওঁ হাজাৰ বিপদৰ মাজতো পালন কৰিছিল। তেওঁ এপিনে যেনে নিৰ্ভীক আছিল আনপিনে আছিল তেনে কোমল প্ৰকৃতিৰ। ইয়াকে দেখি মানুহে আচৰিত মানিছিল। সেয়েহে বুজা মানুহবিলাকে এনে এজন লোকক ঈশ্বৰ প্ৰেৰিত ৰছুল বুলি মানিবলৈ টান পোৱা নাছিল। তেওঁ অহিংসা নীতিৰ দ্বাৰা তেওঁৰ বিপক্ষবাদী সকলৰো মন ক্ৰমে কোমল কৰি আনিছিল আৰু যদিও স্বাৰ্থপৰ শত্ৰুবিলাকৰ হিংসাৰ কাৰণে তেওঁ সাময়িকভাৱে মক্কাৰ পৰা পলায়ন কৰিবলৈ বাধ্য হ'ল তেওঁ ইছলাম ধৰ্ম্মৰ গুটি ভালকৈ সিচি থৈ গল যাৰ ফল তেওঁ পিছত পাইছিল।

মহম্মদ যি সময়ত মদিনা পায় তেতিয়া তাত তিনিটা দল আছিল। প্ৰথম— পলাই অহা মক্কাবাসীসকল আৰু তেওঁলোকক আশ্ৰয় দিয়া মুছলমানসকল; দ্বিতীয় মূৰ্ত্তিপূজা কৰা আৰবৰোৰ আৰু তৃতীয় ইহুদীবিলাক আৰু কিছুমান খৃষ্টিয়ান। চিৰিয়া আৰু পেলেষ্টাইনৰ এই ইহুদী আৰু খৃষ্টিয়ানবিলাকৰ পূৰ্ব্ব পুৰুষে তেওঁলোকৰ নিজ নিজ ধৰ্ম্মৰ মানুহৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ইয়ালৈ আহি বসতি কৰিছিল। ইছলাম ধৰ্ম্মৰ লোকসকলে আদৰেৰে মহম্মদ ৰছুল আৰু মক্কাৰপৰা অহা মুছলমানসকলক গ্ৰহণ কৰিলে। এওঁলোকে নিজৰ ঘৰ-দুৱাৰ, বয়-বস্তু দিও এওঁলোকক আশ্ৰয় দিলে। দ্বিতীয় দল প্ৰথমতে মহম্মদৰ বিৰুদ্ধে আছিল, মহম্মদে এওঁলোকক নিজৰ ধৰ্ম্মত দীক্ষিত কৰিবলৈ মন কৰিলে। তৃতীয় দল ইহুদীবিলাকে মুখেৰে ৰছুলৰ লগত ভাল ব্যৱহাৰ কৰিছিল; কিন্তু আচলতে মহম্মদ মদিনালৈ অহাত বৰ বেয়া পাবলৈ ধৰিলে। এওঁলোকৰ কোৰেইছ আৰববিলাকৰ লগত বৰ মিত্ৰতা আছিল আৰু তেওঁলোকৰ লগত বেপাৰ কৰিছিল। ইহুদীবিলাকে মহম্মদৰ পৱিত্ৰ জীৱন দেখি তেওঁক এজন ইহুদী ধৰ্ম্মৰ নবী (ঈশ্বৰ প্ৰেৰিত লোক) বুলি প্ৰচাৰ কৰি নিজৰ স্বাৰ্থ পূৰণৰ চেষ্টাত আছিল। কিন্তু মহম্মদে নিজকে ইহুদী বুলি ক'বলৈ ৰাজী নহল। গতিকে ইহুদীসকলে মনে মনে ৰছুলৰ প্ৰতি শত্ৰু ভাব পোষণ কৰিলে। এনে অৱস্থাত মহম্মদৰ ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্য অতি সহজে সিদ্ধি হোৱাৰ আশা দেখা নগৈছিল। কিন্তু মহম্মদ মহা বুদ্ধিমান আছিল। তেওঁ মদিনাবাসীৰ লগত বন্ধুত্ব কৰাতো

তেওঁৰ প্ৰথম উদ্দেশ্য কৰি ললে। প্ৰথমতে যিবিলাকে তেওঁক আৰু তেওঁৰ অনুচৰবিলাকক সহায় কৰিছিল সেইবিলাকক ভাতৃত্বৰ দোলেৰে বান্ধি ললে। চাৰিওফালে ইটাৰ দেৱাল দি তাল পাতৰ চালিৰে এটা সৰু মচ্‌জিদ সাজিলে। এই মচ্‌জিদ নিৰ্ম্মাণ কাৰ্য্যত মহম্মদে নিজে কাম কৰিছিল। এই মচ্‌জিদ উপাসনা ঠাই হ'ব আৰু লগতে ইয়াত অন্যান্য সামাজিক কামো চলিব। তাৰ পিছত মদিনা আৰু মদিনাৰ ওচৰত থকা সকলো সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতি আৰু বন্ধুত্বৰ ভাব অনাৰ কাৰণে আৰু সকলো জাতি আৰু ধৰ্ম্মৰ লোকেই মিলি যাতে এক সমাজ আৰু ৰাজ্য ভুক্ত হ'ব পাৰে তাৰ কাৰণে সকলোৰে মাজত এটা চুক্তি কৰা হ'ল। ইয়াৰ দ্বাৰাই ইছলাম ধৰ্ম্মীয় লোকৰ (কোৰাণ মতে সকলো এক ঈশ্বৰ বিশ্বাসী লোককেই ইছলাম বাদী বুলি ক'ব পাৰি) কাৰণে কিছুমান সুকীয়া নীতি তৈয়াৰ কৰা হয়। ইহুদী আৰু তেওঁলোকৰ লগত সম্বন্ধ থকা লোকবিলাকক নিজৰ ধৰ্ম্ম সম্বন্ধে সম্পূৰ্ণ স্বাধীনতা দিয়া হয়। সমাজৰ অন্যায়কাৰী ব্যক্তি যেনে, চোৰ ডকাইত আদিক সমূহীয়াভাৱে শাস্তি দিয়াৰ ব্যৱস্থা কৰা হয়। এই নিয়মবিলাক মদিনা আৰু ওচৰৰ ঠাইবিলাকত প্ৰচলন কৰা হয়। এই চুক্তি সম্বন্ধে কিবা কাজিয়া হলে মহম্মদ নিজেই তাৰ মীমাংসা কৰি দিব।

বাপা, এয়েই হল ভবিষ্যৎ ইছলাম ৰাজ্যৰ ভিত্তি। চুক্তি আলোচনা আৰু বিচাৰৰ দ্বাৰা এই ৰাজ্য চলোৱা হৈছিল। জোৰ-জুলুমৰ ইয়াত স্থান নাছিল। আগৰ নিয়মমতে এজন আৰবে আন এজনৰ অন্যায় কৰিলে, দোষী মানুহজনক আনজনে নিজে শাস্তি দিছিল। সেইটো বন্ধ কৰা হয়। যদিও মহম্মদ ৰাজ্যৰ মূৰব্বী আছিল, তেওঁ তাৰ বাবে কোনো দৰমহা আদি লোৱা নাছিল। তথাপি আমি স্বীকাৰ কৰিবই লাগিব যে এই ৰাজ্য গঠন হোৱাৰ লগে লগে মহম্মদে অহিংস নীতি ত্যাগ কৰিবলৈ বাধ্য হল। তেওঁৰ নিজৰ জীৱন যিমানেই অহিংস ভাৱাপন্ন নহওক, তেওঁ তেওঁৰ শিষ্যবিলাকক আৰু ৰাজ্যৰ লোকসকলৰ ৰক্ষাৰ কাৰণে শত্ৰুৰ বিপক্ষে সকলো প্ৰকাৰে অস্ত্ৰ ধৰিবলৈ বাধ্য হ'ল আৰু তাত তেওঁ অকণো দ্বিধা বা সঙ্কোচ বোধ নকৰিলে।

যদিও মহম্মদে মদিনাৰ শান্তিৰ কাৰণে এখন ৰাজ্য পাতি ললে, ইয়াত সকলোৱে সুখী নহল। আব্দুল্লা ইবিন উবেৰ নামৰ এজন প্ৰতাপশালী লোকে আগৰে পৰা মদিনা ৰাজ্যৰ ৰজা হবলৈ আশা কৰি আছিল। মহম্মদ

মদিনাৰ মুৰব্বী হোৱাৰ পৰা তেওঁৰ সেই আশা শেষ হৈ যোৱাত আব্দুল্লা বছুলৰ ঘোৰ শত্ৰু হৈ পৰিল। ইহুদীবিলাকেও মুছলমানবিলাকক বৰকৈ ঘিণ কৰিবলৈ ধৰিলে। মহম্মদৰ নানা মিছা বদনাম কৰিবলৈ ধৰিলে। মুছলমান তিৰোতাসকলৰ সম্বন্ধে অশ্লীল কবিতা লেখি ঠাট্টা কৰিবলৈ ধৰিলে। এওঁলোকে ৰছুলৰ শত্ৰু মক্কাবাসী কোৰেইছবিলাকৰ লগত সহযোগিতা কৰিবলৈ ধৰিলে আৰু মহম্মদৰ শক্তি, সামৰ্থ্য সম্বন্ধে মনে মনে খবৰ দিবলৈ ধৰিলে। গোটেই মদিনাখনেই মহম্মদৰ বিপক্ষে ষড়যন্ত্ৰকাৰী আৰু ইছলাম বিদ্ৰোহীৰে ভৰি পৰিল আৰু মহম্মদৰ আকৌ পৰীক্ষাৰ দিন উপস্থিত হ'ল।

কোৰেইছসকলে মদিনাতো ইছলাম ধৰ্ম্ম প্ৰচলন সহ্য কৰিব নোৱাৰিলে। মহম্মদে পলাই অহা কাৰণে তেওঁ তেওঁলোকক প্ৰতাৰণা কৰা বুলি ভাবি ললে আৰু তেওঁলোকৰ হিংসা পূৰণ কৰিবলৈ উদ্যত হল। প্ৰথমতে তেওঁলোকে মদিনাৰ প্ৰধান লোক আব্দুল্লাক হাত কৰি দিবলৈ ধৰিলে; কিন্তু আব্দুল্লাৰ তলতীয়া বহুত মানুহেই ইয়াৰ ভিতৰতে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাত আব্দুল্লাই নিজৰ ভিতৰতে ঘৰুৱা কন্দল হৈ অন্যায় অশান্তি হব বুলি এনেকুৱা অন্যায় কাম কৰিবলৈ ৰাজি নহল। ৬২৪ খৃষ্টাব্দত কোৰেইছহতে মদিনা অঞ্চলত লুট আৰম্ভ কৰিলে। সুসজ্জিত ১০০০ সৈনিক লৈ তেওঁলোকে মদিনাৰ কাষত ঠাই ললেহি আৰু ওচৰৰ ফলৰ বাগান, খেতিৰ শস্য আৰু চৰি থকা উট, ভেৰা, ছাগলী আদি লুট কৰি লৈ যাবলৈ ধৰিলে। বিৱৰণ পোৱা যায় যে ৰছুলৰ উট কেইটামানো ইহঁতে চুৰ কৰি লৈ গৈছিল। এনে অৱস্থাত মহম্মদে আৰু সুস্থিৰ হৈ থাকিব নোৱাৰিলে। যদিও তেওঁ নিজে দয়ালু, অহিংস আৰু শান্তিপ্ৰিয় লোক আছিল, তেওঁ তেওঁৰ ধৰ্ম্মাৱলম্বীসকলৰ দুখ-কষ্ট দূৰ কৰিবৰ একমাত্ৰ উপায় অস্ত্ৰ ধাৰণ বুলি ঠিক কৰি ললে। আত্মৰক্ষাৰ কাৰণে অস্ত্ৰ ধাৰণ কৰাতো ন্যায় বুলি বিবেচনা কৰিলে, ৩০০ বলিষ্ঠ আৰু সাহসী লোকৰ এটা সৈন্য দলৰ সৃষ্টি কৰিলে আৰু পৰমেশ্বৰৰ ওচৰত কৰুণ প্ৰাৰ্থনা জনাই নিজৰ আত্ম সমৰ্পন কৰি এই নতুন পৰীক্ষালৈ আগ বাঢ়িল। ধৰ্ম্ম আৰু সত্যৰ নিমিত্তে যুঁজ কৰিবলৈ অহা বুলি অনুভূতি হোৱাত মুছলমান সৈন্যবিলাকৰ সংখ্যা তাকৰ হলেও অসীম সাহৰ পৰিচয় দিলে। প্ৰথমতে দুয়োফালৰ সৈন্য এটা উপত্যকাত মুখা-মুখি হল। মুছলমানৰ পক্ষত তিনিজন—হামজা, অালি আৰু ওবেইদা আৰু কোৰেইছৰ ফালে তিনিজনৰ মাজত ব্যক্তিগতভাৱে যুঁজ লাগিল।

তাত মুছলমান বীৰ কেইজনে জয়লাভ কৰিলে। তাৰ পাছত উভয় পক্ষৰ মাজত তুমুল যুদ্ধ লাগিল। মহম্মদে প্ৰথমতে নিজৰ সৈন্যক আক্ৰমণ কৰিবলৈ মানা কৰি দিছিল। শত্ৰু সৈন্যই আগুৰি ধৰিলেহে অস্ত্ৰ চলাবৰ হুকুম দিছিল। এই আজ্ঞা পালন কৰাৰ কাৰণে কম সংখ্যক সৈন্যই অধিক সংখ্যক সৈন্যৰ লগত যুদ্ধত জিকিল। মুছলমানৰ মাত্ৰ ৪ জনৰ মৃত্যু ঘটে; কিন্তু মক্কাবাসী সকলৰ ৭০ জনৰ মৃত্যু হল আৰু ৭০ জন বন্দী হল।

এই যুদ্ধৰ পাছত মুছলমানসকলৰ ক্ষমতা আৰু প্ৰতিপত্তি বাঢ়ি গল। ধৰ্ম্মৰ প্ৰভাৱৰ কাৰণেহে এওলোকৰ জয় হোৱা বুলি কিছুমানৰ বিশেষকৈ নতুন ধৰ্ম্ম গ্ৰহণ কৰা লোকবিলাকৰ মনত ধাৰণা হল। ইয়াৰ বাহিৰেও বন্দী কৰি অনা মানুহৰ প্ৰতি মহম্মদে নিৰ্দয়ৰে ভাল ব্যৱহাৰ কৰিলে তাৰ দ্বাৰাই মহম্মদ যে শত্ৰুৰ প্ৰতিও মৰমিয়াল তাৰ প্ৰমাণ হল। কাৰণ তেওঁৰ আজ্ঞামতে মুছলমান চিপাহীবিলাকে নিজৰ খোৱা বস্তু আৰু কাপোৰ-কানি এৰি দি এই বন্দীবিলাকক দান কৰিছিল। মাত্ৰ দুজনক প্ৰাণদণ্ড দি বাকী-বিলাকক ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হল আৰু কেইজনমানৰ পৰা মুক্তি দিয়াৰ বাবদ ধন আদায় কৰি বাকীবিলাকক এৰি দিলে।

ইয়াৰ পাছত মহম্মদে মাত্ৰ আৰু এবছৰ শান্তিত থাকিবলৈ পালে। এইবাৰ কোৰেইছবিলাকে আবু সুফিয়ানক তেওঁলোকৰ সৈন্যাধ্যক্ষ আৰু বেপাৰ কৰি যি ধন পায় তাক কেৱল যুদ্ধৰ কাৰণে খৰছ কৰিবলৈ ঠিক কৰিলে। আবু সুফিয়ান এজন দৃঢ় মনৰ আৰু শক্তিৱন্ত লোক আছিল। তেওঁ আগৰ পৰাজয়ৰ গ্লানি গুচাবলৈ দৃঢ় প্ৰতিজ্ঞ হল আৰু সেই কাম সমাধা নহয় মানে জিৰণি নলয় বুলি প্ৰতিজ্ঞা কৰিলে। তেওঁ অকল কোৰেইছৰ মাজতেই নহয়, আন আন জাতিৰ লোকক লগত লৈ এটা ডাঙৰ সৈনিক দল গঠন কৰিলে। বছৰৰ শেষত এই সৈন্যৰ সংখ্যা ৩০০০ কৰিলে। তাৰে ভিতৰত দুশজন উত্তম আৰবীয় অশ্বাৰোহী সৈন্যও সৃষ্টি কৰিলে। এই ডাঙৰ ফৌজ লগত লৈ মদিনাৰ তিনি মাইল দূৰৈত উহাদ নামৰ পাহাৰ এটাৰ তলত তম্বু পাতিলে। মহম্মদ বহুলে শত্ৰুৰ সকলো খবৰ বাতৰি লৈ নিজৰ ভিতৰতে মাত্ৰ ১০০০ মানুহ গোট কৰিব পাৰিলে। তাৰ ভিতৰতে মাত্ৰ ১০০ জন মান অস্ত্ৰেৰে সজ্জিত আছিল আৰু অশ্বাৰোহী সৈন্য মাত্ৰ দুজন আছিল। এই এহেজাৰ সৈন্যৰ ভিতৰত ৩০০ আগতে কৈ অহা আব্দুল্লাৰ অধীনত আছিল। এই আব্দুল্লাই পেটে পেটে মহম্মদৰ ঘোৰ শত্ৰুতা কৰিছিল; কিন্তু

আগৰ যুদ্ধত মহম্মদৰ জয় হোৱা দেখি তেওঁ মুছলমান হয় আৰু ৰছুলৰ অনুগত হয়। সৈন্যৰ অৱস্থা দেখি আৰু বিশেষকৈ মনত দ্বিধাযুক্ত হৈ মহম্মদে মদিনা নগৰৰ বাহিৰ হৈ যুদ্ধ দিবৰ মন কৰা নাছিল। কিন্তু তেওঁৰ ডেকা অনুচৰবিলাকে ইয়াৰ দ্বাৰা কাপুৰুষতাৰ পৰিচয় পাব বুলি আপত্তি কৰাত তেওঁ মদিনা নগৰৰ দেৱালৰ বাহিৰলৈ ওলাই আহিল। যুদ্ধৰ ঠাই পাওঁ পাওঁ হওঁতেই বিশ্বাসঘাটকী আব্দুল্লাই ৩০০ সৈন্য লগত লৈ শত্ৰুৰ পক্ষ ললেগৈ। তথাপি মহম্মদ নিৰাশ নহ'ল। নিজে অধ্যক্ষ হ'ল। কাষেৰে শত্ৰু অহা বাটৰ কাষত ৫০ জনকৈ ধনুৰ্ধাৰী সৈন্য থলে আৰু তেওঁলোকক কোনো অৱস্থাতেই সেই ঠাই নেৰিবলৈ হুকুম দিলে। কাৰণ সেই ঠাইখিনি এৰিলেই অধিক সংখ্যক শত্ৰু আহি মুছলমান সৈন্য নাশ কৰিব। ইয়াৰ পিছত তুমুল যুদ্ধ আৰম্ভ হ'ল। আগৰ বীৰ হামজা আলি, আদিয়ে সাহসেৰে যুদ্ধ কৰি বিপক্ষ দলৰ সৈন্যক চাৰ-খাৰ কৰি পেলালে। কিন্তু কোৰেইছ-বিলাকৰ বেছি সৈন্য থকা কাৰণে তেওঁলোকে প্ৰথমে সম্মুখৰ পৰা বাৰে বাৰে আক্ৰমণ কৰিবলৈ ধৰিলে। এবাৰ শত্ৰু পলোৱা দেখি যুদ্ধৰ উত্তেজনাত ধনু-ধাৰী সৈন্য পঞ্চাশজনে নিজৰ ঠাই এৰি শত্ৰু সৈন্যৰ পিছে পিছে খেদি গল। এতিয়া কাষৰ ফালেও খালি ঠাই পাই দুশ অশ্বাৰোহিৰে সৈতে শত্ৰুৰ বিপুল সৈন্য আহি মুছলমান সৈন্যকে আগুৰি ধৰিলে। এনে অৱস্থাত পলায়ন কৰাৰ বাহিৰে অন্য উপায় নাছিল; কিন্তু ৰছুলে নিজে এই আক্ৰমণৰ আগত থিয় দিলে আৰু সকলোকে আগ বাঢ়িবলৈ ক'লে। এনে অৱস্থাত যুদ্ধত তেওঁৰ মৃত্যু অনিবাৰ্য্য যেন বোধ হ'ল। কিন্তু আলি আৰু আন আন বীৰে ৰছুলক বেঢ়ি ধৰি কোনোমতে তেওঁৰ প্ৰাণৰক্ষা কৰিলে, কিন্তু তেওঁৰ শৰীৰৰ নানা ঠাইত তৰোৱালৰ কোব লাগি অনেক জখম হল। হামজাৰ মৃত্যু ঘটিল। মুছলমান সৈন্যই পুনৰাই গোট খাই আকৌ ভালকৈ শত্ৰুৰ বিপক্ষে ঠিয় হবলৈ সুবিধা পালে। মক্কাৰ সৈন্যৰ অধ্যক্ষ আবু মুফিয়ানে হাৰিবৰ ভয় কৰি মুছলমান সৈন্যক আক্ৰমণ নকৰিলে আৰু যুদ্ধ এইদৰে শেষ হ'ল।

এই যুদ্ধৰ ফলৰ কাৰণে মুছলমানসকল নিৰাশ নহল সঁচা; কিন্তু মুছল-মানৰ শত্ৰুৰ সংখ্যা দিনক দিনে বাঢ়িবলৈ ধৰিলে। ইহুদীবিলাকে প্ৰকাশ্যে শত্ৰুতা কৰিবলৈ ধৰিলে। ইছলামসকলৰ ভিতৰত এদল কপট মুছলমান আছিল। ইছলাম শাস্ত্ৰত এওঁলোকক মেনোফেক বুলি কোৱা হৈছে। এওঁলোকে মুখত ৰছুলক সহায় কৰিম বুলি কৈ আছিল অথচ ভিতৰে ভিতৰে

তেওঁৰ বিপক্ষে শত্ৰুক সহায় কৰি আছিল। এই মেনোফেক বিলাকে হজৰত মহম্মদৰ প্ৰতিপত্তি অলপ লাঘৱ হোৱা দেখি এতিয়া শত্ৰুতা ভাৱৰ পৰিচয় দিবলৈ ধৰিলে। এইবোৰ কাৰণতে মুছলমান বিলাকে সদায় চিপাহীৰদৰে অস্ত্ৰ লৈ ফুৰিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে মদিনাৰ ওচৰৰ কেবাটাও জাতিৰ নেতাই ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিম বুলি মিছা প্ৰতাৰণা কৰি অনেক মুছলমানক মাতি নি বিশ্বাসঘাতক কৰি হত্যা কৰে। মহম্মদে সেই কাৰণে ৬২৭ আৰু ৬২৮ খৃষ্টাব্দত কেবাবাৰো এই জাতিবিলাকৰ লগত যুঁজ কৰিবলৈ বাধ্য হয় আৰু তেওঁলোকক হৰুৱায়। এই জাতি বিলাকক হৰুৱাৰ পিছত মহম্মদে ইহুদীবিলাকৰ লগত যুঁজিবলৈ বাধ্য হয়। মক্কাৰ কোৰেইছ বিলাকৰ লগত লগা তৃতীয় যুদ্ধৰ আগেয়ে তিনিটা ইহুদী জাতিৰ ভিতৰত দুটা ইহুদী জাতিৰ লগত মুছলমান বিলাকৰ সংঘৰ্ষ হল। এই দুয়োটা জাতিৰ লোককেই এটা এটাকৈ দুগৰ ভিতৰত ঘেৰাও কৰি ললে। আৰু দুয়োটা জাতিয়ে যুদ্ধত হাৰি মহম্মদৰ লগত সন্ধি কৰি মদিনা চহৰ পৰিত্যাগ কৰিলে।

ইয়াৰ পিছত মক্কাৰ সেনাপতি আবু মুফিয়ানে আকৌ মদিনা আক্ৰমণ কৰিবৰ বন্দৱস্ত কৰিলে। এইবাৰ তেওঁ দহ হাজাৰ সৈন্য গোটালে। আৰব দেশৰ মানুহবিলাকেও তেওঁক সৈন্যেৰে সহায় কৰিলে। মদিনাত বাস কৰা ইহুদীহঁতৰ ভিতৰত তৃতীয় জাতি বানু কুৰাইজা অতি পৰাক্ৰমশালী আছিল। তেওঁলোকে এতিয়াও মহম্মদৰ বিপক্ষে অস্ত্ৰ ধাৰণ কৰা নাছিল। কিন্তু আগতে মহম্মদৰ লগত পৰাজয় মনা জাতি এটাৰ লোক কিছুমানে এই কুৰাইজা জাতিৰ মানুহবিলাকক মহম্মদৰ বিপক্ষে উত্তেজিত কৰি তুলিলে। সিহঁতে বুজাই দিলে যে যিহেতু আৰবৰ সকলো জাতিৰ মানুহেই মুছলমানৰ বিপক্ষে এক গোট খাইছে, সেয়েহে মুছলমান বিলাকৰ ধ্বংস অনিবাৰ্য্য। কুৰাইজা জাতিৰ ইহুদীবোৰ এই কথাত প্ৰত্যয় মানি মুছলমানসকলৰ এই বিপদৰ সময়তো তেওঁলোকৰ বিপক্ষেহে ঠিয় হল আৰু শত্ৰুৰ লগত যোগ দিলে। ইপিনে আবু মুফিয়ানে তেওঁৰ প্ৰকাণ্ড সৈন্য বাহিনী লগত লৈ মদিনা চহৰৰ ওচৰ পালেহি। হজৰত মহম্মদে এইবাৰ এটা বুদ্ধি সাজিলে। মদিনা চহৰৰ একালে পৰ্ব্বত আৰু আনফালে মানুহৰ ইটাৰ ডাঙৰ আৰু ওখ দেৱাল আছিল। সেইফালৰ পৰা শত্ৰু নগৰ সোমাব নোৱাৰে। আগফালৰেও যাতে শত্ৰু সোমাব নোৱাৰে তাৰ বাবে চহৰৰ অলপ দূৰৈত এটা ডাঙৰ খাল খান্দিলে। এইখাল মুছলমান বিলাকে দিনে ৰাতিয়ে ভোকে

লঘোনে খাল্দিবলগীয়াত পৰিছিল। ৰছুলে ইয়াত নিজে মাটি কাটিছিল। অসংখ্য শত্রু সৈন্যই খাল দেখা পাই বিমোৰত পৰিল। খাল পাৰ হবলৈ গৈ অনেক সৈন্য মৃত্যু হ'ল। এজনীয়া মুখা-মুখি যুদ্ধত মুছলমানবিলাকৰ সাহৰ কাৰণে মক্কাবাসী বীৰবিলাকক সদায় হৰুৱাইছিল। উপায় নাপাই মুফিয়ানে খাল পাৰ হৈ গৈ মদিনা দমন কৰাৰ আশা এৰি মুছলমান হতক বেঢ়ি ৰাখি অনাহাৰে মাৰিবলৈ স্থিৰ কৰিলে। কিন্তু আনক তেনে কষ্ট দিবলৈ গৈ নিজৰহে বেছি অনিষ্ট হ'ল। আবু মুফিয়ানৰ সৈন্যই বেছিদিন যুঁজ কৰিবলৈ অহা নাছিল। অতি শীঘ্রে মদিনা চহৰ দখল কৰি মদিনা বাসী মুছলমানবিলাকক শাস্তি দিয়াৰ ইচ্ছাই তেওঁলোকৰ প্রবল আছিল। কিন্তু যেতিয়া পলম হবলৈ ধৰিলে, সিহঁতে ভাত ৰদে বতাহে আৰু আধা পেটিয়াকৈ এইদৰে থাকিবলৈ মান্তি নহ'ল। বিপুল সৈন্য বাহিনীৰ সংখ্যা ক্রমে কমি যাবলৈ ধৰিলে। শেষত এদিন ৰাতি এনে ধুমুহা শিল বৰষুণ হ'ল যে সৈন্যবোৰৰ তম্বু আদি ফাটি ভাঙি গ'ল। চিপাহীৰ খোৰা বস্তুবোৰ নষ্ট হৈ গল আৰু লগতে থকা ঘোৰা, উট আদি জন্তুবোৰেও বৰ কষ্ট পালে। আবু মুফিয়ানে সৈন্যৰ অৱস্থা দেখা পাই সৈন্যবিলাকক উঠাই আনিলে আৰু এই ৰকমৰ ঈশ্বৰৰ কাৰ্য্যৰ দ্বাৰা মুছলমানবিলাকে ৰক্ষা পালে।

এই যুদ্ধৰ পাছত মহম্মদে ইহুদী বনি কোৰাইজয় জাতিক শিক্ষা দিবলৈ বন্দবস্ত কৰিলে। তেওঁলোকে ভয় পায় তেওঁলোকৰ এটা দুর্গ দখল কৰি সোমালগৈ। কিন্তু তেওঁলোকক মুছলমানবিলাকে সম্পূর্ণৰূপে ঘেৰাও কৰি ললে। বাধ্য হৈ তেওঁলোকে আত্মসমৰ্পন কৰিলে। এই সংঘৰ্ষত বনি কোৰাইজা জাতি মহম্মদ ৰছুলৰ লগত এইভাৱে আনৰ পৰা প্রতিজ্ঞা বদ্ধ আছিল যে সংঘৰ্ষৰ কালত তেওঁলোকে তেওঁলোকৰ বাচি দিয়া মালিকে যি ৰায় দিব সেই ৰায় মানি লব। আৰু সেই ৰায় মতেই বনি কোৰাইজাৰ দোষী মতা মানুহবিলাকক বধ কৰা হ'ল। ইউৰোপীয় লেখকসকলে মহম্মদৰ এই কামটো বৰ নিষ্ঠুৰ আৰু অন্যায় বুলি কয়; কিন্তু মুছলমান লেখকসকলে সেই সময়ৰ অৱস্থালৈ চাই সেইটোৱে ইছলাম ধৰ্ম্ম প্রচাৰৰ একমাত্র উপায় বুলি সমৰ্থন কৰে। তেওঁলোকে কয় যে শাস্তি কুৰাইজাবিলাকৰ মতেৰেই দিয়া হৈছে। গতিকে ইয়াত অন্যায় কথা উঠিব নোৱাৰে।

৬২৬ খৃঃত মহম্মদে মক্কাৰ কাবালৈ যাবলৈ মন মেলিলে। লগত মাত্র চাৰিশ মুছলমান লগত লৈ হুদাইবীয়া বুলি ঠাই এডোখৰ আহি পালে।

অহাৰ আগতে তেওঁৰ লগত অনেক সৈন্য আহিব খুজিছিল আৰু এই চাৰিশ-জনেও সশস্ত্র হৈ আহিব খুজিছিল। কিন্তু ৰছুলে কেৱল তীৰ্থ-যাত্রীৰ খোৰাকৰ বাহিৰে আন একো লব নিদিলে। ৰছুলে আৰু তেওঁৰ লগৰ অস্ত্রহীন যাত্রীবিলাকক দেখা পাই কিছুমান কোৰাইছে তেওঁলোকক বধ কৰিবলৈ মন্ত্রণা কৰিছিল। কিন্তু শেষত এওঁলোকৰ লগত আপোচ হৈ চলা ভাল বুলি বিবেচনা কৰি এওঁলোকৰ লগত তীৰ্থ কৰা (হজ) সম্বন্ধে কিছুমান চুক্তি কৰিলে। সেইমতে ৰছুল আৰু তেওৰ সহযাত্রীবোৰে তীৰ্থ নকৰাকৈ ফিৰি যাব লগাত পৰিল। কিন্তু পিছৰ বছৰৰ পৰা দহ বছৰলৈকে মুছলমানসকলক সেই স্বত্ব দিয়া হ'ল। মুছলমানসকলে মক্কাৰ কোনো মানুহকেই লগত নিব নোৱাৰিব, কিন্তু তীৰ্থ কৰিবলৈ অহা কোনো মানুহ যদি মক্কাত থাকিবলৈ বিচাৰে, তেন্তে মুছলমানসকলে তাত আপত্তি কৰিব নোৱাৰে। মুছলমানসকলৰ পক্ষে এই চুক্তি সন্মানজনক নাছিল। তথাপি হজৰত মহম্মদে এই চুক্তিটো মানি চলে। ইয়াৰ প্ৰধান কাৰণ হ'ল এয়ে যে ভৱিষ্যতে তেওঁলোকে মক্কাৰ হজৰ সময়ত অনেক মানুহৰ ওচৰত ধৰ্ম্ম প্ৰচাৰ কৰাৰ সুবিধা পাব আৰু এইদৰে ইছলামৰ সত্যকো মানুহে উপলব্ধি কৰিব পাৰিব।

হুদাইবীয়াৰ পৰা উভতি আহি মহম্মদে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাৰ প্ৰস্তাৱ কৰি গ্ৰীচ, চিৰিয়া, পাৰস্য আৰু আবিচিনিয়াৰ সম্রাটলৈ দূত পঠালে। মুছলিম বুৰঞ্জী লিখকসকলৰ মতে মাত্র আবিচিনিয়াৰ সম্রাটে প্ৰকাশ্যে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। বছোৰালৈ পঠিওৱা দূতজনক আৰবজাতি এটাই বৰ অত্যাচাৰ কৰিছিল আৰু তাৰ প্ৰতিশোধ লবলৈ মহম্মদে সৈন্য এদল পঠি-য়াই দিছিল। এই সৈন্যদলৰ মানুহকো কাটি-মাৰি অত্যাচাৰ কৰিছিল। সৈন্যৰ সেনাপতি খালিদে কোনোমতে সৈনিকসকলৰ মৃতদেহ লৈ মদিনালৈ উভতি আহিল।

যি দুটা ইহুদি জাতি মদিনাৰ পৰা বাহিৰ হৈ গৈছিল তাৰ ভিতৰত বানু নাজিৰ নামৰ জাতিটোৱে এদিনলৈকো ইছলাম ধৰ্ম্মী সকলৰ শত্রুতা কৰিবলৈ এৰা নাছিল। এই জাতিটোৰ মানুহবোৰ খাইবাৰ নামে এডোখৰ ঠাইত আছিলগৈ। ওচৰৰ বেতুইন আৰু আন জাতিৰ মানুহৰ লগত মিত্রতা কৰি ইছলাম ধৰ্ম্ম মদিনা অঞ্চলৰ পৰা দূৰ কৰিবলৈ সংঘবদ্ধ হ'ল। মক্কাবাসীৰ লগত হুদাইবীয়াৰ সন্ধিত মুছলমানসকলৰ আত্ম-সন্মান লাঘৱ হোৱা বুলি

ভাবি এওঁলোকে মদিনা আক্ৰমণ কৰাৰ দিহা কৰিলে। হজৰৎ মহম্মদে এই কথা গম পাই সিহঁতক সিহঁতৰ নিজৰ ঠাইতে আক্ৰমণ কৰিবলৈ ঠিক কৰিলে। ১৬ হেজাৰ সৈন্যৰ এটা ফৌজ লৈ তেওঁ খাইবাৰলৈ গ'ল। ইহুদিবিলাকে দুৰ্গবিলাক ভালকৈ মেৰামতি কৰি তাৰ ভিতৰত সোমাল। মহম্মদে এই ইহুদিবিলাকৰ লগত এমাহ যুঁজ কৰিব লগাত পৰিছিল, তথাপি সিহঁতক পৰাজয় কৰিব পৰা নাছিল। অৱশেষত আলিৰ সেনাপতিত্বত সকলোতকৈ আৱশ্যকীয় দুৰ্গটো লোৱা হয়। বহুদিন যুদ্ধৰ পিছত দুয়ো দলৰ মাজত সন্ধি হয়। সেই সন্ধিমতে ইহুদিবিলাকক সম্পূৰ্ণৰূপে ক্ষমা কৰা হয় আৰু সিহঁতক আগৰ দৰেই থাকিবলৈ দিয়া হয়। ইয়াৰ পিছতো ইহুদিবিলাকে ৰছুলৰ অন্যায় কৰিব খুজিছিল। এবাৰ ইহুদিবিলাকে ৰছুলক ভোজ খাবলৈ মাতি নি খোৱা বস্তুত বিষ মিহলাই দিছিল। ৰছুলে অলপ খোৱাৰ পিছতেই কথাটো গম পাই খাবলৈ এৰাতহে মৃত্যু মুখৰ পৰা উদ্ধাৰ পায়।

ইয়াৰ পিছৰ বছৰ অৰ্থাৎ ৬৩০ খৃঃত হজৰৎ মহম্মদে কুৰি বছৰীয়া শত্ৰু কোৰাইছক নাশ কৰি মক্কাক ইছলাম ৰাজ্যৰ অধীন কৰিবলৈ সুবিধা পালে। যদিও কোৰাইছসকলৰ শত্ৰুতা অলপো হ্ৰাস হোৱা নাছিল হুদাইবীয়াৰ সন্ধি-মতে মদিনাৰ মুছলমানসকলে মক্কালৈ গৈ তীৰ্থ কৰাৰ লগে লগে ওচৰৰ জাতি-বিলাকে মুছলমান হবলৈ ধৰিলে আৰু কিছুমানে মুছলমানসকলৰ লগত মিত্ৰতা কৰিলে। খুজা নামৰ জাতি এটাই এইদৰে মুছলমানৰ লগত মিত্ৰতা কৰি-ছিল। এই জাতিটোৰ চিৰ শত্ৰু বানুবকৰ নামেৰে আন এটা জাতিয়ে তেওঁ-লোকৰ শত্ৰুতা পূৰণ কৰিবৰ কাৰণে কোৰাইছসকলৰ লগত মিত্ৰতা কৰিলে। কোৰাইছসকলে মুছলমানৰ সংখ্যা ক্ৰমে বাঢ়ি অহা দেখি মুছলমানক ধ্বংস কৰাৰ উপায় চিন্তিবলৈ ধৰিলে। কোৰাইছবিলাকে খুজা জাতিৰ কেইজন-মান মানুহক কাবাৰ ভিতৰত কাটি ধৰ্ম্ম মন্দিৰ তেজেৰে ৰাঙলী কৰিলে। খুজাবিলাকে মহম্মদ ৰছুলৰ ওচৰত গোচৰ দিলে। ৰছুলে এতিয়া আটাইবোৰ মিত্ৰ জাতিৰ লগত লগ হৈ এটা দহ হেজাৰ সৈনিকৰ ডাঙৰ সৈন্যৰ দল গঠন কৰিলে আৰু মক্কা আক্ৰমণ কৰিলে। এই আক্ৰমণত কোৰাইছবোৰ তিষ্টিব নোৱাৰি আত্মসমৰ্পন কৰিলে। প্ৰায় কুৰি বছৰে যুঁজ কৰি থকা আবু মুফিয়ানক ৰছুলৰ আগলৈ অনা হ'ল আৰু তেওঁ নিজৰ দোষ স্বীকাৰ কৰি ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। ইয়াৰ পিছত কাবা মন্দিৰত থকা ৩৫০টা

পুতলা ভাঙি পেলোৱা হল। তেজেৰে অপবিত্ৰ হোৱা মজিদ পবিত্ৰ কৰিলে আৰু ওছমান বিন তালহাক আৰু তেওঁৰ উত্তৰাধিকাৰীসকলক মজ্জিদ ৰক্ষক পাতি চাবি তেওঁৰ জিম্মাত দিলে। কোৰাইছসকলৰ প্ৰতি যি শাস্তি বিধান কৰিলে তাক মন কৰিবলগীয়া। এখন ডাঙৰ সভা পতা হ'ল। তালৈ কোৰাইছসকলক মাতি অনা হ'ল। মহম্মদে তেওঁলোকে কেনে অন্যায় আৰু নিষ্ঠুৰভাৱে মুছলমানবিলাকক অত্যাচাৰ কৰিছিল তাক বৰ্ণনা কৰি শেষত সুধিলে, "এনে পাপৰ বাবে তোমালোকক কি শাস্তি দিয়া হ'ব?" তেতিয়া কোৰাইছসকলে মাত লগালে, "আপুনি আমাৰ মহাজন ভাই আৰু এনে পিতাৰ সন্তান যিজনে আমাৰ মহাজন ভাই আছিল।" এইখিনি কথা কোৱা মাত্ৰে মহম্মদে কৈ উঠিল, "তেন্তে তোমালোকৰ নিমিত্তে কোনো শাস্তি নাই।" ৰছুলৰ এনে অসাধাৰণ দয়া দেখি সকলোৱে আশ্চৰ্য্য হ'ল। তেওঁ এজন মানুহকো কোনো শাস্তিকেই নিদিলে। আনকি অমানুষিক হত্যাকৰীসকলকো ক্ষমা কৰিলে।

বাপা, তোমালোকে দেখিছানে একনিষ্ঠ ঈশ্বৰ বিশ্বাস আৰু কাৰ্য্যতৎপৰতাৰ ফল। তেৰ বছৰ আগেয়ে হজৰত মহম্মদে শত্ৰুৰ অত্যাচাৰত এই ঠাইৰ পৰা নিজৰ প্ৰাণ লৈ পলাবলৈ বাধ্য হৈছিল। নানা অপমান আৰু লাঞ্ছনা সহ্য কৰি, জীৱনত অশেষ কষ্ট ভোগ কৰি তেৰ বছৰ অবিৰত শত্ৰুতা আৰু বিৰোধৰ মাজত থাকি আৰু তিনিবাৰকৈ যুঁজ কৰি নিজৰ প্ৰাণ বিপন্ন কৰি মহম্মদ ৰছুলে নিজৰ জন্মভূমি আৰু ধৰ্ম্মস্থান পুনৰাই উদ্ধাৰ কৰিলে। এনে বিজয় জগতৰ বুৰঞ্জীত বিৰল। ৰছুলৰ দৰে মহাপুৰুষৰ বুদ্ধি, সহিষ্ণুতা, দয়া, ক্ষমা আৰু দৰকাৰ হলে শক্তি প্ৰয়োগ কৰিব পৰা গুণৰ কাৰণেহে এনে বিজয় সম্ভৱপৰ হ'ল। আজি ১৩ বছৰৰ মূৰত, ৰছুলে, নিজৰ ওপজা ঠাই আৰু ধৰ্ম্মঘৰত সোমাবলৈ পাই মনত যি আনন্দ পাইছিল তাক ভাষাৰে বৰ্ণোৱা টান।

মক্কা বিজয়ৰ পিছত হজৰত মহম্মদে হাওয়াজিন নামে জাতি এটাক ইছলামৰ বিৰোধিতা কৰাৰ কাৰণে শাস্তি দিবলৈ ওলাল। বানু নাজিৰ ইহুদিবিলাকৰ দৰে ইহঁতেও বেদুইনসকলৰ লগত মিত্ৰতা কৰি মুছলমানসকলক ধ্বংস কৰিবলৈ মন কৰিছিল। গুপ্তচৰৰ দ্বাৰা সঠিক খবৰ লৈ এইবাৰ হজৰত মহম্মদে ডাঙৰ ফৌজ এটা লৈ ইহঁতৰ বিপক্ষে যাত্ৰা কৰিলে। এই সৈন্যৰ সংখ্যা মুঠতে বাৰ হাজাৰ আছিল আৰু তাৰে দুই হাজাৰ নতুনকৈ

জয় কৰা মক্কাবাসী আছিল। হজৰত মহম্মদে এই সৈন্যবিলাকক লৈ হুনাইন নামেৰে এটা উপত্যকাত উপস্থিত হ'লগৈ। মুছলমান সৈনিক দলে নিজৰ শক্তিৰ ওপৰত দম্ভ কৰি অসাৱধান হৈ যুঁজ কৰাৰ ফলত এই যুদ্ধৰ প্ৰথম-ছোৱাত মুছলমানসকলৰ অনেক লোকৰ মৃত্যু হয়। হজৰত মহম্মদৰ নেতৃত্ব নেথাকিলে এই যুদ্ধত মুছলমানবিলাকৰ পৰাজয় হলহেঁতেন। কিন্তু হজৰত মহম্মদে ঈশ্বৰৰ নাম লৈ সকলোকে একেলগ হবলৈ আহ্বান কৰাত মুছল-মান সৈন্যবিলাক আকৌ গোট খালে আৰু শেষত অতি কষ্টে যুদ্ধত জয়-লাভ কৰিলে। হাওয়াজিনবিলাকে হুনাইনৰ মুকলি যুদ্ধত হাৰি দুৰ্গবিলাকৰ ভিতৰত সোমাল। যুদ্ধৰ আগতে হাওয়াজিনবিলাকে নিজৰ তিৰোতা আন মানুহ আৰু ধন-সম্পত্তিবোৰ এঠাইত আঁতৰকৈ থৈ আহিছিল। যুদ্ধত হাৰি পলাই দুৰ্গত সোমোৱাত হজৰত মহম্মদৰ হাতত মতা তিৰোতা মিলি প্ৰায় ৬,০০০ মানুহ, অসংখ্য ভেৰা, গৰু, উট আৰু ৰূপ পৰিলহি। তৈয়াক নামৰ দুৰ্গ এটাত অনেক দিন পহৰা দি থকাতো হাওয়াজিনবিলাকে আত্মসমৰ্পন নকৰাত হজৰত মহম্মদে তাৰ পৰা সৈন্য তুলি লৈ উভতি আহিল। এই যুদ্ধৰ পৰা অনা বেচি ভাগ সম্পত্তিকেই মক্কা বাসীসকলৰ মাজত ভগাই দিয়াত মদিনাবাসী পুৰণি মুছলমানসকলে মনে মনে বৰ বেয়া পাইছিল। কিন্তু ৰছুলে তেওঁলোকক মাতি আনি এনেদৰে বুজনি দিলে যে তেওঁলোকে আপত্তি কৰা দূৰে থাওক চকুলোৰে মহম্মদৰ ওচৰত ক্ষমা ভিক্ষা চালে। হজৰত মহম্মদে আটাইবোৰ বন্দীকেই খালাচ দিলে।

ইয়াৰ পিছৰ বছৰত অৰ্থাৎ ৬৩১ খৃঃত হজৰত মহম্মদে আৰু এখন যুদ্ধলৈ সাবলগীয়া হ'ল। ওচৰৰ খৃষ্টিয়ান ৰাজ্যবিলাকে এতিয়া ইছলাম ৰাজ্যক তুচ্ছ বুলি অবজ্ঞা কৰিব নোৱাৰা হ'ল। ইছলাম ৰাজ্য আৰৱ দেশৰ মাজতেই সীমাবদ্ধ থকালৈকে তেওঁলোকৰ বৰ আপত্তি নাছিল; কিন্তু হজৰত মহম্মদে এওঁলোককো ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিবলৈ অনুৰোধ কৰাত আৰু ইছলামৰ প্ৰভাৱ ক্ৰমে খৃষ্টান ৰাজ্যৰ ওচৰ চপাত, খৃষ্টিয়ান ৰজাবিলাকে বিশেষকৈ গ্ৰীচ দেশৰ বাদচাহে ইছলামৰ বিৰোধ আচৰণ কৰিবলৈ ধৰিলে। হজৰত মহম্মদে খবৰ পালে যে গ্ৰীচৰ বাদচাহে আৰৱৰ উত্তৰ ফালৰ অমুছলমান জাতিবিলাকৰ লগত লগ হৈ মুছলমানসকলক নাশ কৰিবলৈ চেষ্টা কৰিছে। হজৰত মহম্মদে ততালিকে এটা সৈনিক দল গঠন কৰি ডেমাচকচ অভিমুখে যাত্ৰা কৰিলে, কিন্তু তাবুক নামেৰে ঠাই এডোখৰত গৈ খবৰ পালে যে গ্ৰীচৰ

ৰজাই যুদ্ধ কৰিবলৈ আয়োজন কৰা কথাতো সঁচা নহয়! হজৰত মহম্মদে কোনো যুদ্ধ নকৰি তাৰ পৰা উভতি আহিল।

ইয়াৰ পিছত হজৰত মহম্মদে কোনো যুদ্ধলৈ যোৱা নাই সঁচা; কিন্তু ইছলাম ধৰ্ম্মৰ প্ৰভাৱ ক্ৰমে বাঢ়িবলৈহে ধৰিলে। কেইবাটাও আৰব জাতিয়ে স্বইচ্ছাই আহি তেওঁৰ লগত সাক্ষাৎ কৰিলে। এইদৰে আৰব দেশত ইছলাম ধৰ্ম্ম প্ৰতিষ্ঠিত হ'ল। তাৰপিছৰ বছৰ অৰ্থাৎ ৬৩১ খৃঃত তেওঁৰ মৃত্যু হয়।

তেওঁৰ মৃত্যুৰ আগতে তেওঁ শেষ বাৰ মক্কালৈ হজ কৰিবলৈ যায়। তেওঁ নিজৰ ভবিষ্যৎ বুজিব পাৰি আৰফাট পৰ্ব্বতৰ এখন ডাঙৰ সভাত মুছলমান ৰাইজক সম্বোধন কৰি কয়, "মই যে তোমালোকক আকৌ দেখা পাম তেনে আশা নাই; সেই কাৰণে মই যি কওঁ শুনা আৰু ভালকৈ মনত ৰাখিবা। তোমালোকৰ নিজৰ নিজৰ সম্পত্তিৰ তোমালোক নিজে নিজে মালিক থাকিবা আৰু মনত ৰাখিবা কোনোবাই কোনো ৰকম অন্যায় কৰিলে তাৰ বাবে সি ঈশ্বৰৰ ওচৰত কৈফিয়ৎ দিব লাগিব। প্ৰত্যেক কামৰ বাবে তোমালোকে নিজে নিজে দায়ী থাকিবা। তোমালোকৰ নিজৰ তিৰোতাৰ ওপৰত যেনে অধিকাৰ আছে, তিৰোতাৰো তোমালোকৰ ওপৰত তেনে অধিকাৰ আছে। সেই কাৰণে তোমালোকৰ নিজৰ তিৰোতাক সদায় আদৰ আৰু সন্মান কৰিবা। পাপ নকৰিবা। দাস দাসীবিলাকক ভালকৈ খাবলৈ আৰু পিন্ধিবলৈ দিবা আৰু মৰম কৰিবা। ডাঙৰ অন্যায় কাম কৰিলে সিহঁতক এৰি দিবা, অত্যাচাৰ নকৰিবা, কাৰণ সিহঁতো মানুহ। মনত ৰাখিবা প্ৰত্যেক মুছলমানেই ইজনে সিজনৰ ভাই। সেই কাৰণে স্বইচ্ছায় নিদিলে কাৰো পৰা একো নানিবা। কেতিয়াও কাৰো অন্যায় নকৰিবা।"

তেওঁৰ কাম শেষ হোৱাৰ পিছত হজৰত মহম্মদে নিজেই ইহ সংসাৰত আসক্তি নথকা যেন অনুভৱ কৰিলে। তেওঁ যিদিনা শেষবাৰৰ বাবে ৰাজ-হুৱা সভাত মুছলমানসকলক সম্বোধন কৰে, তেওঁ এইদৰে কৈছিল, "মুছলমানসকল! মই যদি তোমালোকৰ কোনো এজনৰ কোনো কথাত কিবা দোষ কৰিছোঁ, তেন্তে তাৰ জবাব দিবলৈ মই ইয়াত উপস্থিত আছোঁ। মই যদি কাৰোবাক কিবা দিবলগীয়া আছে, তেন্তে মোৰ সকলো সম্পত্তি

তোমালোকৰেই।" ইয়াৰ পিছত তেওঁৰ গুৰুতৰ ৰোগ হয়। তেওঁৰ তিৰোতা কেবাজনীও আছিল। তাৰ ভিতৰত আবু বকৰ জীয়েক আয়েসাৰ ঘৰ মজ্জিদৰ সমুখত হোৱাৰ কাৰণে তেওঁ আয়েসাৰ ঘৰত থাকিবলৈ ললে। শৰীৰ দুৰ্ব্বল থকাৰ বাবে তেওঁ ধৰ্ম্ম সম্বন্ধে বক্তৃতা দিব পৰা নাছিল যদিও তেওঁ সদায় সমূহ প্ৰাৰ্থনাত (নামাজ) উপস্থিত আছিল। এদিন তেওঁ সমূহ প্ৰাৰ্থনাৰ সময়ত ক'লে যে ঈশ্বৰে তেওঁক তেওঁৰ ইচ্ছামতে পৃথিবীত থাকিবলৈ নাইবা ঈশ্বৰৰ ওচৰলৈ যাবলৈ হুকুম দিছে। কিন্তু তেওঁৰ ঈশ্বৰৰ ওচৰলৈ যাবলৈ ভলাইছে। আবু বকৰে এই কথাৰ গূঢ়াৰ্থ ভালকৈ বুজি পালে আৰু চকুলো টুকিলে। ইয়াৰ পিছৰ পৰা হজৰত মহম্মদে বিছনাৰপৰা উঠিব নোৱাৰা হ'ল আৰু আবু বকৰক ইমাম অৰ্থাৎ নামাজৰ নেতা পাতিলে। এদিন বিছনাৰপৰা উঠি তেওঁ ঘৰৰ পৰ্দ্দাখন তুলি কাবাত নামাজ পঢ়া মানুহবিলাকৰ ফালে চাই আছিল। সকলোৱে তেওঁক ৰোগমুক্ত হোৱা বুলি ভাবিলে; কিন্তু ইয়াৰ এদিন পিছতে তেওঁ মানৱ দেহা ত্যাগ কৰিলে। মহম্মদৰ মৃত্যুৰ বাতৰি শুনি মদিনাবাসী পাগলৰ দৰে হৈছিল। মদিনাৰ মানুহে তেওঁক ইমান ভাল পাইছিল আৰু ভক্তি কৰিছিল যে তেওঁবিলাকে তেওঁৰ মৃত্যুত মাক-বাপেক হেৰোৱা দুখতকৈয়ো দুখ পালে। তেওঁলোকে প্ৰথমতে মহম্মদ স্বৰ্গী হোৱা কথা বিশ্বাসকে কৰা নাছিল। আবু বকৰে আচল খবৰ লৈ উপস্থিত জনমণ্ডলীক এইদৰে সম্বোধন কৰি ক'লে, "ৰাইজসকল, যি সকলে মহম্মদক ভক্তি কৰিছিল, তেওঁলোকে জনা উচিত যে মহম্মদৰ সঁচাকৈয়ে মৃত্যু হৈছে; কিন্তু যিসকলে ঈশ্বৰক পূজা কৰে, তেওঁলোকে জনা উচিত যে ঈশ্বৰ জীয়াই আছে আৰু সদায় জীয়াই থাকিব।"

বাপা, যদিও এই চমু জীৱনীৰ পৰা ৰছুলৰ সম্বন্ধে কিছু বুজিব পাৰিছা, মই তেওঁৰ চৰিত্ৰৰ সম্বন্ধে পঢ়ি-শুনি যি বুজিছো তাক অলপ বহলাই ক'বলৈ চেষ্টা কৰিলোঁ। মহম্মদ নামৰ অৰ্থ হৈছে প্ৰশংসনীয়। পৃথিবীত কোনো লোকেই মহাপুৰুষ বুলি সন্মান পাব নোৱাৰে যদিহে তেওঁ নিজে যি শিক্ষা দিয়ে তাক কাৰ্য্যত পৰিণত নকৰে। তোমালোকে বুদ্ধ আৰু যীশুৰ জীৱনী পঢ়োতে পাইছা কেনেকৈ তেওঁলোকে সত্যৰ কাৰণে সংসাৰৰ সৰ্ব্বস্ব বৰ্জ্জন কৰি ব্ৰহ্মচাৰি হৈ সত্য অন্বেষণ কৰি শেষত সত্য উপলব্ধি কৰিছিল। এজনে জগতৰ প্ৰেমৰ সুবিধা পালে আৰু এজনে সেই কামত নিজৰ প্ৰাণকে উৎসৰ্গা কৰিলে। মহম্মদ ৰছুলে জীৱনৰ কোনো সময়তেই সংসাৰ ত্যাগ কৰা নাছিল

তেওঁৰ মনলৈ কোনো দিনেই সংসাৰ ত্যাগ কৰাৰ ভাব অহা নাছিল যেন লাগে। সেই কাৰণে তেওঁৰ ব্যক্তিগত জীৱন সম্বন্ধে আমি জনা উচিত। সৰুতে তেওঁ তেওঁৰ খুড়াক আৰু ঘৰৰ সকলো বয়সস্থ লোকক শ্ৰদ্ধা কৰিছিল আৰু তেওঁলোকৰ বাধ্য আছিল। অতি নম্ৰ, মৰমিয়াল আৰু সৰল প্ৰকৃতিৰ কাৰণে তেওঁক সকলোৱে ভাল পাইছিল। অকলশৰীয়াকৈ প্ৰাকৃতিক সৌন্দৰ্য্য চাই ঈশ্বৰৰ মহত্ব আৰু গৌৰৱ অনুভৱ কৰিবলৈ ভাল পাইছিল। ডাঙৰ হোৱাৰ লগে লগেও তেওঁ অকলশৰে থাকিহে ভাল পাইছিল। সেই সময়ত বেছি ভাগ মানুহ অসৎ স্বভাৱৰ আছিল কাৰণে কাৰো লগ নলৈছিল আৰু সদায় নিজৰ কৰ্ত্তব্য কৰি, সময় কটাইছিল। তেওঁৰ বৈবাহিক জীৱনৰ ফালৰপৰা কিছুমান ইউৰোপীয় লিখকে তেওঁক বেয়া বোলে। তেওঁ তেৰগৰাকী তিৰোতা বিয়া কৰায়। তাৰে ভিতৰত প্ৰথমজনী খাদিজা যেনে বুদ্ধিমতী, তেনে ঈশ্বৰ বিশ্বাসী আছিল। সেইদৰে আবু বকৰৰ জীয়েক আয়েসাও বুদ্ধিমতী আৰু বিদুষী আছিল আৰু তেওঁ ইছলাম ধৰ্ম্ম প্ৰচাৰত বহুলক ভাল উপদেশ দি সহায় কৰিছিল। তেওঁ সদায় তেওঁৰ সহধৰ্ম্মিণীসকলক অতি মৰম আৰু আদৰ কৰিছিল আৰু তেওঁলোকক সুখত ৰাখিবলৈ চেষ্টা কৰিছিল। সকলো মুছলমান লিখকেই তেওঁক আদৰ্শ স্বামী বুলি উল্লেখ কৰিছে। এই কাৰণে আৰু বিশেষকৈ সেই সময়ৰ আৰব দেশৰ অনেক স্ত্ৰী গ্ৰহণ কৰা নিয়মলৈ চাই তেওঁলোকে ইউৰোপীয় লিখকসকলৰ অভিযোগ অন্যায় আৰু মিছা বুলি প্ৰমাণ কৰে। তেওঁৰ লৰা-ছোৱালীৰ প্ৰতিও অসীম মৰম আছিল। তেওঁৰ কেবাটাও লৰা-ছোৱালী হৈছিল। খাদিজাৰ গৰ্ভত তিনিটা লৰা আৰু চাৰিজনী ছোৱালী হৈছিল। দুখৰ বিষয় যে তেওঁৰ এটিও লৰা সন্তান জীয়াই নেথাকিল। এই লৰা-ছোৱালীৰ মৃত্যুত হজৰত মহম্মদে হৃদয় বিদাৰক শোক পাইছিল; কিন্তু সকলো দুখ-কষ্টকে ঈশ্বৰৰ হাতত সঁপি দি তেওঁ শান্তি পাইছিল। হজৰত মহম্মদৰ দাস-দাসীৰ প্ৰতি যি দয়া সি বিশেষকৈ উল্লেখযোগ্য। সেই সময়ত মানুহে দাস-দাসীক অন্যান্য বস্তুৰদৰে জ্ঞান কৰিছিল। ঘৰৰ গৰাকীৰ মৃত্যু হলে মতা লৰাই আজিকালি বস্তু পোৱাৰ দৰে এই দাস-দাসী আনকি মাকৰ বাহিৰে ঘৰৰ তিৰোতাবিলাকেও পাইছিল আৰু সিহঁতে এই বিলাকক অন্যান্য বস্তুৰ দৰে বিক্ৰী কৰিব পাৰিছিল। হজৰত মহম্মদে সৰুৰে পৰা মানুহৰ প্ৰতি অন্যায়, অত্যাচাৰ সহ্য কৰিব নোৱাৰিছিল। তেওঁ বিয়া কৰোৱাৰ কিছুদিন পিছত

জইদ নামৰ দাস ল'ৰা এটা খাদিজাৰ ভায়েক এজনে কিনি তেওঁক দিছিল। হজৰত মহম্মদে খাদিজাৰ পৰা ল'ৰাটো খুজি লৈ তাক মুক্ত কৰি দিছিল। কিন্তু সেই দাস লৰাটোৰ মহম্মদৰ প্ৰতি ইমান মৰম আৰু শ্ৰদ্ধা হ'ল যে নিজৰ বাপেক-মাকৰ ঘৰলৈ নগল। মহম্মদে এই দাসবোৰক নিজৰ ঘৰৰ মানুহৰ দৰে ব্যৱহাৰ কৰিছিল। নিজে কষ্ট সহ্য কৰিও ইহঁতক খাবলৈ, পিন্ধিবলৈ দিছিল। উপযুক্ত হলে তেওঁ এই দাসবোৰক কোনো উচ্চ সামাজিক বা ৰাজকীয় পদৰ পৰা বঞ্চিত নকৰিছিল। হজৰত মহম্মদৰ জীৱনৰ শেষৰ যুদ্ধ কেইখনৰ প্ৰধান সেনাপতি আছিল- খলিদ নামৰ দাস এজন। হজৰত মহম্মদৰ মহানুভৱতা আৰু দুখীয়াৰ দুখত কাতৰ হোৱাৰ জ্বলন্ত প্ৰমাণ· তেওঁৰ দাস-দাসীৰ প্ৰতি থকা ব্যৱহাৰত পোৱা যায়।

আন মানুহৰ লগত ব্যৱহাৰৰ সময়তো হজৰত মহম্মদ আদৰ্শ ভদ্ৰলোক আছিল। তেওঁক কোনেও কেতিয়াও কূট ভাষা ব্যৱহাৰ কৰা শুনা নাই, কোনো অভদ্ৰ আচৰণ কৰা দেখা নাই। অসংখ্য শত্ৰু সত্ত্বেও তেওঁ কেতিয়াও পৰনিন্দা নকৰিছিল; কাকো মিছা ভয় দেখুওৱা নাছিল আৰু কাকো খোচামোদ নকৰিছিল; অন্তৰাত্মাৰ পৰা সকলোৰে প্ৰতি সমান আৰু ভাতৃ ভাৱ আচৰণ কৰিছিল। এদিন তেওঁ তেওঁৰ সৈন্যবিলাকৰ মাজত যুদ্ধত জয় কৰি অনা বস্তুবোৰ ভাগ কৰি দিছিল। বস্তুবোৰ ভাগ কৰি থাকোতে মানুহবিলাকে তেওঁক এনেদৰে হেঁচা মাৰি ধৰিছিল যে তেওঁ এডাল সৰু চেকনীৰে মানুহবিলাকক দূৰলৈ ঠেলি দিবলৈ বাধ্য হ'ল। অসাৱধানতাৰ বাবে চেকনীৰ আগ লাগি মানুহ এজনৰ গালৰ ছাল গল। মহম্মদে তৎক্ষণাৎ সেই মানুহটোক তেওঁকো চেকনীৰে খুচিবৰ বাবে গাল-খন পাতি দিলে। যুদ্ধৰ সময়ত উটৰ অভাৱত তপত বালিত খোজ কাঢ়িব-লগীয়া হোৱাত এটা উটতে তিনিজন মানুহক এবাৰত এটাকৈ উঠিবৰ বন্দৱস্ত কৰা হৈছিল। হজৰত মহম্মদক সুকীয়াকৈ এটা উট দিয়া হৈছিল। কিন্তু তেওঁ সকলোৰে লগত সমানে কষ্ট লবলৈ ৰাজী হৈ নিজৰ পাল মতেহে উঠিবলৈ ৰাজী হ'ল। আকৌ এদিন তেওঁ ভ্ৰমণ কৰিবলৈ ওলোৱাত তেওঁৰ সঙ্গী আৰু শিষ্যবিলাকে ৰন্ধনৰ কাম কৰি আছিল। মহম্মদে নিজে খৰি গোটাইছিল। শিষ্যবিলাকে তেওঁক তেনে কৰিবলৈ বাধা কৰাত তেওঁ স্পষ্টকৈ বুজাই দিলে যে সাধাৰণ কামত তেওঁৰ আৰু তেওঁৰ শিষ্যৰ ভিতৰত কোনো প্ৰভেদ থাকিব নোৱাৰে। এইদৰে নিজৰ জীৱনৰ আদৰ্শ কাৰ্য্যৰ দ্বাৰা

মানুহৰ মনত সাম্য আৰু ভাতৃত্ব ভাৱৰ সোত বোৱাইছিল।

বাপা, শত্ৰু আৰু বিৰোধীসকলৰ প্ৰতি হজৰতৰ ব্যৱহাৰ অতি চমৎকাৰ আছিল। মই আগতেই তোমালোকক কৈ আহিছোঁ কেনেকৈ মক্কাত ধৰ্ম্ম প্ৰচাৰৰ আগছোৱাত তেওঁ কোৰাইছসকলৰ পৰা নানা প্ৰকাৰৰ অপমান, লাঞ্ছনা আৰু অত্যাচাৰ সহ্য কৰিব লগাত পৰিছিল। কিন্তু এইবোৰ যে কেৱল সহ্য কৰিয়েই আছিল এনে নহয়; ইহঁতক জ্ঞানশূন্য বুলি ভাবি অন্তঃকৰণৰ পৰা ক্ষমা কৰিছিল। মদিনালৈ যোৱাৰ পিছতো এই কোৰাইছ-বিলাকে তেওঁৰ লগত যুঁজ কৰি আছিল আৰু ভিতৰে ভিতৰে তেওঁৰ বিৰুদ্ধে শত্ৰুবিলাকক উত্তেজিত কৰিছিল। আনকি মক্কালৈ হজ কৰিবলৈ অহা সময়তো তেওঁক নানা প্ৰকাৰৰ অপমান কৰিছিল। কিন্তু হজৰত মহম্মদৰ কি মহৎ প্ৰকৃতি! যেতিয়া শেষত তেওঁ মক্কা জয় কৰিলে, তেওঁ কোৰাইছ জাতিৰ সকলো লোকক ক্ষমা কৰিলে। সকলোতকৈ আচৰিত হবলগীয়া তেওঁৰ আবু মুফিয়ানৰ প্ৰতি ব্যৱহাৰ। এই আবু মুফিয়ানে অকল আৰব দেশতেই নহয়, বিদেশতো হজৰত মহম্মদৰ বিপক্ষে নানা প্ৰকাৰৰ ষড়যন্ত্ৰ কৰিছিল আৰু ইছলাম ধৰ্ম্মৰ অন্যায় কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। এওঁ আৰব জাতিবিলাকক আৰু পাৰস্যৰ বাদচাহক সদায় হজৰত মহম্মদৰ বিপক্ষে উত্তেজিত কৰি আছিল। এই আবু মুফিয়ানাকো ক্ষমা কৰি শেষত ইছলাম ধৰ্ম্মত দীক্ষিত কৰিলে। তেওঁৰ ক্ষমা গুণৰ উদাহৰণ বহুত পোৱা যায়। এদিন যুদ্ধ শেষ হোৱাৰ পিছত তেওঁ গছ এডালৰ তলত অকলে বিশ্ৰাম লৈ আছিল। হঠাৎ শত্ৰু পক্ষৰ এটা চিপাহীয়ে খোলা তৰোৱাল এখন লৈ তেওঁৰ আগত থিয় হৈ ক'লে, "এতিয়া তোমাক কোনে ৰক্ষা কৰিব?" মহম্মদে ততালিকে উত্তৰ দিলে, "পৰমেশ্বৰে তেওঁক সকলো বিপদৰ পৰা ৰক্ষা কৰিব।" চিপাহীটো এনে বিমোৰত পৰিল যে তাৰ হাতৰ পৰা তৰোৱালখন মাটিত পৰি গ'ল। মহম্মদে সেইখন তুলি লৈ তাক সুধিলে, "এতিয়া তোমাক কোনে ৰক্ষা কৰিব?" চিপাহীটো ভয়ত কপিবলৈ ধৰিলে। ৰছুলে তাক তৎক্ষণাৎ ঈশ্বৰৰ নামে ক্ষমা কৰিলে। চিপাহীটোৱে মহম্মদৰ ক্ষমা গুণত এনেদৰে অভিভূত হ'ল যে সি তৎক্ষণাৎ ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে।

মহম্মদৰ ঘৰুৱা জীৱন অতি সাধাৰণ মানুহৰ দৰে আছিল। দুখৰ দিনৰ কথাকে নকওঁ, তেওঁ যেতিয়া মদিনাত ৰাজ্যৰ একমাত্ৰ মুৰব্বী হয়

তেতিয়াও তেওঁৰ থকা ঘৰ মাটিৰ বেৰৰ আৰু অতি সামান্য আছিল। তেওঁ নিজৰ ঘৰৰ কাম নিজে কৰিছিল। নিজৰ জোতা আৰু কাপোৰ নিজে চিলাই কৰি লৈছিল; গৰু-ছাগলী খিৰাইছিল, ঘৰৰ চোতাল সাৰিছিল; নিজৰ উটবিলাকক আহাৰ দিছিল আৰু বজাৰৰ বস্তু নিজে কিনি আনিছিল। নিজে মিতব্যয়ী আছিল আৰু নিজৰ পৰিশ্ৰমৰ দ্বাৰাই জীৱিকা উপাৰ্জ্জন কৰিছিল। আনকো মিতব্যয়ী হবলৈ আৰু নিজৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকাইছিল। এদিন এটা সুস্থ মানুহে তেওঁৰ ওচৰলৈ ভিক্ষা বিচাৰি আহিছিল। মানুহটোৰ হাতত এটা বাটি আৰু এখন বিছনাৰ চাদৰ আছিল। হজৰত মহম্মদে সেইখিনি বিক্ৰী কৰি এক টকা পালে আৰু তাৰে এখন কুঠাৰ কিনি তাক খৰিকটীয়া কাম কৰিবলৈ দিলে। হাবিৰ পৰা খৰি কাটি সেই খৰি চহৰত বিক্ৰী কৰিবলৈ তাক বুদ্ধি দিলে। তেওঁৰ জীৱনত প্ৰচুৰ খাদ্য বা অধিক সম্পদ কেতিয়াও হোৱা নাছিল; কেতিয়াবা অন্নৰ অভাৱত নিৰাহাৰে থাকিব লগাত পৰিছিল। তথাপি তেওঁৰ বদান্যতা অতি অসাধাৰণ আছিল। এদিন এজন মুছলমানে তেওঁৰ বিয়া উপলক্ষে ভোজলৈ কেইজনমান মানুহক নিমন্ত্ৰণ কৰিছিল; কিন্তু খোৱাৰ বস্তু যোগাৰ কৰিব নোৱাৰি হজৰত মহম্মদৰ ওচৰলৈ আহিল। তেওঁৰ ঘৰতো তুসাজমানৰ জোখাৰেহে বস্তু আছিল। তেওঁ সেইখিনিকে পঠাই দি নিজে লঘোনে থকাৰ ব্যৱস্থা কৰিলে। তেওঁৰ জীৱনত এনে ধৰণৰ কাহিনী অনেক আছে। তেওঁৰ আৰ্থিক অৱস্থা কোনো দিনেই স্বচ্ছল নাছিল আৰু মাজে সময়ে সামান্য পৰিমানে ধাৰ কৰিবলৈ বাধ্য হৈছিল। কিন্তু তেওঁ সেই ধাৰ সদায় পৰিশোধ কৰিছিল আৰু কেতিয়াবা অবুজ লোকৰ পৰা লাঞ্ছনা পালেও, সিহঁতক দোষ নিদি নিজকহে দোষ দিছিল। ইত্যাদি গুণৰ বাবে তেওঁক 'আল আমিন' অৰ্থাৎ 'বিশ্বাসী' নামেৰেও জনা গৈছিল।

তেওঁৰ আহাৰ অতি সাধাৰণ ধৰণৰ আছিল। বেছিভাগ ৰাতি তেওঁ খেজুৰ, মৌ আৰু গাখীৰ খাইছিল। মাংস প্ৰায় নেখাইছিল আৰু গো-মাংস একেবাৰেই নেখাইছিল। তেওঁৰ পোছাক তেনেই সাধাৰণ আছিল; পাইজামা নিপিন্ধি লুঙ্গি পিন্ধিছিল। গাত কেতিয়াবাহে চোলা পিন্ধিছিল; কিন্তু সদায় চাদৰ এখনেৰে গাতো আগুৰি ৰাখিছিল। মূৰত সাধাৰণ টুপী এটাৰ ওপৰত পাগুৰি মেৰুৱাই লৈছিল। বাপা, আজিৰ ৪০ কোটি মুছলমানৰ গুৰু হজৰত মহম্মদৰ জীৱনৰ সৰলতালৈ ভাবি চোৱা আৰু তাৰ লগত

আমাৰ বৰ্ত্তমান সময়ৰ অস্বাভাৱিক বিলাসী আৰু লোভী জীৱন তুলনা কৰা। তেতিয়া তোমালোকে বুজি পাবা সৎ, সাধু আৰু মহৎ জীৱনৰ লগত ভাল ঘৰত থকা, ভাল বস্তু খোৱা আৰু ভাল কাপোৰ পিন্ধাৰ কিমান সম্বন্ধ।

মহম্মদ ৰছুলৰ ধৰ্ম্ম জীৱনো সৰলতাৰে পৰিপূৰ্ণ। এই সম্বন্ধে মই তোমালোকক তেওঁ পৰমেশ্বৰৰ ওচৰত সম্পূৰ্ণ আত্ম সমৰ্পণ কৰা কথাকৈ আহিছো। এই আত্ম সমৰ্পণৰ কাৰণেই তেওঁৰ মনত এদিনো নিৰাশ ভাব অহা নাছিল। মক্কাত ইমান অপমান আৰু নিৰ্য্যাতন ভোগ কৰিবলগীয়া হোৱা সত্বেও তেওঁৰ জৰিয়তে হবলগীয়া ঈশ্বৰৰ কাৰ্য্যৰ সফলতা সম্বন্ধে তেওঁ এধানমানো সন্দেহ কৰা নাছিল। এই বিশ্বাসৰ কাৰণেই তেওঁ কেতিয়াও অধৈৰ্য্য হোৱা নাছিল। ভাবিছিল যে সময় মতেহে ঈশ্বৰৰ কাৰ্য্য সাধন হব পাৰে। তেওঁৰ এই আত্ম সমৰ্পণ গুণৰ কাৰণেই তেওঁৰ শিষ্যবিলাকে তেওঁক অসাধাৰণ লোক বুলি মানিছিল; কিন্তু হজৰত মহম্মদে সকলো কাম আৰু কথাৰ দ্বাৰাই বুজাই দিছিল যে তেওঁ এজন সাধাৰণ লোকহে। বুদ্ধদেৱেও এইদৰে সকলো সময়তে, আন কি মৰণ কালতো কৈ গৈছিল যে তেওঁ কোনো অলৌকিক প্ৰাণী নহয়। সকলো মানুহেই নিজৰ সৎ কামৰ দ্বাৰাই মুক্তি লাভ কৰিব পাৰে। কিন্তু তথাপি ৪০০।৫০০ বছৰৰ ভিতৰত তেওঁৰ মূৰ্ত্তি প্ৰায় সকলো বুদ্ধ স্তূপতে ৰাখি পূজা কৰা হ'ল। মহম্মদ ৰছুলে যাতে তেওঁৰ সম্বন্ধে এনেকুৱা নহয় তাৰ কাৰণে নিজৰ কাৰ্য্য, জীৱন আৰু প্ৰচাৰৰ দ্বাৰাই প্ৰমাণ কৰিছিল যে যদিও ঈশ্বৰৰ ধৰ্ম্ম প্ৰচাৰৰ কাৰণে ঈশ্বৰে তেওঁক জন্ম দিছে, তেওঁ এজন সাধাৰণ মানুহ আৰু আন মানুহৰ লগত তেওঁৰ কোনো প্ৰভেদ নাই। ৰছুলে প্ৰচাৰ কৰা ধৰ্ম্মৰ মুলনীতি-ঈশ্বৰ আমাৰ জন্মদাতা আৰু মানুহ মাত্ৰেই তেওঁৰ সৃষ্ট জীৱ। এই কাৰণেই মানুহ মাত্ৰেই এক ভাই এই ভাবটো তেওঁ তেওঁৰ নিজৰ জীৱনত প্ৰমাণ কৰি দেখুৱাইছিল। প্ৰচাৰক হিচাপে তেওঁ তেওঁৰ অনুচৰ আৰু সহধৰ্ম্মী লোকসকলৰ লগত এনে সহানুভূতি আৰু মৰমেৰে আচৰণ কৰিছিল যে সকলোৱে তেওঁৰ কথামতে চলাত প্ৰাণ দিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। মদিনালৈ যাওঁতে আনচাৰ (সহায়কাৰী) বিলাকে তেওঁক আৰু তেওঁৰ লগত পলাই অহা মক্কাবাসীবিলাকক নিজৰ সৰ্ব্বস্ব দি পালি ৰাখিছিল! এনে এজন মহাপুৰুষ যে অতি সহজে এটা নতুন ঈশ্বৰ বিশ্বাসী তেজস্বী আৰু বলীয়ান জাতিৰ সৃষ্টি কৰিব তাত আচৰিত হবলগীয়া একো নাই।

বাপা, হজৰত ৰছুলে নতুন জাতি সৃষ্টি কৰোঁতে কি মূলনীতি অৱলম্বন কৰিছিল সেই সম্বন্ধে অলপ ভাবি চালেই পাবা যে তেওঁ মদিনালৈ নহালৈকে অৰ্থাৎ প্ৰায় ১১ বছৰ কাল তেওঁ অহিংস নীতিৰ চৰম সীমালৈ গৈছিল। শত্ৰুৰ অপমান, অত্যাচাৰ আৰু আঘাতৰ পৰিবৰ্ত্তে সদাচাৰ, মৰম আৰু ঈশ্বৰৰ বাণী দান কৰিছিল। সকলো দুখ-কষ্ট আৰু নিৰ্য্যাতন ঈশ্বৰৰ দান বুলি শিৰোধাৰ্য্য কৰি লৈছিল। মদিনালৈ অহাৰ পিছত তেওঁ অস্ত্ৰ ধাৰণ কৰা নীতিও গ্ৰহণ কৰে। কিন্তু তিনি বছৰমান আগলৈকে নিজক আৰু ধৰ্ম্ম ৰক্ষা কৰিবলৈহে অস্ত্ৰধাৰণ কৰিছিল। এই সময়ত যুদ্ধবিলাক মদিনাৰ ওচৰত হৈছিল। শেষৰ তিনি বছৰৰ যুদ্ধবিলাক যদিও আত্মৰক্ষাৰ কাৰণেই কৰা হৈছিল, এইবিলাক আন জাতিৰ ৰাজ্যত হৈছিল।

যদিও অনেক মহাপুৰুষেই যুদ্ধ কৰা বা অস্ত্ৰধাৰণ কৰা অন্যায় বুলি কোৱা নাই, ইহুদী নবিসকল বাদ দিলে পৃথিৱীৰ সৰ্ব্বপ্ৰথম ধৰ্ম্ম প্ৰচাৰকবিলাকৰ ভিতৰত মহম্মদেই একমাত্ৰ ৰছুল যিজনে নিজ যুদ্ধ পৰিচালনা কৰিছিল আৰু নিজে যুদ্ধত উপস্থিত আছিল। পাশ্চাত্য খৃষ্টিয়ান লিখকসকলে ৰছুলৰ এই মনোবৃত্তিক আক্ৰমণ কৰি, বিশেষকৈ যীশুখৃষ্টৰ লগত তুলনা কৰি তেওঁক সাধাৰণ প্ৰচাৰকৰ শ্ৰেণীত ভুক্ত কৰিবলৈ চেষ্টা কৰে। এই তৰ্কৰ মাজত নোসোমাই ইয়াকেই ক'ব পৰা যায় যে, পৃথিৱীত ৰাজ্যচালনা সংক্ৰান্ত ব্যাপাৰত বল প্ৰয়োগ বা অস্ত্ৰধাৰণ নীতি আজিলৈকে দূৰ হোৱা নাই। আজিকালিৰ সকলো বিবেচক লোকেই যুদ্ধ আৰু শক্তি প্ৰয়োগৰ নৃশংস ফলবিলাক পৃথিৱীৰ পৰা দূৰ কৰিবলৈ ইচ্ছা কৰে। মহাত্মা গান্ধীয়ে এই ভাব জগতত প্ৰচাৰ কৰাৰ প্ৰয়াস কৰা দেখা গৈছে। কিন্তু সপ্তম শতাব্দীত এনে ভাব পৃথিৱীলৈ অহা নাছিল। ধৰ্ম্ম ৰাজ্য ৰক্ষা কৰিবলৈ অন্যায়ৰ বিৰুদ্ধে থিয় হোৱাতো সকলোৱে ন্যায় বুলি ধৰিছিল। এখন ৰাজ্য পৰিচালনাৰ কাৰণে শিষ্টক ৰক্ষা আৰু দুষ্টক দণ্ড দিয়া নীতি বুদ্ধ আৰু যীশুৰ অনুমোদন নাথাকিলেও সকলোৱে গ্ৰহণ কৰি লৈছিল। নিৰস্ত্ৰ প্ৰতিৰোধ নীতি এতিয়াও পৃথিৱীৰ লোকে গ্ৰহণ কৰা নাছিল। মুছলিম ৰাজ্য চালনাৰ ভাৰ লৈ, বিশেষকৈ মুছলমানসকলৰ ৰক্ষাৰ দায়িত্ব লৈ হজৰত মহম্মদে শত্ৰুৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিবলৈ বাধ্য হোৱাতো একো হীন কাম বুলি পৰিগণিত হব নোৱাৰে।

বাপা, মই এতিয়া মহম্মদ ৰছুলে প্ৰচাৰ কৰা ইছলাম ধৰ্ম্ম সম্বন্ধে অলপ

তুষাৰমান কম। আন ধৰ্ম্ম প্ৰসঙ্গত কোনো কথা কোৱাতো বহু সময়ত টান আৰু সময়ত অযুক্তিকৰ হয়; কিন্তু ধৰ্ম্মৰ মূল কথাবিলাকৰ সকলো ধৰ্ম্মৰ ভিতৰত ইমান মিল আছে যে মঠৈকে তুষাৰমান ক'লে কোনো ধৰ্ম্মৰ লোকৰে অন্যায় কৰা নহব বুলি ভাবো। ইছলাম ধৰ্ম্ম এক ঈশ্বৰবাদ। লা ইলাহা ইলিল্লা - ঈশ্বৰেই সৰ্ব্ব শক্তিমান সৰ্ব্বজ্ঞ আৰু আমাৰ আৰু সকলো জীৱৰে মালিক। তেওঁ দয়াৰ সাগৰ আৰু ন্যায়বান তেওঁ সন্তক ৰক্ষা কৰে আৰু দুৰ্জ্জনক সাময়িকভাৱে শাস্তি দিছে; দুৰ্জ্জনক শেষত সৎপথলৈ আনি শাস্তি দিয়ে। ইছলামৰ মতে মহম্মদ ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ। ঈশ্বৰে তেওঁক ন্যায় ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পৃথিৱীলৈ পঠাইছে। সেই কাৰণে ইছলাম ধৰ্ম্ম মানিলে আন নবি স্বীকাৰ কৰিব পাৰি; কিন্তু ৰছুলকেই সৰ্ব্বোৎকৃষ্ট নবি বা ৰছুল বুলি স্বীকাৰ কৰিব লাগিব। ঈশ্বৰৰ সৃষ্টিৰ উপকাৰৰ কাৰণে আন মহাপুৰুষকো মানি লোৱাৰ কাৰণে, ইছলাম ধৰ্ম্ম প্ৰকৃততে কোনো ঈশ্বৰবাদী ধৰ্ম্মৰ বিৰোধী হব নোৱাৰে। বেছিভাগ খৃষ্টিয়ান আৰু হিন্দুৱে ইছলাম ধৰ্ম্ম খৃষ্টিয়ান আৰু হিন্দু ধৰ্ম্মৰ বিৰোধী বুলি ধৰি লয়; প্ৰকৃততে 'কোৰাণ' মতে ইছলাম বিশ্বাসীসকলে সকলো ধৰ্ম্মকে সহন কৰিব লাগে। 'কোৰাণ'ত এইটোও স্পষ্টকৈ লেখা আছে যে ধৰ্ম্ম সম্বন্ধে কোনেও বল প্ৰযোগ নকৰিব। সেই কাৰণে বলেৰে বা প্ৰবঞ্চনাৰে মুছলমান কৰাতো ইছলাম ধৰ্ম্মমতে গৰ্হিত কাম। প্ৰকৃততে ইছলাম ধৰ্ম্মৰ মূলনীতিমতে সকলো এক ঈশ্বৰবাদীয়েই ইছলামবাদী। ইছলাম পূৰ্ব্বৰ পৰাই জগতত আছিল, ৰছুলে ঈশ্বৰৰ বাণী পাই জাহিৰ কৰিছে মাত্ৰ। ইছলাম শব্দৰ অৰ্থই হৈছে শান্তি। ঈশ্বৰৰ ওচৰত আত্ম সমৰ্পণৰ দ্বাৰাহে এই শান্তি আহে।

মহম্মদ ৰছুল আৰু ইছলাম ধৰ্ম্মৰ জগতবাসীলৈ সৰ্ব্বোৎকৃষ্ট দান হৈছে এটা মহৎ সত্যৰ বাস্তৱ প্ৰমাণ। সেই সত্যটো হৈছে এই যে পৰমেশ্বৰ আমাৰ পিতা আৰু আমি জগতবাসী সকলো মানুহেই তেওঁৰ সন্তান। এই সত্যটো মানুহে বহুদিন আগতে উপলব্ধি কৰিছিল। ভাৰতবৰ্ষৰ পুৰণি ধৰ্ম্ম গ্ৰন্থত, বিশেষকৈ উপনিষদত ৪০০০।৫০০০ বছৰৰ আগেয়ে এই নীতিৰ আভাস পোৱা যায়। যীশুখৃষ্টই এই নীতি প্ৰচাৰ কৰিবলৈ গৈ নিজৰ প্ৰাণ ক্ৰুচত বিসৰ্জ্জন দিয়ে। কিন্তু মহম্মদ ৰছুলৰ আগেয়ে কোনেও এই নীতি সামাজিক বা ৰাজনৈতিক জীৱনত খটাব পৰা নাছিল। ৰছুলে এই

সত্য কেৱল মখতে প্ৰচাৰ কৰি ক্ষান্ত থকা নাই। তেওঁৰ জীৱনত সকলো কাম, সমাজৰ সকলো সংস্কাৰ এই এক মহামন্ত্ৰৰ প্ৰমাণ মাত্ৰ। এই মহা সত্য তেওঁ কেনেকৈ ধৰ্ম্ম, সমাজ আৰু ৰাজনীতিত খটুৱাইছিল তাক অলপ বহলাই কওঁ শুনা। ধৰ্ম্ম সম্বন্ধে আৰববাসীৰ কি অৱস্থা আছিল তাক তোমালোকক আগতে কৈ আহিছো। খৃষ্টৰ এনে পৱিত্ৰ জীৱনৰ দৃষ্টান্ত আৰু অনুষ্ঠিত প্ৰেমময় মানৱ ধৰ্ম্ম সত্বেও সেই সময়ৰ খৃষ্টিয়ানবিলাকে আন মানুহৰ কথাকে নকওঁ, নিজৰ ভিতৰতে ভাতৃভাব আনিব পৰা নাছিল। যীশুখৃষ্ট মানুহ নে ঈশ্বৰ এই কথালৈ খৃষ্টিয়ানবিলাকে নিজৰ ভিতৰতে এনে দলা-দলিৰ সৃষ্টি কৰিলে যে খৃষ্টৰ সৰ্ব্বোৎকৃষ্ট বাণী মানুহ মাত্ৰেই যে ঈশ্বৰ সন্তান আৰু সেই কাৰণে সকলো মানুহেই ভাই ভাই এই কথা পাহৰি পেলালে। গতিকে আগৰ ধৰ্ম্মই এই নীতি মনা সত্বেও কোনো ৰকমেই কাৰ্য্যকৰী হ'ব পৰা নাছিল। ধৰ্ম্ম জীৱনত পুৰোহিত বা ওখ থাপৰ লোকৰ দ্বাৰাইহে ঈশ্বৰৰ প্ৰাপ্তি হব পাৰে এনে ভাব সকলো ধৰ্ম্মৰ আচাৰতেই বদ্ধমূল আছিল। হিন্দু ধৰ্ম্মমতে সাধাৰণ পূজাত পুৰোহিত লাগিবই। বৌদ্ধ ধৰ্ম্মত যদিও আদিতে কোনো স্বকাৰ্য্য পুৰোহিতৰ ব্যৱস্থা নাছিল, পিছত ভিক্ষুকসকলেহে সেই ঠাই ললে। খৃষ্টান ধৰ্ম্মৰ প্ৰবৰ্ত্তক যীশুৱে পুৰোহিত মণ্ডলীৰ প্ৰতিপত্তি নাশ কৰিবলৈ গৈ নিজৰ প্ৰাণ দিয়া সত্বেও তেওঁৰ অনুগামী কিছুমানে ঈশ্বৰৰ ৰাজ্যৰ চাবিৰখীয়া হল। এনেকুৱা নিয়ম বন্ধা হ'ল যে পোপৰ পোপক ভেটি নিদিলে কোনোৱে ঈশ্বৰৰ দুৱাৰৰ চাবি পাব নোৱাৰে। মহম্মদ ৰছুলৰ ধৰ্ম্মত পুৰোহিতৰ স্থান নাই। কিছুমান বন্ধা নিয়ম মতে নিজে প্ৰাণভৰি ঈশ্বৰৰ আৰাধনা কৰিলেই হয়। ইয়াত বাদে পুৰোহিতৰ দৰকাৰ নাই। ইমামে সেই আৰাধনা মাতিব পাৰে বা মানুহক ধৰ্ম্মৰ কথা বুজাই দিব পাৰে কিন্তু তেওঁৰ ঈশ্বৰক হাত কৰি দিয়াৰ ক্ষমতা নাই। এইটো সঁচা যে ইহুদি ধৰ্ম্মবাদে কোনো ধৰ্ম্মতেই পূজাৰী আৰু পুৰোহিতক মহান স্থান দিয়া নাই; কিন্তু প্ৰায় সকলো ধৰ্ম্মৰ অনুষ্ঠানতে এই পুৰোহিতসকলে সৰ্ব্বোচ্চ স্থান দখল কৰি লৈছে। ইছলাম ধৰ্ম্মৰ বিশেষত্ব আৰু মহম্মদ ৰছুলৰ মহত্ত্ব এইখিনিতেই যে মুছলমান সমাজত তেনে শ্ৰেণীৰ লোকৰ সৃষ্টি হব পৰা নাই। ইয়াৰ উপৰিও মুছলমানসকলৰ ঈশ্বৰ আৰাধনাত (নামাজত) সকলো স্বত্ব সমান। মজ্জিদলৈ ৰজা, ৰাজবিষয়া, সাধাৰণ লোক সকলোৱে যাব পাৰে। এনে উপাসনাৰ পৰা যে মানুহৰ মনত

সমতাৰ ভাব আছে তাক তোমালোকে সহজে বুজিব পাৰিছা। ইয়েই ইছলাম সমাজক এটা সুসংগঠিত অনুষ্ঠান কৰি তুলিছে। এনে সংগঠনৰ পৰা মনুষ্য সমাজত যে কিছু দোষ হব পাৰে তাকো তোমালোকে জনা উচিত। যদিও হজৰত মহম্মদৰ একান্ত ইচ্ছা আছিল যে সকলো ঈশ্বৰ বিশ্বাসী লোকেই এই মহা মানৱ সংগঠনত ভুক্ত হব পাৰিব তেওঁৰ মৃত্যুৰ লগে লগেই এইটো দীক্ষিত মুছলমানবিলাকৰ মাজত সীমাবদ্ধ হোৱাত আন মানুহবিলাক ঈশ্বৰ সন্তানৰ ভাতৃত্বৰ পৰা বাদ পৰিল। গতিকে পৃথিৱীৰ মনুষ্য সমাজৰ মাজত ধৰ্ম্মলৈ দলা-দলি হ'ল আৰু তাৰেই পৰিণাম স্বৰূপে নানা ৰকমৰ অন্যায় জগতত বিয়পি পৰিল। নানা ৰকমৰ সাংসাৰিক প্ৰতিক্ৰিয়াৰ কাৰণে মুছলিম সমাজৰ পৰা ৰছুলে বিচৰা সমতা নাইকিয়া হ'ল। কিন্তু এইখিনিতেই আমি স্বীকাৰ কৰিবই লাগিব যে ৰছুলৰ তেনে ইচ্ছা নাছিল। এক ঈশ্বৰবাদী সমতা পূৰ্ণ জগত সৃষ্টি কৰাই তেওঁৰ ইচ্ছা আছিল।

এই সাম্যনীতিয়ে সামাজিক ক্ষেত্ৰত কিমান বিৰাট কাম কৰিলে সি আৰু বিচিত্ৰ আৰু আচৰিত। আৰব সমাজত, আনকি ভাৰতবৰ্ষৰ বাহিৰে সেই সময়ৰ আটাইবিলাক সমাজতে তিৰোতা মানুহৰ দুখ আৰু দুৰৱস্থাৰ সীমা নাছিল। মই তোমালোকক আন এঠাইত কৈ আহিছো কেনেকৈ তিৰোতা মানুহক গৰু-ছাগলীতকৈও বেয়া ব্যৱহাৰ কৰা হৈছিল। ল'ৰা-তিৰোতা বজাৰত আন বস্তুৰ দৰে বিক্ৰী হৈছিল আৰু মানুহে যেনে ইচ্ছা কৰে তেনেকৈ ব্যৱহাৰ কৰিব পাৰিছিল। আৰববাসীৰ মাজত বিয়াৰ প্ৰথা নাছিল। তিৰো-তাই কোনো সম্পত্তিৰ মালিক হব নোৱাৰিছিল। দুখীয়া মাক-বাপেকে ছোৱালি ঘৰত ওপজা এটা মহা বিপদ বুলি ভাবিছিল আৰু কেতিয়াবা নিজে আৰব মৰুভূমিৰ বালিত জীয়াই জীয়াই পুতি থৈ মাৰিছিল। মহম্মদ এই হতভাগিনী তিৰোতা জাতিৰ ৰক্ষক হৈ ওলাল। ইছলাম ধৰ্ম্ম প্ৰচাৰৰ লগে লগে তিৰোতাবিলাকে মানুহ আৰু মানুহৰ দৰে সকলো বিষয়তে সমান স্বত্ব পাবৰ অধিকাৰী হ'ল। তিৰোতা আৰু ছোৱালীয়ে সম্পত্তিৰ অংশ পোৱা হ'ল। বিয়া নকৰোৱাকৈ তিৰোতা ৰাখিব নোৱাৰা হ'ল আৰু অন্যায় কৰিলে মতা মানুহৰ দৰে তিৰোতা মানুহেও স্বামীক ত্যাগ কৰাৰ ক্ষমতা পালে। আগতে এজন মতাৰ কেইবাজনীও তিৰোতা থাকিব পাৰিছিল। এতিয়া চাৰিজনী তিৰোতাতকৈ বেছি বিয়া কৰিব নোৱাৰা হ'ল। তিৰোতা

মানুহে সমাজত ওখ আসন পালে আৰু তেওঁলোক সমাজৰ আদৰৰ আৰু সন্মানৰ পাত্ৰী হৈ পৰিল। মই ইয়াৰ আগেয়ে দাস-দাসীৰ ব্যৱহাৰৰ সম্পৰ্কে অলপ কৈছো। এসময়ত ভাৰতবৰ্ষৰ বাহিৰে পৃথিবীৰ আন সকলো ঠাইতেই দাসত্ব-প্ৰথাৰ প্ৰচলন আছিল। এই দাসবিলাক বস্তুৰ দৰে বিক্ৰী হৈছিল আৰু সকলো ৰকমৰ হেয় আৰু নীচ কাম কৰিবলৈ বাধ্য হৈছিল। মানুহৰ সমাজত সিহঁত এটা বেলেগ শ্ৰেণী আছিল। কিন্তু ইছলাম ধৰ্ম্মমতে দাস বুলি কোনো মানুহ থাকিব নোৱাৰে। যদিও হজৰত মহম্মদে এদিনতে দাসত্ব-প্ৰথা উঠাই দিয়া নাছিল; অতি অলপ সময়ৰ ভিতৰতে আগৰ দাসত্ব থাকিলেও দাসত্বৰ কলঙ্ক নোহোৱা হ'ল। মুছলমান দাস আৰু মালিকৰ মাজত প্ৰভেদ নোহোৱা হ'ল। ইছলাম ৰাজ্যত তেওঁলোকেও সৰ্ব্বোচ্চ পদ পাবৰ যোগ্যতা পালে। জেইদৰ সেনাপতিত্বই তাৰ প্ৰমাণ। ইয়াৰ বাহিৰেও মুছলমানসকলে বিপদৰ সময়ত একেলগে থাকি একেলগে খোৱা-লোৱা কৰাত সকলো মুছল-মানৰ মাজত এনে ভাতৃত্ব ভাবৰ সৃষ্টি হল যে মানুহৰ মনত যিবিলাক সামা-জিক অহঙ্কাৰ আৰু অভিমান আছিল সেই সকলোবোৰ সোনকালে দূৰ হবলৈ ধৰিলে। এই সাম্যভাব যাতে চিৰদিনলৈ বৰ্ত্তি থাকে তাৰ বাবে কিছুমান আইন প্ৰৱৰ্ত্তন কৰা হ'ল যি আজিলৈকে মুছলমানসকলৰ মাজত চলি আছে। তোমালোকক জাকাতৰ কথা মই কৈছোঁ। এই জাকাত যদিও সকলো মানুহেই দিব লাগিছিল, ধনী মানুহে দুখীয়াতকৈ বেছি দিয়াৰ আজ্ঞা আছিল। এই জাকাতৰ ধন ইছলাম সমাজৰ বাবে খৰচ হৈছিল আৰু সেই কাৰণেই তাৰ পৰা দুখীয়া শ্ৰেণীৰ মানুহৰ বেছি লাভ হৈছিল। ইছলাম সমাজত যাতে ধনী মানুহ আৰু ধনৰ কাৰণে এলেহুৱা মানুহ থাকিব নোৱাৰে তাৰ কাৰণে ধাৰে দিয়া টকাৰ সুত উঠাই দিয়া হ'ল। সেই কাৰণে মানুহে টকা ধাৰ দি তাৰ সুত খাই বহি আনৰ অন্যায় কৰা কথাটো ইছলামে সহ্য নকৰা হ'ল। ইপিনে মৃতকৰ সম্পত্তি এজন বা দুজন উত্তৰাধিকাৰীৰ হাতত পৰি যাতে আনৰ অন্যায় নহয় তাৰ বাবে সকলো উত্তৰাধিকাৰীকেই সম্পত্তিৰ অংশ দিয়াৰ বন্দবস্ত হ'ল। এই সম্পত্তিৰ অংশ ল'ৰা, ছোৱালী, তিৰোতা, ভাই ইত্যাদি সকলোৱে পোৱা হ'ল।

ৰাজনীতিৰ ক্ষেত্ৰতো ইছলামে আমূল পৰিৱৰ্ত্তন আনিলে। তোমালোকে দেখিছা হজৰত মহম্মদে কেনেকৈ তেওঁৰ মৃত্যুৰ পূৰ্ব্বে মুছলিম ৰাজ্য এখন থাপনা কৰি থৈ গল। ইছলামৰমতে ধৰ্ম্ম, সমাজ আৰু ৰাজ্য সকলোৰে

উদ্দেশ্য একে। ঈশ্বৰৰ বাণী অনুসাৰে সমাজ গঠন কৰা আৰু চলোৱাই হ'ল সকলোৰে প্ৰধান উদ্দেশ্য। ঈশ্বৰৰ ৰাজ্যত সকলো সমান। সেয়েহে সমাজ বা ৰাজ্যৰ শাসন-কৰ্ত্তাক মুছলমানসকলে বাচি দিব লাগে। ৰাজ্যৰ শাসন-কৰ্ত্তা ধৰ্ম্মৰক্ষক। তেওঁ ঈশ্বৰৰ প্ৰতিনিধি নহয়। সেই কাৰণে মুছলমান সকলে তেওঁক উপযুক্ত লোকৰ পৰা বাচি লয়। এনে লোককেই খালিফ বুলি কোৱা হৈছিল। মহম্মদৰ মৃত্যুৰ পিছত যি চাৰিজন খালিফা হয়, যদিও আটাই কেইজনকেই ৰছুলে মনোনীত কৰি থৈ যোৱা বুলি প্ৰকাশ কৰা হয়, তেওঁলোকক মুছলমানসকলে নিৰ্ব্বাচন কৰিছিল। ইয়াৰ দ্বাৰাই ইয়াকে বুজায় যে ঈশ্বৰৰ ৰাজ্যত সকলো মানুহৰে সমান স্বত্ব আছে। সমাজ আৰু ৰাজ্য চলাবৰ কাৰণে মানুহে এওঁলোকৰ ভিতৰত উপযুক্ত লোক বাচি লব পাৰে। হজৰত মহম্মদ ইছলাম ৰাজ্যৰ অধিপতি হৈয়ো নিজৰ সৰল জীৱনৰ দ্বাৰাই এই সত্য প্ৰমাণ কৰি গৈছিল। তেওঁৰ পিছত হোৱা খালিফা চাৰিজনেও জীৱনত সৰলতা, ন্যায়-পৰায়ণতা, সমতা আদিৰ দ্বাৰা জগতত এনে আদৰ্শ থৈ গৈছে যে পৃথিৱীৰ বুৰঞ্জীত এনে লোকৰ আদৰ্শ বিৰল। মই তোমালোকক এই চাৰিজনৰ জীৱনী পঢ়িবলৈ কওঁ। চাৰ উইলিয়াম মুয়াৰে লিখা ইংৰাজী কিতাপত এই বিষয়ে পঢ়িবলৈ পাবা।

ইছলাম ধৰ্ম্মৰ আৰু এটা গুণ সৰলতা। ই অতি সাধাৰণ মানুহে বুজিব পৰা ধৰ্ম্ম। ইয়াত দাৰ্শনিক তত্ত্ববাদৰ ঠাই নাই। জীৱন মৰণৰ জটিল সমস্যালৈ বিশেষ আলোচনা নাই। মই আগেয়ে কৈ আহিছোঁ এই ধৰ্ম্মৰ মূল ভিত্তি হৈছে এক ঈশ্বৰবাদ। ঈশ্বৰক আমি মানিব লাগে, মনে-প্ৰাণে আৰু আত্মাৰে তেওঁৰ কাৰ্য্য কৰিব লাগে আৰু তেওঁক সেৱা আৰু আৰাধনা কৰিব লাগে। মানুহৰ কৰ্ত্তব্য চাৰি ভাগত বিভক্ত কৰিব পাৰি, যেনে—নামাজ (প্ৰাৰ্থনা), জাকাত (দান), ৰোজা (উপবাস) আৰু হজ (তীৰ্থ)। মুছলমানে দিনৰ ভিতৰত পাঁচ বাৰ ঈশ্বৰক প্ৰাৰ্থনা কৰিব লাগে। মানুহৰ আয়ৰ এক অংশ প্ৰতি বছৰে ইছলামৰ কাৰণে দিব লাগে—সকলোতকৈ কম অংশ শতকৰা ২½ ভাগ শৰীৰৰ উপকাৰৰ কাৰণে আৰু অনাহাৰী দুখীয়া মানুহে খাবলৈ নাপালে কি কষ্ট হয় তাক বুজিবৰ কাৰণে ৰোজা ৰাখিব লাগে বা উপবাস দিব লাগে। ৰমজান মাহত তেওঁলোকে গোটেই মাহ উপবাসে থাকিব লাগে। শেষত মন পবিত্ৰ কৰিবলৈ আৰু ইছলাম ধৰ্ম্মৰ ভাতৃত্ব ভাব বঢ়াবৰ কাৰণে হজ অৰ্থাৎ মক্কা আৰু মদিনালৈ গৈ

সকলো ইছলাম ধৰ্ম্মী মানুহৰ লগত লগ হৈ ঈশ্বৰৰ গুণ কীৰ্ত্তন কৰিব লাগে। এইবিলাক ধৰা বন্ধা নিয়মৰ বাহিৰেও ৰছুলে কোৰাণৰ নিৰ্দ্ধাৰিত আন আন নীতি দৈনিক জীৱনত মানিবলৈকো মুছলিমসকলক বিশেষকৈ উপদেশ দিছিল। মানুহক সত্যবাদী, সহনশীল, দয়াশীল, ক্ষমাশীল, ন্যায়বান আৰু কৰ্ত্তব্য পৰায়ণ হবলৈ উপদেশ দিছিল।

মহম্মদ ৰছুলৰ প্ৰায়বোৰ উপদেশ কোৰাণত আছে। এতিয়া মুছলমানসকলৰ মতে কোৰাণ কেনেকৈ হ'ল কওঁ শুনা। ধ্যানৰ সময়ত ৰছুলৰ সমাধি হোৱাৰ কথা আগেয়ে কৈ আহিছোঁ। এই সমাধি অৱস্থাত তেওঁ কিছুমান মন্ত্ৰ উচ্চাৰণ কৰিছিল; এইবিলাক তেওঁৰ ওচৰত থকা শিষ্যবিলাকে লেখি লৈছিল। বহুত সময়ত তেওঁলোকে মুখস্থ কৰি পেলাইছিল আৰু পিছত শিলত, গছৰপাত ইত্যাদিত লেখি থৈছিল। এই মন্ত্ৰবিলাক ৰছুলে আৰু মুছলমানসকলে আৰ্য্য ঋষিসকলে ঈশ্বৰৰ পৰা পোৱা বেদবাণীৰ দৰে ঈশ্বৰৰ বাণী বুলি বিশ্বাস কৰে আৰু এইবোৰক অমোঘ সত্য বুলি মানে। কোৰাণত ধৰ্ম্ম, সমাজ নীতি, শাসন-নীতি আদি সকলো কথা পোৱা যায়। মুঠতে মনুষ্য জীৱনৰ সকলো কাৰ্য্য সম্বন্ধে ইয়াত বিতংভাৱে উপদেশ আছে। আনপিনে এফালৰপৰা ইয়াক পশ্চিম এচিয়াত প্ৰচাৰ হোৱা ধৰ্ম্মবিলাকৰ ধৰ্ম্ম বুৰঞ্জী বুলি ক'ব পাৰি। কোৰাণে ইহুদি আৰু খৃষ্টিয়ান ধৰ্ম্ম প্ৰচাৰকসকলকো নবি বা ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ বুলি মানি লৈছে, যদিও তোৰাৰ (ইহুদি শাস্ত্ৰ) বা এনজিলত (খৃষ্টিয়ান বাইবেল) উল্লেখ কৰা জীৱনীবিলাকৰ ঘটনাবোৰ একেবাৰে সত্য বুলি মানি লোৱা নাই। এই মহাগ্ৰন্থত স্বৰ্গৰাজ্য আৰু নৰক কুণ্ডৰ উল্লেখ আছে। বহুত মুছলিম লিখকে আৰু ইংৰাজীত কোৰাণ লিখক মহম্মদ আলিয়ে এই স্বৰ্গৰাজ্য আৰু নৰককুণ্ড ইহ জগতৰ মানুহৰ মানসিক আৰু আধ্যাত্মিক ভাৱৰ উৎকৰ্ষ আৰু পতন বুলি কয়। কোৰাণ পুথিৰ আকাৰে লিখা শেষ হয় খালিফা ওমৰৰ দিনত। প্ৰথম খালিফা আবু বকৰে এই বাণীবিলাক সংগ্ৰহ কৰে; ওমৰেও এইদৰে সকলো ঠাইৰপৰা নোটিচ জাৰী কৰি এই বাণীবিলাক একে লগ কৰায়; তাৰ পিছত এদল পণ্ডিতৰ দ্বাৰাই এইবোৰ যথাযথ পৰীক্ষা কৰায় আৰু পুথিৰ আকাৰত লিখায়। তাৰ পিছত যাতে কোনো প্ৰকাৰে জাল কোৰাণ ওলাব নোৱাৰে সেই কাৰণে আন মানুহৰ হাতত থকা সকলো পুস্তককেই নষ্ট কৰি পেলোৱা হয়। এই কাৰণে মুছলমানসকলে কোৰাণ অতি বিশ্বাসী পুথি বুলি মানে।

মহম্মদ ৰছুলে এই ধৰ্ম্ম সম্বন্ধে তেওঁৰ মৰণৰ আগতে কৈ গৈছিল যে তেওঁৰ মৃত্যুৰ কাৰণে ইছলামৰ একো অন্যায় নহয়, কাৰণ তেওঁ এজন সাধাৰণ মানুহ। মুছলমানৰ কাৰণে তেওঁ কোৰাণ থৈ গল। কোৰাণেই তেওঁলোকক জগতত সুপথ দেখুৱাই দিব। মুছলমানসকলে হজৰত মহম্মদকেই শেষ পয়গম্বৰ বা ধৰ্ম্ম প্ৰচাৰক বুলি মানে, নিজৰ চমু জীৱনতে তেওঁ ধৰ্ম্ম প্ৰচাৰ, সামাজিক আৰু জাতীয় উন্নতি সম্বন্ধে যেনে কৃতকাৰ্য্যতা লাভ কৰিছিল তেনে কৃতকাৰ্য্যতা লাভ কৰা আন কোনো মহাপুৰুষৰ জীৱনত বোধকৰো ইতিপূৰ্ব্বে ঘটা নাছিল। আৰব জাতিৰ জাতীয় স্বভাৱ সম্পূৰ্ণ-ৰূপে পৰিৱৰ্ত্তন হ'ল। নতুন ধৰ্ম্মৰ প্ৰেৰণা তেওঁলোকৰ মনত সোমোৱাৰ পৰা তেওঁলোকৰ যিবিলাক শক্তি আগতে অন্যায় কামত খটোৱা হৈছিল, সেইবিলাক এতিয়া ঈশ্বৰৰ আৰু জ্ঞান সেৱাত লগোৱা হ'ল। আৰববাসীৰ অসীম সাহ, তীক্ষ্ণ বুদ্ধি আৰু স্বাভাৱিক কাৰ্য্যকাৰিতাই এখন নতুন ৰাজ্য স্থাপনৰ নিমিত্তে লাগি গ'ল। সকলোৱে ঈশ্বৰৰ সৃজিত সন্তান বুলি জ্ঞান কৰি আৰববিলাক এটা বিৰাট জাতিত সংগঠিত হ'ল। অজ্ঞান অন্ধকাৰত পৰি থকা আৰব আকাশ নতুন দীপ শিখাৰে উদ্ভাসিত হ'ল।

আৰব জাতিয়ে নিজৰ বীৰত্ব, বিজ্ঞান আৰু সাহিত্য চৰ্চ্চা কলাবিদ্যা আৰু নিৰ্ম্মাণ, শাসন-নীতি, অৰ্থনীতি ইত্যাদিৰ জৰিয়তে যি কৃষ্টি আৰু সভ্যতাৰ দৃষ্টান্ত থৈ গৈছে তাক পঢ়িলে আচৰিত হ'ব লাগে। তাতকৈও বিস্ময় মানিবলগীয়া কথা এই যে মহৎ কামবিলাক ৰছুলৰ মৃত্যুৰ এশ বা এশ পঞ্চাশ বছৰৰ ভিতৰতে সম্পন্ন হৈছিল। মই এই সম্বন্ধে বহলাই ক'ব নোখোজো। তোমালোকে নিজেই কিতাপ পঢ়ি এই সম্বন্ধে জানি লবা। মই ইয়াত চমুকৈ অলপ কথা উল্লেখ কৰিম।

সেই সময়ত লেখত লবলগীয়া ৰাজ্যবিলাকৰ ভিতৰত চীন আৰু ভাৰত-বৰ্ষত বাদে, মিছৰ, কনষ্টান্টিনোপলত থকা ৰোমান ৰাজ্য প্ৰকৃততে গ্ৰীক ৰাজ্য চিৰিয়া আৰু পাৰস্য ৰাজ্যই সকলোতকৈ ডাঙৰ আছিল। এই কেইখন ৰাজ্য আৰবৰ মুছলমান সকলে হজৰত মহম্মদৰ মৃত্যুৰ ৩০ বছৰৰ ভিতৰতে জয় কৰিলে। ৭১১ চনত তেওঁলোক জিব্ৰাল্টৰ পাৰ হৈ ইউৰোপলৈ যায় আৰু ৭৩২ চনত বৰ্ত্তমান স্পেনত মুছলিম ৰাজ্য স্থাপন কৰে। টুৰচ্‌ৰ যুদ্ধত খৃষ্টিয়ান নেতা চাৰ্লচ মাৰটেলে আৰবসকলক পৰাজিত নকৰা হলে গোটেই

ইউৰোপ ইছলাম ধৰ্ম্মী হলহেতেন বুলি বহুতে অনুমান কৰে। পূৰ্বকালে আৰবসকলে ভাৰতবৰ্ষৰ হিন্দুকোষ পৰ্ব্বতৰ কাষলৈকে জয় কৰিলে; আৰু এদল আৰব আহি সিন্ধু নদীৰ নামনিত থকা ৰাজ্য দখল কৰিলে। বৰ্ত্তমান সেই খণ্ডকে সিন্ধুদেশ বোলে। এইদৰে ভাৰতবৰ্ষৰ পৰা স্পেন দেশলৈ এই গোটেইখিনি ঠাইতে ইছলামৰ ধ্বজা উৰিবলৈ ধৰিলে।

আফ্ৰিকা আৰু ইউৰোপত এই বিজয়ৰ অৰ্থ অকল দেশ দখলেই হৈ থকা নাছিল। আৰবসকলে লগে লগে এই দেশবিলাকত উচ্চ সভ্যতাৰ কেন্দ্ৰ খুলি দিলে। মিছৰত কাইৰো, মৰক্কোত ফেজ, চিৰিয়াত ডাম্‌চকাচ্, ইৰাকত বাগদাদ আদি উত্তম চহৰৰ সৃষ্টি হ'ল। এই চহৰবোৰ ধৰ্ম্ম, বিজ্ঞান, পুথিভঁৰাল ইত্যাদিৰ কেন্দ্ৰ হৈ পৰিল। ওপৰত নাম দিয়া প্ৰত্যেকখন চহৰেই সৌন্দৰ্য্যপূৰ্ণ অট্টালিকা, ঘূগমীয়া মজ্জিদ, বিতোপন উদ্যান, সাধাৰণ মানুহৰ কাৰণে চিকিৎসালয়, গা-ধোৱা পুখুৰী ইত্যাদি অনেক লাগতিয়াল অনুষ্ঠানেৰে সুশোভিত হৈ পৰিছিল। ইয়াৰ ভিতৰত কাইৰো বৃহৎ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰ হৈ পৰিছিল। ভাৰতবৰ্ষৰ তক্ষশিলা আৰু নালন্দা বিশ্ববিদ্যালয়ৰ দৰে ইয়ালৈকো পৃথিবীৰ নানা ঠাইৰ পৰা বিদ্যাৰ্থীসকল আহিছিল আৰু পণ্ডিতসকলেৰে মিলি বিজ্ঞান, দৰ্শন আৰু ধৰ্ম্মৰ তথ্যবিলাক চৰ্চ্চা কৰিছিল। মজ্জিদ, বিদ্যালয়, ৰাজপ্ৰাসাদ আদি সকলো নিৰ্ম্মাণ কাৰ্য্যকেই এনে সুন্দৰ আৰু সুচাৰুৰূপে সজা হৈছিল যে সেই সময়ৰ নিৰ্ম্মাণ শিল্পৰ ভিতৰত আৰব নিৰ্ম্মাণ শিল্পই প্ৰাধান্যতা লাভ কৰিছিল। তাৰ অসংখ্য উদাহৰণ আজিও পৰি আছে আৰু তাৰ সুন্দৰ, সৰল আৰু গম্ভীৰ সৌন্দৰ্য্যই কোটি কোটি লোকৰ চিত্ত আকৰ্ষণ কৰি আছে। স্পেনৰ 'আলহামৰা' পৃথিবীৰ ভিতৰত সৰ্ব্বোৎকৃষ্ট অট্টালিকা বুলি বহুতে কয়।

জ্ঞানৰ ৰাজ্যতো আৰবসকলে কম উৎকৰ্ষ সাধন কৰা নাছিল। পাশ্চাত্য জগতক বৈজ্ঞানিক প্ৰণালী শিকায় আৰবসকলে। আৰবসকলেই প্ৰথমে বৈজ্ঞানিক গৱেষণাগাৰৰ সৃষ্টি কৰে আৰু তাত বস্তু জগতৰ গুণ পৰীক্ষা কৰে। ৰসায়ন বিজ্ঞান আৰু ৰোগী চিকিৎসাতো আৰবসকল বিদ্বান আৰু পটু আছিল। তোমালোকে জনা উচিত যে এলজেব্ৰা (Algebra) আৰু এল্‌কেমি ( Al-chemy ) দুয়োটা আৰব শব্দ। গণিত শাস্ত্ৰ বিশেষকৈ এল্‌জেব্ৰা ইউৰোপীয় জাতিলৈ আৰবসকলৰ মহৎ দান। চীনাসকলৰ পৰা আৰবসকলে কাগজ তৈয়াৰ কৰিবলৈ শিকে আৰু তেওঁলোকৰ জৰিয়তেহে

ইউৰোপে জানে। এই আৰবসকলেই ইউৰোপত বন্দুকৰ বাৰুদ তৈয়াৰ কৰিবলৈ শিকায়। এই বিদ্যাও চীনবিলাকে প্ৰথম আবিষ্কাৰ কৰে। জ্ঞানৰ পিয়াহত এই আৰবসকল আমাৰ ভাৰতবৰ্ষলৈ আহে। বস্তুত আৰব ছাত্ৰই তক্ষশিলা বিশ্ববিদ্যালয়লৈ আহি গণিত, আয়ুৰ্ব্বেদ আদি শাস্ত্ৰত ব্যুৎপত্তি লাভ কৰি নিজৰ দেশলৈ উভতি যায়। এই অমূল্য জ্ঞানৰ ভঁৰাল স্পেনৰ কৰ্ডোভা বিশ্ববিদ্যালয়ৰ পৰা পশ্চিমৰ ইউৰোপৰ জাতিবোৰে লাভ কৰে। ইউৰোপ সেই সময়ত অজ্ঞান অন্ধকাৰত পৰি আছিল। শিক্ষাৰ কোনো উপযুক্ত কেন্দ্ৰ নাছিল। খৃষ্টিয়ান প্ৰচাৰকসকলৰ ঘৰেই স্কুলঘৰ আৰু পুথিভঁৰাল আছিল। আৰু প্ৰচাৰকসকলৰ বাহিৰে অতি অলপ সংখ্যক লোকেহে লেখা-পঢ়া জানিছিল। সেই সময়ত বহুত খৃষ্টিয়ান আহি কাৰ্ডোভা বিশ্ববিদ্যালয়ত থাকি অধ্যয়ন কৰিছিল আৰু এই বিদ্যাৰ্থীসকলৰ জৰিয়তে ইউৰোপীয় লোকে বিদ্যাৰ মোল বুজে আৰু ইয়াৰ ফলতেই ইউৰোপ ক্ৰমে সভ্য হয়। কিন্তু এই খৃষ্টিয়ান বুৰঞ্জী লিখকসকলেই পিছত ৰছুল আৰু ইছলাম ধৰ্ম্মক নিন্দা কৰে; আলেকজেন্দ্ৰিয়া নগৰৰ টলেমীৰ দিনত ডাঙৰ লাইব্ৰেৰী এটা পুৰি পেলোৱা বুলি বদনাম কৰে আৰু বিশেষকৈ এক হাতে তৰোৱাল আৰু আন-হাতে কোৰাণ লৈ ধৰ্ম্ম প্ৰচাৰ কৰাৰ অভিযোগ কৰে। ইয়াতকৈ পৰিতাপৰ কথা কি হব পাৰে? ইয়াতে তোমালোকে এইখিনিও জনা উচিত যে যদিও মহম্মদ ৰছুল নিজে পণ্ডিতলোক নাছিল, তেওঁ জ্ঞান আৰু বিদ্বান চৰ্চ্চাক ঈশ্বৰ সেৱাৰ পাছতে ঠাই দিছিল। ইছলাম ধৰ্ম্মৰদৰে অতি সবল ধৰ্ম্মৰ ভিতৰত যে দাৰ্শনিক চৰ্চ্চাৰ বহুত ঠাই নাই, এইটো মানুহৰ সাধাৰণ বিশ্বাস। সকলো ধৰ্ম্মৰে প্ৰকৃত ভিত্তি হৈছে বিশ্বাস। কিন্তু তথাপি সকলো ধৰ্ম্ম সম্বন্ধে কিছুমান সূক্ষ্ম কথালৈ মানুহে বিচাৰ কৰে। ইছলাম সম্বন্ধেও তেনে নোহোৱাকৈ থকা নাছিল। তোমালোকক চমুকৈ স্বৰ্গৰাজ্য আৰু নৰককুণ্ড সম্বন্ধে ইছলাম পণ্ডিতসকলে কি কয় মই কৈ আহিছোঁ। ইছলামৰ ভিতৰতো এদল তত্ত্বদৰ্শী আৰু সূক্ষ্ম সত্য অন্বেষণকাৰী সাধক লোক আছিল। এই লোকসকলক চুফি বোলে। এওঁলোকে ঈশ্বৰ দৰ্শনৰ অভিলাষী হৈ হিন্দু ঋষিসকলৰ দৰে নিজৰ আত্মাতে ঈশ্বৰক উপলব্ধি কৰিছিল। এই লোক-সকলৰ ভিতৰত 'অল মনসুৰ' নাম উল্লেখযোগ্য। এওঁ এজন অদ্বিতীয় সাধক আছিল, সত্যৰ কাৰণে প্ৰাণ দিছিল। এইদৰে ইছলাম ধৰ্ম্মৰ লগত এটা দাৰ্শনিক চিন্তা ধাৰাও ফুটি ওলাল, যাৰ শিকনিয়ে আজিও অনেক হিন্দু,

মুছলমান আৰু আন ধৰ্ম্মাৱলম্বী লোকক উচ্চ ধৰ্ম্ম জীৱনত শান্তি দিছে।

বাপা, সেই সময়ৰ আৰবৰ মুছলীমসকলে আন মানুহৰ লগত কেনে ব্যৱহাৰ কৰিছিল সেই সম্বন্ধেও কিছু কওঁ শুনা। আৰব জাতিৰ লোক-সকল বৰ কাজিয়া প্ৰিয় হলেও, এওঁলোকৰ কিছুমান স্বাভাৱিক ভাল গুণ আছিল। তাৰ ভিতৰত অতিথি সেৱা উল্লেখ কৰিবলগীয়া। এওঁলোকে শত্ৰুকো আশ্ৰয় দিয়াৰ কথাৰ প্ৰমাণ ইউৰোপীয় লেখকসকলেই দিয়ে। আৰবসকলে সেই সময়ত সকলো জনাজাত ঠাইতেই কাৰবাৰ কৰি ফুৰাৰ কাৰণে প্ৰিয়ভাষী আছিল। আৰু সকলোৰে লগত ভালকৈ মিলিব পাৰি-ছিল। এওঁলোকে যি ঠাইকেই অধিকাৰ কৰিছিল সেই ঠাইৰ মানুহৰ লগত তৎক্ষণাৎ মিলি গৈ সেই ঠাইকেই নিজৰ দেশ বুলি মানি লৈছিল। মোৰ বোধেৰে এওঁলোকৰ ভিতৰত কিছুমান লোকৰ ইতিপূৰ্ব্বে থকা ঠাইৰ স্থিৰতা নথকা কাৰণে এওঁলোকে দূৰণি ৰাজ্যত হলেও স্থায়ী বাসিন্দা হবলৈ পালে সুখী হৈছিল। এওঁলোক সাহসী আৰু বিদ্যোৎসাহী হোৱাৰ কাৰণে সকলো ঠাইতে সকলো মানুহৰ লগত মিলি-জুলি ফুৰিব পাৰিছিল। সেই সময়ৰ মুছল-মানসকলে আন ধৰ্ম্মৰ লোকক আন ধৰ্ম্মৰ নীতিক সহ্য কৰাৰ প্ৰমাণ যথেষ্ট পোৱা যায়। গজনিৰ মামুদৰ দিনৰ আগলৈকে সিন্ধু প্ৰদেশৰ মুছলমান-বিলাকৰ লগত হিন্দুৰ ধৰ্ম্ম সম্বন্ধে কোনো সংঘৰ্ষ হোৱা নাছিল। কাইৰো বিশ্ববিদ্যালয়ত সকলো ধৰ্ম্মৰ ছাত্ৰকে পঢ়িবলৈ দিয়া হৈছিল। কৰ্ডোভাতো সেইদৰে সকলো দেশৰ পৰা খৃষ্টিয়ান ইহুদি আৰু আন ধৰ্ম্মৰ লোক আহি পঢ়িছিল। তাত সকলো ছাত্ৰই সমান ব্যৱহাৰ পাইছিল আৰবৰ মুছলীম-সকলে এই নীতি মানি লৈছিল যে ধৰ্ম্মৰ কাৰণে কাকো অত্যাচাৰ কৰা নহব আৰু মানুহে নিজ নিজ ধৰ্ম্মমতে অবাধে চলিব পাৰিব। ইছলাম যে প্ৰকৃততে শান্তিদায়ক আৰু ধৰ্ম্মবিৰোধী নহয়– এইটো আৰবৰ মুছলীমসকলৰ ধৰ্ম্মবিশ্বাসৰ অংশ আছিল। পণ্ডিত জৱাহৰলাল নেহৰুৱে তেওঁৰ পৃথিবীৰ ইতিহাসত ( Glimpses of World History ) এইদৰে কৈছে, "আৰব-সকল ধৰ্ম্মৰ প্ৰথম জাগৰণতে ধৰ্ম্মৰ নিমিত্তে বৰ উৎসাহী আছিল। তথাপি আন ধৰ্ম্মৰ প্ৰতি সহনশীল আছিল। খালিফা ওমৰে এই সম্বন্ধে প্ৰধান লক্ষ্য ৰাখিছিল। স্পেনত খৃষ্টিয়ান বিলাকে নিজ ধৰ্ম্মমতে চলিবৰ কাৰণে সম্পূৰ্ণ স্বাধীনতা পাইছিল। ভাৰতবৰ্ষত তেওঁলোকে সিন্ধু প্ৰদেশৰ বাহিৰে আন ঠাইত ৰাজত্ব কৰা নাছিল। তাতো তেওঁলোকৰ আন মানুহৰ

লগত সম্বন্ধ আৰু ব্যৱহাৰ সৎ আৰু মধুৰ আছিল। প্ৰকৃততে এই সময়ৰ বুৰঞ্জীৰ বিশেষকৈ লক্ষ্য কৰিবলগীয়া কথা হৈছে মুছলমানসকলৰ আন ধৰ্ম্মৰ প্ৰতি থকা সহনশীলতা আৰু খৃষ্টানসকলৰ অসহনশীলতা।"

বাপা, অলপ ভাবি চালেই দেখা পাবা যে আৰব চৰিত্ৰৰ এই সজ গুণবিলাক বছুলৰ নিজ চৰিত্ৰ আৰু ইছলাম ধৰ্ম্মৰ প্ৰভাৱত ফুটি উঠিছিল। সদায় নতুন ভাৱৰ প্ৰেৰণাতহে জগতৰ পৰিবৰ্ত্তন হয়। পৃথিবীৰ সকলো পৰিবৰ্ত্তনৰ মূল কাৰণ প্ৰথমে ভাবৰ জাগৰণ। ইছলাম ধৰ্ম্ম আৰু ৰছুলৰ জীৱনীয়ে আৰবসকলৰ মনত এই জাগৰণ আনি দিছিল আৰু সেই কাৰণে সেই সময়ৰ জগতত এই মহা পৰিবৰ্ত্তন হৈছিল। এই মহাপুৰুষ আৰু ইছলাম সম্বন্ধে মহাত্মা গান্ধীয়ে কৈছে যে এই জীৱনৰ কিছুমান ঘটনা আছে যাক মই ভালকৈ বুজি নেপাওঁ, আৰু বুজাবও নোৱাৰোঁ। কিন্তু এই কথা মই সমালোচক বা অবিশ্বাসীৰ দৰে কোৱা নাই। যি মহাপুৰুষজনে শত লক্ষ্য লোকৰ ওপৰত একাধিপত্য প্ৰভাৱ বিস্তাৰ কৰি আছে তেওঁৰ জীৱনৰ শ্ৰেষ্ঠতম অংশখিনি জনাৰ মোৰ একান্ত ইচ্ছা আছিল।......মোৰ দৃঢ় বিশ্বাস হল যে তৰোৱালৰ শক্তিৰ দ্বাৰাই ইছলামে সেই সময়ৰ মানুহৰ হৃদয়ত স্থান পোৱা নাই। ইয়াৰ কাৰণ আছিল পয়গম্বৰৰ সম্পূৰ্ণ অহঙ্কাৰশূন্য ভাব, প্ৰতিজ্ঞা পালন কৰাৰ দৃঢ়তা, তেওঁৰ সঙ্গী আৰু অনুচৰসকলৰ প্ৰতি তীব্ৰ প্ৰেম, নিজৰ দক্ষতা, নিৰ্ভীকতা আৰু ঈশ্বৰ আৰু তেওঁৰ জীৱনৰ ব্ৰতৰ ওপৰত সম্পূৰ্ণ বিশ্বাস। এইবোৰে তেওঁৰ সমস্ত বিঘিনি নাশ কৰিছিল-- তৰোৱালে নহয়। কোনো মানুহকেই পয়গম্বৰেই হওক বা অৱতাৰেই হওক পূৰ্ণ পুৰুষ বুলি নভবাৰ কাৰণেই পয়গম্বৰৰ জীৱনৰ সকলো ঘটনাকে সমালোচনা কৰিবৰ মোৰ আৱশ্যক নাই। মোৰ পক্ষে এয়ে যথেষ্ট যে কোটি লোকৰ ভিতৰত তেওঁ এনে এজন পুৰুষ যিজনে ঈশ্বৰক ভয় কৰি চলিছিল। যিজনে দৰিদ্ৰভাৱে জীৱন কটালে, যিজনে তেওঁৰ মাটিৰ দেহাৰ কাৰণে অট্টালিকাৰ দৰকাৰ বোধ নকৰিলে আৰু যিজনে তেওঁৰ মৃত্যু শয্যাতো পাওনাদাৰৰ ধাৰ পৰিশোধ কৰি গ'ল। আজি আমাৰ চাৰিওফালে যি হেয় অসহিষ্ণুতা আৰু সন্দেহজনক উপায়েৰে ধৰ্ম্ম গ্ৰহণ কৰোৱা কাম চলিব লাগিছে, তাৰ কাৰণে পয়গম্বৰৰ শিক্ষাক কোনোমতেই দায়ী কৰিব নোৱাৰি, যেনেকৈ হিন্দুবিলাকৰ বৰ্ত্তমান পতন আৰু অসহিষ্ণুতাৰ কাৰণে হিন্দু ধৰ্ম্মক দায়ী কৰিব নোৱাৰি!

বহুলৰ জীৱনী ইয়াতেই শেষ হ'ল। কিন্তু মোৰ এই কিতাপ লেখাৰ উদ্দেশ্যই বিফল হব যদি মই ইয়াত তোমালোকক ধৰ্ম্মৰ সহনশীলতা সম্বন্ধে দুষাৰমান নকওঁ। তোমালোকে ভাৰতবৰ্ষত চলি থকা আটাইকেইটা ধৰ্ম্মৰ কথাকে জানিলা। বৌদ্ধ ধৰ্ম্ম হিন্দুৰে ব্যাখ্যা মাত্ৰ। হিন্দু ধৰ্ম্মত নিহিত থকা বহুত কথা বুদ্ধদেৱৰ শিকনিত ফুটি উঠিছিল। মূল হিন্দু ধৰ্ম্ম সম্পূৰ্ণ-ৰূপে সহনশীল আৰু ধৰ্ম্ম বিশ্বাসত জোৰ-জুলুমৰ কথা কেতিয়াও কোনেও শুনা নাই। খৃষ্টিয়ান ধৰ্ম্ম মূলতে আন ধৰ্ম্ম-বিৰোধী নহয় বুলি কব পাৰি। যীশুখৃষ্টই মানৱ জাতিৰ দুঃখিত, পীড়িত আৰু দলিত লোকৰ সহায়ৰ কাৰণে জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ ধৰ্ম্ম বৌদ্ধ ধৰ্ম্মৰ দৰে প্ৰেমময়। এনে ধৰ্ম্মত অসহনশীলতাৰ পৰিবৰ্ত্তে বিশ্বপ্ৰেমৰহে ঠাই আছে। ইছলাম ধৰ্ম্মৰো মূলনীতি বিশ্বশান্তি। কোৰাণে স্পষ্টভাৱে ধৰ্ম্মত কোনো প্ৰকাৰৰ জোৰ-জুলুমৰ ঠাই নাই বুলি কৈছে। তথাপি পৃথিবীত ধৰ্ম্মৰ নামত যিমান বিৰোধ আৰু ৰক্তপাত হৈছে আন কোনো কাৰণেই হোৱা নাই বুলি কব পাৰি। মই তোমালোকক প্ৰথমৰ খৃষ্টিয়ানবিলাকৰ মাজত দলা-দলি, মৰা-মৰি, কটা-কটি, মধ্যযুগত মুছলমান আৰু খৃষ্টিয়ানৰ ভিতৰত অসংখ্য যুদ্ধ আৰু অনাহক ৰক্তপাতৰ কথা কৈ সময় কটাব নোখোজোঁ। কিন্তু আজিও আমাৰ পুণ্য-ভূমি ভাৰতবৰ্ষত হিন্দু আৰু মুছলমানৰ ভিতৰত বিৰোধ কাজিয়া আৰু ৰক্তপাত দেখিলে মনত দুখ নেলাগেনে ?

ঢাকাত আজি এমাহমান ধৰি তেনে সাম্প্ৰদায়িক কাজিয়া লাগি ৬০ জন মানুহৰ মৃত্যু হ'ল। এশৰ ওপৰ মানুহৰ জখম হ'ল আৰু অসংখ্য লোকৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ পুৰি ছাই হ'ল; কত লক্ষ টকাৰ সম্পত্তি নাশ হ'ল, তাৰ এতিয়াও হিচাপ হোৱা নাই। প্ৰায় দহ-বাৰ হাজাৰ হিন্দু লোকে অত্যাচাৰ সহ্য কৰিব নোৱাৰি ত্ৰিপুৰা ৰাজ্যত সোমাই ৰজাৰ আতিথ্য গ্ৰহণ কৰিহে ৰক্ষা পাইছে। আজি ১০ দিনমান ধৰি এই নৃশংস লীলা আহমাদাবাদ চহৰতো উপস্থিত হৈছে। ইয়াৰ ভিতৰত ৭০।৮০ জনৰ মৃত্যু আৰু প্ৰায় ২০০ জন মানুহ আহত হৈছিল। বোম্বাইতো তেনে অত্যাচাৰ আৰম্ভ হবলৈ ধৰিছিল; পুলিচে সেইটো বন্ধ কৰিলে। এনে দুৰ্ঘটনা প্ৰায় বছৰে হৈ থাকে। যদিও এনে হত্যাকাণ্ড অসমত সোমোৱা নাই, হিন্দু-মুছলমানৰ ভিতৰত পূৰ্ব্বৰ প্ৰীতি যে কমি আহিছে তাক স্বীকাৰ কৰিবই লাগিব।

এই বিৰোধৰ কাৰণ বিচাৰিব লাগিলে বহুত কথা কব লাগে; মোৰ

সেইবোৰ বিচাৰ কৰিবৰ ইচ্ছা নাই। প্ৰকৃততে এই বিৰোধবিলাকৰ মূল হ'ল স্বাৰ্থপৰতা। ধৰ্ম্ম মনা আৰু ধৰ্ম্মত বিশ্বাস থকা মানুহৰ কেতিয়াও কাজিয়া হব নোৱাৰে। প্ৰকৃত ধৰ্ম্ম মনা মানুহে সকলো মানুহকে ভাই বুলি জ্ঞান কৰে আৰু এজনৰ দোষ দেখিলে ক্ষমাৰ দ্বাৰাই শুধৰাবলৈহে চেষ্টা কৰে। কিন্তু যেতিয়া ধৰ্ম্মৰ নামত মানুহে ব্যৱসায় কৰিবলৈ আৰম্ভ কৰে, তেতিয়া স্বাভাৱিকতেই নিজৰ নিজৰ ধৰ্ম্মৰ সৰু কথাকে ডাঙৰকৈ পাতি লৈ কাজিয়াৰ সৃষ্টি কৰে আৰু পৰস্পৰে পৰস্পৰৰ ধৰ্ম্মক ঘৃণা কৰিবলৈ ধৰে। প্ৰত্যেক দেশতেই কিছুমান মৌলানা আৰু ধৰ্ম্মযাজক আছে, যিসকলে নিজৰ ধৰ্ম্মটো ডাঙৰ দেখুৱাবলৈ গৈ আনৰ ধৰ্ম্মক আৰু আন ধৰ্ম্মাৱলম্বী লোকক হেয় আৰু ঘৃণাৰ পাত্ৰ কৰিবলৈ চেষ্টা কৰে। এনে কাৰ্য্যৰ দ্বাৰা পৰমেশ্বৰ, ধৰ্ম্ম প্ৰচাৰক আৰু মহাপুৰুষসকলকো পক্ষপাতী আৰু অন্যায়পৰায়ণ জ্ঞান কৰা নহয়নে? আমাৰ ভাৰতবৰ্ষৰ আজি পতনৰ দিন। সমাজ আৰু আনৰ কাৰণে জীৱন দিবলৈ আমি পাহৰিলোঁ। নিজে কেনেকৈ ভালদৰে খাই-বই ভোগ-বিলাসত থাকিব পাৰে তাক লৈয়েই সকলো ব্যস্ত। ধৰ্ম্মৰ নামত নিজৰ সুবিধা কৰিবলৈ বহুতেই লাগিছে। বৃটিছ চৰকাৰে আমাৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষত ইন্ধন যোগাইছে। তাৰ কাৰণে চাকৰি আৰু সুবিধাৰ কাৰণে সমাজৰ মাজত কাজিয়া আৰু বিৰোধৰ ভাৱৰ সৃষ্টি হৈছে। বহুত বেয়া মানুহে সাধাৰণ হোজা মানুহক উচটাই দি তেওঁলোককো সাম্প্ৰদায়িক ভাবাপন্ন কৰি দিছে। আমাৰ গাওঁবোৰত আগৰ সাম্প্ৰদায়িক প্ৰীতি আৰু মৰম নাই। পশ্চিমৰ ডাঙৰ চহৰবিলাকত সাম্প্ৰদায়িক হাঙ্গামা হলেই গুণ্ডাবিলাকক ৰাজ্য পাতি দিয়া হয়। কাৰণ সিহঁতে এই সুবিধাতে এপিনে এই অসৎ সাম্প্ৰদায়িক নেতাবিলাকৰপৰা টকা খাবলৈ পায় আৰু আনপিনে লুটপাত কৰি ধন উপাৰ্জ্জন কৰিবলৈ সুবিধা পায়। এতেকে অলপ গমি চালেই গম পাবা যে সাম্প্ৰদায়িক বিৰোধ বৃটিছ শাসনৰ ফল—বৃটিছৰ স্বাৰ্থজড়িত পাপ ভাবৰ বিকাশ মাত্ৰ। এই কাৰণে আমি মহাপুৰুষসকলক নাইবা তেওঁলোকৰ ধৰ্ম্মক দোষ দিয়া যুগুত নহয়।

এই গুৰুতৰ অশান্তি আৰু বিৰোধ দূৰ কৰিবৰ উপায় কি? মোৰ মনেৰে ইয়াৰ উপায় এই মহাপুৰুষসকলৰ উপদেশত পোৱা যাব। ইয়াৰ পিছত যি মহাপুৰুষজনৰ জীৱনী তোমালোকক কম, তাত সাম্প্ৰদায়িক মিলনৰ অনেক কথা পাবা। সেইবিলাক জানি-শুনি তোমালোকে নিজৰ কৰ্ত্তব্য ঠিক কৰিবা।

# গান্ধীজী

## পাতনি

ভাৰতবৰ্ষৰ স্বাধীনতাৰ কাৰণে পৃথিৱীক নতুন প্ৰেৰণা যোগাবলৈ আৰু পীড়িতসকলক সত্যাগ্ৰহৰ সাত্বিক অমোঘ অস্ত্ৰ দেখুৱাবলৈ যেতিয়া ভগবানে গান্ধীজীক ভাৰতলৈ পঠায়, তেতিয়া তেওঁৰ কাৰ্য্যসিদ্ধিৰ উদ্দেশ্যে ঠায়ে ঠায়ে ভগবানে তেওঁৰ সৰু সৰু সহায়কৰ সৃষ্টি কৰে। এনে বন্ধুসকলৰ ভিতৰত মোৰ পৰম বন্ধু স্বৰ্গীয় গোপীনাথ বৰদলৈদেৱৰ এক উত্তম স্থান আছিল। মহাত্মাজীয়ে এবাৰ কৈছিল যে ভাৰত প্ৰতিষ্ঠাত ব্যাঘাত হোৱা কাম গোপীনাথজীয়ে কেতিয়াও নকৰে।

স্বাধীনতা আন্দোলনৰ সময়ত কাৰাগাৰৰ ভিতৰত বহি বহি গোপীনাথজীয়ে যি সাহিত্য চৰ্চা কৰিছিল, তাৰ ভিতৰত মহাত্মা গান্ধীৰ চমু জীৱনী এটিও লিখিছিল। সেই জীৱনী আজি প্ৰকাশিত হৈছে।

মহাত্মাজীৰ সৰু সৰু জীৱনী বহুত কেইখন প্ৰকাশিত হৈছে, ভৱিষ্যতলৈও হ'ব। কিন্তু মহাত্মাজীৰ স্বাধীনতাৰ কাম যিজনে সসন্মানে আপোন কৰি লৈছিল, যিজনে সেই কাম সিদ্ধি কৰিবলৈ গোটেই জীৱন অৰ্পণ কৰিলে, তেনে পুৰুষৰ হাতে লিখা জীৱনীৰ মহত্ত্ব নিশ্চয় অলপ বেছি। মানুহে নিজৰ শক্তি অনুসাৰেহে মহান বিভূতিৰ দৰ্শন লাভ কৰিব পাৰে। যিজন ব্যক্তি স্বয়ং নিষ্ঠাবান হয় সেইজনেহে গান্ধীজীৰ অসাধাৰণ নিষ্ঠাকো সন্মান কৰিব পাৰে।

সুখৰ কথা যে গোপীনাথজীৰ কনিষ্ঠা কন্যা কুমাৰী লিলিয়ে দেউতাকে অপ্ৰকাশিত-ভাৱে এৰি থৈ যোৱা সাহিত্যক নিয়াৰিকৈ প্ৰকাশ কৰিবলৈ ব্যৱস্থা কৰিছে। মই কুমাৰী লিলিক অভিনন্দন জনাইছো আৰু তেওঁক আশীৰ্বাদ কৰিছো।

মোৰ বিশ্বাস যে অসমীয়া ভাষা ক'ব পৰা ৰাইজে তেওঁলোকৰ প্ৰিয়-পূজ্য নেতা গৰাকীয়ে লিখা এই গান্ধী-জীৱনীখন অতি আগ্ৰহেৰে পঢ়িব আৰু গান্ধীজীৰ কাৰ্য্যক্ৰম আগুৱাই লৈ যাবলৈ এই পুথিখন সহায়ক হ'ব।

নতুন দিল্লী  
৮-৬-৬৪  
নেহৰু শ্ৰাদ্ধ দিন

কাকা কালেলকাৰ

## গান্ধীজী

বাপা, মই এতিয়া যি মহাপুৰুষজনৰ জীৱনী কবলৈ ওলাইছোঁ তেওঁক তোমালোকে দেখা মনত পৰিব পায়। তোমালোকতকৈ বয়স হোৱা ল'ৰা প্ৰায়বিলাকেই দেখিছে। তেওঁৰ ছবি প্ৰায় সকলো লোকৰ ঘৰতে আছে আৰু তেওঁৰ সম্বন্ধে তোমালোক সকলোৱে কিছু কথা জানা। কংগ্ৰেছ মহাসভাৰ গুৰিয়াল হোৱাৰ কাৰণে তেওঁৰ নাম নজনা লোক বা ল'ৰা-ছোৱালী কোনো নাই। তথাপি তেওঁৰ সম্বন্ধে বেছিভাগ লোকৰেই জ্ঞান—তেওঁ এজন অদ্বিতীয় ৰাজনৈতিক নেতা হিচাপেহে। তেওঁ ভাৰতক স্বাধীনতা দান কৰিবলৈ আহিছে, ভাৰতৰ লাখ লাখ দুখীয়া মানুহৰ অন্ন-বস্ত্ৰৰ ব্যৱস্থাৰ নিমিত্তে তেওঁ বৃটিছ শাসনৰ লগত যুঁজ কৰি স্বাধীনতা স্থাপন কৰিবলৈ বিচাৰিছে, এই বুলিহে বহুত লোকে তেওঁক জানে। এনে অৱস্থাত পৃথিৱীৰ ধৰ্মগুৰুসকলৰ জীৱনীৰ লগত তেওঁৰ জীৱনী একে ঠাইতে লগ কৰাৰ বাবে মোক তোমালোকে দোষ দিব পাৰা। প্ৰকৃততে তোমালোকৰ কাৰণে মই মহাত্মা গান্ধীৰ জীৱনী লিখিবৰ অভিপ্ৰায়ে তেওঁলৈ অনুমতি বিচাৰি চিঠি লিখাত তেৱেঁই এই আসোঁৱাহ তুলিছে। তেওঁ লিখিছে, "You will offend all orthodoxy by bracketing me with the 'avataras' and the prophets and I think rightly. You cannot write of a living man in the same way as of the dead, who by common consent have been acclaimed as Great teachers" অৰ্থাৎ "তুমি মোক অৱতাৰ আৰু ঈশ্বৰৰ প্ৰেৰিত লোকসকলৰ লগত একেলগে ধৰি সঁচাকৈয়ে সকলো পৌৰাণিক নিয়মৰ বিৰোধী হবা। পৃথিৱীৰ লোকে গ্ৰহণ কৰা মহৎ গুৰুসকলৰ জীৱনৰ দৰে এজন জীয়াই থকা মানুহৰ জীৱন একেদৰে লিখিব নোৱাৰা।"

এই শেষৰ আসোঁৱাহ সম্বন্ধে মই তোমালোকক কৈ আহিছোঁ যে মহাপুৰুষসকলৰ শাৰী নাই। তেওঁলোক প্ৰত্যেকেই সাময়িক 'গ্লানি' দূৰ

কৰি ঈশ্বৰৰ পৰম ইচ্ছা পূৰণ কৰিবলৈ জন্ম গ্ৰহণ কৰে; আৰু অসীম শক্তিৰ দ্বাৰা গ্লানিবিলাক দূৰ কৰে। লগে লগে নিহিত হৈ থকা চিৰন্তন সত্য কিছুমান পৃথিৱীত প্ৰচাৰ কৰি যায়। আমি সাধাৰণ মানুহে যি সমাজত থাকোঁ, সেই সমাজৰ দোষবিলাক চিনিকে নাপাওঁ, আৰু বহুসময়ত সেইবিলাক গুণ বুলি ভাবি লওঁ, বহুতে নিজৰ স্বাৰ্থৰ কাৰণে এই দোষবিলাক চলি থকাত সহায় কৰে; কিছুমানে এই দোষবিলাক জানিও, সেইবিলাক দূৰ কৰিবলৈ যি শক্তি আৰু ত্যাগ লাগে তাৰ অভাৱত সেইবোৰক আওকাণ কৰি বহি থাকে। কিন্তু মহাপুৰুষসকলে নিজৰ অসাধাৰণ অনুভূতি, সহানুভূতি, বুদ্ধি, সাহস, ত্যাগ আৰু আত্মশক্তিৰ বলত সামাজিক অন্যায়, অত্যাচাৰ অনিয়মবিলাক ভালকৈ বুজে আৰু সেইবিলাক দূৰ কৰিবলৈ আগ বাঢ়ে। সংস্কাৰ কৰিবলগীয়া সমাজ যিমানেই ডাঙৰ হয়, সেই মহাপুৰুষৰ মহত্ত্বও সেই পৰিমাণে ব্যাপক হয়। সেইদৰে তেওঁলোকে যি ধৰ্ম্ম আৰু নীতি প্ৰচাৰ কৰে তাৰো ব্যাপকতা সংস্কাৰ কৰিবলগীয়া সমাজৰ কলেবৰৰ ওপৰত নিৰ্ভৰ কৰে।

মহাত্মাৰ জীৱনী এজন জীৱিত পুৰুষৰ জীৱনী। তেওঁৰ সমগ্ৰ জীৱনেই সত্যৰ অন্বেষণত চলি আছে; সেই অন্বেষণ আজিলৈকে শেষ হোৱা নাই। তেওঁ যি সত্য বিচাৰি পাইছে, সি নতুন সত্য নহলেও জগতবাসীয়ে কেনেভাৱে গ্ৰহণ কৰে, তাৰ প্ৰমাণ এতিয়াও সম্পূৰ্ণৰূপে পোৱা হোৱা নাই। কিন্তু এইটো প্ৰায় সৰ্বসম্মত বুলি ধৰিব পাৰি যে তেওঁ আজিৰ জগতত এজন অদ্বিতীয় পুৰুষ। তেওঁ বৰ্তমান জগতৰ স্বাৰ্থপূৰ্ণ বাস্তৱতাৰ আৰু তাৰ লগৰ অন্যায় অত্যাচাৰৰ বিপক্ষে থিয় হৈছে আৰু দুঃখিত-পীড়িত আৰু নিষ্পেষিত মানৱৰ সমস্যাবিলাক সমাধান কৰিবলৈ ওলাইছে। এই কাৰ্য্য সম্পূৰ্ণ সমাধান কৰা সম্বন্ধে ভৱিষ্যত জীৱনী-লেখকসকলে ক'ব। কিন্তু সেইকাৰণে স্বৰ্গী হোৱা প্ৰধান ধৰ্ম্মগুৰুসকলৰ সৈতে তেওঁৰ স্থান একে বুলি স্বীকাৰ নকৰিলেও তেওঁৰ জীৱনী সম্বন্ধে তোমালোক সকলোৱে জনা উচিত। দ্বিতীয় আপত্তি, অৰ্থাৎ তেওঁ এজন ৰাজনৈতিক নেতামাত্ৰ আৰু তেওঁৰ জীৱন কেৱল ৰাজনীতিতহে লিপ্ত হৈ আছে; এই সম্বন্ধে ইয়াত এইখিনি মাত্ৰ কৈ থওঁ যে তেওঁৰ ৰাজনৈতিক পৰিচালনা আৰু নেতৃত্ব তেওঁৰ ধৰ্ম্মজীৱনৰ এটা অংশ মাত্ৰ। এই বিষয়ে তেওঁৰ জীৱনী পঢ়োঁতেই ভালকৈ বুজি পাবা।

মহাত্মা গান্ধীৰ জীৱনী এই পুস্তকৰ লগত ভুক্ত কৰাৰ প্ৰধান কাৰণ

হৈছে, তোমালোকৰ দৰে উঠি অহা ল'ৰা-ছোৱালীবিলাকৰ মনত ধৰ্ম্ম সম্বন্ধে সমতা আৰু সহনশীলতাৰ ভাব জগাই তোলা। এইটো কৰিবলৈ গলে আমাৰ মাজত কি কি ধৰ্ম্ম প্ৰচলন আছে, সেইবিলাক আৰু সেই ধৰ্ম্মবিলাকৰ প্ৰধান শিক্ষকসকলৰ জীৱনী সম্বন্ধে জনা উচিত। এই সকলো ধৰ্ম্মৰ ভিতৰত মূলতে যে সামঞ্জস্য আৰু মিল আছে তাকো ভালকৈ জনা উচিত। মহাত্মাৰ জীৱনী পঢ়ি চালে তোমালোকে দেখিবা যে তেওঁ গোড়া হিন্দু হৈও এই সামঞ্জস্য আৰু মিলনৰ প্ৰতিমূৰ্ত্তি। তোমালোকে বুজিব পাৰিবা যে নিষ্ঠাবান হিন্দু, নিষ্ঠাবান মুছলমান, নিষ্ঠাবান খৃষ্টিয়ান আৰু তেনে আন কোনো ধৰ্ম্মাৱলম্বীৰ ভিতৰত মিলন আৰু ভাতৃভাৱেই স্বাভাৱিক। ধৰ্মৰ নামত কৰা বিৰোধিতা আৰু শত্ৰুতা পাপ আৰু অধৰ্ম্ম মাথোন। মহাত্মা গান্ধীয়ে নিজৰ কাৰ্য্য আৰু শিক্ষাৰ দ্বাৰা জগতত নতুন নহলেও অন্যায় অত্যাচাৰ বন্ধ কৰিবৰ কাৰণে এনে কিছুমান প্ৰণালী উদ্ভৱ কৰি প্ৰচাৰ কৰিছে যে সেই সম্বন্ধে তোমালোক সকলো ল'ৰা-ছোৱালী আৰু ডাঙৰ মানুহে জনা উচিত। আজি বাইশ-তেইশ বছৰ ধৰি মহাত্মা গান্ধী ভাৰতবৰ্ষৰ সাধাৰণ প্ৰজাৰ পূজ্য হৈ আছে; ভাৰতৰ মুক্তিৰ কাৰণে অশেষ চেষ্টা কৰি স্বাধীনতাপ্ৰিয় লোক-সকলৰ আদৰণীয় হৈ পৰিছে; পৃথিৱীৰ সকলো জাতিৰ সকলো পণ্ডিত-লোকেই তেওঁক এজন অসাধাৰণ মহাপুৰুষ বুলি কবলৈ ধৰিছে; এনে অৱস্থাত উঠি অহা ল'ৰা-ছোৱালীবিলাকে তেওঁৰ সম্বন্ধে ভালকৈ নজনাটো দুখৰ আৰু লাজৰ কথা নহবনে?

ইয়াৰ লগতে মই তোমালোকক এইখিনিও উপদেশ দিওঁ। আজি চৈধ্যশ-পোন্ধৰশ বছৰৰ ভিতৰত অনেক পণ্ডিত আৰু মহাপুৰুষে ভাৰতত জন্মগ্ৰহণ কৰিছিল। দাক্ষিণাত্যত শঙ্কৰাচাৰ্য্য, ৰামানুজ আদি মহাপুৰুষসকলে প্ৰাচীন বেদ কেইখন সমাজৰ উন্নতিৰ কাৰণে ব্যাখ্যা কৰি প্ৰচাৰ কৰি ফুৰিছিল। উত্তৰ ভাৰতত কবীৰ, নানক, শ্ৰীচৈতন্য আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ প্ৰভৃতি মহাপুৰুষসকলে ঈশ্বৰৰ প্ৰেমময় শক্তি প্ৰচাৰ কৰি ফুৰিছিল। বৰ্ত্তমান যুগতো ৰাজাৰামমোহন ৰায়, প্ৰভু ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ আৰু স্বামী দয়ানন্দ সৰস্বতীয়ে ভাৰতক নৱজীৱন দান কৰিছে। এই মহাপুৰুষসকলৰ জীৱনীও তোমালোকে পঢ়িবা। তেতিয়াহে তোমালোকে ভাৰতবৰ্ষৰ ধৰ্ম্ম আৰু নৈতিক ভাবৰ আভাস পাবা আৰু এই পুস্তকৰ জীৱনীবিলাকৰ মোল ভালকৈ বুজি পাবা।

ভাৰতবৰ্ষৰ মানচিত্ৰত দেখা পাবা ভাৰতবৰ্ষৰ ঠিক পশ্চিমে তিনিও ফাল সাগৰ আগুৰি থকা আৰু বাকী ফাল ভাৰতবৰ্ষৰ গাত লাগি থকা এখণ্ড ভূমি আছে। এই ভূমিখণ্ড বৰ্ত্তমান সিন্ধু প্ৰদেশৰ দক্ষিণে আৰু বোম্বাই প্ৰদেশৰ উত্তৰ অংশত। এই ভূমিখণ্ডৰ উত্তৰ অংশক কচ্ছ বোলে আৰু দক্ষিণৰ ডাঙৰ চৌমুনাখিনিক কাথিয়াড় বোলে। বোধকৰো মহাভাৰতত উল্লেখ কৰা দ্বাৰকাৰাজ্য এতিয়া কচ্ছৰ ভিতৰত পৰে। এই ঠাইবিলাক গুজৰাটৰ অন্তৰ্গত বুলিব পাৰি। এই কাথিয়াড়ৰ ভিতৰত বহুতো সৰু সৰু কৰদ ৰাজ্য আছে। ইয়াৰে সাগৰৰ পাৰৰ পোৰবন্দৰ নামে ঠাইত ১৮৬৯ চনৰ দুই অক্টোবৰ তাৰিখে মোহনদাস কৰমচান্দ গান্ধী, বৰ্ত্তমান জগতবিখ্যাত মহাত্মা গান্ধীৰ জন্ম হয়। সাগৰৰ উপকূলত থকা কাৰণেই বোধকৰোঁ এই ঠাইৰ মানুহবিলাক বেপাৰত বৰ আগৰণুৱা আৰু সাহসী আছিল। এই ঠাইৰ কিছুমান মানুহে আফ্ৰিকা মহাদেশৰ পূবপাৰত নানা বাধা-প্ৰতিবন্ধকৰ মাজেদি বেহা-বেপাৰৰ কাৰণে বসতি কৰি আছিল। সাগৰ ভ্ৰমণকাৰী বেপাৰীবিলাকৰ বাহিৰে আন মানুহবিলাক অন্ধবিশ্বাসী আৰু বৰ গোড়া হিন্দু আছিল। এওঁলোকে চিৰযুগমীয়া প্ৰচলিত আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিৰ পৰা অলপো লৰচৰ কৰিবলৈ ইচ্ছা নকৰিছিল; আনকি ধৰ্ম্ম-মন্দিৰবিলাক সম্বন্ধে কোনো কলঙ্ক থাকিলেও সেইবিলাকক ধৰ্ম্মৰ অংশ বুলি ধৰি লবলৈকো আপত্তি নকৰিছিল।

## বংশ পৰিয়াল

মহাত্মা গান্ধীৰ পৰিয়ালো এই ধৰণৰ গোড়া হিন্দু বংশৰে আছিল। তেওঁলোকৰ জাতি বৈশ্য; কিন্তু তিনি পুৰুষৰপৰা কাথিয়াড়ৰ ৰাজ্যবিলাকত তেওঁলোকে প্ৰধান মন্ত্ৰীৰ কাম কৰিছিল। এওঁৰ পৰিয়ালৰ লোকসকল সৎসাহসী আৰু চৰিত্ৰবান হোৱাত সকলোৱেই এওঁলোকক শ্ৰদ্ধা আৰু সন্মান কৰিছিল আৰু কাথিয়াড়ত এওঁলোকৰ বিশেষ প্ৰতিপত্তি আছিল। মহাত্মাজীৰ ককাক উত্তমচান্দ গান্ধী কেনে দৃঢ়-নীতিৰ লোক আছিল তেওঁৰ আত্মজীৱনীত উল্লেখ কৰা এটা ঘটনাৰ পৰাই বুজিব পাৰি। পোৰবন্দৰ ৰাজ্যত কিবা গুপ্ত অভিসন্ধিৰ ফলত তেওঁক প্ৰধানমন্ত্ৰী কামৰপৰা অৱসৰ দিয়া হয়; তাৰ পিছত তেওঁ জুনাগড় ৰাজ্যৰ নবাবৰ তলত দেৱান কাম কৰে। তেওঁ নবাবক সদায় বাওঁহাতেৰেহে চেলাম কৰিছিল। কোনোবা মানুহে তেওঁক ইয়াৰ

কাৰণ সোধাত তেওঁ স্পষ্টভাৱে কৈছিল যে "মোৰ আগছাত মই পোৰবন্দৰৰ কাৰণে আগেয়ে অৰ্পণ কৰিছোঁ।" মহাত্মা গান্ধীৰ ককাকৰ ছজন পুতেক আছিল। পঞ্চমজনৰ নাম কৰমচান্দ গান্ধী; এৱেঁই মহাত্মাৰ পিতাক। এওঁ আৰু এওঁৰ ভায়েক তুলসীদাস উভয়েই পোৰবন্দৰৰ প্ৰধানমন্ত্ৰী হয়। তেওঁৰ মৃত্যুৰ সময়ত তেওঁ ৰাজকোটৰ পেন্সনভোগী আছিল। ইয়াৰ বাহিৰে কৰমচান্দ গান্ধী কাথিয়াড়ৰ কৰদ ৰাজ্যবিলাকৰ মাজত কাজিয়া নিষ্পত্তি কৰিবলৈ পতা ৰাজস্থানী আদালতৰো সভ্য আছিল।

কৰমচান্দ গান্ধীয়ে চাৰি গৰাকী তিৰোতা বিয়া কৰায়; শেষৰ গৰাকীৰ নাম পুতলীবাঈ। পুতলীবাঈৰ এজনী কন্যা আৰু তিনিজন ল'ৰা জন্মে। মহাত্মা গান্ধী সকলোতকৈ সুমলীয়া। ভাৰতৰ কোনো কোনো অঞ্চলত নিজৰ নামৰ লগত দেউতাকৰ নামো লিখা নিয়ম আছে। সেই কাৰণে বোধকৰো মহাত্মাৰ নাম 'মোহনদাস'ৰ লগত 'কৰমচান্দ' মিলি মোহনদাস কৰমচান্দ গান্ধী হৈছে। কৰমচান্দ গান্ধী সম্বন্ধে গান্ধীজীয়ে নিজে এইদৰে লিখিছেঃ তেওঁ নিজৰ খেলৰ লোকক ভাল পাইছিল; তেওঁ সত্যবাদী, সাহসী, উদাৰ প্ৰকৃতিৰ আৰু খঙাল আছিল। কৰ্মচাৰী হিচাপে তেওঁ সম্পূৰ্ণৰূপে নিৰপেক্ষ, ন্যায়বান আৰু সৎ আছিল। নিজৰ ৰাজ্য আৰু ৰজাৰ প্ৰতি অনুগত আছিল। ৰাজকোটত কাম কৰোঁতে সেই ঠাইৰ সহকাৰী পলিটিকেল এজেণ্টে ৰজাৰ (ঠাকুৰ চাহেব) সম্বন্ধে অপমানসূচক কথা কওঁতে তেওঁ কঠোৰ ভাষাৰে তাৰ ঘোৰ প্ৰতিবাদ কৰিছিল। এই দাম্ভিক এজেণ্টজনে এনে ভাষা ব্যৱহাৰ কৰা কাৰণে দেৱানৰপৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছিল; আনকি তেওঁক কিছু সময় কয়েদ (আটক) কৰি ৰাখিছিল। তথাপিও তেওঁ তেনে নকৰিলে। কৰমচান্দ গান্ধী কেনে প্ৰকৃতিৰ লোক আছিল—এজেণ্টজনে ভালদৰে উপলব্ধি কৰিলে আৰু তেওঁক কয়েদৰপৰা মুক্তি দিলে। কৰমচান্দ গান্ধী ধন-সম্পদ সম্বন্ধে একেবাৰে উদাসীন আছিল আৰু তেওঁৰ মৃত্যুৰ পিছত ল'ৰা-ছোৱালীৰ কথা ভাবি বিশেষ সম্পত্তি কৰি থৈ যোৱা নাছিল।

মহাত্মা গান্ধীৰ মাক ঈশ্বৰ-বিশ্বাসী আৰু ধৰ্ম্মপৰায়ণা আছিল। তেওঁ দৈনিক উপাসনা নকৰাকৈ আহাৰ নকৰিছিল। ৰাজকোটত হাৱেলী নামৰ মন্দিৰলৈ সেৱা কৰিবলৈ প্ৰায় প্ৰত্যেক দিনেই গৈছিল। গুজৰাটৰ বৈষ্ণৱসকলে চতুৰ্মাস (অৰ্থাৎ বাৰিষা চাৰি মাহ উপবাস) ব্ৰত পালন কৰা নিয়ম

প্ৰচলন আছিল। পুতলীবাঈয়ে এই ব্ৰতবিলাক সদায় পালিছিল। এই ব্ৰতবিলাকত তেওঁ নিজে কিছুমান সঙ্কল্প কৰিছিল; যেনে—সূৰ্য্য নেদেখিলে আহাৰ নকৰিব। এই সঙ্কল্পবিলাক তেওঁ নিখুঁতভাৱে পালন কৰিছিল। তেওঁ শিক্ষিতা নহলেও অতি বুদ্ধিমতী, স্থিৰচেতা আৰু কাৰ্য্যদক্ষা আছিল। নিজৰ ৰাজ্যত ঘটা কথাবিলাকৰ খবৰ ভালকৈ ৰাখিছিল আৰু সেইবোৰ ঠাইৰ তিৰোতা মহলে তেওঁৰ তীক্ষ্ণ বুদ্ধিৰ শলাগ লৈছিল। তেওঁৰ জীৱনীয়ে মহাত্মা গান্ধীৰ চিত্ৰপটত অকপট পৱিত্ৰতাৰ চাপ থৈ গৈছে।

## ল'ৰাকাল

এনে পিতৃ-মাতৃৰ মাজত মহাত্মা গান্ধীৰ বাল্যজীৱন অতিবাহিত হয়। এই পিতৃ-মাতৃৰ চৰিত্ৰ আৰু কাৰ্যৰ প্ৰভাৱত গান্ধীজীৰ কেনেকৈ চৰিত্ৰ আৰু জীৱন গঠন হৈছিল তোমালোকে নজৰ কৰি যাবা। গান্ধী পৰিয়াল তেওঁৰ সাত বছৰ কাললৈ পোৰবন্দৰত থাকে, তাৰ পিছত ৰাজস্থানী আদালতৰ সভ্য নিযুক্ত হোৱাত ৰাজকোটলৈ আহে। পোৰবন্দৰত তেওঁ প্ৰথমে নিম্ন প্ৰাইমেৰী, তাৰ পাছত চুবাৰবান (Suburban) আৰু তাৰ পিছত হাইস্কুলত পঢ়ে আৰু ওঠৰ বছৰ বয়সত মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰে। তেওঁৰ বাল্য আৰু ছাত্ৰজীৱন সাধাৰণ ছাত্ৰৰ দৰে হলেও বহুত কথা জানিবলগীয়া আছে, তাৰে অলপ কেইটামান কওঁ শুনা।

মহাত্মা গান্ধী সৰুতে বৰ ভয়াতুৰ আছিল। ৰাতি নাইবা আন্ধাৰত ভূত-পিশাচ আৰু সাপে তেওঁলৈ বাট চাই থকা বুলি ভাবিছিল। সেই কাৰণে তেওঁ ৰাতি নাইবা আন্ধাৰত আন ঠাইলৈ যাবলৈ ভয় কৰিছিল। আনকি ৰাতি আন্ধাৰত শুবলৈকো ভয় কৰিছিল। এই ভয়ৰ ভাৱ তেওঁৰ তেৰ বছৰ বয়সত বিয়া কৰোৱাৰ পিছলৈকো আছিল! এই ভয়ৰপৰা ৰক্ষা পাবৰ উপায় তেওঁৰ ধাইৰপৰা পাইছিল; তেওঁৰ ধাই ৰম্ভাই তেওঁক সৰুতে শিকাই দিছিল যে ৰাম নাম ললে এই ভূত, পিশাচ, সাপ, সকলো গুচি যায়। সৰল-বিশ্বাসী শিশু গান্ধীয়ে আন্ধাৰত ক'ৰবালৈ যাবলৈ হলে সদায় ৰামনামকে সাৱথি কৰিছিল সঁচা, কিন্তু ৰম্ভাইহে তেওঁৰ ভয় আচলতে দূৰ কৰিব লগাত পৰিছিল। কিন্তু গান্ধীজীৰ মনত এই ৰামনাম উচ্চাৰণৰ প্ৰভাৱ এনেভাৱে থাকিল যে এই ৰামনাম শেহত তেওঁৰ পক্ষে অব্যৰ্থ মহৌষধি হ'ল। (আত্মজীৱনীত তেওঁ এই কথা প্ৰকাশ কৰিছে।)

আজিও তেওঁৰ আশ্ৰমত গোৱা ভজনৰ ভিতৰত "ৰঘুপতি ৰাঘৱ ৰাজা ৰাম। পতিত পাৱন সীতা ৰাম ॥" এটা উল্লেখ কৰিবলগীয়া ভজন। ঈশ্বৰৰ নামৰ ফলত মানুহে কিমান মনোবল পাব পাৰে, ইয়াৰদ্বাৰা বুজিব পাৰিবা।

'শ্ৰৱণৰ পিতৃভক্তি' নামৰ এখন নাটক তেওঁ শিশু কালতে পঢ়িবলৈ পাইছিল। এই নাটকখন শ্ৰৱণ নামে ল'ৰা এটাৰ পিতৃভক্তিৰ উপাখ্যান। তাৰ মাক-বাপেক অন্ধ আছিল। বাপেকে পুণ্য অৰ্জ্জন কৰিবলৈ বিচৰাত শ্ৰৱণে মাক-বাপেক দুয়োকে ৰছীৰে ভাৰ বান্ধি তীৰ্থস্থান দেখুৱাবলৈ লৈ গৈছিল আৰু তাতে তাৰ মৃত্যু হয়। তেওঁলোকৰ ঘৰলৈ অভিনয় কৰি ফুৰা মানুহ কেইজনমান আহি এই নাটখন দেখুৱায়। গান্ধীয়ে এই নাটকখন পঢ়ি আৰু চাই একেবাৰে তন্ময় হৈছিল। ইয়াৰ পিছত তেওঁ ৰজা হৰিশ্চন্দ্ৰ নাটকৰ অভিনয়ো অনেকবাৰ চাইছিল। তেওঁৰ আত্মজীৱনীত লেখিছে যে তেওঁৰ এই নাটকখন চাই কেতিয়াও আমনি নালাগিছিল। তোমালোকে নিশ্চয় হৰিশ্চন্দ্ৰৰ কাহিনী জানা কেনেকৈ সত্যৰ পাশত বান্ধ খাই ঋষি বিশ্বামিত্ৰৰ ক্ৰোধত তেওঁ সকলো ধন-সম্পত্তি, ৰাজ্য পৰিত্যাগ কৰিলে, ৰাণীক দাসী কৰিলে আৰু নিজে শ্মশানৰ চণ্ডাল হ'ল। ৰজাৰ একমাত্ৰ ল'ৰা ৰোহিতাশ্বক সাপে খুটিয়াই মাৰিলে। এইদৰে সত্যপালন কৰাৰ কাৰণে ঈশ্বৰ সন্তুষ্ট হ'ল আৰু তেওঁ পিছত সকলো ফিৰাই পালে। সাধুকথা হলেও মহাত্মা গান্ধীৰ মনত শ্ৰৱণ আৰু হৰিশ্চন্দ্ৰৰ চৰিত্ৰ আচল মানুহৰ যেন লাগি আছিল। তোমালোকে মহাত্মা গান্ধীৰ নিজৰ পিতৃ-মাতৃ ভক্তি আৰু সত্যব্ৰতৰ উদাহৰণ কেইটিমানৰপৰাই এই কাহিনী দুটাই কেনেকৈ তেওঁৰ চিত্তত যুগমীয়া ছাপ থৈ গৈছে তাৰ প্ৰমাণ পাবা।

সত্যপ্ৰিয়তা আৰু সত্যব্ৰত অৰ্থাৎ সত্যতাৰ বাহিৰে আন একোকে নজনাটো মহাত্মা গান্ধীৰ জন্মগত গুণ বুলি আমি বিশ্বাস কৰিবই লাগিব। মোৰ মনেৰে তেওঁৰ মহৎ জীৱনৰ উৎকৰ্ষ এই মহা গুণতেই লুকাই আছিল আৰু আছে। তেওঁৰ সকলো সাধনাৰ সফলতা এই এটা মহাগুণৰ আশ্ৰয়ৰপৰা সম্ভৱপৰ হৈছে। পূৰ্ব্বজন্ম বিশ্বাস কৰা লোকসকলে তেওঁ পূৰ্ব্বজন্মৰ ফলত এই মহৎ গুণ লাভ কৰা বুলি ক'ব। আজিৰ জগতত অভৌতিকভাত বিশ্বাস কৰা লোকৰ সংখ্যা বেছি হোৱা হলে বুদ্ধদেৱৰ দৰে মহাত্মা গান্ধীৰো পূৰ্ব্বজন্ম সম্বন্ধে নানা কাহিনী শুনিবলৈ পালেঁহেঁতেন। কিন্তু তোমালোকে দেখা পাবা যে এই জনমত এই সত্যব্ৰতৰ শক্তি মহাত্মাজীয়ে কঠোৰ সংযম,

তপস্যা আৰু ঈশ্বৰ-বিশ্বাসৰ দ্বাৰা উপাৰ্জ্জন কৰিছে। এই সম্বন্ধে তেওঁৰ জীৱনৰ কাহিনীবিলাক বিশেষকৈ লক্ষ্য কৰিবলগীয়া।

মহাত্মাজী সকতে বৰ ভাল ছাত্ৰ নাছিল। তেওঁ স্কুলৰ পাঠ্য-পুথি বৰ মনোযোগ দি পঢ়িছিল, কিন্তু তথাপি স্কুলৰ পৰীক্ষাত ভাল ফল কৰিব নোৱাৰিছিল। লাজকুৰীয়া প্ৰকৃতিৰ কাৰণে তেওঁ কাৰো লগত কথা নাপাতি ঘৰলৈ গুচি আহিছিল। তেওঁ হাইস্কুলত ভৰ্ত্তি হোৱাৰ এবছৰৰ পিছত পৰীক্ষাৰ কাৰণে মিঃ গাইলচ্ নামে চাহাব ইন্সপেক্টৰ এজন আহি স্কুল পৰিদৰ্শন কৰে। তেওঁ ল'ৰাবিলাকক পাঁচোটা ইংৰাজী শব্দ লিখিবলৈ দিয়ে। তাৰ ভিতৰত 'Kettle' এটা শব্দ আছিল। ছাত্ৰ গান্ধীয়ে এই শব্দটোৰ বানান লিখোঁতে ভুল কৰিলে। তেতিয়া তেওঁৰ শিক্ষকে সেই শব্দটো শুদ্ধ কৰিবলৈ জোতাৰ আগেৰে দেখুৱাই দিলে। আনকি আন ল'ৰাৰপৰা নকল কৰিবলৈকো (ইঙ্গিত) দিলে, কিন্তু তেওঁ শিক্ষকৰ ইঙ্গিতো নুবুজিলে, নকলো নকৰিলে। তেঁওঁ ভাবিছিল—শিক্ষকে তেওঁক কিয় নকল কৰিবলৈ শিকাব? শেহত গান্ধীজীৰ বাহিৰে সকলো ছাত্ৰয়েই বানান কেইটা শুদ্ধ কৰিলে। শিক্ষকেও তেওঁ কিমান নিৰ্বোধ বুজাবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁ কিয় পৰৰপৰা নকল কৰি ভাল বোলাবলৈ যাব, এইটো কোনো মতেই বুজাব নোৱাৰিলে। তেওঁৰ তেৰ-চৈধ্য বছৰমান বয়সত ঘটা আৰু এটা ঘটনা উল্লেখ কৰিবলগীয়া। সেই সময়ত তেওঁৰ পিতাক অসুখত প্ৰায় শয্যাশায়ী হৈ আছিল। গান্ধীৰ পিতৃভক্তি সম্বন্ধে পিছত কম। তেওঁ পিতাকৰ শুশ্ৰূষা কৰিবলৈ বৰ ভাল পাইছিল। তেওঁলোকৰ স্কুলত ব্যায়ামৰ কাৰণে হেড্মাষ্টৰ গিনিয়ে বৰ মনোযোগ দিছিল আৰু সদায় চাৰি বজাত ব্যায়াম কৰাইছিল। গান্ধীজীয়ে পিতাকৰ শুশ্ৰূষাৰ কথা কৈ এই ব্যায়ামৰ-পৰা অব্যাহতি পাবৰ কাৰণে হেড্মাষ্টৰৰ অনুমতি বিচাৰিছিল, কিন্তু অনুমতি নিদিয়াত তেওঁ নিয়মমতে ব্যায়াম ক্লাছত উপস্থিত হৈ আছিল। এই সময়ত গৰমত স্কুল দুপৰীয়া নবহি ৰাতিপুৱাহে বহিছিল, কিন্তু তথাপি আগৰ দৰে চাৰি বজাত ব্যায়াম ক্লাছ চলি আছিল। এদিন ডাৱৰীয়া বতৰৰ কাৰণে আৰু পিতাকৰ শুশ্ৰূষাত ব্যস্ত হৈ থকাত তেওঁৰ ক্লাছ পোৱাত পলম হ'ল। স্কুললৈ গৈ দেখে যে ব্যায়ামৰ সময় শেষ হৈ গৈছে আৰু সকলো ল'ৰা গুচি গ'ল। পিছদিনা হেড্মাষ্টৰে তেওঁক সোধাত তেওঁ ওপৰত কৈ অহামতে সময়ত উপস্থিত হব নোৱাৰা বুলি কলে। কিন্তু হেড্মাষ্টৰে তেওঁক বিশ্বাস নকৰি

জৰিমনা কৰিলে। মিছা কথাৰ দোষত শাস্তি পোৱাত কিমান দুখ পাইছিল আৰু হেড্‌মাষ্টৰক তেওঁৰ কথা বিশ্বাস কৰাব নোৱাৰাত মনত কিমান মৰ্মান্তিক বেদনা পাইছিল তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে। তেওঁ কয়, ইয়াৰ পিছত তেওঁৰ ছাত্ৰ জীৱনত আৰু তেনে অসাৱধানতা হোৱা নাই। সত্যবাদী হব লাগিলে আৰু সত্যৰক্ষা কৰিব লাগিলে মানুহ সতৰ্ক আৰু সাৱধানো হব লাগে। মহাত্মাই তেওঁৰ শিক্ষকসকলক বৰ সন্মান কৰিছিল। সদায় তেওঁলোকৰ কথা শুনিছিল আৰু তেওঁলোকৰ বৰ বাধ্য আছিল। সেই কাৰণে তেওঁ উত্তম ছাত্ৰ নোহোৱা সত্বেও সকলো মাষ্টৰেই তেওঁক বৰ ভাল পাইছিল।

মহাত্মা গান্ধীৰ বিয়া সেই দেশৰ প্ৰথামতে অতি কম বয়সতে হয় -- মাত্ৰ তেৰ বছৰ বয়সত। এই বিয়াৰ আগতে হেনো তেওঁৰ পিতাকে আৰু তিনিজনী ছোৱালীৰ লগত বিয়াৰ বন্দৱস্ত কৰিছিল যেতিয়া গান্ধীজীৰ বয়স মাত্ৰ পাঁচ, ছয় কি আঠ বছৰ মানহে আছিল, কিন্তু এই কেউজনী সৰুতে মৰে, সেই কাৰণে কস্তুৰীবাঈৰ পিতাকৰ লগত যি বন্দৱস্ত হৈছিল, সেই বন্দৱস্তমতে এই বিবাহ হয়। কস্তুৰীবাঈ গান্ধীৰ বয়সো তেৰ বছৰ আছিল। গান্ধীজীৰ বিয়াৰ কথা পঢ়িলে ধেমালি যেন লাগে। বিয়াৰ পিছত গান্ধীজীৰ ভাব এটা সৰু ল'ৰাৰ দৰেই আছিল। কস্তুৰীবাঈয়ে প্ৰথমে একেবাৰে লিখা-পঢ়া নাজানিছিল। গান্ধীজীয়ে তেওঁক নিজে ভালকৈ পঢ়ুৱাব নোৱাৰাৰ কাৰণে তেওঁৰ আত্মজীৱনীত দুখ কৰি লেখিছে। তথাপি, তেওঁ কিছু লেখা-পঢ়া শিকে। তেওঁৰ উচ্চ শিক্ষা নোহোৱা সত্বেও আজি তেওঁ আদৰ্শ ৰমণী। আমাৰ মাজত কিছুমান মানুহে উচ্চ শিক্ষা নোপোৱাৰ কাৰণে তিৰোতা মানুহে সমাজৰ কাম কৰিব নোৱাৰে বুলি ভাবে; এইটো কিমান ভুল কস্তুৰীবাঈৰ আদৰ্শই প্ৰমাণ কৰে। এই মহীয়সী তিৰোতা গৰাকীয়ে স্বামীৰ আধ্যাত্মিক জীৱনৰ প্ৰভাৱ পায়। নিজৰ আপোন বুলিব পৰা সমস্তকে ত্যাগ কৰি স্বামীৰ সকলো দুখ-কষ্টৰ সমভাগী হৈ সকলো মহৎ চেষ্টাতে সহায় কৰি আদৰ্শ সহধৰ্ম্মিণীৰ প্ৰমাণ দিছে।

গান্ধীজীৰ মাতৃভক্তি আদৰ্শপূৰ্ণ। তেওঁ তেওঁলোকে বেয়া পোৱা কাম নকৰিছিল আৰু তেওঁলোকৰ আদেশ সদায় প্ৰাণপণে পালন কৰিছিল। এই এটা সদ্‌গুণৰ কাৰণে তেওঁ ছাত্ৰ জীৱনত নানা প্ৰলোভনৰপৰা দুই এবাৰ ৰক্ষা পৰিছে। তেওঁ 'শ্ৰবণ'ৰ পিতৃভক্তি নিজৰ জীৱনতে খটাব পাৰিছিল। তেওঁৰ পিতাকে তেওঁৰ বিয়া সম্বন্ধে পোৰবন্দৰলৈ যাওঁতে গাড়ীৰপৰা পৰি

সমস্ত শৰীৰত জখম হয়। সেইবিলাক কিছু পৰিমাণে ভাল হলেও তাৰ পিছত তেওঁ বাহিৰলৈ ওলাব নোৱাৰি ঘৰতে আৰু বহু সময়ত নিজৰ শয্যাতে পৰি থাকিবলৈ বাধ্য হয়। গান্ধীজীয়ে স্কুললৈ যোৱা আৰু ঘৰত পঢ়া সময়খিনি বাদ দি দিনৰ প্ৰায় বাকী সময়খিনি বাপেকৰ শুশ্ৰূষা কৰিয়েই কটাইছিল। তেওঁ প্ৰায়েই বাপেকৰ ভৰি পঠানত বহি ভৰি মালিছ কৰি দিছিল। বাপেকে গীতা, ভাগৱত ইত্যাদি শুনিবলৈ ভাল পাইছিল আৰু এই সম্বন্ধে পণ্ডিতসকল আৰু তেওঁৰ লগত মাজে সময়ে হোৱা কথা-বাৰ্তা শুনি গান্ধীজীয়ে ভাল পাইছিল। এই পিতৃ-শুশ্ৰূষাৰ কাৰণেই তেওঁ হাইস্কুলৰ হেড্ মাষ্টৰৰ বিশ্বাস ভাজন হৈছিল। তেওঁ মাকৰো তেনে প্ৰিয় আৰু বাধ্য আছিল। এই পিতৃ-মাতৃৰ ভক্তিয়ে তেওঁক কেনেকৈ পাপৰ বাটৰপৰা ৰক্ষা কৰিলে তলত লিখা কথাখিনিৰপৰা বুজিব পাৰিবা।

মহাত্মা গান্ধীৰ যেতিয়া চৈধ্য-পোন্ধৰ বছৰ হয়, তেওঁৰ স্কুলত পঢ়া ছাত্ৰ দুজন মানৰ লগত বৰ বন্ধুত্ব হয়। তাৰে ভিতৰত এজনে তেওঁক কেনেকৈ অন্যায় পথলৈ নিবলৈ ধৰিছিল, সেই কথা তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে। এই ল'ৰাজন গান্ধীজীৰ ককায়েকৰ লগত একেলগে পঢ়িছিল। পঢ়া-শুনাত মন নিদিয়াৰ কাৰণে দুয়োজনেই ফেল হৈ আছিল। ল'ৰাজন এতিয়া ক্ৰমে গান্ধীজীৰো বন্ধু হ'লহি। গান্ধীজীৰ মাকে এই বন্ধুজনৰ লগ হবলৈ প্ৰথমে মানা কৰিছিল; কিন্তু গান্ধীজীয়ে মাকৰ আগত কলে যে তেওঁ বেয়া হলেও তেওঁ তেওঁৰ লগ হৈ তেওঁৰ স্বভাৱ চৰিত্ৰ ভাল কৰিবলৈহে চেষ্টা কৰিব। কিন্তু আচলতে দেখা গ'ল যে এই ল'ৰাজনে গান্ধীজীৰ চৰিত্ৰহে নাশ কৰিবলৈ ওলাল। এই সময়ত বোম্বাইত শিক্ষিত মানুহবিলাকে হেনো কৈ ফুৰিছিল যে মাংস নাখালে শৰীৰত শক্তি নহয় আৰু এই কাৰণেই ভাৰতবাসী বৃটিছৰ পৰাধীন হৈ আছিল। এই ল'ৰাজনেও গান্ধীজীক তেনেকৈ বুজাবলৈ ধৰিলে। পৰাধীন ভাৰতক ইংৰাজৰ হাতৰপৰা ৰক্ষা কৰিব লাগিলে তেওঁলোকে মাংস খাই বলিষ্ঠ হব লাগিব। মহাত্মা গান্ধীয়ে বন্ধুৰ কথাত সৰল বিশ্বাস কৰি তেওঁৰ কথামতে মাংস খাবলৈ ৰাজী হ'ল। প্ৰথম দিনা লুকাই মাংস খাই তেওঁ বতিয়াইছিল, কিন্তু নিজৰ শৰীৰ আৰু দেশৰ কাৰণে তাৰ পিছতো খাবলৈ ধৰিলে। এনেদৰে খাওঁতে তেওঁৰ ঘৰলৈ আহোঁতে ৰাতি হবলৈ ধৰিলে। বহু সময়ত ৰাতি ঘৰত একো নোখোৱা হ'ল। মাক আৰু ঘৈণীয়েকে যদিও প্ৰকাশ্যে একো কোৱা নাছিল তথাপি তেওঁলোকৰ

আচৰণৰপৰা গান্ধীজীয়ে বুজিলে যে তেওঁলোকে যেন তেওঁক সন্দেহ কৰিছে। আগেয়েই কৈছোঁ গান্ধী পৰিয়াল কিমান গোৰা বৈষ্ণৱ আছিল। এওঁলোকৰ পক্ষে (সেই অঞ্চলৰ সকলো হিন্দুৰ পক্ষেই) মাছ-মাংস ব্যৱহাৰ নিষিদ্ধ আৰু পাপৰ কথা। এতিয়া এনে নিষিদ্ধ কাম কৰিলে মাকক যে অশেষ কষ্ট দিয়া হব তাক তেওঁ বুজিছিল, আন পিনে এনে স্নেহপূৰ্ণ মাকক ফাঁকি দি থকাতো তেওঁৰ পক্ষে অসহ্য হৈ পৰিল। এতিয়া তেওঁৰ মনত দুটা কথা স্পষ্ট হৈ ওলাল, মাংস খাই শৰীৰৰ শক্তিবৃদ্ধি কৰিব নে মাকে ভাল নোপোৱা কাম পৰিত্যাগ কৰিব। তেওঁ ঠিক কৰিলে যে মাংস খোৱা দৰকাৰ হলেও তেওঁ মাকক ফাঁকি দিয়া কাম নকৰে। ইয়াৰ পিছত তেওঁ লগ পোৱাত বন্ধুক কলে তেওঁ ভৱিষ্যতত আৰু এনেকৈ মাংস নাখায়, কাৰণ তেওঁ মানুহৰপৰা লুকাই মাকক আঘাত লগা কোনো কাম কৰিব নোৱাৰে। এই বন্ধুজনে গান্ধীজীক নানা প্ৰলোভনলৈ নিবলৈ চেষ্টা কৰিছিল। সেইবিলাকৰপৰা ঈশ্বৰে তেওঁক ৰক্ষা কৰিছিল। কিন্তু আগত কৰি অহা অন্যায়ৰ হাত সাৰিবলৈ যাওঁতে তেওঁ আৰু এটা ডাঙৰ পাপ কৰিবলৈ বাধ্য হ'ল।

তেওঁৰ ককায়েকে কিবা অন্যায় কাম কৰি খৰচ কৰাৰ কাৰণে তেওঁৰ পঁচিশ টকা ধাৰ লাগিছিল। এতিয়া সেই ধাৰ কেনেকৈ মাৰে? গান্ধীজীয়ে ককায়েকৰ সোণৰ 'বাজু'ৰপৰা এটুকুৰা সোণ কাটি নিবলৈ ঠিক কৰিলে আৰু তাকে কৰি এই ধাৰ মাৰিলে। ইয়াৰ আগেয়ে হেনো তেওঁ চাকৰৰ বজাৰ খৰচৰপৰা মাজে মাজে দুই-এপইচা চুৰ কৰিছিল। এই কাম কৰিবলৈ তেওঁৰ সাহ হ'ল সেই বেয়া অভ্যাসৰ কাৰণেই। কিন্তু এই অন্যায় কৰি তেওঁৰ মনত এনে অনুতাপৰ উদ্ৰেক হ'ল যে তেওঁ সকলো কথা পিতাকক কৈ পিতাকৰ ক্ষমা ভিক্ষা কৰিবলৈ ওলাল আৰু ভৱিষ্যতে কোনো অন্যায় কামকে নকৰিবলৈ সংকল্প কৰিলে। তেওঁ এখন চিঠিত পিতাকলৈ এই সকলো কথাকে বিস্তাৰিতভাৱে লিখি নিজে পিতাকৰ হাতত দি ওচৰতে থিয় হৈ থাকিল। পিতাকে চিঠিখন পঢ়ি থাকোঁতে চকুৰ লোটক ঝৰঝৰকৈ পৰিবলৈ ধৰিলে। গান্ধীজীয়ে বুজিলে যে পিতাকে তেওঁক ক্ষমা কৰিলে। ৰোগী পিতাকৰ তেওঁৰ প্ৰতি দয়া আৰু মৰমে তেওঁৰ মনত এটা নতুন সত্য উপস্থিত কৰিলে। তেওঁ কয় যে এয়ে তেওঁৰ অহিংসা ধৰ্মৰ প্ৰথম অনুভূতি। তেতিয়াৰপৰা তেওঁ ইহ জীৱনত কোনো প্ৰলোভনৰে বশ হোৱা নাই। সেই

সময়ত তেওঁৰ বয়স পোন্ধৰৰ বেছি নহয়।

মহাত্মা গান্ধীৰ সৰুবেপৰা ধৰ্ম্মৰ প্ৰতি এটা স্বাভাৱিক ধাউতি আছিল। স্কুলত তেওঁ ধৰ্ম্ম সম্বন্ধে জানিবলৈ একো সুবিধা নাপায়। বৈষ্ণৱপন্থী হোৱাৰ কাৰণে তেওঁ বহু সময়ত মন্দিৰলৈ যাবলগীয়া হৈছিল। কিন্তু মন্দিৰৰ পূজা-সেৱালৈ তেওঁৰ বৰ মন নাছিল। বিশেষকৈ তেওঁলোক পূজা কৰিবলৈ প্ৰায়ে যোৱা 'হাৱেলী' মন্দিৰ সম্বন্ধে কিবা ব্যভিচাৰৰ কথা শুনি সেই মন্দিৰলৈ যাবলৈ তেওঁৰ মন নোযোৱা হৈছিল। মন্দিৰৰ পূজা ভাল নাপালেও তেওঁ ঈশ্বৰ-ভক্তি সম্বন্ধে কথা শুনিবলৈ ভাল পাইছিল। ধাই ৰম্ভাই তেওঁক কেনেকৈ ৰাম নাম শিকালে সেই কথা আগতে কৈ অহা হৈছে। তেওঁ ৰামায়ণ শুনিবলৈ ভাল পাইছিল। তেওঁৰ পিতাক পোৰবন্দৰত অসুখ হৈ পৰি থাকোঁতে প্ৰত্যেক দিন গধূলি লাধা মহাৰাজ নামৰ ভক্ত এজনে ৰামায়ণ পঢ়ি শুনাইছিল আৰু তেওঁ এনেদৰে ভক্তিত বিভোৰ হৈ ৰামায়ণ ব্যাখ্যা কৰিছিল যে মহাত্মা গান্ধীয়ে আত্মহাৰা হৈ শুনি আছিল। সেইদৰে ভাগৱত পঢ়োঁতেও মাজে মাজে গৈ আগ্ৰহেৰে শুনিছিল। ধৰ্ম্ম সম্বন্ধে তেওঁৰ পিতাকৰ উদাৰ মত থকাৰ কাৰণে তেওঁ নানা ধৰ্ম্মৰ আলোচনা শুনাৰ সুবিধা পাইছিল। পিতাকৰ অসুখত তেওঁৰ ওচৰলৈ সকলো সম্প্ৰদায়ৰে মানুহ (যেনেঃ মুছলমান, পাৰ্চী, জৈন ইত্যাদি) আহি নিজৰ নিজৰ ধৰ্ম্মৰ কথা ব্যাখ্যা কৰিছিলহি। পিতাকৰ লগত থাকি এনে ধৰণৰ আলোচনা শুনি শুনি মহাত্মাই তেতিয়াৰপৰাই ধৰ্ম্ম সম্পৰ্কে উদাৰ ভাব পোষণ কৰিছিল। ধৰ্ম্ম সম্বন্ধে বিধে বিধে কথা শুনি তেওঁৰ মনত বহুত প্ৰশ্ন উদয় হৈছিল। কিন্তু সেইবোৰ প্ৰশ্নৰ উত্তৰ ক'ত পায় এতিয়া? তেওঁৰ সম্বন্ধীয়া ককায়েক ধৰ্ম্মজ্ঞ এজনৰ ওচৰ চপাত তেওঁ কেৱল কয়, "তুমি ডাঙৰ হলে নিজেই বুজি পাবা।" গতিকে নিজৰ মনৰ সন্দেহ ভঞ্জনৰ কাৰণেও নিজৰ ওপৰত নিৰ্ভৰ কৰিবলৈ বাধ্য হ'ল। মনুস্মৃতি আদি দুই এখন গ্ৰন্থ পঢ়ি তেওঁৰ মন তৃপ্ত নহ'ল। তেওঁ আত্ম-জীৱনীত উল্লেখ কৰিছে যে সেই সময়ত তেওঁৰ মনত এটা সত্যই ভালকৈ শিপাইছিল। সেই সত্যটো হৈছেঃ সকলো বস্তুৰ মূলতে হৈছে নীতি (সজ কাম, সজ ভাব, সজ ব্যৱহাৰ, সজ আচৰণ, ইত্যাদি) আৰু সত্যই এই নীতিৰ মূল। ইয়াৰ বাহিৰে গুজৰাটি কবিতা এটাত পোৱা "আনৰ অন্যায়ৰ প্ৰতিদান মৰমেৰে দিবা"—এই কথাই তেওঁৰ মন আৰু প্ৰাণ একেবাৰে বশ কৰিছিল।

বাপা, মহাত্মাৰ ষোল বছৰৰ ছাত্ৰ জীৱনে বাৰু তোমালোকক কি শিকনি দিলে? এই শিক্ষাকে দিলে যে গুৰুজনক শ্ৰদ্ধা কৰিব লাগে আৰু তেওঁলোকক সন্মান কৰিব লাগে। লগতে ঈশ্বৰত বিশ্বাস ৰাখিলে আৰু সকলোতকৈ ডাঙৰ কথা, সঁচা ক'বলৈ সংকোচ নকৰিলে ল'ৰা-ছোৱালী যেনে তেনে ভাল হব পাৰিব আৰু সজ হব পাৰিব। যদি গান্ধীজীয়ে সৰলচিতীয়া হৈ মাকে দুখ পোৱা কাম কৰিবলৈ নেৰিলেহেঁতেন, নাইবা নিজৰ বেয়া কথা জানিও বাপেকৰ আগত সঁচা কথা নোকোৱাকৈ আগৰ দৰে· তেওঁ চলি থাকিলহেঁতেন, তেওঁ আজি পৃথিবীৰ এজন পূজ্য লোক হব নোৱাৰিলেহেঁতেন। এতেকে সত্যক আশ্ৰয় কৰিবলৈ শিকিলে শেহত মানুহৰ ভাল নহৈ বেয়া হব নোৱাৰে।

## বিলাত

মহাত্মা গান্ধী অতি বুদ্ধিমান ছাত্ৰ নহলেও সদায় নিয়মিতৰূপে পঢ়া-শুনা কৰাৰ বাবে ওঠৰ বছৰ বয়সত তেওঁ ভালকৈয়ে মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰিলে। ইয়াৰ ভিতৰতে তেওঁৰ পিতাকৰ মৃত্যু হয়। শেষ মুহূৰ্তত তেওঁ পিতাকৰ কামৰপৰা আঁতৰি শুবলৈ যাওঁতেই পিতাকৰ মৃত্যু হয়। পিতাকৰ মৃত্যু-ক্ষণত পিতাকৰ কামত থাকিবলৈ নোপোৱাত গান্ধীজীয়ে মনত বৰ দুখ পায়। যদিও পিতাকৰ মৃত্যুৰ পিছত তেওঁলোকৰ পাৰিবাৰিক অৱস্থা অতি উত্তম নাছিল, তথাপি কলেজত পঢ়া খৰচৰ কাৰণে গান্ধীজীৰ কষ্ট হোৱা নাছিল। খৰচ কমাবৰ কাৰণে তেওঁ পঢ়িবলৈ বোম্বাইলৈ নগৈ ভৱনগৰ নামৰ চহৰৰ কলেজত নাম লগালে। কেই মাহমান পাছতে তেওঁৰ কলেজত মন নবহা হ'ল। তেওঁ আত্মজীৱনীত লিখিছে যে যদিও প্ৰফেচৰসকল খ্যাতিমান পণ্ডিত আছিল, তথাপি তেওঁলোকে ক্লাছত কি পঢ়াইছিল গান্ধীজীয়ে ভালকৈ বুজিবকে নোৱাৰিছিল। তেওঁ পাঠ্য-পুথিবিলাক বুজিবলৈ টান আৰু একেবাৰে নীৰস হেন পাইছিল। এই কাৰণেই যেতিয়া তেওঁক বিলাতলৈ পঠোৱাৰ কথা ওলাল, তেতিয়া তেওঁ মনতে বৰ ৰং পালে। প্ৰথমতে এই কথা তেওঁলোকৰ ঘৰলৈ অহা-যোৱা কৰা পৰিয়ালৰ পুৰণি বন্ধুৱে (এজন ব্ৰাহ্মণ পণ্ডিতে) উত্থাপন কৰে। তেওঁৰ ল'ৰাইও হেনো তেতিয়া বিলাতত পঢ়িছিল আৰু পুতেকৰপৰা তেওঁ বুজিছিল যে বিলাতত ব্যাৰিষ্টাৰি পাছ কৰা বৰ সহজ। তেওঁ গান্ধীজীৰ মাকক বুজাই দিলে যে বিলাতৰপৰা কিবা এটা পাছ কৰি আহিলে

গান্ধীজীৰ জীৱনত ভৱিষ্যতে দেৱান আদি ডাঙৰ পদ পোৱাৰ চিন্তা নাই। গান্ধীজীৰ ককায়েকে এই প্ৰস্তাৱত হয়ভৰ দিলে। কিন্তু মাকৰ মনত সন্দেহ হোৱাৰ কাৰণে খুড়াকক সুধিবলৈ পঠিয়ালে। খুড়াকে বিলাতলৈ গৈ উভতি অহা মানুহবিলাকৰ স্বভাৱ-চৰিত্ৰ বৰ ভাল নাপাইছিল আৰু সেই কাৰণেই হবলা, নিজে একো নকৈ, তেওঁৰ মাকে যেনে ভাল দেখে তেনে কৰিবলৈ উপদেশ দিলে। টকাৰ কাৰণে তেওঁ পোৰবন্দৰ ৰাজ্যত থকা বৃটিছ এজেণ্টৰ ওচৰলৈ বৃত্তি এটাৰ কাৰণে ক'বলৈ গ'ল। কিন্তু বি, এ পাছ নকৰাকৈ তেওঁৰ ওচৰকে চাপিব নালাগে বুলি কৈ বিদায় দিলে। অৱশেষত সকলো বন্দৱস্তৰ ভাৰ মাক আৰু ককায়েকৰ ওপৰত পৰিল। গান্ধীজী মাকৰ সুমলীয়া আৰু বৰ মৰমৰ ল'ৰা; মাকৰ ইচ্ছা, গান্ধীজী তেওঁৰ ওচৰতে থাওক। তাতে বিলাতৰ নিচিনা প্ৰলোভনৰ ঠাইলৈ পুতেকক কেনেকৈ যাবলৈ এৰি দিয়ে? এই প্ৰলোভনৰপৰা গান্ধীজী কেনেকৈ ৰক্ষা পৰিব? আনপিনে মৰমৰ ল'ৰাৰ ভৱিষৎটোও ভাবিবলগীয়া! বিবুদ্ধি হৈ মাকে তেওঁলোকৰ পুৰণি পৰিচিত জৈন সাধু বেচাৰজী স্বামীক মাতি পঠিয়ালে। তেওঁ আহি ক'লেহি যে ভয় কৰিবৰ একো কাৰণ নাই। গান্ধীজীয়ে মাকৰ আগতে তেওঁ কোৱা মতে তিনিটা ব্ৰত লওক; তাৰ পিছত গান্ধীজীক যাবলৈ দিয়াত একো আপত্তি কৰিব নালাগে। সেইমতে গান্ধীজীয়ে মদ, মাংস আৰু স্ত্ৰী স্পৰ্শ নকৰিবলৈ প্ৰতিজ্ঞা কৰিলে। মহাত্মাই এই শপত কিটা কেনেকৈ আখৰে আখৰে পালন কৰিলে, সেই কথা তেওঁৰ বিলাতৰ জীৱনৰ বিষয়ে তলত দিয়া কথাখিনিৰপৰা বুজিব পাৰিবা।

গান্ধীজীৰ ককায়েকে গান্ধীজীক নিজৰ ল'ৰাৰ দৰে মৰম কৰিছিল। তেওঁ আন মানুহৰপৰা কিছু টকা ধাৰে আনিলে; কিছু টকা গান্ধীজীৰ পৰিবাৰৰ অলঙ্কাৰ বিক্ৰি কৰি উলিয়ালে! তেওঁৰ এই শুভ ইচ্ছা পূৰণ হোৱাত তেওঁলোকৰ জ্ঞাতি কিছুমানেও বিধি-পথালি দিছিল। তেওঁলোকৰ জ্ঞাতিৰ ভিতৰত গান্ধীজীয়েই প্ৰথম বিলাতলৈ ওলাইছিল। জ্ঞাতিৰ মুখীয়াল-সকলে তেওঁক যাবলৈ বাধা দিছিল। কিন্তু যেতিয়া বাধা নামানি গান্ধীজী যাবলৈ ওলাল, তেতিয়া জ্ঞাতিসকলে তেওঁলোকক এৰবীয়া কৰিলে। এনে প্ৰতিবন্ধক দিনে দিনে বাঢ়ি যাব বুলি আশঙ্কা কৰি গান্ধীজীয়ে জুনাগড়ৰ উকীল এৰক ৰায় মজুমদাৰৰ লগত ছেপ্টেম্বৰৰ চাৰি তাৰিখে জাহাজত উঠি বিলাত যাত্ৰা কৰিলে।

জাহাজত লাজকুৰীয়া গান্ধীজীয়ে কাৰো লগত কথা পাতিবলৈকে ভাল নাপাইছিল, অকলশৰে ইফালে-সিফালে ফুৰি ফুৰিছিল, আনকি খাইছিলও নিজৰ কেবিনৰ ভিতৰতে। একেলগতে যোৱা উকীল মজুমদাৰে তেওঁক আন যাত্ৰীৰ লগত মিলি-জুলি কথা-বাৰ্ত্তা পাতিবলৈ ক'লে; কিন্তু বিশ-বাইশ দিনীয়া সমুদ্ৰ-যাত্ৰাত তেওঁৰ এজন ইংৰাজ যাত্ৰীৰ বাহিৰে আন কাৰো লগতে কথা পতা নহ'ল। এই যাত্ৰীজনে তেওঁক একে মেজতে খাবলৈ মাতিলে আৰু মাংস খোৱা সম্বন্ধে আলোচনা কৰি তেওঁক বুজাই দিলে যে বিস্কে উপসাগৰ পোৱাৰ পিছৰেপৰা ইমান জাৰ লাগিব যে তেওঁ মাংস নোখোৱাকৈ থাকিবই নোৱাৰিব। তেওঁ আৰু ক'লে যে বিলাতত আছি সকলো ভাৰতবাসীয়েই মাংস খায় -যদিও বহুতেই নিৰামিষাহাৰী হৈ থকা বুলি আনৰ আগত কয়। গান্ধীজীয়ে তেওঁক এনে সজ উপদেশ দিয়াৰ কাৰণে ধন্যবাদ দি ক'লে যে তেওঁ মাকৰ ওচৰত প্ৰতিশ্ৰুত আৰু সেই কাৰণেই তেওঁ মাংস খাব নোৱাৰে; তেওঁ আৰু ক'লে যে বৰঞ্চ ভাৰতবৰ্ষলৈ উভতিকে যাব, তথাপি তেওঁ মাংস খাবলৈ প্ৰস্তুত নহয়। বিলাত পোৱাৰ পিছত গান্ধীৰ কাৰণে এই সমস্যা বৰ ডাঙৰ হৈ পৰিছিল।

## বিলাতত গান্ধীজীৰ ছাত্ৰজীৱন

বিলাতত তেওঁ প্ৰথমে হোটেলত উঠিলগৈ। দুই এদিন হোটেলত থকাৰ পিছত তেওঁৰ বিলাতৰ বন্ধুসকলে তেওঁক প্ৰথমে ইংৰাজ পৰিয়াল এটাৰ লগত আৰু তাৰ পিছত ভাৰতীয় এজন বন্ধুৰ লগত থাকিবলৈ বন্দৱস্ত কৰি দিলে। প্ৰথম কেই সপ্তাহমান গান্ধীজীয়ে বৰ কষ্ট পাইছিল। মাকৰ মৰম, ঘৈণী আৰু আন মানুহৰ সঙ্গৰপৰা বঞ্চিত হৈ গান্ধীজীয়ে এনে অকলশৰীয়া অনুভৱ কৰিছিল যে তেওঁ কেইবা ৰাতিও কান্দি কান্দি কটাইছিল। খোৱা-বোৱা সম্বন্ধে তাতকৈও বেছি কষ্ট পাবলৈ ধৰিলে। তেওঁ নিৰামিষাহাৰী কাৰণে কেৱল সিজোৱা শাক-পাচলিৰ বাহিৰে একোকে খাবলৈ নাপাইছিল। গান্ধীজীৰ পেট ভৰাই খোৱাৰ অভ্যাস আছিল, কিন্তু বিলাতত হোটেল আৰু মানুহৰ ঘৰতো ইমান কমকৈ খাবলৈ দিয়া হৈছিল যে তেওঁ সদায় আধাপেটী হৈহে আছিল। তেওঁ বিলাতলৈ যাওঁতে লগত বহুত মিঠাই আৰু আন খোৱা বস্তু লৈ গৈছিল। সেই-বিলাকো কিছু দিনৰ পিছতে শেষ হৈ গ'ল। তেওঁৰ এই সকলোবিলাক

অসুবিধা তেওঁ আমিষ আহাৰ কৰা হলেই দূৰ হ'লহেঁতেন। বিলাতত আহি পোৱাৰ দিনৰেপৰা তেওঁক সকলো বন্ধুৱে আমিষ আহাৰ কৰিবলৈ অনুৰোধ কৰিছিল। কিন্তু তেওঁ প্ৰতিজ্ঞাৰপৰা বিচলিত নহৈ এদিনো নিৰামিষ আহাৰ এৰি আমিষ আহাৰ নকৰিলে। ইয়াৰ পিছত তেওঁ যিজন বন্ধুৰ লগ ললেহি, সেইজন বন্ধুৱে এনে সংকল্প কৰিলে যে গান্ধীজীক তেওঁ আমিষাহাৰী কৰিহে এৰিব। এই বন্ধুজনে গান্ধীজীক নিজৰ ভায়েকৰ দৰে ভাল পাইছিল। তেওঁ গান্ধীজীক সদায় মাংস খোৱাৰ উপকাৰিতা আৰু আৱশ্যকতা সম্বন্ধে উপদেশ দিছিল। কেইবাদিনো তেওঁক এইদৰেও কৈছিল যে যদি গান্ধী তেওঁৰ ভায়েক হ'লহেঁতেন তেন্তে তেওঁ স্বাস্থ্যৰ প্ৰতি এনেদৰে অমনোযোগী হোৱাৰ কাৰণে ভাৰতলৈ ওভোতাই পঠিয়াই দিলেহেঁতেন। গান্ধীজীয়ে সকলো শুনি উত্তৰত কেৱল মাকৰ আগত খোৱা শপতৰ কথা কয়। সকলো অৱস্থাতে যে সকলো উপদেশ মানিবলগীয়া নহয় তাকে প্ৰমাণ কৰিবৰ কাৰণে এই বন্ধুজনে বেন্থামৰ 'Utilitarianism' নামৰ কিতাপখন গান্ধীজীক পঢ়ি শুনাইছিল। গান্ধীজীয়ে বন্ধুৰ মনৰ ভাব বুজি তেওঁক খোলাকৈ ক'লে যে যদি এই শিক্ষাৰ দ্বাৰা তেওঁক আমিষ-ভোজী কৰিবলৈ চেষ্টা কৰা হৈছে তেন্তে বন্ধুজনে গান্ধীজীক অঁকৰা মানুহ বুলি ধৰি লৈ যেন সেই আশা পৰিত্যাগ কৰে। বন্ধুজনে বেয়া পাই এই সম্বন্ধে তৰ্ক কৰিবলৈ এৰিলে; কিন্তু গান্ধীজীয়ে এইদৰে সিজোৱা শাক-পাচলি খাই থাকিলে সবল চিতে বিশ্বাস কৰি তেওঁক জানিবলৈ নিদিয়াকৈ আমিষ আহাৰ খুউৱাৰ ব্যৱস্থা কৰিলে। এদিন তেওঁ গান্ধীজীক ভাল হোটেল এটাত খাবলৈ নিমন্ত্ৰণ কৰিলে। দুয়োজনে একেলগে খাবলৈ বহিছে আৰু হোটেলৰ পৰিচাৰকে খোৱাবস্তু দিবলৈ ধৰিছে। খাবলৈ দিয়া বস্তুৰ লগত মাছ-মাংস কিবা আছেনে নাই জানিবৰ কাৰণে তেওঁ বহা আসনৰপৰা উঠি পৰিচাৰকজনৰ ওচৰলৈ গ'ল। তাকে দেখি তেওঁৰ বন্ধুৱে এইবাৰ খং দমাব নোৱাৰি ক'লে, "তুমি ভদ্ৰ সমাজৰ কাৰণে একেবাৰে অনুপযুক্ত; যদি তুমি নিয়মমতে চলিব নাজানা, তেন্তে ওলাই যোৱা ভাল। আন কোনোবা ঠাইত খোৱাগৈ আৰু মই ওলাই নাযাওঁ মানে বাহিৰত বাট চাই থাকিবা।" মহাত্মাজীয়ে তাকে কৰি বৰ আনন্দ পালে। ইয়াৰ পিছত আমিষ ভোজনৰ কোনো প্ৰলোভনত তেওঁ পৰা নাই নাইবা তাৰ কাৰণে কাৰো মনত দুখ দিবলগীয়াও হোৱা নাই। অকল সেয়ে নহয়। ইয়াৰ পিছত মহাত্মাজীয়ে

নিৰামিষ আহাৰ সম্বন্ধে বিশেষভাৱে অধ্যয়ন কৰিবলৈ ধৰিলে আৰু সেই সম্বন্ধে তথ্যবিলাক নিজে পৰীক্ষা কৰি বুজিবলৈ ধৰিলে। ৰাজকোটত মাংস খোৱাৰ পক্ষপাতী বন্ধুজনৰ লগ লোৱাৰপৰা মহাত্মা গান্ধীৰ মনত এটা বিশ্বাস জন্মিছিল যে মাংস প্ৰকৃততে শৰীৰৰ পক্ষে উপকাৰী। যদিও তেওঁ মাকৰ কথা মানি কেতিয়াও মাংস খোৱা নাছিল, তথাপি তেওঁৰ এই ধাৰণাটো মনৰপৰা দূৰ হোৱা নাছিল। সেই সময়ত ইংলণ্ডত নিৰামিষ ভোজনৰ সপক্ষে এটা আন্দোলন চলি আছিল; নিৰামিষ আহাৰৰ গুণাগুণ সম্পৰ্কে বৈজ্ঞানিকভাৱে আলোচনা চলিছিল। তেওঁ সেইসময়ত বিলাতত নিৰামিষ আহাৰ সম্পৰ্কে ওলোৱা কিতাপবিলাক পঢ়িবলৈ ধৰিলে। Satt চাহাবৰ 'Plea For Vegetarianism' নামৰ কিতাপখনে তেওঁক এই বিষয়ে অধ্যয়ন কৰিবলৈ বৰ আগ্ৰহ জন্মালে। তেওঁ Howard Williams'ৰ 'Ethics Of Diet', Dr. Anna Kingsfordৰ 'The Perfect Way In Diet' ইত্যাদি অনেক কিতাপ পঢ়িলে। এইবিলাক পঢ়ি তেওঁ বুজিব পাৰিলে যে মানুহৰ স্বাভাৱিক আহাৰ মাছ-মাংস নহয়। মানুহৰ দাঁতৰ ধৰণ, পেটৰ অভ্যন্তৰৰ গঠন আৰু শৰীৰৰ গঠনৰপৰা ইয়াকে বুজিব পাৰি যে মানুহ জাতিৰ স্বাভাৱিক আহাৰ ফলমূল আৰু শাক-পাচলি। এই খাদ্যৰ দ্বাৰাই মানুহ যথেষ্ট সবল আৰু কাৰ্যতৎপৰ হৈ থাকিব পাৰে। ইয়াৰ বাহিৰে তেওঁ ইয়াকো বুজিলে যে মানুহে আন প্ৰাণীক মাৰি খাই জীৱন ধাৰণ কৰাৰ যি স্বত্ব আছে, আন এটা জীৱৰো জীয়াই থকাৰ তেনে সমান স্বত্ব আছে। আমাৰ বল আৰু বুদ্ধি থকাৰ কাৰণেই সিহঁতক মাৰি খোৱাটো আমাৰ বল-বুদ্ধিৰ সৎব্যৱহাৰ নহয়। এইবিলাক পঢ়ি-শুনি গান্ধীজীয়ে গুজৰাটী বৈষ্ণৱসকলৰ অহিংসা ভাবৰ মূল উদ্দেশ্য ফটফটীয়াকৈ বুজি পালে আৰু মাকৰ আদেশত ধৰ্মৰ এটা প্ৰধান সত্যৰ আভাস পালে। এতিয়া গান্ধীজীয়ে নিজেই বিলাতত নিৰামিষ আহাৰ প্ৰচলনৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে।

তেওঁ 'The Vegetarian Soceity Of England' নামৰ অনুষ্ঠান এটাৰ সভ্য হ'ল আৰু সেই সভাৰ সাপ্তাহিক পত্ৰিকা এখনৰ গ্ৰাহকো হ'ল। কিছুদিনৰ ভিতৰতে তেওঁ ইয়াৰ কাৰ্যকৰী কমিটিৰ সদস্য হ'ল। বিলাতৰ বেইজৱাটাৰ ( Bayswater ) নামৰ ঠাইখনত থাকোঁতে তেওঁ নিজেই এখন 'নিৰামিষ সমাজ' স্থাপন কৰিছিল। Dr. Oldfield এই সভাৰ সভাপতি

হয় আৰু Sir Edwin Arnold উপ-সভাপতি আৰু গান্ধীজী নিজে সেই সভাৰ সম্পাদক। সভাৰ কামত তেওঁ বিলাতৰ বহু ঠাইলৈ যাবলগীয়া হৈছিল। মাজে মাজে নিৰামিষ খাদ্যৰ ভোজ পতা হৈছিল আৰু তালৈ মানুহ মাতি আনি নিৰামিষ খাদ্য সম্বন্ধে নানা আলোচনা কৰাইছিল। বিলাতত থকা কালত গান্ধীজীয়ে বিলাতী আমিষভোজীবিলাকৰ মাজত নিৰামিষ আহাৰ প্ৰচলন কৰিবলৈ এইদৰে চেষ্টা কৰিছিল। মানুহৰ ভোজন সম্বন্ধে গান্ধীজীৰ পৰীক্ষা এতিয়ালৈকে চলি আছে। তেওঁৰ পিছৰ জীৱনী পঢ়িলে জানিবা যে তেওঁ জীৱনৰ বেছি ভাগ সময় আশ্ৰমতেই কটালে। এই আশ্ৰমবিলাকত তেওঁ নিৰামিষ ভোজন সম্পৰ্কে নানা পৰীক্ষা কৰি চালে। এই পৰীক্ষাবিলাকৰ প্ৰধান উদ্দেশ্য হৈছে কিমান কম খাই মানুহ সুস্থ হৈ থাকিব পাৰে; কি কি ফল-মূল, শাক-পাচলি, গাখীৰ ইত্যাদি আহাৰ কৰি মানুহৰ শৰীৰ আৰু মন উত্তেজিত নোহোৱাকৈ শক্তিৱন্ত হৈ থাকিব পাৰে। ব্ৰহ্মচাৰী আৰু আশ্ৰমবাসী-সকলৰ বাবে কেনেকুৱা আহাৰ উপযোগী সেই বিষয়ে পুৰণি ভাৰতবৰ্ষৰ ঋষিমুনিসকলে বহু গৱেষণা কৰিছিল। সত্য অন্বেষণকাৰী মহাত্মাই এই সম্বন্ধে বহুত গৱেষণা কৰিছিল। আমি সেই বিষয়ে পিছত কথা হম।

মহাত্মাই মাকৰ ওচৰত গ্ৰহণ কৰা দ্বিতীয় সংকল্প হৈছে মদ নোখোৱা। এই ক্ষেত্ৰত মহাত্মা কোনো প্ৰলোভনতে পৰা দেখা নাযায়। বেৰিষ্টাৰী ভোজত নানা ৰকমৰ মদ দিয়া হৈছিল; গান্ধীজীয়ে সেইফালে ভ্ৰূক্ষেপেই কৰা নাছিল।

## দৃঢ়প্ৰতিজ্ঞ গান্ধী

কিন্তু স্ত্ৰীলোক স্পৰ্শ কৰা সম্বন্ধে তিনিটা ঘটনা তেওঁৰ আত্মজীৱনীত উল্লেখ কৰা আছে। সেই বিষয়ে চমুকৈ কওঁ শুনা। এই ঘটনাবিলাকতো তেওঁৰ সত্যপ্ৰিয়তাৰ কাৰণে পৰমেশ্বৰে তেওঁক সকলো বিপদৰপৰা ৰক্ষা কৰিছিল। নিৰামিষ আন্দোলনৰ কাৰণে তেওঁ 'ভেণ্টনৰ' নামে এখন ঠাইলৈ যাবলগীয়া হ'ল। সেই ঠাইলৈ বিলাতৰ মানুহবিলাক জলবায়ু পৰিবৰ্তন কৰিবলৈ যায়। এই ঠাইবিলাকত ভদ্ৰমহিলাৰ দৰে চাল-চলন কৰি বহুত বেয়া স্বভাৱৰ তিৰোতা থাকে। সৰল গান্ধীজীয়ে সেই ঠাইৰ মানুহ চিনি নোপোৱাৰ কাৰণে তেনে মানুহ এগৰাকীৰ ঘৰত আতিথ্য গ্ৰহণ কৰিলে। এই ঘৰৰ গৰাকীৰ জীয়েকজনীয়ে গান্ধীজীক কথা-বাৰ্ত্তাৰ ছলেৰে প্ৰলোভনত পেলাবলৈ চেষ্টা কৰিলে; কিন্তু গান্ধীজী এনে মোহত ভোল নগ'ল। ইয়াৰ পিছত

'ব্ৰাইটন' নামৰ আন এখন সাগৰৰ পাৰৰ ঠাইলৈ এই নিৰামিষ আন্দোলন সম্পৰ্কতে যাওঁতে হোটেল এটাত তেওঁৰ এগৰাকী ভদ্ৰমহিলাৰ লগত চিনাকি হয়। তেওঁ গান্ধীজীক অতি সৰল স্বভাৱৰ দেখি লণ্ডনৰ ঘৰলৈ নিমন্ত্ৰণ কৰে। এই মহিলাগৰাকীৰ এজনী বিয়া দিবলগীয়া জীয়েক আছিল। তেওঁ জীয়েকক গান্ধীজীৰ সৈতে অবাৰিতভাৱে মিলিবৰ সুবিধা দিছিল—বোধকৰোঁ ছোৱালী-জনীক গান্ধীজীলৈ বিয়া দিবৰ মনেৰে। প্ৰথমতে গান্ধীজীয়ে এই মিলামিছাত একো আপত্তি নকৰিলে; কিন্তু যেতিয়া বুজিব পাৰিলে যে তেওঁলৈ বিয়া দিবলৈকে এই বুদ্ধি কৰা হৈছে, তেতিয়া তেওঁৰ মনত আশঙ্কা উপস্থিত হ'ল। তেওঁ বুজিব পাৰিলে যে তেওঁৰ সাজপাৰ আৰু কথা-বাৰ্ত্তাৰপৰা হয়তো এই মহিলা গৰাকীয়ে গান্ধীক অবিবাহিত বুলি ধৰি লৈছিল। ইয়াকে ভাবিলৈ অসত্য আৰু প্ৰতাৰণাৰ দোষৰপৰা মুক্ত হবৰ কাৰণে তেওঁ মহিলা গৰাকীলৈ তেওঁৰ বিবাহ আৰু বিবাহিত জীৱন সম্পৰ্কে খোলাকৈ চিঠি লিখি পঠিয়ালে। লগতে ইয়াকো লিখিলে যে যদিও বন্ধু হিচাপে তেওঁৰ ঘৰলৈ যাবলৈ গান্ধীজী সদায় আনন্দিত হৈ থাকিব, তথাপি তেওঁ আন কোনো সম্বন্ধৰ আশঙ্কা কৰিলে তেনে আনন্দৰপৰা বঞ্চিত হবলৈও সাজু আছে। সুখৰ বিষয় যে মহিলাগৰাকীয়ে আৰু তেওঁৰ জীয়েকে তেওঁ বিলাত এৰালৈকে তেওঁক বন্ধুৰ দৰেই ব্যৱহাৰ কৰি আছিল। ইয়াতকৈও ডাঙৰ প্ৰলোভনত নি তেওঁক পেলাইছিল তেওঁৰ ভাৰতীয় বন্ধু এজনে পোর্টচ্‌মাউথ চহৰত। ইয়ালৈকো গান্ধীজী নিৰামিষ আন্দোলনৰ কাৰণেই গৈছিল। অচিনাকি ঠাইখন আহি পাওঁতে ৰাতি হোৱাত তেওঁলোক এগৰাকী তিৰোতাৰ ঘৰত আলহী থাকিব লগাত পৰিল। আহাৰৰ পিছত গান্ধীজীয়েও তেওঁৰ বন্ধুজনৰ সৈতে এই তিৰোতাগৰাকীৰ লগত তাচ খেলে। সময়ত ঠাট্টা-তামাচা গৈ অশ্লীলতাত পৰিণত হৈছিলগৈ। ঈশ্বৰৰ অনুগ্ৰহত গান্ধীজীয়ে তৎক্ষণাৎ নিজৰ ত্ৰুটি বুজি পালে। এই সঙ্গ পৰিত্যাগ কৰি শুবলৈ গ'ল। ৰাতি ঈশ্বৰৰ ওচৰত প্ৰলোভনৰপৰা ৰক্ষা কৰিবলৈ বহুত প্ৰাৰ্থনা কৰি পুৱাই তেওঁ সেই ঠাই পৰিত্যাগ কৰি আন ঠাইলৈ গুচি গ'ল। এইদৰে সত্যব্ৰতী আৰু ঈশ্বৰবিশ্বাসী গান্ধীয়ে মাতৃৰ বাক্য আখৰে আখৰে পালন কৰিলে। যেতিয়াই তেওঁৰ মনত অলপো বিকাৰ উপস্থিত হৈছিল তেতিয়াই তেওঁৰ ঈশ্বৰ-বিশ্বাসে তাক দূৰ কৰি দিছিল। কত ডেকা ছাত্ৰই ইয়াতকৈ কম প্ৰলোভনতো নিজকে ঠিক ৰাখিব নোৱাৰি নিজৰ স্বভাৱ নষ্ট কৰি মন

আৰু আত্মা কলুষিত কৰিছে ! কিন্তু পৰমেশ্বৰৰ কৃপাত গান্ধীজীয়ে এই প্ৰলোভনবিলাকৰ লগত এখনৰ পিছত এখনকৈ যুঁজ কৰি, মানসিক শক্তি দৃঢ় কৰি আত্মাৰ বলত নিজক বলীয়ান কৰিলে ।

## বিলাতী সমাজৰ আচাৰ-ব্যৱহাৰ

ওপৰত কৈ অহা নীতিমূলক ঘটনাবোৰৰ বাহিৰেও গান্ধীজীয়ে বিলাতী সমাজৰ আন কিছুমান নিয়ম অনুকৰণ কৰাত মনত যি দ্বিধা উপস্থিত হৈছিল আৰু সেইবিলাক কেনেকৈ আঁতৰাইছিল তাৰ বিষয়ে তেওঁ আত্মজীৱনীত প্ৰকাশ কৰিছে । তেওঁ প্ৰথমতে বিলাতী সাজপাৰ একেবাৰে ভাল নাপাইছিল । প্ৰথমতে বিলাতত গৈ নামোতে বগা ফ্লেনেলৰ পট্‌লুন পিন্ধি মানুহৰ হাঁহিয়াতৰ পাত্ৰ হৈছিল । কিন্তু অতি সোনকালে তেওঁ সাজপাৰত পূৰা ইংৰাজ হ'ল । ইংৰাজ ভদ্ৰলোকৰ নিচিনা হ'বলৈ গৈ তেওঁ সাজপাৰত বাৰুকৈয়ে ধন ভাঙিব লগাত পৰিছিল । তেওঁৰ ভাল ইংৰাজী সাজপাৰ পিন্ধা অভ্যাসটো আফ্ৰিকাত সত্যাগ্ৰহ কৰা সময়লৈকে আছিল । তোমালোকে তেওঁৰ সেই সময়ৰ ফটো দেখিলে সেইজন আজিৰ গান্ধীজী বুলি চিনিবই নোৱাৰিবা । এণ্ড্ৰুজ চাহাবে লিখা 'Gandhi And Ideals' নামৰ কিতাপখনত আৰু নৱজীৱন প্ৰেছে ছপোৱা তেওঁৰ আত্মজীৱনীত ইংৰাজী পোছাকত ডেকা গান্ধীৰ ছবি দেখিবলৈ পাবা । ইংৰাজ ভদ্ৰলোক হ'ব লাগিলে হেনো নাচ জানিব লাগে । সেই কাৰণে তেওঁ নাচ শিকোৱা ক্লাছত নাম লগাইছিল । পিয়ানোৰ তাল বুজিব নোৱাৰি তাল আৰু গান শিকিবলৈ তেওঁ এখন চল্লিশ-পঞ্চল্লিশ টকীয়া বেহেলা কিনিছিল । সেইদৰে ইংৰাজী ভাষাত বক্তৃতা দিয়াৰ ক্ষমতা অৰ্জন কৰিবলৈ মাষ্টৰ এজন ধৰিলে আৰু লাগতিয়াল কিতাপো কিনিলে । কিন্তু এইবিলাক আৰম্ভ কৰাৰ তুমাহমানৰ পিছতে তেওঁ এইবিলাকৰ উদ্দেশ্য সম্বন্ধে চিন্তা কৰিবলৈ ধৰিলে । ইংলণ্ডত বসতি কৰাটো তেওঁৰ উদ্দেশ্য নহয় আৰু ভাৰতবৰ্ষলৈ উভতি আহিলে এই বিদ্যাবিলাক কি কামত আহিব ? এই চিন্তাৰ ফল স্বৰূপে তেওঁ এইবিলাক বিদ্যাৰ ধাউতি একেবাৰে পৰিত্যাগ কৰিলে ।

আনপিনে তেওঁ বিলাতলৈ অহা উদ্দেশ্য সফল কৰিবৰ কাৰণে বিশেষ-ভাৱে চেষ্টা কৰিবলৈ ধৰিলে । সেই সময়ত বেৰিষ্টাৰী পৰীক্ষা বৰ সহজ নাছিল । কিছুমান নিৰ্ধাৰিত সময়ত জজ, বেৰিষ্টাৰ ইত্যাদিৰ লগত

ভোজভাত (dinner) খাব লাগে আৰু সাধাৰণ পৰীক্ষা দুটামান পাছ কৰিবও লাগে। বহুতে নোট (note) বা টোকা কিছুমান পঢ়িয়েই পাছ কৰে। গান্ধীজীৰ পাঠ্যপুথি পঢ়াতো সত্যনিষ্ঠা আছিল। 'তেওঁ বহু দামী হলেও মূল কিতাপবিলাক কিনি পঢ়িবলৈ লয়।' তথাপি তেওঁ বহুত সময় পাইছিল। সেই কাৰণে তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেশন পৰীক্ষা পাছ কৰিবলৈ ঠিক কৰিলে। এই পৰীক্ষা পাছ কৰিবলৈ হলে লেটিন ভাষাত পৰীক্ষা দিব লাগে আৰু লগতে বৰ্ত্তমান কথিত ভাষা এটাৰো পৰীক্ষাত পাছ কৰিব লাগে। এই পৰীক্ষা সহজ নহয়। গান্ধীজীয়ে লেটিন আৰু ফৰাচী ভাষা লৈ লণ্ডন বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰিলে। লেটিন পঢ়াৰ কাৰণে তেওঁ বেৰিষ্টাৰী পঢ়োঁতে ৰোমান আইন ইত্যাদি শিকাত বৰ সুবিধা হৈছিল।

সেই সময়ত তেওঁ ধৰ্ম্ম চৰ্চা কৰাৰ সুবিধাও এৰা নাছিল। তেওঁৰ উদাৰ মনে কোনো ধৰ্ম্মৰ সত্যকে বৰ্জন কৰিবলৈ বিচৰা নাছিল। নিৰামিষ আন্দোলনত যোগ দিয়াত তেওঁৰ বহুত ধৰ্ম্মপ্ৰাণ লোকৰ লগত পৰিচয় ঘটে। ভাৰতবৰ্ষৰ খৃষ্টিয়ান ধৰ্ম্ম-প্ৰচাৰকবোৰৰ কথা শুনি তেওঁ সেই প্ৰচাৰকবিলাকৰ প্ৰচাৰ একেবাৰে পচন্দ নকৰিছিল। কাৰণ এওঁলোকে খৃষ্টিয়ান কৰি মানুহক মদ আৰু গো-মাংস খুৱাইছিল। কিন্তু লণ্ডনত দুই-এজন নিৰামিষভোজী প্ৰচাৰক লগ পাই আৰু তেওঁলোকৰ লগত কথা-বতৰা হৈ তেওঁৰ এই ভাব বহু পৰিমাণে দূৰ হয়। তেওঁৰ 'থিঅ'ছফিষ্ট'সকলৰ লগত ভালকৈ চিনা-পৰিচয় হয়। তেওঁলোকৰ জনা মতে Sir Edwin Arnoldৰ 'Song Celestial' অৰ্থাৎ ভগৱৎ গীতাৰ অনুবাদ পঢ়ে। ইতিপূৰ্ব্বে তেওঁ গীতা পঢ়া নাছিল; তেতিয়া সেই সুন্দৰ অনূদিত গীতাই তেওঁক বিশেষভাৱে অভিভূত কৰে। সেই লেখকৰে 'Light of Asia' নামৰ বুদ্ধ-চৰিত পঢ়িও তেওঁ বৰ ভাল পায়। নিৰামিষভোজী খৃষ্টিয়ানবিলাকৰ কথা শুনি তেওঁ বাইবেল আৰু বিশেষকৈ বাইবেলৰ 'New Testament' পঢ়ে। তেওঁ যীশুখৃষ্টৰ Sermon on the Mount অৰ্থাৎ মূল শিকনিখিনি পঢ়ি মুগ্ধ হয়। সেইখিনি পঢ়ি তেওঁৰ বৈষ্ণৱ কবি সমলভট্টৰ কবিতালৈ মনতপৰে। "আনৰ শত্ৰুতাৰ পৰিবৰ্ত্তে মিত্ৰতা দিবা আৰু হিংসাৰ পৰিবৰ্ত্তে মৰম দিবা"- এই নীতিয়ে ক্ৰমে মহাত্মা গান্ধীৰ মন বিশেষভাৱে আকৰ্ষণ কৰিবলৈ ধৰিলে।

লণ্ডনত থাকোঁতে গান্ধীজীয়ে নিজে নিজৰ কাৰণে কিছুমান নিয়ম

কৰি লয়। সেইবোৰ সকলো ছাত্ৰই বিশেষভাৱে মন কৰা দৰ্কাৰ। তেওঁ বৰ মিতব্যয়ী আছিল। তেওঁক ককায়েকে অতি উদাৰভাৱে খৰচ যোগাই আছিল; কিন্তু তেওঁ তথাপি নিজৰ খৰচ কমাই আনিছিল। স্বাধীনভাৱে এটা কোঠালীত থাকিবলৈ গৈ তেওঁ নিজৰ আহাৰ নিজেই ৰান্ধি খাইছিল। ভালকৈ লণ্ডনচহৰখন চিনি পোৱাৰ পিছত তেওঁ গাড়ী বা আন প্ৰকাৰৰ যানত একেবাৰে নুফুৰিছিল। সাধাৰণতে তেওঁ পঢ়া ঠাইৰপৰা এনেকুৱা দূৰত্বত থকা ঘৰ লৈছিল যাতে আহোঁতে খোজকাঢ়োতে আধা ঘণ্টা সময় লাগে। সেইবাবে তেওঁ পঢ়া ঠাইলৈ যোৱাটোত এটা শাৰীৰিক পৰিশ্ৰম হৈছিল। আজৰিপৰতো তেওঁ খোজকাঢ়ি ফুৰিবলৈ ভাল পাইছিল। মহাত্মা গান্ধীৰ অতি বেগাই খোজকঢ়াৰ অভ্যাস আছিল। সেই অভ্যাস তেওঁ বিলাতত্তে আৰম্ভ কৰে। তেওঁ নিজৰ খৰচ-পাতিৰ হিচাপ বৰ ভালকৈ ৰাখিছিল। অতি সাধাৰণ খৰচো তেওঁৰ হিচাপৰ পৰা বাদ নপৰিছিল। এই অভ্যাসটোৱে তেওঁক এপিনে মিতব্যয়ী হবলৈ আৰু আনপিনে হিচাপ ৰাখিবলৈ শিকালে। তেওঁ ইয়াৰ পিছত বহুত ৰাজহুৱা ধন-ভঁৰাল চলাব লগাত পৰিছিল। এই অভ্যাসৰ কাৰণেই তেওঁ অতি উত্তমৰূপে সেইবিলাক হিচাপ ৰাখিব পাৰিছিল।

## বক্তৃতা দিব নোৱাৰা গান্ধী

বিলাতত থাকোঁতে, আনকি তাৰ কিছুদিন পিছলৈকো গান্ধীজীয়ে সমাজত বক্তৃতা দিবলৈ লাজ আৰু টান পাইছিল। 'নিৰামিষ সমাজ'ৰ সম্পাদক হৈ থাকোঁতে এদিনো বক্তৃতা নিদিয়াৰ কাৰণে সভাপতি ডাঃ অ'ল্ডফিল্ডে তেওক ঠাট্টা কৰিছিল। এদিন তেওঁ বক্তৃতা দিয়াৰ ইচ্ছাৰে আগৰেপৰা বহুত ভাবি-চিন্তি এটা লিখিত বক্তৃতা পঢ়িবৰ কাৰণে লৈ আহে। কিন্তু তেওঁৰ এনে লাজ লাগিল যে তেওঁ আখৰকে পঢ়িব নোৱাৰা হ'ল। তেওঁৰ বক্তৃতা আন এজনেহে পঢ়ি শুনাব লগাত পৰিল। তেওঁ ভাৰতবৰ্ষলৈ উভতি অহাৰ আগতে কিছুমান বন্ধুক খাবলৈ মাতিছিল। তেওঁৰ প্ৰতি সকলোৱে শুভেচ্ছা প্ৰকাশ কৰি বক্তৃতা দিলে। তেওঁ ভাবি-চিন্তি উত্তৰত কিবা এটা হাঁহি উঠা কথাকে ক'বলৈ আৰম্ভ কৰিলে; কিন্তু থিয় হৈ হুআষাৰমান কৈয়ে তেওঁ সকলো কথা পাহৰি গ'ল আৰু একো ক'ব নোৱাৰি, "মোৰ নিমন্ত্ৰণ ৰক্ষা কৰাৰ কাৰণে আপোনালোকক ধন্যবাদ দিওঁ" বুলি কৈ বহি পৰিল। এই দুৰ্ব্বলতা সত্বেও গান্ধীজীয়ে কয় যে এই দুৰ্ব্বলতাই তেওঁক

বক্কাহে কৰিলে। অযথা কথা, বহু কথা আৰু অৰ্থশূন্য কথাই মানুহক উন্নত নকৰি অন্যায়হে কৰে। এনে অভ্যাস থকা লোকসকলে সত্য পালন কৰা টান। কথাৰ লাহুত কোনো এটা কথা বঢ়াই বা অতিৰঞ্জিত কৰি কোৱাটো স্বাভাৱিক বুলি ভাবে। এই বিষয়ত মানুহ সংযত হব লাগে। সেই কাৰণে গান্ধীজীয়ে যদি ভেনেকুৱা অযথা বা অকাৰণ কথা ক'বলৈ ধৰিলেহেঁতেন তেন্তে তেওঁৰ কথা অসংযত হবলৈ বাধ্য হ'লহেঁতেন। আজি তেওঁ এজন বক্তা, কিন্তু তেওঁৰ বক্তৃতাত ফটফটীয়া, সঠিক, শান্তিময় ভাবৰ শব্দৰ বাহিৰে কোনো প্ৰকাৰ অতিৰঞ্জিত, উত্তেজক বা বুজিব নোৱাৰা ভাবৰ কথা একেবাৰে নাথাকে। মহাত্মা গান্ধীৰ দৰে নিৰ্ম্মল মনৰ ভাব নিৰ্ম্মল ভাবেৰে প্ৰকাশ কৰিব পৰা শক্তি পৃথিবীৰ কম লোকৰেই থকা সম্ভৱ।

গান্ধীজী ভাৰতবৰ্ষলৈ আহিবলৈ ওলাল সঁচা, কিন্তু তেওঁ নিজৰ ভৱিষ্যৎ সম্পৰ্কে বৰ আশাবাদী নহ'ল। ইংলণ্ডৰ আইন তেওঁ শিকিলে স'চা, কিন্তু বেৰিষ্টাৰী কৰিব লাগিব ভাৰতবৰ্ষত। হিন্দু আইন তেওঁৰ পঢ়া নহ'ল। তেওঁৰ বন্ধু চাৰ হৰ্ষ মেহতাই কেনেকৈ সিংহৰ দৰে গৰ্জে আৰু জজক বশীভূত কৰে সেই কথা তেওঁক কৈছিল। কিন্তু গান্ধীজীয়ে মানুহৰ মাজত কথাকে কব নোৱাৰে। তেওঁ কেনেকৈ আইন ব্যৱসায়ী হৈ উপাৰ্জ্জন কৰিব? বন্ধুসকলৰ কথা মতে তেওঁ কিছুমান কিতাপ কিনি পঢ়িলে। কিন্তু তাৰ-পৰাও তেওঁৰ মনৰ সাহ নাবাঢ়িল। মনত এনে দ্বিধা ভাব লৈ তেওঁ বেৰি-ষ্টাৰভুক্ত হোৱাৰ পিছদিনাই ভাৰতবৰ্ষ অভিমুখে জাহাজত উঠিল।

বাপা, মহাত্মাৰ কৰ্ম্মজীৱন সম্পৰ্কে পঢ়াৰ আগতে মই তোমালোকক তেওঁৰ ছাত্ৰ জীৱনে আমাক কি শিকায় সেই সম্বন্ধে অলপ ভাবিবলৈ কওঁ। গান্ধীজীৰ বুদ্ধি অসাধাৰণ নাছিল; তেওঁৰ কোনো শক্তিয়েই তোমালোকৰ ভিতৰৰ সাধাৰণ ছাত্ৰতকৈ বেছি নাছিল। তথাপি তেওঁ কেনেকৈ পিছৰ জীৱনত এনে অসাধাৰণ সাহস আৰু মানসিক শক্তিৰ পৰিচয় দিলে? এই প্ৰশ্নৰ একমাত্ৰ উত্তৰ এয়ে যে পৰমেশ্বৰে তেওঁক যি বুদ্ধি আৰু শক্তি দিছিল, সেই বুদ্ধি আৰু শক্তিৰ তেওঁ সদ্‌ব্যৱহাৰ কৰিছিল। ইয়াৰ বাহিৰে তেওঁ কিছুমান সত্য মানিছিল যি বিলাকক আজি-কালিৰ ছাত্ৰ-ছাত্ৰীয়ে একেবাৰে আৱশ্যক বুলি নাভাবে। সেইবিলাক হৈছে—ঈশ্বৰত বিশ্বাস আৰু তাৰ লগে লগে সজ-নীতি মানি লোৱা, যেনে, সত্যৰ কাৰণে নিষ্ঠা, সজ সঙ্গ আৰু সজ কথালৈ আগ্ৰহ ইত্যাদি। ভাৰতবৰ্ষৰ পুৰণি কালৰ বিদ্যাৰ্থী-

বিলাকে আন শিক্ষাতকৈ ঈশ্বৰচিন্তা আৰু সজ-নীতি আচৰণক হে সকলোতকৈ বেছি লাগতিয়াল বুলি ভাবিছিল। বৰ্ত্তমান সময়তো গান্ধীজীয়ে এই নৈতিক শক্তিৰহে বেছি চৰ্চা কৰিলে! বিলাতৰপৰা উভতি আহোঁতে তেওঁ খোৱা-বোৱা সম্পৰ্কে সম্পূৰ্ণ সংযত হৈ আছিল। সেইদৰে নিজৰ শক্তি নোহোৱা কাৰণে হলেও বাক্যতো সংযত হ'ল। সত্যৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু সত্যপালনৰ শক্তি তেওঁৰ বিশেষভাৱে বাঢ়ি গ'ল। বিশেষকৈ মনুষ্য জীৱনৰ উদ্দেশ্য যে ঈশ্বৰক পোৱা আৰু তেওঁৰ ধৰ্ম্ম যে অসীম মৰম আৰু দয়াৰে ভৰা—ইয়াৰ আভাসো তেওঁ পাবলৈ ধৰিলে। এইদৰে তেওঁ ঈশ্বৰৰ শক্তিৰে শক্তিমন্ত হৈ কৰ্ম্ম-জীৱনত সোমাল। বাপা, পিছত তোমালোকে দেখা পাবা কেনেকৈ তেওঁৰ জীৱনত সমুদায় কৰ্ম্ম ই ঈশ্বৰৰ পূজা বুলি তেওঁ ধৰি লৈছে। এনে শক্তিৱন্ত লোক যে কোনো কামতে বিফল নহয়, তাক কোৱা বাহুল্য মাথোন।

## ভাৰতবৰ্ষত দুবছৰ

বাইশ বছৰ বয়সত গান্ধীজী বেৰিষ্টাৰী পাছ কৰি ভাৰতবৰ্ষ পায়হি। ককায়েকে তেওঁক বোম্বাই বন্দৰত লগ ধৰে আৰু তেওঁৰ মাকৰ মৃত্যু খবৰ দিয়ে। বিলাতত থাকোঁতে এই সংবাদ পাই গান্ধীজীয়ে দুখ পাব বুলি ককায়েকে এই খবৰ দিয়া নাছিল। এই খবৰ পাই মহাত্মাই মনত বৰ কষ্ট পায়। তেওঁ মাকক লগ পাই বহুত কথা ক'বলৈ আৰু ভৱিষ্যতে কেনেকৈ থাকিব সেই বিষয়ে আলচ কৰিবলৈ মনতে পাঙি আহিছিল। কিন্তু তাৰ পৰিবৰ্ত্তে তেওঁ এটা শোকৰ বোজাহে পালে। তথাপি অলপো অধৈৰ্য নহৈ তেওঁ কৰ্ম্মজীৱন আৰম্ভ কৰিলে। ককায়েকে নিজে ৰাজকোটৰ এজন সাধাৰণ উকীল হৈ ভায়েকক বেৰিষ্টাৰী পাছ কৰাই আনি বৰ গৌৰৱ অনুভৱ কৰিছিল। তেওঁ সাধাৰণ সাংসাৰিক লোকৰ দৰে ধন, সন্মান আৰু গৌৰৱ আকাঙ্ক্ষী আছিল। সেই কাৰণে খৰচ হলেও গান্ধীজীক তেওঁ উত্তম ধৰণেৰে চাহাবী বেৰিস্টাৰৰ দৰে ৰাখিবলৈ বিচাৰিলে। লাভৰ ভিতৰত ঘৰুৱা খৰচ অনেক বাঢ়ি গ'ল। অথচ সেই পৰিমাণে উপাৰ্জ্জন নোহোৱা হ'ল। প্ৰথমতে গান্ধীজীক বোম্বাইত ৰখা হ'ল আৰু তেওঁৰ খৰচ-পাতি ককায়েকে যোগাবলৈ ধৰিলে। খৰচ বেছি হোৱাৰ কাৰণে গান্ধীজীয়ে বান্ধনি এটা মাত্ৰ ৰাখি নিজে হাইকোৰ্টলৈ আহ-যাহ কৰি প্ৰায় ছমাহ কটালে। কিন্তু তাৰপৰা

তেওঁৰ লাভ একেবাৰেই নহ'ল। ইয়াৰ ভিতৰতে এনে এটা ঘটনা ঘটিল যে বেৰিষ্টাৰ হৈ থকা টান হৈ পৰাৰ দৰে হ'ল। তেওঁ বোম্বাইৰ তলতীয়া দেৱানী আদালতত ত্ৰিশ টকা বায়না লৈ বিবাদীৰ পক্ষে হাজিৰ হবলৈ গাত লৈছিল। মোকৰ্দ্দমা অতি সাধাৰণ হলেও তেওঁ বাদী আৰু সাক্ষীবিলাকক জেৰা কৰিব লাগে। তেওঁ জেৰা কৰিবলৈ থিয় হৈ কি সুধিব কি নুসুধিব ভাবি এনে বিমোৰত পৰিল যে তেওঁ লাজতে ঘামিবলৈ ধৰিলে। আদালতৰপৰা নামি আহি তেওঁ বায়নাৰ ধন ওভোটাই দি আন উকীল ধৰিবলৈ ক'লে। এনে বেৰিষ্টাৰ হৈ যে তেওঁ ধন উপাৰ্জ্জন কৰি জীৱন নিৰ্ব্বাহ কৰিব নোৱাৰে, সেই কথা নিজে বুজিলে। তেওঁ যাতে মোকৰ্দ্দমা পায় তাৰ কাৰণে তেওঁৰ ককায়েকে কত চেষ্টা কৰিলে তাৰ ঠিক নাই। কিন্তু মোকৰ্দ্দমা পায়ো যেতিয়া তেওঁৰ এনে অৱস্থা হ'ল, তেতিয়া তেওঁ হতাশ হবলৈ ধৰিলে। দৰখাস্ত ইত্যাদি লিখি তেওঁ অলপ-অচৰপ ধন পাইছিল; কিন্তু তাৰেনো চলে কেনেকৈ? সেই কাৰণে তেওঁ নিজৰ জীৱিকা আৰু ককায়েকক সহায় কৰাৰ কাৰণে আন কাম বিচাৰিবলৈ ধৰিলে। এঠাইত তেওঁ ৭৫ টকা মাহেকীয়া দৰ্মহাৰ স্কুল-শিক্ষকৰ কাৰণে দৰখাস্ত দিলে আৰু সেই স্কুলৰ অধ্যক্ষৰ লগত দেখা কৰাত তেওঁ ক'লে যে তেওঁলোকক এজন গ্ৰেজুৱেটৰ হে দৰকাৰ। গান্ধীজীয়ে বুজাবলৈ ধৰিলে যে লণ্ডনৰ মেট্ৰিকুলেট এজন ইয়াৰ গ্ৰেজুৱেট এজনতকৈ কোনো গুণে কম নহয়; কিন্তু অধ্যক্ষজন কোনোমতেই গ্ৰেজুৱেটৰ বাহিৰে আনক লবলৈ সন্মত নহ'ল। শেষত উপায়বিহীন হৈ তেওঁ আগতে যাবলৈ নিবিচৰা ঠাই ৰাজকোটতে বেৰিষ্টাৰী কৰিবলৈ বাধ্য হ'ল। তেওঁ ভাবিলে যে যদি তেওঁ ককায়েকৰ লগত থাকে তেন্তে ককায়েকে তেওঁক বোম্বাইত ৰখাৰ কাৰণে কৰা খৰচাখিনিৰপৰা অব্যাহতি পাব। ইয়াৰ বাহিৰেও, বোম্বাইৰ বেৰিষ্টাৰী লাইব্ৰেৰী আৰু হাইকোৰ্টত নিষ্কৰ্ম্মা হৈ বহি বহি এনেকুৱা আমনি লাগিলগৈ যে তাত তেওঁৰ একেবাৰে থাকিবৰ মন নোযোৱা হ'ল।

প্ৰকৃততে তেওঁ ৰাজকোটলৈ অহাৰ পিছত দৰখাস্ত আৰু আন লিখা কাম ভালকৈয়ে পাবলৈ ধৰে। এনেকৈ মাহিলী প্ৰায় তিনিশ টকা উপাৰ্জ্জন হৈছিল। কিন্তু এটা ঘটনাৰ কাৰণে এই ৰাজকোটতো তেওঁৰ ঠাই নোহোৱা হ'ল। তেওঁৰ ককায়েক পোৰবন্দৰৰ ৰজাৰ নিৰ্দ্ধাৰিত উকীল আছিল আৰু ৰজাক আইন সম্বন্ধে অনেক উপদেশ দিবলগীয়াত পৰিছিল। সেই ঠাইৰ ইংৰাজ

এজেণ্ট এজনে এওঁক বেয়া উপদেশ দিয়া বুলি গান্ধীজীৰ ককায়েকক বেয়া পাইছিল। এই এজেণ্টজনৰ গান্ধীজীৰ লগত চিনা-পৰিচয় হৈছিল। তাকে জানি ককায়েকে গান্ধীজীক এই এজেণ্ট চাহাবক দেখা কৰি তেওঁৰ সম্বন্ধে সকলো কথা বুজাই দি তেওঁক চাহাবৰ খঙৰপৰা ৰক্ষা কৰিবলৈ কয়। গান্ধীজীয়ে এনে ধৰণৰ অনুৰোধ কৰিবলৈ বেয়া পাই প্ৰথমে আপত্তি কৰিছিল; কিন্তু ককায়েকে পুনৰাই কোৱাত গান্ধীজী এই চাহাবজনৰ ওচৰলৈ গ'ল। এজেণ্টজনে গান্ধীজীক প্ৰথমৰপৰাই বৰ্ব্বৰভাবে ব্যৱহাৰ কৰিবলৈ ধৰিলে। গান্ধীয়ে কথা ক'বলৈ আৰম্ভ কৰোঁতেই তেওঁ বাধা দিলে। তেওঁ যেতিয়া তথাপি ক'বলৈ বিচাৰিলে তেওঁক চাহাবে ঘৰৰপৰা বাহিৰ হৈ যাবলৈ ক'লে আৰু গান্ধীজীয়ে তাৰ পিছতো শুনিবলৈ অনুৰোধ কৰাত তেওঁক আৰ্দ্দালিয়ে ঘৰৰপৰা বাহিৰ কৰি দিলে। গান্ধীজীয়ে এজন ইংৰাজৰ হাতত কেতিয়াও তেনে আচৰণ আশা কৰা নাছিল। ভাৰতত ইংৰাজ কৰ্ম্মচাৰীৰ প্ৰকৃতি তেওঁ এয়ে প্ৰথম বুজিলে। ইয়াৰ প্ৰতিকাৰৰ কাৰণে গান্ধীজীয়ে আদালতলৈ যাবলৈ বিচাৰিছিল; কিন্তু শেষত সেই চেষ্টাও এৰিলে। যি হওক, এই ঠাইত এই ঘটনাৰ পাছৰপৰা গান্ধীজীৰ বেৰিষ্টাৰী কৰাটো টান হৈ পৰিল। তেওঁৰ বেছিভাগ মোকৰ্দ্দমাই এই চাহাবজনৰ হাতত পৰিলহেঁতেন। তেওঁৰ প্ৰতি এনে ভাব পোষণ কৰি তেওঁৰ আগত হাজিৰ হোৱাটো গান্ধীজীয়ে অপমানৰ কথা বুলি ভাবিলে। কেৱল দৰখাস্ত লিখিয়েই তেওঁ জীৱন কটাব নোৱাৰে। গতিকে তেওঁৰ আগত আকৌ এটা ডাঙৰ সমস্যা উপস্থিত হ'ল। ঈশ্বৰৰ ইচ্ছাত তেওঁৰ জীৱনৰ উদ্দেশ্য সম্পূৰ্ণ হবৰ কাৰণেই হব পায়, এই সমস্যাৰ সমাধান আপোনা-আপুনি ওলাল।

সেই সময়ত ভাৰতৰ পশ্চিম অঞ্চলৰ, বিশেষকৈ গুজৰাটৰ ফালৰ, মানুহৰ দক্ষিণ আফ্ৰিকাত ব্যৱসায় চলিছিল। তাৰে ভিতৰত দাদা আবদুল্লা কোম্পানীয়ে ভাৰত আৰু আফ্ৰিকা উভয়তে ডাঙৰ কাৰবাৰ চলাইছিল। এওঁলোকৰ সেই সময়ত প্ৰায় সাত-আঠ লাখ টকাৰ মোকৰ্দ্দমা লাগে। মোকৰ্দ্দমাবোৰত স্থানীয় অনেক ইউৰোপীয় বেৰিষ্টাৰ নিযুক্ত কৰা হৈছিল। কিন্তু তেওঁলোকক ব্যৱসায়ৰ হিচাপ-পত্ৰ আদি ইংৰাজীতে ভালকৈ বুজাই দিবলৈ এজন ভাল ইংৰাজী জনা মানুহৰ দৰ্কাৰ হৈছিল। আবদুল্লা কোম্পানীৰ বোম্বাইৰ প্ৰতিনিধিয়ে গান্ধীজীক লগ ধৰিলে। গান্ধীজীৰ বুজিবলৈ বাকী নাথাকিল যে যি কামৰ কাৰণে তেওঁক নিব খুজিছে তাৰ লগত বেৰিষ্টাৰী শিক্ষাৰ

কোনো সম্বন্ধ নাই। তেওঁৰ কাম এজন অনুবাদকৰ বাহিৰে আন একো নহয়। তথাপি তেওঁ এই কাম লবলৈ একো আপত্তি নকৰিলে। তেওঁ ভাবিলে যে ৰাজকোটৰ নিচিনা দলাদলিপূৰ্ণ ঠাই এৰি নতুন দেশ চাবলৈ পোৱাৰ এই সুবিধা লোৱাই ভাল। আৰু যি টকা-পইচা পায় তাৰে ককায়েককো সহায় কৰিব পাৰিব। বন্দৱস্ত হ'ল যে তেওঁ দক্ষিণ আফ্ৰিকাত তিনি বছৰ থাকিব, খকা-মেলাৰ খৰচ কোম্পানীয়ে দিব আৰু বছৰি পাৰিশ্ৰমিক বাবদ মাত্ৰ চৈধাশ বা পোন্ধৰশ টকা দিব। পাৰিশ্ৰমিক অতি সামান্য হলেও গান্ধীজীয়ে বিনা আপত্তিৰে সেই বন্দৱস্ত মানি ললে।

## দক্ষিণ আফ্ৰিকা

গান্ধীজীয়ে ১৮৯৩ চনৰ মে' মাহৰ শেষত দক্ষিণ আফ্ৰিকাৰ বৃটিছ ৰাজ্য নাটাল ( Natal )ত ভৰি দিলেগৈ। তেওঁৰ বয়স মাত্ৰ চৌবিশ বছৰ। যাওঁতে বাটত এঠাইত জাহাজে লংগৰ পেলাইছিল আৰু এবাৰ চহৰ চাবলৈ যাওঁতে তেওঁক এৰি জাহাজ গুচি যাব ধৰিছিল।

বাপা, আফ্ৰিকা মহাদেশৰ মানচিত্ৰৰ দক্ষিণ ফালে দেখা পাবা যে এতিয়া গোটেইখিনিয়েই ৰঙীন অৰ্থাৎ বৃটিছৰ ঔপনিবেশিক ৰাজ্য। বৰ্ত্তমান দক্ষিণ আফ্ৰিকা কেবাখনো ৰাজ্য মিলি যুক্তৰাজ্য হৈছে। যেনে, কেপ্ ক'ল'নী ( Cape Colony ), নাটাল ( Natal ), অৰেঞ্জ ফ্ৰি ষ্টেট ( Orange Free State ), ট্ৰান্সভাল ( Transvaal ) আৰু দক্ষিণ-পশ্চিম আফ্ৰিকা। সোণ আৰু আন ধাতুৰ খনি পোৱাৰ লিপ্সাত, বাণিজ্য আৰু ৰাজ্য বিস্তাৰৰ আশাত ইউৰোপীয় জাতিবিলাকে আফ্ৰিকাখন ভাগ কৰি লৈছে। আশী বছৰ আগেয়ে অৰেঞ্জ ফ্ৰি ষ্টেট আৰু ট্ৰান্সভাল ডাছ ( Dutch ) অৰ্থাৎ হলেণ্ডবাসীৰ হাতত আছিল। সোণ-লোভী ৰড'ছ কোম্পানীৰ বৃটিছ মানুহ কিছুমানে দক্ষিণ আফ্ৰিকাৰ উত্তৰৰ ঠাইখিনিও অধিকাৰ কৰিছিল আৰু আফ্ৰিকাৰ গোটেই নামনি ৰাজ্যবিলাক বৃটিছ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিবৰ উদ্দেশ্য এটা চেলু লৈ এই ওলণ্ডাজবিলাকৰ লগত ১৯০১ চনত যুঁজ কৰে আৰু সেই যুদ্ধৰ সন্ধিৰ ফলত ক্ৰমে বৰ্ত্তমান দক্ষিন আফ্ৰিকা ঔপনিবেশিক যুক্তৰাজ্যত পৰিণত হয়। এই যুদ্ধকে বুয়ৰ যুদ্ধ ( Boer war ) বোলে। এই ৰাজ্যবিলাকত ইউৰোপীয়ানৰ সংখ্যা নিচেই কম। চাৰিভাগৰ তিনিভাগ লোকেই আফ্ৰিকাৰ বস্থুৱা লোক আৰু ভাৰতীয়। এই ইউৰোপীয়বিলাকে আফ্ৰিকাৰ বাসিন্দা-

সকলৰ ওপৰত কি অমানুষিক অত্যাচাৰ চলাই আৰু ফাঁকি দি এই ৰাজ্যবোৰ দখল কৰে, সেই বিষয়ে ক'বলৈ গলে এখন সুকীয়া কিতাপ লিখিব লাগিব। এই ইউৰোপীয়সকলে ভাৰতীয়বোৰকো যি অন্যায় কৰিছিল আৰু কৰি আছে তাৰ আভাস গান্ধীজীৰ জীৱনৰ ঘটনাতে পাবা।

১৮৯৩ চনত নাটাল বৃটিছ ৰাজ্য আৰু ট্ৰান্সভাল ডাছ বা ওলণ্ডাজ ৰাজ্য আছিল। আবদুল্লা কোম্পানীৰ মোকৰ্দ্দমাৰ বিবাদী ট্ৰান্সভালত আছিল আৰু মোকৰ্দ্দমাও ট্ৰান্সভাল ৰাজ্যৰ অন্তৰ্গত প্ৰিটৰীয়া চহৰত হব লাগিছিল।

গান্ধীজীয়ে আফ্ৰিকাত নামিয়েই কিছুমান অদ্ভুত আচৰণ দেখিবলৈ পালে। ভাৰতবাসী শেঠ আবদুল্লাক দেখোঁতেই এজন অতি ধনী আৰু সম্মানী মানুহ যেন লাগে; কিন্তু বগা চামৰাৰ মানুহবিলাকে তেওঁক এজন অতি সাধাৰণ মানুহ যেন জ্ঞান নকৰে। ইউৰোপীয়বিলাকৰ মনত ভাৰতীয় যেন মানুহেই নহয় এনে অবজ্ঞাৰ ভাব দেখা পালে। তেওঁ ডাৰবানত থকাৰ দুদিনমান পিছতে তেওঁৰ মোক্কেল আবদুল্লা শেঠে তেওঁক ডাৰবান আদালতলৈ ফুৰাবলৈ লৈ গৈছিল। তেওঁৰ শৰীৰত সম্পূৰ্ণৰূপে ইংৰাজী সাজপাৰ অৰ্থাৎ ফ্ৰক কোট ইত্যাদি আছিল; কিন্তু মূৰত পাগুৰি মাৰিছিল। তেওঁ আদালতলৈ যাওঁতে মেজিষ্ট্ৰেটজনে তেওঁলৈ কেৰাহিকৈ চাই মূৰৰপৰা পাগুৰিটো গুচাবলৈ ক'লে। কিন্তু গান্ধীজীয়ে সেই হুকুম আওকাণ কৰি আদালতৰপৰা ওলাই আহিল। আবদুল্লা শেঠৰপৰা তেওঁ জানিব পাৰিলে যে মুছলমানসকলক তেনেকৈ পাগুৰি পিন্ধি থাকিবলৈ দিয়ে, কিন্তু অমুছলমান আন কোনো ভাৰতবাসীক নিদিয়ে।

এই ঠাইৰ নিয়মমতে আৰববিলাকৰ বাহিৰে এছিয়াবাসী সকলো মানুহেই কৃষ্ণাঙ্গ অৰ্থাৎ ক'লা মানুহ বুলি ঘৃণিত আৰু পীড়িত হোৱাটো স্বাভাৱিক কথা বুলি সকলোৱে মানি লবলৈ বাধ্য হৈছিল। কিন্তু ব্যক্তিগত জীৱনত নিজে অত্যাচাৰ উৎপীড়ন পোৱাৰ আগলৈকে গান্ধীজীয়ে অনুমান কৰিব নোৱাৰিছিল যে দক্ষিণ আফ্ৰিকাত ভাৰতীয়ৰ অৱস্থা ইমান শোচনীয় হব পাৰে।

মোকৰ্দ্দমা সম্বন্ধে সকলো কথা বুজি লওঁতে গান্ধীজীক সাত দিনমান লাগিল। তাৰ পাছত তেওঁক প্ৰিটৰীয়ালৈ পঠিয়াবলৈ বন্দবস্ত কৰা হ'ল। শেঠ আবদুল্লাই এই কেইদিনৰ ভিতৰতে গান্ধীজীৰ চৰিত্ৰ আৰু ক্ষমতা পৰীক্ষা-কৰি তেওঁক আদৰ কৰিবলৈ ধৰিলে। তেওঁৰ থকা-মেলাৰ কাৰণে সকলো সু-বন্দবস্ত কৰি দিলে আৰু যি কোনো সুবিধাৰ কাৰণেই গান্ধীজীক

টকা-পইচা খৰচ কৰাত কৃপণালি কৰিবলৈ হাক দি তেওঁক প্ৰথম শ্ৰেণীৰ টিকট কিনি গাড়ীত তুলি দিলে। এইখিনিতে তোমালোকক কৈ থোৱা উচিত যে গান্ধীজীয়ে বিলাতৰপৰা উভতি অহাৰ পিছৰপৰা প্ৰথম শ্ৰেণীৰ বাহিৰে আন কোনো শ্ৰেণীতেই ফুৰিছিল। সদায় বিখ্যাত বিলাতী দৰ্জ্জীয়ে চিলোৱা উৎকৃষ্ট আৰু বহুমূলীয়া সাজ-পাৰ পিন্ধিছিল আৰু পৰিচ্ছন্নতাৰ কাৰণে পাৰিলে ইউৰোপীয়ান হোটেলত থাকিবলৈ ভাল পাইছিল। ডাৰবানৰপৰা প্ৰিটৰিযালৈ যাবলৈ হলে প্ৰথমতে ট্ৰান্সভালৰ ৰাজধানী মেৰিট্‌চ্‌বাৰ্গ হৈ চাৰ্লচ টাউনলৈ যাব লাগিছিল। তাৰপৰা ঘোঁৰাৰ গাড়ীত উঠি দুদিনত জোহান্সবাৰ্গলৈ যাব লাগিছিল আৰু তাৰ পিছত জোহান্সবাৰ্গৰপৰা ৰেলেৰে প্ৰিটৰিযালৈ যাব লাগিছিল। ডাৰবানৰপৰা গান্ধীজী মেৰিট্‌চ্‌বাৰ্গ পাওঁতে ৰাতি ন-মান বাজিল। এনে সময়ত সেই গাড়ীত এজন ইউৰোপীয় লোক উঠিলহি আৰু গান্ধীজীক তলৰপৰা ওপৰলৈ ভালকৈ চাই লৈ ৰেলৰপৰা নামি গ'ল। অলপ পৰৰ পাছত এজন নে দুজন ৰেল-কৰ্ম্মচাৰীক লৈ সেই চাহাব যাত্ৰীজন গান্ধীজীৰ গাড়ীত উঠিলহি। কৰ্মচাৰী এজনে গান্ধীজীক প্ৰথম শ্ৰেণীৰ কোঠালিটো এৰি তৃতীয় শ্ৰেণীৰ কোঠালি এটালৈ যাবলৈ ক'লে। গান্ধীজীয়ে তেওঁৰ প্ৰথম শ্ৰেণীৰ টিকট দেখুৱাই ক'লে যে তেওঁ প্ৰথম শ্ৰেণীত ভ্ৰমণৰ কাৰণে উপযুক্ত ধন দিছে, গতিকে তেওঁ সেই ঠাই স্বেচ্ছাৰে ত্যাগ নকৰে। তেতিয়া কৰ্ম্মচাৰীজনে ক'লে যে দৰ্কাৰ হলে গান্ধীজীক পুলিচৰ হতুৱাই বাহিৰ কৰি দিব। গান্ধীজী তেতিয়াও সৈমান নোহোৱাত তেওঁক পুলিচৰ হতুৱাই বাহিৰ কৰি দিলে আৰু তেওঁৰ মাল-বস্তুবোৰ দলিয়াই ষ্টেশ্যনত পেলাই দিয়াৰ পাছত ট্ৰেইন এৰি দিলে। গান্ধীজীয়ে অপমানৰ তীব্ৰ যাতনা সহ্য কৰি ষ্টেশ্যনত থকা যাত্ৰীৰ জিৰণি কোঠালিত ৰাতিটো কটায়। এই পাশবিক অত্যাচাৰে তেওঁৰ মনত নানা চিন্তাৰ জন্ম দিয়ে। এনে পাশবিক অত্যাচাৰ সহ্য কৰি তেওঁ কেনেকৈ থাকিব? তেওঁ মোকৰ্দ্দমা নকৰাকৈয়ে বা মোকৰ্দ্দমা শেষ কৰিয়েই ভাৰতলৈ উভতি অহাই শ্ৰেয় নহবনে? এই প্ৰশ্নবিলাকৰ উত্তৰত তেওঁ মনত এনে সমিধান পালে যে তেওঁ উভতি যোৱাটো কাপুৰুষৰ কাম হব; আৰু যিহেতু এই অপমান সকলো ভাৰতীয়ই সহ্য কৰিব লগীয়াত পৰিছে, ইয়াৰ এটা প্ৰতিবিধান কৰাহে পুৰুষৰ কাম হব।

কোম্পানীলৈ আৰু আবদুল্লা শেঠলৈ টেলিগ্ৰাম কৰাৰ ফলস্বৰূপে পিছ-

দিনা তেওঁ চাৰ্লচ টাউনলৈ কাৰোপৰা অপমান নোপোৱাকৈ প্ৰথম শ্ৰেণীত গ'ল। কিন্তু ঘোঁৰা-গাড়ীত উঠি তেওঁ যি পাশবিক আৰু নৃশংস ব্যৱহাৰ পালে সি আৰু আচৰিত! এই গাড়ীৰ কাৰণেও গান্ধীজীৰ প্ৰথম শ্ৰেণীৰ টিকট আছিল। এই গাড়ীবিলাকত কেইবাজনো মানুহ যাব পাৰে আৰু গাড়ীত দুটা ভাগ আছে। এভাগৰ ভিতৰত মানুহ সোমাই বহিব পাৰে আৰু বাহিৰত কচোৱান আৰু সচৰাচৰ এই গাড়ীৰ লগত যোৱা এজন ইউৰোপীয় কৰ্ম্মচাৰী এই কচোৱানৰ লগতে বহি যায়। সেই কৰ্ম্মচাৰীয়ে 'কুলি' যাত্ৰী বুলি গান্ধীক ভিতৰলৈ সোমাবলৈ নিদি নিজে আন ইউৰোপীয় যাত্ৰীৰ লগতে ভিতৰত বহিল। গাড়ীবপৰা নমোৱাৰ ভয়ত গান্ধীজী বাহিৰত কচোৱানৰ ওচৰতে বহিল। দুই-তিনিমান বজাত গাড়ীখন এঠাইত ৰ'লগৈ। এতিয়া সেই বগা কৰ্ম্মচাৰীজনে বাহিৰত বহি চিগাৰেট খাবলৈ আৰু বতাহ লবলৈ গান্ধীজী বহি থকা ঠাইখিনি তেওঁক এৰি দি গান্ধীজীক কচোৱানৰ পায়দানত (ভৰি থোৱা ঠাইত) বহিবলৈ হুকুম দিলে। গান্ধীজীয়ে ক'লে যে টিকট অনুসাৰে তেওঁৰ ভিতৰত বহাৰে অধিকাৰ আছিল, কিন্তু তেওঁ বহিবলৈ পালে বাহিৰত। এতিয়া তেওঁ কোনোমতেই সেই ঠাই নেৰে। এই পশুটোৱে নামি আহি গান্ধীজীৰ কাণ দুয়োখন খুব জোৰেৰে মুচৰি দিলে। তাৰ পাছতো গান্ধীজী নামি নহা দেখি টানি বগৰাই দিবলৈ চেষ্টা কৰিলে আৰু বেয়া বেয়া গালি-শপনি পৰাৰ উপৰিও নৃশংসভাৱে চৰ, ভুকু, ঘোচা আৰু গোৰ মাৰিবলৈ ধৰিলে। ফলত গান্ধীজীৰ প্ৰাণ যোৱাৰ আশঙ্কা হৈছিল। তথাপি, তেওঁ স্থিৰ আৰু নিৰ্ভীক হৈ গাড়ীত খামুচি ধৰি বৈ থাকিল। ইমান অত্যাচাৰতো তেওঁ বহা ঠাই এৰি নিদিলে। গাড়ীৰ যাত্ৰী-বিলাকে এই মানুহজনক ইমান অত্যাচাৰ কৰিবলৈ মানা কৰাত আৰু গাড়ী যাবলৈ হুইচেল দিয়াতহে এই মানুহটোৱে গান্ধীজীৰ ওপৰত অত্যাচাৰ কৰিবলৈ এৰিলে। বাটতো গান্ধীজীক এই মানুহটোৱে অনেক অত্যাচাৰ কৰি গৈছিল। এনেকৈ গাড়ী ষ্টেনডাৰ্ডটন পায়গৈ; আৰু তাৰ পিছত আকৌ বহু চেষ্টা কৰি প্ৰথম শ্ৰেণীৰ টিকট লৈ ৰেলেৰে প্ৰিটৰিয়ালৈ যায়। এই গাড়ীতো জাৰ্মিষ্টেন নামৰ ঠাই এখনত তেওঁক নমাই তৃতীয় শ্ৰেণীলৈ নিবলৈ ৰেলৰ গাৰ্ডে আদেশ দিছিল। কিন্তু তেওঁৰ সহযাত্ৰী ইংৰাজ এজনে গাৰ্ডৰ এনে আচৰণৰ প্ৰতিবাদ কৰে আৰু কয় যে গান্ধীজীৰ লগত একে কোঠালিতে যাবলৈ তেওঁৰ অলপো আপত্তি নাই। তেতিয়া গাৰ্ডজনে কৈ যায়,

"তোমাৰ যদি 'কুলি'ৰ লগত যাবলৈ আপত্তি নাই, তেন্তে মোৰ একো কথা নাই।" এই বুলি গান্ধীজীক এৰি গার্ডজন গুচি যায়।

প্রিটৰিয়ালৈ গৈ গান্ধীজী প্রথমে আপত্তি থকা সত্ত্বেও এটা ইউৰোপীয় হোটেলত আৰু তাৰ পিছত এঘৰ ইউৰোপীয় মানুহৰ ঘৰতেই আলহী হয়। ইয়াতো তেওঁ ভাৰতীয় হোৱাৰ কাৰণে বৰ লাঞ্ছনা ভোগ কৰিবলগীয়াত পৰে। ইয়াত ভাৰতীয়বিলাকে কোনোবা মুনিব (guardian) ইউৰোপীয়ানৰ পৰা লিখা অনুমতিপত্র নাপালে নিশা ন বজাৰ পিছত বাহিৰত ফুৰিব নোৱাৰিছিল। গান্ধীজীৰ ধর্মপৰায়ণতা আৰু আদর্শ ভদ্রতাৰ কাৰণে প্রিটৰিয়াৰ অনেক ইউৰোপীয় লোকৰ লগত চিনা-পৰিচয় হৈছিল। তেওঁ এইসকল লোকৰ লগত মিলি চলাৰ কাৰণে বহু সময়ত ৰাতি বাটত ফুৰিব লগা হৈছিল। কিন্তু সেই আচৰিত নিয়মৰ কাৰণে তেওঁ ৰাতি বাটত ভয়ে ভয়ে অহা-যোৱা কৰিছিল। তেওঁৰ কোনো মুনিব নোহোৱাৰ কাৰণে তেওঁৰ বন্ধুবিলাকেও তেওঁক কোনো অনুমতিপত্র দিব নোৱাৰিলে। শেষতিকে তেওঁলোকে তেওঁৰ চৰকাৰী উকীল (attorney) ডাঃ ক্রছ (Dr. Krauss)ৰ তালৈ তেওঁক লৈ গ'ল। ডাঃ ক্রছেও গান্ধীজীয়ে পঢ়া একে বেৰিষ্টাৰী প্রতিষ্ঠানৰ (Inn) বেৰিষ্টাৰ। তেওঁ গান্ধীৰ অৱস্থা দেখি নিজে লাজ পালে আৰু পাছ বা অনুমতি-পত্র নিদি তেওঁক এই নিয়মৰপৰা অব্যাহতি দি এখন বন্ধুভাৱে চিঠি লিখি দিলে। গান্ধীজীয়ে পুলিচৰ দ্বাৰা অকাৰণে গ্রেপ্তাৰ হৈ অপমান পোৱাৰ ভয়ত এই চিঠি লৈ ফুৰিব লগাত পৰিছিল।

ইয়াতকৈও ভাৰতীয়ৰ পক্ষে ডাঙৰ অপমানৰ কথা আছিল ভাৰতীয়-বিলাক বাটত চলা-ফুৰা নিয়ম সম্বন্ধে। ইয়াত মানুহৰ গাৰ ৰঙৰ কাৰণে মানুহক ইমান হেয়জ্ঞান কৰা হৈছিল যে ফুট্‌পাথেদি ভাৰতীয় খোজকাঢ়ি অহা-যোৱা কৰাটোও নিষেধ আছিল। ফুট্-পাথেদি ভাৰতীয় যোৱা দেখিলেই পুলিচে তেওঁক ফুট্-পাথৰপৰা নমাই দিব পাৰিছিল আৰু সেয়ে সাধাৰণ ভাৰতীয়ই অনেক অপমান ভোগ কৰিব লগা হৈছিল। গান্ধীজীৰ অনেক নামজাদা ইউৰোপীয়ানৰ লগত পৰিচয় থকা সত্ত্বেও তেওঁ এই অপমানৰপৰা অব্যাহতি নাপালে। তেওঁৰ সদায় ৰাতিপুৱা ফুৰিবলৈ যোৱাৰ অভ্যাস আছিল আৰু সদায় প্রেছিডেণ্ট ক্রুগাৰৰ ঘৰৰ আগৰ বাটেৰে গৈছিল। এদিন প্রেছিডেণ্টৰ ঘৰৰ আগত পহৰা দিয়া চিপাহী এটাই হঠাৎ আহি গান্ধীজীক গোৰ মাৰি ফুটপাথৰপৰা বগৰাই দিলে। এনে সময়তে তেওঁৰ

বন্ধু ডঃ ক'ট্‌চ্‌ সেই ঠাইত উপস্থিত হ'ল। গান্ধীৰ এনে অৱস্থা দেখা পাই তেওঁ উঠি অহা ঘোঁৰাৰপৰা নামি আহি গান্ধীক তুলিলে আৰু তেওঁক মোকৰ্দ্দমা কৰিবলৈ উপদেশ দি নিজে সাক্ষী হবলৈ গাত ল'লে। গান্ধীজী তাকে কৰিবলৈ মান্তি নোহোৱাত ডঃ ক'ট্‌চে প্ৰহৰীজনক কিবাকিবি ক'লে। সি আহি গান্ধীজীক ক্ষমা প্ৰাৰ্থনা কৰিলে। গান্ধীজীয়ে তাৰ অজ্ঞানতা আৰু বিশেষকৈ সি নিয়মৰ বশ বুলি জানি সি খোজাৰ আগতেই তাক ক্ষমা কৰিছিল। গান্ধীজীয়ে ব্যক্তিগত অপমানৰ প্ৰতিকাৰ নিবিচাৰি জাতীয় অপমান কেনেকৈ দূৰ কৰা যাব এই সম্বন্ধে চিন্তা কৰিছিল। ওপৰত কৈ অহা এটাইকিটা অপমান সম্বন্ধেই গান্ধীজীয়ে মোকৰ্দ্দমা নকৰি উপযুক্ত কৰ্তৃপক্ষক জনাইছিল আৰু অলপ ব্যক্তিগত প্ৰতিকাৰৰ আশ্বাস পাইছিল। গান্ধীজীৰ মনত ক্ৰমে বিশ্বাস হবলৈ ধৰিলে যে এই অমানুষিক জাতিভেদ আৰু ঘৃণা ভাব দূৰ কৰাটো কেতিয়াও ব্যক্তিগত প্ৰতিকাৰৰ দ্বাৰা হ'ব নোৱাৰে। তেওঁ দক্ষিণ আফ্ৰিকাৰ প্ৰায় সকলো ভাৰতীয়ৰপৰা এনে লাঞ্ছনা আৰু অত্যাচাৰৰ কাহিনী শুনিবলৈ পালে আৰু এনে আচৰণ ভাৰতীয়বোৰে সাধাৰণ অৱস্থা বুলি মানি লোৱা যেন বোধ হ'ল। কিন্তু গান্ধীজী এনেবোৰ লাঞ্ছনাক স্বাভাৱিক অৱস্থা বুলি মানি লবলৈ ৰাজী নহ'ল। ভৱিষ্যতৰ সত্যাগ্ৰহ নীতিয়ে তেওঁৰ মনত তেতিয়ালৈকে ঠাই পোৱা নাছিল সঁচা, কিন্তু এনে অৱস্থাৰ যে পৰিবৰ্ত্তন হবই লাগিব সেই সম্বন্ধে তেওঁৰ অলপো সন্দেহ নাছিল।

সেই কাৰণে তেওঁ প্ৰিটৰিয়া আহি পোৱাৰ পিছত এই সম্বন্ধে কি কৰিব পৰা যায় তাকে চিন্তা কৰিবলৈ ধৰিলে। তেওঁ অৰেঞ্জ ফ্ৰি ষ্টেট আৰু ট্ৰান্সভালত থকা ভাৰতীয়সকলৰ অৱস্থা সম্পৰ্কে ভালকৈ পঢ়িবলৈ আৰু সকলো কথা জানিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। তেওঁৰ মোকৰ্দ্দমাৰ বিবাদীকো বাদ নিদি সকলোবিলাক বেপাৰী, মহাজন আৰু কেৰাণীবিলাকক লৈ সভা আহ্বান কৰি ফুৰিবলৈ ধৰিলে। এই সভা গান্ধীজীয়ে দুটা উদ্দেশ্যত ভগাই দিছিল। এপিনে যেনেকৈ ভাৰতীয়ই নিজৰ অধিকাৰ পাবৰ নিমিত্তে চেষ্টা কৰিব লাগে, আনপিনে ভাৰতীয় লোক যাতে সকলোৰে শ্ৰদ্ধা আৰু সন্মানৰ পাত্ৰ হব পাৰে তাৰ কাৰণে নিজে যত্নবান হব লাগে। সেই দেখি তেওঁ বেপাৰীবিলাকক সত্যবাদী হবলৈ আৰু ন্যায়ভাৱে বেপাৰ কৰিবলৈ উপদেশ দিলে। থকা-মেলাতো যাতে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে তাৰ বাবে যত্নবান হবলৈ

উপদেশ দিলে। ইংৰাজী শিকিলে সুবিধা হব কাৰণে তেওঁ ডেকাবিলাকক ইংৰাজী শিকিবলৈ কলে আৰু নিজেই ইংৰাজী শিকাবলৈ গাত ললে। শেহত, যিবিলাক অন্যায় আৰু লাঞ্ছনাৰ কাৰণে ভাৰতীয়ই কষ্ট ভোগ কৰি আছিল, সেইবিলাক চৰকাৰক জনাই প্ৰতিকাৰ বিচাৰিবলৈ এটা স্থায়ী সমিতি গঠন কৰিবলৈ ক'লে।

বাপা, তোমালোকে দক্ষিণ আফ্ৰিকাত ভাৰতীয়ৰ কি দুৰৱস্থা সেই বিষয়ে জনা উচিত কাৰণেই চমুকৈ কওঁ শুনা। সেই সময়ত নাটাল বৃটিছৰ অধীনত আৰু অৰেঞ্জ ফ্ৰি ষ্টেট আৰু ট্ৰান্সভাল ওলন্দাজৰ অধীনত আছিল। দুটা বেলেগ ৰাজশক্তিৰ অধীনত হলেও এইকিখন ঠাইৰ সকলোতে ভাৰতীয়ক বেয়া ব্যৱহাৰ কৰিছিল। ইউৰোপীয় মাত্ৰৰেই ক'লা মানুহৰ প্ৰতি জাতিগত ঘৃণা আছিল। তাৰ প্ৰমাণ তোমালোকে গান্ধীজীৰ দৰে শিক্ষিত, উদাৰ আৰু সাধু প্ৰকৃতিৰ লোকৰ প্ৰতি কৰা অত্যাচাৰৰপৰাই বুজিব পাৰিছা। হোটেল, ৰেলগাড়ী আনকি আলিবাটতো ভাৰতীয়সকলে নিৰাপদে ফুৰিব নোৱাৰে। ভাৰতীয়ক সাধাৰণ মানুহৰ অধিকাৰৰপৰা বঞ্চিত কৰিবৰ কাৰণে ১৮৮৩ চনত এনে আইন বলবৎ কৰা হৈছিল যে যি কোনো ভাৰতীয় এই ঠাইত সোমাব লাগিলেই প্ৰত্যেকেই চল্লিশ-পঞ্চাশ টকা কৰ দিব লাগে। আছুতীয়াকৈ থোৱা ঠাইৰ বাহিৰে ভাৰতীয়ই আন যি কোনো ঠাইত মাটি লব বা বসবাস কৰিব নোৱাৰে বা থাকিবও নোৱাৰে। ভাৰতীয়ই শাসন-যন্ত্ৰত বা মিউনিচিপেলিটিত কোনো অধিকাৰ নাপাইছিল। অৰেঞ্জ ফ্ৰি ষ্টেটত ১৮৮৮ চনৰ আইনমতে হোটেলৰ চাকৰৰ বাহিৰে আন কোনো ধৰণেৰে ভাৰতীয়ক তাত থাকিবলৈ নিদিছিল। তাত যিবিলাক ভাৰতীয় বেপাৰীয়ে কাৰবাৰ কৰিছিল তেওঁলোকক সামান্য ক্ষতিপূৰণ দি তাৰপৰা পঠিয়াই দিয়া হৈছিল। কোনোবা ভাৰতীয়ক কিবা দোষৰ কাৰণে এনেকুৱাকৈ ক্ষতিগ্ৰস্ত কৰা হলে কোনো আপত্তি থকাৰ কথা নাছিল। কিন্তু ভাৰতীয়ৰ দোষৰ ভিতৰত এটাই আছিল যে তেওঁলোকৰ থকা-মেলা, ধৰণ-কৰণ ইউৰোপীয়ৰ নিচিনা নাছিল। তেওঁলোকে বেহা-বেপাৰত বেছি লাভ কৰিব পাৰিছিল আৰু অলপ দিনতে তেওঁলোক ধনী আৰু অৱস্থাপন্ন হব পাৰিছিল। বৃটিছ-শাসিত নাটালত ভাৰতীয়ৰ অৱস্থা ইয়াতকৈ অলপ ভাল আছিল; কাৰণ ইয়াত অৱস্থাপন্ন ভাৰতীয়ই নাটালৰ ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচনত ভোট দিব পাৰিছিল। কিন্তু জাতিভেদৰ ঘৃণা আৰু ভাৰতীয়ৰ প্ৰতি

থকা ঘৃণা ইয়াতো কম নাছিল। ১৮৬০ খৃষ্টাব্দত নাটালৰ কুঁহিয়াৰ খেতিয়ক-বিলাকে ভাল খেতিয়কৰ প্ৰয়োজন হোৱাত ভাৰতৰপৰা গিৰমিট (agreement) কৰি অনেক খেতিয়ক অনায়। এই খেতিয়কবিলাকে কুঁহিয়াৰ খেতি কৰাৰ বাহিৰেও আন আন শস্য উৎপাদন কৰি নিজৰ শাৰীৰিক পৰিশ্ৰম আৰু বুদ্ধিৰ দ্বাৰাই নিজৰ অৱস্থা ভাল কৰি গিৰমিটৰ সময় পাৰ হৈ যোৱাৰ পিছতো তাতে বসতি কৰি নিজৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ ধৰিলে। তাৰ ভিতৰৰে কিছুমানে আকৌ নতুনকৈ অহা আন ভাৰতীয়ৰ লগতে বেহা-বেপাৰত ইউৰোপীয়ৰ লগত সকলো বিষয়তে এনে প্ৰতিযোগিতা চলাবলৈ ধৰিলে যে ইউৰোপীয়বোৰ ভাৰতীয়ক তাত থাকিবলৈ দিলে তেওঁলোকৰ সকলো বেহা-বেপাৰ ভাৰতীয়ৰ হাতলৈ যোৱাৰ আশঙ্কা কৰিলে। এই কাৰণে নাটালতো ভাৰতীয়ৰ প্ৰতি কঠোৰ আচৰণ আৰম্ভ হল। ভাৰতীয়-সকলক এইবিলাক অন্যায়ৰপৰা কেনেকৈ ৰক্ষা কৰিব পাৰি, সেই বিষয়ে গান্ধীজীয়ে চিন্তা কৰিবলৈ ধৰিলে।

আনপিনে গান্ধীজীয়ে ধৰ্ম্ম আলোচনাতো সময় ব্যয় কৰিবলৈ ধৰিলে। ডঃ ক'ট্‌চৰ জৰিয়তে তেওঁৰ অনেক খৃষ্টিয়ান ধৰ্ম্ম প্ৰচাৰক আৰু প্ৰচাৰিকাৰ লগত চিনা-পৰিচয় হল। আৰু সেই সুযোগতে তেওঁ খৃষ্টিয়ান ধৰ্ম্ম সম্পৰ্কে অনেক অধ্যয়ন কৰিলে। তেওঁৰ পবিত্ৰ চৰিত্ৰ আৰু ঈশ্বৰ-ভক্তি দেখা পাই এওঁলোকে গান্ধীজীক খৃষ্টিয়ান ধৰ্ম্মত দীক্ষিত কৰিবলৈ চেষ্টা কৰে; কিন্তু গান্ধীজীয়ে সকলোকে উত্তৰত কৈছিল যে নিজৰ ধৰ্ম্ম সম্বন্ধে ভালকৈ অধ্যয়ন নকৰাকৈ তেওঁ আন ধৰ্ম্ম গ্ৰহণ নকৰে। খৃষ্টিয়ানসকলক ইয়াকো স্পষ্টকৈ কৈ দিলে যে যীশুৰ জৰিয়তেহে মানুহৰ মুক্তিৰ একমাত্ৰ উপায় আছে, সেই কথা বুজিবলৈ তেওঁ বৰ টান পায। অথচ টলষ্টয়ৰ "Kingdom of the God Within You" নামৰ কিতাপখন পঢ়ি তেওঁ বৰ মোহিত আৰু অভিভূত হয। তেওঁ এই সময়ত হিন্দুধৰ্ম্ম সম্বন্ধে অনেক পুথি অধ্যয়ন কৰে আৰু বোম্বাইৰ ৰাইচান্দভাই নামৰ সাধু লোক এজনৰ লগত চিঠিৰে হিন্দু ধৰ্ম্ম সম্বন্ধে অনেক আলোচনা কৰে। আফ্ৰিকাৰ, বিশেষকৈ ট্ৰান্সভালত যিসকল লোকৰ লগত তেওঁৰ পৰিচয় হয়, সেইসকলৰ বেছিভাগেই আছিল মুছলমান। তেওঁৰ মোক্কেল আবদুল্লাভাই এজন ধাৰ্ম্মিক মুছলমান আছিল। এওঁলোকৰ লগত তেওঁ মুছলমান ধৰ্ম্ম সম্পৰ্কে আলোচনা কৰে আৰু বিশেষকৈ ৰচুলৰ জীৱন-কাহিনীবিলাক শুনি মনত বৰ আনন্দ লভে। এইদৰে গান্ধীজীয়ে

ধৰ্ম্ম-জীৱনৰ ভেটি ক্ৰমান্বয়ে বান্ধি আনে, যাৰ বিকাশ দহ-বাৰ বছৰৰ পিছত আমি দেখা পাওঁ।

তেওঁ যিটো মোকৰ্দ্দমা লৈ আহিছিল সেইটো সম্বন্ধেও তেওঁ বৰ মনোযোগী নাছিল। বৰঞ্চ প্ৰথমৰপৰাই ভাবিছিল যে এই মোকৰ্দ্দমা আপোচ হৈ নিষ্পত্তি হোৱাই ভাল। বিবাদী আছিল বাদীৰ আপোন মানুহ আৰু উভয়েই মাতব্বৰ মানুহ। আদালতৰ বিচাৰত বাদীৰ জয় হোৱাৰ সম্পূৰ্ণ আশা আছিল, কিন্তু আদালতৰ আৰু বিশেষকৈ বেৰিষ্টাৰ, এটৰ্নি আদিৰ খৰচ ইমানকৈ বাঢ়ি গৈছিল যে অকাৰণতে দুয়ো পক্ষৰে ইমান খৰচ হোৱাত গান্ধীজীয়ে বেয়া পাইছিল। তেওঁ বাদীৰপৰা মিটমাটৰ অনুমতি পাই বিবাদীৰ লগতো সেইমতে কথা-বাৰ্ত্তা হৈ মোকৰ্দ্দমাটো চালিচত দিয়ালে। চালিচৰ ৰায় মতে গান্ধীজীৰ মোক্কেলে পাঁচ লাখমান টকাৰ ডিক্ৰি পালে আৰু লাহে লাহে আদায় কৰিলে। বেৰিষ্টাৰী জীৱনৰ ভিতৰত দুয়ো পক্ষৰ লোকৰ মাজত আপোচ কৰি দিয়াটো গান্ধীজীয়ে সকলোতকৈ উৎকৃষ্ট কাম বুলি ভাবিছিল।

মোকৰ্দ্দমা শেষ কৰি গান্ধীজী ডাৰবানলৈ উভতি আহিল আৰু ভাৰতলৈ আহিবলৈ ঠিক কৰিলে; কিন্তু ঈশ্বৰৰ ইচ্ছা আছিল গান্ধীজীক আন বাটেৰে নিয়াৰ। সেইকাৰণে তেওঁক বিদায় দিবলৈ পতা সভা তেওঁক বিদায় দিয়া দূৰত থাকক, এটা নতুন আন্দোলনৰ নেতা কৰি ৰখাৰ হে দিহা হ'ল। আগেয়ে কৈ আহিছোঁ যে নাটালতো ভাৰতবাসীক নাটাল ব্যৱস্থাপক সভাৰ সদস্য নিৰ্ব্বাচনত ভোটাৰ হোৱাৰ অধিকাৰৰপৰা বঞ্চিত কৰিবলৈ চেষ্টা কৰা হৈছিল। দৰাচলতে, ঠিক এই সময়তে তেনে এখন আইন ব্যৱস্থাপক সভাত পাছ কৰিবলৈ বন্দবস্ত কৰা হৈছিল। গান্ধীজীয়ে হঠাৎ বাতৰি-কাকতত এই বাতৰি পাই বিদায় সভাত কথাটো উল্লেখ কৰিলে। এই সভাত ভাৰতৰ সকলো সম্প্ৰদায়ৰ লোকেই উপস্থিত আছিল। এই কথা উত্থাপন হোৱা মাত্ৰকতে সভাই গান্ধীজীক ভাৰত প্ৰত্যাগমন স্থগিত ৰাখিবলৈ আৰু তাতে থাকি এই অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ খাটিলে। তেওঁলোকে গান্ধীজীক সকলো প্ৰকাৰে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিলে আৰু তেওঁৰ কথা মতে চলিবলৈ প্ৰতিজ্ঞা কৰিলে। গান্ধীজীয়ে আগৰেপৰা আফ্ৰিকাত ভাৰতবাসীৰ অৱস্থাৰ উন্নতিৰ কাৰণে চিন্তা কৰি আছিল। এতিয়া বন্ধুবৰ্গৰ মৰম আৰু শ্ৰদ্ধাৰ পৰিচয় পাই তেওঁ তেওঁলোকৰ লগতে থাকি

ভাৰতীয়ৰ অধিকাৰ বিচাৰি উপস্থিত অন্যায়ৰ বিৰুদ্ধে থিয় হবলৈ গাত ললে। তেওঁ নিজৰ কষ্টৰ কাৰণে কোনো ধৰণৰ পাৰিশ্ৰমিক লবলৈ সন্মত নহ'ল।

মহাত্মাজী ইয়াৰ পিছত আফ্ৰিকাত প্ৰায় আঢ়ৈ বছৰমান থাকে আৰু ১৮৯৬ চনতহে ভাৰতলৈ অলপ দিনৰ কাৰণে আহে। এই দুই-তিনি বছৰৰ ভিতৰত তেওঁ যি কাম কৰিলে তাৰ ভিতৰত তলত লিখা কেইটা বিশেষ উল্লেখযোগ্য ঃ

১। ওপৰত কৈ অহা আইন সম্বন্ধে তেওঁ নাটাল পৰিষদৰ সভাপতিক সেই আইনৰ পাণ্ডুলিপিখনৰ আলোচনা স্থগিত ৰাখিবলৈ এখন সৰ্ব্বভাৰতীয় সম্প্ৰদায়ৰ সন্মিলিত সভাত লোৱা প্ৰস্তাৱমতে দিয়া দৰ্খাস্তৰ দ্বাৰাই অনুৰোধ কৰিলে। কিন্তু পৰিষদত এই পাণ্ডুলিপি পাছ কৰি আইন কৰিলে আৰু সেই আইন বিলাতত থকা ক'ল'নিয়েল ছেক্ৰেটাৰী লৰ্ড ৰিপণৰ অনুমোদনৰ অৰ্থে পঠোৱা হ'ল। তেতিয়া গান্ধীজীৰ নেতৃত্বত সকলো ভাৰতীয়ই মিলি এই অনুমোদন বন্ধ ৰাখিবৰ কাৰণে দহ হেজাৰ দস্তখতেৰে এখন বিৰাট আপত্তি-দৰ্খাস্ত বিলাতলৈ পঠিয়ালে। সেই দৰ্খাস্তত ভাৰতীয়ৰ দুৰৱস্থাৰ বিৱৰণ ভালকৈ দিয়া হৈছিল। সৌভাগ্যৰ বিষয় যে বিলাতৰ বিখ্যাত বাতৰি-কাকতবিলাকেও ভাৰতীয় আপত্তি ন্যায়সংগত বুলি মতামত দিলে। ইয়াৰ ফলত সাময়িকভাৱে আইনখন বলবৎ নোহোৱাকৈ থাকিল।

২। গান্ধীজীয়ে বুজি পালে যে এনে ধৰণেৰে আন্দোলন চলাই থাকিবই লাগিব আৰু তাৰ কাৰণে এটা স্থায়ী ৰাজনৈতিক অনুষ্ঠানৰ প্ৰয়োজন। সেই উদ্দেশ্যে তেওঁ 'নাটাল ইণ্ডিয়ান কংগ্ৰেছ' নামেৰে এটা ৰাজনৈতিক অনুষ্ঠান পাতিলে। তাৰ সদস্যসকলে বছৰি পঞ্চল্লিশ টকা বৰঙনি দিয়াৰ নিয়ম কৰা হ'ল। গান্ধীজীৰ পৰিশ্ৰমত, সভা-সমিতি তেওঁৰ উদ্দীপনামূলক বক্তৃতাৰ ফলত এই অনুষ্ঠানটো অলপ দিনৰ ভিতৰতে ঠন ধৰি উঠিল। প্ৰায় দুহেজাৰ সাতশজন লোকক সদস্য কৰা হ'ল আৰু প্ৰায় পঁয়সত্তৰ হাজাৰ টকা বৰঙনি তোলা হ'ল। গান্ধীজীয়ে নিজে সম্পাদক হৈ কাম চলাবলৈ ধৰিলে। প্ৰচাৰ কাৰ্য্যৰ দ্বাৰা ভাৰতীয়ৰ অৱস্থাৰ কথা আফ্ৰিকা, বৃটেন আৰু ভাৰতবৰ্ষত জনোৱা হ'ল। এইবিলাক কাৰ্যৰ দ্বাৰা মহাত্মা গান্ধীৰ আফ্ৰিকাত থকা সকলো ভাৰতীয়ৰ লগত ঘনিষ্ঠতা হ'ল।

৩। এই সময়তে গান্ধীজীয়ে এদিন বালসুন্দৰম নামৰ এজন গিৰ-

মিটীয়া শ্ৰমজীৱীক অত্যাচাৰৰপৰা ৰক্ষা কৰে। গিৰমিট মতে, কোনো শ্ৰমজীৱীয়েই গিৰমিট কালৰ ভিতৰত (অৰ্থাৎ চুক্তিমতে কাম কৰি থাকিব-লগা সময়ছোৱাৰ ভিতৰত) চুক্তিবদ্ধ ব্যক্তি বা কোম্পানী এৰি আন ঠাইলৈ যাব নোৱাৰে। গলেই তাক চোৰ-ডকাইতৰ দৰে ধৰি আনি আইন মতে শাস্তি বিহা হয়। আমাৰ অসমৰ চাহ-বাগিচালৈ অনা শ্ৰমজীৱীসকলৰো একে দশাই আছিল। সৌভাগ্যৰ বিষয় যে সেই আইন বোধকৰোঁ ১৯২০ চনত উঠাই দিয়া হয়। বালসুন্দৰমক অত্যাচাৰ কৰি মাৰধৰ কৰাত তেওঁ গান্ধীজীৰ আশ্ৰয় লৈছিল। গান্ধীজীয়ে বালসুন্দৰমৰ মুনিবক মাৰপিট কৰাৰ কাৰণে মোকৰ্দ্দমাৰ ভয় দেখুৱাই নোটিচ দিয়াত মুনিবজনে ভয় খাই বালসুন্দৰমক আন এজন মুনিবৰ হাতত এৰি দিবলৈ বাধ্য হল। এই কাৰ্য্যৰ দ্বাৰাই গান্ধীজী 'কুলি' নামেৰে খ্যাত শ্ৰমজীৱীৰ মাজত দেৱতাৰ দৰে বিবেচিত হয়। তেওঁৰ নাম ভাৰততো ফুটিফাটি ওলাল।

৪। ইতিপূৰ্ব্বে গিৰমিটীয়া মানুহবিলাকে গিৰমিটৰ কাল পাৰ হৈ যোৱাৰ পিছত সেই ঠাইতে বসতি কৰি খেতি-বাতি, বেহা-বেপাৰ কৰি স্থায়ী বাসিন্দা হৈছিল। কিন্তু নাটালৰ মানুহবিলাকে ভাৰতীয়ক বিতাৰিত কৰিবৰ বাবে এনে এক আইনৰ ব্যৱস্থা কৰিছিল যে যদি গিৰমিট পাৰ হৈ যোৱা মানুহ নাটালতে থাকিব খোজে তেন্তে তেওঁলোক প্ৰত্যেকেই পঁচিশ পাউণ্ড (অৰ্থাৎ প্ৰায় তিনিশ পঞ্চাশ টকা) টেক্স নাটাল চৰকাৰক দি হে বসতি কৰিবৰ অধিকাৰ পাব। গান্ধীজীৰ প্ৰেৰণাত নাটাল কংগ্ৰেছে এই অন্যায় আইন প্ৰবৰ্ত্তনৰ বিৰুদ্ধে আন্দোলন চলায়। শেহত ভাৰতৰ বৰলাটৰ (লৰ্ড এলগিন) অনুমতি মতে সেই কৰৰ নিৰিখ তিনি পাউণ্ড বা পঞ্চল্লিশ টকা কৰে।

৫। নিজৰ জীৱিকা উপাৰ্জ্জনৰ বাবে ডাৰবানত বেৰিষ্টাৰী কৰিবলৈ গান্ধীজী বাধ্য হয়। নাটালত তেওঁ ওকালতি কৰিবলৈ অনুমতি পোৱাত তাৰ ইউৰোপীয়সকলে আপত্তি কৰে। কাৰণ, তেওঁ কৃষ্ণাঙ্গ ভাৰতীয় আছিল। সৌভাগ্যক্ৰমে তেওঁৰ কেইজনমান ইংৰাজ বন্ধুৰ চেষ্টা আৰু জজৰ হুকুমত এই আপত্তি নামঞ্জুৰ হয়। তেওঁ কম দিনৰ ভিতৰতে তাত এজন নামজ্বলা বেৰিষ্টাৰ হৈ পৰে আৰু যথেষ্ট উপাৰ্জ্জন কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ ধৰ্ম্ম-জীৱনৰ কাৰণে ৰাপ আৰু বেছিকৈ বাঢ়ি আহিল। ডাৰবানত তেওঁৰ লগত ৱালটন (Walton) নামৰ চাউথ আফ্ৰিকান জেনেৰেল মিছনৰ সাধু প্ৰচাৰকৰ লগত বন্ধুত্ব হয়। সকলো ধৰ্ম্ম-পুথিকে তেওঁ তেতিয়া বেছিকৈ

পঢ়িবলৈ ধৰিলে। এই সময়তে উপনিষদ, হজৰৎ মহম্মদৰ জীৱনী, জৰথুশ্‌ত্ৰৰ উপদেশ, টলষ্টয় প্ৰভৃতি আন আন লেখকৰ ধৰ্ম্ম সম্বন্ধীয় অনেক কিতাপ পাঠ কৰে। এইদৰে তেওঁৰ ধৰ্ম্ম সম্বন্ধে উদাৰতা বাঢ়ি আহে যদিও হিন্দু ধৰ্ম্মৰ ওপৰত তেওঁৰ আস্থাও লগতে বাঢ়ি আহে।

এইদৰে প্ৰায় তিনি বছৰ যোৱাৰ পিছত গান্ধীজী আকৌ ভাৰতলৈ আহিবলৈ ওলাল। কাৰণ, তেওঁ ভাবিলে যে যেতিয়ালৈকে ভাৰতীয়ৰ তাত বসতি কৰোঁতে তিনি পাউণ্ডৰ টেক্স দিয়াৰ আইন থাকিব আৰু লগে লগে আন লাঞ্ছনাও সহি থাকিব লাগিব, তেতিয়ালৈকে তেওঁ জিৰণি লব নোৱাৰে। ভাৰতলৈ অহাৰ তেওঁৰ আন এটা উদ্দেশ্য আছিল এই যে তেওঁ নিজে দেশবাসীৰ আগত দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়ৰ শোচনীয় অৱস্থাৰ বিষয়ে কব।

## ভাৰতত ছমাহ

গান্ধীজী ১৮৯৬ চনত কলিকতালৈ জাহাজেৰে ভাৰতবৰ্ষ পায়হি। কলিকতাৰপৰা ৰেলত উঠি এলাহাবাদলৈ যায়। এলাহাবাদত ৰেলৰপৰা নামি ক'ৰবালৈ যাওঁতে গাড়ীয়ে এৰি যোৱাত তেওঁ এদিন থাকিবলগীয়া হয়। সেই সুবিধাতে তেওঁ 'পায়োনিয়াৰ' (Pioneer) কাগজৰ সম্পাদকক দেখা কৰি বিলাত আৰু দক্ষিণ আফ্ৰিকাত ভাৰতীয়ৰ অৱস্থা সম্পৰ্কে ভালকৈ বুজাই কলে। সম্পাদকৰ উৎসাহ পাই তেওঁ এই বিষয়ে সুন্দৰ ৰচনা এখন লিখি সম্পাদকলৈ পঠিয়াই দিলে। এই ৰচনা সেই কাকতত প্ৰকাশিত হয় আৰু সম্পাদকেও তেওঁৰ কাকতত ভাৰতীয়ৰ পক্ষ সমৰ্থন কৰি মতামত লিখে। সেই লিখাৰপৰা বিলাতত ভাৰতীয়ৰ অৱস্থা সম্বন্ধে ভাৰতত ভাল প্ৰচাৰ হয়। বোম্বাইত চাৰ ফিৰোজ মেহতাৰ সভাপতিত্বত এখন ডাঙৰ সভা হয় আৰু তাত গান্ধীজীয়ে বক্তৃতা দিয়ে। তাৰ পিছত তেওঁ পুণাত মহামতি গোখ্‌লে আৰু লোকমান্য তিলকৰ লগত আলোচনা কৰি সভা পাতে। এই সভাত সকলোকে আফ্ৰিকাত ভাৰতীয় লোকৰ অৱস্থা বুজাই দিয়ে। ইয়াৰ পিছত তেওঁ মাদ্ৰাজ আৰু কলিকতালৈ যায় আৰু কলিকতাৰ বাহিৰে সকলো ঠাইৰ লোকেই তেওঁৰ সজ চেষ্টাত সহানুভূতি দেখুৱায় আৰু সহায় কৰিবলৈ সাজু হয়। কলিকতাত কেৱল 'ইংলিচমেন' কাকতৰ সম্পাদকৰ বাহিৰে কোনোৱেই তেওঁৰ কথা ভালকৈ নুশুনিলে। এই আন্দোলনৰ

ফলত, বিশেষকৈ 'ৰয়টাৰ' নামৰ সংবাদ-প্ৰতিষ্ঠানৰ সংবাদদাতাই গান্ধীজীয়ে 'পায়োনিয়াৰ' কাকতত লিখা কথা বিস্তৃতভাৱে প্ৰকাশ কৰাত, গান্ধীজীৰ প্ৰতি আফ্ৰিকাৰ ইউৰোপীয়বিলাকৰ মনত বৰ খং উঠে।

এইবোৰত ব্যস্ত হৈ থাকোঁতেও গান্ধীজীয়ে সমাজ-সেৱা কৰিবলৈ পাহৰা নাছিল। সেই সময়ত তেওঁৰ নিজৰ ভিনিহিয়েকৰ বৰ গুৰুতৰ নৰিয়া হয়। তেওঁ এসপ্তাহতকৈও অধিক কাল অবিৰাম শুশ্ৰূষা কৰিও ভিনিহিয়েকক বচাব নোৱাৰিলে। এই সময়ত প্লেগ বেমাৰৰ উপক্ৰম হোৱাত ৰাজকোটবাসীৰ মাজত স্বাস্থ্য ৰক্ষাৰ নিয়ম পালিত হৈছে নে নাই তাক চাবৰ কাৰণে গান্ধীজীৰ উদ্যোগত এখন সমিতি পতা হয়। গান্ধীজীয়ে এই সম্বন্ধে সকলোৰে, আনকি অস্পৃশ্যসকলৰো, পায়খানা পৰিদৰ্শন কৰে আৰু মানুহক উপদেশ দি ফুৰে। 'হৰিজন'ৰ ঘৰলৈ ভাল মানুহ যোৱাৰ এয়ে প্ৰথম উদাহৰণ। গান্ধীজীয়ে কয় যে আন মানুহতকৈ হৰিজনসকলৰহে ঘৰ পদূলি আৰু বাচন-বৰ্ত্তন তেওঁ বেছি পৰিষ্কাৰ পাইছিল।

কলিকতাত থাকোঁতে দাদা আবদুল্লাৰপৰা হঠাৎ টেলিগ্ৰাম পাই তেওঁ সহধৰ্ম্মিণী আৰু ল'ৰা-ছোৱালীক লৈ আবদুল্লা কোম্পানীৰ জাহাজতে পুনৰ দক্ষিণ আফ্ৰিকালৈ ৰাওনা হয় আৰু ডিচেম্বৰ মাহৰ শেষত ডাৰবান বন্দৰ পায়গৈ।

## পুনৰ দক্ষিণ আফ্ৰিকাত

এই ছমাহত গান্ধীজীয়ে ভাৰতত দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়ৰ কাৰণে যি আন্দোলন চলাইছিল তাৰ বিৱৰণ অতিৰঞ্জিত আৰু বিকৃতভাৱে আফ্ৰিকাত প্ৰকাশ পায়। দক্ষিণ আফ্ৰিকাত থকা ইউৰোপীয়ই এনেয়েই ভাৰতীয়ক ঘৃণাৰ চকুৰে চাইছিল, তাতে গান্ধীজীয়ে অসত্য প্ৰচাৰ কৰি ভাৰতীয়ৰ দাবী উত্থাপন কৰাৰ চেষ্টা কৰা বুলি ভাবি তেওঁলোক গান্ধীজীৰ ওপৰত খঙত জ্বলি আছিল। তাৰ উপৰি গান্ধীজী যিখন জাহাজত আফ্ৰিকালৈ আহিছিল, সেইখন আৰু তাৰ লগত অহা আন এখন জাহাজ ভাৰতীয় লোকেৰে পূৰ হৈ আফ্ৰিকা পাইছিলগৈ। ইউৰোপীয়সকলে ভাবি ললে যে গান্ধীজীয়ে এইবোৰ মানুহ লগতে লৈ আহি আফ্ৰিকাত ভাৰতীয়ৰ সংখ্যা বঢ়াবলৈ চেষ্টা কৰিছে। ইয়াকে ভাবি গান্ধীজীক এশিকনি দিবলৈ তেওঁলোকে ঠিক কৰিলে। প্ৰথমে চৰকাৰৰপৰাই ভাৰতীয় যাত্ৰীসকলক

জাহাজৰপৰা নানামিবলৈ হুকুম দিছিল। কিন্তু এনে হুকুম বে-আইনী বুলি জানি যাত্ৰীবিলাক জাহাজৰপৰা নামি গল। এই যাত্ৰীবিলাকৰ ওপৰত অত্যাচাৰৰ আশংকা কৰি পুলিচে পহৰা দিছিল। গান্ধীজীৰ সম্পৰ্কে পুলিচ চাহাবে কৈ পঠাইছিল তেওঁ দিনত নানামিব, কাৰণ তেওঁক ইউৰোপীয়-বিলাকে লাঞ্ছনা কৰিব পাৰে; গতিকে গধূলিহে তেওঁ জাহাজ এৰি যাব। কিন্তু গান্ধীজীৰ বন্ধু আবছুল্লা কোম্পানীৰ এটৰ্নি মিষ্টাৰ লটন আহি তেওঁক কোনো ভয় নকৰি ·দুপৰীয়াই তেওঁৰ বন্ধু ৰুষ্টমজীৰ ঘৰলৈ যাবলৈ ক'লে। তেওঁৰ পৰিবাৰ আৰু ল'ৰা কেইটাক গাড়ীত তুলি দি নিজে মিষ্টাৰ লটনৰ লগত খোজকাঢ়ি যাবলৈ ওলাল। কিছুদূৰ যোৱাৰ পিছত অসভ্য ইউৰোপীয় কিছুমানে তেওঁক আগুৰি ধৰিলে; তেওঁক লটনৰ লগৰপৰা বেলেগ কৰি লৈ চাৰিওফালৰপৰা আগুৰি ধৰি এনেদৰে মাৰিবলৈ ধৰিলে যে মাৰৰ কোবত তেওঁ প্ৰায় অজ্ঞান হৈ পৰিছিল। এনেতে পুলিচ ছুপাৰিন্‌টেণ্ডেণ্টৰ পৰিবাৰে গান্ধীজীক অত্যাচাৰৰপৰা ৰক্ষা কৰিবৰ কাৰণে তেওঁৰ ছাতিৰে ঢাকি ধৰিলে। ইউৰোপীয়বিলাক অলপ সময় মাৰিবলৈ আগবাঢ়ি নগল। তাৰ পিছত গান্ধীজীৰ অৱস্থা দেখি এজন ডেকা ভাৰতীয়ই পুলিচ থানাত খবৰ দিয়াত এদল পুলিচ আহি তেওঁক আগুৰি ধৰি ৰুষ্টমজীৰ ঘৰলৈ লৈ যায়। কিন্তু তাতো তেওঁ শান্তি পোৱা নাছিল; কাৰণ আক্ৰমণকাৰীবিলাকে এই ঘৰৰ আগত বৈ গান্ধীজী অহালৈ বাট চাই আছিল আৰু মাটিৰ চপৰা, ইটাৰ টুকুৰা আৰু শিল গোটাই লৈ ৰুষ্টমজীৰ ঘৰটোকে আক্ৰমণ কৰিব খুজিলে। এনেতে পুলিচ ছুপাৰিন্‌টেণ্ডেণ্টে আহি গান্ধীজীক মনে মনে ঘৰৰ পিচ ফালেদি ভেশচন কৰি পলাই যাবলৈ কোৱাত তেওঁ সেইদৰে ভেশচন কৰি পলাই গল। কিছুপৰৰ পিছত পুলিচ চাহাবে আক্ৰমণকাৰীবোৰক আচল কথা কোৱাত সিহঁতে ঘৰত সোমাই চাই গান্ধীজীক নেদেখি সেই ঠাই এৰি যায়।

গান্ধীজী জাহাজত থাকোঁতেই বাতৰি-কাকত এখনৰ এজন প্ৰতিনিধিয়ে তেওঁক দেখা কৰাত তেওঁ ভাৰতত কোৱা কথাবিলাকৰ আৰু লিখা প্ৰবন্ধ-ৱোৰৰ একোটা নকল দি বুজাই দিছিল যে আফ্ৰিকাৰ ইউৰোপীয়ৰ বিৰুদ্ধে তেওঁ ভাৰতত একো অসত্য প্ৰচাৰ কৰা নাছিল আৰু জাহাজ দুখনত অহা ভাৰতীয়সকলৰ লগত তেওঁ অহাৰ কোনো সম্পৰ্ক নাছিল আৰু সেইসকল ভাৰতীয় যে তেওঁ অহা দিনাই জাহাজত আহিব সেই কথা তেওঁ আগতে

নাজানিছিল। যেতিয়া বাতৰি-কাকতত এই কথাবিলাক প্ৰকাশিত হল, তেতিয়া বহুতে গান্ধীজীৰ প্ৰতি এই অত্যাচাৰ-লাঞ্ছনা যে একেবাৰে অন্যায় তাক বুজি পালে। তাতকৈও গান্ধীজীৰ মহত্ব ফুটি ওলাল এই ঘটনাৰ দোষীকো ক্ষমা কৰিব পৰা গুণত। এই অমানুষিক অত্যাচাৰে এনে তোলপাৰ লগালে যে বিলাতৰ ঔপনিবেশিক মন্ত্ৰী চেম্বাৰলেইনে গান্ধীজীৰ আক্ৰমণকাৰীবিলাকক গ্ৰেপ্তাৰ কৰি বিচাৰ কৰি শাস্তি বিহিবলৈ তাঁৰ-বাৰ্ত্তা প্ৰেৰণ কৰিলে। এজন কৰ্ম্মচাৰী মিষ্টাৰ এচ্‌কোম্বে গান্ধীজীক আক্ৰমণকাৰী কেইজনক চিনাক্ত কৰিবলৈ ক'লে। গান্ধীজীয়ে অতি স্পষ্টভাৱে জনাই দিলে যে তেওঁৰ আক্ৰমণকাৰীৰ বিপক্ষে তেওঁ কোনো কথাকে নকয় আৰু সেই আক্ৰমণৰ কোনো প্ৰতিকাৰ তেওঁ নিবিচাৰে কাৰণ তেওঁলোকে ভুলতেহে এনে কাম কৰিছে। মিষ্টাৰ এচ্‌কোম্বে প্ৰথমতে এনে মহত্ত্বৰ অৰ্থকে বুজিব নোৱাৰি তেওঁৰপৰা এটা লিখিত বিবৃতি বিচাৰিলে। মহাত্মা গান্ধীয়ে তৎক্ষণাৎ এটা বিবৃতি লিখি দিলে। কোৱা বাহুল্য মাথোন যে এই মহত্ত্বৰ কাৰণে গান্ধীজীৰ প্ৰতি, আনকি ভাৰতীয়ৰ প্ৰতিও. মানুহৰ শ্ৰদ্ধা বাঢ়ি গল।

গান্ধীজীয়ে আফ্ৰিকাত একেলগে ১৮৯৭ চনৰপৰা ১৯০১ চনলৈকে থাকি কাম কৰে। এই সময়ৰ বুৰৰ যুদ্ধ আৰু সেই সংক্ৰান্তত কৰা কামৰ বাহিৰে গান্ধীজীক বাহ্যিক কোনো ডাঙৰ কামত ব্যস্ত থকা দেখা নাযায়। কিন্তু তেওঁ প্ৰকৃততে এই সময়তেই এটি মহৎ জীৱনৰ কাৰণে প্ৰস্তুত হয়। জীৱনত সত্য আচৰণ কৰাৰ কাৰণে তেওঁ জীৱনৰ প্ৰত্যেক কামকে, তেওঁৰ মনৰ প্ৰত্যেক ভাবকেই সত্যৰ পোহৰত পৰীক্ষা কৰিবলৈ ধৰে আৰু তেওঁৰ মনত যিহকেই সত্য বুলি ধাৰণা হৈছিল তাকেই তেওঁ সমস্ত অন্তঃকৰণেৰে কামত পৰিণত কৰিবলৈ ধৰিলে।

বাপা, তোমালোকে ভাবি চালেই গম পাবা যে মনুষ্য জীৱনৰ মহত্ব ঠিক এইখিনিতেই; আৰু মহাপুৰুষ আৰু সাধাৰণ মানুহৰ মাজত পাৰ্থক্য এইখিনিতেই। নানা সজ নীতি আৰু সত্য সম্বন্ধে জ্ঞান আমাৰ অনেকৰ আছে; কিন্তু আমি কেইজনে সেই জ্ঞান কামত লগাওঁ? সকলো মানুহকে নিজৰ ভাতৃ বুলি ভাবিব লাগে বুলি আমি জানো; কিন্তু প্ৰকৃততে ভাতৃৰ ভালৰ কাৰণে চেষ্টা কৰিব লাগিলে আমি নিজৰ স্বাৰ্থৰ কথা এৰিব লাগিব, আমি মনে-প্ৰাণে আমাৰ চুবুৰীয়া আৰু দেশবাসীৰ হিতৰ কাৰণে খাটিব

লাগিব। কিন্তু কেইজন মানুহে তাকে কৰিব পাৰিছে ? মহাপুৰুষসকলৰ জীৱনী পাঠ কৰি নিশ্চয় এইটো দেখা পাইছা যে তেওঁলোকে যিটো সত্য বুলি ভাবে, তাৰ কাৰণে প্ৰাণ দিবলৈকো এধানো ভয় নকৰে। মহাত্মা গান্ধীৰ জীৱনৰ এই ত্ৰিশ বছৰৰ ভিতৰতে তেওঁ জীৱনৰ এই সত্য ফুটাই তুলিব পাৰিছে : "আনৰ হিংসা আৰু শত্ৰুতাৰ পৰিবৰ্ত্তে সহিষ্ণুতা আৰু মৰম দিবা।" বিজাতীয় ইউৰোপীয়ৰ হাতত অপমান পায়ো সেই অপমানৰ প্ৰত্যুত্তৰত তেওঁ মৰমহে দিলে। কৰ্ত্তৃপক্ষই শাস্তি দিবলৈ বিচৰাতো তেওঁ অন্যায়কাৰীক ক্ষমাহে কৰিলে। তোমালোকে ইয়াকে বুজা উচিত যে গান্ধীজীয়ে এই অপমান সহ্য কৰাত কাপুৰুষৰ দৰে কাম কৰা নাছিল। ভাৰতীয়ৰ কাৰণে দক্ষিণ আফ্ৰিকাত যি অধিকাৰ আদায়ৰ বাবে তেওঁ লাঞ্ছনা ভুগিছিল, সেই অধিকাৰ আদায়ৰ চেষ্টা তেওঁ অকণো কমাই দিয়া নাছিল আৰু অতি সাহসেৰে সেইবোৰ কাম কৰি গৈছিল। এইদৰে তেওঁ সত্য আৰু অহিংসাৰ শক্তি নিজ জীৱনত প্ৰমাণ কৰিছিল। ১৯০৬ চনৰপৰা এই মহাব্ৰত অৱলম্বন কৰি তেওঁ এটা নতুন যুগৰ স্থষ্টি কৰিলে।

সেই সময়ত বেৰিষ্টাৰী কাম কৰিও যথেষ্ট সময় তেওঁৰ হাতত আছিল। তেওঁ এখন হাচ্‌পতালৰ ডাক্তৰ চাহাব ডাঃ বুথক ধৰি ৰোগী শুশ্ৰূষা কৰিবলৈ নাৰ্চ নিযুক্ত হল। এই কাম তেওঁ পুৰা দুঘণ্টা আৰু গধূলি প্ৰায় দুঘণ্টা কৰিবলৈ ললে। তেওঁ নিজে নিজৰ কাপোৰ ধুই পিন্ধিবলৈ ধৰিলে। আনকি নিজৰ চুলিও নিজে কাটিবলৈ ধৰিলে। তেওঁৰ লগৰ বেৰিষ্টাৰবিলাকে তেওঁক এইবিলাক তেওঁৰ বলিয়ালি বুলি ঠাট্টা কৰিছিল। কিন্তু এই ঠাট্টালৈ এধানো কাণ নিদি গান্ধীজী নিজৰ সাধনা-পথত আঁগুৱাই গৈ আছিল। তেওঁ ডাৰবানত উপযুক্ত স্কুল নাপাই লৰাকিটাক নিজে পঢ়াবলৈ ধৰিলে; তথাপি তেওঁ ইউৰোপীয় স্কুলত পঢ়িবলৈ নিদিলে। এই ক্ষেত্ৰতো একে সত্যকে অৱলম্বন কৰি তেওঁ এই কাম কৰে। তেওঁ ভাবিছিল যে যি শিক্ষা ভাৰতীয়ই নিজৰ ল'ৰা-ছোৱালীক দিব নোৱাৰে, যি শিক্ষাৰপৰা লৰাৰ ধৰ্ম্ম-জীৱন নষ্ট হোৱাৰ সম্ভাৱনা, তেনে শিক্ষা দিয়াতকৈ ঘৰত পঢ়ুওৱা অনেক ভাল। সেইকাৰণে তেওঁৰ এজন পুতেকেও বিশ্ববিদ্যালয়ৰ উপাধি নাপালে। এই সময়ৰপৰা তেওঁ বিবাহিত হৈও ব্ৰহ্মচাৰী হবলৈ মন মেলিলে কাৰণ তেওঁৰ মনত বিশ্বাস হল যে সত্যানুসন্ধানকাৰী, ঈশ্বৰপ্ৰেমী আৰু জনসেৱক হব লাগিলে গাৰ্হস্থ্য ধৰ্ম্মত আৱদ্ধ হৈ পুত্ৰ-কন্যা উপজিবলৈ

দিয়াটো অন্যায়। এই অভিপ্ৰায়েৰে তেওঁ আহাৰ সম্বন্ধে পৰীক্ষা কৰিবলৈ ধৰিলে। যি আহাৰ খালে শৰীৰত শক্তি নাবাঢ়ি উত্তেজনাহে বাঢ়ে, তেনে আহাৰ পৰিত্যাগ কৰিবলৈ ধৰিলে। এই পৰীক্ষা চলাই সুফল পাই ছবছৰ পিছত তেওঁ বহুত বছৰ কেৱল ফল আৰু বাদাম খায়ে জীৱন ধাৰণ কৰিছিল। আনকি তেওঁ গাখীৰো খাবলৈ এৰিছিল। আফ্ৰিকাত থকা ভাৰতীয়ৰ স্বাস্থ্যৰ উন্নতিৰ কাৰণে, ঠিক ৰাজকোটত কৰাৰ দৰে, ভাৰতীয় থকা ঠাইবিলাক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰিবলৈ চেষ্টা কৰিছিল আৰু স্বাস্থ্য বিষয়ক নানা উপদেশ দিছিল। প্ৰকৃততে তেওঁ ভাৰতীয়ৰ অপৰিষ্কাৰ স্বভাৱৰ কাৰণে বৰ লাজ পাইছিল।

এই সময়ত বিশেষ উল্লেখযোগ্য কাৰ্য হল গান্ধীজীৰ আৰু ভাৰতীয়ৰ বুৱৰ যুদ্ধত স্বেচ্ছাসেৱক হৈ যোগদান।

মই তোমালোকক আগতে কৈ আহিছো যে নাটাল বৃটিছ ৰাজ্য, আৰু অৰেঞ্জ ফ্ৰি ষ্টেট আৰু ট্ৰান্সভাল ওলন্দাজ ৰাজ্য। ওলন্দাজ খেতিয়ক-বিলাকক বুৱৰ বুলিছিল। বৃটিছে এই দুখন দেশৰ উত্তৰে অৱস্থিত ৰোডেচিয়াৰ সোণ, কয়লা, হীৰা আদিৰ আশাত আদিম আফ্ৰিকানবিলাকক প্ৰথমে প্ৰবঞ্চনা কৰি আৰু তাৰ পিছত জোৰেৰে ৰোডেচিয়া অধিকাৰ কৰি লয়। অৱশেষত আচলতে ট্ৰান্সভালত থকা সোণৰ খনিৰ কাৰণে বুৱৰহঁতৰ লগত কাজিয়া লাগে আৰু ফলত ইংৰাজ আৰু ওলন্দাজৰ মাজত যুদ্ধ হয়। বুৱৰসকল সংখ্যাত কম আছিল যদিও এই যুদ্ধত তেওঁলোকে অসীম সাহ আৰু যুদ্ধ-কৌশল দেখুৱায়। যুদ্ধত তেওঁলোক পৰাজিত হোৱাত এইবিলাক ৰাজ্য বৃটিছৰ হাতলৈ আহে। এইদৰে দক্ষিণ আফ্ৰিকাত যুক্তৰাষ্ট্ৰ গঠিত হয়। এই যুক্তৰাষ্ট্ৰৰ প্ৰত্যেক দেশকেই কিছু পৰিমাণে স্বাতন্ত্ৰ্য দিয়া হয়।

ভাৰতীয়ৰ সহানুভূতি আছিল দুৰ্ব্বল বুৱৰসকলৰ প্ৰতিহে। কিন্তু গান্ধীজীয়ে বিপদত পৰা স্থানীয় শাসনকৰ্ত্তাক সহায় কৰিবলৈ উপদেশ দিয়াত, বিশেষকৈ ভাৰতীয়ই কেৱল আহত লোকক শুশ্ৰূষা কৰিবলৈহে গাত লোৱাত, সকলোৱে গান্ধীজীৰ কথা মানি ললে। প্ৰায় এঘাৰশ বাৰশ-মান স্বেচ্ছাসেৱকেৰে গঠিত এটা দলক পৰিচৰ্যা আৰু শুশ্ৰূষাৰ কামৰ শিক্ষা দিয়া হল। ইংৰাজ শাসকসকলে প্ৰথমে (ক'লা মানুহ বুলি ঘিণ কৰিয়েই বোধহয়) এনে সহায়ৰ প্ৰয়োজন নাই বুলি ক'লে; কিন্তু গান্ধীজীয়ে সকলো কথা বুজাই দিয়াত তেওঁৰ দলটোক পীড়িত আৰু আহত লোকক শুশ্ৰূষা

কৰিবলৈ দিয়া হল। যুদ্ধ চলি থকাত যুদ্ধক্ষেত্ৰৰপৰা আহতসকলক শুশ্ৰূষা কৰা তম্বুলৈ কঢ়িয়াই অনাটোও এওঁলোকৰ এটা কাম আছিল। এই কাৰণে স্বেচ্ছাসেৱকসকলে বহুত সময়ত চাৰিওফালে গুলী চলি থাকোঁতেও আহত সৈনিকক ষ্ট্ৰেচাৰত বা কাপোৰৰ দোলাত তুলি পোন্ধৰ ষোল্ল মাইল বাট কঢ়িয়াই আনিব লাগিছিল। গান্ধীজীকে ধৰি এই স্বেচ্ছাসেৱক দলে বহু সময়ত পুৱাতে উঠি অলপ খোৱা-বস্তু লগত লৈ বিশ-পঁচিশ মাইলকৈ খোজ কাঢ়ি আহত মানুহক দোলাত তুলি চিকিৎসা কৰা তম্বুলৈ লৈ আহিছিল। দুপৰীয়া আফ্ৰিকাৰ যি প্ৰখৰ ৰ'দত সাধাৰণ মানুহ মূৰ্চ্ছা যায়, তেনেকুৱা ৰ'দত গান্ধীজী আৰু তেওঁৰ দলৰ লোকে এনে সুন্দৰ আৰু পৰিপাটিকৈ এইবোৰ কাম কৰিছিল যে তেওঁলোকক সৈনিক বিভাগ আৰু আন লোকে বিশেষভাৱে প্ৰশংসা কৰিবলৈ ধৰিলে। ডঃ বুথে নিজে এওঁলোকৰ লগত কাম কৰিছিল। এওঁলোকে আহত জেনেৰেল উড্‌গেট আৰু মৃতপ্ৰায় লেফ্‌টেনেণ্ট ৰবাৰ্টচ্‌ (সৈন্যাধ্যক্ষ লৰ্ড ৰবাৰ্টচৰ পুত্ৰ)ৰ দৰে মানুহকো কঢ়িয়াবলৈ পাইছিল। এই কাৰ্যৰ দ্বাৰা সাময়িকভাৱে ভাৰতীয়ৰ সন্মান আৰু প্ৰতিপত্তি দক্ষিণ আফ্ৰিকাত বাঢ়ি গল। তাতকৈও ডাঙৰ ফল এয়ে হল যে ভাৰতীয়ই একেলগে আৰু একমনে কাম কৰিবলৈ শিকিলে। ইয়াৰে সুফল মহাত্মাজীয়ে ছবছৰ পিছত কৰা সত্যাগ্ৰহ আন্দোলনত পালে।

তাৰ পিছত মহাত্মা গান্ধীৰ মনত ধাৰণা হল যে আফ্ৰিকাত তেওঁৰ কাৰ্য্যক্ষেত্ৰ ক্ৰমে সীমিত হৈ আহিল আৰু সেইকাৰণে ভাৰতৰ বিশাল কাৰ্য্যক্ষেত্ৰত নিজকে নিযুক্ত কৰাৰ প্ৰবল ইচ্ছা তেওঁৰ হল। সেইকাৰণে ১৯০১ চনত পুনৰ তেওঁ ভাৰতলৈ আহিবলৈ ওলাল। ইতিমধ্যে দক্ষিণ আফ্ৰিকাত তেওঁ ভাৰতীয়ৰ এজন অতি প্ৰিয় নেতা হৈ পৰিছিল। আফ্ৰিকা এৰি আহিবলৈ ওলালত আগৰ বাৰৰ দৰে বহুতে তেওঁক মানা কৰিছিল আৰু যেতিয়া তেওঁ একান্তই আহিবলৈ ওলাল, তেতিয়া তেওঁৰ বিদায় অভ্যৰ্থনাৰ সীমা নোহোৱা হল। মানুহে তেওঁক অনেক বহুমূলীয়া উপহাৰ দিবলৈ ধৰিলে—সোণৰ ঘড়ী, আঙঠি, ঘৈণীয়েকলৈ ডিঙিৰ হাৰ, ইত্যাদি। এইবিলাক উপহাৰৰ মূল্য কেইবাহেজাৰ টকাও হব। গান্ধীজীৰ মনত এনে ভাব হল যে ৰাইজৰ কাৰণে কাম কৰি এইবিলাক উপহাৰ লোৱাৰ তেওঁৰ কোনো অধিকাৰ নাই। সাংসাৰিক বস্তু ত্যাগৰ প্ৰবৃত্তি তেওঁৰ মনত বাঢ়ি আহিছিল; এতিয়া এই বস্তুখিনি কোনোমতেই নিজৰ কাৰণে ৰাখিব নোৱাৰা

হল। অৱশেষত তেওঁ পুত্ৰ-পৰিবাৰৰ লগত পৰামৰ্শ কৰি আটাইখিনি উপহাৰৰ বস্তুকে ভাৰতীয় সমাজৰ নামত আৰু সমাজৰ কামৰ কাৰণে অৰ্পণ কৰি তিনিজন লোকক গটাই দিলে। বাপা, এই সম্বন্ধে তেওঁ আত্মজীৱনীত লিখা কথা বিশেষকৈ জানিবলগীয়া। তেওঁ লিখিছে যে এই সময়তে তেওঁৰ মনত Trust বা ন্যাস শব্দৰ অৰ্থ ঈশ্বৰে উদয় কৰি দিয়ে। মানুহক নলগা ধন সমাজৰ ব্যৱহাৰৰ কাৰণে জিম্মা দিব লাগে। অধিক ধন মানুহৰ কাৰণে অধিক বোজা।

১৯০১ চনত পুনৰ তেওঁ ভাৰতলৈ উভতি আহিল আৰু এইবাৰো তেওঁ ভাৰতত এবছৰ থাকিল। তেওঁ আহিয়েই কংগ্ৰেছ মহাসভাত যোগ দিয়েহি। সেইবাৰ বৈঠকত তেওঁ দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সম্পৰ্কে এটা প্ৰস্তাৱ দাঙি ধৰিছিল। মিষ্টাৰ ডিন্‌ছ ওৱাছা এই কংগ্ৰেছ বৈঠকৰ সভাপতি আছিল আৰু সেই বৈঠক কলিকতাত বহিছিল। তেওঁ স্ব-ইচ্ছাৰে পিয়ন আৰু চিঠি লিখাৰ কাম লৈছিল সেই বৈঠকত। এই সময়ত তেওঁ কংগ্ৰেছৰ কাৰ্যপ্ৰণালী আৰু সভাত উপস্থিত হোৱা লোকসকলৰ আচৰণ দেখি বুজিব পাৰে যে এই অনুষ্ঠানৰ উন্নতি কৰা বৰ আৱশ্যক। এই সময়তে তেওঁ মহামতি গোখ্‌লেৰ লগত কলিকতাৰ ইণ্ডিয়া ক্লাবত প্ৰায় এমাহমান থাকে আৰু গোখ্‌লেৰ হৃদয়ৰ প্ৰকৃত সৰলতা, সকলোৰে প্ৰতি মৰম আৰু জনসেৱাৰ ইচ্ছা আৰু অবিৰাম পৰিশ্ৰম কৰাৰ শক্তি দেখি তেওঁ গোখ্‌লেক মনে মনে নিজৰ গুৰু স্বৰূপে মানি লয়। এই মহাপুৰুষজনেও গান্ধীজীৰ কৰ্তব্য-পৰায়ণ আৰু কঠোৰ সংযমী জীৱনৰ আহি দেখা পাই তেওঁক নিজৰ সৰু ভায়েকৰ দৰে মৰম কৰিবলৈ ধৰে। বহুত ডাঙৰ বঙালী মানুহৰ লগত গান্ধীজীৰ এই সময়তে চিনাকি হয়।

ইয়াৰ পিছত তেওঁ আন আন ঠাই ভ্ৰমণ কৰি ৰাজকোটলৈ আহে আৰু মহামতি গোখ্‌লেৰ কথা মতে সমাজ-সেৱা আৰু ৰাজনৈতিক সেৱা কৰাৰ মূল অভিপ্ৰায়েৰে বোম্বাইত বেৰিষ্টাৰী আৰম্ভ কৰে। ইতিমধ্যে মহাত্মা গান্ধী সত্য অন্বেষণৰ পথত অনেক দূৰ আগবাঢ়ি গৈছিল। বোম্বাইত নতুন ঘৰ লোৱাৰ পিছতে তেওঁৰ পুতেক মণিলালৰ টাইফয়ড জ্বৰ হয়। কিছুদিন চিকিৎসাৰ পিছত ডাক্তৰে ক'লে যে তেওঁৰ লৰাৰ জীৱন সঙ্কটাপন্ন, সেই বাবে ৰোগীক শক্তি পাবৰ কাৰণে কণী আৰু কুকুৰাৰ চুৰুহা খুৱাব লাগে। কাৰণ, এই অৱস্থাত শক্তি নাথাকিলে দৰৱে একো কাম কৰিব নোৱাৰে।

পুষ্টিকৰ খাদ্যৰ দ্বাৰাহে ৰোগীক জীয়াই ৰাখিব লাগিব। নিৰামিষভোজী গান্ধীয়ে দুয়োটাৰ এটাও খুউৱা সম্ভৱপৰ নহব বুলি ক'লে। ডাক্তৰে তাকে শুনি অলপ বেজাৰ পালে; কিন্তু গান্ধীজীয়ে তেওঁক বুজাই ক'লে যে নিজৰ জীৱন ৰক্ষাৰ কাৰণে আনৰ জীৱন হত্যা কৰি পথ্য লোৱাটো ধৰ্মসংগত কথা হব নোৱাৰে। সেই কাৰণে বিনীতভাৱে ডাক্তৰক ক'লে যে লৰাটোক তেওঁ নিজে 'জল-চিকিৎসা' (hydropathy) কৰিব। ডাক্তৰে যেন মাজে মাজে লৰাটোৰ স্বাস্থ্য কেনে আছে তাক পৰীক্ষা কৰি যায়। গান্ধীজীৰ একাগ্ৰতা দেখি ডাক্তৰ সন্মত হল। গান্ধীজীয়ে চিকিৎসা আৰম্ভ কৰিলে, কিন্তু ৰোগীয়ে সোনকালে আৰোগ্য লাভ নকৰাত তেওঁৰ মন নানা খু-দুৱনিৰে ভৰি পৰিল। এদিন তেওঁ ৰোগীৰ ওচৰত বহি অতি কাতৰভাৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলে; তাৰ পিছত তেওঁ পঢ়া চিকিৎসাৰ নিয়মমতে এখন গৰম তিতা কাপোৰেৰে লৰাটোক মেৰিয়াই দিলে আৰু ওচৰত ঘৈণীযেকক থৈ ৰাতি প্ৰায় দহ বজাত ফুৰিবলৈ ওলাই গল। বাহিৰত অকলশৰে নিবিড় চিত্তে বাৰে বাৰে ঈশ্বৰক তেওঁ ক'বলৈ ধৰিলে: "প্ৰভু, এই সংকটত তুমিয়েই মোৰ মান ৰাখোঁতা।" তেওঁ ঘনাই 'ৰাম ৰাম' উচ্চাৰণ কৰিলে। অলপ পৰৰ পিছত উভতি আহি চায় যে লৰাটোৰ গা বৰকৈ ঘামিবলৈ ধৰিছে। কাপোৰখন খুলি গাত হাত দি চাই গম পালে যে জ্বৰ লাহে লাহে কমি আহিছে আৰু ৰোগীয়েও বহুত ভাল পাইছে। দয়ালু ঈশ্বৰে তেওঁৰ কাতৰ প্ৰাৰ্থনা শুনিলে আৰু মণিলাল তেতিয়াৰপৰা লাহে লাহে আৰোগ্য হৈ আহিল।

বাপা, তোমালোকে জনা উচিত যে গান্ধীজীয়ে বিনা ডাক্তৰে পানী, মাটি ইত্যাদিৰ দ্বাৰাই চিকিৎসা কৰিছিল আৰু এতিয়াও কৰি আছে। তেওঁ হেনো কিছুদিন কোষ্ঠবদ্ধতা বা শৌচ নোহোৱা দোষত ভুগিছিল। তেওঁ পেটত মিহি মাটিৰ লেপ দিয়াত ভাল পায়। এইদৰে তেওঁ সকলো সাধাৰণ বেমাৰ পানী আৰু মাটিৰে চিকিৎসা কৰে। এবাৰ তেওঁৰ পৰিবাৰ শ্ৰীমতী কস্তুৰীবাঈকো এইদৰে চিকিৎসা কৰি বৰ টান বেমাৰৰপৰা ভাল কৰে। তেওঁ সেই সময়ৰ এলোপেথি বা ডাক্তৰী চিকিৎসাত বৰ বিশ্বাস নকৰিছিল।

ইয়াৰ পিছত তেওঁ এটা ভাল ঘৰ বিচাৰি বোম্বাইত থাকিবলৈ ঠিক কৰে। এনেতে আফ্ৰিকাৰপৰা তাঁৰ-বাৰ্ত্তা আহিল যে তেওঁ বিলাতৰ ঔপনিবেশিক মন্ত্ৰী চেম্বাৰলেইনক ভাৰতীয়ৰ অভাৱ-অভিযোগ আৰু ভাৰতীয়ৰ

প্ৰতি কৰা অন্যায়ৰ কথা বুজাই দিব লাগে। অলপো পলম নকৰি গান্ধীজী তৃতীয় বাৰৰ কাৰণে দক্ষিণ আফ্ৰিকা অভিমুখে ৰাওনা হ'ল।

## আকৌ দক্ষিণ আফ্ৰিকাত

গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত চেম্বাৰলেইনক আন ভাৰতবাসীৰে সৈতে দেখা কৰে। চেম্বাৰলেইন আহিছিল দক্ষিণ আফ্ৰিকাত থকা ইংৰাজসকলৰ পৰা ধন নিবলৈ; ধন পাই চেম্বাৰলেইনে ভাৰতীয়ৰ অভাৱ-অভিযোগ আৰু দাবী আওকাণ কৰিলে। তেওঁ ক'লে, "বাৰু মই যি পাৰোঁ কৰিম; কিন্তু তোমালোকে ইউৰোপীয়সকলক সন্তুষ্ট ৰাখিবলৈ চেষ্টা কৰিবা।" বুৰৰ যুদ্ধত এনেকৈ প্ৰাণ দি সহায় কৰা সত্ত্বেও বৃটিছৰ ৰাজ-প্ৰতিনিধিৰ এনে আচৰণ দেখি সকলোৰে বৃটিছৰ ন্যায়পৰায়ণতাৰ ওপৰত আস্থা নোহোৱা হল আৰু গান্ধীজীয়ে ইতিপূৰ্ব্বে যুদ্ধত বৃটিছক সহায় কৰিবলৈ উপদেশ দিয়া কাৰণে তেওঁকো বেয়া বুলিলে। গান্ধীজী কিন্তু বিচলিত নহল। ট্ৰান্সভালৰ ভাৰতীয়-সকলৰ হৈ তেওঁলৈ চেম্বাৰলেইনক দেখা কৰাৰ নিমন্ত্ৰণ আহিল। সেই সময়ত তালৈ যোৱাৰ প্ৰৱেশপত্ৰ ( pass ) পোৱাটো বৰ টান কথা হলেও গান্ধীজীয়ে কিবা উপায়েৰে 'পাছ' এখন যোগাৰ কৰি প্ৰিটোৰিয়া পালেগৈ; কিন্তু তাত নতুনকৈ খোলা 'এছিয়াটিক বিভাগ'ৰ ইউৰোপীয়বিলাকৰ ষড়যন্ত্ৰৰ ফলত তেওঁক চেম্বাৰলেইনক দেখা কৰিবলৈ মানা কৰা হল। এই ঠাইত ভাৰতবাসীৰ দুৰৱস্থা দেখা পাই তেওঁ কিছুদিন ইয়াত থকাৰ সিদ্ধান্ত কৰি তাতে বেৰিষ্টাৰৰ শ্ৰেণীভুক্ত হ'ল আৰু ( ১৯০১ চনৰপৰা ) ১৯০৬ চনলৈকে এই ঠাইকে তেওঁৰ কৰ্ম্মভূমি পাতি ললে। ইয়াৰপৰাই তেওঁ সৰ্ব্বত্যাগী আশ্ৰমবাসী হৈ ওলায় আৰু ইয়াৰ পিছত আজিলৈকে সদায় অসত্য, অন্যায় আৰু অত্যাচাৰৰ লগত সত্য, ন্যায় আৰু অহিংস শক্তিৰ দ্বাৰাই অবিৰাম নৈতিক যুঁজ চলাই আছে। এই সময়ত উল্লেখযোগ্য বহুত কথাৰ ভিতৰত মই তোমালোকক মাত্ৰ দুটামানহে কম।

ইয়াত বেৰিষ্টাৰ হৈ তেওঁ বৰ খ্যাতি অৰ্জ্জন কৰিলে। তেওঁৰ ওকালতিৰ বৰ প্ৰসাৰ হল। তেওঁ মোকৰ্দ্দমাৰ বায়না বৰ বেছি নলৈছিল; তেওঁৰ সততা আৰু কাৰ্য্যদক্ষতাৰ কাৰণে মোক্কেলৰ সংখ্যা বহুত বাঢ়ি গৈছিল। তেওঁ চাৰি-পাঁচজন কেৰেণী, ষ্টেনোগ্ৰাফাৰ, আনকি সহকাৰী হিচাপে ইউৰোপীয় বেৰিষ্টাৰ মিষ্টাৰ বিট্‌জক ৰাখিবলগা হয়। কিন্তু বিপুল উপাৰ্জ্জন

তেওঁৰ মনে বিচৰা জনহিতকৰ কামৰ কাৰণে খৰচ কৰিবলৈ ধৰিলে। তেওঁ নিৰামিষ হোটেল এটা চলাবৰ কাৰণে এগৰাকী জাৰ্ম্মান মহিলাক পোন্ধৰ হেজাৰ টকা ধাৰলৈ দিয়ে। এই সমুদায় ধন তেওঁৰ এনেয়ে গল। ইয়াৰ পিছত ১৯০৪ চনত তেওঁ 'ইণ্ডিয়ান অ'পিনিয়ন' নামৰ এখন বাতৰি-কাকত উলিয়ায়। এই কাকত চলাওঁতে তেওঁৰ মাহে চৈধ্যশ-পোন্ধৰশ টকা নিজৰ জেপৰপৰা গৈছিল। উপাৰ্জ্জনৰ বাকী টকাও তেওঁ সেইদৰে নানা ৰাজহুৱা কামত খটায়। ইমান উপাৰ্জ্জন কৰিও তেওঁ নিজে অতি অল্পব্যয়ী আৰু সৰল জীৱন যাপন কৰিছিল।

এই সময়তে তেওঁৰ এই ধাৰণা বদ্ধমূল হয় যে ভগৱানত বিশ্বাস আৰু ভৱিষ্যতলৈ ভয় কৰি ধন জমা কৰাটো একেলগে হব নোৱাৰে। যি ঈশ্বৰে অসংখ্য দুখীয়াক জীয়াই ৰাখিছে সেই ঈশ্বৰেই গান্ধীজী আৰু তেওঁৰ পুত্ৰ-পৰিবাৰকো ৰক্ষা কৰিব। ইয়াকে ভাবি তেওঁ তেওঁৰ যি দহ হেজাৰ টকাৰ বীমা আছিল তাৰ্কে এৰি পেলালে। অকল সেয়ে নহয়, তেওঁৰ বিপুল উপাৰ্জ্জনৰ টকা ঘৰলৈ পঠাবলৈ এৰি সেই ঠাইৰ ভাৰতীয়ৰ সেৱাত খৰচ কৰিবলৈ ঠিক কৰিলে। তেওঁ মনৰ ভাব ককায়েকক জনোৱাত ককায়েকে বেয়া পাইছিল; কিন্তু পিছত গান্ধীজীৰ ঐকান্তিকতা দেখা পাই গান্ধীজীলৈ এনে মৰম আৰু শ্ৰদ্ধা হৈছিল যে তেওঁৰ মৃত্যুকালত তেওঁ গান্ধীজীক চাবলৈ ব্যস্ত হৈ পৰিছিল। ঈশ্বৰে তেওঁৰ ইচ্ছা পূৰণ নকৰিলে।

গান্ধীজীয়ে থিঅ'ছোফিষ্টসকলৰ লগত বন্ধুত্ব কৰাৰপৰা মানুহৰ সমতা (অৰ্থাৎ সকলো মানুহ সমান) সম্বন্ধে আলোচনা কৰিছিল আৰু তেনে সমতা সত্য বুলি মানি লৈছিল। নিজৰ জীৱনতো তেওঁ ঠিক তেনেদৰেই কাম কৰিছিল। তেওঁৰ ঘৰত তেওঁ সকলো জাতি আৰু সকলো ধৰ্ম্মৰ লোকক নিজ পৰিয়ালৰ মানুহৰ দৰে থাকিবলৈ দিছিল। তেওঁৰ কেৰেণীসকল হিন্দু, মুছলমান আৰু খৃষ্টিয়ান আছিল আৰু তেওঁলোক তেওঁৰ লগতে থাকিছিল। কিছুমান ইউৰোপীয়ও আহি তেওঁৰ ঘৰত থাকিছিল। কিন্তু সকলোৱে গান্ধীজীৰ দৰে নিৰামিষ আৰু সাধাৰণ আহাৰ খাই থাকিব লগাত পৰিছিল; নিজৰ কাম নিজে কৰিব লাগিছিল, আনকি নিজৰ পায়খানাও নিজে চাফা কৰিছিল। কেতিয়াবা আলহীৰ পায়খানা গান্ধীজীয়ে আনন্দ মনে চাফা কৰি দিছিল।

এই সময়ত জহান্সবাৰ্গ মিউনিচিপেলিটিৰ ভিতৰত থকা ভাৰতীয়ৰ

মাজত Black Plague নামৰ এবিধ বৰ মাৰাত্মক ৰোগ হয়। এই ব্লেক প্লেগ ৰোগে বৰকৈ সোঁচৰে কাৰণে মিউনিচিপেলিটিৰ ভিতৰত থকা ভাৰতীয়ৰ সকলো ঘৰ ভাঙি দিয়া হয়। কিন্তু গান্ধীজীয়ে তেওঁৰ লগত ছয়-সাতজন-মানৰ এটা দল গঠন কৰি তেইশজন ৰোগীক তিনি-চাৰি দিনমান শুশ্ৰূষা কৰে। গান্ধীজীয়ে মাটি-চিকিৎসা কৰা দুজন ৰোগী ভাল হয়; বাকী কিজন মৰে।

এই মিউনিচিপেলিটিয়ে ভাৰতীয়বিলাকক আছুতীয়াকৈ থাকিবলৈ ঠাই দিছিল। তাৰ পিছত বগা চামৰাৰ মালিকসকলে ভাৰতীযক তাৰপৰাও খেদাৰ অভিপ্ৰায়েৰে মিউনিচিপেলিটিৰ হতুৱাই সেই মাটিখিনিও লোৱাৰ (acquire) ব্যৱস্থা কৰিছিল। গান্ধীজীয়ে প্ৰত্যেকজন ভাৰতীয়ৰ হৈ ওকালতি কৰি সত্তৰটা মোকৰ্দ্দমাৰ ভিতৰত এটাৰ বাহিৰে এটাইকিটাত জয়লাভ কৰে আৰু ভাৰতীয়সকলক মিউনিচিপেলিটিৰ এই অত্যাচাৰৰপৰা ৰক্ষা কৰে।

এই সময়ত তেওঁৰ মিষ্টাৰ ৰেষ্ট আৰু মিষ্টাৰ পোলকৰ সৈতে পৰিচয় হয়। এওলোক দুয়োজনে গান্ধীজীৰ আদৰ্শ গ্ৰহণ কৰি তেওঁৰ উৎসাহী সহকৰ্ম্মী হয়। মিষ্টাৰ ৰেষ্ট মাত্ৰ এশ চল্লিশ বা এশ পঞ্চাশ টকা দৰ্ম্মহাত গান্ধীজীৰ 'ইণ্ডিয়ান অ'পিনিয়ন' নামৰ বাতৰি-কাকতৰ সম্পাদক হৈ ডাৰবানত থাকিবলৈ লয়। এই কাকত পৰিচালনা সম্পৰ্কে পৰামৰ্শ কৰিবলৈ গান্ধীজী জহান্সবাৰ্গৰপৰা ডাৰবানলৈ আহে। পোলকে তেওঁক ইংৰাজ লিখক ৰাস্কিনৰ 'Unto His Last' নামৰ কিতাপখন পঢ়িবলৈ কয়। এই পুথি পঢ়ি গান্ধীজী এনেদৰে অভিভূত হয় যে তেওঁ ডাৰবানলৈ আহি তেওঁৰ সমস্ত জীৱনৰ নিয়ম সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰিবলৈ স্থিৰ কৰে। এই কিতাপখনৰ মুখ্য শিকনি এয়ে আছিল যে সকলোকে উপকাৰ কৰা আৰু নিজ পৰিশ্ৰমৰ দ্বাৰা (যেনে—কৃষি, শিল্প) আনকো উপকাৰ কৰি ধাৰণ কৰা জীৱনেই উৎকৃষ্ট জীৱন। এই কিতাপ পঢ়ি উঠাৰ পিছত তেওঁৰ এনে ভাব হল যেন তেওঁৰ অন্তৰত লুকাই থকা সত্যখিনি এই কিতাপখনতে লিখা আছে। তেওঁ পিছদিনাই এই আদৰ্শ কামত পৰিণত কৰিবলৈ চেষ্টা কৰি মাটি বিচাৰি আশ্ৰম পাতিবলৈ ঠিক কৰিলে। চাৰি-পাঁচ দিনৰ ভিতৰতে ডাৰবানৰপৰা চৈধ্য মাইল দূৰত ফিনিক্স নামৰ গাম এখন তেওঁ কিনিলে আৰু তাৰ ওচৰতে আৰু কিছুমান মাটি লৈ মুঠতে প্ৰায় তিনিশ বিঘা মাটিৰে

এখন আশ্ৰম খুলিলে। মিষ্টাৰ ৰেষ্টৰ চেষ্টাত 'ইণ্ডিয়ান অ'পিনিয়ন' কাকত ছপোৱা প্ৰেছটো তালৈ নিয়া হল। তেওঁলোকে তাত ত্ৰিপালৰ তম্বুৰ তলত থাকি ঘৰ-দুৱাৰ সাজি এখন আদৰ্শ আশ্ৰম পাতি ললে। ইয়াত গান্ধীজীৰ লগত বাস কৰিবলৈ লোৱা এটাইবিলাক সহকৰ্ম্মীকে সৰু সৰু ঘৰ আৰু প্ৰত্যেককে দহবিঘামানকৈ মাটি দিয়া হল। ইউৰোপীয়ৰ ভিতৰত প্ৰথমে ৰেষ্ট আৰু পোলক আৰু তাৰ পিছত কেলেনবেক্, আৰু ভাৰতীয়ৰ ভিতৰত ছগনলাল গান্ধী, মগনলাল গান্ধী আহি এই আশ্ৰমত থাকিলহি। 'ইণ্ডিয়ান অ'পিনিয়ন' ইয়াৰেপৰা ওলাবলৈ ধৰিলে। এই আশ্ৰম খোলা হয় ১৯০৪ চনত। গান্ধীজী দুবছৰলৈকে তেওঁৰ বেৰিষ্টাৰী ব্যৱসায়ৰ কাৰণে পূৰ্ণ আশ্ৰমবাসী হব পৰা নাছিল। ১৯০৬ চনত তেওঁ বেৰিষ্টাৰী ব্যৱসায় এৰি এই আশ্ৰমত জীৱন কটাবলৈ ধৰিলে। তেওঁ সোনকালে ভাৰতলৈ উভতি অহাৰ আশা এৰি দিলে আৰু তেওঁৰ পৰিবাৰক আফ্ৰিকালৈ মতাই আনি ফিনিক্স আশ্ৰমতে থাকিবলৈ বন্দৱস্ত কৰি দিলে।

এই সময়তে গান্ধীজীয়ে জহান্সবাৰ্গত বেৰিষ্টাৰী কৰি থাকোঁতে 'জুলু বিদ্ৰোহ' নামৰ প্ৰবন্ধ এটি বাতৰি-কাকতত এদিন পঢ়িবলৈ পায়। এইটো সঁচাকৈয়ে বিদ্ৰোহ হয় নে নহয় সেই সম্বন্ধে গান্ধীজীৰ মনত সন্দেহ হলেও তেওঁ আহত আৰু পীড়িতক সহায় কৰাৰ অভিপ্ৰায়েৰে চৰকাৰলৈ স্বেচ্ছা-সেৱা কৰাৰ অভিপ্ৰায় জনাই চিঠি লিখিলে। ক'লা চামৰাৰ জুলুক পৰিচৰ্য্যা কৰা মানুহৰ অভাৱ দেখি চৰকাৰে গান্ধীজীৰ প্ৰস্তাৱ সাদৰেৰে গ্ৰহণ কৰিলে। আগৰ বাৰৰ দৰেই স্বেচ্ছাসেৱকৰ বাহিনী এটা লৈ তেওঁ বিদ্ৰোহৰ ঠাইলৈ গ'ল। তালৈ গৈ তেওঁ যি দেখিলে তাৰপৰা জুলুবিলাকৰ প্ৰতি তেওঁৰ সহানুভূতি বাঢ়ি গল। এই জুলুবিলাক আফ্ৰিকাৰ স্থানীয় বাসিন্দা। যি ৰাজ্যত বিদ্ৰোহ হোৱা বুলি উল্লেখ কৰা হৈছিল সেই ৰাজ্য তেওঁলোকৰ স্বাধীন ৰজাৰ আছিল। প্ৰায় বিশ বছৰ আগতে জুলু ৰজাক ফাকি দি আৰু ভয় দেখুৱাই এই ৰাজ্য বৃটিছৰ দখলভুক্ত কৰা হয়। এতিয়া বৃটিছ শাসনৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি জুলুবিলাকে বৃটিছে লগোৱা নতুন কৰ দিয়া নাছিল। ইয়াৰ কাৰণেই আফ্ৰিকাত থকা ইউৰোপীয় চৰকাৰে এই জুলুবিলাকক ধৰি আনি এনেদৰে বেত দিয়াইছিল যে তেওঁলোকৰ শৰীৰত ঘা হৈ পোক লাগি গৈছিল। আন কিছুমানক ছেৰা গুলী মাৰি বা লাঠিৰে কোবাই আহত কৰা হৈছিল। এইবোৰ আহত ক'লা মানুহক শুশ্ৰূষা কৰিবলৈ বগা

ইউৰোপীয়সকলে ঘিণ কৰিছিল আৰু সেই কাৰণেই সেইদৰে গাৰ খাত পোক লাগি গৈছিল। গান্ধীজীয়ে এনে নিচলা প্ৰপীড়িত লোকৰ সেৱা কৰিবলৈ পাই ভাল পালে আৰু তেওঁৰ মনত থকা অসেঁাৱাহ দূৰ হল। তেওঁলোকে বিদ্ৰোহৰ ঠাই পৰিবৰ্ত্তনৰ লগে লগে এই ৰোগী আৰু আহত মানুহবিলাককো লগতে লৈ যাবলগীয়া হৈছিল। একো দিনা মুকলি পথাৰৰ মাজেদি এই আহত মানুহবিলাকক বিশ-পঁচিশ মাইল কঢ়িয়াই নিব লগা হৈছিল। এনে কষ্টয়ো গান্ধীজীৰ মনত কোনো প্ৰকাৰৰ দ্বিধা আনিব নোৱাৰিছিল। এই কষ্টত তেওঁ আনন্দহে পাইছিল; বিশাল মুকলি ঠাইৰ মাজেদি যাওঁতে ঈশ্বৰৰ চিন্তাত বিভোৰ হৈছিল। এই সময়তে তেওঁ জীৱনৰ সকলোতকৈ ডাঙৰ ব্ৰত, অৰ্থাৎ ব্ৰহ্মচৰ্য্য ব্ৰত লোবাৰ সংকল্প কৰে। ছসপ্তাহ এইদৰে সেৱা কৰাৰ পিছত তেওঁলোকৰ আৰু দৰকাৰ নোহোৱাত চৰকাৰে তেওঁলোকক ঘূৰাই পঠিয়াই দিয়ে। গান্ধীজীৰ কামত সন্তুষ্ট হৈ গৱৰ্ণমেণ্টে গান্ধীজীক বিশেষভাৱে ধন্যবাদ দিয়ে।

বাপা, সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰাৰ আগতে গান্ধীজী কি কি কাৰ্য্যত লিপ্ত আছিল আৰু তেতিয়া তেওঁৰ মানসিক অৱস্থা কেনে আছিল ভাবি চোৱাচোন। তোমালোকে বোধকৰো শুনিছা যে জনক ৰজা এজন বৰ ডাঙৰ আৰু ন্যায়পৰায়ণ ৰজা হৈও বৰ ডাঙৰ ঋষি আছিল। তেওঁ সংসাৰত থাকি গাৰ্হস্থ্য ধৰ্ম্ম পালন কৰিও ব্ৰহ্মচাৰী আছিল। সকলো প্ৰবৃত্তিকে দমন কৰি আসক্তিশূন্য পুৰুষ হৈ ঈশ্বৰ-প্ৰাপ্তিৰ আনন্দত আনন্দময় হৈ আছিল। গান্ধীজীৰ এই সময়ৰ জীৱনৰ ধাৰা জনক ৰজাৰ লৈতে কিমান মিলি গৈছিল তাক তোমালোকে ভাবি চোৱা উচিত। সেই কাৰণে পুনৰুক্তি হলেও তাৰ অলপ আভাস দিওঁ শুনা।

গান্ধীজীৰ জীৱিকাৰ উপায় আছিল তেওঁৰ বেৰিষ্টাৰী। ইয়াত এদিনো এটাও মিছা কথা তেওঁৰ মোক্কেলক তেওঁ কব লৈ দিয়া নাছিল। মোক্কেলবোৰক তেওঁ স্পষ্টকৈ জনাই দিছিল যে তেওঁলোকে কোনো মিছা কথা লৈ যেন তেওঁৰ ওচৰলৈ নাহে। এবাৰ এজন মোক্কেলে মিছা কথা কোৱাৰ প্ৰমাণ পোৱাত তেওঁ হাকিমক নিজৰ মোকৰ্দ্দমাকে ডিচ্‌মিচ্‌ কৰিবলৈ অনুৰোধ কৰিছিল। এদিন এটা জটিল মোকৰ্দ্দমাৰ চালিচসকলৰ এটা সামান্য ভুল দেখা পায়; কিন্তু তেওঁৰ ওপৰৰ বেৰিষ্টাৰজনে আদালতৰ আগত এই ভুল স্বীকাৰ কৰিবলৈ বিচৰা নাছিল। গান্ধীজীয়ে কিন্তু এই বেৰিষ্টাৰজনৰ

লগত কাজিয়া কৰিও আদালতত এই ভুলটো দেখুৱাই দিলে। দোষী বুলি জানিলেই তেওঁ মোক্কেলক সদায় দোষ স্বীকাৰ কৰিবলৈ কৈ দিয়ে। এই সত্য অনুসৰণৰ ফলত তেওঁৰ মোক্কেলবিলাকে তেওঁক সহোদৰৰ দৰে বিবেচনা কৰিছিল আৰু আফ্ৰিকাৰ সত্যাগ্ৰহ আন্দোলনত তেওঁৰ ওপৰত সম্পূৰ্ণৰূপে বিশ্বাস কৰি দলে দলে আহি যোগ দিছিলহি। আগেয়ে কৈ আহিছোঁ যে তেওঁ আদালতত ওকালতি কৰি অৰ্জ্জন কৰা সমুদায় ধন ৰাজহুৱা কামত খৰচ কৰিছিল। তেওঁৰ আইন-ব্যৱসায় ইমান বাঢ়ি গৈছিল যে তেওঁক সহায় কৰিবলৈ ইউৰোপীয় চাহাব, মেম আৰু অনেক কেৰাণী নিযুক্ত কৰিবলৈ বাধ্য হৈছিল। এইসকলক তেওঁ ভাতৃভাৱেৰে একেবাৰে আপোন কৰি লৈছিল।

গান্ধীজীৰ গাৰ্হস্থ্য জীৱন অতি সৰল আৰু সাধাৰণ হৈ পৰিল। তেওঁ নিজেই নিজৰ সকলো কামকে কৰি লবলৈ ধৰিলে। এটা ৰান্ধনিৰ বাহিৰে তেওঁৰ আন কোনো আলধৰা নাছিল। যিসকল ইউৰোপীয় তেওঁৰ লগত আছিল তেওঁলোকো গাঁন্ধীজীৰ নিচিনা সহজ আৰু সৰল হৈ পৰিল।

কৃষক হিচাপে গান্ধীজীয়ে ফিনিক্স আশ্ৰমত আৰু তাৰ পিছত জহান্সবাৰ্গ আশ্ৰমত কৃষক জীৱন অতিবাহিত কৰিছিল। ফিনিক্স আশ্ৰমত কেলেনবাক নামৰ এজন লাখপতিয়ে তেওঁৰ সঙ্গী হৈ তেওঁৰ দৰে কৃষকৰ জীৱন যাপন কৰিবলৈ ললে। এইদৰে ইংৰাজ, ভাৰতীয়, সকলোৱে গান্ধীজীক মুৰব্বী মানি লৈ প্ৰেম আৰু সত্য অনুসৰণকাৰী এক ভাতৃদলৰ সৃষ্টি কৰিলে। এইসকলো তেওঁৰ সত্যাগ্ৰহ আন্দোলনৰ প্ৰধান মুখীয়াল হৈ পৰিল আৰু তেওঁৰ লগতে অশেষ কষ্ট বৰণ কৰিলে।

আশ্ৰম জীৱনত আৰু তাৰ আগেয়ে নিজৰ ল'ৰাৰ ক্ষেত্ৰত গান্ধীজীয়ে শিক্ষকৰ কাম কৰিবলৈ ধৰিলে। গান্ধীজীয়ে ল'ৰা-ছোৱালীক বৰ মৰম কৰে। ল'ৰা-ছোৱালীক আশ্ৰমত পঢ়ুৱাবলৈ পাই তেওঁ বৰ ভাল পালে আৰু নিজৰ ল'ৰাকো আশ্ৰমৰ ল'ৰাবোৰৰ লগতে পঢ়ুৱালে। এই ছাত্ৰবিলাকক তেওঁ গুজৰাটী আৰু আন মাতৃভাষাৰ যোগেদি শিক্ষা দিছিল।

জনসেৱাৰ কাৰণে তেওঁ 'ইণ্ডিয়ান পাব্লিক অ'পিনিয়ন' নামৰ এখন কাগজ উলিয়ায়। ৮ ইয়াৰ প্ৰত্যেক সংখ্যাতে তেওঁ নিজেই সত্য, অহিংসা, ভাৰতীয়ৰ অৱস্থা, স্বৰাজ ইত্যাদি বিষয়ে অনেক প্ৰৱন্ধ লিখিছিল। এই প্ৰৱন্ধবিলাকত এটাও অসত্য বা অতিৰঞ্জিত কথা নাছিল। ইয়াৰ বাহিৰে তেওঁ ৰাজনীতি চৰ্চ্চাৰ কাৰণে সকলো ভাৰতীয়ৰ মাজত সভা-সমিতি পাতি,

দক্ষিণ আফ্রিকা কংগ্রেছ স্থাপন কৰি আৰু শক্তিশালী কৰি, নিজৰ স্বকীয় স্বাৰ্থৰ মোহত বন্দী হৈ থকা ভাৰতীয়ক একেলগ কৰাত সৰলপ্ৰাণ গান্ধীয়ে আত্মনিয়োগ কৰিবলৈ ধৰিলে সকলো ভাৰতীয়ক নিজৰ শোচনীয় অৱস্থাৰ বিষয়ে সজাগ কৰি তুলিলে; সকলোকে অনুপ্ৰাণিত কৰি নিজৰ অভাৱ-অভিযোগ দূৰ কৰিবলৈ একমতি কৰি তুলিলে। আনপিনে নিচেই সাধাৰণ মানুহৰ অতি সোঁচৰা বেমাৰবিলাকত সেৱা-পৰিচৰ্য্যা কৰি সেৱা-প্ৰাণ গান্ধীজীয়ে আত্মনিয়োগ কৰিবলৈ ধৰিলে। এই সমস্ত কাৰ্য্য কৰি থাকোঁতে কেৱল ঈশ্বৰৰ কাৰ্য্যহে কৰা যেন অনুভৱ কৰিছিল। কঠোৰ সংযমৰ দ্বাৰাই তেওঁ তেওঁৰ আত্মাক শক্তিশালী কৰি তুলিছিল। ব্ৰহ্মচৰ্য্য ব্ৰত লৈ গৃহস্থীৰ মায়া একেবাৰে ছিঙি পেলালে। এই ব্ৰহ্মচৰ্য্য অৱলম্বন কৰাৰ লগে লগে তেওঁ তেওঁৰ আহাৰো পৰিবৰ্ত্তন কৰি পেলায়। তেওঁৰ আশ্ৰমৰ হিন্দু, মুছলমান, খৃষ্টিয়ান, পাৰ্চী, সকলোৱে নিৰামিষ খাইছিল। কিন্তু গান্ধীজী আৰু লগতে কেলেনবাকে আহাৰ পৰীক্ষা কৰি চাই ফল-মূল, বাদামৰ বাহিৰে আন সকলো আহাৰ পৰিত্যাগ কৰিলে। আনকি তেওঁ গৰুৰ গাখীৰকো আমিষ আহাৰ বুলি ধৰি আৰু ব্ৰহ্মচাৰীৰ পক্ষে বেয়া বুলি ধৰি তাকো খাবলৈ এৰিলে। ১৯১৪ চনত বিলাতলৈ যাওঁতে তেওঁৰ 'প্লুৰিচি' অৰ্থাৎ ফুচ্‌ফুচৰ কোষৰ বিষ হৈছিল। ডাক্তৰে তেওঁক সেই সময়ত গাখীৰ খোৱাৰ উপদেশ দিছিল। আনকি তেওঁৰ ৰাজনৈতিক গুৰু গোখ্‌লেও তেওঁক ডাক্তৰৰ কথা শুনিবলৈ কৈছিল। কিন্তু গান্ধীজীয়ে নিজৰ প্ৰাণ গলেও নিজৰ ব্ৰত লঙ্ঘন কৰিব নোৱাৰে বুলি সমিধান দিলে। ব্ৰহ্মচৰ্য্য আৰু সংযম পালনৰ কাৰণে তেওঁ ঘনাই উপবাস কৰিবলৈ ধৰিলে। একাদশী আৰু জন্মাষ্টমী তিথিত তেওঁ কেৱল পানীৰ বাহিৰে একোকে গ্ৰহণ নকৰিছিল। কিছুমান গুজৰাটী বৈষ্ণৱে শাওণ মাহৰ এটাইকেই দিনত আহাৰ নকৰে। আশ্ৰমত থাকোঁতে এবাৰ মুছলমান উপবাসৰ মাহ ৰমজান এই শাওণ মাহতে পৰে। গান্ধীজী আৰু কেলেনবাকেও মুছলমানসকলৰ লগতে এই উপবাস পালন কৰে। গান্ধীজীয়ে কয়, ত্যাগ বা তপস্যাত সকলো ধৰ্ম্মৰ নীতিমতে চলাত মানুহৰ অন্যায় হব নোৱাৰে।

এইদৰে গান্ধীজীয়ে নিজৰ জীৱন ঈশ্বৰৰ ভক্তিত, কঠোৰ সংযমত, দুখী আৰু পীড়িতৰ সেৱাত সম্পূৰ্ণৰূপে বিলাই দিলে আৰু এই সকলো সেৱাৰে উপায় অহিংসা বা প্ৰেম আৰু সত্যাগ্ৰহ হব পাৰে বুলি মানি ললে।

তেওঁৰ জীৱনত সাধনা বা সত্য অন্বেষণ চিৰসংগী হৈ থাকিল ; কিন্তু লগতে তেওঁৰ আত্মাত এনে এক অসীম শক্তি সমবেত হৈছিল যে জগতত অযথা অন্যায় আৰু অত্যাচাৰ প্ৰতিৰোধ কৰিবলৈ তেওঁ সাহ পালে। মহাত্মা গান্ধীয়ে সত্যাগ্ৰহ শব্দৰ অৰ্থ দিছে ঃ 'নিৰ্ভীকভাৱে সত্যক গ্ৰহণ কৰা।' এই সময়ৰপৰা, অৰ্থাৎ ১৯০৬ চনৰপৰা তেওঁ সত্যাগ্ৰহী হ'ল। তেওঁ এই সত্যাগ্ৰহৰ নীতি প্ৰথমে নিজৰ জীৱনত, তাৰ পিছত নিজৰ অন্তৰঙ্গ বন্ধুবৰ্গৰ মাজত, তাৰ পিছত দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় আৰু ইউৰোপীয় লোকৰ বিৰোধত, ১৯১০ চনৰপৰা ভাৰতৰ স্বাধীনতা যুদ্ধত, আৰু এতিয়া গোটেই জগতৰ লোকৰ ভিতৰতে যুদ্ধবৃত্তি নাশ কৰি শান্তি স্থাপনৰ চেষ্টাত প্ৰয়োগ কৰিছে। ১৯০৮ চনৰপৰা আজিলৈকে গান্ধীজীয়ে আমাক নানা ধৰণৰ সমস্যাত সত্যাগ্ৰহ নীতিৰ পৰীক্ষাকে দেখুৱাই আছে। এই জীৱনী সম্বন্ধে কবলগীয়া কথা শেষ কৰাৰ আগতে মই তোমালোকৰ লগত গান্ধীজীয়ে জগতবাসীলৈ দিয়া উৎকৃষ্ট দান সত্যাগ্ৰহ সম্বন্ধে আলোচনা কৰিম ; এতিয়া তোমালোকে এইখিনিকে বুজিবা যে ১৯০৬ চনৰপৰা আজিলৈকে তেওঁৰ পঁয়ত্ৰিশ-ছয়ত্ৰিশ বছৰৰ জীৱন-প্ৰবাহত কেৱল সত্যাগ্ৰহ নীতিকেই দেখা পাবা। সেইকাৰণে মই গান্ধীজীৰ জীৱনৰ আন ঘটনাৰ বিশেষ বিৱৰণ নিদিওঁ ; কেৱল কি কি ক্ষেত্ৰত তেওঁ সত্যাগ্ৰহ কৰিলে আৰু কি কি কাৰণে সেইবোৰ সত্যাগ্ৰহ কৰিবলৈ ওলাল আৰু তাৰ ফল কি কি হ'ল তাকেহে মই বৰ্ণাম।

দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহত সম্পূৰ্ণৰূপে সিদ্ধিলাভ কৰি ১৯১৪ চনত গান্ধীজী বিলাতলৈ গ'ল। তেওঁৰ লগত কেলেনবাকো বিলাত পালেগৈ। কেলেনবাকৰ ইচ্ছা আছিল ভাৰতত থকাৰ। কিন্তু তেওঁ জাৰ্মান হোৱাৰ কাৰণে ভাৰত-মন্ত্ৰীয়ে অনুমতি দিয়া সত্ত্বেও লাটচাহাব হাৰ্ডিঞ্জে তেওঁক ভাৰতলৈ যাবলৈ অনুমতি নিদিলে। বিলাতত গান্ধীজীয়ে গোখ্‌লেক লগ পায় ; তেওঁৰ শৰীৰ তেতিয়া অসুস্থ আছিল ; সেই কাৰণে তেওঁ বিলাত এৰি ভাৰতলৈ উভতি আহিল।

এই সময়ত হোৱা প্ৰথম বিশ্বযুদ্ধৰ কাৰণে ইংৰাজসকল নানা যুদ্ধ-সংক্ৰান্ত কামত ব্যস্ত আছিল। গান্ধীজীয়েও ৰজাক আৰু ৰাজ্যক এই সংকটৰ সময়ত সহায় কৰিবৰ অভিপ্ৰায়েৰে যুদ্ধত আহতসকলৰ চিকিৎসাত সহায় কৰাৰ অভিপ্ৰায় কৰিলে। ইংলণ্ডত থকা ভাৰতীয়ৰ মাজত এই

সম্বন্ধে দুটা মত হ'ল। কিছুমানে ক'লে যে যিহেতু ইংৰাজে ভাৰতবাসীক উৎপীড়ন কৰি শাসন কৰি আছে আৰু ভাৰতক স্বায়ত্ত-শাসন দিয়া নাই, সেই কাৰণে এতিয়া ইংৰাজ ঠেকত পৰোঁতে তাৰ প্ৰতিশোধহে লব লাগে। গান্ধীজীয়ে ঠিক তাৰ বিপৰীত যুক্তিহে দিলে। তেওঁ ক'লে ৰজা আৰু ৰাজ্যৰ বিপদত প্ৰজাই সহায় কৰিব লাগে আৰু ৰজা আৰু প্ৰজাৰ মাজত বিবাদ থাকিলে তাক মীমাংসা কৰি লবলৈ পিছত বহুত সময় ওলাব। বেছিভাগ ভাৰতীয় গান্ধীজীৰ লৈতে একমত হ'ল। গান্ধীজীয়ে এটা স্বেচ্ছাসেৱক বাহিনী গঠন কৰিলে আৰু ভাৰত-সচিবৰ অনুমতি পাই স্বেচ্ছা-সেৱকৰ শিক্ষা আৰম্ভ কৰিলে। এই কামতো ভাৰতীয়ক অপমান কৰিবৰ কাৰণে কম চেষ্টা চলোৱা হোৱা নাছিল। ভাৰতীয়সকল গান্ধীজীৰ বাহিৰে আন কাকো মানিবলৈ সন্মত নাছিল। কিন্তু স্বেচ্ছাসেৱকক শিক্ষা দিয়াৰ কাৰণে যিজন অধিনায়কক (কমান্ডেণ্ট) ভাৰ দিয়া হ'ল, তেওঁ কিছুমান ডেকা লৰাক নিযুক্ত কৰি দিয়াত সকলোৰে আপত্তি হ'ল। এই কাৰণত গান্ধীজীয়েও সহকৰ্ম্মীৰপৰা কথা শুনিব লগাত পৰিছিল। কিন্তু পিছত এই সম্বন্ধে নিম্নসচিব (Under-Secretary) মিষ্টাৰ ৰবাটচৰ লগত কথা-বতৰা হৈ এই খামখেয়ালি বন্ধ কৰা হল।

বৃটিছক সহায় কৰাৰ উদ্দেশ্যে স্বেচ্ছাসেৱক বাহিনী গোটাবলৈ নানা ঠাইত ফুৰোঁতে গান্ধীজীৰ কঠিন সংযমা আৰু বন্দীশালে জুৰুলা কৰা শৰীৰে ইংলণ্ডৰ তীব্ৰ শীত একেবাৰে সহ্য কৰিব নোৱাৰিলে। তেওঁৰ 'প্লুৰিচি' বেমাৰ আৰম্ভ হল। তেওঁৰ সদায় জ্বৰ হবলৈ ধৰিলে। কিন্তু এই অসুস্থ শৰীৰ লৈও একেবাৰে বিচনাৰপৰা উঠিব নোৱাৰা নোহোৱালৈকে দিনে দহ-বাৰ মাইল খোজকাঢ়ি শিক্ষাকেন্দ্ৰত উপস্থিত হৈ নিজ কৰ্ত্তব্য কৰি আছিল। এই মাৰাত্মক বেমাৰতো তেওঁ গৰুৰ গাখীৰ নোখোৱাৰ কথা আগতে কৈ আহিছোঁ। তেওঁ পুৰণি বন্ধু এজনৰ দ্বাৰা আহাৰ পৰিবৰ্ত্তনেৰে কৰা চিকিৎসা (dietectics)ৰ ফলত কিছু ভাল ফল পালে সঁচা, কিন্তু তেওঁ ভাৰতলৈ গলেহে সম্পূৰ্ণ সুস্থ হব বুলি ডাক্তৰে উপদেশ দিয়াত, গান্ধীজী ১৯১৪ চনত দৈধ্য বছৰৰ পিছত ভাৰতলৈ উভতিল।

আফ্ৰিকাত থকা ভাৰতীয়ৰ কাৰণে পূৰ্ণ সংযমী আৰু সৰ্ব্বত্যাগী গান্ধীজীয়ে এতিয়া তেওঁৰ বিশাল কৰ্ম্মক্ষেত্ৰ ভাৰতত পাতিবলৈ মন মেলিলে।

লোহিত সাগৰৰ গৰম বায়ু পায়েই তেওঁৰ শৰীৰ সুস্থ হৈ আহিল। ভাৰতবৰ্ষ আহি পোৱাৰ লগে লগেই তেওঁক অভ্যৰ্থনা দিয়া হল। বিশেষকৈ বোম্বাই আৰু মাদ্ৰাজ অঞ্চলত তেওঁক সহজে শ্ৰেষ্ঠ ৰাজনৈতিক নেতা বুলি মানি ললে। কিন্তু গান্ধীজীৰ নেতৃত্ব যে আন নেতৃত্বতকৈ বেলেগ, তাৰ প্ৰমাণ অলপ দিনৰ ভিতৰতে ওলাল। তেওঁ গোখ্‌লেৰ তলত থাকি দেশসেৱা কৰিবলৈ ইচ্ছা কৰিছিল। কিন্তু ঈশ্বৰৰ এনেহে ইচ্ছা যে তেওঁ উভতি আহি ভাৰতবৰ্ষ পোৱাৰ কেইদিনমানৰ পিছতে মহামানৱ গোখ্‌লে স্বৰ্গী হয়। গান্ধীজী শোকত আতুৰ হ'ল। কিন্তু এতিয়া নিজৰ দায়িত্ব বুজি নিজৰ মতে দেশ-সেৱাৰ ভাৰ লবলৈ বাধ্য হ'ল। আধ্যাত্মিক উন্নতি আৰু নিৰ্ভীকভাৱে দেশ বা সমাজৰ সেৱা যে একে পৰ্য্যায়ৰ কথা, সেই কথা গান্ধীজীৰ জীৱনৰ পৰাই বুজিব পাৰি। দক্ষিণ আফ্ৰিকাত ফিনিক্স আৰু টলষ্টয় আশ্ৰম চলাই গান্ধীজীৰ এনে আধ্যাত্মিক, মানসিক আৰু জনসেৱাৰ শিক্ষা-কেন্দ্ৰৰ আৱশ্যকতা বুজিবলৈ বাকী নাছিল। সেই কাৰণে তেওঁ আফ্ৰিকা পৰিত্যাগ কৰাৰ লগে লগে তেওঁৰ লগত থকা আৰু ভাৰতলৈ আহিবলৈ ইচ্ছুক আশ্ৰমবাসীক ভাৰতলৈ আগতে পঠিয়াই দিছিল। এতিয়া তেওঁ বিলাতৰপৰা আহি এই আশ্ৰমবাসীসকলক লগত লৈ ভাৰতত আশ্ৰমৰ কাৰণে মাটি বিচাৰি ওলাল। মৃত্যুৰ আগতে গোখ্‌লেই আশ্ৰম চলাবৰ কাৰণে গান্ধীজীক Servant of India Society ৰপৰা সহায় কৰিব বুলি আশা দিছিল। এইখিনিতে তোমালোকক কৈ থওঁ যে গান্ধীজীয়ে এই বিখ্যাত ছচাইটিৰ সদস্য হবলৈ বিচাৰিছিল। কিন্তু তেওঁক সদস্য লোৱা সম্পৰ্কে সদস্যসকলৰ মাজত মতভেদ হোৱাত তেওঁ নিজৰ নাম সদস্য প্ৰাৰ্থীৰ তালিকাৰপৰা উঠাই ললে। আশ্ৰমৰ কাৰণে ঠাই বিচাৰি ফুৰোঁতে তেওঁলোকে ভাৰতবৰ্ষত সেই সময়ত থকা আন আন আশ্ৰমো চাই ফুৰিছিল। এশজনমান আশ্ৰমবাসীৰে তেওঁলোক কবীন্দ্ৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ বোলপুৰত থকা আশ্ৰম শান্তিনিকেতনত থাকেগৈ। ইয়াৰ পিছত স্বামী শ্ৰদ্ধানন্দই স্থাপন কৰা কাংগ্ৰিৰ গুৰুকুল চায়। লগতে হৰিদ্বাৰৰ কুম্ভমেলাও দেখে। এই সময়তে গান্ধীজীক বহুতে মহাত্মা বুলিবলৈ ধৰে। চম্পাৰণৰ সত্যাগ্ৰহৰ পিছত তেওঁৰ এই উপাধি সৰ্ব্বজনবিদিত হয়। ভাৰতৰ প্ৰায়বোৰ ঠাই চাই আহি গান্ধীজীয়ে গুজৰাটতে আশ্ৰম পত্যাৰ ঠিক কৰিলে। শেহত তেওঁ প্ৰথমে আহমদাবাদৰ ওচৰত এখন গাঁৱত আশ্ৰম পাতিলে। ইয়াৰ কিছুদিন পিছতহে তেওঁ এই আশ্ৰম

বৰ্ত্তমান সবৰমতী নদীৰ পাৰৰ সবৰমতী বন্দীশালৰ ওচৰলৈ উঠাই আনে।

আশ্ৰম পাতিবলৈ নৌ পাওঁতেই গান্ধীজীক কামে আগুৰি ধৰিলে। দক্ষিণ আফ্ৰিকাত কৰা সত্যাগ্ৰহ আন্দোলনৰ ফলত তুখন অমানুষিক আইন ৰদ হলেও ভাৰতীয়ক 'গিৰমিটীয়া কুলি' কৰি নিয়াৰ নীতি বন্ধ হোৱা নাছিল। ইয়াৰ কাৰণে গান্ধীজীয়ে আফ্ৰিকালৈ যোৱাৰ লগে লগেই আন্দোলন কৰিছিল। ভাৰতলৈ অহাৰ পিছত এই আন্দোলন তেওঁ ভাৰতত চলায়। পণ্ডিত মদনমোহন মালব্যই এই সম্বন্ধে কেন্দ্ৰীয় ব্যৱস্থাপক সভাত প্ৰথমে এটা প্ৰস্তাৱ অনুমোদন কৰায়; কিন্তু লাট চাহাবে এই প্ৰথা উঠাই দিব বুলি কৈ সোনকালে একো নকৰাত তেওঁ তেনে প্ৰথা ৰদ কৰিবলৈ এখন আইন কৰিবলৈ জাননী দিয়ে। মহাত্মা গান্ধীয়ে বৰলাট লৰ্ড চেমচ্‌ফোৰ্ডক দেখা কৰাত তেওঁ সহায় কৰিবলৈ গাঁত লয়। ইয়াৰ পিছত তাৰ কাৰণে অনেক সভা-সমিতিও পাতিলে। তাৰ ফলত এই কু-প্ৰথা ৰদ হল।

ইয়াৰ লগে লগে গান্ধীজীৰ হাতত এটা ডাঙৰ কাম পৰিল। ১৯১৬ চনত লক্ষ্নৌ কংগ্ৰেছলৈ যাওঁতে ৰামকুমাৰ শুক্লা নামৰ এজন ব্ৰাহ্মণ খেতিয়কে মহাত্মাজীক লগ ধৰি চম্পাৰণত ইউৰোপীয় নীল-খেতিয়ক ( Indigo planters ) জমিদাৰৰ অত্যাচাৰত সাধাৰণ কৃষকৰ কি দুৰৱস্থা, সেই কথা ব্ৰজকিশোৰ প্ৰসাদ নামৰ উকীল এজনৰ দ্বাৰা বুজাবলৈ চেষ্টা কৰে। মহাত্মাই কথাখিনি খুব ভালকৈ বুজি নাপাই কংগ্ৰেছৰ সভা শেষ হোৱাৰ পিছত তেওঁ আশ্ৰমলৈ গুচি যায়। কিন্তু কৃষক শুক্লাই মহাত্মাৰ আহমদাবাদৰ আশ্ৰমলৈ গৈ অনুৰোধ কৰিলে যে মহাত্মাই তেওঁলোকৰ অৱস্থা এবাৰ চাই আহিব লাগে। গান্ধীজী কলিকতালৈ আহোঁতে শুক্লাজী গান্ধীজীক লগত লৈ ওলাল, বহু কষ্ট কৰি গৈ উভয়েই চম্পাৰণ পালেগৈ। তাত গান্ধীজীয়ে কৃষকক সহায় কৰিব খোজা লোকসকলৰ এটা সংঘ পাতিলে আৰু তাতো তেওঁ এখন সৰুসুৰা আশ্ৰমকে পাতি ললে। গান্ধীজীয়ে কৃষক আৰু উকীলসকলৰ লগত পৰামৰ্শ কৰি কৃষকসকলৰ অভিযোগ বুজি ললে। এই কৃষকবিলাক প্ৰত্যেক একৰৰ বিশ ভাগৰ তিনি ভাগ মাটিত, বা সেই ঠাইৰ মাটিৰ জোখ মতে প্ৰতি একৰৰ তিনি কঠা মাটিত কোনো লাভ নোলোৱাকৈ ইউৰোপীয় জমিদাৰক নীল খেতি কৰি দিব লাগিছিল। ইয়াৰ বাহিৰেও শস্য আদায় কৰোঁতে খেতিয়কসকলক অযথা লাঞ্ছনা আৰু অনাহক মাৰপিট কৰা হৈছিল। এই খেতিয়কসকলো ইমান হোজা আৰু অজলা আছিল যে এই

অত্যাচাৰ বংশানুক্ৰমে আশী-নব্বৈ বছৰ ভোগ কৰি আহিছিল আৰু এই নিষ্ঠুৰ অত্যাচাৰৰ বিনিময়তে নীল-খেতিয়ক ইংৰাজবোৰে ধন উপাৰ্জ্জন কৰি আছিল। গান্ধীজীয়ে এই অন্যায়ৰ প্ৰতিকাৰৰ চেষ্টা কৰাৰ আগেয়ে নীল-খেতিয়কৰ বিপক্ষে সাধাৰণ কৃষকৰ সকলো অভিযোগ জানিবলৈ বিচাৰিলে। এই সম্বন্ধে নীল-খেতিয়ক সংঘৰ ছেক্ৰেটৰী (সম্পাদক) আৰু স্থানীয় কমিছনাৰৰ (আয়ুক্ত) লগত পৰামৰ্শ কৰিবলৈ অনুমতি বিচাৰিলে। নীল-খেতিয়ক সংঘৰ সম্পাদকে তেওঁক ক'লে যে গান্ধীজী এজন বাহিৰৰ মানুহ, গতিকে তেওঁ এইবোৰত নাক সুমুউৱা যুক্তিযুক্ত হোৱা নাই; অৱশ্যে গান্ধীজীয়ে কিবা দৰখাস্ত দিব খুজিলে দি যাব পাৰে বুলি ক'লে। জিলাসমূহৰ অধিপতি আয়ুক্তই তেওঁক তৎক্ষণাৎ তিৰহুত (সেই বিভাগৰ নাম) পৰিত্যাগ কৰিবলৈ হুকুম দিলে। কিন্তু গান্ধীজায়ে নিজৰ কৰ্ত্তব্য কৰিবই লাগিব বুলি উভয়কে উত্তৰ দিলে আৰু পিছদিনাই মতিহাৰি চহৰৰপৰা পাঁচ মাইল দূৰৈত এজন কৃষকৰ ওপৰত অত্যাচাৰ কৰাৰ কথা শুনি তদন্ত কৰিবলৈ ওলাই গ'ল। বাটত তেওঁক চৰকাৰী পুলিচৰ অধ্যক্ষই জনালে যে তেওঁ চম্পাৰণ পৰিত্যাগ কৰিব লাগে। গান্ধীজীয়ে সেই হুকুমৰ উত্তৰত হাকিমক জনালে যে তেওঁৰ তদন্ত শেষ নোহোৱালৈকে তেওঁ চম্পাৰণ এৰি নাযায়। হাকিমৰ হুকুম অমান্য কৰা দোষত তেওঁক আদালতত হাজিৰ হবলৈ চমন দিয়া হ'ল। আদালতত মহাত্মাই নিজৰ দোষ স্বীকাৰ কৰি লিখিত জবানবন্দী দি জনালে যে তেওঁ জনসেৱা আৰু দেশসেৱা কৰিবৰ কাৰণে এই ঠাইলৈ আহিছিল। গতিকে হুকুম হলেও তেওঁ নিজৰ ইচ্ছাৰে এই ঠাই ত্যাগ কৰি যাব নোৱাৰে। সেই কাৰণে তেওঁ কোনো আপত্তি নকৰাকৈ হুকুম অমান্য কৰাৰ শাস্তি লবলৈ বিচাৰিলে। গান্ধীজীৰ বিচাৰ চাবলৈ অসংখ্য লোক সেইদিনা আহিছিল। চৰকাৰৰ পক্ষৰপৰা সেইদিনা বিচাৰ স্থগিত ৰখা হ'ল আৰু পিছত মোকৰ্দ্দমা উঠাই লৈ গান্ধীজীক তদন্ত কৰিবলৈ হুকুম দিলে। গান্ধীজীয়ে হেজাৰ-হেজাৰ খেতিয়কৰপৰা নিজ নিজ দুৰৱস্থা সম্পৰ্কে বিবৃতি লোৱালে। এই কামত ব্ৰজকিশোৰ বাবু, ৰাজেন্দ্ৰপ্ৰসাদ বাবু আৰু অনেক উপযুক্ত স্বেচ্ছাসেৱকে তেওঁক সহায় কৰিছিল। আনপিনে এই কৃষকবিলাকৰ উন্নতি-কল্পে গাঁৱত স্কুল খোলা হল, চাফ-চিকুণ হৈ থকাৰ শিক্ষা দিবলৈ চাফাই কাম কৰা হল, ৰোগীৰ চিকিৎসা কৰা হল আৰু আন আন জনহিতকৰ কাম কৰা হ'ল। চম্পাৰণৰ কৃষকসকলৰ মাজত এটা নতুন যুগ আৰম্ভ হল। ইয়াৰ

বাহিৰেও গান্ধীজীয়ে এই হোজা, নিৰন্ন, অশিক্ষিত লোকসকলৰ কাৰণে নানা কৰ্ম্ম পদ্ধতিৰ সূচনা কৰিছিল ; কিন্তু তেওঁ কৰ্ত্তব্যৰ খাতিৰত আন ঠাইলৈ যাবলগা হোৱাত সেইবোৰ কাম অসম্পূৰ্ণ হৈ থাকি গ'ল। ইয়াৰ ভিতৰতে মহাত্মা গান্ধীৰ অনুৰোধ মতে 'তিনি কঠীয়া' প্ৰথা সম্বন্ধে সেই সময়ৰ লাট চাহাব চাৰ এড্‌ৱাৰ্ড গেইটে নীল-খেতিয়ক ইউৰোপীয়সকলৰ নানান আপত্তি আওকাণ কৰি নিজে এটা তদন্ত কমিটি গঠন কৰি দিলে আৰু এই কমিটিৰ ৰায় অনুসৰি এশ বছৰীয়া অন্যায় প্ৰথাটো উঠাই দিয়া হয়।

যেতিয়া চম্পাৰণৰ কাম শেষ হ'ল, তেতিয়া আহমেদাবাদৰ কাপোৰৰ কলত কাম কৰা শ্ৰমিকসকলৰ লগত মালিকৰ মজুৰী লৈ বিবাদ চলি আছিল। এই মজদুৰবিলাকৰ থকা-মেলাৰ ভাল ব্যৱস্থা কথা দূৰৈত থাওক, তেওঁলোকক ইমান কম মজুৰী দিয়া হৈছিল যে তেওঁলোকৰ কোনোমতেই পেট ভৰাই খাবলৈ নোজোৰেগৈ। গান্ধীজীৰ শিষ্যা অনসূয়া বহেনে এই দৰিদ্ৰ মজদুৰবিলাকৰ হকে মালিকক মজুৰী বঢ়াই দিবলৈ কৈছিল ; কিন্তু নিজে ভাৰতীয় হৈও এই মালিকসকলে তেওঁৰ অনুৰোধ আওকাণ কৰিলে। সেইকাৰণে আশ্ৰমবাসীসকলে গান্ধীজীক এই সমস্যাটো হাতত লবলৈ ক'লে। মজদুৰবিলাকৰ পক্ষে ইয়াকে বিচৰা হল যে মজুৰী বঢ়াব লাগে নে নালাগে সেই বিষয়ে ৰায় দিবলৈ এজন চালিচ নিযুক্ত কৰিব লাগে। মালিকসকল তাত সন্মত নহল। গান্ধীজীয়ে মজদুৰসকলৰ লগত পৰামৰ্শ কৰিলে আৰু তেওঁলোকে অহিংসা আৰু একগোট হৈ থাকিব বুলি প্ৰতিশ্ৰুতি দিয়াত তেওঁ-লোকক গান্ধীজীয়ে কাম কৰা বন্ধ কৰিবলৈ নিৰ্দ্দেশ দিলে। আটাইবিলাক মজদুৰে কাম বন্ধ কৰিলে। কলৰ মালিকবিলাকৰ মুখীয়ালজন গান্ধীজীৰ বন্ধু আছিল আৰু তেওঁৰ ঘৈণীয়েকে গান্ধীজীক ভক্তি আৰু শ্ৰদ্ধা কৰিছিল। কিন্তু কোনোপধ্যেই নিজৰ স্বত্ব এৰি দিবলৈ ৰাজী নহল। শ্ৰমিকবিলাকে সদায় আহি গান্ধীজীৰ আশ্ৰমৰ আগতে সভা পাতেহি ; কিন্তু তেওঁলোকক কাম কৰি যৎকিঞ্চিৎ উপাৰ্জ্জনেৰে ধৰ্ম্মঘট চলাই থাকিবলৈ আদেশ দিয়াত গান্ধীজীৰ কথা তেওঁলোকে নমনা হ'ল। তাৰ ফলত, তেওঁলোকৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিল।

গান্ধীজীয়ে মনৰ দুখত অনশন ব্ৰত ললে। ইয়াৰ ফলত গোটেই আহমেদাবাদত, আনকি বোম্বাই প্ৰদেশতো, তোলপাৰ লাগি গল। কলৰ মালিকসকল আৰু নিষ্ঠুৰ হৈ বহি থাকিব নোৱাৰিলে। তেওঁলোকে চালিচৰ

প্ৰস্তাৱ মানি ললে আৰু তাৰ ফলত সকলোৰে অলপ অলপ দৰ্ম্মহা বাঢ়িল।

এই ঘটনাৰ লগে লগেই খাইৰা জিলাত কৃষকসকলক এটা বিপদে দেখা দিয়েহি। খাইৰা বোম্বে প্ৰদেশৰ এখন জিলা। আমাৰ গোৱালপাৰা জিলাত থকাদি তাত জমিদাৰী নাই আৰু প্ৰজাই পোনপটীয়াকৈ চৰকাৰক খাজনা দিব লাগে। সেই বছৰৰ আগৰ বছৰতো পানীৰ অভাৱত সেই ঠাইত ভালকৈ খেতি হোৱা নাছিল আৰু এইবাৰ চাৰি ভাগৰ এভাগমান খেতিও নোহোৱাত খেতিয়কসকলৰ মাজত, বিশেষকৈ দুখীয়া খেতিয়কৰ মাজত, দুৰ্ভিক্ষই দেখা দিলে। ৰায়তসকলে সেই বছৰৰ খাজনা নুতুলিবলৈ অনুৰোধ কৰি চৰকাৰলৈ আবেদন পঠালে। এওঁলোকৰ হকে স্বৰ্গীয় ভিটলভাই পেটেলে (পাছত কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সভাপতি) বোম্বাই ব্যৱস্থাপক সভাত ৰায়তে বিচৰা প্ৰতিকাৰৰ কথা উত্থাপন কৰে। শ্ৰীযুত অমৃতলাল ঠক্কৰেও (বৰ্ত্তমান হৰিজন সেৱা সংঘৰ প্ৰধান সম্পাদক) এই সম্বন্ধে নিজে তদন্ত কৰি কমিচনাৰ চাহাবক দেখা কৰে। আন বহুতে এই বিষয়ে লাট চাহাবকো দেখা কৰি ৰায়তৰ দুখৰ কথা জনালে। কিন্তু চৰকাৰে সকলো আবেদন-নিবেদনক আওকাণ কৰিলে। গান্ধীজীয়ে তেওঁৰ আত্ম-জীৱনীত লিখিছে: চৰকাৰী বিষয়াবিলাকৰ মনোভাব এই সম্বন্ধে এনে কদৰ্য আছিল যে আজি সেইবোৰ কথা বিশ্বাসকে কৰিব নোৱাৰি। প্ৰকৃততে চৰকাৰী নিয়মমতে সেই বছৰত খাজনা আদায় কৰিব নালাগিছিল, কাৰণ আইনত স্পষ্টকৈ লিখা আছে যে যদি কোনোবা বছৰত ফচল চাৰি ভাগৰ এভাগতকৈও কম হয়, তেন্তে সেই বছৰৰ খাজনা ৰায়তৰপৰা আদায় কৰা নহব। কিন্তু চৰকাৰী বিষয়াবোৰে উপযুক্ত তদন্ত নকৰাকৈ চাৰি ভাগৰ এভাগতকৈ বেছি ফচল হোৱা বুলি চৰকাৰক জনাইছিল। যদিও এই কাৰ্য্য গান্ধীজী বা আন কোনো সত্যাগ্ৰহীৰ পৰামৰ্শ নোলোৱাকৈ চৰকাৰে নিজে কৰিলে আৰু কোনসকল একেবাৰে খাজনা দিব নোৱাৰা ৰায়ত সেই মীমাংসাৰ অধিকাৰ চৰকাৰৰ হাততে থাকিল, তথাপি কৃষকসকলে এই ধৰ্ম্মযুদ্ধত নিজে জয়ী হোৱা যেন পালে। ১৯১৮ চনত এই ধৰ্ম্মযুদ্ধৰ ওৰ পৰে।

ক্ৰমে ভাৰতৰ ৰাজনৈতিক আকাশত ডাৱৰে দেখা দিলে। ৰাপা, যদিও এইবিলাক কথা বুজিবলৈ টান পাবা, তথাপি গান্ধীজীৰ জীৱনৰ প্ৰায় বাইশ বছৰ কাল এই ক্ষেত্ৰতে লাগি থকাৰ কাৰণে তেওঁৰ জীৱনী লিখিবলৈ গলে সেই সম্বন্ধে অলপ অচৰপ কবই লাগিব। এজন মহাপুৰুষে এটা মহা

সমস্যাৰ সমাধান কেনেকৈ কৰিলে তাক জানিব লাগিলে তেওঁ কি প্ৰণালী ব্যৱহাৰ কৰিছিল তাক জনাৰ আগেয়ে দেশৰ কি অৱস্থাত তেওঁ কি ব্যৱস্থা দিলে তাক জনা উচিত। ডাক্তৰ বা কবিৰাজে ৰোগীৰ অৱস্থা চাইহে ব্যৱস্থা কৰে আৰু ভাল ডাক্তৰে ৰোগৰ কাৰণ বুজিবলৈ বেছি চেষ্টা কৰে যাতে সেই ৰোগ ধৰা পেলাই একেবাৰে নিৰ্মূল কৰিব পাৰে।

তোমালোকে পঢ়া সৰু বুৰঞ্জী পুথিত ভাৰতৰ, বিশেষকৈ গাঁৱলীয়া ভাৰতীয়ৰ, আগৰ দিনৰ অৱস্থাৰ বিষয়ে বেছি ভালকৈ জানিবলৈ নোপোৱা। স্কুলীয়া বুৰঞ্জীত বৃটিছৰ শাসনত ভাৰতৰ উন্নতি আৰু তাৰ আগৰ ভাৰতৰ শোচনীয় অৱস্থাৰ কথাহে পঢ়িবলৈ পোৱা যায়। কথাটো যে একেবাৰে অসত্য আৰু বিপৰীতটোহে সঁচা, সেই কথা স্বৰ্গীয় ৰমেশচন্দ্ৰ দত্ত, ৰাণাডে, গোখলে আদি বিজ্ঞ লোকে প্ৰমাণ কৰি লিখি থৈ গৈছে। আগৰ দিনত ভাৰতলৈ অহা চীন, আৰব, ইটালি, আনকি ইংলণ্ডৰ পৰিব্ৰাজকসকলৰ বিৱৰণৰপৰা স্পষ্টকৈ বুজিব পাৰি যে ভাৰতবৰ্ষ শস্য, ধন, সোণ ইত্যাদি সম্পদেৰে ভৰপূৰ আছিল, সভ্যতাত পৃথিৱীৰ প্ৰায় সকলো জাতিতকৈ উন্নত আছিল। ভাৰতবৰ্ষৰ শিল্পজ আৰু অন্য সম্পদ পৃথিৱীৰ বহু ঠাইলৈ ৰপ্তানি হৈছিল। ভাৰতবাসীয়ে পৃথিৱীৰ সকলো উন্নত জাতিৰ লগতে বাণিজ্য কৰি পূৰ্ব্ব এছিয়াৰ দ্বীপবিলাকত বসতি কৰি ঔপনিবেশিক ৰাজ্য স্থাপন কৰিছিল। উত্তৰ ভাৰতত মুছলমান ৰাজ্য স্থাপন হোৱাৰ পিছতো এই অৱস্থাৰ বিশেষ পৰিবৰ্ত্তন হোৱা নাছিল। বিশেষকৈ গাঁৱৰ মানুহৰ অৱস্থা স্বচ্ছল আৰু গ্ৰাম্য স্বাধীনতা অক্ষুণ্ণ আছিল। ৰজাৰ প্ৰতি গাঁওবাসীৰ একমাত্ৰ কৰ্ত্তব্য আছিল গাঁৱৰ মুখীয়াল বা মণ্ডলৰ জৰিয়তে ৰজাক খাজনা শোধোৱা। বাকী সকলো বিষয়তে, বিশেষকৈ শিল্প আৰু আন ব্যৱসায়ত, এওঁলোক সম্পূৰ্ণ স্বাধীন আছিল। ওঠৰশ শতিকাৰ শেষলৈকে ভাৰতত পৃথিৱীৰ প্ৰায় সকলো ঠাইতকৈ ভাল কাপোৰ (সূতাৰ আৰু উলৰ), ভাল বাচন-বৰ্ত্তন ইত্যাদি তৈয়াৰ হৈছিল। অসংখ্য লোক এই শিল্পৰ মাধ্যমত সুখে-স্বচ্ছন্দে বসবাস কৰি আছিল। অন্ন-বস্ত্ৰৰ দুখ ভাৰতীয়ই জনা নাছিল। মুছলমান বাদছাহ সকলেও এই শিল্পবিলাক নষ্ট নকৰি নিজে সকলো উৎকৃষ্ট ভাৰতীয় বস্তু ব্যৱহাৰ কৰি শিল্পসমূহক উৎসাহ দিছিল। কেইজনমান লুণ্ঠনকাৰী মুছলমান যোদ্ধাক বাদ দিলে বাকী মুছলমানসকলে ইয়াত বসতি কৰি থকাৰ কাৰণে ভাৰতবৰ্ষকেই নিজৰ দেশ বুলি মানি ললে। ইয়াৰপৰা কোনো বস্তু বা ধন

তেওঁলোকে উলিয়াই নিজ দেশ বুলি আন দেশলৈ নিয়াৰ দৰ্কাৰ হোৱা নাছিল। সেই কাৰণে মুছলমান ৰাজত্বৰ দিনত ভাৰতীয়ৰ অৱস্থা বেয়া হোৱা বুলি তত্ত্বানুসন্ধানী বুৰঞ্জীবিদে নকয়।

ভাৰতবৰ্ষত কোনো উৎকৃষ্ট বস্তুৰ অভাৱ নথকা সত্ত্বেও সৰ্ব্বসাধাৰণ ভাৰতবাসীয়ে পাৰ্থিৱ লাভতকৈ মানসিক বা আধ্যাত্মিক উন্নতিকহে বেছি লাগতিয়াল বুলি ভাবিছিল। এই ভাব ৰজা-প্ৰজা সকলো শ্ৰেণীতে আছিল। এই দেশতেই অশোকৰ দৰে ৰজাই ৰাজ্য-বিস্তাৰৰ আশা পৰিত্যাগ কৰি দুখীয়াৰ দুখ দূৰীকৰণৰ কাৰণে অশেষ প্ৰজা-হিতকৰ কাম কৰিছিল আৰু লগে লগে ভাৰতৰ বাহিৰৰ নানা ঠাইত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ লৈছিল। ইয়াৰ ৰাজ-চক্ৰবৰ্ত্তী ৰজাই দুঃখিতক দান দি নিজে সন্যাসীৰ গৈৰিক বসন পিন্ধি ৰাজ-কৰ্ত্তব্য পালন কৰিছিল। আনকি সৰ্ব্বশক্তিমান বাদছাহ ঔৰংজেৱেও নিজৰ টুপী নিজে চিলাই কৰিহে পিন্ধিছিল। এসময়ত এই ঠাইৰপৰাই জগতত জ্ঞানৰ জ্যোতি প্ৰকাশিত হৈছিল। সকলো প্ৰকাৰ জ্ঞানৰ চৰ্চ্চা ইয়াতে হৈছিল। মুছলমান ৰাজত্বৰ সময়তো জ্ঞানৰ চৰ্চ্চা পূৰ্ণমাত্ৰাই চলি আছিল। আৰবীয় আৰু পাৰ্চিক সভ্যতাৰ লগত পুৰণি হিন্দু সভ্যতা লগ হৈ উত্তৰ ভাৰতবৰ্ষত এটা নবযুগৰ সৃষ্টি হয় যাৰ ফলত সাহিত্য, চিত্ৰকলা, নিৰ্ম্মাণ শিল্প ইত্যাদি সকলো ফালেই উন্নতি হয়। এইদৰে ধনে-জনে, শিল্প আৰু বাণিজ্যত, কৃষি আৰু চৰ্চ্চাত, বিদ্যা আৰু জ্ঞানত ভাৰতবৰ্ষ ওঠৰশ শতিকাৰ মাজ ভাগলৈকে এখন অদ্বিতীয় দেশ হৈ আছিল।

অৱশ্যে এইটোও সঁচা যে এই সময়ৰপৰাই ভাৰতৰ পতনৰ চিনো ওলাই পৰে। হিন্দু সমাজত জাতিভেদৰ হিংসাভাব, অস্পৃশ্যতা, তিৰোতাৰ প্ৰতি হেয় ভাৱ আদি কুপ্ৰথাই গা কৰি উঠে। স্বাধীন ৰাজ্যবিলাকৰ মাজত হিংসাৰ ভাব আৰু মুছলমানৰ কেন্দ্ৰীয় শাসনৰ দুৰ্ব্বলতাৰ কাৰণে প্ৰাদেশিক শাসনকৰ্ত্তাবিলাকৰ মাজত জন্ম হোৱা স্বাধীন ক্ষুদ্ৰ ৰাজ্য স্থাপনৰ আকাঙ্খাই ভাৰতভূমিক ষড়যন্ত্ৰ আৰু হত্যাকাণ্ডৰ লীলাভূমি কৰি তুলিছিল। মুছলমান সমাজ ভোগ আৰু লালসাৰ বশীভূত হল; তেওঁলোকৰ পূৰ্ব্বৰ শাৰীৰিক আৰু মানসিক শক্তি একেবাৰে লোপ পালে। এই পতনৰ সুবিধা লৈয়ে প্ৰথমে বেপাৰী হিচাপে আৰু তাৰ পিছত সেই বেপাৰ ৰক্ষাৰ কাৰণে বৃটিছে আহি আমাৰ দেশত খোপনি ললেহি। নিজৰ মাজত কাজিয়া কৰি ভাৰতীয়সকলে সামান্য যুদ্ধৰ পিছতে, কোনো কোনো ঠাইত বিনা যুদ্ধেই,

খণ্ড খণ্ডকৈ ভাৰতক বৃটিছৰ হাতত তুলি দিলে। প্ৰকৃততে বৃটিছে কেইখনমান প্ৰদেশৰ বাহিৰে বাকী ভাৰতবৰ্ষ ভাৰতীয়সকলৰ শক্তিৰে জয় কৰা নাছিল।

## বৃটিছ আমোলত ভাৰতৰ অৱস্থা

বৃটিছৰ শাসনৰ লগে লগে ভাৰতৰ অৱস্থাৰ আমূল পৰিবৰ্ত্তন হ'ল। বৃটিছৰ প্ৰধান উদ্দেশ্য আছিল ভাৰতৰপৰা মোল্ল অনা লাভ আদায় কৰা আৰু তাকে কৰিবলৈ যি যি অনুষ্ঠানৰ প্ৰয়োজন সেইবোৰ ভাৰতীয় খৰচত কৰি লৈছিল।

ভাৰতে ইতিপূৰ্বে বিলাত আৰু আন ঠাইলৈ কাপোৰ ৰপ্তানি কৰিছিল। বৃটিছে নিজ দেশত এইবোৰ ৰপ্তানি বস্তুৰ ওপৰত অত্যধিক কৰ লগাই এইবোৰ বস্তুৰ দাম নিজ দেশত বহুত বেছি কৰি বজাৰত অচলা কৰিলে। তেতিয়াও ভাৰতৰপৰা কাপোৰ ইংলণ্ডলৈ গৈ থকাত তেওঁলোকে নিজে অধিকাৰ কৰা ঠাইবোৰত তাঁতীৰ আঙুলি কাটি দি কাপোৰৰ উৎপাদন বন্ধ কৰাৰ প্ৰমাণো পোৱা যায়। আনপিনে ইংলণ্ডত এই সময়ত কাপোৰ উৎপাদন আৰু ৰপ্তানিৰ এটা বিপুল পৰিবৰ্ত্তন আহে। তেওঁলোকে ওঠৰ শতিকাৰ শেষৰ ফালে সূতা কটা আৰু কাপোৰ তৈয়াৰ কৰা কিছুমান যন্ত্ৰ উলিয়ায় আৰু তাৰ ফলত অতি সস্তা দৰত কাপোৰ বিক্ৰি কৰিবলৈ সমৰ্থ হয়। এই যন্ত্ৰৰ মালিকবিলাকে ভাৰতবাসীৰ দৰ্কাৰমতে নানাৰকম কাপোৰ উৎপাদন কৰি ভাৰতৰ বজাৰ ভৰাই দিলে। এপিনে ভাৰতীয় নিপুণ তাঁতীক অত্যাচাৰ কৰি অক্ষম কৰাৰ অভিযান আৰু আনপিনে সস্তীয়া বিলাতী কাপোৰৰ প্ৰচলন ভাৰতত সমানে চলি থাকিল। এইদৰে বিশ পঁচিশ বছৰৰ ভিতৰতে ভাৰতৰ কাপোৰ তৈয়াৰ কৰা শিল্প মৰি গ'ল। বোৱা-কটা কৰি জীৱিকা নিৰ্ব্বাহ কৰা লাখ লাখ লোকৰ নিজ ব্যৱসায় বন্ধ হোৱাত ভাত-কাপোৰৰ অভাৱত আন ব্যৱসায়, বিশেষকৈ খেতি-বাতিত লাগিবলৈ তেওঁলোক বাধ্য হ'ল। এইদৰে আন শিল্পত থকা মানুহবোৰৰো একে অৱস্থা হবলৈ ধৰিলে। যন্ত্ৰত তৈয়াৰ কৰা সস্তা বস্তুৰে বজাৰ ভৰি পৰিল আৰু লগে লগে সেইবোৰ শিল্পত কাম কৰা মানুহবোৰ ভাত-কাপোৰৰ অভাৱত পৰি থাকিল। বিলাতত এই যন্ত্ৰবিলাকত উৎপাদন কৰিবলৈ কপাহ, মৰাপাট আদি যিবোৰ কেঁচা মালৰ প্ৰয়োজন হৈছিল, সেইবোৰ এই ভাৰতৰপৰাই তেওঁলোকে অতি সস্তা দামত কিনি লৈ যাবলৈ ধৰিলে।

এইদৰে এপিনে খেতিয়কৰ দ্বাৰা উৎপাদিত কেঁচা মালৰ দাম কম হোৱাত আৰু সকলো ভাৰতীয়ই সস্তাত পোৱা বিদেশী কাপোৰ পিন্ধিবলৈ বাধ্য হোৱাত নদীৰ পানী সাগৰলৈ যোৱাৰ দৰে আমাৰ দেশৰ ধনৰ সোঁত বিলাতলৈ যাবলৈ ধৰিলে। ফলস্বৰূপে আমাৰ দেশৰ মানুহ দিনে দিনে দুখীয়া হৈ আহিবলৈ ধৰিলে। দেশৰ ঠায়ে ঠায়ে দুৰ্ভিক্ষই দেখা দিলে আৰু ভাৰতৰ খেতিয়কসকলে অতি কষ্ট কৰিও দুবেলা দুসাজ খাবলৈ নোপোৱা হ'ল। এই অৱস্থাই ভাৰতত আজিও বৰ্ত্তমান আৰু ক্ৰমে এই অৱস্থা বেয়াৰ ফাললৈহে গৈ আছে।

বৃটিছৰ ইয়াতকৈও ডাঙৰ বিজয় হ'ল ভাৰতৰ মানুহৰ মন আৰু আদৰ্শৰ ওপৰত প্ৰতিপত্তি। আগৰ দিনত শিক্ষাৰ মূল উদ্দেশ্য আছিল জ্ঞান অৰ্জ্জন, ধৰ্ম্ম চৰ্চ্চা আৰু কৃষ্টি ৰক্ষণ। বৃটিছ শাসনৰ লগে লগে শিক্ষাৰ উদ্দেশ্য হ'ল একমাত্ৰ চাকৰি বিচৰা আৰু সকলো বিষয়তে ইংৰাজক অনুকৰণ কৰা। লৰ্ড মেকলেই ভাৰতত ইংৰাজী ভাষা প্ৰচলনৰ চেষ্টা কৰাৰ লগে লগে ভাৰতীয়ইও তাতে যোগ দিয়াত ইংৰাজীয়েই ভাৰতৰ চৰকাৰী আৰু প্ৰধান ভাষা হৈ পৰিল। এই ভাষা শিকাৰ পৰা অমূল্য পাশ্চাত্য জ্ঞান-ভাণ্ডাৰৰ পোহৰ বহু ভাৰতীয়ই পালে সঁচা, কিন্তু এই শিক্ষা পোৱাৰ লগে লগে মানুহৰ, বিশেষকৈ শিক্ষিত সমাজৰ মাজত বহুতৰে এনে নৈতিক অধঃপতন হ'ল যে সেই পতনৰপৰা আজিও তেওঁলোকে উদ্ধাৰ পোৱা নাই। ইংৰাজী ভাষা প্ৰচলন হোৱাত ইংৰাজ শাসকৰে সবাতোকৈ বেছি লাভ হ'ল। এমুঠি বৃটিছে ত্ৰিশ-চল্লিশ কোটি ভাৰতীয়ক শাসন কৰিবলৈ আৰু ভাৰতত কাৰবাৰ চলাবলৈ হ'লে তেওঁলোকৰ অনেক বিষয়া, কেৰাণী ইত্যাদি স্থানীয় মানুহ লবই লাগিব। সেইকাৰণে ইংৰাজী স্কুল-কলেজ পাতি বিদেশী চৰকাৰে ভাৰতত নিজ ভাষাৰ প্ৰসাৰ কৰিবলৈ ধৰিলে। আমাৰ ইংৰাজী-শিক্ষিত লোকসকলে বৃটিছক এই কামত সহায় কৰিলে। অকল সেয়ে নহয়; বহু সময়ত দৰ্ম্মহাৰ লোভত শাসকসকলক ভাল লগাবলৈ নিজৰ দেশৰ লোকৰ স্বাৰ্থৰ বিপক্ষেও বহুত ভাৰতীয়ই কোনো বেয়া কামকে কৰিবলৈ ভয় নকৰা হ'ল। এই শিক্ষিত লোকসকলে নিজ দেশৰ ভাল আচাৰ-ব্যৱহাৰ ত্যাগ কৰি বিদেশী সাজপাৰ আৰু আচাৰ-ব্যৱহাৰ ল'লে। মুঠতে ক'বলৈ গ'লে, আমাৰ শিক্ষিত সমাজে অশিক্ষিতক উচিত পথেদি নেতৃত্ব দিয়াৰ সলনি, ভাৰতৰ স্বাৰ্থৰ বিষয়ে চিন্তা কৰিবলৈ এৰি, দৰ্ম্মহা, ৰজাঘৰৰ সন্মান আৰু আৰ্থিক সুখ-সম্ভোগলৈ বেছি

মন দি নিজক বিদেশী শাসকৰ ভৃত্য কৰি পেলালে আৰু বৃটিছৰ দাসত্ব বিনাদ্বিধাই স্বীকাৰ কৰি ললে। বৃটিছৰ আদালতবোৰে বৃটিছ শাসনৰ প্ৰতিপত্তি আৰু বঢ়াই দিলে। নিৰ্দ্ধাৰিত আইন অনুসাৰে বিচাৰ হোৱাৰ কাৰণে প্ৰথমতেই বৃটিছৰ বিচাৰনীতিৰ ওপৰত মানুহৰ ঘোৰ বিশ্বাস জন্মিল। বিচাৰৰ ঠাই গাঁও এৰি চহৰত হোৱাৰ কাৰণে গাঁৱৰ মানুহে দূৰ চহৰত আহি মিছা কথা কবলৈ বেয়া নোপোৱা হ'ল কোনো কোনো সময়ত অসত্যও সত্য বুলি বিচাৰত প্ৰমাণ হোৱাত মানুহৰ সত্যৰ প্ৰতি আস্থা কমি আহিল লগে লগে গাঁৱৰ পুৰণিকলীয়া পঞ্চায়তবোৰ লোপ পাবলৈ ধৰিলে। দৈনন্দিন জীৱনত ধৰ্ম্মৰ প্ৰভাৱ একেবাৰে নোহোৱা হোৱাৰ কাৰণে কিছুমান মানুহে মনৰ ভিতৰতে কিছুমান অৰ্থশূন্য নীতি পালন কৰাটোকে ধৰ্ম্ম বুলি ধৰি ললে। 'সত্যৰ সদায় জয়' এনে ধৰণৰ বিশ্বাস মানুহৰ মনৰপৰা নোহোৱা হ'ল। আদালতৰ বিষয়া, উকীল, মহৰী আদিয়েও এই ভাৱ প্ৰচাৰ হোৱাত সহায় কৰিলে। আমাৰ দেশীয় বেপাৰীসকলেও এনে নীতিৰে বিদেশী বেপাৰীৰ লগত ব্যৱসায় কৰিবলৈ বাধ্য হ'ল। এইদৰে এফালে যেনেকৈ বৃটিছ অধিকৃত ভাৰতবৰ্ষ বৃটিছৰ শোষণৰ স্থল হৈ পৰিল, আনফালে তেনেকৈ ভাৰতীয়ৰ আৰ্থিক, মানসিক আৰু নৈতিক শক্তি সমূলঞ্চে হ্ৰাস পাই ভাৰতীয় সমাজ পতনমুখী হ'ল। এই দুঘোৰ দুৰৱস্থা আৰু পতনৰপৰা ভাৰতবাসীয়ে কেনেকৈ ৰক্ষা পাব এই কথা উনৈশ শতিকাৰ শেষছোৱাৰপৰা কেইজনমান চিন্তাশীল আৰু মেধাৱী ভাৰতীয়ই চিন্তা কৰিবলৈ ধৰিলে। ইয়াৰ আগতেও এই পতন ধৰ্ম্মমূলক বুলি ভাবি ৰাজা ৰামমোহন ৰায়, স্বামী দয়ানন্দ সৰস্বতী প্ৰভৃতি জনদিয়েক মহাপুৰুষে ধৰ্ম্মমূলক সংস্কাৰ কৰিবলৈ ধৰিছিল আৰু সকলোৱে স্বীকাৰ কৰিছিল যে ভাৰতবৰ্ষৰ নৱজাগৰণত উপৰোক্ত উভয় মহাপুৰুষৰ প্ৰভাৱ প্ৰধান আছিল। স্বৰ্গীয় সুৰেন্দ্ৰনাথ বেনাৰ্জ্জী, দাদাভাই নৌৰোজী, গোখলে, লোকমান্য তিলক আদিয়ে এই পতনৰপৰা উদ্ধাৰৰ উপায় ৰাজনৈতিক স্বাধীনতা বুলি ভাবি নিজৰ সকলো শক্তি ৰাজনৈতিক আন্দোলন আৰু ৰাজনৈতিক চিন্তাত লগালে। তেওঁলোকেই কংগ্ৰেছ অনুষ্ঠানটো গঢ়ি তুলিলে। ৰাজনীতিৰ লগে লগে ভাৰতৰ অৰ্থনীতি সম্বন্ধেও সূক্ষ্মভাৱে অধ্যয়ন কৰা মানুহ ওলাল। ৰমেশচন্দ্ৰ দত্ত, চাৰ দিনচা ৱাচা প্ৰভৃতিয়ে ভাৰতবৰ্ষৰ পুৰণি কালৰ আৰ্থিক অৱস্থা আৰু বৃটিছৰ বৰ্ত্তমান শোষণনীতিৰ ফল সম্বন্ধে সকলো কথা মানুহৰ আগত ভালদৰে দাঙি ধৰিলে। এইদৰে

ধৰ্ম্ম, সমাজ, ৰাজনীতি, অৰ্থনীতি আদি সকলোফালে ভাৰতৰ মহাপুৰুষ আৰু নেতৃবৃন্দই সেই সময়ত ভাৰতৰ সমস্যাবিলাক সমাধানৰ চেষ্টা কৰিছিল। আন কিছুমানে এই বিভিন্ন সমস্যাবিলাকৰ মাজত কোনো সামঞ্জস্যকে দেখা পোৱা নাছিল। বহু ৰাজনৈতিক পুৰুষে ভাৰতৰ সমাজ আৰু ধৰ্ম্মসংস্কাৰৰ লগত ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাৰ বিৰোধিতাহে দেখা পাইছিল। এনে ভাব আজিও অনেক ভাৰতীয় ৰাজনীতিবিদে পোষণ কৰে।

## স্বাধীনতা সংগ্ৰামৰ প্ৰস্তুতি

গান্ধীজীয়ে ভাৰতৰ এই সমুদায় সমস্যাকে কি দৃষ্টিৰে চাইছিল আৰু তাৰ কি প্ৰতিকাৰ বিচাৰিছে তাক তোমালোকে ভালকৈ জনা উচিত। এসময়ত গান্ধীজীক এজন কেৱল বিচক্ষণ বুদ্ধিৰ ৰাজনৈতিক পুৰুষ বুলিহে বহুতে মানিছিল। আজি তেওঁৰ বিৰুদ্ধে এচাম মানুহৰ অভিযোগ এয়ে যে তেওঁ ধৰ্ম্ম-পন্থাৰে ৰাজনৈতিক সমস্যা সমাধান কৰিবলৈ বিচাৰি ৰাজনীতিক এটা অদ্ভুত অৱস্থালৈ আনিছে যাক মানুহে একেবাৰে অনুসৰণ কৰিব নোৱাৰে। কিন্তু গান্ধীজীৰ জীৱন ভালকৈ অনুসৰণ কৰা মানুহে বুজি পায় যে গান্ধীজীৰ প্ৰণালী জগৎগুৰুসকলৰ সৈতে একে। এটা সৰ্ব্বধৰ্ম্ম-সম্মত নীতিৰ দ্বাৰা জগতৰ সকলো অন্যায়কে দূৰ কৰাই তেওঁৰ জীৱনৰ উদ্দেশ্য। ভাৰতৰ পৰাধীনতা জগতৰে এটা ঘোৰ বদনাম; ইয়াকো এই ধৰ্ম্মমূলক নীতিৰ দ্বাৰা দূৰ কৰিব লাগিব। এই নীতিৰ প্ৰয়োগ মহাত্মাই ভাৰতৰ সমস্যাবিলাকত কিদৰে কৰিবলৈ বিচাৰিছে তাক জানিবলৈ হলে তেখেতৰ 'হিন্দ স্বৰাজ' নামৰ কিতাপখন পঢ়িব লাগে। মহাত্মাজীৰ চিন্তাধাৰা আৰু ভাববিলাক ইমান মৌলিক আৰু আগৰ ৰাজনৈতিক পুৰুষসকলৰ ভাবধাৰাৰ লগত সেইবিলাকৰ ইমান প্ৰভেদ আছে যে তাৰ বহুত কথা ভাৰতীয়ই সাধাৰণতে গ্ৰহণকে কৰিব নোখোজে। গান্ধীজীয়ে ভাৰতৰ স্বাধীনতাকামীক যি ত্যাগৰ আদৰ্শ দিছে তাক আজিও বহুতে গ্ৰহণ কৰিব পৰা নাই। কিছুমানৰ মতে এই পাপপূৰ্ণ জগতত সেইবিলাক কথা সদায় ঢুকি নোপোৱা আদৰ্শ হৈয়ে থাকিব। যি নহওক, মহাত্মা গান্ধীৰ কাৰ্য্য-পদ্ধতি আৰু মানসিক ভাব বুজিব লাগিলে আমি উপৰোক্ত কিতাপখনৰ মূল ভাবটো বুজা উচিত। কিতাপখন বাতৰি-কাকতৰ সম্পাদকে তেওঁৰ পাঠকসকলৰ লগত কৰা কথোপকথন হিচাপে লিখা হৈছে। এই কিতাপত প্ৰকাশ কৰা

মতামত সম্বন্ধে মহাত্মা গান্ধীয়ে শেহতীয়া তাঙৰণতো ( ১৯৩০ ) কৈছে যে তেওঁৰ মতবিলাকৰ এতিয়ালৈকে একো পৰিবৰ্ত্তন হোৱা নাই। সেই কিতাপ সম্বন্ধে মই চমুকৈ হয়াত দু-আষাৰমান কওঁ।

এই কিতাপত প্ৰকাশ কৰা বিচাৰ মতে ভাৰতৰ পৰাধীনতাৰ প্ৰধান কাৰণ হৈছে ভাৰতীয়ই নিজৰ পুৰণিকলীয়া কৃষ্টি পৰিত্যাগ কৰি বৃটিছ বা পাশ্চাত্য সভ্যতা গ্ৰহণ কৰাটো। পাশ্চাত্য সভ্যতাৰ বশীভূত হৈ ভাৰতবাসী ব্যক্তিগত সুখ-সম্ভোগত লিপ্ত হৈছে আৰু নিজৰ সুখ বিচাৰোঁতে দুখীয়া ভাইসকলৰ দুখ-কষ্টৰ বণ্ণা পাহৰি গৈ বৃটিছক শোষণনীতিত সহায় কৰিছে। বৃটিছ আইন-আদালতে, বৃটিছে দিয়া শিক্ষা-প্ৰণালীয়ে, বৃটিছ যানবাহন আৰু তাঁৰ-সংযোগ আদিয়ে আৰু বৃটিছৰ বেপাৰ বাণিজ্যই এফালে যেনেকৈ ভাৰতৰ সম্পদ অপহৰণ কৰি ভাৰতীয়ক পৃথিৱীৰ ভিতৰত দুখীয়া কৰিছে, আনপিনে তেনেকৈ লাভৰ আৰু সুখৰ আশাত বহু ভাৰতীয়ই সেইবিলাক ভাল বুলি গ্ৰহণ কৰি আৰ্থিক, মানসিক আৰু আধ্যাত্মিক আদি সকলো ক্ষেত্ৰতে দাসত্বৰ শিকলি পিন্ধি লৈছে। ভাৰত স্বাধীন হব লাগিলে ভাৰতীয়ৰ আৰ্থিক মানসিক আৰু আধ্যাত্মিক স্বাধীনতা পাবলৈ আগ্ৰহ জন্মাব লাগিব। এক কথাত ক'বলৈ হলে, ভাৰতৰ সৰ্ব্বাঙ্গীন স্বাধীনতা, ভাৰতীয়ৰ ব্যক্তিগত, আৰ্থিক মানসিক আৰু আধ্যাত্মিক স্বাধীনতা লাভৰ ওপৰত নিৰ্ভৰ কৰিছে। সেই কাৰণে মহাত্মাৰ মতে, "Real home-rule is self-rule or self-control" অৰ্থাৎ আচল স্বৰাজ আত্মসংযম বা নিজক নিজে নিয়ন্ত্ৰণ কৰাৰ সৈতে একে কথা। বৃটিছৰ, আমাৰ শাসক হৈ থকাৰ কোনো অধিকাৰ নাই; এই অন্যায় শাসন দূৰ কৰিবলৈ হলে সংযমী হৈ আত্মবল আৰু অহিংস শক্তিৰে বৃটিছৰ শাসননীতি প্ৰতিৰোধ কৰিবই লাগিব। ব্যক্তিগত হিচাপে ইংৰাজ সকলক ঘৃণা কৰাৰ কোনো দৰকাৰ নাই আৰু তেনে কৰা অন্যায়। কিন্তু বৃটিছ সভ্যতা সমৰ্থন কৰা পাপ, ইয়াক ফাটেক, কলীয়াপানী আৰু প্ৰাণদানৰ দ্বাৰাহে গুচাব লাগিব। সেইকাৰণে এই পাপী সভ্যতাৰ মায়া ত্যাগ কৰিব পাৰি কেৱল নিজৰ ত্যাগ আৰু কষ্ট-সহিষ্ণুতাৰ দ্বাৰাহে। ভাৰতীয় যেতিয়া তেনে ত্যাগ স্বীকাৰৰ কাৰণে হাঁহিমুখে আগবাঢ়িব পাৰিব তেতিয়া নিজেও মুক্ত হব আৰু ভাৰতকো স্বাধীন কৰিব পাৰিব। এই কিতাপৰ সামৰণিত তেওঁ লিখিছে যে ১৯০৮ চনতে তেওঁ তেওঁৰ জীৱন এই স্বাধীনতা উপলব্ধিৰ কাৰণে উচ্ছৰ্গা কৰি দিলে। ১৯১৯ চনৰপৰা আজিলৈকে

ভাৰতৰ স্বাধীনতাৰ কাৰণে মহাত্মাই যি আন্দোলন চলাইছে, সেই আন্দোলন মোৰ মনেৰে ওপৰত কৈ অহা মহাত্মাৰ বিচাৰ মতেই চলিছে। বৃটিছৰ অসত্য, অন্যায়মূলক আৰু আত্মনাশী শাসন আৰু তাৰ লগৰ অশেষ পাপৰ মায়াজাল সত্য আৰু অহিংসামূলক আত্মশক্তিৰে নাশ কৰাই মহাত্মাৰ পথ। তোমালোকে এই স্বাধীনতা আন্দোলনৰ গতি চাই গলে দেখা পাবা যে যেতিয়াই মহাত্মাই অনুভৱ কৰিছিল যে আন্দোলন অকণমানো ধৰ্ম্মমূলক নীতিৰপৰা আঁতৰি গৈছে, তেতিয়াই তেওঁ আন্দোলন বন্ধ কৰি দিছিল বা সেই আন্দোলনৰপৰা তেওঁ নিজে আঁতৰি পৰিছিল। ইয়াৰপৰা স্পষ্ট প্ৰমাণ হয় যে মহাত্মাৰ কাৰ্য্য-প্ৰণালী সম্পূৰ্ণৰূপে ধৰ্ম্ম আৰু নীতিমূলক।

এতিয়া মই চমুকৈ মহাত্মাৰ যোৱা বাইশ বছৰৰ কামৰ কথা কওঁ শুনা। প্ৰকৃততে এই সময়ছোৱাৰ মহাত্মাৰ জীৱনী পঢ়া আৰু কংগ্ৰেছৰ বুৰঞ্জী পঢ়া একে কথা। তোমালোকক মই আগতে কৈ আহিছোঁ কেনেকৈ গান্ধীজী বিলাতত বৃটিছক যুদ্ধত সহায় কৰিবলৈ গৈ নিজে 'প্লুৰিচি' ৰোগত ভুগি মৰাৰ উপক্ৰম হৈছিল। তাৰ পিছত ভাৰতলৈ আহিও তেওঁ ৰজাৰ বিপদত প্ৰজাই সহায় কৰাটো কৰ্ত্তব্য বুলি ক'লে। সেই সময়ৰ বৰলাট লৰ্ড চেমচ্‌ফোৰ্ডৰ নিমন্ত্ৰণত তেওঁ যুদ্ধত সহায় কৰিবলৈ পতা সভা এখনত যোগদান কৰে। এই সভাৰ পিছত মহাত্মা খাইৰা জিলাত চিপাহী বিচাৰি ওলাল। প্ৰথমতে সকলো ঠাইতে মহাত্মাই প্ৰতিবন্ধক পাবলৈ ধৰিলে। প্ৰায় সকলোৱে ক'বলৈ ধৰিলে: "কাৰ কাৰণে ভাৰতীয়ই যুদ্ধ কৰিব লাগে? যদি এই সহায়ৰ প্ৰত্যুত্তৰতে বৃটিছে ভাৰতক ঔপনিবেশিক স্বায়ত্ত শাসন দিয়াৰ প্ৰতিশ্ৰুতি দিলেহেঁতেন, তেনেহলেও এনে সহায় সাৰ্থক হ'লহেঁতেন।" কিন্তু গান্ধীজীয়ে ৰজাৰ বিপদৰ কথা কৈ আৰু নিজৰ ত্যাগৰ দ্বাৰাইহে এনে স্বায়ত্ব শাসন পাবৰ লায়েক হব লাগে বুলি বুজাই দি লাহে লাহে চিপাহী ভৰ্ত্তি কৰিবলৈ ধৰিলে। এইবিলাক কথা উল্লেখ কৰি গান্ধীজীয়ে লৰ্ড চেমচ্‌ফোৰ্ডলৈ এখন চিঠি লিখে। তাত তেওঁ যুদ্ধত সহায়ৰ কাৰণে পতা সভালৈ লোকমান্য তিলক আৰু আলি ভাতৃদ্বয়ক নমতাৰ কাৰণে বৰলাট চাহাবক বেয়া বোলে, বৃটিছে ভাৰতক অবিলম্বে স্বায়ত্ত শাসন দিব বুলি আশা কৰে, তেওঁ কোনো-মতেই সত্যাগ্ৰহ পৰিত্যাগ কৰিব নোৱাৰে বুলি জনায় আৰু মুছলমানসকলক সন্তুষ্ট ৰাখিবলৈ অনুৰোধ কৰে। চিপাহী ভৰ্ত্তি কৰোঁতে মহাত্মাৰ বৰ কষ্ট হয় আৰু তেনে শাৰীৰিক কষ্ট ভোগ কৰি থাকোঁতে তেওঁক এদিন এনে

গুৰুপাকী আহাৰ খাবলৈ দিয়া হয় যে তাৰ ফলত তেওঁৰ সাংঘাতিক গ্ৰহণী ৰোগ হৈ জীৱন বিপদাপন্ন হয়। তেওঁক আশ্ৰমলৈ আনি অনেক শুশ্ৰূষা কৰা হয়। কিন্তু তেওঁ কোনো ডাক্তৰী চিকিৎসাকে নললে। এই ৰোগে তেওঁক বহুত দিন পীড়িলে আৰু এসময়ত গান্ধীজীয়ে নিজেই জীৱনৰ আশা এৰি দিছিল। অৱশেষত ডাং জালালৰ অনেক অনুৰোধত ছাগলীৰ গাখীৰ খাবলৈ ধৰাত তেওঁ গাত লাহে লাহে বল পায়। সৌভাগ্যৰ বিষয় যে ইয়াৰ ভিতৰতে যুদ্ধৰো ওৰ পৰে।

যুদ্ধ শেষ হোৱাৰ লগে লগে বৃটিছে যুদ্ধৰ সময়ত পিন্ধা মুখা খুলি পেলালে। ভাৰত-সচিব এড্‌উইন মণ্টেগুৱে যুদ্ধ চলি থকাৰ ভিতৰতে ভাৰতক স্বায়ত্ত-শাসন দিয়াৰ উদ্দেশ্যে এটা ঘোষণা কৰিছিল আৰু ভাৰতলৈ আহি সকলো ধৰণৰ মানুহৰ লগত সেইবিষয়ে আলচ কৰিছিলহি। এতিয়া স্বায়ত্ত-শাসনৰ কথা নানা বাক-বিতণ্ডাৰ মাজত সোমাই 'পৰ্ব্বত'ৰ ঠাইত 'টিলা' হোৱাৰো সম্ভৱ নোহোৱা হ'ল। ইপিনে ভাৰতবাসীক যুদ্ধত সহায় কৰাৰ পুৰস্কাৰ স্বৰূপে 'ৰাউলাট এক্ট' নামৰ এখন আইন পাচ কৰা হ'ল। তোমালোকে বোধকৰোঁ জানা যে প্ৰথম মহাসমৰত তুৰ্কীয়ে জাৰ্ম্মেনীৰ পক্ষ লৈছিল। এইকাৰণে ভাৰতৰ মুছলমানসকলে প্ৰথমতে বৃটিছক যুদ্ধত সহায় কৰিব খোজা নাছিল। কিন্তু যেতিয়া বৃটিছ প্ৰধানমন্ত্ৰীয়ে এই আপত্তি খণ্ডনৰ কাৰণে এনে প্ৰতিশ্ৰুতি দিলে যে যুদ্ধৰ পিছত তুৰ্ক দেশৰ খলিফাৰ শক্তি অক্ষুন্ন ৰাখিব, তেতিয়াহে মুছলমানসকলে যুদ্ধত সহায় কৰিবলৈ ধৰিলে। কিন্তু যুদ্ধৰ পিছত বৃটিছ ৰাজনীতিজ্ঞসকলে তুৰ্ক ৰাজ্যক বিজেতা শক্তিবিলাকৰ মাজত ভাগ কৰি লোৱাৰ বন্দৱস্ত কৰা দেখা গ'ল। এইবিলাক কাৰণত বৃটিছ শাসন আৰু নীতিৰ ওপৰত ভাৰতবাসী হিন্দু-মুছলমান সকলোৰে অশ্ৰদ্ধা আৰু অবিশ্বাস জন্মিল। গোটেই ভাৰতবৰ্ষতে এটা উত্তেজনা আৰু অস্থিৰতাৰ ভাব দেখা গল।

ৰাউলাট আইন যেতিয়া পাছ হয়, মহাত্মা গান্ধীয়ে তেতিয়াও গ্ৰহণী বেমাৰৰপৰা একেবাৰে ভাল পোৱা নাছিল। কোৱা বাহুল্য মাথোন যে তেওঁ বৃটিছ চৰকাৰৰ কাৰ্য্যত মৰ্ম্মাহত হল। কেইদিনমান পিছতে তেওঁ সত্যাগ্ৰহৰ যোগেদি এনে অপমানৰ প্ৰতিকাৰ বিচাৰিলে। সবৰমতী আশ্ৰমতে তেওঁ কিছুমান নেতৃস্থানীয় লোক গোট খুৱাই পৰামৰ্শ কৰিলে আৰু সত্যাগ্ৰহ কৰাকে ঠিক কৰিলে। ইয়াৰ পিছতে বোম্বেলৈ গ'ল আৰু ভাতো

অনেক লোকে প্ৰতিশ্ৰুতি-পত্ৰত দস্তখত দিলে। ইয়াৰ পিছত তেওঁ মাদ্ৰাজলৈ যায়। তাতো সত্যাগ্ৰহত যোগ দিবলৈ বহুত মানুহ ওলায়। সেই সময়তে তেওঁৰ বৰ্ত্তমান মাদ্ৰাজৰ জননেতা শ্ৰীৰাজাগোপালাচাৰীৰ লগত প্ৰথম পৰিচয় হয়। এদিন পুৱা হঠাৎ কোনোবাই কৈ দিয়াৰ দৰে তেওঁৰ মনত উদয় হ'ল যে এই সত্যাগ্ৰহ হৰতাল আৰু উপবাসেৰে আৰম্ভ হব লাগে। সেইমতে তেওঁ ১৯১৯ চনৰ ত্ৰিশ মাৰ্চ তাৰিখে সমগ্ৰ ভাৰতব্যাপী হৰতাল আৰু উপবাসৰ নিৰ্দ্দেশ দিলে; কিন্তু সময় কম থকাৰ কাৰণে এই দিনটো ত্ৰিশ মাৰ্চ্চৰপৰা ছয় এপ্ৰিললৈ হোঁহোকাই নিয়া হ'ল। এই হৰতাল ইমান কৃতকাৰ্য্য হৈছিল যে ভাৰতৰ সকলো হিন্দু-মুছলমান আৰু আন সকলো সম্প্ৰদায়ৰ লোকেই গাঁৱে-চহৰে একেবাৰে সকলো কাম বন্ধ কৰি গান্ধীজীৰ নেতৃত্বৰ কাৰণে উৎকণ্ঠিত হৈ বৈ থাকিল। এই জাতীয় ভাবৰ উৎসাহৰ মূলতে নিশ্চয় বৃটিছৰ প্ৰতি অবিশ্বাস আৰু শ্ৰীমতী এনি বেচাণ্টৰ নেতৃত্বত উদ্ভৱ হোৱা 'Home Rule' বা স্বৰাজ আন্দোলনেই আছিল। কিন্তু মহাত্মাজীৰ নেতৃত্বই যে এনে উৎসাহ জগাই তোলাৰ প্ৰধান কাৰণ তাত কোনো সন্দেহ নাই। তথাপি দেখা গ'ল যে ভাৰতৰ অতি নগণ্য সংখ্যক মানুহেহে মহাত্মাৰ এই আত্মশক্তিৰ ওপৰত ভিত্তি কৰা আন্দোলনৰ মোল বুজিছিল। দিল্লীত ঠিক সময়ত গৈ খবৰ নোপোৱাৰ কাৰণে ত্ৰিশ মাৰ্চ্চ তাৰিখেই আন্দোলন আৰম্ভ হয়। সেইদিনা হোৱা হৰতালৰ পিছত শোভাযাত্ৰাত আৰ্য্যসমাজৰ সন্ন্যাসী স্বামী শ্ৰদ্ধানন্দ দেৱে নেতৃত্ব কৰে। বৃটিছ কৰ্ত্তৃপক্ষ আৰু পুলিচে এই শোভাযাত্ৰা জোৰকৈ ভাঙিবলৈ বিচৰাত শ্ৰদ্ধানন্দজীয়ে নিজৰ বুকুৰ কাপোৰ গুচাই পুলিচৰ সঙ্গীনৰ আগত বুকু পাতি দিলত পুলিচে আক্ৰমণ কৰিবলৈ সাহ নকৰিলে। কিন্তু আন এঠাইত পুলিচ আৰু জনতাৰ মাজত সংঘৰ্ষ হোৱা বুলি প্ৰচাৰ কৰি পুলিচে গুলীয়াই চাৰি-পাঁচজন মানুহক বধ কৰে আৰু আন বহুতক আহত কৰে। পঞ্জাৱৰ লাহোৰ আৰু অমৃতসৰ চহৰতো গুণ্ডাবিলাকে কেইঘৰমান মানুহৰ ঘৰ জ্বলাই দিয়ে আৰু চাৰি-পাঁচজন মানুহক আহত কৰে। মহাত্মাক তৎক্ষণাৎ তাঁৰ-বাৰ্ত্তাৰে পঞ্জাৱলৈ মাতি নিয়া হয়। কিন্তু বৃটিছ কৰ্ত্তৃপক্ষই তেওঁক বাটতে গ্ৰেপ্তাৰ কৰি ট্ৰেইনত তুলি আকৌ বোম্বাইলৈ লৈ যায় আৰু তাত নি এৰি দিয়ে। মহাত্মাক গ্ৰেপ্তাৰ কৰা খবৰে দেশত তুমুল বিদ্ৰোহৰ জুই জ্বলাই দিলে। বোম্বাইত এক বিৰাট জনতা সমবেত হোৱাত অশ্বাৰোহী পুলিচে সেই

জনসমাগম ভাঙিব লগা হয়। আহমেদাবাদলৈ মহাত্মা গান্ধী নিজে গ'ল আৰু তাত শ্ৰমজীৱীসকলৰ মাজত হোৱা অদমনীয় চঞ্চলতা বন্ধ কৰে। এনে ধৰণৰ অসংযত হিংসামূলক কাৰ্য্য দেখি মহাত্মাৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ সত্যাগ্ৰহৰ মূল মন্ত্ৰ অহিংসাভাৱ আৰু আত্মিক-শক্তিৰ অৰ্থ কোনোৱেই বুজা নাই। তেওঁ আৰু বুজি পালে যে তেওঁৰ নামত দুষ্ট মানুহৰ গুণ্ডামি প্ৰবৃত্তি চৰিতাৰ্থৰ সুবিধাহে ওলাইছে। সেইকাৰণে তেওঁ সত্যাগ্ৰহ স্থগিত হোৱাৰ জাননী দি দিলে আৰু জনমত সৃষ্টি কৰাৰ অভিপ্ৰায়েৰে ইংৰাজী ভাষাত 'Young India' আৰু গুজৰাটী ভাষাত 'নৱজীৱন' নামৰ দুখন বাতৰি-কাকত চলাবলৈ ধৰিলে।

আন ঠাইত এই জাননীৰ পূৰা ফল হ'ল। কিন্তু পঞ্জাবত ইয়াৰ প্ৰতিক্ৰিয়া ভাল হব নোৱাৰাৰ ফন্দি বৃটিছ চৰকাৰে উলিয়াই ললে। এপ্ৰিলৰ এঘাৰ তাৰিখে জেনেৰেল ডায়াৰ নামৰ এজন সৈন্যাধ্যক্ষক অমৃতসৰত শান্তি ৰক্ষাৰ ভাৰ দিয়া হয় আৰু তাত সামৰিক আইন বলবৎ কৰা হ'ল। পুলিচ আৰু চিপাহীয়ে জনসাধাৰণক অত্যাচাৰ কৰিবলৈ ধৰিলে। মহাত্মাই নিজে পঞ্জাবলৈ যাবলৈ কেবাবাৰো পঞ্জাব আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমতি বিচাৰিছিল; কিন্তু অক্টোবৰ মাহৰ আগলৈকে তেওঁক পঞ্জাবত সোমোৱাৰ অনুমতি দিয়া নহ'ল। ইয়াৰ ভিতৰত এপ্ৰিলৰ তেৰ তাৰিখে জালিয়ানৱালাবাগৰ হত্যাকাহিনী ঘটিল। জালিয়ানৱালাবাগ চাৰিওফালে ওখ দেৱালেৰে ঘেৰা মুকলি উদ্যান। নামতহে বাগান, তাত ফলমূল একো নাই। এই ঠাইখিনি অমৃতসৰ শিখ মন্দিৰৰ ওচৰতে আৰু চাৰিওফাল পুৰণি দালান-অট্টালিকা আদিৰে ভৰা। এই বাগানৰপৰা ওলাই যোৱা মাত্ৰ এটা সৰু বাট। তেৰ এপ্ৰিল বহাগ বিহুৰ দিন। সেইদিনাই সকলো মানুহ লগ লাগি তাত সভা পাতিবলৈ গৈছিল। বৃটিছ কৰ্তৃপক্ষই ৰাউলাট আইন সম্বন্ধে কৰা সত্যাগ্ৰহৰ কাৰণে জনতাৰ উত্তেজনা লক্ষ্য কৰি আছিল; আৰু তাকে দমাবৰ অভিপ্ৰায়েৰে সামৰিক আইন ঘোষণা কৰিলে আৰু এই নৃশংস হত্যাকাণ্ড জালিয়ানৱালাবাগত কৰিলে। জেনেৰেল ডায়াৰে সেই সময়ৰ পঞ্জাবৰ লাট চাহাব মাইকেল ও'ডায়াৰৰ হুকুম মতে এই কাণ্ড কৰিলে। বাগলৈ যোৱা একমাত্ৰ সৰু বাটটো বন্ধ কৰি তাতে মেচিনগান বহুৱাই নিৰস্ত্ৰ হিন্দু, মুছলমান জনতাৰ ওপৰত প্ৰায় পোন্ধৰ মিনিটমান গুলীবৰ্ষণ কৰে আৰু প্ৰায় ছয়শ মানুহক হত্যা আৰু আঠশমান মানুহক বেয়াকৈ

জখম কৰে। আহত মানুহবিলাক তাতে 'পানী পানী' কৰি পিছ দিনালৈকে পৰি থাকে। কোনেবোই আহি আহতসকলক কিবা সহায় কৰিব খুজিলে সৈন্যবিলাকে অমানুষিক অত্যাচাৰ কৰিছিল। সেই জালিয়ানৱালাবাগৰ ওচৰেদি যোৱা সৰু-ডাঙৰ বাট আৰু চিপাহী থকা ঠাইৰ ওচৰেদি যোৱা বাটৰুৱাক পেট চুচৰি, আঁঠু কাঢ়ি যাবলৈ বাধ্য কৰোৱা হৈছিল। অনাহকত বহুত মানুহক, আনকি তিৰোতাকো, উলঙ্গ কৰি বেত দিয়া হৈছিল। এনে অত্যাচাৰ, এই ঘটনা হৈ যোৱাৰ তিনি-চাৰি দিন পিছলৈকে চলি আছিল। আনপিনে পঞ্জাবৰ সেইসময়ত থকা সকলো জাতীয়তাবাদী নেতাকে ধৰি নি জেলত আটক কৰিলে। এইদৰে বৃটিছ চৰকাৰে পঞ্জাব, বিশেষকৈ লাহোৰ আৰু অমৃতসৰক, বিদ্ৰোহীৰ ঘাটি বুলি ধৰি লৈ এক অমানুষিক অত্যাচাৰ চলাবলৈ ধৰিলে। এই অত্যাচাৰৰ এটা শুভ ফল এয়ে হৈছিল যে হিন্দু আৰু মুছলমানক সমানে অত্যাচাৰ কৰাত হিন্দু-মুছলমানৰ মাজত, সাময়িক-ভাৱে হ'লেও, এটা ডাঙৰ মিলা-প্ৰীতিৰ ভাব হৈছিল।

, কোৱা বাহুল্য মাথোন, এই নৃশংস কাণ্ডই ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে বৃটিছ শাসন, বৃটিছ শক্তি আৰু বৃটিছৰ প্ৰতিশ্ৰুতিৰ প্ৰতি ঘৃণাৰ ভাব সৃষ্টি কৰিলে। তথাপি বৃটিছসকলে প্ৰথমতে এই কাণ্ডক ভাৰতীয় বিদ্ৰোহীৰ হাতৰপৰা বৃটিছৰ ৰাজ্য ৰক্ষাৰ কাৰণে বিদ্ৰোহ দমন আখ্যাহে দিলে। ভাৰতৰ প্ৰায় সকলো নেতৃবৃন্দই সেই সময়ত পঞ্জাবলৈ গৈছিল আৰু এই অত্যাচাৰৰ তদন্ত আৰু কৈফিয়ৎ দাবী কৰিলে। বৃটিছেও চৰকাৰী পক্ষৰপৰা হাণ্টাৰ কমিটি নামৰ এটা কমিটি গঠন কৰি তদন্ত কৰিবলৈ দিলে।

কিন্তু কংগ্ৰেছে এই কমিটিৰ সিদ্ধান্ত বৰ ন্যায়সংগত নহব বুলি জানি এই কমিটিৰ লগত সহযোগ নকৰিলে আৰু নিজ পক্ষৰপৰা এটা কমিটি কৰি তদন্ত চলালে। এই কমিটিত ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ নেতাসকল আছিল, যেনে, পণ্ডিত মতিলালজী, দেশবন্ধু চিত্তৰঞ্জন, আব্বাচ তৈয়বজী, এম· আৰ· জয়াকৰ ইত্যাদি। গান্ধীজীও এই কমিটিৰ সদস্য হয় আৰু তেৱেঁই ৰিপোৰ্ট দিলে। মালব্যজীয়েই এই তদন্ত পৰিচালনা কৰাইছিল বুলি কলেও একো বঢ়াই কোৱা নহয়।

আচৰিত কথা এই যে এনে অত্যাচাৰ সত্ত্বেও গান্ধীজীয়ে সেই বছৰৰ অমৃতসৰ কংগ্ৰেছত মণ্টেগু শাসন আইন গ্ৰহণ কৰিবৰ প্ৰস্তাৱহে দাঙি

ধৰিবলৈ ওলাইছিল—যদিও পিছত তেওঁ সেই প্ৰস্তাৱ সংশোধিত কৰিবলৈ বাধ্য হ'ল। মহাত্মাৰ বৃটিছৰ ওপৰত বিশ্বাস ইমান গাঢ় আছিল যে তেওঁ ভাবিছিল, বৃটিছে ভুল আৰু ভ্ৰমতহে জালিয়ানৱালাবাগৰ হত্যাকাণ্ড কৰিলে; গতিকে মণ্টেগু শাসন সংস্কাৰ আইন একেবাৰে ভাৰতীয়ৰ আশানুৰূপ নহলেও বৃটিছৰ সজ ইচ্ছাৰে দান কাৰণেই তাক গ্ৰহণ কৰিব লাগে। গান্ধীজীয়ে এই সময়ৰপৰাই কংগ্ৰেছত সম্পূৰ্ণৰূপে যোগদান কৰে। বৃটিছৰ ওপৰত গান্ধীজীৰ আস্থা হেৰোৱাৰ লগে লগে তেওঁ কংগ্ৰেছৰ একছত্ৰী নেতা হৈ ওলোৱাটো এটা আচৰিত সংঘটন বুলিব পাৰি। প্ৰকৃতপক্ষে ইয়াৰ পিছৰপৰা এই বাইশ বছৰ মহাত্মাজীৰ জীৱনক কংগ্ৰেছৰ ইতিহাস বুলি কলেও মিছা কোৱা নহয়। আৰু সেই কাৰণেই মই তোমালোকক এই ইতিহাস পঢ়িবলৈ উপদেশ দি এই সময়ৰ মহাত্মাৰ জীৱনৰ ঘটনাখিনি অতি চমুকৈহে কম।

যথাসময়ত বৃটিছ চৰকাৰ নিযুক্ত হাণ্টাৰ কমিটিৰ ৰিপোৰ্ট ওলাল। তেওঁলোকৰ তদন্ত মতে গভৰ্ণৰ চাৰ মাইকেল ওডায়াৰ নিৰ্দোষী প্ৰমাণিত হল, তেওঁ সামৰিক আইন প্ৰবৰ্ত্তন কৰি হেনো তেওঁৰ কৰ্ত্তব্যকে পালন কৰিছিল। আনকি তদন্তত জেনেৰেল ডায়াৰবো কোনো দোষ পোৱা নগ'ল। তেওঁক কামৰপৰা পেঞ্চন দিয়া হ'ল সঁচা, কিন্তু কিছুমান বৃটিছ লোকে বৃটিছ সাম্ৰাজ্য ৰক্ষা কৰা বীৰ বুলি গণ্য কৰি তেওঁক অনেক টকা উপহাৰ দিয়াৰ বন্দৱস্ত কৰিলে। জালিয়ানৱালাবাগৰ ঘটনাৰ ছমাহমানৰ পিছতহে এই বিষয়ে আন ঠাইৰ মানুহে জানিবলৈ পালে আৰু সেই খবৰ প্ৰচাৰ কৰোঁতে বৃটিছ প্ৰচাৰকসকলে এইটো ভাৰতৰ সশস্ত্ৰ বিদ্ৰোহ বুলি হে প্ৰচাৰ কৰিছিল।

হাণ্টাৰ কমিটিৰ ৰিপোৰ্ট আৰু বৃটিছ চৰকাৰৰ কাৰ্য্য দেখি মহাত্মাৰ বৃটিছৰ ন্যায়পৰায়ণতাৰ ওপৰত বিশ্বাস একেবাৰে হেৰাই গল। তেওঁৰ মনত এতিয়া দৃঢ় বিশ্বাস হ'ল যে ব্যক্তিগতভাৱে বৃটিছ কোনোবাজন ভাল থাকিলেও বৃটিছৰ ভাৰত-শাসন সম্পূৰ্ণৰূপে পাপৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই শাসন ভাৰতবাসীৰ উপকাৰৰ কাৰণে কেতিয়াও হবই নোৱাৰে, বৰঞ্চ ভাৰতক পতনৰ পথত হে তুলি দিছে। সেই কাৰণে তেওঁ যি যুক্তি 'হিন্দ স্বৰাজ' পুথিত দেখুৱাইছিল সেই যুক্তিকে ভাৰতৰ উন্নতি আৰু স্বৰাজৰ কল্লে ব্যৱহাৰ কৰিবলৈ ঠিক কৰিলে। তেওঁ স্পষ্টকৈ বুজিলে যে ভাৰতবৰ্ষ স্বাধীন অৰ্থাৎ

নিজৰ দেশৰ মানুহৰ দ্বাৰা শাসিত হ'বই লাগিব আৰু তাকে কৰিবলৈ হ'লে বৃটিছ শাসকৰ লগত সহযোগ পৰিত্যাগ কৰিবই লাগিব। তেওঁৰ মতে বৃটিছ ৰাজ হৈছে আসুৰিক ৰাজ বা ৰাৱণ ৰাজ। যদি এই ৰাজ বা শাসনৰ অন্ত পেলাব লাগে তেন্তে কাৰো ওপৰত হিংসা, দ্বেষ, অত্যাচাৰ বা আন কোনো প্ৰকাৰ বল-প্ৰয়োগৰ দ্বাৰাই সম্ভৱপৰ নহব। আমাৰ নিজৰ দুৰ্ব্বলতা আৰু পাপক প্ৰশ্ৰয় দিয়া কাৰণে আমি বৃটিছৰ পাপপূৰ্ণ শাসন-নীতিক সম্পূৰ্ণৰূপে সহায় কৰি আছোঁ। ভাৰতবাসী নিজে পৰাধীন হৈ থাকিব খুখুজিলে এমুঠি বৃটিছে কেতিয়াও তেওঁলোকক পৰাধীন কৰি ৰাখিব নোৱাৰে। ভাৰতত নিম্ন স্তৰৰ সকলো শাসন কাৰ্য্যকে ভাৰতীয় লোকেই কৰি আছে, ভাৰতীয়ই স্কুল-কলেজত ইংৰাজী পঢ়ি ইংৰাজ উচ্চ কৰ্ম্মচাৰীক কামত সহায় কৰি দিছে। ভাৰতীয় বেৰিষ্টাৰ, উকীল, মোক্তাৰে বৃটিছক বিচাৰ আৰু আদালতত সহায় কৰিছে, ভাৰতবাসীক বৃটিছ বিচাৰৰ মুখাপেক্ষী কৰিছে। সেইদৰে ব্যৱস্থাপক সভালৈ গৈ, নিজৰ মতে একো কৰিবৰ ক্ষমতা নথকা বুলি জানিও, বৃটিছ আইনৰ প্ৰতিপত্তি বঢ়াইছে আৰু ব্যৱস্থাপক সভাৰ সদস্যসকল নিজেই বৃটিছৰ মায়াজালত মেৰ খাইছেগৈ। ইয়াৰ বাহিৰেও বহুতে বৃটিছৰ অবৈতনিক কাম আৰু নানা উপাধি বৃটিছৰপৰা লৈ বৃটিছৰ অধৰ্ম্মী শাসন-নীতিৰ মৰ্য্যাদা বঢ়াইছে। সেই কাৰণে তেওঁ ঠিক কৰিলে যে আইন-আদালত, স্কুল-কলেজ, ব্যৱস্থাপক সভা আদিৰ লগত, অৰ্থাৎ বৃটিছ শাসনৰ মূল কথাবোৰৰ লগত অসহযোগ কৰিব লাগিব ভাৰতবাসীয়ে। বৃটিছ প্ৰভুৰ যিবোৰ অনুষ্ঠানত ভাৰতীয়ই সহায় কৰিছে সেইবিলাকত সহায় সহযোগ বন্ধ কৰিব লাগিব। ইয়াৰ বাহিৰে বৃটিছে দিয়া উপাধি ভাৰতীয়ই পৰিত্যাগ কৰিব লাগিব, চৰকাৰৰ ঘৰত পতা কোনো চাহ-মেল ইত্যাদিত ভাৰতীয়ই যোগ নিদিব, কোনো চৰকাৰী পদ গ্ৰহণ নকৰিব, বিদেশৰপৰা আমদানি হোৱা কাপোৰ বৰ্জ্জন কৰিব। কিন্তু মহাত্মাজীয়ে এই ধ্বংসকাৰী অসহযোগৰ লগত আত্মনিৰ্ভৰশীল গঠনমূলক কামৰো সূচনা কৰিছিল। উকীলে ওকালতি এৰাৰ লগে লগে গাঁৱত চালিচ সভা পাতিবলৈ, চৰকাৰী স্কুল ত্যাগ কৰি ছাত্ৰসকলে জাতীয় স্কুলত পঢ়িবলৈ, বিদেশী কাপোৰ এৰি নিজে কটা সূতাৰে হাতে বোৱা কাপোৰ পিন্ধিবলৈ, সকলো কাম কংগ্ৰেছৰ নিৰ্দ্দেশমতে কৰিবলৈ তেওঁ দেশবাসীলৈ আহ্বান জনালে। গান্ধীজীয়ে ইয়াকো বুজিলে যে এনে বৃহৎ জাতীয় আন্দোলন এটা কৃতকাৰ্য্য হবলৈ হলে বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত ঐক্যৰ দৰ্কাৰ—বিশেষকৈ

হিন্দু মুছলমানৰ মাজত মিলা-প্ৰীতিৰ অতি প্ৰয়োজন। এই মিলন সম্ভৱ কৰিবৰ কাৰণে মুছলমানৰ গো-বধ আৰু হিন্দুবিলাকে মচজিদৰ আগত বাজনা বজোৱাৰ প্ৰশ্ন লৈ গান্ধীজীৰ সভাপতিত্বত দিল্লীত বহা এখন সভাত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ নেতাসকলে নিজৰ ভিতৰতে মীমাংসা কৰি ল'লে। হিন্দুৰ সমাজক অস্পৃশ্যতা দোষে কলঙ্কিত কৰাৰ কাৰণে অস্পৃশ্যতা দূৰ কৰি হিন্দু সমাজ বলীয়ান কৰাৰ এক গুৰুতৰ কাম মহাত্মাই নিজ কাৰ্য্য-তালিকাৰ অন্তৰ্ভুক্ত কৰি ললে। লগতে মাদক দ্ৰব্য নিবাৰণ আৰু সমাজৰ আন দোষবোৰো আঁতৰোৱাৰ অভিপ্ৰায়ে চেষ্টা চলাবলৈ ধৰিলে।

তোমালোকে অলপ ভালকৈ ভাবি চালেই দেখা পাবা যে এই অসহযোগ নীতিটো কিমান পৱিত্ৰ আৰু ভাৰতবাৰ্সৰ পক্ষে কিমান লাগতিয়াল আছিল। এই নীতি অৱলম্বনৰপৰা ভাৰতত এটা নতুন যুগ প্ৰৱৰ্ত্তন হোৱা বুলি কব পাৰি আৰু ইয়াৰ পিছৰ ঘটনাবিলাক পঢ়োঁতে তোমালোকে জানিব পাৰিবা কেনেকৈ ত্যাগ, পৱিত্ৰতা আৰু কষ্ট-সহিষ্ণুতাৰ দ্বাৰাই হে স্বাধীনতা উপাৰ্জ্জন কৰিব পাৰি— এই ভাবে ভাৰতবাসীৰ মনত ঠাই ললে। ব্যক্তিগতভাৱে মানুহক ঘৃণা নকৰি শাসনতন্ত্ৰৰপৰা পাপ প্ৰকৃতি আৰু অন্যায় দূৰ কৰা নীতি ভাৰতৰ ৰাজনীতিত প্ৰথম সুমুৱালে মহাত্মা গান্ধীয়ে। ইয়াৰ আগৰ ৰাজনীতিৰ মূল আছিল বুদ্ধি, বাক্য আৰু টকাৰ খেলা—এক কথাত ক'বলৈ হ'লে শক্তি বা প্ৰভাৱৰ খেলা। গান্ধীজীয়ে সেই ৰাজনীতিক সততা, আন্তৰিকতা, ত্যাগ, কষ্ট-সহিষ্ণুতা আৰু মানৱ ধৰ্ম্মৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিলে। এই প্ৰসঙ্গত তোমালোকে ইয়াকো জনা উচিত যে যদি মহাত্মাই দক্ষিণ আফ্ৰিকাৰ দৰে ভাৰততো এটা ডাঙৰ সত্যাগ্ৰহীৰ দল পালেহেঁতেন, তেন্তে ভাৰতত প্ৰথমৰ-পৰাই সত্যাগ্ৰহ আৰম্ভ কৰিলেহেঁতেন। কিন্তু, ৰাউলাট আইনৰ প্ৰতিবাদ কৰোঁতে উপযুক্ত সংখ্যক প্ৰকৃত সত্যাগ্ৰহী নাপাই হে তেওঁ অসহযোগ নীতি লবলৈ বাধ্য হ'ল। গান্ধীজীৰ কাৰ্য্য-পদ্ধতিৰপৰা দেখা যায় যে তেওঁ অসহযোগ নীতি যিদৰে এপিনে স্বৰাজ উদ্ধাৰৰ পন্থা বুলি বিশ্বাস কৰিছিল, আনপিনে ভৱিষ্যৎ কঠোৰ সত্যাগ্ৰহীৰ অভ্যাসৰ লীলাভূমি বুলিও ধৰি লৈছিল। ১৯২১ চনৰ মাৰ্চ্চ মাহৰপৰা তেওঁ অসহযোগীবিলাকক গণ আইন অমান্য আন্দোলন বা সত্যাগ্ৰহৰ নীতি বুজাবলৈ চেষ্টা কৰে। মোৰ বিশ্বাস যে যদি তেওঁ অসহযোগ আন্দোলনৰ অভ্যন্তৰত হিংসা আৰু উপদ্ৰৱৰ চিন নেদেখিলে-হেঁতেন তেন্তে তেওঁ ১৯৩০ চনলৈ বাট নাচাই ১৯২২ চনতেই সত্যাগ্ৰহ

আন্দোলন চলালেহেঁতেন। অসহযোগেই বোলা বা সত্যাগ্ৰহেই বোলা, গান্ধীজীৰ সকলো চেষ্টাই তোমালোকে আগতে পঢ়ি অহা জগৎগুৰুসকলৰ কাৰ্য্যধাৰাৰ সৈতে একে—যি কাৰ্য্যধাৰাৰ প্ৰধান উদ্দেশ্য হৈছে মানৱসমাজক সকলো পাপ আৰু বেয়া ভাবৰপৰা মুক্ত কৰা।

এই অসহযোগ আন্দোলনৰ আঁচনি গান্ধীজীয়ে ১৯২০ চনৰ দহ মাৰ্চ্চৰ দিনা প্ৰথমে এখন ঘোষণাপত্ৰত প্ৰকাশ কৰে। ১৯২০ চনৰ পহিলা আগষ্টত মহাত্মা গান্ধীয়ে যে ৰাজনৈতিক কাৰণত অসহযোগ কৰিবলৈ বাধ্য হব, সেই কথা বৰলাট লৰ্ড চেমচ্‌ফোৰ্ডক জনালে। সেই চিঠিৰ লগতে তেওঁ ইতিপূৰ্ব্বে বৃটিছ চৰকাৰৰপৰা পোৱা 'কাইজাৰ-ই-হিন্দ' স্বৰ্ণপদক, জুলু যুদ্ধ আৰু বুৱৰ যুদ্ধত পোৱা পদক ওভোতাই দিলে। পঞ্জাৱৰ অমৃতসৰৰ ঘটনা আৰু খিলাফৎ সম্বন্ধে বৃটিছ চৰকাৰে কৰা অন্যায়ৰ উল্লেখ কৰি তেওঁ স্পষ্ট ভাষাৰে জনাই দিয়ে যে যি চৰকাৰে ভাৰতবাসীৰ ওপৰত এইবিলাক অন্যায় নিঃসংকোচে কৰিব পাৰে তেনে চৰকাৰৰ প্ৰতি কোনো প্ৰকাৰৰ শ্ৰদ্ধা বা মমতা থাকিব নোৱাৰে। এই চৰকাৰ এদিন এইবোৰ কাৰ্য্যৰ কাৰণে অনুতপ্ত হ'বই লাগিব।

বিশেষ লক্ষ্য কৰিবলগীয়া কথা এয়ে যে গান্ধীজীৰ এই অসহযোগ নীতি বহুসংখ্যক ভাৰতীয় নেতাৰ প্ৰথমতে মনঃপুত হোৱা নাছিল। ইতিপূৰ্ব্বেই ১৯১৯ চনৰ অমৃতসৰ কংগ্ৰেছৰপৰাই নৰমপন্থীসকলে কংগ্ৰেছ পৰিত্যাগ কৰি সুকীয়াকৈ এটা নতুন দল গঠনৰ জল্পনা কৰিছিল। কংগ্ৰেছৰ উগ্ৰপন্থী-সকলৰ ভিতৰতেই এসময়ৰ একছত্ৰী ত্যাগী নেতা লোকমান্য তিলকে ৰাজনীতিত আধ্যাত্মিকতাৰ বিশেষ ঠাই নাই বুলি গান্ধীজীৰ অসহযোগ নীতি ভাল চকুৰে চোৱা নাছিল। কংগ্ৰেছৰ কলিকতা বৈঠকত দেশবন্ধু চিত্তৰঞ্জন দাস, ব্যোমকেশ চক্ৰবৰ্ত্তী প্ৰভৃতি নেতাসকলে আদালত আৰু ব্যৱস্থাপক সভা বৰ্জ্জনৰ বিপক্ষেহে মতামত দিলে। কিন্তু তথাপি বিষয় বাছনি সভাত গান্ধীজীৰ প্ৰস্তাৱ অতি কম সংখ্যক ভোটেৰে হ'লেও গৃহীত হ'ল। মূল কংগ্ৰেছ সভাত গান্ধীজীৰ প্ৰস্তাৱ সম্পূৰ্ণ ৰূপত পৰিবৰ্তিত বা সংশোধিত নোহোৱাকৈ গৃহীত হ'ল। পুনৰ নাগপুৰ বৈঠকত গান্ধীজীৰ প্ৰস্তাৱ বহু সংখ্যক ভোটৰ দ্বাৰাই গৃহীত হয়।

গান্ধীজীৰ প্ৰস্তাৱৰ বিপক্ষে এই নেতাসকলৰ অভিমতত আচৰিত হবলগীয়া একো নাই। এই নেতাসকলে, লোকমান্য তিলকৰ দৰেই, ৰাজ-

নীতিত ধৰ্ম্মমূলক ভাবৰ মোল বুজি পোৱা নাছিল। এওঁলোক পাশ্চাত্য ৰাজনীতিতহে পণ্ডিত আছিল। আজি প্ৰায় সত্তৰ-আশী বছৰৰ ভিতৰত পাশ্চাত্য ৰাজনীতিত ধৰ্ম্মমূলক নীতিৰ ঠাই অলপো নাই, বৰঞ্চ তাত নানা কুচক্ৰ, হিংসানীতি আৰু ধনৰ প্ৰভাৱেহে বেছিকৈ ঠাই লৈছে। এই লোক-সকলে তেওঁলোকৰ আইন ব্যৱসায় আৰু আন ব্যৱসায়ত প্ৰতিপত্তিৰ কাৰণে যি ঠাই পাইছিল, সেই প্ৰতিপত্তি ত্যাগ কৰাটো যুক্তিযুক্ত বুলি নাভাবিছিল। তেওঁলোকে সেই প্ৰতিপত্তি ব্যৱহাৰৰ দ্বাৰাহে দেশৰ স্বাধীনতা আনিব পাৰি বুলি বিশ্বাস কৰিছিল।

আচৰিত কথা যে এই বিৰোধ সত্ত্বেও মহাত্মাজীৰ প্ৰস্তাৱ গৃহীত হোৱাৰ পিছত এই নেতাসকলেই তেওঁলোকৰ অজস্ৰ ধন আয় হোৱা আইন ব্যৱসায় পৰিত্যাগ কৰিলে। দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহৰুৰ ত্যাগ জগতত জ্বলন্ত দৃষ্টান্ত হৈ থাকিব। অকল সেয়ে নহয়, এওঁ-লোকৰ ত্যাগৰ আদৰ্শই দেশত ত্যাগৰ ভাব এনেদৰে বোৱালে যে সকলো ঠাইতে অসংখ্য বেৰিষ্টাৰ, উকীল, মুক্তিয়াৰ আদিয়ে নিজৰ ব্যৱসায় ত্যাগ কৰি গান্ধীজীৰ নিৰ্দ্দেশমতে দেশৰ কামত একান্তমনে লাগিলহি। আমাৰ অসমতো স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ আৰু বেৰিষ্টাৰ তৰুণৰাম ফুকন প্ৰভৃতিয়ে নিজৰ আইন ব্যৱসায় ত্যাগ কৰি দেশৰ কামত লাগি গ'ল। সেইদৰে অনেক ব্যৱস্থাপক সভাৰ সদস্য হ'বলৈ বিচৰা লোকে অসহযোগৰ নিৰ্দ্দেশমতে ব্যৱস্থাপক সভা ত্যাগ কৰিলে। অনেক অবৈতনিক বিচাৰকে তেওঁলোকৰ পদ ত্যাগ কৰিলে। সেইদৰে বহুত বৃটিছ চৰকাৰৰ উপাধিধাৰীয়ে তেওঁ-লোকৰ উপাধি বৰ্জ্জন কৰিলে। হাজাৰে হাজাৰে কলেজীয়া আৰু স্কুলীয়া ছাত্ৰই স্কুল আৰু কলেজ পৰিত্যাগ কৰিলে। এইদৰে বৃটিছ শাসনৰ প্ৰতি ঘোৰ অশ্ৰদ্ধা দেশত বিয়পি পৰিল আৰু ইয়াৰ ফলত জাতীয়ভাব আৰু স্বাধীনতাৰ স্পৃহাই মানুহৰ অন্তৰত ঠাই ললে।

মহাত্মাজীৰ এই অসহযোগ আন্দোলন কেৱল বৰ্জ্জন নীতিতে আবদ্ধ নাথাকিল। মহাত্মাই নিজে পৰিকল্পনা পূৰণৰ নিমিত্তে তেওঁৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰিলে। ইতিপূৰ্ব্বে কংগ্ৰেছ মহাসভা কেৱল ধনী বেৰিষ্টাৰ, উকীল আৰু আন ব্যৱসায়ীৰ ভিতৰত আবদ্ধ আছিল। কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত উপস্থিত হোৱা লোকসকলক জনসাধাৰণে নিয়মিতৰূপে নিৰ্ব্বাচন কৰি পঠোৱা নাছিল। গান্ধীজীয়ে এই কংগ্ৰেছ অনুষ্ঠানক প্ৰকৃততে জনসাধাৰণৰ অনুষ্ঠান

কৰি তুলিলে। শান্তিপূৰ্ণ উপায়েৰে ভাৰতৰ স্বৰাজ লাভ কৰাত বিশ্বাসী লোক মাত্ৰেই চাৰি অনা পইচা দি কংগ্ৰেছত ভৰ্ত্তি হ'ব পৰা হ'ল। গাঁও চহৰ, নগৰ আদি সকলো ঠাইতে কংগ্ৰেছৰ লোকসকলে সভা পাতিলে। এইবিলাকৰ প্ৰতিনিধিয়েই গৈ নিখিল ভাৰত কংগ্ৰেছ কমিটি আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্য হ'ব পৰা হ'ল। গান্ধীজীয়ে প্ৰত্যেক শাখা কংগ্ৰেছ বা স্থানীয় কংগ্ৰেছ কমিটিৰ লগতে একোটাইঁত স্বেচ্ছাসেৱক দল গঠন কৰাবো পৰামৰ্শ দিলে। সেইমতেই সমগ্ৰ ভাৰতবৰ্ষতে কংগ্ৰেছৰ স্বেচ্ছাসেৱক দল ভৰি পৰিল। ১৯২১ চনত গান্ধীজীয়ে মৌঃ মহম্মদ আলি আৰু মৌঃ চৌকত আলিক লৈ সমগ্ৰ ভাৰত ভ্ৰমণ কৰে আৰু প্ৰায় সকলো ঠাইতে এই স্বেচ্ছাসেৱকসকলক অহিংস নীতি পালনৰ নিয়ম সম্বন্ধে, সভা-সমিতি আৰু বাট-পথত নিয়ম মানি চলা-ফুৰা কৰা সম্বন্ধে উপদেশ দিয়ে। তাকে কৰিয়েই মহাত্মাজী সন্তুষ্ট নাছিল। তেওঁ ভাৰতীয়ৰ শৃংখলাবিহীন জীৱন একেবাৰে ভাল পোৱা নাছিল। সেইকাৰণে প্ৰায় সকলো সভা-সমিতিতে মানুহ সংযত আৰু শৃংখলাবদ্ধ হোৱাৰ সপক্ষে বক্তৃতা দিছিল।

গান্ধীজীয়ে ভাৰতবাসীক নৱজীৱন দিবৰ কাৰণে যি পৰিকল্পনা কৰিছিল তাৰ কথা আগতে কৈ আহিছোঁ। ভাৰত ভ্ৰমণ কালত এইবিলাক কথাৰ ওপৰত গুৰুত্ব দি বক্তৃতা কৰি ফুৰিছিল। ভাৰতীয় হিন্দু সমাজত অস্পৃশ্যতা দোষ সম্বন্ধে তেওঁ কৈছিল যে ভাৰতবাসী হিন্দু কেৱল সেইদিনাহে স্বাধীন হোৱাৰ উপযুক্ত হ'ব যিদিনা হিন্দুসকলে অস্পৃশ্যসকলক নিজৰ সমান জ্ঞান কৰি 'ভাই' বুলিবলৈ শিকিব। তেওঁ প্ৰত্যেক সভা-সমিতিকে মাদকতাৰ বিৰুদ্ধে আৰু মাদক দ্ৰব্য দূৰ কৰিবৰ কাৰণে চেষ্টা কৰিবলৈ কৈ ফুৰিছিল। অসমলৈ আহোঁতে তেওঁ কানি বৰবিহ ত্যাগ কৰিবলৈ বিশেষভাৱে কৈছিল। পতিতা নাৰী উদ্ধাৰৰ সম্পৰ্কে তেওঁ মাদ্ৰাজৰ কেইবা ঠাইতো আৰু বঙ্গদেশৰ বৰিশালত পতিতা নাৰীসকলক তেওঁলোকৰ নিলাজ জীৱন ত্যাগ কৰি সূতা কটা ব্যৱসায় কৰিবলৈ আৰু কংগ্ৰেছৰ কাৰ্য্যত সহায় কৰিবলৈ আহ্বান কৰিছিল। ১৯২১ চনৰ জুলাই মাহৰপৰা তেওঁ বিদেশী কাপোৰ বৰ্জ্জন আৰু হাতে কটা সূতাৰ কাপোৰ প্ৰচলনৰ কাৰণে বিশেষভাৱে জোৰ দিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে তেওঁ বোম্বাইত উন্নত শিক্ষিত আৰু নেত্ৰীস্থানীয় মহিলা-সকলক সূতা কাটিবলৈ শিকালে আৰু যঁতৰ প্ৰচলন বিশেষভাৱে কৰিলে। তেওঁ স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ ধৰিলে যে বিদেশী বস্ত্ৰ ভাৰতীয়ৰ কাৰণে

অশুচি আৰু অপৱিত্ৰ যিহেতু বিদেশী বস্তু গ্ৰহণ কৰা কাৰণেই ভাৰতৰ লক্ষ লক্ষ মানুহ নিবনুৱা হৈ গৈছে আৰু সহস্ৰ সহস্ৰ নাৰী নিৰ্লজ্জ জীৱন যাপন কৰিবলৈ বাধ্য হৈছে। সেইকাৰণে ভাৰতবাসীয়ে কেৱল বিদেশী কাপোৰ বৰ্জ্জনতে ক্ষান্ত নহৈ সকলো বিদেশী বস্ত্ৰকে অগ্নিকুণ্ডত দাহ কৰিব লাগে।

মহাত্মাৰ কথা মতে ভাৰতত অগ্নিকুণ্ডত কত লক্ষ টকাৰ কাপোৰ ভস্মীভূত হ'ল তাক বৰ্ণোৱা টান। মহাত্মাৰ এই কামটোত, কংগ্ৰেছ-নীতিৰ বিপক্ষবাদীসকলৰ কথাকে নকওঁ, দীনবন্ধু এণ্ড্ৰুজেও ঘোৰ আপত্তি কৰিছিল আৰু এই কাৰ্য্য হিংসানীতিমূলক বুলিহে গান্ধীজীক বুজাবলৈ চেষ্টা কৰিছিল। এই বিষয়ে উভয়ৰে মাজত বহুত চিঠিপত্ৰৰ আদান-প্ৰদান হৈছিল। তুমি মহাত্মা গান্ধীজীৰ এইবিলাক নীতিৰ বিষয়ে বিতংকৈ জানিব খুজিলে দীনবন্ধু এণ্ড্ৰুজৰ 'মহাত্মা গান্ধীজ আইডিয়াজ' (Mahtma Gandhi's Ideas) নামৰ কিতাপখন পঢ়ি চাবা। যি নহওক, এণ্ড্ৰুজেও মহাত্মা গান্ধীক এই কাৰ্য্যৰপৰা বিৰত কৰিব নোৱাৰিলে। কিছুমানে এই বিদেশী কাপোৰবিলাক পোৰাতকৈ বস্ত্ৰহীন মানুহক দান দিবলৈ অনুৰোধ কৰিছিল। কিন্তু মহাত্মাই স্পষ্টভাৱে ক'লে যে যি বস্তু অশুচি বা পাপৰ বস্তু, তেনে বস্তু দান দি দুখীয়াক অপমান আৰু পাপী কৰাহে হ'ব। খদ্দৰ প্ৰচলন সম্বন্ধে কয় যে বেছি ভাগ লোকেই বৰ্ত্তমান বিদেশী যন্ত্ৰত প্ৰস্তুত সূতাৰ কাপোৰৰ লগত প্ৰতিযোগিতা কৰিব লগা হোৱাত হাতেৰে সূতা কাটি কাপোৰ পিন্ধা সম্ভৱ নাছিল। কিন্তু যিবিলাক নিবনুৱা মানুহ আছে তেওঁলোকে আৰু সকলো খেতিয়কেই আজৰি পোৱা তিনিমাহ কাল সূতা কটাটো লাভজনক আৰু পৰিপূৰক ব্যৱসায় হ'ব। তাৰ উপৰিও, সূতা কটা অভ্যাসে মানুহক আত্ম-নিৰ্ভৰশীল হ'বলৈ শিকায়। মহাত্মাই আশা কৰে, যদি এই শিল্পটো ভাৰত-বাসীয়ে পুনৰ উদ্ধাৰ কৰিব পাৰে তেন্তে ভাৰতবাসীয়ে বহু পৰিমাণে কাপোৰৰ কাৰণে বিদেশীয়ে শুহি নিয়া ধন দেশতে ৰাখিব পাৰিব। সেই কাৰণে সূতা কটাই ভাৰতীয়ক অৰ্থনৈতিক স্বাধীনতা পোৱাতো সহায় কৰিব। গান্ধীজীৰ ওপৰত এটা ডাঙৰ কামৰ ভাৰ পৰিছিল। কংগ্ৰেছৰ কামৰ কাৰণে ১৯২১ চনৰ একত্ৰিশ আগষ্টৰ ভিতৰত এক কোটি টকা বৰঙণি তোলা দৰকাৰ হ'ল। মহাত্মাৰ নেতৃত্বৰ ওপৰত মানুহৰ ইমান বিশ্বাস বাঢ়িল যে সেই সময়ৰ ভিতৰত তেওঁ এক কোটি পোন্ধৰ লাখ টকা তুলিবলৈ সমৰ্থ হ'ল।

দেখা যায় যে চৰকাৰে এই আন্দোলনৰ মূল্য আৰু শক্তি প্ৰথমতে বুজা নাছিল। পঞ্জাৱৰ অত্যাচাৰ আৰু খিলাফৎ অন্যায়ৰপৰা হোৱা মানুহৰ মনৰ ভাব চৰকাৰে বুজিবলৈ অৱশ্যে টান পোৱা নাছিল। সেই কাৰণে ভাৰতীয়ক সান্ত্বনা দিবৰ বাবে ইংৰাজ ৰজাৰ খুড়াক ডিউক অৱ কনটে ইয়ালৈ আহি বৃটিছ চৰকাৰৰ তৰফৰপৰা এটা সুন্দৰ বক্তৃতা দিয়ে। কিন্তু অসহযোগ সম্বন্ধে ইয়াৰ বৰলাট লৰ্ড চেমচ্‌ফোৰ্ড বা তেওঁৰ লগৰ বিষয়াসকলে এই আন্দোলনে কোনো প্ৰকাৰেই জন-সমৰ্থন পাব বুলি ভবা নাছিল। তেওঁলোকে ইয়াক নিৰ্ব্বোধতম কাৰ্য্য ( foolish of all foolish schemes ) বুলি অভিহিত কৰে। কিন্তু অতি অলপ দিনৰ ভিতৰতে অসহযোগ আন্দোলনৰ কৃতকাৰ্য্যতাৰ লগে লগে চৰকাৰ সজাগ হ'বলৈ বাধ্য হ'ল। কিছুমান প্ৰাদেশিক চৰকাৰ নিৰুপায় হৈ অতি নিষ্ঠুৰ দমন নীতি লবলৈ বাধ্য হ'ল। মাদক দ্ৰব্য নিবাৰণৰ কাৰণে কংগ্ৰেছ স্বেচ্ছাসেৱকসকলে মদ, ভাং, আফিঙৰ দোকানৰ আগত শান্তিপূৰ্ণভাৱে এইবোৰ বস্তু কিনিবলৈ অহা মানুহক নিকিনিবৰ কাৰণে অনুৰোধ বা পিকেটিং কৰিছিল। প্ৰথমতে পুলিচে এইবিলাক কাৰ্য্যৰ প্ৰতি বৰকৈ চকু দিয়া নাছিল। কিন্তু যেতিয়া বহু ঠাইত চৰকাৰৰ আবকাৰী আয় এনে পিকেটিঙৰ ফলত কমি গল, তেতিয়া চৰকাৰ নিশ্চিন্ত হৈ বহি থাকিব নোৱাৰিলে আৰু স্বেচ্ছাসেৱকবিলাকক প্ৰথমতে সাধাৰণ আইনৰ ধাৰা অনুসাৰে আৰু পিছলৈ ১৯২১ চনৰ নবেম্বৰ মাহৰপৰা সকলো স্বেচ্ছাসেৱকৰ দলকে বে-আইনী বুলি ঘোষণা কৰি গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। মাদকতা নিবাৰণ, পঞ্চায়ত গঠন, অস্পৃশ্যতা নিবাৰণ ইত্যাদি নৈতিকতামূলক কাৰ্য্যত ব্যস্ত থকা স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰাৰপৰা আন্দোলনৰ নৈতিক শক্তি বাঢ়িল আৰু লগে লগে বৃটিছ শাসকৰ অনৈতিকতা সাধাৰণ গাঁৱলীয়া মানুহৰ আগতো বঢ়িয়াকৈ ধৰা পৰিল। নৈতিক শক্তিত হাৰিলেও বৃটিছে দমন নীতিৰ কোনো পৰিবৰ্ত্তন নকৰিলে। জুলাই মাহত আলি-ভাতৃদ্বয়ক খিলাফত সভাত সৈনিক আৰু সৈনিকসকলক চৰকাৰী কাম এৰিবলৈ আহ্বান কৰাৰ কাৰণে বিদ্ৰোহ প্ৰচাৰ কৰাৰ ( ভাৰতীয় দণ্ডবিধি আইনৰ ১২৪ ধাৰা মতে ) অভিযোগত কৰাচীত ছেপ্টেম্বৰ মাহত দুবছৰৰ কাৰণে সশ্ৰম কাৰাদণ্ড দিয়া হল। নবেম্বৰ মাহত ক্ৰিমিনাল ল এমেণ্ডমেণ্ট আই ( Criminal Law Amendment Act ) জাৰি কৰাৰ লগে লগে সমগ্ৰ ভাৰতবৰ্ষতে সকলো ডাঙৰ নেতা আৰু স্বেচ্ছা-

সেৱকক গ্ৰেপ্তাৰ কৰি তিনি মাহৰপৰা আৰম্ভ কৰি ডেৰ বছৰলৈকে কাৰাদণ্ড দিয়া হল। সাধাৰণ কৰ্ম্মীসকলৰ কথাকে নকওঁ, এই দমন নীতিৰপৰা লালা লাজপত ৰায়, পণ্ডিত মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস আৰু আমাৰ অসমৰ নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকন প্ৰভৃতি কোনো নেতাই ৰেহাই পোৱা নাছিল।

ইতিপুৰ্ব্বে যুক্তপ্ৰদেশত দমননীতি কঠোৰভাৱে চলি আছিল। বহুত ঠাইত পুলিচে গুলীয়াই জনসাধাৰণক আহত কৰিছিল। ১৪৪ ধাৰা বা বাধা দিয়া হুকুম ইমান সঘনে জাৰি হ'বলৈ ধৰিলে যে বহুত ঠাইত মানুহৰ গতিবিধি, কথাবাৰ্ত্তা আদিতো পুলিচৰ নজৰ পৰিল। বহুত ভাৰতীয়ক বিশেষ পুলিচ (Special Police) হিচাপে নিযুক্ত কৰা হল আৰু শাস্তি-মূলক জৰিমনা বহু ঠাইত লগোৱা হল। অসমতো কামৰূপৰ বকো অঞ্চলত, শিৱসাগৰৰ টিয়ক অঞ্চলত এই জৰিমনা লগোৱা হয়। এইদৰে ভাৰতৰ বিভিন্ন ঠাইত মানুহক ভয় খুৱাবৰ কাৰণে সশস্ত্ৰ চিপাহীৰে কুচকাৱাজ কৰাই ভীতি প্ৰদৰ্শন কৰি দমাবলৈ চেষ্টা কৰা হৈছিল। কিন্তু এনে দমননীতিৰ দ্বাৰা আন্দোলন বন্ধ হোৱা দূৰতে থাওক, বৰঞ্চ ই ক্ৰমে বৃদ্ধি পাবলৈহে ধৰিলে। লগে লগে কংগ্ৰেছৰ বৰ্জ্জন নীতি বেছি শক্তিশালী হল আৰু কৰ্ম্মীসকলৰ উৎসাহ দিনক দিনে বাঢ়ি গল। এই সময়ত ভাৰতবাসীৰ মানসিক অৱস্থাৰ বুজ লৈ কিছুমান বৃটিছ চিন্তাশীল লোকে ভাৰতত বৃটিছ সাম্ৰাজ্যৰ যৱনিকা পৰা বুলি আশংকা প্ৰকাশ কৰিছিল। ভাৰততো সেই সময়ত মিষ্টাৰ জিন্না আৰু পণ্ডিত মদনমোহন মালব্যৰ চেষ্টাত বৰলাট লৰ্ড ৰিডিঙে কংগ্ৰেছৰ লগত আপোচৰ কথা উল্লেখ কৰিছিল। কথা আছিল যে ভাৰতবাসীয়ে বৃটিছ যুৱৰাজক যথোচিত অভ্যৰ্থনা জনাব আৰু তাৰ ফল স্বৰূপে বৰলাটে ৰাজনৈতিক বন্দীসকলক মুক্তি দি শাসন সংস্কাৰ আইন সম্বন্ধে মাৰ্চ্চ মাহত ঘূৰণীয়া মেজ-মেল (Round Table Conference) পাতি নেতাসকলৰ লগত আলোচনা কৰিব। দেশবন্ধু চিত্তৰঞ্জন দাসে আলিপুৰ জেলৰ ভিতৰৰপৰা এই সম্পৰ্কত কংগ্ৰেছৰ হৈ আলোচনা চলাইছিল। কিন্তু লাট চাহাবে ক্ৰিমিনাল এমেণ্ডমেণ্ট আইনত বন্দী হোৱা মানুহৰ বাহিৰে আন ৰাজনৈতিক বন্দীক, যেনে, আলি ভাতৃদ্বয়, ডাক্তৰ কিছ্‌লু প্ৰভৃতিক এৰি দিবলৈ মান্তি নোহোৱাত গান্ধীজীয়ে ভাৰত ভ্ৰমণাৰ্থে অহা বৃটিছ যুৱৰাজৰ অভ্যৰ্থনাৰ বিৰুদ্ধে যি অসহযোগ আন্দোলনৰ প্ৰচাৰ

কৰিছিল, তাক বন্ধ কৰিবলৈ মাস্তি নহল। ফল স্বৰূপে দমননীতিৰ কঠোৰতা বাঢ়িবলৈ ধৰিলে আৰু কংগ্ৰেছেও যিবোৰ কাম কৰাৰ কাৰণে কংগ্ৰেছী স্বেচ্ছাসেৱক চৰকাৰৰ চকুত দোষী প্ৰতিপন্ন হৈছিল, সেইবোৰ কামকে কৰি কাৰাবৰণ কৰিবলৈ কংগ্ৰেছ কৰ্ম্মী আৰু স্বেচ্ছাসেৱকক নিৰ্দ্দেশ দিয়ে।

১৯২১ চনৰ জানুৱাৰী মাহৰ মাজ ভাগৰপৰা কংগ্ৰেছৰ লগত যি কথা হৈছিল, বৰলাট চাহাবে তাক একেবাৰে অৱহেলা কৰিলে। এতিয়াৰপৰা গান্ধীজীয়ে 'ইয়ং ইণ্ডিয়া' ( Young India ) কাকতত লিখা প্ৰবন্ধবিলাকত স্পষ্ট ভাষাত বিপ্লৱ প্ৰচাৰ কৰিবলৈ ধৰিলে আৰু নিজে বাৰদৌলিত, আনকি মাদ্ৰাজ প্ৰদেশৰ গণ্টুৰতো গণশক্তিক চৰকাৰী আইন অমান্য আন্দোলন চলাবলৈ অনুমতি দিলে। অসমতো বকো অঞ্চলত শাস্তিমূলক জৰিমনা ( Punitive Tax ) নিদিবলৈ গণ-আন্দোলন চলিছিল। দমননীতিৰ প্ৰতিবাদ স্বৰূপে সকলো প্ৰদেশৰপৰা গণ-শক্তিৰ আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ কাৰণে অনুমতিৰ প্ৰাৰ্থনা গান্ধীজীৰ ওচৰ পালেহি। অৱশেষত গান্ধীজীয়ে নিজে গুজৰাটৰ বাৰদৌলিত আইন অমান্য কৰিবলৈ স্থিৰ কৰি ১৯২২ চনৰ পহিলা ফেব্ৰুৱাৰীত বৰলাট চাহাবক এখন চিঠিৰে জনালে। এই চিঠিতে তেওঁ আৰু জনায় যে যিহেতু চৰকাৰে দমন নীতিৰে ভাৰতবাসীৰ ব্যক্তিগত স্বাধীনতা (যেনে, বাক্-স্বাধীনতা, সভা পতাৰ স্বাধীনতা, ছপাখানাত ছপা কৰি নিজ মত প্ৰকাশ কৰাৰ স্বাধীনতা) একেবাৰে হৰণ কৰিছে, অনাহকত অনেক কংগ্ৰেছ কৰ্ম্মী আৰু স্বেচ্ছাসেৱকক বন্দী কৰি ৰাখিছে, খিলাফত আৰু পঞ্জাবৰ অত্যাচাৰৰ প্ৰতিকাৰৰ কাৰণে ৰাইজৰ মন যোগাব পৰাকৈ চৰকাৰে এতিয়াও একো কৰিব পৰা নাই, সেই কাৰণে বাৰদৌলিত সাত দিনৰ পিছত তেওঁ জল আইন ভংগ আন্দোলন আৰম্ভ কৰিব। যদি বৰলাট চাহাবে এই সাত দিনৰ ভিতৰত মানুহৰ ব্যক্তিগত স্বাধীনতা বাহাল ৰাখি ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়ে আৰু জৰিমনা আৰু বাজেয়াপ্ত কৰা সম্পত্তি ঘূৰাই দিব বুলি ঘোষণা কৰে, তেন্তে তেওঁ এই আইন-ভংগ আন্দোলন আৰম্ভ নকৰে। গৱৰ্ণমেণ্টে গান্ধীৰ চিঠিত উল্লিখিত কথাবোৰৰ প্ৰতিবাদ কৰিলে, কিন্তু এই সম্বন্ধে একো প্ৰতিকাৰ কৰাৰ কথা উল্লেখ নকৰিলে। কিন্তু ইয়াৰ ভিতৰতে চৌৰিচৌৰা নামৰ যুক্ত-প্ৰদেশৰ ঠাই এখনত এনে ঘটনা ঘটিল যে গান্ধীজীয়ে নিজেই তেওঁৰ কল্পিত আইন অমান্য আন্দোলন স্থগিত ৰাখিবলৈ বাধ্য হয়।

যদিও মহাত্মাজীৰ নীতি মতে অসহযোগৰ প্ৰত্যেক অংগই অহিংস ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত আছিল, তথাপি বেছিভাগ কংগ্ৰেছী লোকেই, বিশেষকৈ মুছলমানসকলে, ৰাজনীতিত অহিংস ভাবক এটা সাময়িক নীতি (Policy) বুলি ধৰি লৈছিল যেন লাগে। সাধাৰণ ৰাইজে মহাত্মাৰ আন্দোলন ৰামৰাজ্য বা ধৰ্ম্মৰাজ্য স্থাপনৰ চেষ্টা বুলি ধৰি লৈছিল সঁচা; আৰু প্ৰকৃততে অসংখ্য লোকৰ মনত বিৰোধ আৰু হিংসা ভাবৰ ঠাইত আত্মশুদ্ধি আৰু অহিংসাৰ ভাবে ঠাই পোৱাটো যে এটা ডাঙৰ সত্য—এই কথা বৃটিছ চৰকাৰৰ বাহিৰে আনে অস্বীকাৰ নকৰিছিল। কিন্তু সকলো অৱস্থাতে মানুহে অহিংস ভাব পোষণ কৰি থাকিব পৰা শক্তি ভাৰতবাসীৰ তেতিয়া হোৱা নাছিল। আনকি আজিলৈকেও সেই শক্তি ভাৰতীয়ই আহৰণ কৰিব পৰা নাই বুলি জোৰেৰে ক'ব পাৰি। প্ৰকৃততে অনন্ত কালপ্ৰবাহৰ কোনোবা সময়ত সকলো অৱস্থাতেই সকলো মানুহ পূৰ্ণ অহিংস হৈ কেতিয়াবা আছিল বা থাকিব বুলি বোধকৰোঁ কোনোৱেই বিশ্বাস নকৰে। গতিকে অসহযোগ আন্দোলন হলেও ঠায়ে ঠায়ে, বিশেষকৈ মহাত্মাৰ বাণীয়ে ভালকৈ ঢুকি নোপোৱা ঠাইত, হিংসা আৰু উপদ্ৰৱৰ উদ্ৰেক হোৱাটো খুব স্বাভাৱিক কথা। প্ৰথমতে, জাতীয়তাবাদ প্ৰতিষ্ঠা কৰিবলৈ ওলাওঁতে এই জাতীয়তা ভাবৰ বিপক্ষে থিয় হোৱা লোকৰ প্ৰতি, বৃটিছেই হওক বা ভাৰতবাসীয়েই হওক, ঘৃণাৰ ভাব জাগৃত হোৱাটো খুব স্বাভাৱিক আছিল। আন্দোলনৰ প্ৰচাৰ আৰু তীব্ৰতা যি প্ৰকোপেৰে বাঢ়িবলৈ ধৰিলে, বিপক্ষীয়বোৰক এঘৰীয়া কৰাৰ প্ৰথাটোও সমানে কঠোৰ হ'বলৈ ধৰিলে। অসমৰ বকোৰ দৰে ঠাইত মফচল কৰি ফুৰা ডেপুটি কমিচনাৰ চাহাবেও 'খানা' বন্ধা খৰি পৰ্য্যন্ত লগত লৈ ফুৰিব লগা হৈছিল। আন কিছুমান ঠাইত এই হিংসা নীতি বৃটিছ দমন-নীতিৰ আঘাতৰ ফলত বেছি তীব্ৰ হৈ পৰিছিল। মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলন স্থগিত ৰাখি দেশৰ স্বাধীনতা বিলম্ব কৰাৰ অভিযোগ বিচাৰ কৰাৰ আগেয়ে আমি সেই সময়ত ভাৰতত ঘটা কেইটামান বিশেষ ঘটনা তোমালোকক বিবেচনা কৰি চাবলৈ কওঁ। ১৯১৯ চনত মহাত্মাই ৰাউলাট আইন ৰদ কৰিবলৈ যি সত্যাগ্ৰহ কৰিছিল, তাৰ ফলত দেশত কেনে উপদ্ৰৱ আৰম্ভ হৈছিল সেই কথা তোমালোকে পঢ়ি আহিছা। ১৯২১ চনতো মাদ্ৰাজৰ ওলভানাদ আৰু ইৰনাদ নামৰ দুটা তালুকত তেনে ধৰণৰ গুৰুতৰ ঘটনা ঘটে। এই ঠাইত আৰব দেশৰ মুছলমান কিছুমান বহুত দিনৰেপৰা

বসবাস কৰি আছিল। স্বাভাৱিকতেই এওঁলোক উগ্ৰ প্ৰকৃতিৰ লোক আছিল। অসহযোগ আন্দোলনত এওঁলোকে বিশেষ একো যোগ দিয়া নাছিল। কিন্তু এই আন্দোলন সম্পৰ্কতে পুলিচে এওঁলোকৰ নেতা আৰু পুৰোহিত কেইজনমানক মছজিদতে গ্ৰেপ্তাৰ কৰাৰ অপমানত এওঁলোকৰ প্ৰথমে পুলিচৰ লগত সংঘৰ্ষ হয় আৰু তাৰ পিছত বৃটিছ সৈন্য আহি ওলালত সৈন্যৰ লগতো তৰোৱালেৰেই যুদ্ধ কৰে। এইদৰে তেওঁলোকে তিনি মাহ এই বিদ্ৰোহ চলায়। ইয়াৰ ভিতৰত সামৰিক আইন জাৰি কৰি চৰকাৰে এওঁলোকৰ ওপৰত অশেষ অত্যাচাৰ চলায়। অসহযোগ আন্দোলনৰ লগত বিশেষভাৱে সম্পৰ্ক নথকাৰ কাৰণে এই হিংসাত্মক কাৰ্য্যই মহাত্মাক বিশেষভাৱে বিচলিত কৰিব পৰা নাছিল। ১৯২১ চনত বৃটিছ সাম্ৰাজ্যৰ যুৱৰাজক ভাৰত ভ্ৰমণ কালত অভ্যৰ্থনা নজনাবলৈ কংগ্ৰেছে জনসাধাৰণক নিৰ্দ্দেশ দিয়াত বোম্বাইত যুৱৰাজে পদাৰ্পণ কৰাৰ দিনা 'হৰতাল' ঘোষণা কৰা হয়। কিছুমান মানুহে 'হৰতাল' উপেক্ষা কৰি ৰাজপথত অহা-যোৱা কৰা দেখা পাই হৰতালকাৰী বাকী মানুহ ইমান বিক্ষুদ্ধ হয় যে বোম্বাইত যুৱৰাজ নমাৰ লগে লগে এক তুমুল খণ্ডযুদ্ধৰ সৃষ্টি হয়। এই খণ্ডযুদ্ধ প্ৰায় তিনি দিন চলিছিল। পুলিচৰ লগত সংঘৰ্ষৰ ফলত আৰু হৰতালকাৰী অভ্যৰ্থনাকাৰী ৰাইজৰ মাজত হোৱা মৰামৰিৰ ফলত তিনিজনৰ মৃত্যু আৰু প্ৰায় চাৰিশজন আহত হয়। মহাত্মা গান্ধী আৰু সৰোজিনী দেৱীয়ে আত্মনিয়োগ কৰিও এই খণ্ডযুদ্ধ বন্ধ কৰিব পৰা নাছিল। এই হিংসা ভাবৰ প্ৰতিপত্তিৰ কাৰণে মহাত্মাই ইমান বেছি মনোকষ্ট পায় যে তেওঁ পাঁচ দিনৰ কাৰণে অনশন ব্ৰত গ্ৰহণ কৰিছিল। এইবোৰ কাৰণতে তেওঁ গণশক্তিৰ আইন অমান্য আন্দোলন কিছুদিনলৈ স্থগিত ৰাখে। যুৱৰাজৰ অভ্যৰ্থনা উপলক্ষে মাদ্ৰাজ চহৰতো বোম্বাইৰ দৰেই তেৰ জানুৱাৰী তাৰিখে হাঙ্গামা আৰম্ভ হয়। ইয়াৰ পিছত চৌৰিচৌৰাত এনে এক ডাঙৰ হত্যাকাণ্ড সংঘটিত হল যে তাৰ কাৰণে এক অদ্ভুত পন্থা লবলৈ মহাত্মা বাধ্য হল। যুক্ত-প্ৰদেশৰ গোৰখপুৰ জিলাৰ চৌৰিচৌৰা নামৰ এখন ঠাইত পুলিচে মানুহক বৰ জুলুম কৰি আছিল। ১৯২২ চনৰ বাইশ ফেব্ৰুৱাৰীৰ অসংখ্য জনতাই একৈশজন পুলিচ কনিষ্টবল আৰু এজন পুলিচ ছাব-ইন্সপেক্টৰক থানা ঘৰলৈ খেদি নি-সুমাই লৈ বাহিৰৰপৰা দুৱাৰ-খিৰিকা বন্ধ কৰি দি ঘৰটোত জুই লগাই এটাইকিজনকে জীয়াই জীয়াই পুৰি মাৰে। এই ঘটনাৰ পিছতেই

আইন অমান্য আন্দোলন বন্ধ ৰাখিবলৈ মহাত্মাজী দৃঢ়প্ৰতিজ্ঞ হ'ল আৰু বাৰদৌলিত কংগ্ৰেছৰ কাৰ্য্যকৰী সমিতিয়ে মহাত্মাৰ অনুৰোধত আইন অমান্য আন্দোলন স্থগিত ৰাখিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। ফল স্বৰূপে, মহাত্মা আৰু তেওঁৰ নীতিৰ ওপৰত বহু ভাৰতবাসীৰ প্ৰবল বিদ্বেষৰ ভাব দেখা গ'ল। আনৰ কথাকে নকওঁ, পণ্ডিত মতিলাল নেহৰু আৰু লালা লাজপত ৰায়ৰ দৰে নেতাইও জেলৰপৰাই এই প্ৰস্তাৱৰ বিৰুদ্ধে মত দি পঠালে। চৌব্বিশ আৰু পঁচিশ ফেব্ৰুৱাৰীত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বৈঠকত মহাত্মা গান্ধীক চাৰিওফালৰপৰা আক্ৰমণ কৰিবলৈ ধৰিলে। আপত্তিকাৰীসকলে ক'বলৈ ধৰিলে যে কংগ্ৰেছে ভাৰতবাসীৰ মনত কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিব; হিমালয়ৰপৰা কুমাৰিকালৈকে বিশাল ভাৰতবৰ্ষত কোনোবা এঠাইত অলপ হাঙ্গামা হোৱাৰ কাৰণেই যদি এইদৰে স্বাধীনতাৰ আন্দোলন স্থগিত ৰাখিব লগা হয়, তেন্তে এনেকুৱা আইন অমান্য আন্দোলনে কেতিয়াও ভাৰতৰ স্বাধীনতা আনিব নোৱাৰে। এইবিলাক আপত্তি সত্বেও মহাত্মাৰ প্ৰস্তাৱকে এই কংগ্ৰেছ কমিটিয়ে অনুমোদন কৰে। দেশত এটা ভয়ানক নিৰাশাৰ ভাব উপস্থিত হ'ল আৰু গাঁৱে-নগৰে সকলো লোকৰ মাজতে বিষাদৰ ছাঁ পৰিল।

বৃটিছ নীতিৰ কৌশলৰ ফলত এতিয়াহে মহাত্মাক দণ্ড বিহিবলৈ বন্দবস্ত কৰা হ'ল। প্ৰায় ডেৰ বছৰে গান্ধীজীয়ে অবিৰাম বৃটিছ চৰকাৰৰ বিপক্ষে মানুহক বিদ্ৰোহী ভাবাপন্ন কৰিবলৈ সকলো প্ৰকাৰে প্ৰচাৰ কৰি আছিল। কিন্তু তেওঁক চৰকাৰে জব্দ কৰাৰ সময় তেতিয়াহে পালে যেতিয়া তেওঁ সমগ্ৰ আন্দোলনটোকে প্ৰায় বন্ধ কৰা সিদ্ধান্ত ললে। তেৰ মাৰ্চ্চ তাৰিখে তেওঁ বিদ্ৰোহ প্ৰচাৰ কৰাৰ অভিযোগত তেওঁৰ অনুগত শিষ্যসহ গ্ৰেপ্তাৰ কৰা হয়। ওঠৰ মাৰ্চ্চ তাৰিখে তেওঁৰ বিচাৰ হয়। জগতৰ অনেক আদালতৰ বিচাৰৰ ভিতৰতে এই বিচাৰক চিৰস্মৰণীয় বুলিব পাৰি। যদিও গান্ধীজী মাত্ৰ আইন ভঙ্গকাৰী অপৰাধী এজনহে আছিল আৰু তেওঁ তেওঁৰ স্বাভাৱিক মোটা সূতাৰ আঠুমূৰীয়া চুৰিয়া পিন্ধিয়েই আদালতত উপস্থিত হৈছিল, তথাপি তেওঁ আদালতত উপস্থিত হোৱা মাত্ৰেই সকলো মানুহ সসম্মানে থিয় হ'ল। বিচাৰত তেওঁৰ বিৰুদ্ধে 'ইয়ং ইণ্ডিয়া' কাকতত তিনিটা প্ৰবন্ধ লিখি বৃটিছ ৰাজৰ প্ৰতি মানুহৰ মাজত ঘৃণা প্ৰচাৰ কৰা অভিযোগ অনা হয়। গান্ধীজীয়ে এই অভিযোগ একেবাৰে সঁচা বুলি গ্ৰহণ কৰিলে।

এড্‌ভোকেই জেনেৰেলে তথাপি এই মোকৰ্দ্দমাৰ অভিযোগবিলাকৰ সম্বন্ধে বক্তৃতা দি এই বিচাৰতো সাক্ষী-প্ৰমাণ ইত্যাদি দি পূৰাকৈ মোকৰ্দ্দমা চলাবলৈ বিচাৰিছিল। কিন্তু জজচাহাবে গান্ধীজীৰ জবানবন্দী লৈয়ে দণ্ডৰ বিধান কৰিবলৈ ঠিক কৰিলে। গান্ধীজীৰ এই লিখিত জবানবন্দী এনে নিৰ্ভীক, সবল, সত্য আৰু মহত্ত্বপূৰ্ণ আছিল যে সেই জবানবন্দীয়ে প্ৰকাশ হোৱাৰ পাছত জগতক স্তম্ভিত কৰিলে। মই তোমালোকক এই বিচাৰৰ কথা ভালদৰে পঢ়িবলৈ উপদেশ দিওঁ। মহাত্মাজীয়ে এই জবানবন্দীত কৈছিল যে চৰকাৰী পক্ষৰ এড্‌ভোকেট জেনেৰেলে তেওঁৰ সম্বন্ধে কৰা অভিযোগ সকলো সঁচা। বোম্বাই, মাদ্ৰাজ আৰু চৌৰিচৌৰাৰ হাঙ্গামাৰ কাৰণে তেওঁ নিজে সম্পূৰ্ণৰূপে দায়া বুলি স্বীকাৰ কৰিলে আৰু এজন শিক্ষিত আৰু দূৰদৰ্শী লোক হিচাপে এনে আন্দোলন চলোৱাৰ দায়িত্ব তেওঁ বুজা উচিত আছিল বুলি সৈ কাঢ়িলে। মহাত্মাই স্বীকাৰ কৰিলে যে তেওঁ 'জুইৰ লগত খেলা কৰা' বুলি নিজে জানিছিল। কিন্তু তথাপি তেওঁ এনে আন্দোলন চলাবলৈ সাজু আছিল আৰু তেওঁক এৰি দিলে তেওঁ সেই আন্দোলন আকৌ চলাব। কাৰণ, তেওঁ এইটোকে তেওঁৰ একমাত্ৰ কৰ্ত্তব্য বুলি বিবেচনা কৰে। তেওঁ নিজে অহিংসাত বিশ্বাস কৰে আৰু অহিংসাই তেওঁৰ ধৰ্ম্ম; এনে অৱস্থাত তেওঁৰ আগত দুটা পন্থা মুকলি আছিল। এপিনে হ'ল, বৃটিছ চৰকাৰে কৰা পঞ্জাবৰ অত্যাচাৰ, খিলাফত ধ্বংস আৰু বিশেষকৈ শোষণ নীতিৰ দ্বাৰা ভাৰতবাসীক অন্ন-বস্ত্ৰৰ অভাৱত পেলাই নিৰুপায় কৰা ঘোৰ অন্যায়বিলাক নিশ্চেষ্ট হৈ গ্ৰহণ কৰাটো; আৰু আনপিনে, এই অন্যায় নীতি অহিংসভাৱে ধ্বংস কৰিবলৈ যাওঁতে জনতাৰ মাজত কেতিয়াবা হ'ব পৰা হিংসাৰ বিকাশো মানি লোৱাটো। গান্ধীজীয়ে ক'লে যে এই দুটা পন্থাৰ ভিতৰত তেওঁ দ্বিতীয় পন্থাকে শ্ৰেয় বুলি গ্ৰহণ কৰিছিল। সেইকাৰণে তেওঁ আদালতৰপৰা কোনো প্ৰকাৰৰ দয়া নিবিচাৰে বা শাস্তি লাঘৱ হবৰ কাৰণে কোনো কাৰণ দেখুৱাব নোখোজে। তেওঁ প্ৰফুল্ল চিত্তে আইনৰ গুৰুতৰ শাস্তি মানি লব। কাৰণ বৃটিছৰ আইন-আদালতৰ মতে যিটো তেওঁৰ অপৰাধ, তেওঁৰ মনেৰে ভাৰতীয়ৰ পক্ষে সেইটো সৰ্ব্বোচ্চ কৰ্ত্তব্য।

তাৰ পিছত তেওঁ কেনেকৈ এজন অনুৰক্ত ৰাজভক্ত আৰু বৃটিছ শাসন-প্ৰণালীৰ সমৰ্থক হৈও এই শাসন-প্ৰণালীৰ প্ৰতি এনে ঘোৰ বিদ্ৰোহী হ'ল, তাৰ বিৱৰণ দি তেওঁ দেখুৱালে যে বৃটিছ শাসনেই ইতিপূৰ্ব্বে ভাৰতত চলা

আন সকলো শাসনতকৈ নিকৃষ্ট আৰু গাঁৰৱ দুখীয়া প্ৰজাৰ সৰ্ব্বাধিক অন্যায়কাৰী। এনে শাসন নীতিৰ প্ৰতি তেওঁৰ কেনেকৈ শ্ৰদ্ধা থাকিব পাৰে? যদিও তেওঁৰ ব্যক্তিগতভাৱে কোনো ইংৰাজ শাসকৰ প্ৰতি হিংসা বা ক্ৰোধ নাই, তথাপি এনে অন্যায়কাৰী শাসনৰ প্ৰতি কোনোপ্ৰকাৰ শ্ৰদ্ধা বা আকৰ্ষণ থকাটো তেওঁ পাপ বুলি ভাবে। এনে অৱস্থাত তেওঁ অসহযোগ নীতি উদ্ভাৱন কৰি ভাৰত আৰু ইংলণ্ড উভয় দেশকে উপকাৰ কৰিবলৈ ওলাইছে। অসহযোগ নীতিৰ উদ্দেশ্য যেনেকৈ অন্যায় আৰু পাপৰ লগত অসহযোগ, তেনেকৈ সৎ আৰু সত্যৰ লগত সহযোগ কৰাটোও মূল উদ্দেশ্য। অহিংসাৰ মূল অৰ্থ হৈছে অন্যায় আৰু পাপৰ লগত অসহযোগ কৰিবলৈ যাওঁতে যি শাস্তি ভোগ কৰা হয় তাক আনন্দেৰে গ্ৰহণ কৰা। এই সম্পৰ্ভতে তেওঁ বিচাৰকক সম্বোধন কৰি কয় যে এনে অৱস্থাত বিচাৰকে দুটা কাম কৰিব পাৰে: তেওঁ এই আইন অন্যায় বুলি তেওঁক খালাচ দিব পাৰে; নাইবা, এই আইন সত্য বুলি মানি তেওঁ গান্ধীজীক আইন মতে সৰ্ব্বোচ্চ শাস্তি দিব পাৰে। তাৰ বাহিৰে জজচাহাবৰ আন উপায় নাই।

জজ চাহাবে বিচাৰৰ শেষত ৰায় দিবৰ সময়ত ক'লে: "মিষ্টাৰ গান্ধী, তুমি মোৰ কৰ্ত্তব্য উজু কৰি দিলা। তথাপি, উপযুক্ত শাস্তি বিধান কৰাৰ গুৰুভাৰ মোৰ ওপৰত আছে। আইনে কোনো মানুহকেই বেলেগ সম্মান নকৰে, কিন্তু ইতিপূৰ্ব্বে মই যিবিলাক মানুহৰ বিচাৰ কৰিছোঁ বা ভৱিষ্যতে যিবিলাকৰ বিচাৰ কৰিবলৈ পাম সেই এটাইবিলাকৰপৰা তুমি যে বেলেগ ধৰণৰ লোক, সেই কথা মই পাহৰিব নোৱাৰিম। মই কেতিয়াও নমনাকৈ থাকিব নোৱাৰোঁ যে তোমাৰ কোটি কোটি দেশবাসীৰ মানত তুমি এজন স্বদেশপ্ৰেমী নেতা। আনকি যিবিলাক মানুহ তোমাৰ ৰাজনৈতিক মতৰ লগত একমত নহয় সেই সকলেও তোমাক এজন উচ্চ আদৰ্শৰ মহৎ আৰু পৱিত্ৰ লোক বুলি জ্ঞান কৰে।

"ভাৰতবৰ্ষত বোধকৰোঁ কম লোকেই আছে যি অন্তৰেৰে বিশ্বাস নকৰে যে তুমি এনে অৱস্থাৰ সৃষ্টি কৰিছা যাৰ কাৰণে কোনো চৰকাৰেই তোমাক মুক্ত কৰি ৰাখিব নোৱাৰে।······তোমাক শাস্তি দিয়াত আজি বাৰ বছৰ পূৰ্ব্বে এটা মোকৰ্দ্দমাত দিয়া শাস্তিৰ নজিৰ মতে চলিবলৈ স্থিৰ কৰিছোঁ। সেই মোকৰ্দ্দমা বাল গঙ্গাধৰ তিলকৰ শ্ৰেণীভুক্ত হোৱাটো অযুক্তিকৰ বুলি নলবা। অৰ্থাৎ তোমাক তিনিটা অভিযোগত দুবছৰকৈ মুঠতে ছবছৰ বিনাশ্ৰম

কাৰাবাস দিয়াটো মই কৰ্ত্তব্য বুলি মানিছোঁ। ইয়াৰ লগতে মই ইয়াকো ক'ব খোজোঁ যে যদি ভাৰতবৰ্ষৰ ঘটনাচক্ৰৰ কাৰণে তোমাক গৱৰ্ণমেণ্টে এৰি দিয়ে বা শাস্তি কমাই দিয়ে, মই সকলোতকৈ বেছি সুখী হম।"

প্ৰত্যুত্তৰত গান্ধীজীয়ে ক'লে, "যিহেতু এই ক্ষেত্ৰত আপুনি লোকমান্য বাল গঙ্গাধৰ তিলকৰ নাম উল্লেখ কৰিছে, মই কওঁ যে তেওঁৰ লগত মোৰ নামো উল্লেখ কৰাত মই বিশেষভাৱে আপ্যায়িত আৰু সন্মানিত হোৱা যেন বোধ কৰিছোঁ। শাস্তিৰ বিষয়ে মই ভাবিছোঁ যে ই অতি লঘু হৈছে; আৰু আদালতৰ শিষ্টাচাৰ সম্বন্ধে কওঁ যে ইয়াতকৈ উৎকৃষ্ট সদাচাৰ মই কেতিয়াও আশা কৰা নাছিলোঁ।"

এই মহত্ত্ব প্ৰকাশৰ পিছত গান্ধীজীয়ে অসংখ্য জনতাক শোকত পেলাই থৈ, গোটেই ভাৰতবৰ্ষকে বিষাদৰ কালিমাত বুৰাই থৈ প্ৰথমে আহমেদাবাদ জেললৈ আৰু তাৰ দুদিনমান পিছত পুণা নগৰৰ ইৰোডা জেলত বন্দী হৈ ৰ'লগৈ।

মহাত্মাৰ জীৱনৰ আন কথা ক'বলৈ যোৱাৰ আগেয়ে তেওঁ এই আইন অমান্য বা সত্যাগ্ৰহ আন্দোলন বন্ধ ৰখা সম্বন্ধে মই তোমালোকক অলপ ভাবি চাবলৈ কওঁ। তোমালোকে দেখিছা যে মহাত্মাই ভাৰতৰ স্বৰাজ আন্দোলনৰ গুৰি বঠা ধৰাৰপৰা কেনেকৈ প্ৰতি ক্ষেত্ৰতে আন্দোলনটোৱে সফলতা লাভ কৰি আহিছিল। দেশী-বিদেশী অনেক চিন্তাশীল লোকে এতিয়াও কয় যে যদি মহাত্মাই তেওঁৰ আন্দোলন স্থগিত নাৰাখিলেহেঁতেন। তেন্তে ভাৰতবাসীয়ে তেতিয়াই স্বৰাজৰ দাবী আদায় কৰিব পাৰিলেহেঁতেন। সেই সময়ত বহুত বৃটিছ লোকে ভাৰতবৰ্ষখন বৃটিছ সাম্ৰাজ্যৰপৰা হেৰাল বুলি ধৰি লৈছিল। প্ৰায় এনে অৱস্থাৰপৰাই ১৯১৮-১৯ চনৰ ৰুছ বিপ্লৱ কৃতকাৰ্য্য হৈছিল। মহাত্মাই নিজেই মানুহৰ উৎসাহ দেখি এবছৰৰ ভিতৰত স্বৰাজ পোৱাৰ আশা আছে বুলি কৈ ফুৰিছিল। তেওঁ ইয়াকো জানিছিল যে যদি তেওঁ এনে অৱস্থাত আন্দোলন স্থগিত কৰে তেন্তে তেওঁ ভাৰতবাসীৰ তাচ্ছিল্য আৰু অবিশ্বাসৰ পাত্ৰ হব। ইমানবোৰ মানুহক কষ্ট দি হঠাতে তেওঁলোকক কাৰাগাৰত এৰি এনে এটা সিদ্ধান্ত লোৱাটো সকলো নেতাৰ পক্ষে সম্ভৱপৰ নহলহেঁতেন। কিন্তু মহাত্মাৰ সিদ্ধান্ত কংগ্ৰেছৰ 'জয়'ত আশা বা অনুগতসকলৰ আপত্তিয়ে অকণো লৰচৰ কৰিব নোৱাৰিলে। ইয়াৰ কাৰণ এয়ে যে মহাত্মাৰ বিচাৰ সম্পূৰ্ণৰূপে নৈতিকতাৰ ওপৰত নিৰ্ভৰশীল।

এই মহৎ সিদ্ধান্তই স্পষ্টকৈ প্ৰমাণ কৰে যে যেই সেই উপায়েৰে স্বৰাজৰ দৰে অমূল্য বস্তু লবলৈকে তেওঁ ৰাজী নাছিল। ব্যক্তিগত ঘৃণা, হিংসা দ্বেষ আৰু তাৰ আনুষঙ্গিক মিছা প্ৰতাৰণা বা প্ৰবঞ্চনাৰ দ্বাৰা অৰ্জ্জন কৰা কোনো বস্তুৱেই স্থায়ী হ'ব নোৱাৰে। সেই কাৰণে সৰ্ব্বোৎকৃষ্ট স্বৰাজকো তেওঁ অসৎ উপায়েৰে লাভ কৰিবলৈ ৰাজী নহয়। তোমালোকে ভাবি চাবা যে এনে বিচাৰ আৰু সিদ্ধান্ত কেৱল জগতৰ মহাপুৰুষসকলৰ ক্ষেত্ৰতেহে দেখা যায়।

দুবছৰ কাল মহাত্মা গান্ধীয়ে ইৰোডা জেলত কটালে। জেলত থাকিও তেওঁ কিমান কাম কৰিছিল তাক ভাবিলে আচৰিত হ'ব লাগে। প্ৰকৃততে তেওঁৰ আশ্ৰমৰ জীৱনতকৈ জেলৰ জীৱন কম ব্যস্ত নাছিল। প্ৰভেদ মাত্ৰ এইখিনিতে যে তেওঁ বাহিৰৰ আন কামৰ ঠাইত জেলত বেছিকৈ পঢ়িছিল। মহাত্মাই নিজেই 'ইৰোডা জেলৰ অভিজ্ঞতা' নামৰ এখন কিতাপ লেখিছে। সেইখন তেওঁৰ আত্মজীৱনীৰ অংশ বুলি ধৰিব পাৰি। সেইখন পঢ়ি জানিব পাৰিবা যে তেওঁ দৈনন্দিন প্ৰাৰ্থনা-পাঠ আৰু গা-ধোৱা, খোৱা আদিত কটোৱা সময়ৰ বাহিৰে এই কেইমাহৰ ভিতৰত ইংৰাজী, গুজৰাটী, হিন্দী, উৰ্দ্দু, মাৰাঠী ভাষাত প্ৰায় এশ-পঞ্চাশখন পুস্তক পঢ়িছিল। উৰ্দ্দু তেওঁ জেলতেই ভালকৈ শিকে। তেওঁ নিয়মমতে তিনি-চাৰি ঘণ্টাকৈ কপাহ নেওঁঠাৰপৰা আৰম্ভ কৰি সূতা কটা কামত কটাইছিল। 'ইৰোডা জেলৰ অভিজ্ঞতা'ৰ বাহিৰেও তলত লিখা অমূল্য কিতাপ কেইখন লিখিবলৈ তেওঁ হাতত ললে- (১) 'গীতা ভাষ্য'--যিখন তেওঁ অনাসক্তি যোগ নামেৰে অভিহিত কৰিছে। এইখনত শ্ৰীমদ্ভাগৱত গীতাৰ শ্লোকবিলাকৰ সৰল গুজৰাটী ভাষাত ভাঙনি আৰু তাতে তেওঁৰ নিজা টিপ্পনী বা ব্যাখ্যা আছে। কোৱা বাহুল্য মাথোন যে এই মহাগ্ৰন্থৰ ব্যাখ্যাতো গান্ধীজীৰ আসক্তিশূন্য কৰ্ম্মৰ আদৰ্শ ফটফটীয়াকৈ দেখুউৱা হৈছে। (২) তেওঁৰ অমূল্য আত্মজীৱনীৰ বা 'মোৰ সত্য অন্বেষণৰ কাহিনীৰ' বেছি ভাগেই এই সময়তে লিখা হয়। ১৯২৫ চনত বাকীখিনি লিখি শেষ কৰা হয়। গান্ধীজীৰ নিজৰ অসুবিধাৰ বাহিৰেও সাৰ্ব্বজনীন প্ৰেমৰ কাৰণে ইৰোডা জেলৰ আন কয়দীৰ প্ৰতি নিৰ্য্যাতনৰ বিপক্ষে ক'বলৈ গৈ তেওঁ কৰ্ত্তৃপক্ষৰ লগত অনেক লিখালিখি কৰাৰ দৰ্কাৰ হয়। 'ইৰোডা জেলৰ অভিজ্ঞতা'ৰ লগতে এইবিলাক পঢ়িলে এই মহামানৱজনৰ মন কেনেকৈ সাধাৰণ কয়দীৰ দুখ আৰু নৈতিক পতনৰ

কাৰণে দুঃখিত হৈছিল, কেনেকৈ তেওঁৰ সংস্পৰ্শত অহা কয়দী ওৱাৰ্ডাৰ আনকি চুপাৰিণ্টেণ্ডেণ্ট চাহাবৰো মতিগতি পৰিবৰ্ত্তন হৈছিল তাক পঢ়িবলগীয়া। মুঠতে ক'বলৈ গ'লে, এই কঠোৰ নিয়ম-প্ৰবৰ্ত্তিত জেলখনো পৱিত্ৰভূমি হৈ পৰিছিল। প্ৰায় বেছিভাগ সময় শঙ্কৰলাল বেঙ্কাৰ তেওঁৰ লগতে আছিল।

১৯২৪ চনত অস্ত্ৰোপচাৰৰ পিছত যেতিয়া গান্ধীজী হাস্পতালৰপৰা আৰোগ্য হৈ ওলাই আহে তেতিয়া ভাৰতবৰ্ষৰ ৰাজনৈতিক অৱস্থা এটা তুমুল বেমেজালিত পৰিণত হয়। কংগ্ৰেছী লোকসকলৰ ভিতৰত দুটা দল হ'ল। এদলে ব্যৱস্থাপক সভালৈ যোৱাটো ভাল বুলি ভাবি, ব্যৱস্থাপক সভালৈ যোৱাই ঠিক কৰে আৰু প্ৰকৃততে ইয়াৰ ভিতৰত কেন্দ্ৰীয় সভা আৰু প্ৰাদেশিক সভাবিলাকত গৱৰ্ণমেণ্ট পক্ষক হৰুৱাই যথেষ্ট কৃতিত্ব লাভ কৰে। এই দলৰ নেতা দেশবন্ধু চিত্তৰঞ্জন দাস, পণ্ডিত মতিলাল নেহৰু, হাকিম আজমল খাঁ, দেশভক্ত তৰুণৰাম ফুকন ইত্যাদি লোকসকল আছিল। আনটো দল বৰ্জ্জন নীতি বাহাল ৰখাৰ পক্ষে আছিল। এই দলৰ নেতা বল্লভভাই পেটেল, ৰাজেন্দ্ৰপ্ৰসাদ, ৰাজাগোপালাচাৰী প্ৰভৃতি নেতাসকল আছিল। ইতিপূৰ্ব্বে উভয় দলৰ ভিতৰত মিত-মাত হোৱাৰ চেষ্টা চলিছিল; কিন্তু এই কাম সম্পূৰ্ণৰূপে সফল হোৱা নাছিল। অস্ত্ৰোপচাৰৰ পিছত বোম্বাই নগৰৰ জুহু নামৰ ঠাইত গান্ধীজী স্বাস্থ্যৰ উন্নতিৰ কাৰণে আছিলহি। তেওঁ এই নেতাসকলৰ মতভেদ দেখা পাই প্ৰত্যেক দলৰে মত সত্য আৰু সবল বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত হোৱা বুলি বিশ্বাস কৰি উভয় দলক নিজৰ বিশ্বাস মতে কাম কৰিবৰ অধিকাৰ দি এটা উক্তি প্ৰকাশ কৰে। তাৰ ফলত উভয় পক্ষৰ লোকেই সন্তোষ পায় আৰু ব্যৱস্থাপক সভাত বিশ্বাস কৰা লোকসকলে ব্যৱস্থাপক সভাৰ কাৰ্য্যত আৰু অসহযোগত বিশ্বাসীসকলে গঠনমূলক কামত ব্যস্ত থাকিবলৈ উৎসাহ পায়।

ইযাতকৈও ডাঙৰ বেমেজালি ঘটিল ভাৰতবৰ্ষত সাম্প্ৰদায়িকতা বৃদ্ধিৰ কাৰণে। যি কাৰণতেই নহওক, ১৯২০-২১ চনত ভাৰতবৰ্ষত হিন্দু-মুছলমানৰ ভিতৰত এটা অপূৰ্ব্ব মিলন হৈছিল। কিন্তু গান্ধীজীয়ে এই ভাব ক্ষন্তেকীয়া হব পাৰে বুলি আশঙ্কা কৰি তেওঁ জেললৈ যোৱাৰ পিছত হাকিম আজমল খানলৈ এই সম্বন্ধে লিখিছিল; কিন্তু তেওঁ জেলত থকা দুবছৰ কালৰ ভিতৰত এই মিলনৰ ভাব বহু ঠাইতে ওৰ পৰিল। চাৰিওফালে সাম্প্ৰদাযিক মনোভাব বাঢ়িবলৈ ধৰিলে। তেওঁ জেলৰপৰা ওলাই জুহুত বিশ্ৰাম

লৈ থকা সময়ত এইবিলাক খবৰ শুনি মৰ্ম্মান্তিক কষ্ট পাই আছিল আৰু কিদৰে এই কেৰোণ ধ্বংস কৰিব পাৰে, এই সম্বন্ধে চিন্তা কৰি আছিল। ইয়াৰ ভিতৰত সাম্প্ৰদায়িক অগ্নি ধুমুহাটো দূৰত থাওক, বেছিকৈ বাঢ়িবলৈহে ধৰিলে। শেহত কোহাটত হিন্দুবিলাকৰ ওপৰত এনে অত্যাচাৰ হ'ল যে অনেক লোকে, ঢাকাত হাঙ্গামা হোৱাৰ দৰে, ঘৰ-বাৰী এৰিবলগীয়া হৈছিল আৰু তেওঁলোকে অজস্ৰ ক্ষতি, লাঞ্ছনা আৰু অত্যাচাৰ ভুগিব লগাত পৰিছিল। এই হাঙ্গামাবিলাকৰ বিৱৰণ পঢ়ি মহাত্মা একেবাৰে অস্থিৰ হৈ পৰিছিল। সেই সময়ত তেওঁৰ লগৰীয়া মহামতি এণ্ড্ৰুজৰ বিষয়ে লিখা বিৱৰণৰপৰা জনা যায় যে এই চিন্তাত গান্ধীজীৰ টোপনি নোহোৱা হৈছিল। ছেপ্টেম্বৰ মাহত হঠাৎ এদিন তেওঁ একৈশ দিনৰ অনশন ব্ৰতৰ সঙ্কল্প লোৱা বুলি প্ৰকাশ কৰিলে। নকলেও চলে যে এই দুৰ্ব্বল শৰীৰত এনে এটা গুৰুতৰ ব্ৰত লোৱা দেখি সকলো তেওঁৰ নিমিত্তে অস্থিৰ হৈ পৰিল। এই ব্ৰতৰ দহদিনৰ দিনা তেওঁৰ অৱস্থা হঠাতে ইমান বেয়া হবলৈ ধৰিলে যে ডাক্তৰ আৰু আন সকলোৱেই এই সঙ্কল্পৰপৰা বিৰত হবলৈ তেওঁক অনুৰোধ কৰিলে। মহাত্মাজী কিন্তু নিজৰ সঙ্কল্পৰপৰা অলপো বিচলিত নহল। আনপিনে মহাত্মাৰ জীৱন ৰক্ষা কৰিবৰ কাৰণে হিন্দু, মুছলমান, খৃষ্টিয়ান সকলো সম্প্ৰদায়ৰ নেতাবিলাকে মিলনৰ এটা গুৰুতৰ চেষ্টা কৰি গো-বধ আৰু মছজিদৰ আগত বাদ্য বজোৱা আদি আন আন আনুষঙ্গিক বিৰোধ সম্বন্ধে এটা সিদ্ধান্তত উপস্থিত হ'ল। একৈশ দিন অনশন ব্ৰতৰ পিছত যিদিনা তেওঁ ব্ৰত ভাঙে সেই দিনটোৰ কাৰ্য্য-বিৱৰণী এনে মৰ্ম্মস্পৰ্শী, কৰুণ আৰু পৱিত্ৰতাপূৰ্ণ যে মই তোমালোকক নোকোৱাকৈ থাকিব নোৱাৰিলোঁ। এই দীঘলীয়া উপবাসৰ সময়ত অতিশয় শাৰীৰিক দুৰ্ব্বলতা সত্ত্বেও গান্ধীজীয়ে সাম্প্ৰদায়িক মিলনৰ কাৰণে নিজে ভালেকেইজন নেতাৰ লগত কথাবাৰ্ত্তা চলায়। এই সকলো কাম আৰু সকলো শক্তিৰে আধাৰ আছিল তেওঁৰ ঐকান্তিক উপাসনা আৰু ঐশ্বৰিক প্ৰেম সম্বন্ধে গীত শুনা। উপবাস ভঙাৰ দিনাও তেওঁ 'ধৰ্ম্মৰ সম্বন্ধে একনিষ্ঠতা' দেখুৱাবৰ কাৰণে নিজেই এটা ৰীতি নিৰ্দ্ধাৰণ কৰিলে আৰু যাতে তেওঁৰ বন্ধুসকলো উপস্থিত থাকিব পাৰে সেই-কাৰণে দীনবন্ধু এণ্ড্ৰুজক বিশেষকৈ অনুৰোধ কৰিলে। দুপৰীয়া কঙ্কালপ্ৰায় গান্ধীজী তেওঁৰ শয্যাত পৰি আছিল। প্ৰথমতে ডাক্তৰসকল উপস্থিত হ'লহি; তেওঁলোকক অতি সাদৰেৰে তেওঁক চিকিৎসা কৰাৰ কাৰণে কৃতজ্ঞতা জনালে।

হাকিম আজমল খানও আহি ওচৰতে বহিলহি, মহম্মদ আলিও (যিজনৰ ঘৰত মহাত্মাজী আলহী আছিল) উপস্থিত হ'লহি আৰু ঘৰৰ তিৰোতাসকলে তেওঁৰ বিচনাৰ কাষত বহিল। ইয়াৰ পিছত স্বৰ্গীয় চিত্তৰঞ্জন দাস, স্বৰ্গীয় পণ্ডিত মতিলাল নেহৰু, মৌলানা আবুল কালাম আজাদ আদি সকলোৱে তেওঁৰ বিচনাৰ চাৰিওকাষে বহিল আৰু স্বৰ্গীয় স্বামী শ্ৰদ্ধানন্দজীয়ে তেওঁৰ পথানত বহি উপাসনাভিলাষী হৈ চকু মুদিলে। এইদৰে সকলো বহাৰ পিছত গান্ধীজীৰ চিৰ-লগৰীয়া সবৰমতী আশ্ৰমবাসী ইমাম চাহাবে কোৰাণৰ প্ৰথম সুৰৰ প্ৰাৰ্থনা, য'ত পৰমেশ্বৰক সৰ্ব্বশক্তিমান, দয়াবান, মৰমিয়াল, সৰ্ব্বজগতৰ ৰক্ষাকৰ্ত্তা আৰু সৰ্ব্বলোকৰ সহায়কৰ্ত্তা বুলি অভিহিত কৰা হৈছে— সেইটো অতি গম্ভীৰ আৰু সুমধুৰ মাতেৰে গালে। তাৰ পিছত প্ৰভু যীশুখৃষ্টই ক্ৰুছত প্ৰাণ ত্যাগ কৰি জগতক অপূৰ্ব্ব, অক্ষয় আৰু বিজয়ী প্ৰেম দান দিয়া সম্বন্ধে এটা খৃষ্টিয়ান গীত গোৱা হ'ল। ইযাৰ পিছত অতি সুস্পষ্ট আৰু হৃদয়গ্ৰাহী শব্দেৰে বিনোৱা ভাৱেই উপনিষদৰপৰা শ্লোক উচ্চাৰণ কৰি, এইদৰে মূল ভাব প্ৰকাশ কৰিলে, "ঐশ্বৰিক জ্যোতি সত্য, তপস্যা, ধ্যান আৰু ধাৰণাৰ দ্বাৰাইহে লাভ কৰিব পাৰি; মোৰ বাক্য আৰু মনে যেন সত্যহে উপলব্ধি কৰে, দিব্য জ্যোতি যেন সদায় মোৰ আগত জ্বলি থাকে, জ্ঞান যেন মোৰ চিৰসঙ্গী হয় আৰু সদায় সজ আৰু সত্য কথা কওঁ।" পৱিত্ৰ আৰু ভাব-গম্ভীৰ ধ্বনিৰে এই প্ৰাৰ্থনা শেষ কৰাৰ পিছত 'আচল বৈষ্ণৱ' নামৰ গীত গোৱা হয়, যাৰ ভাবাৰ্থ এইদৰে ধৰি লব পাৰি: "সেইজনেই প্ৰকৃত বৈষ্ণৱ, যি পৰৰ দুখকো নিজৰ দুখ বুলি জানে, যিজনে সকলোকে সেৱা কৰি অহঙ্কাৰ নকৰে, যিজনে সকলোৰে ওচৰত মূৰ দোঁৱায় কিন্তু কাকো ঘৃণা নকৰে, সদায় মনত, কথাত আৰু কামত শুদ্ধ, যিজনে সকলো তিৰোতাকে মাতৃজ্ঞান কৰে, যাৰ মন সদায় বিকাৰশূন্য, মিছা কথা যাৰ মুখেদি নোলায়, আৰু যিজনে অন্যৰ ধন স্পৰ্শ নকৰে। এনে বৈষ্ণৱেই সকলো মায়া-বন্ধনপৰা মুক্ত হয়, ৰামনাম ধ্বনিৰ কাৰণে তেওঁৰ সমস্ত শৰীৰেই তীৰ্থ হৈ পৰে। লোভ, মোহ, কাম, ক্ৰোধমুক্ত হৈ প্ৰকৃত বৈষ্ণৱ হয়।" গীত শেষ হোৱাৰ পিছত তাত উপস্থিত থকা প্ৰায় সকলোৰে মাজতেই এনে ধাৰণা হৈছিল যে এই কঙ্কালসাৰ জীৱ-জনেই সেই আদৰ্শ বৈষ্ণৱ নহয় নে? ইয়াৰ পিছত এই কঙ্কালসাৰ গান্ধীজীয়ে উপস্থিত থকা বন্ধুসকলক এনে গভীৰ অনুভূতিৰে সম্বোধন কৰিলে যে তেওঁৰ মাত ওচৰৰ কেইজনমান লোকৰ বাহিৰে আনে শুনিবলৈ

পোৱা নাছিল। সাম্প্ৰদায়িক প্ৰীতি বঢ়াবৰ কাৰণে আজি ত্ৰিশ বছৰৰপৰা আন্তৰিকতাৰে কাম কৰা সত্বেও তেওঁ মিলন আনিব নোৱাৰি দুখ প্ৰকাশ কৰি ক'লে, "ঈশ্বৰৰ কি ইচ্ছা মই ক'ব নোৱাৰোঁ, কিন্তু আজি মই আপোনাসকলক মিনতি কৰোঁ যে আপোনাসকলে এই উদ্দেশ্যে দৰকাৰ হ'লে প্ৰাণ ত্যাগ কৰিবলৈকো দৃঢ়প্ৰতিজ্ঞ হওক। হিন্দুৰ নিজৰ মন্দিৰত নিজ নিয়মে পূজা উপাসনা কৰিবলৈ পূৰ্ণ স্বাধীনতা থাকিব লাগিব আৰু মুছলমানৰো নিজৰ মছজিদত উপাসনা কৰিবলৈ পূৰ্ণ স্বাধীনতা থাকিব লাগিব। যদি এই মৌলিক স্বত্বখিনিকে আমি উপভোগ কৰিব নোৱাৰোঁ তেন্তে আমাৰ কাৰণে হিন্দু ধৰ্ম্ম বা ইছলাম ধৰ্ম্মৰ একো অৰ্থই থাকিব নোৱাৰে।" মুছলমানৰ তৰফৰপৰা হাকিম আজমল খান আৰু মৌলানা আবুল কালাম আজাদে এই প্ৰতিশ্ৰুতি দিলে। আন সম্প্ৰদায়ৰ নেতাসকলেও তেনে প্ৰতিশ্ৰুতি দিলে। এই কঠোৰ ব্ৰত আৰু তপস্যাৰ ফলত প্ৰায় এবছৰ কাল ভাৰতবৰ্ষত সাম্প্ৰদায়িক খৰিয়াল বন্ধ আছিল; কিন্তু তাৰ পিছত আকৌ বিভীষিকা উপস্থিত হল আৰু সি এতিয়াও চলি আছে।

১৯২৪ চনত বেলগাওঁ কংগ্ৰেছত মহাত্মাজীক সভাপতি পাত হয় আৰু তেওঁ নিজেই স্বৰাজ পাৰ্টিক কংগ্ৰেছৰ কামৰ আগ ভাগ দিয়ে আৰু নিজে গঠনমূলক কাৰ্য্যৰ পিনেহে মন মেলে। এই সময়ৰপৰা ১৯২৯ চনলৈকে মহাত্মাজী সবৰমতী আশ্ৰমত আছিল; আৰু গঠনমূলক কাৰ্য্য-যেনে, খদ্দৰ প্ৰচাৰ, অস্পৃশ্যতা নিবাৰণ ইত্যাদিত সম্পূৰ্ণৰূপে মন নিয়োগ কৰিছিল। তেওঁ ইচ্ছা কৰিলে বেছি সংখ্যক ভোটৰ দ্বাৰাই তেওঁৰ অসহযোগ নীতিকেই বাহাল ৰাখিব পাৰিলেহেঁতেন; কিন্তু তেওঁ ভোটৰ দ্বাৰা জয়ী হ'বলৈ ইচ্ছা নকৰি নিজৰ বন্ধুসকলক নিজৰ ইচ্ছামতে কাম কৰি তাৰ ফলাফল নিজে নিজে উপলব্ধি কৰিবলৈ সুবিধা দিলে। কিন্তু তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছিল যে কিছুদিনৰ ভিতৰতেই এই স্বৰাজ পাৰ্টিৰ বন্ধুসকল আকৌ তেওঁৰ মতলৈ ঘূৰি আহিব; কাৰণ তেওঁ বৃটিছসকলৰ মনোবৃত্তিৰ সালসলনিৰ কোনো ৰকমৰ আভাস পোৱা নাছিল। বন্ধুৰ সৰলতাৰ ওপৰত তেওঁৰ ইমান গভীৰ বিশ্বাস আছিল যে স্বৰাজ পাৰ্টিৰ সুবিধাৰ কাৰণে ১৯২৫ চনতে তেওঁ কংগ্ৰেছ সভাপতিৰ দায়িত্ব ইস্তফা দিবলৈ ওলাইছিল আৰু এই বছৰৰ কংগ্ৰেছত শিপিনী সঙ্ঘৰ আঁচুতীয়া টকাৰ বাহিৰে কংগ্ৰেছৰ সমস্ত ধন, সমস্ত শক্তি স্বৰাজ পাৰ্টিৰ নিমিত্তে ব্যৱহাৰ কৰিবলৈ নিজে প্ৰস্তাৱ দাঙি ধৰিলে।

এতিয়াৰপৰা ১৯২৯ চনলৈ কংগ্ৰেছ অনুষ্ঠান চলোৱাৰ দায়িত্ব মহাত্মা গান্ধীয়ে এৰি দিছিল; তুৰছৰ তেওঁ কংগ্ৰেছৰ কাৰ্য্য-তালিকালৈ বিশেষভাৱে মনকে দিয়া নাছিল। এই সময়খিনিতে মহাত্মাই খদ্দৰৰ প্ৰচলনটো সজীৱ কৰি তুলিলে। নিখিল ভাৰত শিপিনী সঙ্ঘ, যাৰ জৰিয়তে আজি কেইবালাখ লোকক প্ৰতিপালন কৰা হয়, সেই সঙ্ঘৰ ভেটি এই সময়তে ভালকৈ বন্ধা হয়। সেই ভৱিষ্যত হৰিজন সেৱা সঙ্ঘৰ মূল ভাৱ আৰু কাৰ্য্যাৱলীও মহাত্মাই এই সময়ত ঠিক কৰিছিল। যদিও এই সময়ত মূল ৰাজনীতি ক্ষেত্ৰত সত্যাগ্ৰহৰ প্ৰয়োগ কৰা বন্ধ হ'ল, ইয়াৰপৰা তোমালোকে নধৰিবা যে সত্যাগ্ৰহ দেশৰপৰা নোহোৱা হ'ল। প্ৰকৃততে সত্যাগ্ৰহ ভাৱ, অৰ্থাৎ সজ্জ উপদেশ উপলব্ধি কৰিবৰ কাৰণে অহিংস আৰু প্ৰেমপূৰ্ণ হৈ থাকি অশেষ কষ্ট স্বীকাৰ কৰিবৰ প্ৰবৃত্তি দেশ ব্যাপি জুৰি পৰিল। মই তোমালোকক কেইটামান উদাহৰণ দিওঁ শুনা।

(১) তোমালোকে আকালি আন্দোলনৰ কথা জানানে? পঞ্জাৱৰ শিখ সমাজত কদাচাৰ প্ৰৱেশ কৰাত আৰু বিশেষকৈ শিখ সত্ৰবিলাকৰ মহন্তবিলাকে সত্ৰৰ সম্পত্তি আৰু যাত্ৰীসকলৰপৰা পোৱা ধন-সোণ ইত্যাদি আত্মসাৎ কৰি অন্যায় কৰাত শিখসকলৰ ভিতৰত 'আকালি দল' নামেৰে এটা সংস্কাৰকৰ দল গঠন হয়। এওঁলোকে 'সৎ শ্ৰী আকল' বুলি জয়ধ্বনি দিছিল আৰু এওঁলোকৰ প্ৰধান উদ্দেশ্য আছিল এওঁলোকৰ 'গুৰুদ্বাৰা' বা ধৰ্ম্মমন্দিৰ সংস্কাৰ কৰা আৰু আত্মসাৎকাৰী মহন্তসকলৰপৰা ধৰ্ম্মগুৰু সম্পত্তি উদ্ধাৰ আৰু পৰিচালনা কৰা। এওঁলোকৰ মূল সভাৰ নাম 'গুৰুদ্বাৰা শিৰোমণি প্ৰবন্ধক কমিটি' আৰু এই সভাৰ প্ৰধান কেন্দ্ৰ শিখসকলৰ প্ৰধান চহৰ অমৃতসৰত, য'ত বৰ্ত্তমান শিখসকলৰ সৰ্ব্বোৎকৃষ্ট গুৰুদ্বাৰা স্বৰ্ণমন্দিৰ। প্ৰথমতে এই সভাই পঞ্জাৱৰ শিখ 'গুৰুদ্বাৰাবিলাক'ৰ পৰিচালনা সম্বন্ধে মহন্তবিলাকৰ লগত পৰস্পৰে একপ্ৰকাৰ মীমাংসা কৰি লৈছিল। কিন্তু মহন্তবিলাকৰ স্বাৰ্থত আঘাত পৰাত তেওঁলোকে ক্ৰমে গৱৰ্ণমেণ্টৰ ওচৰত আপত্তি জনালে। এই সংস্কাৰকসকলে মহন্তৰ হাতৰপৰা সম্পত্তি কাঢ়ি নিবলৈ ওলোৱা বুলি ভাবি চৰকাৰী পুলিচে এওঁলোকৰ সংস্কাৰৰ কাৰ্য্যত সকলো প্ৰকাৰে প্ৰতিবন্ধক দিবলৈ আৰম্ভ কৰিলে। মহন্তসকলেও পুলিচৰ সহায়ত উৎসাহিত হৈ আকালিবিলাকক অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিলে। ১৯২১ চনৰ মাৰ্চ্চ মাহত 'নানকানা চাহাব' নামে এটা গুৰুদ্বাৰাত পাঁচ তাৰিখে এখন সভা

হোৱাৰ কথা আছিল। কিন্তু পিছত জনা গ'ল যে সেইদিনা গৱৰ্ণমেণ্টৰ হিচাবমতে সত্তৰজন আৰু শিখসকলৰ হিচাবমতে এশ পঁচানৈৰেজন নিৰপৰাধ যাত্ৰীক হত্যা কৰা হয়। প্ৰমাণত ইয়াকে পোৱা যায় যে ইয়াৰ মহন্তজনৰ লগত চাৰিহেজাৰ কাৰ্টিজ আৰু পঁয়ষষ্টিটা বিভলভাৰৰ গুলী পোৱা হয়। এটা ডাঙৰ গাতত অনেক মানুহ একেলগে ভস্ম হ'ব পৰাকৈ জুই জ্বলি থকাৰো প্ৰমাণ পোৱা যায়। মহন্তই পুলিচৰপৰা সহায় পাই, কিছুমান গুণ্ডাৰ দ্বাৰাই নিৰপৰাধ লোকক হত্যা কৰাই গাঁতত পুতি এই লোমহৰ্ষক হত্যাকাণ্ড কৰে বুলি আকালি শিখসকলে সন্দেহ কৰে। চৰকাৰে এপিনে আকালিবিলাকৰ ওপৰত গুৰুতৰ অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু শয়ে শয়ে শিখ-বিলাকক জেলত দিবলৈ ধৰিলে। আনপিনে গুৰুদ্বাৰা সংশোধন সম্বন্ধে এখন বিল প্ৰস্তুত কৰিলে। চৰকাৰৰ অত্যাচাৰৰ কাৰণে গুৰুদ্বাৰা শিৰোমণি প্ৰবন্ধক কমিটিয়ে চৰকাৰৰ গুৰুদ্বাৰা আইন সমৰ্থন কৰা দূৰতে থাকক, চৰকাৰৰ লগত অসহযোগ আৰম্ভ কৰিলে আৰু লগে লগে অসহনীয় যন্ত্ৰণা আৰু মৃত্যু আদৰেৰে গ্ৰহণ কৰি এনে ধৈৰ্য্য আৰু সাহসেৰে সত্যাগ্ৰহ চলালে যে ই জগতৰ ইতিহাসত এটা চিৰস্মৰণীয় ঘটনা হৈ থাকিল। গুৰুকাবাগ গুৰুদ্বাৰা চলোৱাৰ ভাৰ লবলৈ বিচৰা কিছুমান আকালিক এই গুৰুদ্বাৰাত বন্ধ কৰা হয় আৰু চিপাহীৰে গুৰুদ্বাৰা ঘেৰাও কৰি ৰখা হয়। বন্ধ হৈ থকা শিখবিলাকে খাবলৈ নাপাই বৰ কষ্ট পায়, কিন্তু চিপাহীবিলাকে অকণমান খাদ্য-বস্তুকো নিবলৈ নিদিলে। আকালি শিখবিলাকে প্ৰাণ দিও এওঁলোকক সহায় কৰিবলৈ উদ্যত হয়। সত্যাগ্ৰহকাৰীসকলে দলে দলে এই মন্দিৰলৈ যাবলৈ চেষ্টা কৰিবলৈ ধৰিলে। চিপাহীবিলাকে নিজে অহা-যোৱা কৰিবৰ কাৰণে মাত্ৰ এটা সৰু বাট ৰাখিছিল। এই বাটেৰেই সত্যাগ্ৰহীসকলে মন্দিৰত সোমাবলৈ চেষ্টা কৰাত চিপাহীবিলাকে নৃশংসভাৱে সত্যাগ্ৰহী-বিলাকক লাঠিৰে মাৰি বগৰাই দি জখম কৰে। সত্যাগ্ৰহীসকলৰ এদলৰ পিছত এদলে এইদৰে আহত হৈ পৰি গৈছিল আৰু এদলৰ পিছত এদলে আগৰ দলত ঠাই লৈছিল। এইদৰে প্ৰায় দুহেজাৰ সত্যাগ্ৰহীয়ে 'ষৎ শ্ৰী আকল'ৰ নাম মুখত লৈ অন্তৰত ধৰ্ম্মৰ জয় আশা কৰি, হাঁহিমুখে এই অত্যাচাৰ সহ্য কৰিবলৈ ধৰিলে। মেকফাৰছন নামৰ এজন পুলিচ চাহাবে জবানবন্দীত স্বীকাৰ কৰিছিল যে নশ তেৰৱন্নজন (৯৫৩) মানুহ আহত হয়; ইয়াৰ ভিতৰত কিছুমানৰ মূৰ, হাৰ, দাঁত ইত্যাদি ভাগি গৈছিল, আনবিলাকৰ

শৰীৰৰ নানা ঠাইত গুৰুতৰ আঘাত পাইছিল, অনেক লোক এনেকুৱা মাৰৰ কোবত অচেতন হৈ গৈছিল; তথাপি এজন সত্যাগ্ৰহীয়েও পুলিচক লাঠি চলোৱাত বাধা দিবলৈ অলপো চেষ্টা কৰা নাছিল। প্ৰত্যেকজন সত্যাগ্ৰহী সম্পূৰ্ণ অহিংস আছিল। এই দৃশ্য আকালি শিখসকলৰ তিৰোতাবিলাকে চাই আছিল। স্বামী বা পুত্ৰ আহত হোৱাত তেওঁলোকক ঘটনাস্থলীত শুশ্ৰূষা কৰিছিল, কিন্তু নৃশংস পুলিচে এই কামো কৰিবলৈ নিদিছিল। শুশ্ৰূষাকাৰী তিৰোতা মানুহ এগৰাকীৰ বুকুৰ ওপৰেদি ঘোঁৰা পাৰ হৈ যোৱাৰ চিনো পোৱা যায়। এইদৰে দুজনীৰ মৃত্যু হয়; তথাপি এই অত্যাচাৰীবিলাকক মোকৰ্দ্দমাত খালাচ দিয়া হয়। চৰকাৰে এইদৰে মাৰপিট কৰিয়েই ক্ষান্ত হোৱা নাছিল। দুশ দহজনক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু সিহঁতক এশ সাতাইশ হাজাৰ টকা জৰিমনা কৰা হৈছিল। সহধৰ্ম্মী শিখবিলাকৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি পেন্সনপ্ৰাপ্ত শিখ সৈনিক, কৰ্ম্মচাৰী আৰু চিপাহীবিলাকেও এই আন্দোলনত যোগ দিলেহি। কিন্তু এওঁলোকক ধৰি ফাটেক দিয়া হ'ল। এঠাইত কিছুমান মানুহে ৰেলত অনা কিছুমান আকালি কয়দীক খোৱা-বস্ত্ৰ দিবলৈ বাট চাই আছিল আৰু যাতে সেই ঠাইত ৰেল থমাবলৈ বাধ্য হয়, তাৰ কাৰণে ৰেলৰ লাইনত তেওঁলোক পৰি আছিল। ৰেল থমোৱা নহ'ল; এই দৃঢ়সঙ্কল্প লোকবিলাকৰ ওপৰেদি ৰেল চলাই থকাত দুজনৰ মৃত্যু আৰু সাতজনৰ জখম হয়। এবাৰ ফাটেকত বন্ধ হৈ থকা এশ সত্তৰজন আকালি কয়দীক চৰকাৰে কোনো কাৰণে খালাচ দিয়াৰ পিছত ৰেলেৰে আহি ষ্টেশ্যনত নামে। এই আকালিবিলাকক এটা নিৰ্দ্দিষ্ট বাটেৰে যাবলৈ হুকুম দিয়া হৈছিল। সেই হুকুম অমান্য কৰাৰ চেলু লৈ এই এশ সত্তৰজন লোকক সৈনিক, পুলিচ আৰু অশ্বাৰোহী চিপাহীৰে আক্ৰমণ কৰা হয় আৰু তাৰ ফলত এশ বিশজন লোকেই গুৰুতৰভাৱে জখম হয়।

এইদৰেই এই আকালিসকলে নাভা নামৰ এখন দেশীয় ৰাজ্যৰ শিখ ৰজাক ৰাজ্যচ্যুত কৰাত সত্যাগ্ৰহ কৰে আৰু সেই কাহিনী গুৰুকাবাগ সত্যাগ্ৰহৰ দৰেই ৰোমাঞ্চকৰ আৰু হৃদয়স্পৰ্শী। আকালি শিৰোমণি গুৰুদ্বাৰা প্ৰবন্ধক সমিতিয়ে নাভাৰ ৰজাক পুনৰ ৰাজ্যত প্ৰতিষ্ঠিত কৰাৰ উদ্দেশ্যে নাভাৰাজ্যৰ জাইটো নামৰ ঠাই এখনত কিছুমান আকালি শিখে বক্তৃতা দিয়ে আৰু লগতে 'অখণ্ড পন্থ' গ্ৰন্থ পাঠ কৰে। ইয়াৰ কাৰণে এওঁলোকক চৰকাৰী পুলিচে গ্ৰেপ্তাৰ কৰে। আকালিসকলে এইটো ধৰ্ম্ম-

বিশ্বাসতে আঘাত কৰা বুলি মানি জাইটোতে 'অখণ্ড পন্থ' পঢ়িবৰ কাৰণে সত্যাগ্ৰহ আৰম্ভ কৰিলে। পাঁচশজন আকালিৰ এটা 'জাঠা' বা দলে গীত গাই গাই 'অখণ্ড পন্থ' পঢ়িবলৈ আগবাঢ়ে। পুলিচে গুলী মাৰি কিছুমানক হত্যা কৰে। শিখসকলে কিন্তু অকণো ভয় নাখালে। 'স্বহিদী জাঠা' বা স্বৰ্গাভিলাষী শিখসকলে দলে দলে এই কামৰ নিমিত্তে আগবাঢ়িল। 'সৎ শ্ৰী অকাল' ধ্বনি কৰি 'জাইটো' সোমোৱা মাত্ৰে এওঁলোকক লাঠিৰে মাৰধৰ আৰু গ্ৰেপ্তাৰ কৰা হৈছিল। অলপ দিনৰ ভিতৰতে হেজাৰ হেজাৰ আকালি বন্দীৰে জেল ভৰি যাবলৈ ধৰিলে। জেলৰ ভিতৰতো এই সাহসী অহিংস শিখসকলে অনেক প্ৰকাৰ অত্যাচাৰ আৰু জুলুম সহ্য কৰিবলৈ ধৰিলে, তথাপি সত্যাগ্ৰহৰপৰা বিৰত নহ'ল। এওঁলোকৰ বীৰত্বপূৰ্ণ কাৰ্য্যত ভাৰতবৰ্ষৰ সকলো লোকে তবধ মানিলে। এওঁলোকৰ অৱস্থা চাবলৈ গৈ পঞ্জাৱৰ নেতা কিছ্‌লু, আচাৰ্য্য গিড্‌ওৱানী আৰু পণ্ডিত জৱাহৰলাল নেহৰুৱেও অকাৰণে বন্দ হৈ ফাটেকত অনেক কষ্ট ভুগিবলগীয়া হয়। অৱশেষত বৃটিছ চৰকাৰেও গুৰুকাবাদ আৰু জাইটোৰ নৃশংসতা বেছি দিন চলাবলৈ অনিচ্ছুক হ'ল। ইয়াৰ ভিতৰতে গুৰুদ্বাৰাবিলাক ভালকৈ পৰিচালনাৰ কাৰণে এখন গুৰুদ্বাৰা আইন পাছ কৰা হয়। তাৰ ফলত ধাৰ্ম্মিক আকালিসকলৰ উদ্দেশ্য সফল হয় আৰু এইদৰে সত্য আৰু অহিংসাৰ জয় হয়।

(১) বাপা, ১৯১৪ শকৰ ভাইকম্ সত্যাগ্ৰহো এটা উল্লেখযোগ্য ঘটনা। এই সত্যাগ্ৰহ ত্ৰিবাঙ্কুৰ ৰাজ্যত অস্পৃশ্যসকলৰ ঘৃণিত অৱস্থা দূৰ কৰিবৰ কাৰণে কৰা হয়। দাক্ষিনাত্যত আজিও বহুত ঠাইত পিছ পৰি থকা জাতিবিলাকক উচ্চ-হিন্দু, বিশেষকৈ ব্ৰাহ্মণবিলাকে বৰ ঘিণ কৰে। বহুত ঠাইত এওঁলোক যোৱা বাটেদি এই জাতিৰ মানুহৰ যাবৰ অধিকাৰ নাই। এনে নিয়মো আছিল যে 'পঞ্চম' জাতিৰ লোক দেখিলেও ব্ৰাহ্মণ অশুচি হৈছিল। মহাত্মা গান্ধীৰ প্ৰভাৱত এই জঘন্য প্ৰথাবিলাক ক্ৰমে ব্ৰাহ্মণবিলাকে এৰিবলৈ ধৰিছে সঁচা, কিন্তু এই মনোবৃত্তিৰ সম্পূৰ্ণ পৰিবৰ্ত্তন হোৱা নাই। ভাইকম্ এখন সৰু গাঁও, মাজতে এটা ডাঙৰ মন্দিৰ। গাঁৱৰ মাজৰ ডাঙৰ বাটটো দুয়ো মূৰৰপৰা আহি মন্দিৰত লাগিছেহি। এই গাঁওখন বাৰিষা তল যায়। ব্ৰাহ্মণবিলাকে মন্দিৰৰ ওচৰত এই ঘাই বাটটোৰ কাষত বসতি কৰিছিল। এই গাঁৱত অনেক অস্পৃশ্যৰো ঘৰ আছিল, কিন্তু কোনোমতেই হতভগীয়াহঁতক এই বাটেৰে ব্ৰাহ্মণসকলৰ ঘৰৰ

বা মন্দিৰৰ কাষেৰে যাবলৈ দিয়া হোৱা নাছিল। গান্ধীজীৰ ভক্ত জর্জ জোচেক এজন খ্রীষ্টিয়ান আছিল; এওঁ এই ঘৃণনীয় কু-প্রথা উঠাবৰ কাৰণে সত্যাগ্রহ কৰিবলৈ ওলাল আৰু অনেক সত্যাগ্রহী সংগ্ৰহ কৰি সত্যাগ্রহ আৰম্ভ কৰিলে। অস্পৃশ্যসকলক লৈ এওঁলোক এই বাটেৰে যাবলৈ প্রস্তুত হ'ল। ৰাজ্যৰ পুলিচ কর্তৃপক্ষই পূর্ব্বৰ নিয়ম ৰক্ষা কৰিবৰ অভিপ্রায়ে এই কামত বাধা দিলে, কিন্তু সত্যাগ্রহীসকলে বাধা নামানি বাটেৰে যোৱাত গ্রেপ্তাৰ হৈ জেল ভৰি যাবলৈ ধৰিলে। তেতিয়া পুলিচে ব্রাহ্মণৰ বাহিৰে আন মানুহ যোৱা বন্ধ কৰিবৰ অভিপ্রায়েৰে এটা সৰু আলি ৰাখি বাকী ঠাইত পুলিচ-চিপাহীৰে পহৰা দি অহা-যোৱা বাট নোহোৱা কৰি পেলালে। তেতিয়া সত্যাগ্রহীসকলৰ ইটো দলৰ পিছত সিটো দল আহি নাম-কীৰ্ত্তন গাই দিনৰ পিছত দিন, সপ্তাহৰ পিছত সপ্তাহ ধৰি মিনতি কৰি থিয় হৈ থাকিল। শেষত যেতিয়া বাৰিষাৰ পানীৰে ভাইকমৰ বাট-পদূলি তল গ'ল, পুলিচে বাটটো পহৰা-দিবৰ কাৰণে সেই ঠাইলৈ নাও আনি বন্ধ বাট বন্ধ কৰিয়েই থলে; কিন্তু সত্যাগ্রহীসকল তেওঁলোকৰ কর্ত্তব্যৰপৰা অকণো বিচলিত নহ'ল। এককাল পানীত তল গৈ তেওঁলোকে আগৰ দৰে মিনতি কৰি থিয় হৈ কীৰ্ত্তন কৰি দিনৰ পিছত দিন কটাবলৈ ধৰিলে। কিছুমান সত্যাগ্রহীৰ বেমাৰ হ'ল, কিন্তু তেওঁলোকৰ কাৰ্য্য ক্ষন্তেকৰ বাবেও স্থগিত নহ'ল। এই সত্যাগ্রহীসকলৰ সৰলতা, কষ্ট-সহিষ্ণুতা আৰু একাগ্রচিত্ততা দেখা পাই মানুহৰ মনৰ ভাৱ পৰিবৰ্ত্তন হ'বলৈ ধৰিলে। যাৰ পৰামর্শ মতে এই সত্যাগ্রহ আৰম্ভ কৰা হৈছিল, সেইজন মহাত্মা গান্ধী অৱশেষত নিজে এই ঠাইলৈ আহি এনেদৰে এটা আপোচ কৰিলে যে অস্পৃশ্যসকলৰ এই বাটেৰে যোৱা-অহা কৰাৰ অধিকাৰ স্বীকাৰ কৰি লোৱা হ'ল। এইদৰে অহিংসা আৰু ত্যাগৰ বলত সত্যাগ্রহীসকল জয়ী হ'ল। এই সত্যাগ্রহ প্রায় ন মাহমান চলিছিল—১৯২৪ চনৰ শেষৰপৰা ১৯২৫ চনলৈকে।

(৩) ১৯২৩ চনত নাগৰিক অধিকাৰ ৰক্ষাৰ কাৰণেও এই মহামন্ত্র প্রয়োগ কৰা হৈছিল আৰু তাৰ সুফল পোৱা গৈছিল। নাগপুৰ চহৰৰ এটা বাটেদি কংগ্রেছী জাতীয় পতাকা উকৰাই শোভাযাত্রা কৰিবলৈ মানা কৰা হৈছিল। তাৰ কাৰণে সত্যাগ্রহ কৰিবলৈ স্থিৰ কৰি প্রায় ছয় সাত মাহৰ ভিতৰত ছহেজাৰমান স্বেচ্ছাসেৱীয়ে ফাটেক আৰু আন কষ্ট সহ্য কৰাৰ পিছত চৰকাৰে সত্যাগ্রহীসকলক গ্রেপ্তাৰ কৰিবলৈ এৰি দিলে আৰু এইদৰে

সত্যাগ্ৰহৰ উদ্দেশ্য সাধন হ'ল।

(৪) আমাৰ অৰ্থনৈতিক সমস্যাত আৰু শাসকসকলৰ অত্যাচাৰৰ বিপক্ষে সত্যাগ্ৰহ অস্ত্ৰ ব্যৱহাৰ কৰি কেনেকৈ কৃতকাৰ্য্য হব পাৰি তাৰ প্ৰমাণ বাৰদৌলি সত্যাগ্ৰহত বিশেষভাৱে প্ৰমাণিত হয়। বাৰদৌলিত একেবাহে কেই বছৰমান খেতি নোহোৱাৰ কাৰণে খেতিয়কৰ অৱস্থা একেবাৰে বেয়া হৈ গৈছিল। এনেতে চৰকাৰে নতুন পিয়ল কৰি গড়ে প্ৰতি টকাৰ চাৰি অনাকৈ খাজনা বঢ়াই দিলে। কোৱা বাহুল্য মাথোন যে খেতিয়কসকল এই বৰ্ধিত খাজনা দিবলৈ অপাৰগ হ'ল। প্ৰথমতে প্ৰজাসকলে বোম্বে কাউন্সিলত তেওঁলোকৰ প্ৰতিনিধিসকলৰ জৰিয়তে ডেপুটী কলেক্টৰ, ৰেভিনিউ বোৰ্ডৰ কমিশ্যনাৰ, লাট চাহাব আদিলৈ যুক্তিমূলক আবেদন কৰি আৰু আন প্ৰকাৰেও সভা-সমিতিত প্ৰস্তাৱ আদি গ্ৰহণ কৰি সকলো প্ৰকাৰ আইনসঙ্গত আন্দোলন চলালে। সকলো কাকুতি-মিনতি, আবেদন-নিবেদন ব্যৰ্থ হ'লত এই প্ৰজা-সকলে নিৰ্ভীক নেতা বল্লভভাই পেটেলৰ নেতৃত্ব গ্ৰহণ কৰি চৰকাৰে তদন্ত কৰি খাজনাৰ নিৰিখ নতুনকৈ নিৰ্ধাৰণ নকৰালৈকে বৰ্ধিত খাজনা নিদিবলৈ ঠিক কৰে। শাসকসকলেও প্ৰজাক এই বিদ্ৰোহ ভাবৰ কাৰণে উপযুক্ত শিক্ষা দিবলৈ ঠিক কৰিলে। প্ৰথমতে চৰকাৰে প্ৰজাবৃন্দৰ অস্থাৱৰ বস্তু যি য'ত পালে তাকে ক্ৰোক কৰিলে, কিন্তু ক্ৰোক কৰা বস্তুবিলাক নিলাম কৰা ঠাইলৈ নিবলৈকে মানুহ বিচাৰি নোপোৱা হ'ল আৰু কোনেও এই বস্তুবোৰ নিলামত ল'বলৈ আগ নাবাঢ়িল। তেতিয়া চৰকাৰী কৰ্ম্মচাৰীবিলাকে সেই তালুকৰপৰা বহু দূৰ ঠাইলৈ বস্তুবোৰ নি অতি কম দামতে বিক্ৰি কৰিও বাকী খাজনা সম্পূৰ্ণকৈ আদায় কৰিব নোৱাৰিলে। তাৰ পিছত চৰকাৰে এই ত্ৰুখীয়া প্ৰজাবৃন্দৰ মাটিবিলাক বাজেয়াপ্ত কৰি তেওঁলোকক মাটিৰপৰা খেদি দিবলৈ ধৰিলে। অস্থাৱৰ সম্পত্তি ক্ৰোক কৰাৰ সময়তে স্থানীয় পুলিচৰপৰা সহায় পোৱাৰ আশা ত্যাগ কৰি চৰকাৰে পাঠান পুলিচ নিছিল আৰু সিহঁতে ক্ৰোক কৰোঁতে প্ৰজাক যথেষ্ট কষ্ট দিয়া সত্ত্বেও প্ৰজাৰ শান্তি-প্ৰিয়তা আৰু সহিষ্ণুতা দেখি পাঠান পুলিচেও এইদৰে অত্যাচাৰ কৰি ভাল নোপোৱা হ'ল। চৰকাৰে এইবাৰ উত্তৰ-পশ্চিম প্ৰান্তৰপৰা পাঠান আনি যিমান পাৰে অত্যাচাৰ আৰম্ভ কৰিলে। খেতিয়কবিলাকক অতি নিষ্ঠুৰভাৱে বলেৰে ঘৰৰপৰা উলিয়াই দিয়া হ'ল। ল'ৰা-ছোৱালীৰ হাতত ধৰি এই কষ্টসহিষ্ণু খেতিয়কসকলে নিজৰ ঘৰ-বাৰী এৰি মুকলি আকাশৰ তলত আশ্ৰয়

ললে। চৰকাৰে মাটিবিলাকো নিলামত দিলে আৰু ওপৰৱালা চৰকাৰী কৰ্ম্মচাৰীবিলাকৰ প্ৰৰোচনাত অতি কম দামতে মাটি কিনা মানুহো পালে। এইদৰে খেতিয়কসকলৰ সৰ্ব্বস্ব চৰকাৰ আৰু চৰকাৰৰ সহায়কাৰী লোকে গ্ৰাস কৰিলে। কিন্তু আনপিনে এই অসীম কষ্ট স্বীকাৰ কৰাৰ পিছতো সাধাৰণ খেতিয়কসকলৰ ত্যাগ, দৃঢ়তা আৰু অহিংস শক্তি দেখি এওঁলোকলৈ বহু লোকৰপৰা সহানুভূতি আৰু সাহায্য আহিবলৈ ধৰিলে। চৰ্দ্দাৰ পেটেলৰ অদম্য সাহস আৰু কাৰ্য্যতৎপৰতাৰ ফলত এই কৃষকসকলে বাইজৰপৰা সকলো প্ৰকাৰৰ সহায় পাবলৈ ধৰিলে আৰু সকলো পন্থাৰ ৰাজনৈতিক নেতাই এওঁলোকৰ সপক্ষে আন্দোলন কৰিবলৈ ধৰিলে। ফলত কৃষকসকলে বিচৰা তদন্তৰ দাবী ন্যায্য বুলি স্বীকাৰ কৰি এজন জজ (১৯২২ চনত গান্ধীজীৰ বিচাৰৰ কৰা বিচাৰপতিজন) আৰু কমিশ্যনাৰক তদন্ত কৰিবলৈ দিলে। তদন্ত কৃষকসকলৰ দাবী ন্যায্য বুলি প্ৰমাণিত হ'ল। ক্ৰমে এওঁলোকৰ নিলামত বিক্ৰি হোৱা মাটিবিলাকো ঘূৰাই দিয়া হ'ল। এইদৰে আকৌ এবাৰ অহিংস প্ৰতিৰোধ নীতিৰ জয় হ'ল। কোৱা বাহুল্য মাথোন যে এই মহৎ আন্দোলনটোৰ নেতা চৰ্দ্দাৰ বল্লভভায়ে এই যুদ্ধত সকলো সময়তে গান্ধীজীৰপৰা সহায় পাই আছিল।

এইদৰে এপিনে যেনেকৈ সত্যাগ্ৰহত জয় হোৱাৰ কাৰণে মানুহৰ মন ক্ৰমে এই মন্ত্ৰৰ ফালে আকৰ্ষিত হৈছিল, আনপিনে তেনেকৈ ব্যৱস্থাপক সভা পন্থা অনুসৰণ কৰা লোকসকলৰ মাজত স্বৰাজ পোৱা সম্বন্ধে ক্ৰমে নিৰাশাৰ ভাব বাঢ়ি আহিল। যি স্বৰাজপন্থী নেতাসকলে এসময়ত মহাত্মাৰ নৈতিকতাক তুচ্ছ-তাচ্ছিল্য কৰিবলৈকো আগ বাঢ়িছিল, সেইসকলে এতিয়া অসহযোগ আৰু সত্যাগ্ৰহৰ বাহিৰে যে নিৰস্ত্ৰ ভাৰতবাসীৰ স্বৰাজ পোৱাৰ আন পথ নাই তাক বুজিবলৈ ধৰিলে। মহাত্মাৰ প্ৰেমৰ জগতৰপৰা এৰা পৰিবলৈ ওলোৱা নেতাসকল আকৌ মহাত্মাই আগৰেপৰা ভবাৰ দৰেই ঘূৰি আহিল।

বাপা, কি কাৰণে এনে অৱস্থা ঘটিল তাক চমুকৈ কওঁ শুনা। কংগ্ৰেছৰ 'স্বৰাজী' দলে ব্যৱস্থাপক সভাত সোমাই বৃটিছৰ শাসন অন্যায় বুলি প্ৰতিপন্ন কৰি লাহে লাহে আইনসঙ্গতভাৱে বৃটিছৰ শাসন প্ৰণালী ধ্বংস কৰাৰ পথ লৈছিল আৰু লগে লগে ভাৰতৰ স্বৰাজৰ দাবী দাঙি ধৰি সেই দাবী বৃটিছৰ হতুৱাই মনাই লব পাৰিব বুলি আশা পুহিছিল। চিত্তৰঞ্জন দাস, মতিলাল নেহৰু, লালা লাজপত ৰায় আদি প্ৰথম শ্ৰেণীৰ নেতাসকলে

এটা দল কৰি প্ৰথমতে কৃতকাৰ্য্যতা সহকাৰে কাম কৰি গৈছিল। প্ৰথম দুবছৰ কেন্দ্ৰীয় ব্যৱস্থাপক সভাত প্ৰায় সকলো কথাতে স্বৰাজ্য দলে আন আন দলৰ লগত মিলি চৰকাৰ পক্ষক প্ৰায় সকলো কথাতে হৰুৱাইছিল। বঙ্গদেশত দেশবন্ধু দাসৰ নেতৃত্বত, মধ্যপ্ৰদেশত ডাঃ মুঞ্জৰ নেতৃত্বত আৰু অসমতো মোঃ ফৌজনুৰ আলি আৰু কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ নেতৃত্বত মন্ত্ৰীসভা ধ্বংস কৰা, মন্ত্ৰীসকলৰ দৰমহা কমোৱা ইত্যাদি প্ৰস্তাৱ পাছ কৰিব পাৰিছিল। কিন্তু এই জয় অতি ক্ষণস্থায়ী হ'ল। স্বৰাজ্য দলত দলাদলি হৈ নতুন দলৰ সৃষ্টি হ'ল আৰু শ্ৰীৰামচন্দ্ৰ ৰাও, ডাঃ মুঞ্জ, ডাঃ জয়কাৰ ইত্যাদি নেতাসকলে এটা বেলেগ দল গঠন কৰি মন্ত্ৰীপদ বা এক্‌-জিকিউটিভ কাউন্সিলৰ পদ লবলৈ আগবাঢ়িল আৰু ৰাঘবেন্দ্ৰ ৰাৱে তেনে পদ গ্ৰহণ কৰিলে। আনপিনে হিন্দু-মুছলমান বিৰোধৰ কাৰণে লাজপত ৰায়ে জাতীয়তাবাদী কংগ্ৰেছ নাম দি এটা নতুন দল গঠন কৰিলে। মুছলমান-সকলৰ ভিতৰতো কিছুমানে কংগ্ৰেছৰ লগত সহযোগ এৰি মুছলিম লীগ আৰু খিলাফত কমিটি গঠন কৰিলে। লগে লগে দেশত হিন্দু-মুছলমানৰ মাজত বিৰোধ আৰু হাই-কাজিয়া বাঢ়িবলৈ ধৰিলে। এইদৰে মহাত্মা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছৰ একতা ভাঙি টুকুৰা-টুকুৰ হবলৈ ধৰিলে।

কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ জৰিয়তে স্বৰাজৰ দাবী পণ্ডিত মতিলাল নেহৰু প্ৰভৃতি নেতাসকলে দাঙি ধৰিছিল আৰু কংগ্ৰেছে ভাৰতবৰ্ষত ঔপনিবেশিক শাসনতন্ত্ৰ প্ৰচলন কৰিবৰ কাৰণে এখন ঘূৰণীয়া মেজ-মেল আহ্বান কৰাৰ বাবে বৃটিছৰ ওচৰত দাবী উত্থাপন কৰিছিল আৰু লগে লগে সেই সম্বন্ধে ভৱিষ্যৎ শাসনতন্ত্ৰৰ এখন আঁচনিও প্ৰস্তুত কৰিছিল। তাৰ নামেই হল 'নেহৰু ৰিপোৰ্ট'। কিন্তু বৃটিছ চৰকাৰে এই দাবী একেবাৰে আওকাণ কৰি ভাৰতবৰ্ষৰ ভৱিষ্যৎ শাসনতন্ত্ৰ সম্পৰ্কে ৰিপোৰ্ট দিবলৈ কেৱল মাত্ৰ বৃটিছ সদস্যৰে গঠিত এটা কমিশ্যন পঠিয়ালে। বৃটিছৰ ভাৰতীয়ৰ প্ৰতি এনেকুৱা তাচ্ছিল্যৰ ভাবে সকলো শ্ৰেণীৰ ৰাজনৈতিক লোককেই বৃটিছ চৰকাৰৰ বিৰোধী কৰি তুলিলে। আনপিনে ডেকাদলৰ নেতা পণ্ডিত জৱাহৰলাল নেহৰু আৰু সুভাষচন্দ্ৰ বসুৱে পূৰ্ণ স্বাধীনতাৰ কল্পনা কংগ্ৰেছৰ ডেকা-দলৰ আগত দাঙি ধৰি তাৰ কাৰণে সকলো ধৰণৰ যাতনা সহিবলৈ প্ৰস্তুত থাকিবলৈ উদগণি দিলে। এনে অৱস্থাত কংগ্ৰেছৰ বয়সস্থ আৰু ডেকা দলৰ লোকে সঘনে ব্যৱস্থাপক সভাত সোমোৱা নীতি ত্যাগ কৰি

নতুন নীতি লোৱাৰ কথা ভাবিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে এটাইবিলাক সম্প্ৰদায়ৰ লোক মিলি নিজৰ ভিতৰত ঐক্য স্থাপন কৰিবলৈ চেষ্টা কৰিলে আৰু এই উদ্দেশ্যে ১৯২৭ চনৰ ভিতৰত হিন্দু-মুছলমান আদি সম্প্ৰদায়ৰ নেতাসকল মিলি এলাহাবাদ আৰু কলিকতাত কেনেকৈ এই ঐক্য স্থাপন কৰিব পাৰি তাৰ বাবে আলোচনা কৰিলে। কিন্তু নেতাসকল এই বিষয়ত একো সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে। 'চাইমন কমিশ্যন' বয়কট বা অসহযোগ কৰাৰ সম্বন্ধেহে সকলো শ্ৰেণীৰ ৰাজনৈতিক মত এক হ'ব পাৰিলে। এই কমিশ্যন বৰ্জ্জন কৰোঁতে সকলো ঠাইতে কমিছনৰ সদস্য-বোৰক ক'লা পতাকা দেখুউৱা হৈছিল। এই কাম কৰিবলৈ যাওঁতে পুলিচৰ লাঠীৰ কোবত আৰু আন প্ৰকাৰেও বহু লোক অপমানিত আৰু ক্ষতিগ্ৰস্ত হৈছিল। ডেকা দলৰ কিছুমানে হিংসা নীতিৰ আশ্ৰয় লোৱা দেখা গৈছিল; ঠায়ে ঠায়ে ভিতৰুৱাকৈ গুপ্ত সভা স্থাপিত হোৱাৰ প্ৰমাণ পুলিচে পাবলৈ ধৰিলে। ভগৎ সিং নামৰ এজন পঞ্জাবী ডেকাই দিল্লীৰ ব্যৱস্থাপক সভা-ঘৰৰ মাজত প্ৰকাশ্যে হাত-বোমা পেলালে। ইয়াৰ আগতে লাহোৰৰ পুলিচ চাহাবক হত্যা কৰা হৈছিল। ভগৎ সিঙক প্ৰথম অপৰাধত কলীয়া পানী আৰু দ্বিতীয় অপৰাধত মৃত্যুদণ্ড দিয়া হয়। পুলিচে বঙ্গ, পঞ্জাব আৰু যুক্ত প্ৰদেশৰ অনেক ডেকাক বিনা বিচাৰে আৰু কিছুমানক বিচাৰ কৰি জেলত সুমুৱাই ৰাখিলে।

এইদৰে ভাৰতৰ ৰাজনৈতিক অৱস্থা সম্বন্ধে কংগ্ৰেছৰ বাহিৰেও সকলো শ্ৰেণীৰ আৰু সকলো মতৰ মানুহৰ ভিতৰত ১৯২০ চনৰ দৰে আকৌ এটা অস্থিৰতাৰ চিন দেখা গ'ল। সকলো মতৰ মানুহেই শাসন-সংস্কাৰ সম্বন্ধে বৃটিছ চৰকাৰৰ কাঠচিতীয়া ব্যৱহাৰ দেখি কেনেকৈ বৃটিছৰ হাতৰপৰা ভাৰতীয়ৰ হাতলৈ শাসন ভাৰ আনিব পাৰি, তাৰ উপায় চিন্তিবলৈ ধৰিলে। এই সন্ধিক্ষণত কংগ্ৰেছৰ নেতৃবৰ্গ মহাত্মাজীৰ নেতৃত্ব মানি লবলৈ বাধ্য হ'ল। মহাত্মাজী এই কেইবছৰ কংগ্ৰেছৰ কামত লিপ্ত নাছিল সঁচা, কিন্তু তেওঁ কেতিয়াও তেওঁৰ বন্ধুবিলাকক আৰু কংগ্ৰেছৰ সন্মুখত উপস্থিত হোৱা জটিল সমস্যাবিলাকত খোজা মাত্ৰে উপদেশ নিদিয়াকৈ নাথাকিছিল। কংগ্ৰেছৰ সংকট যিমানে ঘনীভূত হবলৈ ধৰিলে, গান্ধীজীও সিমান পৰিমাণে কংগ্ৰেছৰ ওচৰ চাপিলহি। তেওঁৰ মনত নিশ্চই এনে এটা ভাব হৈছিল যে এপিনে ভাৰতীয় ডেকা দলটোক হিংসা ভাবৰপৰা মুক্ত কৰিবলৈ হলে আৰু

আনপিনে বৃটিছ চৰকাৰৰ কাঠচিতীয়া ব্যৱহাৰৰ বিৰুদ্ধে থিয় হবলৈ হলে তেওঁ পুনৰ কংগ্ৰেছৰ নেতৃত্ব গ্ৰহণ কৰা উচিত হ'ব আৰু অহিংস প্ৰতিৰোধৰ দ্বাৰাইহে উভয় অন্যায়ৰপৰা ভাৰতবাসী ৰক্ষা পৰিব ।

১৯২৮ চনত কলিকতা কংগ্ৰেছত এইদৰে এটা প্ৰস্তাৱ গৃহীত হৈছিল যে যদি এবছৰৰ ভিতৰত বৃটিছ চৰকাৰে ভাৰতক ঔপনিবেশিক শাসনতন্ত্ৰ নিদিয়ে, তেন্তে কংগ্ৰেছে ভাৰতবাসীক পূৰ্ণ স্বাধীনতাৰ কাৰণে সংকল্প লবলৈ উপদেশ দিব। ১৯২৯ চনৰ ডিচেম্বৰত বহিবলগীয়া কংগ্ৰেছ বহিবৰ সময় হোৱা সত্বেও বৃটিছ চৰকাৰে এই সম্বন্ধে কোনো ঘোষণা দিয়া নাছিল। অৱশেষত বৰলাট লৰ্ড আৰউইনে গান্ধীজীক আৰু পণ্ডিত মতিলাল নেহৰুক মাতি পঠিয়াইছিল।

১৯২৯ চনৰ লাহোৰ কংগ্ৰেছলৈ যাওঁতে লৰ্ড আৰউইনৰ লগত দেখা কৰি কথা-বতৰা হৈ তেওঁলোকে ইয়াকে বুজিলে যে বৃটিছ চৰকাৰে সকলো মতবাদৰ লোক একেলগ কৰি ভৱিষ্যৎ শাসন-সংস্কাৰ সম্বন্ধে আলোচনা কৰিব, কিন্তু ঔপনিবেশিক শাসনক ভিত্তি কৰি কোনো আলোচনা কৰিবলৈ চৰকাৰ ৰাজী নহয় ।

১৯২৯ চনত বহা লাহোৰ কংগ্ৰেছত, আগৰ কংগ্ৰেছৰ প্ৰস্তাৱ মতে, ভাৰতৰ পূৰ্ণ স্বাধীনতাই কংগ্ৰেছৰ লক্ষ্য বুলি ঘোষণা কৰা হয় ।

মহাত্মা গান্ধীয়েই ১৯২০ চনৰ দৰে আকৌ দহ বছৰৰ পিছত কংগ্ৰেছৰ অপ্ৰতিদ্বন্দ্বী নেতা হৈ পৰিল আৰু বৃটিছৰ নিকপ্‌কপীয়া নীতিৰ কাৰণে সেই সময়ৰ আন আন দলবিলাকৰপৰাও সহানুভূতি পালে। কংগ্ৰেছৰ ঔপনিবেশিক স্বায়ত্ত শাসনৰ দাবী সম্পৰ্কে বৃটিছ চৰকাৰে একো নকৰাত গান্ধীজীয়ে আইন অমান্য আন্দোলন চলাবলৈ গাত ললে। ইয়াৰ ভিতৰতে কংগ্ৰেছৰ প্ৰস্তাৱ মতে ব্যৱস্থাপক সভাৰ কংগ্ৰেছী সদস্যসকলে সদস্যপদ ইস্তফা দিলে। কংগ্ৰেছৰ প্ৰস্তাৱ মতে ১৯৩০ চনৰ ছাব্বিশ জানুৱাৰী তাৰিখে স্বাধীনতা দিবস পালন কৰাত বৃটিছ চৰকাৰৰ দমন নীতি দুগুণে বাঢ়িবলৈ ধৰিলে। আন প্ৰকাৰেও বৃটিছৰ দমন নীতি বঙ্গ, পঞ্জাব আৰু যুক্তপ্ৰদেশত এনে কঠোৰভাৱে চলোৱা হৈছিল যে এই কেই প্ৰদেশৰ মানুহ-বিলাক একেবাৰে অস্থিৰ হৈ পৰিছিল। গতিকে গান্ধীজীৰ আইন অমান্য আন্দোলনত যোগ দি ভৱিষ্যতে বিদেশী চৰকাৰৰ হাতত বেছি অত্যাচাৰ আৰু জুলুম সহ্য কৰিবলগা হ'ব বুলি জানিও এই কেই প্ৰদেশৰ লোকে আন্দোলনত যোগ দিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মহাত্মাই পুনৰ ৰাজনৈতিক

নেতৃত্ব গ্ৰহণ কৰাৰ লগে লগে পুনৰ মানুহৰ মনত আশা আৰু ভৰসাই ঠাই পালে। আকৌ দেশত হেজাৰ-হেজাৰ স্বেচ্ছাসেৱক সুগঠিত আৰু সুশৃংখলিত হৈ পৰিল। ডেকা দলৰ মাজত হোৱা হিংসাৰ সোঁত বন্ধ হ'ল আৰু বৃটিছ শক্তিৰ লগত অহিংস যুঁজ দিবলৈ তেওঁলোক সাজু হ'ল।

আচৰিত কথা এয়ে যে মহাত্মা গান্ধীয়ে কি প্ৰকাৰে এই আন্দোলন চলাব তাক কোনেও গম পোৱা নাছিল। আনকি তেওঁ লোণ-কৰ আইন অমান্য কৰিব বুলি প্ৰকাশ কৰাৰ পিছতো কেনেকৈ এই আইন অমান্য কৰিব আৰু তাৰ দ্বাৰাই পূৰ্ণ স্বাধীনতা প্ৰাপ্তি কেনেকৈ হ'ব সেই কথা গান্ধীজীৰ অতি অন্তৰঙ্গ বন্ধুবৰ্গইও শেষলৈকে জনা নাছিল।

বাপা, আমি যি লোণ পাওঁ আৰু তাক কিনোতে আমি যি কৰ দিওঁ তাৰ আঁতিগুৰি সম্বন্ধে চমুকৈ কওঁ শুনা। তোমালোকে নিশ্চয় জানা যে মানুহৰ খোৱা বস্তুৰ ভিতৰত লোণ এটা অতি আৱশ্যকীয় বস্তু। বৃটিছ চৰকাৰৰ আগতে সাগৰ আৰু লুণীয়া হ্ৰদৰ পাৰত থকা মানুহে সাগৰ আৰু হ্ৰদৰ পানীৰপৰা লোণ সংগ্ৰহ কৰিছিল। আন আন ঠাইতো লোণৰ পুঙৰপৰা লোণ উলিয়াইছিল আৰু তাৰ বেপাৰ কৰিছিল। অসমৰ নিচিনা ঠাইত লোণ পোৱা টান আছিল। অসমৰ মানুহে খাৰ-লোণহে প্ৰায়ে ব্যৱহাৰ কৰিছিল। বৃটিছ বেপাৰীয়ে ভাৰত অধিকাৰ কৰাৰ পিছত লোণৰ কাৰবাৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে ভাৰতৰপৰা যিমান কেঁচা-বস্তু লৈ যায় তাতকৈ বহুত কম বস্তু বেছি দামত ভাৰতত বিক্ৰি কৰে। এই কাৰবাৰ বিলাতী জাহাজেৰে চলোৱা কাৰণে বিলাতৰপৰা কিছুমান খালী জাহাজ ভাৰতলৈ আনিবলৈ বাধ্য হয়। তোমালোকে জানা যে মুকলি সাগৰত একেবাৰে খালী জাহাজ অনাটো বিপজ্জনক। তাৰ কাৰণে কিছু বোজা জাহাজত থাকিবই লাগে। বিলাতৰ লিভাৰপুৰৰ লোণ-বেপাৰীসকলে সেই খালী জাহাজত বোজাই দিয়াৰ কাৰণে লোণ নামমাত্ৰ মূল্যত বিক্ৰি কৰিছিল। সেই বিলাতী লোণ ভাৰতত চলাবৰ কাৰণে বৃটিছ চৰকাৰে থলুৱা লোণৰ ওপৰত এনেকুৱা কৰ বহুৱালে যে বিলাতী লোণৰ লগত দামত প্ৰতিযোগিতা কৰিব নোৱাৰা হ'ল আৰু ভাৰতীয় লোণতকৈ বৃটিছৰ লোণ ভাৰতৰ বজাৰত বেছিকৈ চলিবলৈ ধৰিলে। এই কৰ কেতিয়াবা সেৰে প্ৰতি দুঅনালৈকে লগোৱা হৈছিল। এই লোণ-কৰ সম্পৰ্কে কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ কংগ্ৰেছী আৰু আন আন জাতীয় দলে মিলি প্ৰশ্ন কৰি কেইবাবাৰো এই কৰ নামঞ্জুৰ

কৰিছিল। কিন্তু বৰলাট চাহাবে নিজ অধিকাৰৰ বলত ব্যৱস্থাপক সভাৰ মত বাহাল নাৰাখি এই কৰ লগাই ৰাখে।

কোৱা বাহুল্য মাথোন যে প্ৰত্যেক মানুহেই সদায় লোণ খাবলৈ বাধ্য কাৰণে এই কৰ লগোৱাৰ অন্যায় নীতি সকলো মানুহেই সহজে বুজিব পাৰিছিল। ১৯২০ চনত অসহযোগ আন্দোলনৰ আগতে লিখাৰ দৰে এইবাৰো গান্ধীজীয়ে লৰ্ড আৰউইনলৈ 'প্ৰিয় বন্ধু' ( Dear friend ) বুলি সম্বোধন কৰি সবৰমতী আশ্ৰমৰপৰা এখন দীঘলীয়া চিঠি লিখিলে। তাত তেওঁ লিখিলে যে বৃটিছ শাসন ভাৰতৰ কাৰণে এটা ডাঙৰ অভিশাপ স্বৰূপ। তাৰ পিছত তেওঁ দিল্লীত মতিলাল নেহৰুক লগ ধৰি কেনেকৈ আৰু কি কাৰণত কংগ্ৰেছে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ সংকল্প লবলৈ বাধ্য হ'ল তাক বুজাই ক'লে। বৰলাট চাহাবক আৰম্ভ কৰি উচ্চ কৰ্ম্মচাৰীসকলক পুহিব-লগীয়া হোৱাত আৰু এটা প্ৰকাণ্ড সামৰিক বাহিনীৰ খৰচ বহন কৰিব লগা হোৱাত ভাৰতবাসীয়ে কেনেকৈ সহিব নোৱাৰা খাজনাৰ বোজা আৰু অনেক কোটি টকাৰ ৰাজহুৱা ধাৰ মানিলবলৈ বাধ্য হৈছে আৰু তাৰ ফলত কেনেকৈ গোটেই জাতিটো লাহে লাহে অনশন আৰু মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈ আছে তাক বঢ়িয়াকৈ বুজাই লিখিলে। মহাত্মাই জনালে যে এনে কঠোৰ দমন নীতি সত্ত্বেও ভাৰতবাসীয়ে বৃটিছসকলৰ ওপৰত কোনো হিংসাভাব নাৰাখি তেওঁলোকৰ অন্তৰৰ ভাব পৰিবৰ্ত্তনৰ কাৰণেহে আইন অমান্য আন্দোলন হাতত লবলৈ বাধ্য হৈছে। শেষত, তেওঁ স্পষ্টকৈ জনালে যে চিঠিত উল্লেখ কৰা অন্যায়বোৰ দূৰ কৰিবৰ কাৰণে ভাৰতৰ স্বাধীনতাৰ দাবী স্বীকাৰ কৰিবলৈ যদি বৃটিছ চৰকাৰে ইচ্ছা নকৰে তেন্তে সেই মাহৰে এঘাৰ তাৰিখৰপৰা তেওঁ আশ্ৰমৰ সহবাসীসকলৰ সৈতে লোণ-কৰ আইন ভংগ কৰিব।

মহাত্মাৰ চিঠিখন মিষ্টাৰ ৰেজিনেল্ড ৰেনেলচ্ নামৰ এজন ইংৰাজে লৰ্ড আৰউইনৰ ওচৰলৈ লৈ গ'ল। উত্তৰো অতি সোনকালে আহিল এই মৰ্ম্মে যে তেওঁ গান্ধীৰ দাবী স্বীকাৰ কৰিব নোৱাৰে আৰু গান্ধীৰ সংকল্প কাৰ্য্যত পৰিণত কৰিলে আইন অমান্য কৰা হব আৰু জনসাধাৰণৰ মাজত অশান্তিৰ কাৰণ হব। প্ৰত্যুত্তৰত গান্ধীজীয়ে জনালে যে তেওঁ আঠু কাঢ়ি লৰ্ড আৰউইনৰ ওচৰত অন্ন-ভিক্ষা কৰিছিল, কিন্তু অন্নৰ সলনি শিলগুটিহে পালে। "ভাৰতবৰ্ষত বৰ্ত্তমান যি শান্তি আছে সি বন্দীশালৰ শান্তি।

গোটেই ভাৰতেই এতিয়া এখন বন্দীশাল। মই এনে বৃটিছ আইন নামানো আৰু বৃটিছে বলেৰে দিয়া বাধ্যতামূলক শাস্তি ( যি শাস্তিয়ে ভাৰতীয়ৰ সকলো অন্তঃকৰণ চেপি পেলাইছে ) ভংগ কৰাটো মই মোৰ কৰ্ত্তব্য বুলি ভাবোঁ।"

ইয়াৰ পিছত গান্ধীজীয়ে তেওঁৰ সংকল্প পূৰণ কৰাৰ কাৰণে যি কাৰ্য্য হাতত ল'লে সেই কাৰ্য্য ভাৰতৰ, আনকি পৃথিৱীৰ ইতিহাসৰ এটা অপূৰ্ব্ব অধ্যায়।

বাপা, মহাত্মাৰ এই সময়ৰপৰা দুই-তিনি মাহৰ পিছৰ উদ্যমশীল কাৰ্য্যৰ তুলনা যীশুখৃষ্টৰ জীৱনৰ এক অধ্যায়ৰ লগতহে কৰিব পাৰি। যীশুখৃষ্টই ক্ৰুছবিদ্ধ হ'বলৈ যোৱাৰ দৰে মহাত্মায়ো সবৰমতী আশ্ৰমৰপৰা সাগৰ উপকূলত থকা দান্দি নামে এখন গাঁৱলৈ দুশ মাইল বাট খোজকাঢ়ি যাবলৈ ওলাল। এইদৰে প্ৰকাশ্যে সংকল্প কৰি যদি তেওঁ লোণ-কৰ আইন অমান্য কৰি সেই কৰ নোহোৱা কৰিব নোৱাৰে তেন্তে তেওঁ পুনৰায় এই আশ্ৰমলৈ উভতি নাহে; আৰু লোণ-কৰ আইন অমান্য কৰাত যদি তেওঁৰ মৃত্যুও হয় তথাপি তেওঁ তেওঁৰ সংকল্পৰপৰা বিৰত নহয়।

বাৰ মাৰ্চ্চৰ দিনা ৰাতিপুৱা মহাত্মাজীয়ে নিজে আশ্ৰমত প্ৰাৰ্থনা শেষ কৰি দান্দি অভিমুখে যাত্ৰা কৰিলে—লগত পঁয়সত্তৰজন আশ্ৰমবাসী লৈ। আগদিনা গধূলি তেওঁ অসংখ্য নৰ-নাৰীৰ এখন সভাক সম্বোধি তেওঁ কি কৰে তাক লক্ষ্য কৰিবলৈ কৈছিল আৰু তেওঁ আইন অমান্য কৰাৰ আগতে সকলোকে তেনে কোনো কাম কৰিবলৈ মানা কৰিছিল।

পুৱা যেতিয়া পঁয়সত্তৰজন সত্যাগ্ৰহীক লগত লৈ এই অপূৰ্ব্ব যাত্ৰা তেওঁ আৰম্ভ কৰিলে, গোটেইখন হায়দৰাবাদৰ নৰ-নাৰীয়ে আহি তেওঁক অভিনন্দন জনালেহি। বুদ্ধদেৱৰ আগমনত বিম্বিসাৰ ৰজাৰ ৰাজ্যত পুৰবাসীসকলৰ দৰে আহমদাবাদৰ নাগৰিকসকলে ৰাজপথলৈ ওলাই আহি সমাগত স্বাধীনতাৰ আশাৰে এই শোভাযাত্ৰা চাবলৈ ধৰিলে। আন প্ৰদেশৰ নেতাসকলো দলে দলে আহি মহাত্মাৰ এই অদ্ভুত উদ্যমৰ কাৰ্য্যকুশলতা চাবলৈ আৰু আন্দোলনৰ সফলতা কামনা কৰিবলৈ বাটৰ কাষত ঠায়ে ঠায়ে জুম বান্ধি আছিলহি। বাতৰি কাকতৰ প্ৰতিনিধি, ফটোগ্ৰাফাৰ আৰু চিনেমাটোগ্ৰাফাৰ-সকল তেওঁলোকৰ যন্ত্ৰ লৈ মহাত্মাৰ যাত্ৰাৰ চিত্ৰ গ্ৰহণ কৰিবলৈ খাপ পাতি আছিল। এই জনতা আৰু শোভাযাত্ৰা চহৰৰপৰা চাৰি-পাঁচ মাইল দূৰলৈকে বিয়পি পৰিছিল।

বাপা, এই যাত্ৰাৰ কথা তোমালোকৰ মনলৈ আনিবলৈ চেষ্টা কৰাচোন। চটী জোতা পিন্ধা আৰু ক্ষীণকায় গান্ধীজীয়ে এডাল দীঘল লাঠী হাতত লৈ আঠুমূৰীয়া মোটা সূতাৰ চুৰিয়া পিন্ধি এজন সৈন্যাধ্যক্ষৰ দৰে আগে আগে খোজ দিছে আৰু তেওঁৰ পিছে পিছে পঁয়সত্তৰজন আশ্ৰমবাসী ভক্ত তেওঁলোকৰ লাগতিয়াল বস্তু খদ্দৰৰ মোনাত লৈ পঁয়সত্তৰজন সৈনিকৰ দৰে নিয়মানুবৰ্ত্তী হৈ খোজ কাঢ়ি যাব ধৰিছে; আৰু অসংখ্য জনতাই সঘনে উচ্চাৰণ কৰা 'মহাত্মাজী কী জয়' ধ্বনি চহৰৰ আলি-পদূলিকে ধৰি উন্মুক্ত আকাশলৈকে মুখৰিত হৈছে। ভাবৰ প্ৰেৰণাত অনেক লোকে ভোক-পিয়াহ এৰি গান্ধীজী আৰু এই অহিংস চিপাহীৰ দলটোক নগৰৰপৰা চাৰি-পাঁচ মাইল দূৰলৈকে আগবঢ়াই থলে। আচাৰ্য্য চাৰ পি· চি· ৰায়ে এই যাত্ৰাটোক ইহুদী জাতিৰ ৰক্ষাৰ কাৰণে মহাপুৰুষ মুচাৰ সজাতিৰ লোকৰ লগত মিছৰৰপৰা প্ৰস্থানৰ লগত তুলনা কৰিলে।

এই উৎসাহ আৰু জাগৰণৰ মাজেদি গান্ধীজীয়ে তেওঁৰ দুশ মাইল ভ্ৰমণ চব্বিশ দিনত শেষ কৰিলে। এই যাত্ৰাৰ লগে লগে দেশত জাতীয়তা আৰু অহিংস ভাবৰ এনে প্ৰচাৰ হ'ল যে তাৰ বিৱৰণ দি ওৰ পেলাব নোৱাৰি। আনপিনে বৃটিছৰ অন্যায় আইন অমান্য কৰাৰ শক্তিও বহু লোকৰ মাজত জাগৃত হ'ল। যি বাটেদি মহাত্মা গৈছিল সেই বাটৰ কাষৰ আৰু দূৰৈৰো গাঁৱলীয়া লোকে তেওঁৰ দৰ্শন পাবলৈ বাটৰ কাষত থিয় দিছিল। অনেক ঠাইত শই শই স্বেচ্ছাসেৱকৰ দল গঠিত হ'ল আৰু তেওঁলোকে এই আন্দোলনত যোগ দিবলৈ আগবাঢ়ি আহিল। তেওঁ প্ৰতি দিনে দহ বাৰ মাইলকৈ খোজ কাঢ়িছিল আৰু দিনৰ বাকীখিনি সময় বাটৰ দাঁতিৰ গাঁৱত বিশ্ৰাম কৰিছিল। এই বিশ্ৰাম কালত অসংখ্য গাঁৱলীয়া ৰাইজে আহি তেওঁক দেখা কৰিছিল। এই সময়ৰ ভিতৰতে দুশমান মণ্ডল শ্ৰেণীৰ মানুহে চাকৰি এৰি দিয়ে। তেওঁ গাঁৱলীয়া ৰাইজক কেৱল যে আন্দোলনৰ কথাই কৈছিল, এনে নহয়; কেনেকৈ গাঁওবোৰ পৰিষ্কাৰ পৰিচ্ছন্ন হৈ থাকিব লাগে, সূতা কটা আদি পুৰণি শিল্পবোৰ কেনেকৈ ৰক্ষা কৰিব লাগে, গাঁৱৰ ভিতৰত কেনেকৈ সাম্প্ৰদায়িক মিলন চলিব পাৰে, কেনেকৈ একেবাৰে মাদকদ্ৰব্য ত্যাগ কৰিব লাগে ইত্যাদি সকলো লাগতিয়াল কথাও তেওঁলোকক বুজাই কৈছিল। দুই এঠাইত চৰকাৰী কৰ্ম্মচাৰীক বস্তু বেচিবলৈ ৰাজী নোহোৱাত গান্ধীজীয়ে তেনে কৰিবলৈ মানা কৰিছিল। ইয়াৰ বাহিৰেও মহাত্মাজী আৰু তেওঁৰ

লগৰ সত্যাগ্ৰহীসকলৰ সংযমী আৰু ধাৰ্ম্মিক ব্যৱহাৰত এই তৃশ মাইলৰ ভিতৰত সকলো মানুহৰে, আনকি সেই সূত্ৰে সদৌ ভাৰততে, দেশবাসীৰ মনত এটা অপূৰ্ব্ব উৎসাহৰ ঢৌ তুলি দিলে। এদিন তেওঁ আৰু সত্যাগ্ৰহী-সকলৰ কাৰণে বাটৰ কাষৰ ৰাইজে খোৱা বস্তুৰ এনে ওৱাদানিকৈ যোগাৰ কৰিছিল যে গান্ধীজীয়ে লগৰ সত্যাগ্ৰহী আৰু উপস্থিত গাঁৱলীয়া ৰাইজক কঠোৰ বাক্য ব্যৱহাৰ কৰি কৈছিল, "যদি তোমালোকে মোৰ অভ্যৰ্থনাৰ কাৰণে ইমান বেছিকৈ খৰচ কৰা তেন্তে বৰলাটৰ বিৰুদ্ধে কি যুক্তিৰে অতিৰিক্ত দৰ্ম্মহা লোৱাৰ অভিযোগ তুলিবা ?" ইয়াৰ পিছত তেওঁ জনাই দিয়ে যে তেওঁৰ আৰু সত্যাগ্ৰহীসকলৰ কাৰণে অতি সামান্য আৰু লাগতিয়াল বস্তুৰ বাহিৰে আন বস্তুৰ দান ভৱিষ্যতে গ্ৰহণ নকৰে।

এপ্ৰিল মাহৰ পাঁচ তাৰিখে মহাত্মা গৈ দান্দি পালেগৈ। ছয় এপ্ৰিলত জাতীয় সপ্তাহৰ দিন পালনৰ লগে লগে আইন অমান্য কাৰ্য্য হাতত ললে। ছয় তাৰিখে পুৱা প্ৰাৰ্থনাৰ পিছত তেওঁলোকে সাগৰৰ পাৰত পৰি থকা লোণ বুটলি আইন অমান্য কৰিলে আৰু স্থানীয় গাঁৱলীয়া লোকক এইদৰে আইন অমান্য কৰিবলৈ উপদেশ দিলে। আচৰিত কথা যে ভাৰতৰ আন ঠাইত কঠোৰ দমন-নীতি চলা সত্ত্বেও চৰকাৰে মহাত্মাৰ এই কাৰ্য্যলৈ চকু নিদিয়াৰ দৰে আছিল। এই সময়ৰ ভিতৰতে গুজৰাটৰ কৃষকৰ একছত্ৰী নেতা চৰ্দ্দাৰ পেটেলক গ্ৰেপ্তাৰ কৰি তিনি মাহ আটক কৰি ৰখা হয়। আন আন প্ৰদেশতো নেতাবিলাকক বন্দী কৰি জেলত থলে।. এই আন্দোলন আন প্ৰদেশত কিদৰে চলিছিল তাক কৈ মই বৰ্ণনা দীঘলীয়া কৰিব নোখোজোঁ। তোমালোকে মুঠতে জনা উচিত যে এই আন্দোলনে নানা ঠাইত নানা গঢ় ললে। লোণ-কৰ অমান্য কৰাৰ বাহিৰেও খায়ৰা জিলাত বহু মানুহে খাজনা দিয়া বন্ধ কৰি দিলে। বিহাৰত মাটিৰপৰা লোণ কৰি আইন অমান্য কৰিলে। যুক্তপ্ৰদেশ, মধ্যপ্ৰদেশত বন বিভাগৰ আইন অমান্য কৰিলে। কোনো কোনো ঠাইত মদ নিবাৰণৰ কাৰণে তালগছবিলাক কাটি পেলোৱা হ'ল। আন আন সকলো ঠাইতে স্বেচ্ছাসেৱকসকলে বিদেশী বস্ত্ৰ আৰু অবিকাৰী বিভাগৰ দোকানত পিকেটিং কৰিলে। বৃটিছ চৰকাৰে সকলো প্ৰকাৰ ব্যক্তিগত স্বাধীনতা হৰণকাৰী জৰুৰী আইন বলবৎ কৰিলে আৰু ছমাহমানৰ ভিতৰতে গোটেই ভাৰতৰ ভিতৰত প্ৰায় এক লাখ মানুহক বন্দীশালত ভৰালে। ইয়াৰ বাহিৰেও ভাৰতৰ বহু ঠাইত পুলিচৰ লাঠীৰ

কোব, ঘৰ খানাতল্লাছ আৰু 'স্পেশ্যাল পুলিচ'ৰ অত্যাচাৰ হ'বলৈ ধৰিলে। খাজনা নিদি আইন অমান্য কৰা মানুহক ভীষণ অত্যাচাৰ কৰিছিল। এনে জুলুম আৰু অত্যাচাৰ হৈ থকা সত্বেও ধৰ্সনা আৰু ৰাওলাত যি দৃশ্য দেখা গৈছিল তাক নকৈ নোৱাৰি।

মহাত্মা গান্ধী দান্দি আহি পোৱাৰপৰা মে' মাহৰ চাৰি তাৰিখলৈ প্ৰায় এমাহ কাল এই বিষয়বিলাক সম্বন্ধে ওচৰৰ নভেশ্বৰী, কইৰা জিলা, চুৰাট আদিত প্ৰচাৰকাৰ্য্য চলি আছিল। কিন্তু চৰকাৰে দেশ জুৰি নানা জুলুম কৰিলেও গান্ধীজীক তেতিয়ালৈকে গ্ৰেপ্তাৰ কৰা নাছিল ব' তেওঁক কোনো বাধা দিয়া নাছিল। এইবাৰ মহাত্মাই ধৰসনা আৰু ৰাওলাৰ চৰকাৰী লোণৰ কাৰখানা দখল কৰিবলৈ স্থিৰ কৰিলে আৰু সেই মৰ্ম্মে লৰ্ড আৰউইনলৈ এখন চিঠি দিলে। এই চিঠিত তেওঁ সংকল্পিত সত্যাগ্ৰহ কৰাৰ মাত্ৰ এটি চৰ্ত্ত দিছিল যে বৃটিছ চৰকাৰে ভাৰতবাসীৰ সাধাৰণ বস্তু সাগৰৰ পানীৰপৰা লোণকণ তৈয়াৰ কৰি লোৱাৰ অধিকাৰ মানি লব লাগে চৰকাৰ ইয়াৰ পিছত নিশ্চিন্ত হৈ থাকিব নোৱাৰিলে। মে' মাহৰ পাঁচ তাৰিখৰ ৰাতিয়েই কোনোৱে নজনাকৈ মহাত্মাক বন্দী কৰি নি এখন বিশেষ ৰেলগাড়ীত পুনালৈ নি য়াৰোডা জেলত বন্দী কৰি থলে। মহাত্মা গান্ধীয়ে হঠাৎ সেইদৰে গ্ৰেপ্তাৰ কৰি নিব পাৰে বুলি আশংকা কৰিয়েই আগতেই দেশবাসীলৈ এটা বাণী থৈ যায়। তাত তেওঁ এইদৰে কৈছিল যে "ত্যাগ আৰু কষ্ট নকৰাকৈ স্বৰাজ আহিব নোৱাৰে। সেই কাৰণে তেওঁৰ অনুসৰণ-কাৰীসকলে আৰু ৰাইজে আনক নামাৰি নিজে মৰিবলৈ সাজু হব লাগিব। তেওঁক চৰকাৰে আটক কৰাৰ কাৰণে যেন ৰাইজ কোনো প্ৰকাৰে নিৰুৎসাহ নহয়। এনে যুদ্ধৰ চালক মই নহওঁ—পৰমেশ্বৰহে, যি ঈশ্বৰ সকলোৰে অন্তঃকৰণত বিদ্যমান। আমাৰ যদি ঈশ্বৰত প্ৰকৃত বিশ্বাস থাকে, তেন্তে নিশ্চয় তেওঁ আমাক চলাই লৈ যাবই।"

মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ পিছত মিষ্টাৰ আব্বাচ তৈয়বজীয়ে সেই সত্যাগ্ৰহীসকলৰ নেতৃত্ব গ্ৰহণ কৰে, কিন্তু তেওঁকো কেইদিনমান পিছতে গ্ৰেপ্তাৰ কৰা হয়। তাৰ পিছত সেই দলৰ নেতৃত্ব শ্ৰীমতী সৰোজিনী নাইডুৱে গ্ৰহণ কৰে। মে' মাহৰ ষোল তাৰিখে শ্ৰীমতী নাইডুৰ লগৰ কিছুমান স্বেচ্ছাসেৱিকাই চৰকাৰী লোণৰ ভৰাল দখল কৰিবলৈ যাওঁতে

পুলিচৰ হাতত মাৰ খায় আৰু গ্ৰেপ্তাৰ হয়। সেইদিনাই গধূলি পুলিচে ২২০ (দুশ বিশ) জন স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰে। উনৈশ তাৰিখে ৱাডালা লোণ কাৰখানা অধিকাৰ কৰিবলৈ যোৱা চাৰিশ সত্যাগ্ৰহীক গ্ৰেপ্তাৰ কৰা হয়। একৈশ তাৰিখে মহাত্মাৰ আশ্ৰমবাসী ইমান চাহাবে পঁচিশশ সত্যাগ্ৰহী সৈন্য লৈ ধৰ্সনাৰ লোণৰ ভঁৰাল দখল কৰিবলৈ কেবাবাৰো চেষ্টা কৰে। পুলিচে এওঁলোকক লাঠীৰে কোবোৱাত দুশ নবৈজন জখম হয়। তাৰ ভিতৰত ভাইলাল ভাই আৰু বাবু হুলে নামৰ দুজন স্বেচ্ছাসেৱকৰ মৃত্যু হয়। পুলিচে উপায় নাপায় ধৰ্সনালৈ যোৱা বাট বন্ধ কৰি দিলে আৰু লোণ থোৱা গোটেই ঠাইখিনি তাঁৰেৰে ঘেৰি দিলে। কিন্তু অহিংস স্বেচ্ছাসেৱকসকলে শিবিৰ পাতি আছিল। পুলিচে তালৈ গৈ তেওঁলোকক লাঠীৰে কোবাই আটক কৰি অচিনাকি ঠাইলৈ নি এৰি দি আহিল। ৱাডালা কাৰখানা আক্ৰমণৰ কাহিনীও কম লোমহৰ্ষক নহয়। বাইশ তাৰিখে এশ আঠাইশজন স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰা হয়। পঁচিশ তাৰিখে এশজন স্বেচ্ছাসেৱক দুহেজাৰমান দৰ্শকৰ সৈতে লোণ আনিবলৈ যায়। পুলিচে সোতৰজনক আহত কৰে। বাকীবোৰে হাতেৰে খামুচি লোণ লৈ গৈছিল। এইদৰে পহিলা জুনলৈ মাজে মাজে আক্ৰমণ চলি আছিল। জুনৰ তিনি তাৰিখে পোন্ধৰ হাজাৰ স্বেচ্ছাসেৱক আৰু আন মানুহে কাৰখানা আক্ৰমণ কৰে।

ধৰ্সনা আৰু ৱাডালাত পুলিচ আৰু স্বেচ্ছাসেৱকৰ মাজত যি সংঘৰ্ষ হৈছিল, তাৰ ভিতৰত এইটো বিশেষভাৱে মন কৰিবলগীয়া আছিল যে এফালে যেনেকৈ পুলিচে আৰু মাজে মাজে সৈন্যবিলাকে অমানুষিক হৃদয়-বিদাৰক অত্যাচাৰ কৰিছিল, আনপিনে তেনেকৈ সত্যাগ্ৰহী, আনকি দৰ্শক-সকলেও অসীম অহিংস শক্তি, সহিষ্ণুতা আৰু উৎসাহৰ প্ৰমাণ দিছিল। নিৰপেক্ষ দৰ্শকসকলৰ মনত পুলিচ আৰু সৈনিকৰ প্ৰতি যেনে ঘৃণা হৈছিল, অহিংস-সত্যাগ্ৰহীসকলৰ প্ৰতি তেনেকুৱা শ্ৰদ্ধা উপজিছিল। চাৰ্ভেণ্ট অৱ ইণ্ডিয়া ছচাইটিৰ সভাপতি স্বৰ্গীয় দেৱধৰ আৰু বোম্বাইৰ দুজন সম্ভ্ৰান্ত লোকে এইদৰে কৈছিল, ইউৰোপীয় অশ্বাৰোহী চিপাহীবোৰে সত্যাগ্ৰহী-সকলৰ মাজেদি ঘোঁৰা চেকুৰাই দি মানুহবোৰক ছিটিকি পৰিবলৈ বাধ্য কৰাইছিল। কিছুমান ঘৰে ঘৰে সোমাল; যিসকল ঘৰত সোমাব নোৱাৰিলে তেওঁলোকক লাঠীৰে কোবাইছিল। মিষ্টাৰ ৰেবমিলাৰ নামৰ এজন বাতৰি কাকতৰ প্ৰতিনিধিয়ে কৈছিল যে তেওঁৰ জীৱনৰ ওঠৰ বছৰ সাংবাদিকতাৰ

ভিতৰত তেওঁ বাইশটা বিদ্ৰোহ আৰু হাঙ্গামাৰ দৃশ্য দেখিছিল; কিন্তু এনেকুৱা হৃদয়বিদাৰক দৃশ্য ক'তো দেখা নাছিল। সময়ে সময়ে এই দৃশ্য দেখি তেওঁ ইমান কষ্ট পাইছিল যে মুখ ঘূৰাই আনফালে 'চাই থাকিবলৈ বাধ্য হৈছিল। ইয়াৰ ভিতৰত স্বেচ্ছাসেৱকসকলৰ শিক্ষা আৰু নিয়মানুবৰ্ত্তিতা আচৰিত ধৰণৰ আছিল; এনে দেখা গৈছিল যে তেওঁলোকৰ গান্ধীজীৰ অহিংস ধৰ্ম্মৰ দ্বাৰা সম্পূৰ্ণৰূপে অনুপ্ৰাণিত। লণ্ডনৰ 'ডেইলি হেৰল্ড' কাগজৰ প্ৰতিনিধি মিষ্টাৰ জৰ্জ স্লাকোম্বে এইদৰে লিখিছিল, "ৱাঙালাৰ ঘটনা মই এডোখৰ ওখ ঠাইৰপৰা চাইছিলোঁ। উচ্চ আদৰ্শেৰে অনুপ্ৰাণিত হৈ আবেগপূৰ্ণ আৰু বন্ধুভাৱাপন্ন স্বেচ্ছাসেৱক আৰু সহানুভূতিপূৰ্ণ দৰ্শকসকলৰ মাজত থিয় দি থাকি আমাৰ দেশ-চালক প্ৰতিনিধিসকলৰ এনে পৰিহাসপূৰ্ণ আৰু বিৰক্তিকৰ কাৰ্য্য চাই থকাটো ইংৰাজ এজনৰ পক্ষে অতি লাজৰ বিষয় হৈ পৰিছিল।"

এই মহৎ ত্যাগ, নিৰ্ভীকতা আৰু অপূৰ্ব্ব অহিংস শক্তিৰ প্ৰভাৱ ভাৰতীয় সমাজ আৰু পৃথিবীৰ সুসভ্য জাতিবিলাকৰ ওপৰতো পৰিলগৈ। ভাৰতত বিদেশী বস্তু, বিশেষকৈ বিদেশী কাপোৰৰ ব্যৱহাৰ একেবাৰে বন্ধ হোৱাৰ নিচিনা হ'ল। ভাৰতীয় বেপাৰীয়ে বিদেশী কাপোৰ আৰু বস্তু বেচিবলৈ লাহে লাহে কমাই দিলে আৰু একেবাৰে বন্ধ কৰি দিব বুলি কংগ্ৰেছ কমিটিৰ আগত লিখিত প্ৰতিশ্ৰুতি দিলে। বৃটিছ চৰকাৰী চাকৰি কৰা লোকসকলৰ নানা প্ৰলোভন সত্বেও এই বেপাৰীবিলাকে বিলাতৰপৰা অহা কোটি কোটি টকাৰ বস্তু জাহাজৰপৰা খালাচ কৰিবলৈ নগ'ল। সমাজত এনে একতা দৃষ্টিগোচৰ হ'ল যে কংগ্ৰেছৰপৰা অনুমতি নোপোৱা কোনো দোকানতে কাপোৰ-কানি বিক্ৰি নোহোৱা হ'ল। বিদেশী-বৰ্জ্জন নীতি এনে পানী নসৰকাকৈ চলিবলৈ ধৰিলে যে ইয়াৰ শক্তি ইংলণ্ডৰ কাপোৰ প্ৰস্তুত কৰা কল-কাৰখানাত ভালকৈ বুজিব পৰা হ'ল। ভাৰতত মদ, ভাং আদি মাদক দ্ৰব্যৰ বিক্ৰি একেবাৰে কমি গ'ল। গান্ধীজীয়ে প্ৰচাৰ কৰা সূতা-কটা, অস্পৃশ্যতা নিবাৰণ ইত্যাদি কামো ভাবিব নোৱাৰা মাত্ৰাত আগবাঢ়িল।

আনফালে ইংলণ্ড আৰু আমেৰিকাত এই আন্দোলনৰ নৈতিকতা ভালকৈ ফুটি উঠিল। এই সজ কাম সত্বৰ কৰি তুলিলে খৃষ্টান ধৰ্ম্ম-প্ৰচাৰক আৰু খবৰ-কাগজৰ প্ৰতিনিধিসকলে। আমেৰিকাবাসী এশ দুজন প্ৰচাৰকে সেই সময়ৰ বৃটিছ প্ৰধান মন্ত্ৰী মিষ্টাৰ ৰামজে মেকডোনাল্ডলৈ চিঠি দি অনুৰোধ

কৰিলে যে গান্ধীজীক মুক্তি দিব লাগে আৰু ভাৰতীয় দাবী সম্বন্ধে ভাৰতীয়-সকলৰ লগত আপোচ মীমাংসা কৰিব লাগে। খবৰ-কাগজৰ প্ৰতিনিধিসকলে আমেৰিকা, ফ্ৰান্স, বিলাত আৰু আন আন ঠাইলৈ সত্যাগ্ৰহীসকলৰ নিৰ্ভীকতা, দৃঢ়প্ৰতিজ্ঞ ভাব আৰু অহিংস প্ৰকৃতিৰ বিৱৰণ দি আৰু বৃটিছ চৰকাৰৰ এই সত্যাগ্ৰহীৰ ওপৰত অত্যাচাৰৰ কাহিনী বৰ্ণাই ৰিপোৰ্ট পঠিয়াবলৈ ধৰিলে আৰু সেইবোৰ খবৰ দেশ-বিদেশৰ কাগজত প্ৰকাশ হ'বলৈ ধৰিলে।

বিলাতত ঘূৰণীয়া মেজ-মেলৰ প্ৰথম বা প্ৰাৰম্ভিক অধিবেশন হৈ গৈছিল আৰু দ্বিতীয় বৈঠকৰ দিন ১৯৩০ চনৰ শেষৰ ফালে স্থিৰ কৰা হৈছিল। এই বৈঠকতে বিশেষভাৱে শাসন-সংস্কাৰ সম্বন্ধে আলোচনা হোৱাৰ কথা আছিল। মিষ্টাৰ স্লোকম্বে মহাত্মা গান্ধীক য়েৰোডা জেলত দেখা কৰি বুজিব পাৰিছিল, বৃটিছ চৰকাৰ আৰু কংগ্ৰেছৰ মাজত আপোচ হোৱা একো অসম্ভৱ নহয়। তেওঁ চাৰ তেজবাহাদুৰ চাপ্ৰু আৰু এম. কে. জয়াকৰক লগ ধৰি কংগ্ৰেছী নেতা আৰু বৰলাটৰ মাজত যাতে এটা আপোচ হ'ব পাৰে তাৰ কাৰণে চেষ্টা কৰিবলৈ অনুৰোধ কৰিলে। এওঁলোকেও সেইমতে বৰলাট লৰ্ড আৰউইন আৰু জেলত গৈ গান্ধীজী, পণ্ডিত মতিলাল নেহৰু, পণ্ডিত জৱাহৰলাল নেহৰু প্ৰভৃতি কংগ্ৰেছী নেতাক লগ ধৰিলে আৰু অৱশেষত সকলোৱে মিলি পৰামৰ্শ কৰাৰ কাৰণে চৰকাৰৰ হুকুমাই কংগ্ৰেছ কাৰ্য্যকৰী কমিটিৰ সদস্যসকলক জেলৰপৰা মুক্তি দিয়ালে। এই সদস্যসকলে সভা পাতি কি কি চৰ্ত্তত আইন অমান্য আন্দোলন বন্ধ কৰিব পাৰি আৰু বৰলাট বাহাদুৰৰপৰা কি প্ৰতিশ্ৰুতি পালে কংগ্ৰেছে ঘূৰণীয়া মেজ-মেলত যোগ দিব পাৰে, সেই বিষয়ে মীমাংসা কৰিলে। কোৱা বাহুল্য মাথোন যে এই আলোচনাত মহাত্মা গান্ধীৰ উপদেশকেই সকলোৱে মানি লৈছিল আৰু তেওঁকেই একমাত্ৰ নেতা বুলি গ্ৰহণ কৰা হৈছিল।

মহাত্মা গান্ধীৰ লগত লৰ্ড আৰউইনৰ দেখা হ'ল। 'নগ্ন ফকিৰ' আৰু ফাটেক খোৱা গান্ধীয়ে বৰলাটৰ লগত ভাৰতৰ ভৱিষ্যৎ শাসনতন্ত্ৰ আৰু সত্যাগ্ৰহ আন্দোলন স্থগিত ৰখাৰ সম্পৰ্কে আলোচনা কৰিলে। এই চৰ্ত্ত-বিলাক ঠিক কৰোঁতে বহুত সময় লাগিল। জিলাধিপতি, চিভিলিয়ান আৰু তেওঁলোকৰ প্ৰতিনিধি কেন্দ্ৰীয় ছেক্ৰেটৰিয়েটৰ বিষয়াৰ সৈতে এই চৰ্ত্তবিলাক ঠিক কৰোঁতে ইমান বেমেজালি আৰু প্ৰতিবন্ধক উপস্থিত হৈছিল যে কেবাবাৰো গান্ধীজী আৰু কংগ্ৰেছ কাৰ্য্যকৰী সমিতিৰ সদস্যসকলে আপোচৰ

আশা এৰি দি পুনৰায় আইন অমান্য আন্দোলন চলোৱাকে ঠিক কৰিছিল। কিন্তু হঠাতে বিলাতৰপৰা নিৰ্দ্দেশ পাই লৰ্ড আৰউইনে চৰ্ত্তবিলাক সম্বন্ধে থকা চৰকাৰী আপত্তিবোৰ এৰি দিলে। বৰলাটৰ লগত হোৱা চুক্তিৰ এই চৰ্ত্তবিলাক সম্পৰ্কত কংগ্ৰেছ কাৰ্য্যকৰী সভাৰ এটাইবোৰ সদস্য একমত নাছিল ; কিন্তু গান্ধীজীয়ে শাসকসকলৰ মনোবৃত্তি পৰিৱৰ্ত্তন কৰিব পাৰিব বুলি আশা কৰি এই সকলোবোৰ চৰ্ত্ত তেওঁৰ মনঃপুত নোহোৱা সত্বেও ১৯৩১ চনৰ মাৰ্চ্চ মাহত গান্ধী-আৰউইনৰ চুক্তি ( Gandhi-Irwin Pact ) নামৰ আপোচ-পত্ৰত কংগ্ৰেছৰ হৈ দস্তখত দিলে। এই চৰ্ত্তবিলাক অতি চমুকৈ ক'লে এইদৰে ক'ব পাৰি: (১) ভাৰতীয় শাসন-নীতি সম্বন্ধে বিলাতত ঘূৰণীয়া মেজ-মেলত আকৌ আলোচনা কৰা হ'ব। সেই আলোচনাত ভাৰতবৰ্ষ কেন্দ্ৰীয় শাসনমুক্ত ৰাষ্ট্ৰ হব বুলি স্বীকাৰ কৰিব লাগিব আৰু ভাৰতবাসীৰ স্বাৰ্থত ভাৰত ৰক্ষা, ভাৰতৰ লগত বিদেশী ৰাষ্ট্ৰবোৰৰ সম্বন্ধ, ভাৰতীয়ৰ মাজত সংখ্যালঘু সম্প্ৰদায়ৰ স্বাৰ্থ, ভাৰতৰ অৰ্থনৈতিক দাবী ইত্যাদি বিষয়ত সুকীয়া স্বত্ব ৰাখি ভাৰত শাসনত ভাৰতবাসীয়েই পূৰ্ণ স্বত্ব পাব ; আৰু কংগ্ৰেছৰ প্ৰতিনিধি যাতে এই ঘূৰণীয়া মেজ-মেললৈ যাব পাৰে তাৰ বন্দৱস্ত কৰা হ'ব।

( ২ ) আইন অমান্য আন্দোলন স্থগিত ৰখা হব, কিন্তু অতি শান্তি-পূৰ্ণভাৱে (যেনে, দোকানৰপৰা কিছু দূৰৈত থাকি) মানুহক স্বদেশী বস্তু কিনিবলৈ নাইবা মাদক দ্ৰব্য সেৱন পৰিত্যাগ কৰিবলৈ অনুৰোধ কৰাটো দোষ বুলি পৰিগণিত নহব।

( ৩ ) আইন অমান্য আন্দোলন স্থগিত ৰখাৰ লগে লগে বৃটিছ চৰকাৰে দমনমূলক আইনবিলাক উঠাই লব, কংগ্ৰেছীসকলৰ ওপৰত থকা মোকৰ্দ্দমাও উঠাই লোৱা হব আৰু আন্দোলনত অংশ লোৱাৰ বাবে কাৰাগাৰত ৰখা বন্দীবিলাকক মুক্তি দিয়া হ'ব ; তেতিয়ালৈকে আদায় নোহোৱা জৰিমনাবিলাক আদায় কৰা নহ'ব, সুকীয়া দমনমূলক আইনমতে নাইবা খাজনা নিদিয়াৰ পৰিবৰ্ত্তে জব্দ কৰা অৱস্থাৰ সম্পত্তি ঘূৰাই দিয়া হব। সেইদৰে খাজনাৰ কাৰণে জব্দ হোৱা স্থাৱৰ সম্পত্তিও ঘূৰাই দিয়া হ'ব। কিন্তু আনক বিক্ৰি কৰা মাটি ঘূৰাই-দিবলৈ চৰকাৰ বাধ্য নহব। আন্দোলনত যোগ দি ইস্তফা দিয়া চৰকাৰী কৰ্ম্মচাৰী সম্বন্ধে ঠিক হ'ল যে চৰকাৰে যিবোৰ চাকৰিত নতুন মানুহ নিয়োগ কৰিলে সেইবোৰত বাদে খালী থকা চাকৰিবোৰত পাৰ্য্যমানে আগৰ মানুহকে লবলৈ চেষ্টা কৰা হ'ব।

(৪) লোণ আইন মাত্র ইমানলৈকে পৰিবৰ্ত্তিত হ'ব যে লোণৰ পুং বা সাগৰৰ ওচৰত থকা মানুহবিলাকে কেৱল নিজৰ ব্যৱহাৰৰ কাৰণে লোণ তৈয়াৰ কৰি লব পাৰিব।

গান্ধীজীয়ে উপৰুক্ত চুক্তিমতে কাম কৰিবলৈ কংগ্রেছৰ শাখা সভা-সমূহক নির্দ্দেশ দিলে আৰু যাতে কংগ্রেছী লোকসকলে কোনো ক্ষেত্রতে চুক্তিৰ বিপক্ষে কাম নকৰে তাৰ কাৰণে বিতংভাৱে উপদেশ দিলে। যেতিয়ালৈকে লৰ্ড আৰউইন ভাৰতৰ বৰলাট হৈ আছিল তেতিয়ালৈকে কংগ্রেছ আৰু চৰকাৰৰ মাজত এই চুক্তিৰ চৰ্ত্ত লৈ বিৰোধ হোৱা নাছিল আৰু গান্ধীজীয়েও এই চুক্তিক নিজৰ জয় বুলি ধৰি লোৱা নাছিল। তেওঁ লৰ্ড আৰউইনক বিশেষভাৱে প্রশংসা কৰিছিল আৰু এই চুক্তি তেওঁৰ সততা আৰু কাৰ্য্যদক্ষতাৰ ফলতহে সম্ভৱ হোৱা বুলি কৈছিল। ভাৰতৰ বৰলাট পদবীৰপৰা অৱসৰ লোৱাৰ পিছত লৰ্ড আৰউইনেও গান্ধীজীক প্রশংসা কৰিছিল। এই সম্ভাৱ নতুন বৰলাট লৰ্ড উইলিংডন অহাৰ লগে লগে নোহোৱা হ'ল। ইংৰাজ চিভিল চাৰ্ভিচৰ লোকসকলে এই চুক্তিৰ দ্বাৰা কংগ্রেছৰ মৰ্য্যাদা বাঢ়ি যোৱা দেখি ভাল পোৱা নাছিল আৰু চুক্তিৰ চৰ্ত্ত'বিলাক কংগ্রেছ আৰু কংগ্রেছী স্বাৰ্থ প্রতিকূলে ব্যৱহাৰ কৰিবলৈ ধৰিলে। লৰ্ড উইলিংডনেও নিশ্চয় এওঁলোকৰ কথাতে হযভৰ দিছিল। বৃটিছ সাম্রাজ্যৰ শাসনৰ ভাৰ ইয়াৰ ভিতৰতে বনুৱা (Labour) দলৰ হাতৰপৰা গৈ এটা জাতীয় দলৰ হাতত পৰিল যাৰ ফলত ইংৰাজ সাম্রাজ্যবাদীইঁতৰ শক্তি বাঢ়ি গ'ল। এইবিলাক কাৰণতে এই চুক্তিৰ চৰ্ত্ত সম্বন্ধে গান্ধীজীৰ ভাৰত চৰকাৰৰ লগত বিৰোধ হবলৈ ধৰিলে। অৱশেষত বাৰদৌলি তালুকৰ ৰায়তসকলৰ খাজনা আদায় কৰা, বোম্বাই আৰু মাদ্রাজত পিকেটিং আদি কৰা সম্বন্ধে চৰকাৰৰ লগত মীমাংসা বিচাৰিও যেতিয়া একো সুফল নাপালে, তেতিয়া গান্ধীজীয়ে বিলাতত বহিবলগীয়া ঘূৰণীয়া মেজ-মেললৈ যোৱাৰ আশাকে ত্যাগ কৰিলে।

চৰকাৰৰ লগত বিৰোধৰ আৰু এটা কাৰণ আছিল ঘূৰণীয়া মেজ-মেলত কংগ্রেছৰ প্রতিনিধি সম্পৰ্কে। কংগ্রেছৰ মতে গান্ধীজী আৰু গান্ধীজীয়ে যাক বাছি লয় তেওঁলোকেই কংগ্রেছৰ প্রতিনিধি হব। সেই প্রস্তাৱ মতে গান্ধীজীয়ে ডাঃ আন্সাৰি আৰু শ্ৰীমতী সৰোজিনী নাইডুকো প্রতিনিধি বুলি গণ্য কৰিবলৈ বৰলাটলৈ লিখি পঠিয়াইছিল। লৰ্ড উইলিংডনে ডাঃ আন্সাৰিক

প্ৰতিনিধি বুলি গণ্য নকৰিলে। অৱশেষত শেষ মুহূৰ্ত্তত লৰ্ড উইলিংডন আৰু গান্ধীজীৰ মাজত সাক্ষাৎ হয় আৰু তাৰ ফলত গান্ধীজী বাহিৰে বাহিৰে বিলাতলৈ যাবলৈ ওলায়। গান্ধীজীয়ে গান্ধী-আৰউইন চুক্তিৰপৰা আৰম্ভ কৰি বিলাতলৈ যোৱালৈকে প্ৰায় পাঁচ মাহ কাল যি অবিশ্ৰান্ত পৰিশ্ৰম আৰু কৰ্ম্মক্ষমতাৰ পৰিচয় দিছিল, তাক দেখি মানুহ আচৰিত হৈছিল। এই সময়ত তেওঁ প্ৰতিদিনে গড়ে ষোল ঘণ্টাকৈ কাম কৰিছিল।

বিলাতত গান্ধীজীৰ কাৰ্য্যক্ৰম সম্বন্ধে এখন সুকীয়া কিতাপ হয় আৰু প্ৰকৃততে তেনে কিতাপ কেইবাখনো ওলাইছে। মই তোমালোকক ইয়াত সেই বিষয়ে অতি চমুকৈহে ক'ম। গান্ধীজী বিলাতলৈ যাওঁতে শ্ৰীমতী সৰোজিনী নাইডুও ভাৰতৰ প্ৰতিনিধি স্বৰূপে গৈছিল। কিন্তু তেওঁৰ কাম কৰাৰ কাৰণে তেওঁৰ প্ৰিয়তম অনুচৰ মহাদেৱ দেশাই, পিয়াৰীলাল আৰু শ্ৰীমতী মীৰাবেন (মিচ্ শ্লেড নামৰ এগৰাকী ইংৰাজ মহিলা গান্ধীজীৰ শিষ্যা হৈ এই নাম লয়) তেওঁৰ লগত গৈছিল। এওঁলোকে অতি সামান্য কাপোৰ-কানি লৈয়ে এই সুদূৰ দেশ ভ্ৰমণ কৰিবলৈ ওলাল। এডেন বন্দৰত অধিবাসীসকলে তিনিশ আঠাইশটা সোণৰ মোহৰ দান কৰি গান্ধীজীক অভিনন্দনপত্ৰ দিয়ে। ইজিপ্টৰ ওৱফড্ দলৰ হৈ শ্ৰীমতী জাগলুল পাশা আৰু শ্ৰীনাডাখ পাশাই চিঠিৰে গান্ধীজীৰ কাৰ্য্যসিদ্ধি হবলৈ কামনা কৰে আৰু তেওঁক অভিনন্দিত কৰে। মাৰ্চাইলত ৰোমাঁ ৰোলাঁ অসুস্থ থকাৰ কাৰণে তেওঁৰ ভনীয়েকে গান্ধীজীক অভিনন্দন দিয়ে। ফ্ৰান্সত তেওঁক ফৰাচী ছাত্ৰসকলে অভিনন্দন দিয়ে।

বিলাতত গান্ধীজীয়ে দুখীয়াসকলৰ বাসস্থান ইষ্ট্ এণ্ড (East End)ত থাকিবলৈ লয়। ইয়াত তেওঁ মিচ মুৰিয়েল লেষ্টাৰ নামৰ ধাৰ্ম্মিক আৰু দুখীয়াৰ কাৰণে জীৱন উছৰ্গা কৰা মহিলা এগৰাকীৰ অতিথি হয়। তেওঁৰ কাৰণে চৰকাৰে ঠিক কৰি থোৱা প্ৰাসাদ আৰু আন ধনী লোকৰ নিমন্ত্ৰণ তেওঁ আওকাণ কৰিলে। এই ঠাইত কুমাৰী লেষ্টাৰে দুখীয়া মানুহৰ ল'ৰা-ছোৱালীবিলাকক গোটাই এদিন ভাষণ দিছিল। ইয়াত থাকোঁতে সদায় ৰাতিপুৱা গান্ধীজী ফুৰিবলৈ যাওঁতে 'গান্ধী খুড়া' বুলি মাতি এই ল'ৰা-ছোৱালীবিলাক তেওঁৰ লগত ফুৰিবলৈ ওলাইছিল।

বিলাতত এই সময়ৰ তীব্ৰ শীত আৰু বৰফৰ মাজতো মহাত্মাই তেওঁৰ আশ্ৰম-জীৱনৰ কৰ্ত্তব্যৰ অকণো হেৰফেৰ কৰা নাছিল। আশ্ৰমৰ দৰেই পুৱা

আৰু গধুলি তেওঁ প্ৰাৰ্থনা কৰিছিল। গধুলিৰ প্ৰাৰ্থনাত অনেক ইংৰাজেও আহি যোগ দিছিলহি। তেওঁৰ আহাৰো আগৰ দৰেই ছাগলী-গাখীৰ আৰু ফল-মূল আছিল। পিন্ধা কাপোৰো একেদৰে আঠু-মূৰীয়া খদ্দৰৰ চুৰিয়া আৰু গাত চাদৰ বা কেতিয়াবা কম্বল এখন। এই তীব্ৰ শীত সহ্য কৰি ইমান কম কাপোৰেৰে গান্ধীজী কেনেকৈ আছিল, তাক ভাবি বহুত মানুহ আচৰিত হৈছিল।

ৰাজনৈতিক কৰ্ত্তব্য পালনৰ বাহিৰেও বিলাতত গান্ধীজী আন বহুত মানুহৰ সংশ্ৰৱত আহিছিল। তেওঁ এদিন লাঙ্কাচায়াৰৰ শ্ৰমিকসকলৰ আলহী হৈছিলগৈ। তেওঁক অভিনন্দন দিওঁতে এই শ্ৰমিকসকলে তেওঁলোকৰ মাজত ঘোৰ নিবনুৱা সমস্যাৰ কথা কয় আৰু এনে অৱস্থাত মহাত্মাই ভাৰতত বিদেশী দ্ৰব্যৰ বজাৰ বন্ধ কৰি এওঁলোকৰ মাজত নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰি কেনেকৈ অহিংস নীতি ৰক্ষা কৰে তাৰ উত্তৰ বিচাৰিছিল। মহাত্মাই ভাৰত-বাসীৰ দুৰৱস্থাৰ কথা কৈ তেওঁলোকক বুজাই দিছিল যে এটা অস্বাভাৱিক অৱস্থাৰ ফলত তেওঁলোকৰ আৰু ভাৰতবাসীৰ উভয়ৰে অৱস্থা তেনেকৈ বেয়া হৈ গৈছে। সেই অৱস্থা দূৰ কৰাৰ উপায় হ'ল এপিনে ভাৰতক স্বাধীনতা দিয়া আৰু আনপিনে জগতত সকলোৰে মাজত সাম্যভাৱ প্ৰৱৰ্ত্তন কৰি মিলা-প্ৰীতি কৰা। তেওঁ কেবাজনো বিশ্বপ অৰ্থাৎ খৃষ্টিয়ান ধৰ্ম্মগুৰুৰ আলহী হৈ আছিল। সম্ৰাটৰ লগতো তেওঁৰ দেখা হৈছিল। সেই আঠু-মূৰীয়া চুৰিয়া আৰু কম্বলেৰে সকলো ঠাইতে তেওঁ নিজৰ বিনয়ী আৰু সুমধুৰ কথাৰে সকলোকে মুগ্ধ কৰিছিল।

ৰাজনৈতিক ক্ষেত্ৰত তেওঁৰ ব্যক্তিত্বৰ লগে লগে কংগ্ৰেছৰ দাবী একেদৰেই পৰিস্ফুট হৈ ওলাই পৰিছিল। ঘূৰণীয়া মেজ-মেলত প্ৰথম বক্তৃতা দিয়াটো তেওঁৰ পক্ষে এটা আচৰিত কাৰ্য্য বুলি ক'ব পাৰি। তেওঁ একো লিখি লৈ যোৱা নাছিল, আনকি এটা টোকাও লৈ যোৱা নাছিল। কংগ্ৰেছ অনুষ্ঠানৰ জন্ম দিনৰপৰা আৰম্ভ কৰি ভাৰতৰ স্বাধীনতাৰ দাবীৰ যোগ্যতা আৰু ন্যায্যতালৈকে এটাইবিলাক কথা তেওঁ এনে সুন্দৰ আৰু বিশদভাৱে বক্তৃতাত কৈ গৈছিল যে কেতিয়াবা আন কোনোবাই সেইদৰে ক'ব পাৰিছিলনে নাই সন্দেহ। গান্ধীজীৰ এই ভাষণৰ ভাব যেনে সুস্পষ্ট, তাৰ ভাষাও তেনে পৰিষ্কাৰ আছিল। সংখ্যালঘু সম্প্ৰদায়ৰ দাবী সম্বন্ধে পতা কমিটিত তেওঁ স্পষ্টভাৱে জানিবলৈ দিলে যে বৃটিছ চৰকাৰেহে এই সম্প্ৰদায়বিলাকক নিজ

নিজ সম্প্ৰদায়ৰ দাবী বঢ়াই দিবৰ কাৰণে উৎসাহ দি আমাৰ মাজত বিভেদৰ সৃষ্টি কৰাৰ চেষ্টা কৰিছে। কিন্তু বৃটিছ চৰকাৰৰ এই চেষ্টা মৰাশ কাটি ভাগ কৰাৰ দৰেহে হৈছে, কাৰণ ভাৰতৰ শাসন সম্বন্ধে বৃটিছৰ মনত ভাৰতীয়ক প্ৰকৃত স্বায়ত্ত শাসনৰ ভাৰ গটাই দিয়াৰ ইচ্ছা একেবাৰে নাই বুলি তেওঁ বুজিব পাৰিলে। তেওঁ ইয়াকো জানিবলৈ দিলে যে যদি সম্প্ৰদায়বিলাকে নিজে নিজৰ ভিতৰত মিলিব নোৱাৰে তেন্তে প্ৰধানমন্ত্ৰী মেকডনাল্ডে শিখ, মুছলমান, হিন্দুৰ সম্বন্ধে যি মীমাংসা কৰে কৰিব পাৰে; কিন্তু যদি তেওঁ হিন্দুৰ অস্পৃশ্যসকলক হিন্দুৰ মাজৰপৰা বেলেগ কৰি নিব খোজে, তেন্তে গান্ধীজীয়ে নিজৰ প্ৰাণ দি হলেও সেই অন্যায় প্ৰতিৰোধ কৰিব। আকৌ এটা বৈঠকত ভাৰতে স্বাধীনতা পাবলৈ সৈন্যবিভাগ চালনা কৰা সম্বন্ধে গান্ধীজীয়ে কয় যে স্বায়ত্ত শাসনৰ তলত তেওঁ কোনো ক্ষমতা লবলৈকে ভয় নকৰে। কিন্তু তাতো তেওঁ বৃটেইনবাসীসকলৰ লগত মিলিজুলিহে কাম কৰিব। ভাৰতৰ স্বাৰ্থৰ ( Interest of India ) অৰ্থাৎ তেওঁ এইদৰে বুজিছিল যে ভাৰতৰ স্বাৰ্থৰ উপকাৰী কোনো কাম বৃটেইনৰ পক্ষেও উপকাৰী নহৈ নোৱাৰে। ঘূৰণীয়া মেজ-মেলত ভাৰতবাসীৰ প্ৰতিনিধিত্ব সম্পৰ্কে তেওঁ কয় যে কংগ্ৰেছ এটা মাত্ৰ ৰাজনৈতিক দল হে বুলি বৃটিছ গভৰ্ণমেণ্টে ধাৰণা কৰাটো ভুল; কাৰণ কংগ্ৰেছে জাতি-ধৰ্ম্ম-নিৰ্ব্বিশেষে শতকৰা পঁচাশীজন ভাৰতীয় প্ৰতিনিধিত্ব কৰে। এনে স্থলত আন প্ৰতিনিধিসকলৰ মত একে স্তৰতে ধৰি ললেও সেইবোৰ মত ভাৰতবাসীৰ মত বুলি ক'ব নোৱাৰি। শেহত তেওঁ বৃটিছ প্ৰতিনিধিসকলক বুজাই ক'লে যে কংগ্ৰেছে অহিংস নীতি গ্ৰহণ কৰিছে আৰু পূৰ্ণ স্বাধীনতাই ( liberty ) কংগ্ৰেছৰ লক্ষ্য। কিন্তু সেই বৈঠকলৈ অহা লোকসকলৰ প্ৰকাশিত মতৰপৰা বুজা গৈছিল যে তেওঁলোক সকলোৱে একমত নাছিল আৰু প্ৰত্যেকৰ মত বেলেগ বেলেগ ভাব আৰু উদ্দেশ্যেৰে ভৰা আছিল। এনে অৱস্থাত এই সভাৰপৰা কিবা মঙ্গল হব বুলি গান্ধীজীয়ে ভাবিব নোৱাৰা হ'ল।

প্ৰতিনিধি এটাইকিজন যে ভাৰতৰ স্বায়ত্ত শাসন সম্বন্ধে একমত নহয় তাক স্পষ্ট বুজা গ'ল। বৃটিছ চৰকাৰে প্ৰতিনিধিসকল ভাৰতৰপৰা এনেদৰে বাছি নিছিল যাতে সকলো প্ৰতিনিধি কেতিয়াও একমত হ'ব নোৱাৰে। গান্ধীজীয়ে স্বাধীনতাৰ আদৰ্শত সকলোকে একমত কৰিবলৈ যত্ন কৰিছিল; কিন্তু কংগ্ৰেছৰ বাহিৰে বাকী প্ৰতিনিধিসকলে বৃটিছৰ অৱসৰপ্ৰাপ্ত চিভিলিয়ান

আৰু বৃটিছ মন্ত্ৰী-সভাৰ লোকসকলৰ লগত দেখা-সাক্ষাৎ হোৱাৰ পাছত একমত হোৱাৰ কল্পনাকে বাদ দিলে। চাৰ তেজবাহাদুৰ চাপ্ৰু আৰু জয়াকৰৰ দৰে উদাৰপন্থী নেতাও কাণ্ড দেখি হতাশ হ'ল। গান্ধীজীৰ তেতিয়া বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ উদ্দেশ্য আৰু উদ্যম বৃটিছ কূটনীতিৰ কাৰণেই কোনো মতে সফল হ'ব নোৱাৰে। তেওঁৰ মনৰ ভাব বৈঠকৰ শেষত সভাপতিলৈ শলাগৰ শৰাই আগবঢ়াওঁতে তেওঁ কোৱা কথাৰপৰাই বুজিব পাৰি। তেওঁ কৈছিল, "এতিয়া আমি দুই বাটৰ মূৰত উপস্থিত হলোঁহি। নাজানো মই কোন. বাটেৰে যাব লাগিব। কিন্তু মোৰ বাবে. এইটো একো চিন্তাৰ কথা নহয়। মই যদি বিপৰীত বাটেৰেও যাব লাগে, আপুনি মোৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ।"

কেইদিনমানৰ পিছতে তেওঁ ইংলণ্ড ত্যাগ কৰিলে। ইটালীবাসী লোকে তেওঁক ঘূৰি আহোঁতে বিশেষভাৱে অভিনন্দিত কৰিছিল। ইয়াৰ ভিতৰতে তেওঁ বুজিব পাৰিছিল যে ভাৰতবৰ্ষত তেওঁ আহি বেছি দিন জেলৰ বাহিৰত থাকিবলৈ নাপাব। লৰ্ড উইলিংডনে ইমান দিনে কংগ্ৰেছে উপাৰ্জ্জন কৰা প্ৰতিপত্তি ধ্বংস কৰিবলৈ ইতিমধ্যে পাং পাতিছিল আৰু এই কাৰ্য্যত জিলাধিপতি ইণ্ডিয়ান চিভিল চাৰ্ভিচৰ লোকসকলে তেওঁক মনেপ্ৰাণে সহায় কৰিছিল। অকপট, সাধুমতি গান্ধীজীয়ে বিলাতৰ ঘূৰণীয়া মেজ-মেলত ভাৰতত স্বায়ত্ত শাসন সম্বন্ধে কৰা কৰ্তৃপক্ষৰ উক্তি শুনি আশংকা কৰা নাছিল যে ভাৰতত কঠোৰ দমননীতি পুনৰ চলিব। সেই কাৰণে বিলাতত থাকোঁতেই যদিও তেওঁ প্ৰাদেশিক আৰু কেন্দ্ৰীয় চৰকাৰে পূৰ্ব্বৰ গান্ধী-আৰউইন চুক্তিৰ বিৰুদ্ধে কাম কৰা বুলি খবৰ পাইছিল, তথাপি তেওঁ কংগ্ৰেছক ধৈৰ্য্যেৰে সহনশীল হৈ থাকিবলৈ হে উপদেশ পঠাইছিল। ভাৰতবৰ্ষলৈ উভতি আহি হে তেওঁ সকলো বিপৰীত দেখিলে; চৰকাৰে চুক্তিৰ চৰ্ত্তবিলাক দেখদেখকৈ নাকচ নকৰিলেও প্ৰকাশ্য ভাৱে চুক্তিৰ বিৰুদ্ধে কাম কৰিবলৈ ধৰিছে। গান্ধীজীয়ে বিলাতত ভাৰতৰ দাবী দাঙি ধৰোঁতে গুজৰাটৰ বাৰদোলি তালুকৰ কৃষকৰ ওপৰত পুলিচৰ অত্যাচাৰ তদন্তকাৰী কমিটিৰ বিচাৰত, যুক্তপ্ৰদেশত ৰায়ত আৰু জমিদাৰৰ মাজত হোৱা বিৰোধত জমিদাৰ পক্ষ সমৰ্থন কৰি, বঙ্গদেশৰ চট্টগ্ৰাম জিলাত কিছুমান ইউৰোপীয় লোক আৰু পুলিচে মিলি জোৰকৈ ছপাখানা ভঙ্গাৰ সম্বন্ধে তদন্ত নকৰি আৰু বিশেষকৈ উত্তৰ-পশ্চিম প্ৰান্তত খান আব্দুল গফৰ খান আৰু তেওঁৰ ভায়েক ডাঃ খান চাহাবক

জেলত ৰাখি ভাৰত চৰকাৰে যে কংগ্ৰেছৰ প্ৰতি তাচ্ছিল্য আৰু হেয় ভাবৰ হে পৰিচয় দিছিল—এই সকলো কথা বিবৰি কৈছিল। তাৰ উপৰিও বিলাতৰপৰা উভতি আহি যেতিয়া উত্তৰ-পশ্চিম প্ৰান্তৃত, বঙ্গদেশ আৰু যুক্ত প্ৰদেশত চৰকাৰৰ দমন আইন (ordinances) প্ৰয়োগ কৰা দেখা পালে, তেতিয়া মহাত্মাই এইবোৰ অত্যাচাৰ উল্লেখ কৰি বৰলাট চাহাবৰ লগত সাক্ষাৎ কৰিবলৈ বিচাৰিলে। গান্ধীজীক তাৰ উত্তৰত ইয়াকে কোৱা হ'ল যে যদি তেওঁ দেশত শান্তি স্থাপনৰ কাৰণে চৰকাৰক সহায় কৰিবলৈ ৰাজী হয় তেন্তে বৰলাট চাহাবৰ লগত কথা-বাৰ্ত্তা হব পাৰে, নহলে তেনে সাক্ষাৎ কৰাৰ কোনো প্ৰয়োজন নাই। তেতিয়া গান্ধীজীয়ে নিখিল ভাৰত কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ প্ৰস্তাৱ মতে ভাৰতৰ বহু ঠাইত বৃটিছ দমন-নীতিৰ কাৰণে হোৱা অত্যাচাৰৰ উল্লেখ কৰি এইবিলাকৰ প্ৰতিকাৰ বিচাৰিলে। নহলে তেওঁ পুনৰায় আইন অমান্য আন্দোলন আৰম্ভ কৰিবলৈ বাধ্য হব বুলি জনালে। লগে লগে গান্ধীজীয়ে চৰকাৰৰ আগৰ চুক্তিৰ কথা সোঁৱৰাই দিবলৈ চেষ্টা কৰিলে। কিন্তু লৰ্ড উইলিংডনে কংগ্ৰেছ ধ্বংস কৰাৰ অভি-প্ৰায়েৰে ১৯৩১ চনৰ চাৰি জানুৱাৰী তাৰিখে মহাত্মাজীক আটক কৰি জেলত থলে আৰু সেই দিনাই ভাৰতবাসীৰ জীৱনৰ দৈনন্দিন প্ৰত্যেক কাৰ্য্যতে হাত দিব পৰাকৈ চাৰি-পাঁচখন আইন জাৰি কৰি দমন নীতিৰ চূড়ান্ত প্ৰয়োগ কৰিলে। কংগ্ৰেছক বেআইনী বুলি ঘোষণা কৰি সকলো কংগ্ৰেছ কৰ্ম্মীকেই দমন নীতিৰ কবলত পেলাই লৈ জেল-জৰিমনা আদি সকলো প্ৰকাৰে কাবু কৰিবলৈ চেষ্টা কৰা হ'ল। আকৌ পুলিচৰ লাঠিৰ কোবত জখম হোৱাটো কংগ্ৰেছীৰ কাৰণে দৈনন্দিন ঘটনা হৈ পৰিল। এটাইবিলাক কংগ্ৰেছ অফিচ চৰকাৰে দখল কৰি ললে; কংগ্ৰেছ অফিচৰ সমস্ত কাগজ-পত্ৰ, ছপাখানা, টাইপৰাইটাৰ, চাইক্লোষ্টাইল যন্ত্ৰ ইত্যাদি সকলো বস্তু চৰকাৰে বাজেয়াপ্ত কৰিলে। বহুত ছপাখানা আৰু বাতৰি কাকত বন্ধ হৈ গ'ল। এক লাখতকৈও বেছি মানুহে নানা শাস্তি ভোগ কৰিলে। জেলত মানুহ ৰাখিবলৈ ঠাই নোহোৱা হোৱাত অস্থায়ী বন্দীশাল পাতিব লগা হ'ল। চৰকাৰৰ দমন নীতি জেলৰ ভিতৰলৈকে সোমাল। কংগ্ৰেছী বন্দীসকলৰ ওপৰত জেলৰ ভিতৰত অত্যাচাৰ হ'বলৈ ধৰিলে। জেলত বন্দীৰ ওপৰত, বিশেষকৈ তৃতীয় শ্ৰেণীৰ বন্দীৰ ওপৰত অতি জঘন্য ব্যৱহাৰ কৰা হৈছিল। এই কঠোৰ দমন-নীতি সত্বেও কংগ্ৰেছী সেৱকসকলে যি অসীম ধৈৰ্য্য আৰু অহিংস শক্তিৰ

পৰিচয় দিলে, তাক ভালকৈ মন কৰা দৰ্কাৰ। কোনো প্ৰদেশতে কংগ্ৰেছী লোকৰ মাজত এধানমানো হিংসা-ভাবৰ প্ৰকাশ দেখা নগ'ল। মহাত্মাজীৰ অহিংস নীতিয়ে কেনেকৈ দেশবাসীৰ অন্তৰ জয় কৰিছিল তাৰ উদাহৰণ এই ১৯৩২-৩৩ চনৰ আন্দোলনতে পোৱা যায়।

বাপা, মহাত্মাজী আকৌ সেই আগেয়ে থকা কাৰাগাৰতে থাকিলগৈ আৰু ১৯২১ আৰু ১৯৩০ চনত যেনেকৈ উপাসনা, সুতা কটা, অধ্যয়ন আৰু লিখাৰ মাজেদি সময় কটাইছিল, এইবাৰো সেইদৰেই সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ ধৰিলে। কিন্তু দুমাহমানৰ ভিতৰতে এটা গুৰুতৰ সমস্যাই জেলৰ ভিতৰত তেওঁৰ শান্তিময় জীৱন যাপনতো গুৰুতৰ উৎকণ্ঠাৰ সৃষ্টি কৰিলে। তোমালোকৰ মনত থাকিব পায় যে গান্ধীজীয়ে বৃটিছৰ ঘূৰণীয়া মেজ-মেলত স্পষ্টভাৱে প্ৰকাশ কৰিছিল যে যদি বৃটিছ চৰকাৰে হিন্দু অচ্যুতসকলক হিন্দু সমাজৰপৰা বিচ্ছিন্ন কৰি হিন্দু সমাজক বিভক্ত কৰিব খোজে, তেন্তে তেওঁ প্ৰাণ দিও এনে চেষ্টাৰ প্ৰতিৰোধ কৰিব। গান্ধীজীয়ে জেলৰ ভিতৰৰপৰা ১৯৩১ চনৰ মাৰ্চ্চ মাহত ভাৰতৰ বৃটিছ সচিব চাৰ চেমুৱেল হ'ৰলৈকো তেওঁৰ এই সঙ্কল্প চিঠি লিখি জনাইছিল। দুখৰ বিষয় এয়ে যে এই কথা জানি-শুনিও বৃটিছ প্ৰধান মন্ত্ৰী মিঃ মেকডনাল্ডে এই জাতি-বিভাগ সাধন কৰিলে। বৃটিছে পতা অস্পৃশ্যসকলৰ প্ৰতিনিধি শ্ৰীআম্বেদকাৰৰ কথাতে হয় ভৰ দি বৃটিছ প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে যে ভৱিষ্যতে অস্পৃশ্যসকলৰ কাৰণে প্ৰাদেশিক ব্যৱস্থাপক সভাত সুকীয়াকৈ আসন সৃষ্টি কৰা হ'ব আৰু এইসকলক নিৰ্ব্বাচনৰ কাৰণে কেৱল অস্পৃশ্যসকলেহে ভোট দিব পাৰিব। ইয়াৰ বাহিৰেও অচ্যুতসকলক আন কিছুমান অধিকাৰ দিয়া হব। বৃটিছ প্ৰধান মন্ত্ৰীৰ ৰায় আগষ্ট মাহৰ সোতৰ তাৰিখে জাহিৰ কৰা হয়। সমগ্ৰ জীৱন অচ্যুতসকলৰ উন্নতিৰ কাৰণে প্ৰাণ উৎসৰ্গ কৰি তেওঁলোকক বৰ্ণ-হিন্দুবিলাকৰ আপোন কৰিবলৈ কৰা সকলো চেষ্টা বিফল কৰি যেতিয়া এই কূটনীতি পুনৰায় প্ৰকাশ হ'ল, মহাত্মাই আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে। ওঠৰ তাৰিখেই তেওঁ বৃটিছ প্ৰধান মন্ত্ৰীক জনালে যে তেওঁ এই ৰায় বাতিল কৰাৰ উদ্দেশ্যে অনশন ব্ৰত লৈ প্ৰাণ ত্যাগৰ সঙ্কল্প কৰিছে, আৰু এই সঙ্কল্প তেওঁ পৰিত্যাগ কৰিব, যদিহে অচ্যুত আৰু আন হিন্দুসকলৰ মাজত মিলনসূচক এটা চুক্তি সম্পাদিত হৈ বৃটিছ চৰকাৰৰ দ্বাৰা অনুমোদিত হয়। এই ব্ৰত বিশ ছেপ্টেম্বৰৰপৰা আৰম্ভ হ'ব বুলি জাননী দিলে।

মহাত্মাৰ এই সঙ্কল্পৰ কথা শুনি সমগ্ৰ পৃথিৱীতে এটা অভাৱনীয় তোলপাৰৰ সৃষ্টি হ'ল। হাকিম লৰে, কিন্তু হুকুম নলৰে, এনে কথা তোমালোকে শুনিছা. তেনে অৱস্থাত কোনে ভাবিব পাৰিছিল যে বৃটিছ প্ৰধান মন্ত্ৰীৰ ৰায় পৰিবৰ্ত্তিত হব ? কোনে ভাবিব পাৰিছিল যে অচ্যুত-মিলনৰ দৰে এটা জটিল সমস্যা, মহাত্মাৰ এই কঠোৰ ব্ৰতৰ দিনকেইটাৰ ভিতৰত সমাধান হব ? কঙ্কালসদৃশ মহাত্মাই কেনেকৈ জেলৰ ভিতৰত এই কঠোৰ ব্ৰত পালন. কৰিব ? এইবিলাক কথা চিন্তা কৰি সমগ্ৰ পৃথিৱীৰ সজ্জনসকলে মহাত্মাৰ অমূল্য জীৱন সংকটাপন্ন বুলি ভাবি লৈ অতিশয় উদ্বিগ্ন হৈ পৰিল। পৃথিবীৰ চাৰিওফালৰপৰা সকলো জাতিৰ লোকৰপৰা এই গুৰুতৰ সঙ্কল্প ত্যাগ কৰিবৰ কাৰণে মহাত্মালৈ টেলিগ্ৰাম আহিবলৈ ধৰিলে। ভাৰতবৰ্ষৰ সকলো সম্প্ৰদায়ৰ নেতাসকলেও সেইদৰে তেওঁক এই সঙ্কল্প ত্যাগ কৰিবলৈ অনুৰোধ কৰিলে। অনেক কংগ্ৰেছী লোক সাময়িকভাৱে বলিয়াৰ দৰে হৈ পৰিল, আনকি তেওঁৰ সহকৰ্ম্মী আৰু পুত্ৰস্বৰূপ শ্ৰীজৱহৰলাল নেহৰুৱেও তেওঁৰ এই সংকল্পৰ অৰ্থ বুজিব নোৱাৰে বুলি তেওঁক জনালে। গান্ধীজী কিন্তু নিজৰ সংকল্পৰপৰা বিৰত নহ'ল, আৰু ঠিক বিশ ছেপ্টেম্বৰৰ দিনা তেওঁ অনশন আৰম্ভ কৰিলে। অনশন ব্ৰত আৰম্ভ কৰাৰ লগে লগে বোম্বাইৰ 'টাইমছ্ অৱ ইণ্ডিয়া' কাগজৰ প্ৰতিনিধিৰ আগত গান্ধীজীয়ে অস্পৃশ্যতা সম্বন্ধে যি কথা কৈছিল, সি চিৰস্মৰণীয় হৈ থাকিব। মই মাত্ৰ দুআষাৰ কথা উদ্ধৃত কৰি দিলোঁ: "যদিও মই জন্মত এজন স্পৃশ্য, মই নিজৰ ইচ্ছামতে এজন অস্পৃশ্য। মই উচ্চবৰ্ণৰ অস্পৃশ্যসকলৰ প্ৰতিনিধি হবলৈ আকাঙ্খা নকৰোঁ। মই সেইসকল অস্পৃশ্য লোকৰ লগৰ এজন হ'বলৈ বিচাৰোঁ আৰু তেওঁলোকৰ প্ৰতিনিধিত্ব কৰিবলৈ বিচাৰোঁ, যিসকলক দেখা কৰা বা যাৰ ওচৰ চপাত অস্পৃশ্যতাৰ দোষ আছে, যিসকলে সমাজৰ অত্যাচাৰ ভালকৈ পাইছে।......মোৰ জীৱনৰ সপোন হৈছে অস্পৃশ্য আৰু স্পৃশ্য হিন্দুসকলৰ মাজত আন্তৰিক মিলন স্থাপন কৰা, অকল সুকীয়া নিৰ্ব্বাচন নীতি গুচাই দিয়া নহয়.....মোৰ জীৱন এটা অতি সামান্য বস্তু। মোৰ দৰে এশ জীৱন দিও হিন্দু সমাজে কৰা পাপ দূৰ কৰিব নোৱাৰি। মই আন একো কৰিব নোৱাৰোঁ, সেইকাৰণে মোৰ থকা একমাত্ৰ জীৱনটোকে দিবলৈ ওলাইছোঁ......মোৰ মনেৰে হিন্দু সমাজৰপৰা অস্পৃশ্যতা নিবাৰণৰ অৰ্থ মানৱ সমাজৰপৰা অপবিত্ৰতা দূৰীকৰণ।......মই জীয়াই থাকিবলৈ বিশেষ

চেষ্টা কৰিম যাতে হিন্দু বিবেক আৰু বৃটিছৰ বিবেক জাগৰিত হৈ এই শোকাবহ যন্ত্ৰণা শেষ কৰে। মোৰ ব্যাকুল চিৎকাৰ সৰ্ব্বশক্তিমানৰ সিংহাসন পাবগৈ।" কোৱা বাহুল্য মাথোন যে ভাৰতবৰ্ষৰ সকলো জনাজাত লোকেই কি উপায়েৰে মহাত্মাৰ প্ৰাণ ৰক্ষা কৰিব তাৰ নিমিত্তে লাগি পৰিল। আনকি চৰকাৰেও এই কামত সহায় কৰাৰ কাৰণে জেলৰ দ্বাৰ মহাত্মাজীৰ দৰ্শনৰ কাৰণে উন্মুক্ত কৰি দিলে। মহাত্মাজীক এটা নতুন কক্ষলৈ অনা হ'ল, আৰু তাত এই জটিল সমস্যা সিদ্ধান্তৰ কাৰণে ভাৰতবৰ্ষৰ নেতাসকলৰ লগত পৰামৰ্শ কৰিবলৈ সুবিধা কৰি দিলে। মহাত্মাৰ সঙ্কল্প দেখি ডাঃ আম্বেদকাৰৰ হৃদয় কোমল হ'ল। স্বৰ্গীয় ৰবীন্দ্ৰনাথ ঠাকুৰ, পণ্ডিত মদনমোহন মালব্য, শ্ৰীঅমৃতলাল ঠক্কৰ, শ্ৰীৰাজাগোপালাচাৰী, চাৰ চুনিলাল মেহতা, শ্ৰীঘনশ্যামদাস বিৰলা, চৰ্দ্দাৰ বল্লভভাই পেটেল, ডাঃ জয়াকৰ, বাবু ৰাজেন্দ্ৰপ্ৰসাদ, শ্ৰী কে. চি. ৰাজা প্ৰভৃতি লোকসকলে দিনে-ৰাতিয়ে খাটিবলৈ ধৰিলে, কেনেকৈ বৰ্ণ-হিন্দু আৰু অচ্যুত.হিন্দুসকলৰ ব্যৱস্থাপক সভাৰ আসন স্বাৰ্থ বজাই ৰাখিব পাৰি। আচৰিত হবলগীয়া এয়ে যে গান্ধীজীয়ে অনশন ব্ৰত লোৱা সত্ত্বেও এই জটিল সমস্যাৰ সমাধান বিচৰাত গান্ধীজীয়ে নিজেই সকলো আলোচনা আৰু ভাবধাৰা চালনা কৰি আছিল। ভাৰতবৰ্ষৰ সকলো মেধাবী লোক লগ হৈ সাতদিন চেষ্টা কৰি অচ্যুত-সকলৰ নেতা ডাঃ আম্বেদকাৰ আৰু মিঃ ৰাজাৰ লগত এটা চুক্তি কৰিলে। আজিলৈকেই ই 'পুণা চুক্তি' বুলি জনাজাত হৈ আছে। এই চুক্তি বৃটিছ প্ৰধান মন্ত্ৰীৰ ৰায়ৰ পৰিবৰ্ত্তে গ্ৰহণ কৰা হ'ল আৰু ঘুৰণীয়া মেজ-মেললৈ যোৱা প্ৰতিনিধিসকলেই এই চুক্তি গ্ৰহণ কৰাৰ কাৰণে প্ৰধান মন্ত্ৰী মেকডনাল্ডে এই চুক্তি তেওঁৰ ৰায়ৰ সংশোধন হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। এইখিনিতে তোমালোকে জনা উচিত যে মাত্ৰ চেপ্টেম্বৰৰ চাৰি তাৰিখে, গান্ধীজীৰ চিঠিৰ উত্তৰত এই মেকডনাল্ড চাহাবেই নানা কাৰণ দেখুৱাই তেওঁৰ ৰায় পৰিবৰ্ত্তন কৰিব নোৱাৰে বুলি মহাত্মাজীক জনাইছিল। নতুন চুক্তিমতে অচ্যুতসকলক প্ৰাদেশিক ব্যৱস্থাপক সভাবিলাকত প্ৰতিনিধিৰ সংখ্যা প্ৰধানমন্ত্ৰীৰ ৰায়ত উল্লেখ কৰা সংখ্যাতকৈও বেছিকৈ বঢ়াই দিয়া হ'ল। এই অধিক সংখ্যক আসন বৰ্ণ-হিন্দুসকলৰপৰা কাটি দিয়া হ'ল। কিন্তু তেওঁলোকৰ নিৰ্ব্বাচনসমূহ হিন্দু সমাজৰ ভোটাৰসকলেহে কৰিব পৰা হ'ল। ইয়াৰ ফলত বৃটিছৰ ভেদ-নীতিৰ অন্যায় অনেক পৰিমাণে কমি গ'ল।

চব্বিশ ছেপ্টেম্বৰত বৃটিছ চৰকাৰে এই চুক্তি গ্ৰহণ কৰাৰ পিছত মহাত্মাজীয়ে অনশন ব্ৰত ভাঙে। স্বৰ্গীয় ৰবীন্দ্ৰনাথ ঠাকুৰে ইৰোডা জেলৰ প্ৰাঙ্গণৰ আম গছৰ তলত তেওঁৰ মুখত সুমথিৰা টেঙাৰ ৰস দিয়ে। এই দৃশ্য ১৯২৪ চনৰ অনশন ব্ৰত ভঙাৰ দৃশ্যতকৈ কম হৃদয়গ্ৰাহী নাছিল। ভাৰতৰ কোটি কোটি নৰ-নাৰীয়ে এই সংবাদ পাই আনন্দৰ নিশ্বাস পেলায়, আৰু পৰমেশ্বৰৰ ওচৰত হৃদয়ৰ কৃতজ্ঞতা জনায়।

বাপা, তোমালোকে মহাভাৰত, ৰামায়ণ আৰু ভাগৱতৰ ঋষিসকলৰ তপস্যাৰ শক্তিয়ে সমগ্ৰ পৃথিৱীৰ লোক, স্বৰ্গৰ দেৱতাসকল, ইন্দ্ৰৰ সিংহাসন, আনকি স্বৰ্গৰ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ পৰ্য্যন্ত তলমল কৰা কাহিনী নিশ্চয় পঢ়িছা। মহাত্মা গান্ধীৰ এই অনশন ব্ৰত আৰু তাৰ ফল তেনে তপস্যাৰ লগত অনায়াসে তুলনা কৰিব পাৰি। মহাত্মাৰ এই তপস্যাস্বৰূপ অনশন ব্ৰতত প্ৰকৃত পক্ষে পৃথিৱীৰ সমস্ত লোকেই চমৎকৃত হৈছিল আৰু অনেকে তেওঁৰ উদ্দেশ্য সফল হবৰ কাৰণে কামনা কৰিছিল। সেই সৎ ইচ্ছাৰ ফলতেই পৃথিৱীৰ অৰ্দ্ধেক ৰাজ্যৰ শাসনৰ গুৰিয়াল বৃটিছ প্ৰধান মন্ত্ৰীয়ে নিজৰ ৰায় খণ্ডন কৰি মহাত্মাৰ বিচাৰ মতে কাৰ্য্য কৰিবলৈ বাধ্য হ'ল। তেওঁৰ সৰল প্ৰেমৰ মহত্ত্বই কেৱল অচ্যুত নেতাসকলকেই বশ কৰি এৰা নাছিল, তেওঁৰ মহান ত্যাগৰ মহত্ত্বই উচ্চবৰ্ণৰ হিন্দুৰ মাজতো এটা আমূল পৰিবৰ্ত্তন আনিলে।

অনশন ব্ৰত ভঙাৰ আগতে পঁচিশ ছেপ্টেম্বৰত বোম্বাই চহৰত মদনমোহন মালব্যৰ সভাপতিত্বত এখন বিৰাট হিন্দু সভাত এই মৰ্ম্মে এটা প্ৰস্তাৱ গৃহীত হ'ল যে ভৱিষ্যতে কোনো লোকেই অস্পৃশ্যৰ ঘৰত জন্ম হোৱাৰ কাৰণে অস্পৃশ্য বুলি পৰিগণিত নহব আৰু যিসকল এতিয়ালৈকে সেইদৰে পৰিগণিত হৈ আছে সেইসকলে চৰকাৰী স্কুল, কুঁৱা আৰু আন চৰকাৰী অনুষ্ঠান ব্যৱহাৰ কৰিবলৈ আন মানুহৰ দৰে সমান স্বত্ব পাব। পুণা চুক্তি গৃহীত হোৱাৰ লগে লগে বৰ্ত্তমান হৰিজন সেৱক সঙ্ঘ সংস্থাৰ ভিত্তি স্থাপন হয়। তোমালোকে জানিব পোৱা, এই সভাৰ বৰ্ত্তমান সভাপতি শ্ৰীঘনশ্যাম দাস বিৰলা আৰু প্ৰধান সম্পাদক শ্ৰীঅমৃতলাল ঠক্কৰ। এই সঙ্ঘ এতিয়া এটা জনাজাত অনুষ্ঠান হৈ পৰিছে আৰু এওঁলোকৰ হাতত বহুতো অচ্যুত আৰু পিছপৰা জাতিৰ ল'ৰাবিলাকে শিক্ষা আৰু জীৱনত আন প্ৰকাৰে উন্নতি কৰিবলৈ সুবিধা পাইছে। আনপিনে বহু ঠাইত যিসকল জাতিৰ লোকক হিন্দু মন্দিৰলৈ যাবলৈ দিয়া হোৱা নাছিল, সেই মন্দিৰবিলাকত

প্ৰৱেশৰ স্বত্ব দিয়া হ'ল, আৰু এই মন্দিৰ-প্ৰৱেশৰ স্বত্বৰ কাৰণে কেইবা ঠাইতো আন্দোলন, আনকি সত্যাগ্ৰহ নীতিও অৱলম্বন কৰা হ'ল। তথাপি মহাত্মাৰ মনত এনে এটা বিশ্বাস হৈছিল যে তেওঁৰ জীৱনৰ কাৰণেহে বহুলোকে এই হিন্দু জাতিসকলক ৰাজনৈতিক স্বত্ব দিবলৈ ৰাজী হৈছে। জেলৰ ভিতৰত থাকিও তেওঁ জানিব পাৰিছিল যে অনেক হিন্দুৱে আৰু আন কংগ্ৰেছী লোকেও এই পবিত্ৰ কামত অন্তঃকৰণেৰে বিশ্বাস কৰা নাছিল আৰু বহুতে এই অচ্যুত উদ্ধাৰ কামটো নিজৰ ৰীতিৰ বিপক্ষে বুলি ভাবিছিল। এই বিভাগ হোৱাৰ লগে লগে মহাত্মাই আকৌ ১৯৩৩ চনৰ মে' মাহৰ আঠ তাৰিখে তেওঁৰ নিজৰ আৰু তেওঁৰ লগৰ কৰ্ম্মীসকলৰ চিত্ত শুদ্ধিৰ কাৰণে ব্ৰত লওঁতে কৈছিল যে এনে এটা ধৰ্ম্ম সংস্কাৰ আধ্যাত্মিক উপায়েৰেহে সম্ভৱপৰ হ'ব আৰু সেই কাৰণে তেওঁ সকলো হিন্দুকেই—সনাতনীসকলকো তেওঁৰ লগত ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ কৰিছিল—যাতে সমাজৰপৰা এই কলঙ্ক দূৰ হয়।

মহাত্মা গান্ধীয়ে অনশন আৰম্ভ কৰাৰ লগে লগে চৰকাৰে তেওঁক জেলৰপৰা খালাচ দিলে। গান্ধীজীয়ে গভৰ্ণমেণ্টৰ এই সহানুভূতিপূৰ্ণ কামৰ কাৰণে বৰ বিমোৰত পৰিল। চলি থকা এই সত্যাগ্ৰহ তেওঁ ছসপ্তাহৰ কাৰণে বন্ধ কৰিবলৈ উপদেশ দিলে। কংগ্ৰেছ সভাপতি শ্ৰীঅচনে সেই মতত আন্দোলন কৰিলে। লগে লগে গৱৰ্ণমেণ্টৰ পক্ষৰপৰা ৰাজনৈতিক বন্দী-বিলাকক খালাছ দিয়াৰ কথাও উত্থাপন কৰা হ'ল; কিন্তু কংগ্ৰেছে আইন অমান্য আন্দোলন পৰিত্যাগ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ নকৰাৰ কাৰণে চৰকাৰেও ৰাজনৈতিক বন্দীক খালাচ নিদিলে। ফলত গান্ধীজীক খালাছ দিয়াৰ তিনিমাহৰ পাছত আকৌ ৰাম নামৰ গাঁৱত সত্যাগ্ৰহ কৰিবলৈ বন্দবস্ত কৰিলে। গৱৰ্ণমেণ্টে তেওঁক আৰু তেওঁৰ লগৰ চৌত্ৰিশজন আশ্ৰমবাসীক গ্ৰেপ্তাৰ কৰি য়েৰোডা জেললৈ লৈ গৈ মাত্ৰ চাৰিদিন ৰাখি মুক্তি দিলে আৰু লগে লগে হুকুম দিলে যে তেওঁ য়েৰোডা গাঁও পৰিত্যাগ কৰিব আৰু পুণাত বসতি কৰিবগৈ লাগিব। গান্ধীজীয়ে খালাছ হোৱাৰ এঘণ্টা পিছত এই হুকুম অমান্য কৰিলে আৰু তাৰ ফলত এবছৰৰ কাৰণে পুনৰায় দণ্ডিত হ'ল।

এইবাৰ চৰকাৰে গান্ধীজীক আগেয়ে দিয়া সুবিধাবিলাকৰপৰাও বঞ্চিত কৰিলে। প্ৰতিবাদ স্বৰূপে গান্ধীজীয়ে আকৌ অনশন ব্ৰত আৰম্ভ কৰিলে। জীৱনৰ আশঙ্কা হোৱাত তেওঁক মেছুন হাস্পতাললৈ অনা হয়; তাতো তেওঁৰ

অৱস্থা ভাল নোহোৱাত তেইশ আগষ্টত তেওঁক মুক্তি দিয়া হয়। গৱৰ্ণমেণ্টে খালাছ দিয়াৰ সময়ত অৰ্থাৎ ১৯৩৪ চনৰ অনশনলৈকে তেওঁৰ কাৰণে গৱৰ্ণমেণ্টক আহকাল নিদিওঁ বুলি স্থিৰ কৰি তেওঁ এই সময়খিনি হৰিজনৰ কাৰ্যাত খটাবলৈ সিদ্ধান্ত কৰিলে। এই উদ্দেশ্য সাধনৰ কাৰণে সমগ্ৰ ভাৰতবৰ্ষতে ভ্ৰমণ কৰিবলৈ ওলাল। এই সম্বন্ধে তেওঁ অসমলৈকো তৃতীয়বাৰ আহে আৰু প্ৰায় বাইশহেজাৰ টকা অসমবাসীৰপৰা পায়। সমগ্ৰ ভাৰতবৰ্ষত আঠ লাখতকৈও বেছি টকা সংগ্ৰহ কৰে। এই কাৰ্য্য যে কিছুমান মানুহৰ পক্ষে অসহ্য হৈ উঠিছিল তাৰ প্ৰমাণ এটা গুৰুতৰ ঘটনাৰপৰা বুজা যায়। পুণা মিউনিচিপেলিটিৰপৰা এখন অভিনন্দন-পত্ৰ লবলৈ যোৱাত তেওঁৰ গাত বোমা নিক্ষেপ কৰিবলৈ চেষ্টা কৰা হয়। এই পাপী লোকজনে মহাত্মা গান্ধীৰ মটৰ বুলি ভুল কৰি অলপ আগতে অহা আন গাড়ী এখনৰ ওপৰত বোমা পেলায় আৰু সাতজন নিৰীহ প্ৰাণীক সাধাৰণভাৱে জখম কৰে। কোৱা বাহুল্য যে গান্ধীজীয়ে এনে কাৰণত নিজৰ কৰ্ত্তব্য কৰিবলৈ ভয় কৰা দূৰৰ কথা, এই দুৰ্ঘটনালৈ মনকে নিদিলে। কিন্তু কাশীত যেতিয়া এজন সংস্কাৰকে খণ্ডতে এজন সনাতনী পণ্ডিতৰ মুৰটো কোবাই ফালি পেলালে, তেওঁ মানুহৰ অধৈৰ্য্য আৰু সহনশীলতাৰ অভাৱৰ কাৰণে সাত দিনৰ অনশনব্ৰত লৈ থাকিল। এই সময়তে বিহাৰ প্ৰদেশত এটা মহামাৰী ভূমিকম্পই অনেক লোকৰ প্ৰাণ আৰু তাতোকৈ অধিক লোকৰ ঘৰ-সম্পত্তি ধ্বংস কৰে। মহাত্মাজীয়ে এই খণ্ড প্ৰলয় আমাৰ হৰিজনসকলৰ ওপৰত কৰা অত্যাচাৰ আৰু ভাৰতবাসীৰ আন পাপৰ ফলত হোৱা বুলি প্ৰকাশ কৰাত আমাৰ শিক্ষিত জগতে বিশেষভাৱে প্ৰতিবাদ কৰে। গান্ধীজীয়ে নিজে এই ঠাইবিলাকত পদব্ৰজে ফুৰি আছিল, আৰু পীড়িত লোকৰ সহায়ৰ কামত বিহাৰৰ নেতা শ্ৰীৰাজেন্দ্ৰ-প্ৰসাদক নানা উপদেশেৰে সহায় কৰিছিল।

১৯৩৩ চনৰপৰা কংগ্ৰেছৰ মাজত আৰু এটা দল ওলাল। এই দলটোৱে পুনৰায় ব্যৱস্থাপক সভালৈ যাব খোজা নাছিল। আইন অমান্য আন্দোলন চলাই কিছুমান নেতা ভাগৰি পৰিছিল। অনেকে নিজৰ সাংসাৰিক অৱস্থাৰ কাৰণেও বোধকৰোঁ কিছুদিনৰ কাৰণে যুঁজৰপৰা সকাহ বিচাৰিলে। এইবিলাক কাৰণত কিছুমান লোক সত্যাগ্ৰহ আন্দোলন স্থগিত ৰখাৰ পক্ষপাতী হ'ল। আনপিনে, ব্যৱস্থাপক সভাৰপৰা দেশৰ বিশেষ লাভ নহব বুলি বিবেচনা কৰি মহাত্মা গান্ধীয়ে নিজেই কংগ্ৰেছৰপৰা ওলাবলৈ

স্থিৰ কৰিলে। ১৯৩২-৩৩ চনত সত্যাগ্ৰহ আন্দোলন চলি থাকোঁতেও তেওঁ কিছুমান কংগ্ৰেছী লোকৰ ব্যৱহাৰত অসন্তুষ্ট হৈ পৰিছিল। কংগ্ৰেছীয়ে লুকাই থাকি আন্দোলন কৰাটো তেওঁ একেবাৰে ভাল নাপাইছিল আৰু স্পষ্টভাৱে কৈছিল যে সত্যৰ আন্দোলনত লুকা-ভাকুৰ ঠাই নাই। লুকাই ফুৰা প্ৰবৃত্তিৰ কংগ্ৰেছীক দেখি সাধাৰণ মানুহৰ মাজতো ভয়ৰ সঞ্চাৰ হৈছিল। ইয়াৰ বাহিৰেও তেওঁ জেলত থাকোঁতে কংগ্ৰেছীৰ মাজত দলাদলিৰ কথা শুনিছিল; তেওঁলোকে কেনেকৈ সেৱাতকৈ শক্তিকহে বিচাৰিছিল, সেই কথা তেওঁ গম পাইছিল। এইবিলাক অভিজ্ঞতাৰ পিছতো যেতিয়া তেওঁ বুজিলে যে অধিক সংখ্যক কংগ্ৰেছী লোকে ব্যৱস্থাপক সভাৰ জৰিয়তে হে কাম কৰিব খুজিলে, তেতিয়া তেওঁ নিজে কংগ্ৰেছত থকাটো অন্যায় বুলি ভাবিলে। আনকি তেওঁ কংগ্ৰেছৰ চাৰি-অনীয়া সভ্য হৈয়ো থাকিব নুখুজিলে। সকলো কংগ্ৰেছী নেতাই তেওঁক এনে সংকল্পৰপৰা বিৰত হ'বলৈ অনুৰোধ কৰিলে। উত্তৰত গান্ধীজীয়ে ইয়াকে ক'লে যে যদিও তেওঁ কংগ্ৰেছ ত্যাগ কৰিছে, তথাপি যদি কংগ্ৰেছে বা কংগ্ৰেছী লোকসকলে তেওঁৰ উপদেশ বিচাৰে তেন্তে উপদেশ দিবলৈ তেওঁ সদায় ৰাজী থাকিব। আজি, ১৯৪১ চনতো মহাত্মা যদিও কংগ্ৰেছৰ একমাত্ৰ চালক, তথাপি তেওঁ কংগ্ৰেছৰ সভ্য নহয়। কিন্তু এইটোও সত্য যে গান্ধীজীয়ে কেতিয়াও কংগ্ৰেছক উপযাচি উপদেশ দিবলৈ এৰা নাই।

১৯৩৪ চনৰপৰা ১৯৩৯ চনলৈকে মহাত্মাই কংগ্ৰেছৰপৰা পৃথক হৈ থাকিলেও ভাৰতক অহিংস কৰি উন্নতিশীল কৰিবলৈ যি পন্থা লৈছিল সেই পৰিকল্পনা কাৰ্য্যত পৰিণত কৰাত লাগি গ'ল। পূৰ্ব্ব প্ৰতিজ্ঞামতে মহাত্মা সবৰমতী আশ্ৰমলৈ নগ'ল। ১৯৩৪ চনত চৰকাৰে সকলো কংগ্ৰেছ অফিচ, আশ্ৰম ইত্যাদি দখল কৰা দেখি মহাত্মাই নিজেই এই আশ্ৰম চৰকাৰক গটাই দিছিল, কিন্তু চৰকাৰে গ্ৰহণ নকৰাত হৰিজন সেৱা-সংঘক দান কৰি দিলে আৰু নিজে আহি মধ্যপ্ৰদেশৰ মধ্যস্থ ৱাৰ্ধা নগৰৰপৰা চাৰি মাইল দূৰত এখন হৰিজন গাঁৱৰ ওচৰত থাকিলগৈ। প্ৰথমতে তাত তেওঁ এটা অতি সামান্য জুপুৰী ঘৰ সাজি লৈ আছিল। এই ঠাই বিষাক্ত সাপেৰে পৰিপূৰ্ণ আছিল। মহাত্মাই এইবিলাকক মাৰিবলৈ নিদি তাৰ মাজতে থাকিল। লাহে লাহে সাপবিলাকে সেই ঠাই এৰি থৈ গ'ল। আজিও তেওঁ থকা পঁজাটো সামান্যভাৱেহে ডাঙৰ কৰা হৈছে, আৰু আজি এই পঁজাটোৱেই ভাৰতৰ সকলো সজ চিন্তা আৰু সৎ কাৰ্য্যৰ কেন্দ্ৰ হৈ পৰিছে।

এই সম্বন্ধে মই তোমালোকক পাছত বহলাই কম। বৰ্ত্তমানে ৰাজনীতি ক্ষেত্ৰত এই ছবছৰ মহাত্মাই কংগ্ৰেছ মহাসভাৰ এজন উপদেষ্টাৰূপে থাকিয়েই সন্তুষ্ট। এই উপদেশসমূহৰ ভিতৰত কেইটামান বিশেষ্‌ক লক্ষ্য কৰিব লগা কথা আছে। প্ৰথমতে, তেওঁ কংগ্ৰেছ অনুষ্ঠানভুক্ত লোকসকলৰ মাজতে পৱিত্ৰতাৰ ভাব আনিবলৈ চেষ্টা কৰিলে। এপিনে তেওঁ কংগ্ৰেছ অনুষ্ঠানৰপৰা কপটতা দূৰ কৰিবলৈ চেষ্টা কৰি আদৰ্শমতে কাম কৰা মানুহবিলাককহে কংগ্ৰেছ সভ্য হৈ থাকিবলৈ উপদেশ দিলে; সেই কাৰণে তেওঁ খদ্দৰ নিপিন্ধা মানুহক নাইবা সূতা নকটা বা আন হাতৰ-কাম নকৰা মানুহক কংগ্ৰেছৰ সভ্য হোৱা উচিত নহয় বুলি মত দিছিল। নৈতিকতাৰ আদৰ্শ যাতে দেশৰ আগত উজ্জ্বল হৈ থাকিব পাৰে, সেই কাৰণে তেওঁ এটা সংঘ স্থাপন কৰে যিটোক পিছত মানুহে 'গান্ধী সেৱা সংঘ' বুলি অভিহিত কৰিলে। এই সংঘত কংগ্ৰেছৰ প্ৰধান নেতাসকল (যেনে, ৰাজেন্দ্ৰপ্ৰসাদ, বল্লভভাই পেটেল প্ৰভৃতি) সভ্যভুক্ত হয়। এই সংঘই গান্ধীজীৰ আদৰ্শমতে গ্ৰাম উদ্যোগ কাৰ্য্য, অস্পৃশ্যতা দূৰীকৰণ, মাদকতা নিবাৰণ, খদ্দৰ প্ৰচলন, ৰাষ্ট্ৰভাষা প্ৰচাৰ ইত্যাদি গঠনমূলক কামত আত্মনিয়োগ কৰে। কংগ্ৰেছৰ মাজত পৱিত্ৰতা অনাৰ চেষ্টাত কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ কৰাৰ পাছত অনেক সুবিধাবাদী লোক যাতে কংগ্ৰেছ অনুষ্ঠানৰপৰা বাহিৰ হৈ যায় তাৰ কাৰণেও তেওঁ যত্ন কৰিছিল। এই কাৰণে গান্ধীজী কিছুমান মানুহৰ ওচৰত অপ্ৰিয়ও হৈ পৰিছিল। জাৰ্ম্মানিৰ নাৎছিবিলাকৰ দৰে গান্ধীজীয়ে কংগ্ৰেছৰপৰা তেওঁৰ মতৰ বিৰোধিতা কৰা লোকক খেদিব খোজা বুলি কিছুমান লোকে গান্ধীজীৰ বিৰুদ্ধে সেই সময়ত কৈ ফুৰিছিল আৰু তেনেকুৱা মানুহ এতিয়াও আছে।

১৯৩৬ চনত যেতিয়া কংগ্ৰেছে নতুন শাসনতন্ত্ৰ মতে নিৰ্ব্বাচনত যোগ দিবলৈ স্থিৰ কৰে, তেতিয়া স্বাভাৱিকতেই কংগ্ৰেছী প্ৰাৰ্থীবিলাকে নিৰ্ব্বাচনত জয়ী হবৰ কাৰণে মহাত্মাৰ আশীৰ্ব্বাদ বিচাৰিছিল। মহাত্মাই তেতিয়া কংগ্ৰেছ-প্ৰাৰ্থীক হে নিৰ্ব্বাচনত জয়ী কৰিবৰ কাৰণে ৰাইজক উপদেশ দিছিল। তেওঁৰ মতে, দেশ আৰু দুখীয়াৰ উপকাৰ কৰিব পৰা ভাৰতৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান হ'ল কংগ্ৰেছ। সাতখন প্ৰদেশত কংগ্ৰেছে নিৰ্ব্বাচনত প্ৰাধান্য লাভ কৰাত কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ কৰা উচিত হয় নে নহয় সেই সম্বন্ধে দেশত এটা ডাঙৰ বিতৰ্কৰ সৃষ্টি হয়। এই জটিল সমস্যাক মহাত্মাৰ উপদেশেই সমাধান কৰিলে। তেওঁ মুঠতে ইয়াকে বৃটিছ চৰকাৰৰপৰা বিচাৰিলে যে

যদি মন্ত্ৰীসকলৰ অধিকাৰ থকা বিষয়ত লাট বা গৱৰ্ণৰে একেবাৰে হস্তক্ষেপ নকৰে আৰু আন আন কাৰ্য্যবিলাকতো মন্ত্ৰীসভাৰ পৰামৰ্শ মতে কাম কৰিবলৈ সন্মত হয় তেন্তে কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ কৰাটো যুক্তিযুক্ত হব। ভাৰত-সচিব লৰ্ড জেটলেণ্ড আৰু গভৰ্ণৰ জেনেৰেল লৰ্ড লিনলিথগোই সেই প্ৰতিশ্ৰুতি দিয়াত সাতখন প্ৰদেশত কংগ্ৰেছী মন্ত্ৰীসভা গঠন হ'ল। মহাত্মাৰ এই বিচাৰ প্ৰথমতে কিছুমান লোকে গ্ৰহণ কৰা নাছিল; কিন্তু মহাত্মাই বুজিব পাৰিছিল যে যদি কংগ্ৰেছী মন্ত্ৰীসকলে প্ৰকৃততে সেৱা ভাবৰ দ্বাৰা অনুপ্ৰাণিত হৈ কাম কৰে তেন্তে গঠনমূলক কাৰ্য্যৰ দ্বাৰাই দেশবাসীক স্বাধীনতাৰ পথত আগুৱাই নিব পাৰিব আৰু স্বাধীনতাকামী কৰিব পাৰিব। মন্ত্ৰীসভাবিলাক গঠন হোৱাৰ পাছতো সকলো প্ৰদেশৰ সকলো জটিল প্ৰশ্ন সম্বন্ধে কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিয়ে আৰু মন্ত্ৰীসকলে তেওঁৰ মতামত বিচাৰিছিল আৰু মহাত্মাই প্ৰত্যেক কথাৰে এনে সুন্দৰ সমিধান দিছিল যে সকলোৱে তেওঁৰ মতে কাম কৰি আনন্দ পাইছিল। আনপিনে, এই মন্ত্ৰীসভাবোৰে কৰা ভুলবোৰৰো তেওঁ স্পষ্ট সমালোচনা কৰিছিল। মাদ্ৰাজ আৰু কানপুৰত পুলিচৰ সহায়ত ধৰ্ম্মঘট বন্ধ কৰাৰ কাৰণে তেওঁ অভিযোগ কৰিছিল যে শেষত কংগ্ৰেছী মন্ত্ৰীসভাও অহিংস শক্তিক উপেক্ষা কৰিছিল।

এইদৰে ৰাজনীতিৰ লগত সংশ্ৰৱ ৰখা সত্ত্বেও মহাত্মাৰ পাঁচ-ছবছৰৰ কাৰ্য্য সম্পূৰ্ণৰূপে গঠনমূলক বুলি ক'ব পাৰি। আৰু, হৰিজন সেৱাৰ কাৰ্য্যালয়ৰ বাহিৰে ৱাৰ্ধা আৰু ৱাৰ্ধাৰ ওচৰৰ ঠাইখিনিয়েই ভাৰতৰ সমুদায় কাৰ্য্যৰ কেন্দ্ৰ হৈ পৰিল। তেওঁ অহিংস আৰু সত্যৰ উপাসকৰ জীৱনৰ আৰ্হি গঠনমূলক কাৰ্য্যৰ ভেটিত গঢ়িবলৈ ওলাল। সমগ্ৰ জীৱন ধৰি যি আদৰ্শ তেওঁ নিজে অনুসৰণ কৰি আহিছিল আৰু যি আদৰ্শৰ সত্যতা প্ৰমাণৰ কাৰণে তেওঁ সমস্ত জীৱনকে অৰ্পণ কৰিছিল, সেইবিলাকক সাধাৰণ ভাৰতবাসীয়ে কেনেকৈ অনুসৰণ কৰিব তাৰ পৰিকল্পনা মহাত্মাই ৱাৰ্ধাৰ ওচৰৰ গাঁও এখনত বহি এটি এটিকৈ কৰিবলৈ ধৰিলে। এই কাৰ্য্যকৰী শক্তিৰ কথা পৰীক্ষা কৰি চালে আমি দেখা পাওঁ যে মহাত্মা জগতৰ ভিতৰত এজন অদ্বিতীয় কৰ্ম্মী লোক। বেছিভাগ মহাপুৰুষে নিজৰ জীৱনৰ ভিতৰত উপলব্ধি কৰা সত্য প্ৰচাৰ কৰোঁতেই তেওঁলোকৰ জীৱন শেষ কৰিবলৈ বাধ্য হৈছিল। গান্ধীজীৰ কাৰ্য্যকৰী শক্তিৰ প্ৰবলতা ইমান বেছি যে তেওঁ গোটেই সমাজৰ কাৰ্য্যকে এটা ভাবেৰে অনুপ্ৰাণিত কৰিবলৈ চেষ্টা কৰিছে আৰু নানা বিভাগ কৰি

সেইবিলাক চাবলৈ আৰম্ভ কৰিছে। এই সমস্ত কাৰ্য্য আৰু আদৰ্শৰ কেন্দ্ৰ হল ৱাৰ্ধা। কি কাৰণত মহাত্মাই নিজে থাকিবলৈ এই গাঁওখন বিচাৰি ললে মই নাজানো। কিন্তু ভৌগোলিক স্থিতি মতে ৱাৰ্ধা ভাৰতৰ মধ্যস্থ ঠাই বুলি ক'ব পাৰি। মোৰ বিশ্বাস, এই বাছনি কৰোঁতে যমুনালাল বাজাজৰ সহৃদয়তা আৰু বদান্যতায়ো সহায় কৰিছিল। বৰ্ত্তমান সেৱা-গ্ৰামৰ আশ্ৰমৰ মাটি আৰু ৱাৰ্ধা চহৰত থকা বেছিভাগ অনুষ্ঠানে বাজাজজীৰ মাটিত পতা হৈছে।

তোমালোকক এতিয়া মই ৱাৰ্ধাত কি কি অনুষ্ঠান আছে আৰু সেইবিলাকৰ উদ্দেশ্য কি তাক চমুকৈ কওঁ শুনা। মহাত্মাৰ আদৰ্শৰ হৰিজন সেৱাৰ কাম দিল্লীৰপৰা ঠক্কৰ বাপাই চলায়। ইয়াৰ বাহিৰে তেওঁৰ সকলো কামেই ৱাৰ্ধা আৰু তাৰ ওচৰৰ অনুষ্ঠানবোৰত হয়। তোমালোকে জানা যে তেওঁৰ সকলোতকৈ প্ৰিয় কাম হ'ল যঁতৰত সূতা কটা। যঁতৰ আৰু খদ্দৰ প্ৰচাৰৰ উদ্দেশ্য সম্বন্ধে আগতেই কৈছোঁ। ভাৰতৰ অৰ্থনীতিৰ বিষয়ে চিন্তা কৰা প্ৰায় সকলো লোকেই মানে যে ভাৰতীয়ৰ বৰ্ত্তমান দুৰৱস্থাৰ কাৰণ হ'ল নিজৰ হাতৰ শিল্পৰপৰা উৎপন্ন হোৱা বস্তুবিলাক ত্যাগ কৰি তাৰ পৰিবৰ্ত্তে কলৰ বিদেশী বস্তু গ্ৰহণ কৰাটো। কোৱা বাহুল্য মাথোন যে ভাৰতৰ সকলোতকৈ ডাঙৰ শিল্প আছিল সূতা কটা আৰু কাপোৰ বোৱা। কাৰণ, কাপোৰ বোৱাৰপৰা মানুহৰ কাপোৰৰ অভাৱ দূৰ হোৱাৰ উপৰিও এই শিল্পই আন আন কেবাটাও শিল্পক পুহি ৰাখে। সেই কাৰণে কাপোৰ তৈয়াৰ কৰা শিল্পৰ লগে লগে আন শিল্পবো প্ৰচলন হয়। যঁতৰৰ উন্নতিৰ কাৰণে মহাত্মাই নিজেই অনেক চেষ্টা কৰিছিল; আৰু এতিয়া ওলোৱা দুই চকাৰ বাকচৰ যঁতৰ, 'য়েৰোডা চক্ৰ' যঁতৰ আৰু 'কিষাণ চক্ৰ' মহাত্মাই য়েৰোডা জেলত থাকোঁতে এজন কৰ্ম্মীৰ সহায়ত উদ্ভাৱন কৰা বুলি কয়। নলবাৰি নামৰ ঠাইত মহাত্মাৰ প্ৰিয় শিষ্য বিনোৱা ভাৱেৰ আশ্ৰম। তাত এতিয়া অসংখ্য যঁতৰ প্ৰস্তুত হ'ব ধৰিছে। মহাত্মাই নিজে দুখীয়া গাঁৱলীয়াৰ কাৰণে কিমান কম দামৰ যঁতৰ কৰিব পাৰে তাৰ চেষ্টা কৰি আছে।

ৱাৰ্ধাত মগনবাড়ি নামৰ শিল্প-শিক্ষাৰ এখন ঠাই আছে। তাত ভাৰতৰ গ্ৰাম্য শিল্পৰ এটা যাদুঘৰ বা মিউজিয়াম আছে। এই ঠাইৰ নাম মগনবাড়ি ৰখা হৈছে মহাত্মাজীৰ দক্ষিণ আফ্ৰিকাৰ সহকৰ্ম্মী মগনলাল গান্ধীৰ সোঁৱৰণিত। এই অনুষ্ঠানটো অতি বৃহৎ আৰু লাহে লাহে বেছি ডাঙৰ হৈ

গৈ আছে। গাঁৱলীয়া লোকে অতি সহজে অলপ খৰচত নিজৰ দৈনন্দিন জীৱন নিৰ্ব্বাহ কৰোঁতে যি যি বস্তু লাগে সেইবিলাক কেনেকৈ সুলভ উপায়েৰে উৎপাদন কৰিব পাৰে তাৰ বিষয়ে চেষ্টা আৰু গবেষণা চলিব লাগিছে। যেনে - এজন মানুহে কেনে ধৰণৰ ঘানিত সবাতোকৈ বেছি তেল উলিয়াব পাৰিব তাৰ পৰীক্ষা কৰা হৈছে; কোন প্ৰকাৰৰ যাঁতেৰে কেনেকৈ বেছি ধান দ'লি উলিয়াব পাৰিব তাৰ পৰীক্ষা হব ধৰিছে; তাল আৰু খেজুৰীৰপৰা কেনেকৈ গুৰ আৰু মিছিৰি সস্তাতে উৎপাদন কৰিব পাৰি তাৰ চেষ্টা চলি আছে। ইয়াত হাতেৰে কাগজ তৈয়াৰ কৰা, মাটিৰ বাচন তৈয়াৰ কৰা, মৌ-মাখি পোহা ইত্যাদি শিল্পও শিকোৱা হয়। মুঠতে ক'বলৈ গলে এই অনুষ্ঠানটিৰ উদ্দেশ্য হৈছে কল-কাৰখানাৰ সহায় নোলোৱাকৈ গ্ৰাম্য জীৱন যাপন কৰিবলৈ সহজ উপায় শিকোৱা। এই অনুষ্ঠানটিৰ অধ্যক্ষ জে· চি· কুমাৰাপ্পা। তেওঁ ভায়েক ডাক্তৰ কুমাৰাপ্পা আৰু ডাক্তৰৰ পৰিবাৰে তেওঁৰ সহকাৰী হিচাপে কাম কৰে। এই মহৎ লোকসকলে যিভাৱে সৰল সাধাৰণ জীৱন যাপন কৰে তাক দেখি মানুহৰ শ্ৰদ্ধা আৰু ভক্তি নহৈ নোৱাৰে।

ৱাৰ্ধা হিন্দুস্থানী বা ৰাষ্ট্ৰভাষা প্ৰচাৰৰ কেন্দ্ৰও। প্ৰথমতে ৰাষ্ট্ৰভাষাৰ কেন্দ্ৰ আছিল প্ৰয়াগত। এই বিভাগৰ অধ্যক্ষ কাকাচাহেব কালেলকাৰ। এওঁক তোমালোক বহুতে দেখিছা। ৱাৰ্ধাতেই চৰখা সংঘৰো কেন্দ্ৰ। এই সংঘৰ উদ্দেশ্য যঁতৰৰ প্ৰচলন আৰু যঁতৰৰ উন্নতি। ইয়াৰ অধ্যক্ষ শ্ৰীকৃষ্ণদাস জাজু। ইয়াৰ বাহিৰেও ৱাৰ্ধাত স্ত্ৰী-শিক্ষাৰ কাৰণে এটা অতি সুন্দৰ অনুষ্ঠান আছে; ই মহিলা আশ্ৰম নামে জনাজাত। এই অনুষ্ঠানৰ অধ্যক্ষা শ্ৰীমতী শান্তিবাই ৰাণীবালা। এওঁ এজন ধনী সাউদৰ বিধবা জীয়ৰী। অনেক টকা দান দি তেওঁ এই অনুষ্ঠানটি চলাইছে। এই অনুষ্ঠানৰ উদ্দেশ্য হৈছে বিধবা আৰু চৈধ্য বছৰৰ ওপৰৰ অবিধবাকো সকলো ৰকমৰ শিক্ষা দিয়া— পায়খানা চাফা কৰাৰপৰা আৰম্ভ কৰি উৎকৃষ্ট গান-বাজনা আৰু চিত্ৰকলা প্ৰভৃতিলৈকে।

ইয়াৰ বাহিৰেও মহাত্মাই সেৱাগ্ৰামৰ আশ্ৰমতে ৱাৰ্ধা-শিক্ষা নামে অভিহিত শিল্পৰ জৰিয়তে দিয়া শিক্ষা-নীতি পৰীক্ষা কৰি চাইছে। সমগ্ৰ ভাৰতত্ত এই শিক্ষা চলাবৰ কাৰণে প্ৰাদেশিক চৰকাসমূহে চেষ্টা কৰিছে। এই বিষয়ে গান্ধীজীয়েও এটা অনুষ্ঠান খুলিছে—হিন্দুস্থানী তালিমী সংঘ।

অৰিয়ানাবাস নামৰ এজন সিংহলবাসী পণ্ডিত এই অনুষ্ঠানৰ গুৰিয়াল।

এই সমুদায় অনুষ্ঠান আৰু কৰ্ম্মীসকলৰ কেইটামান কথা লক্ষ্য কৰিবলগীয়া। এওঁলোক ঈশ্বৰত বিশ্বাসী। সকলোৱে দিনে দুবাৰ প্ৰাৰ্থনা কৰে। এই প্ৰাৰ্থনা সৰল আৰু সুমধুৰ আৰু এনে ধৰণৰ যে ইচ্ছা কৰিলে সকলো ধৰ্ম্মৰ লোকে ইয়াত যোগ দিব পাৰে। কৰ্ম্মীসকল অতি মেধাবী আৰু কাৰ্য্যদক্ষ হোৱা সত্ত্বেও আৰু বেছি ভাগৰেই পাশ্চাত্য সভ্যতাৰ লগত সম্পৰ্ক থকা সত্ত্বেও পুৰণি ভাৰতৰ ঋষিৰ দৰে অতি সৰল সাধাৰণ জীৱন-যাপন কৰে। এওঁলোকে চকী-মেজৰ সলনি ঢাৰী-পিৰা ব্যৱহাৰ কৰে, হাতে কটা মোটা সূতাৰ কাপোৰ পিন্ধে, মছলাৰ গোন্ধ নথকা সৰল নিৰামিষ আহাৰ খায় আৰু অলাগতিয়াল কথা নকৈ সদায় কামত ব্যস্ত হৈ থাকে। প্ৰত্যেকৰে চিন্তা আৰু কামত এটা নতুন আদৰ্শ প্ৰচাৰ কৰা বুলিব পাৰি। সেই আদৰ্শৰ মূল ভেটি হৈছে অহিংসবাদ। মনুষ্য জীৱন এনেদৰে গঠন কৰিব লাগিব যাৰ দ্বাৰাই মানুহে নিজৰ স্বাৰ্থ বা উন্নতিৰ কথা নাভাবি সমাজৰ, বিশেষকৈ দুঃখিত আৰু দলিত সমাজৰ, হিতৰ হকে কাম কৰিব। এওঁলোকৰ কাৰ্য্য-প্ৰণালীৰ মূল ধাৰা হৃদয়ত প্ৰেম আৰু অন্তঃকৰণত ঈশ্বৰ বিশ্বাস। এই আদৰ্শমতে সমাজৰ ভাব পৰিবৰ্ত্তন কৰাত এওঁলোক কিমান সফল হব, তাক ভৱিষ্যৎ গ্ৰন্থকাৰে পৃথিৱীৰ আগত দাঙি ধৰিব। বৰ্ত্তমান আমি এই কথা মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব যে এই মহৎ লোকসকল মহৎ আদৰ্শৰ সেৱাত জীৱন অকাতৰে আহুতি দিছে।

১৯৩৯ চনত গান্ধীজীৰ অহিংসবাদৰ অগ্নিপৰীক্ষা উপস্থিত হয়। ১৯৩৯ চনৰ ছেপ্টেম্বৰ মাহত জাৰ্ম্মানিয়ে পোলাণ্ড আক্ৰমণ কৰাৰ লগে লগে বৃটিছেও জাৰ্ম্মানিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। জাৰ্ম্মানিৰ যুদ্ধ-শক্তিৰ প্ৰভাৱত পৃথিৱীয়ে তবধ মানিলে আৰু আতংকিত হ'ল। ন মাহ যুদ্ধৰ ভিতৰত স্পেইন আৰু পৰ্ত্তুগালৰ বাহিৰে সমগ্ৰ পশ্চিম ইউৰোপ জাৰ্ম্মানিৰ গ্ৰাসত পৰিল। জাৰ্ম্মানিৰ নতুন যুদ্ধ-কৌশলৰ আগত কোনো জাতিয়েই থিয় দি থাকিব নোৱাৰা হ'ল। সামৰিক বিজ্ঞানে মহামাৰী ৰূপ ধাৰণ কৰি এহেজাৰ বছৰে গঢ়ি তোলা ইউৰোপীয় সভ্যতা চুৰমাৰ কৰি দিলে। ৰণচণ্ডীৰ তাণ্ডৱ-লীলাই সমগ্ৰ পৃথিৱীক এনেদৰে আকৰ্ষণ কৰিলে যে সমগ্ৰ পৃথিৱীৰ সকলো জাতিয়েই সশস্ত্ৰ আৰু যুদ্ধমুখী হোৱাৰ বাহিৰে আন উপায় একো নাই বুলি ভাবিবলৈ বাধ্য হ'ল। শক্তিশালী পৰৰাজ্যলোভী জাতিবিলাকে তেনে ভাব

লোৱাত আচৰিত হবলগীয়া একো নাই। কিন্তু সৰু সৰু জাতিবিলাক এই বৃহৎ জাতিবিলাকৰ কুচক্ৰত পৰি বা নিজৰ স্বাধীনতাৰ অভিমানত এই বৃহৎ জাতিবিলাকৰ কবলত পৰিল। ভাৰতবাসীৰ কোনো মতামত নোলোৱাকৈ জাৰ্ম্মান আদি একৃচিচ্ শক্তিৰ বিৰুদ্ধে বৃটিছে ভাৰতৰ হৈ যুদ্ধ ঘোষণা কৰাত কংগ্ৰেছে হঠাৎ আঠখন প্ৰদেশৰ মন্ত্ৰীত্ব ত্যাগ কৰিলে আৰু যুদ্ধৰ আয়োজনত অসহযোগ কৰিবলৈ স্থিৰ কৰিলে। কিন্তু বৃটিছ চৰকাৰে এই প্ৰতিবাদ আওকাণ কৰি যুদ্ধত ভাৰতবৰ্ষক তেওঁলোকৰ ফলীয়া কৰি ললে। পূব অঞ্চলত জাপানৰ আধিপত্যৰ আকাঙ্ক্ষাৰ কাৰণে চীনবাসীৰ ওপৰত অত্যাচাৰৰ সীমা নোহোৱা হ'ল আৰু ১৯৪১ চনৰ ডিচেম্বৰৰপৰা সমগ্ৰ প্ৰশান্ত মহাসাগৰত নিজৰ ৰাজ্য বিস্তাৰৰ অভিপ্ৰায়েৰে ইংৰাজ আৰু আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ ৰাজ্যবিলাক দখল কৰিবলৈ ধৰিলে। এনে পৰিস্থিতিত ভাৰতৰ মানুহেও সমৰমুখী হবলৈ ইচ্ছা প্ৰকাশ কৰে। মুছলমানসকলৰ ধৰ্ম্মমতে ন্যায় বা ধৰ্ম্ম-ৰক্ষাৰ কাৰণে তেওঁলোক সদায় যুদ্ধ কৰিবলৈ সাজু। বেছিভাগ হিন্দুৱে গীতাই ধৰ্ম্মযুদ্ধ পোষকতা কৰা, বুলি ব্যাখ্যা কৰি এই যুদ্ধত বৃটিছৰ লগ লাগি থাকিবলৈ হিন্দুক আহ্বান কৰিবলৈ ধৰিলে। আনকি আজি বিশ-একৈশ বছৰ ধৰি গান্ধীজীৰ নেতৃত্বত চলা কংগ্ৰেছৰ কিছুমান নেতাইও নিজৰ দেশ ৰক্ষাৰ কাৰণে যুদ্ধ কৰাটো অহিংসাৰ পক্ষেও গৰ্হিত নহয় বুলি মত প্ৰকাশ কৰিলে, আৰু বৃটিছে ভাৰতৰ স্বাধীনতা মানি ললে বুলি মত প্ৰকাশ কৰিলে। এই প্ৰলয়ংকৰী সোঁতৰ বিপক্ষে থিয় হ'ল মহাত্মা গান্ধী।

তোমালোকক মই আগেয়ে কৈ আহিছোঁ যে বুৰৰ যুদ্ধত গান্ধীজীয়ে যুদ্ধত আহত লোকক শুশ্ৰূষা কৰিবৰ কাৰণে ভাৰতীয়ৰ এটা দল কৰি বৃটিছক বিশেষভাৱে সহায় কৰিছিল। ১৯১৪-১৮ চনৰ প্ৰথম বিশ্বযুদ্ধত গান্ধীজীয়ে বৃটিছক সহায় কৰাৰ অভিপ্ৰায়েৰে গুজৰাট প্ৰদেশত সৈন্য আৰু টকাৰ কাৰণে বক্তৃতা দি ফুৰি নিজৰ প্ৰাণ বিপন্ন কৰিছিল। কিন্তু এইবাৰৰ যুদ্ধত গান্ধীজীয়ে অবিচলিতভাৱে কোনো প্ৰকাৰৰ সহায় বৃটিছক নকৰিবৰ বাবে প্ৰকাশ্যে ৰাইজক উপদেশ দিলে। ১৯৩৯ চনৰ শেহছোৱা আৰু ১৯৪০ চনৰ আদিতে তেওঁ বৰলাট লৰ্ড আৰউইনক কৈছিল যে যদি বৃটিছে ভাৰতৰ স্বাধীনতা স্বীকাৰ কৰি লয় তেন্তে বৃটিছে যুদ্ধত ভাৰতীয়ৰ নৈতিক সমৰ্থন পাব। কিন্তু তেওঁ নিজৰ হকে কোনোদিনেই যুদ্ধত সহায় দিবলৈ গাত লোৱা নাই। গান্ধীজীৰ এই মনোবৃত্তি মোৰ মনেৰে কেৱল ৰাজনীতিমূলক

বিচাৰৰ ওপৰত প্ৰতিষ্ঠিত নহয়। এইটো সঁচা যে ৰবীন্দ্ৰনাথ ঠাকুৰকে আদি কৰি প্ৰায় সকলো মনীষী ভাৰতীয়ই বৃটিছৰ ন্যায় বিচাৰ আৰু সদিচ্ছাৰ ওপৰত একেবাৰে আস্থা হেৰুৱাইছিল আৰু অৰ্থপিপাসু বৃটিচ সাম্ৰাজ্যবাদেই এই মহাযুদ্ধৰ এটা প্ৰধান কাৰণ বুলি মানি লৈছিল। মহাত্মাও এই মানী-লোকসকলৰ ভিতৰৰে এজন। ৰাজনীতিৰ ফালৰপৰা স্বাধীনতাকামী ভাৰতে কোনো পক্ষকেই সমৰ্থন নকৰাটো গান্ধীজীৰ মনঃপুত বুলি ধৰি লব পাৰি। কিন্তু মোৰ মতে এই ৰাজনৈতিক বিবেচনাতকৈ নৈতিক আৰু আধ্যাত্মিক কাৰণতহে তেওঁ ঘোৰ যুদ্ধবিৰোধী আছিল। আজি মহাত্মাই চিৰজীৱনৰ সাধনাৰ ফলত যি সত্য উপলব্ধি কৰিছে তাক তেওঁ এটা অনিশ্চিত ৰাজনৈতিক লাভৰ বিনিময়ত পৰিত্যাগ কৰিব পাৰেনে ?

জাৰ্ম্মানিৰ হাতত ফ্ৰান্সৰ পতনৰ পাছত কংগ্ৰেছী নেতাৰ মাজত দুটা মত ওলাই পৰিল। কিছুমানে ক'লে যে বৃটিছে ভাৰতক পূৰ্ণ স্বাধীনতা দিবলৈ প্ৰতিশ্ৰুতি দি যদি দায়িত্বপূৰ্ণ কেন্দ্ৰীয় শাসন স্থাপন কৰে তেন্তে কংগ্ৰেছে বৃটিছক যুদ্ধত ধনে-জনে সহায় কৰা উচিত হব; গান্ধীজী আৰু তেওঁৰ অনুগতসকলৰ মতে যুদ্ধত বৃটিছক কোনো প্ৰকাৰৰ বাহ্যিক সহায় দিব নালাগে। নিখিল ভাৰত কংগ্ৰেছৰ বৈঠকত প্ৰথমটো মতেই বাহাল থাকিল। গান্ধীজীৰ মত মানি চলা সকলে কংগ্ৰেছৰ কাৰ্য্যকৰী সমিতিৰ সদস্য পদত ইস্তফা দিবলৈ ওলাল। সুখৰ বিষয় যে বৃটিছে কংগ্ৰেছৰ প্ৰস্তাৱ মতে কাম কৰিবলৈ ৰাজী নোহোৱাত কংগ্ৰেছৰ ভিতৰুৱা মতভেদ নোহোৱা হ'ল। শেহত বোম্বাইত কংগ্ৰেছে এই অসহযোগ আন্দোলন চলোৱাৰ সিদ্ধান্ত কৰি সকলো ভাৰ গান্ধীজীৰ হাতত অৰ্পণ কৰিলে।

সত্যাগ্ৰহ আন্দোলন পৰিচালনা কৰোঁতে মহাত্মাই গ্ৰহণ কৰা পন্থা চিন্তনীয়। সাম্ৰাজ্যবাদী বৃটিছে ভাৰতক পৰাধীন কৰি ৰখা ঘোৰ অন্যায়ৰ বিৰোধিতা কৰা আৰু সকলো যুদ্ধই বেয়া—এই দুটা কথা গান্ধীজীয়ে ৰচনা কৰি দিয়া যুদ্ধ-বিৰোধী বাণীত পোৱা যায়। বিলাতত Quaker On Society of Friends নামৰ খৃষ্টিয়ান দল এটা আছে—যি দলে কোনো যুদ্ধকে সহায় নকৰে। কিন্তু গান্ধীজী তাতকৈও এখোপ বেছি আগবাঢ়িল—ভাৰতৰ বৰ্ত্তমান ৰাজনৈতিক অৱস্থাৰ কাৰণে। তেওঁৰ মতে বৃটিছক ধনে-জনে সহায় কৰাও অন্যায়, কাৰণ তেওঁলোকৰ উদ্দেশ্য হৈছে যুদ্ধৰ দ্বাৰা সাম্ৰাজ্যবাদী শাসন ৰক্ষা কৰি ভাৰতীয়ক স্বাধীনতা আৰু মনুষ্যত্বৰপৰা বঞ্চিত

কৰা। গান্ধীজীৰ মতে উপৰুক্ত যুদ্ধবিৰোধী মত প্ৰকাশ কৰাৰ অধিকাৰ সকলোৰে থকা দৰকাৰ আৰু যদি সেই অধিকাৰত কোনোবা চৰকাৰে হস্তক্ষেপ কৰে, তাৰ বাবে যি শাস্তি ভোগ কৰিব লাগে তাক আনন্দেৰে গ্ৰহণ কৰিব লাগে। এইদৰে একেটা যুদ্ধবিৰোধী সূত্ৰতে মহাত্মাই যুদ্ধ যে অহিংসাবাদৰ বিপক্ষে, ভাৰতবাসী যে সাম্ৰাজ্যবাদ বিৰোধী আৰু স্বাধীনতা-কামী তাক স্পষ্টভাৱে প্ৰকাশ কৰিছিল।

তোমালোকে নিশ্চয় জানা যে মহাত্মাৰ নেতৃত্ব মানি প্ৰায় পাঁচ লাখ মানুহ জেললৈ যায় আৰু এই অসংখ্য কংগ্ৰেছ কৰ্ম্মীৰ ভিতৰত কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ মৌলানা আবুল কালাম আজাদ, পণ্ডিত জৱাহৰলাল নেহৰু, চৰ্দ্দাৰ বল্লভভাই পেটেল প্ৰভৃতি সদস্যসকল, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদস্যসকল, কংগ্ৰেছ-শাসিত প্ৰদেশবিলাকৰ প্ৰধান মন্ত্ৰী আৰু আন মন্ত্ৰীসকল আৰু বিধান সভাৰ কংগ্ৰেছী সদস্যসকলে আনন্দমনে যুদ্ধবিৰোধী ধ্বনি তুলি জেল খাটিছিলগৈ। বোধকৰো বৃটিছে নিজৰ ভুল হোৱা বুজি মানি বা কংগ্ৰেছৰ লগত আপোচ কৰাৰ ইচ্ছা কৰি যিবিলাকে ডিচেম্বৰ বা তাৰ পিছৰ মাহলৈকে জেল খাটিবলগীয়া আছিল তেওঁলোকক এৰি দিলে। জাপানৰ যুদ্ধ আহি ভাৰতৰ সীমান্ত পালেহি। কংগ্ৰেছী নেতাসকলে বৰদোলৈত বৈঠক পাতি ঠিক কৰিলে যে কংগ্ৰেছে সকলো অৱস্থাতে যুদ্ধ-বিৰোধী অহিংস ভাব গ্ৰহণ কৰা নাই আৰু এনেকুৱা ভাব প্ৰকাশ কৰিলে যে যদি বৃটিছে ভাৰতৰ স্বাধীনতাৰ দাবী স্বীকাৰ কৰি এতিয়াই ভাৰতীয়ক কেন্দ্ৰীয় শাসন চলাবৰ সম্পূৰ্ণ ভাৰ দিয়ে তেন্তে কংগ্ৰেছে ভাৰত ৰক্ষাৰ কাৰণে যুদ্ধ চলাবলৈ আপত্তি নকৰে।

চিৰকলীয়া বন্ধুবোৰৰ মাজতো এনে ভাব দেখা পায়ো মহাত্মা বিচলিত নহ'ল। সাধাৰণ লোকৰ পক্ষে এইটো এটা গুৰুতৰ অপমানৰ কথা; কাৰণ সত্যাগ্ৰহ চলাবৰ কাৰণে তেওঁক মাতি আনি নেতৃত্ব দিয়া হৈছিল আৰু প্ৰকাৰান্তৰে সেই নেতৃত্ব এতিয়া কাঢ়ি নিয়া হ'ল। কিন্তু মহাত্মা প্ৰকৃততে মহাত্মা। তেওঁ ক'লে যে যেতিয়া তেওঁক মাতি আনি সত্যাগ্ৰহ চলাবলৈ কোৱা হৈছিল, তেতিয়া তেওঁ ভাবিছিল যে কংগ্ৰেছে যুদ্ধ সম্বন্ধেও পূৰ্ণ অহিংসা-নীতিকেই গ্ৰহণ কৰিছিল; কিন্তু এতিয়া তেওঁ বুজি পালে যে তেওঁৰ হে সেইটো ভুল হৈছিল। সেইকাৰণে এতিয়া তেওঁৰ ভুল বুজি তেওঁ নিজে কংগ্ৰেছৰ নেতৃত্ব ত্যাগ কৰিলে। কিন্তু লগে লগে তেওঁ ভাৰতবাসী আৰু পৃথিৱীবাসীক জনালে যে এই মহাসমৰৰ ফলত মনুষ্যজাতিক ধ্বংসৰ পথৰপৰা

ৰক্ষা কৰাৰ একমাত্ৰ উপায় হৈছে পৃথিৱীত পূৰ্ণ অহিংসাবাদৰ প্ৰৱৰ্ত্তন। তেওঁ ভাবিছিল যে ভাৰতে দেশ হিচাপে এই আদৰ্শ মতে কাম কৰিব আৰু এতিয়াও সেই বিশ্বাস তেওঁ পৰিত্যাগ কৰা নাই। সেইকাৰণে এতিয়া যদিও কংগ্ৰেছে স্বাধীনতাৰ কাৰণে এই আদৰ্শ সাময়িকভাৱে ত্যাগ কৰিবলৈ ওলাইছে, তথাপি এইটো ঠিক যে তেওঁ নিজে নিজৰ বিবেকক কেতিয়াও ত্যাগ কৰিব নোৱাৰে। তেওঁ সকলো অৱস্থাতেই যুদ্ধ-বিৰোধী হৈ থাকিব আৰু এই যুদ্ধবিৰোধী সত্যাগ্ৰহ অতি কম লোকৰ মাজত হলেও তেওঁৰ মতে চলা কংগ্ৰেছী লোকসকলক কংগ্ৰেছ অনুষ্ঠানে যুদ্ধ চলোৱা সময়লৈকে বাট চাবলৈ আদেশ দি নিজে নিশ্চিত হৈ নিজৰ অটল ব্ৰত সমাধা কৰিবলৈ ওলাইছে।

১৯৪১ চনৰ একত্ৰিশ ডিচেম্বৰলৈকে মহাত্মাৰ জীৱনী ইমানতে শেষ। পৰমেশ্বৰে তেওঁক দীৰ্ঘ জীৱন দান কৰক। তেওঁৰ ঐশ্বৰিক শক্তি মানৱ সমাজৰ মাজত পূৰ্ণভাৱে প্ৰভাৱিত হওক। পৃথিৱী যুদ্ধ-বিগ্ৰহৰ ঠাই নহৈ শান্তি আৰু প্ৰেমৰ ৰাজ্যত পৰিণত হওক। পৃথিৱীত স্বাৰ্থপৰতাৰ কাৰণে থকা সকলো বিৰোধ প্ৰেম আৰু সত্যৰ দ্বাৰা মীমাংসিত হওক। তেওঁৰ অন্তঃশক্তিৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰত আৰু ভাৰতীয় পৃথিৱীৰ নতুন সভ্যতাৰ কেন্দ্ৰস্থল হওক। এই সকলোখিনি কাৰ্য্য কৰিবলৈ পৰমেশ্বৰে তেওঁৰ জীৱন দীঘলীয়া কৰি মনুষ্য সমাজক দান কৰক।

# তৰুণৰাম ফুকন

## ভূমিকা

আৱাহনৰ সম্পাদক শ্ৰীযুত দীননাথ শৰ্ম্মা ডাঙৰীয়াৰ অনুৰোধমতে ফুকনৰ জীৱনী সম্বন্ধে এটি প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰোঁ। প্ৰবন্ধটি অতি চমু কৰিবৰ ইচ্ছা থকাতো লিখোঁতে বৰ্ত্তমানৰ আকাৰ পালেহি। প্ৰবন্ধটো পিছত নিজে পঢ়ি চাই দেখিলোঁ যে ফুকনৰ জীৱনৰ ঘটনাবোৰকৈ মই তেখেতক যিভাৱে দেখিছিলোঁ আৰু বুজিছিলোঁ, তাৰহে বিৱৰণ বেছিকৈ দিয়া হৈছে; আৰু কলেৱৰ মাহেকীয়া আলোচনীৰ প্ৰবন্ধৰ আকাৰ নহৈ পুস্তিকাৰ আকাৰত পৰিণত হৈছে। সেইকাৰণে ওপৰত দিয়ামতে মই এই পুস্তিকাৰ নামকৰণ কৰিলোঁ।

ইয়াতে কোৱা উচিত যে আৱাহনৰ সম্পাদক ডাঙৰীয়াৰ উৎসাহ নাপালে মই এতখিনি কথা লিখিবলৈ ইচ্ছা বা সাহ নকৰিলোহেঁতেন। যি ব্যৱসায়েৰে জীৱন কটাব লগাত পৰিছোঁ আৰু যি কৰ্ম্মক্ষেত্ৰত আমি ব্যস্ত হৈ থাকিব লাগে তাত আমাৰ প্ৰকৃতিৰ দৰে মানুহৰ সাহিত্য-চৰ্চ্চাত প্ৰবৃত্তি হ'বৰ বিশেষ সুবিধা নাই। কিন্তু ফুকনৰ জীৱনী মোৰ পক্ষে এটা অতি মূল্যবান বস্তু আৰু মোৰ মনেৰে অসমীয়াৰ পক্ষে জাতীয় সম্পত্তি। কোনো সুনিপুণ লিখকে এই সম্পত্তি ৰক্ষা কৰিবলৈ চেষ্টা কৰাটো স্বাভাৱিক। শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ ডাঙৰীয়াই এই সম্পত্তি ৰক্ষাৰ ভাৰ লোৱা বুলি জানি সন্তোষ পাইছোঁ। মোৰ এই ক্ষুদ্ৰ প্ৰবন্ধই তেনে চেষ্টাত যদি অলপো সহায় কৰে, তেন্তে মই কৃতাৰ্থ মানিম। ইয়াৰ লগতে নকৈ থাকিব নোৱাৰিলো যে নবীনচন্দ্ৰ বৰদলৈৰ সম্পূৰ্ণ আৰু বিস্তৃত জীৱনী পঢ়িবলৈ পাম বুলি আশা কৰি আছিলোঁ। কোৱা বাহুল্য মাথোন, এই দুজন স্বৰ্গীয় পুৰুষে সুপ্ত অসমক এনে এটা চেতনা দি গ'ল যে যোৱা পঁচিছ বছৰৰ কোনো বুৰঞ্জী লেখা হ'লে তেওঁলোকৰ নাম আৰু স্থান প্ৰত্যেক পাতে পাতে লিখা থাকিলহেঁতেন। এনে স্থলত বৰদলৈদেৱৰ আদৰ্শপূৰ্ণ জীৱনী নথকাটো আমাৰ জাতীয় কলংক বুলি ক'ব পাৰি। আমাৰ এইখিনি কথা লিখাৰ উদ্দেশ্য এই যে ফুকন ডাঙৰীয়াৰ জীৱনীৰো যাতে তেনে অৱস্থা নহয়।

বৰ্ত্তমান প্ৰবন্ধত ফুকন ডাঙৰীয়াৰ সম্বন্ধে মই যিখিনি নিজে জানো আৰু তেখেত বা তেখেতৰ লগতে লাগি থকা মানুহবোৰৰ পৰা সেই সময়ত যি জানিছিলো, তাকেহে উল্লেখ কৰিম। তেখেতৰ পূৰ্ব্বপুৰুষ, বাল্য আৰু ছাত্ৰ-জীৱন সম্বন্ধে শাগতিয়াল খবৰ যিসকলে সম্পূৰ্ণৰূপে জানে, তেওঁলোকে জনাব। এইবিলাক সম্বন্ধেও মোৰ জ্ঞান একেবাৰে নাই বুলি ক'ব নোৱাৰিলেও, ভবিষ্যৎ জীৱনী-লিখকৰ কাৰণে পোনপটীয়াকৈ, অনা কথাবিলাকহে বেছি মূল্যবান হ'ব বুলি ভাবি আৰু এই প্ৰবন্ধ চমু কৰিবৰ অভিপ্ৰায়ে সেইবোৰ উল্লেখ নকৰিবলৈ থিৰাং কৰিলোঁ।

# প্ৰথম অধ্যায়

( ১৯০৭—১৯২১ )

মই জনাৰ ভিতৰত ফুকনৰ জীৱন তলত লিখাৰ দৰে ভাগ কৰিব খোজোঁ। প্ৰথম ভাগ তেখেতৰ কৰ্ম্ম-জীৱনৰ আৰম্ভণি, অৰ্থাৎ ইং ১৯০৭ চনৰপৰা ১৯২১ চনলৈ; দ্বিতীয় ভাগ ১৯২১ চনৰপৰা ১৯১২ চনলৈ; তৃতীয় ভাগ ১৯২৩ চনৰপৰা ১৯৩৩ চনলৈ; আৰু ১৯৩৩ চনৰপৰা ১৯৩৭ চনৰ শেহলৈ। তাৰ পিছৰ অংশ তেখেতৰ মৃত্যুৰ সময়লৈ। এই বিভাগটো তেখেতৰ ৰাজনৈতিক অভিমতৰ মতে ধৰা হলেও তেখেতৰ জীৱনৰ প্ৰায় সকলো আৱশ্যকীয় ঘটনা ৰাজনীতিৰ লগত এনেভাৱে সানমিহলি আছিল যে এই বিভাগটো কোনো প্ৰকাৰে অস্বাভাৱিক বুলিব নোৱাৰি। এই ৰাজনৈতিক বিশ্বাসবিলাকে ফুকন ডাঙৰীয়াক এনেভাৱে অভিভূত কৰিছিল যে তেখেতৰ জীৱনৰ গতিও সেইদৰে পৰিবৰ্ত্তিত হৈছিল। গতিকে তেখেতৰ জীৱন বিশ্লেষণ কৰিবলৈ যাওঁতে সেই বিভাগবিলাক আমাৰ মনত উপস্থিত নহৈ নোৱাৰে। এই বিশ্বাসবিলাক তেখেতৰ আগত সত্যৰ আকাৰ হৈ থিয় দিয়াৰ পূৰ্ব্বে নিশ্চয় নানাভাৱে, নানান লোকৰ উপদেশে আৰু আন নানান কাৰণে তেখেতক অভিভূত কৰিছিল; কিন্তু তেখেতৰ জীৱনী পাঠৰপৰা এইটো স্পষ্ট বুজা যায় যে যিকোনো কাৰণেই হওক, এবাৰ কোনো এটা কথাক যদি তেখেতে সত্য বুলি আকোৱালি ধৰে, তাক সহজে এৰি দিবলৈ ৰাজী হোৱা দেখা নগৈছিল। এই স্থিৰ সংকল্পতাৰ কাৰণেই তেখেতে ১৯২২ চনত এবাৰ আৰু ১৯৩৩।৩৪ চনৰ পৰা ১৯৩৭ চনৰ শেহলৈকে সাধাৰণ কংগ্ৰেছৰ মতৰ বিৰুদ্ধে থিয় হবলৈকো পাছ হোঁহকা নাছিল। ফুকনৰ দৰে কংগ্ৰেছবিশ্বাসী লোক এজনৰ পক্ষে এনে এটা নীতি অৱলম্বন কৰাটো অতিশয় অশোভনীয় বুলি অনেক লোকৰ বিশ্বাস হৈছিল; কিন্তু এই বিশ্বাসো তেখেতৰ মতে কিছুমান সত্যৰ ওপৰত প্ৰতিষ্ঠিত বুলি তেখেতে নিজে বিশ্বাস কৰিছিল। কি কাৰণসমূহে এটা মহৎ শক্তিৱন্ত মনৰ গতি এইদৰে পৰিৱৰ্ত্তন কৰিব পাৰিছিল, সেইবিলাক বিশেষভাৱে আলোচনাৰ ভাৰ ভৱিষ্যৎ জীৱনী-লিখকৰ হাতলৈ থলোঁ। মই মাত্ৰ ঠায়ে ঠায়ে দুটা এটা মূলীভূত কাৰণহে উল্লেখ কৰিম।

মই ফুকন ডাঙৰীয়াক প্ৰথম ভালকৈ দেখা মনত পৰে ১৯০৬ চনত—গুৱাহাটীৰ পুৰণি কাৰ্জ্জন হলৰ এটা ছোচিয়েল পাৰ্টি'ত। তেতিয়া তেখেত বিলাতৰপৰা বেৰিষ্টাৰি পাছ কৰি আহিবৰ বেছি দিন হোৱা নাই। পৰমেশ্বৰে ফুকন ডাঙৰীয়াক তেখেতৰ উৎকৃষ্ট দান ৰূপ উপচি পৰাকৈ দিছিল। ফুকন ডাঙৰীয়ায়ো সুনিপুণ শিল্পীৰ দৰে এই দানৰ ওপৰত জেউতি চৰাবলৈ যি ৰহণ আৰু চাতুৰি লাগে, তাত পৈণত আছিল। মনুষ্য মাত্ৰেই ৰূপৰ পূজাৰী। সেই কাৰণেই হবলা যেতিয়া ফুকন ডাঙৰীয়াই মূৰত ৰাজসিক ৰাজপুতী গুণা কৰা পাগুৰি, যোধপুৰী ব্ৰিছ আৰু ৰাইডিং কোট পিন্ধি সভাৰ আগত উপস্থিত হ'লহি, আমি মুগ্ধ নহৈ থাকিব নোৱাৰিলো। কিন্তু তাতোকৈও বেছি মুগ্ধ হলোঁ যেতিয়া ফুকনে 'ঘটা কটাহি' বুলি শিৱস্তোত্ৰ আবৃত্তি কৰিবলৈ ধৰিলে। মোৰ এতিয়াও তেখেতৰ আবৃত্তিৰ লগত শিৱৰ তাণ্ডৱৰ কথা মনত পৰেহি। সেই দিনাই বোধকৰো ভৱভূতি আৰু কালিদাসৰ ৰসৰ প্ৰভেদ দেখুৱাবলৈকো দুটা আবৃত্তি কৰি দৰ্শকক মগ্ধ কৰে। কি সুন্দৰ, সুস্পষ্ট আৰু ভাবদ্যোতক আবৃত্তি! তেতিয়া ভাবিছিলোঁ এনে আবৃত্তি কৰিবৰ শক্তি কোনোবা দ্বিতীয়জনৰ আছেনে? ইয়াৰ প্ৰায় চাৰি বছৰমানৰ পিছত আকৌ কলিকতাৰ লেডি জেন ডান্‌ডাছ হোষ্টেলত সেই প্ৰিয়মূৰ্ত্তি দৰ্শন—এইবাৰ কলিকতীয়া বাবুৰ সাজত পাটৰ পাঞ্জাৱী আৰু পাটৰ চাদৰেৰে। এই পোছাক পিন্ধাৰ নিপুণতা আৰু তাৰ লগে লগে দেহৰ বিলাসে ফুকনক কোনো দিনেই নেৰিলে। মোৰ মনত আছে, তেখেত জেলৰপৰা ওলাই অহাৰ পিছত গেৰুৱা বসন পিন্ধি মোক জেলত দেখা কৰে। এই গৈৰিক বসনৰ লগত তেখেতৰ ওলমি পৰা দাড়ি আৰু চুলিয়ে এনে এটা অপূৰ্ব্ব ঋষিতুল্য ৰূপৰ জেউতিৰ সৃষ্টি কৰিছিল যে প্ৰথমে মই কোনোবা সাধক বুলি ভুল কৰিছিলোঁ। তেতিয়াও দেহবিন্যাস তেনে পৰিপাটি আৰু তেনে সুনিপুণ খদ্দৰ আভৰণৰ এজন ঋষি। মই ডাঠি ক'ব পাৰোঁ যে ভেওঁক ৰবি বৰ্ম্মাৰ কল্পনাৰ ঋষিতকৈ অনেক গুণে মৌনী, বেছি তেজস্বী আৰু বেছি মূৰ্ত্তিমন্ত দেখা গৈছিল। বয়স ভাটী দিয়াৰপৰা স্বৰ্গী হবৰ আগলৈকে ফুকনৰ পোছাকৰ ধুন-পেচ দেখি বহুতে তেখেতক দিনক দিনে ডেকাহে হৈ যোৱা বুলি কেতিয়াবা কেতিয়াবা ঠাট্টা কৰিছিল। সেই কথাৰ উত্তৰত তেওঁলোকে এনে সুন্দৰ জবাব পাইছিল যে তাত হাঁহিৰ ৰোল মুঠাকৈ নাথাকিল। এদিন কিছু গম্ভীৰভাৱে মোক কৈছিল, "তোমাক প্ৰথমে দেখোতে এজন

smart well-dressed young man যেন লাগিছিল, কিন্তু তোমাৰ বৰ্ত্তমান পোছাকৰ নমুনা দেখি তোমাক পূৰ্ব্বৰ গোপী বৰদলৈ বুলি বিশ্বাসেই নহয়।" মই উত্তৰত মাত্ৰ ইয়াকে ক'লো যে, মানুহৰ সকলো দিন একেৰকমে নাযায়। তেখেতে যেন অলপ ক্ষুণ্ণ হৈ ক'লে, "ভালকৈ কাপোৰ-কানি পিন্ধাও এটা আৰ্টহে আৰু তাৰ কাৰণে মানুহে যে অযথা খৰচ কৰিব লাগে, তাৰ কোনো মানে নাই। মানুহে সমাজত উৎকৃষ্ট (at his best) কিয় নোলায়, মই তাৰ কাৰণ বুজি নাপাওঁ।" এই পাশ্চাত্য ভাব ফুকনৰ ব্যক্তিগত স্বভাৱ হৈ পৰিছিল। আৰু ইয়াৰ কাৰণে তেখেতে জীৱনৰ প্ৰথমছোৱাত অনেক অৰ্থ ব্যয় কৰিছিল বুলি মই জানো। তেখেতে বিলাতত কিনা কাপোৰৰ দাম (প্ৰায় দুই হাজাৰ টকা) ইয়াত ব্যৱসায় কৰাৰ পিছতহে পৰিশোধ কৰে। এই সম্বন্ধে এইখিনিও উল্লেখ কৰা উচিত যে ফুকনৰ ব্যয়বহুল পোছাকতেই হওক বা অতি সাধাৰণ পোছাকতেই হওক, কোনোদিনেই কুৰুচি প্ৰকাশ পোৱা দেখা নগৈছিল। ফুকনৰ পোছাক অকল ৰুচিপূৰ্ণই নহয়, সি নিজৰ মাৰ্জ্জিত ৰুচিৰ পৰিচায়ক আছিল।

ফুকনৰ বিলাস আন আন বিষয়েও কম নাছিল। ভোজন সম্বন্ধে তেখেত সদায় অল্পাহাৰী আছিল আৰু খোৱাবস্তু সদায় পুষ্টিকৰ আৰু উপাদেয় হবই লাগিছিল। সাধাৰণ ভোজত বেছিকৈ খাবৰ দৰকাৰ হয় বুলি ভাবি আৰু বহু সময়ত উপযুক্ত ৰকমে পৰিচ্ছন্নতাৰ পিনে নজৰ নিদিয়া বুলি জানি তেখেতে প্ৰায় সেইবিলাক পৰিত্যাগ কৰিছিল। সেই কাৰণে তেখেতক প্ৰথমতে বহুতে ভুল বুজিছিল। ভাল আহাৰৰ ৰুচি ফুকন ডাঙৰীয়াৰ ভাল-ৰকমেই আছিল বুলি তেখেতৰ বন্ধুৰ ভিতৰত সকলোৱে জানে। তেখেতৰ সাধাৰণ আহাৰৰ নিয়ম প্ৰায় পশু-পক্ষীৰ দৰে আছিল। ৰাতিৰ আহাৰ নিচেই কম আছিল, কিন্তু ৰাতিপুৱা শুই উঠি যিখিনি খাইছিল, সি সৰ্ব্ব-সাধাৰণৰ আহাৰতকৈ সদায় বেছি। ইমান সুৰুচিপূৰ্ণ আহাৰ কৰিলেও ফুকন ডাঙৰীয়াই দিনক দিনে, মাহক মাহে অতি সাধাৰণ খাদ্য গ্ৰহণ কৰি অতি আনন্দ চিত্তে দিন কটোৱাও নিজে দেখিছোঁ। ১৯২১ চনৰ আন্দোলনত যেতিয়া তেখেতে গাঁৱে গাঁৱে ফুৰে, ৰাইজে নানা যতন কৰিলেও তেখেতৰ খাদ্য ৰুচিকৰ নহৈছিল; কিন্তু তথাপিতো একেৰাহে ৭।৮ দিন সেই খাদ্যৰেই চলাইছিল। জেলৰ আহাৰ এবছৰ খাই সুস্থ শৰীৰেৰে ওলাই অহাটো কম সংযমৰ চিনাকি নহয়। তেখেতে জেলৰ খাদ্য সম্বন্ধে আলোচনা কৰি কৈছিল

যে, ইমান কম খাই মানুহে ইমান সুস্থতা আৰু আনন্দত থাকিব পাৰে এইটো মই নাভাবিছিলো। তেখেতৰ লগৰ জেলবাসীৰ ভিতৰৰ বহুতে তেখেতৰ আহাৰৰ অল্পতা দেখি আচৰিত হৈছিল। বোধকৰো বহুতে জানে যে দেশবন্ধু চিত্তৰঞ্জন দাসৰ অকাল মৃত্যুৰ এটা কাৰণ হৈছে তেখেতৰ পূৰ্ব্বৰ ভোজন-নীতিৰ সম্পূৰ্ণ পৰিবৰ্ত্তন হোৱাটো। বেছি খোৱা অভ্যাসত তেখেতৰ মাদ্ৰাজ ভ্ৰমণত মাদ্ৰাজী খাদ্য বেছিকৈ খাই বৰ পেটৰ অসুখত ভুগিছিল। ফুকনে ইমান অল্পাহাৰ কৰাত তেখেতে সদায় ফুকনক কৈছিল—"ফুকন, তুমি এত কম খেয়ে কি করে থাক?" ফুকনে খাদ্যৰ ওপৰত দোষ দি তেনেকৈ উত্তৰ দিছিল—"এ খাদ্য কি বেছি করে খাওৱা চলে!" প্ৰকৃতপক্ষে অল্পাহাৰ যে স্বাস্থ্যৰ এটা প্ৰধান কাৰণ, ফুকন ডাঙৰীয়াই তাক ভালকৈ জানিছিল।

ফুকন ডাঙৰীয়াৰ ভোগ আৰু বিলাসৰ কথা জানিবলৈ হলে আৰু তাৰ পৰিমাণ বুজিবলৈ হ'লে দুই-এটি কথা আৰু ভালকৈ জনা উচিত। বোধ-কৰো গুৱাহাটীত প্ৰথম বাইছাইকেলত ফুকন ডাঙৰীয়াই উঠে। আন ঠাইত আন কোনোবাই সেই সময়ত বাইচাইকেল ব্যৱহাৰ কৰিছিল নে নাই জনা নাযায়। কলিকতাত যেতিয়া কেখনমানহে মটৰগাড়ী আছিল, তেতিয়াই তেখেতে মটৰগাড়ী কিনে। শুনা যায় তেখেত আৰু লৰ্ড সিংহই ফ্ৰেঞ্চ মটৰ কোম্পানীৰ একেটা চালানৰ গাড়ী উভয়ে কিনে। ১৯১০/১১ চনত যেতিয়া গুৱাহাটীত চাহাবসকলেও ঘোঁৰাৰ গাড়ী ৰাখে, তেতিয়া ফুকন ডাঙৰীয়াৰ ঘোঁৰাই আছিল সকলোতকৈ ধুনীয়া। এইদৰে ফুকনে যেতিয়াই যি বস্তু ৰাখে; প্ৰত্যেকটোৱে সদায় বাছকবনীয়া। ফুকনৰ চিকাৰৰ সৰঞ্জামৰ মূল্যই সাধাৰণ গৃহস্থী এখনৰ সমুদায় সম্পত্তিৰ মূল্যতকৈ বেছি। তেখেতৰ বৰশীৰ চিপ আৰু আন সৰঞ্জামৰ মূল্যই ছশ টকামান আছিল। তেখেতে যিকেইটি বন্দুক এৰি গৈছে, তাৰ মূল্য ৩৫০০ টকাৰ কম নহব। ডেকা কালত তেখেতসকলৰ হাতীয়েই কামৰূপ অঞ্চলত প্ৰথম শ্ৰেণীৰ আছিল। ইয়াৰ পিছত তেখেতে নিজে যি হাতী কিনিছিল আৰু আনক কিনাই দিছিল, সি এশটাৰ ভিতৰত বাছি উলিয়াব পৰা আছিল।

পূৰ্ণ ভোগ আৰু বিলাসৰ মাজত তেখেত বিলাতৰপৰা বেৰিষ্টাৰ হৈ আহি কৰ্ম্মজীৱন আৰম্ভ কৰে। স্বাভাৱিকতে উচ্চবংশজাত হোৱাত নিজৰ মাৰ্জ্জিত স্বভাৱৰ কাৰণে আৰু বিশেষকৈ নিজৰ শাৰীৰিক অসাধাৰণ সৌন্দৰ্য্যৰ কাৰণে ফুকন ডাঙৰীয়া কলিকতাৰ উচ্চ সমাজৰ লোকসকলৰ লগত মিলাপ্ৰীতিৰ

সুবিধা পায়। বংগ দেশৰ সৰ্ব্বোচ্চ শিক্ষালয় প্ৰেছিডেন্সি কলেজত পঢ়াৰ সময়তো তেখেত এই শ্ৰেণীৰ লোকসকলৰ মাজত বিশেষ জনাজাত হয় আৰু সেই সময়ৰ সকলো মেধাবী, ধনী আৰু বিখ্যাত লোকসকলৰ লগত তেখেতৰ ঘনিষ্ঠ পৰিচয় হয়। কবিবৰ ৰবীন্দ্ৰনাথ ঠাকুৰ পৰিয়ালৰ ভিতৰত তেখেতে নিজৰ পৰিয়ালৰ দৰে ফুৰিছিল আৰু শুনা যায়, সেই ঘৰৰ কোনো ছোৱালীৰ লগত তেখেতৰ বিবাহৰ প্ৰস্তাৱো উত্থাপন হৈছিল। লৰ্ড সিংহৰ পৰিয়ালৰ লগতো তেখেতৰ ঘনিষ্ঠতা আছিল। ৰাজনৈতিক কৰ্ম্মক্ষেত্ৰত একেলগে নমাৰ আগৰেপৰা তেখেতৰ লগত দেশবন্ধুৰ বিশেষ বন্ধুত্ব আছিল। বৰ্ত্তমান খ্যাতনামা বেৰিষ্টাৰ মিঃ বি. চি. চেটাৰ্জ্জী, কলিকতা চহৰৰ বৰ্ত্তমান মেয়ৰ মিঃ এন. চি. সেন, মিঃ এছ. এন. হালদাৰ—এইসকল তেখেতৰ সমসাময়িক আৰু অন্তৰংগ বন্ধু আছিল। এইদৰে বংগদেশৰ প্ৰায় সকলো জনাজাত লোকৰ লগতেই তেখেতৰ বিশেষভাৱে পৰিচয় আৰু বন্ধুত্ব আছিল। ৰজা-মহাৰাজাবিলাকৰ ভিতৰতো তেখেতৰ জনা-শুনা কম নাছিল, বিশেষকৈ কোচবিহাৰৰ মহাৰজাৰ পৰিয়ালৰ লগত। কোচবিহাৰৰ ভূতপূৰ্ব্ব মহাৰজা নৃপেন্দ্ৰনাৰায়ণ বাহাদুৰে তেখেতক বিশেষ স্নেহ কৰিছিল আৰু ৰাজ-চিকাৰলৈ নিমন্ত্ৰণ কৰিছিল।

ইযাৰ লগতে ফুকন ডাঙৰীয়াই নিজমুখে কোৱা মহাৰজাৰ চিকাৰ কাহিনী উল্লেখ কৰিলোঁ। বহুতে জানে যে তেখেতৰ অগ্ৰজ নবীনৰাম ফুকন ডাঙৰীয়া এজন বিখ্যাত চিকাৰী আছিল। তেখেতসকলৰ ডাঙৰজন বিজনীৰ দেৱান থকাৰ কাৰণে আৰু নিজৰ চিকাৰৰ শক্তিৰ কাৰণে নবীন ফুকন ডাঙৰীয়া ডেকা কালৰপৰাই কোচবেহাৰ চিকাৰলৈ নিমন্ত্ৰিত হৈছিল। এই চিকাৰ-বিলাকত কোচবেহাৰৰ ৰজাই তেখেতৰ বন্ধু ইংলণ্ডৰ লৰ্ড আৰু ইছকোয়াৰ-সকলক নিমন্ত্ৰণ কৰি মাতি আনিছিল। এই চিকাৰত লৰ্ড ভেণ্ডাৰবিল নামৰ প্ৰধান লৰ্ড এজনৰ লগত নবীন ফুকন ডাঙৰীয়াৰ বন্ধুত্ব হোৱাৰ ফলত তৰুণ ফুকন ডাঙৰীয়াই বিলাতত বিখ্যাত ক্ৰিকেট খেল আৰু ঘোঁৰা-দৌৰ চাবলৈ বিশেষ সুবিধা পায়। তেখেতে মোক কৈছিল যে লৰ্ডছত ক্ৰিকেট খেলা ভালকৈ চাবলৈ পোৱা বা 'ইপ্সমত' ঘোঁৰা-দৌৰত সুবিধা মতে দৰ্শক হবলৈ পোৱাৰ কাৰণে তেখেত লৰ্ড ভেণ্ডাৰবিলৰ ওচৰত ঋণী। তেখেতৰ সমসাময়িক যুবৰাজ ৰণজিৎ সিং বিলাতৰ ক্ৰিকেট গগনৰ ভোটাতৰা। সেই সময়তে তেখেতে গ্ৰেছ, ফ্ৰাই ইত্যাদিৰ খেল-কুশলতা চাবলৈ পায় আৰু বুটিছ

জাতিৰ জাতীয় জীৱনৰ উৎকৰ্ষৰ বাবে 'স্পৰ্টছ' বা খেল কি পৰিমাণে দায়ী, মোক কয়। পুৰণিকলীয়া বৃটিছ পৰিবাৰৰ লৰ্ড আৰু ভদ্ৰলোকৰ লগতে ফুকনদেৱো কোচবেহাৰ চিকাৰলৈ নিমন্ত্ৰিত হৈছিল। এদিন চিকাৰথলিত ফুকন আৰু তেনে চাহাব এজনৰ আগত এটা প্ৰকাণ্ড বাঘ উপস্থিত হ'ল। বাঘটোৰ গাত ফুকনে প্ৰথমে গুলী মাৰে আৰু লৰ মাৰিব ধৰাত সেই বিলাতী ভদ্ৰলোকজনেও গুলী কৰে আৰু অলপমান চেঁচা মাৰি গৈয়ে বাঘটো পৰি যায়। চিকাৰৰ নিয়মমতে এই বাঘটো কাৰ ভাগত পৰিব, এই সম্বন্ধে বিচাৰৰ ভাৰ ৰজা বাহাদুৰৰ হাতত পৰিলহি। ফুকনে বাঘটোৰ সোঁহাতৰ কাষেদি প্ৰাণবধী গুলী মৰা বুলি দাবী কৰিলে। বিলাতৰ চাহাব ভদ্ৰ-লোকজনে ক'কালত গুলী মাৰি হত্যা কৰা বুলি দাবী কৰিলে। ৰজাই বাঘটো পৰীক্ষা কৰি ফুকনৰ হকে ৰায় দিলে আৰু তেখেতৰ ৰায়ৰ কাৰণ এনে স্পষ্টভাৱে বুজাই দিলে যে, দুয়োজনৰ গুলী লগা সত্ত্বেও উভয়ে সেই ৰায় সত্য বুলি মানিবলৈ বাধ্য হ'ল। ৰজা আৰু বিলাতী ভদ্ৰলোকজন উভয়ে ফুকন ডাঙৰীয়াক ধইন ধইন দিলে। নৃপেন্দ্ৰনাৰায়ণ ভূপ বাহাদুৰৰ চিকাৰৰ অদ্ভুৎ ক্ষমতা সম্বন্ধে ফুকন ডাঙৰীয়াই কৈছিল যে তেনে চিকাৰী কেতিয়াবা আৰু ভৱিষ্যতে হবনে, সেই অসাধাৰণ শক্তিৰ প্ৰমাণস্বৰূপ চিকাৰৰ সম্বন্ধে এটা গল্প কৈছিল। ৰজা বাহাদুৰৰ চিকাৰত হিংস্ৰ জন্তুৰ বাহিৰে আন মাৰিবৰ নিয়ম নাই; কিন্তু চিকাৰৰ শেষ দিনা সকলোৱে যেই সেই জানোৱাৰকে মাৰিবৰ আদেশ পাইছিল। সেইবাৰৰ চিকাৰ খুব ভাল চিকাৰ হোৱাৰ কাৰণে সকলোৰে মনত আনন্দ। ৰজা বাহাদুৰৰ আলহীৰ ভিতৰত প্ৰায় সকলোৱে চিকাৰ পাইছে। চিকাৰ শেষ কৰি উভতি আহিবৰ সময়ত হঠাৎ এটা ডাঙৰ জটলা পহু হাতীৰ শাৰীৰ প্ৰায় ত্ৰিশ গজমান দূৰেদি অতি দ্ৰুত গতিৰে লৰি যোৱা দেখিলে। ৰজা বাহাদুৰে আনন্দত সকলোকে আটাহ পাৰি ক'লে—Can't you put a little bit of lead into him? (সোঁ তাৰ গাত অলপমান সুমাই দিব নোৱাৰানে?) এই কথা কোৱা মাত্ৰকে ৭/৮ টা ৰাইফলৰপৰা ধমধমকৈ গুলীৰ পিছত গুলী চলিল; কিন্তু পহুটো দৌৰিয়ে থাকিল। হঠাৎ ৰজা বাহাদুৰে ৰাইফলটো কান্ধত লোৱাৰ লগে লগে Let me have a try (চাওঁচোন ময়ো এবাৰ) বুলিয়েই আৱাজ কৰিলে। পহুটো ভয়ানক এটা জঁাপ মাৰি বহু দূৰত ছিটিকি পৰাৰ লগে লগে অচল হ'ল।

এনে বিলাসপূৰ্ণ সমাজত চলা-ফুৰা কৰিও ফুকনে কোনো দিনেই এনে

কাম কৰা নাই, যাৰ দ্বাৰা তেখেত লজ্জিত হবলগাত পৰিছিল। শুনা যায়, কেবাটাও উচ্চ পৰিয়ালেই তেখেতক বৈবাহিক সম্বন্ধেৰে বান্ধ খুৱাবলৈ চেষ্টা কৰিছিল; কিন্তু অসমীয়াৰ বাহিৰে বিদেশী কোনো 'পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ নকৰা বিষয়ে তেখেতক স্থিৰপ্ৰতিজ্ঞ যেন দেখা গৈছিল। সকলোৱে জানে যে, সেইমতে শেষত তেখেতে পৰশুৰাম খাউণ্ডৰ কন্যা বিদ্যুৎ-প্ৰভা দেৱীক বিয়া কৰায়। আনপিনে ফুকনে এই সমাজত ৰাজপুৰুষৰ দৰে সকলোৰে লগত সমানে মিলিজুলি ফুৰিছিল। ফুকনদেৱে কাৰোতকৈ কোনো-গুণে কম শক্তিৱন্ত বা ক্ষুদ্ৰ, এনে মনোবৃত্তি প্ৰকাশ কৰা কোনো দিনেই কোনেও শুনা নাই। এই আত্মসন্মান আৰু আত্মনিৰ্ভৰতা তেখেতৰ জীৱনৰ প্ৰধান অলংকাৰ আছিল। মই জানো যে নিজ প্ৰদেশৰ চীফ কমিছনাৰ ছাৰ আৰ্ছডেল আৰ্ল্ তেখেতৰ এজন প্ৰিয়বন্ধু আছিল; কিন্তু এই বন্ধুত্ব বজাই ৰাখিছিল আত্মসন্মানৰ দ্বাৰা আৰু সমানভাৱে ব্যৱহাৰ কৰি। মই ইয়াকো ক'ব পাৰোঁ যে যদিও দেশৰ আৰু দহৰ বাবে তেখেতে এই চীফ কমিছনাৰজনৰ ওচৰত নানা দাবী কৰিছিল, নিজৰ বা নিজৰ পৰিয়ালৰ কাৰণে তেখেতে এদিনো কোনো কথা কোৱা নাছিল। সেই কাৰণেই তেখেতে যিটো ৰাজহুৱা কামকে লৈ আৰ্ল্ চাহাবৰ আগত হাজিৰ হৈছিল, তাকেই সমাধা নকৰাকৈ প্ৰায় ফিৰি নাহিছিল।

এইদৰে কলিকতাত তিনি বছৰমান থাকি বিয়াৰ পিছত তেখেতে গুৱা-হাটীত থকাৰে স্থিৰ কৰিলে। কিন্তু কলিকতাৰ উচ্চ সমাজ এৰি গুৱাহাটীৰ দৰে সৰু ঠাইত যেতিয়া থাকিবলগীয়া হ'ল তেতিয়া প্ৰথমে পানী এৰা মাছৰ দৰে অনুভৱ কৰিবলৈ ধৰিলে। কলিকতাত তেখেতৰ কাম আৰু আমোদ উভয়ে সময়ানুৱৰ্ত্তী হৈ চলিছিল। গুৱাহাটীলৈ আহি যি দুই-চাৰিটি ডাঙৰ ডাঙৰ মোকৰ্দ্দমা হাতত ললে, তাত লাগি থকাৰ বাহিৰে তেখেতৰ সময় কটোৱা বৰ টান হৈ পৰিল। গুৱাহাটীলৈ আহি তেখেতৰ সমনীয়া কাকো নাপাই বিশেষ অকলশৰীয়া যেন অনুভৱ কৰিছিল। আনপিনে তেখেতৰ অদম্য চিকাৰৰ ইচ্ছা আৰু হাবি-বননিয়ে, নদীয়ে-পৰ্ব্বতে দুঃসাধ্য কাৰ্য্য বিচৰা (adventure) প্ৰবৃত্তিয়ে তেখেতক আকোঁৱালি ধৰিলে। গতিকে এই সময়ত অৰ্থাৎ ১৯১৪ চনৰপৰা ১৯২১ চনলৈ তেখেতে এইবিলাক খেমালিত যেন মতলীয়া হৈ উঠিল। তেখেতৰ দৰে মানুহ এজনে যে এনে কিছুমান খেমালিত দিনকে দিন, ৰাতিকে ৰাতি কটাব পাৰে, তাক শুনিলে

আচৰিত হ'ব লাগে। ভৰবাৰিষা যেতিয়া লুইত কেনে-কোটোকাৰে উপচি পৰে আৰু মাজব্ৰহ্মপুত্ৰৰে প্ৰকাণ্ড প্ৰকাণ্ড গছ আৰু কাঠ উটি যাবলৈ ধৰে, তেতিয়া ফুকন ডাঙৰীয়াই তেখেতৰ ওচৰৰ কেজনমান কৈবৰ্ত্তৰ লগত ভৰা-লুইতত কাঠ ধৰেগৈ। এনে কৰোঁতে কেতিয়াবা নাও বুৰিও গৈছিল; কিন্তু তাৰ কাৰণে এনে কাম কৰিবলৈ পাছ হোহকা নাছিল। এইদৰে কেতিয়াবা হাতী ছুটামান লগত লৈ এসপ্তাহ-দহদিন ঘৰৰপৰা অদৃশ্য হয়! কেতিয়াবা গৈ ভোটান পাহাৰৰ তলত, কেতিয়াবা অটব্য বননিত ৰাতি কটায়। চৰাই চিকাৰ তেখেতৰ বৰ প্ৰিয় আমোদ নাছিল; কিন্তু এবাৰ হঠাৎ টিহুৰপিনে গৈ স্থানীয় মানুহৰ অনুৰোধত চিকাৰ কৰিবলৈ গৈ শুনিলে যে তাত বিল ৰিজাৰ্ভ কৰি ছিলঙৰ চাহাবৰ কাৰণে ৰখা হৈছে। তেখেতক চিকাৰ কৰিবলৈ মানা কৰা হ'ল। সেই কথা শুনি তেখেতে ক'লে যে ৰিজাৰ্ভ ৰখাৰ কাৰণেই সেই ঠাইতেই তেখেতে চিকাৰ কৰিব। মৌজাদাৰক মাতি আনি কৈ দিলে যে এই বিল ৰিজাৰ্ভ কৰিবৰ কাৰো ক্ষমতা নাই। তেখেতে সেই ঠাইতেই চিকাৰ কৰিব; ইচ্ছা কৰে যদি তেওঁ ডেপুটী কমি-ছনাৰলৈ ৰিপোৰ্ট পঠাওক। মৌজাদাৰে অৱশ্যে ৰিপোৰ্ট দিলে। ইপিনে ফুকনদেৱে তাত চিকাৰ কৰি কেতিয়াবাই ঘূৰি আহিল। কিন্তু ফুকন ডাঙৰীয়াক কোনেও একো কথা সুধিবলৈকে সাহ নকৰিলে। তেখেতে ৰাতি বৰশী পাতি ঘৰিয়াল ধৰা, ঠায়ে ঠায়ে কাছ-কণী বিচৰা আদি কামতো কম আমোদ নাপাইছিল আৰু এইবিলাক কামত যে ক'ত ৰাতি বালিত খপিছিল তাৰ হিচাপ দিব নোৱাৰি। এইদৰে ঘূৰোতে তেখেতৰ জীৱন পৰ্য্যন্ত কেবাদিনো বিপন্ন হৈছিল। আমিনগাৱঁৰ অলপ উজনিত এটা শিলত বাৰিষা পানী ইমান জোৰে পৰে যে সেইখিনি পাৰ হবলৈ গৈ দুই-তিনি ছেকেণ্ডৰ বাবেহে নাৱে-মানুহে তেনেকৈ চাকনৈয়াৰ তললৈ সোমাই নগল। সেই ঠাইত ইতিপূৰ্ব্বে কেবাখনো নাও বুৰিছিল। আচৰিত কথা এই যে তেখেতে নিজেই এই দুঃসাধ্য কামবিলাক বিচাৰি ফুৰিছিল—কেৱল আমোদৰ কাৰণে। ১৯১৫ চনৰ প্ৰকাণ্ড ধুমুহাত গুৱাহাটীত ঘৰ-বাৰী পৰি বহু মানুহৰ বহুত লোকচান হয়। তেখেতৰো ঘৰ এটা ভাঙি পৰে আৰু ধুমুহাই ব্ৰিজৰ থকা ঘৰৰ খেৰ-বাঁহ উৰুৱাই নি ক'ৰবাত পেলায়। তেখেতে সেই দিনা ঘৰত নাছিল। ঘৰত সকলোৱে তেখেতৰ কাৰণে উদ্বিগ্ন হৈ আছিল। ৰাতি নৌ পুৱাওঁতেই চাৰিওপিনে মানুহ পঠিয়াই তেখেতৰ খবৰ কৰা হ'ল। পিছে

তেখেতে নিশ্চিন্তভাৱে গুৱাহাটীৰপৰা সাত মাইলমান নামনিত এটা ঘূলিত নাও বান্ধি শুই আছে। নাও বোৱা, মাছ আৰু ঘৰিয়াল মৰা বা নদীত ফুৰা সকলো সময়তে ভগবান দাস নামেৰে বানাৰসী মাল্লা এজন তেখেতৰ প্ৰিয় সহচৰ আছিল। এই মানুহজনো বৰ সাহসী আছিল। সেই কাৰণেই হবলা ফুকনৰ এনে অনুগত আছিল যে তেনে অনুগতা সহোদৰৰ ভিতৰতো পোৱা টান। আনপক্ষে ফুকনৰো এই মানুহজনৰ প্ৰতি থকা মৰমৰপৰাই তেখেতৰ চৰিত্ৰৰ এটা অংশ দেখা পাওঁ, যি সচৰাচৰ মানুহৰ চকুত নপৰে। চিকাৰ এৰাৰ বহুদিন পিছলৈকে এই মানুহজনক তেখেতে তেনে মৰম দেখুৱাই আহিছিল। তেওঁৰ পৰিয়ালৰ বেমাৰ হোৱাত চিকিৎসা কৰাইছিল। যেতিয়াই কষ্টত পৰে টকা-পইচাৰে সহায় কৰিছিল। ডাঙৰ মাল্লা নাও এখন সজোৱাই দি তেওঁৰ জীৱিকাৰ উপায় কৰি দিছিল। তেওঁৰ মৃত্যুত তেখেতক মই প্ৰকৃততে বিমৰ্ষ হোৱা দেখা পাইছিলোঁ। মৰাৰ আগতে ভগবান দাসৰ লগত মাজে মাজে তেখেতৰ দেখা-দেখি হলে যি দৃশ্য উপস্থিত হয়, তাক চাবলগীয়া। তেখেতে মাল্লা ভাষাত তেওঁক সোধপোছ কৰে। তেওঁ চিৰহাস্য বদনেৰে উত্তৰ দিয়ে। পূৰ্ব্বস্মৃতি জগাই দি আগৰ চিকাৰৰ কথা কয় আৰু তেতিয়াই নাৱেৰে আকৌ আগৰ দৰে যাবলৈ মাতে আৰু কোন ঠাইত কাছ, কোন ঠাইত মিচা মাছ বেছিকৈ পোৱা যায়, তাৰ খবৰ দিবলৈ আৰম্ভ কৰে।

ফুকনৰ এনে দুঃসাহসিকতা, উৎসাহ আৰু শাৰীৰিক কষ্টসহিষ্ণুতাৰ পৰিচয় আৰু বহু ক্ষেত্ৰত পোৱা গৈছিল। এদিন নগাঁৱত তেখেতৰ বৰ ককায়েক নবীনৰাম ফুকন চিৰস্তদাৰ হৈ থাকোঁতে তেখেতক নোকোৱাকৈ নবীনচন্দ্ৰ হাজৰিকাৰ হাতীত উঠি বাৰিষা পানী উঠাত চিকাৰ কৰিবলৈ ওলাই যায়। বননিৰ ওচৰৰ পানীৰে নামি যাওঁতে হঠাৎ ঢেকীয়াপতীয়া বাঘৰ চাৰি-পাঁচ-মহীয়া পোৱালি এটা দেখা পাই তৎক্ষণাৎ গুলী কৰি মাৰে। সেই পোৱালিৰ কিছু দূৰৈতে যে পোৱালিটোৰ মাক প্ৰকাণ্ড বাঘিনী এজনী আছিল, ফুকন-দেৱে আগেয়ে দেখা নাছিল। মৰা বাঘ পোৱালিটিৰ কাৰণে হাতী নিবলৈ খোজামাত্ৰেই বাঘিনীজনী এপাত কাঁড়ৰ দৰে ফুকনৰ বাঁওকাললৈ চোচা মাৰি আহিল, ফুকন আগহাতে বহি থকাত আৰু মাউতটো আগতে বহি থকাৰাবে গুলী চলাব নোৱাৰি বিমোৰত পৰিল। নিজৰ উপস্থিত-বুদ্ধিৰ সহায়ত, বাঘিনীজনী একেবাৰে ওচৰ চাপিলে বাঁওহাতেৰে গুলী কৰিবৰ

অভিপ্ৰায়েৰে বন্দুকটো ঠিক বাঘিনীৰ কপাললৈ পোন কৰি ধৰি থাকোঁতে তাই আহি হাতীৰপৰা দহহাত মানৰ ভিতৰ পাওঁতেই বাঁওহাতেৰে গুলী কৰিলে বাঘিনী আগবাঢ়িব নোৱাৰি তাতেই মৰিল। লগতে আৰু এটা খোৱালী মাৰি ফুকন ঘৰলৈ উলটি আহিল। এই দুঃসাহসৰ বাবে তেখেতে নবীনৰাম ফুকনৰপৰা কিছু ভৎসনাও সহ্য কৰিবলগীয়াত পৰিছিল।

এই প্ৰত্যুৎপন্নমতিত্ব আৰু সাহসৰ কাৰণেই ফুকনে এদিন বুৰিবলগীয়া জাহাজ এখন ৰক্ষা কৰি বহুতো মূল্যবান জীৱন ৰক্ষা কৰিছিল। ১৯১৭ চনৰ ডিচেম্বৰ মাহত আঠৰিখাট বাগিছাৰ কৰ্ম্মচাৰীবিলাকৰ ওপৰত আবকাৰী মহলৰ মানুহক মাৰ-ধৰ আৰু অবৈধ জুলুম কৰা বুলি এটা গুৰুতৰ অভিযোগ কৰা হয় আৰু এই মোকৰ্দ্দমাত গুৱাহাটীৰ প্ৰধান উকীলসকল, আনকি শেহত কলিকতাৰ বেৰিষ্টাৰ Mr. Eardler Norton কো নিযুক্ত কৰা হয়। এই মোকৰ্দ্দমা সম্বন্ধে ১৯১৮ চনৰ এপ্ৰিল মাহত এখন জাহাজত ফুকনদেৱ, ৰায়বাহাদুৰ শ্ৰীযুত মহেন্দ্ৰমোহন লাহিড়ী, যোগেন্দ্ৰ বৰুৱা প্ৰভৃতি আচামীৰ পক্ষে আৰু ফৰিয়াদীৰ পক্ষে ৰায়বাহাদুৰ শ্ৰীযুত কালিচৰণ সেন, শ্ৰীযুত গৌৰীকান্ত তালুকদাৰ প্ৰভৃতি সকলোৱে মিলি তেজপুৰলৈ যায়। আন আন যাত্ৰীৰ সৈতে জাহাজত মানুহ প্ৰায় ১৫০।২০০ মান আছিল। ৰাতি প্ৰায় ১১।১ মান বজাত প্ৰকাণ্ড ধুমুহা আহে। (সেই ধুমুহাতে 'পক্ষা নামৰ তেজপুৰৰপৰা অহা জাহাজখন বুৰে) ধুমুহাত জাহাজখনৰ প্ৰায় ডুবো ডুবো অৱস্থা। জাহাজৰ মানুহবিলাকে আৰ্ত্তনাদ কৰিবলৈ ধৰিলে। সকলোতকৈ আতংকৰ কাৰণ এয়ে হৈ উঠিল যে, ঢৌত জাহাজ ইকাতি সিকাতি হোৱাৰ লগে লগে জাহাজৰ মানুহবিলাকো তেনেকৈ অহা-যোৱা কৰি জাহাজৰ বিপন্ন অৱস্থা বিপন্নতৰ কৰি তুলিলে। এনেতে জাহাজৰ চাৰেঙে জাহাজখন পানীৰ মাজত নঙ্গৰ কৰিবলৈ ওলাল। ফুকন ডাঙৰীয়াই প্ৰকৃত অধ্যক্ষৰ দৰে তৎক্ষণাৎ মানুহবিলাকক জাহাজৰ মাজলৈ আহিবলৈ হুকুম দিলে। কোনোবাই নুশুনিলে পিস্তলেৰে গুলী কৰিব বুলি ভয় দেখুৱাই মাজলৈ অনালে। চাৰেঙক নঙ্গৰ কৰিবলৈ মানা কৰিলে। নঙ্গৰ কৰিলে যে জাহাজখন বুৰিব, তাক বুজাবৰ চেষ্টা কৰিলে। শেষত কথা নুশুনাত তাকো ভয় দেখুৱাই বশ কৰিলে। তেতিয়া তেখেতে পূৰা বেগেৰে বতাহৰ বিপক্ষে পাৰৰ ফালে জাহাজ চলাবলৈ হুকুম দিলে আৰু সেইমতে চলোৱাত জাহাজ পাৰত লাগিলগৈ। বহুত পৰলৈ সেইদৰে থকাৰ

পিছত লাহে লাহে ধুমুহা কমি আহিল। এইদৰে জাহাজৰ সকলো মানুহ ৰক্ষা পৰিল।

এনেকুৱা নকৰিলে জাহাজ যে ডুবিলহেঁতেন, তাক চাৰেঙ আদি সকলোৱে পিছত স্বীকাৰ কৰিলে। অকল চিকাৰতেই নহয়, প্ৰায় সকলো ক্ষেত্ৰতেই ফুকনৰ সাহ আৰু খেলুৱৈ মনোবৃত্তিৰ প্ৰকাশ হৈছিল। বহুতে জানে যে, হাতী ধৰা, হাতী মৰা আৰু আনকি হাতীৰ ব্যৱসায় কৰাও ফুকনৰ সময় কটোৱা প্ৰবৃত্তিৰ ভিতৰত লেখত পৰিছিল। গুৱাহাটীৰ পৰা ২০।২১ মাইল পূবে সোণাপুৰত ১৯১৭ চনত তেখেতে হাতীৰ মহল খুলিছিল। সেই মহলৰ মহলদাৰ আমাৰ বিখ্যাত দাৰ্শনিক কবি কমলাকান্ত ভট্টাচাৰ্য্য আছিল। বহুত হাতী গড়ত পৰা শুনি ফুকন ডাঙৰীয়াই হাতী চাবলৈ আহিল—তেওঁৰ কথামতে, লগত মাত্ৰ ১১টা টকা লৈ। তালৈ গৈ তেখেতৰ হেনো হাতী কিনা-বেচা কৰিবৰ বৰ ইচ্ছা হ'ল। যদিও হাতত ফুটাকড়ি এটাও নাছিল, তথাপি পোৱালিৰে সৈতে মাইকী হাতী এজনী ১৪০০ টকাত কিনিলে। ফুকনৰ হাতীৰ লক্ষণৰ সম্বন্ধে এনে ভাল জ্ঞান আৰু নজৰ আছিল যে, সদাগৰবিলাকে সেই হাতীহালকে প্ৰথমে একে দামত, পিছত ১০০ টকা বেছি দিব, ২০০ টকা বেছি দিব এইদৰে দাম কৰি অৱশেষত অকল পোৱালিটিকে ১৫০০ টকাত বিক্ৰী কৰি তেতিয়াই ১০০ টকা লাভ কৰিলে। পিছত পোৱালিটো ৰখাত কষ্ট পাই সদাগৰী মহাজনে আকৌ মাকজনীকো ৯০০ টকাত কিনিলে। এইদৰে তেখেতে ৮টামান হাতী এইদৰে কিনা-বেচা কৰি দুমাহৰ ভিতৰতে প্ৰায় ৬০০০ টকা লাভ কৰিলে। অথচ তেখেতে এইটো ব্যৱসায় বুলি ধৰিছিল, এনে নহয়। তাৰ পিছত তেখেতক এই কামত আৰু দেখা নাই। তেখেতৰ জীৱনটো যেন কেৱল ক্ৰীড়াময়হে আছিল।

এই চিকাৰৰ প্ৰবল আগ্ৰহ আৰু কষ্ট-সহনৰ অসীম ক্ষমতাই তেখেতৰ শাৰীৰিক শক্তি যেনেকৈ বঢ়ালে, মানসিক শক্তিৰ সেই পৰিমাণে প্ৰয়োগৰ অভাৱত সিমানখিনি উৎকৰ্ষ সাধন নহল বুলি ক'লে বৰ অন্যায় কৰা নহব। ফুকনে জীৱনত কোনো দিনেই academician অৰ্থাৎ কোনো বিষয়তে পাঠ্য-বিদ্যা লাভ কৰিব নোৱাৰিলে। আনকি তেনে বিদ্যা লাভৰ আকাংখাও তেখেতৰ মনত কেতিয়াও দেখা নিদিলে। কোনো ৰাজনৈতিক বা সমাজনৈতিক সমস্যাবোৰৰ গূঢ়তত্ত্ব অন্বেষণ কৰিবৰ ইচ্ছাও তেখেতৰ কোনো দিনেই নহল। তেখেতক কোনো গভীৰ তথ্যৰ পুথি পঢ়া মই কেতিয়াও দেখা

নাছিলেঁ। পাঠ্য সম্বন্ধে কোনো বিষয়ৰ প্ৰতি তেখেতৰ বিশেষ অভিলাস (hobby) দেখা নগৈছিল। চিকাৰ বা আন ধাউতিত ব্যস্ত থাকিলে বহু সময়ত দৈনিক খবৰৰ কাকতো বহু দিনলৈকে চকু ফুৰাই নাচাইছিল। তেখেতে প্ৰকাশ্যে "আমি কথা বেছি কোৱা মানুহ" বুলি কবলৈ অলপো সংকোচ নকৰিছিল। তেখেতৰ সকলো পাঠ আৰু অধ্যয়ন ব্যৱহাৰোপযোগী আছিল। সেইকাৰণে যদিও তেখেতৰ মতামতবোৰ গৱেষণাপূৰ্ণ বা কোনো পন্থামূলক নাছিল তথাপি সেইবিলাক সদায় ব্যৱহাৰৰ উপযোগী আৰু কাৰ্য্যকৰী আছিল। আৰু সেইকাৰণেই হবলা, তেখেতৰ উপস্থিত-বুদ্ধি আৰু কাৰ্য্য-কুশলতা ইমান প্ৰবল আছিল।

এনে আমোদৰ জীৱন কটাই লয়লাসে সময় নিওৱা সত্ত্বেও কলিকতা এৰি অহাৰপৰা ১৯২১ চনলৈকে ফুকন ডাঙৰীয়াই যিখিনি কাম কৰিলে, সেইখিনি সাধাৰণ যিকোনো বে-চৰকাৰী নেতাৰ পক্ষে যথেষ্ট বুলি সকলোৱে ক'বলৈ বাধ্য।

বেৰিষ্টাৰিত তেখেতে যি খ্যাতি লাভ কৰিছিল, সি বহুতৰ ভাগ্যত ঘটা নাই। এই সময়ৰ ভিতৰত অসম উপত্যকাৰ প্ৰায় সকলো জানিবলগীয়া মোকৰ্দ্দমাতেই তেখেত বেৰিষ্টাৰ আছিল। আউনাআটি সত্ৰ সম্বন্ধে হোৱা মোকৰ্দ্দমাত তেখেতে ১০,০০০ টকা বায়না লয় আৰু জয়ী হয়। এইদৰে বহু মোকৰ্দ্দমাত ২০০০ পৰা ৫০০০ লৈকে ফিজ লোৱা কথা মই জানো। বেৰিষ্টাৰি ব্যৱসায়ত ফুকন ডাঙৰীয়াৰ বাগ্মিতা অতি প্ৰবল আৰু উপস্থিত বুদ্ধি অতি প্ৰখৰ আছিল বুলি সকলোৱে স্বীকাৰ কৰে। বহু সময়ত মোকৰ্দ্দমাৰ নথি সামান্য ৰকমে পঢ়িয়েই আৰু কেৱল জুনিয়ৰ উকীলৰ লগত ভালকৈ পৰামৰ্শ কৰিয়েই এনে উত্তমভাৱে তৰ্ক কৰিব পাৰিছিল যে, তেখেতৰ উপ-দেশদাতাসকলে তবধ মানিছিল। ছেছন মোকৰ্দ্দমাত জুৰি-বিচাৰত তেখেতক সদায় চৰকাৰী উকীলে ভয় কৰিছিল। কাৰণ, তেখেতে জুৰিক এনে উত্তম-ভাৱে বুজাব পাৰিছিল আৰু কথাবিলাক এনে মৰ্ম্মস্পৰ্শী কৰি তুলিছিল যে, প্ৰায় সকলো মোকৰ্দ্দমাতে জুৰীয়ে তেখেতৰ বা আচামীৰ পক্ষে নিসন্দেহে মতামত দি আচামীক খালাচ দিছিল। এই নামৰ কাৰণেই বেছি ফিজ দিব পৰা মানুহে ফুকনক বিচাৰিছিল। এনেকৈ কৃতকাৰ্য্য হোৱা সত্ত্বেও তেখেতে কাছাৰীলৈ কেতিয়াবাহে গৈছিল। আমি সকলোৱে মিলি সদায় কাছাৰীত কাম দিবৰ ইচ্ছাৰে কম ফিজ লৈ দৈনিক কিছু কাম কৰিবলৈ অনুৰোধ

কৰিছিলেঁ। আমাৰ কথা শুনি কিছুদিন তেনেকৈ আছিছিল সঁচা; কিন্তু ১০।১৫ দিনতে তেনে অভ্যাস এৰিলে। জীৱিকাৰ কোনো এটা কামতে ফুকনক মনপুতি লাগি থকা দেখা নাপালো। তেখেতৰ মানত জীৱনটো অখণ্ড লীলাময় আৰু পৃথিবীখন যেন এখন লীলাভূমিহে আছিল।

গুৱাহাটীত শিক্ষাৰ উন্নতিৰ কাৰণে সোণাৰাম ৰাজমেধি ডাঙৰীয়াই নিজাকৈ এখন হাইস্কুল অনেক দিনৰপৰা চলাই আছিল। বহু কাৰণে এই স্কুল ভালকৈ নচলাত তেখেতে ৰাইজক গটাই দিছিল। ফুকন ডাঙৰীয়াই মেনেজিং কমিটিৰ সভাপতি হৈ এই স্কুলৰ উন্নতি কৰাৰ ভাৰ গাত ললে। প্ৰথমতে এই স্কুলখন চৰকাৰী স্কুলৰ ওচৰত নাৰাখি চহৰৰ পূবফালে পতা উচিত নে পশ্চিমফালে পতা উচিত, এই সম্বন্ধে ৰায়বাহাদুৰ ভুৱনৰাম দাস আৰু তেখেতৰ লগত মতভেদ হয়। ৰায়বাহাদুৰে উজান বজাৰৰফালে নিবৰ প্ৰস্তাৱ কৰিছিল আৰু ফুকন ডাঙৰীয়াই ভৰলুমুখলৈ নিবলৈ ইচ্ছা কৰিছিল। এই মতভেদ মীমাংসা কৰিবৰ কাৰণে ছাৰ আৰ্চাডেল আৰ্ল নিজে আহি ঠাই-বিলাক পৰীক্ষা কৰি চাই ভৰলুমুখৰ বৰ্ত্তমান স্কুলৰ ঠাইখিনিকে মনোনীত কৰিলে এই পৰিদৰ্শনৰ লগে লগে সেই ঠাই পৰিস্কাৰ কৰিবৰ কাৰণে আৰু অস্থায়ী ঘৰ সজাবৰ কাৰণে চীফ কমিছনাৰ বাহাদুৰে মেনেজিং কমিটিক যথেষ্ট ধন দি যায়। ফুকন ডাঙৰীয়াই এই স্কুলখন ভাল কৰিবলৈ বিশেষ চেষ্টা কৰিছিল। ৰাইজে স্কুল লোৱাৰ লগে লগে চৰকাৰৰপৰা সহায় পায় আৰু স্কুল লোৱাৰ দ্বিতীয় বছৰতে পৰীক্ষাৰ ফল আশানুৰূপ হয়—২৬ জন পৰীক্ষাৰ্থীৰ ভিতৰত ১৪ জনে পাছ কৰে। এনে ভাল ফল এই স্কুল স্থাপিত হবৰেপৰা হোৱা নাছিল।

গুৱাহাটীত আৰ্ল ল কলেজ স্থাপন কৰা সম্বন্ধে ফুকনে কম চেষ্টা কৰা নাছিল। এই কামত কৃতকাৰ্য্যতাৰ বাবে ৰাইজৰ শলাগৰ শৰাই তেখেতে পোৱা উচিত। এই ল কলেজ স্থাপন সম্বন্ধে সেই সময়ত দেশৰ মত একে নাছিল। সেই সময়ত বহুতে কৈছিল যে, দহজনমান ছাত্ৰক বৃত্তি দি কলি-কতাত পঢ়ুৱাই আনিলে চৰকাৰৰ খৰচো কম হব আৰু উপযুক্ত শিক্ষিত তাকৰীয়া সংখ্যাৰ উকীল ওলাব আৰু তাৰদ্বাৰাই দেশত ওকালতিৰ অৱস্থাও ভালেৰে চলিব। আন পক্ষৰপৰা কোৱা হৈছিল যে নিজৰ দেশত শিক্ষাৰ এই সুযোগ সম্পূৰ্ণকৈ পোৱা উচিত। সেই কাৰণে গুৱাহাটী আইন কলেজ হবই লাগে। এই আইন কলেজ স্থাপন লৈ উভয় উপত্যকাৰ ভিতৰতো

মতভেদ হয়। কিন্তু অৱশেষত আৰ্ল চাহাবৰ বিচাৰমতে গুৱাহাটীত অস্থায়ী-ভাৱে আইন কলেজ পতা আৰু ৰখাৰ স্থিৰ হয়। ১৯৩৯ চনৰ অক্টোবৰ মাহলৈকে এই কলেজ অস্থায়ী বন্দৱস্ততে চলি আছিল। সেই মাহতহে চিৰস্থায়ী কৰিবৰ বাবে প্ৰস্তাৱ হোৱা বুলি জানিব পৰা গৈছে। গুৱাহাটীত আইন কলেজ হোৱা বিষয়ে গৱৰ্ণমেণ্টৰ সিদ্ধান্তত ফুকন ডাঙৰীয়া বিশেষ হাত আছিল, তাক মই ভালকৈ জানো।

ল কলেজৰ সৃষ্টিৰ লগে লগে তেখেতক 'জুৰিছপ্ৰুডেন্স', 'ইকুইটি' ইত্যাদি বিষয়বিলাকৰ অধ্যাপক নিযুক্ত কৰা হয় মাহিলি ২০০৲ টকা দৰমহাত। অধ্যাপক হিচাপে ফুকনে পাণ্ডিত্যৰ প্ৰমাণ নিদিলেও সময়মতে খুব ভালকৈ অধ্যাপনা কৰা বুলি বহুতে কৈছিল। আইন শিক্ষা দিওঁতেও তেখেতৰ বাগ্মিতাৰ প্ৰতিভা ছাত্ৰসকলে ভালকৈ বুজিব পাৰিছিল।

ফুকন ডাঙৰীয়াৰ দৰে সেই সময়ৰ চীফ কমিছনাৰ ছাৰ আৰ্ছডেলো বৰশী বোৱা আৰু মাঁছ সংৰক্ষণ সম্বন্ধে বৰ মনোযোগী আছিল। বোধকৰোঁ তেখেতৰ পৰামৰ্শমতেই ঘৰিয়াল আৰু শিহু, মাছ বৃদ্ধি হোৱাৰ প্ৰতিবন্ধক বুলি ১৯১৫-১৯১৬ চনত প্ৰত্যেক মৰা বা ধৰি অনা ঘৰিয়াল আৰু শিহুৰ বাবদ পুৰস্কাৰ দিয়া হৈছিল। অৱশেষত এই সম্বন্ধে নানাপ্ৰকাৰ আপত্তি হোৱাত, এই পুৰস্কাৰ বন্ধ কৰি দিয়া হয়। তেখেতে এই সময়তে চীফ কমিছনাৰৰপৰা পোৱা আৰ্থিক সহায়েৰে গুৱাহাটীৰ দীঘলীপুখুৰীত মাছ জীওৱা বন্দৱস্ত কৰি অকল বৰশীৰ পাছৰ মূল্যৰপৰাই মিউনিচিপেলিটিক অনুমান বছৰে গড়ে ৫০০ টকা আয়ৰ বাট উলিয়াই দিছিল। মাছ পুহিও যে মানুহৰ আয় বঢ়াব পাৰি, এই কথা অসমত তেখেতেই প্ৰথম মানুহক শিক্ষা দিয়ে।

কটন কলেজত অসমীয়া অধ্যাপক নিযুক্ত কৰা সম্বন্ধে তেখেতে সেই সময়ৰ ডিৰেক্টৰ মিঃ কানিংহাম চাহাবৰ লগত বিশেষভাৱে যুদ্ধ কৰে। সেই কামতো ছাৰ আৰ্ছডেলৰ সহানুভূতিৰ সুযোগ লৈ তেখেতে প্ৰথম প্ৰফেছৰ নিযুক্ত কৰায়।

এই সময়ৰ, অৰ্থাৎ ১৯১৪ চনৰপৰা ভাৰতৰ আৰু লগে লগে অসমৰ ৰাজনৈতিক অৱস্থাৰো আমূল পৰিবৰ্ত্তন হবলৈ আৰম্ভ কৰে। ১৯১৪ চনৰ আগষ্ট মাহত বৃটিছে জাৰ্ম্মানিৰ বিপক্ষে যুদ্ধ ঘোষণা কৰে আৰু লগে লগে জাহিৰ কৰা হয় যে, দুৰ্ব্বলী বেলজিয়ামৰ স্বাধীনতা ৰক্ষাৰ কাৰণে (neutrality ভঙ্গ কৰি) এই যুদ্ধ ঘোষণা কৰা হৈছিল। যদিও ভাৰত পৰাধীন, তথাপি

বৃটিছ ৰাজনৈতিক বিষয়াসকলে আনকি, স্বয়ং সম্রাটে ভাৰতবাসীৰ স্বেচ্ছাকৃত সহায় আৰু সহানুভূতি বিচাৰে। ভাৰতবাসীয়েও এই আহ্বানৰ উত্তৰত অনেক প্ৰবন্ধ কৰি, নিজৰ সাম্ৰাজ্য ৰক্ষা কৰা দৰকাৰ ভাবি লাখে লাখে মানুহ আৰু কোটি কোটি টকা যাচি দিবলৈ ধৰিলে। মহাত্মা গান্ধীয়ে নিজে বৃটিছক সহায় কৰিবৰ কাৰণে ঠায়ে ঠায়ে ভ্ৰমণ কৰি যুদ্ধত আঘাত পোৱা পীড়িত লোকসকলৰ সেৱাৰ কাৰণে লোক আৰু টকা সংগ্ৰহ কৰি ফুৰিছিল। অসমতো ফুকন ডাঙৰীয়াই টকা তোলা কামত কম সহায় কৰা নাছিল। ভাৰতবাসীয়ে ফ্ৰান্সৰ যুদ্ধক্ষেত্ৰত যি সাহ আৰু বীৰত্ব দেখুৱালে, তাক ইয়াত ক'বলৈ ঠাই নাই। এইবিলাক কাৰণে ভাৰতবাসীয়ে ভাবিছিল, তেওঁলোকৰ চিৰাকাঙ্খিত স্বৰাজ বা স্বায়ত্ত শাসন নিশ্চয় পাব, এই হকৰপৰা বৃটিছে ভাৰতবাসীক বঞ্চিত নকৰে। ইয়াকে সূত্ৰপাত কৰি জাতীয় জাগৰণৰ ঢৌ চাৰিওফালে বিয়পি পৰিল।

এই সময়ত অসমত একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল অসম এছোচিয়েছন। ১৯২১ চনৰ আগতে বহুত অসমীয়াই কংগ্ৰেছত যোগ দিবৰ সুবিধা নাপাইছিল। মহাত্মা গান্ধীয়ে কংগ্ৰেছলৈ অহাৰ পূৰ্ব্বে কংগ্ৰেছ অনুষ্ঠান কিছুমান বছা বছা ৰাজনীতিজ্ঞৰ সমষ্টি আছিল বুলিলেও মিছা কথা কোৱা নহয়। প্ৰধান প্ৰধান বেৰিষ্টাৰ, উকীল আৰু দুই-এজন বিখ্যাত ব্যৱসায়ী মানুহেৰে এই মহাসভা গঠিত হৈছিল। এইসকলৰ লগত ভালকৈ জনাজাত নথকাত, বিশেষকৈ অসম ভাৰতৰ এক কোণত থকাত ইয়াৰ ডাঙৰ আৰু ৰাজনৈতিক মুখীয়ালসকলেও এই ৰাষ্ট্ৰীয় সভাৰ লগত যোগ দিবলৈ সুবিধা পোৱা নাছিল। এই অসুবিধাৰ উপৰিও, সেই সময়ৰ ৰাজনৈতিক নেতাসকলে অসমৰ প্ৰাদেশিক সমস্যাবিলাক সুকীয়া বুলি উপলব্ধি কৰি এই অনুষ্ঠানটি পাতে। এই অনুষ্ঠানৰ গুৰি মাণিকচন্দ্ৰ বৰুৱা বুলি ক'ব পাৰি। ১৯০৩ চনত তেখেতে গৌৰীপুৰৰ ৰজা শ্ৰীযুত প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰ, ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি-এ প্ৰভৃতিৰে সৈতে মিলি এছোচিয়েছন প্ৰথম আৰম্ভ কৰে। গৌৰীপুৰৰ ৰজাবাহাদুৰ ১৯১২।১৩ চনলৈকে এই এছোচিয়েছনৰ পৃষ্ঠপোষক আছিল আৰু তেখেতৰ আৰ্থিক সাহায্যৰ কাৰণেই এই এছোচিয়েছনে উপৰোক্ত সময়লৈকে অৰ্থৰ অভাৱত কোনো কামকে বন্ধ কৰিবলগীয়াত পৰা নাছিল। মাণিকচন্দ্ৰ বৰুৱা জীয়াই কাললৈকে এই এছোচিয়েছনৰ সম্পাদক আছিল। ১৯১৩।১৪ চনলৈকে এই সভাৰ কাৰ্য্য-প্ৰণালী কেনে আছিল, তাক বঢ়াই নকলেও হব।

এই সভাৰ প্ৰধান উদ্দেশ্য আছিল, অসমীয়াৰ কাৰণে গৱৰ্ণমেণ্টক চাকৰি দিবলৈ খাটনি ধৰা আৰু ৰাজহুৱা কথা সম্বন্ধে দয়ালু গৱৰ্ণমেণ্টক কৃপাদৃষ্টি কৰিবলৈ অনুৰোধ কৰা। তথাপি এইটো মুক্তকণ্ঠে সকলোৱে স্বীকাৰ কৰিবই লাগিব যে, মাণিকচন্দ্ৰ বৰুৱা সেই সময়ত অসমীয়াৰ লাগতিয়াল সকলো বিষয়তে যেনেকৈ লাগি আছিল আৰু সেইবিলাক যেনেকৈ চৰকাৰৰ ওচৰত পেচ কৰিছিল, তেনেকৈ লাগি থকা আৰু সেইবিলাকৰ কাৰ্য্য কৰিবলৈ চেষ্টা কৰা লোক কোনো প্ৰদেশতেই বেছি নাছিল। প্ৰকৃততে মাণিকচন্দ্ৰ বৰুৱাৰ দৰে স্বদেশপ্ৰেমিক আৰু স্বাধীনচেতা লোক অতি বিৰল। এই স্বাধীন ভাব সত্ত্বেও তেখেতে অযুক্তিকৰ আবেদনকাৰী প্ৰস্তাৱ অসম এছো-চিয়েছনত পাছ নকৰাকৈ ৰাখিব নোৱাৰিছিল। এজন মানুহৰ দেশৰ কাৰণে ব্যক্তিগত ক্ষমতা কিমান প্ৰৱল আছিল, তাক এই কথাৰপৰাই বুজিব পৰা যায় যে, প্ৰত্যেক ৰাজহুৱা কথাতে মাণিকচন্দ্ৰ বৰুৱাৰ মতামত চৰকাৰে বিচাৰিছিল আৰু যদিও প্ৰায় বেছিভাগ কথাতেই বৃটিছ চৰকাৰৰ মতামততেই সকলো কাম হৈছিল, তথাপি মাণিকচন্দ্ৰ বৰুৱাৰ যুক্তিবিলাক সদায় গৱৰ্ণমেণ্টৰ ছেক্ৰেটাৰীসকলে খণ্ডন কৰা যেন দেখুৱাইহে কোনো কাৰ্য্যৰ অৱতাৰণা কৰিছিল। আন সকলো ৰাজনৈতিক অনুষ্ঠানৰ দৰে এই অনুষ্ঠানৰ নীতিও গৱৰ্ণমেণ্টৰ লগত সম্পূৰ্ণ সহযোগমূলক আৰু আবেদন-নিবেদনৰ আছিল। এনেকুৱা আন অনুষ্ঠানৰ দৰেই এই এছোচিয়েছনো বছৰত এবাৰ বহিছিল আৰু উচ্চ দৰৰ বয়সস্থ উকীলবিলাকৰ লগতে এজন বা দুজন অৱস্থাৱান অসমীয়া চাহ-খেতিয়ক আৰু কেতিয়াবা দুই-চাৰিজন পেঞ্চনভোগী বিষয়াও লগ লাগিছিল আৰু কিছুমান প্ৰস্তাৱ পাছ কৰি চাহ-জলপান খাই ধৰাধৰি উভতি গৈছিল। এনে অৱস্থা সত্ত্বেও চৰকাৰ আৰু ৰাইজৰ ওচৰত এই অনুষ্ঠানটোৰ ইমান সন্মান থকাৰ প্ৰধান কাৰণ আছিল মাণিকচন্দ্ৰ বৰুৱাৰ দৰে নিস্বাৰ্থ দেশপ্ৰেমিক এজনে এই অনুষ্ঠানটোৰ গুৰি ধৰাৰ বাবেই। বৰুৱাদেৱে ৰাইজৰ হকে যেতিয়াই যি মত প্ৰকাশ কৰিছিল, সি বেছ নিৰ্ভীক আৰু সুস্পষ্ট আছিল। ১৯১৪ চনত তেখেতৰ মৃত্যুৰ লগে লগে এই অনু-ষ্ঠানটিৰ গুৰি ধৰোঁতাৰ অভাৱ ঘটিল।

ওপৰত কৈ অহা জাতীয় জাগৰণৰ ঢৌ আহি অসমতো খলকনি লগাই দিছিল আৰু তাৰ লগে লগে সেই সময়ৰ ডেকা দলটোক চঞ্চল কৰি তোলা দেখা গৈছিল। এই ডেকা দলৰ নেতা হৈ ওলায় জয়জয়তে নবীনচন্দ্ৰ বৰদলৈ

আৰু তাৰ পিছতে ফুকন ডাঙৰীয়া। ১৯১৫ চনৰ অসম এছোচিয়েছনৰ বাৰ্ষিক অধিবেশন ডিব্ৰুগড়ত বহিছিল আৰু সেই অধিবেশনৰ সভাপতিৰ বাব বৰদলৈ ডাঙৰীয়াৰ গাত পৰিছিল। এই অধিবেশনতেই বুঢ়া দলৰপৰা মিঃ পি· আৰ· টি· গৰ্ডনক (সেই সময়ৰ কমিছনাৰ) চীফ কমিছনাৰৰ পদলৈ নিবৰ কাৰণে এটা প্ৰস্তাৱ অনা হয়। শুনিলে আচৰিত যেন লাগিব যে, সেই প্ৰস্তাৱত আপত্তি কৰিবলৈ মাথোন তিনিজন ডেকাহে (যোগেন্দ্ৰনাথ বৰুৱা, শ্ৰীযুত ৰোহিণীকুমাৰ চৌধুৰী আৰু শ্ৰীযুত কুলধৰ চলিহা) ওলায়। বৰদলৈদেৱৰ সেইবাৰৰ অভিভাষণে অসম ৰাজনীতিত এটা নতুন যুগ অনা বুলি বহুতে কৈছিল। বৰ্ত্তমান ৰাজনীতিৰ লগত তুলনা কৰিলে ইয়াৰ মূল ভাবৰ মধ্যপন্থী মতৰ লগত বিশেষ হীন-ডেঢ়ি আছিল বুলি ক'ব নোৱাৰি। কিন্তু অসমৰ পূৰ্ব্বৰ ৰাজনীতিৰ লগত তুলনা কৰি ইংৰাজ বিষয়াবিলাকে বুজিব পাৰিলে যে, অসমতো এটা নতুন ভাবে ঠাই লৈছে।

পূৰ্ব্বেই উল্লেখ কৰা হৈছে যে, জাৰ্ম্মান যুদ্ধ চলাৰ লগে লগে ভাৰতত স্বাধীনতাৰ আকাংক্ষা ক্ৰমে বাঢ়িবলৈ ধৰে। বিপ্লৱবাদীসকলে এই যুদ্ধৰ সুযোগতে তেওঁলোকৰ কাৰ্য্য চলাবৰ সুবিধা পায়। বঙ্গ দেশত এই আন্দোলন বিশেষভাৱে বিয়াপি পৰে। কোনো কোনো ঠাইত বিপ্লৱবাদীৰ কাৰ্য্য ভিতৰুৱা আৰু অদৃশ্য হৈ নাথাকি বাহিৰত ফটফটীয়া হৈ ওলাই পৰে। বালাসৰত বিপ্লৱবাদীসকলৰ লগত পুলিচৰ খণ্ডযুদ্ধ পৰ্য্যন্ত হয়। ৰাজনৈতিক ডকাইতিও ঠায়ে ঠায়ে দেখা দিয়ে। আনপক্ষে বৈধ আন্দোলনো তেনে তীব্ৰভাৱে আৰম্ভ হয়। মিছেছ বেছেণ্টে Home Rule বা স্বায়ত্ত শাসন আন্দোলন আৰম্ভ কৰে আৰু এই আন্দোলনেই কংগ্ৰেছ মহাসভা দখল কৰেহি। বঙ্গ দেশত চিত্তৰঞ্জন দাসে এই আন্দোলনত দলে বলে যোগদান কৰে। এই মহা ৰাজনৈতিক সোঁতত অসমত কংগ্ৰেছ আন্দোলন নামত নোসোমালেও অসমীয়া ডেকাদলক এইভাৱে খুন্দিয়ায়। বৰদলৈ ডাঙৰীয়াৰ বক্তৃতাত এই নৱজাগৰণৰ ভাবটো সম্পূৰ্ণৰূপে ফুটি ওলায়। ইয়াৰো আভাস পোৱা যায় যে, অসম ভাৰতৰ এচুকত পৰি থাকিলেও সমস্ত ভাৰতব্যাপী চলা জাতীয় আন্দোলনৰপৰা একাষৰীয়া হৈ থাকিব নোৱাৰে। ১৯১৫ চনৰ-পৰা ১৯২০ চনলৈকে এই অসম এছোচিয়েছনৰ নিয়ম-প্ৰণালী আৰু কাৰ্য্য-পদ্ধতি সম্পূৰ্ণৰূপে পৰিবৰ্ত্তিত হয় আৰু ১৯২১ চনত সাময়িকভাৱে এই এছোচিয়েছন বন্ধ ৰখাৰ লগে লগে কংগ্ৰেছ মহাসভাই অসমতো একাধিপত্য

স্থাপন কৰে। এই মহাপৰিৱৰ্ত্তন কেৱল বাহিৰতে আৱদ্ধ নাছিল। মহা-সমৰ আৰু স্বায়ত্ত শাসনৰ তীব্ৰ আকাংক্ষাই সকলো স্বদেশপ্ৰেমিকৰ হৃদয়ত এটা নতুন উৎসাহ আৰু আশাৰ ঢৌ তুলি দিছিল। আৱেদন-নিৱেদনৰ দ্বাৰা অভাৱ-অভিযোগ দূৰ কৰাৰ নীতি পৰিত্যাগ কৰি আন প্ৰান্তৰ ভাৰত-বাসীৰ দৰে অসমীয়া ৰাজনীতিসকলেও, বিশেষকৈ অসমীয়া ডেকাদলেও "স্বৰাজ আমাৰ জন্মগত স্বত্ব" বুলি দাবী কৰিবলৈ ধৰিলে। এই দাবী পূৰণ কৰিবলৈ হলে যি কঠোৰ সাধনা আৰু ত্যাগৰ দৰকাৰ, সেই সম্বন্ধে ভাব আৰু অনুভূতি অস্ফুট থাকিলেও, সামৰিকভাৱে ৰাজনীতিকসকলে ক্ষুদ্ৰ সংস্কাৰৰ আশা ত্যাগ কৰি জাতিগত দাবী পূৰণৰ বাবে ব্যাকুল হৈ উঠিছিল। এই পৰিবৰ্ত্তনৰ সকলো অৱস্থাতে বৰদলৈ আৰু ফুকন ডাঙৰীয়া ডেকাদলৰ নেতা হৈ ওলাইছিল। চন্দ্ৰনাথ শৰ্ম্মা এই নৱযুৱক দলৰ একনিষ্ঠ আৰু অক্লান্ত কৰ্ম্মী আছিল আৰু এই নৱজাগৰণৰ জুই যাতে পূৰ্ণভাৱে জ্বলি থাকে, তাৰ-বাবে তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। ১৯১৮ চনৰ অধিৱেশনত ফুকন ডাঙৰীয়া অসম এছোচিয়েছনৰ বৰপেটা বাৰ্ষিক অধিবেশনত সভাপতি হয়। এবছৰৰ কাৰণে তেখেত প্ৰধান সম্পাদকো হৈছিল। এইবিলাক কাৰ্য্যত তেখেতে সদায় নেৰানেপেৰাকৈ লাগি থকা শক্তিৰ পৰিচয় নিদিলেও তেখেতৰ নেতৃত্বত সাহ আৰু স্পষ্টবাদিতাৰ পৰিচয় পোৱা গৈছিল। এইবিলাক কাৰণতে তেখেতে ডেকাদলৰ হৃদয় সহজে জয় কৰিব পাৰিছিল। সেই সময়ৰ ৰাজ-নৈতিক ক্ষেত্ৰত যিসকল লোক আছিল, সকলোৱে ফুকন আৰু বৰদলৈ ডাঙৰীয়াক স্বাভাৱিক অবিসম্বাদী নেতা বুলি মানি লৈছিল আৰু তেখেত-সকলৰ লগত সকলো প্ৰকাৰে সহায়-সহযোগ কৰিবলৈ আগবাঢ়িছিল।

এই নৱ-জাগৰণৰ ঢৌ আমাৰ দেশত লগাৰ সময়ত তেতিয়াৰ ব্যৱস্থাপক সভাৰ অৱস্থা কি আছিল, সেই সম্বন্ধে সকলোৱে অলপ জনা উচিত। এই সময়ত আমাৰ প্ৰদেশ ভাৰতৰ আনবিলাক প্ৰদেশৰ দৰে মিণ্টো-মৰ্লে (Minto-Morlay) শাসন সংস্কাৰমতে শাসিত হৈছিল। এই সংস্কাৰৰ ব্যৱস্থামতে যি ব্যৱস্থাপক সভা সৃষ্টি হৈছিল, তাত মাত্ৰ জনচেৰেকেহে প্ৰতি-নিধি হিচাপে ঠাই পাব পাৰিছিল। এই সদস্যসকলে মিউনিচিপেলিটি, লোকেল বোৰ্ড, জমিদাৰ, মুছলমান, চাহ-কৰ ইত্যাদি কেইটিমান সমষ্টিৰপৰা নিৰ্ব্বাচিত হোৱা সভ্য আছিল। সমুদায় সভা চৰকাৰৰ মনোনীত সভ্য আৰু চৰকাৰী বিষয়াৰে গঠিত হৈছিল। এই সভাৰ ক্ষমতা আলোচনাৰ বাহিৰে

বিশেষ কিবা আছিল বুলি ক'ব নোৱাৰি। চৰকাৰৰ কাৰ্য্য-পদ্ধতি সম্বন্ধে ভালকৈ দুষাৰ ক'বৰ শক্তি বোধকৰো মেম্বৰসকলৰ আছিল, কিন্তু তেওঁ-লোকৰ কোনো কথাকেই চৰকাৰে শুনিবলৈ বা কাৰ্য্যত পৰিণত কৰিবলৈ বাধ্য নাছিল আৰু প্ৰকৃততে অতি কম সময়তহে তেনে কৰিছিল। সকলো ৰাজকীয় কাম গৱৰ্ণৰে নিজৰ নামত বহুত সময়ত নিজেই কৰিছিল। সেই-কাৰণে পূৰ্ব্ব-বঙ্গ আৰু অসম লগ লাগি এখন প্ৰদেশ হৈ থকাৰ সময়ত ছাৰ বেমফিল্ড ফুলাৰ চাহাবৰ এজন মুছলমান খানচামাৰ ক্ষমতা কাউন্সিলৰ সদস্যতকৈ বেছি আছিল বুলি কোৱা শুনিছোঁ। ফুলাৰ চাহাবে হেনো এই খানচামাজনক ইমান বিশ্বাস কৰিছিল যে, তাৰ কথা তেওঁ প্ৰায় নেপেলাইছিল। সেইদৰে যি লোকেই বা মেম্বৰেই লেফটেনেণ্ট গৱৰ্ণৰ বা চীফ কমিছনাৰৰ প্ৰিয়পাত্ৰ হ'ব পাৰিছিল, তেওঁৰেই নিজৰ আৰু দহৰ বেছি কাম কৰিবৰ সম্ভাৱনা আছিল। যেতিয়া পূৰ্ব্ব বঙ্গৰ লগত অসম একেলগ হৈ আছিল, তেতিয়া অসমৰপৰা নিৰ্ব্বাচিত মেম্বৰৰ ভিতৰত মাণিকচন্দ্ৰ বৰুৱা, ৰায়বাহাদুৰ ভুৱনৰাম দাসে লোকেল বোৰ্ড আৰু মিউনিচিপেলিটি সমষ্টিৰ প্ৰতিনিধিত্ব কৰিছিল। ১৯১২ চনত যেতিয়া বঙ্গ দেশক পুনৰায় এখন প্ৰদেশ কৰিলে, অসমকো ব্যৱস্থাপক সভাৰপৰা বঞ্চিত কৰা নহল আৰু অসমতো এখন ব্যৱস্থাপক সভা পতা হ'ল। ফুকন ডাঙৰীয়াই এই সভালৈ তিনি বছৰলৈ দুবাৰো নিৰ্ব্বাচিত হয় আৰু মণ্টেগু-চেমছ্‌ফোৰ্ড সংস্কাৰমতে নিৰ্ব্বাচন নোহোৱালৈকে সদস্য হৈ থাকে। তেখেতৰ প্ৰথম বাৰৰ প্ৰতিদ্বন্দ্বী শ্ৰীযুত উপেন্দ্ৰনাথ সেন আছিল আৰু দ্বিতীয় বাৰৰ প্ৰতিদ্বন্দ্বী মেছপাৰাৰ জমিদাৰ ৰাজেন্দ্ৰনাৰায়ণ চৌধুৰী আছিল। দুয়োবাৰতে তেখেতে জমিদাৰ-সমষ্টিৰপৰা নিৰ্ব্বাচিত হয়। ব্যৱস্থাপক সভাৰ সদস্য হিচাপে বক্তৃতাৰ বহুলতা বা সুদীৰ্ঘতাৰ কাৰণে তেখেত ৰৰকৈ জনাজাত নাছিল, কিন্তু যিখিনি কৈছিল, সেইখিনি তেখেতে এনে স্পষ্ট আৰু শুৱলা ভাষাত কৈছিল যে, তেখেতৰ কথা শুনিবলৈ সকলোকে ব্যগ্ৰ দেখা গৈছিল। আগতে উল্লেখ কৰা হৈছে যে, সেই সময়ত ব্যক্তিগত প্ৰতিভাৰহে দিন আছিল—ব্যৱস্থাপক সভাতো সেই একে কথাই খাটিছিল। দল হিচাপে কাউন্সিলৰ কাৰ্য্য-প্ৰণালী চলোৱাৰ কোনো ব্যৱস্থা নাছিল। ফুকন ডাঙৰীয়াই যি দুই-চাৰিটা বক্তৃতা দিছিল, তাৰ আলোচনা নকৰি মুঠতে ইয়াকে ক'ব পাৰি যে, তেখেতে জমিদাৰসকলৰ প্ৰতিনিধি হৈ গলেও সমূহ ৰাইজৰ স্বাৰ্থলৈ উদাসীন নাছিল।

যেতিয়া কানি-প্ৰচলন সম্বন্ধে ফণীধৰ চলিহা ডাঙৰীয়াৰ লগত চীফ কমিছনাৰ ছাৰ বিট্‌ছন বেলৰ কাজিয়া হয়, তেতিয়া তেখেতে চলিহা ডাঙৰীয়াক কাউন্সিলত আৰু বাহিৰতো সমৰ্থন কৰিছিল। সেইদৰে গো-খাঁহ কৰ আন্দোলন সম্বন্ধেও তেখেতে ৰাইজৰ দাবী সমৰ্থন কৰিছিল। প্ৰতিভা আৰু স্বাভাৱিক ভদ্ৰতাৰ বাবে ফুকন ডাঙৰীয়াক কাউন্সিলৰ কি চৰকাৰী কি বে-চৰকাৰী সকলো সদস্যই বিশেষ সম্মান আৰু আদৰ কৰিছিল। অসহযোগৰ নেতৃত্বৰ গৌৰৱৰ বাবে সহযোগী হৈ উপাৰ্জ্জন কৰা তেখেতৰ খ্যাতি আৰু সম্মানো কম দায়ী নহয়।

মিণ্টো-মৰ্লে শাসন-পদ্ধতি যে ভাৰতবাসীৰ নিমিত্তে কোনো প্ৰকাৰে উপযুক্ত ব্যৱস্থা নহয়, তাক লৰ্ড হাৰ্ডিঞ্জৰ দৰে গৱৰ্ণৰ জেনেৰেলেও স্বীকাৰ কৰিবলৈ ধৰিলে। তাতে যেতিয়া যুদ্ধত ভাৰতবাসীৰ সহায়-সহযোগ দৰকাৰ হ'ল আৰু তেনে সহায় যেতিয়া ভাৰতবাসীয়ে মুক্তহস্তে দিবলৈ ধৰিলে, বৃটিছ চৰকাৰেও উপলব্ধি কৰিবলৈ ধৰিলে যে ভাৰতবাসীক পূৰ্ব্বৰ শাসন আইনৰ ডোলেৰে বান্ধি ৰাখিব নোৱাৰি। কিন্তু চতুৰ বৃটিছে ভাৰতবাসীৰ মতামত বুজিবৰ কাৰণে দেখাত নিৰপেক্ষ লোকৰ দৰে দেখুৱাই দক্ষিণ আফ্ৰিকাৰ মিঃ লিউনেল কাৰ্টিছ্‌ নামৰ এজন লোকৰ দ্বাৰাই ভাৰত-ভ্ৰমণ কৰায়। তেখেতে বহু ভাৰতীয় ৰাজনীতিজ্ঞ লোকৰ লগত পৰামৰ্শ কৰি এখন ৰিপোৰ্ট লিখে। জনা যায় যে, সেই ৰিপোৰ্ট বৃটিছ চৰকাৰে নতুন সংস্কাৰৰ আঁচনি তৈয়াৰ কৰোঁতে বিশেষভাৱে ব্যৱহাৰ কৰিছিল। সি যিয়েই নহওক, ১৯১৭ চনৰ আগষ্ট মাহত সেই সময়ৰ ভাৰত-সচিব মিঃ মণ্টেগুই বৃটিছ গৱৰ্ণমেণ্টৰ তৰফে এটা অতি আৱশ্যকীয় ঘোষণা কৰে। সেই ঘোষণাত ভাৰতৰ সেই সময়ৰ শাসন-নীতি নিৰ্জীৱ আৰু সাতামপুৰুষীয়া পুৰণিকলীয়া বুলি অভিহিত কৰে আৰু ভাৰতবাসীয়ে তেওঁলোকৰ আশানুৰূপ স্বায়ত্ত শাসনৰ উপযোগী তেনে শাসন সংস্কাৰ পাব লাগে বুলি উল্লেখ কৰে। মণ্টেগু চাহাব নিজে এজন সাধু আৰু উদাৰনৈতিক লোক আছিল বুলি সকলোৱে স্বীকাৰ কৰে আৰু তেওঁৰ প্ৰতিশ্ৰুতি সৰলতাপূৰ্ণ আছিল বুলি আজিও বহুতে কয়; কিন্তু বিলাতৰ 'টৰি' বা ৰক্ষাশীল লোকসকলে আৰু বিশেষকৈ ভাৰতৰ চিভিল ছাৰ্ভিচৰ লোকসকলে কেনেকৈ তেওঁৰ এই প্ৰতিশ্ৰুতিৰ মূল্য কামত একেবাৰে নোহোৱা কৰিব পাৰে আৰু ভাৰতবাসীক সম্পূৰ্ণৰূপে বঞ্চিত কৰিব পাৰে, তাৰে চেষ্টাত তৎপৰ হ'ল।

অসমতেই তাৰ প্ৰমাণ পোৱা গ'ল। ইণ্ডিয়ান চিভিল ছাৰ্ভিচৰ মেম্বৰ হলেও, ছাৰ আৰ্চডেল আৰ্ল এজন উদাৰচেতা লোক আছিল। অসমৰ সম্মানী লোকসকলৰ লগত সমানভাৱে ব্যৱহাৰ কৰাৰপৰা আৰু অসমত শিক্ষাৰ উন্নতিৰ সম্বন্ধে যি কাম কৰি গৈছিল, তাৰ দ্বাৰাই তেখেতৰ উদাৰ ভাবৰ কিছু পৰিচয় পোৱা গৈছিল। প্ৰস্তাৱিত সংস্কাৰ মতে অসমৰ স্থান মেজৰ বা ডাঙৰ প্ৰদেশ হিচাপে হোৱা উচিত নে (গৱৰ্ণৰৰ দ্বাৰাই শাসিত), 'মাইনৰ' বা সৰু প্ৰদেশ (বৰ্ত্তমান দিল্লীৰ দৰে) হোৱা উচিত, সেই সম্বন্ধে ভিতৰুৱাকৈ তদন্ত কৰাত আৰ্ল চাহাবে অসমখন গৱৰ্ণৰৰ প্ৰদেশ হবৰ কাৰণে ভাৰত চৰকাৰলৈ অনুমোদন কৰি পঠিয়াইছিল। গৱৰ্ণৰৰ প্ৰদেশ হোৱাটো দেশৰ পক্ষে কিমান ভাল হৈছে, সেইটো ইয়াত আলোচ্য নহয়; কিন্তু এইটো নিশ্চিত কথা যে, সেই সময়ত অসমৰ সকলো লোকেই অসম গৱৰ্ণৰ-শাসিত প্ৰদেশ নহলে বৰ বেয়া পালেহেঁতেন। ছাৰ বিটছন বেল চীফ কমিছনাৰ হোৱা মাত্ৰে তেখেতে আৰ্ল চাহাবৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি অসমক এখন সাধাৰণ প্ৰদেশ কৰিবৰ কাৰণে প্ৰস্তাৱ পঠিয়ালে। এই কথাত আমাৰ ৰাজনীতিকসকলৰ মাজত বৰ চাঞ্চল্য উপস্থিত হয়। ১৯১৮ চনত কি ধৰণৰ স্বায়ত্ত শাসন ভাৰতবাসীক দিয়া হব, সেই সম্বন্ধে তদন্ত কৰিবলৈ মণ্টেগু চাহাব ভাৰতবৰ্ষলৈ আহে। অসম এছোচিয়েছনে তৎক্ষণাৎ বিটছন বেল চাহাবৰ উপৰোক্ত প্ৰস্তাৱত আপত্তি কৰি এখন আবেদন পঠায় আৰু ডিচেম্বৰ মাহত যেতিয়া ভাৰত-সচিব মিঃ মণ্টেগু আৰু বৰলাট লৰ্ড চেমছফোৰ্ড চাহাব কলিকতালৈ আহে, তেতিয়া তেখেতসকলৰ আগত এখন মেম'ৰেণ্ডাম বা আবেদন-পত্ৰ দাখিল কৰিবৰ কাৰণে অসমৰ প্ৰতিনিধি স্বৰূপে নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, শ্ৰীযুত পদ্মনাথ গোঁহাই বৰুৱা, শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা, গঙ্গাগোবিন্দ ফুকন, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু ঘনশ্যাম বৰুৱা এই সাতজনলোকক মনোনীত কৰা হয় আৰু সেইমতে তেখেতসকলে মণ্টেগু আৰু লৰ্ড চেমছ্‌ফোৰ্ড চাহাবক লগ ধৰি এই আবেদন-পত্ৰ দিয়ে। এই বিষয়ে অসম এছোচিয়েছনে কৰ্ম্ম-তৎপৰতাৰ বিশেষ পৰিচয় দিয়ে, বিলাতলৈ আৰু এটা প্ৰতিনিধিৰ দল পঠিয়ায়। শাসন আইন পাছ কৰাৰ পূৰ্ব্বে পুনৰায় বিলাতত এখন জয়েণ্ট পাৰ্লামেণ্টৰি কমিটি অৰ্থাৎ বিলাতৰ উভয় পৰিষদৰ সদস্যসকলেৰে এখন কমিটি বহে। অসমৰ দাবী আৰু অসমৰ হক যাতে কৰ্ত্তাৰ অভাৱত নষ্ট নহয়, সেই কাৰণে অসম এছোচিয়েছনে কমিটিৰ

আগত সাক্ষী দিবৰ কাৰণে এটি ডেপুটেছন পঠিয়াবৰ বন্দৱস্ত কৰে।

১৯১৮-১৯ চনত ফুকন ডাঙৰীয়াই আৰু এটা দায়িত্বপূৰ্ণ কাম কৰে। বঙ্গদেশৰ কুখ্যিয়া পুলিচৰ অত্যাচাৰত বিপ্লৱবাদীৰ দলটো সম্পূৰ্ণৰূপে বেমে-জালিত পৰেগৈ আৰু ক্ৰমে বঙ্গদেশ এৰি আন ঠাইলৈ পলাবলৈ ধৰিলে। ৬।৭ জনৰ এটা দল আহি গুৱাহাটীতো ঠাই লৈছিল, এটা বঙালী পৰিয়ালহে যেন বসতি কৰিছে, তাকে বুজাবৰ কাৰণে বাহিৰত শাৰী, চেমিজ ইত্যাদি মেলি দি কিছুদিনলৈ কাৰো সন্দেহ আকৰ্ষণ নকৰাকৈ দক্ষিণপাট সত্ৰৰ ওচৰৰে এটা ঘৰত আছিলহি। কিন্তু কলিকতাৰ পুলিচে তেওঁলোকক সহজে উলিয়ালেহি। ঘটনাৰ দিনা ৰাতি নৌ পুৱাওঁতেই গ্ৰেপ্তাৰ কৰিবলৈ ধৰোঁতে, তেওঁলোকে পিস্তলৰ আৱাজ কৰি পলায়, কিন্তু দুই-দিনৰ ভিতৰতে পাঁচ-জনমান ধৰা পৰে। এওঁবিলাকৰ বিচাৰ Special Tribunal, অৰ্থাৎ স্বকীয়া আদালতৰ দ্বাৰাই হয়। তিনিজন বিচাৰপতি নিযুক্ত হয়। তাৰ ভিতৰত ফুকন ডাঙৰীয়াও এজন নিযুক্ত হৈছিল। এই আচামীবিলাকক ফুকনৰ পুৰণি বন্ধু শ্ৰীযুত এছ. এন. হালদাৰ আৰু নবীন বৰদলৈ ডাঙৰীয়াই সহায় কৰে। প্ৰায় ডেৰমাহ বিচাৰৰ পিছত সকলো আচামীৰেই দণ্ড বিধান হয়। ফুকন ডাঙৰীয়াই এজন আচামীৰ দণ্ড বিধানত ৰাজী নহয় আৰু যুটীয়া ৰায়ৰ বিপক্ষে তেখেতে উপযুক্ত কাৰণ দি স্বকীয়া ৰায় লিখে। এই দায়িত্বপূৰ্ণ কামত ফুকন ডাঙৰীয়াই যি স্বাধীন মন আৰু স্বাধীন বিচাৰৰ পৰিচয় দিছিল, তাৰবাবে সকলোৱে তেওঁৰ শলাগ লৈছিল।

# দ্বিতীয় অধ্যায়

[ অসহযোগ আন্দোলন আৰু ফুকন ডাঙৰীয়া ]

১৯২০ চনত ভাৰতৰ ৰাজনৈতিক আকাশ ডাৱৰে ঢাকি ধৰিলেহি। বিলাতৰ ব্যৱস্থাপক সভাৰ ঠেলা-হেঁচা আৰু ৰক্ষণশীল দলৰ মতৰ সংঘৰ্ষণৰ ফলত ভাৰতৰ কাৰণে যি শাসন-সংস্কাৰৰ পৰিকল্পনা স্থিৰ কৰা হৈছিল, সি মুষ্টিমেয় ধীৰপন্থী দলৰ বাহিৰে আন কাকো সন্তুষ্ট কৰিব নোৱাৰিলে। আমাৰ জাতীয় নেতাসকলৰ ভিতৰত যিকেজনে সংস্কাৰৰ আঁচনি গঠনৰ সংশ্ৰৱত আছিল, মাত্ৰ সেইকেইজনেই এই শাসন-সংস্কাৰৰ জালত বান্ধ খালে। গণ্যমান্য নেতাৰ ভিতৰত সুৰেন্দ্ৰনাথ বানাৰ্জী; ছাৰ চি, ওৱাই, চিন্তামণি প্ৰভৃতিও সেই জালৰ ভিতৰত বান্ধ খালে; কিন্তু আন কোনো ডাঙৰ নেতা, যেনে মালব্যজীৰ দৰে লোকসকলেও এই সংস্কাৰত একেবাৰে সন্তুষ্ট নহল। সেই সময়ৰ উগ্ৰপন্থী দলবিলাক, 'হোম-ৰুলাৰ' সকল আৰু ৰাজনীতিৰ আভাস পোৱা সকলো লোকেই এই সংস্কাৰ সম্পূৰ্ণৰূপে অসন্তোষজনক, অকাৰ্য্যকৰী আৰু ভাৰতবাসীৰ আশাৰ পৰিপন্থী বুলিহে ক'বলৈ ধৰিলে। ভাৰতবাসীৰ স্বাধীনতা বা ডমিনিয়ন ষ্টেটাছ অৰ্থাৎ ঔপনিৱেশিক স্বায়ত্ত শাসন পোৱাৰ আশা সমূলি লোপ পালে, সমস্ত জাতিটোৱে বঞ্চিত আৰু লাঞ্ছিত হোৱা বুলি অনুভৱ কৰিলে। যুদ্ধৰ সময়ত যি আৱেগেৰে ভাৰতবাসীয়ে সহায় কৰিছিল, তাৰ প্ৰতিদান এনে নিৰ্ম্মম হোৱা উচিত নাছিল বুলি সকলোৱে ক'বলৈ ধৰিলে।

এই ঘোৰ অসন্তোষ বৃটিছ গৱৰ্ণমেণ্টৰ খিলাফত নীতিৰ দ্বাৰাই মুছলমানসকলৰ ভিতৰতো বিশেষকৈ বঢ়ালে। যুদ্ধ চলাৰ লগে লগে বৃটিছ আৰু ভাৰত চৰকাৰে ভাৰতীয় মুছলমানসকলক এইভাৱে জানিবলৈ দিছিল যে, যুদ্ধই খলিফাৰ শক্তিত কোনো প্ৰকাৰে হস্তক্ষেপ নকৰে, খলিফাৰ ধৰ্ম্মৰাজ্য অক্ষুণ্ণ ৰ'ব। কিন্তু ভাৰ্ছাই সন্ধিৰ ফলত তুৰ্কী খণ্ড-বিখণ্ড হ'ল। বৃটিছ চৰকাৰে খিলাফত অটুট ৰখা দূৰৰ কথা, খিলাফত ধ্বংস কৰাত সহায় কৰা বুলি ভাৰতবাসী মুছলমান সকলে বৃটিছ চৰকাৰৰ বিপক্ষে এটা গুৰুতৰ

অভিযোগ উত্থাপন কৰিলে। তেখেতসকলে ক'বলৈ ধৰিলে যে, খলিফাৰ অস্তিত্ব মুছলিম ধৰ্ম্মৰ অঙ্গ। আজি তেনে খলিফাৰ প্ৰকৃত অস্তিত্ব নোহোৱা কৰাত বৃটিছ চৰকাৰে কেৱল পূৰ্ব্বৰ প্ৰতিশ্ৰুতিকে ভঙ্গ কৰি এৰা নাই তেওঁলোকৰ ধৰ্ম্মতো হস্তক্ষেপ কৰিছে। ধৰ্ম্মপ্ৰাণ মুছলিমসকলে বৃটিছৰ এই নীতিত খণ্ডত জ্বলি উঠিল। বহুতে ধৰ্ম্মযুদ্ধ বা 'জেহাদৰ' কথা উত্থাপন কৰিবলৈ ধৰিলে। বহুতে কি নীতিৰে এই 'জেহাদ' চলোৱা যায়, সেই সম্বন্ধে প্ৰকাশ্যে আলোচনা কৰিবলৈ সংকোচ নকৰা হ'ল।

এই হিন্দু-মুছলমানৰ উপযুক্ত আৰু ন্যায্য ক্ষোভৰ লগে লগে যেতিয়া জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আৰু জেনেৰেল ডয়াৰৰ নৃশংস কাহিনী ভাৰত-বাসীৰ মাজত জনাজাত হৈ পৰিল, তেতিয়া এই হত্যাকাণ্ডৰ বিচাৰত শাস্তি স্বৰূপে ডায়াৰ চাহাবক অধিক পেন্সন দি ইয়াৰপৰা পঠিয়াই দিয়া হ'ল। স্বাভাৱিকতে মানুহৰ মনত বৃটিছ শাসনৰ ওপৰত আৰু বৃটিছ ন্যায়পৰায়ণ-তাৰ ওপৰত বিশ্বাস একেবাৰে কমি গ'ল। জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ কথা ইমান জনাজাত যে, মই ইয়াত সেই সম্বন্ধে লিখি এই ক্ষুদ্ৰ পুস্তিকাৰ কলেৱৰ বঢ়াব নোখোজো। এই হত্যাকাণ্ডৰ পাশৱিকতা সেই ঠাইখন দেখিলেই আজিও বহুতে বুজি পাব। চাৰিওফালে ওখ ওখ দেৱালেৰে আগুৰা এখন সৰু পথাৰত কিছুমান নিৰস্ত্ৰ লোকক, খোৱাৰৰ ভিতৰত ছাগলী গাহৰি গুলী কৰাৰ দৰে গুলী কৰা হৈছিল। গুলী কৰাৰ পিছত ৪।৫ দিনলৈকে এই 'বাগৰ' ওচৰৰ বাটেৰে বা আলি-পদূলিৰে মতা বা তিৰোতা যি মানুহ যাবলৈ ওলাইছিল, সেইবিলাকক যেনে নিৰ্লজ্জ আৰু পাশৱিক অত্যা-চাৰ কৰা হৈছিল, তাৰ বৰ্ণনাৰ ঠাই ই নহয়। এনে অত্যাচাৰ, অপমান আৰু নৃশংসতাৰ কথা যেতিয়া ভাৰতবাসীয়ে ভালকৈ বুজিব পাৰিলে, তেতিয়া ভাৰতবাসীৰ ভিতৰত বৃটিছ শাসনৰ বিপক্ষে এটা বিৰুদ্ধ ভাব উপস্থিত হ'ল; ভাৰতীয় হিন্দু-মুছলমান সমানে এই বিৰোধ ভাবৰ ভাগী হ'ল। দেশত এনে এটা চাঞ্চল্য ভাবে দেখা দিলেহি যে, এই সময়ত উপযুক্ত নেতাৰ অভাৱ হোৱা হ'লে নানা ঠাইত হিংসামূলক বিদ্ৰোহৰ জুই জ্বলি উঠাও অসম্ভৱ নহ'লহেঁতেন বুলি বহুতে অনুমান কৰে।

দেশৰ পৰম সৌভাগ্যৰ কথা যে, এই সময়ত ভাৰতৰ ৰাজনৈতিক গগণত এজন মহাপুৰুষে দেখা দিছিলহি—এই ঘোৰ আন্ধাৰৰ মাজত। ইয়াতকৈও আৰু সৌভাগ্যৰ বিষয় এই যে, সেই মহাপুৰুষৰ হাততেই ভাৰতবাসীয়ে

নেতৃত্ব গতাই দিলে। ১৯২০ চনৰ ডিচেম্বৰ মাহত যদি মহাত্মাজীৰ নীতি ভাৰতবাসীয়ে গ্ৰহণ নকৰিলেহেঁতেন, তেন্তে বৰ্ত্তমান আমাৰ ৰাজনীতি, সমাজ-নীতি আৰু অৰ্থনীতি আদিৰ কি অৱস্থা হ'লহেতেন কোৱা টান। আজি এটা কথা স্পষ্ট যেন দেখা গৈছে, ভাৰতবাসীয়ে সাময়িকভাৱে হ'লেও অহিংসা নীতিৰ আদৰ্শ গ্ৰহণ কৰিছে, আৰু তাৰ লগে লগে দেশত হিংসা-মূলক দেহ-বল সম্বন্ধীয় যিবিলাক আন্দোলন চলিছিল আৰু চলিবলৈ উপক্ৰম হৈছিল, তাৰ শক্তি ক্ৰমে হ্ৰাস পাই আহিল। মহাত্মা গান্ধীৰ নেতৃত্ব গ্ৰহণৰ লগে লগে এফালে ভাৰতত যেনেকৈ (ওপৰত উল্লেখ কৰি অহাৰ দৰে) এটা বৃহত্তৰ জাতীয় ভাবৰ ঢৌৱে আগুৰি ধৰিলেহি, আনফালে তেখেতৰ ত্যাগ আৰু কাৰ্য্যৰ দ্বাৰাই মানুহৰ মনত এনে এটা নৈতিক ভাবো সুমুৱাই দিলে যে, প্ৰত্যেক মানুহৰ প্ৰবৃত্তি ত্যাগ, ন্যায় আৰু ধৰ্ম্মৰ ওপৰতহে প্ৰতিষ্ঠিত হোৱা উচিত। এই সময়ৰপৰা ভাৰতত এটা নৱযুগ আৰম্ভ হ'বলৈ ধৰিলে বুলি ক'লেও অত্যুক্তি কৰা নহয়! ইতিপূৰ্ব্বে ৰাজনীতিৰ আৰু কুটনীতিৰ লগত প্ৰভেদ মানুহে দেখা পোৱা নাছিল। এই সময়ৰপৰা ৰাজনীতি, মানুহৰ তেনে কুট প্ৰবৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত নহৈ মনুষ্য জীৱনৰ প্ৰত্যেক ভাবধাৰা আৰু কাৰ্য্যৰ লগতে সংশ্লিষ্ট হ'লহি। ভাৰতবাসীৰ ব্যক্তি-গত জীৱন আৰু জাতীয় জীৱনৰ পূৰ্ণতাৰ অৰ্থ প্ৰায় একেই হৈ পৰিল। জীৱনৰ মোক্ষ পদ লাভ আৰু ভাৰতৰ স্বাধীনতা একে কাৰ্য্যাৱলীৰ দ্বাৰাই হোৱা সম্ভৱ বুলি কিছুমান মানুহৰ মনত বিশ্বাস উপস্থিত হ'ল। এই মহা পৰিৱৰ্ত্তনৰ কাৰ্য্য মহাত্মাজীয়ে 'ইয়ং ইণ্ডিয়া' নামৰ সাপ্তাহিকেৰে চলাবলৈ ধৰিলে। তেখেতে ভাৰতৰ দাবী সম্পূৰ্ণৰূপে নৈতিকতাৰ ওপৰত দাঙি ধৰিলে আৰু ভাৰতবাসীক পৰিষ্কাৰভাৱে বুজাবলৈ চেষ্টা কৰিলে যে এই নৈতিক শক্তিৰ ওপৰতেই ভাৰতবৰ্ষৰ স্বাধীনতা নিৰ্ভৰ কৰিছে। জোৰ বা কায়িক শক্তিৰ দ্বাৰাই যে ভাৰতবাসীৰ পক্ষে স্বৰাজ লাভ কৰা সম্ভৱপৰ নহয়, তাক হাজাৰ যুক্তিৰে বুজাই দিলে আৰু অহিংসা আৰু সত্যৰ দ্বাৰাইহে স্বৰাজ লাভ হ'ব পাৰিব এই আদৰ্শ ভাৰতবাসীৰ আগত থিয় কৰালে। তাৰ লগে লগে সেই আদৰ্শ উপলব্ধি কৰিব লাগিলে কেনেকৈ মন আৰু দেহ শুচি কৰিব লাগিব সেই সম্বন্ধে অনেক উপদেশ দিবলৈ ধৰিলে। তেখেতে নিজেই কঠোৰ আৰু ত্যাগী জীৱন ধাৰণ কৰাৰ কাৰণে তেখেতৰ প্ৰত্যেক

কথাকে ভাৰতবাসীয়ে নতুন ভাবেৰে পৰীক্ষা কৰিবলৈ ধৰিলে।

১৯২০।২১।২২ চনৰ বিৰাট অসহযোগ আন্দোলন মহাত্মাৰ মূল-মন্ত্ৰৰ আংশিক প্ৰকাশ মাত্ৰ। এই আন্দোলন সম্বন্ধে ভাৰতবৰ্ষত আৰু ভাৰতবৰ্ষৰ বাহিৰতো আজিলৈকে ইমান আলোচনা-বিলোচনা হৈ আছে যে সেই সম্বন্ধে আৰু বেছি লিখা-লিখি কৰা নিষ্প্ৰয়োজন। সি যিয়ে নহওক, ফুকন ডাঙৰীয়াক এই আন্দোলনে কেনেকৈ অভিভূত কৰি তেখেতৰ শৰীৰ-মনৰ সকলো শক্তিকে পূৰ্ণ উদ্যমেৰে চালনা কৰি দেশৰ সৰ্ব্বোচ্চ নেতা সৃষ্টি কৰিলে সেইটো কিন্তু জানিবলগীয়া। আগতে কোৱা হৈছে, কেনেকৈ মহাত্মাজীয়ে 'ইয়ং ইণ্ডিয়া' নামৰ কাকতৰ দ্বাৰাই, শ্ৰীকৃষ্ণৰ বাঁহীয়ে ব্ৰজবাসীৰ মন হৰণ কৰাৰ দৰে, ভাবগ্ৰাহী ভাৰতবাসীক মুহিবলৈ ধৰিলে আৰু তেনেকৈ এই বাঁহীৰ সন্মোহিনী শক্তিয়ে ভাৰতবৰ্ষত এটা নতুন ভাবৰ সৃষ্টি কৰিবলৈ ধৰিলে। বিলাসত মগ্ন হৈ থাকিলেও ফুকন ডাঙৰীয়াই এই সন্মোহিনী বাঁহীৰ আকৰ্ষণৰপৰা বহু সময়লৈকে দূৰৈত আঁতৰি থাকিব নোৱাৰিলে। মোৰ ভালকৈ মনত আছে, ১৯২১ চনৰ আগছোৱাত কেনেকৈ আমি তেখেতক এই 'ইয়ং ইণ্ডিয়া কাকতৰ' পৃষ্ঠাৰপৰা প্ৰবন্ধ পঢ়ি শুনাইছিলো আৰু ফুকন ডাঙৰীয়াই ইয়াত উল্লেখ কৰা নানা সমস্যা সম্বন্ধে কি প্ৰকাৰে উত্তৰ দিছিল। এই সময়ত আমাৰ নেতাসকলৰ ভিতৰত কোনেও অসহযোগ আন্দোলনত যোগ দিয়া নাই প্ৰকৃততে এই আন্দোলনৰ সফলতা সম্বন্ধে বেছিভাগেই সন্দিহান হৈ আছিল। ১৯২০ চনৰ ডিচেম্বৰ মাহত উভতি আহি এই অসহযোগ নীতি সম্বন্ধে বৰদলৈ ডাঙৰীয়ায়ো মতামত প্ৰকাশ কৰে। বহুতে ক'বলৈ ধৰিলে, "সেইদিনা মাত্ৰ বৰদলৈ ডাঙৰীয়াই অত কষ্ট কৰি ৰাইজৰ হকে বিলাতলৈ গৈ যি নতুন শাসন সংস্কাৰৰ ভিতৰত অসমকো ভুক্ত কৰালে, আজি সেই সংস্কাৰৰ লগতেই অসহযোগ কৰিব লাগিবনে? অসমীয়াৰ ভিতৰত এমুঠি মাত্ৰ অসমীয়া উকীল কোনো ৰকমে আইন-আদালতত প্ৰৱৰ্ত্তি আছে। আজি তেওঁলোকে ওকালতি এৰিলে দেশৰ অৱস্থা কি হ'ব?" ইত্যাদি আপত্তিবোৰে অসমীয়া নেতৃবৃন্দক সাময়িকভাৱে বিহ্বল কৰা যেন দেখা গৈছিল। কিন্তু ৩।৪ মাহৰ ভিতৰতে দেশত চাৰিওফালে এনে প্ৰবল ধুমুহা বৰলৈ ধৰিলে যে এই ক্ষুদ্ৰ আপত্তি আৰু আশংকাবিলাক ধুলিৰ দৰে ক'ৰবালৈ উৰি গ'ল।

১৯২০ চনৰ ডিচেম্বৰ মাহৰ কংগ্ৰেছত মহাৰথী লালা লাজপত ৰায়,

দেশবন্ধু চিত্তৰঞ্জন দাস প্ৰভৃতিৰ আপত্তি সত্ত্বেও মহাত্মাজীৰ অসহযোগ প্ৰস্তাৱ গৃহীত হ'ল। ১৯২১ চনৰ জানুৱাৰী মাহত দেশবন্ধু দাসে স্বাস্থ্যৰ কাৰণে জাহাজেৰে ডিব্ৰুগড়লৈ আহে। গুৱাহাটীত বৈ উকীলখানাত কথা-বাৰ্ত্তা প্ৰসঙ্গত কয় যে, কংগ্ৰেছৰ অসহযোগ প্ৰস্তাৱ ঠিক হোৱা নাই যদিও, তেখেতে নিজৰ ব্যৱসায় বৰ্জ্জন কৰি প্ৰস্তাৱমতে কাম কৰিবলৈ ৰাজী হৈছে। ডেকা উকীলসকলে এই কথাত আচৰিত হ'ল। চি. আৰ. দাসৰ দৰে বেৰিষ্টাৰে কেনেকৈ ইমান ডাঙৰ ব্যৱসায় পৰিত্যাগ কৰিব।

লাহে লাহে আন্দোলন অসমত, বিশেষকৈ গুৱাহাটীত আৰম্ভ হ'ল। অসম এছোচিয়েছন সাময়িকভাৱে বন্ধ কৰা হ'ল। ইয়াৰ পিছত নিৰ্ব্বাচনত যোগ নিদিয়াই স্থিৰ হ'ল। গুৱাহাটী কেন্দ্ৰৰ নিৰ্ব্বাচনত শ্ৰীযুত কালিৰাম বৰ্ম্মা উকীল ডাঙৰীয়া নিৰ্ব্বাচিত হৈছিল, কিন্তু সকলোৰে অনুৰোধত তেখেতে আইন সভা উপেক্ষা কৰি অসহযোগ কৰাত তেখেতৰ পিছৰ বেছি সংখ্যক ভোট পোৱা মেম্বৰ ৰায়বাহাদুৰ কৃষ্ণচন্দ্ৰ চৌধুৰী মনোনীত হ'ল। ইফালে কটন কলেজৰ ছাত্ৰ এদল কলেজৰপৰা বাহিৰ হ'ল, আৰু যদিও কেইজনমান দৃঢ়সংকল্পৰ ডেকাৰ বাহিৰে বাকীবিলাক পুনৰাই কলেজত সোমালগৈ, ই সাময়িকভাৱে এনে এটা নতুন হুলস্থূলৰ সৃষ্টি কৰিলে যে, দেশৰ মত কোন-ফালে ঢাল খাইছে তাক বুজিবলৈ নেতাসকলৰ বাকী নাথাকিল। দায়িত্বশীল নেতা বৰদলৈ ডাঙৰীয়াই দেশৰ এই দায়িত্বহীন আৰু অসংযত ভাব বন্ধ কৰিবই লাগিব বুলি দৃঢ়সংকল্প লৈ এই আন্দোলনত আত্মাহুতি দিলে। বৰদলৈ ডাঙৰীয়াই এপ্ৰিল মাহত প্ৰকাশ্যভাৱে ওকালতি এৰিলে আৰু তেখে-তৰ ব্যৱসায়ৰপৰা হোৱা ইমান ডাঙৰ আয়ৰ বাট এটা বন্ধ কৰি, দেশৰ কাম আৰু ভাৰতৰ স্বাধীনতাৰ কাৰণে নিজৰ সকলো স্বাৰ্থকে বলি দিলে। তেখেতৰ লগে লগে সেই মাহতে গুৱাহাটীত এই লেখককে ধৰি আৰু চাৰিজন উকীলে ওকালতি বৰ্জ্জন কৰি কংগ্ৰেছ কমিটি আৰু গাঁৱলীয়া পঞ্চায়ত গঠনৰ কাম হাতত ললে। কিছুদিন পিছতে অৰ্থাৎ জুন মাহৰ মূৰতে আসাম-বেঙ্গল ৰেলৱে'ত এটা বিৰাট ধৰ্ম্মঘট আৰম্ভ হয়, তাৰ দ্বাৰা এই আন্দোলনৰ ওপৰতো কম হেঁচা পৰা নাছিল। চাৰিওফালে উকীল-সকলে সভা-সমিতি পাতি সমস্ত অসমবাসীকেই জাগৰিত কৰি তুলিলে। অসমৰ সকলো ঠাইতে, বিশেষকৈ গাঁওবোৰত কংগ্ৰেছ-কমিটি গঠন হবলৈ ধৰিলে। বৰদলৈ ডাঙৰীয়াৰ মহৎ ত্যাগে এটা নতুন ত্যাগৰ ভাব দেশ-

বাসীৰ আগত দাঙি ধৰাৰ ফলত অসম জুৰি অনেক শিক্ষিত ডেকা লৰাই স্কুল-কলেজ বৰ্জ্জন কৰি এটা সুগঠিত আৰু নিয়মানুবৰ্ত্তী স্বেচ্ছাসেৱকৰ দলৰ সৃষ্টি কৰিলে আৰু সাময়িকভাৱে দেশত ত্যাগী কৰ্মীৰ অভাৱ একেবাৰে নাইকিয়া হ'ল। ৰাইজো যেন নৱ ভাবত সম্পূৰ্ণৰূপে অনুপ্ৰাণিত হ'ল। এই জাগৰণে একালে যেনেকৈ বৃটিছ-শাসনৰ ওপৰত মানুহৰ মনত নিহিত থকা বিৰোধ ভাব স্পষ্টকৈ দেখুৱালে, আনফালে তেনেকৈ কল্পিত ভাৱী-স্বৰাজৰ আমোলত এই দুখ-দুৰ্গতিবোৰ যে দূৰ হ'ব তাৰ আভাসো দিব ধৰিলে। সাধাৰণ গাঁৱলীয়া মানুহৰ নিজৰ উন্নতিকল্পে অনুভূতিৰ উদাহৰণ বোধকৰোঁ ভাৰত বুৰঞ্জীত এয়ে প্ৰথম।

জুন মাহলৈকে ফুকন ডাঙৰীয়াই অসহযোগ আন্দোলনত গা ঢালি যোগদান কৰা নাছিল যদিও তেখেতে অসহযোগীসকলৰ কাৰ্য্য ভালকৈ লক্ষ্য কৰি আহিছিল। কিবা এটা দ্বিধাই তেখেতক আগুৰি ধৰি আছিল বুলি বোধ হৈছিল। সেই সময়ত তেখেতে ল কলেজৰ মাহিলী ২০০্ টকা দৰমহাত অধ্যাপকৰ কাম চলাই আছিল। গুৱাহাটী মিউনিচিপেলিটীৰ চেয়াৰমেন পদতো নিৰ্ব্বচিত হৈ সুখ্যাতিৰে তেওঁ চেয়াৰমেনৰ কাম চলাই আছিল। ইয়াৰ বাহিৰেও সোণাৰাম স্কুলৰ সভাপতি, আৰ্ল ল আৰু কটন কলেজৰ গৱৰ্ণিং বডিৰ মেম্বৰ হৈ থাকি নানা বেচৰকাৰী পদবীত বিভূষিত হৈ আছিল। বৰদলৈদেৱৰ বিয়োগত সোঁৱৰণী স্বৰূপে তেখেতে যি প্ৰবন্ধ লিখে, তাত বৰদলৈ ডাঙৰীয়াৰ স্নেহ আৰু আৱেগপূৰ্ণ অনুৰোধত তেখেতে কেনেকৈ সম্পূৰ্ণ অসহযোগী হ'ল সেই কথা উল্লেখ কৰিছে। শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত উতলা হোৱাদি তেখেতৰ মানসিক প্ৰবৃত্তি পূৰ্ব্বৰপৰাই অনুকূল হৈ আছিল; সেইটো আমি বুজিব পাৰিছিলোঁ। এই মহাত্যাগত আত্মাহুতি দিবলৈ সাজু হবলৈ কিছু সময় লগাটো একো আচৰিত কথা নাছিল। কিন্তু যেতিয়া আহ্বান আহিল আৰু দীক্ষা ললে, তেতিয়া সকলো দ্বিধা, সকলো আসোঁৱাহ আঁতৰি গ'ল। জুলাই মাহৰ মূৰতে তেখেতে আইন কলেজৰ পদ ইস্তফা দিলে। কিন্তু জুন মাহৰ শেহতেই আমি সকলোৱে অনুৰোধ কৰি তেখেতক বোম্বাইৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বৈঠকলৈ, চলিহা আৰু বৰদলৈ ডাঙৰীয়াৰ লগত পঠিয়ালোঁ। শুনিলো মহাত্মাজীৰ লগত তেখেতৰ দেখা হ'ল। যেতিয়া উভতি আহিল, দেখিলোঁ ফুকন ডাঙৰীয়া সম্পূৰ্ণৰূপে এজন বেলেগ পুৰুষ। আৰু দেখিলোঁ বাঁহীৰ

গৰাকীৰ ওচৰত ফুকন ডাঙৰীয়াই মন আৰু আত্মাসমৰ্পণ কৰিবলৈ দৃঢ়সংকল্প লৈ আহিছে। অকল সেয়ে নহয়, এই মহামানৱক অসম ভ্ৰমণৰ কাৰণে তেখেতে নিমন্ত্ৰণ কৰিও আহিল। আৰু দেখা গ'ল, ফুলাই মাহৰপৰা ফুকনৰ মুখত মহাত্মাৰ নীতিৰ বাহিৰে আন ৰাজনীতি নাই; নিজেই যেন আত্মহাৰা হ'ল।

মহাত্মাজী আহি ফুকন ডাঙৰীয়াৰ আলহী হোৱাৰ লগে লগে তেখেতৰ আদৰ্শৰ পৰিৱৰ্ত্তন সম্পূৰ্ণ হ'ল। আগষ্ট মাহৰ আদিতে মহাত্মাজী আৰু তেখেতৰ সেই সময়ৰ পৰিষদবৃন্দ মৌলানা মহম্মদ আলি চাহেব, মৌলানা আজাদ শোভানী চাহেব ইত্যাদিয়ে অসংখ্য জনতা আৰু অলেখ স্বেচ্ছাসেৱকৰ শাৰীৰ মাজেদি আহি ফুকন ডাঙৰীয়াৰ ঘৰত থাকি অসমৰ আতিথ্য গ্ৰহণ কৰেহি। দৰ্শন-ব্যাকুল সহস্ৰ নৰ-নাৰীয়ে দেখা নোপোৱা মহাত্মাজীক নিজ ঘৰত আলহী ৰাখিব পৰাটো ফুকনৰ পক্ষে প্ৰকৃততে বৰ গৌৰৱৰ কথা হৈছিল; কিন্তু তাতকৈও ডাঙৰ গৌৰৱৰ কথা, ফুকন ডাঙৰীয়া যে এই গৌৰৱৰ প্ৰকৃত অধিকাৰী, তাৰ যথেষ্ট প্ৰমাণ দিব পৰাতে। মহাত্মাজী গুৱাহাটীতে দুদিন আছিল। সেই দুদিনত ফুকনৰ টোল লোকাৰণ্য হৈ আছিল। মানুহৰ জনতা একেলগে ইমান হব পৰা অভিজ্ঞতা মোৰ ইতি-পূৰ্ব্বে নাছিল। সেই সময়ত এই টোলটো পুৱফালৰ চৰকাৰী আলিৰপৰা বৰ্ত্তমান ফুকনৰ ঘৰলৈকে সম্পূৰ্ণ খালী আছিল, আবেলি ৰাজহুৱা সভাত এই গোটেই ঠাইখিনি মানুহেৰে পুব হৈ উত্তৰ আৰু পুৱৰ আলিলৈকে পৰিপূৰ্ণ হৈ আছিল। এই সভাতেই বিলাতী বস্ত্ৰ পুৰি পেলোৱা হয়। এই অগ্নি-কুণ্ডত ফুকন আৰু ফুকনৰ পৰিয়ালৰ কেবাহাজাৰ টকা দামৰ কাপোৰ দ'ম্ কৰি ভস্মীভূত কৰা হয়। আমাৰ বিশ্বাস, তেখেতৰ বৃটিছ চৰকাৰৰ লগত সহযোগৰ যি মহা অভিযান, তাকো সেই কাপোৰৰ দ'মৰ লগে লগে পুৰি ছাই কৰি ফুকন সম্পূৰ্ণৰূপে ৰাইজৰ এজন হ'লহি। এই সময়ত ফুকন ডাঙৰীয়াৰ হিন্দুস্থানী বা উৰ্দ্দু ভাষাত দখল কিমান তাৰ প্ৰমাণ দিয়ে, মৌলানা মহম্মদ আলিৰ বক্তৃতাৰ লগে লগে তাৰ হুবহু তৰ্জ্জমা অসমীয়াত কৰি ৰাইজক শুনোৱাত বহুতে তেখেতৰ এই শক্তিটো অদ্ভুত যেন ভাবিছিল। ইয়াৰ পিছত মহাত্মাজীৰ লগে লগে তেখেতে সমস্ত অসম ভ্ৰমণ কৰে আৰু শেষত মহাত্মাই ভাৰতবৰ্ষৰ কাৰণে যি দায়িত্ব লৈছিল, ফুকন ডাঙৰীয়ায়ো অসমৰ কাৰণে সেই দায়িত্ব অতি আনন্দেৰে গ্ৰহণ কৰিলে। তাৰ ফলত

অসহযোগ নীতি অসমবাসীৰ কেৱল মনতে আৰদ্ধ হৈ নাথাকিল—বেছিভাগ অসমবাসীয়েই অসহযোগ নীতি কামত পৰিণত কৰিবলৈ চেষ্টা কৰিলে। ১৯২১ চনৰ আগষ্ট মাহৰ ইয়ং ইণ্ডিয়াত অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অসমীয়া মাইকী মানুহৰ বোৱা-কটা সম্বন্ধে মহাত্মাজীয়ে অতি সুন্দৰ এটি প্ৰবন্ধ লিখে। ইয়াৰ বাহিৰেও ফুকন সম্বন্ধে সেই কাকতত ওলোৱা আটাই-বিলাক কথা বহুতে পঢ়িছে।

মহাত্মাজীয়ে অসম এবাৰ লগে লগে ইয়াৰ কংগ্ৰেছৰ কাৰ্য্য ফুকন ডাঙৰীয়াই সম্পূৰ্ণৰূপে হাতত ললে। তেখেতে ইতিপূৰ্ব্বেই প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি নিৰ্ব্বাচিত হৈছিল আৰু বৰদলৈ ডাঙৰীয়া প্ৰধান সম্পাদক নিযুক্ত হৈছিল। আজি ভাৰতবাসীয়ে মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব তেখেতসকলৰ দায়িত্ব তেখেতসকলে সম্পূৰ্ণ মাত্ৰাই পালন কৰিলে। ফুকন ডাঙৰীয়া স্থিৰপ্ৰতিজ্ঞ হ'ল যে মহাত্মাৰ কথা সম্পূৰ্ণৰূপে পালন কৰি ৩১ ডিচেম্বৰৰ ভিতৰত স্বৰাজ আনিবই লাগিব। হিন্দু-মুছলমান মিলন, অস্পৃশ্যতা বৰ্জ্জন, মাদকতা নিবাৰণ, বিদেশী বস্ত্ৰ ত্যাগ আৰু খদ্দৰ গ্ৰহণ ইত্যাদি ভিত্তিৰ ওপৰত স্বৰাজ গঠন কৰিব লাগিব আৰু Triple Boycott, অৰ্থাৎ তিনি পন্থীয়া বৰ্জ্জন নীতি, যেনে—ব্যৱস্থাপক সভা, স্কুল-কলেজ আৰু আইন আদালত ত্যাগ কৰা কাম যুদ্ধৰ সময়ৰ কাৰ্য্য বুলি তৎক্ষণাৎ কৃতকাৰ্য্য কৰিব লাগিব। ফুকনে এই আন্দোলনৰ সফলতাৰ কাৰণে অসমৰ প্ৰত্যেক জিলাৰ গাঁও-ভূঁইলৈকে ভ্ৰমণ কৰিবলৈ ধৰিলে। আগষ্ট মাহৰপৰা তেখেতক গ্ৰেপ্তাৰ কৰা সময়, অৰ্থাৎ ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহলৈকে তেখেতে এখন্তেকো বিশ্ৰাম লোৱা নাছিল। তেখেতে এই আন্দোলনত যোগ দিয়াৰ পিছত যে ই বেছি জোৰে চলিবলৈ ধৰিলে, তাক বহলাই নকলেও হ'ব। অসমৰ প্ৰায় সকলো ঠাইতে উকীলসকলে ওকালতি এৰিলে; গুৱাহাটীত প্ৰায় আটাইকেইজন অসমীয়া উকীলেই ওকালতি এৰিলে। উজনি অসমত শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াও ঠিক ফুকন, বৰদলৈৰ দৰে প্ৰচাৰ-কাৰ্য্যত লাগি গ'ল। গাঁৱত পতা পঞ্চায়তবিলাকৰ কাৰণে মোকৰ্দ্দমাৰ সংখ্যা বিশেষভাৱে কমি আহিল। প্ৰচাৰ-কাৰ্য্য আৰু স্বেচ্ছাসেৱকসকলৰ শান্তিপূৰ্ণ বুজনিৰ ফলত আফিঙৰ বিক্ৰী প্ৰায় আধা হৈ গ'ল, সেইদৰে মদ-ভাঙৰ বিক্ৰীও বিশেষভাৱে কমি আহিল। বহু ঠাইত গাঁৱলীয়া কৰ্ম্মচাৰী, যেনে —মণ্ডল ইত্যাদিয়ে পদ ইস্তফা দি অসহযোগী হ'ল। চলিত বৃটিছ শাসন-

নীতি অকল অন্যায় বুলি বোধ হোৱাৰ লগে লগে অসমত চৰকাৰী ধন-ভঁৰালতো ভালকৈ হাত পৰিল। বৃটিছ সিংহৰ টোপনি ভাগিল আৰু মহাৰথীৰ ভিতৰত ফুকন ডাঙৰীয়াৰ ওপৰত নজৰ পৰিল।

চেপ্তেম্বৰ মাহতে হব পায়, ধুবুৰী অঞ্চলত বক্তৃতাত ৰাজবিদ্ৰোহ প্ৰচাৰ কৰাৰ অভিযোগত ১০৮ ধাৰামতে কিয় দণ্ডিত নহব তাৰ কাৰণ দৰ্শাবলৈ ফুকন ডাঙৰীয়াক কোৱা হয়। এই মোকৰ্দ্দমাৰ দিনা আমিও ধুবুৰীলৈ গৈছিলো। সমস্ত ধুবুৰী মানুহেৰে ভৰি পৰে। হিন্দু-মুছলমান সমানে মোকৰ্দ্দমাত কি হয় জানিবলৈ উৎকণ্ঠিত। প্ৰকৃততে গৱৰ্ণমেণ্টৰ যদি 'ৰাজদ্ৰোহ' বন্ধ কৰাৰ অভিপ্ৰায় আছিল, তেন্তে এই অভিযোগৰ কাৰণে ইয়াৰ ফল ওলোটাহে হ'ল। মোকৰ্দ্দমাৰ দিনা ৰাতিপুৱা ধুবুৰী বিৰাট জনতাৰে পৰিপূৰ্ণ হ'ল। ৰেল, জাহাজ আৰু বাটেৰে ২৫।৩০ মাইল দূৰৈৰপৰা লোকসকলে ফুকনৰ বিচাৰৰ কি অৱস্থা হয় জানিবলৈ আহে। ৰাজহুৱা সভাত শ্ৰীযুত ৰোহিনীকুমাৰ চৌধুৰী ডাঙৰীয়া প্ৰভৃতি গুৱাহাটিৰপৰা যোৱা নেতাসকলে আৰু তাৰ মুছলমান নেতা এজনে স্পষ্টভাৱে প্ৰকাশ কৰিলে যে ফুকন ডাঙৰীয়াই কোৱা কথা তেওঁলোকে আখৰে আখৰে পালন কৰিব। সভাত গোট খোৱা সমূহ ৰাইজেও তাতে হয়ভৰ দিয়ে। এইদৰে তুদিনৰ কাৰণে, ধুবুৰী চহৰ অসহযোগৰ প্ৰধান কেন্দ্ৰ হৈ পৰিল। কৰ্ণেল প্লেফেয়াৰৰ আদালতত এই মোকৰ্দ্দমাৰ বিচাৰ হৈছিল। সাক্ষী লোৱাৰ পিছত ফুকনৰ বিপক্ষে মোকৰ্দ্দমাৰ কোনো কাৰণ নাই বুলি তেখেতক খালাচ দিয়া হয়।

এই মোকৰ্দ্দমাত মুক্তি পোৱাৰ পিছত ফুকন ডাঙৰীয়াৰ প্ৰচাৰ কাৰ্য্যৰ তালিকা আগতকৈ বাঢ়িবলৈ ধৰিলে। অসমৰ চাৰিওফালৰপৰা তেখেতৰ ওচৰলৈ নানা ঠাইলৈ প্ৰচাৰৰ অসংখ্য নিমন্ত্ৰণ আহিবলৈ ধৰিলে। তেখেতক সন্মান কৰিবলৈ আৰু তেখেতক দৰ্শন কৰিবলৈ অসমৰ নৰ-নাৰীসকল, বিশেষকৈ গাঁৱলীয়া লোকসকল উৎকণ্ঠিত হৈ পৰিল আৰু তেনে কৰিব পাৰিলে নিজে ধন্য হোৱা বুলি ভাবিবলৈ ধৰিলে। এই সময়ত তেখেতে প্ৰথম উত্তৰ লক্ষীমপুৰ মহকুমালৈ যায়। শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াও তেখেতৰ লগত গৈছিল। ৰাজআলিত ১৭।১৮ খন তোৰণ সাজি তেখেতক ৰাইজে অভ্যৰ্থনা কৰে। তাত ৰাইজৰ তেনে উৎসাহ ইতিপূৰ্ব্বে কোনেও দেখা নাছিল। উত্তৰ লক্ষীমপুৰৰ বাহিৰে বাকী প্ৰায় সকলো ঠাইলৈ মই তেখেতৰ লগত যাওঁ। মঙ্গলদৈ মহকুমাৰ ছিপাঝাৰত যি বিৰাট সভা হয়,

তাত প্ৰায় ৭।৮ হাজাৰ লোক হয় আৰু কম হলেও তিৰোতা মানুহেই ৭০০।৮০০ মান উপস্থিত হয়। এই তিৰোতাসকলে ফুকন ডাঙৰীয়াক, উৰুলি-জোকাৰ দি আৰু নাম গাই আদৰণি জনাইছিল।

এই আন্দোলন সম্বন্ধে তেখেতৰ শেষ ভ্ৰমণ পশ্চিম চমৰীয়া, গোৱালপাৰা মহকুমাৰ পুব অঞ্চল আৰু বকো, ছয়গাঁও আদি ঠাইত। এইবোৰ অঞ্চলত ইতিপূৰ্ব্বে কংগ্ৰেছ সংগঠনৰ কাম কৰাৰ কাৰণে ময়ো তেখেতৰ লগত যাব লগাত পৰিলোঁ। বন্দৰস্ত হ'ল নাৱেৰে যোৱা। গতিকে বহু সময় কথা-বতৰাত কটাবৰ সুবিধা হৈছিল। ফুকন ডাঙৰীয়াই ইয়াৰ ভিতৰতে আৰু এবাৰ মহাত্মা গান্ধীৰ লগত সাক্ষাৎ কৰি আহিছিল। আন্দোলন কি ভাবে চলিব, ৩১ ডিচেম্বৰৰ ভিতৰত স্বৰাজ কেনেকৈ আহিব, তাক জানিবলৈ আমি উৎসুক। আমাৰ লগত অহা স্বেচ্ছাসেৱক শ্ৰীমান কৃষ্ণকান্ত বৰুৱাই (বৰ্ত্তমান মান্দাকাটা বাগিচাৰ মেনেজাৰ) এনেকৈ স্বৰাজ হোৱা অসম্ভৱ বুলি তৰ্ক তুলিলে। সেই সময়ত নৰেশ্বৰ মাহৰ তৃতীয় ছোৱা পৰিছেহি! ফুকন কিন্তু তেতিয়াও এই আন্দোলনৰ সাৰ্থকতা সম্বন্ধে দৃঢ়। যুদ্ধৰ সৈন্যাধ্যক্ষৰ দৰে তেখেতে অলপো সংশয়ৰ পৰিচয় নিদি ক'বলৈ ধৰিলে যে, অলপসংখ্যক লোকে ত্যাগ আৰু আত্মহুতি দিবলৈ ৰাজী হ'লে অসহযোগ সম্পূৰ্ণ হ'ব পাৰে। এনে অৱস্থাত চৰকাৰী বিষয়াবিলাকে তেওঁলোকৰ পদ ইস্তফা নিদি থাকিব নোৱাৰিব। এই মহা আহুতিৰ কাৰণে যদি সেইদৰে মহলদাৰ, ঠিকাদাৰ ইত্যাদি লোকেও অসহযোগ কৰে, তেন্তে বৃটিছ-শাসন অস্থায়ীভাৱে হলেও ভাৰতত অচল হ'ব আৰু বৃটিছে আমাৰ দাবী গ্ৰাহ্য কৰিবলৈ বাধ্য হ'ব। তাৰ পিছত ক'বলৈ ধৰিলে যে মহাত্মাৰপৰা তেখেতে যি বুজিব পাৰিছিল, তাৰ দ্বাৰাই এইখিনিকে বুজা হৈছিল যে দৰকাৰ হলে তেনে আত্মাহুতি দিবৰ কাৰণে কোনো ঠাইত দলবদ্ধ হৈও আইন অমান্য কৰিবৰো দৰকাৰ হ'ব পাৰে। যদি বৰ্জ্জন-নীতি মানি সকলোৱে কাম কৰে, তেন্তে তেনে সঙ্ঘবদ্ধ আইন অমান্য আন্দোলন নকৰিলেও হ'ব। কিন্তু যদি চাকৰীয়া বাইজে বৰ্ত্তমান অসহযোগীসকলৰ এনে ত্যাগতো সচেতন নহয়, তেন্তে ত্যাগৰ পূৰ্ণতাস্বৰূপে অন্ততঃ কিছুমান ঠাইত দলবদ্ধ হৈ কিছুমান অসহযোগীয়ে মৃত্যু গ্ৰহণ কৰিব লাগিব। এনে আন্দোলনকেই তেখেতে Mass Civil Disobedience বা সঙ্ঘবদ্ধ আইন অমান্য আন্দোলন বুলি বুজাই

দিয়ে। এই বিষয়ে মহাত্মাই ন বছৰৰ পিছত ধৰছানা আক্ৰমণ, কৰোঁতে যি নীতি আৰু কাৰ্য্য অৱলম্বন কৰিছিল, তাক উদাহৰণ স্বৰূপে তেতিয়াই আমাক বুজাই দিছিল। প্ৰকৃততে সজ্ঘবদ্ধ আইন অমান্য আন্দোলনৰ 'নীতি মই প্ৰথমে ফুকন ডাঙৰীয়াৰ মুখৰপৰা শুনো।

এইদৰে নানা কথা আলোচনা কৰি বহল ব্ৰহ্মপুত্ৰৰ বুকুৰ কাষৰ গড়া আৰু বালিচৰ বোৰৰ নানান সুদৃশ্য চাই চাই পিছদিনা ছুপৰীয়া নগৰবেৰা গাঁৱৰ পাৰ পালোঁহি। বহু দূৰৰপৰা বিশ্বাস কৰিব পৰা নাছিলোঁ যে ঘাটত ইমান সংখ্যক নৰ-নাৰীৰ সমাগম হ'ব পাৰে। পাৰ পোৱা মাত্ৰে অতি সমাৰোহেৰে সমাগত ৰাইজে আগবঢ়াই বাহৰলৈ লৈ গ'ল। প্ৰায় তিনি হাজাৰমান মানুহৰ এখন সভাত সকলোৰে তেনে উৎসাহ আৰু ঐকান্তিকতা দেখা গ'ল। পিছদিনা সেই ঠাইৰ ১০।১১ মাইল মান দক্ষিণে গোৱালপাৰা মহকুমালৈ যাব লাগিব। হাতী, নাও আদি বাহন বন্দৱস্ত কৰা সত্বেও ফুকন ডাঙৰীয়াৰ ইচ্ছামতে খোজকাঢ়ি যোৱাৰ ঠিক হ'ল আৰু সেইমতে ধাননি পথাৰৰ মাজে মাজে আঘোণমহীয়া ভাটিবেলীয়া দীঘল দীঘল ছাঁ পেলাই খোজকাঢ়ি অৱশেষত সন্ধ্যা লগাৰ পিছত আহি তিনি হাজাৰমান মানুহৰ মাজ পালোহি। ইয়াৰপৰা পশ্চিমে দৰংগিৰি বুলি এখন ঠাইলৈ যোৱা হ'ল আৰু তাত এখন বিৰাট সভাত ফুকন ডাঙৰীয়াই গাৰো আৰু ৰাভাসকলক অসহযোগ নীতি আৰু গান্ধীজীৰ কথা ক'লে। ইয়াৰ পিছত নৰেশ্বৰ মাহৰ শেষত বকো পালোঁহি। অসহযোগ আন্দোলনৰ শেষ বক্তৃতা ফুকন ডাঙৰীয়াই বকোতেই দিয়ে।

বকোত তুদিন সভা বহে। সেই ঠাইলৈ মানুহ ২০।২৫ মাইল দূৰৈৰপৰা আহিছিল আৰু কেৱল মেল কৰিবৰ অভিপ্ৰায়ৰেই ৩।৪ দিনৰ কাৰণে খোৰাকী লৈ আহি বকো নৈৰ পাৰত ৰন্ধা-বঢ়া কৰি খাই-বই আছিলহি। কিছুমানে সভাৰ প্ৰকাণ্ড ৰভাৰ তলত ৰাতি শুইছিল। প্ৰথম দিনা ফুকন ডাঙৰীয়াই অসযোগ নীতি ভালকৈ বুজাই দিলে। মুখীয়ালসকলে শুনি তেওঁলোকে কেনেকৈ কাম কৰিব লাগিব, সেই সম্বন্ধে তুই-এটা প্ৰশ্ন সুধিছিল। ফুকনেও তাৰ উত্তৰ দিছিল—কেনেকৈ চৰকাৰী কৰ্ম্মচাৰীসকলে পদ ইস্তফা দিব লাগিব কেনেকৈ বিদেশী সুতা আৰু কাপোৰ বৰ্জ্জন কৰিব লাগিব, কেনেকৈ নিজৰ ভিতৰত পঞ্চায়ত পাতি নিজৰ মেল নিজে মাৰি আদালত ত্যাগ কৰিব লাগিব, আৰু

বিশেষকৈ কেনেকৈ কানি, ভাঙ, মদ ইত্যাদি ৰাগীয়াল বস্তু বৰ্জ্জন কৰিব লাগিব। এইবোৰ কথা বুজাই দিয়াৰ পিছত ৰাইজৰ মাজৰপৰা ৩।৪ জন মানুহে থিয় দি আমাক জনালে যে, তেওঁলোকে সকলো কথা শুনিলে আৰু বুজিলে; এতিয়া তেওঁলোকে মিলি 'ৰাইজ-মেল' পাতি ৰাইজৰ শেষ মীমাংসা জনাব। পিছদিনা সেই ৫।৬ হাজাৰ মানুহৰ আকৌ সভা বহিল। সেই তিনিজন মুখীয়াল লোকেই আমাক জনালে যে ৰাইজ একমত হৈছে আৰু পাৰ্য্যমানে ফুকনৰ.আজ্ঞা পালন কৰিব। ফুকন ডাঙৰীয়াই ৰাইজৰ শলাগ লৈ লগতে পূৰ্ব্বে উল্লেখ কৰা সজ্ঘবদ্ধ আইন অমান্য আন্দোলন কি বুজাবলৈ ধৰিলে। উদাহৰণ দি বুজাই দিলে যে কোনো বেয়া আইন অমান্য কৰাৰ হেতুকে যদি কোনো এদল অসহযোগীয়ে বাধ্য সত্বেও পুলিচ থানা বা খাজনা-গাৰদলৈ যাব খোজে, তেন্তে পুলিচৰ বা খাজনা-গাৰদৰ চিপাহীৰ গুলীত প্ৰাণ ত্যাগ কৰিব লাগিব। কিন্তু খাজনা-গাৰদ বা পুলিচ-থানালৈ যোৱা লক্ষ্যৰ-পৰা ভ্ৰষ্ট হ'ব নোৱাৰিব আৰু তেনেকৈ আহত বা মৃত্যু হোৱা সত্বেও কাৰো প্ৰতি হিংসা ভাৱো পোষণ কৰিব নোৱাৰিব। তেখেতে ক'লে যে, যদি ৰাইজ তেনে সাহিয়াল আৰু অহিংস হ'ব পাৰে, তেনেহ'লে মহাত্মাজীয়ে আইন অমান্য আন্দোলন চলাব দিব।

বকোত সভা শেষ কৰি ছয়গাঁৱলৈ ১২ মাইল খোজকাঢ়ি আহিলোঁ। ফুকন ডাঙৰীয়াৰ ক্লান্তিৰ চিন দেখা নাপালো। তেখেতে গুৱাহাটীলৈ আহিবলৈ ওলাল—মটৰ-বাছ এখনত কিছুদুৰ গৈয়েই বাছ বেয়া হোৱা দেখি ফুকনে গৰুগাড়ী এখন বন্দবস্ত কৰি গাড়ীত উঠিল। আমি বাছতে শুই থাকিলোঁ। আধা টোপনিত আধা সঁহাৰিত যি সপোন দেখিলোঁ, সি যে ইমান সোন-কালে ফলিব মই ভবা নাছিলোঁ। দেখিলো ফুকন ডাঙৰীয়া প্ৰভৃতি আমাক সকলোকে পুলিচে গ্ৰেপ্তাৰ কৰিছে। ভাগ্যক্ৰমে বাছ ভাল হোৱাত ফুকন ডাঙৰীয়াক বাছেৰে আহি বাটত লগ পালোঁ। তেখেতো বাছতে উঠিল। সপোনৰ কথা ক'লোঁ। তেখেতে স্বাভাৱিক হাঁহিৰে উত্তৰ দিলে, "সেই-টোতো দেখোঁতেই নিশ্চিত; কিন্তু কেতিয়া?" উভয়ে বুজিলোঁ, ঠিকতো যে সেই সময় অতি ওচৰ চাপিছেহি।

ফুকন ডাঙৰীয়াৰ বকোৰ বক্তৃতা নিশ্চয় ছিলং পাহাৰ পাইছিলগৈ। কাৰ অনুগ্ৰহত এনে বিকৃত আকাৰ ধৰিলে ক'ব নোৱাৰো। যীশুখৃষ্টৰ ক্ৰুছৰ প্ৰেমক ডকাইত দলৰ উত্তেজনা বুলি ধৰা হ'ল—আদৰ্শ ত্যাগক বৰ্ব্বৰতাৰ

মুখ্য পিন্ধোৱা হ'ল। ছুই ডিচেম্বৰত 'ক্রিমিনেল ল-এমেণ্ডমেণ্ট এক্ট' সেই সময়ৰ গৱৰ্ণৰ বাহাছুৰ ছাৰ উইলিয়াম মৰিছে জাৰি কৰিলে; লগে লগে স্বেচ্ছাসেৱকৰ দল বে-আইনী বুলি ঘোষণা কৰা হ'ল। এই আইন জাৰি হোৱাৰ পুৰ্ব্বে আমাৰ মন্ত্রীসকল আৰু দেশীয় একজিকিউটিভ কাউন্সিলৰ-সকলৰ মতামত লোৱা হৈছিল বুলি ধৰিব পাৰি; কিন্তু তেখেতসকলেই বা কি মত দিলে তাক চৰকাৰী কাকতৰ মাজতহে পোৱা যাব। কিন্তু আইন জাৰি কৰাৰ কাৰণৰ ভিতৰত লেখা হ'ল যে কংগ্রেছ সংগঠনৰ নিহিত উদ্দেশ্য ট্রেজাৰি লুট কৰা আৰু শান্তিপ্রিয় লোকৰ ওপৰত জোৰ-জুলুম কৰা। ছয় ডিচেম্বৰত ফুকন ডাঙৰীয়া, বৰদলৈ ডাঙৰীয়া, শ্রীযুত বিষ্ণুৰাম মেধি, ৰোহিনী-কুমাৰ চৌধুৰী, মৌঃ মহম্মদ তৈয়বুল্লা, মৌঃ মহিবুদ্দিন প্রভৃতি ৬।৭ জন লোকক গ্রেপ্তাৰ কৰি কংগ্রেছ অফিচৰপৰা গুৱাহাটী জেললৈ নি আটক কৰা হয়।

দেশত এটা অদম্য তোলপাৰৰ সৃষ্টি হ'ল। গোটেইখন দেশ প্রবল ধুমুহাত উত্তাৱল সাগৰৰ দৰে হৈ পৰিল। হিন্দু-মুছলমান নির্ব্বিশেষে গাঁৱৰ মানুহবিলাকেও জেললৈ যাবলৈ আন্দোলন আৰম্ভ কৰিলে। গাঁৱে গাঁৱে শ-শ মানুহে স্বেচ্ছাসেৱক হৈ কংগ্রেছী বোলাই স্বইচ্ছাত নিজ বুদ্ধিমতে কাম কৰিবলৈ ধৰিলে আৰু সভা-সমিতিত উপস্থিত থকা পুলিচক ধৰি নিবলৈ আহ্বান কৰিবলৈ ধৰিলে। লগে লগে কংগ্রেছৰ নিয়মানুবৰ্ত্তিতাও কিছু পৰিমাণে শিথিল হৈ পৰিল; কোনো কোনো ঠাইত গাঁৱলীয়া কংগ্রেছ কমিটিবিলাকে হাট-বজাৰ বন্ধ কৰি দিবলৈ ধৰিলে। কাৰণ, তাত বিদেশী বস্ত্র সূতা, চিগাৰেট ইত্যাদি বিক্রী হয়। দুৰণিৰ পশ্চিম চমৰীয়া মৌজাৰ দৰে ঠাইত আনকি বিল ডাক দি ত'ৰ ধন ৰাইজৰ কামত খৰচ কৰা হৈছিল। কংগ্রেছ নীতিত বিশ্বাস নকৰা লোকসকলক গাঁৱত 'আলগ' বা এঘৰীয়া কৰা নীতিৰ দ্বাৰাই কঠোৰভাৱে শাসিত কৰা হৈছিল। গাঁৱত অসহযোগৰ মাত্রা ইমান বাঢ়িছিল যে মফছলত ফুৰা উচ্চ কৰ্ম্মচাৰীসকলে, বিশেষকৈ চাহাবসকলে লগত কণী-কুকুৰা আনকি খৰিৰ বোজা পৰ্য্যন্ত লৈ যাব লগাত পৰিছিল। (এই বস্তুবিলাক ইতিপুৰ্ব্বে মৌজাদাৰসকলৰপৰা যথেষ্টমতে পাইছিল।) স্পষ্ট প্রমাণ হ'ল যে দমন-নীতিৰ দ্বাৰা দেশত শান্তি অনা দূৰত থাকক, দেশত আন্দোলন শতগুণে বাঢ়ি গ'ল। কোনো কোনো ঠাইত প্রকৃততে বৃটিছ শাসন কিছুদিনৰ নিমিত্তে অচল হোৱা বুলি

ক'লেও অত্যুক্তি কৰা নহয়। লগে লগে ইয়াকো স্বীকাৰ কৰিবই লাগিব যে উপৰোক্ত কিছুমান কামৰ দ্বাৰাই হিংসামূলক কাৰ্য্যও প্ৰকাশিত হ'বলৈ ধৰিলে আৰু কংগ্ৰেছৰ কেন্দ্ৰীয় শাসন আৰু পৰিদৰ্শনৰ কাৰণে লোকৰ সংখ্যা কমি যোৱাত এনে অৱস্থা সম্ভৱপৰ হৈছিল। ফুকন, বৰদলৈ ডাঙৰীয়া আদি নেতাসকল বাহিৰত থকাত কোনোপ্ৰকাৰ জোৰ-জুলুমৰ ভাৱ কোনো ঠাইতেই প্ৰকাশ পোৱা নাছিল। এই হিংসামূলক ভাৱ ১৯২২ চনৰ জানুৱাৰী মাহৰপৰাহে প্ৰথম দেখা যায় আৰু ইয়াৰ একমাত্ৰ কাৰণ বৃটিছৰ দমননীতি।

ফুকন আৰু বৰদলৈ প্ৰভৃতি নেতাসকলক জেললৈ নিয়াৰ ১৬।১৭ দিনৰ পিছতে আহমেদাবাদ কংগ্ৰেছৰ বৈঠক হয়। এই লেখকক নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মেম্বৰ স্বৰূপে তালৈ পঠিওৱা হয়; মহাত্মাজীক আমাৰ দেশৰ কথা জনোৱাত তেখেতে উপদেশ দিয়ে যে, ফুকন ডাঙৰীয়াক যি বক্তৃতা দিয়াৰ কাৰণে ১০৮ ধাৰাত অভিযুক্ত কৰিছে, সেই বক্তৃতা লেখি লৈ সকলোৱে ৰাজহুৱা সভাত বক্তৃতা দিয়ক। মহাত্মাই সকলোকে শান্তিপূৰ্ণভাৱে দমন-নীতি সহ্য কৰিবলৈ আৰু সকলোকে জেললৈ যাবলৈ হাঁহিমুখে সাজু হবলৈ কয়। কংগ্ৰেছ মহাসভা মণ্ডপত দেখিলোঁ, যুদ্ধত মৃত লোকৰ তালিকা ৰখাৰ দৰে এখন ডাঙৰ তালিকা ৰখা হৈছে। তাৰ সৰ্ব্বপ্ৰথম নামবিলাক অসমৰ নেতৃবৃন্দৰ - ফুকন, বৰদলৈ প্ৰভৃতি নেতাসকলৰ নাম জলজল-পটপটকৈ জ্বলি আছে। ভাৰত মহাসভাত অসমীয়াৰ তেনে সন্মানৰ স্থান বোধকৰো এয়ে প্ৰথম।

গুৱাহাটী জেলৰ ভিতৰত ফুকন আৰু আন আন নেতাসকলৰ বিচাৰ একে দিনতে হয়। ফুকন ডাঙৰীয়া ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১০৮ ধাৰামতে বিদ্ৰোহী বক্তৃতাৰ দ্বাৰা অশান্তি সৃষ্টি কৰাৰ বাবে অভিযুক্ত হয়। সত্যাগ্ৰহীৰ দৰে কোনেও জবাব নিদিলে। ফুকন ডাঙৰীয়াই বোধকৰো নিৰ্দ্দোষী বুলিও নকলে। হুকুম হ'ল, তেখেতে এবছৰ কাল তেনেভাৱে প্ৰচাৰ কাৰ্য্য নকৰো বুলি জামিন দিয়ক; জামিন নিদিলে এবছৰৰ কাৰণে বিনা পৰিশ্ৰমে কাৰাবাস খাটিব লাগিব। জামিন নিদি এবছৰৰ কাৰাদণ্ড ফুকন ডাঙৰীয়াই হাঁহিমুখে গ্ৰহণ কৰিলে। শুনিলো, বিচাৰৰ নমুনাৰ কথা কৈ তেখেতসকলৰ ভিতৰত হাঁহিৰ ৰোল উঠিল। বৰদলৈ ডাঙৰীয়াক বে-আইনী দলৰ নেতা বুলি আৰু ছয়মাহ দণ্ড অধিককৈ দিলে।

ফুকনৰ লগত জেল জীৱন ভোগ কৰা মোৰ ভাগ্যত নঘটিল। কাৰণ, মোৰ ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহতহে জেল হয়– প্ৰথমবাৰ জানুৱাৰী মাহত তিনিদিন ৰাখি এবাৰ এৰি দিছিল। কিন্তু তেখেতৰ লগত থকা আন বন্ধুসকলৰপৰা যি জানিব পাৰিছিলোঁ তাৰ দ্বাৰাই ফুকন ডাঙৰীয়া কিমান সংযমী পুৰুষ আছিল, তাৰ প্ৰমাণ পোৱা গ'ল। তেখেতৰ জেলৰ জীৱন প্ৰকৃত যোগী পুৰুষৰ জীৱন। কংগ্ৰেছকৰ্ম্মী আৰু স্বেচ্ছাসেৱকসকল জেলত পৰাৰ লগে লগে মহাত্মাজীয়ে আমাৰ জেলৰ অৱস্থা ভালকৈ উপলব্ধি কৰি, তাত থকা কংগ্ৰেছীসকলৰ নিয়মানুৱৰ্ত্তিতা সম্বন্ধে কেবাটিও প্ৰবন্ধ 'ইয়ং ইণ্ডিয়া'ত লেখি অনেক উপদেশ দিয়ে। এই সম্বন্ধে নিজৰ অভিজ্ঞতাৰপৰা যি বুজিছিলোঁ গান্ধীজীৰ বাণী আৰু উপদেশ প্ৰত্যেক আখৰে আখৰে সত্য। বাহ্যিক জগৎখন চেপা খাই গৈ জেলৰ দেৱালত সীমাকৃত হোৱাৰ লগে লগে কয়েদীবিলাকৰ মনোৰাজ্যয়ো সেইদৰে ক্ষুদ্ৰাকৃতি গ্ৰহণ কৰে। অতি ক্ষুদ্ৰ কথাত মনত বিকাৰ আহে, অতি ক্ষুদ্ৰ বস্তুত লোভ জন্মে। এজেৰা লোণৰ কাৰণে, এটুকুৰা চাধাপাতৰ কাৰণে আমাৰ ভিতৰৰ ভাল দুইজনৰ চিত্তত অস্থিৰতা উপস্থিত হোৱাৰ প্ৰমাণ মই নিজে দিব পাৰোঁ। অতি সাধাৰণ কথাতে উত্তেজিত হৈ নিজৰ ভিতৰত বিষম কাজিয়া সৃষ্টি কৰা প্ৰায় দৈনিক ঘটনাৰ দৰে আছিল। আমি কয়েদীসকলে যেতিয়া ১৯২২ চনৰ জেলৰ কথা মনলৈ আনো, তেতিয়া জেল-কৰ্তৃপক্ষৰ প্ৰতি ক্ষোভ হোৱাৰ লগে লগে নিজৰ ক্ষুদ্ৰত ভাবিও লাজ নোপোৱাকৈ নাথাকো। কিন্তু ফুকন ডাঙৰীয়াৰ ত্যাগ ইমান নিভাজ আৰু সংযম-শক্তি ইমান প্ৰবল আছিল যে জেলৰ এই কঠোৰ জীৱনেও তেখেতৰ মনত কোনো প্ৰকাৰ বিকাৰ আনিব পৰা নাছিল। জেলত থকা এবছৰ কাল তেখেতে ইমান পৱিত্ৰভাৱে কটালে যে, তেখেত নিজেই অতি আনন্দত দিন কটাইছিল, এনে নহয়, লগত থকা সকলো কৰ্ম্মীকে আনন্দত ৰাখিবলৈ চেষ্টা কৰিছিল। তেখেতে এই সময়ৰ জীৱন সম্বন্ধে ধেমালিৰ চলেৰে মোক কৈছিল, "শিলচৰ জেলত মই অতি সন্তোষেৰে দিন কটালোঁ, কেৱল তুমি আৰু ৰোহিনী চৌধুৰী লগত নথকাৰ বাবে মাজে মাজে দুই 'হামবাগ'ৰ অভাৱ অনুভৱ কৰাৰ দৰে লাগিছিল।" সেই সময়ত শ্ৰীযুত ৰোহিনী চৌধুৰী তেজপুৰ আৰু মই গুৱাহাটী জেলত আছিলোঁ।

প্ৰকৃততে ফুকন ডাঙৰীয়াই মহাত্মাজীৰ কথামতে জেলৰ কঠোৰ নিয়ম

সহজে মানি চলিব পাৰিলে। অকল সেয়ে নহয়, এই জেল খটা সময়ছোৱা তেখেতে বিশেষভাৱে সদ্ব্যৱহাৰ কৰিলে। এই আন্দোলনত ছিলেটৰ ডাঙৰ ডাঙৰ মৌলৱী আৰু মৌলানাসকলৰো জেল হোৱাত ফুকন ডাঙৰীয়াই তেওঁলোকৰ লগত কোৰাণ, হদিছ-ই-আদিৰ ব্যাখ্যা আৰু আলোচনা কৰিবলৈ সুবিধা পায়। স্বাভাবিক উদাৰতাৰ গুণত ইতিপূৰ্ব্বেও অনেক মুছলমানৰ লগত মিলি-জুলি থাকি তেখেতে কোৰাণৰ কিছুমান 'ছুৰা', বিশেষকৈ 'আল-হামদুল্লিল্লা'ৰ মূল .আৰু তাৰ অৰ্থ ভালকৈ বুজিছিল। এই মৌলানা-মৌলৱী-সকলক লগ পাই কোৰাণ আৰু হদিছৰ অনেক কথা বুজি লবলৈ তেখেতৰ সুবিধা হ'ল। মুছলিম ধৰ্ম্মৰ দ্বাৰা অসহযোগ আন্দোলন কেনেকৈ সমৰ্থন কৰিব পাৰি, অহিংস নীতি ইছলামেও কোন কোন ঠাইত বা বিষয়ত সমৰ্থন কৰে ইত্যাদি বিষয়ে প্ৰায়েই তেখেতে তেওঁলোকৰ লগত আলোচনা কৰিছিল। তেখেতে 'স্তুতিমালা' এই সময়তে লিখে। সাহিত্য হিচাপে সমালোচনা নকৰিও এই পুস্তিকা কি প্ৰেৰণাত লেখা হৈছিল তাক সকলোৱে বুজিছে। জেলত থকা কৰ্ম্মীসকলৰ ভিতৰত কাজিয়া-খৰিয়াল ভঙাৰ বাবো ফুকন ডাঙৰীয়াৰ ওপৰতে পৰিছিল। এইদৰে নিজে 'আনন্দ' উপভোগ কৰি আনকো সেই আনন্দ বিলাই ফুকনে জেল-জীৱন কটালে। এই সময়ত তেখেতে মহাত্মাজীলৈ দুখনো চিঠি লিখে। তাত তেখেতৰ অহিংসাবাদত বিশ্বাস আৰু কয়েদী-জীৱনে কেনেকৈ সেই বিশ্বাস দৃঢ়তৰ কৰি আনিছে তাৰ পৰিচয় দিছে। সেই চিঠিৰ অনুবাদ 'তৰুণ অসম'ৰ ১৮৬১ শকৰ ২৪ আঘোনৰ সংখ্যাত ওলোৱাৰ কাৰণে পুনৰুক্তি কৰিব নোখোজো।

জেলত তেখেতৰ আহাৰ ইমান কমি গৈছিল যে তেখেতৰ লগৰ বন্ধু-সকলে তেখেতৰ আহাৰৰ মাত্ৰা দেখি উৎকণ্ঠিত হৈছিল। সেইকাৰণেই কিজানি তেখেতৰ দাঁতৰ বৰকৈ অসুখ হয়। জেলৰ অধ্যক্ষ লক্ষ্মীপ্ৰসাদ চলিহাই তেখেতক দাঁতবোৰ তুলি পেলাবলৈ উপদেশ দিয়ে। স্বাভাৱিক দাঁত উঘালি নতুন দাঁত কলিকতাত লগাই অনাৰ কাৰণে তেখেতক জেলৰপৰা এমাহমান চিকিৎসাৰ কাৰণে এৰি দিয়া হয়। এমাহৰ পিছত উভতি গৈ আকৌ ডেৰমাহমান জেলত থাকি তেখেতে ১৯২২ চনৰ নৱেম্বৰ মাহত জেলৰপৰা বাহিৰ ওলাই আহে। ডিচেম্বৰ মাহত এদিন শুনিলো, তেখেতে মোক জেলত দেখা কৰিবলৈ আহিছে। দেখা কৰাৰ কাৰণ হ'ল যে মই জেলৰ অধ্যক্ষ মেজৰ (এৰ্ডিয়া কৰ্ণেল) বাত্ৰাৰ অনুৰোধ সত্বেও ৰাতিপুৱা

একো আহাৰ কৰিবলৈ ৰাজী হোৱা নাছিলোঁ। মোৰ শলাৰ খিৰিকীৰ মাজেদি দেখিলোঁ এজন ঋষিতুল্য লোক -দীঘল চুলি, ডাঢ়ি আৰু গোঁফৰে পৰিপূৰ্ণ আৰু গেৰুৱা খদ্দৰেৰে সুসজ্জিত। প্ৰথমে চিনিব নোৱাৰিলোঁ; কিন্তু কথা কওঁ-নৌকওঁতেই তৎক্ষণাৎ চিনিলো। নমস্কাৰ কৰিলোঁ নে নাই ক'ব নোৱাৰো; কিন্তু শ্ৰদ্ধা আৰু ভক্তিত মূৰ হালি আহিল। বাহিৰৰ কথা সোধাত কোনো উত্তৰ নিদিলে, কেৱল মোক জেলৰপৰা দিয়া গাখীৰ আৰু ৰুটী খাবলৈ কৈ লাহে লাহে উভতি গ'ল। তেখেতৰ কয়েদী জীৱনৰ বোধকৰো এয়ে শেষ ভূষণ আছিল।

ফুকন ডাঙৰীয়াৰ জীৱন অসহযোগ আন্দোলনৰ সম্পৰ্কত আলোচনা কৰি চালে দেখা যায় যে তেখেতৰ নেতৃত্বৰ পূৰ্ণতা এই আন্দোলনৰ মাজেদিয়ে হ'ল। বহু সময়ত আমাৰ মনত এনে ভাৱো উদয় হয় যে, ফুকনৰ জীৱনো এই অসহযোগ আন্দোলন পৰিচালনাৰ কাৰণেই সৃষ্টি হৈছিল। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই ফুকন ডাঙৰীয়াক এই সম্বন্ধে সোধাত তেখেতে কৈছিল যে কাৰ্য্য অনুসাৰেহে তেখেতৰ শক্তিৰো উৎকৰ্ষ বাঢ়িছিল। অসহযোগ আন্দোলনৰ তুলনাত তেখেতে কোনো ৰাজনৈতিক কাৰ্য্যক বিশেষভাৱে মন দিবলগীয়া কাৰ্য্য বুলি নাভাবিছিল। এই দায়িত্বপূৰ্ণ নেতৃত্বৰ কৃতিত্ব সম্বন্ধে আলোচনা কৰিলে প্ৰথমতে দেখা যায় যে ত্যাগেই তেখেতৰ ঘাই শক্তি হৈছিল, ইতিপূৰ্ব্বে ফুকন ডাঙৰীয়া লাটচাহাবৰপৰা আৰম্ভ কৰি সকলো ডাঙৰ চাহাব-বিষয়াসকলৰ প্ৰিয়পাত্ৰ বুলি জনাজাত আছিল আৰু সেইবাবে বৃটিছ চৰকাৰৰ ওচৰত তেখেতৰ কিমান সন্মান আছিল, সকলোৱে বুজিছিল। এই সকলো সন্মান আৰু পদমৰ্য্যাদা ত্যাগ কৰি সাধাৰণ ৰাইজৰ উপকাৰ পৰিকল্পে যেতিয়া তেখেতে গাঁৱে গাঁৱে ফুৰিবলৈ ধৰিলে, ৰাইজো তেখেতৰ উপদেশত আৰু তেখেতে নিৰ্দ্ধাৰিত কৰা কাৰ্য্য তালিকাৰ সফলতাৰ কাৰণে সম্পূৰ্ণৰূপে মনোযোগী নহৈ নোৱাৰিলে। ফুকন ডাঙৰীয়াৰ দ্বিতীয় মোহিনী শক্তি আছিল তেখেতৰ ভাষা আৰু মানুহৰ লগত মিলিব পৰা গুণ। এই সুদীৰ্ঘ ভ্ৰমণত তেখেত যি ঠাইলৈকে গৈছিল, তাতেই ডেকা-বুঢ়া সকলো মানুহৰ লগতে এনেভাৱে মিলিব পাৰিছিল যে সকলো তেখেতৰ আচৰণত মুগ্ধ হৈছিল। মানৱ-চৰিত্ৰ বুজাৰ বিশেষ শক্তি থকাৰ কাৰণে কোন মানুহৰ লগত কি কথা-প্ৰসঙ্গ ৰুচিজনক তেখেতে তৎক্ষণাৎ বুজিছিল আৰু সেইমতে কথা-বাৰ্ত্তা পাতিছিল। তেখেতে অতি উজুভাৱে সংস্কৃত পণ্ডিতৰ লগত শ্লোক আদি

সাধু বচনেৰে, দাৰ্শনিকৰ লগত দৰ্শনৰ তৰ্কেৰে, সাহিত্যিকৰ লগত সাহিত্য চৰ্চা কৰি সময় কটাব পাৰিছিল, আৰু ঠিক সেইদৰেই চিকাৰীৰ লগত চিকাৰৰ কথা, হাতী-ফান্দীৰ লগত হাতী ধৰা কথা, মাছ মৰীয়াৰ লগত মাছ মৰা কথা সমানে পাতিব পাৰিছিল। এই কাৰণেই সাধাৰণ কামৰূপীয়া মানুহে ফুকনে বক্তৃতা দিয়া সভা ভগাৰ পিছত সদায় নিজৰ ভিতৰত কোৱা-মেলা কৰিছিল- "ফুকনেহে নাজনা কিবা কথা আছেনা।"

এই প্ৰসঙ্গতে উল্লেখ কৰা উচিত যে ফুকন ডাঙৰীয়াৰ দৰে কথোপকথনৰ শক্তি থকা মই দ্বিতীয় লোক এজন পোৱা নাই। কোনো প্ৰশ্নৰ প্ৰত্যুৎপন্ন উত্তৰ দিয়া, কোনো জটিল কথা সৰল ভাষাত বুজোৱা, কোনো কাহিনীৰ হাস্যোদ্দীপক কথাখিনি ফুটাই তোলা শক্তি তেখেতৰ অতি সুনিপুণ আৰু আশ্চৰ্য্য আছিল। ইংৰাজী শব্দ wit আৰু humour বুলিলে যি বুজায়, সেইখিনি ফুকনৰ কথোপকথনৰ ভিতৰত এনে পৰিমাণে নিহিত আছিল যে ফুকন ডাঙৰীয়াৰ লগত কথা কোৱা মাত্ৰে যেই সেই তীক্ষ্ণ বুদ্ধিৰ লোকেই অসাধাৰণ প্ৰতিভাৰ লোকৰ লগত কথা পতা বুলি বুজিবলৈ বাধ্য হৈছিল। এই গুণটিৰ কাৰণেই তেখেতে ভাল জজবিলাকৰ ওচৰত বিশেষ খাতিৰ পাইছিল আৰু ৰসিক পণ্ডিত মতিলাল নেহৰুৰ দৰে লোকৰ প্ৰিয়পাত্ৰ হব পাৰিছিল। তৰ্ক কৰি ফুকনক হৰুৱাই অহা লোক সৰহ নাছিল। উপস্থিত-বুদ্ধি আৰু তৰ্কশক্তিৰ কাৰণে তেখেতে বহু সময়ত নজনা কথা বা বাতৰি বিপক্ষৰপৰা আদায় কৰি লৈ সেই পক্ষৰে সৰ্ব্বনাশ সাধিব পাৰিছিল। Sooratic method অৰ্থাৎ প্ৰশ্ন আৰু প্ৰশ্নোত্তৰৰ দ্বাৰা তেখেতে বহুতৰ তৰ্কৰ ভুল দেখুৱাই দিছিল। তেখেতৰ এজন বন্ধুৱে প্ৰায় তেখেতৰ লগত তৰ্ক কৰি পৰাস্ত হোৱা বোধ কৰি মোৰ আগত ভিতৰুৱাকৈ কয়, "ফুকনৰ জীৱন-টোৱেই তৰ্ক মাত্ৰ।"

গাঁৱলীয়া শ্ৰোতাবৃন্দক তেখেতে যি প্ৰকাৰে মুহিছিল, সেইটো পুনৰুক্তি হলেও শলাগিবলগীয়া। এই সম্বন্ধে তেখেতক যাদুকৰ বুলিলেও অত্যুক্তি কৰা নহয়। শ্ৰদ্ধেয় শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাই ১০ম বছৰৰ ৯ম সংখ্যা 'আৱাহন'ৰ প্ৰবন্ধত ফুকন ডাঙৰীয়াৰ এটা যোজনাৰ কথা উল্লেখ কৰিছে। ফুকনৰ বক্তৃতা শুনা লোকসকলে জানে যে, তেখেতৰ গাঁৱত দিয়া সকলো বক্তৃতাই তেনে যোজনাৰে পৰিপূৰ্ণ আছিল। ফুকন ডাঙৰীয়াৰ অসহযোগ বক্তৃতাৰ ভাৱাৰ্থ প্ৰায় একে হলেও, ঠাই আৰু শ্ৰোতাবৃন্দৰ পৰিবৰ্ত্তনৰ লগে লগে

তেখেতৰ ভাষা, ভাব আৰু যোজনাও পৰিৱৰ্ত্তিত হৈছিল। তেখেতে সাধাৰণ খেতিয়কক হাল-চহৰ যোজনাৰ দ্বাৰা, বা কো ইত্যাদি ঠাইত বনৰীয়া জন্তুৰ উদাহৰণৰ দ্বাৰা সকলো হিন্দুপ্ৰধান ঠাইতে ৰামায়ণ মহাভাৰতৰ কাহিনীৰ দ্বাৰা আৰু মুছলমান-প্ৰধান সভাত হজৰত মহম্মদ, ৰছুলৰ জীৱনৰ ঘটনাৰ দ্বাৰা শ্ৰোতাসকলৰ মনত অসহযোগী ভাৱ পূৰ্ণমাত্ৰাই প্ৰৱৰ্ত্তন কৰাইছিল। স্বৰ্গী হোৱা আৰু জীৱিত বহু অসমীয়া বক্তাৰ বক্তৃতা শুনা মোৰ ভাগ্যত ঘটিছে। সেইবিলাকৰ লগত ফুকন ডাঙৰীয়াৰ বাগ্মিতাৰ শক্তি তুলনা কৰা মোৰ উদ্দেশ্য নহয়। তথাপি গাঁৱলীয়া শ্ৰোতাৰ ওপৰত ফুকন ডাঙৰীয়াৰ প্ৰভাৱ অদ্বিতীয় আছিল বুলি ক'লে মোক কোনেও অতিৰঞ্জন দোষত দোষী নকৰিব বুলি মই ভাবোঁ। দুখৰ বিষয় এই যে সেই বক্তৃতাৰ একেৰিও কতো পাবলৈ নাই। সাহিত্যিকসকলে লিখিত বা কথিত ৰাজনৈতিক বক্তৃতাকো নিশ্চয় সাহিত্যৰ এটা অঙ্গ বুলি ধৰে। অসমীয়া সাহিত্যৰ ভঁৰালত ভালকৈ অনুসন্ধান কৰিও দুই-এখন লিখিত অভিভাষণৰ বাহিৰে তেনেকুৱা সাহিত্যৰ পৃষ্ঠা এতিয়াও পাবলৈ নাই। ফুকন, বৰদলৈ প্ৰভৃতি পুৰুষসকলৰ কথিত বক্তৃতা সংৰক্ষণ কৰিব পাৰিলে অকল যে সাহিত্য-সম্পদ বাঢ়িলহেঁতেন এনে নহয়, ভবিষ্যতলৈ বুৰঞ্জীৰ পৃষ্ঠা এটিও তাৰ লগে লগে লিখিবৰ সুবিধা হ'লহেঁতেন। সাহিত্যিক বা ৰাজনৈতিক হিচাপে আমি সেইবিলাক সম্পদ হেৰুৱালোঁ!

# তৃতীয় অধ্যায়

## [ স্বৰাজ নীতি আৰু ফুকন ডাঙৰীয়া ]

আগতে উল্লেখ. কৰা হৈছে যে বৃটিছ চৰকাৰৰ দমন নীতিৰ কাৰণে আমাৰ ইয়াতো অশান্তি, অস্থিৰতা আৰু হিংসা ভাৱ ৰাইজৰ মাজত সোমালহি। আন প্ৰদেশতো আটাইবিলাক নেতৃস্থানীয় লোকক গ্ৰেপ্তাৰ কৰাত একে অৱস্থা হৈ পৰিল। নানা উপদ্ৰৱৰ চিন দেখা গ'ল। সকলোকে চেৰ পেলোৱা কাহিনী ওলাল চৌৰিচৌৰাবপৰা। পুলিচ থানাৰ ভিতৰত পুলিচ ইন্সপেক্টৰক কনিষ্টবল ২।৩ জনেৰে সৈতে দুৱাৰ-ঘৰ বান্ধি জীয়াই জীয়াই পুৰি পেলোৱা হ'ল। চৌৰিচৌৰাৰ নৃশংস কাহিনী শুনা মাত্ৰে মহাত্মাজীয়ে অসহযোগ আন্দোলন বন্ধ কৰাৰ আদেশ দিলে। মহাত্মাই নিজেই এই আন্দোলনৰ মালিকস্বৰূপে বোম্বাইৰ চিৰস্মৰণীয় বিচাৰত ছ-বছৰ দণ্ড গ্ৰহণ কৰিলে।

মহাত্মাজীয়ে অসহযোগ আন্দোলন স্থগিত কৰাৰ ৩।৪ মাহৰ ভিতৰতে পণ্ডিত মতিলাল নেহৰু, চিত্তৰঞ্জন দাস প্ৰভৃতি নেতাসকলে জেলৰপৰা ওলাই আহে। ইয়াৰ ভিতৰত পণ্ডিত মদনমোহন মালব্যজী ( অসহযোগ আন্দোলনত যোগ নিদিয়া সত্বেও ), বৰ্ত্তমান ৰাষ্ট্ৰপতি বাবু ৰাজেন্দ্ৰ প্ৰসাদ প্ৰভৃতি সকলোৱে মিলি বৃটিছ চৰকাৰৰ দমন নীতিৰ নিষ্ঠুৰতাৰ বিষয়ে তদন্ত কৰাৰ আৱশ্যকতা সম্বন্ধে আলোচনা কৰি, অৱশেষত Civil Disobedience Enquiry Committee, অৰ্থাৎ আইন অমান্য তদন্ত কমিটি নামক এটা কমিটি গঠন কৰে। এই কমিটিয়ে ভাৰতৰ নানা ঠাইত ভ্ৰমণ কৰে। সেই কমিটি অসমলৈকো আহে। পণ্ডিত মতিলাল নেহৰু, পণ্ডিত মালব্যজী, শ্ৰীযুত ৰাজেন্দ্ৰপ্ৰসাদ প্ৰভৃতি নেতাসকল গুৱাহাটীলৈ আহে আৰু ফুকন ডাঙৰীয়াৰ ঘৰতেই থাকে। বাবু ৰাজেন্দ্ৰপ্ৰসাদে গৰুৰ গাড়ীৰে গৈ বকোৰ অৱস্থা তদন্ত কৰে। এই কমিটি এনে সিদ্ধান্তত উপস্থিত হয় যে জন-আইন অমান্য আন্দোলন কৰিবৰ কাৰণে ভাৰতবাসীৰ যিমানখিনি মানসিক আৰু আধ্যাত্মিক শক্তিৰ প্ৰয়োজন, তাৰ বাবে ভাৰতবাসী তেতিয়াও প্ৰস্তুত হোৱা নাছিল।

ইয়াৰ বাহিৰেও এই কমিটিয়ে বৃটিছ দমন-নীতিৰ ওপৰত তীব্ৰ মত প্ৰকাশ কৰে।

এই কমিটিৰ সিদ্ধান্তকে সত্য বুলি গ্ৰহণ কৰি ফুকন ডাঙৰীয়া জেলৰপৰা ওলাই অহাৰ আগৰেপৰা চিত্তৰঞ্জন দাস, মতিলাল নেহৰু প্ৰভৃতি দেশৰ আগশাৰীৰ নেতাসকলে বৃটিছ চৰকাৰৰ বিপক্ষে দেশত যি বিৰোধ ভাৱ উপস্থিত হৈছিল, তাক সংৰক্ষণ কৰিবলৈ আৰু স্বৰাজৰ আকাংক্ষা মানুহৰ মনত জাগৰিত কৰি ৰাখিবলৈ উপায় চিন্তা কৰিবলৈ ধৰিলে। দেশবন্ধু দাস বৰ্জ্জন নীতিৰ বিশেষ পক্ষপাতী নাছিল, বিশেষকৈ ব্যৱস্থাপক সভাৰ জৰিয়তে যি জাতীয় যুদ্ধ সম্ভৱপৰ হয়, তাক পৰিত্যাগ কৰিবলৈ তেখেত কোনো দিনেই ৰাজী নাছিল। মণ্টেগু-চেমছ্ফৰ্ড শাসনতন্ত্ৰ যে ভাৰতবাসীক নালাগে, তাক ব্যৱস্থাপক সভাৰ জৰিয়তে প্ৰমাণ কৰিবলৈ যি যুদ্ধৰ দৰকাৰ, সেই যুদ্ধকো জাতীয় যুদ্ধৰ এটা অংশ বুলি প্ৰতিপন্ন কৰিবলৈ তেখেতে চেষ্টা কৰিবলৈ ধৰিলে। দেশবন্ধুৱে মহাত্মাজীৰ দুই-এটা কথা ভুল বুলি স্পষ্টভাৱে সমালোচনা কৰিবলৈ ধৰিলে। ১৯২১ চনৰ শেহছোৱাত ইংলণ্ডৰ যুৱৰাজ ভাৰতলৈ আহোঁতে অসহযোগ আন্দোলন স্থগিত ৰখাৰ কথা লৈ মালব্য-জীৰ জৰিয়তে কংগ্ৰেছ আৰু সেই সময়ৰ বৰলাট লৰ্ড ৰিডিঙৰ লগত আপোছ হবৰ কথা হয়। আলি-ভ্ৰাতৃদ্বয়ৰ বাহিৰে বাকী আটাইবিলাক অসহযোগী বন্দীক জেলৰপৰা মুক্তি দিবৰ কথা হয় আৰু শাসনতন্ত্ৰ পৰিবৰ্ত্তন সম্বন্ধেও কথা-বাৰ্ত্তা হ'বলৈ বৰলাট ৰাজী হোৱা বুলি শুনা যায়। আলি-ভ্ৰাতৃদ্বয়ক মুক্তি দিবৰ ৰাজী নোহোৱাত মহাত্মাই এই প্ৰস্তাৱটোত ৰাজী নহয় আৰু অসহযোগ প্ৰত্যাখ্যান কৰা নহয়। দেশবন্ধু দাসে এইখিনি কথাকে লৈ গান্ধীজীয়ে মহাভুল কৰা বুলি প্ৰকাশ্যে ("bungled and mismanaged") অভিযোগ উপস্থিত কৰে। এনেদৰে কিছুমান অসহযোগৰ আসোঁৱাহ উপস্থিত কৰি, অসহযোগ নীতি সেই সময়ৰ কাৰণে অনুপযুক্ত বুলি কংগ্ৰেছৰ ভিতৰতে স্বৰাজ্য দল এটা গঠন কৰিবলৈ তেখেতে চেষ্টা কৰে। দাঁতৰ অসুখ লৈ জেলৰপৰা কলিকতালৈ যোৱাত এই সম্বন্ধে ফুকনৰ কোনো লোকৰ লগত কিবা কথা হৈছিল নে নাই নাজানো। কিন্তু এইটো আমি স্পষ্টকৈ জানো যে জেলৰপৰা ওলাই অহাৰ আগৰেপৰা তেখেতেও প্ৰায় দেশবন্ধুৰ দৰে একে প্ৰকাৰে চিন্তা কৰিবলৈ আৰম্ভ কৰে। জেলৰপৰা ওলাই আহি ফুকন ডাঙৰীয়াই দেশৰ অৱস্থা দেখি প্ৰথমে নিশ্চয় নিৰাশ হৈছিল। তেখেতে

দেখিলেহি যে অসহযোগী উকীলসকলে ওকালতি পৰিত্যাগ কৰাৰ পিছত, অসহযোগ নকৰা উকীলসকলৰ প্ৰস্তাৱ বিশেষকৈ বাঢ়ি গ'ল। স্কুল-কলেজ বৰ্জ্জন বিশেষভাৱে সফল হোৱা নাছিল। এতিয়া ছাত্ৰসমাজৰ পোছাক-পৰিচ্ছদত জাতীয়তাৰ চিন পৰ্য্যন্ত দূৰ হৈ গ'ল। পূৰ্ব্বৰ পঞ্চায়তবিলাক ভাগি গ'ল আৰু তাৰ ঠাইত চৰকাৰে পতা পঞ্চায়তবিলাকে ঠাই ললেহি; কানি, ভাং, মদ এৰা লোকসকলৰ ভিতৰতো বহুতে পূৰ্ব্বৰ অভ্যাসৰ আশ্ৰয় ললে। গতিকে তেখেতৰ মনতো মতিলালজী আৰু দেশবন্ধুৰ মনত খেলোৱা চিন্তাই ঠাই লোৱাটো স্বাভাৱিক হৈ পৰিল। জেলৰ-পৰা ওলাই আহিয়েই, আনকি তাৰ আগৰেপৰা, তেখেতে সহকৰ্ম্মীসকলক ওকালতি কৰিবলৈ স্পষ্টভাৱে উপদেশ দিলে।

১৯২১ চনৰ কংগ্ৰেছ গয়াত বহে। কংগ্ৰেছৰ ভিতৰত দুটা দল স্পষ্টভাৱে দেখা গ'ল। আমাৰ দেশতো কংগ্ৰেছৰ ভিতৰত দুটা মত ফটফটীয়াকৈ ওলাল। বৰদলৈ ডাঙৰীয়া তেতিয়াও জেলৰপৰা ওলাই অহা নাছিল। কুলধৰ চলিহা ডাঙৰীয়া আৰু তেখেতৰ লগৰ কিছুমান নেতাই অসহযোগ নীতি এৰিবলৈ টান পালে। ফুকন ডাঙৰীয়া অসমত এই বিদ্ৰোহৰ নেতা হৈ ওলাল আৰু দেখা গ'ল যে অসমত অধিকসংখ্যক লোকে তেখেতৰ মতকে গ্ৰহণ কৰিলে। কিন্তু মূল গয়া কংগ্ৰেছত স্বৰাজ্য দল হাৰিল। গান্ধীজীৰ নামৰ দোহাই দি সুচতুৰ ৰাজা গোপালাচাৰীদেৱে অসহযোগ নীতি কামত নহলেও, নামত ত্যাগ নকৰিলে।

স্বৰাজ দলবাদীসকল হাৰিলেও হতাশ নহ'ল। মতিলালজীয়ে উঠি ক'বলৈ ধৰিলে, "আমাৰ শক্তি আৰু সামৰ্থ্য আছে; তাৰ উপৰিও দেশৰ বৰ্ত্তমান অৱস্থাৰলৈ চাই আমাৰ নীতিকেই আমি একমাত্ৰ নীতি বুলি বিশ্বাস কৰোঁ। এনে অৱস্থাত কংগ্ৰেছে আমাৰ মত গ্ৰহণ কৰিবই লাগিব।" ভাৰত-বুৰঞ্জীৰ এই সন্ধিক্ষণত মতিলালজী, দেশবন্ধু এই মহাৰথী দুজনৰ লগত ফুকন ডাঙৰীয়ায়ো এটা গুৰুতৰ দায়িত্ব গাত ললে। স্বৰাজনীতি প্ৰচাৰ কৰাৰ ভাৰ তেখেতেও ললে। তেখেতে দেশবন্ধুৰ লগত সমস্ত মাদ্ৰাজ, আনকি লংকা পৰ্য্যন্ত পাইছিলগৈ। কেৱা ঠাইতো স্বৰাজ দল গঠন কৰি ব্যৱস্থাপক সভাবিলাক কংগ্ৰেছী লোকৰ দ্বাৰা দখল কৰাৰ আৱশ্যকতা সম্বন্ধে তেখেতে বক্তৃতা দি ফুৰে। মাদ্ৰাজৰ বাতৰি কাকতবিলাকত তেখেতক এজন বিশেষ বক্তা আৰু সুদূৰদৰ্শী নেতা বুলি উল্লেখ কৰা হয় আৰু সমস্ত ভাৰতবৰ্ষত

তেখেতৰ নাম বিয়পি পৰে। পণ্ডিত মতিলালজীয়েও আন আন প্ৰান্তত এইদৰে প্ৰচাৰকাৰ্য্য কৰি ফুৰাৰ ফলত, স্বৰাজ্য দলৰ নীতিকেই বহুতে গ্ৰহণ কৰে। বিশেষকৈ জেলৰপৰা মুক্তি পোৱাৰ পিছতে মহাত্মাজীয়ে এই দলক আশীৰ্ব্বাদ দিয়েহি।

স্বৰাজনীতি সম্বন্ধে ফুকন ডাঙৰীয়াই তেখেতৰ ভাব নানা ঠাইত নানা ভাবে ব্যক্ত কৰিছিল। তেখেতে কৈছিল যে স্বৰাজৰ যুদ্ধ সময় আৰু মানুহৰ শক্তি অনুসাৰে পৰিবৰ্ত্তন কৰিবই লাগিব। প্ৰকৃত অসহযোগ সেই যুদ্ধৰ কঠোৰ অৱস্থা। সেই অৱস্থা সকলো সময়তে থাকিব নোৱাৰে; সেই বুলি বিদেশী ৰাখিবই লাগিব, সেইকাৰণে নিৰ্ব্বাচন সভা আৰু ব্যৱস্থাপক শাসন যে পৰিত্যজ্য এই ভাৱ সকলো মানুহৰ মনত সজাগ কৰি সভাই এই ভাৱ-বিলাক জগাই ৰাখিবৰ প্ৰকৃষ্ট উপায়।

আমি বহুতে স্বৰাজ্য দলৰ বিশেষ পক্ষপাতী নাছিলো। প্ৰকৃত শক্তি নথকা সত্ত্বেও শক্তিৰ ভাও দিয়াটো কিছুমানে বৰ শুদ্ধ নীতি বুলি বিবেচনা নকৰিছিল, বিশেষকৈ অসহযোগীসকলে কংগ্ৰেছৰ স্পষ্ট নিৰ্দ্দেশ নোপোৱাকৈ মন পৰিবৰ্ত্তন কৰিবলৈ টান পাইছিল। কিন্তু আজি সেই সময়ৰ বিৰুদ্ধ-বাদীসকলেও স্বৰাজ নীতিৰ সাৰ্থকতা কিছু পৰিমাণে উপলব্ধি কৰিছে। আন একো নহলেও নিৰ্ব্বাচনৰ সময়ৰ বক্তৃতাবিলাকে দেশত বৃটিছ শাসনৰ বিপক্ষে বিৰোধ ভাৱ সজাগ ৰাখিছিল। ব্যৱস্থাপক সভাবিলাকত স্বৰাজ দলৰ সংগঠিত নৈতিক শক্তি আৰু সেইবিলাকত জাতীয়তাবাদী ভাববিলাক ফুটাই ৰখাত দেশত কংগ্ৰেছৰ নেতৃত্ব বজাই থাকিল। সৈনিক বিভাগৰ কথাৱলীত ক'বলৈ গ'লে স্বৰাজ্য দলে জাতীয় যুদ্ধৰ আক্ৰমণত 'mark time' কৰি চলিল।

অসমৰ পক্ষে ফুকনৰ এই নেতৃত্ব অকল 'মাৰ্ক টাইমে'ই নহয়, কিছুমানৰ মতে ই অসমীয়া মানুহক ধ্বংসৰ পথৰপৰা ৰক্ষা কৰিলে। কোৱা বাহুল্য মাথোন, আহোম ৰাজ্য পতনৰ লগে লগে, মান আৰু আফিঙৰ উপদ্ৰৱত অসমীয়া জাতিটো পতনৰ তল খাপত পৰিছিলহি। ইয়াৰ পিছত অতি উচ্চ ধৰণৰ কেইজনমান দেশ আৰু ভাষাপ্ৰেমিক ওলাই এই পতনৰপৰা জাতিক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল সঁচা; কিন্তু তেখেতসকলৰ কাৰ্য্যাৱলী অল্প-সংখ্যক শিক্ষিত মানুহৰ ভিতৰতে সীমাবদ্ধ হৈ আছিল। হঠাতে ইংৰাজৰ শাসনৰ দ্বাৰা পাৰিপাৰ্শ্বিক পৰিবৰ্ত্তনৰ লগত সাধাৰণ অসমীয়াই সমূহ হিচাপে

চলি আত্মৰক্ষা কৰিব নোৱাৰাৰ কাৰণে আৰু ওচৰচুবুৰীয়া প্ৰদেশবাসীসকলে ইংৰাজ শাসনৰ মোল ভালকৈ বুজি তেওঁলোকৰ প্ৰভাৱ এই দেশত বিস্তাৰ কৰাত, অসমীয়া ভাষা, বেহা-বেপাৰ, আনকি অসমীয়া কৃষ্টিও বিপন্ন হয়। এই বিপদৰ বিপক্ষে সমূহীয়াভাৱে থিয় হ'বলৈ অসমীয়াই কুৰি শতিকাৰ আৰম্ভণিৰপৰাহে শিকিবলৈ ধৰিছে। জাতীয় ভাৱাপন্ন হোৱাৰ লগে লগে অসমীয়া ডেকাই অসমৰ আদালতত ওকালতি কৰি জীৱিকা উপাৰ্জ্জন কৰিব লাগে, অসমৰ ব্যৱসায়বিলাক অসমীয়াৰ হাতলৈ আনিব লাগে—এনে এটা চিন্তাই অসমীয়াৰ জাতীয় জীৱনত ঠাই লৈছিল, অসহযোগৰ ঢৌৱে অস্থায়ীভাৱে হলেও এই সকলো কামনা উটাই নিয়াত কিছুমান লোকে জাতীয় অনিষ্টৰো আশংকা প্ৰকাশ কৰিছিল। ফুকন ডাঙৰীয়াই তৎক্ষণাত এইবিলাক দেখা পালে। তেখেতে হাত সাৱটি বহি নাথাকি স্বৰাজ্য দলত যোগ দিয়াৰ এটা প্ৰধান কাৰণ এই অনুভূতিও। গতিকে ফুকন ডাঙৰীয়াৰ মতে স্বৰাজ্য-নীতিৰ বিশেষ প্ৰয়োজন আছিল আৰু তেখেতে জানিছিল যে প্ৰাদেশিক হিচাপে এই নীতি প্ৰদেশৰ পক্ষে যিমান সত্য, ভাৰতবৰ্ষৰ পক্ষে তাতকৈও অনেক গুণে অধিকতৰ সত্য।

স্বৰাজ্য দলৰ শক্তি ১৯২৩।২৪ চনৰ নিৰ্ব্বাচনত অতি স্পষ্টভাৱে ওলাল। কেন্দ্ৰীয় ব্যৱস্থাপক সভাত নিৰ্ব্বাচনৰ আসনবিলাক প্ৰায় কংগ্ৰেছে অধিকাৰ কৰিলে। ফুকন ডাঙৰীয়া অসমৰ সাধাৰণ সমষ্টিৰপৰা নিৰ্ব্বিবাদে নিৰ্ব্বাচিত হ'ল, ইয়াৰ প্ৰাদেশিক ব্যৱস্থাপক সভাতো ৫১ খনৰ ভিতৰত ১৬।১৭ খন আসন কংগ্ৰেছে দখল কৰিলে। মধ্য প্ৰদেশ আৰু বঙ্গ দেশত ভালেমান আসন কংগ্ৰেছে অধিকাৰ কৰি শাসন প্ৰায় অচল কৰি তুলিলে।

অসহযোগ আন্দোলনে দেশব্যাপী পৰাত আৰু গঞাসকল কংগ্ৰেছ ভাৱাপন্ন হোৱাত ১৯২৩ চনত যি লোকেল বোৰ্ডৰ নিৰ্ব্বাচন হ'ল, তাত প্ৰায় ঠাইতেই কংগ্ৰেছী লোকে সোমাবলৈ সুবিধা পালে। ১৯২৪ চনত গুৱাহাটী লোকেল বোৰ্ডৰ চাহ বাগিচাৰ আৰু মনোনীত আসনকেইখনৰ বাহিৰে আটাইকেইখন আসন কংগ্ৰেছ মতাৱলম্বী লোকে দখল কৰে। তাৰ ফলত চৰকাৰী (অৰ্থাৎ ডেপুটী কমিছনাৰ) চেয়াৰমেন হ'ব নোৱাৰা প্ৰস্তাৱ গৃহীত হয় আৰু ফুকন ডাঙৰীয়া লোকেল বোৰ্ডৰ প্ৰথম বে-চৰকাৰী চেয়াৰমেন নিৰ্ব্বাচিত হয়। তেখেতৰ বিৰোধী হৈ কোনো থিয় হোৱা নাছিল। ফুকন ডাঙৰীয়াই চাৰি বছৰ কাল চেয়াৰমেনৰ কাম কৰে। এই সময়ত

তেখেতে কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰো সভ্য থকাৰ কাৰণে বছৰত প্ৰায় ৩।৪ মাহ অনুপস্থিত থাকিব লগাত সকলো কামতে বিশেষভাৱে নজৰ দিব নোৱাৰিছিল। তথাপি এই সময়ৰ লোকেল বোৰ্ডৰ কাম ডেপুটী কমিছনাৰে চলোৱা লোকেল বোৰ্ডৰ কামৰপৰা ইমান পৃথক দেখা গৈছিল যে, মানুহে দেশত নতুন ভাৱ অহা বুলি অনুভৱ কৰিছিল। এই সময়ৰপৰা চাহ বাগিচাৰ বাটত হাজাৰে হাজাৰে টকা খৰচ নহৈ, গাঁৱৰ মাজত নতুন আলি-পদূলি হ'বলৈ ধৰিলে। শিক্ষা আৰু বোৰ্ডৰ আন বিভাগত য'ত ইতিপূৰ্ব্বে অসহ-যোগীসকলক দূৰতে বিদূৰ কৰি ৰখা হৈছিল, অসহযোগী ডেকাসকলে কাম-কাজ পাবলৈ ধৰিলে। ইতিপূৰ্ব্বে পাছপৰা জাতি অৰ্থাৎ ট্ৰাইবেলসকলৰ মাজত স্কুলৰ নামেই নাছিল ; তেতিয়াৰপৰা সেইবিলাকৰ মাজতো স্কুল হ'বলৈ ধৰিলে। ষ্টাম্প আৰু কোৰ্টফী বঢ়োৱাৰ বাবদ অধিক আয়খিনি গাঁৱৰ খোৱা পানীৰ কাৰণে খৰচ কৰিবলৈ স্থিৰ কৰি গৱৰ্ণমেণ্টে সেই টকা বোৰ্ডক দিয়াত অনেক ঠাইত কুঁৱা আৰু পুখুৰী দিয়া হয়। প্ৰকৃততে ফুকন ডাঙৰীয়াৰ এই সময়ৰ কামবিলাক বিশেষভাৱে প্ৰজাৰঞ্জক হয়। কিন্তু প্ৰজাৰ কাৰণে কামবিলাক যিমানেই ভাল হওঁক, চৰকাৰৰ পক্ষৰপৰা এই বোৰ্ডৰ কাৰ্য্যবোৰ সুদৃষ্টিৰে চোৱা হোৱা নাছিল। মাজে মাজে কমিছনাৰৰ লগত সংঘৰ্ষ নোহোৱাকৈ থকা নাছিল। ১৯২৬ চনত লোকেল বোৰ্ডৰ কৰ্ম্মচাৰীৰ দ্বাৰা কংগ্ৰেছ মহাসভা পতা সম্বন্ধে কিবা কাম কৰোৱা বুলিয়েই হওঁক বা আন কোনো কাৰণতেই হওঁক, সেই সময়ৰ কমিছনাৰ মিঃ বাৰ্ণছৰ লগত ফুকন ডাঙৰীয়াৰ বিশেষভাৱে বিৰোধ হয়। বাৰ্ণছ চাহাবৰ এখন চিঠিৰ জবাবত তেখেতে এইভাৱে উত্তৰ দিয়ে—"লোকেল বোৰ্ডৰ চেয়াৰ-মেনক কমিছনাৰে তেওঁৰ তলতীয়াৰ দৰে ব্যৱহাৰ কৰিবলৈ বিচাৰাটো তেওঁৰ চৰকাৰী পদ অধিকাৰৰ একমাত্ৰ 'ডেমাক'ৰ বাহিৰে আন একো নহয়। কমিছনাৰে যদি প্ৰজা-প্ৰতিনিধি চেয়াৰমেনক সসন্মানে সম্ভাষণ কৰিবলৈ শিকিব লাগিব।" ইয়াৰ চেয়াৰমেনক সসন্মানে সম্ভাষণ কৰিবলৈ শিকিব লাগিব।' ইয়াৰ পিছত বাৰ্ণছ চাহাবে ফুকন ডাঙৰীয়ালৈ কোনো চিঠি লিখা নাছিল বুলি জানো।

ফুকন ডাঙৰীয়া দহ বছৰ কাল কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সভ্য হৈ থাকে। তেখেতৰ এই কালছোৱাৰ কাৰ্য্যদক্ষতাৰ অভাৱ সম্বন্ধে প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ বৰ্ত্তমান সভাপতি শ্ৰীযুত হেমচন্দ্ৰ বৰুৱাদেৱে ১৯৩৪।৩৫ চনত ফুকন

ডাঙৰীয়াই কংগ্ৰেছ নেছনেলিষ্ট পাৰ্টিৰপৰা প্ৰাৰ্থী হৈ, কংগ্ৰেছ প্ৰাৰ্থী নবীন-চন্দ্ৰ বৰদলৈ ডাঙৰীয়াৰ বিৰোধিতা কৰাত, এখন তালিকা ছপা কৰি ৰাইজৰ মাজত বিলাইছিল। তেখেত অনেক কথাত নিমাত থকা সম্বন্ধে তালিকাত যি অভিযোগ কৰিছে, সেইবিলাক প্ৰায় সঁচা হলেও তেখেতে কেন্দ্ৰীয় সভাৰ মেম্বাৰ হিচাপে কাম নকৰা বুলি ক'লে ভুল কৰা হ'ব। ব্যৱস্থাপক সভাৰ প্ৰত্যেক সুগঠিত দলৰ সভাত বক্তৃতা দিয়াৰ বাহিৰেও কৰিবলগীয়া অনেক আৱশ্যকীয় কাম থাকে। বহু সময়ত এই বাহিৰা কাৰ্য্যকাৰিতাৰ ওপৰতেই এনে দলৰ অস্তিত্ব আৰু কৃতিত্ব নিৰ্ভৰ কৰে। কেন্দ্ৰীয় সভাত কংগ্ৰেছী সভ্যসকলৰ সংখ্যা সদায় মুঠ মেম্বৰৰ সংখ্যাৰ আধাতকৈ কম আছিল আৰু কোনো কংগ্ৰেছী বা জাতীয়তাবাদী প্ৰস্তাৱ গৃহীত হ'ব লাগিলে প্ৰস্তাৱৰ হকে অধিকসংখ্যক লোকৰ দৰকাৰ। গতিকে আন পক্ষৰ বা বিপক্ষৰ লোকক বুজাই তেনে প্ৰস্তাৱত ভোট দিওৱাটো এটা বৰ ডাঙৰ কাম হৈ পৰে। মই বিশেষভাৱে জানো কংগ্ৰেছ দলৰ নেতা পণ্ডিত মতিলাল নেহৰুৱে ফুকন ডাঙৰীয়াক এই কামত বিশেষভাৱে লগাইছিল। সুতীক্ষ্ণ কথোপকোথনৰ শক্তি থকাৰ কাৰণে আৰু সকলো মানুহৰ লগত সমানে মিলিব পৰাৰ কাৰণে ভোট সংগ্ৰহ কৰা কামত ফুকন ডাঙৰীয়াক লগোৱা হৈছিল আৰু সেই কামত মতিলালজীয়ে বিশেষভাৱে সহায় পাইছিল। দলৰ কৃতকাৰ্য্যতা আৰু সাৰ্থকতা সম্বন্ধে এই কামটো কিমান লাগতিয়াল, দলপতিসকলে তাক ভালকৈ জানিছিল আৰু সেই কাৰণেই ফুকন ডাঙৰীয়া মতিলাল নেহৰুৰ ইমান প্ৰিয়ভাজন আছিল। ইয়াৰ বাহিৰেও তেখেতে যি কেইটা বক্তৃতা দিছিল, তাৰ বাবে তেওঁ নিজৰ দলৰেই নহয়, চৰকাৰৰ পক্ষৰপৰাও বাঃ বাঃ পাইছিল।

১৯৩০ চনলৈকে ফুকন ডাঙৰীয়া কংগ্ৰেছী সভ্য হিচাপে কেন্দ্ৰীয় ব্যৱস্থাপক সভাত থাকে। ১৯৩০ চনত দেশত জাতীয় পৰিস্থিতি পৰিৱৰ্ত্তন হোৱাত কংগ্ৰেছে পুনৰায় কাউন্সিল বৰ্জ্জন কৰিবলৈ নিৰ্দ্দেশ দিয়ে। ফুকন ডাঙৰীয়াই সেই নিৰ্দ্দেশ মানি এই ব্যৱস্থাপক সভাৰ পদ ইস্তফা দিয়ে; কিন্তু স্বতন্ত্ৰ হৈ পুনৰায় নিৰ্ব্বিবাদে নিৰ্ব্বাচিত হয়। তেতিয়াৰপৰা ফুকন ডাঙৰীয়া কেন্দ্ৰীয় সভাত প্ৰায় অকলশৰীয়া হোৱাৰ দৰে হ'ল। এই সময়তো কেন্দ্ৰীয় সভাত কিছুমান উপযুক্ত আৰু মেধাবী লোক নিৰ্ব্বাচিত হৈছিল সঁচা; কিন্তু তেওঁলোকৰ কোনো দলবদ্ধতা আৰু অনুশাসন নথকাত গৱৰ্ণমেণ্টে নিজ

ইচ্ছামতে কাম চলাবলৈ ধৰিলে আৰু গৱৰ্ণমেণ্টৰ কোনো কাৰ্য্যত উপযুক্ত প্ৰতিৰোধ কৰিবলৈ তেওঁলোক অসমৰ্থ হ'ল। প্ৰকৃততে এই চাৰি বছৰৰ ভিতৰত ফুকন ডাঙৰীয়াই উৰিষ্যা সীমা-নিৰ্দ্ধাৰণ কমিটিৰ কামৰ বাহিৰে আন কোনো লেখত লবলগীয়া কাম কৰা বুলি আমাৰ মনত নপৰে। এই কমিছনত মেম্বাৰ হিচাপে তেখেতে নিজৰ কাৰ্য্যদক্ষতাৰ পৰিচয় দিয়ে। উৰিষ্যাক স্বতন্ত্ৰ প্ৰদেশ কৰাত তেখেতে উৰিষ্যাবাসীক বিশেষভাৱে সহায় কৰে। বহুতে উৰিষ্যাৰ স্বতন্ত্ৰতাৰ বাবে চেষ্টা কৰি অসমৰ বাবে তেনে চেষ্টা নকৰাত ফুকন ডাঙৰীয়াক দোষ দিছিল; কিন্তু অসমৰ স্বতন্ত্ৰতাৰ লগত যে আমোলাতন্ত্ৰৰ কু-নীতি আছে, বহুতে তাক বুজিবলৈ চেষ্টা নকৰে, ১৯২৪ চনৰ অসম ব্যৱস্থাপক সভাত এই প্ৰস্তাৱ পাছ হৈছিল। অন্ধ্ৰদেশ বিচ্ছেদ সম্বন্ধে প্ৰস্তাৱ মাদ্ৰাজ ব্যৱস্থাপক সভাতো পাছ কৰিছে; কিন্তু এতিয়ালৈকে একো হ'ব পৰা নাই। ফুকনক এই বিষয়ে দোষ দিয়াৰ আগতে এইবিলাক কথাও মনত ৰখা উচিত।

অসমত অসহযোগ আন্দোলন চলাৰ লগে লগে ৰাইজে কংগ্ৰেছ মহাসভা কি, এইটো ভালকৈ বুজিছিল। এই মহাসভাৰ অধিবেশন এবছৰ অসমত পতাৰ কাৰণে আমাৰ ভিতৰত কিছুমান লোকে ইচ্ছা কৰে। ১৯২৫ চনৰ কংগ্ৰেছ মহাসভালৈ গৈ ৰোহিনীকান্ত হাতীবৰুৱাই ১৯২৬ চনৰ অধিবেশনৰ বাবে কংগ্ৰেছ মহাসভাক অসমলৈ নিমন্ত্ৰণ কৰি আহে আৰু সেই সভা গুৱাহাটীত পতাৰ কাৰণে ফুকন আৰু বৰদলৈ ডাঙৰীয়াক ধৰেহি। ফুকন ডাঙৰীয়াই এই সম্বন্ধে আমাৰ মতামত লোৱাত আমি এই নিমন্ত্ৰণ প্ৰত্যাহাৰ কৰিবলৈ কওঁ। ফুকন ডাঙৰীয়ায়ো প্ৰথমে এই কাম অসমৰ পক্ষে দুঃসাধ্য হ'ব বুলি আপত্তি কৰে। কিন্তু বহুতে, বিশেষকৈ হাতীবৰুৱাই এই সম্বন্ধে বিশেষ উৎসাহ দিয়াত এই বিষয়ে আলোচনাৰ কাৰণে গুৱাহাটী লোকেল বোৰ্ড অফিচত এখন ৰাজহুৱা সভা পতা হয়। সেই সভাত ফুকন ডাঙৰীয়াই আন ঠাইত পতা মহাসভাবিলাকৰ খৰচ-পাতিৰ মাত্ৰা দেখুৱায় আৰু আমাৰ ইয়াত, বিশেষকৈ অকল গুৱাহাটীতে লাগতিয়াল সংখ্যক কৰ্ম্মীৰ অভাৱ হ'ব বুলি আপত্তি উত্থাপন কৰে আৰু সেইবাবে তৎক্ষণাৎ আমাৰ অপাৰগতাৰ কথা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদকক জনাবলৈ কয়। অনেক আবেগপূৰ্ণ আলোচনাৰ পিছত আমি দুই-চাৰিজনৰ বাহিৰে প্ৰায় সকলোৱে সভা ইয়াত পতাৰ স্থিৰ কৰে আৰু এইসকলে ফুকনক বিশেষকৈ অনুৰোধ

কৰাত তেখেতো এই প্ৰস্তাৱত মান্তি হয়।

এই গুৰুতৰ কাৰ্য্য হাতত লোৱাত ফুকন ডাঙৰীয়া আৰু তেখেতৰ লগৰ কেইজনমান সহকৰ্মীয়ে গোটেই বছৰটো খাটিবলগীয়া হয়। যদিও কংগ্ৰেছৰ এই অধিবেশন ব্যয়বহুল হোৱা বুলি বহুতে কয়, তথাপি আন ঠাইৰ তুলনাত ইয়াৰ খৰচ অতি কম হৈছিল বুলিহে ক'ব পাৰি। আন ঠাইত ছয় লাখ টকা খৰচৰ কমত এনে সভা পতা হোৱা নাছিল; অথচ গুৱাহাটী কংগ্ৰেছৰ মুঠ খৰচ মাত্ৰ ১,৩০,০০০৲ (এক লাখ ত্ৰিশ হাজাৰ) টকা। ফুকনে এই অধিবেশনৰ কৃতকাৰ্য্যতা সম্বন্ধে যিখিনি পৰিশ্ৰম কৰিবলগাত পৰিছিল তাক শলাগিবলগীয়া। আন ঠাইত সভ্য পদৰ বৰঙণিৰপৰা প্ৰায় ১,০০,০০০৲ টকা উঠে; আমাৰ ইয়াত মাত্ৰ ৫৫,০০০৲ টকাহে উঠিছিল। এই টকাৰ ভালেখিনি তেখেতে নিজে তোলা। আৰু ইয়াকে কৰোঁতে তেখেত গাঁও আৰু চহৰত সমানে ফুৰিবলৈ বাধ্য হৈছিল। কামাখ্যা পাহাৰৰ নামনিৰ এখন বৃহৎ বননি জুৰি-কাটি সমান কৰিবলগীয়া হোৱাত ফুকন ডাঙৰীয়াই যোৰহাট অঞ্চলৰপৰা এদল নগা আনি কামত লগাইছিল। এই কংগ্ৰেছ নগৰী সৃষ্টি কৰোঁতে অসমবাসী মানুহৰ কাৰ্য্যদক্ষতাৰ পৰীক্ষা দিয়াও হৈছিল। ৭।৮ হাজাৰ মানুহৰ পানী যোগাবৰ কাৰণে এটা সৰু পানীৰ কল স্থাপন কৰি ঠায়ে ঠায়ে পানী ৰখা আৰু গা ধোৱা ঠাই ইত্যাদি প্ৰস্তুত কৰিবলগাত পৰিছিল। অসমত তৈয়াৰ হোৱা খদ্দৰেৰে কুৰি হাজাৰ মানুহ ধৰা তম্বুৰ কাপোৰ দিয়া হৈছিল আৰু সেইদৰে প্ৰায় ৬।৭ হাজাৰ মানুহ বহিবৰ কাৰণে খদ্দৰ দিয়া হৈছিল। প্ৰায় ৩ হাজাৰমান লোকৰ নিমিত্তে থকা ঠাই আৰু নেতাসকলৰ নিমিত্তে ১০টা মান বুটিৰ নিৰ্ম্মাণ কৰা হৈছিল। তিনি মাইলমান আলিবাট আৰু সেই-বিলাকত উপযুক্ত ৰকমে পোহৰ দিবৰ কাৰণে 'ডে-লাইট' আদিৰ বন্দৱস্ত কৰা হৈছিল। এখন বৃহৎ প্ৰদৰ্শনীও লগতে পতা হৈছিল আৰু তাৰ বাবেও খৰচ যথেষ্ট হৈছিল। ইত্যাদি সকলোবিলাকৰ কাৰণে ১,৩০,০০০৲ টকা খৰচ কোনেও বেছি বোলা নাছিল। কাম হিচাপে খৰচ বেছি হোৱা বুলি নধৰিলেও ঠিক এই কামটো ইয়াতকৈ অলপ কম টকাত চলাব নোৱাৰা বুলি ক'ব নোৱাৰি। যদিও আন কংগ্ৰেছলৈ অহা ডেলিগেটৰ অনুপাতে থকা-মেলা, খোৱা-বোৱাৰ বন্দৱস্ত কৰা হৈছিল, ডেলিগেটৰ সংখ্যা অনেক কমি গ'ল। স্বামী শ্ৰদ্ধানন্দৰ হত্যাকাণ্ডও ইয়াৰ এটা কাৰণ। নেতাসকলৰ থকা ঠাই ডেলিগেটসকলৰপৰা বহু দূৰৈত পতাত বহুত অতিৰিক্ত খৰচ হয়।

এই বন্দৰস্ত ফুকন ডাঙৰীয়াই নেতাসকলৰ সুবিধাৰ কাৰণে কৰে, ইয়াৰ উপৰিও মূল কংগ্ৰেছ বহাৰ পিছদিনাৰপৰাই ডাঙৰকৈ বতাহ-বৰষুণ হ'বলৈ ধৰিলে আৰু ডেলিগেটসকলে জাৰত থাকিবলৈ অসুবিধা পাই উভতি যাবলৈ আৰম্ভ কৰিলে। এই দুৰ্য্যোগৰ কাৰণেই কিছুমান ডেলিগেটে তেওঁলোকৰ দিবলগীয়া বৰঙণি নিদি গুচি গ'ল। ইত্যাদি কাৰণে মুঠ আয় ৯৫,০০০ টকাৰো কম হ'ল আৰু বাকী ৩৫,০০০৲ টকা ধাৰ থাকি গ'ল। লৰালৰিৰ সময়ত টকাৰ আৱশ্যক হোৱাত ডাঙৰ ধাৰবিলাক অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদক ফুকন আৰু বৰদলৈ ডাঙৰীয়াই ললে আৰু সৰু-সুৰা ধাৰবোৰ অভ্যৰ্থনা সমিতিৰ আন আন সদস্যৰ নামে লোৱা হ'ল। এই ধাৰবোৰ পৰিশোধ কৰাত তেখেতসকলে যি কষ্ট পালে, সি পুৰণি কথা নহয়।

এই ভিতৰুৱা জঞ্জালখিনি বাদ দিলে ১৯২৬ চনৰ কংগ্ৰেছৰ অধিবেশন ভালদৰে হোৱা বুলি ক'বলৈ বাধ্য। ফুকন ডাঙৰীয়াৰ অভিভাষণ চমু হলেও অতি গুৰুলা আৰু সুন্দৰ বুলি আনকি 'ষ্টেট্‌ছমেনে'ও মূল প্ৰবন্ধত উল্লেখ কৰে। মহাত্মাৰ নেতৃত্ব যে ভাৰতে পুনৰায় বিচাৰিছে, তাৰ আভাস এই অভিভাষণতে প্ৰথম দিয়া হয়। এই আহ্বান মহাত্মাজীয়ে ১৯২৯ চনত গ্ৰহণ কৰে আৰু ১৯৩০ চনত সম্পূৰ্ণ নেতৃত্ব গ্ৰহণ কৰে। খোৱামেলা আৰু আন বন্দৰস্ত সম্বন্ধে কোনো প্ৰকাৰ আপত্তি শুনা যোৱা নাছিল; বৰং শ্ৰীশাম্বমূৰ্ত্তি প্ৰভৃতি লোকে এমুঠি মানুহে ইমান বৃহৎ আয়োজন এটা নিৰ্বিঘ্নে চলাব পৰাত ধন্যবাদ দিছিল।

১৯২৭ চনৰ বাবে কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটি গঠনত ফুকন ডাঙৰীয়াক এই কমিটিৰ সভ্য নিযুক্ত কৰা হয়। এই সন্মান ভাৰতৰ অতি কম লোকেহে পাইছে। অসমৰ পক্ষে এই সন্মান আজিলৈকে প্ৰথম হৈয়ে আছে। এতিয়ালৈকে অসমৰপৰা এই পদত আন কোনো সভ্য মনোনীত হোৱা নাই। দুখৰ বিষয় এই যে, এই বছৰটোৰ ভিতৰত ফুকন ডাঙৰীয়াই এই কাৰ্য্যকৰী কমিটিৰ এটা অধিবেশনতো উপস্থিত নাথাকিল। অসমৰপৰা প্ৰতি মাহে তিনি-চাৰি দিনৰ কাৰণে ভাৰতৰ কোনো কেন্দ্ৰীয় স্থানলৈ যোৱাটো সকলোৰে পক্ষে প্ৰকৃততে সম্ভৱপৰ নাছিল; কিন্তু এনে এটা গুৰুতৰ দায়িত্ব লৈ সেই অনুসাৰে কাম নকৰাত বহুত কংগ্ৰেছী লোকে তেখেতক এই শিথিলতাৰ বাবে বেয়া পাইছিল।

# চতুৰ্থ অধ্যায়

[ স্কুকন—আইন অমান্য আন্দোলন আৰু তাৰ পিছত ]

ইয়াৰ ভিতৰত ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিয়ে ক্ৰমে এটা সংকটৰ ফালে ঢাল লবলৈ ধৰিলে। বঙ্গদেশ, মধ্যপ্ৰদেশ, আনকি অসমতো ছেম্‌ছফোৰ্ড-মণ্টেগু সংস্কাৰৰ অসাৰ্থকতাৰ যথেষ্ট প্ৰমাণ পোৱা হ'ল। কেন্দ্ৰীয় ব্যৱস্থাপক সভাতো গৱৰ্ণমেণ্টে প্ৰায় সকলো আৱশ্যকীয়, বিশেষকৈ জাতীয়তাবাদী কথাতে হাৰ মানিবলগাত পৰিছিল। জিন্না চাহাবৰ 'স্বাধীন দলে'ও এই জয়ত বিশেষভাৱে সহায় কৰিছিল। কিন্তু সকলো ঠাইতে গৱৰ্ণৰ জেনেৰেল আৰু গৱৰ্ণৰসকলে নিজৰ স্বেচ্ছাশক্তি ( Certificator ) ব্যৱহাৰ কৰি ৰাইজৰ প্ৰতিনিধিৰ ভোটৰ দ্বাৰাই নাকচ কৰা প্ৰস্তাৱবোৰো কাৰ্য্যকৰী কৰি শাসন চলাবলৈ ধৰিলে। আনপক্ষে ইয়াৰ আমোলাতন্ত্ৰীসকলে মণ্টেগু সংস্কাৰমতে যি সামান্য শাসন-শক্তি ভাৰতবাসীয়ে পাইছিল, তাৰ বিপক্ষে নানা প্ৰকাৰ কুচক্ৰ পাতিব ধৰিলে। লী কমিছন মতে তেওঁলোকৰ দৰমহা আদিৰ ব্যৱস্থা অনেক পৰিমাণে বঢ়াই লোৱা হয় আৰু তেওঁলোকে বিলাতৰ পেঞ্চনভোগী লোকসকলৰ জৰিয়তে ভাৰতে স্বায়ত্ত শাসন পোৱাৰ বিপক্ষে আন্দোলন আৰম্ভ কৰে। তথাপি ১৯২৪।২৫ চনত বহা ব্যৱস্থাপক সভাত ছাৰ ( বৰ্ত্তমান লৰ্ড ) মেলকাম্ হেইলীয়ে এই মণ্টেগু সংস্কাৰ যে পৰিবৰ্ত্তিত হ'ব লাগে, সেই সম্বন্ধে মতামত প্ৰকাশ কৰে। আনপক্ষে কংগ্ৰেছৰ নেতৃত্বই আমাৰ ভৱিষ্যৎ 'স্বৰাজ' কল্পনা-ৰাজ্যতে সীমাবদ্ধ নাৰাখি ভাৰত শাসনৰ এটা পৰিকল্পনা ৰচনা কৰে। এই পৰিকল্পনা সৃষ্টি কৰা কমিটিৰ সভাপতি পণ্ডিত মতিলাল নেহৰু হয়। এই কমিটিৰ ৰিপোৰ্ট ১৯২৭।২৮ চনত ওলায়। সেই ৰিপোৰ্টমতে কৰদ ৰাজ্যবিলাক এই কল্পিত শাসনভুক্ত নহয় আৰু বৃটিছ-ভাৰত ঔপনিবেশিক ৰাজ্য বুলি পৰিগণিত হব লাগে। ১৯২৮ চনৰ কলিকতা কংগ্ৰেছত এই পৰিকল্পনামতে বৃটিছ গৱৰ্ণমেণ্ট নাথাকিলে বৃটেইনৰ লগত সংশ্ৰৱ ত্যাগৰ প্ৰস্তাৱো গৃহীত হয়। বৃটিছ গৱৰ্ণমেণ্টে কংগ্ৰেছৰ এই আকাংক্ষা উপেক্ষা কৰাৰ কথা পূৰ্ব্বেই উল্লেখ কৰা হৈছে।

ৰেম্‌জে মেক্‌ডনেল্ডৰ শ্ৰমিক গৱৰ্ণমেণ্টে কথাৰে যিমানেই নহওক, কাৰ্য্যত ভাৰতৰ কাৰণে বিশেষ একো কৰিবলৈ সাহ কৰা নাছিল আৰু তেনে কৰিবলৈ সাজুও নাছিল। এই শ্ৰমিক, গৱৰ্ণমেণ্টৰ পতনৰ পিছত যেতিয়া জাতীয়তাত গৱৰ্ণমেণ্ট গঠিত হ'ল, তেতিয়া ভাৰতবাসীৰ আশা পূৰণ হোৱা দূৰত থাকক, কি প্ৰকাৰে বৃটিছ সাম্ৰাজ্যবাদীয়ে বেছিকৈ শিপা পুতিব পাৰে, তাৰহে চেষ্টা হ'ল। ছাৰ জন ছাইমনক সভাপতি কৰি ভাৰতীয় শাসন কেনেকৈ সংস্কাৰ হোৱা উচিত, সেই বিষয়ে এটা ৰয়েল কমিছন পঠিয়ালে। এই কমিছনত ভাৰতবাসীৰ পক্ষৰপৰা কোনো লোকক নিযুক্ত নকৰাত ভাৰতবাসীৰ সকলো সম্প্ৰদায়ৰ লোকেই এই তদন্তৰ লগত অসহযোগ কৰিবলৈ স্থিৰ কৰিলে। প্ৰায় ঠাইতে ক'লা পতাকাৰে আৰু 'ছাইমন। উভতি যোৱা' বাণীৰে এই কমিছনক সম্ভাষণ কৰা হ'ল। এই অহিংস বিৰোধিতা কৰিবলৈ যোৱাত ভাৰতৰ সৰ্ব্বপ্ৰথম নেতাসকলৰ আনকি পণ্ডিত জৱাহৰলাল, লালা লাজপত ৰায় আদি পুৰুষসকলৰো পুলিচৰ লাঠীৰ কোবত জখম হয়। লালাজীৰ এই লাঠীৰ কোব খোৱাৰ অলপ দিনৰ পিছতে আঘাতৰ বেদনাত মৃত্যু হয়। আন ঠাইত অসম্মানিত হোৱাৰ কাৰণে অসমত ছাৰ জন ছাইমনে কোনো অভিনন্দন ইত্যাদি বিচৰাও নাছিল আৰু দুই এজনে তেনে অভিনন্দন দিবৰ ইচ্ছা কৰিও সুবিধা নাপালে। তেওঁ ইয়াত নগা ইত্যাদি লোকৰ আচাৰ-নীতি চাযেই উভতি গ'ল। অৱশ্যে কিছুমান অনুষ্ঠান আৰু আমাৰ মন্ত্ৰীসকলে শাসন সংস্কাৰ সম্বন্ধে লিখিত টোকা দিছিল। 'ছাইমন বৰ্জ্জন' সম্বন্ধে ফুকন ডাঙৰীয়াৰ মতো তেনে চোকা আছিল; কিন্তু তেখেতে শোভাযাত্ৰা ইত্যাদি ইয়াত পতাবলৈ চেষ্টা কৰা নাছিল।

এই সময়ৰ ভিতৰতেই কংগ্ৰেছ আৰু আন জাতীয়তাবাদী লোকসকলেও সাম্প্ৰদায়িক সিদ্ধান্ত কৰিবলৈকো চেষ্টা কৰে। অসমতো সেই সম্বন্ধে কংগ্ৰেছ, পুনৰনুষ্ঠিত অসম এছোচিয়েছন, মুছলিম নেতা সকলোৱে মিলি এটা সিদ্ধান্তৰ চেষ্টা কৰিছিল। ফুকন ডাঙৰীয়াই এইবিলাকৰ জটিলতাৰ ভিতৰত নোসোমালেও এটা সিদ্ধান্তত উপনীত হোৱাৰ কাৰণে চেষ্টা কৰিছিল। কিন্তু এলাহাবাদত 'ইউনিটি কনফাৰেন্স' অৰ্থাৎ একতা সভা অকৃতকাৰ্য্য হোৱাৰ লগে লগে সকলো চেষ্টা স্থগিত থাকিল।

এইদৰে ভাৰতবাসীয়ে নিজ ঘৰখন সজাই ল'বলৈ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক নানা চেষ্টা কৰা সত্ত্বেও ভাৰতবাসীৰ লগত কোনো প্ৰকাৰে

সংশ্ৰৱ নথকা এটা কমিছনৰ দ্বাৰা নতুন শাসন জাপি দিব বুলি ভাৰতবাসীৰ মনত আশংকাই ঠাই ল'লে। সকলো জাতীয়তাবাদী মাত্ৰেই বৃটিছৰ অবিচাৰত ক্ষুণ্ণ হ'ল। আনকি মধ্যম আৰু নৰমপন্থী লোকসকলেও চাৰিওফালে বৃটিছৰ এনে সংকল্পৰ বিপক্ষে মত প্ৰচাৰ কৰিবলৈ ধৰিলে। কংগ্ৰেছীসকলে ইয়াতকৈ অনেক কঠোৰতৰ কাৰ্য্য হাতত ল'বলৈ আগবাঢ়িল। ১৯২৮ চনৰ কংগ্ৰেছৰ ঔপনিবেশিক প্ৰস্তাৱ বৃটিছ চৰকাৰে আওকাণ কৰাত পণ্ডিত জৱাহৰলাল নেহৰুৱে তেখেতৰ পূৰ্ণ স্বাধীনতা আৰু বৃটিছ-বিচ্ছেদ আন্দোলন চলাবৰ সুবিধা পালে। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ সভাপতিও পণ্ডিত জৱাহৰলালেই নিৰ্ব্বাচিত হয় আৰু এই মহাসভাতেই পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গৃহীত হয়। ১৯৩০ চনৰ ২৬ জানুৱাৰীত প্ৰথম স্বাধীনতা দিন পালন কৰা হয়। লগে লগে কংগ্ৰেছী লোকৰ ভিতৰত, বিশেষকৈ ডেকা দলৰ ভিতৰত স্বাধীনতা অৰ্জ্জন কৰিবলৈ দৃঢ়প্ৰতিজ্ঞা দেখা যায়। দেশত আকৌ এটা চাঞ্চল্য আৰু অস্থিৰতাৰ চিনে পুনৰায় দেখা দিলে। মহাত্মাজী পুনৰায় কংগ্ৰেছৰ একমাত্ৰ নেতা হ'লহি আৰু তেখেতে অহিংস আইন অমান্য আন্দোলন আৰম্ভ কৰিলে।

পুনৰায় এই আন্দোলনৰ ঢৌ অসমতো লাগিলহি। ফুকন ডাঙৰীয়াই কংগ্ৰেছৰ প্ৰস্তাৱমতে এছেমব্লিৰ পদ ইস্তফা দিলে সঁচা; কিন্তু পুনৰ নিৰ্ব্বাচন বিচাৰি নিৰ্ব্বাচিত হ'ল। সকলো ঠাইতে, বিশেষকৈ অসমতো এদল লোক ওলাল যিসকলে কবলৈ ধৰিলে যে আইন অমান্য আন্দোলনত বৃটিছ শাসনৰ অত্যাচাৰৰ বিপক্ষে থিয় দিব পৰা, বিশেষকৈ ৰাজনৈতিক কয়েদীৰ সুবিধা আৰু স্বাস্থ্যৰ নিমিত্তে চাবৰ কাৰণে এদল উপযুক্ত যুঁজাৰুৰ প্ৰয়োজন। এই দুৰ্ব্বলতাত কিছুমান কংগ্ৰেছী লোকেও কোনো প্ৰকাৰ আপত্তি নকৰাত, সকলো ঠাইতে পূৰ্ব্বৰ কংগ্ৰেছী লোক এদল ব্যৱস্থাপক সভালৈ গ'ল। নিষ্ঠাবান কংগ্ৰেছীসকলে ফুকন এইবাৰ ব্যৱস্থাপক সভালৈ যোৱাত বৰ ভাল চকুৰে নাচালেও বৰ আপত্তিও কৰা নাছিল। কিন্তু ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সম্পূৰ্ণৰূপে যোগ নিদিয়াত বহুতে তেখেতৰ কাৰ্য্য ভাল চকুৰে নোচোৱা হ'ল। ফুকন ডাঙৰীয়াকো তেখেতৰ একচ্ছত্ৰী নেতৃত্ব বজাই ৰাখিবলৈ চেষ্টা কৰা দেখা নগ'ল। এইটোও সঁচা যে অসমত ১৯২১ চনৰ অসহযোগত ৰাইজৰ যি উৎসাহ আৰু শক্তি দেখা গৈছিল সেইটো ১৯৩০ চনৰ গুৰিতে সেইদৰে প্ৰদৰ্শিত হোৱা নাছিল; কিন্তু নবীনচন্দ্ৰ বৰদলৈ আৰু

শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়াৰ ফাটক হোৱাৰ পিছত ৰাইজৰ উৎসাহ বিশেষকৈ বাঢ়িছিল আৰু অসমতো আন্দোলন, ৰাজহুৱা হিচাপে নহ'লেও, ডেকা দলৰ ভিতৰত বেচ ভালকৈয়ে পৰিস্ফুট হৈছিল। ৰাইজে ফুকন ডাঙৰীয়াক বহু ঠাইলৈ আহ্বান কৰিও ৰাজহুৱা সভা-সমিতিত লগ নাপাই অৱশেষত তেখেতৰ আশাকে পৰিত্যাগ কৰিলে। ফুকন ডাঙৰীয়াৰ এই এলাহ আৰু অৱহেলাৰ ভাৱটো সত্যাগ্ৰহ আন্দোলনত অবিশ্বাসৰ কাৰণে হোৱা বুলি ক'ব নোৱাৰি। আমাক কেবাদিনো তেখেতে আন্দোলনত যোগ-দান কৰিব বুলি জনাইছিল আৰু সদায় কৈ আছিল যে ভাৰতবাসীয়ে যি পন্থা অৱলম্বন কৰিছে, তাৰ বাহিৰে আন উপায় নাই। তেওঁ ইয়াকো কৈছিল যে সত্যাগ্ৰহ কৰিলে তাৰ বাবে যি কষ্ট আহিব, তাক আমি বৰণ কৰিবই লাগিব। তথাপি তেখেতৰ মনোবৃত্তিটো সদায় ব্যৱস্থাপক সভাতেই লাগি থকা যেন দেখা গৈছিল। আনপিনে তেখেতৰ মৰমৰ কন্যাৰ মাৰাত্মক ৰোগৰ পৰিচৰ্য্যাত তেখেতৰ মানসিক অৱস্থাৰ কথা কম লোকেই খবৰ ল'লে। আন্দোলনত যোগদানৰ বিষয়ে ভাবোতেই গান্ধী-আৰউইন চুক্তি হৈ গ'ল।

বিলাতত ঘূৰণীয়া-মেজ-মেলত যেতিয়া মহাত্মা গান্ধী অকৃতকাৰ্য্য হৈ আহি ভাৰত নৌপাওঁতেই দ্বিতীয় বাৰ আইন অমান্য আন্দোলন আৰম্ভ কৰা হ'ল, ফুকন ডাঙৰীয়াক তেতিয়া সকলো প্ৰকাৰ অপায়ে আগুৰি ধৰিলেহি। তেখেতৰ মধুময় গাৰ্হস্থ্য জীৱনত পৰমেশ্বৰে যে ইমান দুখ আৰু কষ্টৰ বোজা জাপি দিব, তাক কোনেও সপোনতো ভাবিব পৰা নাছিল। ফুকন দম্পতীৰ ভিতৰত প্ৰেম আৰু সহযোগিতা অতি বিৰল ধৰণৰ আছিল। অতি মৃদুভাৱে হলেও ফুকননীয়ে ফুকন ডাঙৰীয়াৰ জীৱনত এনে স্নিগ্ধ পৱিত্ৰতাৰ প্ৰভাৱ আনি দিছিল যে, ফুকনে জীৱনৰ নানা কঠোৰতা সত্ত্বেও বৈৱাহিক জীৱনৰ মধুৰ-তাৰপৰা এদিনো বঞ্চিত হোৱা নাছিল। এনে আদৰ্শ গাৰ্হস্থ্য জীৱনত ৰোগৰ মহাকীটে এনে এটা নিষ্ঠুৰ বিভীষিকা আনি দিলে যে তাৰ বিপক্ষে ফুকন ডাঙৰীয়াৰ বাহিৰে কেইজন লোকে থিয় দিলেহেঁতেন, তাক কোৱা টান। জীৱনৰ এই মহাসংকটত ফুকন ডাঙৰীয়াৰ ধৈৰ্য্য আৰু প্ৰিয়জনৰ প্ৰতি কৰ্ত্তব্য-পৰায়ণতা শলাগিবলগীয়া। পৰমেশ্বৰৰ ওপৰত পূৰ্ণ বিশ্বাস থকা লোকহে এনে সহিষ্ণু আৰু দৃঢ় হ'ব পাৰে বুলি আমাৰ বিশ্বাস।

ফুকন ডাঙৰীয়াৰ প্ৰথমা কন্যা প্ৰতিভা দেৱীক সেই সময়ৰ উঠি অহা ডেকাৰ ভিতৰত অগ্ৰগণ্য লক্ষ্মীধৰ শৰ্ম্মাৰ লগত ১৯২৯ চনত বিয়া দিয়া হয়।

কিছুদিন স্বামীৰ লগত তেজপুৰত থকাৰ পিছতে সদায় তেওঁৰ জ্বৰভাৱ হোৱাত প্ৰথমে মেলেৰীয়া জ্বৰ বুলি ভুলকৈ চিকিৎসা কৰায়, পিছত জ্বৰ নেৰানেপেৰা হোৱাত ফুকন ডাঙৰীয়াৰ অনুৰোধমতে গুৱাহাটীৰ খ্যাতনামা ডাক্তৰ শ্ৰীযুত ভুৱনেশ্বৰ বৰুৱাই পৰীক্ষা কৰিয়েই ক্ষয়-কাহৰোগৰ চিন পায়। ফুকনে এই খবৰ শুনি কিমান বিহ্বল হৈছিল আমি জানো; কিন্তু অলপো সময় নকটাই ডাক্তৰৰ উপদেশমতে তৎক্ষণাৎ ছিলঙত এটা ঘৰ ভাড়া কৰি জলবায়ু পৰিবৰ্ত্তনৰ লগে লগে চিকিৎসাও কৰায়। চিকিৎসাত ভালৰফালে গৈও দৈৱ-দুৰ্ব্বিপাকত বেয়াৰফালেহে ঢাল ললে, গুৱাহাটীলৈ অনাৰ পিছত দিনক দিনে ৰোগৰ মাত্ৰা বাঢ়ি আহিল। ডাক্তৰসকলৰ সকলো চিকিৎসা ব্যৰ্থ কৰি প্ৰতিভাই ইহলীলা সম্বৰণ কৰিলে। ৰোগিণীক ফুকন-ফুকননী উভয়ে কত পৰিচৰ্য্যা কৰিলে; কিন্তু কোনো ফল নধৰিলে। ৰোগিণীৰ ঘুগুৰীয়া কাহে ফুকনক অতি বিহ্বল কৰিছিল, মোক তেওঁ কেবাদিনো কৈছিল, "কাহৰ প্ৰতি শব্দটোৱে যেন মোৰ কলিজাত কুঠাৰৰ আঘাতৰ প্ৰতিধ্বনিহে তোলে!" এই ছোৱালীজনীক ফুকন ডাঙৰীয়াই অতি আদৰেৰে নানা শিক্ষাত শিক্ষিত কৰি, উপযুক্ত পাত্ৰৰ হাতত সমৰ্পণ কৰি অৱশেষত ইমান কোমল বয়সতে কালৰ হাতত সঁপি দিবলগীয়া হোৱাত কি মহাদুখৰ বোজা ব'ব লগাত পৰিছিল, তাক সহজে অনুমান কৰিব পাৰি। কিন্তু ফুকনৰ অন্তৰ শোকে আগুৰি ধৰিলেও তেখেতক অভিভূত হোৱা দেখা নগৈছিল।

ফুকনৰ শোকৰ জুইকুৰা ইমানতে নুনুমাল। জীয়েকৰ আলপৈচান ধৰাৰ কাৰণেই হওক বা আন কোনো কাৰণেই হওক তেখেতৰ প্ৰিয়তমা পত্নী আৰু জোঁৱাই লক্ষ্মীধৰ শৰ্ম্মাকো একে ৰোগে আক্ৰমণ কৰিলে। উভয়কে ভাল কৰিবলৈ ক'ত চেষ্টা কৰিলে। ফুকননীক দেশ-বিদেশৰ নানা স্বাস্থ্যকৰ ঠাইলৈ নি ৰখা হৈছিল। সেই সময়ত হাতত যথেষ্ট সৰহ ধন নথকা সত্বেও তেওঁলোকৰ চিকিৎসাৰ কাৰণে কত ধন ভৰিলে। চিকিৎসাৰ নতুন প্ৰণালী সকলোবিলাক খটালে; কিন্তু কোনোজন ৰোগীয়েই ৰোগমুক্ত নহ'ল। দুবছৰৰ ভিতৰত কলিকতা নগৰীত ফুকননী স্বৰ্গী হ'ল। জোঁৱায়েকো যাদৱপুৰ আদি ঠাইত থাকি অৱশেষত সেই অদৃশ্য ঠাইলৈকে গ'ল জীৱনৰ কত উচ্চ বাসনা ত্যাগ কৰি! ফুকনে স্ত্ৰী বিয়োগত মোলৈ লিখিছিল, "সোণৰ প্ৰতিমা বিসৰ্জ্জন দি ঘৰলৈ উভতি যাব ধৰিছোঁ।" ইয়াৰ পিছত শুনিলো যে ফুকননীৰ মৃত্যুৰ পিছতে তেখেতে ক্ষণিক কাল মূৰ্চ্ছা গৈছিল। চিৰজীৱনৰ লগৰীক

এইভাৱে ত্যাগ কৰিব লগাত মানুহক কি গভীৰ শোকে অভিভূত কৰিব, তাক কোৱা বাহুল্য মাত্ৰ। কিন্তু ফুকন ডাঙৰীয়াক যেতিয়া তেখেতৰ গুৱাহাটীৰ ঘৰত গৈ দেখা কৰিলোঁ, তেতিয়া কোনো ব্যাকুলতা বা দুৰ্বলতাৰ চিন দেখা নাপালো। আমাৰ ভিতৰত কেইজনমানে তেখেতক আশ্বাস দিবলৈ গৈ নিজেই আশ্বাসিত হৈ উভতি আহিল। ইয়াৰ পিছত প্ৰায় এবছৰমানৰ ভিতৰতে তেখেতৰ ডাঙৰ ককায়েক বিখ্যাত চিকাৰী নবীনৰাম ফুকনো তেখেতক ইহ-সংসাৰত এৰি থৈ স্বৰ্গী হয়। আৰু ইয়াৰ প্ৰায় ছমাহমানৰ ভিতৰত তেখেতৰ সহোদৰস্বৰূপ আৰু তেখেতৰ সকলো কামতে সহায়কাৰী দেবেন্দ্ৰৰাম ফুকনেও তেখেতক মহা শোক-সাগৰত পেলাই ইহলীলা সম্বৰণ কৰে। এইদৰে তিনি বছৰৰ ভিতৰত সেই বৃহৎ টোলটোৰ ভিতৰত বাযেক শ্ৰীযুতা গিৰিজা দেবীৰ বাহিৰে তেখেতক মৰমেৰে মাত এষাৰ দিওঁতা মানুহ পৰ্য্যন্ত নোহোৱা হ'ল। কিন্তু তেখেতৰ ধৈৰ্য্য-শক্তি ইমান প্ৰবল আছিল যে ইমানতো তেখেতক বিশেষভাৱে বিচলিত হোৱা দেখা নগৈছিল। এনে গুৰুতৰ শোকৰ আঘাত কেইজনে অকাতৰে সহ্য কৰিব পাৰে?

এই শোকৰ বোজাৰ লগে লগে তেখেতৰ সাংসাৰিক অৱস্থাও সেইদৰে হ্ৰাস হৈ অহা দেখা গ'ল। বিলাসিতা তেখেতৰ পক্ষে স্বাভাৱিক হোৱাৰ বাবে ফুকন ডাঙৰীয়াৰ টকা সঞ্চয় কৰা স্বভাৱটো প্ৰবল নাছিল বুলি আমাৰ সকলোৰে বিশ্বাস। যেতিয়া অতবিলাক ৰোগীৰ নানা তৰহৰ চিকিৎসা কৰোৱাৰ দৰকাৰ হ'ল, তেতিয়া তেখেতৰ ওপৰত আৰ্থিক খৰচৰ বোজা কিমান ডাঙৰ হৈছিল, তাক সহজে বুজিব পাৰি। ১৯২৭ চনত তেখেতে এখন চাহ-বাগিচা কিনে আৰু সেই কাম কৰিবলৈ যোৱাত তেখেতে ধুবুৰী বেংকৰপৰা বেছি পৰিমাণে কিছু টকা ধাৰ কৰে। এই টকা পৰিশোধ কৰিবলৈ বেংকে নানাপ্ৰকাৰ তাগিদা দিয়ে আৰু অৱশেষত মোকৰ্দ্দমা কৰি ঘৰ-দুৱাৰ ক্ৰোক কৰে। আন ৰাজহুৱা ধাৰৰ বোজাও বৰদলৈৰ লগত তেখেতৰ গাতো পৰেহি। এই দেনাৰ কিয়দংশ যোগেন্দ্ৰ বৰুৱা, শ্ৰীযুত ৰোহিণী চৌধুৰী আদিয়ে তুলি তেখেতক ধাৰ মাৰিবলৈ দিছিল; কিন্তু ঘৰৰ বেমাৰত ব্যস্ত হৈ থকাৰ কাৰণে সেই কামলৈ আওকাণ কৰাত সেই টকাৰ বাবদো উভয়ৰ ওপৰতে ডিক্ৰিদাৰ আইনমতে পাৰ্য্যমানে সকলো প্ৰকাৰৰ চেষ্টা কৰি পিছত ঘৰ-মাটি নিলামত বিক্ৰী কৰিহে টকা আদায় কৰে। এইদৰে নিজৰ আৰু দহৰ কাৰণে ক্ষুদ্ৰতা স্বীকাৰ কৰিবলৈ তেখেত বাধ্য হৈছিল।

১৯৩৪ চনৰপৰা তেখেতৰ ৰাজনৈতিক জীৱনতো বাহ্যিক কৃতিত্ব নোহোৱা হ'ল। এই চনত কেন্দ্ৰীয় সভাত নতুন নিৰ্ব্বাচন হোৱাত কংগ্ৰেছে পুনৰায় নিৰ্ব্বাচনত যোগ দিবৰ কাৰণে প্ৰস্তাৱ কৰে। ফুকন ডাঙৰীয়াই ব্যৱস্থাপক সভাত ইয়াৰ ভিতৰত কংগ্ৰেছ জাতীয় দলৰ লোকৰ লগত বেছিভাগেই চলিবলগীয়া হোৱাত, এই দলৰ লোকৰ লগত তেখেতৰ বিশেষ ঘনিষ্ঠতা হয়। মিঃ ৰামজে মেক্‌ডনেল্ড চাহাবৰ সাম্প্ৰদায়িক ৰায়ে ভাৰতত প্ৰায় সকলোকে, বিশেষকৈ হিন্দু-প্ৰাধান্য বিচৰা লোকসকলক, ঘোৰ বিৰুদ্ধবাদী কৰি তোলে। কংগ্ৰেছে এই ৰায় গ্ৰহণ নকৰিলেও, যেতিয়ালৈকে আন সাম্প্ৰদায়িক সিদ্ধান্তত আপোচ নহয় তেতিয়ালৈকে এই সিদ্ধান্ত নাকচ কৰিবলৈ বেলেগে এটি আন্দোলনৰ সৃষ্টি কৰিবৰ ইচ্ছা নকৰিলে। কংগ্ৰেছ জাতীয় দলে এইটোকে প্ৰধান উদ্দেশ্য কৰি কংগ্ৰেছৰ ভিতৰতে এটি দল সৃষ্টি কৰে। তেতিয়া ভিতৰুৱাকৈ জনা গৈছিল পণ্ডিত মদনমোহন মালব্যজী আৰু কংগ্ৰেছৰ হিন্দু মহাসভা ভাৱাপন্ন মানুহবিলাকে ফুকনক কংগ্ৰেছ জাতীয় দলৰপৰা নিৰ্ব্বাচন বিচাৰিবলৈ অনুৰোধ কৰিছিল আৰু সেই সম্বন্ধে সহায় কৰিবলৈও মান্তি হৈছিল। ফুকন ডাঙৰীয়াই প্ৰথমতে কংগ্ৰেছৰ মনোনয়নকে বিচাৰিব বুলি শুনা গৈছিল। কিন্তু কোনোবাই কংগ্ৰেছে তেখেতক মনোনীত নকৰি বৰদলৈকহে মনোনীত কৰিব বুলি বুজাই দিয়াত তেখেতে কংগ্ৰেছত মনোনয়ন-পত্ৰ দাখিল নকৰিলে। কংগ্ৰেছ-কৰ্ম্মীসকলে এইটো ফুকন ডাঙৰীয়াৰ জীৱনত অকল এটা ডাঙৰ ৰাজনৈতিক ভুল বুলিয়েই ধৰি নল'লে, এই ভুলৰ বাবে তেখেতে যি পৰাজয়ৰ অপমান পাব তাক দিবলৈকো তেওঁলোকে অলপো সংকোচ নকৰিলে। এই কংগ্ৰেছৰ ভিতৰৰ বিৰোধটো দাঙি দিবলৈ চেষ্টা কৰা লোকসকলৰ কাৰ্য্যও কাৰ্য্যকৰী নহ'ল। সম্পূৰ্ণ অকংগ্ৰেছী নহলেও ফুকনৰ এই কাৰ্য্যৰ দ্বাৰাই অসমৰ কংগ্ৰেছী লোকসকলৰ ভিতৰতো দুটা দল হ'ল আৰু পিছত এই কংগ্ৰেছ দলৰ কিছুমান লোক কংগ্ৰেছৰ বিৰুদ্ধবাদী হ'ল।

১৯৩০ চনত কংগ্ৰেছে মানা কৰা সত্ত্বেও যিসকলে ব্যৱস্থাপক সভাত প্ৰৱেশ কৰিছিলগৈ, সেইসকলৰ ভিতৰত বহুতৰে কংগ্ৰেছৰ প্ৰতি আস্থা কমি গ'ল। শৃংখলা আৰু নিয়মানুৱৰ্ত্তিতাৰ অভাৱত যেই সেই ব্যৱস্থাপক সভাৰ সভ্যই যে প্ৰলোভনৰ জালত পৰিব পাৰে, সেইটো জানি শুনিও সেই সময়ত ব্যৱস্থাপক সভালৈ যাব খোজা লোকসকলক কোনো প্ৰকাৰে প্ৰতিবন্ধক

নকৰি বৰং সহায় কৰাৰ কাৰণেহে পূৰ্ব্বৰ এই কংগ্ৰেছী লোকসকলে কংগ্ৰেছৰ বিৰুদ্ধাচৰণ কৰিবলৈ সাহ পাইছে বুলি বহুতে অভিযোগ কৰে। এই অভিযোগৰ যথেষ্ট ভিত্তি আছে। ভাৰতবৰ্ষৰ সকলো প্ৰদেশৰ অৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে সকলো ঠাইতে পূৰ্ব্বৰ কংগ্ৰেছৰ সভ্যৰ ভিতৰৰপৰা এদল লোক ওলাল, যিসকলে ব্যৱস্থাপক সভাত সোমাই কংগ্ৰেছ বন্ধনৰপৰা মুক্তি পাই নিজ ইচ্ছামতে কাম কৰিবলৈ সুবিধা পালে. এইসকলৰ ভিতৰত কিছুমানে ধীৰপন্থীসকলৰ লগত যোগ দি দেশৰ স্বাৰ্থতকৈও নিজৰ স্বাৰ্থলৈ বেছি নজৰ দিবলৈ ধৰিলে। ১৯৩২ চনৰ আইন অমান্য আন্দোলন চলি থকালৈকে কংগ্ৰেছী লোকসকলে নিৰ্য্যাতন ভোগ কৰি থকাৰ কাৰণে এই সদস্যসকলে প্ৰকাশ্যভাৱে নিজৰ স্বেচ্ছাচাৰিতাৰ প্ৰমাণ দিয়া নাছিল। কিন্তু এই আন্দোলন বন্ধ হৈ যোৱাৰ লগে লগে আৰু বৃটিছ চৰকাৰে কংগ্ৰেছৰ লগত কোনো প্ৰকাৰ আপোচ নোহোৱা দেখি কংগ্ৰেছৰ প্ৰতি অৱহেলা আৰু তাচ্ছিল্যৰ ভাব পোষণ কৰিবলৈ ধৰিলে। ভাইচৰয় লৰ্ড উইলিংডনৰ কংগ্ৰেছ বধ কৰা হুঙ্কাৰৰ লগে লগে এই দলৰ লোকসকলে কংগ্ৰেছক মৃতপ্ৰায় ভাবি কংগ্ৰেছৰ কঠোৰ ত্যাগনীতি বৰ্জ্জন কৰি নিজৰ সুবিধা বিচাৰিবলৈ সুযোগ পালে। বৃটিছ শাসকসকলে এই মনোবৃত্তিৰ সন্ধেদ পাই তেওঁলোকৰ কৰ্ম্মচাৰীৰদ্বাৰা গঠনমূলক কাৰ্য্যৰ অজুহাত লৈ এই নেতাসকলক কংগ্ৰেছৰপৰা একেবাৰে হোহোঁকাই আনিবলৈ চেষ্টা কৰিলে। এই জালত কিছুমান ধৰা পৰিল আৰু এইসকলে কংগ্ৰেছক শেহত একেবাৰে এৰি দিলে। মধ্যপ্ৰদেশ, বঙ্গদেশ আনকি অসমতো কিছুমান কংগ্ৰেছে সৃষ্টি কৰা লোকে এইদৰে কংগ্ৰেছ ত্যাগ কৰিলে। দুখৰ বিষয় এই যে এইসকলেই ঘোৰ কংগ্ৰেছ-নীতিবিদ্বেষী হৈ উঠিল আৰু কিছুমানে আনকি জাতীয়তাবাদৰো বিৰোধী হৈ পৰিল। আনপক্ষে প্ৰকৃত অহিংস ভাৱৰ অভাৱৰ কাৰণে কংগ্ৰেছী লোকসকলেও পূৰ্ব্বৰ নিজৰ সহকৰ্ম্মীসকলক এনেদৰে আক্ৰমণ কৰিবলৈ ধৰিলে যে নিজৰ ভিতৰত দলাদলি বন্ধ হোৱা দূৰত থাকক, দিনে দিনে বাঢ়িবহে ধৰিলে।

১৯৩৬ চনৰ নিৰ্ব্বাচনত এই বিৰোধ-অগ্নি বাঢ়ি উঠিল। লৰ্ড উইলিংডনৰ প্ৰচাৰ কাৰ্য্যকে বিশ্বাস কৰি ভাৰতৰ প্ৰায় সকলো ঠাইতে পূৰ্ব্বৰ কংগ্ৰেছৰ লোক কিছুমানৰ কাৰ্য্যতৎপৰতাৰ কাৰণে কংগ্ৰেছবিৰোধী দল কেইটামানৰ সৃষ্টি হ'ল। এই বিৰোধী দলবিলাকৰ তৰ্ক আছিল যে কংগ্ৰেছে প্ৰাদেশিক

স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰে, কংগ্ৰেছৰ লোকবিলাক জেললৈ যাওক আৰু গাঁৱত কাম কৰক ; তেওঁলোক ব্যৱস্থাপক সভাৰ কাৰ্য্যৰ বাবে উপযুক্ত নহয়, ব্যৱস্থাপক সভাৰ কাৰণে এই লোকবিলাকহে উপযুক্ত। অসমত বিশেষকৈ প্ৰচাৰিত হ'ল যে যিকোনো অৱস্থাতেই হওক, মন্ত্ৰিত্ব গ্ৰহণ কৰিবই লাগিব। কাৰণ, "যাৰ পো মেলত নাই তাৰ মেল কণা" -এই মূলনীতি লৈ অসম উপত্যকাত যি দল গঠন কৰা হ'ল সি 'মিলিত জনসংঘ' নামেৰে অভি-হিত হল। এই দলত ১৯৩০।৩২ চনত ফাটক খটা পূৰ্ব্বৰ কেইজনমান কংগ্ৰেছী ডেকায়ো প্ৰচাৰক হিচাপে কাম কৰি ফুৰিছিল। এই দল গঠন হোৱাৰ পিছত ফুকন ডাঙৰীয়াক এই সংঘৰ সভাপতি পতা হয়। তেখেতে এই দলৰ লগত চলিবৰ বাবে প্ৰথমে একেবাৰে ইচ্ছা কৰা নাছিল বুলি বহুতে জানে। এই দলৰ উদ্যোক্তাসকলৰ আহ্বান তেখেতে অনেকবাৰ উপেক্ষা কৰিছিল। দুখৰ বিষয় এই যে এনে ভাব সত্ত্বেও তেখেত কংগ্ৰেছ প্ৰাৰ্থী নহ'ল আৰু কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচনত যি বিৰোধ ভাৱ উপস্থিত হৈছিল, সেইটো থাকি গ'ল। নিৰ্ব্বাচনত তেখেত ৰঙীয়া কেন্দ্ৰৰ-পৰা থিয় হৈছিল, কিন্তু নিজৰ নাতিজোঁৱাই শ্ৰীযুত সিদ্ধিনাথ শৰ্ম্মা বি,এল ডাঙৰীয়াই কংগ্ৰেছ প্ৰাৰ্থী হৈ তেখেতক পৰাস্ত কৰিলে।

সাময়িক দলাদলিৰ কাৰণে ফুকন ডাঙৰীয়াকো আমাৰ কিছুমানে জাতীয়-তাবাদৰ বিৰুদ্ধাচৰণ কৰা বুলি কবলৈ সংকোচ নকৰিছিল। এই ধাৰণা যে সম্পূৰ্ণ ভুল, বহুতে পিছত বুজিব পাৰিছে। ফুকন ডাঙৰীয়া সময়ত গৃহীত কংগ্ৰেছ নীতিৰপৰা হয়তো কেবাবাৰো বাহিৰ হৈ গৈছিল ; কিন্তু নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে নাইবা কোনো প্ৰকাৰ অযথা জেদ পূৰণৰ কাৰণে কোনোদিনেই তেখেতে জাতীয় ভাব পৰিত্যাগ কৰা নাছিল। সময় আৰু অৱস্থা অনুসাৰে জাতীয় কাৰ্য্যপ্ৰণালী পৰিবৰ্ত্তিত হয়। সেই পৰিবৰ্ত্তনত দহে মিলি আলোচনা কৰোঁতে যি সিদ্ধান্ত কৰা হয় তাকেই সকলোৱে মিলি সাধন কৰিবলৈ চেষ্টা কৰাটো সকলোৰে কাম্য। এইটোও নিশ্চয় যে এনে সিদ্ধান্তৰ বিপক্ষে কাম কৰিলে দেশত দলাদলি আৰু দুৰ্ব্বলতা বাঢ়ে। তথাপি মানুহৰ মনোবৃত্তিৰ দ্বাৰা যদি মানুহৰ প্ৰকৃত পৰিচয় হয়, তেন্তে ফুকন ডাঙৰীয়াক নিস্বাৰ্থ দেশকৰ্ম্মী বা দেশভক্ত বুলিবই লাগিব। তেখেতৰ ৰাজ-নীতিৰ লগত স্বাৰ্থৰ সংশ্ৰৱ থকাহেতেন হয়তো ১৯৩১ চনত তেখেতেই অসমৰ এক্‌জিকিউটিভ কাউন্‌চিলৰ হ'লহেঁতেন। মই জানো, তেখেতে ইচ্ছা কৰি-

সেই এই পদ পোৱাত দিল্লীৰ উচ্চ কৰ্ম্মচাৰীসকল আৰু বৃটিছ চৰকাৰৰ লগত খাতিৰ থকা লোকে তেখেতক বিশেষভাৱে সহায় কৰিবলৈ আগবাঢ়ি-লেহেঁতেন। আমাৰ ইয়াতো তেনে পদ পাবলৈ হলে কি কি কৰিব লাগে সেই সম্বন্ধে ফুকন ডাঙৰীয়াক উপদেশ দিওঁতা মানুহ ওলাইছিল। কিন্তু নিজৰ স্বাৰ্থ তুচ্ছ কৰি, ভাৰতে বৃটিছ চৰকাৰৰ লগত শক্তি পৰীক্ষা কৰি থকা সময়ত, যাচি দিলেও এনে পদ লোৱা ঘৃণনীয় হ'ব বুলি ফুকন ডাঙৰীয়াই নিজে মোৰ আগত প্ৰকাশ কৰে। ১৯৩৬ চনত পুনৰায় সেই সুবিধা উপস্থিত হোৱাতো সেইদৰে তেখেতে তালৈ মন-কাণ নকৰিলে। এনে জাতীয় ভাৱ সজাগ থকা সত্ত্বেও তেখেতে ১৯৩৪ চনত কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ কংগ্ৰেছ দলৰপৰা নিৰ্ব্বাচন নিবিচাৰি কংগ্ৰেছ প্ৰাৰ্থী বৰদলৈ ডাঙৰীয়াৰ কিয় বিৰোধিতা কৰিছিল আৰু সেইদৰে আকৌ ১৯৬৩ চনত কিয় কংগ্ৰেছত নোসোমাই কংগ্ৰেছৰ প্ৰতিদ্বন্দ্বী হ'ল এই সম্বন্ধে বহুতৰ মনত যে অকল প্ৰশ্ন হৈছিল এনে নহয়, (আগত কৈ অহাৰ দৰে) তেখেতৰ নেতৃত্বৰ ওপৰত বহুতে আস্থাও পৰিত্যাগ কৰিছিল। এই সম্বন্ধেও তেখেতৰ মনোবৃত্তি পৰীক্ষা কৰিলে তেখেতক নানা কল্পিত দোষৰপৰা অব্যাহতি দিব লাগিব আৰু এজন জননায়ক বুলি মানি লবলৈ বাধ্য হ'ব লাগিব।

প্ৰকৃততে ফুকন ডাঙৰীয়াৰ মনোবৃত্তিৰ লগত তেখেতৰ এই সময়ৰ সহ-কৰ্ম্মীৰ মনোবৃত্তিৰ বিশেষ প্ৰভেদ আছিল। ১৯২৩ চনৰপৰাই ফুকন ব্যৱস্থাপক সভাৰ ঘোৰ পক্ষপাতী আছিল। বৃটিছ শাসন-নীতিৰ লগত যুদ্ধৰ নানা নীতিৰ ভিতৰত ব্যৱস্থাপক সভাৰ কাৰ্য্যকো তেখেতে এটা প্ৰধান আৱশ্যকীয় অংগ বুলি ধৰি লৈছিল, এই নীতি নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে নহয়, দেশত বিদেশী শাসনৰ ওপৰত এটা প্ৰতিৰোধৰ ভাৱ সজাগ ৰখাৰ কাৰণেহে। গঠনমূলক কাৰ্য্যৰ দ্বাৰা এই ভাৱটো সজাগ ৰখা টান; তাৰ উপৰিও এনে গঠনমূলক কাৰ্য্য কৰিবলৈ যি অৰ্থ আৰু সহিষ্ণুতাৰ আৱশ্যক সি অসমৰ দৰে ঠাইত সম্ভৱপৰ নহয়। যেতিয়ালৈকে তেখেতে বুজিব পাৰিছিল মন্ত্ৰী বা একজিকিউটিভ কাউন্‌চিলৰ হৈও প্ৰজাৰ উপকাৰ কৰিব নাইবা আন কোনো প্ৰকাৰে প্ৰজাশক্তি বঢ়াব নোৱাৰি, তেতিয়ালৈকে তেখেতে মন্ত্ৰিত্ব বা শাসন চলোৱাত কোনোপ্ৰকাৰ দায়িত্ব গ্ৰহণ কৰাৰ সম্পূৰ্ণ বিৰোধী আছিল। সেইকাৰণে ১৯১৯ চনৰ শাসন আইনৰ প্ৰতিবিধানত তেখেতে মন্ত্ৰীপদ নাইবা এঃ কাউন্‌চিলৰ পদ লোৱাৰ বিপক্ষে সদৰ্পে থিয় দিছিল। কিন্তু যেতিয়া

১৯৩৫ চনৰ আইনমতে তেখেতে বুজিব পাৰিলে যে প্ৰজাৰ নিৰ্ব্বাচিত মন্ত্ৰীৰ শক্তি প্ৰয়োগৰ দ্বাৰাই প্ৰজাৰ উপকাৰ সাধিবৰ সামৰ্থ্য হ'ব আৰু লগে লগে শক্তি বঢ়াই প্ৰজাক স্বাধীনতাকামী কৰিব পাৰিব, তেতিয়াই তেখেত মন্ত্ৰিত্ব গ্ৰহণৰ ঘোৰ পক্ষপাতী হ'ল। ইয়াৰ লগতে অসমীয়া জাতিৰ পুনৰ গঠনৰ ইচ্ছাও তেখেতৰ নিৰ্ব্বাচন বক্তৃতাত শুনা গৈছিল। বহু সময়ত তেখেতৰ কিছুমান যুক্তি ঘোৰ জাতীয়তাবাদ-বিৰোধীসকলৰ যুক্তিৰ দৰেও শুনা গৈছিল; কিন্তু এইটো নিৰ্ব্বিবাদে ক'ব পাৰি যে তেখেত কংগ্ৰেছ অনুষ্ঠান বা জাতীয়তাবাদৰ বিপক্ষে কেতিয়াও নাছিল। তেখেতৰ বিৰোধ আছিল কংগ্ৰেছৰ সাময়িক নীতিৰ বিপক্ষে। কংগ্ৰেছ যে ভাৰতবাসীৰ একমাত্ৰ জাতীয় অনুষ্ঠান, সেইটো সকলো বিৰোধ সত্ত্বেও তেখেতে স্বীকাৰ কৰিছিল। কিন্তু সাময়িক নীতিৰ বিপক্ষে প্ৰত্যেক কংগ্ৰেছীৰেই থিয় হ'বৰ হক আছে বুলি বিবেচনা কৰি আৰু সেই হকৰ দাবী কৰিহে তেখেতে এই স্বাধীনতা বিচাৰিছিল। অসমৰ প্ৰাদেশিক কংগ্ৰেছৰ লগত তেখেতৰ বিৰোধিতাৰ কাৰণ তেখেতে আৰু এটা দেখুৱাইছিল। তেখেতে বহুতক বুজাইছিল যে, নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মন্ত্ৰিত্ব গ্ৰহণ কৰা বা নকৰা সম্বন্ধে কোনো মতামত নিদিয়াতো অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে মন্ত্ৰিত্ব গ্ৰহণ অযুক্তিকৰ হ'ব বুলি প্ৰচাৰ কৰিছে। কিন্তু ফুকন ডাঙৰীয়াৰ নিজা মত মন্ত্ৰিত্ব গ্ৰহণ সম্পৰ্কে অতি স্পষ্ট হোৱাত তেখেত কংগ্ৰেছৰ কোনো মতকেই সেই সময়ত গ্ৰহণ কৰিবলৈ ৰাজী হোৱা নাছিল। ১৯৩৬ চনৰ নৱেম্বৰ মাহত শ্ৰীযুত ভুলাভাই দেশাইক প্ৰাদেশিক ৰাজনৈতিক সভাৰ সভাপতি মনোনীত কৰি আহ্বান কৰাত তেখেত অসমলৈ আহে, শ্ৰীযুত দেশায়ে ফুকন ডাঙৰীয়াক তেজপুৰত বহা এই সভালৈ মতাত ফুকন ডাঙৰীয়া তালৈ যায়। তাত শ্ৰীযুত দেশাই, শ্ৰীযুত চলিহা, শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়া সকলোৱে মিলি তেখেতক কংগ্ৰেছৰ প্ৰতিজ্ঞা-পত্ৰত চহী দিবলৈ অনুৰোধ কৰিছিল। ফুকন আৰু দেশাইৰ লগত মন্ত্ৰিত্ব গ্ৰহণ সম্পৰ্কে বিশেষ আলোচনা হয়। সৰ্ব্বশেষত দেশাই ডাঙৰীয়াই ফুকন ডাঙৰীয়াক কংগ্ৰেছৰ ভৱিষ্যৎ বিচাৰত আস্থা ৰাখি সম্প্ৰতি প্ৰতিজ্ঞা-পত্ৰত দস্তখত দিবলৈ অনুৰোধ কৰাত তেখেতে আগদিনা মান্তি হ'ব বুলি প্ৰকাশ কৰিলে; কিন্তু পিছত প্ৰতিজ্ঞা-পত্ৰত মন্ত্ৰীপদ গ্ৰহণ চৰ্ত্তটো পৰিস্কাৰভাৱে লিখিহে দস্তখত দিব খোজাত তেখেতৰ প্ৰতিজ্ঞা-পত্ৰ গ্ৰহণ কৰা নহ'ল। কংগ্ৰেছ মুৰব্বীসকলে বুলি প্ৰকাশ কৰাত

ফুকন ডাঙৰীয়ায়ো এই চুক্তিৰপৰা ওলাবলৈ সুবিধা পালে। এইদৰে ফুকনৰ পুনৰ কংগ্ৰেছ দলভুক্ত হোৱাৰ চেষ্টা ব্যৰ্থ হ'ল। নিৰ্ব্বাচনৰ বহু সভাত তেখেতে কৈছিল, "১৯১৪ চনত যেনেকৈ ব্যৱস্থাপক সভালৈ যোৱা নীতি নিজৰ ভুল বুলি জানি কংগ্ৰেছ সলালে, এইবেলিও কংগ্ৰেছে নিজৰ ছিল, "মহাত্মা গান্ধীক ভালকৈ বুজিলে নিশ্চয় তেখেতেও এই অৱস্থাত মন্ত্ৰিত্ব গ্ৰহণ কৰিবলৈ ক'ব।" মন্ত্ৰিত্ব গ্ৰহণৰ পক্ষপাতী বিশেষকৈ বঙ্গদেশ আৰু অসমৰ তেনে লোকসকলে আজি ফুকনৰ দূৰদৰ্শিতাৰ শলাগ নলৈ নোৱাৰে। বঙ্গদেশৰ বহুতে ভাবে যে যদি কংগ্ৰেছে প্ৰথমেই মন্ত্ৰীসভা গঠনৰ অনুমতি দিলেহেঁতেন, তেন্তে বঙ্গদেশত এনে সাম্প্ৰদায়িক আৰু প্ৰতিক্ৰিয়াশীল শাসন নহৈ উন্নত ধৰণৰ গৱৰ্ণমেণ্ট সম্ভৱপৰ হ'লহেঁতেন।

নিৰ্ব্বাচনত হৰাতো ফুকন ডাঙৰীয়াক কোনো প্ৰকাৰেই বিচলিত হোৱা দেখা নগ'ল, নাইবা নিজ মতৰ অলপো পৰিবৰ্ত্তন দেখা নগ'ল। ১৯৩৭ চনৰ এপ্ৰিল মাহত যেতিয়া নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মন্ত্ৰিত্ব গ্ৰহণৰ পক্ষে ৰায় দিলে, ফুকনে নিজৰ মতৰ জয় হোৱা বুলি নথৈ আনন্দ পালে আৰু তাৰ লগে লগে কংগ্ৰেছৰ সাময়িক নীতিৰ প্ৰতি তেখেতৰ মনত যি বিৰোধ ভাৱ আছিল সি সম্পূৰ্ণৰূপে দূৰ হ'ল। নিজে এজন কংগ্ৰেছী লোক আৰু কংগ্ৰেছ যে তেখেতৰ নিজা অনুষ্ঠান, সেই ভাৱ পুনৰায় তেখেতৰ মনত উপস্থিত হ'লহি। কিন্তু ইয়াৰ ভিতৰতে প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে তেখেতক কংগ্ৰেছৰ নিয়ম লঙ্ঘন কৰা অভিযোগত দোষী সাব্যস্ত কৰি তিনিবছৰৰ কাৰণে কংগ্ৰেছ সভাত যোগদান কৰিব নোৱাৰাৰ ৰায় দিলে। এনে অৱস্থাতো তেখেতৰ অন্তৰৰ ইচ্ছা আছিল যে তেখেত তৎক্ষণাৎ পুনৰায় কংগ্ৰেছত যোগ দিয়েহি; কিন্তু কিছু পৰিমাণে অভিমান আৰু বিশেষকৈ স্থানীয় কংগ্ৰেছ নেতৃবৃন্দই সেই লৈ বিশেষ চেষ্টা নকৰাত তেখেত কিছুদিন কংগ্ৰেছৰপৰা আঁতৰ হৈয়ে থাকিল। পিছত তেখেতৰ বন্ধুসকল, বিশেষকৈ ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ প্ৰেৰণাত, তেখেতে শত মৰ্ম্মাঘাত, শত অভিমান ত্যাগ কৰি তেখেতৰ নিয়ম লঙ্ঘন দোষ ক্ষমা কৰিবলৈ কংগ্ৰেছ কৰ্ত্তৃপক্ষলৈ এখন চিঠি লিখে। এই চিঠিত তেখেতৰ কংগ্ৰেছ অনুষ্ঠানৰ প্ৰতি চিৰ-আনুগত্য স্পষ্টকৈ প্ৰকাশ পায় আৰু নিজৰ প্ৰকৃত মহত্তৰ প্ৰমাণ দিয়ে। আমাৰ বিশ্বাস, অতি কম লোকেই এনে অৱস্থাত কংগ্ৰেছৰ প্ৰতি এনে অটল অনুৰাগ আৰু ভক্তিৰ প্ৰমাণ দেখুৱাইছে। সৌভাগ্যৰ বিষয়, প্ৰাদেশিক

কংগ্ৰেছ কমিটিয়ে তেখেতৰ ওপৰত নিয়ম লঙ্ঘনৰ বাবে যি বিধান কৰিছিল, তাক উঠাই ললে, ফুকন ডাঙৰীয়াই নিজে নিজৰ ঘৰত সোমাবলৈ সুবিধা পালে।

ফুকন ডাঙৰীয়াৰ প্ৰিয়তমা পত্নী, মৰমৰ ডাঙৰ ককায়েক আৰু সহোদৰসম দেৱেন্দ্ৰৰাম ফুকনৰ মৃত্যুৰ পিছত তেখেত সম্পূৰ্ণৰূপে অকলশৰীয়া হ'ল। কংগ্ৰেছৰ নেতৃত্ব ত্যাগ কৰাৰ লগে লগে তেখেতলৈ সভা-সমিতিৰ আহ্বানো কমি আহিল। বিশেষকৈ পঢ়া-শুনা কৰা অভ্যাস নথকাত তেখেতৰ সময়ৰ অভাৱ নোহোৱা হ'ল। পূৰ্ব্বৰ চিকাৰী প্ৰবৃত্তিয়ে আকৌ তেখেতৰ অন্তৰত ঠাই ললেহি আৰু পুৰণি hobby (অভিলাষ) কে তেখেতে আকোঁৱালি ধৰিলে। এই সময়ত তেখেতৰ মানসিক ভাৱ বহুখিনি তেখেতৰ প্ৰবন্ধৰপৰা বুজা যায়। এই প্ৰবন্ধ কেইটাত আন একো দেখা নাপালেও, ফুকন যে কোনো দুখ বা অপমানত অভিভূত হোৱা নাছিল, তাক স্পষ্টকৈ দেখা যায়। তেখেত যে সাংসাৰিক শোক-দুখ আৰু মান-অপমানতকৈ অনেক ওখত আছিল, তাক আমি সকলোৱে অনুভৱ কৰিছিলোঁ। আনপিনে তেখেতে দুখিতৰ সেৱাও পাহৰা নাছিল। গুৱাহাটী মিউনিচিপেলিটীৰ বৰ্ত্তমান যি কুষ্ঠাশ্ৰম আছে, সেইটোৰ প্ৰতিষ্ঠাতা ফুকন ডাঙৰীয়াই আছিল। এই আশ্ৰম চলোৱাৰ ভাৰো কিছুদিন তেখেতে নিজৰ হাতত ৰাখিছিল। এই আশ্ৰম পতাৰ পিছত চাৰিওফালৰপৰা কুষ্ঠৰোগী আহি তেখেতক কতৰকমে জুলুম কৰিছিল, সেইটো আমি জানো। মিউনিচিপাল কৰ্ত্তৃপক্ষ হিচাপে সেই জুলুমৰ অংশ ময়ো তেখেতৰ অনুগ্ৰহত ভুগিব লগাত পৰিছিলোঁ। এই দুৰ্ভগীয়া ৰোগীবিলাকে তেখেতক ঈশ্বৰৰ দৰে জ্ঞান কৰিছিল; কিন্তু তেখেত ঈশ্বৰৰ দৰে বদান্য হ'ব নোৱাৰাত অনেক মানসিক কষ্ট ভোগ কৰিব লগাত পৰিছিল।

কনকলাল বৰুৱাৰ লগত মিলি তেখেতে আৰু এটা বৃহৎ কাম হাতত লব খুজিছিল। ৰজাৰ ছিল্‌ভাৰ জুবিলীত তোলা টকাৰে এটা যক্ষ্মাৰোগীৰ হাস্পাতাল পাতিবলৈ তেখেতে বিশেষ চেষ্টা কৰিছিল আৰু সেইমৰ্ম্মে চিলঙৰ কমিটিত তেনে প্ৰস্তাৱ দিছিল। কিন্তু বাগিচাৰ চাহাববিলাকৰ পৰাহে বেছি টকা উঠাত আৰু তেওঁলোকে জিলা অনুসাৰেহে খৰচ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰাত ফুকন আৰু বৰুৱা ডাঙৰীয়াৰ প্ৰবল আকাংক্ষা কাৰ্য্যকৰী হ'ব নোৱাৰিলে, এই সময়তে তেখেতে সোণাৰাম স্কুলৰ উন্নতিকল্পেও পুনৰ যত্নৱান হয়;

কিন্তু বহুত কাৰণে বিশেষ একো কৰিব নোৱাৰিলে।

১৯৩৬ চনত দ্বিতীয়বাৰৰ কাৰণে ফুকন লোকেল-বোৰ্ডৰ চেয়াৰমেন হয়। এইবাৰ তেখেতে অনেক দলাদলি ভাৱৰ ওপৰতহে নিৰ্ব্বাচিত হয়। ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচন চলি থকাৰ কাৰণে তেখেতৰ এই সময়ৰ কাৰ্যবিলাক কংগ্ৰেছী-লোকৰ পক্ষে বৰ অৰুচিকৰ হৈছিল। সেইকাৰণেই হব পায় তেখেতৰ এই-বাৰৰ চেয়াৰমেনী কাৰ্য্যাৱলী বৰ প্ৰজাৰঞ্জক হোৱা নাছিল।

কংগ্ৰেছৰ লগত সংশ্ৰৱ এৰাৰ প্ৰায় তিনি বছৰৰ পিছত ফুকন ডাঙৰীয়া যেতিয়া কংগ্ৰেছত সোমালহি, তেতিয়া তেখেত মাত্ৰ চাৰিঅনীয়া সভ্য। কিন্তু সেইকাৰণে ফুকনে কংগ্ৰেছৰ শক্তি বঢ়াবলৈ চেষ্টা কৰিবলৈ নেৰিলে। তেখেতে তেখেতৰ পূৰ্ব্বৰ ৰাজনৈতিক সঙ্গীসকলক কংগ্ৰেছলৈ ঘূৰাই আনিবলৈ চেষ্টা কৰিছিল। ইয়াত অকৃতকাৰ্য্য হৈ এই লোকসকল ৰাজনীতি পৰিত্যাগ কৰা বুলি কিছুমান যুক্তি দি বাতৰি কাকতত প্ৰকাশ কৰিলে। তেখেতে নীতি-মতে কাৰ্য্য সমাধা কৰিবলৈ অসমতো মিলিত কংগ্ৰেছ-মন্ত্ৰীসভা গঠন কৰাৰ কাৰণে চেষ্টা কৰিবলৈ ধৰিলে। এই চেষ্টাৰ বাবে তেখেতে নিজৰ লোকৰ-পৰাও লঘুলাঞ্ছনা সহ্য কৰিবলগীয়া হৈছিল। সেই সময়ৰ কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুৱে তেখেতৰ এই কাৰ্যাত সহায়তা সম্বন্ধে উল্লেখ কৰিছে। ১৯৩৮ চনৰ ২১ ছেপ্তেম্বৰ তাৰিখে মন্ত্ৰিত্বৰ বাবে লবলগীয়া শপত লৈ যেতিয়া আমি মন্ত্ৰীসকলৰ অফিচৰপৰা নামি আহোঁ, তেতিয়া সমস্ত পাহাৰটো লোকে লোকাৰণ্য। ছিৰিৰ সৰ্ব্বপ্ৰথম স্থানত আছিল ফুকন ডাঙৰীয়া। স্বাভাৱিকতে মই তেখেতৰ আশীৰ্ব্বাদ আকাংক্ষী আছিলোঁ। মই মূৰ দোৱাই ভৰিৰ ফালে চাব নৌ পাওঁতেই তেখেতে মোক সাৱটি ধৰিলেহি। মই তেখেতৰ আলিঙ্গনত নিজকে নিচেই সৰু ল'ৰাৰ দৰে অনুভৱ কৰিলোঁ। মনত পৰিল ১৯২১ চনৰ অসহযোগত যেতিয়া তেখেতৰ আজ্ঞামতে দিহিঙে দিপাঙে ঘূৰি ফুৰিছিলোঁ। মনত পৰিল তেখেতৰ নেতৃত্বৰ হুংকাৰ। মই খন্তেকৰ কাৰণে হলেও ভাৱত অভিভূত হোৱা যেন পালোঁ।

ফুকন ডাঙৰীয়াই এইদৰে কংগ্ৰেছৰ লগ লাগিলেও পূৰ্ব্বৰ নেতৃত্বৰ স্থান লবলৈ বাহ্যিক আগ্ৰহ প্ৰকাশ কৰা নাছিল। দুখৰ বিষয় এই যে, স্থানীয় কংগ্ৰেছৰ লোকসকলেও তেখেতক সাদৰি আনি পূৰ্ব্বৰ স্থান দিবলৈ আগ্ৰহ নেদেখুৱালে। গণতান্ত্ৰিক অনুষ্ঠানত নিজৰ স্থান নিজে বিচাৰি লব লাগে সঁচা; কিন্তু ফুকনৰ দৰে এটা শক্তিক কামত খটাব লাগিলে আমিও তেখে-

তক কেনেকৈ খটাব লাগে, তাকো ভবা উচিত আছিল। ফুকন ডাঙৰীয়া নিজে অভিমানৰ ভাৱতেই হওক বা শিথিলতাৰ কাৰণেই হওক, আগবাঢ়ি অহা নাছিল; কিন্তু তেখেতক বিচাৰিলেই যে তেখেত আগবাঢ়ি আহিলহেঁতেন, ইয়াকো এতিয়া জানিব পৰা গৈছে। এটা কথাত মই নিজে তাৰ প্ৰমাণ পাইছিলোঁ। কানি-নিবাৰণী অভিযান আৰম্ভ কৰাৰ দিনা ৰাইজক পঢ়ি শুনাবলৈ মই ভাৰতীয় আৰু প্ৰাদেশিক নেতাসকলৰ আশিষবাণী বিচাৰিছিলোঁ। প্ৰাদেশিক নেতাসকলৰ তালিকাত ফুকন ডাঙৰীয়াৰ নাম সৰ্ব্বোচ্চ স্থানত দিছিলোঁ। আৰু আমাৰ দলৰ সম্পাদক শ্ৰীযুত সোণাৰাম দত্তই ফুকনলৈ সেই মৰ্ম্মে লিখে। অভিযান উদ্বোধনৰ আগতে তেখেতৰপৰা কোনো আশিষবাণী নোপোৱাত মই ভাবিলোঁ যে ফুকন ডাঙৰীয়াই কিজানি এনে কথালৈ কাণকে দিয়া নাই। এই অভিযান চলাৰ দুসপ্তাহমান পিছত মোক সম্বৰ্দ্ধনা জনাবলৈ মতা এখন সভাত সভাপতি স্বৰূপে মই তেখেতক লগ পাওঁ। সভা শেষ হোৱাৰ পিছত কথা-বাৰ্ত্তাৰ লগে লগে কানি নিবাৰণীৰ দৰে এনে এটা ডাঙৰ কামত তেখেতক কোনো কৰ্ত্তব্য নিৰ্দ্দিষ্ট কৰি নিদিয়া বুলি মোৰ ওপৰত অভিযোগ আনে। উত্তৰত মযো এই আশিষবাণী বিচৰাত মোৰ আন্তৰিক আহ্বান উপেক্ষা কৰা বুলি ওভোতা অভিযোগ কৰোঁ। এই কথাৰ যি ব্যাকুল আৰু আৱেগপূৰ্ণ উত্তৰ পালোঁ, সি মোৰ আজীৱন মনত থাকিব। "গোপী! তুমিও ভাবিব পাৰানে যে ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া লোকে এনে এটা কামৰপৰা জানি-শুনি আঁতৰ হৈ থাকিব পাৰে? মই ভাবি আছিলোঁ যে, তুমি মোক এই কামটোত এটা ডাঙৰ দায়িত্ব দিবা, মই এতিয়াও সাজু আছোঁ—মোক গাড়ী এখন বন্দবস্ত কৰি দিয়া। মোক য'লৈকে যাবলৈ ক'বা, মই তালৈকে যাবলৈ সাজু আছোঁ।" মোৰ মনত সেই সময়ত উপস্থিত হোৱা ভাৱবিলাক সম্বৰণ কৰি মই লাহেকৈ কলো, "মই বাৰু তেন্তে কিবা এটা বন্দবস্ত কৰিম।" কিন্তু যৰলৈ উভতি আহি যিমানেই তেখেতৰ কথাখিনি ভাবোঁ, সিমানেই তেখেতৰ উদাৰতা আৰু মহত্ত্বই মোক অভিভূত কৰিবলৈ ধৰিলে। লগে লগে এনে এজন মহাপুৰুষক উপযুক্ত কামত লগাব নোৱাৰাৰ দোষো মই নিজকে নিজেই দিলোঁ। এইদৰে তেখেত নিজৰ পুৰণি স্থান অধিকাৰ কৰিবলৈ যেন ব্যস্ত হৈ আছিল। সেইকাৰণেই বোধকৰো পৰমেশ্বৰৰ ইচ্ছাত সেই স্থান তেখেতে অতি সোনকালে ললেহি। হঠাৎ। ২৮ জুলাই তাৰিখে,

মোৰ লগত ওপৰত লিখা কথা কোৱাৰ মাত্ৰ ডেৰমাহ পিছত, শুনিলো তেখেত স্বৰ্গগামী হ'ল। ইমান আকস্মিকভাৱে ছিলঙত টেলিফোনযোগে শুনাত প্ৰথমে বিশ্বাসকে কৰিব নোৱাৰিছিলোঁ।

ফুকনে জীৱনত যি স্থান হেকৱাইছিল মৰণত সেই স্থান ল'লেগৈ। Home they brought the warrior dead সকলো কংগ্ৰেছী লোকে মিলি তেখেতৰ মৃতদেহ কংগ্ৰেছ অফিচলৈ আনি যি সম্মান দেখুৱালে, সি মহাৰথীৰ যথাযোগ্য। তেখেতৰ শৱ শ্মশানলৈ নিওঁতে যি শোভাযাত্ৰা হৈছিল, তেনে শোভাযাত্ৰা ইতিপূৰ্বে বেছি দেখা নাই বুলি সকলোৱে স্বীকাৰ কৰিছে। সমস্ত অসমবাসীয়েই এই দাৰুণ শোকৰ বাতৰিত বিহ্বল হৈ উঠিল আৰু তাৰ লগে লগে কোনো প্ৰকাৰ বাদবিসম্বাদ নোহোৱাকৈ ফুকন ডাঙৰীয়া "দেশভক্ত"হৈ স্বৰ্গগামী হ'ল। দেশবাসীৰ অন্তৰত শ্ৰদ্ধা আৰু ভক্তিৰ অঞ্জলি উপচি পৰিবলৈ ধৰিলে। ভাৰতবৰ্ষৰ আন আন ঠাইতো এই কৰুণ বাতৰিয়ে অনেককে বিচলিত কৰিলে। মহাত্মা গান্ধী, ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ-প্ৰসাদ, শ্ৰীযুত সুভাষচন্দ্ৰ বসু প্ৰভৃতি মহাজনসকলে মোলৈ যি ভাষাত টেলিগ্ৰাম কৰিছিল, তাৰ দ্বাৰাই তেখেতসকলৰ ফুকনৰ প্ৰতি প্ৰীতি-মৰম আৰু শ্ৰদ্ধা বিশেষকৈ দেখা যায়। ইয়াৰ পিছত সমগ্ৰ অসম দেশতে শোকসভা পাতি তেখেতৰ স্মৃতিত নাম-কীৰ্ত্তন কৰা হয়। অসম প্ৰাদেশিক ব্যৱস্থাপক সভাত তেখেতৰ বিচিত্ৰ জীৱনী আৰু কাৰ্য্যৰ উল্লেখ কৰি এটা শোকৰ প্ৰস্তাৱ গৃহীত হয়। সেইদৰে নিখিল ভাৰত কংগ্ৰেছ কাৰ্য্যকৰী কমিটিয়েও তেনে এটি প্ৰস্তাৱ গ্ৰহণ কৰে।

# পঞ্চম অধ্যায়

## [দেশভক্ত ফুকনৰ ব্যক্তিত্ব]

তৰুণৰাম ফুকন ডাঙৰীয়াৰ জীৱনৰ পূৰ্ণতা ৰাজনীতিত হলেও তেখেতৰ কিছুমান আন প্ৰতিভাও আছিল যাৰ দ্বাৰাই তেখেত অসমীয়াৰ মাজত আন প্ৰকাৰেও চিৰস্মৰণীয় হ'লহেঁতেন। মই সাহিত্যৰ মোল ভালকৈ বুজোঁ বুলি ক'ব নোৱাৰোঁ; কিন্তু অসমীয়া সাহিত্য সমালোচকসকলৰপৰা বুজা যায় যে ফুকন ডাঙৰীয়া অসমীয়া ভাষাৰো কম কাৰিকৰ নাছিল। ইমান শুৱলা আৰু ভাৱ প্ৰকাশক শব্দ এনে সুন্দৰভাৱে কম শিল্পীয়েই ইতিপূৰ্বে ব্যৱহাৰ কৰিছে বুলি মোৰ বিশ্বাস হয়। সাহিত্যিকসকলে নিশ্চয় এই সম্বন্ধে মতামত প্ৰকাশ কৰিব।

নানা তৰহৰ কৰ্ম্মজীৱন আৰু নানা প্ৰতিভাৰ মাজেদি ফুকন ডাঙৰীয়াৰ কিছুমান অসাধাৰণ গুণ এনেদৰে ওলাই পৰিছিল যে তাক উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। মানুহৰ চৰিত্ৰ আৰু ব্যক্তিত্ব যি প্ৰকাৰেই গঠিত হওক, সকলো মানুহকে কাৰ্য্যৰ আধাৰ বুলি ক'ব পাৰি। এই ব্যক্তিত্বৰ প্ৰকাশ মানুহৰ কথিত ভাষাত 'দোষ' আৰু 'গুণ' সমূহত ওলাই পৰে, আমি বেছিভাগ লোকেই মানুহৰ দোষ-গুণ বিচাৰ কৰিয়েই মানুহক তুলাচনীত জোখোঁ আৰু আমাৰ মতামত প্ৰকাশ কৰো। গুণগ্ৰাহী লোকসকলে গুণবিলাক গ্ৰহণ কৰি গুণ উপাসনা কৰি নিজক আৰু সমাজক উন্নত কৰিবলৈ চেষ্টা কৰে। সেইদৰে কুৰুচিপূৰ্ণ লোকসকলে দোষখিনিহে বেছিকৈ দেখি, বহু সময়ত তাকে অতিৰঞ্জিত কৰি, কেৱল নিজৰ চিত্তকে যে কলুষিত কৰে এনে নহয়, "সৎ আৰু সত্যৰ জয়" আদি নীতিবিলাকত সমাজকে অবিশ্বাসী কৰি তোলে। সামাজিক হিচাপে প্ৰত্যেকজন নেতাৰ দোষ আৰু গুণ সাময়িকভাৱে হলেও সমাজৰ ওপৰত প্ৰতিবিম্বিত হয় আৰু সেইকাৰণেই বুৰঞ্জী-লেখক আৰু জীৱনী-লেখকে সেইবিলাক আলোচনা কৰিবলৈ বাধ্য হয়। ফুকনৰ অসাধাৰণ ব্যক্তিত্বও এইদৰে ৰাইজৰ আগত দোষ গুণৰ সমষ্টিৰে মিলিত হৈ ওলাইছিল। সেইবিলাক চমুকৈ আলোচনা কৰিবলৈ গলেও দেখা

যাৰ যে তেখেতৰ দোষ থকা বুলি ধৰি ললেও তাৰ দ্বাৰাই সমাজৰ ওপৰত কোনো প্ৰকাৰ অন্যায় প্ৰভাৱ বিস্তাৰ কৰা নাই। অত্যাধুনিক বিলাসিতা, সাময়িকভাৱে কাৰ্য্যত শিথিলতা আদি কিছুমান দোষ মানুহে তেখেতৰ গাত দিয়ে। বিশ্লেষণ কৰিলে দেখা যায়, এইবিলাকে বিশেষভাৱে সমাজক নোছোৱে। এই দোষবোৰৰ ফল তেখেতে ব্যক্তিগত হিচাপেহে ভোগ কৰিব লগাত পৰিছিল। কিন্তু তেখেতৰ মহৎ গুণসমূহৰ কাৰণে অকল নিজকেই নহয়, সমস্ত সমাজকে ইমান আগবঢ়াই থৈ গৈছে যে সমাজ তেখেতৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিব লাগিব। তেখেতৰ এই গুণসমূহৰ কাৰ্য্যৰ দ্বাৰাই ইয়াকো প্ৰমাণ কৰি থৈ গৈছে যে মনুষ্য-সমাজৰ উন্নতি সজ নীতি অনুসৰণৰ দ্বাৰাইহে হ'ব পাৰে। তেখেতৰ দুই-এটি মহৎ গুণ সুকীয়াকৈ আলোচনা কৰিলোঁ।

প্ৰথম গুণ :—তেখেতৰ আত্মনিৰ্ভৰশীলতা আদৰ্শস্বৰূপ। ছাত্ৰ জীৱনৰপৰা আৰম্ভ কৰি জীৱনৰ শেষ মুহূৰ্ত্তলৈকে এই মহাশক্তিয়ে তেখেতক এখন্তেকো এৰা দিয়া নাছিল। "মোক পৰমেশ্বৰে সকলো শক্তিকেই দিছে; তেনে অৱস্থাত কোনো কথাৰ কাৰণে আনৰ ওপৰত কিয় নিৰ্ভৰ কৰিম ?"—এই নীতি তেখেতে যেনেকৈ গাঁৱে গাঁৱে প্ৰচাৰ কৰি ফুৰিছিল, তেনেকৈ নিজৰ জীৱনৰ প্ৰত্যেক ক্ষণতে তাৰ প্ৰমাণ দিছিল। এই আত্ম-নিৰ্ভৰশীলতাৰ কাৰণে তেখেত এজন অপূৰ্ব্ব নিৰ্ভীক লোক আছিল। কোনো কষ্ট বা নিৰ্য্যাতনৰ ভয়ত, কোনো অপমান বা হিংসাৰ ভয়ত তেখেতে যি কাম সজ বুলি ভাবিছিল তাক কৰিবলৈ কেতিয়াও ভয় নকৰিছিল। অসহযোগ আন্দোলনৰ যুঁজত খোজ লওঁতে তেখেতৰ অলপ পলম হৈছিল সঁচা; কিন্তু খোজ লোৱাৰ পিছত এপদো পাছ হোঁহকা নাছিল। সেইদৰে স্বৰাজ আন্দোলনত, আনকি অসমত মন্ত্ৰিত্ব গ্ৰহণ সম্বন্ধে আন্দোলনতো একে নিৰ্ভীকতাৰ পৰিচয় দিছিল। প্ৰত্যেক বাৰেই এই স্বাধীন চিন্তা আৰু নিৰ্ভীকতাৰ ফল—নিৰ্য্যাতন, কাৰাগাৰ, অপমান আদি ভোগ কৰিবলৈ তেওঁ অলপো সংকোচ নকৰিলে। এই অদম্য সাহসৰ পৰিচয় তেখেতৰ ব্যক্তিগত জীৱনতো পোৱা গৈছিল। তেজপুৰলৈ যাওঁতে প্ৰলয়ঙ্কৰ বতাহত বুৰিবলগীয়া জাহাজ ৰক্ষা কৰা সেই শক্তিৰেই পৰিচায়ক মাত্ৰ। এই মহাশক্তিৰ কাৰণেই তেখেত এজন নিভাঁজ আৰু প্ৰকৃত জননায়ক আছিল—যাৰ তুলনা অসমত ইমান বিৰল।

দেশৰ আৰু দহৰ কাৰণে ১৯২১ চনত তেখেতে যি ত্যাগৰ আদৰ্শ দেখুৱালে তাক অসমবাসী আৰু ভাৰতবাসীয়ে পাহৰিব নোৱাৰে। ফুকন ডাঙৰীয়াৰ

ত্যাগ অকল উচ্চ বিষয়, ধন বা সম্পদতে সীমাৱদ্ধ হৈ থকা নাছিল। অসহযোগ আন্দোলনত যোগ দিয়াৰ লগে লগে তেখেতসকলৰ পুৰণিকলীয়া বংশজাত অভিমান আৰু নিজস্ব ভাৱ কিছুমানো পৰিত্যাগ কৰিব লগাত পৰিছিল। তেখেতৰ এই ত্যাগো ইমান পূৰ্ণ আৰু দ্বিধাশূন্য আছিল যে তেখেতৰ এই পৰিবৰ্ত্তনত মানুহে আচৰিত নামানি নোৱাৰিছিল। এই ত্যাগৰ কাৰণেই তেখেতে দুখীয়াৰ দুখ ভালকৈ বুজিবলৈ সমৰ্থ হৈছিল। আনপক্ষে এই কাৰণেই তেখেত ইমান উদাৰ ভাৱাপন্ন আৰু সকলোৰে প্ৰতি সহানুভূতিশীল আছিল। ফুকন ডাঙৰীয়াৰ হিন্দু-মুছলমান সম্মিলনৰ ইচ্ছা এই উদাৰ ভাৱৰ চিনাকি মাথোন।

ফুকন ডাঙৰীয়াৰ ব্যক্তিত্বৰ ভিতৰত সকলোতকৈ বেছি লক্ষ্য কৰিবলগীয়া গুণ আছিল তেখেতৰ বিকাৰশূন্য প্ৰকৃতি। এই বিষয়েও তেখেত এজন অসাধাৰণ লোক আছিল বুলি ক'ব পাৰি। পৰমেশ্বৰে তেখেতৰ প্ৰকৃতি যেন নিৰ্ব্বিকাৰ, আনন্দময় কৰি পঠিয়াইছিল। তেখেতৰ জীৱনৰ শেষত কেইবছৰমানৰ ভিতৰত মানুহৰ মানসিক কষ্ট যিমানখিনি হ'ব পাৰে সিমানখিনিয়ে তেখেতক আগুৰি ধৰিছিল; কিন্তু নিৰ্ব্বিকাৰভাৱে সেইবোৰক সহ্য কৰিবলৈ তেখেতে যি মহাশক্তি পাইছিল সি পৰমেশ্বৰৰ মহৎ দান বুলি ক'ব পাৰি। নিজৰ স্নেহৰ কন্যা, লব্ধপ্ৰতিষ্ঠ জোঁৱাই, প্ৰাণাধিকা স্ত্ৰী, অতি শ্ৰদ্ধাস্পদ ডাঙৰ ককাই, সহোদৰ-সদৃশ বন্ধু এটি এটিকৈ তেখেতে হেৰুৱালে। ৰাজহুৱা আৰু ঘৰুৱা ধাৰৰ বোজাত নিজৰ থকা ঘৰ-দুৱাৰ পৰ্য্যন্ত বিপন্ন হৈ পৰৰ হস্তগত হ'বৰ উপক্ৰম হ'লহি। আনপিনে দুটাকৈ নিৰ্ব্বাচনত হৰা অপমান সহ্য কৰিবলৈ বাধ্য হ'ল। নিয়তি আৰু মানুহে যেন সমানে তেখেতক নিৰ্য্যাতন দিবলৈ চেষ্টা কৰিছিল। কিন্তু জীৱনৰ কঠোৰ ধুমুহাত ফুকনক এদিনৰ কাৰণেও কোনোবাই বিচলিত হোৱা দেখিছিলনে? বিশ্বৰ চৰিত্ৰ-চিত্ৰকৰ ছেক্সপীয়েৰে ইয়াতকৈ অনেক লঘুতৰ অৱস্থাত ৰজা লিয়াৰক পগলাৰ ভূমিকা দিলে। বাস্তৱ ৰাজ্যত সাধাৰণ মনুষ্য জীৱনত এনে অৱস্থাত কত লোকৰ ধৈৰ্য্যচ্যুতি ঘটি সংসাৰৰ লগত ঘনিষ্ঠ সম্পৰ্কক ত্যাগ কৰা উদাহৰণ কত পাইছোঁ। ফুকন ডাঙৰীয়া কিন্তু নানা দুখ-কষ্ট আৰু অপমানৰ হেঁচাত অভিভূত হোৱা দূৰত থাকক, সদায় আনন্দময় হৈহে আছিল। তেখেতৰ দৰে কিছুমান কন্যাহাৰা, স্ত্ৰীহাৰা লোকে তেখেতক সহানুভূতি দেখুৱাবলৈ গৈ তেখেতৰ লগত কথা-বাৰ্ত্তা হৈ নিজৰ দুখকে সাময়িকভাৱে

পাহৰি আহিছিল আৰু নিজৰ দুৰ্ব্বলতাৰ নিমিত্তে মনে মনে লাজ পাইছিল। তেখেতৰ এই মহাশক্তিৰ কথা ভাবিলে মই আজিও স্তম্ভিত হওঁ। প্ৰকৃততে মই ক'ব নোৱাৰোঁ। পৃথিৱীত সাংসাৰিক লোকৰ ভিতৰত কেইজনৰ এনে সংযম আছে।

এই শক্তিৰ কথা ভাবিলে ফুকনক এজন প্ৰকৃত মহাপুৰুষ বুলি নধৰি নোৱাৰি। ঠাট্টাৰ ছলত মোক তেখেতে কেবাদিনো কৈছিল, "সন্ন্যাসীৰ ঘৰৰহে লোক আমি আজি মহাসুখত আছোঁ, দৰকাৰ হলে কমণ্ডলু হাতত লৈ বাহিৰ ওলাম।" আচলতে এই মহাত্যাগ, সংযম, ধৈৰ্য্য, বিকাৰশূন্যতা আৰু আনন্দ ফুকনৰ স্বাভাৱিক শক্তি আছিল। এনে মহাশক্তিবোৰক লাভ কৰিবলৈ কত যোগীয়ে সমগ্ৰ জীৱন সাধনা কৰিও কৃতকাৰ্য্য হ'ব পৰা নাই। ফুকন ডাঙৰীয়াৰ সেইবোৰ কেনেকৈ আয়ত্ত হ'ল ? বহুতে হয়তো নাজানে, বাহ্যিক, নানা তৰহৰ কৰ্ম্মময় জীৱন সত্ত্বেও ফুকন ডাঙৰীয়া এজন প্ৰকৃত ঈশ্বৰবিশ্বাসী লোক আছিল। সেই বিশ্বাস কোনো নিৰ্দ্দিষ্ট পন্থৰ নহ'ব পাৰে; সেই বিশ্বাস হয়তো দৈনিক ফুল-চন্দনৰ পূজা-সেৱাত দেখা নৌছিল; কিন্তু তেখেতৰ সনাতন ধৰ্ম্ম-বিশ্বাসৰ শিপাই তেখেতৰ জীৱনৰ স্তৰে স্তৰে আৰু কৰ্ম্ম-জীৱনৰ দৈনন্দিন কাৰ্য্যত অদৃশ্যভাৱে খোপনি লৈ আছিল। গীতাৰ প্ৰিয় শ্লোকৰ ভিতৰত তেখেতে "ত্বয়া-হৃষীকেশেন হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি" উচ্চাৰণ কৰা মই বহুদিন শুনিছিলো। মোৰ সম্পূৰ্ণ বিশ্বাস, তেখেতে জীৱনৰ প্ৰত্যেক ডাঙৰ ঘটনাকে পৰমেশ্বৰৰ ইচ্ছা বুলি গ্ৰহণ কৰিবলৈ শক্তি পাইছিল। সেইকাৰণেই হবলা তেখেতে জীৱনৰ মহৎ কৃতিত্বৰ উৎসাহৰ ভিতৰত যেনেকৈ, জীৱনৰ নিষ্ঠুৰ অপায়-অমঙ্গলৰ মাজতো তেনেকৈ, চিদানন্দময় স্বৰূপক দেখা পাইছিল। এই চিদানন্দ পৰমেশ্বৰৰ জ্যোতি তেখেতৰ আত্মাত এনে প্ৰবলভাৱে বিস্তাৰ কৰি আছিল যে, তেখেতৰ সংস্পৰ্শত অহা সকলো লোককে নিজৰ নানা অপায়-অমঙ্গল সত্ত্বেও সেই জ্যোতিৰ ভাগ সমানে বিলাই দিবলৈ তেখেত সমৰ্থ হৈছিল।

ফুকনৰ বিয়োগত অসমবাসী সৰ্ব্বোতোভাৱে দুখীয়া হ'ল, কংগ্ৰেছৰ লোকসকলে তেখেতক পায়ো তেখেতৰ সহায় হেৰুৱালে, দেশৰ সকলো লোকেই দেশভক্ত আৰু প্ৰকৃত জননায়ক এজনৰপৰা বঞ্চিত হ'ল, তথাপি তেখেতে তেখেতৰ মৌলিক গুণবিলাক জীৱনত প্ৰস্ফুটিত কৰি জাতীয় সম্পত্তিৰূপে এৰি থৈ গৈছে। গ্ৰহণ কৰিব পৰা লোকৰ পক্ষে ইয়াতকৈ ডাঙৰ সম্পদ

আৰু নাই। আজি অসমবাসীয়ে, বিশেষকৈ উঠি অহা ডেকাসকলে, এই সম্পদ নিজ জীৱন গঠনত ব্যৱহাৰ নকৰি যদি দলিয়াই পেলায় বা নষ্ট কৰে, তেন্তে দোষ তেওঁলোকৰেই হ'ব। ফুকনৰ জীৱনৰ সজ কাৰ্য্যবিলাকৰ উদাহৰণবিলাক মুক্তামালা-সদৃশ। উঠি অহা ডেকাসকলে সেই মালা পিন্ধক আৰু দেশৰ প্ৰকৃত সেৱক হৈ ফুকন ডাঙৰীয়াৰ স্থান অধিকাৰ কৰক।

# অনাসক্তি যোগ

[মহাত্মা গান্ধী প্ৰণীত 'অনাসক্তি যোগ' গ্ৰন্থৰ অসমীয়া ভাঙনি]

## আগ-কথা

১৯৪০-৪১ চনত যুদ্ধ বিৰোধী সত্যাগ্ৰহ অৱলম্বন কৰি জেলত থাকোঁতে গান্ধীজীয়ে গীতাৰ পৰা কেনেকৈ অহিংসবাদৰ শিক্ষা পালে তাক জানিবলৈ বিশেষভাৱে উৎসুক হওঁ। শ্ৰীযুত অমৃত লাল ঠক্কৰ বাপাই ১৯৪১ চনৰ সম্ভৱতঃ মাৰ্চ মাহত আমাক জেলত সাক্ষাৎ কৰোতে মই আন কথাৰ লগতে এই কথাটোহে আলোচনাৰ কাৰণে উত্থাপন কৰো। ঠক্কৰ বাপাই এই প্ৰশ্নৰ উত্তৰ দিবলৈ ইচ্ছা নকৰি গান্ধীজীক নিজে এই সম্বন্ধে সুধি-পুচি সন্তুষ্ট হ'বলৈ ক'লে। মই তাৰ পিচদিনাখনেই বাপুজীলৈ চিঠি লিখিলো। বাৰ দিনৰ মূৰত বাপুজীৰ পৰা উত্তৰ পালো। তেওঁ লিখিছে 'অনাসক্তি যোগ' অধ্যয়ন কৰিবলৈ। লগতে মহাদেৱ দেশায়ে 'অনাসক্তি যোগৰ' হিন্দী ভাঙনি এখন গান্ধীজীৰ আদেশমতে মোলৈ পঠিয়ালে। ইয়াৰ পিছত মোক জেলত তিনিমাহ মানহে ৰাখে আৰু ইতিমধ্যে ওপৰে ওপৰে পঢ়া আৰু অলপ টোকা কৰাত বাহিৰে একো কৰা নহ'ল। জেলৰ পৰা ওলোৱাৰ পিছত আকৌ স্বাধীনতা আন্দোলনৰ চক্ৰত পৰিলো আৰু নিয়মিত ৰূপে অধ্যয়ন নাইবা লিখিবলৈ সুবিধা পোৱা দূৰে থাকক জীৱনৰেই থান-থিতি নোহোৱা হ'ল। ১৯৪২ চনৰ আগষ্ট মাহৰ পিছত জেলত আৱদ্ধ কৰি ৰখাৰ লগে লগে সেই সুযোগ আকৌ ঘূৰি আহিল। প্ৰথমতে ৩।৪ মাহৰ কাৰণে বৰ কষ্ট পোৱা হ'ল সঁচা, কিন্তু লাহে লাহে সকলো সুবিধাকে দিবলৈ ধৰিলে। ভাঙৰ সুবিধা পালো শ্ৰীযুত মহাদেৱ শৰ্ম্মা, শ্ৰীযুত কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, শ্ৰীমান যোগেন শইকীয়া আৰু মোঃ ফখৰুদ্দিন আলি আহমদ আদি বন্ধুসকলৰ সদিচ্ছা আৰু সহযোগ। শ্ৰীযুত শৰ্ম্মাই মোৰ অনুবাদৰ ভাষা আৰু ৰচনা বহু ঠাইত পৰিবৰ্ত্তন কৰি দিলে। ত্ৰিপাঠীদেৱে হিন্দীৰ পৰা অসমীয়ালৈ অনুবাদ কৰাত বিশেষভাৱে সহায় কৰিলে আৰু শ্ৰীমান যোগেন শইকীয়াই অনুবাদখিনি কট্ফটীয়াকৈ লিখি উলিয়ালে। এই সহ-জেলবাসী সকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

গান্ধীজীৰ গীতাৰ টীকা (অনাসক্তি যোগ) অতি সৰল ভাষাত হলেও প্ৰত্যেকটো শব্দকেই এনেধৰণে ব্যৱহাৰ কৰা হৈছে যে তাক অতি সাৱধানে নপঢ়িলে ভাৱাৰ্থ গ্ৰহণ আৰু উপলব্ধি কৰা টান হৈ পৰে। জগতৰ আগত এই টীকাৰ মূল্য এই যে, ই কেৱল উচ্চ আদৰ্শৰ আধ্যাত্মিক ভাৱৰেই প্ৰকাশ নহয়—লগতে ই এজন অদ্বিতীয় মহাপুৰুষৰ ধৰ্ম্মানুসৰণৰ কাহিনীও। গান্ধীজীয়ে অনাসক্তি যোগৰ প্ৰস্তাৱনাত আৰু টীকাত স্পষ্টভাৱে বুজাই দিছে যে কেনেকৈ গীতাই অহিংসবাদহে প্ৰতিষ্ঠা কৰিছে। আন অৰ্থত তেখেতৰ জীৱনৰ মূলমন্ত্ৰ গীতাৰ পৰাহে আহৰণ কৰা বুলি কোৱাৰ পৰা আমি ইয়াকে বুজিব পাৰো যে গীতাই হে তেখেতৰ অহিংসবাদ সাধনাৰ ধৰণী আছিল। অনাসক্তি যোগ অধ্যয়নৰ পৰা ইয়াকো বুজিব পাৰি যে স্থিতপ্ৰজ্ঞ নাইবা একান্ত ভকতৰ যিবিলাক গুণ সেইবিলাক একনিষ্ঠ অহিংসাব্ৰতীৰ আয়ত্তাধীন হ'ব পাৰে।

ইয়াৰ বাহিৰে গীতাৰ মূল শিকনি 'কৰ্ম্মফল ত্যাগ' আদি মন্ত্ৰবিলাকৰ গূঢ় অৰ্থ গান্ধীজীয়ে কি ভাৱেৰে বুজিছে তাক তেখেতৰ প্ৰস্তাৱনাত স্পষ্ট শব্দেৰে কৈছে। ইয়াৰ উপৰি মোৰ পক্ষে কিবা কৰলৈ ওলোৱাটো ধৃষ্টতাৰ বাহিৰে আন একো হ'ব নোৱাৰে। মোৰ অনুবাদ বুজাত যদি পাঠকসকলে আসোঁৱাহ বা সন্দেহ বোধ কৰে, তেন্তে তাৰ দোষ নিশ্চয় মোৰেই, তেনে অৱস্থাত আৱশ্যক হলে গান্ধীজীৰ হিন্দী অনুবাদ চাই লব। সৰল অন্তঃকৰণেৰে সত্য উপলব্ধি কৰিবলৈ বিচাৰিলে গান্ধীজীৰ অনাসক্তি যোগে পাঠকক বিশেষভাৱে সহায় কৰিব বুলি কব পাৰি।

শ্ৰদ্ধেয় কৱি শ্ৰীযুত ৰঘুনাথ চৌধাৰীদেৱে কিতাপখনৰ মাজে মাজে দুই চাৰিটা শব্দ আৰু অৰ্থ সৰল কৰি দি সহায় কৰাত আৰু শ্ৰীমান নগেন্দ্ৰ নাথ শৰ্ম্মাই ছপা সম্বন্ধীয় যাৱতীয় কাম কৰি কিতাপখন ৰাইজৰ আগত উলিয়াই দিবলৈ সহায় কৰা বাবে এখেত-সকলৰ শলাগ ললো। ইতি—

১২ জুলাই, ১৯৪৮ }
মহলং জাহাজ }

বিনীত
শ্ৰীগোপীনাথ বৰদলৈ

## প্ৰস্তাৱনা

### (১)

যিদৰে স্বামী আনন্দ আদি বন্ধুৰ প্ৰেমত বশ হৈ "সত্যৰ প্ৰয়োগ" সম্বন্ধে মই আত্মকথা লিখিবলৈ আৰম্ভ কৰিছিলোঁ, গীতাৰ ভাষান্তৰ সম্বন্ধেও সেই একে কথাই খাটিলে। "আপুনি গীতাৰ যি অৰ্থ কৰে, সেই অৰ্থ কেৱল এনে অৱস্থাতহে আমি বুজিব পাৰিম, যেতিয়া আপুনি সমস্ত গীতা অনুবাদ কৰিব আৰু ইয়াৰ ওপৰত যি 'টীকা' কৰিব খোজে তাক কৰিব আৰু আমি এইবিলাক এবাৰ পঢ়িবলৈ পাম। য'ৰ ত'ৰপৰা শ্লোক আনি অহিংসাবাদ প্ৰতিপাদন কৰাটো মোৰ মনত ভাল যেন নালাগে।" এইদৰে অসহযোগৰ সময়ত স্বামী আনন্দই মোক কৈছিল। মই তেওঁৰ কথাত কাণ দিবলৈ বাধ্য হলোঁ। মই উত্তৰ দিলোঁ, "সময় পালে বাৰু এই কাম মই কৰিম।" ইয়াৰ পিছত যেতিয়া জেললৈ গলোঁ, তাত গীতা বিশেষভাৱে অধ্যয়ন কৰিবলৈ অৱকাশ পালোঁ। লোকমান্যৰ জ্ঞানৰ ভাণ্ডাৰ পঢ়িলোঁ। তেখেতে প্ৰথমে মোলৈ মাৰাঠী, হিন্দী আৰু গুজৰাটী অনুবাদ মৰমেৰে পঠিয়াই দিছিল আৰু জোৰ দিছিল যে যদি মই মাৰাঠী অনুবাদ পঢ়িব নোৱাৰোঁও তেন্তে অন্ততঃ গুজৰাটী অনুবাদ যেন যেনেতেনে পঢ়োঁ। জেলৰ বাহিৰত ইয়াক পঢ়িবই নোৱাৰিলোঁ কিন্তু জেলত গুজৰাটী অনুবাদ পঢ়িলোঁ। এইখন পঢ়াৰ পিছত গীতা সম্বন্ধে পঢ়িবলৈ অধিক ইচ্ছা হ'ল আৰু গীতা সম্বন্ধে বহুতো গ্ৰন্থ যথাসম্ভৱ পঢ়িলোঁ।

১৮৮৮-৮৯ চনত এডুইন্ আৰ্ণল্ডৰ পদ্য অনুবাদৰ পৰা গীতাৰ লগত মোৰ প্ৰথম পৰিচয় হয়। ইয়াৰ পিছত গীতাৰ গুজৰাটী ভাষান্তৰ পঢ়িবলৈ বৰ ইচ্ছা হল, আৰু যিমানবোৰ অনুবাদ পালোঁ পঢ়িলোঁ। কিন্তু এনেকুৱা পাঠৰ দ্বাৰা নিজৰ অনুবাদ ৰাইজৰ আগত দাঙি ধৰিবলৈ অধিকাৰ কোনো-মতেই নোপজে। ইয়াত বাহিৰেও মোৰ সংস্কৃতৰ জ্ঞান কম, বিদ্বানসকলৰ বিচাৰমতে গুজৰাটীৰ জ্ঞানো একেবাৰেই নাই। এনে অৱস্থাত মই অনুবাদ কৰাৰ ধৃষ্টতা কিয় কৰোঁ?

(ক)

'গীতা' মই যিদৰে বুজি পাইছোঁ সেইদৰে আচৰণ কৰিবলৈ মই আৰু মোৰ লগৰীয়া কেজনমান বন্ধু সদায় যত্নত আছোঁ। আমাৰ কাৰণে গীতা আধ্যাত্মিক নিদানগ্ৰন্থ। এই গ্ৰন্থ অনুসাৰে আচৰণ কৰিবলৈ আগ বাঢ়োঁতে সদায় নিষ্ফলতা আহে। এই নিষ্ফলতা আমি যত্নবান হোৱা সত্ত্বেও আহে। এই নিষ্ফলতাৰ মাজতেই সফলতাৰ উজ্জ্বল কিৰণৰ আভা দেখা পোৱা যায়। আমি অভাজন বন্ধু কেইজনে গীতাৰ অনুবাদ অনুসাৰে কাৰ্য্যতঃ জীৱন পৰিচালিত কৰিবলৈ কৰা যত্নৰ আভাস এই অনুবাদৰ ভিতৰতে দেখিবলৈ পাব।

ইয়াৰ বাহিৰেও স্ত্ৰী, বৈশ্য আৰু শূদ্ৰৰ ভিতৰত যাৰ অক্ষৰ জ্ঞান কম, যাৰ মূল সংস্কৃত ভাষাত গীতা বুজিবৰ সময় নাই, ইচ্ছা নাই কিন্তু যাৰ কাৰণে গীতাৰূপী সাহায্যৰ আৱশ্যকতা আছে তেওঁলোকৰ কাৰণেই অনুবাদ যুগুত কৰা হৈছে। গুজৰাটী ভাষাৰ জ্ঞান মোৰ কম হলেও মোৰ লগত যি সামান্য ভঁৰাল আছে, তাকেই গুজৰাটীসকলক দি যাবলৈ মোৰ প্ৰৱল ইচ্ছা আছে। মই অৱশ্যে এইটোও বিচাৰোঁ যে বৰ্ত্তমান দুৰ্গন্ধময় সাহিত্যৰ প্ৰৱাহৰ সময়ত হিন্দুধৰ্ম্মৰ অদ্বিতীয় গ্ৰন্থৰ অনুবাদ গুজৰাটী ৰাইজে পাই যাতে ইয়াৰ সহায়ত এই প্ৰৱাহৰ বিপক্ষে থিয় দিবলৈ শক্তি পাব পাৰে।

এই অভিলাষ কৰোতে অন্যান্য গুজৰাটী অনুবাদক অৱহেলা কৰা হোৱা নাই। সেইবিলাকৰ ঠাই আছে যদি ভালেই কিন্তু সেইবিলাকৰ ভিতৰত অনুবাদকাৰীসকলৰ আচৰণৰ পৰা উদ্ভৱ হোৱা অনুভৱৰ দাবী আছে বুলি মোৰ মনে নধৰে। এই অনুবাদত ৩৮ বছৰৰ আচৰণ প্ৰচেষ্টাৰ দাবী আছে। সেই কাৰণে মই অৱশ্যে ইচ্ছা কৰো যে প্ৰত্যেক গুজৰাটী ভাই-ভনীয়ে, যিসকলে ধৰ্ম্ম আচৰণলৈ জীৱনৰ কাৰ্য্যক্ষেত্ৰক আনিব খোজে সেইসকলে যেন ইয়াক পঢ়ে, বিচাৰ কৰে আৰু ইয়াৰ পৰা শক্তি গ্ৰহণ কৰে।

এই অনুবাদত মোৰ লগৰীয়াসকলৰ পৰিশ্ৰমো যথেষ্ট আছে। মোৰ সংস্কৃতৰ জ্ঞান অতি কম হোৱা বাবে শব্দাৰ্থ সম্বন্ধে মোৰ নিজৰ বিশ্বাস পূৰ্ণ হ'ব পৰা নাছিল, আৰু কেৱল এইকাৰণেই এই অনুবাদখন বিনোৱা ভাবে, কাকা কালেলকাৰ, মহাদেৱ দেশাই আৰু কিশোৰলাল মশ্ৰুৱালাই চাই দি সাহায্য কৰিছে।

(২)

এতিয়া গীতাৰ অৰ্থ বিচাৰ কৰা যাওক—১৮৮৮ চনত মই প্ৰথমতে গীতা দেখা পাওঁ। সেই সময়ত মোৰ এনে লাগিছিল যে এইখন এখন

ঐতিহাসিক গ্ৰন্থ নহয়; কিন্তু ইয়াত ভৌতিক যুদ্ধৰ ৰূপক বৰ্ণনাৰ দ্বাৰাই প্ৰত্যেক মানুহৰ হৃদয়ৰ ভিতৰত সদায় চলি থকা দ্বন্দ্ব-যুদ্ধৰ বৰ্ণনা। মানুহৰ হৃদয়ৰ ভিতৰত নিৰন্তৰ চলিথকা যুদ্ধক ৰসপূৰ্ণ কৰিবলৈ মানুহৰ মাজত লগা যুদ্ধৰ ৰূপ দি গঢ়ি তোলা হৈছে। ধৰ্ম্ম আৰু গীতাৰ বিশেষ বিচাৰ কৰাৰ পিছত মোৰ এই প্ৰাথমিক অনুভূতিয়েইহে সুদৃঢ় হৈছে। মহাভাৰত পঢ়াৰ পিছত এই বিচাৰ আৰু বেছিকৈ দৃঢ় হ'ল। মই মহাভাৰত গ্ৰন্থক আধুনিক অৰ্থমতে ইতিহাস বুলি নামানো। ইয়াৰ ঘাই প্ৰমাণ "আদি পৰ্ব্বত" আছে। "পাত্ৰ"সকলৰ অমানুষী আৰু অতিমানুষী উৎপত্তি বৰ্ণনা কৰি ব্যাস ভগবানে ৰজা প্ৰজাৰ ইতিহাস নোহোৱা কৰি পেলালে। তাত বৰ্ণনা কৰা পাত্ৰসকল মূলতঃ আচলতে ঐতিহাসিক হলেও মহাভাৰতত ব্যাস ভগৱানে তেওঁলোকক কেৱল ধৰ্ম্মৰ দৰ্শন কৰাবৰ কাৰণেহে ব্যৱহাৰ কৰিছে।

মহাভাৰতৰ গ্ৰন্থকাৰে ভৌতিক যুদ্ধৰ সাৰ্থকতা প্ৰতিপন্ন কৰা নাই, তাৰ নিৰৰ্থকতাহে প্ৰমাণ কৰিছে। বিজেতাসকলক কন্দুৱাইছে, অনুতপ্ত কৰোৱাইছে আৰু শেষত দুখৰ বাহিৰে একো বাকী ৰখা নাই।

এই মহাগ্ৰন্থৰ শিৰোমণি ৰূপে গীতা বিৰাজিত হৈ আছে। ইয়াৰ দ্বিতীয় অধ্যায়ত ভৌতিক যুদ্ধ শিক্ষাৰ পৰিৱৰ্ত্তে স্থিতপ্ৰজ্ঞৰ লক্ষণ শিকাইছে। স্থিতপ্ৰজ্ঞৰ ভৌতিক যুদ্ধৰ লগত কোনো সম্বন্ধ থাকিব নোৱাৰে,- এই কথা স্থিতপ্ৰজ্ঞৰ লক্ষণত বৰ্ণোৱা আছে-এয়ে মোৰ প্ৰতীতি হৈছে। সামান্য পাৰিবাৰিক বিবাদৰ যোগ্যতা বা অযোগ্যতা নিৰ্ণয় কৰিবৰ কাৰণে গীতাৰ দৰে গ্ৰন্থ ৰচনা হোৱা সম্ভৱ নহয়।

গীতাৰ শ্ৰীকৃষ্ণ মূৰ্ত্তিমান পূৰ্ণ পৰম ব্ৰহ্ম স্বৰূপ কিন্তু কাল্পনিক। ইয়াৰ দ্বাৰা শ্ৰীকৃষ্ণ নামক অৱতাৰী মহাপুৰুষক অস্বীকাৰ কৰা হোৱা নাই; কেৱল কোৱা হৈছে যে পূৰ্ণ কৃষ্ণ কাল্পনিক আৰু পূৰ্ণ অৱতাৰৰ কল্পনা পিছত শ্ৰীকৃষ্ণত আৰোপ কৰা হৈছে।

অৱতাৰ মানে শৰীৰধাৰী পুৰুষবিশেষ। জীৱমাত্ৰেই ঈশ্বৰৰ অৱতাৰ, কিন্তু লৌকিক ভাষাত সকলোকে আমি অৱতাৰ নেবোলো। যিজন পুৰুষ নিজ সময়ত সকলোতকৈ শ্ৰেষ্ঠ ধাৰ্ম্মিক হয় তেওঁকেই ভাবী কালত প্ৰজাসকলে অৱতাৰ বুলি পূজা কৰে। ইয়াত কিবা দোষ আছে বুলি মোৰ মনে নকয়। ইয়াৰ দ্বাৰা ঈশ্বৰৰ শ্ৰেষ্ঠত্বও কমোৱা নহয়, আৰু সত্যৰ ওপৰতো আঘাত কৰা নহয়। "আডাম" ঈশ্বৰ নহয়, কিন্তু "আডাম"ৰ ঈশ্বৰৰ জ্যোতিৰ

বাহিৰতো পৃথক সত্তা নাই। যি জনত নিজ যুগত সকলোতকৈ বেছিকৈ ধৰ্ম্ম জাগৃত হৈছে তেওঁৰেই বিশেষ অৱতাৰ। এই কাৰণতে শ্ৰীকৃষ্ণৰূপী পূৰ্ণ অৱতাৰে আজি হিন্দু ধৰ্ম্মত সাম্ৰাজ্য ভোগ কৰি আছিল।

এই দৃষ্টি অৰ্থাৎ পূৰ্ণাৱতাৰৰ কল্পনা মনুষ্য জাতিৰ চৰম অভিলাষসূচক। মানুহ ঈশ্বৰ-ৰূপী হ'ব নোৱাৰিলে তেওঁ স্বস্তি নাপায়, তেওঁ শান্তি পাব নোৱাৰে। ঈশ্বৰত্ব পাবলৈ কৰা চেষ্টাই আচল সত্য আৰু একমাত্ৰ পুৰুষাৰ্থ আৰু আত্মদৰ্শন যেনেকৈ সকলো ধৰ্ম্মগ্ৰন্থৰে বিষয়, সেইদৰে গীতাৰো বিষয়। কিন্তু গীতাকাৰে এই বিষয় মাথোন প্ৰতিপাদন কৰিবলৈ গীতা ৰচনা কৰা নাই। আচলতে আত্মা-অন্বেষণকাৰীক আত্মদৰ্শনৰ এক অদ্বিতীয় উপায় দেখুৱাই দিয়াই গীতাৰ মূল উদ্দেশ্য। যি বস্তু হিন্দুৰ ধৰ্ম্মগ্ৰন্থবিলাকত য'তে ত'তে সিঁচৰতি হৈ আছিল তাকেই গীতাত অনেক ৰূপত, অনেক শব্দেৰে বাৰে বাৰে পুনৰুক্তি কৰিও সুন্দৰৰূপে প্ৰতিপন্ন কৰিছে বা প্ৰতিষ্ঠিত কৰি দেখুৱাইছে।

এই অদ্বিতীয় উপায় হৈছে—কৰ্ম্মফল ত্যাগ।

এই মধ্যবিন্দুৰ চাৰিওকালে সমস্ত গীতাখন সজোৱা হৈছে। ভক্তি জ্ঞান ইত্যাদি তাৰামণ্ডলৰ জ্যোতি ইয়াৰ চাৰিওফালে সজাই দিয়া হৈছে। য'ত দেহ আছে, তাত কৰ্ম্ম থাকিবই, তাৰ পৰা পৃথক হৈ থাকিব নোৱাৰে। তথাপিও এই শৰীৰক প্ৰভুমন্দিৰ বুলি ইয়াৰ দ্বাৰাই মুক্তি পাব পাৰে, এই কথা সকলো ধৰ্ম্মই প্ৰতিপাদন কৰিছে। কিন্তু কৰ্ম্মমাত্ৰৰেই কিছু দোষ থাকিবই। মুক্তি কেৱল দোষশূন্যসকলৰ পক্ষেহে সম্ভৱপৰ। তেনেহলে কৰ্ম্মবন্ধনৰ পৰা অৰ্থাৎ দোষৰ স্পৰ্শৰ পৰা কেনেকৈ ৰেহাই পাব, মুক্তি পাব পাৰেঁ। ? ইয়াৰ উত্তৰ গীতাই নিশ্চয়াত্মক শব্দত দিছে—"নিষ্কাম কৰ্ম্মৰ দ্বাৰা যজ্ঞাৰ্থে কাম কৰি, কৰ্ম্মফল ত্যাগ কৰি, সকলো কৰ্ম্মকে শ্ৰীকৃষ্ণত অৰ্পণ কৰি অৰ্থাৎ মন, বচন আৰু শৰীৰ ঈশ্বৰৰ ওচৰত আহুতি কৰি।"

কিন্তু নিষ্কামতা, কৰ্ম্মফল ত্যাগ বোলা মাত্ৰেই হ'ব নোৱাৰে। ই কেৱল বুদ্ধিৰ প্ৰয়োগেই নহয়। ই হৃদয় মন্থনৰ পৰাহে উৎপন্ন হয়। এই ত্যাগ, শক্তি উৎপন্ন কৰিবলৈ জ্ঞানৰ প্ৰয়োজন। এক প্ৰকাৰৰ জ্ঞান অৱশ্যে সকলো পণ্ডিতে পায়। তেওঁলোকে বেদাদি কণ্ঠস্থ কৰে; কিন্তু এইসকলৰ ভিতৰত বেছিভাগেই ভোগ আদিত লিপ্ত থাকে। জ্ঞান যাতে কেৱল নিৰস পাণ্ডিত্যলৈ ৰূপান্তৰিত নহয়, তাৰ বাবে গীতাকাৰে জ্ঞানৰ লগত ভক্তি মিলাই

দিছে ; আৰু ইয়াকেই প্ৰথম স্থান দিছে। ভক্তি বিনে জ্ঞান মূল্যহীন। সেই কাৰণে কথিত আছে –"ভক্তি কৰা, জ্ঞান পাবাই।" কিন্তু ভক্তি যে অধিক মূল্যত কিনিব লগাত পৰে। সেই কাৰণে গীতাকাৰে ভক্তৰ লক্ষণ স্থিতপ্ৰজ্ঞৰ দৰে বুলি বৰ্ণনা কৰিছে।

ইয়াৰ তাৎপৰ্য্য এই যে গীতাৰ ভক্তি-ভাবত ভোল গৈ থকা নহয়, নাইবা অন্ধশ্ৰদ্ধাও নহয়, গীতাত উল্লেখ কৰা উপচাৰৰ লগত বাহ্যিক চেষ্টা বা ক্ৰিয়াৰ লগত সম্বন্ধ নাই বুলিব পাৰি। মালা, ফোট, সেৱা-পূজা ভক্তই কৰে যদি কৰক কিন্তু এইবিলাক ভক্তিৰ লক্ষণ নহয়। যিজনে কাকো দ্বেষ নকৰে, যিজন নিৰহঙ্কাৰ, যাৰ পক্ষে সুখ-দুখ, জাৰ-জহ সমান, যিজন ক্ষমা-শীল, যিজন সদাতুষ্ট, যাৰ সঙ্কল্প কেতিয়াও লৰচৰ নহয়, যিজনে মন আৰু বুদ্ধি ঈশ্বৰত অৰ্পণ কৰি দিছে, যাক কোনেও ভয় নকৰে আৰু যিজনে আন কাকো ভয় নকৰে, যিজন হৰ্ষ, শোক, ভয়াদিৰ পৰা মুক্ত, যিজন পৱিত্ৰ, কাৰ্য্যদক্ষ হোৱা সত্ত্বেও নিৰপেক্ষ অৰ্থাৎ কোনো কামত লিপ্ত নাথাকে, যিজনে শুভ অশুভ ভাব ত্যাগ কৰিব পাৰিছে, যিজনে শত্ৰু-মিত্ৰ সকলোৰে প্ৰতি সমভাৱ ৰাখিব পাৰে, যাৰ পক্ষে মান অপমান সমান, যাৰ স্তুতিত প্ৰসন্নতা আৰু নিন্দাত গ্লানি বোধ নহয়, যিজন মৌনী, যিজনে নিৰ্জ্জনতা ভাল পায়, যাৰ স্থিৰ বুদ্ধি, সেই জনেই ভক্ত। এই ভক্তি আসক্ত স্ত্ৰী-পুৰুষৰ পক্ষে লাভ কৰা সম্ভৱপৰ নহয়। ইয়াৰ পৰাই আমি দেখিবলৈ পাওঁ যে জ্ঞান লাভ কৰা বা ভক্ত হোৱাই আত্মদৰ্শন। আত্মদৰ্শন, তাৰপৰা এটা বেলেগ বস্তু নহয়। যেনেকৈ এটা টকা দি বিষ কিনিবও পাৰি নাইবা অমৃতো কিনিব পাৰি সেইদৰে এইটো হব নোৱাৰে যে জ্ঞান আৰু ভক্তিৰে বন্ধনো পাব পাৰি, আকৌ মোক্ষও পাব পাৰি। ইয়াত সাধ্য আৰু সাধনা একেবাৰে এক নহলেও, প্ৰায় একেটা বস্তুৱেই। সাধনাৰ পৰাকাষ্ঠাই হৈছে মোক্ষ। আৰু গীতাত মোক্ষৰ অৰ্থ পৰম-শান্তি।

কিন্তু এনে প্ৰকাৰৰ জ্ঞান আৰু ভক্তি কৰ্ম্মফল ত্যাগ স্বৰূপ কষটি শিলেৰে পৰীক্ষা কৰি ল'ব লাগিব। লৌকিক কল্পনা অনুসাৰে (অৰ্থাৎ অকল অধ্যয়নৰ দ্বাৰা) শুষ্ক পণ্ডিতকো জ্ঞানী বুলি ধৰা হয়। তেওঁ কোনো কামকেই কৰিব নালাগে। তেওঁৰ পক্ষে ঘটি এটা তুলি ললেও যেন কৰ্ম্ম-বন্ধন হয়। যি ঠাইত যজ্ঞশূন্য মানুহো অৰ্থাৎ নিষ্কৰ্ম্মা মানুহো জ্ঞানী বুলি পৰিগণিত হয়, তেনে ঠাইত ঘটি তুলি লোৱাৰ দৰে তুচ্ছ লৌকিক কাৰ্য্যৰ

ঠাই কেনেকৈ থাকে ?

লৌকিক কল্পনামতে ভক্তৰ অৰ্থ নিষ্কৰ্ম্মা, মালা লৈ জপ কৰা লোক। সেয়া কৰ্ম্ম কৰোঁতেও তেওঁৰ মালাত ব্যাঘাত জন্মে। সেই কাৰণে খোৱা-লোৱা আদি ভোগ কৰা কাৰ্য্যত তেওঁ হাতৰ পৰা মালা থব পাৰে; কিন্তু প্ৰয়োজনমতে যাঁত ঘূৰোৱা বা দৰিদ্ৰৰ সেৱাৰ কাৰণে তেওঁ হাতৰপৰা মালা কেতিয়াও এৰিব নোৱাৰে।

এই দুয়োদলৰ লোককেই গীতাই পৰিষ্কাৰকৈ কৈ দিছে—"কৰ্ম্ম বিনে সিদ্ধিলাভ সম্ভৱপৰ নহয়। জনক আদি ৰাজৰ্ষিও কৰ্ম্মৰ দ্বাৰাইহে জ্ঞানী হৈছিল। যদি ময়ো (ভগৱানে) আশা ৰহিত হৈ কৰ্ম্ম নকৰাকৈ থাকোঁ তেন্তে এই লোকসকল নাশ হৈ যাব।" এনে অৱস্থাত মানুহৰ আৰু সুধিবলৈ কি বাকী আছে ?

কিন্তু এফালৰপৰা চালে কৰ্ম্ম মাত্ৰেই বন্ধনস্বৰূপ, এই কথা নিৰ্ব্বিবাদে স্বীকাৰ্য্য। আনপিনে চালে দেখা যায় যে দেহীয়ে ইচ্ছাতেই হওক বা অনিচ্ছাতেই হওক কৰ্ম্ম কৰি গৈ আছে। শাৰীৰিক বা মানসিক চেষ্টা মাত্ৰই কৰ্ম্ম। তেন্তে কৰ্ম্ম কৰি থাকোঁতেও মানুহ কেনেকৈ বন্ধনমুক্ত হৈ থাকে ? সমস্যাৰ সমাধান শ্ৰীগীতাই যেনে ধৰণেৰে কৰিছে আন কোনো ধৰ্ম্মগ্ৰন্থই তেনেভাৱে কৰা বুলি মোৰ অভিজ্ঞতা নাই। গীতাই কৈছে "ফলাসক্তি পৰিত্যাগ কৰি কৰ্ম্ম কৰা।" "আশাৰহিত হৈ কৰ্ম্ম কৰা," "নিষ্কাম হৈ কৰ্ম্ম কৰা।" গীতাৰ এয়ে পাহৰিব নলগীয়া ধ্বনি। যিজনে কৰ্ম্ম ত্যাগ কৰে, তেওঁৰ পতন হয়; কৰ্ম্ম কৰিও যিজনে তাৰ ফল ত্যাগ কৰে তেওঁৰেই উত্থান হয়। ইয়াত ফলত্যাগ মানে "ত্যাগী লোকে ফল নাপায়" এনে অৰ্থ যেন কোনেও নকৰে। গীতাত এনে অৰ্থৰ ঠাই ক'তো নাই। ফল-ত্যাগৰ অৰ্থ হৈছে ফল সম্বন্ধে আসক্তিৰ অভাৱ। আচলতে ফলত্যাগীয়ে হাজাৰ গুণে ফল পায়। গীতাৰ ফলত্যাগত অখণ্ড শ্ৰদ্ধাৰ পৰীক্ষা আছে।

যি লোকে পৰিণামৰ কথা ভাবি কৰ্ম্ম কৰে তেওঁ অনেকবাৰ কৰ্ম্ম আৰু কৰ্ত্তব্যভ্ৰষ্ট হয়। তাৰপৰা তেওঁ অধীৰ হয়, আৰু তাৰপৰা ক্ৰোধৰ বশ হৈ পৰে আৰু পিছত কৰিব নলগা কামো কৰিবলৈ ধৰে। তেওঁ এটা কামৰ পৰা দ্বিতীয় কৰ্ম্মলৈ আৰু দ্বিতীয়ৰপৰা তৃতীয় কৰ্ম্মত লাগেগৈ (অৰ্থাৎ অনিচ্ছাতো নিপতিত হয়)। পৰিণাম চিন্তা কৰা লোকৰ অৱস্থা বিষয়ত অন্ধ হোৱা লোকৰ অৱস্থাৰ দৰে হয়। বিষয়ী লোকৰ দৰে ভাল-বেয়া, নীতি-

অনীতিৰ বিবেক-বুদ্ধি পৰিত্যাগ কৰে আৰু ফল পাবৰ কাৰণে মনে-প্ৰাণে চেষ্টা কৰে আৰু ইয়াকেই ধৰ্ম্ম বুলি মানে।

ফলাসক্তিৰ এনে কটু পৰিণামৰ পৰা গীতাকাৰে অনাসক্তি অৰ্থাৎ কৰ্ম্ম-ফলত্যাগৰ সিদ্ধান্ত উপস্থিত কৰি ইয়াক জনতাৰ আগত অত্যন্ত চিত্তাকৰ্ষক ভাষাৰে তুলি ধৰিছে। সাধাৰণতঃ ধৰ্ম্ম আৰু অৰ্থ পৰস্পৰ বিৰোধী বস্তু বুলিয়েই ধৰা হয়। "বেপাৰ-বাণিজ্য আদি কামত আৰু লৌকিক ব্যৱহাৰত ধৰ্ম্মৰ ঠাই হ'ব নোৱাৰে, ধৰ্ম্মৰ ব্যৱহাৰ কেৱল মোক্ষৰ কাৰণেহে হ'ব পাৰে। ধৰ্ম্মৰ ঠাইত ধৰ্ম্ম শোভা পায় আৰু কৰ্ম্মৰ ঠাইত কৰ্ম্ম।" মোৰ মনেৰে গীতাই এই ভ্ৰম দূৰ কৰি দিছে। যি ধৰ্ম্ম ব্যৱহাৰলৈ আনিব নোৱাৰি সি ধৰ্ম্মই নহয়—এনে ধৰণৰ ভাবহে গীতাত আছে বুলি মোৰ মনে ধৰে। অৰ্থাৎ গীতাৰ মতানুসাৰে যি কৰ্ম্ম এনে ধৰণৰ যে তাক আসক্তি-শূন্য হৈ কৰিব নোৱাৰে, তেনে সকলো কৰ্ম্মই ত্যজ্য। এনে সোণালী নিয়মে মানুহক বহুতো ধৰ্ম্ম সঙ্কটৰপৰা ৰক্ষা কৰে। এনে অভিপ্ৰায় অনুসাৰে হত্যা, মিথ্যাচাৰ, ব্যভিচাৰ ইত্যাদি কৰ্ম্ম সহজে ত্যজ্য হৈ পৰে, মানুহৰ জীৱন সৰল হৈ পৰে আৰু এনে সৰলতাৰ পৰাই শান্তি উৎপন্ন হয়। ফলত্যাগৰ অৰ্থ এইটোও নহয় যে পৰিণামৰ সম্বন্ধে একেবাৰে একো ভাবিবই নালাগে। পৰিণাম আৰু সাধনা সম্বন্ধে বিচাৰ আৰু সেই বিষয়ৰ জ্ঞান অতি আৱশ্যক। ইয়াৰ পিছতো যি মানুহে পৰিণামৰ চিন্তা নকৰাকৈ সাধনাতেই তন্ময় হৈ থাকে তেৱঁই ফলত্যাগী পুৰুষ।

এইবিলাক কথা বিচাৰ কৰি মোৰ এনে ধাৰণা হৈছে যে গীতাৰ শিক্ষা ভালকৈ পালন কৰিবলৈ ইচ্ছুকসকলে সহজে সত্য আৰু অহিংসা পালন কৰিবই লাগিব। ফলাসক্তি নাথাকিলে মানুহৰ মিছা কথা কবলৈ ইচ্ছা—প্ৰবৃত্তি নহয়, নাইবা হিংসা কৰিবলৈকো প্ৰবৃত্তি নহয়। যিকোনো হিংসা বা অসত্যমূলক কাৰ্য্যকে বিচাৰ কৰি চালে এইটো বুজা যাব যে ইয়াৰ পিছত পৰিণামৰ অভিলাষ আছেই। কিন্তু অহিংসা প্ৰতিপাদন কৰাটো গীতাৰ বিষয় নহয়। গীতাকাৰৰ পূৰ্ব্বৰে পৰাই "অহিংসা পৰম ধৰ্ম্ম ৰূপে ভাৰতত গৃহীত হৈ আহিছিল। গীতাত অনাসক্তি যোগৰ সিদ্ধান্তকে প্ৰতিপাদন কৰা হৈছে। দ্বিতীয় অধ্যায়ত এই কথা স্পষ্টকৈ দেখুৱা হৈছে।

কিন্তু যদি গীতাৰ সিদ্ধান্ত অহিংসা বুলিয়েই মানি লোৱা হয় নাইবা অনাসক্তিৰ পৰাই যদি অহিংসা সহজেই নিহিত হৈ থাকে বুলি ধৰা হয়

তেন্তে গীতাকাৰে ভৌতিক যুদ্ধক কিয় উদাহৰণ ৰূপে হলেও প্ৰয়োগ কৰিব ?

গীতাযুগত অহিংসা ধৰ্ম্ম মানি লোৱা সত্বেও ভৌতিক যুদ্ধ অতি সাধাৰণ ঘটনা হোৱা বাবে গীতাকাৰৰ মনত এনে ধৰণৰ যুদ্ধ উদাহৰণ স্বৰূপে ব্যৱহাৰ কৰিবলৈ সঙ্কোচ হোৱা নাছিল আৰু হবও নোৱাৰিছিল।

কিন্তু ফলত্যাগৰ মহত্ব বিচাৰ কৰিবলৈ যাওঁতে গীতাকাৰৰ মনত কি ভাব আছিল তেওঁ অহিংসাৰ মৰ্য্যাদা কিমান পৰ্য্যন্ত নিৰ্ণয় কৰিছিল এই সম্বন্ধে বিচাৰ কৰিবৰ মোৰ একো আৱশ্যক নকৰে। কবিয়ে মহত্বপূৰ্ণ সিদ্ধান্তবিলাক জগতৰ আগত দাঙি ধৰে। ইয়াৰ পৰা এনে অৰ্থ বুজা নাযায় যে তেওঁ নিজে উপস্থিত কৰা সিদ্ধান্তবিলাকৰ মহত্ব নিজে সম্পূৰ্ণৰূপে জানে আৰু নিজে এটাইখিনি কথা ভাষাত প্ৰকাশ কৰিব পাৰিছে। ইয়াতেই কাব্য আৰু কবিৰ মহিমা। কবিৰ কাব্যৰ অৰ্থৰ অন্তই নাই। মানুহৰ ক্ৰমবিকাশৰ দৰেই মহাকাব্যৰো অৰ্থৰ বিকাশ ক্ৰমে হৈয়েই থাকে। ভাষাৰ ইতিহাস যদি বিচাৰ কৰি চোৱা যায় তেন্তে বুজিব পাৰি যে অনেক মহান শব্দৰ অৰ্থ নিতে নতুন হবই লাগিছে। এই কথা গীতাৰ শব্দবিলাকৰ অৰ্থ সম্বন্ধেও সত্য। গীতাকাৰে নিজেই মহান্ কঠিন শব্দবিলাকৰ অৰ্থ বহলাই ব্যাখ্যা কৰিছে। এই কথা গীতা ওপৰে ওপৰে চালেও বুজিব পাৰি। গীতাযুগৰ আগতে সম্ভৱতঃ যজ্ঞত পশুহিংসা প্ৰচলিত আছিল। কিন্তু গীতাৰ যজ্ঞত তাৰ কোনো নাম-গোন্ধেই নাই। গীতাত অৰ্থাৎ গীতাৰ মতে জপযজ্ঞই যজ্ঞৰ ৰজা। তৃতীয় অধ্যায়ত বৰ্ণনা কৰিছে যে যজ্ঞৰ অৰ্থ প্ৰধানতঃ পৰোপকাৰৰ কাৰণে কৰা শৰীৰৰ ব্যৱহাৰ। তৃতীয় আৰু চতুৰ্থ অধ্যায় মিলাই চালে তাৰ আৰো আন ব্যাখ্যাও উলিয়াব পৰা যায়। কিন্তু যজ্ঞৰ অৰ্থ যে পশু হিংসা সেইটো কোনো প্ৰকাৰে কৰিব নোৱাৰি। গীতাৰ "সন্ন্যাস" শব্দ সম্বন্ধেও এই কথাই খাটে। কৰ্ম্ম মাত্ৰকেই ত্যাগ, গীতাত সন্ন্যাসৰ অৰ্থ বুলি ভাবিবই নোৱাৰি। গীতাৰ সন্ন্যাসী অতিকৰ্ম্মী হৈও অতি অ-কৰ্ম্মী। এইদৰে গীতাকাৰে আমাক মহান শব্দবিলাকৰ আৰু ভাষাৰ অৰ্থ ব্যাপকভাৱে ব্যৱহাৰ কৰিবলৈ শিকাইছে। ভৌতিক যুদ্ধও যে সম্পূৰ্ণ কৰ্ম্মফল ত্যাগীৰ দ্বাৰায়ো হ'ব পাৰে এই কথা গীতাকাৰৰ ভাষাৰ প্ৰতি অক্ষৰে অক্ষৰে অৰ্থ কৰিব পাৰি। কিন্তু আজি ৪০ বছৰ সম্পূৰ্ণৰূপে গীতাৰ শিক্ষা কাৰ্য্যতঃ আচৰণ কৰিবলৈ কৰা চেষ্টাৰ পিছত মই নম্ৰতাপূৰ্ব্বক এনে কথাকে ক'ব লাগিব, যে সত্য আৰু অহিংসা পূৰ্ণৰূপে পালন কৰিব

নোৱাৰিলে মানুহৰ পক্ষে সম্পূৰ্ণ কৰ্ম্মফলত্যাগ অসম্ভৱ।

গীতা সূত্ৰগ্ৰন্থ নহয়। ই এখন মহান ধৰ্ম্মকাব্য। ইয়াৰ ভিতৰলৈ যিমানে প্ৰৱেশ কৰিব পাৰি তিমানেই নতুন আৰু সুন্দৰ অৰ্থ পোৱা যাব। গীতা জনসমাজৰ কাৰণে। সেই কাৰণে ইয়াত একেটা কথাকে অনেক প্ৰকাৰে বুজাই কোৱা হৈছে। এই কাৰণেই গীতাৰ মহান শব্দবিলাকৰ অৰ্থ যুগে যুগে সলনি বা পৰিৱৰ্ত্তিত হৈ আছে, আৰু বিস্তৃত হৈ যাবলৈ ধৰিছে। গীতাৰ মূলমন্ত্ৰ কিন্তু কেতিয়াও পৰিৱৰ্ত্তিত নহয় বা হোৱা নাই। এই মন্ত্ৰ যি ৰীতিৰেই সিদ্ধ কৰা হওক সেই ৰীতিমতে জিজ্ঞাসু (শিক্ষাৰ্থী) সকলে নিজ ইচ্ছামতে অৰ্থ কৰি লব পাৰে।

গীতা বিধি-নিষেধ নিৰ্দ্ধাৰণ কৰা গ্ৰন্থও নহয়। এজনৰ কাৰণে যিটো বিহিত হয় সেইটো আন এজনৰ কাৰণে নিষিদ্ধও হ'ব পাৰে। এক কাল আৰু এক দেশত যিটো বিহিত হয় সেইটো আন কাল আৰু আন দেশত নিষিদ্ধ হবও পাৰে। কিন্তু সৰ্ব্বত্ৰ নিষিদ্ধ কেৱল ফলাসক্তি আৰু বিহিত কেৱল অনাসক্তি।

গীতাত জ্ঞানৰ মহিমাও ভালকৈ প্ৰকাশ কৰা হৈছে। তথাপি গীতা বুদ্ধিগম্য নহয়, ই হৃদয়গম্য। সেই কাৰণে ই অশ্ৰদ্ধাবান লোকৰ কাৰণে নহয়। গীতাকাৰে কৈছে যিজন তপস্বী নহয়, যিজন ভক্ত নহয়, যিজনে শুনিবলৈ ইচ্ছা নকৰে আৰু যিজনে মোক দ্বেষ কৰে, তেওঁক এই জ্ঞানৰ কথা কেতিয়াও নকবা (১৮—৬৭)।

"কিন্তু এই পৰম গুহ্য-জ্ঞান যি মোৰ ভক্তক দিব তেওঁ মোক পৰম ভক্তি কৰাৰ কাৰণে নিঃসন্দেহে মোকেই পাব।" (১৮—৬৮।)

"আৰু যি মানুহে দ্বেষৰহিত হৈ কেৱল শ্ৰদ্ধাপূৰ্ব্বক শুনিব, তেৰোঁ মুক্ত হৈ য'ত পুণ্যবান লোকসকলে বাস কৰে, তেনে শুভলোক প্ৰাপ্ত হ'ব।" (১৮—৭১।)

কৌসানী (হিমালয়)<br>সোমবাৰ।<br>জেঠ, বডী ২, ১৯৮৫<br>তাং ২৪-৬-২৯

মোহনদাস কৰমচাঁদ গান্ধী

# অনাসক্তি যোগ

## প্ৰথম অধ্যায়

### অৰ্জ্জুন-বিষাদ-যোগ

"জিজ্ঞাসা" বিনে জ্ঞান হ'ব নোৱাৰে। দুখ বিনে সুখ নহয়। ধৰ্ম্মসঙ্কট —হৃদয়-মন্থন সকলো জিজ্ঞাসুৰে এবাৰ হবই।

ধৃতৰাষ্ট্ৰ উবাচ ॥

ধৰ্ম্মক্ষেত্ৰে কুৰুক্ষেত্ৰে সমৱেতা যুযুৎসৱ।
মামকাঃ পাণ্ডৱাশ্চৈব কিমকুৰ্ৱত সঞ্জয় ॥ ১ ॥

ধৃতৰাষ্ট্ৰই ক'লে, "হে সঞ্জয়! ধৰ্ম্মক্ষেত্ৰৰূপী কুৰুক্ষেত্ৰত যুদ্ধ কৰিবলৈ ইচ্ছা কৰি একেলগ হোৱা মোৰ আৰু পাণ্ডৱৰ পুত্ৰসকলে কি কৰিলে, মোক কোৱা।" (১)

টিপ্পনীঃ—এই শৰীৰ-ৰূপী ক্ষেত্ৰই ধৰ্ম্মক্ষেত্ৰ, কিয়নো ই মোক্ষৰ দ্বাৰ হব পাৰে। পাপৰ পৰাই ইয়াৰ উৎপত্তি আৰু ই পাপৰে পাত্ৰ হৈ থাকে। এই কাৰণে ইয়াক কুৰুক্ষেত্ৰ বুলিও কোৱা হৈছে।

কৌৰৱ মানে আসুৰী প্ৰবৃত্তিবিলাক আৰু পাণ্ডুপুত্ৰ মানে দৈৱী প্ৰবৃত্তি-বিলাক। প্ৰত্যেক শৰীৰতেই ভাল আৰু বেয়া প্ৰবৃত্তিৰ ভিতৰত যুদ্ধ চলিয়েই আছে; এইটো কোনে অনুভৱ কৰা নাই?

সঞ্জয় উবাচ ॥

দৃষ্ট্বা তু পাণ্ডৱানীকং ব্যূঢ়ং দুৰ্য্যোধনস্তদা।
আচাৰ্য্যমুপসঙ্গম্য ৰাজা ৱচনমব্ৰৱীৎ ॥ ২ ॥

সঞ্জয়ে ক'লে, "এনে সময়ত পাণ্ডৱসকলৰ সেনা সজ্জিত হৈ থকা দেখি দুৰ্য্যোধনে আচাৰ্য্য দ্ৰোণৰ ওচৰলৈ গৈ ক'লে ॥ ২ ॥

পশ্যৈতাং পাণ্ডুপুত্ৰাণামাচাৰ্য্য মহতীং চমূম্।
ব্যূঢ়াং দ্ৰুপদপুত্ৰেণ তৱ শিষ্যেণ ধীমতা ॥ ৩ ॥

'হে আচাৰ্য্য! আপোনাৰ বুদ্ধিমান শিষ্য দ্ৰুপদপুত্ৰ ধৃষ্টদ্যুম্নৰ দ্বাৰা সজ্জিত কৰা বিশাল সেনানি চাই লওক ॥' ৩ ॥

অত্র শূৰা মহেষ্বাসা ভীমাৰ্জ্জুনসমা যুধি।
যুযুধানো ৱিৰাটশ্চ দ্রুপদশ্চ মহাৰথঃ ॥৪॥
ধৃষ্টকেতুশ্চেকিতানঃ কাশিৰাজশ্চ ৱীৰ্য্যৱান্।
পুৰুজিৎ কুন্তিভোজশ্চ শৈব্যশ্চ নৰপুঙ্গবঃ ॥৫॥
যুধামন্যুশ্চ ৱিক্রান্ত উত্তমৌজাশ্চ ৱীৰ্য্যৱান্।
সৌভদ্রো দ্রৌপদেয়াশ্চ সৰ্ব এৱ মহাৰথাঃ ॥৬॥

"ইয়াত ভীম আৰু অৰ্জ্জুন, যিসকল যুদ্ধত শূৰবীৰ, ধনুৰ্দ্ধৰ, যুযুধান (সাত্যকি) বিৰাট আৰু মহাৰথী দ্রুপদৰাজ, ধৃষ্টকেতু, চেকিতান, শূৰবীৰ কাশিৰাজ, পুৰুজিত, কুন্তিভোজ, মনুষ্যশ্রেষ্ঠ শৈব্য, সেইদৰেই পৰাক্রমী যুধামন্যু, বলবান উত্তমৌজা, সুভদ্রাপুত্র (অভিমন্যু) আৰু দ্রৌপদীৰ পুত্রসকল,—এই আটাইবিলাকেই মহাৰথী ॥৪।৫।৬॥

অস্মাকন্তু ৱিশিষ্টা যে তান্ নিবোধ দ্বিজোত্তম।
নায়কা মম সৈন্যস্য সংজ্ঞার্থং তান্ ব্রৱীমি তে ॥৭॥

"হে ব্রাহ্মণশ্রেষ্ঠ, এতিয়া আমাৰ ফালৰ যিবিলাক মুখ্যযোদ্ধা, সেই সকলকো আপুনি জানি লওক। আপুনি জানিবৰ কাৰণে মই নিজৰ সেনা-নায়কসকলৰ নাম উল্লেখ কৰোঁ ॥৭॥

ভৱান্ ভীষ্মশ্চ কৰ্ণশ্চ কৃপশ্চ সমিতিঞ্জয়ঃ।
অশ্বত্থামা ৱিকৰ্ণশ্চ সৌমদত্তিস্তথৈৱ চ ॥৮॥
অন্যে চ বহৱঃ শূৰা মদৰ্থে ত্যক্তজীৱিতাঃ।
নানাশস্ত্রপ্রহৰণাঃ সৰ্বে যুদ্ধৱিশাৰদাঃ ॥৯॥

"আপুনি ভীষ্ম, কৰ্ণ, যুদ্ধজয়ী কৃপাচাৰ্য্য, অশ্বত্থামা, বিকৰ্ণ আৰু সোমদত্তৰ পুত্র ভুৰিশ্রবা, সেইদৰেই শত্রুৰ লগত নানাপ্রকাৰে যুদ্ধ কৰিব পৰা শূৰবীৰ আছে, যিসকলে মোৰ নিমিত্তে প্রাণ দিবলৈ প্রস্তুত আছে। এই সকলোৱেই যুদ্ধত কৌশলী অৰ্থাৎ সুনিপুণ ॥৮।৯॥

অপৰ্য্যাপ্তং তদস্মাকং বলং ভীষ্মাভিৰক্ষিতম্।
পৰ্য্যাপ্তং ত্বিদমেতেষাং বলং ভীমাভিৰক্ষিতম্ ॥১০॥

"ভীষ্মৰ দ্বাৰা ৰক্ষিত আমাৰ সেনাৰ বল পৰ্য্যাপ্ত নহয়, কিন্তু ভীমৰ দ্বাৰা ৰক্ষিত তেওঁলোকৰ সেনাৰ বল পৰিপূৰ্ণ হৈ আছে ॥১০॥

অয়নেষু চ সৰ্বেষু যথাভাগমৱস্থিতাঃ।
ভীষ্মমেৱাভিৰক্ষন্তু ভৱন্তঃ সৰ্ব এৱ হি ॥১১॥

"সেইকাৰণে আপোনাসকলে নিজ নিজ স্থানৰ পৰা সকলো উপায়েৰে, ভীষ্ম পিতামহক ভালকৈ ৰক্ষা কৰিব।" (এইদৰে দুৰ্য্যোধনে কলে) ॥১১॥

তস্য সংজনয়ন্ হৰ্ষং কুৰুবৃদ্ধঃ পিতামহঃ।
সিংহনাদং ৱিনদ্যোচ্চৈঃ শঙ্খং দধ্মৌ প্ৰতাপৱান্ ॥১২॥
ততঃ শঙ্খাশ্চ ভেৰ্য্যশ্চ পণৱানকগোমুখাঃ।
সহসৈৱাভ্যহন্যন্ত স শব্দস্তুমুলোঽভৱৎ ॥১৩॥

তাৰ পিছত এইদৰে উৎসাহিত হৈ কুৰুবৃদ্ধ প্ৰপিতামহ ভীষ্মদেৱে উচ্চৈস্বৰে সিংহনাদ কৰি শঙ্খ বজালে। ইয়াৰ পাছত শঙ্খ, নাগাৰা, ঢোল, মৃদঙ্গ আৰু ৰণভেৰী বাজি উঠিল। এই শব্দ অতি ভয়ঙ্কৰ হৈ উঠিল ॥ ১২।১৩॥

ততঃ শ্বেতৈৰ্হয়ৈৰ্যুক্তে মহতি স্যন্দনে স্থিতৌ।
মাধৱঃ পাণ্ডৱশ্চৈৱ দিৱ্যৌ শঙ্খৌ প্ৰদধ্মতুঃ ॥১৪॥

এনেতে বগা ঘোঁৰাৰ বিশাল ৰথৰ ওপৰত উঠি শ্ৰীকৃষ্ণ আৰু অৰ্জ্জুনে দিব্যশঙ্খ বজালে॥ ১৪ ॥

পাঞ্চজন্যং হৃষীকেশো দেৱদত্তং ধনঞ্জয়ঃ।
পৌণ্ড্ৰং দধ্মৌ মহাশঙ্খং ভীমকৰ্ম্মা ৱাকোদৰঃ ॥১৫॥
অনন্তৱিজয়ং ৰাজা কুন্তীপুত্ৰো যুধিষ্ঠিৰঃ।
নকুলঃ সহদেৱশ্চ সুঘোষমণিপুষ্পকৌ ॥১৬॥

শ্ৰীকৃষ্ণই 'পাঞ্চজন্য' নামৰ শঙ্খ বজালে। অৰ্জ্জুনে 'দেবদত্ত' শঙ্খ বজালে। ভয়ঙ্কৰ কৰ্ম্মী ভীমে 'পৌণ্ড্ৰ' নামৰ মহাশঙ্খ বজালে। কুন্তীপুত্ৰ ৰজা যুধিষ্ঠিৰে 'অনন্ত বিজয়' নামক শঙ্খ বজালে আৰু নকুলে 'সুঘোষ' আৰু সহদেৱে 'মণিপুষ্পক' নামক শঙ্খ বজালে ॥ ১৫।১৬ ॥

কাশ্যশ্চ পৰমেষ্বাসঃ শিখণ্ডী চ মহাৰথঃ।
ধৃষ্টদ্যুম্নো ৱিৰাটশ্চ সাত্যকিশ্চাপৰাজিতঃ ॥১৭॥
দ্ৰুপদো দ্ৰৌপদেয়াশ্চ সৰ্ৱশঃ পৃথিৱীপতে।
সৌভদ্ৰশ্চ মহাবাহুঃ শঙ্খান্ দধ্মুঃ পৃথক পৃথক ॥১৮॥

প্ৰধান ধনুৰ্দ্ধাৰী কাশিৰাজ, মহাৰথী শিখণ্ডী, ধৃষ্টদ্যুম্ন, বিৰাটৰাজ, অজেয় সাত্যকি, দ্ৰুপদৰাজ, দ্ৰৌপদীৰ পুত্ৰ, সুভদ্ৰাৰ পুত্ৰ মহাবাহু অভিমন্যু, এই আটাইকেইজনে নিজ নিজ শঙ্খ বজালে ॥ ১৭।১৮।

স ঘোষো ধাৰ্ত্তৰাষ্ট্ৰাণাং হৃদয়ানি ৱ্যদাৰয়ৎ
নভশ্চ পৃথিৱীঞ্চৈৱ তুমুলোব্যনুনাদয়ন্ ॥১৯॥

পৃথিৱী আৰু আকাশভেদী প্ৰতিধ্বনিত হোৱা ভয়ঙ্কৰ শব্দত কৌৰৱৰ হৃদয় বিদীৰ্ণ কৰি তুলিলে ॥ ১৯ ॥

অথ ব্যৱস্থিতান্ দৃষ্টা ধাৰ্ত্তৰাষ্ট্ৰান্ কপিধ্বজঃ ।
প্ৰবৃত্তে শস্ত্ৰ সম্পাতে ধনুৰুদ্যম্য পাণ্ডৱঃ ॥২০॥
হৃষীকেশং তদা ৱাক্যমিদমাহ মহীপতে ।
সেনয়োৰুভয়োৰ্মধ্যে ৰথং স্থাপয় মেহচ্যুত ॥২১॥

হে ৰাজন্, হনুমান অঙ্কিত ধ্বজাই সৈতে অৰ্জ্জুনে কৌৰৱসকলক সুসজ্জিত দেখি আৰু অস্ত্ৰ চালনাৰ্থে উদ্যত হোৱাৰ সময়ত নিজৰ ধনু তুলি লৈ হৃষীকেশক এইদৰে কবলৈ ধৰিলে । অৰ্জ্জুনে ক'লে, "হে অচ্যুত আমাৰ ৰথখন নি দুয়ো সেনানীৰ মাজত থিয় কৰক ।"

যাৱদেতান্নিৰীক্ষেঽহং যোদ্ধু কামানৱস্থিতান্ ।
কৈৰ্ম্ময়া সহ যোদ্ধব্যমস্মিন্ ৰণসমুদ্যমে ॥২২॥
যোৎস্যমানানৱেক্ষেঽহং য় এতেঽত্ৰ সমাগতাঃ ।
ধাৰ্ত্তৰাষ্ট্ৰস্য দুৰ্ব্বুদ্ধেৰ্যুদ্ধে প্ৰিয়চিকীৰ্ষৱঃ ॥২৩॥

"যাতে যুদ্ধ কৰিবলৈ ইচ্ছা কৰি থিয় হোৱা লোকবিলাকক মই চাই লব পাৰোঁ আৰু জানিব পাৰোঁ- এই সংগ্ৰামত মই কাৰ লগত যুদ্ধ কৰিব লাগিব । ২২ । যুদ্ধত দুৰ্ব্বুদ্ধি দুৰ্য্যোধনৰ হিত কৰিবলৈ ইচ্ছা কৰা যিসকল যোদ্ধা একত্ৰিত হৈছে,--সেইবিলাকক মই ঠিক দেখিবলৈ পাইছোঁ ॥ ২৩ ॥

সঞ্জয় উবাচঃ—

এৱমুক্তো হৃষীকেশো গুড়াকেশেন ভাৰত !
সেনয়োৰুভয়োৰ্মধ্যে স্থাপয়িত্বা ৰথোত্তমম্ ॥২৪॥
ভীষ্মদ্ৰোণপ্ৰমুখতঃ সৰ্ব্বেষাঞ্চ মহীক্ষিতাম্ ।
উৱাচ পাৰ্থ পশ্যৈতান্ সমৱেতান্ কুৰূনিতি ॥২৫॥

সঞ্জয়ে ক'লে, "হে ৰাজন্, যেতিয়া অৰ্জ্জুনে শ্ৰীকৃষ্ণক এইদৰে ক'লে, তেতিয়া শ্ৰীকৃষ্ণই উভয় সেনানীৰ মাজত, সমস্ত ৰজাসকল, আৰু ভীষ্ম-দ্ৰোণৰ সন্মুখত উত্তম ৰথ থিয় কৰি ক'লে, 'হে পাৰ্থ, সৌ একত্ৰিত হোৱা কৌৰৱ-সকলৈ চোৱা ॥" ২৪।২৫ ॥

তত্ৰাপশ্যৎ স্থিতান্ পাৰ্থঃ পিতৃনথ পিতামহান্ ।
আচাৰ্য্যান্মাতুলান্ ভ্ৰাতৃন্ পুত্ৰান্ পৌত্ৰান্ সখীংস্তথা ।
শ্বশুৰান্ সুহৃদশ্চৈৱ সেনয়োৰুভয়োৰপি ॥২৬॥

তান্ সমীক্ষ্য স কৌন্তেয়ঃ সৱান্ বন্ধুনৱস্থিতান্ ।
কৃপয়া পৰয়াৱিষ্টো ৱিষীদন্নিদমব্ৰৱীৎ ।
দৃষ্টেমান্ স্বজনান্ কৃষ্ণ ! যুযুৎসূন্ সমবস্থিতান্ ॥২৭॥

ইয়াৰ পৰা দুয়ো সেনানীৰ মাজত উপস্থিত থকা অতিবৃদ্ধ পিতামহ, আচাৰ্য্য, মামা, ভাই, পুত্ৰ, পৌত্ৰ, মিত্ৰ, শহুৰ আৰু মৰমৰ সকলোকে অৰ্জ্জুনে দেখা পালে। এই সকল বান্ধৱক তেওঁ থিয়হৈ থকা দেখি দুখিত হৈ দীনতা অনুভৱ কৰি এইদৰে ক'বলৈ ধৰিলে

সীদন্তি মম গাত্ৰাণি মুখঞ্চ পৰিশুষ্যতি ॥
ৱেপথুশ্চ শৰীৰে মে ৰোমহৰ্ষশ্চ জায়তে ॥ ২৮-২৯॥

অৰ্জ্জুনে ক'লে, "হে কৃষ্ণ! যুদ্ধ কৰিবলৈ ইচ্ছা কৰি একত্ৰিত হোৱা এই স্বজন আৰু মৰমৰ সকলোকে দেখি মোৰ অঙ্গ অচল হৈ গৈছে, মুখ শুকাই গৈছে, শৰীৰ কঁপিবলৈ ধৰিছে আৰু গাৰ নোম থিয় হৈ উঠিছে। ২৮ৰ দ্বিতীয় পংক্তি। ২৯ ॥

গাণ্ডীৱং স্ৰংসতে হস্তাৎ ত্বক্ চৈৱ পৰিদহ্যতে ।
ন চ শক্নোম্যৱস্থাতুং ভ্ৰমতীৱ চ মে মনঃ ॥৩০॥

"হাতৰ পৰা গাণ্ডীৱ ধনু খহি পৰি গৈছে, অঙ্গ পুৰি যোৱাৰ দৰে লাগিছে, মই থিয় হৈ থাকিব নোৱাৰা হৈছোঁ— কাৰণ মোৰ মূৰটো ঘূৰিবলৈ ধৰিছে ॥৩০॥

নিমিত্তানি চ পশ্যামি ৱিপৰীতানি কেশৱ ।
ন চ শ্ৰেয়োঽনুপশ্যামি হত্বা স্বজনমাহৱে ॥৩১॥

"আৰু হে কেশৱ। মইতো বিপৰীত চিনবিলাক দেখিবলৈ পাইছোঁ। যুদ্ধত মোৰ স্বজন সকলক মাৰি মই একো লাভ দেখা নাই ॥ ৩১ ॥

ন কাঙ্ক্ষে ৱিজয়ং কৃষ্ণ ন চ ৰাজ্যং সুখানি চ ।
কিং নো ৰাজ্যেন গোবিন্দ কিং ভোগৈৰ্জীৱিতেন ৱা ॥৩২॥

"তেওঁলোকক মাৰি মই বিজয় ইচ্ছা নকৰোঁ। ৰাজ্য আৰু সুখকো ইচ্ছা নকৰোঁ। হে গোবিন্দ! মোৰ নিমিত্তে ৰাজ্য, ভোগ নাইবা জীয়াই থাকি কি কাম? ॥ ৩২ ॥

যেষামৰ্থে কাঙ্ক্ষিতং নো ৰাজ্যং ভোগাঃ সুখানি চ ।
ত ইমেঽৱস্থিতা যুদ্ধে প্ৰাণাংস্ত্যক্ত্বা ধনানি চ ॥৩৩॥
আচাৰ্য্যাঃ পিতৰঃ পুত্ৰাস্তথৈৱ চ পিতামহাঃ ।
মাতুলাঃ শ্বশুৰাঃ পৌত্ৰাঃ শ্যালাঃ সম্বন্ধিনস্তথা ॥৩৪॥

"যিসকলৰ কাৰণে মই ৰাজ্য, ভোগ আৰু সুখ বিচাৰিছিলোঁ, সেই আচাৰ্য্য, খুড়া, পুত্ৰ, পিতামহ, মামা, শহুৰ, নাতি, খুলশালি আৰু আন সম্বন্ধীয়সকলে ধন আৰু জীৱনৰ আশা পৰিত্যাগ কৰি যুদ্ধ কৰিবলৈ থিয় হৈ আছে ॥৩৩-৩৪॥

এতান্ন হন্তুমিচ্ছামি ঘ্নতোঽপি মধুসূদন ।
অপি ত্ৰৈলোক্যৰাজ্যস্য হেতোঃ কিংনু মহীকৃতে ॥৩৫॥

"যদি এওঁলোকে মোক মাৰিও পেলায় নাইবা যদি মই ত্ৰিভুবনো লাভ কৰোঁ তথাপি হে মধুসূদন, মই এওঁলোকক মাৰিব নোৱাৰোঁ। এনে অৱস্থাত এক খণ্ড ভূমিৰ কাৰণে মই কেনেকৈ তেওঁলোকক মাৰোঁ ? ৩৫ ॥

নিহত্য ধাৰ্ত্তৰাষ্ট্ৰান্ নঃ কা প্ৰীতিঃ স্যাজ্জনাৰ্দ্দন ।
পাপমেৱাশ্ৰয়েদস্মান হত্বৈতানাততায়িনঃ ॥৩৬॥

"হে জনাৰ্দ্দন, ধৃতৰাষ্ট্ৰপুত্ৰক বধ কৰি মোৰ কি আনন্দ হ'ব ? এই আততায়ী সকলক মাৰিলে মোৰ পাপহে হ'ব ॥ ৩৬ ॥

তস্মান্নাহা ৱয়ং হন্তুং ধাৰ্ত্তৰাষ্ট্ৰান্ স্ববান্ধৱান্ ।
স্বজনং হি কথং হত্বা সুখিনঃ স্যাম মাধৱ ॥৩৭॥

"সেই কাৰণে হে মাধৱ, এইটো উচিত নহয় যে মই নিজৰ বান্ধৱ ধৃতৰাষ্ট্ৰ-পুত্ৰসকলক বধ কৰোঁ। স্বজনক মাৰি মই কেনেকৈ সুখী হ'ব পাৰো ? ৩৭ ॥

যদ্যপ্যেতে ন পশ্যন্তি লোভোপহতচেতসঃ ।
কুলক্ষয়কৃতং দোষং মিত্ৰদ্ৰোহে চ পাতকম্ ॥৩৮॥
কথং ন জ্ঞেয়মস্মাভিঃ পাপাদস্মান্নিৱৰ্ত্তিতুম ।
কুলক্ষয়কৃতং দোষং প্ৰপশ্যদ্ভিৰ্জনাৰ্দ্দন । ॥৩৯॥

"লোভৰ কাৰণে চিত্ত মলিন হৈ যোৱা লোকে হয়তো কুলনাশৰ পৰা হোৱা দোষ নাইবা মিত্ৰদ্ৰোহ পাপ ভালকৈ নাপাবও পাৰে ; কিন্তু হে জনাৰ্দ্দন, আমি, যিসকলে কুলনাশৰ পৰা উদ্ভৱ হোৱা দোষ বুজি পাওঁ (সেইসকলে) কিয় এই পাপৰ পৰা ৰক্ষা পৰিবলৈ চেষ্টা নকৰিম ? ৩৮।৩৯ ॥

কুলক্ষয়ে প্ৰণশ্যন্তি কুলধৰ্ম্মাঃ সনাতনাঃ ।
ধৰ্ম্মে নষ্টে কুলং কৃৎস্নমধৰ্ম্মোঽভিভৱত্যুত ॥৪০॥

"কুলনাশ হলে সনাতন কুলধৰ্ম্ম নাশ হয় আৰু ধৰ্ম্ম নাশ হলে সমস্ত কুলকেই অধৰ্ম্মই বুৰাই দিয়ে ॥ ৪০ ॥

অধৰ্ম্মাভিভৱাৎ কৃষ্ণ প্ৰদুষ্যন্তি কুলস্ত্ৰীয়ঃ ।
স্ত্ৰীষু দুষ্টাসু ৱাষ্ণেয় জায়তে ৱৰ্ণসঙ্কৰঃ ॥৪১॥

"হে কৃষ্ণ, অধৰ্ম্মৰ বৃদ্ধি হলে কুলস্ত্ৰীসকল পতিত হয় আৰু তেওঁলোক পতিত হলে বৰ্ণসঙ্কৰ জন্মে ॥ ৪১ ॥

সঙ্কৰো নৰকায়ৈব কুলঘ্নানাং কুলস্য চ ।
পতন্তি পিতৰো হ্যেষাং লুপ্তপিণ্ডোদকক্ৰিয়াঃ ॥৪২॥

"এনে ধৰণৰ বৰ্ণসঙ্কৰৰ পৰা কুলঘাতকৰ আৰু তাৰ কুলৰ নৰকবাস হয় আৰু পিণ্ডোদক ইত্যাদি ক্ৰিয়াৰ পৰা বঞ্চিত হোৱাৰ ফলত পিতৃপুৰুষবো অধোগতি হয় ॥ ৪২ ॥

দোষৈৰেতৈঃ কুলঘ্নানাং ৱৰ্ণসঙ্কৰকাৰকৈঃ ।
উৎসাদ্যন্তে জাতিধৰ্ম্মাঃ কুলধৰ্ম্মাশ্চ শাশ্বতাঃ ॥৪৩॥

'কুলঘাতক লোকবিলাকে এই বৰ্ণসঙ্কৰ উৎপাদন কৰা দোষৰ কাৰণে সনাতন জাতিধৰ্ম্ম আৰু কুলধৰ্ম্মও নাশ হয় ॥ ৪৩ ॥

উৎসন্নকুলধৰ্ম্মাণাং মনুষ্যাণাং জনাৰ্দ্দন ! ।
নৰকে নিয়তং ৱাসো ভৱতীত্যনুশুশ্ৰুম ॥৪৪॥
অহোৱত মহৎ পাপং কৰ্ত্তুং ৱ্যৱসিতা ৱয়ম্ ।
যদ্ৰাজ্যসুখলোভেন হন্তুং স্বজনমুদ্যতাঃ ॥৪৫॥

"হে জনাৰ্দ্দন ! যাৰ কুলধৰ্ম্ম নাশ হয়, তেনেলোকৰ নিশ্চয় নৰকবাস হয়, এইদৰে আমি শুনি আহিছোঁ । ৪৪ । আহা, ই কেনে দুখৰ কথা যে আমি মহাপাপ কৰিবলৈ প্ৰস্তুত হৈছোঁ । অৰ্থাৎ ৰাজ্যসুখৰ লোভত স্বজনক মাৰিবলৈ সাজু হৈছোঁ ॥ ৪৫ ॥

যদি মাম প্ৰতীকাৰমশস্ত্ৰং শস্ত্ৰপাণয়ঃ ।
ধাৰ্ত্তৰাষ্ট্ৰা ৰণে হন্যুস্তন্মে ক্ষেমতৰং ভৱেৎ ॥৪৬॥

"নিৰস্ত্ৰ আৰু যুদ্ধত সম্মুখীন হবলৈ ইচ্ছা নকৰা বাবে মোক যদি সশস্ত্ৰ ধৃতৰাষ্ট্ৰ পুত্ৰই মাৰিও পেলায়, সিয়ো মোৰপক্ষে কল্যাণকাৰক হ'ব ॥"৪৬ ॥

সঞ্জয় উবাচ :—

এৱমুক্ত্বাৰ্জ্জুনঃ সংখ্যে ৰথোপস্থ উপাৱিশৎ ।
ৱিসৃজ্য সশৰং চাপং শোকসংৱিগ্নমানসঃ ॥৪৭॥

সঞ্জয়ে ক'লে, "এইদৰে কৈ ৰণক্ষেত্ৰত শোকত ব্যাকুল হৈ অৰ্জ্জুনে ধনুশৰ এৰি পৈথে ৰথৰ পিছ ভাগত বহিলগৈ ॥" ৪৭ ॥

ওঁ তৎসৎ

'এইদৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যাঅন্তৰ্গত যোগ শাস্ত্ৰৰ শ্ৰীকৃষ্ণ-অৰ্জ্জুন সংবাদৰ অৰ্জ্জুন-বিষাদ নামক প্ৰথম অধ্যায় সমাপ্ত হ'ল ॥—'

## দ্বিতীয় অধ্যায়

## সাংখ্য-যোগ

মোহবশ হৈ মানুহে অধৰ্ম্মক ধৰ্ম্ম বুলি ভাবে। মোহৰ কাৰণে অৰ্জ্জুনে আপোন-পৰ ভেদ কৰিছিল। এই ভেদ যে মিছা, ইয়াকে দেখুৱাবলৈ শ্ৰীকৃষ্ণই দেহ আৰু আত্মাৰ বিভিন্নতা বুজাইছিল। দেহৰ অনিত্যতা আৰু পৃথকতা, আৰু আত্মাৰ নিত্যতা আৰু তাৰ একত্ব বুজাইছিল। মানুহ কেৱল পুৰুষাৰ্থৰহে অধিকাৰী, পৰিণামৰ নহয়। সেই কাৰণে মানুহে নিজৰ কৰ্ত্তব্য নিশ্চিত কৰি, নিশ্চিন্তভাৱে তাতে লাগি থকাই উচিত। এনে আচৰণৰ পৰা তেওঁ মোক্ষ পাব পাৰে।

সঞ্জয় উবাচঃ—

তং তথা কৃপয়াৱিষ্টমশ্ৰুপূৰ্ণাকুলেক্ষণম্।
ৱিষীদন্তমিদং ৱাক্যমুৱাচ মধুসূদনঃ ॥১॥

সঞ্জয়ে ক'লে, "কৰুণাভাৱত দুখিত হৈ থকা আৰু অশ্ৰুপূৰ্ণ নেত্ৰেৰে ব্যাকুল হৈ থকা অৰ্জ্জুনক মধুসূদনে এইদৰে ক'লে।

শ্ৰীভগবান উবাচঃ—

কুতস্ত্বা কশ্মলমিদং ৱিষমে সমুপস্থিতম্।
অনাৰ্য্যজুষ্টমস্বৰ্গ্যমকীৰ্ত্তিকৰমৰ্জ্জুন ॥২॥

শ্ৰীভগবানে ক'লে, "হে অৰ্জ্জুন, শ্ৰেষ্ঠ পুৰুষৰ অযোগ্য, স্বৰ্গৰ পৰা বিমুখিত কৰা আৰু অপযশকাৰী এই মোহ এনে বিষম সময়ত তোমাৰ কেনেকৈ উপস্থিত হ'ল ? ২॥

ক্লৈব্যং মা স্ম গমঃ পাৰ্থ নৈতৎ ত্বয্যুপপদ্যতে।
ক্ষুদ্ৰং হৃদয়দৌৰ্ব্বল্যং ত্যক্তোত্তিষ্ঠ পৰন্তপ ॥৩॥

"হে পাৰ্থ, তুমি ক্লীৱ নহবা। এইটো তোমাত শোভা নাপায়। হে পৰন্তপ! তোমাৰ হৃদয়ৰ ক্ষুদ্ৰ দুৰ্ব্বলতা ত্যাগ কৰি উঠা ॥৩॥

অৰ্জ্জুন উবাচঃ—

কথং ভীষ্মমহং সংখ্যে দ্ৰোণঞ্চ মধুসূদন।
ইষুভিঃ প্ৰতিযোৎস্যামি পূজাৰ্হাৱৰিসূদন ॥৪॥

অৰ্জ্জুনে ক'লে, "হে মধুসূদন, ৰণভূমিত মই ভীষ্ম আৰু দ্ৰোণক শৰেৰে কেনেকৈ বধ কৰোঁ? হে অৰিসূদন তেওঁলোক যে মোৰ পূজনীয় ॥৪॥

গুৰূনহত্বা হি মহানুভাৱান্
শ্ৰেয়ো ভোক্তুং ভৈক্ষ্যমপীহ লোকে।
হত্বাৰ্থকামাংস্তু গুৰূনিহৈৱ
ভূঞ্জীয় ভোগান্ ৰুধিৰপ্ৰদিগ্ধান্ ॥৫॥

"মহানুভৱ গুৰুজনক বধ নকৰাকৈ এই জগতত ভিক্ষা-অন্ন খোৱাও ভাল; কাৰণ গুৰুজনক বধ কৰি পোৱা অৰ্থ আৰু ভোগ তেওঁলোকৰ তেজেৰে ৰাঙলী হোৱাৰ দৰে হ'ব ॥৫॥

ন চৈতদ্বিদ্মঃ কতৰন্নো গৰীয়ো
যদ্বা জয়েম যদি ৱা নো জয়েয়ুঃ।
যানেৱ হত্বা ন জিজীৱিষাম
স্তেহৱস্থিতাঃ প্ৰমুখে্য ধাৰ্ত্তৰাষ্ট্ৰাঃ ॥৬॥

"মই ক'ব নোৱাৰোঁ, কোন জয়ী হোৱা ভাল। আমি তেওঁলোকক জয় কৰিলে, নে আমাক তেওঁলোকে জয় কৰিলে ভাল হ'ব—তাক ক'ব নোৱাৰোঁ। যাক মাৰি মই জীয়াই থাকিব নোখোজোঁ, তেনে ধৃতৰাষ্ট্ৰৰ পুত্ৰসকল মোৰ আগত থিয় হৈ আছে ॥৬॥

কাৰ্পণ্য দোষাপহতস্বভাবঃ
পৃচ্ছামি ত্বাং ধৰ্ম্মসংমূঢ়চেতাঃ।
যচ্ছ্ৰেয়ঃ স্যান্নিশ্চিতং ব্ৰূহি তন্মে
শিষ্যস্তেহহং শাধি মাং ত্বাং প্ৰপন্নম্ ॥৭॥

"কাৰ্পণ্য (দিনতা) দোষত মোৰ প্ৰবৃত্তি মৰি গৈছে। মই কৰ্ত্তব্য বিমূঢ় হৈ গৈছোঁ। সেই কাৰণে যি কৰিলে মোৰ হিত হয়, সেইটো নিশ্চিতৰূপে মোক ক'বলৈ আপোনাক প্ৰাৰ্থনা কৰিছোঁ। মই আপোনাৰ শিষ্য। আপোনাৰ শৰণ লৈছোঁহি। মোৰ পথ নিৰ্দ্দেশ কৰি দিয়ক ॥৭॥

ন হি প্ৰপশ্যামি মমাপনুদ্যাদ্
যচ্ছোকমুচ্ছোষণমিন্দ্ৰিয়াণাম্।
অৱাপ্য ভূমাৱসপত্নমৃদ্ধং
ৰাজ্যং সুৰাণামপি চাধিপত্যম্ ॥৮॥

"“এই জগতত ধনধান্য সম্পন্ন নিষ্কণ্টক ৰাজ্য আৰু ইন্দ্ৰাসন অৰ্থাৎ দেৱৰাজ ইন্দ্ৰৰ ৰাজ্য পালেও মোৰ ইন্দ্ৰিয় শিথিল কৰি অনা দুখ দূৰ কৰিব পৰা এনেকুৱা একোকেই এই জগতত নেদেখোঁ" ॥৮॥

সঞ্জয় উবাচ ঃ

এৱমুক্ত্বা হৃষীকেশং গুড়াকেশঃ পৰন্তপঃ ।
ন যোৎস্য ইতি গোৱিন্দমুক্ত্বা তুষ্ণীং বভূব হ ॥৯॥

সঞ্জয়ে ক'লে, “হে ৰাজন্, গুডাকেশ অৰ্জ্জুনে, হৃষীকেশ গোবিন্দক এই-দৰে ক'লে, 'মই যুঁজ নকৰোঁ।' এইবুলি কৈ তেওঁ মৌন হ'ল ॥৯॥

তমুৱাচ হৃষীকেশং প্ৰহসন্নিৱ ভাৰত !
সেনয়োৰুভয়োৰ্মধ্যে ৱিষীদন্তমিদং ৱচঃ ॥১০॥

“হে ভাৰত ! এই দুয়ো সেনাৰ মাজত উদাস হৈ বহি থকা অৰ্জ্জুনক হৃষীকেশে হাঁহি মাৰি এইদৰে ক'লে ॥”১০॥

শ্ৰীভগবান উবাচ ঃ--

অশোচ্যানন্বশোচস্তং প্ৰজ্ঞাৱাদাংশ্চ ভাষসে ।
গতাসূনগতাসূংশ্চ নানুশোচন্তি পণ্ডিতাঃ ॥১১॥

শ্ৰীভগবানে ক'লে, “তুমি শোক কৰিব নলগা বিষয়ত শোক কৰিছা, অথচ পণ্ডিতৰ দৰে কথা কৈছা। কিন্তু পণ্ডিতে মৰিবলগীয়া নাইবা জীয়াই থকা লোকৰ কাৰণে শোক নকৰে ॥১১॥

ন ত্বেৱাহং জাতু নাসং ন ত্বং নেমে জনাধিপাঃ ।
ন চৈৱ ন ভৱিষ্যামঃ সৰ্ৱে ৱয়মতঃ পৰম্ ॥১২॥

“কাৰণ বাস্তৱতে চাবলৈ গলে মই, তুমি অথবা এই ৰজাসকল কোনো কালতেই নাছিল, বা ভৱিষ্যতেও নহব—এনে নহয় ॥১২॥

দেহিনোঽস্মিন্ যথা দেহে কৌমাৰং যৌৱনং জৰা ।
তথা দেহান্তৰপ্ৰাপ্তিৰ্ধীৰস্তত্ৰ ন মুহ্যতি ॥১৩॥

“দেহধাৰীসকলৰ শৰীৰ যেনেকৈ কৌমাৰ, যৌৱন আৰু জৰাগ্ৰস্ত হয় তেনেকৈ মৰণৰ পাছত অন্য দেহো পায়। ইয়াৰ (দেহৰ) ওপৰত বুদ্ধিমান পুৰুষে কেতিয়াও মোহ নাৰাখে ॥১৩॥

মাত্ৰাস্পৰ্শাস্তু কৌন্তেয় ! শীতোষ্ণসুখদুঃখদাঃ ।
আগমাপায়িনোঽনিত্যাস্তাংস্তিতিক্ষস্ব ভাৰত ॥১৪॥

“হে কৌন্তেয়, ইন্দ্ৰিয়বিলাকৰ স্পৰ্শই শীত, উষ্ণ, দুখ আৰু সুখ দিয়ে।

ই আচলতে অনিত্য, আহে আৰু যায়। ইয়াক তুমি সহ্য কৰা ॥ ১৪ ॥

যং হি ন ব্যথয়ন্ত্যেতে পুৰুষং পুৰুষর্ষভ!।
সমদুঃখসুখং ধীৰং সোঽমৃতত্বায় কল্পতে ॥১৫॥

"হে পুৰুষশ্ৰেষ্ঠ, সুখ-দুখত সমভাৱে থাকিব পৰা যি বুদ্ধিমান পুৰুষক এই বিষয়ে (ইন্দ্ৰিয় স্পৰ্শ) ব্যাকুল নকৰে, তেনেলোক মোক্ষ পাবৰ যোগ্য হয় ॥ ১৫ ॥

নাসতো ৱিদ্যতে ভাৱো নাভাৱো ৱিদ্যতে সতঃ।
উভয়োৰপি দৃষ্টোঽন্তস্তনয়োস্তত্ত্বদর্শিভিঃ ॥১৬॥

"অসত্যৰ অস্তিত্ব নাই আৰু সত্যৰ বিনাশ নাই। জ্ঞানীজনে এই দুয়োৰে নিৰ্ণয় উপলব্ধি কৰিছে ॥ ১৬ ॥

অৱিনাশী তু তদ্ ৱিদ্ধি যেন সৰ্ৱমিদং ততম্।
ৱিনাশমৱ্যয়স্যাস্য ন কশ্চিৎ কৰ্তুমৰ্হতি ॥১৭॥

"যাৰ দ্বাৰা এই অখিল জগত ব্যাপ্ত হৈ আছে, তেওঁক তুমি অবিনাশী বুলি জানিবা। এনে অব্যয়ক নাশ কৰিবলৈ কাৰো শক্তি নাই ॥ ১৭ ॥

অন্তৱন্ত ইমে দেহা নিত্যস্যোক্তাঃ শৰীৰিণঃ।
অনাশিনোঽপ্ৰমেয়স্য তস্মাদ্ যুধ্যস্ব ভাৰত ॥১৮॥

নিত্য, অন্তহীন আৰু অবিনাশী দেহীকেই (আত্মা) নশ্বৰ শৰীৰ বুলি কোৱা হৈছে। সেই কাৰণে হে ভাৰত! তুমি উঠা আৰু যুঁজ কৰা ॥ ১৮ ॥

য এনং ৱেত্তি হন্তাৰং যশ্চৈনং মন্যতে হতম্।
উভৌ তৌ ন ৱিজানীতো নায়ং হন্তি ন হন্যতে ॥১৯॥

"যিজনে নিজকে হন্তা বুলি মানে আৰু যিজনে আনৰ দ্বাৰা তেওঁৰ বধ হ'ব পাৰে বুলি ভাবে এওঁলোক উভয়েই একো নাজানে অৰ্থাৎ ভুল কৰে ॥ ১৯ ॥

ন জায়তে ম্ৰিয়তে ৱা কদাচি-
ন্নায়ং ভূত্বা ভৱিতা ৱা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে ॥২০॥

"যি কেতিয়াও নজন্মে, সি নমৰে। এনেকুৱাও নহয় যে ই আগেয়ে আছিল আৰু ভৱিষ্যতে নোহোৱা হ'ব। এই কাৰণে ই জন্মৰহিত, নিত্য, শাশ্বত আৰু পুৰাতন হয়। শৰীৰ নাশ হলেও ইয়াৰ নাশ নহয় ॥ ২০ ॥

রেদারিনাশিনং নিত্যং য এনমজমর‍্যয়ম্ ।
কথং স পুৰুষঃ পার্থ! কং ঘাতয়তি হন্তি কম্ ॥২১॥

"হে পার্থ, যি পুৰুষে আত্মাক অবিনাশী, নিত্য, জন্মৰহিত আৰু অব্যয় বুলি মানি লয়, তেওঁ কাক কেনেকৈ বধ কৰায় আৰু কাকেই বা বধ কৰে? ॥ ২১ ॥

রাসাংসি জীর্ণানি যথা রিহায়
নরানি গৃহ্ণাতি নৰোঽপৰাণি ।
তথা শৰীৰাণি রিহায় জীর্ণা-
ন্যন্যানি সংযাতি নরানি দেহী ॥২২॥

"যেনেকৈ মানুহে পুৰণি বস্ত্র পৰিত্যাগ কৰি নতুন পিন্ধে, সেইদৰে দেহধাৰীয়ে জীর্ণ হোৱা দেহ ত্যাগ কৰি আন নতুন দেহ গ্রহণ কৰে ॥ ২২ ॥

নৈনং ছিন্দন্তি শস্ত্রাণি নৈনং দহতি পারকঃ ।
ন চৈনং ক্লেদয়ন্ত্যাপো ন শোষয়তি মাৰুতঃ ॥২৩॥

"ইয়াক (আত্মাক) অস্ত্রই ছেদন কৰিব নোৱাৰে, জুইয়ে পুৰিব নোৱাৰে, পানীয়ে ভিজাব নোৱাৰে, বতাহে শুকাব নোৱাৰে ॥ ২৩ ॥

অচ্ছেদ্যোঽয়মদাহ্যোঽয়মক্লেদ্যোঽশোষ্য এর চ ।
নিত্যঃ সর্রগতঃ স্থাণুৰচলোঽয়ং সনাতনঃ ॥ ২৪ ॥

"ই কটা নাযায়, পোৰা নাযায়, ভিজোৱা নাযায়, শুকুৱাও নাযায় । ই নিত্য, সর্ব্বত্রতে স্থিৰ, অচল আৰু সনাতন অর্থাৎ অনাদি ॥ ২৪ ॥

অর্যক্তোঽয়মচিন্ত্যোঽয়মরিকার্য্যোঽয়মুচ্যতে ।
তস্মাদেরং রিদিত্বৈনং নানুশোচিতুমর্হসি ॥২৫॥

"আৰু ই ইন্দ্রিয় অথবা মনৰ অগম্য, বিকাৰ ৰহিত বুলি কোৱা হৈছে। সেই কাৰণে এইদৰে জানি, তোমাৰ শোক কৰা ঠিক নহয় ॥২৫॥

অথ চৈনং নিত্যজাতং নিতং রা মন্যসে মৃতম্ ।
তথাপি ত্বং মহাবাহো! নৈনং শোচিতুমর্হসি ॥২৬॥

"আৰু তুমি যদি ইয়াক নিতৌ উপজিব পৰা আৰু মৰিব পৰা বুলিও ভাবাঁ, তথাপি হে মহাবাহো তোমাৰ শোক কৰা উচিত নহয় ॥ ২৬ ॥

জাতস্য হি ধ্রুরো মৃত্যুর্ধ্রুরং জন্ম মৃতস্য চ ।
তস্মাদপৰিহার্য্যেঽর্থে ন ত্বং শোচিতুমর্হসি ॥২৭॥

"জনম হলেই মৃত্যু আৰু মৃত্যু হলেই জনম অনিবার্য্য। সেই কাৰণে

যি অনিবাৰ্য্য তাৰ কাৰণে শোক কৰা উচিত নহয় ॥ ২৭ ॥

অব্যক্তাদীনি ভূতানি ব্যক্তমধ্যানি ভাৰত !
অব্যক্তনিধনান্যেব তত্ৰ কা পৰিবেদনা ॥২৮॥

"হে ভাৰত ! ভূত * মাত্ৰৰেই জন্মৰ আগত মৰণৰ পিছত কি হয় তাক দেখা পাব নোৱাৰি, ই অব্যক্ত, মাজতহে ইয়াক ব্যক্ত হোৱা দেখা যায় । ইয়াত চিন্তাৰ কাৰণ কি আছে ?

আশ্চৰ্য্যবৎ পশ্যতি কশ্চিদেন-
মাশ্চৰ্য্যবদ্ বদতি তথৈব চান্যঃ ।
আশ্চৰ্য্যবচ্চৈনমন্যঃ শৃণোতি
শ্ৰুত্বাপ্যেনং বেদ ন চৈব কশ্চিৎ ॥২৯॥

"কিছুমানে ইয়াক আশ্চৰ্য্যৰ দৰে দেখে ; কিছুমানে ইয়াক আশ্চৰ্য্যৰ দৰে বৰ্ণনা কৰে আৰু আন কিছুমানে ইয়াৰ আশ্চৰ্য্য ৰূপ-বৰ্ণন শুনে, কিন্তু শুনিও কোনেও ইয়াক নাজানে ।

দেহী নিত্যমবধ্যোঽয়ং দেহে সৰ্ব্বস্য ভাৰত ।
তস্মাৎ সৰ্ব্বাণি ভূতানি ন ত্বং শোচিতুমৰ্হসি ॥৩০॥

"হে ভাৰত ! সকলো দেহৰ ভিতৰতে থকা এই দেহধাৰী আত্মন, নিত্য আৰু অবধ্য ; সেই কাৰণে তোমাৰ পক্ষে ভূতমাত্ৰৰে বিষয়ে শোক কৰা উচিত নহয় ॥ ৩০ ॥

টিপ্পনী :—

এইখিনিলৈকে শ্ৰীকৃষ্ণই বুদ্ধি প্ৰয়োগৰ দ্বাৰাই আত্মাৰ নিত্যতা আৰু দেহৰ অনিত্যতা সম্বন্ধে বুজাই কৈছে যে, যদি কোনো অৱস্থাত দেহ নাশ কৰা যোগ্য বুলি উপলব্ধি কৰা হয়, তেনেহলে স্বজন-পৰিজনৰ ভেদ কৰি, কৌৰৱ স্বজন হয়, সেই কাৰণে তেওঁলোকক বধ কৰিব নোৱাৰি—এনে ধৰণৰ বিচাৰ মোহৰ কাৰণেহে উদ্ভৱ হয় । এতিয়া ক্ষত্ৰিয় ধৰ্ম্ম কি তাকেই অৰ্জ্জুনক কোৱা হ'ব ।

স্বধৰ্ম্মমপি চাবেক্ষ্য ন বিকম্পিতুমৰ্হসি ।
ধৰ্ম্ম্যাদ্ধি যুদ্ধাৎ শ্ৰেয়োঽন্যৎ ক্ষত্ৰিয়স্য ন বিদ্যতে ॥৩১॥

"স্বধৰ্ম্মৰ কথা বুজি লৈয়ো তুমি বিচলিত হোৱা উচিত নহয় ; কাৰণ ধৰ্ম্মযুদ্ধৰ বাহিৰে ক্ষত্ৰিয়ৰ কাৰণে আন একো শ্ৰেয়ঃ হ'ব নোৱাৰে ॥ ৩১ ॥

* ভূত শব্দৰ অৰ্থ হৈছে—স্থাবৰ জঙ্গম সৃষ্টি ।

যদৃচ্ছয়া চোপপন্নং স্বৰ্গদ্বাৰমপাবৃতম্ ।
সুখিনঃ ক্ষত্ৰিয়াঃ পাৰ্থ ! লভন্তে যুদ্ধমীদৃশম্ ॥৩২॥

"হে পাৰ্থ ! আপোনা-আপুনি আহি আগত উপস্থিত হোৱা আৰু স্বৰ্গদ্বাৰ খোলা হোৱাৰ দৰে এনে যুদ্ধ ভাগ্যবান ক্ষত্ৰিয়ইহে পায় ॥ ৩২ ॥

অথ চেৎ ত্বমিমং ধৰ্ম্ম্যং সংগ্ৰামং ন কৰিষ্যসি ।
ততঃ স্বধৰ্ম্মং কীৰ্ত্তিঞ্চ হিত্বা পাপমৱাপ্স্যসি ॥৩৩॥

"যদি তুমি এনে ধৰ্ম্মযুদ্ধ নকৰা, তেন্তে তোমাৰ স্বধৰ্ম্ম আৰু কীৰ্ত্তি নাশ হ'ব আৰু পাপহে বৰ্ত্তিব ॥ ৩৩ ॥

অকীৰ্ত্তিঞ্চাপি ভূতানি কথয়িষ্যন্তি তেহব্যয়াম্ ।
সম্ভাৱিতস্য চাকীৰ্ত্তিৰ্মৰণাদতিৰিচ্যতে ॥৩৪॥

"সকলো মানুহে সদায় তোমাৰ নিন্দা কৰি থাকিব । সন্মানিত পুৰুষৰ পক্ষে অপযশ মৰণতকৈয়ো হেয় ॥ ৩৪ ॥

ভয়াদ্ৰণাদুপৰতং মংস্যন্তে ত্বাং মহাৰথাঃ ।
যেষাঞ্চ ত্বং বহুমতো ভূত্বা যাস্যসি লাঘৱম্ ॥৩৫॥

"যিসকল মহাৰথীয়ে তোমাক আজি মান কৰিছে, সেই সকলোৱে তুমি ৰণৰ পৰা পলাই যোৱা বুলি ভাবিব আৰু তোমাক তাচ্ছিল্য কৰিব ॥ ৩৫ ॥

অৱাচ্যৱাদাংশ্চ বহূন্ ৱদিষ্যন্তি তৱাহিতাঃ ।
নিন্দন্তস্তৱ সামৰ্থ্যং ততো দুঃখতৰং নু কিম্ ? ॥ ৩৬ ॥

"আৰু তোমাৰ শত্ৰুৱে তোমাক অনেক কব নলগীয়া কথা কৈ তোমাৰ শক্তিক নিন্দা কৰিব । ইয়াতকৈ অধিক দুখৰ কথা কি হ'ব পাৰে ? ॥৩৬॥

হতো ৱা প্ৰাপ্স্যসি স্বৰ্গং জিত্বা ৱা ভোক্ষ্যসে মহীম্ ।
তস্মাদুত্তিষ্ঠ কৌন্তেয় ! যুদ্ধায় কৃতনিশ্চয়ঃ ॥৩৭॥

"যদি তুমি যুদ্ধত নিহত হোৱা তেন্তে স্বৰ্গ পাবা । যদি জয় হোৱা তেন্তে পৃথিৱী উপভোগ কৰিবা । সেই কাৰণে হে কৌন্তেয় ! তুমি যুঁজ কৰিবলৈ নিশ্চিত হৈ থিয় হোৱা ॥ ৩৭ ॥

টিপ্পনী :—

এইদৰে ভগৱানে আত্মাৰ নিত্যত্ব আৰু দেহৰ অনিত্যতা বুজাই দিলে । আৰু ইয়াকো বুজাই দিলে যে সহজপ্ৰাপ্ত যুদ্ধ কৰিবলৈ ক্ষত্ৰিয় ধৰ্ম্মমতে বাধা নাই । এইদৰে ৩১ শ্লোকৰ পৰা ভগবানে পৰমাৰ্থৰ লগত ব্যৱহাৰ মিলাই দিছে । এইখিনি কৈয়েই ভগবানে গীতাৰ মুখ্য উদ্দেশ্যৰ বোধ দিবলৈ এটা

শ্লোকৰ দ্বাৰা চেষ্টা কৰিছে।

সুখদুঃখে সমে কৃত্বা লাভালাভৌ জয়াজয়ৌ।
ততো যুদ্ধায় যুজ্যস্ব নৈৱং পাপমৱাপ্স্যসি ॥৩৮॥

"সুখ আৰু দুখ, লাভ আৰু হানি, জয় আৰু পৰাজয় সমান বুলি জ্ঞান কৰি যুদ্ধৰ কাৰণে প্ৰস্তুত হোৱা ॥ ৩৮ ॥

এষা তেঽভিহিতা সাংখ্যে বুদ্ধির্যোগে ত্বিমাং শৃণু।
বুদ্ধ্যা যুক্তো যয়া পার্থ ! কর্ম্মবন্ধং প্রহাস্যসি ॥৩৯॥

"মই তোমাক সাংখ্য সিদ্ধান্ত (তৰ্কবাদ) অনুসাৰে তোমাৰ এই কৰ্ত্তব্য সম্বন্ধে কৈছোঁ। এতিয়া যোগবাদ অনুসাৰে বুজাম, তুমি শুনা। ইয়াৰ আশ্ৰয় ললে তুমি কৰ্ম্মবন্ধন ত্যাগ কৰিব পাৰিবা ॥ ৩৯ ॥

নেহাভিক্রমনাশোঽস্তি প্রত্যবায়ো ন ৱিদ্যতে।
স্বল্পমপ্যস্য ধর্ম্মস্য ত্রায়তে মহতো ভয়াৎ ॥৪০॥

"এইমতে চলিলে আড়ম্বৰ নাশ নহয়, বিপৰীত ফল নহয়। এই ধৰ্ম্ম সামান্যভাৱে পালন কৰিলেও মহাভয়ৰ ৰক্ষা পৰে ॥ ৪০ ॥

ৱ্যৱসায়াত্মিকা বুদ্ধিৰেকেহ কুৰুনন্দন।
ৱহুশাখা হ্যনন্তাশ্চ বুদ্ধয়োঽব্যৱসায়িনাম্ ॥৪১॥

"হে কুৰুনন্দন, যোগবাদীসকলৰ নিশ্চয়াত্মক বুদ্ধি একৰূপ হয়; কিন্তু অনিশ্চিত লোকসকলৰ বুদ্ধি অনেক শাখাযুক্ত আৰু অনন্ত হৈ ৰয় ॥ ৪১।

টিপ্পনী :—

যেতিয়া বুদ্ধি একত্ব ত্যাগ কৰি বহুমুখী হয়, তেতিয়া বুদ্ধিয়ে বাসনাৰ ৰূপ ধাৰণ কৰে, সেইকাৰণে বুদ্ধিৰ উদ্দেশ্য হয়,—বাসনাসমূহ।

যামিমাং পুষ্পিতাং ৱাচং প্ৰৱদন্ত্যৱিপশ্চিতঃ।
ৱেদৱাদৰতাঃ পার্থ ! নান্যদস্তীতিৱাদিনঃ ॥৪২॥
কামাত্মানঃ স্বৰ্গপৰা জন্মকৰ্ম্মফলপ্ৰদাম্।
ক্রিয়াবিশেষবহুলাং ভোগৈশ্বৰ্য্যগতিং প্ৰতি ॥৪৩॥
ভোগৈশ্বৰ্য্যপ্ৰসক্তানাং তয়াপহৃতচেতসাম্।
ব্যৱসায়াত্মিকা বুদ্ধিঃ সমাধৌ ন ৱিধীয়তে ॥৪৪॥

"অজ্ঞানী বেদ পন্থী"—"ইয়াৰ বাহিৰে আৰু আন একো নাই" বুলি কোৱা লোক, কামনাসক্ত লোক, স্বৰ্গকেই শ্ৰেষ্ঠ মনা লোক, জনম-মৰণৰূপী কৰ্ম্মৰ ফল আৰোপ কৰা লোকসকলে ভোগ তথা ঐশ্বৰ্য্য পাবৰ কাৰণে

কৰা কৰ্ম্মবিলাকৰ বৰ্ণনাৰ অনেক কথা বঢ়াই বঢ়াই কয়। ভোগ আৰু ঐশ্বৰ্য্যত আসক্ত হৈ থকা লোকৰ বুদ্ধি নষ্ট হয়। এনে লোকৰ বুদ্ধি নিশ্চয়াত্মক নহয় আৰু সমাধিত স্থিৰ হবও নোৱাৰে ॥ ৪২ । ৪৩ ।৪৪॥

টিপ্পনী :—

"যোগবাদৰ বিৰুদ্ধে কৰ্ম্মকাণ্ড নাইবা বেদবাদৰ বৰ্ণনা উপৰুক্ত তিনিটি শ্লোকত কোৱা হৈছে। কৰ্ম্মকাণ্ড অথবা বেদবাদৰ অৰ্থ ফল পাবৰ কাৰণে কৰা অসংখ্য ক্ৰিয়াবিলাক। এই ক্ৰিয়াবিলাক বেদৰ ৰহস্যৰ পৰা, বেদান্তৰ পৰা পৃথক আৰু অল্প ফলদায়ক হেতু নিৰৰ্থক হয়॥

ত্ৰৈগুণ্যৱিষয়া ৱেদা নিস্ত্ৰৈগুণ্যো ভৱাৰ্জ্জুন !
নিৰ্দ্বন্দ্বো নিত্যসত্ত্বস্থো নিৰ্যোগক্ষেম আত্মৱান্ ॥৪৫॥

"হে অৰ্জ্জুন! যি ত্ৰিগুণ বেদৰ বিষয় হয়, তুমি তাৰ পৰা অলিপ্ত থাকিবা। সুখ-দুখ আদি ভোগৰ পৰা মুক্ত থাকিবা। নিত্য, সত্য বস্তুত স্থিত হোৱা, কোনো বস্তু পাবৰ কাৰণে বা ৰাখিবৰ কাৰণে হোৱা জঞ্জালৰ পৰা মুক্ত হোৱা, যোগক্ষেম * আৰু আত্মপৰায়ণ হবা ॥৪৫॥

যাৱানৰ্থ উদপানে সৰ্ব্বতঃ সংপ্লুতোদকে
তাৱান্ সৰ্ব্বেষু ৱেদেষু ব্ৰাহ্মণস্য বিজানতঃ ॥৪৬॥

"যেনেকৈ কুঁৱাৰ পৰা যি কাম হয় সেই সকলোবোৰেই সৰোবৰৰ পৰাও হ'ব পাৰে তেনেকৈ যিবিলাক কথা বেদত আছে সেইবিলাক ব্ৰহ্মপৰায়ণ লোকে আত্ম অনুভৱৰ পৰা জানিব পাৰে ॥৪৬॥

কৰ্ম্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্ম্মফলহেতুৰ্ভূৰ্মা তে সঙ্গোহস্ত্বকৰ্ম্মণি ॥৪৭॥

"তোমাৰ কৰ্ম্মতহে অধিকাৰ আছে। কিন্তু তাৰ পৰা উৎপন্ন হোৱা ফলাদিত বা ফলাফলত কদাচিতো নাই। কৰ্ম্মৰ ফল যেন তোমাৰ হেতু (চিন্তাৰ কাৰণ) নহয়। কৰ্ম্ম নকৰিবলৈকো যেন তোমাৰ আগ্ৰহ নহয় ॥৪৭॥

যোগস্থঃ কুৰু কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা ধনঞ্জয় !।
সিদ্ধ্যসিদ্ধ্যোঃ সমো ভূত্বা সমত্বং যোগ উচ্যতে ॥৪৮॥

"হে ধনঞ্জয়! আসক্তি ত্যাগ কৰি যোগস্থ হৈ সকলো সফলতা নিষ্ফলতাকে সমান ভাবে দেখি তুমি কৰ্ম্ম কৰা, সমতাকেই যোগ বোলে ॥৪৮॥

---

* যোগ—অপ্ৰাপ্ত বস্তুৰ প্ৰাপ্তি। ক্ষেম—প্ৰাপ্ত বস্তুৰ ৰক্ষা।

দূৰেণ হ্যৱৰং কৰ্ম্ম বুদ্ধিযোগাদ্ ধনঞ্জয় !।
বুদ্ধৌ শৰণমন্বিচ্ছ কৃপণাঃ ফলহেতৱঃ ॥৪৯॥

হে ধনঞ্জয় ! সমত্ব বুদ্ধিৰ তুলনাত কেৱল ধৰ্ম্ম অতি তুচ্ছ। তুমি এই সমত্ব বুদ্ধিৰ আশ্ৰয় লোৱাঁ। ফলৰ কাৰণে চিন্তা কৰা লোক কেৱল দয়াৰ পাত্ৰ ॥৪৯॥

বুদ্ধিযুক্তো জহাতীহ উভে সুকৃত-দুষ্কৃতে।
তস্মাদ্ যোগায় যুজ্যস্ব যোগঃ কৰ্ম্মসু কৌশলম্ ॥৫০॥

পৰমাত্ম বুদ্ধিযুক্ত অৰ্থাৎ সমতা-ভাবাপন্ন পুৰুষক ইহলোকত পুণ্যই স্পৰ্শ কৰিব নোৱাৰে। সেই কাৰণে সমত্ব পাবলৈ যত্নবান হোৱা। সমতাতেই কাৰ্য্যকুশলতা আছে ॥৫০॥

কৰ্ম্মজং বুদ্ধিযুক্ত হি ফলং ত্যক্তা মনীষিণঃ।
জন্মৱন্ধৱিনিৰ্মুক্তাঃ পদং গচ্ছন্ত্যনাময়ম্ ॥৫১॥

কেৱল সমত্ব বুদ্ধি-প্ৰাপ্ত লোকে কৰ্ম্মৰ পৰা উৎপন্ন হোৱা ফল ত্যাগ কৰি জন্ম-বন্ধনৰ পৰা মুক্ত হয় আৰু নিষ্কলঙ্ক গতি অৰ্থাৎ মোক্ষপদ পায় ॥৫১॥

যদা তে মোহকলিলং বুদ্ধিৰ্ব্যতিতৰিষ্যতি।
তদা গন্তাসি নিৰ্বেদং শ্ৰোতৱ্যস্য শ্ৰুতস্য চ ॥৫২॥

যেতিয়া তোমাৰ বুদ্ধি মোহৰূপী অন্ধকাৰ পাৰ হৈ যাব তেতিয়া তোমাৰ শুনিবলগীয়া বিষয় আৰু শুনিবলৈকো বাকী থকা বিষয় সম্বন্ধে উদাসীনতা আহিব ॥৫২॥

শ্ৰুতিৱিপ্ৰতিপন্না তে যদা স্থাস্যতি নিশ্চলা।
সমাধাৱচলা বুদ্ধিস্তদা যোগমৱাপ্স্যসি ॥৫৩॥

অনেক প্ৰকাৰ সিদ্ধান্ত শুনি বিমোৰত পৰা বুদ্ধি যেতিয়া সমাধিত স্থিৰ হ'ব তেতিয়াহে তুমি সমত্ব পাবা ॥৫৩॥

অৰ্জ্জুন উবাচ :—

স্থিতপ্ৰজ্ঞস্য কা ভাষা সমাধিস্থস্য কেশৱ।
স্থিতধীঃ কিং প্ৰভাষেত কিমাসীত ব্ৰজেত কিম্ ? ॥৫৪॥

অৰ্জ্জুনে ক'লে, "হে কেশৱ ! স্থিতপ্ৰজ্ঞ নাইবা সমাধিস্থ পুৰুষৰ লক্ষণ কি কি হয় ? স্থিতপ্ৰজ্ঞই কেনেদৰে কথা কয়, কেনেভাবে থাকে আৰু কিদৰে চলে ? ॥৫৪॥

শ্ৰীভগবান উবাচ।

প্ৰজহাতি যদা কামান সৰ্ব্বান্ পাৰ্থ! মনোগতান।
আত্মন্যেৱাত্মনা তুষ্টঃ স্থিতপ্ৰজ্ঞস্তদোচ্যতে ॥৫৫॥

শ্ৰীভগবানে ক'লে –"হে পাৰ্থ'। যেতিয়া মানুহে মনত উদ্ভৱ হোৱা সকলো কামনাকে ত্যাগ কৰে আৰু আত্মাৰ দ্বাৰাই আত্মাতে সন্তুষ্ট হৈ থাকে, তেতিয়া তেওঁকেই স্থিতপ্ৰজ্ঞ পুৰুষ বোলা হয় ॥৫৪॥

টিপ্পনী '—

আত্মাতেই আত্মাই সন্তুষ্ট থাকিব লাগে; অৰ্থাৎ আত্মাৰ আনন্দ অন্তৰতেই বিচাৰিব লাগে। সুখ-দুঃখদায়ক বাহিৰা বস্তুক আনন্দৰ আধাৰ বুলি ধৰিব নালাগে। আনন্দ যে সুখতকৈ বেলেগ বস্তু এইটো ধ্যানত অনুভৱসিদ্ধ কৰা আৱশ্যক। মই, মোৰ টকা পয়চা হ'লে সুখ হ'ব এইদৰে ভবাই মোহ। মই ভিক্ষাৰী হওঁ, খাবলৈ নাপাই দুখত পৰি থাকো তথাপি মই চুৰ নকৰোঁ বা আন প্ৰলোভনত নপৰোঁ, এনে বিচাৰত মোৰ যি আনন্দ হয় সেয়ে আত্ম-সন্তোষ।

দুঃখেম্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ।
বীতৰাগভয়ক্ৰোধঃ স্থিতধীৰ্মুনিৰুচ্যতে ॥৫৬॥

"দুখত যিজন দুখী নহয়; সুখৰ কাৰণে যিজনে ইচ্ছা নকৰে, আৰু যিজন ৰাগ, ভয় আৰু ক্ৰোধ-ৰহিত—তেওঁকেই স্থিৰ-বুদ্ধি মুনি বুলি অভিহিত কৰা হয় ॥৫৬॥

যঃ সৰ্ব্বত্ৰানভিস্নেহস্তত্তৎ প্ৰাপ্য শুভাশুভম্।
নাভিনন্দতি ন দ্বেষ্টি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥৫৭॥

"যি জনে সৰ্ব্বত্ৰ (সকলো বিষয়তে) ৰাগ-ৰহিত হৈ শুভ বা অশুভ উপস্থিত হ'লে হৰ্ষ নকৰে বা শোকো নকৰে তেওঁৰেই বুদ্ধি স্থিৰ। ॥৫৭॥

যদা সংহৰতে চায়ং কূৰ্ম্মোহঙ্গানীৱ সৰ্ব্বশঃ!
ইন্দ্ৰিয়াণীন্দ্ৰিয়াৰ্থেভ্যস্তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥৫৮॥

"কাছই যেনেকৈ চাৰিওফালৰ অঙ্গবিলাক কোঁচ খুৱাই লয় সেইদৰে এনে পুৰুষে ইন্দ্ৰিয়বিলাকক বিভিন্ন বিষয়-ভোগৰপৰা নিজকে কোঁচ খুৱাই লয়, তেতিয়া তেওঁৰ বুদ্ধি স্থিৰ হৈছে বুলি ক'ব পাৰি। ৫৮॥

বিষয়া বিনিৱৰ্ত্তন্তে নিৰাহাৰস্য দেহিনঃ।
ৰসবৰ্জ্জং ৰসোঽপ্যস্য পৰং দৃষ্ট্বা নিৱৰ্ত্ততে ॥৫৯॥

"দেহধাৰী লোকে যেতিয়া নিৰাহাৰে থাকে তেতিয়া তেওঁৰ বিষয়-ভোগৰ প্ৰতি ভাব কমিলেও ৰস (বিষয়ৰ আসক্তি) নাযায়। এই ৰস বা আসক্তি কেৱল ঈশ্বৰ সাক্ষাতকাৰ হ'লেহে শান্ত হয়। ॥৫৯॥

টিপ্পনী ঃ-

এই শ্লোকত উপবাস আদিক নিষেধ কৰা হোৱা নাই, বৰং ইয়াৰ সীমাহে নিৰ্দ্ধাৰণ কৰিছে। বিষয়বৃত্তি শান্ত কৰিবলৈ উপবাস আদিৰ আৱশ্যক আছে। কিন্তু ইয়াৰ মূল অৰ্থাৎ তাত থকা ৰস কেৱল ঈশ্বৰৰ সাক্ষাতকাৰ হ'লেহে শান্ত হয়। ঈশ্বৰ সাক্ষাতকাৰৰ ৰস যিজনে পাইছে তেওঁ আন সকলো ৰস পাহৰি যায়। ॥ ৫৯ ॥

যততো হ্যপি কৌন্তেয়! পুৰুষস্য বিপশ্চিতঃ।
ইন্দ্ৰিয়াণি প্ৰমাথীনি * হৰন্তি প্ৰসভং মনঃ ॥৬০॥

"হে কৌন্তেয়! যোগৰত পুৰুষসকলে চেষ্টা কৰা সত্ত্বেও ইন্দ্ৰিয় এনে মন্থনকাৰী যে তেঁওৰ মনো জোৰকৈ হৰি লৈ যায়। ॥ ৬০ ॥

তানি সৰ্ব্বাণি সংযম্য যুক্ত আসীত মৎপৰঃ।
ৱশে হি যস্যেন্দ্ৰিয়াণি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥৬১॥

"এই ইন্দ্ৰিয়বিলাক বশ কৰি যোগীয়ে মোত তন্ময় হৈ থাকিব লাগে। কাৰণ যিজনৰ ইন্দ্ৰিয় বশত থাকে, তেওঁৰ বুদ্ধি স্থিৰ হয়। ॥ ৬১ ॥

টিপ্পনী ঃ—

তাৎপৰ্য্য এই যে ভক্তি বিনে, ঈশ্বৰৰ সহায়তা বিনে মানুহৰ সকলো যত্ন মিছা।

ধ্যায়তো ৱিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে ॥৬২॥

"বিষয় চিন্তা কৰা লোকৰ বিষয়ত আসক্তি জন্মে; আসক্তিৰপৰা কামনা হয় আৰু কামনাৰপৰা ক্ৰোধ উৎপন্ন হয়। ॥ ৬২ ॥

টিপ্পনী ঃ—

. ……………কামনা থকা লোকৰ ক্ৰোধ অনিবাৰ্য্য। কাৰণ কামনাৰ কেতিয়াও তৃপ্তি নহয়।

ক্ৰোধাদ্ভৱতি সম্মোহঃ সম্মোহাৎ স্মৃতিৱিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি ॥৬৩॥

---

* প্ৰমাথীনি অৰ্থাৎ বলবান;

"ক্ৰোধৰপৰা মূঢ়তা উৎপন্ন হয়; মূঢ়তাৰ কাৰণে স্মৃতি ভ্ৰম হয়। স্মৃতি ভ্ৰম হোৱাৰপৰা জ্ঞানৰ নাশ হয় আৰু যাৰ জ্ঞান নাশ হৈ যায় সি মৃতকৰ দৰে। ॥ ৬৩ ॥

ৰাগদ্বেষৱিমুক্তৈস্তু ৱিষয়ানিন্দ্ৰিয়ৈশ্চৰন্ ।
আত্মৱশ্যৈৰ্ৱিধেয়াত্মা প্ৰসাদমধিগচ্ছতি ॥৬৪॥

"কিন্তু যাৰ মন নিজৰ বশত থাকে আৰু যাৰ ইন্দ্ৰিয়বিলাক ৰাগ-দ্বেষ ৰহিত হৈ তেওঁৰ বশত থাকে, তেনে লোকে ইন্দ্ৰিয় পৰিচালনা কৰিলেও চিত্তৰ প্ৰসন্নতা প্ৰাপ্ত হৈ থাকে। ॥ ৬৪ ॥

প্ৰসাদে সৰ্ৱদুঃখানাং হানিৰস্যোপজায়তে ।
প্ৰসন্নচেতসো হ্যাশু বুদ্ধিঃ পৰ্য্যৱতিষ্ঠতে ॥৬৫॥

"চিত্ত-প্ৰসন্নতা থকাৰ কাৰণে তেওঁৰ সকলো দুখ দূৰ হৈ যায়। এনে প্ৰসন্নতা-প্ৰাপ্ত বুদ্ধি স্থিৰ বা প্ৰতিস্থিত হয়। ॥ ৬৫ ॥

নাস্তি বুদ্ধিৰযুক্তস্য ন চাযুক্তস্য ভাৱনা
ন চাভাৱয়তঃ শান্তিৰশান্তস্য কুত সুখম ? ॥৬৬॥

"যি জনৰ সমত্ববোধ নাই, তাৰ বিবেকো নাই, ভক্তিও নাই যাৰ ভক্তি নাই তাৰ শান্তি নাই। আৰু য'ত শান্তি নাই তাত সুখ ক'ৰ পৰা পাব ? ॥৬৬॥

ইন্দ্ৰিয়াণাং হি চৰতাং যন্মনোঽনুৱিধীয়তে ।
তদস্য হৰতি প্ৰজ্ঞাং ৱায়ুনাৱমিৱাম্ভসি ॥৬৭॥

"বিষয়ত লাগি থকা ইন্দ্ৰিয়বিলাকৰ পিছে পিছে যি লোকৰ মন দৌৰে, বতাহে যেনেকৈ পানীত নাওখন চলাই নিয়ে, সেইদৰে তেওঁৰ মনে বুদ্ধিকো য'লৈকে ইচ্ছা ত'লৈকে টানি লৈ ফুৰে। ॥ ৬৭ ॥

তস্মাদ্ যস্য মহাবাহো ! নিগৃহীতানি সৰ্ৱশঃ ।
ইন্দ্ৰিয়াণীন্দ্ৰিয়াৰ্থেভ্যস্তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥৬৮॥

"সেই কাৰণে হে মহাবাহু ! যাৰ ইন্দ্ৰিয়ক চাৰিওফালৰ বিষয়ৰপৰা বাহিৰ কৰি আনি নিজৰ বশলৈ আনিছে তেওঁৰ বুদ্ধি স্থিৰ হয়। ॥ ৬৮ ॥

যা নিশা সৰ্ৱভূতানাং তস্যাং জাগৰ্ত্তি সংযমী।
যস্যাং জাগ্ৰতি ভূতানি সা নিশা পশ্যতো মুনেঃ ॥৬৯॥

"যেতিয়া সকলো প্ৰাণী শুই থাকে, তেতিয়া সংযমী পুৰুষ সাৰে থাকে, যেতিয়া সাধাৰণ লোক সাৰে থাকে, তেতিয়া জ্ঞানবান মুনি শুই থাকে। ॥৬৯॥

টিপ্পনী ঃ—

ভোগী মানুহে বাৰ এক বজালৈকে নাচ-গান, ৰং-ধেমালি বা মদ খাই অথবা ভোজ আদিত সময় কটাই দিয়ে আৰু ৰাতিপুৱা সাত আঠ বজালৈকে শোৱে সংযমী লোকে ৰাতি সাত আঠ বজাত শুই, মাজ ৰাতি উঠি ঈশ্বৰক ধ্যান কৰে। ভোগীয়ে লগে লগে বিষয় জঞ্জাল বঢ়াই নিয়ে আৰু ঈশ্বৰক পাহৰি যায়। আনপিনে সংযমীলোকে বিষয় জঞ্জালত নাম মাত্র সংশ্রৱ ৰাখি, ঈশ্বৰ সাক্ষাতকাৰ কৰে। এইদৰে দুয়োৰে পথ বেলেগ। ইয়াকে এই শ্লোকত বুজোৱা হৈছে।

আপূৰ্য্যমাণমচলপ্রতিষ্ঠং
সমুদ্ৰমাপঃ প্রবিশন্তি যদ্বৎ।
তদ্বৎ কামা যং প্রবিশন্তি সৰ্ব্বে
স শান্তিমাপ্নোতি ন কামকামী ॥৭০॥

"অনেক নদী সাগৰত পৰি ভৰপূৰ হৈ থকা সত্ত্বেও যেনেকৈ সমুদ্র অচল অটল হৈয়ে থাকে সেইদৰে যি মানুহৰ সংসাৰত ভোগ শান্ত হৈ গৈছে তেওঁ শান্তি পাইছে। কিন্তু কামনা থকা লোকে পাব নোৱাৰে। ॥ ৭০ ॥

বিহায় কামান্ যঃ সৰ্ব্বান্ পুমাংশ্চৰতি নিস্পৃহঃ
নিৰ্ম্মমো নিৰহঙ্কাৰঃ স শান্তিমধিগচ্ছতি ॥৭১॥

"সকলো কামনা পৰিত্যাগ কৰি যি পুৰুষে ইচ্ছা, মমতা আৰু অহঙ্কাৰ ৰহিত হৈ চলে, সেই লোকেই শান্তি পায়। ॥ ৭১ ॥

এষা ব্ৰাহ্মী স্থিতিঃ পাৰ্থ! নৈনাং প্ৰাপ্য বিমুহ্যতি।
স্থিত্বাহস্যামন্তকালেঽপি ব্ৰহ্মনিৰ্ব্বাণমৃচ্ছতি ॥ ৭২ ॥

"হে পাৰ্থ! ঈশ্বৰক চিনি পোৱা অৱস্থা এনে ধৰণেই হয় এনে অৱস্থা পোৱাৰ পিছত তেওঁ মোহৰ বশ নহয় আৰু মৃত্যু কালতো যদি এনে স্থিতিতেই থাকে, তেন্তে তেওঁ ব্ৰহ্ম নিৰ্ব্বাণ প্ৰাপ্ত হয়। ॥ ৭২ ॥

ওম্ তৎ সৎ।

এইদৰে শ্ৰীমদ্ভাগৱতৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যান্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণ-অৰ্জ্জুন সংবাদৰ সাংখ্য-যোগ নামক ২য় অধ্যায় সমাপ্ত হ'ল।

## তৃতীয় অধ্যায়

### কৰ্ম্ম-যোগ

গীতাৰ স্বৰূপ বুজিবৰ কাৰণে এই অধ্যায় সঁচাৰ-কাঠী বুলি ক'ব পাৰি। ইয়াত কৰ্ম্ম কেনেকৈ কৰিব লাগে, কি কৰ্ম্ম কৰা উচিত আৰু আচল কৰ্ম্ম কাক বোলে ইত্যাদি কথা স্পষ্টকৈ কোৱা হৈছে। আৰু কোৱা হৈছে যে প্ৰকৃত জ্ঞান পৰমাৰ্থিক কৰ্ম্মত পৰিণত হ'বই লাগিব।

অৰ্জ্জুন উবাচঃ—

জ্যায়সী চেৎ কৰ্ম্মণস্তে মতা বুদ্ধিৰ্জনাৰ্দ্দন।
তৎ কিং কৰ্ম্মণি ঘোৰে মাং নিযোজয়সি কেশৱ ? ।। ১ ।।

অৰ্জ্জুনে ক'লে- "হে জনাৰ্দ্দন, যদি আপুনি কৰ্ম্মতকৈ বুদ্ধিকে শ্ৰেষ্ঠ মানিছে, তেন্তে হে কেশৱ! মোক আপুনি কিয় ঘোৰ কৰ্ম্ম কৰিবলৈ আদেশ দিছে ? ।। ১ ।।

টিপ্পনীঃ—বুদ্ধি অৰ্থাৎ সমত্ব বুদ্ধি।

ব্যামিশ্ৰেণেৱ ৱাক্যেণ বুদ্ধিং মোহয়সীৱ মে।
তদেকং ৱদ নিশ্চিত্য যেন শ্ৰেয়োঽহমাপ্নুয়াম্ ।।২।।

"আপোনাৰ মিশ্ৰিত কথাৰ কাৰণে মোৰ বুদ্ধি শঙ্কাগ্ৰস্ত হৈছে। সেই কাৰণে আপুনি মোক যি কোনো এটা মাৰ্গ নিশ্চিতকৈ কওক যাৰ পৰা মোৰ কল্যাণ হ'ব পাৰে। ।। ২ ।।

টিপ্পনীঃ—

অৰ্জ্জুন বিমোৰত পৰি গৈছে। কাৰণ এফালে তেওঁক ভগবানে কৰ্ম্ম-পৰায়ণ হ'বলৈ প্ৰেৰণা দিছে আৰু আনপিনে ২য় অধ্যায়ৰ ৪৫।৫০ শ্লোকত কৰ্ম্ম-ত্যাগৰ আভাস দিছে। ভগবানে এতিয়া বুজাই ক'ব যে গভীৰ বিচাৰত তেনে নহয়।

শ্ৰীভগবানুবাচঃ—

লোকেঽস্মিন্ দ্বিৱিধা নিষ্ঠা পুৰা প্ৰোক্তা ময়ানঘ !।
জ্ঞানযোগেন সাঙ্খ্যানাং কৰ্ম্মযোগেন যোগিনাম্ ।। ৩।।

ভগবানে ক'লে—"হে পাপৰহিত। ইহলোক সম্বন্ধে মই আগতে দুই অৱস্থাৰ কথা কৈছো। এক হৈছে জ্ঞান-যোগৰ দ্বাৰা সাংখ্যসকলৰ (জ্ঞানী-সকলৰ) আৰু দ্বিতীয় কৰ্ম্মযোগৰ দ্বাৰা যোগীসকলৰ। ॥ ৩ ॥

न कर्म्मणामनारम्भान्नैष्कर्म्म्यं पुरुषोऽश्नुते।
न च सन्न्यसनादेव सिद्धिं समधिगच्छति ॥ ৪ ॥

"কৰ্ম্ম আৰম্ভ নকৰাতে মানুহে নিষ্কৰ্ম্মতা অনুভৱ কৰিব নোৱাৰে আৰু বাহ্যিক ত্যাগৰ দ্বাৰা মোক্ষ পাব নোৱাৰে। ॥ ৪ ॥

টিপ্পনী:—

নিষ্কৰ্ম্মতাৰ অৰ্থ মন, বাক্য আৰু শৰীৰৰ দ্বাৰাই কাম নকৰা। এনে নিষ্কৰ্ম্মতাৰ অনুভৱ কাম নকৰাকৈ কোনেও পাব নোৱাৰে। তেন্তে এই অনুভৱ কেনেকৈ হ'ব পাৰে সেইটো এতিয়া দেখুৱা যাব।

न हि कश्चित् क्षणमपि जातु तिष्ठत्यकर्म्मकृत्।
कार्य्यते ह्यवशः कर्म्म सर्वः प्रकृतिजैर्गुणैः ॥ ৫ ॥

"বাস্তৱতে কোনেও এক ক্ষণ মাত্ৰও কৰ্ম্ম নকৰাকৈ থাকিব নোৱাৰে। প্ৰকৃতিৰপৰা উৎপন্ন হোৱা গুণে প্ৰত্যেক মানুহকে কৰ্ম্ম কৰিবলৈ বাধ্য কৰায় ॥ ৫ ॥

कर्म्मेन्द्रियाणि संयम्य य आस्ते मनसा स्मरन्।
इन्द्रियार्थान् विमूढ़ात्मा मिथ्याचारः स उच्यते ॥ ৬ ॥

"যি লোকে কৰ্ম্মেন্দ্ৰিয়বিলাক দেখাত ব্যৱহাৰ নকৰে (বন্ধ ৰাখে) অথচ নিজৰ ইন্দ্ৰিয় বিষয় সম্বন্ধে মনত চিন্তা কৰে তেনে মূঢ়াত্মাকে মিথ্যাচাৰী বুলি কোৱা হয় ॥ ৬ ॥

টিপ্পনী:—

যেনেকৈ যিজনে মুখৰ বাক্য বন্ধ কৰে, অথচ মনতে আনজনক গালি পাৰে এনেজন নিষ্কৰ্ম্মাতো নহয়েই বৰং মিথ্যাচাৰী। ইয়াৰ অৰ্থ এইটো নহয় যে যেতিয়ালৈকে মনক দমন কৰিব নোৱাৰি তেতিয়ালৈকে শৰীৰ দমন কৰাটো নিৰৰ্থক। শৰীৰক বাধা নিদিলে মনৰ ওপৰত অঙ্কুশ লগোৱাই নহয়। শৰীৰৰ অঙ্কুশ লগোৱাৰ লগে লগে মনৰ ওপৰত অঙ্কুশ লগাবই লাগিব। যিলোকে ভয় নাইবা বাহিৰা আন কাৰণৰপৰা শৰীৰক প্ৰতিবন্ধক দিয়ে কিন্তু মনক নিদিয়ে; বৰং মনেৰেতো বিষয় ভোগ কৰেই আৰু সুবিধা পালে শৰীৰেৰেও উপভোগ কৰে। এনে লোকক মিথ্যাচাৰী বুলি নিন্দা

কৰা হৈছে। এতিয়া ইয়াৰ পিছৰ শ্লোকত ওপৰৰ ওলোটা ভাবটো দৰ্শোৱা হৈছে।

যস্তিন্দ্ৰিয়াণি মনসা নিয়ম্যাৰভতেঽৰ্জ্জুন।
কৰ্ম্মেন্দ্ৰিয়ৈঃ কৰ্ম্মযোগমসক্তঃ স বিশিষ্যতে ॥৭॥

"কিন্তু হে অৰ্জ্জুন। যি মানুহে ইন্দ্ৰিয়বিলাক মনেৰে সংযত ৰাখি খং ৰহিত হৈ কৰ্ম্ম কৰা ইন্দ্ৰিয়বিলাকৰ দ্বাৰা কৰ্ম্মযোগ আৰম্ভ কৰে, তেওঁ শ্ৰেষ্ঠ পুৰুষ।

টিপ্পনী :—

"ইয়াত" ভিতৰৰ মিল (ঐক্য) ৰখা হৈছে। মনক অঙ্কুশ দি থাকিলেও মানুহে শৰীৰ অৰ্থাৎ ইন্দ্ৰিয়ৰ দ্বাৰা কিবা কৰি থাকিবই।

কিন্তু যাৰ মন সংযত হৈ আছে তেওঁৰ কাণে দূষিত কথা নুশুনে, ঈশ্বৰ ভজনহে শুনিব, সৎ পুৰুষৰ গুণ গান শুনিব। যাৰ মন নিজৰ বশত আছে তেওঁ, আমি বিষয় যিদৰে বুজোঁ তাত তেওঁ ৰস নলয়। এনেলোকে আত্মাই শোভা পোৱা কৰ্ম্মহে কৰিব। এনেকুৱা কাম কৰাটোৱেই কৰ্ম্ম মাৰ্গ। যাৰ দ্বাৰা আত্মাক শৰীৰ বন্ধনৰপৰা মুক্ত কৰিবলৈ যোগ সাধনা কৰা হয়, তাকেই কৰ্ম্মযোগ বোলে ইয়াত বিষয়াসক্তিৰ কোনো ঠাই নাই।

নিয়তং কুৰু কৰ্ম্ম ত্বং কৰ্ম্ম জ্যায়ো হ্যকৰ্ম্মণঃ।
শৰীৰযাত্ৰাপি চ তে ন প্ৰসিদ্ধ্যেদকৰ্ম্মণ ॥ ৮ ॥

"সেই কাৰণে তুমি নিয়ত কাম কৰি থাকাঁ। কৰ্ম্ম নকৰাতকৈ কৰ্ম্ম কৰাটো বেছি ভাল। তোমাৰ শৰীৰৰ কাৰ্য্যবিলাকো কৰ্ম্ম বিনে চলি থাকিব নোৱাৰে ॥ ৮ ॥

টিপ্পনী :—

'নিয়ত' শব্দটো মূল শ্লোকত আছে। ইয়াৰ সম্বন্ধ আগৰ শ্লোকৰপৰাই আছে। ইয়াত মনৰ দ্বাৰা ইন্দ্ৰিয়বিলাকক নিয়মত ৰাখি সঙ্গৰহিত হৈ কাম কৰা লোকৰ প্ৰশংসা কৰা হৈছে। ইয়াত 'নিয়ত' কৰ্ম্ম অৰ্থাৎ ইন্দ্ৰিয়-বিলাকক নিয়মত ৰাখি কৰি যোৱা কামবিলাকক কৰিবলগীয়া কাম বুলি কোৱা হৈছে।

যজ্ঞাৰ্থাৎ কৰ্ম্মণোঽন্যত্ৰ লোকোঽয়ং কৰ্ম্মবন্ধনঃ।
তদৰ্থং কৰ্ম্ম কৌন্তেয়! মুক্তসঙ্গঃ সমাচৰ ॥ ৯ ॥

"যজ্ঞৰ কাৰণে কৰা কৰ্ম্মৰ বাহিৰে অন্য কাম কৰাৰপৰা ইহলোকত বন্ধন উৎপাদন কৰে। সেই কাৰণে হে কৌন্তেয়! তুমি ৰাগৰহিত হৈ যজ্ঞৰ কাৰণে কাম কৰা। ॥ ৯ ॥

টিপ্পনী :—

'যজ্ঞ' অৰ্থত পৰোপকাৰৰ কাৰণে ঈশ্বৰৰ উদ্দেশ্যে কৰা কাম ॥

সহযজ্ঞাঃ প্ৰজাঃ সৃষ্টা পুৰোৱাচ প্ৰজাপতিঃ।
অনেন প্ৰসৱিষ্যধ্বমেষ ৱোঽস্তিষ্টকামধুক্ ॥ ১০ ॥

"যজ্ঞৰ লগতে প্ৰজাকো জন্ম দি প্ৰজাপতি ব্ৰহ্মাই ক'লে—এই যজ্ঞৰ-দ্বাৰা তোমালোকৰ বৃদ্ধি হওক এয়ে তোমালোকক অভিলাষমতে ফল দিয়ক ॥ ১০ ॥

দেৱান্ ভাৱয়তানেন তে দেৱা ভাৱয়ন্তু ৱঃ।
পৰস্পৰং ভাৱয়ন্তঃ শ্ৰেয়ঃ পৰমৱাপ্স্যথ ॥ ১১ ॥

"তোমালোকে যজ্ঞৰ দ্বাৰা দেৱতাসকলক পোষণ কৰা আৰু দেৱতাসকলেও তোমালোকক পোষণ কৰিব। এইদৰে ইজনে সিজনক প্ৰতিপালন কৰি তুমি পৰম কল্যাণ লাভ কৰিবা ॥ ১১ ॥

ইষ্টান্ ভোগান্ হি ৱো দেৱা দাস্যন্তে যজ্ঞভাৱিতা।
তৈৰ্দত্তানপ্ৰদায়ৈভ্যো যো ভুঙ্‌ক্তে স্তেন এৱ সঃ ॥ ১২ ॥

"যজ্ঞদ্বাৰা সন্তুষ্ট হোৱা দেৱতাই তোমালোকে বিচৰামতে ভোগ্য বস্তু দিব। তেওঁলোকক তাৰ পৰিবৰ্ত্তে একো নিদিয়াকৈ তেওঁলোকৰ বস্তু যিজনে ভোগ কৰিব সি অৱশ্যে চোৰ ॥ ১১ ॥

যজ্ঞশিষ্টাশিনঃ সন্তো মুচ্যন্তে সৰ্ব্বকিল্বিষৈঃ।
ভুঞ্জতে তে ত্বঘং পাপা যে পচন্ত্যাত্মকাৰণাৎ ॥ ১৩ ॥

টিপ্পনী :—

ইয়াত দেৱতাৰ অৰ্থ হৈছে—ভূতমাত্ৰই ঈশ্বৰৰ সৃষ্টি। ভূত মাত্ৰৰে সেৱাই দেৱসেৱা আৰু এয়েই যজ্ঞ।

"যজ্ঞৰ অৱশেষ যিজনে গ্ৰহণ কৰে তেওঁ সকলো পাপৰপৰা মুক্ত হৈ যায়। কিন্তু যিজনে নিজৰ কাৰণে ৰান্ধে তেওঁ পাপ ভোজন কৰে ॥ ১৩ ॥

অন্নাদ্ভৱন্তি ভূতানি পৰ্জ্জন্যাদন্নসম্ভৱঃ।
যজ্ঞাদ্ভৱতি পৰ্জ্জন্যো যজ্ঞঃ কৰ্ম্মসমুদ্ভৱঃ ॥ ১৪ ॥

"অন্নৰপৰা ভূতমাত্ৰৰেই সৃষ্টি হৈছে, অন্ন বৰষুণৰপৰা উৎপন্ন হৈছে,

বৰযুণ যজ্ঞৰপৰা হয় আৰু যজ্ঞ কৰ্ম্মৰপৰা হয় ।। ১৪ ।।

কৰ্ম্ম ব্ৰহ্মোদ্ভৱং বিদ্ধি ব্ৰহ্মাক্ষৰসমুদ্ভৱম্ ।
তস্মাৎ সৰ্বগতং ব্ৰহ্ম নিত্যং যজ্ঞে প্ৰতিষ্ঠিতম্ ।। ১৫ ।।

"তুমি বুজিবা যে কৰ্ম্ম প্ৰকৃতিৰপৰা উপন্ন হয়, প্ৰকৃতি অক্ষৰ ব্ৰহ্মৰ পৰা আৰু সেইকাৰণে সৰ্ব্বব্যাপক ব্ৰহ্ম সদায় যজ্ঞতেই থাকে ।। ১৫ ।।

এৱং প্ৰৱৰ্ত্তিতং চক্ৰং নানুৱৰ্ত্তয়তীহ যঃ ।
অঘায়ুৰিন্দ্ৰিয়াৰামো মোঘং পাৰ্থ ! স জীৱতি ।। ১৬ ।।

"এইদৰে প্ৰৱৰ্ত্তিত চক্ৰ যিলোকে অনুসৰণ নকৰে, তেওঁ নিজৰ জীৱন পাপেৰে পূৰ্ণ কৰে, ইন্দ্ৰিয়ৰ সুখত ডুব গৈ থাকে আৰু হে পাৰ্থ ! তেওঁ বৃথা জীৱন ধাৰণ কৰে ।। ১৬ ।।

যস্ত্বাত্মৰতিৰেৱ স্যাদাত্মতৃপ্তশ্চ মানৱঃ ।
আত্মন্যেৱ চ সন্তুষ্টস্তস্য কাৰ্য্যং ন বিদ্যতে ।। ১৭ ।।

"অথচ যি মানুহে আত্মাত ৰমণ কৰি থাকে, ( আনন্দ পাই থাকে ) যি জনে তাতেই তৃপ্ত হৈ থাকে আৰু তাতেই সন্তোষ অনুভৱ কৰে, তেওঁৰ আৰু কৰিবলৈ একো বাকী নাথাকে ।। ১৭ ।।

নৈৱ তস্য কৃতেনাৰ্থো নাকৃতেনেহ কশ্চন ।
ন চাস্য সৰ্বভূতেষু কশ্চিদৰ্থব্যপাশ্ৰয়ঃ ।। ১৮ ।

"কৰ্ম্ম কৰা নকৰাত তেওঁৰ অলপো স্বাৰ্থ নাথাকে, ( সকলো জীৱৰ লগত ) ভূতমাত্ৰ বিষয়তো তেওঁৰ নিজ স্বাৰ্থ একো নাই ।। ১৮ ।।

তস্মাদসক্তঃ সততং কাৰ্য্যং কৰ্ম্ম সমাচৰ ।
অসক্তোহ্যাচৰন্ কৰ্ম্ম পৰমাপ্নোতিপূৰুষঃ ।। ১৯ ।।

"সেইকাৰণে তুমি সঙ্গৰহিত হৈ সদায় কৰ্ত্তব্য কৰ্ম্ম কৰি থাকাঁ । আসক্তিশূন্য হৈ কৰ্ম্ম কৰা পুৰুষেই মোক্ষ পায় ।। ১৯ ।।

কৰ্ম্মণৈৱ হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ ।
লোকসংগ্ৰহমেৱাপি সংপশ্যন্ কৰ্ত্তুমৰ্হসি ।। ২০ ।।

"জনকাদি ঋষিসকলে কৰ্ম্মৰ পৰাই পৰমসিদ্ধি লাভ কৰিছিল । লোকসংগ্ৰহ * বিষয়ে চালেও তোমাৰ কৰ্ম্ম কৰা কৰ্ত্তব্য ।। ২০ ।।

যদ্ যদাচৰতি শ্ৰেষ্ঠস্তত্তদেৱেতৰো জনঃ ।
স যৎ প্ৰমাণং কুৰুতে লোকস্তদনুৱৰ্ত্ততে ।। ২১ ।।

* লোকসংগ্ৰহ—লোকক স্বধৰ্ম্মত প্ৰবৃত্ত কৰোৱা । জগতৰ কল্যাণৰ কাৰণে কাম কৰা ।

"শ্ৰেষ্ঠ পুৰুষসকলে যি যি আচৰণ কৰে, সাধাৰণ লোকে তাকে অনুসৰণ কৰে, এই সকলে যি দৰে প্ৰমাণ কৰি দিয়ে, তাকেই সাধাৰণ লোকে অনুকৰণ কৰে ॥ ২১ ॥

ন মে পাৰ্থাস্তি কৰ্ত্তব্যং ত্ৰিষু লোকেষু কিঞ্চন ।
নানৱাপ্তমৱাপ্তব্যং ৱৰ্ত্ত এৱ চ কৰ্ম্মণি ॥ ২২ ॥

"হে পাৰ্থ ! মোৰ এই তিনিলোকত কৰিবলগীয়া একো নাই । পাবলগীয়াও একো বাকী নাই । তথাপি মই কৰ্ম্মত প্ৰবৃত্ত হৈ আছোঁ ॥ ২২ ॥

টিপ্পনী : –

সূৰ্য্য, চন্দ্ৰ, পৃথিৱী ইত্যাদিৰ নিৰন্তৰ আৰু স্বাভাৱিক গতি ঈশ্বৰৰ কৰ্ম্ম বুলি ধৰা হয় । এই কৰ্ম্ম মানসিক নহয ; শাৰীৰিক বুলি ক'ব পাৰি । ঈশ্বৰ নিৰাকাৰ হোৱা হেতুকে শৰীৰী কৰ্ম্ম কেনেকৈ কৰে, এনে সন্দেহৰ ঠাই নাই । কিযনো তেওঁ অশৰীৰী হ'লেও শৰীৰধাৰীৰ দৰে আচৰণ কৰা দেখিবলৈ পোৱা যায় । সেই কাৰণে তেওঁ কৰ্ম্ম কৰা সত্ত্বেও অকৰ্ম্মী আৰু অলিপ্ত । মানুহে ইযাকে বুজিব লাগে যে যেনেকৈ ঈশ্বৰৰ প্ৰত্যেক কৃতিয়েই (স্বপ্ৰকাশবান কাৰ্য্যেই ) যন্ত্ৰবৎ কাম কৰি আছে সেইদৰে মানুহেও বুদ্ধিপূৰ্ব্বক অথচ যন্ত্ৰৰ দৰে নিয়ম মতে কাম কৰা উচিত । যন্ত্ৰৰ গতি অগ্ৰাহ্য কৰি স্বেচ্ছাচাৰী হোৱাটো মানুহৰ বিশেষত্ব নহয় । বৰং জ্ঞানপূৰ্ব্বক সেই গতিৰ অনুকৰণ কৰাতহে যন্ত্ৰৰ বিশেষত্ব থাকে । অলিপ্ত থাকি, সঙ্গৰহিত হৈ যন্ত্ৰৰ দৰে কাম কৰিলে ইয়াৰ ( মনুষ্যত্বৰ ) ক্ষয নহয় । মৰণ কাল পৰ্য্যন্ত ই সতেজ হৈ থাকে । দেহৰ নিয়মমতে দেহ সময়মতে নষ্ট হ'বই । কিন্তু তাৰ অন্তৰৰ আত্মা একেদৰেই থাকিব ।

যদি হ্যহং ন ৱৰ্ত্তেয়ং জাতু কৰ্ম্মণ্যতন্দ্ৰিতঃ ।
মম ৱৰ্ত্মানুৱৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ ! সৱ'শঃ ॥২৩॥

"যদি মই কেতিয়াবা এলাহ এৰি উশাহ লবলৈকো পাহৰি কৰ্ম্মত লাগি নাথাকোঁ, তেন্তে হে পাৰ্থ, সকলো প্ৰকাৰে মানুহে মোৰ আচৰণ অনুকৰণ কৰিবলৈ ধৰিব ॥ ২৩ ॥

উৎসীদেয়ুৰিমে লোকা ন কুৰ্য্যাং কৰ্ম্ম চেদহম্ ।
সঙ্কৰস্য চ কৰ্ত্তা স্যামুপহন্যামিমাঃ প্ৰজাঃ ॥ ২৪

"যদি মই কৰ্ম্ম নকৰো, তেন্তে ইহজগত ভ্ৰষ্ট হৈ যাব ; মই এই

(বেমেজালিৰ) অব্যৱস্থাৰ কৰ্ত্তা হওঁ আৰু মই সকলো লোকক নাশ কৰা হ'ব ॥ ২৪ ॥

সক্তাঃ কৰ্ম্মণ্যৱিদ্বাংসো যথা কুৰ্ব্বন্তি ভাৰত ! ।
কুৰ্য্যাদ্বিদ্বাংস্তথাসক্তশ্চিকীৰ্ষুৰ্লোকসংগ্ৰহম্ ॥২৫॥

"হে ভাৰত ! যেনেকৈ অজ্ঞানীলোকে আসক্ত হৈ কাম কৰে, তেনেকৈ জ্ঞানীলোকে আসক্তিশূন্য হৈ লোককল্যাণ কৰিবৰ অভিপ্ৰায়ে সকলো কাম কৰিব লাগে ॥ ২৫ ॥

ন বুদ্ধিভেদং জনয়েদজ্ঞানাং কৰ্ম্মসঙ্গিনাম ।
যোজয়েৎ সৰ্ব কৰ্ম্মাণি ৱিদ্বান যুক্তঃ সমাচৰন ॥২৬॥

"কৰ্ম্মত আসক্ত থকা অজ্ঞানী লোকৰ বুদ্ধিকো জ্ঞানীলোকে যেন আক্ৰমণ নকৰে (বিমোৰত নেপেলায), বৰং নিজে সমত্ব ভাবেৰে ভালকৈ কাম কৰি এই সকলকো কামত লগায ॥ ২৬ ॥

প্ৰকৃতেঃ ক্ৰিযমাণানি গুণৈঃ কৰ্ম্মাণি সৰ্ব্বশঃ ।
অহঙ্কাৰৱিমূঢ়াত্মা কৰ্ত্তাহহমিতি মন্যতে ॥ ২৭ ॥

"সকলো কৰ্ম্ম প্ৰবৃত্তিৰ গুণৰ দ্বাৰা কৰা হৈ যাব ধৰিছে । অহঙ্কাৰৰ কাৰণে মূৰ্খ মানুহে 'মই কৰ্ত্তা' বিবেচনা কৰে ॥ ২৭ ॥

তত্বৱিত্তু মহাবাহো ! গুণকৰ্ম্মৱিভাগযো ।
গুণা গুণেষু ৱৰ্ত্তন্ত ইতি মত্বা ন সজ্জতে ॥২৮॥

"হে মহাবাহু ! গুণ আৰু কৰ্ম্মৰ বিভাগৰ ৰহস্য বুজা লোকে "গুণ গুণতেই থাকে" বুলি বিবেচনা কৰে আৰু তাত আসক্ত নহয ॥ ২৮ ॥

টিপ্পনী :—

যেনেকৈ উশাহ-নিশাহ আদি কাৰ্য্য আপোনা-আপুনি হৈ থাকে, তাত মানুহ আসক্ত নহয় আৰু যেতিয়া সেই অঙ্গত ব্যাধি হ'লেহে মানুহে তাৰ কথা ভাবিবলৈ বাধ্য হয আৰু সেই অঙ্গৰ অস্তিত্ব বুজি পোৱা যায়, সেই-দৰেই যদি স্বাভাৱিক কৰ্ম্ম আপোনা-আপুনি হৈ থাকে তেন্তে তাত আসক্তি নহয় । যাৰ স্বভাৱ উদাৰ, তেওঁৰ নিজৰ উদাৰতাৰ কথা নাজানে কিন্তু তেওঁ দান নকৰাকৈ থাকিবও নোৱাৰে । এনে অনাসক্তি, মানুহে অভ্যাস আৰু ঈশ্বৰৰ কৃপাৰ দ্বাৰাইহে পাব পাৰে ॥

প্ৰকৃতেগুৰ্ণসংমূঢ়াঃ সজ্জন্তে গুণকৰ্ম্মসু ।
তানকৃৎস্নৱিদো মন্দান্ কৃৎস্নৱিন্ন ৱিচালয়েৎ ॥২৯॥

"প্ৰকৃতিৰ গুণত বিমোহিত হোৱা লোকে গুণ সম্পৰ্কীয় কামতে লিপ্ত হৈ থাকে। এনে অজ্ঞানী, মন্দবুদ্ধি, লোকসকলক জ্ঞানী লোকসকলে বিচলিত কৰা উচিত নহয় ॥ ২৯ ॥

মযি সৰ্বাণি কৰ্ম্মাণি সংন্যস্যাধ্যাত্মচেতসা ।
নিৰাশীৰ্নিৰ্ম্মমো ভূত্বা যুধ্যস্ব বিগতজ্বৰঃ ॥৩০॥

"অধ্যাত্মবৃত্তি (বিবেকবুদ্ধিৰ সহায়ত) ৰাখি, সকলো কৰ্ম্ম মোতে অৰ্পণ কৰি আসক্তি আৰু মমতা ত্যাগ কৰি, ৰাগৰহিত হৈ তুমি যুদ্ধ কৰা ॥ ৩০ ॥

টিপ্পনী :

দেহত থকা আত্মাক যিজনে চিনি পায় আৰু ইয়াক পৰমাত্মাৰ অংশ বুলি জ্ঞান কৰে, তেওঁ সকলো পৰমাত্মাতেই অৰ্পণ কৰে। যেনেকৈ সেৱকে গুৰু প্ৰভু বা গৰাকীৰ নামত কাম কৰে আৰু সকলো তেওঁকেই অৰ্পণ কৰে।

যে মে মতমিদং নিত্যমনুতিষ্ঠন্তি মানৱাঃ ।
শ্ৰদ্ধাৱন্তোহনসূয়ন্তো মুচ্যন্তে তেহপি কৰ্ম্মভিঃ ॥৩১॥

"শ্ৰদ্ধা ৰাখি, দ্বেষ পৰিত্যাগ কৰি যি মানুহে মোৰ এই মত অনুসাৰে চলে, তেওঁ কৰ্ম্মবন্ধনবপৰা মুক্ত হৈ যায় ॥ ৩১ ॥

যে ত্বেতদভ্যসূয়ন্তো নানুতিষ্ঠন্তি মে মতম্ ।
সৰ্ব্বজ্ঞানবিমূঢ়াংস্তান্ বিদ্ধি নষ্টানচেতসঃ ॥ ৩২

"কিন্তু যিজনে মোৰ এই অভিপ্ৰায়ত দোষ উলিয়াই এই মত অনুসৰণ নকৰে সি জ্ঞান-হীন মূৰ্খ। তাৰ নাশ হৈছে বুলি ধৰি লোৱা ॥ ৩২ ॥

সদৃশং চেষ্টতে স্বস্যাঃ প্ৰকৃতেৰ্জ্ঞানৱানপি ।
প্ৰকৃতিং যান্তি ভূতানি নিগ্ৰহঃ কিং কৰিষ্যতি ॥৩৩॥

"জ্ঞানীলোকেও নিজৰ স্বভাৱ মতেই চলে, প্ৰাণী মাত্ৰেই নিজৰ স্বভাৱ অনুসৰণ কৰে, এনে অৱস্থাত গাৰ বলেৰে কি কৰিব পাৰি ? ॥ ৩৩ ॥

টিপ্পনী :

এই শ্লোক ২য় অধ্যায়ৰ ৬১ শ্লোক নাইবা ৬৮ শ্লোকৰ বিৰোধী নহয়। ইন্দ্ৰিয়বিলাকক প্ৰতিৰোধ কৰিবৰ কাৰণে মানুহে মৰিবলৈকে আগবাঢ়িব লাগে। তথাপি যদি ইন্দ্ৰিয় সফল নহয় তেন্তে নিগ্ৰহ বা বলপ্ৰয়োগ অৰ্থ-শূন্য হয়। ইয়াত নিগ্ৰহ বা প্ৰতিৰোধ কৰাটো নিন্দনীয় বুলি কোৱা হোৱা নাই, স্বভাৱৰ সাম্ৰাজ্যৰ কথাহে কোৱা হৈছে।

এয়ে মোৰ স্বভাৱ, এইদৰে কৈ যি আওকণীয়া হয় তেওঁ এই শ্লোকৰ

অৰ্থ বুজা নাই। আমাৰ স্বভাৱ সম্বন্ধে আমি একো নাজানো। চাল-চলনেই বা অভ্যাসেই স্বভাৱ নহয়। আৰু আত্মাৰ স্বভাৱ উৰ্দ্ধগামী। সেইকাৰণে আত্মা যেতিয়া তললৈ আহিব বিচাৰে তেতিয়া বিৰোধ কৰা কৰ্ত্তব্য। এইটো ভাবকে তলৰ শ্লোকটোৱে স্পষ্টকৈ কৈ দিছে ॥

ইন্দ্ৰিয়স্যেন্দ্ৰিয়স্যাৰ্থে ৰাগদ্বেষৌ ব্যৱস্থিতৌ।
তয়োৰ্ন ৱশমাগচ্ছেৎ তৌ হ্যস্য পৰিপন্থিনৌ ॥৩৪॥

"নিজ নিজ বিষয় সম্বন্ধে ইন্দ্ৰিয়বিলাকৰ ৰাগ-দ্বেষ থাকে (থকা স্বাভাৱিক) মানুহ এইবিলাকৰ বশ হোৱা উচিত নহয়। কাৰণ এইবিলাক মানুহৰ লগৰীয়া শত্ৰু ॥ ৩৪ ॥

টিপ্পনী ঃ—

কাণৰ বিষয় শুনা। যিহকে ভাল লাগে তাকে শুনিবলৈ ইচ্ছা কৰাকে ৰাগ বোলে। যিহকে বেযা লাগে তাকে শুনিবলৈ অনিচ্ছা প্ৰকাশ কৰাই দ্বেষ। "এইটোৱেই স্বভাৱ" এইবুলি কৈ ৰাগ আৰু দ্বেষৰ বশ হোৱা উচিত নহয; বৰং তাৰ সন্মুখীন হোৱাহে আৱশ্যক। আত্মাৰ স্বভাৱ সুখ-দুখৰ পৰা বেলেগ হৈ থকা। মানুহ সেই অৱস্থালৈকে যাব লাগে।

শ্ৰেযান স্বধৰ্ম্মো ৱিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভযাৱহ ॥৩৫॥

"পৰৰ ধৰ্ম্ম সুলভ হলেও আৰু তাতকৈ বিগুণ হলেও নিজৰ ধৰ্ম্মই ভাল। স্বধৰ্ম্ম ত মৃত্যুও ভাল। পৰধৰ্ম্ম ভযৰ কাৰণ হয ॥৩৫॥

টিপ্পনী ঃ—

সমাজত জানিবা এজনৰ ধৰ্ম্ম ঠাই নিকা কৰা (আৱৰ্জ্জনা গুচোৱা) আৰু আন এজনৰ হিচাব-ৰখা। হিচাব-ৰক্ষকজনতো স্বাভাৱিকতে উত্তম বুলি পৰিগণিত হয। কিন্তু যদি ঠাই নিকা কৰাজনে নিজৰ ধৰ্ম্ম ত্যাগ কৰে, তেন্তে তেওঁ নিজেও ভ্ৰষ্ট হয় আৰু সমাজৰো হানি কৰে। পৰমেশ্বৰৰ দৰবাৰত দুয়োজনৰ সেৱাৰ মূল্য তেওঁলোকৰ নিষ্ঠাৰ ওপৰত নিৰ্ভৰ কৰিব। নিজ ব্যৱসায়ৰ মূল্য ইয়াত একেটা মাত্ৰ হ'ব। দুয়োজনে যদি ঈশ্বৰাৰ্পণ বুদ্ধিত আপোন কৰ্ত্তব্য পালন কৰে, তেন্তে দুয়ো সমানে মোক্ষৰ অধিকাৰী হ'ব।

অৰ্জ্জুন উবাচ ঃ -

অথ কেন প্ৰযুক্তোহয়ং পাপং চৰতি পূৰুষঃ।
অনিচ্ছন্নপি ৱাৰ্ষ্ণেয়ঃ! বলাদিৱ নিয়োজিতঃ ? ॥৩৬॥

অৰ্জ্জুনে ক'লে – "হে বাষ্ণেয়! বলপ্ৰয়োগ নকৰিলে নকৰিব (এনেকুৱা তীব্ৰ) অনিচ্ছা সত্বেও মানুহে কাৰ প্ৰেৰণাত পাপ আচৰণ কৰে? ॥৩৬॥

শ্ৰীভগবানুবাচ –

কাম এষ ক্ৰোধ এষ ৰজোগুণসমুদ্ভৱঃ।

মহাশনো মহাপাপ্মা ৱিদ্ধ্যেনমিহ বৈৰিণম্ ॥৩৭॥

"ৰজোগুণৰপৰা উৎপন্ন হোৱা কাম আৰু ক্ৰোধেই ইয়াৰ প্ৰেৰক। ইহঁতৰ কেতিয়াও পেট নভৰে। ইহঁত মহাপাপী, সেইকাৰণেই ইহঁতক ইহ জগতত শত্ৰু বুলি জ্ঞান কৰিবা। ভগবানে ক'লে ॥৩৭॥

টিপ্পনীঃ –

কামেই বোলক বা ক্ৰোধেই বোলক আমাৰ অন্তৰত থকা এই বৃত্তিবিলাকেই আমাৰ প্ৰধান শত্ৰু।

ধূমেনাব্ৰিয়তে ৱহ্নিৰ্যথাদৰ্শো মলেন চ।

যথোল্বেনাবৃতো গৰ্ভস্তথা তেনেদমাবৃতম্ ॥৩৮॥

"যেনেকৈ ধোঁৱাৰ দ্বাৰা অগ্নি, অথবা মলিৰ দ্বাৰা আৰ্চী কিম্বা গৰ্ভাৱৰণৰ মাজত গৰ্ভ ঢকা থাকে, সেই কামাদিৰূপ শত্ৰুৰ দ্বাৰাই এই জ্ঞান ঢকা থাকে।

আবৃতং জ্ঞানমেতেন জ্ঞানিনো নিত্যবৈৰিণা।

কামৰূপেণ কৌন্তেয়! দুষ্পূৰেণানলেন চ ॥৩৯॥

"হে কৌন্তেয়! অতৃপ্ত কামৰূপ অগ্নি নিত্যৰ শত্ৰু। ইয়াৰ দ্বাৰা জ্ঞানীৰ জ্ঞানো ঢকা থাকে। ॥৩৯॥

ইন্দ্ৰিয়াণি মনো বুদ্ধিৰস্যাধিষ্ঠানমুচ্যতে।

এতৈৰ্বিমোহয়ত্যেষ জ্ঞানমাবৃত্য দেহিনম্ ॥৪০॥

"ইন্দ্ৰিয়, মন আৰু বুদ্ধি এয়ে শত্ৰুৰ থকা ঠাই। এই বিলাকেৰে জ্ঞান ঢাকি ৰাখি এই শত্ৰুৱে দেহধাৰী লোকক বিমোহিত কৰে ॥৪০॥

টিপ্পনীঃ—

ইন্দ্ৰিয়বিলাকৰ মাজত কামভাৱ ব্যাপ্ত হোৱাৰ কাৰণে মন মলিন হৈ যায়, ইয়াৰ বিবেকশক্তি মন্দ হয়, তাৰ পৰা জ্ঞান নাশ হয়। ২য় অধ্যায়ৰ ৬১।৬৪ শ্লোক চাওক ॥

তস্মাৎ ত্বমিন্দ্ৰিয়াণ্যাদৌ নিয়ম্য ভৰতৰ্ষভ!।

পাপ্মানং প্ৰজহি হ্যেনং জ্ঞানবিজ্ঞাননাশনম্ ॥৪১॥

"হে ভৰতৰ্ষভ ! সেই কাৰণে তুমি প্ৰথমে ইন্দ্ৰিয়বিলাক সংযত ৰাখি, জ্ঞান আৰু অনুভৱ নাশকাৰী এই পাপীক ( কাম ) নিশ্চয় ত্যাগ কৰা ॥৪১॥

ইন্দ্ৰিয়াণি পৰাণ্যাহুৰিন্দ্ৰিয়েভ্যঃ পৰং মনঃ।
মনসস্তু পৰা বুদ্ধিৰ্যো বুদ্ধেঃ পৰতস্তু সঃ ॥৪২॥

"ইন্দ্ৰিয়বিলাক সূক্ষ্ম। তাতকৈয়ো অধিক সূক্ষ্ম মন। তাতকৈয়ো অধিক সূক্ষ্ম বুদ্ধি। বুদ্ধিতকৈয়ো যি সূক্ষ্মতৰ, সি আত্মা ॥৪২॥

টিপ্পনী : -

তাৎপৰ্য্য এই যে যদি ইন্দ্ৰিয়বিলাক বশত থাকে, সূক্ষ্ম কাম জয় কৰা সহজ হৈ পৰে ॥

এবং বুদ্ধেঃ পৰং বুদ্ধা সংস্তভ্যাত্মানমাত্মনা।
জহি শক্ৰং মহাবাহো ! কামৰূপং দুৰাসদম্ ॥৪৩॥

"এইদৰে বুদ্ধিৰ অতীত আত্মাক ভালকৈ চিনি লৈ আৰু আত্মাৰ দ্বাৰা মনক বশীভূত কৰিহে মহাবাহু, কামৰূপী দুৰ্জ্জয় শক্ৰক সংহাৰ কৰা" ॥৪৩॥

টিপ্পনী :—

যদি মানুহে হৃদয়ত থকা আত্মাক জানি লয়, তেন্তে মন তেওঁৰ বশত থাকিব ; ইন্দ্ৰিয়ৰ বশত নাথাকে। আৰু যদি মন জয় কৰা হয় তেন্তে কামে কি কৰিব পাৰে ?

ওঁ তৎসৎ।

এইদৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যাৰ অন্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ কৰ্ম্মযোগ নামৰ ৩য় অধ্যায় সমাপ্ত হ'ল।

## চতুৰ্থ অধ্যায়

### জ্ঞান-কৰ্ম্ম সন্ন্যাস-যোগ

এই অধ্যায়ত ৩য় অধ্যায়ত উল্লেখ কৰা কথাৰ বিশেষ বিবেচনা আছে। আৰু বিভিন্ন প্ৰকাৰৰ কিছুমান যজ্ঞৰ বৰ্ণনা আছে।

শ্ৰীভগবান্ উবাচঃ—

ইমং ৱিৱস্বতে যোগং প্ৰোক্তৱানহমৱ্যয়ম্ ।
ৱিৱস্বান্ মনৱে প্ৰাহ মনুৰিক্ষ্বাকৱেঽব্ৰৱীৎ ॥ ১ ॥

শ্ৰীভগবানে ক'লে -"এই অবিনাশী যোগৰ কথা মই আগতে সূৰ্য্যদেৱৰ আগত কৈছিলোঁ। তেওঁ মনুক আৰু মনুৱে ইক্ষ্বাকুক কৈছিল ॥ ১ ॥

এৱং পৰম্পৰাপ্ৰাপ্তমিমং ৰাজৰ্ষয়ো ৱিদুঃ ।
স কালেনেহ মহতা যোগো নষ্টঃ পৰন্তপ ! ॥ ২ ॥

"এনেধৰণৰ পৰম্পৰা প্ৰাপ্তযোগৰ কথা ৰাজৰ্ষিসকলে জানিছিল; কিন্তু সেই কথা বহুকাল অতীত হৈ যোৱাৰ কাৰণে নষ্ট হৈ গ'ল।

স এৱায়ং ময়া তেঽদ্য যোগঃ প্ৰোক্তঃ পুৰাতনঃ ।
ভক্তোঽসি মে সখা চেতি ৰহস্যং হ্যেতদুত্তমম্ ॥ ৩ ॥

"সেই পুৰণি যোগৰ কথাকে মই আজি তোমাক কৈছোঁ। কাৰণ তুমি মোৰ ভক্ত আৰু এই যোগত উত্তম মৰ্ম্মৰ কথা আছে ॥ ৩ ॥

অৰ্জ্জুন উবাচঃ—

অপৰং ভৱতো জন্ম পৰং জন্ম ৱিৱস্বতঃ ।
কথমেতদ্ ৱিজানীয়াং ত্বমাদৌ প্ৰোক্তৱানিতি ॥ ৪ ॥

অৰ্জ্জুনে ক'লে -"আপোনাৰ জন্ম দেখোন এতিয়া হৈছে, আৰু বিৱস্বানৰ (সূৰ্য্যৰ) জন্ম প্ৰথমতে হৈছিল; তেন্তে মই কেনেকৈ বুজিম যে আপুনি প্ৰথমতে এনে কথা কৈছিল ? ॥ ৪ ॥

শ্ৰীভগবান উবাচঃ—

বহূনি মে ৱ্যতীতানি জন্মানি তৱ চাৰ্জ্জুন ! ।
তান্যহং ৱেদ সৰ্ব্বাণি ন ত্বং ৱেত্থ পৰন্তপ ! ॥ ৫ ॥

শ্ৰীভগবানে ক'লে "হে অৰ্জ্জুন! তোমাৰ আৰু মোৰ জন্ম বহুবাৰ হৈ গৈছে। সেইবিলাক মই জানো। কিন্তু তুমি নাজানা" ॥ ৫ ॥

অজোঽপি সন্নব্যয়াত্মা ভূতানামীশ্বৰোঽপি সন্।
প্ৰকৃতিং স্বামধিষ্ঠায় সম্ভৱাম্যাত্মমায়য়া ॥ ৬ ॥

"মই জন্মৰহিত আৰু অবিনাশী হলেও ভূতমাত্ৰৰে ঈশ্বৰ হোৱাৰ কাৰণে নিজ স্বভাৱ লৈ নিজৰ মায়াৰ বলত জন্মগ্ৰহণ কৰোঁ।" ॥ ৬ ॥

যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত!।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্ ॥ ৭ ॥

"হে ভাৰত! যেতিয়াই ধৰ্ম্মৰ গ্লানি হয়, অধৰ্ম্ম প্ৰবল হয়, তেতিয়াই মই জন্মগ্ৰহণ কৰোঁ।" ॥ ৭ ॥

পৰিত্ৰাণায় সাধূনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে ॥ ৮ ॥

"সাধুক ৰক্ষা কৰিবৰ কাৰণে আৰু দুষ্টক বিনাশ কৰিবৰ আৰু ধৰ্ম্ম পুনৰুদ্ধাৰ কৰিবলৈ মই যুগে যুগে জন্ম গ্ৰহণ কৰোঁ।" ॥ ৮ ॥

টিপ্পনী :

এই শ্লোকত শ্ৰদ্ধাবান লোকৰ কাৰণে আশ্বাস আৰু সত্য আৰু ধৰ্ম্মৰ অবিচলতা দেখুৱা হৈছে। এই জগতত জোৱাঁৰ-ভাটা হৈয়েই থাকে; কিন্তু শেষত ধৰ্ম্মৰেই জয় হৈ থাকে। সন্তৰ নাশ নহয়। দুষ্টৰ নাশ হবই। কাৰণ অসত্যৰ অস্তিত্ব নাই। ইয়াকে জানি মানুহে নিজে কৰ্ত্তাজ্ঞানৰ অভিমানত যেন হিংসা নকৰে, বেয়া ব্যৱহাৰ নকৰে। পৰমেশ্বৰৰ অবোধ্য মায়াই নিজৰ কাৰ্য্য কৰি গৈ আছে। ইয়াকেই অৱতাৰ বা ঈশ্বৰৰ জন্ম বুলি কোৱা হয়। আচলতে ঈশ্বৰে জন্ম লবই নোৱাৰে ॥

জন্ম কৰ্ম্ম চ মে দিব্যমেৱং যো বেত্তি তত্ত্বতঃ।
ত্যক্ত্বা দেহং পুনৰ্জন্ম নৈতি মামেতি সোঽৰ্জ্জুন ॥ ৯ ॥

"এইদৰে যিজনে মোৰ দিব্য জন্ম আৰু কৰ্ম্মৰহস্য জানে, সেইজনে, হে অৰ্জ্জুন! শৰীৰ ত্যাগ কৰি পুনৰ্জন্ম গ্ৰহণ নকৰে, মোকেই পায়" ॥ ৯ ॥

টিপ্পনী :—

কাৰণ যেতিয়া মানুহৰ এইদৰে দৃঢ়বিশ্বাস হৈ যায় যে ঈশ্বৰে সত্যকেই জয় কৰে, তেতিয়া তেওঁ সত্য এৰিব নোৱাৰে। ধৈৰ্য্য ধৰি দুখ সহ্য কৰি

আৰু মমতা ৰহিত থাকি, জন্ম-মৰণৰ পৰা মুক্ত হৈ, কেৱল ইশ্বৰকেই ধ্যান কৰি, তেওঁতেই লয় হৈ যায় ।।

বীতৰাগভয়ক্রোধা মন্ময়া মামুপাশ্রিতাঃ ।
বহৱো জ্ঞানতপসা পূতা মদ্ভাৱমাগতাঃ ।। ১০ ।।

"ৰাগ, ভয় আৰু ক্রোধৰহিত হৈ, কেৱল মোকেই ধ্যান কৰি কেৱল মোতেই আশ্রয় লোৱা । জ্ঞানৰূপী তপস্যাত পৱিত্র হৈ মোৰ স্বৰূপ পায়" ।।১০।।

যে যথা মাং প্রপদ্যন্তে তাংস্তথৈৱ ভজাম্যহম ।
মম ৱর্ত্মানুবৰ্ত্তন্তে মনুষ্যা পার্থ ! সৰ্বশঃ ।। ১১ ।।

"যিজনে যি প্রকাৰেই মোৰ আশ্রয় লয়, সেই প্রকাৰেই সেই জনক মই ফল দিওঁ । হে পাৰ্থ ! মানুহে নিজ ইচ্ছাৰে মোৰ পথকেই অনুসৰণ কৰে আৰু মোৰ শাসন মানি থাকে" ।। ১১ ।।

টিপ্পনী ঃ—

তাৎপৰ্য্য এযে যে -কোনোৱেই ঈশ্বৰৰ নিয়ম লঙ্ঘন কৰিব নোৱাৰে । যেনে কঠীয়া, তেনে শস্য ; যেনে নাও তেনে পাৰ হোৱাটো ঈশ্বৰৰ নিয়ম । আৰু কৰ্ম্মৰ নিয়মৰ কেতিয়াও ব্যতিক্রম নহয় । সকলোৱেই সমান ভাৱে অৰ্থাৎ নিজৰ যোগ্যতা অনুসাৰে ন্যায় বিচাৰ পায় ।।

কাঙ্ক্ষন্তঃ কৰ্ম্মণাং সিদ্ধিং যজন্ত ইহ দেৱতাঃ ।
ক্ষিপ্রং হি মানুষে লোকে সিদ্ধিৰ্ভৱতি কৰ্ম্মজা ।। ১১ ।।

"কৰ্ম্মসিদ্ধি বিচৰা লোকে ইহ লোকতেই দেৱতা-পূজা কৰে । ইয়াৰপৰা তেওঁলোকে কৰ্ম্মজনিত ফল সোনকালে মনুষ্যলোকতেই পায়" ।। ১২ ।।

টিপ্পনী ঃ

দেৱতা অৰ্থাৎ স্বৰ্গত থকা ইন্দ্র, বৰুণ আদি ব্যক্তি নহয় । দেৱতা অৰ্থে ঈশ্বৰৰ অংশৰূপী শক্তি । এই অৰ্থত মনুষ্য দেৱতা । বাষ্প বিজুলী আদি মহান্ শক্তিবিলাকো দেৱতা । এইবিলাকৰ আৰাধনাৰ ফল সোন-কালে এই জগততে পায় ; ইয়াকেই আমি দেখিবলৈ পাইছোঁ । এই ফল ক্ষণিক মাত্র । ই আত্মাকে সন্তোষ দিব নোৱাৰে, তেন্তে মোক কেনেকৈ দিব ?

চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম্মৱিভাগশঃ ।
তস্য কৰ্ত্তাৰমপি মাং ৱিদ্ধ্যকৰ্ত্তাৰমৱ্যয়ম্ ।।১৩।।

"গুণ আৰু কৰ্ম্মৰ বিভাগ অনুসাৰে মই চাৰিবৰ্ণ সৃষ্টি কৰিছোঁ । ইয়াৰ কৰ্ত্তা হৈয়ো মোক অবিনাশী অকৰ্ত্তা বুলি জানিবা" ।।১৩।।

ন মাং কৰ্ম্মাণি লিম্পন্তি ন মে কৰ্ম্মফলে স্পৃহা।
ইতি মাং যোহভিজানাতি কৰ্ম্মভিৰ্ন স বধ্যতে ॥১৪॥

"মোক কৰ্ম্মই স্পৰ্শ নকৰে। ইযাৰ (কৰ্ম্মৰ) ফলতো মোৰ অভিলাষ (স্পৃহা) নাই। যিজনে মোক এইদৰে ভালকৈ জানে তেওঁ কৰ্ম্মবন্ধনত নপৰে" ॥১৪॥

টিপ্পনী:

কিয়নো মানুহৰ সম্মুখত কৰ্ম্ম কৰিও অকৰ্ম্মী হৈ থকাটো সকলোতকৈ উৎকৃষ্ট দৃষ্টান্ত, আৰু ঈশ্বৰেই যদি সৰ্ব্বময় কৰ্ত্তা হয় আমি কেৱল নিমিত্ত-মাত্ৰহে, তেন্তে "মই কৰ্ত্তা" এই ভাবৰ অভিমান কেনেকৈ হ'ব পাৰে?

এবং জ্ঞাত্বা কৃতং কৰ্ম্ম পূৰ্ব্বৈৰপি মুমুক্ষুভিঃ।
কুৰু কৰ্ম্মৈৱ তস্মাৎ ত্বং পূৰ্ব্বৈঃ পূৰ্ব্বতৰং কৃতম্ ॥১৫॥

"এইদৰে উপলব্ধি কৰিয়েই পূৰ্ব্বকালত মোক পোৱা মুমুক্ষুসকলে কাম কৰিছিল। সেই কাৰণে তুমিও অতি পুৰণিকালৰ পৰা জ্ঞানীসকলে যিদৰে কাম কৰি গৈছে সেইদৰে কৰ্ম্ম কৰা" ॥১৫॥

কিং কৰ্ম্ম কিমকৰ্ম্মেতি কবয়োহপ্যত্ৰ মোহিতাঃ।
তত্তে কৰ্ম্ম প্ৰৱক্ষ্যামি যজ্জ্ঞাত্বা মোক্ষ্যসেঽশুভাৎ ॥১৬॥

"কৰ্ম্ম কি, অকৰ্ম্ম কি, এই বিষয়ে পণ্ডিতসকলেও ভ্ৰমত পৰি আছে। এই কৰ্ম্ম সম্বন্ধে তোমাক মই ঠিককৈ কম। তাকে জানি লৈ তুমি অশুভ ফলৰ পৰা ৰক্ষা পাবা" ॥১৬॥

কৰ্ম্মণোহ্যপি বোদ্ধৱ্যং বোদ্ধৱ্যঞ্চ বিকৰ্ম্মণঃ।
অকৰ্ম্মণশ্চ বোদ্ধৱ্যং গহনা কৰ্ম্মণো গতিঃ ॥১৭॥

কৰ্ম্ম, নিষিদ্ধ কৰ্ম্ম আৰু অকৰ্ম্মৰ ভেদ জনা উচিত, কৰ্ম্মৰ গতি বৰ গূঢ় ॥১৭॥

কৰ্ম্মণ্যকৰ্ম্ম যঃ পশ্যেদকৰ্ম্মণি চ কৰ্ম্ম যঃ।
স বুদ্ধিমান্ মনুষ্যেষু স যুক্তঃ কৃৎস্নকৰ্ম্মকৃৎ ॥১৮॥

"কৰ্ম্মত যিজনে অকৰ্ম্ম দেখে আৰু অকৰ্ম্মত কৰ্ম্ম দেখে মানুহৰ ভিতৰত তেওঁলোককেই বুদ্ধিমান বুলি ধৰা হয়। তেওঁৱেই যোগী আৰু তেওঁৱেই সম্পূৰ্ণ কৰ্ম্মৰত লোক" ॥১৮॥

টিপ্পনী:—

কাম কৰোঁতে যিজনে কৰ্ত্তৃত্বৰ অভিমান নাৰাখে, তেওঁৰ কৰ্ম্ম অকৰ্ম্ম হয়; আৰু যিজনে বাহ্যিক ভাবে কৰ্ম্ম ত্যাগ কৰি মনত আকাশ-কুসুম ৰচনা

কৰে তেওঁৰ অকৰ্ম্মত কৰ্ম্ম হয়। কোনো পক্ষাঘাত হোৱা লোকে যদি ইচ্ছাপূৰ্ব্বক (অভিমানেৰে) কোনো ৰুগীয়া অঙ্গ লৰচৰ কৰে তেনেহলে সেই অঙ্গ লৰচৰ কৰিব। এইদৰে তেওঁ ৰুগীয়া অঙ্গ লৰচৰ কৰা, কাৰ্য্যৰ কৰ্ত্তা হয়। আত্মাৰ গুণ অকৰ্ত্তা। যিজনে মোহগ্ৰস্ত হৈ নিজকে কৰ্ত্তা বুলি জ্ঞান কৰে তেওঁৰেই আত্মাৰ পক্ষাঘাত ৰোগ হোৱাৰ দৰে হয়, আৰু তেওঁ অভিমান-পূৰ্ব্বক কাম কৰে। যিজনে কৰ্ম্মৰ গতি এই সুৰে বুজে তেওঁ বুদ্ধিমান, যোগী, কৰ্ত্তব্যপৰায়ণ বুলি পৰিগণিত হয়। "ময়েই কৰ্ত্তা" এইদৰে ধাৰণা কৰাৰ পৰা যি ভেদভাৱ হয় তাক পাহৰি যায়, আৰু সাধনাত ভাল-বেয়া বিচাৰ নকৰে। আত্মাৰ স্বাভাৱিক গতি উৰ্দ্ধ। সেই কাৰণে মানুহে যেতিয়া নীতিমাৰ্গ পৰিত্যাগ কৰে তেতিয়া নিশ্চয় অহঙ্কাৰ ভাব আছে বুলি ক'ব পাৰি। অভিমান ৰহিত পুৰুষৰ কৰ্ম্ম সহজেই সাত্বিক হয়।

যস্য সৰ্ব্বে সমাৰম্ভাঃ কামসঙ্কল্পবৰ্জ্জিতাঃ।
জ্ঞানাগ্নিদগ্ধকৰ্ম্মাণং তমাহু পণ্ডিতং বুধাঃ ॥১৯॥

"যাৰ সমস্ত আৰম্ভ (কাৰ্য্য) কামনা আৰু সংকল্পৰহিত হয়, তেওঁৰ কৰ্ম্ম জ্ঞানৰূপী অগ্নিৰ দ্বাৰা ভস্ম হৈ গৈছে, এনে লোককেই জ্ঞানীসকলে পণ্ডিত বুলি কয়" ॥১৯॥

ত্যক্ত্বা কৰ্ম্মফলাসঙ্গং নিত্যতৃপ্তো নিৰাশ্ৰয়ঃ।
কৰ্ম্মণ্যভিপ্ৰবৃত্তোঽপি নৈব কিঞ্চিৎ কৰোতি সঃ ॥২০॥

"যিজনে কৰ্ম্মফল ত্যাগ কৰিছে, যিজনে সদায় সন্তুষ্ট হৈ থাকে, যিজনৰ কোনো আশ্ৰয়তে (বিষয়তে) লালসা বা অভিলাষ নাই, তেওঁ কৰ্ম্মত ভালকৈ লাগি থকা সত্ত্বেও একো নকৰে বুলি ক'ব পাৰি" ॥২০॥

টিপ্পনী :—অৰ্থাৎ তেওঁ কৰ্ম্মবন্ধন ভোগ কৰিব নালাগে॥

নিৰাশীৰ্যতচিত্তাত্মা ত্যক্তসৰ্ব্বপৰিগ্ৰহঃ।
শাৰীৰং কেৱলং কৰ্ম্ম কুৰ্ব্বন্নাপ্নোতি কিল্বিষম্ ॥২১॥

"যি আশা-ৰহিত, যাৰ মন নিজৰ বশত আছে, যিজনে ধন-সম্পত্তি সঞ্চয় কাৰ্য্য এৰি দিছে আৰু যাৰ কেৱল শৰীৰৰ দ্বাৰাহে কাম হয় এনেলোকে কাম কৰিলেও দোষে স্পৰ্শ নকৰে" ॥২১॥

টিপ্পনী :—

অভিমানেৰে কৰা যি কোনো কামেই, যিমানেই সি সাত্বিক নহওক,—বন্ধনকাৰী হয়। সেইটো (কাম) যেতিয়া ঈশ্বৰাৰ্পিত বুদ্ধিৰে অভিমানশূন্য

হৈ কৰা হয়, তেতিয়া বন্ধনৰহিত হয়। যাৰ 'অহং' শূন্যত্ব পাইছে, তেওঁৰ শৰীৰেহে কৰ্ম্ম কৰে। গুই থাকোঁতেও মানুহৰ শৰীৰে কৰ্ম্ম কৰি থাকে, এইদৰে ক'ব পাৰি। যি কয়েদীয়ে বাধ্য হৈ অনিচ্ছাৰে হাল চলায় তাৰ শৰীৰেহে কাম কৰি থাকে। যি স্বইচ্ছাৰে ঈশ্বৰৰ কয়েদী হৈছে, তেওঁৰো শৰীৰেই সকলো কাম কৰে। সি তেতিয়া নিজে অহংশূন্য হয়, কাৰণ তাৰ প্ৰেৰক (চালক) ঈশ্বৰ ॥

যদৃচ্ছালাভসন্তুষ্টো দ্বন্দ্বাতীতো বিমৎসৰঃ।
সমঃ সিদ্ধাৱসিদ্ধৌ চ কৃত্বাপি ন নিবধ্যতে ॥২২॥

যিজন সহজে পোৱা বস্তুতে সন্তুষ্ট থাকে, যিজন সুখ-দুখ দ্বন্দ্বৰ পৰা মুক্ত হৈ গৈছে, যিজন দ্বেষৰহিত হৈ গৈছে, যিজন সফলতা বা নিষ্ফলতাত নিৰ্ব্বিকাৰ তেওঁ কৰ্ম্ম কৰিলেও বন্ধনত নপৰে ॥২২॥

গতসঙ্গস্য মুক্তস্য জ্ঞানাৱস্থিতচেতসঃ।
যজ্ঞায়াচৰতঃ কৰ্ম্ম সমগ্ৰং প্ৰৱিলীয়তে ॥২৩॥

"যিজন আসক্তিশূন্য, যাৰ চিত্ত জ্ঞানময়, যিজন মুক্ত আৰু যিজনে যজ্ঞৰ কাৰণেহে কাম কৰে, তেওঁৰ সকলো কৰ্ম্মই লয় হৈ যায়" ॥২৩॥

ব্ৰহ্মাৰ্পণং ব্ৰহ্ম হৱিৰ্ব্ৰহ্মাগ্নৌ ব্ৰহ্মণা হুতম্।
ব্ৰহ্মৈৱ তেন গন্তব্যং ব্ৰহ্মকৰ্ম্মসমাধিনা ॥২৪॥

"যজ্ঞত অৰ্পণ কৰা হোমবাৰি ব্ৰহ্ম, হোমৰ বস্তু যেনে ঘিউ ব্ৰহ্ম, এইদৰেই যিজনে কৰ্ম্মৰ লগত ব্ৰহ্মকো মিল কৰি সাধনা কৰে, তেওঁ ব্ৰহ্মকেই পায়" ॥২৪॥

দৈৱমেৱাপৰে যজ্ঞং যোগিনঃ পৰ্য্যুপাসতে।
ব্ৰহ্মাগ্নাৱপৰে যজ্ঞং যজ্ঞেনৈৱোপজুহ্বতি ॥২৫॥

"আৰু অনেক যোগীয়ে দেৱতা-পূজাৰূপী যজ্ঞ কৰে, আৰু আন কিছুমানে ব্ৰহ্মৰূপ অগ্নিত, যজ্ঞদ্বাৰা যজ্ঞকেই হোমত আহুতি দিয়ে" ॥২৫॥

শ্ৰোত্ৰাদীনীন্দ্ৰিয়াণ্যন্যে সংযমাগ্নিষু জুহ্বতি।
শব্দাদীন্ বিষয়ানন্য ইন্দ্ৰিয়াগ্নিষু জুহ্বতি ॥২৬॥

"আৰু কিছুমানে শ্ৰৱণাদি ইন্দ্ৰিয় সংযমৰূপী যজ্ঞ কৰে, আন কিছুমানে শব্দাদি বিষয়ক ইন্দ্ৰিয়াগ্নিত আহুতি দিয়ে" ॥২৬॥

টিপ্পনী :—

প্ৰথমতে হৈছে শুনাকাৰ্য্য ইত্যাদিত সংযম কৰা আৰু দ্বিতীয়তে ইন্দ্ৰিয়ৰ

উপযোগী বিষয়তো ইন্দ্ৰিয়ক ঈশ্বৰৰ প্ৰীতিৰ কামত লগোৱা ( যেনে কীৰ্ত্তন আদি শুনা ) প্ৰকৃততে দুয়োটা একেটা কথাই ।।

সৰ্ব্বাণীন্দ্ৰিয়কৰ্ম্মাণি প্ৰাণকৰ্ম্মাণি চাপৰে।
আত্মসংযমযোগাগ্নৌ জুহ্বতি জ্ঞানদীপিতে ॥২৭॥

"আৰু কিছুমানে সকলো ইন্দ্ৰিয়ৰ কৰ্ম্ম আৰু প্ৰাণকৰ্ম্মবিলাক জ্ঞান প্ৰদীপেৰে জ্বলাই আত্মাসংযমৰূপী যোগাগ্নিত হোম কৰে" ॥২৭॥

টিপ্পনী :— অৰ্থাৎ পৰমাত্মাত লীন হৈ যায়।

দ্ৰব্যযজ্ঞাস্তপোযজ্ঞা যোগযজ্ঞাস্তথাপৰে।
স্বাধ্যায়জ্ঞানযজ্ঞাশ্চ যতয়ঃ সংশিতব্ৰতাঃ ।।২৮।।

"এইদৰে কিছুমানে যজ্ঞৰ কাৰণে বস্তু দিয়ে, কিছুমানে তপ কৰে, কিছুমানে অষ্টাঙ্গ যোগ সাধন কৰে। কিছুমানে স্বাধ্যায় আৰু জ্ঞানযজ্ঞ কৰে। ইবিলাক সকলোৱেই কঠিন ব্ৰতধাৰী যত্নশীল যজ্ঞকাৰী হয়" ।।২৮।।

অপানে জুহ্বতি প্ৰাণং প্ৰাণেঽপানং তথাপৰে।
প্ৰাণাপানগতী ৰুদ্ধা প্ৰাণায়ামপৰায়ণাঃ ।।২৯।।

কিছুমানে প্ৰাণায়াম তৎপৰ হৈ অপানবায়ুক প্ৰাণবায়ুত আহুতি দিয়ে আৰু প্ৰাণক অপানত আহুতি দিয়ে আৰু প্ৰাণ আৰু অপান দুয়োকেই বন্ধ কৰে ।।২৯।।

টিপ্পনী :—

তিনি প্ৰকাৰৰ প্ৰাণায়াম যেনে ' ৰেচক, পূৰক আৰু কুম্ভক ! সংস্কৃতৰ প্ৰাণবায়ুৰ অৰ্থ গুজৰাটীত ( আৰু হিন্দীত ) কৈ বেলেগ। ভিতৰৰ পৰা বাহিৰলৈ উলিয়াই দিয়াটোকে প্ৰাণবায়ু বোলে। আমি যাক বাহিৰৰ পৰা ভিতৰলৈ নিওঁ সেই প্ৰাণবায়ু কুম্ভক 'অক্সিজেন' ( ইংৰাজীত ) নামেৰে অভিহিত হয় ।।

অপৰে নিয়তাহাৰাঃ প্ৰাণান্ প্ৰাণেষু জুহ্বতি।
সৰ্ব্বেঽপ্যেতে যজ্ঞবিদো যজ্ঞক্ষপিতকল্মষাঃ ।৩০।।

"আন কিছুমানে আহাৰ সম্বন্ধে সংযম কৰি প্ৰাণক প্ৰাণতেই আহুতি দিয়ে। যিলোকে যজ্ঞৰ দ্বাৰা নিজৰ সকলো পাপ ক্ষয় কৰি দিয়ে তেওঁ সকলো যজ্ঞকেই জানে" ।।৩০।।

যজ্ঞশিষ্টামৃতভুজো যান্তি ব্ৰহ্ম সনাতনম ॥
নায়ং লোকোঽস্ত্যযজ্ঞস্য কুতোঽন্যঃ কুৰুসত্তম্ ! ॥ ৩১ ॥

"হে কুৰুসত্তম, যজ্ঞৰ অৱশেষ অমৃত খোৱা পুৰুষে সনাতন ব্ৰহ্মক পায়। যজ্ঞ নকৰালোকে যেতিয়া ইহলোককেই পাব নোৱাৰে, তেওঁ কেনেকৈ পৰলোক পাব পাৰিব!" ॥ ৩১ ॥

এৱং বহুৱিধা যজ্ঞা ৱিততা ব্ৰহ্মণো মুখে।
কৰ্ম্মজান ৱিদ্ধি তান সৰ্ৱানেৱং জ্ঞাত্বা ৱিমোক্ষ্যসে ॥ ৩২ ॥

"এইদৰে বেদত নানাপ্ৰকাৰৰ যজ্ঞ বৰ্ণনা কৰা হৈছে। এই এটাইবিলাক কৰ্ম্মৰ পৰা উদ্ভৱ হৈছে বুলি ধৰি লবা। এইদৰে সকলোকে বুজিলে তুমি মোক্ষ পাবা" ॥ ৩১ ॥

টিপ্পনী :

ইয়াত কৰ্ম্মৰ অৰ্থ ব্যাপক হৈছে! এইবিলাক শাৰীৰিক, মানসিক আৰু আত্মিক এনেধৰণৰ কৰ্ম্মৰ বাহিৰে যজ্ঞ হবই নোৱাৰে, যজ্ঞ বিনে মোক্ষ হ'ব নোৱাৰে। এইদৰে জ্ঞান হোৱা আৰু সেই অনুসাৰে কাম কৰাৰ নামেই যজ্ঞক জনা। তাৎপৰ্য্য এই যে যদি মানুহে আপোন শৰীৰ, মন, বুদ্ধি আৰু আত্মা ঈশ্বৰৰ প্ৰীতিৰ কাৰণে লোক সেৱাৰ কামত নলগায় তেন্তে সি চোৰ বুলি সাব্যস্ত হয়, আৰু মোক্ষৰ যোগ্য হ'ব নোৱাৰে। যিজনে কেৱল বুদ্ধি শক্তিকহে কামত লগায় অথচ তেওঁৰ শৰীৰ নাইবা আত্মাক, আঁতৰ বা আঁৰ-বেৰ কৰে, তেওঁ সম্পূৰ্ণ যাজ্ঞিক হ'ব নোৱাৰে। এই এটাই-বিলাক শক্তি একত্ৰ নহলে তেওঁৰ পৰোপকাৰৰ প্ৰচেষ্টা উপযোগী হ'ব নোৱাৰে। সেই কাৰণে আত্মশুদ্ধি নহলে, লোক সেৱা অসম্ভৱ। সেৱকৰ শৰীৰ, বুদ্ধি আৰু আত্মা তিনিওটা নীতিৰ সমানৰূপে বিকাশ কৰা কৰ্ত্তব্য॥

শ্ৰেয়ান্ দ্ৰৱ্যময়াদ্ যজ্ঞাজ্ জ্ঞানযজ্ঞ, পৰন্তপ!
সৰ্ৱং কৰ্ম্মাখিল পাৰ্থ! জ্ঞানে পৰিসমাপ্যতে ॥ ৩৩ ॥

"হে পৰন্তপ, জ্ঞানযজ্ঞ দ্ৰব্য যজ্ঞতকৈ শ্ৰেষ্ঠ, কিয়নো হে পাৰ্থ! কৰ্ম্মমাত্ৰই জ্ঞানৰ দ্বাৰাই হে উৎকৃষ্টতা পায়" ॥ ৩৩ ॥

টিপ্পনী :—

পৰোপকাৰৰ বৃত্তিৰ পৰা দিয়া বস্তুও যদি জ্ঞানেৰে সৈতে দিয়া নাযায় তেন্তে বহুত হানি হয়, এইটো কোনে অনুভৱ নকৰাকৈ আছে? সকলো বৃত্তিৰ পৰা উৎপন্ন হোৱা সকলো কামেই তেতিয়াহে শোভা পায় যেতিয়া তাৰ লগত জ্ঞানৰ সংযোগ থাকে॥

তদ্ৱিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেৱয়া ।
উপদেক্ষ্যন্তি তে জ্ঞানং জ্ঞানিনস্তত্ত্বদৰ্শিনঃ ॥ ৩৪ ॥

"সেই কাৰণে তুমি তত্ত্ব বুজা জ্ঞানীসকলৰ সেৱা কৰি আৰু নম্ৰতাপূৰ্ব্বক বিৱেকসহিতে বাৰে বাৰে প্ৰশ্ন কৰিলে জানিব পাৰিবা তেওঁলোকে তোমাৰ সংশয়জ্ঞাপক প্ৰশ্নৰ সমাধান কৰি সন্তুষ্ট কৰিব" ॥ ৩৪ ॥

টিপ্পনী ঃ--

জ্ঞান পাবৰ কাৰণে তিনটি পথ প্ৰণিপাত, পৰিশ্ৰম, আৰু সেৱা। এই যুগত ভালকৈ অন্তৰত ৰাখিবলগীয়া কথা প্ৰণিপাত অৰ্থাৎ নম্ৰতা, বিৱেক ; পৰিশ্ৰম অৰ্থে বাৰে বাৰে সোধা (প্ৰশ্ন কৰা)। সেৱাৰহিত নম্ৰতা, খোচা-মোদৰ লগত পৰে, আকৌ জ্ঞান নিবিচাৰিলে লাভ কৰা সম্ভৱপৰ নহয়। সেইকাৰণে যেতিয়ালৈকে বুজি পোৱা নাযায়, তেতিয়ালৈকে শিষ্যই গুৰুক নম্ৰভাৱে প্ৰশ্ন কৰাতো 'জিজ্ঞাসু' (তত্ত্ব বিচৰালোকৰ) পৰিচায়ক, ইয়াত শ্ৰদ্ধাৰ আৱশ্যক আছে। যিহৰ প্ৰতি শ্ৰদ্ধা নাই, তাৰ প্ৰতি আন্তৰিক নম্ৰতা নহয় তাৰ সেৱাই বা হ'ব কেনেকৈ ?

যজ্জ্ঞাত্বা ন পুনৰ্মোহমেৱং যাস্যসি পাণ্ডৱ ।
যেন ভূতান্যশেষেণ দ্ৰক্ষ্যস্যাত্মন্যথো ময়ি ॥ ৩৫ ॥

"এই জ্ঞান পোৱাৰ পাছত, হে পাণ্ডৱ, তোমাৰ আকৌ এনে মোহ নহয়। এই জ্ঞানৰ দ্বাৰা তুমি ভূতমাত্ৰকেই আত্মাত আৰু মোত দেখা পাবা ॥৩৫॥

টিপ্পনী ঃ

"যথা ভাণ্ডে তথা ব্ৰহ্মাণ্ডে" এই বাক্যৰো একেই অৰ্থ। যাৰ আত্মদৰ্শন হৈ গৈছে তেওঁ নিজৰ আত্মা আৰু আনৰ আত্মাৰ মাজত একো পাৰ্থক্য নেদেখে।

অপি চেদসি পাপেভ্যঃ সৰ্ব্বেভ্যঃ পাপকৃত্তমঃ ।
সৰ্ব্বং জ্ঞানপ্লৱেনৈৱ বৃজিনং সন্তৰিষ্যসি ॥ ৩৬ ॥

"সকলো পাপীৰ ভিতৰত যদি ডাঙৰ পাপীও হোৱা, তথাপি জ্ঞানৰূপী নাৱেৰে সকলো পাপ পাৰ হৈ যাবা" ॥ ৩৬ ॥

যথৈধাংসি সমিদ্ধোঽগ্নিৰ্ভস্মসাৎ কুৰুতেঽৰ্জ্জুন ।
জ্ঞানাগ্নিঃ সৰ্ব্বকৰ্ম্মাণি ভস্মসাৎ কুৰুতে তথা ॥ ৩৭ ॥

"হে অৰ্জ্জুন, যেনেকৈ প্ৰজ্বলিত অগ্নিয়ে জুই লগোৱা খৰি পুৰি ছাই কৰি দিয়ে সেইদৰে জ্ঞানৰূপী অগ্নিয়ে সকলো কৰ্ম্মকেই ভস্ম কৰি দিয়ে" ॥ ৩৭ ॥

न हि ज्ञानेन सदृशं पवित्रमिह विद्यते ।
तत् स्वयं योगसंसिद्धः कालेनात्मनि विन्दति ॥ ३८ ॥

"ইহ সংসাৰত জ্ঞানতকৈ আৰু একো পবিত্ৰ নাই । যোগত বা সমত্বত পূৰ্ণতাপ্ৰাপ্ত লোকে সময়ত নিজেই সেই জ্ঞান লাভ কৰে" ॥ ৩৮ ॥

শ্ৰদ্ধাবানলভতে জ্ঞানং তৎপৰঃ সংযতেন্দ্ৰিয়ঃ ।
জ্ঞানং লব্ধা পৰাং শান্তিমচিৰেণাধিগচ্ছতি ॥ ৩৯ ॥

"শ্ৰদ্ধাবান, ঈশ্বৰপৰায়ণ, জিতেন্দ্ৰিয় পুৰুষে জ্ঞান পায় আৰু এই জ্ঞান পাই শীঘ্ৰে পৰম শান্তি লাভ কৰে" ॥ ৩৯ ॥

অজ্ঞশ্চাশ্ৰদ্দধানশ্চ সংশয়াত্মা বিনশ্যতি ।
নায়ং লোকোঽস্তি ন পৰো ন সুখং সংশয়াত্মনঃ ॥ ৪০ ॥

"যি অজ্ঞানী আৰু শ্ৰদ্ধাৰহিত হৈ সংশয়পৰায়ণ হয়, তাৰ নাশ হয়, সংশযবান লোকৰ কাৰণে ইহলোকো নাই, পৰলোকো নাই, তাৰ ক'তো সুখ নাই" ॥ ৪০ ॥

যোগসংন্যস্তকৰ্ম্মাণং জ্ঞানসংছিন্নসংশয়ম্ ।
আত্মবন্তং ন কৰ্ম্মাণি নিবধ্নন্তি ধনঞ্জয় ! ॥ ৪১ ॥

"যিজনে সমত্বৰূপী যোগদ্বাৰা কৰ্ম্ম অৰ্থাৎ কৰ্ম্মফল ত্যাগ কৰিছে, আৰু জ্ঞানৰ দ্বাৰা সংশয় ছেদ কৰিছে, তেনে আত্মদৰ্শী লোকৰ হে ধনঞ্জয় ! কৰ্ম্মবন্ধন হ'ব নোৱাৰে" ॥ ৪১ ॥

তস্মাদজ্ঞানসম্ভূতং হৃৎস্থং জ্ঞানাসিনাত্মনঃ ।
ছিত্ত্বৈনং সংশয়ং যোগমাতিষ্ঠোত্তিষ্ঠ ভাৰত ! ॥৪২॥

"সেই কাৰণে হে ভাৰত ! হৃদয়ত অজ্ঞানৰ পৰা উৎপন্ন হোৱা সংশয়ক আত্মজ্ঞানৰূপী তৰোৱালেৰে নাশ কৰি যোগ অৰ্থাৎ সমত্ব ধাৰণ কৰি থিয় হোৱা" ॥ ৪২ ॥

ওঁ তৎসৎ ।

এইদৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ জ্ঞানকৰ্ম্ম সন্ন্যাস যোগ নামক ৪ৰ্থ অধ্যায় সমাপ্ত হ'ল ॥

## ৫ম অধ্যায়

## কৰ্ম্ম-সন্ন্যাস যোগ

এই অধ্যায়ত কৰ্ম্মযোগবিনে যে কৰ্ম্মসন্ন্যাস হ'ব নোৱাৰে আৰু আচলতে দুয়োটা একেই তাকে কোৱা হৈছে।

অৰ্জ্জুন উবাচ :—

সংন্যাসং কৰ্ম্মণাং কৃষ্ণ! পুনৰ্যোগঞ্চ শংসসি।
যচ্ছ্রেয় এতয়োৰেকং তন্মে ব্রূহি সুনিশ্চিতম্ ॥ ১ ॥

অৰ্জ্জুনে ক'লে, "হে কৃষ্ণ! আপুনি এপিনে কৰ্ম্মৰ ত্যাগ আকৌ আন পিনে কৰ্ম্মৰ ভোগ দুয়োটাকে প্ৰশংসা কৰিছে। এই দুয়োটাৰ ভিতৰত কোনটো শ্ৰেয়, সেইটো মোক ঠিককৈ নিশ্চয়পূৰ্ব্বক বুজাই দিয়ক" ॥ ১ ॥

শ্ৰীভগবানুবাচ :

সংন্যাসঃ কৰ্ম্মযোগশ্চ নিঃশ্ৰেয়সকৰাবুভৌ।
তয়োস্তু কৰ্ম্মসংন্যাসাৎ কৰ্ম্মযোগো বিশিষ্যতে ॥ ২ ॥

শ্ৰীভগৱানে ক'লে -"কৰ্ম্ম ত্যাগ আৰু যোগ দুয়োটাই মোক্ষদায়ক, ইয়াৰ ভিতৰতো কৰ্ম্মসন্ন্যাসতকৈ কৰ্ম্মযোগ বিশেষৰূপে ভাল" ॥ ২ ॥

জ্ঞেয়ঃ স নিত্যসংন্যাসী যো ন দ্বেষ্টি ন কাঙ্ক্ষতি।
নিৰ্দ্বন্দ্বো হি মহাবাহো! সুখং বন্ধাৎ প্ৰমুচ্যতে ॥ ৩ ॥

"যি মানুহে দ্বেষ আৰু ইচ্ছা নকৰে তেওঁলোকক সদায় সন্ন্যাসী বুলি মানিবা। যিজন সুখ-দুখ আদি দ্বন্দৰ পৰা মুক্ত, তেওঁ সহজে বন্ধনৰ পৰা মুক্তি পায়" ॥ ৩ ॥

টিপ্পনী :--

অৰ্থ এয়ে যে—কৰ্ম্মত্যাগ সন্ন্যাসৰ আচল লক্ষণ নহয়; বৰং দ্বন্দ্বাতীত হোৱাতহে, এজন মানুহে কাম কৰি থকা সত্ত্বেও সন্ন্যাসী হ'ব পাৰে, কোনোৱেবা কাম নকৰা সত্ত্বেও মিথ্যাচাৰী হ'ব পাৰে, (৩য় অধ্যায়ৰ ৬ষ্ঠ শ্লোক চাওক)।

সাংখ্যযোগৌ পৃথগ্ বালাঃ প্ৰবদন্তি ন পণ্ডিতাঃ।
একমপ্যাস্থিতঃ সম্যগুভয়োৰ্ৱিন্দতে ফলম্ ॥ ৪ ॥

"সাংখ্য আৰু যোগ, জ্ঞান আৰু কৰ্ম্ম—এই দুয়োটা পৃথক বুলি অজ্ঞানীয়ে কয়, পণ্ডিতে নকয়। এটাতে ভালকৈ স্থিৰ হৈ থকা লোকে দুয়োটাৰে ফল পায়" ।। ৪ ।।

টিপ্পনী :—

জ্ঞানযোগীয়ে লোকসংগ্ৰহৰূপা কৰ্ম্মযোগৰ বিশেষ ফল সঙ্কল্পমাত্ৰেই পায়। কৰ্ম্মযোগীয়ে নিজ অনাসক্তিৰ কাৰণে কৰ্ম্ম কৰি থকা সত্ত্বেও জ্ঞানযোগীয়ে পোৱা শান্তি অনায়াসে ভোগ কৰে।

যৎ সাংখ্যৈঃ প্ৰাপ্যতে স্থানং তদ যোগৈৰপি গম্যতে।
একং সাংখ্যঞ্চ যোগঞ্চ যঃ পশ্যতি স পশ্যতি ।। ৫ ।।

"যি ঠাই সাংখ্য (জ্ঞান) মাৰ্গৰে যোৱা লোকে পায়; সেইটো যোগীয়েও (কৰ্ম্মমাৰ্গৰে যোৱা লোকেও) পায়। যিজনে সাংখ্য আৰু যোগক একেদৰে দেখে তেওঁৱেই সত্যদৰ্শী" ।। ৫ ।।

সংন্যাসস্তু মহাবাহো! দুঃখমাপ্তুমযোগতঃ।
যোগযুক্তো মুনিৰ্ব্ৰহ্ম নচিৰেণাধিগচ্ছতি ।। ৬ ।।

"হে মহাবাহো! কৰ্ম্মযোগবিনে কৰ্ম্মত্যাগ কৰা কষ্টসাধ্য। কিন্তু সমত্ব পোৱা মুনিয়ে শীঘ্ৰেই মোক্ষ পায়" ।। ৬ ।।

যোগযুক্তো বিশুদ্ধাত্মা বিজিতাত্মা জিতেন্দ্ৰিয়।
সৰ্ব্বভূতাত্মভূতাত্মা কুৰ্ব্বন্নপি ন লিপ্যতে। ৭ ।।

"যিজনে যোগসাধন কৰিছে, যিজনে হৃদয় বিশুদ্ধ কৰি লৈছে, আৰু যিজনে মন আৰু ইন্দ্ৰিয়ক জয় কৰি লৈছে আৰু ভূতমাত্ৰকে নিজৰ দৰে ভাবিব পাৰিছে, এনেলোকে কৰ্ম্ম কৰি থকা সত্ত্বেও তাত অলিপ্ত থাকে"। ৭।।

নৈৱ কিঞ্চিৎ কৰোমীতি যুক্তো মন্যেত তত্ত্ববিৎ।
পশ্যন্ শৃণ্বন্ স্পৃশন্ জিঘ্ৰন্নশ্নন্ গচ্ছন্ স্বপন্ শ্বসন্ ।। ৮ ।।
প্ৰলপন বিসৃজন্ গৃহ্ণন্নুন্মিষন্নিমিষন্নপি।
ইন্দ্ৰিয়াণীন্দ্ৰিয়াৰ্থেষু বৰ্ত্তন্ত ইতি ধাৰয়ন্। ৯ ।।

"দেখোঁতে, শুনোতে, স্পৰ্শ কৰোঁতে, শুঙোতে, খাওঁতে, চলোঁতে শোঁওতে, নিশ্বাস লওঁতে, কথা কওঁতে, এৰি দিওঁতে, ধৰোঁতে, চকু মেলোঁতে, আৰু বন্ধ কৰোঁতে তত্ত্বজ্ঞ যোগীয়ে এনেদৰে ভাবে যে ইন্দ্ৰিয়ইহে এই কামবিলাক কৰিছে, আৰু এনেদৰে বুজে যে 'মই একো কৰা নাই' "।।৮।৯।।

টিপ্পনী :—

যেতিয়ালৈকে অভিমান থাকে, তেতিয়ালৈকে মানুহে ভেনে অলিপ্ত স্থিতি পাব নোৱাৰে। সেইকাৰণে বিষয়াসক্ত লোকে, "বিষয় মই ভোগ কৰা নাই, ইন্দ্ৰিয়ই নিজৰ কাম নিজে কৰিছে" এই বুলি কৈ তেওঁ পাৰ নাপায়। এনে ধৰণৰ ভুল অৰ্থ কৰা লোকে গীতাও বুজা নাই--ধৰ্ম্মকো জনা নাই। এই কথাটো তলৰ শ্লোকত স্পষ্ট কৰি দিছে ॥

ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্মপত্ৰমিৱাম্ভসা ॥ ১০ ॥

"যি লোকে কৰ্ম্ম ব্ৰহ্মত অৰ্পণ কৰি আসক্তি ত্যাগ কৰি চলে তেওঁ পানীত থকা পদুমৰ পাতৰ দৰে অলিপ্তভাৱে পাপৰ পৰা মুক্ত হৈ থাকে" ॥ ১০ ॥

কায়েন মনসা বুদ্ধ্যা কেৱলৈৰিন্দ্ৰিয়ৈৰপি।
যোগিনঃ কৰ্ম্ম কুৰ্ব্বন্তি সঙ্গং ত্যক্ত্বাত্মশুদ্ধয়ে ॥ ১১ ॥

"শৰীৰ, মন, বুদ্ধিৰে আৰু কেৱল ইন্দ্ৰিয়ৰে যোগীসকলে আসক্তিশূন্য হৈ আত্মশুদ্ধিৰ কাৰণে কৰ্ম্ম কৰে" ॥ ১১ ॥

যুক্তঃ কৰ্ম্মফলং ত্যক্ত্বা শান্তিমাপ্নোতি নৈষ্ঠিকীম্।
অযুক্তঃ কামকাৰেণ ফলে সক্তো নিবধ্যতে ॥ ১২ ॥

সমত্বপ্ৰাপ্তলোকে কৰ্ম্মফল ত্যাগ কৰি পৰম শান্তি পায়। কিন্তু অস্থিৰ-চিত্ত মানুহে কামনাযুক্ত হোৱাৰ কাৰণে কৰ্ম্মফলত বান্ধ খাই বন্ধনতেই পৰি থাকে ॥ ১২ ॥

সৰ্ব্বকৰ্ম্মাণি মনসা সংন্যস্যাস্তে সুখং ৱশী।
নৱদ্বাৰে পুৰে দেহী নৈৱ কুৰ্ব্বন্ ন কাৰয়ন্ ॥ ১৩ ॥

"সংযমী পুৰুষে মনেৰে সকলো কৰ্ম্মকে ত্যাগ কৰি ন খন দুৱাৰ থকা নগৰস্বৰূপ দেহত থাকিও নিজে একো নকৰাকৈ বা আনৰ দ্বাৰা নকৰাযো সুখত থাকে" ॥ ১৩ ॥

টিপ্পনী :—

দুই নাক, দুই কাণ, দুই চকু, দুই মলদ্বাৰ আৰু মুখ এইবিলাকেই শৰীৰৰ নৱদ্বাৰ। বাকী ত্বক্ বা স্পৰ্শৰ অসংখ্য ছিদ্ৰ থকা দ্বাৰতো আছেই। এই দুৱাৰবিলাকৰ চৌকিদাৰে যদি ইয়াত অহাযোৱা কৰা গৰাকীক আহিব যাবলৈ দি নিজৰ ধৰ্ম্ম পালন কৰে তেন্তে সেই (গৰাকী) সম্বন্ধে এনেদৰে

ক'ব পাৰি যে এইবিলাক তেওঁৰ কথা চলা সত্বেও তেওঁ এইবিলাকৰ ভোগী নহয়; বৰং কেৱল সাক্ষীমাত্ৰহে, এওঁ নিজেও নকৰে নাইবা আনৰ দ্বাৰায়ো নকৰায় ॥

ন কৰ্ত্তৃত্বং ন কৰ্ম্মাণি লোকস্য সৃজতি প্ৰভুঃ ।
ন কৰ্ম্মফলসংযোগং স্বভাৱস্তু প্ৰৱৰ্ত্ততে ॥ ১৪ ॥

"জগতৰ প্ৰভুৱে কৰ্ত্তৃত্বভাব সৃষ্টি কৰা নাই, কৰ্ম্মও সৃষ্টি কৰা নাই, কৰ্ম্ম আৰু কৰ্ম্মফলৰ যোগও সাধন কৰা নাই। এই সকলো (মায়া) প্ৰকৃতিয়েই কৰিছে" ॥১৪॥

টিপ্পনী :—

ঈশ্বৰ কৰ্ত্তা নহয়, কৰ্ম্মৰ নিয়ম অবিচলিত আৰু অনিবাৰ্য্য। যি যিদৰে সি সেইদৰে ভুগিবই লাগিব। ইয়াত ঈশ্বৰৰ দয়া আৰু ন্যায়েই প্ৰকাশিত হৈছে। ন্যায় বিৰোধ কৰা দয়া, দয়া নহয়, বৰং ক্ৰূৰতাহে। কিন্তু মানুহ ত্ৰিকালদৰ্শী নহয়। সেই কাৰণে তেওঁৰ কাৰণে দয়া, ক্ষমাই ন্যায়। তেওঁ নিজে সদায় ন্যায়ৰ পাত্ৰ হৈ ক্ষমাৰ যাচক হ'ব। তেওঁ আন জনৰ ন্যায় কেৱল ক্ষমাৰ দ্বাৰাইহে পূৰণ কৰিব পাৰে। ক্ষমাগুণ বিকাশ কৰিলেহে শেষত অকৰ্ত্তা যোগযুক্ত সমতাবান হৈ কৰ্ম্ম কুশল হ'ব পাৰে ॥

নাদত্তে কস্যচিৎ পাপং ন চৈৱ সুকৃতং বিভুঃ ।
অজ্ঞানেনাবৃতং জ্ঞানং তেন মুহ্যন্তি জন্তৱঃ ॥ ১৫ ॥

"ঈশ্বৰে কাকো পাপ বা পুণ্য নিদিয়ে। অজ্ঞানৰ দ্বাৰা জ্ঞান ঢাক খালেই মানুহ মোহত আৱদ্ধ হয়" ॥ ১৫ ॥

টিপ্পনী :—

অজ্ঞানতে "মই কৰ্ত্তা" এনে প্ৰবৃত্তিৰ কাৰণে মানুহ কৰ্ম্ম বন্ধনত আৱদ্ধ হয়। তথাপি তেওঁ (কামৰ) ভালবেয়া ফল ঈশ্বৰৰ ওপৰত দিয়ে—এয়ে মোহজাল ॥

জ্ঞানেন তু তদজ্ঞানং যেষাং নাশিতমাত্মনঃ ।
তেষামাদিত্যৱজ্ জ্ঞানং প্ৰকাশয়তি তৎপৰম্ ॥১৬॥

"কিন্তু যাৰ অজ্ঞানতা আত্মজ্ঞানৰ দ্বাৰা নাশ হৈ গৈছে, তেওঁৰ সূৰ্য্যৰ দৰে প্ৰকাশময় জ্ঞানে পৰমতত্ত্ব দৰ্শন কৰায়" ॥১৬॥

তদ্‌বুদ্ধয়স্তদাত্মানস্তন্নিষ্ঠাস্তৎপৰায়ণাঃ ।
গচ্ছন্ত্যপুনৰাবৃত্তিং জ্ঞাননিৰ্ধূতকল্মষাঃ ॥১৭॥

"জ্ঞানৰ দ্বাৰা যাৰ পাপ ধৌত হৈ গৈছে, ঈশ্বৰক ধ্যানত ধাৰণ কৰিব পাৰে, তন্ময় হয়, তেওঁতেই স্থিৰ হ'ব পাৰে আৰু তেওঁকেই সৰ্ব্বস্ব বুলি মানিব পাৰে - সেই লোকেই মোক্ষ পায়" ॥১৭॥

বিদ্যাবিনয়সম্পন্নে ব্রাহ্মণে গবি হস্তিনি।

শুনি চৈব শ্বপাকে চ পণ্ডিতাঃ সমদর্শিনঃ ॥১৮॥

"বিদ্বান, বিনয়ীলোক, ব্রাহ্মণ, গাই, হাতী, কুকুৰ আৰু কুকুৰ খোৱা মানুহৰ সকলোকে জ্ঞানীলোকে (একেদৰে) সমদৃষ্টিতে দেখে" ॥১৮॥

টিপ্পনী :-

তাৎপৰ্য্য এই যে অৰ্থাৎ আৱশ্যক অনুসাৰে সকলোকে সমানে সেৱা কৰে, ব্রাহ্মণ আৰু চণ্ডালৰ প্রতি সমভাৱ ৰখা,—যেনে ব্রাহ্মণক সাপে খুটিলে যেনেকৈ জ্ঞানীয়ে প্রেমভাবেৰে তেওঁৰ ঘাৰ পৰা তেজ শুহি লৈ বিষ নোহোৱা কৰিবলৈ যত্নবান্ হব, সেইদৰে চণ্ডালক সাপে খুটিলেও তেনে কৰিব ॥

ইহৈৱ তৈৰ্জিতঃ সৰ্গো যেষাং সাম্যে স্থিতং মনঃ।

নিৰ্দ্দোষং হি সমং ব্রহ্ম তস্মাদ্ ব্রহ্মণি তে স্থিতাঃ ॥১৯॥

"যাৰ মন সমত্বত স্থিৰ হৈ গৈছে, তেওঁ এই দেহত থকা সত্ত্বেও সংসাৰ জয় কৰি লৈছে। ব্রহ্ম নিষ্কলঙ্ক আৰু সমভাৱী, সেই কাৰণে তেওঁ ব্রহ্মতেই স্থিৰ হৈ থাকে" ॥১৯॥

টিপ্পনী :-

মানুহে যেনেদৰে আৰু যাকেই চিন্তা কৰে, নিজেও তেনেকুৱা হয়। সেই কাৰণে সমত্ব চিন্তা কৰি, দোষশূন্য হৈ সমত্বৰ মুক্তি স্বৰূপ নিৰ্দ্দোষ ব্রহ্মক পায় ॥

ন প্রহৃষ্যেৎ প্রিয়ং প্রাপ্য নোদ্বিজেৎ প্রাপ্য চাপ্রিয়ম।

স্থিৰবুদ্ধিৰসংমূঢ়ো ব্রহ্মৱিদ্ ব্রহ্মণি স্থিতঃ ॥২০॥

"যাৰ বুদ্ধি স্থিৰ হৈছে, যাৰ মোহ নষ্ট হৈ গৈছে, যি জনে ব্রহ্মক জানে আৰু ব্রহ্মপৰায়ণ হৈ থাকে, তেওঁ প্রিয় বিষয় পায়। দুখী আৰু অপ্রিয় (বিষয়) পাইও নিজক দুখী বুলি নাভাবে" ॥২০॥

বাহ্যস্পৰ্শেষ্বসক্তাত্মা বিন্দত্যাত্মনি যৎ সুখম্।

স ব্রহ্মযোগযুক্তাত্মা সুখমক্ষয়মশ্নুতে ॥২১॥

"বাহ্যিক বিষয়ত আসক্তি নথকা লোকে নিজৰ অন্তঃকৰণৰ পৰা যি আনন্দ ভোগ কৰে, এনে অক্ষয় আনন্দ ব্রহ্মপৰায়ণ পুৰুষে অনুভৱ কৰে" ॥২১॥

টিপ্পনী :—

যিজন অন্তৰ্মুখী হৈছে, তেওঁৰেইহে ঈশ্বৰ সাক্ষাৎকাৰ হব পাৰে; আৰু তেওঁ পৰম আনন্দ লাভ কৰে। বিষয় সম্বন্ধে নিবৃত্ত থাকি কৰ্ম্ম কৰা, আৰু ব্ৰহ্ম সমাধিৰ আনন্দ উপভোগ কৰা—এ দুয়োটা বস্তু কেৱল একে-ধৰণৰ (মিত্ৰ) বস্তুৰেই নহয়, বৰং একেটা বস্তুকে দেখিবৰ কাৰণে দুটা দৃষ্টি মাত্ৰ; যেনে একেটা টকাৰে দুটা পিঠি ॥

যে হি সংস্পৰ্শজা ভোগা দুঃখযোনয় এৱ তে।
আদ্যন্তৱন্তঃ কৌন্তেয় ন তেষু ৰমতে বুধঃ ॥২২॥

"বিষয়ৰ পৰা উৎপন্ন হোৱা ভোগ নিশ্চয় দুখৰ কাৰণ হয়। হে কৌন্তেয়! ইয়াৰ আদি আৰু অন্ত আছে। বুদ্ধিমান লোকে ইয়াত মন নিদিয়ে" ॥২২॥

শক্নোতীহৈৱ যঃ সোঢ়ুং প্ৰাক্ শৰীৰবিমোক্ষণাৎ।
কামক্ৰোধোদ্ভৱং ৱেগং স যুক্তঃ স সুখী নৰঃ ॥২৩॥

"মৃত্যু হোৱাৰ আগতে যিলোকে এই দেহতেই কাম আৰু ক্ৰোধৰ বেগ সহ্য কৰিবলৈ শক্তিৱন্ত হৈছে, সেই লোকেই সমত্ব পাইছে আৰু তেওঁ সুখী" ॥২৩॥

টিপ্পনী :—

মৃত শৰীৰত যেনেকৈ ইচ্ছা বা দ্বেষ উদ্ভৱ নহয়, সুখ-দুখ নহয় সেই-দৰে জীৱিত থাকোঁতেও যি মৃতকৰ দৰে, দেহাতীত হৈ থাকিব পাৰে, তেওঁ সংসাৰ জয় কৰিছে আৰু আচল সুখ কি বুজি পাইছে॥

যোঽন্তঃসুখোঽন্তৰাৰামস্তথান্তৰ্জ্যোতিৰেৱ যঃ।
স যোগী ব্ৰহ্মনিৰ্বাণং ব্ৰহ্মভূতোঽধিগচ্ছতি ॥২৪॥

"যাৰ আন্তৰিক আনন্দ আছে, যাৰ হৃদয়ত শক্তি আছে, যাৰ আত্মজ্ঞান হৈছে, এনেধৰণৰ ব্ৰহ্মৰূপ প্ৰাপ্ত হোৱা যোগীয়েই ব্ৰহ্মনিৰ্ব্বাণ পায়" ॥২৪॥

লভন্তে ব্ৰহ্মনিৰ্বাণমৃষয়ঃ ক্ষীণকল্মষাঃ।
ছিন্নদ্বৈধা যতাত্মানঃ সৰ্বভূতহিতে ৰতাঃ ॥২৫॥

"যাৰ পাপ নষ্ট হৈ গৈছে, যাৰ সন্দেহবিলাক ভঞ্জন হৈ গৈছে; যিজনৰ মনৰ ওপৰত আধিপত্য হৈছে আৰু যিজনে প্ৰাণী মাত্ৰৰেই হিত কৰাত লাগি থাকে এনে ধৰণৰ ঋষিয়েই ব্ৰহ্মনিৰ্ব্বাণ প্ৰাপ্ত হয়" ॥২৫॥

কামক্ৰোধৱিযুক্তানাং যতীনাং যতচেতসাম্।
অভিতো ব্ৰহ্মনিৰ্বাণং ৱৰ্ত্ততে ৱিদিতাত্মনাম্ ॥২৬॥

"যিজনে নিজকে চিনি পায়, কাম-ক্ৰোধ জয় কৰিছে আৰু যি মনক বশ কৰিছে এনেধৰণৰ ব্ৰতী সকলৰে (যোগীসকলৰ ব্ৰহ্মনিৰ্ব্বাণ সৰ্ব্বত্ৰ প্ৰাপ্ত হয়" ।।১৬।।

স্পৰ্শান্ কৃত্বা বহিৰ্ব্বাহ্যাংশ্চক্ষুশ্চৈৱান্তৰে ভ্ৰুৱোঃ।
প্ৰাণাপানৌ সমৌ কৃত্বা নাসাভ্যন্তৰচাৰিণৌ ।।১৭।।
যতেন্দ্ৰিয়মনোবুদ্ধিৰ্মুনিৰ্মোক্ষপৰায়ণঃ।
বিগতেচ্ছাভয়ক্ৰোধো যঃ সদা মুক্ত এৱ সঃ ।।২৮।।

"বাহিৰৰ বিষয় ভোগ একেবাৰে (মনৰ পৰা) বহিষ্কাৰ কৰি দৃষ্টি দুয়ো ভ্ৰুৰ মাজত স্থিৰ কৰি, নাকেৰে অহা-যোৱা কৰা প্ৰাণ আৰু অপান বায়ুৰ গতি একে সমানে ৰাখি, ইন্দ্ৰিয়, মন আৰু বুদ্ধিৰ বশ কৰি, সেইদৰে ইচ্ছা, ভয়, ক্ৰোধৰহিত হৈ যি মুনি মোক্ষ-পৰায়ণ হয় তেওঁ সদায় মুক্ত" ॥২৭॥২৮॥

টিপ্পনী :-

ভিতৰৰ পৰা বাহিৰলৈ ওলোৱা বায়ুকেই প্ৰাণ আৰু বাহিৰৰ পৰা ভিতৰলৈ যোৱা বায়ুকেই অপান বায়ু বোলে। এই শ্লোকত প্ৰাণায়াম আদি ক্ৰিয়াৰ সমৰ্থন কৰা হৈছে। প্ৰাণায়াম আদি বাহ্যিক ক্ৰিয়া আৰু শৰীৰ সুস্থ ৰাখি-বলৈ আৰু পৰমাত্মা থাকিব পৰা মন্দিৰ সজোৱালৈকে পৰিমিত। ভোগী-সকলৰ সাধাৰণ ব্যায়ামৰ দ্বাৰা যি কাম হয়, সেইটো যোগীসকলৰ প্ৰাণায়াম আদিত হয়। ভোগীসকলক ব্যায়াম আদিয়ে তেওঁলোকৰ ইন্দ্ৰিয় উত্তেজিত কৰাত সহায় কৰে। প্ৰাণায়ামাদিয়ে শৰীৰ নিৰোগী আৰু শক্তিৱন্ত কৰাৰ লগে লগে ইন্দ্ৰিয় শান্ত ৰাখিবলৈকো সহায় কৰে। আজিকালি প্ৰাণায়ামৰ বিধি অলপ লোকেহে জানে, আৰু তাৰ ভিতৰতো অতি কম লোকেহে তাৰ সদ্ব্যৱহাৰ কৰে। যাৰ দ্বাৰাই ইন্দ্ৰিয়, মন আৰু বুদ্ধিক অধিক নহলেও প্ৰাথমিক জয়ো কৰিব পৰা যায়, যিসকলৰ মুক্তিৰ উৎকট অভিলাষ আছে, যিসকলে ৰাগ-দ্বেষ জয় কৰি, ভয় পৰিত্যাগ কৰিছে, তেওঁলোকৰ পক্ষে প্ৰাণায়াম উপযোগী আৰু সহায়ক হয়। অন্তৰ শুচি নোহোৱা প্ৰাণায়াম আদি বন্ধনে সাধনা কৰা মানুহক মোহকূপৰ বেছি তললৈহে লৈ যাব পাৰে— বহুতো এনে ধৰণৰ অনুভৱ হৈছে। সেই বাবে যোগীন্দ্ৰ পতঞ্জলি যম-নিয়-মকেহে প্ৰথম স্থান দি, মোক্ষমাৰ্গত সাধকৰ কাৰণে প্ৰাণায়াম আদিক সহায়ক বুলি ধৰিছে।

যম পাঁচ প্ৰকাৰ—অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য্য আৰু অপৰিগ্ৰহ। নিয়ম পাঁচ প্ৰকাৰ—শৌচ (শুচি), সন্তোষ, তপ, স্বাধ্যায়, আৰু ঈশ্বৰ প্ৰণিধান॥

ভোক্তাৰং যজ্ঞতপসাং সৰ্ব্বলোকমহেশ্বৰম্।
সুহৃদং সৰ্ব্বভূতানাং জ্ঞাত্বা মাং শান্তিমৃচ্ছতি॥২৯॥

"যজ্ঞ আৰু তপৰ ভোক্তা,—সৰ্ব্বলোকৰ মহেশ্বৰ আৰু ভূত মাত্ৰকেই হিতকাৰী বুলি মোক জানি (উপৰুক্ত মুনিয়ে) শান্তি পায়"॥২৯॥

টিপ্পনী :—

কোনোৱে যেন নুবুজে যে এই অধ্যায়ৰ ১৪ আৰু ১৫, নাইবা এনেধৰণৰ আন শ্লোকৰ বিৰোধী। ঈশ্বৰ সৰ্ব্বশক্তি মান হোৱাৰ কাৰণে কৰ্ত্তা-অকৰ্ত্তা, ভোক্তা-অভোক্তা, যি কোৱা যায়, সেয়েই আৰু তেনে নহয়ো। তেওঁ অবৰ্ণনীয়—মানুহৰ ভাষাৰ অতীত। সেই কাৰণে তেওঁত পৰস্পৰ বিৰোধী গুণ আৰু শক্তি অৰ্পণ কৰি মানুহে তেওঁৰ দৰ্শনৰ আশা ৰাখে॥

ওঁ তৎসৎ

এইদৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ কৰ্ম্মসন্ন্যাস যোগশাস্ত্ৰৰ ৫ম অধ্যায় সমাপ্ত হ'ল।

## ষষ্ঠ অধ্যায়

### ধ্যানযোগ

এই অধ্যায়ত যোগসাধন কৰিবলৈ অৰ্থাৎ সমত্ব পাবলৈ নানা প্ৰকাৰৰ সাধনাৰ কথা কোৱা হৈছে।

শ্ৰীভগৱান্ উবাচ :—

অনাশ্ৰিতঃ কৰ্ম্মফলং কাৰ্য্যং কৰ্ম্ম কৰোতি যঃ।
স সংন্যাসী চ যোগী চ ন নিৰগ্নিৰ্ন চাক্ৰিয়ঃ ॥ ১ ॥

ভগৱানে ক'লে—"কৰ্ম্মফলৰ আশ্ৰয় নোলোৱাকৈ যি মানুহে বিহিত কৰ্ম্ম কৰে তেওঁ সন্ন্যাসী, তেওঁ যোগী। কিন্তু যিজনে অগ্নি আৰু কুল-ক্ৰিয়া এৰি দি বহি থাকে তেওঁ নহয়" ॥ ১ ॥

টিপ্পনী :—

অগ্নি অৰ্থাৎ সকলো প্ৰকাৰৰ সাধন। যেতিয়া অগ্নিৰ দ্বাৰা হোম হৈছিল, তেতিয়া অগ্নিৰ আৱশ্যক আছিল। ধৰি লওক, যেনিবা এই যুগৰ যঁতৰ চলোৱাই সাধন, তেনে অৱস্থাত যঁতৰ পৰিত্যাগ কৰি বহি থাকিলে সন্ন্যাসী হ'ব নোৱাৰি ॥

যং সংন্যাসমিতি প্ৰাহুৰ্যোগং তং বিদ্ধি পাণ্ডৱ।
ন হ্যসংন্যস্তসংকল্পো যোগী ভৱতি কশ্চন ॥ ২ ॥

"হে পাণ্ডৱ! যিহকে সন্ন্যাস বোলা হয় তাকেই যোগ বুলি জানিবা। *যাৰ মনৰ সঙ্কল্প ত্যাগ হোৱা নাই তেওঁ কেতিয়াও যোগী হ'ব নোৱাৰে"* ॥২॥

আৰুৰুক্ষোৰ্মুনেৰ্যোগং কৰ্ম্ম কাৰণমুচ্যতে।
যোগাৰূঢ়স্য তস্যৈৱ শমঃ কাৰণমুচ্যতে ॥ ৩ ॥

"যোগ সাধনা কৰা লোকৰ পক্ষে কৰ্ম্মই সাধন হয়। যাৰ এইটো সাধন হৈছে, তেওঁৰ শান্তিয়েই সাধন" ॥ ৩ ॥

টিপ্পনী :—

যাৰ আত্মশুদ্ধি হৈ গৈছে, যিজনে সমত্ব সাধন কৰিছে, তেওঁৰ পক্ষে আত্মদৰ্শন সহজ নহয়। ইয়াৰ অৰ্থ এইটো নহয় যে যোগস্থ লোকৰ লোক

সংগ্ৰহৰ কাৰণেও কোনো কৰ্ম্মৰ আৱশ্যকতা থাকে। লোকসংগ্ৰহ বিনে তেওঁ থাকিব নোৱাৰে তেওঁৰ পক্ষে সেৱা-কৰ্ম্ম কৰা সহজ হৈ পৰে। তেওঁ লোকক দেখুৱাবলৈ একো নকৰে। অধ্যায় ৩-৪, অধ্যায় ৫ ২ ৫ সৈতে মিলাই চাওক ॥

যদা হি নেন্দ্ৰিয়াৰ্থেষু ন কৰ্ম্মস্বনুষজ্জতে।

সৰ্ব্বসংকল্পসংন্যাসী যোগাৰূঢ়স্তদোচ্যতে ॥ ৪ ॥

"যেতিয়া মানুহে ইন্দ্ৰিয়ৰ বিষয় সম্বন্ধে আৰু কৰ্ম্মত আসক্ত নহয় আৰু সকলো সঙ্কল্পকে ত্যাগ কৰে সেতিয়া তেওঁক যোগাৰূঢ় বুলি কোৱা হয়" ॥ ৪ ॥

উদ্ধৰেদাত্মনাত্মানং নাত্মানমৱসাদয়েৎ।

আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ ॥ ৫ ॥

"আত্মাৰ দ্বাৰাই মানুহে আত্মাৰ উদ্ধাৰ কৰা উচিত, তাৰ অধোগতি কৰা উচিত নহয়। আত্মাই আত্মাৰ বন্ধু আৰু আত্মাই আত্মাৰ শত্ৰু" ॥৫॥

বন্ধুৰাত্মাত্মনস্তস্য যেনাত্মৈৱাত্মনা জিতঃ।

অনাত্মনস্তু শত্ৰুত্বে ৱৰ্ত্তেতাত্মৈৱ শত্ৰুৱৎ ॥ ৬ ॥

"যিজনে নিজৰ শক্তিৰে মনক জয় কৰে, তেওঁৰ আত্মা বন্ধু হয়, যিজনে আত্মাক জয় কৰা নাই তেওঁ নিজৰ প্ৰতি শত্ৰুৰ দৰে ব্যৱহাৰ কৰে" ॥ ৬ ॥

জিতাত্মনঃ প্ৰশান্তস্য পৰমাত্মা সমাহিতঃ।

শীতোষ্ণসুখদুঃখেষু তথা মানাপমানয়োঃ ॥ ৭ ॥

"যিজনে নিজৰ মন জয় কৰিছে আৰু যিজন সম্পূৰ্ণৰূপে শান্ত হৈছে। তেনেজনৰ আত্মাই জাৰ-জহ, সুখ-দুখ আৰু মান-অপমান একেদৰেই থাকে অৰ্থাৎ বিচলিত নহয়" ॥ ৭ ॥

জ্ঞানৱিজ্ঞানতৃপ্তাত্মা কূটস্থো ৱিজিতেন্দ্ৰিয়ঃ।

যুক্ত ইত্যুচ্যতে যোগী সমলোষ্টাশ্মকাঞ্চনঃ ॥ ৮ ॥

"যিজন জ্ঞান আৰু অনুভৱত তৃপ্ত হৈছে, যিজন অবিচল, যিজনে ইন্দ্ৰিয়ক জয় কৰিছে আৰু যাৰ মনত মাটি, শিল আৰু সোণ সমান জ্ঞান হৈছে, এনে ঈশ্বৰপৰায়ণ লোককেই যোগী বুলি কোৱা হয়" ॥ ৮ ॥

সুহৃন্মিত্ৰাৰ্য্যুদাসীনমধ্যস্থ-দ্বেষ্য-বন্ধুষু।

সাধুষ্বপি চ পাপেষু সমবুদ্ধিৰ্বিশিষ্যতে ॥ ৯ ॥

"হিতাকাঙ্ক্ষী, মিত্ৰ, শত্ৰু, অপক্ষপাতী এই সকলোৰে মঙ্গলাকাঙ্ক্ষী, দ্বেষ কৰা লোক-বন্ধু সাধু আৰু পাপী এই সকলোৰে প্ৰতি সমভাৱ ৰখা লোক শ্ৰেষ্ঠ" ॥৯॥

যোগী যুঞ্জীত সততমাত্মানং ৰহসি স্থিতঃ।
একাকী যতচিত্তাত্মা নিৰাশীৰপৰিগ্ৰহঃ ॥ ১০ ॥

"চিত্ত স্থিৰ কৰি, বাসনা আৰু সঞ্চয়শীলতা ত্যাগ কৰি একান্তে নিৰ্জ্জনত থাকি যোগীয়ে সদায় আত্মাক পৰমাত্মাৰ লগত সংযোগ কৰে" ॥ ১০ ॥

শুচৌ দেশে প্ৰতিষ্ঠাপ্য স্থিৰমাসনমাত্মনঃ।
নাত্যুচ্ছ্ৰিতং নাতিনীচং চৈলাজিনকুশোত্তৰম্ ॥ ১১ ॥
তত্ৰৈকাগ্ৰং মনঃ কৃত্বা যতচিত্তেন্দ্ৰিয়ক্ৰিয়ঃ।
উপৱিশ্যাসনে যুঞ্জ্যাদ্ যোগমাত্মৱিশুদ্ধয়ে ॥ ১২ ॥

"(যোগীয়ে) নিজে পৱিত্ৰ স্থানলৈ গৈ কুশ, পহুৰ ছাল আৰু কাপোৰ এখনৰ ওপৰত আনখন পাৰি বৰ চাপৰো নহয় নাইবা বৰ ওখও নহয় — এনে আসন কৰি বহি তাৰ ওপৰত একাগ্ৰ মনেৰে চিত্ত আৰু ইন্দ্ৰিয়বিলাকক বশ কৰি আত্মশুদ্ধিৰ কাৰণে যোগ সাধন কৰিব" ॥ ১১।১২ ॥

সমং কায়শিৰোগ্ৰীৱং ধাৰয়ন্নচলং স্থিৰঃ।
সংপ্ৰেক্ষ্য নাসিকাগ্ৰং স্বং দিশশ্চানৱলোকয়ন্ ॥ ১৩ ॥
প্ৰশান্তাত্মা ৱিগতভীৰ্ব্ৰহ্মচাৰিব্ৰতে স্থিতঃ।
মনঃ সংযম্য মচ্চিত্তো যুক্ত আসীত মৎপৰঃ ॥ ১৪ ॥

"শৰীৰ, গীৰা আৰু মস্তক পোনকৈ অচল ৰাখি, স্থিৰ হৈ থাকি ইপিনে-সিপিনে নাচাই নাকৰ আগৰ ওপৰত দৃষ্টি ঠিক ৰাখি পূৰ্ণশান্তিৰে নিৰ্ভয় হৈ ব্ৰহ্মচৰ্য্যত দৃঢ় হৈ, মনক সংযত কৰি মোত পৰায়ণ থকা যোগীয়ে ধ্যানস্থ হৈ ৰহে" ॥ ১৩।১৪ ॥

টিপ্পনী :—

নাসিকাগ্ৰৰ অৰ্থ হৈছে দুই ভ্ৰূৰ মাজৰ ভাগখিনি। ৫ম অধ্যায়ৰ ২৩ শ্লোক চাওক। ব্ৰহ্মচাৰীৰ ব্ৰত অৰ্থ বীৰ্য্যসংগ্ৰহৰ কাৰণেই নহয়, লগতে ব্ৰহ্মলাভৰ কাৰণে আৱশ্যকীয় অহিংসা ইত্যাদি সকলো ব্ৰতকে বুজায়।

যুঞ্জন্নেবং সদাত্মানং যোগী নিয়তমানসঃ।
শান্তিং নিৰ্বাণপৰমাং মৎসংস্থামধিগচ্ছতি ॥ ১৫ ॥

"এইদৰে মন যাৰ নিয়মত আছে, এনে যোগীয়ে আত্মাক পৰমাত্মাৰ লগত যোগ কৰে আৰু মোক পোৱাৰ কাৰণে উত্তৰ হোৱা মোক্ষৰূপী পৰম শান্তি লাভ কৰে" ॥ ১৫ ॥

নাত্যশ্নতস্তু যোগাহস্তি ন চৈকান্তমনশ্নতঃ ।
ন চাতিস্বপ্নশীলস্য জাগ্রতো নৈৱ চাৰ্জ্জুন ॥ ১৬ ॥

"হে অৰ্জ্জুন ! এনে সমত্বৰূপী যোগ অধিক ভোজন কৰা লোকৰ কাৰণে নাইবা উপবাসীৰ কাৰণে প্ৰাপ্য নহয়; সেইদৰে বেছিকৈ শোৱা মানুহে নাইবা বেছিকৈ সাৰে থকা মানুহৰ কাৰণেও প্ৰাপ্য নহয়" ॥ ১৬ ॥

যুক্তাহাৰবিহাৰস্য যুক্তচেষ্টস্য কৰ্ম্মসু ।
যুক্তস্বপ্নাৱবোধস্য যোগো ভৱতি দুঃখহা ॥ ১৭ ॥

"যি লোক আহাৰ-বিহাৰত, অন্য কামত, শোওঁতে উঠোঁতে পৰিমিত হৈ থাকে তেওঁৰ পক্ষে যোগ দুঃখদায়ক নহয় অৰ্থাৎ দুখ ভঞ্জনকাৰী হয়" ॥১৭॥

যদা ৱিনিয়তং চিত্তমাত্মন্যেৱাৱতিষ্ঠতে ।
নিস্পৃহঃ সৰ্ব্বকামেভ্যো যুক্ত ইত্যুচ্যতে তদা ॥ ১৮ ॥

"ভালকৈ নিয়মত আৱদ্ধ হোৱা মন যেতিয়া আত্মাত স্থিৰ হৈ যায়, আৰু মানুহে যেতিয়া সকলো কামনাৰ প্ৰতি নিস্পৃহ হয়, তেতিয়া তেওঁক যোগী বুলি কোৱা হয়" ॥ ১৮ ॥

যথা দীপো নিৱাতস্থো নেঙ্গতে সোপমা স্মৃতা ।
যোগিনো যতচিত্তস্য যুঞ্জতো যোগমাত্মনঃ ॥ ১৯ ॥

"আত্মাক পৰমাত্মাৰ লগত মিলন কৰিবলৈ চেষ্টা কৰা স্থিৰচিত যোগীৰ অৱস্থা বায়ু-নচলা ঠাইত দীপৰ দৰে বুলি ক'ব পাৰি" ॥ ১৯ ॥

যত্ৰোপৰমতে চিত্তং নিৰুদ্ধং যোগসেৱয়া ।
যত্ৰ চৈৱাত্মনাত্মানং পশ্যন্নাত্মনি তুষ্যতি ॥ ২০ ॥
সুখমাত্যন্তিকং যত্তদ্ বুদ্ধিগ্ৰাহ্যমতীন্দ্ৰিয়ম্ ।
ৱেত্তি যত্ৰ ন চৈৱায়ং স্থিতশ্চলতি তত্ত্বতঃ ॥ ২১ ॥
যং লব্ধা চাপৰং লাভং মন্যতে নাধিকং ততঃ ।
যস্মিন্‌স্থিতো ন দুঃখেন গুৰুণাপি ৱিচাল্যতে ॥ ২২ ॥
তং ৱিদ্যাদ্ দুঃখসংযোগৱিয়োগং যোসংজ্ঞিতম ।
স নিশ্চয়েন যোক্তব্যো যোগোঽনিৰ্ব্বিণ্ণচেতসা ॥ ২৩ ॥

"যোগ অভ্যাস কৰোঁতে বশীভূতমনে যি ঠাইত শান্তি পায়, আত্মাৰ দ্বাৰা আত্মাক চিনি পালে মানুহে যি সন্তোষ পায় আৰু ইন্দ্ৰিয়ৰ অতীত বুদ্ধিৰে গ্ৰহণ কৰিব পৰা অনন্ত সুখ যি ঠাইত থাকি মানুহে মূলবস্তুৰপৰা

লৰচৰ নকৰে, আৰু যি পোৱাৰ পিছত অন্য কোনো লোভতেই অধিক বুলি নামানে আৰু য'ত স্থিৰ হোৱাৰ কাৰণে মহাদুখতো বিচলিত নহয়, তেনে দুখৰ পৰা মুক্ত অৱস্থাকেই যোগৰ স্থিতি অৱস্থা বুলি বুজি লব লাগে। এনে যোগ নিঃসন্দেহে দৃঢ়তাপূৰ্ব্বক সাধন কৰিবলগীয়া" ॥ ২০।২১। ২২।২৩ ॥

সংকল্পপ্ৰভৱান্ কামাংস্ত্যক্ত্বা সৰ্বানশেষতঃ।
মনসৈবেন্দ্ৰিয়গ্ৰামং বিনিয়ম্য সমন্ততঃ ॥ ২৪ ॥
শনৈঃ শনৈৰুপৰমেদ্ বুদ্ধ্যা ধৃতিগৃহীতয়া ॥
আত্মসংস্থং মনঃ কৃত্বা ন কিঞ্চিদপি চিন্তয়েৎ ॥ ২৫ ॥

"সংকল্পৰপৰা উদ্ভৱ হোৱা সকলো কামনাকে সম্পূৰ্ণৰূপে ত্যাগ কৰি মনৰ দ্বাৰাই ইন্দ্ৰিয়বিলাক চাৰিওফালে তালকে নিযমিত কৰি লৈ অচল বুদ্ধিৰ যোগা লাহে লাহে শান্ত হৈ গৈ থাকে, আৰু মন আত্মাত নিবিষ্ট কৰি, আন একোকে চিন্তা নকৰে" ॥ ২৪।২৫ ।

যতো যতো নিশ্চৰতি মনশ্চঞ্চলমস্থিৰম্।
ততস্ততো নিয়ম্যৈতদাত্মন্যেৱ ৱশং নয়েৎ ॥ ২৬ ॥

"চঞ্চল আৰু অস্থিৰ মন যি ঠাইলৈকে নাযাওক তাক যোগীয়ে সেই ঠাইৰ পৰা আনি সংযত কৰি নিজৰ বশলৈ আনে" ॥ ২৬ ॥

প্ৰশান্তমনসং হ্যেনং যোগিনং সুখমুত্তমম্।
উপৈতি শান্তৰজসং ব্ৰহ্মভূতমকল্মষম্ ॥ ২৭ ॥

"যাৰ মন উত্তৰৰূপে শান্ত হৈ গৈছে, যাৰ বিকাৰ উপশম হৈছে, এনেদৰে ব্ৰহ্মময় হোৱা নিষ্পাপী যোগীয়ে অৱশ্যে উত্তম সুখ পায়" ॥ ২৭ ॥

যুঞ্জন্নেৱং সদাত্মানং যোগী বিগতকল্মষঃ।
সুখেন ব্ৰহ্মসংস্পৰ্শমত্যন্তং সুখমশ্নুতে ॥ ২৮ ॥

"আত্মাৰে সহিতে সদায় অনুসন্ধানকাৰী পাপৰহিত যোগীয়ে সহজতে ব্ৰহ্মপ্ৰাপ্তি স্বৰূপ অনন্ত সুখ অনুভৱ কৰে" ॥ ২৮ ॥

সৰ্বভূতস্থমাত্মানং সৰ্বভূতানি চাত্মনি।
ঈক্ষতে যোগযুক্তাত্মা সৰ্বত্ৰ সমদৰ্শনঃ ॥ ২৯ ॥

"সৰ্ব্বত্ৰ সমভাৱ ৰখা যোগীয়ে নিজক সকলো ভূতত আৰু সকলো ভূতকে নিজতে দেখে" ॥ ২৯ ॥

যো মাং পশ্যতি সর্বত্র সর্বঞ্চ ময়ি পশ্যতি ।
তস্যাহং ন প্রণশ্যামি স চ মে ন প্রণশ্যতি ॥ ৩০ ॥

"যিজনে মোক সকলো ঠাইতে দেখা পায় আৰু সকলোকে মোতেই দেখা পায় তেওঁ মোৰ দৃষ্টিৰপৰা আঁতৰ নহয় আৰু মই তেওঁৰ দৃষ্টিৰপৰা অদৃশ্য নহওঁ" ॥ ৩০ ॥

সর্বভূতস্থিতং যো মাং ভজত্যেকত্বমাস্থিতঃ ।
সর্বথা বর্ত্তমানোঽপি স যোগী ময়ি বর্ত্ততে ॥ ৩১ ॥

"মোতে লীন হোৱা যি যোগী, ভূতমাত্রতেই থকা মোক ভজে, তেনেজন যি অৱস্থাতেই থাকক, মোতেই অৱস্থিতি কৰে" ॥ ৩১ ॥

টিপ্পনী :—

"নিজ" (ভাৱ) যেতিয়ালৈকে থাকে, তেতিয়ালৈকে পৰমাত্মা পৰ হৈ থাকে । "নিজ" (ভাৱ) দূৰ হোৱাৰ পাছতহে এক পৰমাত্মাক সর্ব্বত্র দেখিবলৈ পোৱা যায় । আৰু এই অধ্যায়ৰ ১৩-১৩ শ্লোকৰ টীকা চাওক ।

আত্মৌপম্যেন সর্বত্র সমং পশ্যতি যোঽর্জ্জুন ! ।
সুখং বা যদি বা দুঃখং স যোগী পৰমো মতঃ ॥৩২॥

"হে অৰ্জ্জুন ! যি লোকে সকলোকে নিজৰ দৰে দেখে, আৰু সুখ আৰু দুখ উভয়কে সমান জ্ঞান কৰে, সেই যোগীক শ্ৰেষ্ঠ বুলি ক'ব পাৰি" ॥৩২॥

অৰ্জ্জুন উবাচ :—

যোঽয়ং যোগস্তয়া প্রোক্তঃ সাম্যেন মধুসূদন !
এতস্যাহং ন পশ্যামি চঞ্চলত্বাৎ স্থিতিং স্থিৰাম্ ॥৩৩॥

অৰ্জ্জুনে ক'লে - "হে মধুসূদন ! (সমত্বৰূপী) এই যোগৰ কথা আপুনি কৈছে, মোৰ মনৰ চঞ্চলতাৰ কাৰণে তাত স্থিৰতা মই দেখা পোৱা নাই" ॥৩৩॥

চঞ্চলং হি মনঃ কৃষ্ণ ! প্রমাথি বলৱদ্ দৃঢ়ম্ ।
তস্যাহং নিগ্রহং মন্যে ৱায়োৰিৱ সুদুষ্কৰম্ ॥৩৪॥

"কিয়নো হে কৃষ্ণ ! মন চঞ্চল ; মানুহক মথি পেলাই আৰু ই বৰ বলবান । বায়ুক যেনেকৈ ৰোধ কৰা টান, মনক বশ কৰাও মই তেনে টান বুলি ভাবোঁ" ॥৩৪॥

শ্ৰীভগৱান্ উবাচ :—

অসংশয়ং মহাবাহো ! মনো দুর্নিগ্রহং চলম্ ।
অভ্যাসেন তু কৌন্তেয় ! বৈৰাগ্যেণ চ গৃহ্যতে ॥৩৫॥

ভগৱানে ক'লে—"হে মহাবাহু, সঁচাকৈয়ে মন চঞ্চল হোৱাৰ কাৰণে বশ

কৰা বৰ টান। কিন্তু হে কৌন্তেয়! অভ্যাস আৰু বৈৰাগ্যৰ দ্বাৰা ইয়াক বশ কৰিব পাৰি" ॥৩৫॥

অসংযতাত্মনা যোগো দুষ্প্ৰাপ ইতি মে মতিঃ।
ৱশ্যাত্মনা তু যততা শক্যোঽৱাপ্তুমুপায়তঃ ॥৩৬॥

"মোৰ মত এয়ে যে যাৰ মন নিজ বশত নাই, তেওঁৰ পক্ষে যোগ সাধন বৰ কঠিন কাৰ্য্য! কিন্তু যাৰ মন নিজৰ বশত আছে, আৰু যি যত্নবান্ তেওঁ এই উপায়ৰ দ্বাৰা তাক সাধন কৰিব পাৰে" ॥৩৬॥

অৰ্জ্জুন উবাচ :--

অযতিঃ শ্ৰদ্ধয়োপেতো যোগাচ্চলিতমানসঃ।
অপ্ৰাপ্য যোগসংসিদ্ধিং কাং গতিং কৃষ্ণ! গচ্ছতি? ॥৩৭॥

অৰ্জ্জুনে ক'লে—"হে কৃষ্ণ! যি লোক শ্ৰদ্ধাবান্ কিন্তু যত্নৰ শিথিল হোৱাৰ কাৰণে যোগভ্ৰষ্ট হয়, তেনেলোকে সফলকাম নহলেও গতি পায়নে?" ৩৭॥

কচ্চিন্নোভয়ৱিভ্ৰষ্টশ্ছিন্নাভ্ৰমিৱ নশ্যতি?।
অপ্ৰতিষ্ঠো মহাবাহো! ৱিমূঢ়ো ব্ৰহ্মণঃ পথি ॥৩৮॥

"হে মহাবাহু! যোগভ্ৰষ্ট হৈ ব্ৰহ্মমাৰ্গ পাহৰি গলে ছেদেলি-ভেদেলি হোৱা ডাৱৰৰ দৰে উভয় অৱস্থাৰপৰা ভ্ৰষ্ট হৈ নাশ নেযায়নে?" ॥৩৮॥

এতন্মে সংশয়ং কৃষ্ণ! ছেত্তুমৰ্হস্যশেষতঃ।
ত্বদন্যঃ সংশয়স্যাস্য ছেত্তা ন হ্যুপপদ্যতে ॥৩৯॥

"হে কৃষ্ণ! মোৰ এই সংশয় আপুনি দূৰ কৰিব পাৰে। আপোনাৰ বাহিৰে আন কাকো এই সংশয় দূৰ কৰিবলৈ পোৱা নেযাব" ॥৩৯॥

ভগবান্ উবাচ :—

পাৰ্থ! নৈৱেহ নামুত্ৰ ৱিনাশস্তস্য ৱিদ্যতে!
ন হি কল্যাণকৃৎ কশ্চিদ্ দুৰ্গতিং তাত! গচ্ছতি ॥৪০॥

ভগবানে ক'লে "হে পাৰ্থ! এনে লোকৰ নাশ ইহ লোকতো নহয় পৰলোকতো নহয়। হে তাত! কল্যাণ মাৰ্গৰ বিষয়ে জনা লোকৰ কেতিয়াও দুৰ্গতি নহয়" ॥৪০॥

প্ৰাপ্য পুণ্যকৃতাং লোকানুষিত্বা শাশ্বতীঃ সমাঃ।
শুচীনাং শ্ৰীমতাং গেহে যোগভ্ৰষ্টোঽভিজায়তে ॥৪১॥

"পুণ্যশীল লোকে পোৱা স্থান পাই তাত বহুকাল (যুগ) থকাৰ পাছত যোগভ্ৰষ্টলোকে পৱিত্ৰ আৰু সাধকৰ ঘৰত জন্মগ্ৰহণ কৰে" ॥৪১॥

অথৱা যোগিনামেৱ কুলে ভৱতি ধীমতাম্ ।
এতদ্ধি দুৰ্লভতৰং লোকে জন্ম যদীদৃশম্ ॥৪২॥

"অথবা জ্ঞানবান যোগীৰ কুলতেই তেওঁ জন্ম পায । জগতত এনে ধৰণৰ জন্ম হোৱা অৱশ্যে বৰ দুৰ্লভ" ॥৪২॥

তত্ৰ তং বুদ্ধিসংযোগং লভতে পৌৰ্ব্বদেহিকম্ ।
যততে চ ততো ভূয়ঃ সংসিদ্ধৌ কুৰুনন্দন ! ॥৪৩॥

"হে কুৰুনন্দন, তাত তেওঁৰ পূৰ্ব্বজন্মৰ বুদ্ধি সংস্কাৰ পায় আৰু তাৰ পৰা মোক্ষৰ কাৰণে ক্ৰমে আগবাঢ়ি যায়" ॥৪৩॥

পূৰ্ব্বাভ্যাসেন তেনৈৱ হ্ৰিয়তে হ্যৱশোঽপি সঃ ।
জিজ্ঞাসুৰপি যোগস্য শব্দব্ৰহ্মাতিৱৰ্ত্ততে ॥৪৪॥

"এইদৰে পূৰ্ব্বৰ অভ্যাসৰ কাৰণে এওঁ অৱশ্যে যোগৰ অধিক অনুশীলন কৰে । যোগৰ জিজ্ঞাসু সকলেও, বৈদিক সকাম কৰ্ম্মকাৰী সকলৰ থকা ঠাইতকৈ আগবাঢ়ি যায" ॥৪৪॥

প্ৰযত্নাদ যতমানস্তু যোগী সংশুদ্ধকিল্বষঃ ।
অনেকজন্মসংসিদ্ধস্ততো যাতি পৰাং গতিম্ ॥৪৫॥

"আৰম্ভৰেপৰা যত্নবান হোৱা যোগী পাপৰপৰা মুক্ত হৈ অনেক জন্মৰ পৰা বিশুদ্ধ হৈ পৰমগতি পায়" ॥৪৫॥

তপস্বিভ্যোঽধিকো যোগী জ্ঞানিভ্যোঽপি মতোঽধিকঃ ।
কৰ্ম্মিভ্যশ্চাধিকো যোগী তস্মাদ যোগী ভৱাৰ্জ্জুন ॥৪৬॥

"তপস্বীতকৈ যোগী অধিক হয়, জ্ঞানীতকৈ তেওঁক শ্ৰেষ্ঠ বুলি কোৱা হয়, সেইদৰে কৰ্ম্মকাণ্ডকাৰীতকৈও তেওঁ শ্ৰেষ্ঠ ; সেইকাৰণে হে অৰ্জ্জুন ! তুমি যোগী হোৱা" ॥৪৬॥

যোগিনামপি সৰ্ব্বেষাং মদ্গতেনান্তৰাত্মনা ।
শ্ৰদ্ধাৱান্ ভজতে যো মাং স মে যুক্ততমো মতঃ ॥৪৭॥

ইয়াত তপস্বীৰ 'অৰ্থ ফল ইচ্ছাযুক্ত তপস্বী', জ্ঞানাৰো অৰ্থ অনুভৱ জ্ঞানী নহয় ॥

"সকলো যোগীৰ ভিতৰত তেওঁকেই সৰ্ব্বশ্ৰেষ্ঠ যোগী বুলি মান্য কৰা হয়, যিজনে মোতেই মন অৰ্পণ কৰি মোক শ্ৰদ্ধাৰে ভজন কৰে" ॥৪৭॥

**ওঁ তৎসৎ**

এইদৰে শ্ৰীমদ্ভাগবদগীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যান্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ ধ্যানযোগ নামৰ ষষ্ঠ অধ্যায় সমাপ্ত হ'ল ॥

## সপ্তম অধ্যায়

## জ্ঞান-বিজ্ঞান-যোগ

এই অধ্যায়ত ঈশ্বৰতত্ত্ব আৰু ঈশ্বৰভক্তি কি তাকে বুজাবলৈ আৰম্ভ কৰা হৈছে ॥

শ্ৰীভগবানুবাচ ঃ -

ময্যাসক্তমনাঃ পাৰ্থ! যোগং যুঞ্জন্মদাশ্ৰয়ঃ ।
অসংশয়ং সমগ্ৰং মাং যথা জ্ঞাস্যসি তচ্ছৃণু ॥ ১ ॥

"হে পাৰ্থ । মোতেই মন নিবিষ্ট কৰি আৰু মোৰ আশ্ৰয় লৈ যোগ সাধন কৰা (লোকে) নিশ্চয়পূৰ্ব্বক আৰু সম্পূৰ্ণৰূপে মোক যিদৰে জানে তাক শুনা ঃ—

জ্ঞানং তেঽহং সবিজ্ঞানমিদং বক্ষ্যাম্যশেষতঃ!
যজ্‌জ্ঞাত্বা নেহ ভূয়োঽন্যজ্‌ জ্ঞাতব্যমবশিষ্যতে ॥ ২ ॥

"অনুভব যুক্ত এই জ্ঞান (বিষয়ে) মই তোমাক সম্পূৰ্ণৰূপে কম । ইয়াক জনাৰ পিছত ইহলোকত আৰু অধিক জানিবলৈ একো নাথাকে" ॥২॥

মনুষ্যাণাং সহস্ৰেষু কশ্চিদ্‌ যততি সিদ্ধয়ে!
যততামপি সিদ্ধানাং কশ্চিন্মাং বেত্তি তত্ত্বতঃ ॥ ৩ ॥

"হাজাৰ লোকৰ মাজত কদাচিত হে কোনোৱে সিদ্ধিৰ কাৰণে প্ৰযত্ন কৰে । সিদ্ধি পাবলৈ যত্নবান হোৱা লোকৰ ভিতৰতো কদাচিত কোনোবাইহে মোক বাস্তৱিকৰূপত জানিব পাৰে" ॥ ৩ ॥

ভূমিৰাপোঽনলো বায়ুঃ খং মনো বুদ্ধিৰেব চ ।
অহঙ্কাৰ ইতীয়ং মে ভিন্না প্ৰকৃতিৰষ্টধা ॥ ৪ ॥

"পৃথিৱী, জল, অগ্নি, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহঙ্কাৰ এইদৰে মোৰ প্ৰকৃতি আঠ প্ৰকাৰৰ" ॥ ৪ ॥

টিপ্পনী ঃ—

এই আঠ তত্ত্বৰূপী স্বৰূপ ক্ষেত্ৰ বা ক্ষৰ পুৰুষ ।
১৩ অধ্যায়ৰ ৫ শ্লোক আৰু ১৫ অধ্যায়ৰ ১৬ শ্লোক চাওক ॥

অপৰেয়মিতস্ত্বন্যাং প্ৰকৃতিং ৱিদ্ধি মে পৰাম্ ।
জীৱভূতাং মহাবাহো ! যয়েদং ধাৰ্য্যতে জগৎ ॥ ৫ ॥

"এযে অপৰা প্ৰকৃতি । ইযাতকৈ ওখ, পৰা প্ৰকৃতি - যি জীৱৰূপ ! হে মহাবাহু ! এই জগত ইয়াৰ আধাৰতেই (আশ্ৰযতেই) চলি আছে" ॥৫॥

এতদ্‌যোনীনি ভূতানি সৰ্ব্বাণীত্যুপধাৰয় ।
অহং কৃৎস্নস্য জগতঃ প্ৰভৱঃ প্ৰলয়স্তথা ॥ ৬ ॥

"এই দুযোটাকেই ভূতমাত্ৰৰে উৎপত্তিৰ কাৰণ বুলি জানিবা । সমস্ত জগতৰ উৎপত্তি আৰু লযৰ কাৰণ মযেই" ॥ ৬ ॥

মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয় !
ময়ি সৰ্ব্বমিদং প্ৰোতং সূত্ৰে মণিগণা ইৱ ॥ ৭ ॥

"হে ধনঞ্জয় ! মোতকৈ শ্ৰেষ্ঠ আৰু আন একো নাই । যেনেকৈ সূতাৰে মণিবিলাক গঁথা থাকে, সেইদৰে সকলো মোতেই গ্ৰথিত আছে" ॥৭॥

ৰসোহহমপ্সু কৌন্তেয় ! প্ৰভাস্মি শশিসূৰ্য্যয়োঃ ।
প্ৰণৱঃ সৰ্ব্ববেদেষু শব্দঃ খে পৌৰুষং নৃষু ॥ ৮ ॥

"হে কৌন্তেয় ! জলৰ ৰস মযেই । সূৰ্য্য-চন্দ্ৰৰ তেজ মযেই । সমস্ত বেদৰ ওঙ্কাৰ মই হওঁ ; আকাশৰ শব্দ মই আৰু পুৰুষৰ পৰাক্ৰমো মযেই" ॥৮॥

পুণ্যো গন্ধঃ পৃথিৱ্যাঞ্চ তেজশ্চাস্মি ৱিভাৱসৌ ।
জীৱনং সৰ্ব্বভূতেষু তপশ্চাস্মি তপস্বিষু ॥ ৯ ॥

"পৃথিৱীৰ সুগন্ধ মই, অগ্নিৰ তেজ মই, প্ৰাণীমাত্ৰৰে জীৱন মই, তপস্বীৰ তপো মই" ॥ ৯ ॥

বীজং মাং সৰ্ব্বভূতানাং ৱিদ্ধি পাৰ্থ ! সনাতনম্ !
বুদ্ধিৰ্বুদ্ধিমতামস্মি তেজস্তেজস্বিনামহম্ ॥ ১০ ॥

"হে পাৰ্থ ! মোকেই সমস্ত জীৱৰ সনাতন বীজ বুলি জানিবা । বুদ্ধিমানৰ বুদ্ধি মই, তেজস্বীৰো তেজ মযেই" ॥ ১০ ॥

বলং বলৱতামস্মি কামৰাগৱিৱৰ্জ্জিতম্ ।
ধৰ্ম্মাৱিৰুদ্ধো ভূতেষু কামোহস্মি ভৰতৰ্ষভ ! ॥ ১১ ॥

"বলবানৰ কাম আৰু ৰাগৰহিত বল মযেই । আৰু হে ভৰতৰ্ষভ ! প্ৰাণীবিলাকৰ ধৰ্ম্মবিৰোধি কৰা কামো মই হওঁ" ॥ ১১ ॥

যে চৈৱ সাত্ত্বিকা ভাৱা ৰাজসাস্তামসাশ্চ যে ।
মত্ত এৱেতি তান্ ৱিদ্ধি ন ত্বহং তেষু তে ময়ি ।। ১২ ।।

"সাত্ত্বিক, ৰাজসিক আৰু তামসিক ভাববিলাক মোৰ পৰাই উৎপন্ন হৈছে; কিন্তু মই সেইবিলাকত থকা নাই; বৰং সেই গুণবিলাকহে মোত আশ্রয় কৰি আছে বুলি জানিবা" ।। ১২ ।।

ত্রিভিগুণময়ৈর্ভাৱৈৰেভিঃ সৰ্ব্বমিদং জগৎ ।
মোহিতং নাভিজানাতি মামেভ্যঃ পৰমৱ্যয়ম্ ।। ১৩ ।।

"এই ত্রিগুণময় ভাবেৰে সমস্ত সংসাৰ মোহিত হৈ আছে আৰু সেই কাৰণে তাকেই উচ্চ আৰু পৃথক বুলি মোক অবিনাশী বুলি নাজানে!" ।। ১৩ ।।

টিপ্পনী : -

এই (সাত্ত্বিক, ৰাজসিক, তামসিক) ভাবৰ ওপৰত পৰমাত্মা নিৰ্ভৰ নকৰে কিন্তু এই ভাববিলাকহে তেওঁৰ ওপৰত নিৰ্ভৰ কৰে । ই তেওঁৰ আশ্রয়ত আৰু বশত আছে ।।

দৈৱী হ্যেষা গুণময়ী মম মায়া দুৰত্যয়া ।
মামেৱ যে প্রপদ্যন্তে মায়ামেতাং তৰন্তি তে ।। ১৪ ।।

"মোৰ এই ত্রিগুণযুক্ত দৈবী মায়া অতিক্রম কৰা বৰ টান । কিন্তু যিজনে মোতেই শৰণ লয়, তেওঁ এই মায়া পাৰ হৈ যায়" ।। ১৪ ।।

ন মাং দুষ্কৃতিনো মূঢ়াঃ প্রপদ্যন্তে নৰাধমাঃ ।
মায়য়াপহৃতজ্ঞানা আসুৰং ভাৱমাশ্রিতাঃ ।। ১৫ ।।

"দুৰাচাৰী, মূঢ়, অধম মনুষ্যই মোত শৰণ নলয় । এইবিলাক আসুৰি ভাবাপন্ন হয় আৰু মায়াই তাঁহাতৰ জ্ঞান হৰণ কৰি নিয়ে" ।। ১৫ ।।

চতুৰ্ৱিধা ভজন্তে মাং জনাঃ সুকৃতিনোঽৰ্জ্জুন! ।
আৰ্ত্তো জিজ্ঞাসুৰৰ্থাৰ্থী জ্ঞানী চ ভৰতৰ্ষভ! ।। ১৬ ।।

"হে অৰ্জ্জুন! চাৰিপ্রকাৰৰ সদাচাৰী লোকে মোক ভজনা কৰে দুখী, জিজ্ঞাসু, কিবা পাবলৈ বিচৰালোক আৰু জ্ঞানী" ।। ১৬ ।।

তেষাং জ্ঞানী নিত্যযুক্ত একভক্তিৰ্ৱিশিষ্যতে ।
প্রিয়ো হি জ্ঞানিনোঽত্যৰ্থমহং স চ মম প্রিয়ঃ ।। ১৭ ।।

"তাৰ ভিতৰত যিজন নিত্য, সমভাবী, এক ঈশ্বৰৰ ভজনাকাৰী তেওঁৱেই শ্রেষ্ঠ জ্ঞানী । জ্ঞানীৰ পক্ষে মই অত্যন্ত প্রিয় আৰু জ্ঞানীও মোৰ পক্ষে প্রিয়" ।।১৭।।

উদাৰাঃ সৰ্ব্ব এৱৈতে জ্ঞানী ত্বাত্মৈব মে মতম্ ।
আস্থিতঃ স হি যুক্তাত্মা মামেৱানুত্তমাং গতিম্ ।। ১৮ ।।

"এই সকলো ভক্ত উত্তম, কিন্তু জ্ঞানী মোৰ পক্ষে আত্মাৰ দৰে, মোৰ এয়ে মত । কিয়নো মোক লাভ কৰাৰ বাহিৰে আন উত্তম গতি নাই । ইয়াকে জানি সেই যোগীয়ে মোতেই আশ্ৰয় লয়" ।। ১৮ ।।

বহূনাং জন্মনামন্তে জ্ঞানৱান্ মাং প্ৰপদ্যতে ।
ৱাসুদেৱঃ সৰ্ব্বমিতি স মহাত্মা সুদুৰ্ল্লভঃ ।। ১৯ ।।

"বহু জনমৰ অন্তত জ্ঞানীয়ে মোক পায় । সকলো বাসুদেৱময় এনে জ্ঞান হোৱা মহাত্মা বৰ দুৰ্ল্লভ" ।। ১৯ ।।

কামৈস্তৈস্তৈৰ্হৃতজ্ঞানাঃ প্ৰপদ্যন্তেঽন্যদেৱতাঃ ।
তং তং নিয়মমাস্থায় প্ৰকৃত্যা নিয়তাঃ স্বয়া ।। ২০ ।।

"অনেক কামনাই যি সকলৰ জ্ঞান হৰি নিছে, তেওঁলোকে নিজৰ প্ৰকৃতি অনুসাৰে বিভিন্ন বিধৰ আশ্ৰয় লৈ আন দেৱতা সকলৰ ওচৰত শৰণ লয়" ।।২০।।

যো যো যাং যাং তনুং ভক্তঃ শ্ৰদ্ধয়াৰ্চ্চিতুমিচ্ছতি ।
তস্য তস্যাচলাং শ্ৰদ্ধাং তামেৱ ৱিদধাম্যহম ।। ২১ ।।

"যি মানুহে যি স্বৰূপকেই শ্ৰদ্ধাপুৰ্ব্বক ভক্তি কৰিবলৈ বিচাৰে মই সেই স্বৰূপ বিলাকৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা দৃঢ় কৰি দিওঁ" ।। ২১ ।।

স তয়া শ্ৰদ্ধযা যুক্তস্তস্যাৰাধনমীহতে ।
লভতে চ ততঃ কামান্ ময়ৈৱ ৱিহিতান হি তান্ ।। ২২ ।।

"তেওঁলোকে এই স্বৰূপবিলাক শ্ৰদ্ধাপূৰ্ব্বক আৰাধনা কৰে আৰু সেই সকলৰ দ্বাৰা মই বিহিত কৰা মতে ইচ্ছা কৰা কামনাবিলাক পূৰণ কৰে" ।। ২২ ।।

অন্তৱত্তু ফলং তেষাং তদ্ভৱত্যল্পমেধসাম্ ।
দেৱান্ দেৱযজো যান্তি মদ্ভক্তা যান্তি মামপি ।। ২৩ ।।

"সেই অল্পবুদ্ধিৰ লোকসকলে যি ফল পায় সি নাশৱন্ত হয় । দেৱতা ভজা লোকে দেৱতাক পায় আৰু মোক ভজা লোকে মোক পায়" ।। ২৩ ।।

অৱ্যক্তং ৱ্যক্তিমাপন্নং মন্যন্তে মামবুদ্ধয়ঃ ।
পৰং ভাৱমজানন্তো মমাৱ্যয়মনুত্তমম্ ।। ২৪ ।।

"মোৰ পৰম অবিনাশী আৰু অনুপম স্বৰূপ নজনা বুদ্ধিহীন লোকে ইন্দ্ৰিয় অতীত মোক ইন্দ্ৰিয়গম্য বুলি ভাবে" ।। ২৪ ।।

নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়াসমবৃতঃ ।
মূঢ়োঽয়ং নাভিজানাতি লোকো মামজমৰ্যয়ম্ ॥ ২৫ ॥

"যোগমায়াৰ দ্বাৰা আবৃত হৈ থকা মই সকলোৰে ওচৰত প্ৰকাশ নহওঁ। এই মূঢ় জগতে মোৰ জন্মৰহিত অব্যয় স্বৰূপ ভালদৰে নাজানে" ॥২৫॥

টিপ্পনী :—

এই দৃশ্য জগত উৎপন্ন কৰিব পৰা শক্তি থকা সত্ত্বেও অলিপ্ত হৈ থকাৰ কাৰণে পৰমাত্মা অদৃশ্য থকা যি ভাব বুজায় সেয়েই যোগমায়া ।

ৰেদাহং সমতীতানি ৰৰ্ত্তমানানি চাৰ্জ্জুন! ।
ভৱিষ্যাণি চ ভূতানি মান্তু ৰেদ ন কশ্চন ॥ ২৬ ॥

"হে অৰ্জ্জুন! যি হৈ গ'ল যি বৰ্ত্তমান আছে আৰু হবলগীয়া আছে এই সকলো ভূতকেই মই জানো কিন্তু মোক কোনেও নাজানে" ॥২৬॥

ইচ্ছাদ্বেষসমুত্থেন দ্বন্দ্বমোহেন ভাৰত! ।
সৰ্ব্বভূতানি সম্মোহং সৰ্গে যান্তি পৰন্তপ! ॥ ২৭ ॥

"হে ভাৰত! হে পৰন্তপ! ইচ্ছা আৰু দ্বেষৰপৰা উৎপন্ন হোৱা সুখ-দুখ আদি দ্বন্দ্বৰ মোহৰ দ্বাৰা ইহ জগতত প্ৰাণী মাত্ৰেই মোহগ্ৰস্ত হৈ পৰে" ॥২৭॥

যেষাং ত্বন্তগতং পাপং জনানাং পুণ্যকৰ্ম্মণাম্ ।
তে দ্বন্দ্বমোহনিৰ্ম্মুক্তা ভজন্তে মাং দৃঢ়ব্ৰতাঃ ॥ ২৮ ॥

"কিন্তু যি সদাচাৰীলোকৰ পাপ নাশ হৈ গৈছে, আৰু যি জনে দ্বন্দ্ব (সুখ-দুখ, মান-অপমান ইত্যাদি) মোহৰপৰা মুক্ত হৈ গৈছে, এনে অটল ব্ৰতধাৰীলোকে মোকেই ভজে" ॥ ২৮ ॥

জৰামৰণমোক্ষায় মামাশ্ৰিত্য যতন্তি যে ।
তে ব্ৰহ্ম তদ্বিদুঃ কৃৎস্নমধ্যাত্মং কৰ্ম্ম চাখিলম্ ॥ ২৯ ॥

"যিজনে মোৰ আশ্ৰয় লৈ জৰা আৰু মৰণৰপৰা মুক্ত হবলৈ চেষ্টা কৰে তেওঁ পূৰ্ণ-ব্ৰহ্ম, অধ্যাত্ম আৰু অখিল কৰ্ম্মকে জানে" ॥ ২৯ ॥

সাধিভূতাধিদৈৱং মাং সাধিযজ্ঞঞ্চ যে ৱিদুঃ ।
প্ৰয়াণকালেঽপি চ মাং তে ৱিদুৰ্যুক্তচেতসঃ ॥ ৩০ ॥

"অধিভূত, অধিদৈব, অধিযজ্ঞযুক্ত মোকেই যিসকলে চিনি পায়, এনে সমত্ব পোৱা সকলে মোক মৃত্যুৰ সময়তো চিনি পায়" ॥ ৩০ ॥

টিপ্পনী :—

অধিভূত আদিৰ অৰ্থ অষ্টম অধ্যায়ত আছে। এই শ্লোকৰ অৰ্থ এয়ে যে

এই জগতত ঈশ্বৰৰ বাহিৰে একোৱেই নাই, আৰু সমস্ত কৰ্ম্মৰ কৰ্ত্তা আৰু ভোক্তা তেৱেঁই। যি লোকে এইদৰে বুজি মৃত্যুৰ সময়ত শান্তিৰে ঈশ্বৰত তন্ময় হৈ থাকে আৰু যাৰ কোনো কামনা নাই, তেওঁ ঈশ্বৰক চিনি পাইছে আৰু তেওঁৰ মোক্ষ প্ৰাপ্তি হৈছে।

ওঁ তৎসৎ

এইদৰে শ্ৰীমদ্ভাগৱতৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ-শাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ জ্ঞান-বিজ্ঞান যোগ নামক ৭ম অধ্যায় সমাপ্ত হ'ল।

## অষ্টম অধ্যায়

## অক্ষৰ-ব্ৰহ্ম যোগ

এই অধ্যায়ত ঈশ্বৰতত্ত্ব বিশেষৰূপে বুজোৱা হৈছে।

অৰ্জ্জুন উবাচঃ -

কিং তদ্ ব্ৰহ্ম কিমধ্যাত্মং কিং কৰ্ম্ম পুৰুষোত্তম।
অধিভূতং চ কিং প্ৰোক্তমধিদৈৱং কিমুচ্যতে ॥১॥

অৰ্জ্জুনে ক'লে, "হে পুৰুষোত্তম। এই ব্ৰহ্মৰ স্বৰূপ কি? অধ্যাত্ম কি? কৰ্ম্ম কি? অধিভূত কাক বোলে? অধিদৈৱই বা কাক বোলে?" ॥১॥

অধিযজ্ঞঃ কথং কোঽত্ৰ দেহেঽস্মিন্মধুসূদন?।
প্ৰয়াণকালে চ কথং জ্ঞেয়োঽসি নিয়তাত্মভিঃ ॥২॥

"হে মধুসূদন! এই দেহত অধিযজ্ঞ কি আৰু কি প্ৰকাৰে আছে? আৰু সংযমীয়ে মৃত্যু কালত আপোনাক কেনেকৈ চিনি পায়?" ॥২॥

শ্ৰীভগবানুবাচ:—

অক্ষৰং ব্ৰহ্ম পৰমং স্বভাৱোঽধ্যাত্মমুচ্যতে।
ভূতভাৱোদ্ভৱকৰো ৱিসৰ্গঃ কৰ্ম্মসংজ্ঞিতঃ ॥৩॥

শ্ৰীভগৱানে ক'লে, "যি সৰ্ব্বোত্তম অবিনাশী সেয়েই ব্ৰহ্ম। প্ৰত্যেক প্ৰাণীতেই নিজ সত্বাত যি থাকে সেয়ে অধ্যাত্ম আৰু প্ৰাণীমাত্ৰকে উৎপন্ন কৰা সৃষ্টি কাৰ্য্যকে কৰ্ম্ম বোলে" ॥৩॥

অধিভূতং ক্ষৰো ভাৱঃ পুৰুষশ্চাধিদৈৱতম্।
অধিযজ্ঞোঽহমেৱাত্ৰ দেহে দেহভৃতাং ৱৰ! ॥৪॥

"অধিভূত মোৰ নাশৱন্ত স্বৰূপ। অধিদৈৱ তাতে থকা মোৰ জীৱ স্বৰূপ। আৰু হে পুৰুষশ্ৰেষ্ঠ! অধিযজ্ঞত এই শৰীৰত থকা আৰু যজ্ঞৰ দ্বাৰা শুদ্ধ হোৱা জীৱস্বৰূপ" ॥৪॥

টিপ্পনী :—

অৰ্থাৎ অব্যক্ত ব্ৰহ্মৰপৰা আৰম্ভ কৰি নাশশীল দৃশ্য পদাৰ্থলৈকে সকলো পৰমাত্মা আৰু এই সকলো তেওঁৰেই সৃজন। তেন্তে মানুহে কৰ্ত্তৃত্ব অভি-

মান পৰিত্যাগ কৰি পৰমাত্মাৰ দাস হৈ সকলোকে পৰমাত্মাত কিয় অৰ্পণ নকৰে ?

অন্তকালে চ মামের স্মৰন্মুক্ত্বা কলেবৰম্ ।
যঃ প্ৰয়াতি স মদ্ভাৱং যাতি নাস্ত্যত্ৰ সংশয়ঃ ॥৫॥

"অন্তকালত মোকেই স্মৰণ কৰি যিজনে দেহত্যাগ কৰে তেওঁ যে মোৰ স্বৰূপ পাব তাত কোনো সন্দেহ নাই।" ॥৫॥

যং যং ৱাপি স্মৰন ভাৱং ত্যজত্যন্তে কলেবৰম্ ।
তং তমেৱৈতি কৌন্তেয়। সদা তদ্ভাৱভাৱিতঃ ॥৬॥

"অথবা হে কৌন্তেয়। মানুহে সদায় ধ্যানত যি স্বৰূপ ধাৰণা কৰে, সেই স্বৰূপ অন্তকালতো ধাৰণা কৰি দেহত্যাগ কৰে; আৰু সেই কাৰণে তেওঁ সেই স্বৰূপকেই পায়।" ॥৬॥

তস্মাৎ সৰ্ৱেষু কালেযু মামনুস্মৰ যুধ্য চ ।
ময্যৰ্পিতমনোবুদ্ধিৰ্মামেৱৈষ্যস্যসংশযম্ ॥৭॥

"সেই কাৰণে সদায় মোক স্মৰণ কৰা, আৰু যুদ্ধ কৰা। এইদৰেই মোতে মন আৰু বুদ্ধি অৰ্পণ কৰিলে নিশ্চয় মুক্তি পাবা।" ॥৭॥

অভ্যাসযোগযুক্তেন চেতসা নান্যগামিনা ।
পৰমং পুৰুষং দিৱ্যং যাতি পাৰ্থাণুচিন্তয়ন্ ॥৮॥

"হে পাৰ্থ। অভ্যাসৰ দ্বাৰা চিত্ত স্থিৰ কৰি আৰু কলৈকো যাবলৈ নিদি যিজন একাগ্ৰ হয় তেওঁ দিব্য পৰম পুৰুষক পায়। ॥৮॥

কৱিং পুৰাণমনুশাসিতাৰমণোৰণীয়াংসমনুস্মৰেদ্ যঃ ।
সৰ্ৱস্য ধাতাৰমচিন্ত্যৰূপমাদিত্যৱৰ্ণং তমসঃ পৰস্তাৎ ॥৯॥

প্ৰয়াণকালে মনসাচলেন
ভক্ত্যা যুক্তো যোগবলেন চৈৱ
ভ্ৰুৱোৰ্মধ্যে প্ৰাণমাৱেশ্য সম্যক্
স তং পৰং পুৰুষমুপৈতি দিৱ্যম্ ॥১০॥

"যি লোকে মৃত্যুৰ সময়ত স্থিৰ মনেৰে ভক্তিত তন্ময় হৈ আৰু যোগবলৰ দ্বাৰা ভ্ৰুৰ মাজত ভালকৈ প্ৰাণ স্থাপিত কৰি সৰ্ব্বজ্ঞ, পুৰাতন, নিয়ন্তা, সূক্ষ্মতম সকলোকে পালন কাৰী, অচিন্ত্য সূৰ্য্য সদৃশ তেজস্বী, অজ্ঞানৰূপী অন্ধকাৰৰ পৰা মুক্ত স্বৰূপক ভালকৈ স্মৰণ কৰে তেওঁ দিব্য পুৰুষকেই পায়।" ॥১০॥

যদক্ষৰং ৱেদৱিদো ৱদন্তি ৱিশন্তি যদ্ যতয়ো ৱীতৰাগাঃ ।
যদিচ্ছন্তো ব্ৰহ্মচৰ্য্যং চৰন্তি
তৎতে পদং সংগ্ৰহেণ প্ৰৱক্ষ্যে ॥১১॥

"যাক বেদজ্ঞসকলে অক্ষৰ নামেৰে বৰ্ণনা কৰিছে, যিহত বীতস্পৃহ মুনিয়ে প্ৰৱেশ কৰে, আৰু যাক পাবৰ ইচ্ছাত মানুহে ব্ৰহ্মচৰ্য্য পালন কৰে সেই পদ সংক্ষেপে তোমাক কওঁ ।" ॥১১॥

সৱৰ্দ্বাৰাণি সংযম্য মনোহৃদি নিৰুধ্য চ ।
মূৰ্দ্ধ্যাধায়াত্মনঃ প্ৰাণমাস্থিতো যোগধাৰণাম্ ॥১২॥
ওমিত্যেকাক্ষৰং ব্ৰহ্ম ৱ্যাহৰন্ মামনুস্মৰন্ ।
যঃ প্ৰযাতি ত্যজন্ দেহং স যাতি পৰমাং গতিম্ ॥১৩॥

"যি লোকে ইন্দ্ৰিয়ৰ সকলো দুৱাৰ বন্ধ কৰি, মন হৃদয়ত স্থিৰ কৰি, প্ৰাণ মস্তকত ধাৰণ কৰি সমাধিস্থ হৈ ওঁ এই একাক্ষৰী ব্ৰহ্ম নাম উচ্চাৰণ কৰি, মোক চিন্তা কৰি দেহ ত্যাগ কৰে, তেওঁ পৰম গতি পায় ।" ॥১২॥১৩॥

অনন্যচেতাঃ সততং যো মাং স্মৰতি নিত্যশঃ ।
তস্যাহং সুলভঃ পাৰ্থ ! নিত্যযুক্তস্য যোগিনঃ ॥১৪॥

"হে পাৰ্থ ! অনন্যচিত্ত হৈ যিজনে সদায় আৰু নিৰন্তৰ কেৱল মোকেই স্মৰণ কৰে তেনে নিত্যযুক্ত যোগীয়ে মোক সহজে লাভ কৰিব পাৰে ।" ॥১৪॥

মামুপেত্য পুনৰ্জ্জন্ম দুঃখালয়মশাশ্বতম্ ।
নাপ্নুৱন্তি মহাত্মানঃ সংসিদ্ধিং পৰমাং গতাঃ ॥১৫॥

"মোক পোৱাৰ পিছত পৰমগতি পোৱা মহাত্মাই দুখৰ আধাৰ স্বৰূপ অশাশ্বত পুনৰ্জ্জন্ম গ্ৰহণ নকৰে ।" ॥১৫॥

আব্ৰহ্মভুৱনাল্লোকাঃ পুনৰাৱৰ্ত্তিনোহৰ্জ্জুন !
মামুপেত্য তু কৌন্তেয় ! পুনৰ্জ্জন্ম ন ৱিদ্যতে ॥১৬॥

"হে কৌন্তেয় ! ব্ৰহ্মলোকৰ পৰা আৰম্ভ কৰি সকলো লোকৰ পৰাই জীৱসকল ঘূৰি আহে । কিন্তু মোক পোৱাৰ পিছত জীৱৰ পুনৰ্জ্জন্ম নহয় ।" ॥১৬॥

সহস্ৰযুগপৰ্য্যন্তমহৰ্যদ্ ব্ৰহ্মণো ৱিদুঃ ।
ৰাত্ৰিং যুগসহস্ৰান্তাং তেহহোৰাত্ৰৱিদো জনাঃ ॥১৭॥

"হাজাৰ যুগত ব্ৰহ্মাৰ এদিন আৰু হাজাৰ যুগত ব্ৰহ্মাৰ এৰাতি হয় । এই জ্ঞান যাৰ হয় তেৱেঁই ৰাতি-দিন কি, জনা লোক ।" ॥১৭॥

টিপ্পনী :—

ইয়াৰ অৰ্থ এয়ে যে আমাৰ ২৪ ঘণ্টাৰ ৰাতি-দিন কালচক্ৰৰ ভিতৰত এক ক্ষণতকৈও সূক্ষ্ম। তাৰ একো মূল্য নাই। সেই কাৰণে এই সময়ৰ ভিতৰত পোৱা ভোগ আকাশী ফুলৰ দৰে। ইয়াকে বুজি আমি তাৰ কাৰণে উদাসীন হোৱা উচিত। আমি পোৱা সেই সময়খিনিকো ভগৱদ্ভক্তিত আৰু সেৱাত কটাই সাৰ্থক কৰিব লাগে। যদি আজিয়েই আত্মদৰ্শন নহয় তাৰ কাৰণে ধৈৰ্য্য অৱলম্বন কৰা উচিত।

অৱ্যক্তাদ্ ৱ্যক্তয়ঃ সৰ্ৱাঃ প্ৰভৱন্ত্যহৰাগমে।
ৰাত্ৰ্যাগমে প্ৰলীয়ন্তে তত্ৰৈৱাৱ্যক্তসংজ্ঞকে ॥১৮॥

"(ব্ৰহ্মাৰ) দিন আৰম্ভ হ'লে সকলো অব্যক্ত ব্যক্ত হৈ পৰে আৰু ৰাতি হ'লে এই সকলো লয় হয়—অৰ্থাৎ অব্যক্তত লয় হৈ যায়" ॥১৮॥

টিপ্পনী :—

ইয়াকে জানি মানুহে বুজা উচিত যে আমাৰ হাতত অতি কম সত্বাই আছে। উৎপত্তি আৰু প্ৰলয়ৰ কাৰ্য্য একেলগে চলিয়েই থাকে।

ভূতগ্ৰামঃ স এৱায়ং ভূত্বা প্ৰলীয়তে।
ৰাত্ৰ্যাগমেহৱশঃ পাৰ্থ! প্ৰভৱত্যহৰাগমে ॥১৯॥

"হে পাৰ্থ, এই সমুদায় প্ৰাণীবিলাক এইদৰে সৃজিত হৈ ৰাতি হ'লে বিৱশ হৈ লয় হয় আৰু দিন হোৱাৰ লগে লগে উৎপন্ন হয়" ॥১৯॥

পৰস্তস্মাত্তু ভাৱোহন্যোহৱ্যক্তোহৱ্যক্তাৎ সনাতনঃ।
যঃ স সৰ্ৱেষু ভূতেষু নশ্যৎসু ন ৱিনশ্যতি ॥২০॥

"এই অব্যক্তৰ বাহিৰে দ্বিতীয় সনাতন অব্যক্ত ভাব আছে। সমস্ত প্ৰাণী নাশ হৈ গলেও এই সনাতম অব্যক্ত ভাব নাশ নহয়" ॥২০॥

অৱ্যক্তোহক্ষৰ ইত্যুক্তস্তমাহুঃ পৰমাং গতিম্।
যং প্ৰাপ্য নিৱৰ্ত্তন্তে তদ্ধাম পৰমং মম ॥২১॥

"যি অব্যক্ত অক্ষৰ (অবিনাশী) বুলি কোৱা হয় তাকেই পৰমগতি বোলা হয়। যাক পোৱাৰ পিছত মানুহৰ পুনৰ জন্ম নহয় সেয়েই মোৰ পৰম ধাম" ॥২১॥

পুৰুষঃ স পৰঃ পাৰ্থ! ভক্ত্যা লভ্যস্ত্বনন্যয়া।
যস্যান্তঃস্থানি ভূতানি যেন সৰ্ৱমিদং ততম্ ॥২২॥

"হে পাৰ্থ অনন্য ভক্তিৰে এই উত্তম পুৰুষত দৰ্শন হয়। এওঁত জীৱ মাত্ৰেই আছে আৰু এইবিলাক এওঁৰ পৰাই ব্যাপ্ত হৈছে" ॥২২॥

যত্র কালে ত্বনাবৃত্তিমাবৃত্তিঞ্চৈৱ যোগিনঃ ।
প্রযাতা যান্তি তং কালং ৱক্ষ্যামি ভৰতৰ্ষভ ॥ ২৩ ॥

"হে ভৰতৰ্ষভ ! যি সময়ত মৰিলে যোগীয়ে মোক্ষ পায় আৰু যি সময়ত মৰিলে যোগীৰ পুনৰ্জ্জন্ম হয় সেই সময়ৰ কথা তোমাক কওঁ" ॥ ২৩ ॥

অগ্নির্জ্যোতিৰহঃ শুক্লঃ ষণ্মাসা উত্তৰায়ণম ।
তত্র প্রযাতা গচ্ছন্তি ব্রহ্ম ব্রহ্মৱিদো জনাঃ ॥ ২৪ ॥

"উত্তৰায়ণৰ ছমাহত, শুক্ল পক্ষত, দিনৰ যি সময়ত অগ্নি জ্বলি উঠিছে সেই সময়ত যাৰ মৃত্যু ঘটিছে সেই ব্ৰহ্মজ্ঞই ব্ৰহ্মক পায়" ॥ ২৪ ॥

ধূমো ৰাত্ৰিস্তথা কৃষ্ণঃ ষণ্মাসা দক্ষিণায়নম্ ।
তত্র চান্দ্রমসং জ্যোতির্যোগী প্ৰাপ্য নিৱৰ্ত্ততে ॥ ২৫ ॥

"দক্ষিণায়ণৰ ছমাহত, কৃষ্ণ পক্ষত, ৰাতিত যেতিয়া ধোৰাঁৰে আবৃত্ত থাকে এই সময়ত মৰণ হোৱা লোকসকলে চন্দ্ৰলোক পোৱাৰ পিছত পুনৰ্জ্জন্ম হয়" ॥২৫॥

টিপ্পনী ঃ—

ওপৰৰ শ্লোক দুটি মই ভালকৈ বুজি পোৱা নাই, ইয়াৰ শব্দাৰ্থ গীতাৰ শিক্ষাৰ লগত মিলি নাযায় । গীতাৰ শিক্ষা অনুসাৰে যি লোক ভক্তিবান হয় যিজনে সেৱাধৰ্ম্ম গ্ৰহণ কৰিছে যাৰ জ্ঞান হৈছে তেনেলোক যেতিয়াই নমৰক মোক্ষ পাবই । এই ভাবৰ পৰা এই শ্লোকৰ শব্দাৰ্থ বিৰোধী । ইয়াৰ পৰা অৰশ্যে এনে ভাবাৰ্থ উলিয়াব পাৰি যে যিলোকে যজ্ঞ কৰে অৰ্থাৎ পৰোপকাৰত জীৱন কটাই দিছে, যাৰ জ্ঞান হৈছে, যিজন ব্ৰহ্মবিদ তেওঁৰ মৃত্যুৰ সময়তো যদি এই শ্লোকত কোৱা দৰে স্থিতি পায় তেন্তে তেওঁ মোক্ষ পায় । ইয়াৰ বিপৰীতে যিজনে যজ্ঞ নকৰে, যাৰ জ্ঞান হোৱা নাই, যিজনে ভক্তি কি নাজানে, তেনে লোকে চন্দ্ৰলোক পোৱাৰ পিছত পুনৰ সংসাৰ চক্ৰলৈ উভতি আহে । চন্দ্ৰৰ নিজা জ্যোতি নাই ।

শুক্লকৃষ্ণে গতী হ্যেতে জগতঃ শাশ্বতে মতে ।
একয়া যাত্যনাবৃত্তিমন্যয়াৱৰ্ত্ততে পুনঃ ॥ ২৬ ॥

"জগতত জ্ঞান আৰু অজ্ঞানৰ, অনন্তকাল পৰম্পৰাৰ পৰা চলি অহা দুটা পথ বুলি ধৰা হৈছে । প্ৰথম, অৰ্থাৎ জ্ঞান মাৰ্গৰ দ্বাৰা মানুহে মোক্ষ পায় আৰু দ্বিতীয়-অৰ্থাৎ অজ্ঞান মাৰ্গৰ দ্বাৰা পুনৰ্জন্ম হয় ।" ॥ ২৬ ॥

নৈতে সৃতী পাৰ্থ ! জানন্ যোগী মুহ্যতি কশ্চন ।
তস্মাৎ সৰ্ব্বেষু কালেষু যোগযুক্তো ভৱাৰ্জ্জুন ! ॥ ২৭ ॥

"হে পাৰ্থ ! এই দুয়োটা মাৰ্গকে জনা কোনো যোগীয়ে মোহত নপৰে। সেইকাৰণে হে অৰ্জ্জুন ! তুমি সকলো কালতে যোগযুক্ত হৈ থাকিবা।" ॥ ২৭ ॥

টিপ্পনী :—

দুয়ো মাৰ্গকে জনা, আৰু সমভাব ৰখা অজ্ঞান অন্ধকাৰৰ মাৰ্গ নধৰাৰ অৰ্থই হৈছে মোহত নপৰা।

বেদেষু যজ্ঞেষু তপঃসু চৈৱ দানেষু যৎ পুণ্যফলং প্ৰদিষ্টম।
অত্যেতি তৎ সৰ্ব্বমিদং বিদিত্বা যোগী পৰং স্থানমুপৈতি চাদ্যম্ ॥ ২৮ ॥

"এই বিষয় জানি লোৱাৰ পিছত, বেদ যজ্ঞ তপ আৰু দানৰ পৰা যি পুণ্যফলৰ কথা কোৱা হৈছে এই সকলোকে পাৰ হৈ যোগীয়ে উত্তম আদি-স্থান পায়।" ॥ ২৮ ॥

টিপ্পনী :—

যিজনে জ্ঞান, ভক্তি আৰু কৰ্ম্মৰ দ্বাৰাই সমভাব প্ৰাপ্ত হৈছে তেওঁ যে কেৱল সকলো পুণ্যৰে ফল পায় এনে নহয় পৰম মোক্ষ পদো প্ৰাপ্ত হয়।

ওঁ তৎ সৎ।

এইদৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ-শাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ অক্ষৰব্ৰহ্মযোগ নামক ৮ম অধ্যায় সমাপ্ত হ'ল।

## নৱম অধ্যায়

### ৰাজবিদ্যা আৰু ৰাজগুহ্য যোগ।

ইয়াত ভক্তিৰ মহিমা কথিত হৈছে।

শ্ৰীভগবানুবাচ :—

ইদন্তু তে গুহ্যতমং প্ৰৱক্ষ্যাম্যনসূয়বে !

জ্ঞানং ৱিজ্ঞানসহিতং যজ্‌জ্ঞাত্বা মোক্ষ্যসেঽশুভাৎ ॥ ১ ॥

শ্ৰীভগবানে ক'লে,—"তুমি দোষৰহিত। সেইকাৰণে তোমাক মই গুহ্যতকৈও গুহ্যতৰ অনুভৱযুক্ত জ্ঞান দিম যাক জানি তুমি অকল্যাণৰ পৰা ৰক্ষা পাবা।" ॥ ১ ॥

ৰাজবিদ্যা ৰাজগুহ্যং পৱিত্ৰমিদমুত্তমম্।

প্ৰত্যক্ষাৱগমং ধৰ্ম্ম্যং সুসুখং কৰ্ত্তমৱ্যয়ম ॥ ২ ॥

"বিদ্যাৰ ভিতৰত ই ৰজা, গূঢ় বস্তুৰ ভিতৰতো ৰজা। এই বিদ্যা পৱিত্ৰ, উত্তম, প্ৰত্যক্ষ অনুভৱৰ দ্বাৰাই পাবৰ যোগ্য, ধৰ্ম্ম সঙ্গত। সহজে আঁচৰণীয় আৰু অবিনাশী।" ॥ ২ ॥

অশ্ৰদ্দধানাঃ পুৰুষা ধৰ্ম্মস্যাস্য পৰন্তপ ! ।

অপ্ৰাপ্য মাং নিৱৰ্ত্তন্তে মৃত্যুসংসাৰৱৰ্ত্মনি ॥ ৩ ॥

"হে পৰন্তপ ! এই ধৰ্ম্মত যাৰ শ্ৰদ্ধা নাই, তেনে লোকে মোক নাপায়, মৃত্যুময় সংসাৰত বাৰে বাৰে পতিত হয়।" ॥ ৩ ॥

ময়া ততমিদং সৰ্ব্বং জগদৱ্যক্তমূৰ্ত্তিনা।

মৎস্থানি সৰ্ৱভূতানি ন চাহং তেষ্বৱস্থিতঃ ॥ ৪ ॥

"মই অব্যক্ত স্বৰূপ হৈ এই সমস্ত জগতত ভৰপূৰ হৈ আছোঁ। মোৰ পৰাই মোৰ আশ্ৰয়তেই সমস্ত প্ৰাণী আছে, মই তাঁহাতৰ আশ্ৰয়ত নাই।" ॥ ৪ ॥

ন চ মৎস্থানি ভূতানি পশ্য মে যোগমৈশ্বৰম্।

ভূতভৃন্ন চ ভূতস্থো মমাত্মা ভূতভাৱনঃ ॥ ৫ ॥

"তথাপি প্ৰাণীসকল মোত নাই—এনেদৰেও ক'ব পাৰি। এইটো মোৰ যোগবল। মই জীৱক পালন কৰোঁ তথাপি তাত মই নাই; অথচ ময়েই সেইবিলাকৰ উৎপত্তিৰ কাৰণ।" ॥ ৫ ॥

টিপ্পনী :—

মোতেই সমস্ত জীৱ আছে আৰু নাইও। মইয়ো তাহাতৰ ভিতৰত আছো আৰু নাইও। এইটো ঈশ্বৰৰ যোগবল। তেওঁ মায়াময় আৰু চমৎকাৰ। ঈশ্বৰৰ বৰ্ণনাত ভগবান শ্ৰীকৃষ্ণকো মানুহৰ ভাষাৰেই কবিবলগীয়াত পৰিছিল। সেই কাৰণে নানা প্ৰকাৰৰ ভাষা তেওঁৰ প্ৰতি প্ৰয়োগ কৰি সন্তোষ পাইছিল। সকলো ঈশ্বৰময়; সেই কাৰণে সকলো তেওঁতেই আছে। তেওঁ অলিপ্ত; প্ৰকৃত কৰ্ত্তা নহয়। সেইকাৰণে জীৱ তেওঁত নাই, এনেদৰেও ক'ব পাৰি। কিন্তু যি তেওঁৰ ভক্ত, তেওঁৰ কাৰণে তেওঁ নিশ্চয় আছে। নাস্তিকৰ প্ৰতি নাই। ইয়াতে যদি তেওঁৰ চমৎকাৰিত্ব নাথাকে তেন্তে আছে ক'ত?

যথাকাশস্থিতো নিত্যং ৱায়ুঃ সৰ্ব্বত্ৰগো মহান্।
তথা সৰ্ব্বাণি ভূতানি মৎস্থানীত্যুপধাৰয় ॥ ৬ ॥

"যেনেকৈ সৰ্ব্বত্ৰ চলি থকা মহাবায়ুয়ে আকাশত বিদ্যমান হৈ আছে সেইদৰে সকলো প্ৰাণী মোতেই আছে বুলি জানিবা।" ॥ ৬ ॥

সৰ্ব্বভূতানি কৌন্তেয় প্ৰকৃতিং যান্তি মামিকাম্।
কল্পক্ষয়ে পুনস্তানি কল্পাদৌ ৱিসৃজাম্যহম্ ॥ ৭ ॥

"হে কৌন্তেয়! সকলো প্ৰাণী কল্পৰ অন্তত মোৰ প্ৰকৃতিৰ লগত মিলি যায় আৰু কল্প আৰম্ভ হলে সেইবিলাক আকৌ ৰচনা কৰিবলৈ ধৰো।" ॥ ৭ ॥

প্ৰকৃতিং স্বামৱষ্টভ্য ৱিসৃজামি পুনঃ পুনঃ।
ভূতগ্ৰামমিমং কৃৎস্নমৱশং প্ৰকৃতেৰ্ব্বশাৎ ॥ ৮ ॥

"নিজ মায়া অৱলম্বন কৰি মই প্ৰকৃতিৰ প্ৰভাৱৰ অধীনত থাকি সমস্ত প্ৰাণীকেই বাৰম্বাৰ উৎপন্ন কৰি থাকোঁ।" ॥ ৮ ॥

ন চ মাং তানি কৰ্ম্মাণি নিবধ্নন্তি ধনঞ্জয়!।
উদাসীনৱদাসীনমসক্তং তেষু কৰ্ম্মসু ॥ ৯ ॥

"হে ধনঞ্জয়! এই কৰ্ম্মই মোক বন্ধন নকৰে। কাৰণ, মই সেই সম্বন্ধে উদাসীনৰ দৰে আসক্তিৰহিত হৈ থাকোঁ।" ॥ ৯ ॥

ময়াধ্যক্ষেণ প্ৰকৃতিঃ সূয়তে সচৰাচৰম্।
হেতুনানেন কৌন্তেয় জগদ্ৱিপৰিৱৰ্ত্ততে ॥ ১০ ॥

"মোৰ অধিকাৰতেই প্ৰকৃতিয়ে স্থাবৰ জঙ্গম জগতৰ সৃষ্টি কৰে আৰু সেই কাৰণে হে কৌন্তেয় জগত কুমাৰৰ চকাৰ দৰে ঘূৰি আছে।" ॥১০॥

অৱজানন্তি মাং মূঢ়া মানুষীং তনুমাশ্ৰিতম্ ।
পৰং ভাৱমজানন্তো মম ভূতমহেশ্বৰম্ ॥ ১১ ॥

"প্ৰাণী মাত্ৰৰে মহেশ্বৰৰূপ মোৰ ভাব বুলি নাজানি মূৰ্খলোকে মোক মনুষ্য-শৰীৰ ধাৰী বুলি অৱজ্ঞা কৰে।" ॥ ১১ ॥

টিপ্পনী :—

কিয়নো যি লোকে ঈশ্বৰৰ সত্তা নামানে, তেওঁ শৰীৰত থকা অন্তৰ্য্যামীকো চিনি নাপায় আৰু তেওঁৰ অস্তিত্বক অস্বীকাৰ কৰি জড়বাদী হৈয়ে থাকে।

মোঘাশা মোঘকৰ্ম্মাণো মোঘজ্ঞানা ৱিচেতসঃ ।
ৰাক্ষসীমাসুৰীঞ্চৈৱ প্ৰকৃতিং মোহিনীং শ্ৰিতাঃ ॥ ১২ ॥

"ব্যৰ্থ আশাধাৰী, ব্যৰ্থ কাম কৰা আৰু ব্যৰ্থ জ্ঞান পোৱা লোকসকলে মোহত পৰি থকা ৰাক্ষসী বা আসুৰী প্ৰবৃত্তিৰ আশ্ৰয় লয়।" ॥ ১২ ॥

মহাত্মানস্তু মাং পাৰ্থ। দৈৱীং প্ৰকৃতিমাশ্ৰিতাঃ ।
ভজন্ত্যনন্যমনসো জ্ঞাত্বা ভূতাদিমৱ্যয়ম্ ॥ ১৩ ॥

"ইয়াৰ বিপৰীতে, হে পাৰ্থ। মহাত্মাসকলে দৈবী প্ৰকৃতিৰ আশ্ৰয় লৈ মোকেই প্ৰাণী মাত্ৰৰ আদি কাৰণ বুলি জানি একনিষ্ঠাৰে ভজনা কৰে।" ॥১৩॥

সততং কীৰ্ত্তয়ন্তো মাং যতন্তশ্চ দৃঢ়ব্ৰতাঃ ।
নমস্যন্তশ্চ মাং ভক্ত্যা নিত্যযুক্তা উপাসতে ॥ ১৪ ॥

"এনে দঢ়নিশ্চিত যত্নবান লোকে নিৰন্তৰ মোৰ কীৰ্ত্তন কৰে। মোক ভক্তিপূৰ্ত্ত নমস্কাৰ কৰে আৰু সদায় মোক ধ্যান কৰি উপাসনা কৰে।" ॥১৪॥

জ্ঞানযজ্ঞেন চাপ্যন্যে যজন্তো মামুপাসতে ।
একত্বেন পৃথক্ত্বেন বহুধা ৱিশ্বতোমুখম্ ॥ ১৫ ॥

"আন কিছুমানে অদ্বৈতৰূপে বা দ্বৈতৰূপে নাইবা বহুৰূপত, সকলো ঠাইতে বিদ্যমান থকা মোক জ্ঞানৰ দ্বাৰা উপাসনা কৰে" ॥ ১৫ ॥

অহং ক্ৰতুৰহং যজ্ঞঃ স্বধাহমহমৌষধম্ ।
মন্ত্ৰোঽহমহমেৱাজ্যমহমগ্নিৰহং হুতম্ ॥ ১৬ ॥

"মই যজ্ঞৰ সংকল্প, মই যজ্ঞ, পিতৃ পুৰুষৰ আধাৰো মই, যজ্ঞৰ বনস্পতি মই, মন্ত্ৰ মই, আহুতি মই, অগ্নি মই আৰু হোমৰ দ্ৰব্যও ময়েই" ॥ ১৬ ॥

পিতাহমস্য জগতো মাতা ধাতা পিতামহঃ ।
ৱেদ্যং পৱিত্ৰমোঙ্কাৰ ঋক্ সাম যজুৰেৱ চ ॥ ১৭ ॥

"এই জগতৰ পিতা মই, মাতা মই, ধাৰণ কৰ্ত্তা মই, পিতামহ মই, জানিবলগীয়া জানা মই, পবিত্র ওঙ্কাৰ মই আৰু ঋক, যজুৰ আৰু সামবেদো ময়েই" ॥১৭॥

গতির্ভর্ত্তা প্রভুঃ সাক্ষী নিবাসঃ শৰণং সুহৃৎ ।
প্রভবঃ প্রলয়ঃ স্থানং নিধানং বীজমব্যয়ম্" ॥ ১৮ ॥

"গতি মই, পালনকাৰী মই, প্রভু মই, সাক্ষী মই, নিবাস মই, আশ্রয় মই, হিতৈষী মই, উৎপত্তি মই, নাশ মই, স্থিতি মই, ভাণ্ডাৰ মই আৰু অব্যয় বীজো ময়েই" ॥ ১৮ ॥

তপাম্যহমহং বৰ্ষং নিগৃহ্ণাম্যুৎসৃজামি চ ।
অমৃতঞ্চৈব মৃত্যুশ্চ সদসচ্চাহমৰ্জ্জুন ' ॥ ১৯ ॥

"মই ৰ'দ দিওঁ, বৰষুণো ময়েই দিওঁ আৰু বন্ধ ৰাখো, মই অমৰত্ব, মৃত্যুও ময়েই; আৰু হে অৰ্জ্জুন; সৎ আৰু অসতো ময়েই" ॥ ১৯ ॥

ত্রৈবিদ্যা মাং সোমপাঃ পূতপাপা
যজ্ঞৈৰিষ্ট্বা স্বৰ্গতিং প্ৰাৰ্থয়ন্তে ।
তে পুণ্যমাসাদ্য সুৰেন্দ্রলোকমশ্নন্তি
দিব্যান্ দিবি দেৱভোগান্ ॥ ২০ ॥

"তিনি বেদৰ কৰ্ম্মকাৰীসকলে সোমৰস পান কৰি নিষ্পাপ হোৱা যজ্ঞ দ্বাৰা মোক পূজা কৰি স্বৰ্গ বিচাৰে । এওঁলোকে পবিত্র দিব্যলোক পাই স্বৰ্গত দিব্যবস্তু ভোগ কৰে ॥" ২০ ॥

টিপ্পনী ঃ—

বৈদিক ক্রিয়াবিলাক ফলপ্রাপ্তিৰ কাৰণে কৰা হৈছিল আৰু তাৰ ভিতৰত কোনোবা এটা ক্রিয়াত সোমপান কৰা হৈছিল, তাৰে উল্লেখ কৰা হৈছে । এই ক্রিয়া কি আছিল, সোমৰস কি আছিল তাক আজি ঠিককৈ কোনেও ক'ব নোৱাৰে ।

তে তং ভুক্ত্বা স্বৰ্গলোকং বিশালং
ক্ষীণে পুণ্যে মৰ্ত্ত্যলোকং বিশন্তি ।
এবং ত্রয়ীধৰ্ম্মমনুপ্রপন্না
গতাগতং কামকামা লভন্তে ॥ ২১ ॥

"এই বিশাল স্বৰ্গলোক ভোগ কৰাৰ পিছত পুণ্য ক্ষয় হৈ গ'লে মৃত্যু লোকলৈ উভতি আহে । এইদৰে তিনি বেদ অনুযায়ী কৰ্ম্মকাৰীসকলে ফল ইচ্ছাকাৰী হৈ সংসাৰ চক্রত ঘূৰি থাকে" ॥ ২১ ॥

অনন্যাশ্চিন্তয়ন্তো মাং যে জনাঃ পর্য্যুপাসতে ।
তেষাং নিত্যাভিযুক্তানাং যোগক্ষেমং ৱহাম্যহম্ ॥ ২২ ॥

"যিলোকে একনিষ্ঠ ভাবে চিন্তা কৰি মোক ভজে, এইদৰে মোতেই সদায় ৰত হৈ থকা লোকসকলৰ 'যোগ ক্ষেমৰ' * ভাৰ ময়েই লওঁ" ॥ ২২ ॥

টিপ্পনী :—

এই ধৰণে যোগীক চিনিবলৈ তিনিটি সুন্দৰ লক্ষণ আছে । সমত্ব, কর্ম্ম-কুশলতা আৰু অনন্য-ভক্তি । এই তিনিওটাই ইটোৰ লগত সিটোৰ মিহলি হৈ থাকিব লাগে । ভক্তিবিনে সমত্ব পোৱা নাযায়, সমত্ব বিনে ভক্তি পোৱা নাযায় আৰু কর্ম্ম-কুশলতা বিনে ভক্তি নাইবা সমত্বৰ আভাস মাত্র পাবৰহে ভয় থাকে । যোগৰ অর্থ অপ্রাপ্য বস্তুক পোৱা আৰু ক্ষেমৰ অর্থ পোৱা বস্তুক ভালকৈ ৰখা ।

যেঽপ্যন্যদেৱতা ভক্তা যজন্তে শ্রদ্ধয়ান্বিতাঃ ।
তেঽপি মামেৱ কৌন্তেয় ! যজন্ত্যবিধিপূর্ব্বকম্ ॥ ২৩ ॥

"আৰু হে কৌন্তেয় ! যিবিলাকে শ্রদ্ধাপূর্ব্বক আন দেবতাকো ভজনা কৰে তথাপি তেওঁলোকে বিধি-ৰহিত হ'লেও মোকেই ভজনা কৰে" ॥২৩॥

টিপ্পনী :—

বিধিৰহিত—অর্থাৎ অজ্ঞানতাৰ কাৰণে মোক এক নিৰঞ্জন, নিৰাকাৰ পুৰুষ বুলি জ্ঞান নকৰা ।

অহং হি সর্ব্বযজ্ঞানাং ভোক্তা চ প্রভুৰেৱ চ ।
ন তু মামভিজানন্তি তত্ত্বেনাতশ্চ্যৱন্তি তে ॥ ২৪ ॥

"যি লোকে মোক সকলো যজ্ঞকে ভোগকৰা কর্ত্তা বুলি মোৰ আচল স্বৰূপ চিনি নাপায় তেওঁলোকৰ পতন হয়" ॥ ২৪ ॥

যান্তি দেৱব্রতা দেৱান পিতৃন্ যান্তি পিতৃব্রতাঃ ।
ভূতানি যান্তি ভূতেজ্যা যান্তি মদ্‌যাজিনোঽপি মাম ॥ ২৫ ॥

"দেৱতাক পূজা কৰা সকলে দেৱলোক পায়, পিতৃসকলক পূজা কৰা সকলে পিতৃ-লোক পায় । ভূত-প্রেতক পূজা কৰা সকলে ভূত লোক পায় আৰু মোক ভজনা কৰা সকলে মোকেই পায় ।" ॥ ২৫ ॥

পত্রং পুষ্পং ফলং তোয়ং যো মে ভক্ত্যা প্রযচ্ছতি ।
তদহং ভক্ত্যুপহৃতমশ্নামি প্রযতাত্মনঃ ॥ ২৬ ॥

---

* যোগ ক্ষেমৰ অর্থ যোগ কৰিবৰ উপযোগী যাৱতীয় ব্যৱস্থা ।

"যি জনে পত্ৰ, ফল-ফুল বা জল মোক ভক্তিৰে দিয়ে এনে যত্নশীল লোকৰ দ্বাৰা ভক্তিৰে অৰ্পিত বস্তু মই গ্ৰহণ কৰোঁ।" ।। ২৬ ।।

টিপ্পনী ঃ—

তাৎপৰ্য্য এই—ঈশ্বৰৰ প্ৰীতিৰ কাৰণে যিহকেই সেৱা ভাবেৰে দিয়া হয় সেইটো সেই প্ৰাণীত থকা অন্তৰ্য্যামী ভগৱানে স্বীকাৰ কৰে ।

যৎ কৰোষি যদশ্নাসি যজ্জুহোষি দদাসি যৎ ।
যৎ তপস্যসি কৌন্তেয় ! তৎ কুৰুষ্ব মদৰ্পণম্ ।। ২৭ ।।

"সেই কাৰণে হে কৌন্তেয় । তুমি যিহকেই কৰা, যিহকেই খোৱা, যিহকে হোমত আহুতি দিয়া, যিহকে দান কৰা, যিহকে তপ কৰা, সকলো মোতেই অৰ্পণ কৰি কৰিবা ।" ।। ২৭ ।।

শুভাশুভফলৈৰেৱং মোক্ষ্যসে কৰ্ম্মবন্ধনৈঃ ।
সংন্যাসযোগযুক্তাত্মা ৱিমুক্তো মামুপৈষ্যসি ।। ২৮ ।।

"এই দৰে তুমি শুভাশুভ ফলদায়ক কৰ্ম্ম বন্ধনৰপৰা মুক্ত হবা আৰু ফলত্যাগৰূপী সমত্ব পাই, জন্ম-মৰণৰ পৰা মুক্ত হৈ মোক লাভ কৰিবা" ॥ ২৮ ॥

সমোঽহং সৰ্ৱভূতেষু ন মে দ্বেষ্যোঽস্তি ন প্ৰিয়ঃ ।
যে ভজন্তি তু মাং ভক্ত্যা ময়ি তে তেষু চাপ্যহম্ ॥ ২৯ ॥

"সকলো প্ৰাণীতেই মই সমভাৱে আছোঁ । মোৰ কোনো প্ৰিয় নাইবা অপ্ৰিয় নাই । যিজনে মোক ভক্তি কৰি ভজনা কৰে, তেওঁ মোতেই আছে আৰু ময়ো তেওঁতে আছোঁ ।" ॥ ২৯ ॥

অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক্ ।
সাধুৰেৱ স মন্তৱ্যঃ সম্যগ্ ৱ্যৱসিতো হি সঃ ॥ ৩০ ॥

"বৰ দুৰাচাৰী জনেও যদি একান্তভাৱে মোক ভজে তেন্তে তেওঁক সাধু হোৱা বুলি ভাবিব লাগে । কাৰণ এতিয়া তেওঁৰ সংকল্প পৰিৱৰ্ত্তিত হ'ল ।" ॥৩০॥

টিপ্পনী ঃ—

কিয়নো একান্ত ভক্তিয়ে দুৰাচাৰী লোককো শান্ত কৰি দিয়ে ।

ক্ষিপ্ৰং ভৱতি ধৰ্ম্মাত্মা শশ্বচ্ছান্তিং নিগচ্ছতি ।
কৌন্তেয় ! প্ৰতিজানীহি ন মে ভক্তঃ প্ৰণশ্যতি ॥ ৩১ ॥

"তেওঁ অতি সোনকালে ধৰ্ম্মাত্মা হয় আৰু নিৰন্তৰ শান্তি পায় । হে কৌন্তেয় ! তুমি নিশ্চয়কৈ জানিবা যে মোৰ ভক্তৰ কেতিয়াও নাশ নহয় ।" ॥৩১॥

মাং হি পাৰ্থ! ব্যপাশ্ৰিত্য যেঽপি স্যুঃ পাপযোনয়ঃ।
স্ত্ৰিয়ো বৈশ্যাস্তথা শূদ্ৰাস্তেঽপি
যান্তি পৰাং গতিম্ ॥৩২॥

"পুনশ্চ হে পাৰ্থ! যি বিলাক পাপযোন সেইবিলাকেও আৰু স্ত্ৰী, বৈশ্য আৰু শূদ্ৰ যিসকলে মোৰ আশ্ৰয় সেই সকলেও পৰমগতি পায়।" ॥৩২॥

কিং পুনৰ্ব্ৰাহ্মণাঃ পুণ্যা ভক্তা ৰাজৰ্ষয়স্তথা।
অনিত্যমসুখং লোকমিমং প্ৰাপ্য ভজস্ব মাম্ ॥৩৩॥

"তেনে অৱস্থাত পুণ্যবান ব্ৰাহ্মণ আৰু ৰাজৰ্ষি যি সকল মোৰভক্ত তেওঁ-লোকৰ বিষয়ে ক'বলৈ কি আছে? সেই কাৰণে এই অনিত্য আৰু সুখ নোহোৱা লোকত জন্ম লৈ তুমি মোক ভজা।" ॥৩৩॥

মন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি যুক্তৈবমাত্মানং মৎপৰায়ণঃ ॥৩৪॥

"মোতেই মন অৰ্পণ কৰা, মোৰ ভক্ত হোৱা, মোৰ কাৰণে যজ্ঞ কৰা এইদৰে মৎপৰায়ণ (মোতে আসক্ত) হৈ আত্মাক মোৰ লগত সংযোগ কৰিলে মোক পাবা" ॥৩৪॥

ওঁ তৎ সৎ

এইদৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ-শাস্ত্ৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ ৰাজবিদ্যা ৰাজগুহ্য যোগ নামৰ নৱম অধ্যায় সমাপ্ত।

## দশম অধ্যায় ॥

## বিভূতি যোগ

৭ম, ৮ম আৰু ৯ম অধ্যায়ৰ ভক্তি ইত্যাদিৰ নিৰূপণ কৰাৰ পাছত শ্ৰীভগবানে নিজৰ অনন্ত বিভূতিবিলাক চমুকৈ ভক্তক দৰ্শন কৰাইছে।

শ্ৰীভগবানুবাচ :—

ভূয় এৱ মহাবাহো ! শৃণু মে পৰমং ৱচঃ।
যত্তেঽহং প্ৰীয়মাণায় ৱক্ষ্যামি হিতকাম্যয়া ॥১॥

শ্ৰীভগবানে ক'লে—"হে মহাবাহু। পুনৰ মোৰ পৰম ( মঙ্গলজনক ) বচন শুনা। তুমি মোৰ প্ৰিয়জন, তোমাৰ হিতৰ কাৰণে মই এই খিনি কম" ॥১॥

ন মে ৱিদুঃ সুৰগণাঃ প্ৰভৱং ন মহৰ্ষয়ঃ।
অহমাদিৰ্হি দেৱানাং মহৰ্ষীণাঞ্চ সৰ্ৱশঃ ॥২॥

"দেৱতা আৰু মহৰ্ষিয়ে মোৰ উৎপত্তি নাজানে, কাৰণ ময়েই সকলো প্ৰকাৰে মহৰ্ষি আৰু দেৱতাসকলৰ আদি কাৰণ" ॥২॥

যো মামজমনাদিঞ্চ ৱেত্তি লোকমহেশ্বৰম্।
অসংমূঢ়ঃ স মৰ্ত্ত্যেষু সৰ্ৱপাপৈঃ প্ৰমুচ্যতে ॥৩॥

"মৃত্যুলোকত থকা যি জ্ঞানীয়ে মোক লোকবিলাকৰমহেশ্বৰ, অজন্ম আৰু অনাদিৰূপে জানে তেওঁ সকলো পাপৰ পৰা মুক্ত হয়" ॥৩॥

বুদ্ধিৰ্জ্ঞানমসংমোহঃ ক্ষমা সত্যং দমঃ শমঃ।
সুখং দুঃখং ভৱোঽভাৱো ভয়ঞ্চাভয়মেৱ চ ॥৪॥
অহিংসা সমতা তুষ্টিস্তপো দানং যশোঽযশঃ।
ভৱন্তি ভাৱা ভূতানাং মত্ত এৱ পৃথগ্বিধাঃ ॥৫॥

"বুদ্ধি, জ্ঞান, অমূঢ়তা, ক্ষমা, সত্য, ইন্দ্ৰিয়নিগ্ৰহ, শান্তি, সুখ দুখ, জন্ম, মৃত্যু ভয়, আৰু অভয়, অহিংসা, সমতা, সন্তোষ তপ, দান যশ, অপযশ, এইদৰে বাণীৰ ভিন ভিন ভাব মোৰ পৰাই উৎপন্ন হৈছে" ॥৪॥৫॥

মহৰ্ষয়ঃ সপ্ত পূৰ্ৱে চত্বাৰো মনৱস্তথা।
মদ্ভাৱা মানসা জাতা যেষাং লোক ইমাঃ প্ৰজাঃ ॥৬॥

"সপ্তর্ষি, তাৰ পূৰ্ব্বৰ চাৰিসিদ্ধ সনকাদিক আৰু (চৈধ্য) মনু মোৰ স্বৰূপৰ পৰা উৎপন্ন হৈছে আৰু তেওঁলোকৰ পৰাই ইহ লোক উদ্ভৱ হৈছে" ॥৬॥

এতাং বিভূতিং যোগঞ্চ মম যো বেত্তি তত্ত্বতঃ।
সোহবিকম্পেন যোগেন যুজ্যতে নাত্র সংশয়ঃ ॥৭॥

"মোৰ এই বিভূতি আৰু শক্তিক যিজনে যথাৰ্থৰূপে জানে তেওঁ অবিচল সমতা যে (যোগ) পায় তাত কোনো সংশয় নাই" ॥৭॥

অহং সৰ্ব্বস্য প্ৰভৱো মত্তঃ সৰ্ব্বং প্ৰৱৰ্ত্ততে।
ইতি মত্বা ভজন্তে মাং বুধা ভাৱসমন্বিতাঃ ॥৮॥

"মই সকলোৰে উৎপত্তিৰ কাৰণ হওঁ, আৰু সকলো মোতেই প্ৰৱৰ্ত্তন কৰে, এইদৰে বুদ্ধিমান লোকে জানি মোকেই ভজনা কৰে" ॥৮॥

মচ্চিত্তা মদ্গতপ্ৰাণা বোধয়ন্তঃ পৰস্পৰম্।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ ॥৯॥

"মোতেই চিত্ত অৰ্পণ কৰা, মোতেই প্ৰাণ অৰ্পণ কৰা লোকসকলে পৰস্পৰে মোৰ বোধ (জ্ঞান) উপলব্ধি কৰে আৰু সদায় মোৰেই কীৰ্ত্তন কৰি সন্তোষ আৰু আনন্দত থাকে" ॥৯॥

তেষাং সততযুক্তানাং ভজতাং প্ৰীতিপূৰ্ব্বকম্।
দদামি বুদ্ধিযোগং তং যেন মামুপযান্তি তে ॥১০॥

"এইদৰে মোত তন্ময় হৈ থকা লোকসকলক আৰু মোক প্ৰেমেৰে ভজন কৰা লোকসকলক মই জ্ঞান দিওঁ আৰু তাৰ দ্বাৰাই তেওঁলোকে মোক পায়" ॥১০॥

তেষামেৱানুকম্পাৰ্থমহমজ্ঞানজং তমঃ।
নাশয়াম্যাত্মভাৱস্থো জ্ঞানদীপেন ভাস্বতা ॥১১॥

"তেওঁলোকৰ ওপৰত দয়া কৰি, তেওঁলোকৰ হৃদয়ত থাকি, মই জ্ঞানৰূপী দীপৰ দ্বাৰাই অজ্ঞানৰূপী অন্ধকাৰ নাশ কৰো" ॥১১॥

অৰ্জ্জুন উবাচ :—

পৰং ব্ৰহ্ম পৰং ধাম পৱিত্ৰং পৰমং ভৱান্।
পুৰুষং শাশ্বতং দিব্যমাদিদেৱমজং বিভুম্ ॥১২॥
আহুস্ত্বামৃষয়ঃ সৰ্ব্বে দেৱৰ্ষিৰ্নাৰদস্তথা।
অসিতো দেৱলো ব্যাসঃ স্বয়ঞ্চৈৱ ব্ৰৱীষি মে ॥১৩॥

অর্জ্জুনে ক'লে,—"হে ভগবান আপুনি পৰমব্ৰহ্ম, পৰম ধাম পৰম পবিত্ৰ, সমস্ত ঋষি, দেৱৰ্ষি নাৰদ, অসিত, দেবল আৰু ব্যাসে আপোনাক অবিনাশী দিব্যপুৰুষ, আদিদেৱ, অজ, ঈশ্বৰৰ ৰূপ বুলি মানে আৰু আপুনি নিজেও সেইদৰে কয়" ।।১২।।১৩।।

সৰ্ব্বমেতদৃতং মন্যে যন্মাং ৱদসি কেশৱঃ ! ।
ন হি তে ভগৱন্ ! ৱ্যক্তিং ৱিদুৰ্দ্দেৱা ন দানৱাঃ ।। ১৪ ।।

"হে কেশৱ, আপুনি যি কৈছে তাক মই সত্য বুলি মানি লৈছোঁ। আপোনাৰ স্বৰূপ দেৱতা আৰু দানৱেও নাজানে" ।। ১৪ ।।

স্বয়মেৱাত্মনাত্মানং ৱেত্থ ত্বং পুৰুষোত্তম !
ভূতভাৱন ! ভূতেশ ! দেৱদেৱ ! জগৎপতে ! ।। ১৫ ।।

"হে পুৰুষোত্তম, হে সৰ্ব্বজীৱৰ পিতা, হে জীৱেশ্বৰ, হে দেৱৰ দেৱ, হে জগতৰ স্বামী, আপুনি নিজেই নিজক নিজৰ দ্বাৰা জানে" ।। ১৫ ।।

ৱক্তুমৰ্হস্যশেষেণ দিৱ্যা হ্যাত্মবিভূতয়ঃ ।
যাভিৰ্বিভূতিভিৰ্লোকানিমাংস্ত্বং ৱ্যাপ্য তিষ্ঠসি ।। ১৬ ।।

"যি বিভূতিবিলাকৰ দ্বাৰা এই লোকবিলাকত আপুনি ব্যাপ্ত হৈ আছে, আপুনি এই দিব্য বিভূতিবিলাক সম্পূৰ্ণকৈ মোক ক'ব লাগে" ।। ১৬ ।।

কথং ৱিদ্যামহং যোগিংস্ত্বাং সদা পৰিচিন্তয়ন্ ।
কেষু কেষু চ ভাৱেষু চিন্ত্যোঽসি ভগৱন্ ! ময়া ।। ১৭ ।।

"হে যোগিন ! আপোনাক সদায় চিন্তা কৰোঁতে মই কেনেকৈ আপোনাক চিনিব পাৰিম। হে ভগবান, আপোনাক কি কি ৰূপত চিন্তা কৰা উচিত" ।। ১৭ ।।

ৱিস্তৰেণাত্মনো যোগং বিভূতিঞ্চ জনাৰ্দ্দন ! ।
ভূয়ঃ কথয় তৃপ্তিৰ্হি শৃণ্বতো নাস্তি মেঽমৃতম ।। ১৮ ।।

"হে জনাৰ্দ্দন! আপোনাৰ শক্তি আৰু আপোনাৰ বিভূতিৰ কথা মোক আকৌ বিস্তৃতভাৱে কওক। আপোনাৰ অমৃতময় বাণী শুনি মোৰ তৃপ্তি হোৱা নাই" ।। ১৮ ।।

শ্ৰীভগৱান উবাচ—

হন্ত তে কথয়িষ্যামি দিৱ্যা হ্যাত্মবিভূতয়ঃ ।
প্ৰাধান্যতঃ কুৰুশ্ৰেষ্ঠ ! নাস্ত্যন্তো ৱিস্তৰস্য মে ।। ১৯ ।।

"ভগবানে ক'লে—হে কুৰুশ্ৰেষ্ঠ ! বাৰু মই নিজৰ মুখ্য মুখ্য বিভূতি-বিলাক তোমাক কম সেইবোৰ বিস্তাৰ কৰি ক'বলৈ গলে অন্তই নপৰিব" ॥১৯॥

অহমাত্মা গুড়াকেশ ! সৰ্ব্বভূতাশয়স্থিতঃ ।

অহমাদিশ্চ মধ্যঞ্চ ভূতানামন্ত এৱ চ ॥ ২০ ॥

"হে গুড়াকেশ ! মই সকলো প্ৰাণীৰে হৃদয়ত থকা আত্মা । ময়েই ভূত-মাত্ৰৰে আদি, মধ্য আৰু অন্ত" ॥ ২০ ॥

আদিত্যানামহং ৱিষ্ণুৰ্জ্যোতিষাং ৰৱিৰংশুমান্ ।

মৰীচিৰ্ম্মৰুতামস্মি নক্ষত্ৰাণামহং শশী ॥ ২১ ॥

"আদিত্যসকলৰ ভিতৰত মই বিষ্ণু, জ্যোতিষ্কসকলৰ ভিতৰত মই দীপ্তিৱন্ত সূৰ্য্য, বায়ুৰ ভিতৰত মৰীচি, নক্ষত্ৰৰ ভিতৰত চন্দ্ৰ" ॥ ২১ ॥

ৱেদানাং সামৱেদোঽস্মি দেৱানামস্মি ৱাসৱঃ ;

ইন্দ্ৰিয়াণাং মনশ্চাস্মি ভূতানামস্মি চেতনা ॥ ২২ ॥

"বেদৰ ভিতৰত মই সামবেদ দেৱতাসকলৰ ভিতৰত মই ইন্দ্ৰ । ইন্দ্ৰিয়ৰ ভিতৰত মই মন আৰু প্ৰাণীসকলৰ ভিতৰত মই চেতনা" ॥ ২২ ॥

ৰুদ্ৰাণাং শঙ্কৰশ্চাস্মি ৱিত্তেশো যক্ষৰক্ষসাম্ ।

ৱসূনাং পাৱকশ্চাস্মি মেৰুঃ শিখৰিণামহম্ ॥ ২৩ ॥

"ৰুদ্ৰবিলাকৰ ভিতৰত মই শঙ্কৰ, যক্ষ আৰু ৰাক্ষসৰ ভিতৰত মই কুবেৰ, বসুবিলাকৰ ভিতৰত মই অগ্নি, পৰ্ব্বতৰ ভিতৰত মই মেৰু" ॥ ২৩ ॥

পুৰোধসাঞ্চ মুখ্যং মাং ৱিদ্ধি পাৰ্থ ! বৃহস্পতিম্ ।

সেনানীনামহং স্কন্দঃ সৰসামস্মি সাগৰঃ ॥ ২৪ ॥

"হে পাৰ্থ ! পুৰোহিতসকলৰ ভিতৰত মই বৃহস্পতি । সেনাপতিসকলৰ ভিতৰত মই কাৰ্ত্তিক আৰু সৰোবৰবিলাকৰ ভিতৰত মই সাগৰ" ॥ ২৪ ॥

মহৰ্ষীণাং ভৃগুৰহং গিৰামস্ম্যেকমক্ষৰম্ ।

যজ্ঞানাং জপযজ্ঞোঽস্মি স্থাৱৰাণাং হিমালয়ঃ ॥ ২৫ ॥

"মহৰ্ষিসকলৰ ভিতৰত মই ভৃগু, বাক্যৰ (শব্দৰ) ভিতৰত মই একাক্ষৰী 'ওঁ', যজ্ঞৰ ভিতৰত মই যপযজ্ঞ, আৰু স্থাবৰৰ ভিতৰত মই হিমালয়" ॥২৫॥

অশ্বত্থঃ সৰ্ব্ববৃক্ষাণাং দেৱৰ্ষীণাঞ্চ নাৰদঃ ।

গন্ধৰ্ব্বাণাং চিত্ৰৰথঃ সিদ্ধানাং কপিলো মুনিঃ ॥ ২৬ ॥

"সকলো গছৰ ভিতৰত মই অশ্বত্থ, (আঁহত), দেবৰ্ষিৰ ভিতৰত মই নাৰদ, গন্ধৰ্ব্বৰ ভিতৰত মই চিত্ৰৰথ, আৰু সিদ্ধসকলৰ ভিতৰত মই কপিল" ॥২৬॥

উচ্চৈঃশ্ৰৱসমশ্বানাং ৱিদ্ধি মামমৃতোদ্ভৱম্ ।
ঐৰাৱতং গজেন্দ্ৰাণাং নৰাণাঞ্চ নৰাধিপম্ ॥ ২৭ ॥

"অশ্বৰ ভিতৰত অমৃতৰ পৰা উদ্ভৱ হোৱা মৱেই উচ্চৈঃশ্ৰৱা বুলি জানিবা । হাতীৰ ভিতৰত ঐৰাৱত আৰু মানুহৰ ভিতৰত মই ৰজা" ॥ ২৭ ॥

আয়ুধানামহং ৱজ্ৰং ধেনূনামস্মি কামধুক্ ।
প্ৰজনশ্চাস্মি কন্দৰ্পঃ সৰ্পাণামস্মি ৱাসুকিঃ ॥ ২৮ ॥

"অস্ত্ৰৰ ভিতৰত মই বজ্ৰ, গাই গৰুৰ ভিতৰত মই কামধেনু, প্ৰজাৰ উৎপত্তিৰ কাৰণ কামদেৱ মই, সৰ্পৰ ভিতৰত মৱেই বাসুকী" ॥ ২৮॥

অনন্তশ্চাস্মি নাগানাং ৱৰুণো যাদসামহম্ ।
পিতৃণামৰ্য্যমা চাস্মি যমঃ সংযমতামহম্ ॥ ২৯ ॥

"নাগসকলৰ মাজত মই অনন্ত, জলচৰবিলাকৰ ভিতৰত মই বৰুণ, পিতৃসকলৰ ভিতৰত অৰ্য্যমা মই আৰু শাস্তি-বিধানকৰাসকলৰ মাজত মই যম হওঁ" ॥ ২৯ ॥

প্ৰহ্লাদশ্চাস্মি দৈত্যানাং কালঃ কলয়তামহম্ ।
মৃগাণাঞ্চ মৃগেন্দ্ৰোঽহং ৱৈনতেয়শ্চ পক্ষিণাম্ ॥ ৩০ ॥

"দৈত্যসকলৰ মাজত মই প্ৰহ্লাদ, গণনাকাৰীসকলৰ মাজত মই কাল হওঁ, পশুৰ ভিতৰত মই সিংহ, পক্ষীৰ ভিতৰত মই গৰুড়" ॥ ৩০ ॥

পৱনঃ পৱতামস্মি ৰামঃ শস্ত্ৰভৃতামহম্ ।
ঝষাণাং মকৰশ্চাস্মি স্ৰোতসামস্মি জাহ্নৱী ॥ ৩১ ॥

"পৱিত্ৰকাৰীসকলৰ ভিতৰত মই পৱন ; অস্ত্ৰধাৰীসকলৰ মাজত পৰশুৰাম, মাছৰ ভিতৰত মই মগৰ, আৰু নদীৰ ভিতৰত মই গঙ্গা" ॥ ৩১ ॥

সৰ্গাণামাদিৰন্তশ্চ মধ্যঞ্চৈৱাহমৰ্জ্জুন ! ।
অধ্যাত্মৱিদ্যা ৱিদ্যানাং ৱাদঃ প্ৰৱদতামহম্ ॥ ৩২ ॥

"হে অৰ্জ্জুন ! সৃষ্টিৰ আদি, অন্ত আৰু মধ্য নাই ; বিদ্যাৰ ভিতৰত অধ্যাত্ম-বিদ্যা মই ; আৰু বিবাদকাৰীসকলৰ ভিতৰত মই বাদ" ॥ ৩২ ॥

অক্ষৰাণামকাৰোঽস্মি দ্বন্দ্বঃ সামাসিকস্য চ ।
অহমেৱাক্ষয়ঃ কালো ধাতাহং ৱিশ্বতোমুখঃ ॥ ৩৩ ॥

"আখৰৰ ভিতৰত 'অ' কাৰ মই, সমাসৰ ভিতৰত মই দ্বন্দ্ব সমাস, অবিনাশী কাল আৰু সৰ্ব্বব্যাপী ধাৰণকৰ্ত্তা মৱেই" ॥ ৩৩ ॥

মৃত্যুঃ সৰ্বহৰশ্চাহমুদ্ভৱশ্চ ভৱিষ্যতাম্ ।
কীৰ্ত্তিঃশ্ৰীৰ্বাক্ চ নাৰীণাং স্মৃতিৰ্মেধা ধৃতিঃ ক্ষমা ॥ ৩৪ ॥

"সকলোকে হৰণকাৰী মৃত্যু মই ; ভৱিষ্যতে যি উৎপত্তি হব তাৰ কাৰণ মই আৰু নাৰীজাতিৰ নামৰ ভিতৰত কীৰ্ত্তি, লক্ষ্মী, বাণী, স্মৃতি, মেধা (বুদ্ধি ধৃতি, ধৈৰ্য্য) আৰু ক্ষমা মই" ॥ ৩৪ ॥

বৃহৎ সাম তথা সাম্নাং গায়ত্ৰী ছন্দসামহম্ । ।
মাসানাং মাৰ্গশীৰ্ষোঽহমৃতূনাং কুসুমাকৰঃ ॥ ৩৫ ॥

"সামবিলাকৰ (বেদৰ) ভিতৰত বৃহৎ (ডাঙৰ) সাম ময়েই ; ছন্দৰ ভিতৰত গায়ত্ৰী-ছন্দ মই ; মাহবিলাকৰ ভিতৰত মাৰ্গশীৰ্ষ (আঘোণ) মই, আৰু ঋতুৰ ভিতৰত মই বসন্ত" ॥ ৩৫ ॥

দ্যূতং ছলয়তামস্মি তেজস্তেজস্বিনামহম্ ।
জয়োঽস্মি ব্যৱসায়োঽস্মি সত্ত্বং সত্ত্বৱতামহম্ ॥ ৩৬ ॥

"ছলনাকৰা দ্যূত (পাশাখেল) মই ; প্ৰতাপশালীৰ প্ৰভাৱ মই ; জয় মই ; নিশ্চয় মই আৰু সাত্ত্বিক সকলৰ সত্ত্ব ময়েই" ॥ ৩৬ ॥

টিপ্পনী :—

"ছলনাকৰা দ্যূতও মই" এই বচন দেখি আচৰিত হ'বৰ একো নাই। ইয়াত ভাল-বেয়া কি তাক নিৰ্ণয় কৰা হোৱা নাই, কিন্তু যিয়েই আছে,- সকলো ঈশ্বৰৰ আজ্ঞা ব্যতিৰেকে হ'ব নোৱাৰে ; তাকেহে বুজোৱা হৈছে ; আৰু সকলো তেওঁৰ অধীন এনে জ্ঞান কৰি ছলনাকাৰীয়েও যেন নিজৰ অভিমান ত্যাগ কৰি ছল কৰি এৰি দিয়ে। (ইয়াকে বুজোৱা হৈছে।) ॥

বৃষ্ণীনাং ৱাসুদেৱোঽস্মি পাণ্ডৱানাং ধনঞ্জয়ঃ ।
মুনীনামপ্যহং ব্যাসঃ কৱীনামুশনাঃ কৱিঃ ॥ ৩৭ ॥

"বৃষ্ণিকুলৰ বাসুদেৱ মই, পাণ্ডৱসকলৰ ভিতৰত মই অৰ্জ্জুন, মুনিসকলৰ ভিতৰত মই ব্যাস আৰু কবিসকলৰ ভিতৰত মই উশনা" ॥ ৩৭ ॥

দণ্ডো দময়তামস্মি নীতিৰস্মি জিগীষতাম্ ।
মৌনং চৈৱাস্মি গুহ্যানাং জ্ঞানং জ্ঞানৱতামহম্ ॥ ৩৮ ॥

"ৰাজ্য শাসকসকলৰ দণ্ড মই, জয় বিচৰা সকলৰ নীতি মই, গুপ্ত-কথাৰ ভিতৰত মই মৌন, আৰু জ্ঞানবান সকলৰ জ্ঞান মই" ॥ ৩৮ ॥

যচ্চাপি সৰ্বভূতানাং বীজং তদহমৰ্জ্জুন ! ।
ন তদস্তি ৱিনা যৎ স্যাম্ময়া ভূতং চৰাচৰম্ ॥ ৩৯ ॥

"হে অৰ্জ্জুন! সমস্ত প্ৰাণীৰ উৎপত্তিৰ কাৰণ মই। সকলো স্থাবৰ বা জঙ্গম মোত বিনে (উৎপত্তি) হ'ব নোৱাৰে" ॥ ৩৯ ॥

নান্তোঽস্তি মম দিব্যানাং বিভূতীনাং পৰন্তপ !।
এষ তূদ্দেশতঃ প্ৰোক্তো বিভূতেৰ্বিস্তৰো ময়া ॥ ৪০ ॥

"হে পৰন্তপ! মোৰ দিব্য বিভূতিবিলাকৰ অন্তই নাই। বিভূতিবিলাকৰ বিষয়ে কেৱল দৃষ্টান্ত স্বৰূপেহে ইয়াত কৈছোঁ" ॥ ৪০ ॥

যদ্‌যদ্‌ বিভূতিমৎ সত্ত্বং শ্ৰীমদূৰ্জ্জিতমেৱ ৱা।
তত্তদেৱাৱগচ্ছ ত্বং মম তেজোঽংশসম্ভৱম ॥ ৪১ ॥

"যিয়েই বিভূতিবান্, লক্ষ্মীবান বা প্ৰভাৱশালী সকলোৱেই মোৰ তেজৰ অংশৰ পৰা হোৱা বুলি জানিবা" ॥ ৪১ ॥

অথবা বহুনৈতেন কিং জ্ঞাতেন তৱাৰ্জ্জুন !।
বিষ্টভ্যাহমিদং কৃৎস্নমেকাংশেন স্থিতো জগৎ ॥ ৪২ ॥

"অথবা হে অৰ্জ্জুন! তুমি এইবিলাক বিস্তৃতভাৱে জানিয়েই বা কি কৰিবা? নিজৰ এক অংশমাত্ৰৰ দ্বাৰাই সমস্ত জগতকেই ধাৰণ কৰি মই বিদ্যমান হৈ আছোঁ" ॥ ৪২ ॥

ওঁ তৎ সৎ।

এইদৰে শ্ৰীমদ্ভাগৱদগীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যাৰ অন্তৰ্গত যোগ-শাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ বিভূতিযোগ নামৰ ১০ম অধ্যায় সমাপ্ত হ'ল ॥

## একাদশ অধ্যায়

## বিশ্বৰূপ-দৰ্শন-যোগ

এই অধ্যায়ত ভগবানে নিজৰ বিৰাট স্বৰূপ অৰ্জ্জুনক দেখুৱাইছে। ভক্তৰ কাৰণে এই অধ্যায় বৰ প্ৰিয়। ইয়াত কেৱল কাৰ্য্যহে আছে, যুক্তি নাই। এই অধ্যায় পাঠ কৰি মানুহে কেতিয়াও ক্লান্ত নহয় ॥

অৰ্জ্জুন উবাচঃ—

মদনুগ্ৰহায় পৰমং গুহ্যমধ্যাত্মসংজ্ঞিতম্।
যৎ ত্বয়োক্তং ৱচস্তেন মোহোঽয়ং ৱিগতো মম ॥১॥

"অৰ্জ্জুনে ক'লে—আপুনি মোক কৃপা কৰি এই আধ্যাত্মিক পৰম ৰহস্য কৈছে। মোক আপুনি যি বাক্য ক'লে তাত মোৰ মোহ দূৰ হৈ গৈছে" ॥১॥

ভৱাপ্যয়ৌ হি ভূতানাং শ্ৰুতৌ ৱিস্তৰশো ময়া।
ত্বত্তঃ কমলপত্ৰাক্ষ! মাহাত্ম্যমপি চাৱ্যয়ম্ ॥২॥

"প্ৰাণীসকলৰ উৎপত্তি আৰু নাশ সম্বন্ধে মই আপোনাৰ পৰা বিস্তৃত-ভাৱে শুনিলো। সেইদৰে হে কমলপত্ৰাক্ষ, আপোনাৰ অবিনাশী মাহাত্ম্যও শুনিলো" ॥২॥

এৱমেতদ্ যথাত্থ ত্বমাত্মানং পৰমেশ্বৰ!।
দ্ৰষ্টুমিচ্ছামি তে ৰূপমৈশ্বৰং পুৰুষোত্তম! ॥৩॥

"হে পৰমেশ্বৰ। আপুনি যেনেকৈ নিজৰে পৰিচয় দিয়ে আপুনি ঠিক সেইদৰেই। হে পুৰুষোত্তম, আপোনাৰ সেই ঈশ্বৰৰূপ দৰ্শন কৰিবলৈ মোৰ ইচ্ছা হৈছে" ॥৩॥

মন্যসে যদি তচ্ছক্যং ময়া দ্ৰষ্টুমিতি প্ৰভো!।
যোগেশ্বৰ! ততো মে ত্বং দৰ্শয়াত্মানমৱ্যয়ম্ ॥৪॥

"হে প্ৰভো! যদি আপোনাৰ ৰূপদৰ্শন কৰা মোৰ পক্ষে সম্ভৱপৰ হয় বুলি ভাবে তেন্তে হে যোগেশ্বৰ! সেই অব্যয়ৰূপ দেখুৱাওক" ॥৪॥

শ্ৰীভগবানুবাচঃ—

পশ্য মে পাৰ্থ! ৰূপাণি শতশোঽথ সহস্ৰশঃ।
নানাৱিধানি দিৱ্যানি নানাৱৰ্ণাকৃতীনি চ ॥৫॥

শ্ৰীভগবানে ক'লে—"হে পাৰ্থ! মোৰ শত শত আৰু হাজাৰ বিজাৰ ৰূপ চোৱাঁ। এইবিলাক নানাপ্ৰকাৰৰ, দিব্য, ভিন্ ভিন্ ৰং বিশিষ্ট আৰু বিভিন্ন আকাৰৰ" ॥ ৫ ॥

পশ্যাদিত্যান্ ৱসূন্ ৰুদ্ৰানশ্বিনৌ মৰুতস্তথা।
ৱহূন্যদৃষ্টপূৰ্ব্বাণি পশ্যাশ্চৰ্য্যাণি ভাৰত। ॥ ৬ ॥

"হে ভাৰত! আদিত্যসকল, বসুসকল, ৰুদ্ৰসকল, দুই অশ্বিনী আৰু মৰুতসকল চোৱাঁ! যি আগে কেতিয়াও দেখা নাছিলাঁ, তেনে বহুত আশ্চৰ্য্য (ৰূপ) চাই লোৱাঁ" ॥ ৬ ॥

ইহৈকস্থং জগৎ কৃৎস্নং পশ্যাদ্য সচৰাচৰম্।
মম দেহে গুডাকেশ! যচ্চান্যদ দ্ৰষ্টুমিচ্ছসি ॥ ৭ ॥

"হে গুড়াকেশ! মোৰ এই শৰীৰতে একৰূপে থকা সমস্ত স্থাবৰ আৰু জঙ্গম আৰু জগত আৰু সেইদৰে যিহকে চাব খোজাঁ সকলো আজি চাই লোৱাঁ" ॥৭॥

ন তু মাং শক্যসে দ্ৰষ্টুমনেনৈৱ স্বচক্ষুষা।
দিৱ্যং দদামি তে চক্ষুঃ পশ্য মে যোগমৈশ্বৰম্ ॥ ৮ ॥

"তোমাৰ এই চৰ্ম্মচক্ষুৰ দ্বাৰা মোক দেখিবলৈ নোপোৱা। তোমাক মই দিব্যচক্ষু দিওঁ। তুমি মোৰ ঈশ্বৰৰূপ দৰ্শন কৰা" ॥ ৮ ॥

সঞ্জয় উবাচ:—

এৱমুক্ত্বা ততো ৰাজন্! মহাযোগেশ্বৰো হৰিঃ।
দৰ্শয়ামাস পাৰ্থায় পৰমং ৰূপমৈশ্বৰম্ ॥ ৯ ॥

সঞ্জয়ে ক'লে—"হে ৰাজন, যোগেশ্বৰ কৃষ্ণই এইদৰে কৈ পাৰ্থক নিজৰ পৰম ঈশ্বৰ ৰূপ দেখুৱালে" ॥ ৯ ॥

অনেকৱক্ত্ৰনয়নমনেকাদ্ভুতদৰ্শনম্।
অনেকদিৱ্যাভৰণং দিৱ্যানেকোদ্যতায়ুধম্ ॥ ১০ ॥

"এই ৰূপ অনেক মুখ আৰু চকু থকা, অনেক অদ্ভুত দৃশ্যৰে পৰিপূৰ্ণ, অনেক দিব্য আভৰণেৰে ভৰা, আৰু অনেক দিব্য উদ্যত অস্ত্ৰযুক্ত" ॥ ১০ ॥

দিৱ্যমাল্যাম্বৰধৰং দিৱ্যগন্ধানুলেপনম্।
সৰ্ৱাশ্চৰ্য্যময়ং দেৱমনন্তং ৱিশ্বতোমুখম ॥ ১১ ॥

"তেওঁ অনেক দিব্যমালা আৰু দিব্যবস্ত্ৰ ধাৰণ কৰি আছিল আৰু ইয়াত (এই ৰূপত) অনেক দিব্য সুগন্ধি দ্ৰব্য লগোৱা আছিল। এইদৰে তেওঁ সকলো প্ৰকাৰে আশ্চৰ্যময়, অনন্ত, সৰ্ব্বব্যাপী দেৱতা হৈ আছিল" ॥ ১১ ॥

দিৱি সূৰ্য্যসহস্ৰস্য ভৱেদ্ যুগপদুত্থিতা ।
যদি ভাঃ সদৃশী সা স্যাদ্ভাসস্তস্য মহাত্মনঃ ॥ ১২ ॥

"আকাশত হাজাৰ সূৰ্য্যৰ তেজ একেলগে প্ৰকাশিত হ'লে যেনে তেজ হয়, সেই তেজো এই মহাত্মাৰ তেজৰ আগত অকিঞ্চিৎকৰ আছিল" ॥ ১২ ॥

তত্ৰৈকস্থং জগৎ কৃৎস্নং প্ৰৱিভক্তমনেকধা ।
অপশ্যদ্দেৱদেৱস্য শৰীৰে পাণ্ডৱস্তদা ॥ ১৩ ॥

"এই দেবাদিদেৱৰ শৰীৰতেই পাণ্ডৱে অনেক প্ৰকাৰে ভাগ হোৱা সমস্ত জগত একৰূপতেই বিদ্যমান থকা দেখিলে" ॥ ১৩ ॥

ততঃ স ৱিস্ময়াৱিষ্টো হৃষ্টৰোমা ধনঞ্জয়ঃ ।
প্ৰণম্য শিৰসা দেৱং কৃতাঞ্জলিৰভাষত ॥ ১৪ ॥

"তাৰ পাছত আশ্চৰ্য্যত অভিভূত আৰু ৰোমাঞ্চিত হৈ ধনঞ্জয়ে নিজৰ শিৰ নত কৰিলে আৰু হাতযোৰ কৰি এইদৰে ক'বলৈ ধৰিলে" ॥ ১৪ ॥

অৰ্জ্জুন উবাচঃ

পশ্যামি দেৱাংস্তৱ দেৱ ! দেহে
সৰ্ব্বাংস্তথা ভূতৱিশেষসঙ্ঘান্ ।
ব্ৰহ্মাণমীশং কমলাসনস্থ-
মৃষীংশ্চ সৰ্ব্বানুৰগাংশ্চ দিৱ্যান্ ॥ ১৫ ॥

অৰ্জ্জুনে ক'লে—"হে দেৱ ! আপোনাৰ শৰীৰত মই দেৱতাসকলক, ভিন ভিন প্ৰকাৰৰ সকলো প্ৰাণীক, কমলাসনত বিৰাজমান ঈশ ব্ৰহ্মাক, ঋষি-সকলক,-সেইদৰেই দিব্য সৰ্পবিলাকক দেখিবলৈ পাইছোঁ" ॥ ১৫ ॥

অনেকবাহূদৰৱক্ত্ৰনেত্ৰং
পশ্যামি ত্বাং সৰ্ব্বতোঽনন্তৰূপম্
নান্তং ন মধ্যং ন পুনস্তৱাদিং
পশ্যামি ৱিশ্বেশ্বৰ ! ৱিশ্বৰূপম্ ! ॥ ১৬ ॥

"মই আপোনাৰ অসংখ্য হাত, উদৰ, মুখ, আৰু চকুৰ লগত অনন্তৰূপ দেখিবলৈ ধৰিছোঁ। আপোনাৰ অন্ত নাই, মধ্য নাই, আপোনাৰ আদিও নাই। হে বিশ্বেশ্বৰ, মই আপোনাৰ বিশ্বৰূপ দৰ্শন কৰি আছোঁ" ॥ ১৬ ॥

কিৰীটিনং গদিনং চক্ৰিণঞ্চ
তেজোৰাশিং সৰ্ব্বতো দীপ্তিমন্তম্ ।

পশ্যামি ত্বাং দুৰ্নিৰীক্ষ্যং সমন্তাদ্-
দীপ্তানলাৰ্কদ্যুতিমপ্ৰমেয়ম ॥ ১৭॥

"মুকুটধাৰী, গদাধাৰী, চক্ৰধাৰী, তেজপুঞ্জ, সৰ্ব্বত্ৰ দীপ্তিমান জ্যোতিসকল, লগতে চাব নোৱাৰা অসীম আৰু জ্বলি থকা অগ্নি নাইবা সূৰ্য্যসদৃশ সকলো দিকতেই জ্বলি থকা আপোনাৰ ৰূপ মই দেখিবলৈ পাইছোঁ" ॥ ১৭॥

ত্বমক্ষৰং পৰমং বেদিতব্যং ত্বমস্য বিশ্বস্য পৰং নিধানম্ ।
ত্বমব্যয়ঃ শাশ্বতধৰ্ম্মগোপ্তা
সনাতনস্ত্বং পুৰুষো মতো মে ॥ ১৮॥

"জানিবলগীয়া আপুনি পৰম অক্ষৰ ৰূপ, এই জগতৰ আপুনিয়েই অন্তিম আধাৰ, সনাতন ধৰ্ম্মৰ অবিনাশী ৰক্ষক আৰু সনাতন পুৰুষ বুলি মই মানিছোঁ" ॥ ১৮॥

অনাদিমধ্যান্তমনন্তবীৰ্য্যমনন্তবাহুং শশিসূৰ্য্যনেত্ৰম ।
পশ্যামি ত্বাং দীপ্তহুতাশবক্ত্ৰং
স্বতেজসা বিশ্বমিদং তপন্তম্ ॥ ১৯॥

"যাৰ আদি, মধ্য বা অন্ত নাই, যাৰ শক্তি অনন্ত, যাৰ অনন্ত বাহু, যাৰ নেত্ৰ সূৰ্য্য-চন্দ্ৰৰূপী যাৰ মুখ জ্বলি থকা অগ্নিৰ দৰে, আৰু যিজনে আপোনাৰ তেজতে এই জগতক তাপিত কৰি ৰাখিছে, আপোনাক মই সেই-দৰে দেখিছোঁ" ॥ ১৯॥

দ্যাবাপৃথিব্যোৰিদমন্তৰং হি
ব্যাপ্তং ত্বয়ৈকেন দিশশ্চ সৰ্ব্বাঃ ।
দৃষ্ট্বাদ্ভুতং ৰূপমুগ্ৰং তবেদং
লোকত্ৰয়ং প্ৰব্যথিতং মহাত্মন ! ॥ ২০॥

"আকাশ আৰু পৃথিৱীৰ মাজত আৰু সমস্ত দিকবিলাকতে কেৱল আপুনিয়েই ব্যাপ্ত হৈ আছে। হে মহাত্মন্ ! আপোনাৰ এই অদ্ভুত উগ্ৰ ৰূপ দেখি তিনিও লোকেই ভয়ত থৰ-থৰ কৰি কঁপিছে" ॥ ২০॥

অমী হি ত্বাং সুৰসঙ্ঘা বিশন্তি
কেচিদ্ভীতাঃ প্ৰাঞ্জলয়ো গৃণন্তি ।
স্বস্তীত্যুক্ত্বা মহৰ্ষিসিদ্ধসঙ্ঘাঃ
স্তুৱন্তি ত্বাং স্তুতিভিঃ পুষ্কলাভিঃ ॥ ২১॥

"দেৱতাসকলৰ সঙ্ঘ আপোনাতেই প্ৰৱেশ কৰি আছে। কিছুমানে ভয়তে আপোনাক স্তুতি কৰি আছে। মহৰ্ষি আৰু সিদ্ধসকলেও 'জগতৰ কল্যাণ হওক' এইদৰে কৈ আপোনাৰ স্তুতি কৰি আছে বা যশ-গান গাব লাগিছে" ॥ ২১ ॥

ৰুদ্ৰাদিত্যা ৱসৱো যে চ সাধ্যা
বিশ্বেঽশ্বিনৌ মৰুতশ্চোষ্মপাশ্চ।
গন্ধৰ্ব্বযক্ষাসুৰসিদ্ধসঙ্ঘা
ৱীক্ষন্তে ত্বাং বিস্মিতাশ্চৈৱ সৰ্ব্বে ॥২২॥

"ৰুদ্ৰ, আদিত্য, বসু, সাধ্যগণ, বিশ্বদেৱ, অশ্বিনীকুমাৰ, মৰুত, উষ্ণপায়ী পিতৃসকল, গন্ধৰ্ব্ব, যক্ষ, অসুৰ আৰু সিদ্ধসকলৰ সঙ্ঘ এই সকলোৱেই বিস্মিত হৈ আপোনালৈ চাই আছে" ॥ ২২ ॥

ৰূপং মহৎ তে বহুৱক্ত্ৰনেত্ৰং মহাবাহো! বহুবাহূৰুপাদম্।
বহূদৰং বহুদংষ্ট্ৰাকৰালং
দৃষ্ট্বা লোকাঃ প্ৰৱ্যথিতাস্তথাহম্ ॥ ২৩॥

"হে মহাবাহু, বহুত মুখ আৰু চকু থকা, অনেক হাত, উৰু আৰু ভৰি থকা, অনেক পেট থকা আৰু অনেক দাঁত থকা কাৰণে বিকট বিশাল ৰূপ দেখি লোকবিলাক ব্যাকুল হৈ পৰিছে। ময়ো সেইদৰেই ব্যাকুল হৈছোঁ" ॥২৩॥

নভঃস্পৃশং দীপ্তমনেকৱৰ্ণং ব্যাত্তাননং দীপ্তৱিশালনেত্ৰম্।
দৃষ্ট্বা হি ত্বাং প্ৰৱ্যথিতান্তৰাত্মা
ধৃতিং ন ৱিন্দামি শমঞ্চ ৱিষ্ণো! ॥২৪॥

"আকাশ-স্পৰ্শী, দীপ্তিমন্ত, অনেক বৰ্ণযুক্ত আৰু মেলি থকা মুখেৰে আৰু বিশাল তেজস্বী নেত্ৰৰে আপোনাক দেখা পাই, হে বিষ্ণু! মোৰ হৃদয় ব্যাকুল হৈ উঠিছে আৰু মোৰ ধৈৰ্য্য বা শান্তি নোহোৱা হৈছে" ॥২৪॥

দংষ্ট্ৰাকৰালানি চ তে মুখানি দৃষ্ট্বৈৱ কালানলসন্নিভানি।
দিশো ন জানে ন লভে চ শৰ্ম্ম
প্ৰসীদ দেৱেশ! জগন্নিৱাস! ॥ ২৫ ॥

"প্ৰলয় কালৰ অগ্নিৰ দৰে সমান, বিকট দাঁত বিলাকেৰে আপোনাৰ মুখ দেখি মোৰ দিক্-ভ্ৰম হৈছে আৰু শান্তি নোপোৱা হৈছোঁ। হে দেৱেশ! হে জগন্নিবাস, আপুনি প্ৰসন্ন হওক" ॥ ২৫ ॥

অমী চ ত্বাং ধৃতৰাষ্ট্ৰস্য পুত্ৰাঃ
সৰ্বে সহৈৱাৱনিপালসঙ্ঘৈঃ ।
ভীষ্মো দ্ৰোণঃ সূতপুত্ৰস্তথাসৌ
সহাস্মদীয়ৈৰপি যোধমুখ্যৈঃ ॥ ২৬ ॥
ৱক্ত্ৰাণি তে ত্বৰমাণা ৱিশন্তি
দংষ্ট্ৰাকৰালানি ভয়ানকানি !
কেচিদ্ ৱিলগ্না দশনান্তৰেষু
সংদৃশ্যন্তে চূৰ্ণিতৈৰুত্তমাঙ্গৈঃ ॥ ২৭ ॥

"সকলো ৰজাবিলাকৰ সমষ্টি সহিতে ধৃতৰাষ্ট্ৰৰ এই পুত্ৰসকল, ভীষ্ম, দ্ৰোণাচাৰ্য্য, সূতপুত্ৰ-কৰ্ণ আৰু আমাৰ মুখ্য যোদ্ধাসকল আপোনাৰ বিকট দাঁতযুক্ত ভয়ানক মুখত বেগেৰে সোমাই গৈ আছে। অনেকৰ মূৰ চূৰ্ণীকৃত হৈ আপোনাৰ দাঁতৰ মাজত লাগি থকা মই দেখা পাইছোঁ" ॥ ২৬-২৭ ॥

যথা নদীনাং বহৱোঽম্বুৱেগাঃ
সমুদ্ৰমেৱাভিমুখা দ্ৰৱন্তি ।
তথা তৱামী নৰলোকৱীৰা
ৱিশন্তি ৱক্ত্ৰাণ্যভিৱিজ্বলন্তি ॥ ২৮ ॥

"যেনেকৈ নদীৰ কোবাল সোঁতত পানীবিলাক সমুদ্ৰৰ ফালে বেগেৰে বৈ যায় সেইদৰে আপোনাৰ প্ৰজ্বলিত মুখত এই লোক-নায়ক সকল প্ৰৱেশ কৰিব লাগিছে" ॥ ২৮ ॥

যথা প্ৰদীপ্তং জ্বলনং পতঙ্গা ৱিশন্তি নাশায় সমৃদ্ধৱেগাঃ ।
তথৈৱ নাশায় ৱিশন্তি লোকা-
স্তৱাপি ৱক্ত্ৰাণি সমৃদ্ধৱেগাঃ ॥ ২৯ ॥

"যেনেকৈ পতঙ্গবিলাক নিজৰ নাশৰ কাৰণে বৰ বেগেৰে জ্বলি থকা জুইত পৰেগৈ সেইদৰে আপোনাৰ মুখতেই সকলো লোক বৰ বেগেৰে গৈ সোমাইছে" ॥ ২৯ ॥

লেলিহ্যসে গ্ৰসমানঃ সমন্তা-
ল্লোকান্ সমগ্ৰান্ ৱদনৈৰ্জ্বলদ্ভিঃ ।
তেজোভিৰাপূৰ্য্য জগৎ সমগ্ৰং
ভাসস্তৱোগ্ৰাঃ প্ৰতপন্তি ৱিষ্ণো ! ॥ ৩০ ॥

"সকলোলোককে চাৰিওফালৰ পৰা উলিয়াই আনি আপুনি আপোনাৰ জ্বলি থকা মুখেৰে চেলেকি আছে। অৰ্থাৎ আপুনি যেন সকলোলোককে গ্ৰাস কৰিবলৈ উদ্যত হৈ কোঁৱাৰি চেলেকি আছে। হে সৰ্ব্বব্যাপী বিষ্ণু! আপোনাৰ উগ্ৰমূৰ্ত্তিয়ে সমস্ত জগতকেই তেজেৰে পূৰ্ণ কৰি আছে আৰু তাপিত কৰিছে" ॥ ৩০ ॥

আখ্যাহি মে কো ভৱানুগ্ৰৰূপো
নমোঽস্তু তে দেৱৱৰ! প্ৰসীদ।
ৱিজ্ঞাতুমিচ্ছামি ভৱন্তমাদ্যং
ন হি প্ৰজানামি তৱ প্ৰৱৃত্তিম্ ॥ ৩১ ॥

"উগ্ৰৰূপী আপুনি কোন মোক কওক। হে দেৱবৰ! আপুনি প্ৰসন্ন হওক। আপুনি যে আদি কাৰণ সেইটো জানিবলৈ বিচাৰিছোঁ। আপোনাৰ স্বৰূপ মই নাজানো" ॥ ৩১ ॥

শ্ৰীভগৱানুবাচ :—

কালোঽস্মি লোকক্ষয়কৃৎ প্ৰৱৃদ্ধো
লোকান্ সমাহৰ্ত্তুমিহ প্ৰৱৃত্তঃ।
ঋতেঽপি ত্বাং ন ভৱিষ্যন্তি সৰ্বে
যেঽৱস্থিতাঃ প্ৰত্যনীকেষু যোধাঃ ॥ ৩২ ॥

শ্ৰীভগবানে ক'লে –"সংসাৰৰ নাশকাৰী অতি ভীষণ কাল মই। সংসাৰ নাশ কৰিবলৈ ইয়ালৈ আহিছোঁ। দুয়োপক্ষৰ ভিতৰত যিবিলাক যোদ্ধা আহিছে, তাৰ ভিতৰত কোনোৱে তোমাৰ লগত যুদ্ধ নকৰিলেও জীয়াই নাথাকে" ॥ ৩২ ॥

তস্মাৎ ত্বমুত্তিষ্ঠ যশো লভস্ব
জিত্বা শত্ৰূন্ ভুঙ্ক্ষ্বৰাজ্যং সমৃদ্ধম্।
ময়ৈৱৈতে নিহতাঃ পূৰ্বমেৱ
নিমিত্তমাত্ৰং ভৱ সৱ্যসাচিন্! ॥ ৩৩ ॥

"সেই কাৰণে তুমি উঠা, থিয় হোৱা, কীৰ্ত্তি লাভ কৰা। শত্ৰুক জয় কৰি সমৃদ্ধিৰে পৰিপূৰ্ণ ৰাজ্য ভোগ কৰা। মই এই সকলক আগেয়েই মাৰি থৈছোঁ। হে সব্যসাচী! তুমি এতিয়া কেৱল নিমিত্ত মাত্ৰ হোৱা" ॥ ৩৩ ॥

দ্ৰোণঞ্চ ভীষ্মঞ্চ জয়দ্ৰথঞ্চ
কৰ্ণং তথান্যানপি যোধৱীৰান্।

ময়া হতাংস্ত্বং জহি মা ব্যথিষ্ঠা
যুধ্যস্ব জেতাসি ৰণে সপত্নান্ ॥ ৩৪ ॥

"দ্ৰোণ, ভীষ্ম, জয়দ্ৰথ, কৰ্ণ আৰু অন্যান্য যুদ্ধ*কসকলক মই মাৰি শেষ কৰিছোঁ। তেওঁলোকক তুমিও মাৰা, ভয় নকৰিবা, যুঁজ কৰা, শত্ৰুক ৰণত তুমি পৰাজয় কৰিবই লাগে" ॥ ৩৪ ॥

সঞ্জয় উবাচঃ-

এতচ্ছ্ৰুত্বা বচনং কেশৱস্য কৃতাঞ্জলিৰ্বেপমানঃ কিৰীটী
নমস্কৃত্বা ভূয় এৱাহ কৃষ্ণং
সগদগদং ভীতভীতঃ প্ৰণম্য ॥ ৩৫ ॥

সঞ্জয়ে ক'লে,—"কেশৱৰ এই বচন শুনি মুকুটধাৰী অৰ্জ্জুনে হাতযোৰ কৰি কঁপি কঁপি, বাৰম্বাৰ নমস্কাৰ কৰি ভয়ে ভয়ে শ্ৰীকৃষ্ণক গদ্ গদ্ কণ্ঠে এইদৰে ক'লে" ॥ ৩৫ ॥

অৰ্জ্জুন উবাচঃ—

স্থানে হৃষীকেশ! তব প্ৰকীৰ্ত্ত্যা
জগৎ প্ৰহৃষ্যত্যনুৰজ্যতে চ।
ৰক্ষাংসি ভীতানি দিশো দ্ৰৱন্তি
সৰ্ৱে নমস্যন্তি চ সিদ্ধসঙ্ঘাঃ ॥ ৩৬ ॥

অৰ্জ্জুনে ক'লে—"হে হৃষীকেশ! আপোনাৰ মাহাত্ম্য কীৰ্ত্তন কৰি জগতৰ যি হৰ্ষ হয় আৰু আপোনাৰ কাৰণে যি অনুৰাগ উৎপন্ন হয় ই যুক্তি-যুক্তই। ভয়ভীত হৈ ৰাক্ষসবিলাক ইফালে সিফালে পলাইছে আৰু সিদ্ধসকলে আপোনাক নমস্কাৰ কৰিছে" ॥ ৩৬ ॥

কস্মাচ্চ তে ন নমেৰন্ মহাত্মন্!
গৰীয়সে ব্ৰহ্মণোহপ্যাদিকৰ্ত্ত্ৰে।
অনন্ত! দেৱেশ! জগন্নিৱাস!
ত্বমক্ষৰং সদসৎ তৎ পৰং যৎ ॥৩৭॥

"হে মহাত্মন! এইসকলে কিয় আপোনাক নমস্কাৰ নকৰিব? আপুনি ব্ৰহ্মাতকৈও ডাঙৰ আদি-কৰ্ত্তা। হে দেৱেশ! হে অনন্ত! হে জগন্নিবাস! আপুনি অক্ষৰ সৎ, অসৎ আৰু ইয়াতকৈও যি পৰম বস্তু, আপুনি সেইজন" ॥৩৭॥

ত্বমাদিদেৱঃ পুৰুষঃ পুৰাণস্ত্বমস্য বিশ্বস্য পৰং নিধানম্।
ৱেত্তাসি ৱেদ্যঞ্চ পৰঞ্চ ধাম
ত্বয়া ততং বিশ্বমনন্তৰূপ! ॥৩৮॥

"আপুনি আদি দেৱ, আপুনি চিৰন্তন পুৰুষ, এই বিশ্বৰ আপুনিয়েই আশ্ৰয়ৰ স্থল। আপুনি সকলোকে জানে আৰু আপুনিয়েই জানিবলগীয়া বস্তু। আপুনি পৰমধাম। হে অনন্ত ৰূপ! আপুনি এই জগতত ব্যাপ্ত হৈ আছে" ॥৩৮॥

ৱায়ুর্যমোঽগ্নির্ৱৰুণঃ শশাঙ্কঃ
প্রজাপতিস্ত্বং প্রপিতামহশ্চ।
নমো নমস্তেঽস্তু সহস্রকৃত্বঃ
পুনশ্চ ভূয়োঽপি নমো নমস্তে ॥৩৯॥

"বায়ু, যম, অগ্নি, বৰুণ, চন্দ্ৰ, প্ৰজাপতি, প্ৰপিতামহ আপুনিয়েই, আপোনাক সহস্ৰবাৰ নমস্কাৰ কৰোঁ; আকৌ পুনঃ পুনঃ নমস্কাৰ কৰোঁ ॥৩৯॥

নমঃ পুৰস্তাদথ পৃষ্ঠতস্তে
নমোঽস্তু তে সর্ৱত এৱ সর্ৱ!
অনন্তৱীর্য্যামিতৱিক্রমস্ত্বং
সর্ৱং সমাপ্নোষি ততোঽসি সর্ৱঃ ॥৪০॥

"হে সৰ্ব্ব! আপোনাৰ আগে, পিছে চাৰিওফালে নমস্কাৰ। আপোনাৰ বীর্য্য অনন্ত, আপোনাৰ শক্তি অপাৰ, সকলোকে আপুনিয়েই ধাৰণ কৰে, সেই কাৰণে আপুনিয়েই সকলো" ॥৪০॥

সখেতি মত্বা প্রসভং যদুক্তং
হে কৃষ্ণ! হে যাদৱ! হে সখেতি।
অজানতা মহিমানং তৱেদং
ময়া প্রমাদাৎ প্রণয়েন ৱাপি ॥৪১॥

যচ্চাৱহাসার্থমসৎকৃতোঽসি
ৱিহাৰশয্যাসনভোজনেষু।
একোঽথৱাপ্যচ্যুত! তৎসমক্ষং
তৎ ক্ষাময়ে ত্বামহমপ্রমেয়ম্ ॥৪২॥

"আপোনাক মিত্ৰ জ্ঞান কৰি, আপোনাৰ এই মহিমা নাজানি, হে কৃষ্ণ! হে যাদৱ। হে সখা! ইত্যাদি প্ৰকাৰে সম্বোধন কৰি ভুলত মোৰ যি দোষ হৈছিল, আৰু আমোদত, খেলা কৰোঁতে, বহোঁতে, শোওঁতে নাইবা খাওঁতে অৰ্থাৎ আপোনাৰ লগত থাকোতে যি অপমান কৰিছোঁ তাক ক্ষমা কৰিবৰ কাৰণে মই আপোনাক প্ৰাৰ্থনা কৰোঁ" ॥৪১-৪২॥

পিতাসি লোকস্য চৰাচৰস্য ত্বমস্য পূজ্যশ্চ গুৰুৰ্গৰীয়ান্ ।
ন ত্বৎসমোঽস্ত্যভ্যধিকঃ কুতোঽন্যো
লোকত্ৰয়েঽপ্যপ্ৰতিকপ্ৰভাৱঃ ॥ ॥৪৩॥

"স্থাবৰ-জঙ্গমৰ পিতা আপুনি। আপুনি সেইবিলাকৰ পূজ্য আৰু শ্ৰেষ্ঠ গুৰু। ত্ৰিলোকত আপোনাৰ সমান কোনোৱেই নাই। তেন্তে আপোনাতকৈ অধিক কেনেকৈ হ'ব পাৰে" ॥৪৩॥

তস্মাৎ প্ৰণম্য প্ৰণিধায় কায়ং
প্ৰসাদয়ে ত্বামহমীশমীড্যম্ ।
পিতেৱ পুত্ৰস্য সখেৱ সখ্যুঃ
প্ৰিয়ঃ প্ৰিয়ায়ার্হসি দেৱ ! সোঢ়ুম্ ॥৪৪॥

"সেই কাৰণে আপুনি পূজ্য ঈশ্বৰ, প্ৰসন্ন হবলৈ মই আপোনাক সাষ্টাঙ্গে প্ৰণিপাত কৰি নমস্কাৰ কৰোঁ। হে দেৱ ! যিদৰে পিতাই পুত্ৰক, সখাই সখাক ক্ষমা কৰে, সেইদৰে আপুনি মোৰ প্ৰিয় হোৱাৰ গতিকে মোৰ কল্যাণৰ কাৰণে মোক ক্ষমা কৰিব লাগে" ॥৪৪॥

অদৃষ্টপূৰ্ব্বং হৃষিতোঽস্মি দৃষ্ট্বা
ভয়েন চ প্ৰব্যথিতং মনো মে ।
তদেৱ মে দৰ্শয় দেৱ ! ৰূপং
প্ৰসীদ দেৱেশ ! জগন্নিৱাস ! ॥৪৫॥

"আগেয়ে নেদেখা আপোনাৰ এই ৰূপ দেখি মোৰ নোমবোৰ থিয় হৈ উঠিছে আৰু ভয়তে মোৰ মন ব্যাকুল হৈছে। সেই কাৰণে হে দেৱ ! আপোনাৰ পূৰ্ব্বৰ ৰূপ মোক দেখুৱাওক। হে দেৱেশ ! হে জগন্নিবাস ! আপুনি প্ৰসন্ন হওক" ॥৪৫॥

কিৰীটিনং গদিনং চক্ৰহস্ত-
মিচ্ছামি ত্বাং দ্ৰষ্টুমহং তথৈৱ ।
তেনৈৱ ৰূপেণ চতুৰ্ভুজেন
সহস্ৰবাহো ! ভৱ বিশ্বমূৰ্ত্তে ! ॥৪৬॥

"পূৰ্ব্বৰ দৰে আপোনাৰ মুকুট, গদা চক্ৰধাৰী ৰূপ দৰ্শন কৰিবলৈ মন গৈছে। হে সহস্ৰবাহো ! হে বিশ্বমূৰ্ত্তি ! আপুনি চতুৰ্ভুৰ্জ ৰূপ ধৰক" ॥৪৬॥

শ্ৰীভগবানুবাচ :—

ময়া প্ৰসন্নেন তৱাৰ্জ্জুনেদং ৰূপং পৰং দৰ্শিতমাত্মযোগাৎ ।
তেজোময়ং ৱিশ্বমনন্তমাদ্যং
যন্মে ত্বদন্যেন ন দৃষ্টপূৰ্ব্বম্ ॥৪৭॥

ভগবানে ক'লে—"হে অৰ্জ্জুন ! তোমাৰ ওপৰত সন্তুষ্ট হৈ মই নিজৰ শক্তিৰ দ্বাৰা মোৰ নিজৰ তেজোময়, বিশ্বব্যাপী, অনন্ত, পৰম আদিৰূপ দেখুৱালোঁ । এই ৰূপ তোমাৰ বাহিৰে ইতিপূৰ্ব্বে আনে দেখা নাই" ॥৪৭॥

ন ৱেদযজ্ঞাধ্যয়নৈন দানৈ-
ৰ্ন চ ক্ৰিয়াভিৰ্ন তপোভিৰুগ্ৰৈঃ ।
এৱংৰূপঃ শক্য অহং নৃলোকে
দ্ৰষ্টুং ত্বদন্যেন কুৰুপ্ৰৱীৰ ! ॥৪৮॥

"হে কুৰুপ্ৰৱৰ ! বেদাভ্যাস, যজ্ঞ, আন শাস্ত্ৰ অধ্যয়ন, দান নানা ক্ৰিয়া নাইবা উগ্ৰ তপৰ দ্বাৰা তোমাৰ বাহিৰে আন কোনোৱে মোৰ এই ৰূপ দেখা নাই" ॥৪৮॥

মা তে ৱ্যথা মা চ ৱিমূঢ়ভাৱো
দৃষ্ট্বা ৰূপং ঘোৰমীদৃঙ্মমেদম্ ।
ৱ্যপেতভীঃ প্ৰীতমনাঃ পুনস্তং
তদেৱ মে ৰূপমিদং প্ৰপশ্য ॥ ৪৯ ॥

"মোৰ এই বিকট ৰূপ দেখি তুমি বিবুদ্ধি নহবা । ভয় এৰি শান্ত-চিত্ত হোৱা আৰু মোৰ পূৰ্ব্ব-পৰিচিত ৰূপ (তোমাৰ প্ৰাৰ্থনা অনুযায়ী) আকৌ দৰ্শন কৰা" ॥ ৪৯ ॥

সঞ্জয় উবাচ :—

ইত্যৰ্জ্জুনং ৱাসুদেৱস্তথোক্ত্বা
স্বকং ৰূপং দৰ্শয়ামাস ভূয়ঃ ।
আশ্বাসয়ামাস চ ভীতমেনং
ভূত্বা পুনঃ সৌম্যৱপুৰ্মহাত্মা ॥ ৫০ ॥

সঞ্জয়ে ক'লে —"এইদৰে বাসুদেৱে অৰ্জ্জুনক কৈ আকৌ নিজ-ৰূপ দেখুৱালে । পুনৰ শান্তমূৰ্ত্তি ধাৰণ কৰি ভীত হোৱা অৰ্জ্জুনক সেই মহাত্মাই আশ্বাস দিলে" ॥ ৫০ ॥

অৰ্জ্জুন উবাচ :—

দৃষ্ট্বেদং মানুষং ৰূপং তৱ সৌম্যং জনাৰ্দ্দন !!
ইদানীমস্মি সংবৃত্তঃ সচেতাঃ প্ৰকৃতিং গতঃ ॥ ৫১ ॥

অৰ্জ্জুনে ক'লে—"হে জনাৰ্দ্দন ! আপোনাৰ এই সৌম্য মনুষ্য ৰূপ দেখি মই এতিয়া শান্ত আৰু প্ৰকৃতিস্থ হৈছোঁ" ॥ ৫১ ॥

শ্ৰীভগবানুবাচ ঃ—

সুদুৰ্দ্দৰ্শমিদং ৰূপং দৃষ্টৱানসি যন্মম ।
দেৱা অপ্যস্য ৰূপস্য নিত্যং দৰ্শনকাঙ্ক্ষিণঃ ॥ ৫২ ॥

ভগবানে ক'লে-- "মোৰ যি ৰূপ দেখিলা, এনে দৰ্শন কৰা বৰ দুৰ্লভ । দেৱতাসকলেও মোৰ তেনেৰূপ দৰ্শন কৰিবলৈ অভিলাষ কৰে" ॥ ৫২ ॥

নাহং ৱেদৈৰ্ন তপসা ন দানেন ন চেজ্যয়া ।
শক্য এৱং ৱিধো দ্ৰষ্টুং দৃষ্টৱানসি মাং যথা ॥ ৫৩ ॥

"তুমি মোক যেনেভাবে দৰ্শন কৰিলা, বেদপাঠ, তপ, দান যজ্ঞৰ দ্বাৰা তেনে দৰ্শন পোৱা সম্ভৱ নহয়" ॥ ৫৩ ॥

ভক্ত্যা ত্বনন্যয়া শক্যঃ অহমেৱংৱিধোঽৰ্জ্জুন ! ।
জ্ঞাতুং দ্ৰষ্টুঞ্চ তত্ত্বেন প্ৰৱেষ্টুঞ্চ পৰন্তপ ! ॥ ৫৪ ॥

"পৰন্তু হে অৰ্জ্জুন ! হে পৰন্তপ ! মোৰ সম্বন্ধে এনে জ্ঞান, মোক এনে ভাবে দৰ্শন আৰু বাস্তৱিক ভাবে মোত প্ৰৱেশ কেৱল ভক্তিৰ পৰাহে হ'ব পাৰে" ॥ ৫৪ ॥

মৎ কৰ্ম্মকৃন্মৎপৰমো মদ্ভক্তঃ সঙ্গৱৰ্জ্জিতঃ ।
নিৰ্ৱৈৰঃ সৰ্ৱভূতেষু যঃ স মামেতি পাণ্ডৱ ! ॥ ৫৫ ॥

"হে পাণ্ডৱ ! যিজনে সকলো কৰ্ম্ম মোতেই অৰ্পণ কৰে, মোত পৰায়ণ হয়, মোৰ ভক্ত হয়, আসক্তি ত্যাগ কৰে আৰু প্ৰাণীমাত্ৰৰে প্ৰতি দ্বেষৰহিত হৈ থাকে তেওঁ মোক পায়" ॥ ৫৫ ॥

ওঁ তৎ সৎ ।

এইদৰে শ্ৰীমদ্ভাগৱতগীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ শাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ বিশ্ব ৰূপ দৰ্শন যোগ নামৰ ১১শ অধ্যায় সমাপ্ত হ'ল ।

## দ্বাদশ অধ্যায়
## ভক্তিযোগ

পুৰুষোত্তমৰ দৰ্শন অনন্য ভক্তিৰ দ্বাৰাইহে হব পাৰে ; ভগবানৰ উপৰুক্ত বচনৰ পিছত ভক্তিৰ স্বৰূপ আমাৰ আগলৈ আহিব লাগে। এই দ্বাদশ অধ্যায় সকলোৱে বুজি লোৱা উচিত। এইটো এটা সৰু অধ্যায়। ইয়াত দিয়া ভক্তৰ লক্ষণ সদায় চিন্তা কৰিবলগীয়া।

অৰ্জ্জুন উবাচ :—

এবং সততযুক্তা যে ভক্তাস্ত্বাং পৰ্য্যুপাসতে।
যে চাপ্যক্ষৰমব্যক্তং তেষাং কে যোগবিত্তমাঃ ? ॥ ১ ॥

অৰ্জ্জুনে ক'লে—"এইদৰে যি ভক্তই আপোনাক সদায় ধ্যান কৰি আপোনাৰ উপাসনা কৰে আৰু যিজনে আপোনাৰ অবিনাশী অব্যক্ত স্বৰূপক ধ্যান কৰে, এওঁলোকৰ ভিতৰত কোন জন যোগী শ্ৰেষ্ঠ বুলি জানিব পাৰি ?" ॥১॥

শ্ৰীভগবানুবাচ : -

ময্যাবেশ্য মনো যে মাং নিত্যযুক্তা উপাসতে।
শ্ৰদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ ॥ ২ ॥

শ্ৰীভগবানে ক'লে—"সদায় ধ্যান কৰি, মোতেই মন লগাই যি জনে শ্ৰদ্ধা সহকাৰে মোক উপাসনা কৰে তেওঁকেই মই শ্ৰেষ্ঠ যোগী বুলি ধৰোঁ।" ॥ ২ ॥

যে ত্বক্ষৰমনিৰ্দ্দেশ্যমব্যক্তং পৰ্য্যুপাসতে।
সৰ্ব্বত্ৰগমচিন্ত্যঞ্চ কূটস্থমচলং ধ্ৰুবম্ ॥ ৩ ॥
সংনিয়ম্যেন্দ্ৰিয়গ্ৰামং সৰ্ব্বত্ৰসমবুদ্ধয়ঃ।
তে প্ৰাপ্নুৱন্তি মামেৱ সৰ্ব্বভূতহিতে ৰতাঃ ॥ ৪ ॥

"সকলো ইন্দ্ৰিয়কে বশ কৰি, সকলোকে সমান জ্ঞান কৰি যিজন দৃঢ়, অচল, ধীৰ, অচিন্ত্য, সৰ্ব্বব্যাপী অব্যক্ত, অবৰ্ণনীয় অবিনাশী স্বৰূপক উপাসনা কৰে আৰু সকলো প্ৰাণীৰে হিত সাধনত ৰত থাকে তেৱেঁই মোক পায়" ॥ ৩ ॥ ৪ ॥

ক্লেশোঽধিকতৰস্তেষামব্যক্তাসক্তচেতসাম্।
অব্যক্তা হি গতিৰ্দুঃখং দেহৱদ্ভিৰৱাপ্যতে ॥ ৫ ॥

"যাৰ চিত্ত অব্যক্তত আসক্ত হৈছে, তেওঁৰ অধিক কষ্ট হয়। দেহধাৰী-লোকে অব্যক্তৰ গতি কষ্টেৰেহে পাব পাৰে" ॥ ৫ ॥

টিপ্পনী : –

দেহধাৰী লোকে মূৰ্ত্তিশূন্য স্বৰূপক কেৱল কল্পনাহে কৰিব পাৰে। কিয়নো এই অমূৰ্ত্ত স্বৰূপৰ বৰ্ণনাৰ কাৰণে তেওঁৰ কোনো নিশ্চয়াত্মক শব্দ নাই ; সেই কাৰণে তেওঁ নিষেধাৰ্থক 'নেতি' (এইটো নহয়, এইটো নহয়,) শব্দৰ দ্বাৰা সন্তুষ্ট হ'বলৈ বাধ্য। সেই কাৰণে মূৰ্ত্তিপূজা নিষেধকাৰী সকলেও চালে মূৰ্ত্তিপূজকেই বুলি ক'ব পাৰি। পুস্তক পূজা কৰা, মন্দিৰলৈ গৈ পূজা কৰা, একেপিনে মুখ কৰি পূজা কৰা এই আটাইবিলাক সাকাৰ পূজাৰ লক্ষণ। তথাপি এই সাকাৰৰ সিপাৰেই নিৰাকাৰ অচিন্ত্যৰূপ আছে ইমানখিনি সকলোৱে বুজি ললেহে নিস্তাৰ পাব। ভক্তিৰ পৰাকাষ্ঠা এই যে ভক্ত ভগৱানত বিলীন হৈ যায় আৰু শেষত এক অদ্বিতীয়, অৰূপ ভগৱানেই থাকেগৈ। এই অৱস্থা সাকাৰৰ দ্বাৰা লাভ হব পাৰে। এইকাৰণে নিৰাকাৰক পোনে পোনে পোৱাটো কষ্টসাধ্য বুলি কোৱা হৈছে।

যে তু সৰ্ব্বাণি কৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰাঃ।
অনন্যেনৈৱ যোগেন মাং ধ্যায়ন্ত উপাসতে ॥ ৬ ॥
তেষামহং সমুদ্ধৰ্ত্তা মৃত্যুসংসাৰসাগৰাৎ।
ভৱামি ন চিৰাৎ পাৰ্থ! ময্যাৱেশিতচেতসাম্ ॥ ৭ ॥

"কিন্তু হে পাৰ্থ! যি লোকে মোতে পৰায়ণ থাকি, মোতেই সকলো কৰ্ম্ম সমৰ্পণ কৰি একনিষ্ঠাৰে মোক ধ্যান কৰি মোৰ উপাসনা কৰে আৰু যাৰ চিত্ত মোত লাগি আছে তেনেলোকক মই মৃত্যুৰূপী সংসাৰ সাগৰৰপৰা তৎক্ষণাৎ পাৰ কৰি নিওঁ" ॥ ৬ ॥ ৭ ॥

ময্যেৱ মন আধৎস্ব ময়ি বুদ্ধিং নিৱেশয়।
নিৱসিষ্যসি ময্যেৱ অত ঊৰ্দ্ধং ন সংশয়ঃ ॥ ৮ ॥

"তোমাৰ মন মোতে লগোৱা, তোমাৰ বুদ্ধি মোতে থাপনা কৰা। ইয়াৰ দ্বাৰা ইহজন্মৰ পিছত নিঃসংশয়ে তুমি মোক পাবা"। ৮ ॥

অথ চিত্তং সমধাতুং ন শক্নোষি ময়ি স্থিৰম্!
অভ্যাসযোগেন ততো মামিচ্ছাপ্তুং ধনঞ্জয়! ॥ ৯ ॥

"যদি তুমি সেইদৰে নিজৰ মন স্থিৰ কৰিবলৈ অসমৰ্থ, তেন্তে অভ্যাস যোগৰ দ্বাৰা মোক পাবলৈ চেষ্টা কৰা" ॥ ৯ ॥

অভ্যাসেঽপ্যসমর্থোঽসি মৎকৰ্ম্মপৰমো ভৱ ।
মদৰ্থমপি কৰ্ম্মাণি কুৰ্ৱন্ সিদ্ধিমৱাপ্স্যসি ॥ ১০ ॥

"যদি এনেদৰে অভ্যাস কৰিবলৈকো অসমৰ্থ হোৱা তেন্তে কৰ্ম্ম মাত্ৰকেই মোত অৰ্পণ কৰা ; আৰু এইদৰে কাম কৰি থাকিলেও মোক পাবা" ॥ ১০ ॥

অথৈতদপ্যশক্তোঽসি কৰ্ত্তুং মদ্‌যোগমাশ্ৰিতঃ ।
সৰ্ৱকৰ্ম্মফলত্যাগং ততঃ কুৰু যতাত্মৱান্ ॥ ১১ ॥

"মোৰ নিমিত্তে কৰ্ম্ম কৰিবলৈকো যদি তোমাৰ শক্তি নাথাকে, তেন্তে যত্নবান হৈ সকলো কৰ্ম্মৰ ফলত্যাগ কৰা" ॥ ১১ ॥

শ্ৰেয়ো হি জ্ঞানমভ্যাসাজ্ জ্ঞানাদ্ধ্যানং ৱিশিষ্যতে ।
ধ্যানাৎ কৰ্ম্মফলত্যাগস্ত্যাগাচ্ছান্তিৰনন্তৰম্ ॥ ১২ ॥

"অভ্যাস মাৰ্গতকৈও জ্ঞান-মাৰ্গ শ্ৰেয়ঃ । জ্ঞান মাৰ্গতকৈও ধ্যান মাৰ্গ বিশিষ্ট, আৰু ধ্যান মাৰ্গতকৈও কৰ্ম্মফলত্যাগ শ্ৰেয়ঃ, কিয়নো এই ত্যাগৰ অন্তত শীঘ্ৰে শান্তি পায়" ॥ ১২ ॥

টিপ্পনী :—

অভ্যাস অৰ্থাৎ চিত্তৰ বৃত্তিবিলাক নিৰোধ কৰা সাধনা । জ্ঞান অৰ্থে শ্ৰৱণ, মননাদি ; ধ্যান মানে উপাসনা । এই বিলাকৰ ফলস্বৰূপ যদি কৰ্ম্মফল ত্যাগ লাভ নহয়, তেন্তে অভ্যাস অভ্যাসেই নহয়, জ্ঞানো জ্ঞান নহয় আৰু ধ্যানো ধ্যান নহয় ।

অদ্বেষ্টা সৰ্ৱভূতানাং মৈত্ৰঃ কৰুণ এৱ চ ।
নিৰ্ম্মমো নিৰহঙ্কাৰঃ সমদুঃখসুখঃ ক্ষমী ॥ ১৩ ॥
সন্তুষ্টঃ সততং যোগী যতাত্মা দৃঢ়নিশ্চয়ঃ ।
ময্যৰ্পিতমনোবুদ্ধিৰ্যো মদ্ভক্তঃ স মে প্ৰিয়ঃ ॥ ১৪ ॥

"যি লোকে প্ৰাণী মাত্ৰৰেই প্ৰতি দ্বেষৰহিত, সকলোৰে মিত্ৰ, দয়াবান, মমতাৰহিত, অহঙ্কাৰ ৰহিত, সুখ-দুঃখৰ সমভাবী, ক্ষমাবান, সদা সন্তোষী, যোগযুক্ত ইন্দ্ৰিয় নিগ্ৰহী আৰু দৃঢ়নিশ্চয় আৰু যি জনে মোত বুদ্ধি আৰু মন অৰ্পণ কৰি দিছে সেই ভক্তই মোৰ প্ৰিয়" ॥ ১৩ ॥ ১৪ ॥

যস্মান্নোদ্বিজতে লোকো লোকান্নোদ্বিজতে চ যঃ ।
হৰ্ষামৰ্ষভয়োদ্বেগৈৰ্মুক্তো যঃ স চ মে প্ৰিয়ঃ ॥১৫॥

"যাৰপৰা মানুহৰ উদ্বেগ নহয়, যি আন লোকৰপৰা উদ্বেগ পাব নোৱাৰে, যিলোক হৰ্ষ, ক্ৰোধ, ঈৰ্ষা, ভয়, উদ্বেগৰপৰা মুক্ত, তেওঁ মোৰ প্ৰিয়" ॥১৫॥

অনপেক্ষঃ শুচিৰ্দক্ষ উদাসীনো গতব্যথঃ ।
সৰ্বাৰম্ভপৰিত্যাগী যো মদ্ভক্তঃ স মে প্ৰিয়ঃ ॥১৬॥

"যিলোক ইচ্ছা-বিহীন, পবিত্ৰ, দক্ষ, তটস্থ (উদাসীন) চিন্তাৰহিত, সঙ্কল্প-মাত্ৰকে যিজনে ত্যাগ কৰিছে, তেওঁ মোৰ ভক্ত আৰু প্ৰিয়" ॥১৬॥

যো ন হৃষ্যতি ন দ্বেষ্টি ন শোচতি ন কাঙ্ক্ষতি ।
শুভাশুভপৰিত্যাগী ভক্তিমান যঃ স মে প্ৰিয়ঃ ॥১৭॥

"যাৰ হৰ্ষ নহয়, যিজনে দ্বেষ নকৰে, যিজনে চিন্তা নকৰে, যিজন আশাত বান্ধ নাখায়, যিজনে শুভাশুভ ত্যাগ কৰিব পাৰিছে, তেওঁ ভক্তিপৰায়ণ আৰু তেৱেঁই মোৰ প্ৰিয়" ॥১৭॥

সমঃ শত্ৰৌ চ মিত্ৰে চ তথা মানাপমানয়োঃ ।
শীতোষ্ণসুখদুঃখেষু সমঃ সঙ্গবিৱৰ্জ্জিতঃ ॥১৮॥
তুল্যনিন্দাস্তুতিৰ্মৌনী সন্তুষ্টো যেন কেনচিৎ ।
অনিকেতঃ স্থিৰমতিৰ্ভক্তিমান মে প্ৰিয়ো নৰঃ ॥১৯॥

"শত্ৰু-মিত্ৰ, মান-অপমান, শীত-উষ্ণ, সুখ-দুঃখ, এইবিলাকত যাৰ সমভাব থাকে, যিজনে আসক্তি ত্যাগ কৰিছে, যিজনে নিন্দা আৰু স্তুতিত একে ভাবে থাকে আৰু মৌনতা অবলম্বন কৰে, যি পায় তাতেই সন্তুষ্ট থাকে, যাৰ কোনো স্থান নাই, যিজন স্থিৰচিত্ত এনে মুনি-ভক্ত মোৰ প্ৰিয়" ॥১৮-১৯॥

যে তু ধৰ্ম্মামৃতমিদং যথোক্তং পৰ্য্যুপাসতে ।
শ্ৰদ্দধানা মৎপৰমা ভক্তাস্তেঽতীৱ মে প্ৰিয়াঃ ॥২০॥

এনে পবিত্ৰ, অমৃতময় জ্ঞান যি লোকে মোত পৰায়ণ থাকি শ্ৰদ্ধা সহকাৰে অনুসৰণ কৰে, তেওঁ মোৰ অতি প্ৰিয় ভক্ত ।

## ওঁ তৎ সৎ

এইদৰে শ্ৰীমদ্ভাগৱতগীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ শাস্ত্ৰৰ কৃষ্ণাৰ্জ্জুন সংবাদৰ ভক্তি যোগ নামক দ্বাদশ অধ্যায় সমাপ্ত হ'ল ।

## ত্ৰয়োদশ অধ্যায়

## ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ-বিভাগ যোগ

এই অধ্যায়ত শৰীৰ আৰু আত্মাৰ প্ৰভেদ দেখুৱা হৈছে।

শ্ৰীভগবানুবাচ :—

ইদং শৰীৰং কৌন্তেয় ! ক্ষেত্ৰমিত্যভিধীয়তে।
এতদ্ যো বেত্তি তং প্ৰাহুঃ ক্ষেত্ৰজ্ঞ ইতি তদ্বিদঃ ॥১॥

ভগৱানে ক'লে :—"হে কৌন্তেয় ! এই শৰীৰক ক্ষেত্ৰ বুলি কোৱা হয় আৰু ইয়াকে যি জানে তেনে তত্ত্বজ্ঞানীকে ক্ষেত্ৰজ্ঞ বোলা হয়" ॥১॥

ক্ষেত্ৰজ্ঞঞ্চাপি মাং বিদ্ধি সৰ্ব্বক্ষেত্ৰেষু ভাৰত ! ।
ক্ষেত্ৰক্ষেত্ৰজ্ঞয়োৰ্জ্ঞানং যত্তজ্‌জ্ঞানং মতং মম ॥২॥

"আৰু হে ভাৰত ! সকলোক্ষেত্ৰতে শৰীৰত মই থকাৰ কাৰণে মোক ক্ষেত্ৰজ্ঞ বুলি জানিবা। ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ ভেদ জ্ঞানেই জ্ঞান—এনে মোৰ মত" ॥২॥

তৎ ক্ষেত্ৰং যচ্চ যাদৃক্ চ যদ্বিকাৰি যতশ্চ যৎ।
স চ যো যৎপ্ৰভাৱশ্চ তৎ সমাসেন মে শৃণু ॥৩॥

"এই ক্ষেত্ৰ কি, কেনে, কিদৰে বিকাৰ প্ৰাপ্ত হয়, ক'ৰ পৰা হয় আৰু ক্ষেত্ৰজ্ঞ কোন, তেওঁৰ শক্তি কি, তাক মোৰ পৰা সংক্ষেপে শুনা" ॥৩॥

ঋষিভিৰ্বহুধা গীতং ছন্দোভিৰ্বিবিধৈঃ পৃথক্।
ব্ৰহ্মসূত্ৰপদৈশ্চৈব হেতুমদ্ভিৰ্বিনিশ্চিতৈঃ ॥৪॥

"বিবিধ ছন্দত, ভিন ভিন প্ৰকাৰে যুক্তি দ্বাৰা, নিশ্চয়াত্মক ব্ৰহ্মসূচক বাক্যৰ দ্বাৰা ঋষিসকলে এই বিষয়ে বহুত গীত গাইছে" ॥৪॥

মহাভূতান্যহঙ্কাৰো বুদ্ধিৰব্যক্তমেব চ।
ইন্দ্ৰিয়াণি দশৈকঞ্চ পঞ্চ চেন্দ্ৰিয়গোচৰাঃ ॥৫॥
ইচ্ছা দ্বেষঃ সুখং দুঃখং সংঘাতশ্চেতনা ধৃতিঃ।
এতৎ ক্ষেত্ৰং সমাসেন সৱিকাৰমুদাহৃতম্ ॥৬॥

মহাভূত, অহঙ্কাৰ, বুদ্ধি, প্ৰকৃতি, দশেন্দ্ৰিয়, এক মন, পাঁচ বিষয়, ইচ্ছা, দ্বেষ, সুখ-দুঃখ, সংঘাত, চেতনা শক্তি, ধৃতি এইবিলাকক বিকাৰ সহিতে সংক্ষেপে ক্ষেত্ৰ বুলি কোৱা হয়।

টিপ্পনী :--

মহাভূত পাঁচোটি—পৃথিৱী, পানী, তেজ, বায়ু আৰু আকাশ। অহঙ্কাৰ অৰ্থাৎ শৰীৰত থকা অহং ভাব - অব্যক্ত অৰ্থাৎ অদৃশ্য থকা মায়া, প্ৰকৃতি। দশ ইন্দ্ৰিয়ৰ ভিতৰত পাঁচ জ্ঞানেন্দ্ৰিয় যেনে :—নাক, কাণ, চকু, জিভা আৰু গাৰ ছাল। সেইদৰে প'াচ কৰ্ম্মেন্দ্ৰিয় যেনে :—হাত, ভৰি, মুখ আৰু দুই গুপ্ত ইন্দ্ৰিয়। প'াচ গোচৰ বা প'াচ জ্ঞানেন্দ্ৰিয়ৰ প'াচ বিষয় যেনেঃ -ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দ। সংঘাত মানে শৰীৰৰ বিষয়ে ইটো সিটোৰ লগত সহযোগ কৰিব পৰা শক্তি। ধৃতি মানে ইয়াত ধৈৰ্য্যৰূপী সূক্ষ্ম গুণ নহয়। কিন্তু এই শৰীৰৰ পৰমাণুবিলাকক একেলগে ৰাখিব পৰা গুণ। এই গুণ অহংভাবৰ কাৰণেই সম্ভৱপৰ হয় আৰু এই অহংভাব অব্যক্ত প্ৰকৃতিত বিদ্যমান আছে। এই অহংভাব মোহ ৰহিত লোকে জানি শুনি ত্যাগ কৰে আৰু এই কাৰণে মৃত্যুৰ সময়ত নাইবা আন আঘাতৰ তেওঁ দুখ নাপায়। জ্ঞানী অজ্ঞানী সকলোৱেই শেষত এই বিকাৰী ক্ষেত্ৰ (সংসাৰ) ত্যাগ কৰিবই লাগিব—তেতিয়াহে মুক্তি - অৰ্থাৎ মুক্তি হ'বই।

অমানিত্বমদম্ভিত্বমহিংসা ক্ষান্তিৰাৰ্জৱম্।
আচাৰ্য্যোপাসনং শৌচং স্থৈৰ্য্যমাত্মৱিনিগ্ৰহঃ ॥৭॥
ইন্দ্ৰিয়াৰ্থেষু বৈৰাগ্যমনহঙ্কাৰ এৱ চ।
জন্মমৃত্যুজৰাব্যাধিদুঃখদোষানুদৰ্শনম ।৮॥
আসক্তিৰনভিষ্বঙ্গঃ পুত্ৰ-দাৰ-গৃহাদিষু।
নিত্যঞ্চ সমচিত্তত্বমিষ্টানিষ্টোপপত্তিষু ॥৯॥
ময়ি চানন্যযোগেন ভক্তিৰব্যভিচাৰিণী।
ৱিৱিক্তদেশসেৱিত্বমৰতিৰ্জনসংসদি ॥১০॥
অধ্যাত্মজ্ঞাননিত্যত্বং তত্ত্বজ্ঞানাৰ্থদৰ্শনম্।
এতজ্ জ্ঞানমিতি প্ৰোক্তমজ্ঞানং যদতোঽন্যথা ॥১১॥

"অমানিত্ব, দম্ভহীনতা, অহিংসা, ক্ষমা, সৰলতা, গুৰুসেৱা, শুচি ভাব, স্থিৰতা, আত্মসংযম, ইন্দ্ৰিয় সম্বন্ধে বৈৰাগ্য, অহঙ্কাৰ শূন্যতা, জন্ম-মৰণ, জৰা-ব্যাধি, দুখ আৰু দোষৰ বিষয়ে সদায় চিন্তা, পুত্ৰ স্ত্ৰী, গৃহ আদি সম্বন্ধে মোহ আৰু মমতাৰ অভাৱ, প্ৰিয় আৰু অপ্ৰিয়লৈ সমভাব, মোৰ প্ৰতি একান্ত ধ্যানেৰে একনিষ্ঠ ভক্তি, নিৰ্জনতা সেৱন, জন সমূহৰ লগত সম্মিলিত হ'বলৈ অৰুচি, আধ্যাত্মিক জ্ঞানৰ নিত্যতা সম্বন্ধে চিন্তা আৰু

আত্ম-দৰ্শন-এইবিলাককেই জ্ঞান বুলি কোৱা হয়। ইয়াৰ যি বিপৰীত সেয়েই অজ্ঞানতা" ॥৭॥৮॥৯॥১০॥১১॥

জ্ঞেয়ং যৎ তৎ প্ৰৱক্ষ্যামি যজ্‌জ্ঞাত্বামৃতমশ্নুতে ।
অনাদিমৎ পৰং ব্ৰহ্ম ন সৎ তন্নাসদুচ্যতে ॥১২॥

"যিহকে জানিলে লোকে মোক্ষ পায়, সেই জ্ঞেয় বস্তু কি মই তোমাক ক'ম। এওঁ অনাদি, পৰমব্ৰহ্ম, এওঁক সৎ বুলিও ক'ব নোৱাৰি, অসৎ বুলিও ক'ব নোৱাৰি" ॥১২॥

টিপ্পনী :—

ঈশ্বৰক সৎ বা অসৎ বুলিও ক'ব নোৱাৰি। কোনো এটা শব্দৰ দ্বাৰাই তেওঁক ব্যাখ্যা কৰিব নোৱাৰি, তেওঁ এনে ধৰণৰ গুণাতীত স্বৰূপ।

সৰ্বতঃ পাণিপাদং তৎ সৰ্বতোঽক্ষিশিৰোমুখম্ ।
সৰ্বতঃ শ্ৰুতিমল্লোকে সৰ্বমাবৃত্য তিষ্ঠতি ॥১৩॥

"যি ফালেই চোৱা তাতেই তেওঁৰ হাত, ভৰি, চকু, মুখ, মূৰ আৰু কাণ বিদ্যমান। সৰ্ব্বত্ৰ ব্যাপ্ত থাকি তেৱেঁই ইহলোকত বিদ্যমান হৈ আছে" ॥১৩॥

সৰ্বেন্দ্ৰিয়গুণাভাসং সৰ্বেন্দ্ৰিয়বিবৰ্জিতম্ ।
অসক্তং সৰ্বভৃচ্চৈব নিৰ্গুণং গুণভোক্তৃ চ ॥১৪॥

"যদিও সকলো ইন্দ্ৰিয়ৰ আভাস তেওঁৰ পৰাই পোৱা হয়, তথাপিও এই স্বৰূপ ইন্দ্ৰিয়-ৰহিত আৰু সকলোৰেপৰা অলিপ্ত, কিন্তু তথাপি এওঁ সকলোকে ধাৰণ কৰে এওঁ গুণ ৰহিত হোৱা সত্বেও সকলো গুণৰে ভোক্তা" ॥১৪॥

বহিৰন্তশ্চ ভূতানামচৰং চৰমেৱ চ ।
সূক্ষ্মত্বাৎ তদবিজ্ঞেয়ং দূৰস্থং চান্তিকে চ তৎ ॥ ১৫ ॥

"এওঁ সকলো প্ৰাণীৰে বাহিৰে-ভিতৰে আছে। এওঁ গতিশীল অথচ স্থিৰ। তেওঁ ইমান সূক্ষ্ম যে তেওঁক জানিব নোৱাৰি। এওঁ দূৰত আকৌ ওচৰতে থাকে" ॥ ১৫ ॥

টিপ্পনী :—

*যি জনে তেওঁক চিনি পায়, তেওঁ তেওঁৰ অন্তৰতে থাকে। গতি আৰু স্থিৰতা, শান্তি আৰু অশান্তি অনুভৱ কৰোঁ আৰু সকলো ভাব তেওঁৰ পৰাই উৎপন্ন হয়। সেই কাৰণে তেওঁ গতিশীল আৰু স্থিৰ উভয়েই।*

অৱিভক্তঞ্চ ভূতেষু ৱিভক্তমিৱ চ স্থিতম্ ।
ভূতভর্ত্তৃ চ তজ্ জ্ঞেয়ং গ্রসিষ্ণু প্রভৱিষ্ণু চ ॥ ১৬ ॥

"প্ৰাণীসকলৰ ভিতৰত তেওঁ অবিভক্ত; পুনৰ বিভক্তৰ দৰে হৈও বিদ্যমান আছে। এওঁ জানিবলগীয়া, প্ৰাণীসকলৰ পালক, নাশক আৰু কৰ্ত্তা" ॥ ১৬ ॥

জ্যোতিষামপি তজ্জ্যোতিস্তমসঃ পৰমুচ্যতে ।
জ্ঞানং জ্ঞেয়ং জ্ঞানগম্যং হৃদি সর্ব্বস্য ৱিষ্ঠিতম্ ॥ ১৭ ॥

"এওঁ জ্যোতিৰ্ম্ময়সকলৰ ভিতৰত জ্যোতি। আৰু এওঁক অন্ধকাৰৰ সিপাৰে বুলি কোৱা হয়। জ্ঞান এৰেঁই, জ্ঞানযোগ্য আৰু জ্ঞানৰপৰা যি পোৱা যায় সিও এৰেঁই। তেওঁ সকলোৰে হৃদয়ত বৰ্ত্তমান আছে" ॥ ১৭ ॥

ইতি ক্ষেত্ৰং তথা জ্ঞানং জ্ঞেয়ঞ্চোক্তং সমাসতঃ ।
মদ্ভক্ত এতদ্ ৱিজ্ঞায় মদ্ভাৱায়োপপদ্যতে ॥ ১৮ ॥

"এইদৰে ক্ষেত্ৰ, জ্ঞান, আৰু জ্ঞেয় বিষয়ে মই সংক্ষেপে ক'লো। ইয়াকে জানি মোৰ ভক্তই মোক পাবলৈ যোগ্য হয়" ॥ ১৮ ॥

প্ৰকৃতিং পুৰুষঞ্চৈৱ ৱিদ্ধ্যনাদী উভাৱপি ।
ৱিকাৰাংশ্চ গুণাংশ্চৈৱ ৱিদ্ধি প্ৰকৃতিসম্ভৱান্ ॥ ১৯ ।

"প্ৰকৃতি আৰু পুৰুষ দুয়োকে অনাদি বুলি জানিবা। বিকাৰ আৰু গুণ প্ৰকৃতিৰপৰা উৎপন্ন হৈছে। এইদৰে জানিবা" ॥ ১৯ ॥

কাৰ্য্যকাৰণকৰ্ত্তৃত্বে হেতুঃ প্ৰকৃতিৰুচ্যতে ।
পুৰুষঃ সুখদুঃখানাং ভোক্তৃত্বে হেতুৰুচ্যতে ॥ ২০ ॥

"কাৰ্য্য আৰু কাৰণৰ হেতু প্ৰকৃতিয়েই বুলি কোৱা হয়। আৰু পুৰুষকেই সুখ-দুখ আৰু ভোগৰ হেতু বুলি কোৱা হয়" ॥ ২০ ॥

পুৰুষঃ প্ৰকৃতিস্থো হি ভুঙ্‌ক্তে প্ৰকৃতিজান্ গুণান্ ।
কাৰণং গুণসঙ্গোঽস্য সদসদ্‌যোনিজন্মসু ॥ ২১ ॥

"প্ৰকৃতিত থকা পুৰুষে প্ৰকৃতিৰপৰা উৎপন্ন হোৱা গুণবিলাক ভোগ কৰে আৰু এই গুণ সঙ্গই ভাল-বেয়া যোনিত তেওঁৰ জন্মৰ কাৰণ হয়" ॥ ২১ ॥

টিপ্পনী :—

প্ৰাকৃতিক আমি লৌকিক ভাষাত মায়া নামেৰে জানোঁ। পুৰুষ জীৱ। মায়া অৰ্থাৎ মূল স্বভাৱৰ বশীভূত হৈ জীৱই ৰজ বা তমৰপৰা উৎপন্ন হোৱা কাৰ্য্যৰ ফল ভোগ কৰে আৰু ইয়াৰপৰা কৰ্ম্মানুসাৰে পুনৰ্জন্ম পায়।

উপদ্ৰষ্টানুমন্তা চ ভৰ্ত্তা ভোক্তা মহেশ্বৰঃ ।
পৰমাত্মেতি চাপ্যুক্তো দেহেঽস্মিন্ পুৰুষঃ পৰঃ ।। ২২ ।।

"এই দেহত থকা পৰমপুৰুষকে সৰ্ব্বসাক্ষী, অনুমতি দাতা, ভৰ্ত্তা, ভোক্তা, মহেশ্বৰ আৰু পৰমাত্মা বুলি কোৱা হয়" ।। ১২ ।।

য এৱং বেত্তি পুৰুষং প্ৰকৃতিঞ্চ গুণৈঃ সহ ।
সৰ্ব্বথা ৱৰ্ত্তমানোঽপি ন স ভূয়োঽভিজায়তে ।। ২৩ ।।

"যি মানুহে এইদৰে পুৰুষ আৰু গুণময়ী প্ৰকৃতিক জানে, তেওঁ সকলো প্ৰকাৰে কাৰ্য্য কৰিও, পুনৰায় জন্ম গ্ৰহণ নকৰে" ।। ২৩ ।।

টিপ্পনী ঃ—

১, ৯, ১২ আৰু অন্যান্য অধ্যায়ৰ সহায়ত আমি জানিব পাৰোঁ এই শ্লোকে স্বেচ্ছাচাৰ সমৰ্থন কৰা নাই। বৰং ভক্তিৰ মহিমাহে বৰ্ণনা কৰিছে। জীৱৰ কাৰণে কৰ্ম্ম মাত্ৰই বন্ধনকাৰী হয়। কিন্তু যদি এই সকলো কৰ্ম্ম পৰমাত্মাত অৰ্পণ কৰি দিয়ে, তেন্তে বন্ধন মুক্ত হৈ যায়। আৰু এইদৰে যাৰেই কৰ্ত্তৃত্বৰূপী অহংভাব নাশ হৈ গৈছে আৰু যিজনে অন্তৰ্যামীক চৌবিবশ ঘণ্টাই জানি থাকে তেনেলোকে পাপ কৰ্ম্ম কৰিবই নোৱাৰে। পাপৰ মূলেই হৈছে অভিমান। য'ত 'মই' নাই তাত পাপ নাই। এই শ্লোকত পাপ কৰ্ম্ম নকৰাত যুক্তিহে বুজোৱা হৈছে।

ধ্যানেনাত্মনি পশ্যন্তি কেচিদাত্মানমাত্মনা ।
অন্যে সাংখ্যেন যোগেন কৰ্ম্মযোগেন চাপৰে ।। ২৪ ।।

"কোনোৱে ধ্যানমাৰ্গ অৱলম্বন কৰি আত্মাৰ দ্বাৰা নিজৰ ভিতৰতে আত্মাক দেখা নাই। কোনোৱে জ্ঞান-মাৰ্গৰ দ্বাৰা আৰু আন কিছুমানে কৰ্ম্ম-মাৰ্গৰ দ্বাৰা দেখা পায়" ।। ২৪ ।।

অন্যে ত্বেৱমজানন্তঃ শ্ৰুত্বান্যেভ্য উপাসতে ।
তেঽপি চাতিতৰন্ত্যেৱ মৃত্যুং শ্ৰুতিপৰায়ণাঃ ।। ২৫ ।।

"আৰু কিছুমানে এই মাৰ্গ নজনাৰ কাৰণে, আনৰপৰা পৰমাত্মা সম্বন্ধে শুনে আৰু শুনাৰ পিছত শ্ৰদ্ধাৰত হৈ তেওঁতেই পৰায়ণ হৈ উপাসনা কৰে, তেনেলোকে মৃত্যুৰ হাত সাৰি যায়" ।। ২৫ ।।

যাৱৎ সংজায়তে কিঞ্চিৎ সত্ত্বং স্থাৱৰজঙ্গমম্ ।
ক্ষেত্ৰক্ষেত্ৰজ্ঞসংযোগাৎ তদ্ ৱিদ্ধি ভৰতৰ্ষভ ।। ২৬ ।।

"হে ভৰতৰ্ষভ ! স্থাৱৰ-জঙ্গম (বৃক্ষ লতাদি স্থাৱৰ, দেৱ, মনুষ্যাদি-প্ৰাণী-সকল জঙ্গম) আদি যি কোনো উৎপন্ন হোৱা বিষয় বিলাক ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ, অৰ্থাৎ প্ৰকৃতি আৰু পুৰুষৰ সংযোগত উৎপন্ন হয়, ইয়াকে জানিবা" ।। ২৬ ।।

সমং সৰ্ব্বেষু ভূতেষু তিষ্ঠন্তং পৰমেশ্বৰম্ ।
বিনশ্যৎস্ববিনশ্যন্তং যঃ পশ্যতি স পশ্যতি ।। ২৭ ।।

"সমস্ত নাশবান প্ৰাণীবিলাকৰ ভিতৰত অবিনাশী পৰমেশ্বৰক সমভাবে স্থিত বুলি যিজনে জানে তেওঁহে (অবিনাশী ঈশ্বৰক) জানে" ।। ২৭ ।।

সমং পশ্যন্ হি সৰ্ব্বত্ৰ সমৱস্থিতমীশ্বৰম্ ।
ন হিনস্ত্যাত্মনাত্মানং ততো যাতি পৰাং গতিম্ ।। ২৮ ।।

"ঈশ্বৰক সকলো ঠাইতে সমভাবে থকা যি জনে দেখে, তেওঁ নিজকে নিজে নাশ নকৰে, আৰু সেইকাৰণে পৰম গতি পায় ।। ২৮ ।।

টিপ্পনী ঃ—

সমভাবে থকা ঈশ্বৰক দেখোঁতা জনে নিজে তেওঁত (পৰমেশ্বৰত) বিলীন হৈ যায় আৰু আন একো নেদেখে। এই কাৰণে বিকাৰ যুক্ত নহৈ মোক্ষ পায় আৰু নিজে নিজৰ শত্ৰু হব লগাত নপৰে ।

প্ৰকৃত্যৈৱ চ কৰ্ম্মাণি ক্ৰিয়মাণানি সৰ্ব্বশঃ ।
যঃ পশ্যতি তথাত্মানমকৰ্ত্তাৰং স পশ্যতি ।। ২৯ ।।

"প্ৰকৃতিযেহে সৰ্ব্বত্ৰ কাম কৰে, এইদৰে যিজনে বুজে আৰু সেই আত্মাকো অকৰ্ত্তা বুলি জানে, সেইজনেই আচল তত্ত্ব বুজি পায়" ।। ২৯ ।।

টিপ্পনী ঃ—

কেনেকৈ ?—যেনেকৈ নিদ্ৰাত থকা মানুহ নিদ্ৰাৰ কৰ্ত্তা নহয় কিন্তু প্ৰকৃতিয়েহে নিদ্ৰাৰ কাম কৰে। নিৰ্ব্বিকাৰ লোকৰ চকুৱে একো জঘন্য বস্তু নেদেখে। প্ৰকৃতি-ব্যভিচাৰিণী নহয়। অভিমানী পুৰুষ যেতিয়া তেওঁৰ (প্ৰকৃতিৰ) স্বামী হয়, তেতিয়া তেনে সঙ্গত হে তেওঁৰ বিষয়বিকাৰ উৎপন্ন হয় ।

যদা ভূতপৃথগ্ভাৱমেকস্থমনুপশ্যতি ।
তত এৱ চ বিস্তাৰং ব্ৰহ্ম সম্পদ্যতে তদা ।।৩০।।

"জীৱবিলাকৰ অস্তিত্ব পৃথক থকা সত্ত্বেও একতেই স্থিত থকা দেখে

আৰু এইকাৰণে সমস্ত বিস্তাৰ তেওঁৰপৰা উৎপন্ন হোৱা বুলি বুজি পায়। তেতিয়া তেওঁ ব্ৰহ্মক পায়" ॥৩০॥

টিপ্পনী :—

অনুভৱৰ দ্বাৰা পৃথিৱীত যি আছে সকলো ব্ৰহ্মতেই দেখাটোৱেই ব্ৰহ্মত্ব পোৱা। এনে সময়ত জীৱ শিৱতকৈ বেলেগ হৈ নাথাকে।

অনাদিত্বান্নিৰ্গুণত্বাৎ পৰমাত্মায়মব্যয়ঃ।
শৰীৰস্থোঽপি কৌন্তেয়! ন কৰোতি ন লিপ্যতে ॥ ৩১ ॥

"হে কৌন্তেয়! এই অবিনাশী পৰমাত্মা অনাদি আৰু নিৰ্গুণ হোৱাৰ কাৰণে শৰীৰত থাকিও একোকেই নকৰে আৰু একোতে লিপ্তও নাথাকে" ॥৩১॥

যথা সৰ্বগতং সৌক্ষ্ম্যাদাকাশং নোপলিপ্যতে।
সৰ্ব্বত্ৰাৱস্থিতো দেহে তথাত্মা নোপলিপ্যতে ॥৩২॥

"যি দৰে সূক্ষ্ম হোৱাৰ কাৰণে সৰ্ব্বব্যাপী আকাশ একোতে লিপ্ত হৈ থকা নাই, সেই দৰে দেহত থকা আত্মাও দেহৰ লগত লিপ্ত নহয়" ॥৩২॥

যথা প্ৰকাশয়ত্যেকঃ কৃৎস্নং লোকমিমং ৰবিঃ।
ক্ষেত্ৰং ক্ষেত্ৰী তথা কৃৎস্নং প্ৰকাশয়তি ভাৰত! ॥৩৩॥

"যেনেকৈ এক সূৰ্য্যই সমস্ত জগতকেই প্ৰকাশ কৰে, সেইদৰে হে ভাৰত! ক্ষেত্ৰীয়ে সমস্ত ক্ষেত্ৰকেই প্ৰকাশিত কৰে" ॥৩৩॥

ক্ষেত্ৰক্ষেত্ৰজ্ঞয়োৰেৱমন্তৰং জ্ঞানচক্ষুষা।
ভূতপ্ৰকৃতিমোক্ষং চ যে বিদুৰ্যান্তি তে পৰম্ ॥৩৪॥

"যিজনে জ্ঞান চকুৰে ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ প্ৰভেদ আৰু প্ৰকৃতিৰ বন্ধনৰ পৰা প্ৰাণী কেনেকৈ মুক্ত হ'ব পাৰে তাক জানে, তেওঁ ব্ৰহ্মক পায়" ॥৩৪॥

ওঁ তৎ সৎ

এইদৰে শ্ৰীমদ্ভাগৱতগীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ "ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ-বিভাগ-যোগ" নামৰ ত্ৰয়োদশ অধ্যায় সমাপ্ত হ'ল।

## চতুৰ্দ্দশ অধ্যায়

### গুণত্ৰয় বিভাগ যোগ

গুণময়ী প্ৰকৃতিৰ অল্পপৰিচয় কৰি দিয়াৰ পিছত স্বাভাৱিকতে তিনিগুণৰ বৰ্ণনা এই অধ্যায়ত আহি পৰে। আৰু এইটো কৰাৰ পিছত ভগৱানে গুণাতীতৰ লক্ষণ বৰ্ণনা কৰিছে ২য় অধ্যায়ত যি স্থিতপ্ৰজ্ঞৰ লক্ষণ দেখুৱা হৈছে, দ্বাদশ অধ্যায়ত ভক্তি যোগত আৰু ইয়াত সেইটো গুণাতীত অৱস্থা-ৰূপে প্ৰকাশ কৰিছে।

শ্ৰীভগৱানুবাচ:

পৰং ভূয়ঃ প্ৰৱক্ষ্যামি জ্ঞানানাং জ্ঞানমুত্তমম্।
যজ্‌জ্ঞাত্বা মুনয়ঃ সৰ্ব্বে পৰাং সিদ্ধিমিতো গতাঃ ॥১॥

শ্ৰীভগৱানে ক'লে: "জ্ঞানৰ ভিতৰত যি উত্তম জ্ঞানৰ অনুভৱ কৰি মুনিসকলে এই শৰীৰ পৰিত্যাগ কৰাৰ পিছত পৰম গতি পায় তাক মই তোমাক পুনৰায় ক'ম" ॥১॥

ইদং জ্ঞানমুপাশ্ৰিত্য মম সাধৰ্ম্ম্যমাগতাঃ।
সৰ্গেঽপি নোপজায়ন্তে প্ৰলয়ে ন ব্যথন্তি চ ॥২॥

"এই জ্ঞানৰ আশ্ৰয় লৈ যিসকলে মোত ভাৱগ্ৰস্ত তেওঁলোকে উৎপত্তি কালত জনিব নালাগে আৰু প্ৰলয় কালতো দুখ নাপায়" ॥২॥

মম যোনিৰ্মহদ্‌ব্ৰহ্ম তস্মিন্ গৰ্ভং দধাম্যহম্।
সম্ভৱঃ সৰ্ব্বভূতানাং ততো ভৱতি ভাৰত! ॥৩॥

"হে ভাৰত! মহৎ ব্ৰহ্ম-অৰ্থাৎ প্ৰকৃতি মোৰ যোনি। তাত মই গৰ্ভাধান কৰোঁ আৰু তাৰপৰাই প্ৰাণীমাত্ৰৰেই উৎপত্তি হয়" ॥৩॥

সৰ্ব্বযোনিষু কৌন্তেয়! মূৰ্ত্তয়ঃ সম্ভৱন্তি যাঃ।
তাসাং ব্ৰহ্ম মহদ্‌যোনিৰহং বীজপ্ৰদঃ পিতা ॥৪॥

"হে কৌন্তেয়! সকলো যোনীতে যি যি প্ৰাণীৰ উৎপত্তি হয় তাৰ উৎপত্তিৰ ঠাই মোৰ প্ৰকৃতি আৰু তাত বীজ দান কৰা পিতৃ-পুৰুষ ময়েই" ॥৪॥

সত্ত্বং ৰজস্তম ইতি গুণাঃ প্ৰকৃতিসম্ভৱাঃ!
নিবধ্নন্তি মহাবাহো! দেহে দেহিনমব্যয়ম্ ॥৫॥

"হে মহাবাহু ! সত্ত্ব, ৰজ, আৰু তমগুণ প্ৰকৃতিৰপৰা উৎপন্ন হোৱা গুণ। এইবিলাকে অবিনাশী দেহধাৰী জীৱক দেহ সম্বন্ধে সম্বন্ধ কৰায়" ॥৫॥

তত্ৰ সত্ত্বং নিৰ্ম্মলত্বাৎ প্ৰকাশকমনাময়ম্ ।
সুখসঙ্গেন বধ্নাতি জ্ঞানসঙ্গেন চানঘ ॥৬॥

"ইয়াৰ ভিতৰত সত্ত্বগুণ নিৰ্ম্মল হোৱাৰ কাৰণে প্ৰকাশক আৰু আৰোগ্যকৰ, আৰু হে অনঘ ! এই দেহক সুখ আৰু জ্ঞানৰ বান্ধোনেৰে বান্ধে" ॥৬॥

ৰজো ৰাগাত্মকং বিদ্ধি তৃষ্ণাসঙ্গসমুদ্ভৱম্ !
তন্নিবধ্নাতি কৌন্তেয় ! কৰ্ম্মসঙ্গেন দেহিনম ॥৭॥

"হে কৌন্তেয় ! ৰজোগুণ ৰাগৰূপ হোৱাৰ কাৰণে তৃষ্ণা আৰু আসক্তিৰ মূল। ই দেহধাৰীক কৰ্ম্মপাশত বান্ধে" ॥৭॥

তমস্ত্বজ্ঞানজং বিদ্ধি মোহনং সৰ্ব্বদেহিনাম্ ।
প্ৰমাদালস্যনিদ্ৰাভিস্তন্নিবধ্নাতি ভাৰত ॥৮॥

"হে ভাৰত ! তমোগুণ অজ্ঞানমূলক। ই দেহধাৰী মাত্ৰকেই মোহত পেলায় আৰু অসাৱধানতা, এলাহ আৰু নিদ্ৰাৰ বান্ধোনেৰে দেহীসকলক বান্ধে" ॥৮॥

সত্ত্বং সুখে সঞ্জয়তি ৰজঃ কৰ্ম্মণি ভাৰত ! ।
জ্ঞানমাবৃত্য তু তমঃ প্ৰমাদে সঞ্জয়ত্যুত ॥৯॥

"হে ভাৰত ! সত্ত্বই আত্মাক শান্তি-সুখৰ লগত সঙ্গতি কৰায়, ৰজই কৰ্ম্মৰ লগত আৰু তমই জ্ঞান ঢাকি ৰাখি প্ৰমাদৰ লগত সঙ্গতি কৰায়" ॥৯॥

ৰজস্তমশ্চাভিভূয় সত্ত্বং ভৱতি ভাৰত ! ।
ৰজঃ সত্ত্বং তমশ্চৈৱ তমঃ সত্ত্বং ৰজস্তথা ॥১০॥

"হে ভাৰত ! যেতিয়া ৰজ আৰু তম তলত থাকে, তেতিয়া সত্ত্বগুণ ওপৰলৈ আহে; সত্ত্ব আৰু তম কমি থাকোতে তেতিয়া ৰজ আৰু যেতিয়া সত্ত্ব আৰু ৰজ কমি থাকে তেতিয়া তমগুণ ওপৰলৈ আহে" ॥১০॥

সৰ্ব্বদ্বাৰেষু দেহেঽস্মিন্ প্ৰকাশ উপজায়তে ! ।
জ্ঞানং যদা তদা বিদ্যাদ্ বিবৃদ্ধং সত্ত্বমিত্যুত ॥১১॥

"সকলো ইন্দ্ৰিয়ৰ দ্বাৰা এই দেহত যেতিয়া বিবেক আৰু চেতনাশক্তি প্ৰকাশ হয় আৰু জ্ঞানৰ উন্মেষ হয়, তেতিয়া সত্ত্বগুণ বৃদ্ধি হৈছে বুলি জানিব লাগে" ॥১১॥

লোভঃ প্ৰৱৃত্তিৰাৰম্ভঃ কৰ্ম্মণামশমঃ স্পৃহা ।
ৰজস্যেতানি জায়ন্তে ৱিৱৃদ্ধে ভৰতৰ্ষভ ॥১২॥

"হে ভৰতৰ্ষভ ! যেতিয়া ৰজগুণৰ বৃদ্ধি হয় তেতিয়া লোভ, প্ৰবৃত্তি, কৰ্ম্ম-আৰম্ভ, অশান্তি আৰু ইচ্ছা উদয় হয়" ॥১২॥

অপ্ৰকাশোঽপ্ৰৱৃত্তিশ্চ প্ৰমাদো মোহ এৱ চ ।
তমস্যেতানি জায়ন্তে ৱিৱৃদ্ধে কুৰুনন্দন ! ॥১৩॥

"হে কুৰুনন্দন ! যেতিয়া তমোগুণৰ বৃদ্ধি হয় তেতিয়া অজ্ঞান, মন্দভাব (কোনোভাবলৈ ধাউতি নথকা), অসাৱধানতা আৰু মোহ উপস্থিত হয়" ॥১৩॥

যদা সত্ত্বে প্ৰৱৃদ্ধে তু প্ৰলয়ং যাতি দেহভৃৎ ।
তদোত্তমৱিদাং লোকানমলান্ প্ৰতিপদ্যতে ॥১৪॥

"সত্ত্বগুণ বৃদ্ধি হোৱা কালত যদি দেহধাৰীৰ মৃত্যু হয়, তেন্তে তেওঁ উত্তম জ্ঞানীৰ সঙ্গযুক্ত নিৰ্ম্মললোক পায়" ॥১৪॥

ৰজসি প্ৰলয়ং গত্বা কৰ্ম্মসঙ্গিষু জায়তে ।
তথা প্ৰলীনস্তমসি মূঢ়যোনিষু জায়তে ॥১৫॥

"যদি ৰজগুণত মৃত্যু হয় তেন্তে দেহধাৰীয়ে কৰ্ম্ম-পৰায়ণ লোকত জন্ম পায় আৰু তমোগুণত মৃত্যু হ'লে মূঢ়যোনিত জন্ম পায়" ॥১৫॥

টিপ্পনী :—

কৰ্ম্মসঙ্গীৰ অৰ্থ হৈছে মনুষ্যলোক আৰু মূঢ়যোনিৰ অৰ্থ হৈছে পশু ইত্যাদি লোক ।

কৰ্ম্মণঃ সুকৃতস্যাহুঃ সাত্ত্বিকং নিৰ্ম্মলং ফলম্ ।
ৰজসস্তু ফলং দুঃখমজ্ঞানং তমসঃ ফলম্ ॥১৬॥

"সৎকৰ্ম্মৰ ফল সাত্ত্বিক আৰু নিৰ্ম্মল হয়, ৰাজসিক কৰ্ম্মৰ ফল দুখ হয় আৰু তামসিক কৰ্ম্মৰ ফল অজ্ঞানতা" ॥১৬॥

টিপ্পনী :—

আমি যি অৰ্থত সুখ-দুখ বুলি কওঁ, তেনে সুখ-দুখৰ কথা ইয়াত উল্লেখ কৰা নাই । সুখ অৰ্থে আত্মানন্দ, আত্মপ্ৰকাশ ; ইয়াৰ বিপৰীতেই হৈছে দুখ । ২৭ শ্লোকৰপৰা এইটো স্পষ্ট হৈছে ।

সত্ত্বাৎ সংজায়তে জ্ঞানং ৰজসো লোভ এৱ চ ।
প্ৰমাদমোহৌ তমসো ভৱতোঽজ্ঞানমেৱ চ ॥১৭॥

"সত্ত্বগুণৰপৰা জ্ঞান উদ্ভৱ হয়, ৰজগুণৰপৰা লোভ আৰু তমগুণৰপৰা মোহ, অসাৱধানতা আৰু অজ্ঞান উৎপন্ন হয়" ॥১৭॥

উৰ্দ্ধং গচ্ছন্তি সত্ত্বস্থা মধ্যে তিষ্ঠন্তি ৰাজসাঃ ।
জঘন্যগুণৱৃত্তিস্থা অধোগচ্ছন্তি তামসাঃ ॥১৮॥

"সাত্ত্বিক লোকে উৰ্দ্ধলোক পায়, ৰাজসিক-লোকে মধ্যত থাকে আৰু জঘন্য বৃত্তিযুক্ত তামসিক লোক অধোগতি পায়" ॥১৮॥

নান্যং গুণেভ্যঃ কৰ্ত্তাৰং যদা দ্ৰষ্টানুপশ্যতি ।
গুণেভ্যশ্চ পৰং ৱেত্তি মদ্ভাৱং সোঽধিগচ্ছতি ॥১৯॥

"জ্ঞানীয়ে যেতিয়া দেখে যে গুণৰ বাহিৰে আৰু আন কোনো কৰ্ত্তা নাই, আৰু যিজন গুণৰ বাহিৰে থকা জনক জানে, তেওঁ মোৰ ভাব প্ৰাপ্ত হয় অৰ্থাৎ মোক বুজিবলৈ সমৰ্থ হয়" ॥১৯॥

টিপ্পনী :—

গুণকেই কৰ্ত্তা মানি লোৱা লোকৰ অহংভাব নোহোৱা হয়, এই কাৰণে তেওঁৰ সকলো কাম স্বাভাৱিক আৰু শৰীৰ যাত্ৰাৰ কাৰণে হয় আৰু শৰীৰ যাত্ৰাত পৰমাৰ্থৰ কাৰণেই হয়; সেই কাৰণে তেওঁৰ সকলো কাম ত্যাগ আৰু বৈৰাগ্যৰ পৰাই হৈ থাকে । এনে জ্ঞানীয়ে স্বভাৱতে গুণাতীত, নিৰ্গুণ ঈশ্বৰক কল্পনা কৰে আৰু তেওঁক ভজনা কৰে ।

গুণানেতানতীত্য ত্ৰীন্ দেহী দেহসমুদ্ভৱান্ ।
জন্মমৃত্যুজৰাদুঃখৈৰ্বিমুক্তোঽমৃতমশ্নুতে ॥২০॥

"দেহৰ সম্বন্ধত উৎপন্ন হোৱা এই তিনিগুণৰ অতীত হৈ দেহধাৰীয়ে জন্ম, মৃত্যু, জৰা-দুখৰপৰা উদ্ধাৰ হয় আৰু মোক্ষ পদ পায়" ॥২০॥

অৰ্জ্জুন উবাচ :—

কৈৰ্লিঙ্গৈস্ত্ৰীন্ গুণানেতানতীতো ভৱতি প্ৰভো ! ।
কিমাচাৰঃ কথং চৈতাংস্ত্ৰীন্ গুণানতিৱৰ্ত্ততে ॥২১॥

অৰ্জ্জুনে ক'লে—"হে প্ৰভু, এই গুণবিলাক পাৰ হৈ যোৱা লোকক কি লক্ষণৰ দ্বাৰা চিনিব পাৰি ? তেওঁৰ আচাৰ কি ? আৰু তেওঁ কেনেকৈ এই ত্ৰিগুণৰ অতীত হয়" ॥২১॥

শ্ৰীভগৱানুবাচ :—

প্ৰকাশঞ্চ প্ৰৱৃত্তিঞ্চ মোহমেৱ চ পাণ্ডৱ ! ।
ন দ্বেষ্টি সম্প্ৰৱৃত্তানি ন নিবৃত্তানি কাঙ্ক্ষতি ॥২২॥

উদাসীনৱদাসীনো গুণৈর্যো ন ৱিচাল্যতে ।
গুণা বর্ত্তন্ত ইত্যেৱং যোঽৱতিষ্ঠতি নেঙ্গতে ।।২৩।।
সমদুঃখসুখঃ স্বস্থঃ সমলোষ্টাশ্মকাঞ্চনঃ ।
তুল্যপ্রিয়াপ্রিয়ো ধীৰস্তুল্যনিন্দাত্মসংস্তুতিঃ ।।২৪।।
মানাপমানয়োস্তুল্যস্তুল্যো মিত্রাৰিপক্ষয়োঃ ।
সর্ব্বাৰম্ভপৰিত্যাগী গুণাতীতঃ স উচ্যতে ।।২৫।।

শ্ৰীভগৱানে ক'লে--"হে পাণ্ডৱ, বিৱেক আৰু চেতন শক্তিৰ প্ৰকাশ, প্ৰবৃত্তি আৰু মোহ প্ৰাপ্ত হ'লেও যিজনে দুখ বুলি নামানে আৰু এইবিলাক নাপালেও যাৰ আকাঙ্ক্ষা নাথাকে, যিজন উদাসীনৰ দৰে স্থিৰ, যাক গুণে বিচলিত নকৰে, গুণে নিজৰ কাম নিজে কৰে, এইদৰে জানি লৈ যিজন স্থিৰ হৈ থাকে আৰু বিচলিত নহয়, নিজৰ সুখদুখত সমভাবে থাকে, সুস্থ থাকে, মাটিৰ দলি, শিল আৰু সোণক যি এক বুলি ভাবে, প্ৰিয়-অপ্ৰিয় বস্তু পালে একে সমানে থাকে, যিজন এনে বুদ্ধিমান যে নিজৰ নিন্দা বা স্তুতি তেওঁৰ প্ৰতি সমান, যাৰ মনত মান অপমান সমান, যিজনে শত্ৰুপক্ষ আৰু মিত্ৰ-পক্ষৰ মাজত সমভাব ৰাখে আৰু যিজনে সমস্ত আৰম্ভকে ত্যাগ কৰিছে· তেনেজনকেই গুণাতীত বোলা হয়" ।।২২।।২৩।।২৪।।২৫।।

টিপ্পনীঃ—

২২ৰ পৰা ২৫ শ্লোক একেলগে বিচাৰ কৰিবলগীয়া হৈছে। প্ৰকাশ, প্ৰবৃত্তি আৰু মোহ আগত কোৱা শ্লোক অনুসাৰে সত্ত্ব ৰজ, তম গুণৰ পৰিণাম। এইটো কোৱাৰ অৰ্থ এই যে যি জনে এই গুণবিলাক পাৰ হৈ গৈছে তেওঁৰ ওপৰত এই পৰিণাম বিলাকৰ প্ৰভাৱ কোনোপ্ৰকাৰেই নপৰে। পাথৰ এডোখৰে প্ৰকাশৰ ইচ্ছা নকৰে। কোনো প্ৰবৃত্তিয়ে ইয়াৰ জড়তাক দ্বেষ নকৰে। ইচ্ছাৰ উদ্ৰেকশূন্য শান্তি ইয়াত আছে। ইয়াক যদি কোনোবাই গতি দিয়ে তাকো ই দ্বেষ নকৰে। গতি দিয়াৰ পিছত যদি তাক স্থিৰকৈ থৈ দিয়া হয় তেতিয়াও প্ৰবৃত্তি বন্ধ হৈ তাত মোহ বা জড়তা আহিল বুলি ভাবিও দুখী নহয়, বৰং তিনিও স্থিতিতে একে সমানে থাকে। পাথৰ খণ্ড আৰু গুণাতীতৰ ভিতৰত প্ৰভেদ এয়ে যে গুণাতীত চেতনাময় আৰু তেওঁ জানি শুনি গুণৰ পৰিণাম বিলাকৰ স্পৰ্শ ত্যাগ কৰিছে আৰু জড় পাথৰ খণ্ডৰ দৰে হৈ গৈছে। পাথৰ খণ্ড গুণৰ অৰ্থাৎ প্ৰকৃতিৰ কাৰ্য্যৰ সাক্ষী

স্বৰূপ, কিন্তু কৰ্তা নহয়; এইদৰে জ্ঞানীয়েও ইয়াৰ সাক্ষী থাকে কিন্তু কৰ্তা নাথাকে। এনে জ্ঞানী সম্বন্ধে এইদৰে কল্পনা কৰিব পাৰি যে ২৩ শ্লোকৰ কথা অনুসাৰে, "গুণে আপোনাৰ কাম কৰিছে" এইটো বুজি তেওঁ বিচলিত নহয়, উদাসীন হৈ থাকে আৰু সেইকাৰণে জড় হৈ থাকে। এনে স্থিতি আমাৰ দৰে গুণত তন্ময় হৈ থকা লোকে কেৱল কল্পনা কৰি বুজিব পাৰে কিন্তু অনুভৱ কৰিব নোৱাৰে। তেনে কল্পনাকে আগতে জানি যদি 'মই' ভাব দিনে দিনে কমাই আনিব পাৰে তেনে শেষত গুণাতীতৰ অৱস্থাৰ ওচৰ চাপি তাত ভুমুকি মাৰিব পাৰে। গুণাতীত আৰু নিজৰ স্থিতি অনুভৱ কৰিব পাৰে, বৰ্ণনা কৰিব নোৱাৰে। যিহক বৰ্ণনা কৰিব পৰা যায় সি গুণাতীত নহয়, কাৰণ তাত অহংভাৱ উপস্থিত থাকে। যিটো সকলো লোকে সহজে অনুভৱ কৰিব পাৰে, সেইটো শান্তি প্ৰকাশ অৰ্থাৎ প্ৰবৃত্তি আৰু জড়তা মোহ। এইটো গীতাত ঠায়ে ঠায়ে স্পষ্টকৈ প্ৰকাশ কৰা হৈছে যে সাত্ত্বিকতা গুণাতীতৰ অৱস্থাৰ একেবাৰে ওচৰৰ অৱস্থা সেইকাৰণে মানুহ মাত্ৰেই সাত্ত্বিক ভাৱ বিকাশ কৰিবলৈ চেষ্টা কৰিব লাগে। এইদৰে বিশ্বাস ৰাখিলে গুণাতীতৰ অৱস্থা পাবই।

মাঞ্চ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে।
স গুণান্ সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে ॥২৬॥

"যিজনে একনিষ্ঠ ভক্তিযোগৰ দ্বাৰা মোক সেৱা কৰে তেওঁ এই গুণ বিলাক পাৰ হৈ ব্ৰহ্মৰূপ পাবৰ যোগ্য হয়" ॥২৬॥

ব্ৰহ্মণো হি প্ৰতিষ্ঠাহমমৃতস্যাৱ্যয়স্য চ।
শাশ্বতস্য চ ধৰ্ম্মস্য সুখস্যৈকান্তিকস্য চ ॥২৭॥

"ব্ৰহ্মৰ স্থিতি মই আৰু শাশ্বত মোক্ষৰ স্থিতিও মই, সেইদৰে সনাতন ধৰ্ম্মৰ আৰু উত্তম সুখৰ স্থিতিও ময়েই বা মোৰেই" ॥২৭॥

এইদৰে শ্ৰীমদ্ভাগৱতগীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যাৰ অন্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ গুণত্ৰয় বিভাগ নামৰ ১৪শ অধ্যায় সমাপ্ত হ'ল।

## পঞ্চদশ অধ্যায়

## পুৰুষোত্তম যোগ

এই অধ্যায়ত ভগৱানে ক্ষৰ আৰু অক্ষৰ ব্ৰহ্মৰ অতীত নিজৰ উত্তম স্বৰূপ কি তাকেই বুজাইছে।

শ্ৰীভগৱানুবাচ :—

ঊৰ্দ্ধমূলমধঃশাখমশ্বত্থং প্ৰাহুৰব্যয়ম্।
ছন্দাংসি যস্য পৰ্ণানি যস্তং বেদ স বেদবিৎ ॥১॥

"যাৰ শিপা ওপৰ ফালে আছে, যাৰ শাখা তলৰ ফালে আৰু বেদ (যি গছৰ) যাৰ পাত এইদৰে অবিনাশী আহঁত গছক পণ্ডিতসকলে বৰ্ণনা কৰিছে। এইটো যিজনে জানে তেওঁ বেদজ্ঞানী" ॥১॥

টিপ্পনী :—

"শ্বঃ"ৰ অৰ্থ অহা-কালি। এইকাৰণে "অশ্বত্থ"ৰ ভাব-অৰ্থ হৈছে, কালিলৈকো বৰ্ত্তি নথকা ক্ষণিক সংসাৰ। সংসাৰ প্ৰতিক্ষণেই ৰূপান্তৰ হ'ব লাগিছে। সেই কাৰণে ই অশ্বত্থ। পৰন্তু এই স্থিতিতেই ই সদায় আছে আৰু ইয়াৰ শিপা ওপৰ ফালে অৰ্থাৎ ঈশ্বৰত, সেই কাৰণেই অবিনাশী। তাত বেদৰ অৰ্থাৎ ধৰ্ম্মৰ শুদ্ধজ্ঞানৰূপী পাত যদি নাথাকে, তেন্তে তাৰ শোভা হ'ব নোৱাৰে। এইদৰে সংসাৰৰ যথাৰ্থ জ্ঞান যাৰ হৈছে আৰু যিজনে ধৰ্ম্ম জানে তেওঁ জ্ঞানী।

অধশ্চোৰ্দ্ধং প্ৰসৃতাস্তস্য শাখা
গুণপ্ৰবৃদ্ধা বিষয়প্ৰবালাঃ।
অধশ্চ মূলান্যনুসন্ততানি
কৰ্ম্মানুবন্ধীনি মনুষ্যলোকে ॥২॥

"সত্ত্বাদি গুণৰ স্পৰ্শৰ দ্বাৰা বাঢ়ি অহা, বিষয়ৰূপী কুমলীয়া পাতেৰে ভৰা (অৰ্থাৎ ইন্দ্ৰিয় বৃত্তিৰ লগত যুক্ত) এই আহঁত গছৰ ঠানিবিলাক তলে-ওপৰে বিস্তৃত হৈ আছে আৰু কৰ্ম্মবন্ধন সৃষ্টি কৰা ইয়াৰ শিপাবিলাক মনুষ্য-লোকলৈ তলৰ ফালে বিয়পি আছে" ॥২॥

টিপ্পনী :—

সংসাৰ বৃক্ষৰ এই বৰ্ণনা অজ্ঞানীৰ দৃষ্টিৰপৰা কৰা হৈছে। তেওঁ (অজ্ঞানীয়ে) ওপৰত ঈশ্বৰত স্থিত থকা মূল দেখা নাপায়, কিন্তু বিষয়ৰ সৌন্দৰ্য্যত মুগ্ধ হৈ, ত্ৰিগুণ দ্বাৰা এই গছৰ প্ৰতিপাল কৰে আৰু মনুষ্যলোকত কৰ্ম্মপাশৰ দ্বাৰা বান্ধ খায়।

ন ৰূপমস্যেহ তথোপলভ্যতে
নান্তো ন চাদিৰ্ন চ সংপ্ৰতিষ্ঠা।
অশ্বত্থমেনং সুৱিৰূঢ়মূলমসঙ্গশস্ত্ৰেণ দৃঢ়েন ছিত্ত্বা ॥৩॥
ততঃ পদং তৎ পৰিমাৰ্গিতব্যং
যস্মিন্ গতা ন নিৱৰ্ত্তন্তি ভূয়ঃ।
তমেৱ চাদ্যং পুৰুষং প্ৰপদ্যে
যতঃ প্ৰবৃত্তিঃ প্ৰসৃতা পুৰাণী ॥৪॥

"ইয়াৰ (এই আহঁত গছৰ) স্বৰূপ দেখিবলৈ পোৱা নাযায়। ইয়াৰ অন্ত নাই, আদি নাই, ভিত্তি নাই। মাটিৰ বহুত তললৈ শিপোৱা এই আহঁত গছক অসঙ্গৰূপী বলবান অস্ত্ৰেৰে কাটি মানুহে ইয়াকে প্ৰাৰ্থনা কৰা উচিত—'যিজনে সনাতন প্ৰবৃত্তি বা মায়া বিস্তাৰ কৰিছে, সেই আদি পুৰুষত মই শৰণ লওঁ।' আৰু এনে পদ বিচাৰ কৰা উচিত যাক পালে পুনৰায় জন্ম-মৰণৰ চক্ৰত পৰিব নালাগে" ॥৩॥৪॥

টিপ্পনী :—

অসঙ্গ—অৰ্থাৎ অসহযোগ, বৈৰাগ্য। যেতিয়ালৈকে মানুহে বিষয়ৰ লগত, তাৰ প্ৰলোভনৰপৰা দূৰত নাথাকে, তেতিয়ালৈকে যি তাত বান্ধ খাই থাকে। ইয়াৰ অৰ্থ এই যে বিষয়ৰ লগত সম্বন্ধ ৰাখি আনন্দ উপভোগ কৰি তাৰপৰা পৃথক হৈ থকা অসম্ভৱ কথা।

নিৰ্ম্মাণমোহা জিতসঙ্গদোষা
অধ্যাত্মনিত্যা ৱিনিবৃত্তকামাঃ।
দ্বন্দ্বৈৰ্বিমুক্তাঃ সুখদুঃখসংজ্ঞৈ-
ৰ্গচ্ছন্ত্যমূঢ়াঃ পদমৱ্যয়ং তৎ ॥৫॥

"যিজনে মান-মোহ ত্যাগ কৰিছে, যিজনে আসক্তিৰপৰা উদ্ভৱ হোৱা দোষবিলাক দূৰ কৰিছে, যিজনে আত্মাত সদায় নিমগ্ন হৈ থাকে, যাৰ ইন্দ্ৰিয়

শান্ত হৈ গৈছে, যিজন সুখ-দুখৰূপী দ্বন্দ্বৰপৰা মুক্ত, এনেজন জ্ঞানীয়ে অবিনাশী নিত্যপদ লাভ কৰে" ॥৫॥

ন তদ্ ভাসয়তে সূৰ্য্যো ন শশাঙ্কো ন পাৱকঃ ।
যদ্ গত্বা ন নিৱৰ্ত্তন্তে তদ্ধাম পৰমং মম ॥৬॥

"তাত সূৰ্য্য, চন্দ্ৰ নাইবা অগ্নিয়ে আলোকিত নকৰে । তালৈ যোৱা লোকৰ জন্ম নহয় -সেয়ে মোৰ পৰম-ধাম" ॥৬॥

মমৈৱাংশো জীৱলোকে জীৱভূতঃ সনাতনঃ ।
মনঃষষ্ঠানীন্দ্ৰিয়াণি প্ৰকৃতিস্থানি কৰ্ষতি ॥৭॥

"মোৰেই সনাতন অংশ জীৱলোকত জীৱ হৈ থাকি প্ৰকৃতিত থকা পাঁচ ইন্দ্ৰিয় আৰু মনক আকৰ্ষণ কৰে" ॥৭॥

শৰীৰং যদৱাপ্নোতি যচ্চাপ্যুৎক্ৰামতীশ্বৰঃ ।
গৃহীত্বৈতানি সংযাতি ৱায়ুৰ্গন্ধানিৱাশয়াৎ ॥৮॥

"(জীৱৰূপে মোৰ অংশৰূপী) ঈশ্বৰে যেতিয়া শৰীৰ ধাৰণ কৰে নাইবা ত্যাগ কৰে তেতিয়া বতাহে যেনেকৈ ওচৰত থকা চাৰিওফালৰ সুগন্ধবিলাক লগত লৈ যায়, সেইদৰে মনে সৈতে ইন্দ্ৰিয়বিলাককো লগতে লৈ যায়" ॥৮॥

শ্ৰোত্ৰং চক্ষুঃ স্পৰ্শনঞ্চ ৰসনং ঘ্ৰাণমেৱ চ ।
অধিষ্ঠায় মনশ্চায়ং ৱিষয়ানুপসেৱতে ॥৯॥

"আৰু সেই কাণ, চকু, ছাল, জিভা, নাক আৰু মনৰ আশ্ৰয় লৈ বিষয় ভোগ কৰে" ॥৯॥

টিপ্পনী ঃ—

ইয়াত বিষয় শব্দৰ অৰ্থ বীভৎস বিলাস নহয়, বৰং প্ৰত্যেক ইন্দ্ৰিয়ৰ স্বাভাৱিক ক্ৰিয়াহে ; যেনেকৈ চকুৰ কাম দেখা, কাণৰ শুনা আৰু জিভাৰ সোৱাদ লোৱা । যেতিয়া এই ক্ৰিয়াবিলাক বিকাৰপ্ৰাপ্ত হয়, অহংভাব প্ৰাপ্ত হয় তেতিয়া দূষিত বা বীভৎস হয় । যেতিয়া নিৰ্ব্বিকাৰ হয়, তেতিয়া এইবিলাক নিৰ্দ্দোষ হয় । সৰু ল'ৰাই চকুৰে চাওঁতে বা হাতেৰে ছোৱাত বিকাৰ নহয়, সেই কাৰণে তলৰ শ্লোকত কোৱা হৈছে ।

উৎক্ৰামন্তং স্থিতং ৱাপি ভুঞ্জানং ৱা গুণান্বিতম্ ।
ৱিমূঢ়া নানুপশ্যন্তি পশ্যন্তি জ্ঞানচক্ষুষঃ ॥১০॥

"(শৰীৰ) ত্যাগ কৰোঁতা তাত থকা নাইবা গুণৰ আশ্ৰয়লৈ ভোগ কৰোঁতা

জনক (এই আদৰ্শৰূপী ঈশ্বৰক) মূৰ্খই দেখা নাপায় কিন্তু দিব্যচকু থকা জ্ঞানীয়ে দেখা পায়” ॥১০॥

যতন্তো যোগিনশ্চৈনং পশ্যন্ত্যাত্মন্যবস্থিতম্ ।
যতন্তোঽপ্যকৃতাত্মানো নৈনং পশ্যন্ত্যচেতসঃ ॥১১॥

“যত্নবান যোগীসকলে নিজৰ (অন্তৰত) থকা (এই ঈশ্বৰক) দেখে। যিজনে আত্মাশুদ্ধি কৰা নাই, তেনে মূঢ়জনে যত্ন কৰিলেও এওঁক দেখা পাব নোৱাৰে” ॥১১॥

টিপ্পনী :—

ইয়াত আৰু নৱম অধ্যায়ত দুৰাচাৰী সম্বন্ধে ভগৱানে যি বাক্য প্রয়োগ কৰিছে তাত বিৰোধ নাই। অকৃত আত্মাৰ অৰ্থ হৈছে ভক্তিহীন, স্বেচ্ছাচাৰী, দুৰাচাৰী, যিজনে নম্রতা সহকাৰে শ্রদ্ধাৰে ঈশ্বৰক ভজনা কৰে, তেওঁৰ আত্মশুদ্ধি হয় আৰু ঈশ্বৰক চিনি পায়। যি যম-নিয়মাদি তাচ্ছিল্য কৰি কেৱল বুদ্ধিপ্রয়োগৰ দ্বাৰা ঈশ্বৰক পাবলৈ বিচাৰে তেওঁ অচেতন, চিত্তবিহীন, ৰামত ভক্তিহীন জনে ৰামক কেনেকৈ দেখা পাব ?

যদাদিত্যগতং তেজো জগদ্ভাসয়তেঽখিলম্ ।
যচ্চন্দ্রমসি যচ্চাগ্নৌ তৎ তেজো বিদ্ধি মামকম্ ॥১২॥

“সূৰ্য্যত বিদ্যমান থকা যি তেজে সমস্ত জগতক প্রকাশিত কৰে আৰু যি তেজ চন্দ্ৰ নাইবা অগ্নিত বিদ্যমান আছে সেই তেজ মোৰেই বুলি জানিবা” ॥১২॥

গামাবিশ্য চ ভূতানি ধাৰয়াম্যহমোজসা ।
পুষ্ণামি চৌষধীঃ সৰ্ব্বাঃ সোমো ভূত্বা ৰসাত্মকঃ ॥১৩॥

“মোৰ শক্তি পৃথিৱীত প্রবেশ কৰাই সেই শক্তিৰে প্ৰাণীসকলক ধাৰণ কৰি আছো, আৰু ৰস উৎপন্ন কৰোতা চন্দ্ৰ হৈ সকলো বনস্পতিকেই পোষণ কৰিছোঁ” ॥১৩॥

অহং বৈশ্বানৰো ভূত্বা প্ৰাণিনাং দেহমাশ্রিতঃ ।
প্ৰাণাপানসমাযুক্তঃ পচাম্যন্নং চতুৰ্ব্বিধম্ ॥১৪॥

“প্ৰাণীৰ শৰীৰত আশ্ৰয় লৈ জঠৰ অগ্নি হৈ আৰু অপান বায়ুৰ দ্বাৰা অৰ্থাৎ প্ৰান আৰু অপান বায়ুৰে মই চাৰিপ্ৰকাৰৰ অন্ন পৰিপাক কৰো” ॥১৪॥

সৰ্ব্বস্য চাহং হৃদি সন্নিবিষ্টো
মত্তঃ স্মৃতিৰ্জ্ঞানমপোহনঞ্চ ।

বেদৈশ্চ সৰ্বৈৰহমেৱ বেদ্যো
বেদান্তকৃদ্বেদবিদেৱ চাহম্ ॥১৫॥

"(মই অন্তৰ্য্যামীৰূপে) সকলো হৃদয়ত থকা স্মৃতি, জ্ঞান আৰু উভয়ৰে বিলোপ-সাধনো মোৰ দ্বাৰাই হয়। সমস্ত বেদৰ দ্বাৰা জানিবলগীয়াজন মই, আচাৰ্য্যৰূপে বেদান্ত প্ৰকাশকাৰীজনো ময়েই" ॥১৫॥

দ্বাৱিমৌ পুৰুষৌ লোকে ক্ষৰশ্চাক্ষৰ এৱ চ।
ক্ষৰঃ সৰ্ৱাণি ভূতানি কূটস্থোঽক্ষৰ উচ্যতে ॥১৬॥

"ইহলোকত ক্ষৰ অৰ্থাৎ নাশবান আৰু অক্ষৰ অৰ্থাৎ অবিনাশী দুই পুৰুষ আছে। ভূতমাত্ৰেই ক্ষৰ হয় আৰু তাত থকা অচল আৰু অন্তৰ্য্যামীকেই অক্ষৰ বুলি কোৱা হয়" ॥১৬॥

উত্তমঃ পুৰুষস্ত্বন্যঃ পৰমাত্মেত্যুদাহৃতঃ।
যো লোকত্ৰয়মাৱিশ্য বিভৰ্ত্ত্যব্যয় ঈশ্বৰঃ ॥১৭॥

"ইয়াৰ অতীতৰূপে থকা উত্তমপুৰুষ বেলেগ -এওঁক পৰমাত্মা বোলে। এই অব্যয় ঈশ্বৰ তিনিওলোকত প্ৰৱেশ কৰি এই বিলাকক পোষণ (প্ৰতিপালন) কৰে" ॥১৭॥

যস্মাৎ ক্ষৰমতীতোঽহমক্ষৰাদপি চোত্তমঃ।
অতোঽস্মি লোকে বেদে চ প্ৰথিতঃ পুৰুষোত্তমঃ ॥১৮॥

"যেহেতু মই ক্ষৰৰপৰাও অতীত আৰু অক্ষৰতকৈও উত্তম, সেইকাৰণে বেদ আৰু জগতত পুৰুষোত্তম নামেৰে প্ৰখ্যাত হওঁ" ॥১৮॥

যো মামেৱমসম্মূঢ়ো জানাতি পুৰুষোত্তমম্।
স সৰ্ৱবিদ্ভজতি মাং সৰ্ৱভাৱেন ভাৰত ॥১৯॥

"হে ভাৰত! মোহৰহিত হৈ মুক্ত পুৰুষোত্তমক যিজনে এইদৰে জানে, তেওঁ সকলোকে জানে আৰু মোক সম্পূৰ্ণৰূপে ভজনা কৰে" ॥১৯॥

ইতি গুহ্যতমং শাস্ত্ৰমিদমুক্তং ময়ানঘ!।
এতদ্ বুদ্ধ্বা বুদ্ধিমান্ স্যাৎ কৃতকৃত্যশ্চ ভাৰত! ॥২০॥

"হে অনঘ! এই গুহ্যতকৈও গুহ্য শাস্ত্ৰ মই ক'লো। হে ভাৰত, ইয়াকে জানি মানুহ বুদ্ধিমান হয় আৰু জীৱন সফল কৰে বা কৃতকৃতাৰ্থ হয়" ॥২০॥

ওঁ তৎ সৎ॥

এইদৰে শ্ৰীমদ্ভাগবদ্গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ-শাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ পুৰুষোত্তম-যোগ নামৰ পঞ্চদশ অধ্যায় সমাপ্ত হ'ল॥

## ষোড়শ অধ্যায়

## দৈৱাসুৰসম্পদ—বিভাগ—যোগ ॥

এই অধ্যায়ত দৈৱী আৰু আসুৰী সম্পদৰ বৰ্ণনা দিয়া হৈছে ॥

শ্ৰীভগৱানুবাচ—

অভয়ং সত্ত্বসংশুদ্ধিৰ্জ্ঞানযোগব্যৱস্থিতিঃ ।
দানং দমশ্চ যজ্ঞশ্চ স্বাধ্যায়স্তপ আৰ্জৱম্ ॥১॥
অহিংসা সত্যমক্ৰোধস্ত্যাগঃ শান্তিৰপৈশুনম্ ।
দয়া ভূতেষলোলুপ্ত্বং মাৰ্দ্দৱং হ্ৰীৰচাপলম্ ॥২॥
তেজঃ ক্ষমা ধৃতিঃ শৌচমদ্ৰোহো নাতিমানিতা ।
ভৱন্তি সম্পদং দৈৱীমভিজাতস্য ভাৰত! ॥৩॥

শ্ৰীভগৱানে ক'লে, "হে ভাৰত! অভয়, অন্তঃকৰণৰ শুদ্ধি, জ্ঞান আৰু যোগত নিষ্ঠা, দান, দম, যজ্ঞ, স্বাধ্যায়, তপ, সৰলতা, অহিংসা, সত্য, অক্ৰোধ, ত্যাগ, শান্তি, অপৈশুন, দয়া, অলোলুপতা, মৃদুতা, মৰ্য্যাদা, অ-চঞ্চলতা, তেজ, ক্ষমা, ধৃতি, শুচিভাব, অদ্ৰোহ, অভিমান-শূন্যতা— এই গুণবিলাক দৈৱী সম্পদ লৈ জন্মা লোকৰ হয়" ১।২।৩॥

টিপ্পনী :—

দম অৰ্থাৎ ইন্দ্ৰিয় -নিগ্ৰহ (সংযমৰ কাৰণে,) অপৈশুনৰ অৰ্থ কাকো অগোচৰত বদনাম নকৰা; অলোলুপতাৰ অৰ্থ লালসাশূন্য হোৱা, লম্পট নোহোৱা, তেজৰ অৰ্থ প্ৰত্যেক প্ৰকাৰৰ হীন বৃত্তিক বিৰোধ কৰিব পৰা ক্ষমতা; অদ্ৰোহ অৰ্থ কাৰো বেয়া নিবিচৰা নাইবা বেয়া নকৰা ॥

দম্ভো দৰ্পোঽভিমানশ্চ ক্ৰোধঃ পাৰুষ্যমেৱ চ ।
অজ্ঞানং চাভিজাতস্য পাৰ্থ! সম্পদমাসুৰীম্ ॥৪॥

"হে পাৰ্থ! দৰ্প, দম্ভ, অভিমান, ক্ৰোধ, পাৰুষ্য, অজ্ঞান, এইবিলাক আসুৰী সম্পদ লৈ জন্মা লোকৰ হয়" ॥৪॥

টিপ্পনী :—

যিটো নিজত নাই, তাক থকা বুলি দেখুৱাটো দম্ভ, প্ৰতাৰণা আৰু

পাষণ্ড ভাব। দৰ্পৰ অৰ্থ নিজকে ডাঙৰ বুলি প্ৰকাশ কৰা, পাৰুষ্যৰ অৰ্থ কঠোৰতা, নিষ্ঠুৰতা।

দৈৱী সম্পদ্‌বিমোক্ষায নিবন্ধায়াসুৰ মতা।
মা শুচঃ সম্পদং দৈৱীমভিজাতোঽসি পাণ্ডৱ ! ॥৫॥

"দৈৱী সম্পদ মোক্ষদানকাৰী আৰু আসুৰী সম্পদ্‌ বন্ধনকাৰী বুলি গণ্য হৈছে। হে পাণ্ডৱ ! তুমি দুখ নকৰিবা। তুমি দৈৱী-সম্পদ লৈ জনম পাইছা" ॥৫॥

দ্বৌ ভূতসৰ্গৌ লোকেঽস্মিন দৈৱ আসুৰ এৱ চ।
দৈবো ৱিস্তৰশঃ প্ৰোক্ত আসুৰং পাৰ্থ ! মে শৃণু ॥৬॥

"ইহজগতত দুইজাতিৰ সৃষ্টি হৈছে দৈৱী আৰু আসুৰী। হে পাৰ্থ ! দৈৱী সম্বন্ধে বৰ্ণনা কৰিছোঁ; এতিয়া আসুৰী সম্বন্ধে শুনা" ॥৬॥

প্ৰৱৃত্তিঞ্চ নিৱৃত্তিঞ্চ জনা ন ৱিদুৰাসুৰাঃ।
ন শৌচং নাপি চাচাৰো ন সত্যং তেষু ৱিদ্যতে ॥৭॥

"অসুৰবিলাকে প্ৰবৃত্তি কি, নিবৃত্তি কি নাজানে, সেইদৰে তেওঁলোকৰ শৌচ, আচাৰ নাইবা সত্যৰ জ্ঞান নাই" ॥৭॥

অসত্যমপ্ৰতিষ্ঠং তে জগদাহুৰনীশ্বৰম্।
অপৰস্পৰসম্ভূতং কিমন্যৎ কামহৈতুকম্ ॥৮।

"এওঁলোকে কয় জগৎ অসত্য, আধাৰবিহীন আৰু ঈশ্বৰশূন্য, কেৱল তিৰোতাৰ সংশ্ৰৱতেই মানুহ সৃষ্ট হৈছে। তাত বিষয়ভোগৰ বাহিৰে আন কি হেতু থাকিব পাৰে ?" ॥৮॥

এতাং দৃষ্টিমৱষ্টভ্য নষ্টাত্মানোঽল্পবুদ্ধয়ঃ।
প্ৰভৱন্ত্যুগ্ৰকৰ্ম্মাণঃ ক্ষয়ায় জগতোঽহিতাঃ ॥৯॥

"ভয়ঙ্কৰ ক্ৰূৰ প্ৰকৃতিৰ আৰু অনিষ্ট কৰিব পৰা মন্দমতি দুষ্টলোকবিলাকে এনে অভিপ্ৰায়ৰ আশ্ৰয় লৈ জগতৰ শত্ৰু হৈ তাৰ নাশৰ কাৰণেই যেন উৎপন্ন হয়" ।৯॥

কামমাশ্ৰিত্য দুষ্পূৰং দম্ভমানমদান্বিতাঃ।
মোহাদ্‌ গৃহীত্বাসদ্‌গ্ৰাহান্‌ প্ৰৱৰ্ত্তন্তেঽশুচিৱ্ৰতাঃ ॥১০॥

"অতৃপ্ত কামনাৰে ভৰপূৰ, দাম্ভিক, অভিমানী, অহঙ্কাৰত অন্ধ, অশুভ কাৰী মোহৰ কাৰণে দুষ্ট-ইচ্ছান্বিত হৈ (কামত) প্ৰবৃত্ত হয়" ॥১০॥

চিন্তামপৰিমেয়াঞ্চ প্ৰলয়ান্তামুপাশ্ৰিতাঃ ।
কামোপভোগপৰমা এতাৱদিতিনিশ্চিতাঃ ॥১১॥
আশাপাশশতৈৰ্বদ্ধাঃ কামক্ৰোধপৰায়ণাঃ ।
ঈহন্তে কামভোগাৰ্থমন্যায়েনাৰ্থসঞ্চয়ান্ ॥১২॥

"প্ৰলয়কাললৈকে শেষ নোহোৱা অপৰিমিত চিন্তাৰ আশ্ৰয় লৈ কাম উপভোগী. 'ভোগেই সকলো' এনে নিশ্চয়কাৰী, শতেক আশাৰ জালত মেৰ খাই কামী, ক্ৰোধী লোকসকলে ভোগৰ কাৰণে অন্যায়কৈ সম্পত্তি সঞ্চয় কৰিব বিচাৰে" ॥১১॥১২॥

ইদমদ্য ময়া লব্ধমিমং প্ৰাপ্স্যে মনোৰথম্ ।
ইদমস্তীদমপি মে ভৱিষ্যতি পুনৰ্ধনম্ ॥১৩॥
অসৌ ময়া হতঃ শত্ৰুৰ্হনিষ্যে চাপৰানপি ।
ঈশ্বৰোঽহমহং ভোগী সিদ্ধোঽহং বলৱান্ সুখী ॥১৪॥
আঢ্যোঽভিজনৱানস্মি কোঽন্যোঽস্তি সদৃশো ময়া ।
যক্ষ্যে দাস্যামি মোদিষ্য ইত্যজ্ঞানৱিমোহিতাঃ ॥১৫॥
অনেকচিত্তৱিভ্ৰান্তা মোহজালসমাবৃতাঃ ।
প্ৰসক্তাঃ কামভোগেষু পতন্তি নৰকেঽশুচৌ ॥১৬॥

"আজি মই এইখিনি পালোঁ. এই মনোবাঞ্ছা পূৰণ হ'ল ; আজি মোৰ ইমানখিনি ধন হ'ল, কালিলৈ আকৌ ইমানখিনি ধন মোৰ হ'ব ; এই শত্ৰুক (এতিয়া) মাৰিলোঁ ; আন শত্ৰুকো (পিছত) মাৰিম ; মই সৰ্ব্বসম্পন্ন, ভোগী ; মই সিদ্ধ ; বলবান, সুখী হওঁ ; মই শ্ৰীমান. মই সদ্বংশজাত মোৰ সমান আৰু আন কোন আছে ? মই যজ্ঞ কৰিম, দান দিম, আনন্দ কৰিম ।" অজ্ঞানৰ দ্বাৰা মূঢ় হোৱা মানুহে এইদৰে ভাবে আৰু অনেক ভ্ৰান্তিত পৰি মোহজালত বান্ধ খায় আৰু বিষয়-ভোগত মত্ত হৈ অশুভ নৰকত পৰে" ॥১৩॥১৪॥১৫॥১৬॥

আত্মসম্ভাৱিতাঃ স্তব্ধা ধনমানমদান্বিতাঃ ।
যজন্তে নামযজ্ঞৈস্তে দম্ভেনাৱিধিপূৰ্বকম্ ॥১৭॥

"নিজকে ডাঙৰ বুলি ভবা, বিলাসী, ধন আৰু মানৰ অহঙ্কাৰত মত্ত থকা (এই লোকবিলাকে) দম্ভ আৰু বিধিৰ হিতৰ কাৰণে নামতহে মাত্ৰ যজ্ঞ কৰে" ॥১৭॥

অহঙ্কাৰং বলং দৰ্পং কামং ক্ৰোধঞ্চ সংশ্ৰিতাঃ ।
মামাত্মপৰদেহেষু প্ৰদ্বিষন্তোঽভ্যসূয়কাঃ ॥১৮॥

"অহঙ্কাৰ, বল, দৰ্প, কাম আৰু ক্ৰোধৰ আশ্ৰয় গ্ৰহণ কৰোঁতা নিন্দা কৰোঁতা লোকে তেওঁত আৰু সেইদৰে আনতো বিদ্যমান থকা মোক বিদ্বেষ কৰে" ॥১৮॥

তানহং দ্বিষতঃ ক্ৰূৰান্ সংসাৰেষু নৰাধমান্ ।
ক্ষিপাম্যজস্ৰমশুভানাসুৰীষ্বেৱযোনিষু ॥১৯॥

"এনে নীচ, বিদ্বেষী, ক্ৰূৰ, বিমঙ্গলীয়া, নৰাধমক মই এই সংসাৰত অত্যন্ত অসুৰী যোনিতে বাৰংবাৰ পেলাই দিওঁ অৰ্থাৎ গতি কৰাওঁ" । ১৯॥

আসুৰীং যোনিমাপন্না মূঢ়া জন্মনি জন্মনি ।
মামপ্ৰাপ্যৈৱ কৌন্তেয় ! ততো যান্ত্যধমাং গতিম্ ॥২০॥

"হে কৌন্তেয় । জন্মে জন্মে আসুৰী যোনি পাই, মোক নোপোৱাৰ কাৰণে, এই মুৰ্খ লোকবিলাকে তাতকৈয়ো অধম গতি পায়" ॥২০॥

ত্ৰিৱিধং নৰকস্যেদং দ্বাৰং নাশনমাত্মনঃ ।
কামঃ ক্ৰোধস্তথা লোভস্তস্মাদেতত্ৰয়ং ত্যজেৎ ॥২১॥

"আত্মাক নাশ কৰিব পৰা নৰকৰ এই তিনিখন দুৱাৰ কাম, ক্ৰোধ আৰু লোভ । এই কাৰণে মানুহে এই তিনিক (বৈৰীক) ত্যাগ কৰিব লাগে" ॥২১॥

এতৈৰ্বিমুক্তঃ কৌন্তেয়ঃ ! তমোদ্বাৰৈস্ত্ৰিভিৰ্নৰঃ ।
আচৰত্যাত্মনঃ শ্ৰেয়স্ততো যাতি পৰাং গতিম্ ॥২২॥

"হে কৌন্তেয় । এই ত্ৰিবিধ নৰকৰ দ্বাৰৰপৰা দূৰৈত থকা মানুহে আত্মাৰ কল্যাণৰ কাৰণে আচৰণ কৰে আৰু ইয়াৰপৰা পৰম গতি পায়" ॥২২॥

যঃ শাস্ত্ৰৱিধিমুৎসৃজ্য ৱৰ্ত্ততে কামকাৰতঃ ।
ন স সিদ্ধিমৱাপ্নোতি ন সুখং ন পৰাং গতিম্ ॥২৩॥

"যি মানুহে শাস্ত্ৰবিধি পৰিত্যাগ কৰি, স্বইচ্ছাই ভোগত লীন হয়, তেনেলোকে সিদ্ধিও নাপায় আৰু সুখো নাপায়, আৰু পৰম গতিও নাপায়" ॥২৩॥

টিপ্পনী :—

শাস্ত্ৰবিধিৰ অৰ্থ ধৰ্ম্মৰ নামত পৰিগণিত হোৱা গ্ৰন্থত উল্লেখ কৰা নানা প্ৰকাৰৰ ক্ৰিয়া নহয় ; বৰং অনুভৱৰ জ্ঞানদাতা, সৎপুৰুষসকলে প্ৰদৰ্শন কৰা সংযম-মাৰ্গ ॥

তস্মাচ্ছাস্ত্রং প্ৰমাণং তে কাৰ্য্যাকাৰ্য্যব্যৱস্থিতৌ ।
জ্ঞাত্বা শাস্ত্ৰৱিধানোক্তং কৰ্ম্ম কৰ্ত্তুমিহাৰ্হসি ॥২৪॥

"সেই কাৰণে কাৰ্য্য আৰু অকাৰ্য্য নিৰ্ণয় কৰোঁতে, তুমি শাস্ত্ৰৰ প্ৰমাণ জনা উচিত। শাস্ত্ৰবিধি কি তাক জানি সেইমতে কাম কৰা (তোমাৰ পক্ষে) উচিত" ॥২৪॥

টিপ্পনী :—

শাস্ত্ৰ সম্বন্ধে ওপৰত যি কোৱা হৈছে— ইয়াতো সেই একেই। সকলোৱে নিজ নিজ নিয়ম কৰি স্বেচ্ছাচাৰী হ'ব নালাগে, বৰং ধৰ্ম্মৰ অনুভৱকাৰী-লোকৰ বাক্যবিলাক প্ৰমাণিত বুলি মানি ল'ব লাগে। এয়ে এই শ্লোকৰ ভাবাৰ্থ ॥

ওঁ তৎ সৎ

এইদৰে শ্ৰীমদ্‌ভাগৱদ্‌গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগ শাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ দৈবাসুৰ সম্পদ বিভাগ নামৰ ১৬শ অধ্যায় সমাপ্ত হ'ল ॥

## সপ্তদশ অধ্যায়

## শ্ৰদ্ধাত্ৰয় বিভাগ যোগ ॥

শাস্ত্ৰবিধি অৰ্থাৎ শিষ্টাচাৰক প্ৰমাণৰূপে মানিব লাগে --এইটো শুনি অৰ্জ্জুনৰ এনে শঙ্কা হ'ল যে যদি শিষ্টাচাৰ মানিব নোৱাৰে অথচ শ্ৰদ্ধাৰে সৈতে কৰ্ম্ম আচৰণ কৰে, এনে লোকৰ কি গতি হয়? ইয়াৰে উত্তৰ এই অধ্যায়ত দিবলৈ চেষ্টা কৰা হৈছে।

শিষ্টাচাৰৰূপী আলোকস্তম্ভ এৰি দিয়াৰ পাছত শ্ৰদ্ধাত ভয়ৰ সম্ভাৱনা দেখুৱাই ভগৱানে সন্তোষ লাভ কৰিছে, আৰু সেইকাৰণে শ্ৰদ্ধা আৰু তাৰেই আশ্ৰয়াধীনৰূপে কৰা যজ্ঞ, তপ, দান আদি গুণানুসাৰে তিনিভাগ কৰি দেখুৱাইছে আৰু লগতে 'ওঁ তৎসৎ'ৰ মহিমা কীৰ্ত্তন কৰিছে।

অৰ্জ্জুন উবাচ :—

> যে শাস্ত্ৰবিধিমুৎসৃজ্য যজন্তে শ্ৰদ্ধয়ান্বিতাঃ।
> তেষাং নিষ্ঠা তু কা কৃষ্ণ! সত্ত্বমাহো ৰজস্তমঃ ॥১॥

অৰ্জ্জুনে ক'লে, "হে কৃষ্ণ! শাস্ত্ৰবিধি অৰ্থাৎ শিষ্টাচাৰ যি নামানে আৰু যিজনে কেৱল শ্ৰদ্ধাৰে পূজাদি কৰে, তেওঁলোকৰ গতি কেনে হয়? সাত্ত্বিক, ৰাজসিক নে তামসিক" ॥১॥

ভগৱান উবাচ :—

> ত্ৰিবিধা ভৱতি শ্ৰদ্ধা দেহিনাং সা স্বভাৱজা।
> সাত্ত্বিকী ৰাজসী চৈৱ তামসী চেতি তাং শৃণু ॥২॥

ভগৱানে ক'লে, "মানুহৰ স্বভাৱতেই তিনিপ্ৰকাৰৰ শ্ৰদ্ধা যেনে সাত্ত্বিক, ৰাজসিক আৰু তামসিক থাকে। (কেনেভাবে থাকে) তাকে তুমি শুনা" ॥২॥

> সত্ত্বানুৰূপা সৰ্বস্য শ্ৰদ্ধা ভৱতি ভাৰত!।
> শ্ৰদ্ধাময়োঽয়ং পুৰুষো যো যচ্ছ্ৰদ্ধঃ স এৱ সঃ ॥৩॥

"হে ভাৰত! নিজৰ শ্ৰদ্ধা নিজৰ স্বভাবৰ অনুসৰণ কৰে, মানুহ মাত্ৰৰেই অলপ নহয় অলপ শ্ৰদ্ধা থাকে, যাৰ যেনে শ্ৰদ্ধা, তেওঁ তেনেই হয়" ॥৩॥

> যজন্তে সাত্ত্বিকা দেৱান্ যক্ষৰক্ষাংসি ৰাজসাঃ।
> প্ৰেতান্ ভূতগণাংশ্চান্যে যজন্তে তামসা জনাঃ ॥৪॥

"সাত্ত্বিক লোকে দেৱতাসকলক ভজে, ৰাজৰ্ষীলোকসকলে যক্ষ আৰু ৰাক্ষসক ভজে, আৰু আন তামসিক লোকে ভূত-প্ৰেতাদিক ভজনা কৰে"॥৪॥

অশাস্ত্ৰবিহিতং ঘোৰং তপ্যন্তে যে তপো জনাঃ ।

দম্ভাহঙ্কাৰসংযুক্তাঃ কামৰাগবলান্বিতাঃ ॥৫॥

কৰ্শয়ন্তঃ শৰীৰস্থং ভূতগ্ৰামমচেতসঃ ।

মাঞ্চৈৱান্তঃশৰীৰস্থং তান্ বিদ্ধ্যাসুৰনিশ্চয়ান্ ॥৬॥

"দাম্ভিক আৰু অহঙ্কাৰ, কাম আৰু আসক্তিৰ বলত প্ৰেৰিত যিবিলাক লোকে শাস্ত্ৰীয় বিধি ৰহিত ঘোৰ তপ কৰে, এই মূৰ্খ লোক বিলাকে শৰীৰত থকা পঞ্চ মহাভূত আৰু অন্তঃকৰণত থকা মোকো কষ্ট দিয়ে, অৰ্থাৎ আকৃতি স্বৰূপে মানুহ হলেও আচলতে তেওঁবিলাকৰ অসুৰ স্বভাব বুলি জানিবা" ॥৫॥৬॥

আহাৰস্ত্বপি সৰ্বস্য ত্ৰিৱিধো ভৱতি প্ৰিয়ঃ ।

যজ্ঞস্তপস্তথা দানং তেষাং ভেদমিমং শৃণু ॥৭॥

"(তেওঁবিলাকৰ) আহাৰো তিনিপ্ৰকাৰৰ প্ৰিয় হয়। সেইদৰে যজ্ঞ, তপ আৰু দানো ত্ৰিবিধ হয়, সেই বিলাকৰ প্ৰভেদ তুমি শুনা" ॥৭॥

আয়ুঃসত্ত্বলাৰোগ্যসুখপ্ৰীতিবিৱৰ্দ্ধনাঃ ।

ৰস্যাঃ স্নিগ্ধাঃ স্থিৰা হৃদ্যা আহাৰাঃ সাত্ত্বিকপ্ৰিয়াঃ ॥৮॥

"আয়ুবৃদ্ধিকৰ, সাত্ত্বিক, বল, আৰোগ্য, সুখ আৰু ৰুচিকাৰক, ৰসাল, পুষ্টিকৰ, স্নিগ্ধ আৰু মন ভাল লগা এনে আহাৰেই সাত্ত্বিক লোকৰ প্ৰিয় হয়" ॥৮॥

কট্বম্ল-লৱণাত্যুষ্ণতীক্ষ্ণ-ৰুক্ষ-বিদাহিনঃ ।

আহাৰা ৰাজসস্যেষ্টা দুঃখশোকাময়প্ৰদাঃ ॥৯॥

"কেহা, টেঙা, লুণীয়া, বৰ গৰম, বৰকৈ ভজা, শুকান, দাহকাৰক আহাৰ ৰাজসিক লোকৰ প্ৰিয় হয় আৰু ই দুখ, শোক আৰু ৰোগ উৎপাদনকাৰী হয়" ॥৯॥

যাতযামং গতৰসং পূতিপৰ্য্যুষিতঞ্চ যৎ ।

উচ্ছিষ্টমপি চামেধ্যং ভোজনং তামসপ্ৰিয়ম্ ॥১০॥

"বহুত সময়ৰপৰা পৰি থকা, নীৰস, দুৰ্গন্ধময়, বাহী, উচ্ছিষ্ট অপবিত্ৰ ভোজন তামসিক লোকসকলৰ প্ৰিয় হয়" ॥১০॥

অফলাকাঙ্ক্ষিভিৰ্যজ্ঞো বিধিদিষ্টো য ইজ্যতে ।

যষ্টৱ্যমেৱেতি মনঃ সমাধায় স সাত্ত্বিকঃ ॥১১॥

"য'ত ফলৰ ইচ্ছা নাই, বিধি পূৰ্ব্বক কৰ্ত্তব্যজ্ঞান কৰি মনক নিয়োগ কৰি যি যজ্ঞ কৰা হয় সেই যজ্ঞই সাত্ত্বিক" ॥১১॥

অভিসন্ধায় তু ফলং দম্ভার্থমপি চৈৱ যৎ ।
ইজ্যতে ভৰতশ্রেষ্ঠ! তং যজ্ঞং ৱিদ্ধি ৰাজসম্ ॥১২॥

"হে ভাৰত শ্রেষ্ঠ! ফলৰ উদ্দেশ্য আৰু লগতে দম্ভেৰে সৈতে যি যজ্ঞ সমাপন কৰা হয়, সেই যজ্ঞকে ৰাজসিক যজ্ঞ বুলি জানিবা" ॥১২॥

ৱিধিহীনমসৃষ্টান্নং মন্ত্রহীনমদক্ষিণম্ ।
শ্রদ্ধাৱিৰহিতং যজ্ঞং তামসং পৰিচক্ষতে ॥১৩॥

"য'ত বিধি নাই, যাৰপৰা অন্নৰ উৎপত্তি নহয়, মন্ত্র নাই, ত্যাগ নাই, শ্রদ্ধা নাই, সেই যজ্ঞকে পণ্ডিত সকলে তামসিক যজ্ঞ বোলে" ॥১৩॥

দেৱ-দ্বিজ-গুৰু-প্রাজ্ঞপূজনং শৌচমাৰ্জ্জৱম্ ।
ব্রহ্মচর্য্যমহিংসা চ শাৰীৰং তপ উচ্যতে ॥১৪॥

"দেৱ, ব্ৰাহ্মণ, গুৰু আৰু জ্ঞানীৰ পূজা, পবিত্ৰতা, সৰলতা, ব্ৰহ্মচৰ্য্য আৰু অহিংসা, এইবিলাকক শাৰীৰিক তপ বোলা হয়" ॥১৪॥

অনুদ্বেগকৰং ৱাক্যং সত্যং প্রিয়হিতঞ্চ যৎ ।
স্বাধ্যায়াভ্যসনং চৈৱ ৱাঙ্ময়ং তপ উচ্যতে ॥১৫॥

"উদ্বেগ নথকা, (অৰ্থাৎ যাৰ দ্বাৰা কাকো দুঃখ দিয়া নাই), সত্য, প্রিয়, হিতকৰ বচন, সেইদৰে ধৰ্ম্ম গ্ৰন্থৰ অভ্যাস, ইয়াকে বাচিক তপ বোলা হয়" ॥১৫॥

মনঃপ্রসাদঃ সৌম্যত্বং মৌনমাত্মৱিনিগ্রহঃ ।
ভাৱসংশুদ্ধিৰিত্যেতৎ তপো মানসমুচ্যতে ॥১৬॥

"মনৰ প্ৰসন্নতা, সৌম্যতা, মৌন, আত্মসংযম, ভাৱনাশুদ্ধি ইয়াকে মানসিক তপ বোলে" ॥১৬॥

শ্রদ্ধয়া পৰয়া তপ্তং তপস্তৎ ত্রিৱিধং নৰৈঃ ।
অফলাকাঙ্ক্ষিভিৰ্যুক্তৈঃ সাত্ত্বিকং পৰিচক্ষতে ॥১৭॥

"সমভাবযুক্ত পুৰুষে যেতিয়া ফলেচ্ছা ত্যাগ কৰি পৰম শ্ৰদ্ধা সহিতে এই তিনি প্ৰকাৰ তপ কৰে, তেতিয়া জ্ঞানীলোকে ইয়াক সাত্ত্বিক তপ বুলি কয়" ॥১৭॥

সংকাৰমানপূজার্থং তপো দম্ভেন চৈৱ যৎ ।
ক্রিয়তে তদিহ প্রোক্তং ৰাজসং চলমধ্রুৱম্ ॥১৮॥

"যি সংকাৰ, মান আৰু পূজাৰ (সন্মানৰ) অৰ্থে দম্ভেৰে কৰা হয় সেই অস্থিৰ আৰু অনিশ্চিত তপকে ৰাজস্ বোলে" ॥১৮॥

মূঢ়গ্ৰাহেণাত্মনো যৎ পীড়য়া ক্ৰিয়তে তপঃ ।
পৰস্যোৎসাদনাৰ্থং ৱা তৎ তামসমুদাহৃতম্ ॥১৯॥

"যি তপ আত্মপীড়া দ্বাৰা বা অবিৱেক আৰু মূঢ়তাবশতঃ নাইবা আনৰ নাশৰ কাৰণে কৰা হয় তাক তামস্ তপ বোলা হয়" ॥১৯॥

দাতৱ্যমিতি যদ্দানং দীয়তেঽনুপকাৰিণে ।
দেশে কালে চ পাত্ৰে চ তদ্দানং সাত্ত্বিকং স্মৃতম্ ॥২০॥

"দিবৰ যোগ্যতা বিৱেচনা কৰি ঘূৰাই একো পাবলৈ আশা নকৰি দেশ-কাল আৰু পাত্ৰ চাই যি দান দিয়া হয় তাকেই সাত্ত্বিক দান বোলে" ॥২০॥

যত্তু প্ৰত্যুপকাৰাৰ্থং ফলমুদ্দিশ্য বা পুনঃ ।
দীয়তে চ পৰিক্লিষ্টং তদ্দানং ৰাজসং স্মৃতম্ ॥২১॥

"যি দান ওলোটাই পাবৰ আশাত, ফল আশা কৰি নাইবা দুখেৰে দিয়া হয় তাক ৰাজসিক দান বোলা হয়" ॥২১॥

অদেশকালে যদ্দানমপাত্ৰেভ্যশ্চ দীয়তে ।
অসৎকৃতমৱজ্ঞাতং তৎ তামসমুদাহৃতম্ ॥২২॥

"দেশ, কাল, পাত্ৰ চাই যি দান অৱজ্ঞা আৰু তিৰস্কাৰ কৰি দিয়া হয়, তাক তামসিক দান বোলা হয়" ॥২২॥

ওঁ তৎসদিতি নিৰ্দ্দেশো ব্ৰহ্মণস্ত্ৰিৱিধঃ স্মৃতঃ ।
ব্ৰাহ্মণাস্তেন ৱেদাশ্চ যজ্ঞাশ্চ ৱিহিতাঃ পুৰা ॥২৩॥

"ব্ৰহ্মৰ বৰ্ণনা—"ওঁ তৎ সৎ" এই ধৰণেৰে তিনি প্ৰকাৰ কৰা হৈছে আৰু ইয়াৰ দ্বাৰাই পুৰাকালৰপৰাই ব্ৰাহ্মণ, বেদ আৰু যজ্ঞ সৃষ্টি কৰা হৈছিল" ॥২৩॥

তস্মাদোমিত্যুদাহৃত্য যজ্ঞদানতপঃক্ৰিয়াঃ ।
প্ৰৱৰ্ত্তন্তে ৱিধানোক্তাঃ সততং-ব্ৰহ্মৱাদিনাম্ ॥২৪॥

"সেই কাৰণে ব্ৰহ্মবাদীসকলে "ওঁ" উচ্চাৰণ কৰি যজ্ঞ, দান আৰু তপ-ৰূপী ক্ৰিয়াবিলাক সদায় বিধিবৎ কৰা হৈছিল" ॥২৪॥

তদিত্যনভিসন্ধায় ফলং যজ্ঞতপঃক্ৰিয়াঃ ।
দানক্ৰিয়াশ্চ ৱিৱিধাঃ ক্ৰিয়ন্তে মোক্ষকাঙ্ক্ষিভিঃ ॥২৫॥

"আৰু মোক্ষাৰ্থীসকলে "তৎ" শব্দ উচ্চাৰণ কৰি ফলৰ আশা এৰি যজ্ঞ, তপ আৰু দানৰূপী বিবিধ ক্ৰিয়া কৰে" ॥২৫॥

সদ্ভাবে সাধুভাবে চ সদিত্যেতৎ প্ৰযুজ্যতে ।
প্ৰশস্তে কৰ্ম্মণি তথা সচ্ছব্দঃ পাৰ্থ ! যুজ্যতে ॥২৬॥

"সত্য আৰু কল্যাণৰ অৰ্থে "সৎ" শব্দৰ প্ৰয়োগ হয় । আৰু হে পাৰ্থ ! ভাল বা প্ৰশস্ত কৰ্ম্মত "সৎ" শব্দৰ ব্যৱহাৰ হয়" ॥২৬॥

যজ্ঞে তপসি দানে চ স্থিতিঃ সদিতি চোচ্যতে ।
কৰ্ম্ম চৈব তদৰ্থীয়ং সদিত্যেবাভিধীয়তে ॥২৭॥

"যজ্ঞ, তপ, দানৰ স্থিতিকো (দৃঢ়তাকো) "সৎ" বোলে "তৎ"ৰ কাৰণে কৰ্ম্ম এনে সঙ্কল্পকো সৎ বোলা হয়" ॥২৭॥

টিপ্পনী :—

ওপৰৰ তিনিশ্লোকৰ ভাবাৰ্থ এয়ে যে প্ৰত্যেক কৰ্ম্মকে ঈশ্বৰত অৰ্পণ কৰি কৰিব লাগে । কিয়নো "ওঁ"য়েই সৎ আৰু সত্যও । তেওঁত অৰ্পণ কৰিলে মানুহ উৰ্দ্ধগামী হ'ব পাৰে ।

অশ্ৰদ্ধয়া হুতং দত্তং তপস্তপ্তং কৃতঞ্চ যৎ ।
অসদিত্যুচ্যতে পাৰ্থ ! ন চ তৎ প্ৰেত্য নো ইহ ॥২৮॥

হে পাৰ্থ ! যি যজ্ঞ, দান, তপ বা আন কাৰ্য্য বিনাশ্ৰদ্ধাৰে কৰা হয় তাক অসৎ বোলে । ই ইয়াতো কোনো কামত নাহে আৰু নৰলোকৰ কাৰণেও কোনো ফলদায়ক নহয় ।

## ওঁ তৎ সৎ

এই প্ৰকাৰে শ্ৰীমদ্ভাগৱদ্গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যান্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদৰ শ্ৰদ্ধাত্ৰয় যোগ নামৰ ১৭শ অধ্যায় সমাপ্ত হ'ল ।

# অষ্টাদশ অধ্যায়

## সন্ন্যাস যোগ

এই অধ্যায় উপসংহাৰ স্বৰূপ বুলি কব পাৰি। গীতাৰ মূলমন্ত্র এইটো বুলি কব পাৰি—"সকলো ধৰ্ম্ম পৰিত্যাগ কৰি মোতে শৰণ লোৱাঁ।" ইয়েই আচল সন্ন্যাস। কিন্তু সকলো ধৰ্ম্ম ত্যাগৰ অৰ্থ সকলো কৰ্ম্মৰেই ত্যাগ নহয়। পৰোপকাৰাৰ্থে কৰা কৰ্ম্ম সৰ্ব্বোৎকৃষ্ট কৰ্ম্ম। সেইটো তেওঁতেই অৰ্পণ কৰা আৰু ফল-কামনা ত্যাগ কৰা—এয়ে সৰ্ব্ব ধৰ্ম্ম ত্যাগ অথবা সন্ন্যাস।

অৰ্জ্জুন উবাচঃ—

সন্ন্যাসস্য মহাবাহো! তত্ত্বমিচ্ছামি বেদিতুম্।
ত্যাগস্য চ হৃষীকেশ! পৃথক্ কেশিনিষূদন! ॥১॥

অৰ্জ্জুনে ক'লে, "হে মহাবাহু! হে হৃষীকেশ! হে কেশীনিসূদন, সন্ন্যাস আৰু ত্যাগৰ বেলেগ বেলেগ ৰহস্য মই জানিবলৈ ইচ্ছা কৰো" ॥১॥

শ্ৰীভগৱানুবাচঃ—

কাম্যানাং কৰ্ম্মনাং ন্যাসং সন্ন্যসং কৱয়ো ৱিদুঃ।
সৱকৰ্ম্মফলত্যাগং প্ৰাহুস্ত্যাগং ৱিচক্ষণাঃ ॥২॥

শ্ৰীভগৱানে ক'লে, "কাম্য কৰ্ম্মৰ ত্যাগকেই জ্ঞানীসকলে সন্ন্যাস বুলি জানে। সমস্ত কৰ্ম্মৰ ফল ত্যাগকেই বুদ্ধিমান লোকে ত্যাগ বুলি কয়" ॥২॥

ত্যাজ্যং দোষৱদিত্যেকে কৰ্ম্ম প্ৰাহুৰ্ম্মনীষিণঃ।
যজ্ঞদানতপঃকৰ্ম্ম ন ত্যাজ্যমিতি চাপৰে ॥৩॥

"কোনো কোনো ন্যায় শাস্ত্ৰানুসাৰে বিচাৰকাৰী পুৰুষে কয় যে কৰ্ম্ম-মাত্ৰই দোষযুক্ত হোৱাৰ কাৰণে ত্যাগ কৰিব লাগে। আন কিছুমানে কয় যে যজ্ঞ দান আৰু তপৰূপী কৰ্ম্ম ত্যাগ কৰিব নাপায়" ॥৩॥

নিশ্চয়ং শৃণু মে তত্ৰ ত্যাগে ভৰতসত্তম!
ত্যাগো হি পুৰুষৱ্যাঘ্ৰ! ত্ৰিৱিধঃ সংপ্ৰকীৰ্ত্তিতঃ ॥৪॥

"হে ভৰত সত্তম! এই ত্যাগ সম্বন্ধে মোৰ নিৰ্ণয় শুনা। হে পুৰুষ ব্যাঘ্ৰ! ত্যাগৰ বৰ্ণনা তিনি প্ৰকাৰে কৰা হৈছে" ॥৪॥

যজ্ঞদানতপঃকৰ্ম্ম ন ত্যাজ্যং কাৰ্য্যমেৱ তৎ।
যজ্ঞো দানং তপশ্চৈৱ পাৱনানি মনীষিণাম্ ॥৫॥

"যজ্ঞ, দান আৰু তপৰূপী কৰ্ম্ম ত্যাগ কৰিব নাপায় কিন্তু কৰিবহে লাগে। যজ্ঞ, দান আৰু তপে বিৱেকীলোক সকলক উদ্ধাৰহে কৰে" ॥৫॥

এতান্যপি তু কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা ফলানি চ।
কৰ্ত্তৱ্যানীতি মে পাৰ্থ! নিশ্চিতং মতমুত্তমম্ ॥৬॥

"হে পাৰ্থ! এই কৰ্ম্মও আসক্তি আৰু ফলেচ্ছা ত্যাগ কৰি কৰিব লাগে। এয়ে মোৰ নিশ্চিত আৰু উত্তম অভিমত" ॥৬॥

নিয়তস্য তু সন্ন্যাসঃ কৰ্ম্মণো নোপপদ্যতে।
মোহাৎ তস্য পৰিত্যাগস্তামসঃ পৰিকীৰ্ত্তিতঃ ॥৭॥

"নিয়ত কৰ্ম্ম ত্যাগ কৰা উচিত নহয়। মোহৰ বশ হৈ যদি তাক ত্যাগ কৰা যায় তেন্তে সেই ত্যাগ তামস বুলি ধৰা হয়" ॥৭॥

দুঃখমিত্যেৱ যৎ কৰ্ম্ম কায়ক্লেশভয়াৎ ত্যজেৎ।
স কৃত্বা ৰাজসং ত্যাগং নৈৱ ত্যাগফলং লভেৎ ॥৮॥

"দুঃখদায়ক বুলি জানি শৰীৰৰ কষ্টৰ ভয়ত যি কৰ্ম্ম ত্যাগ কৰা হয় সেইটো ৰাজস ত্যাগ আৰু তাৰ পৰা সেই ত্যাগৰ কোনো ফল লাভ নহয়" ॥৮॥

কাৰ্য্যমিত্যেৱ যৎ কৰ্ম্ম নিয়তং ক্রিয়তেঽৰ্জ্জুন!
সঙ্গং ত্যক্ত্বা ফলঞ্চৈৱ স ত্যাগঃ সাত্ত্বিকো মতঃ ॥৯॥

"হে অৰ্জ্জুন! 'কৰা উচিত' এনেদৰে জ্ঞান কৰি যি নিয়ত কৰ্ম্ম আসক্তি আৰু ফল ত্যাগ কৰা হয়, তেনে ত্যাগকেই সাত্ত্বিক বুলি ধৰা হয়" ॥৯॥

ন দ্বেষ্ট্যকুশলং কৰ্ম্ম কুশলে নানুষজ্জতে।
ত্যাগী সত্ত্বসমাৱিষ্টো মেধাৱী ছিন্নসংশয়ঃ ॥১০॥

"সংশয় ৰহিত, শুদ্ধভাৱনাযুক্ত, ত্যাগী আৰু বুদ্ধিমানলোকে অসুবিধাজনক কামলৈ ভয় নকৰে আৰু সুবিধাজনক কামত ভোল নাযায় বা প্ৰীত নহয়" ॥১০॥

ন হি দেহভৃতা শক্যং ত্যক্তুং কৰ্ম্মাণ্যশেষতঃ।
যস্তু কৰ্ম্মফলত্যাগী স ত্যাগীত্যভিধীয়তে ॥১১॥

"সর্বতোভাৱে কর্ম্মত্যাগ দেহধাৰীৰ পক্ষে সম্ভৱপৰ নহয়। পৰন্তু যিজনে কর্ম্মফল ত্যাগ কৰে এনেজনকেই ত্যাগী বোলা হয়" ॥১১॥

অনিষ্টমিষ্টং মিশ্রঞ্চ ত্রিৱিধং কর্ম্মণঃ ফলম্ ।
ভৱত্যত্যাগিনাং প্রেত্য ন তু সন্ন্যাসিনাং ক্বচিৎ ॥১২॥

"অত্যাগীৰ কর্ম্মৰ ফল কালান্তৰত (মৰাৰ পিছত) তিনি প্রকাৰ হয়:— অশুভ, শুভ আৰু শুভাশুভ। যি ত্যাগী তেওঁৰ কেতিয়াও এনে নহয়" ॥১২॥

পঞ্চৈতানি. মহাবাহো! কাৰণানি নিৱোধ মে ।
সাংখ্যে কৃতান্তে প্রোক্তানি সিদ্ধয়ে সর্বকর্ম্মণাম্ ॥১৩॥

"হে মহাবাহু! কর্ম্ম মাত্রৰে সিদ্ধিৰ বিষয়ে সাংখ্য শাস্ত্রত পাঁচোটা কাৰণ বুলি কোৱা হৈছে। সেইবিলাক শুনা" ॥১৩॥

অধিষ্ঠানং তথা কর্ত্তা কৰণঞ্চ পৃথগ্‌ৱিধম্ ।
ৱিৱিধাশ্চ পৃথক্ চেষ্টা দৈৱঞ্চৈৱাত্র পঞ্চমম্ ॥১৪॥

সেই পাঁচোটা এই—"ক্ষেত্র, কর্ত্তা, ভিন ভিন সাধনা, ভিন ভিন ক্রিয়া আৰু পঞ্চম দৈৱ" ॥১৪॥

শৰীৰৱাঙ্মনোভির্যৎ কর্ম্ম প্রাৰভতে নৰঃ ।
ন্যায্যং ৱা ৱিপৰীতং ৱা পঞ্চৈতে তস্য হেতৱঃ ॥১৫॥

"শৰীৰ, বাক্য আৰু মনেৰে যিকোনো কর্ম্ম মানুহে নীতিসম্মত নাইবা নীতি-বিৰুদ্ধভাৱে কৰে তাৰ এই পাঁচোটিয়েই কাৰণ" ॥১৫॥

তত্রৈৱং সতি কর্ত্তাৰমাত্মানং কেৱলন্তু যঃ ।
পশ্যত্যকৃতবুদ্ধিত্বান্ন স পশ্যতি দুর্ম্মতিঃ ॥১৬॥

"এনে হোৱা সত্ত্বেও অমার্জ্জিত বুদ্ধিৰ কাৰণে যি লোকে নিজকেই কর্ত্তা বুলি ভাৱে তেনে দুর্ম্মতিয়ে একোকে বুজি নাপায়" ॥১৬॥

যস্য নাহংকৃতো ভাৱো বুদ্ধির্যস্য ন লিপ্যতে ।
হত্বাপি স ইমাঁল্লোকান্ ন হন্তি ন নিবধ্যতে ॥১৭॥

"যাৰ মনত অহঙ্কাৰ ভাৱ নাই, যাৰ বুদ্ধি নির্ম্মল, তেওঁ এই জগতক হত্যা কৰিও হত্যা নকৰে, নাইবা নিজেও বন্ধনত নপৰে" ॥১৭॥

টিপ্পনী :—

ওপৰে ওপৰে পঢ়িলে এই শ্লোকে মানুহক ভ্রমত পেলাব পাৰে। গীতাৰ বহুত শ্লোক, কাল্পনিক আদর্শ অৱলম্বন কৰি ৰচনা কৰা। তাৰ আচল আদর্শ বাস্তৱ জগতত পাব নোৱাৰে। আৰু প্রমাণৰ কাৰণে যেনেকৈ ৰেখা-

গণিতৰ (জ্যামিতি) কাল্পনিক আদৰ্শ আকৃতি কিছুমানৰ আৱশ্যক সেইদৰে ধৰ্ম্মৰ ব্যৱহাৰৰ কাৰণেও প্ৰয়োজনীয়। সেই কাৰণে এই শ্লোকৰ অৰ্থ এইদৰে কৰিব পাৰি—যাৰ অহং ভাৱ ধূলিকণা সদৃশ হৈ গৈছে আৰু যাৰ বুদ্ধিত লেশমাত্ৰ মলিনতা নাই তেওঁৰ সম্বন্ধে ক'ব পাৰি যে তেওঁ সমস্ত জগতকে যদি মাৰিও পেলায়, পেলাওক। আচলতে কিন্তু যাৰ অহং জ্ঞান নাই তাৰ শৰীৰেই বা আছে ক'ত; যাৰ বুদ্ধি নিৰ্ম্মল হৈ গৈছে, তেওঁ ত্ৰিকাল দৰ্শী তেনে পুৰুষজন কেৱল ভগবানহে হয়। তেওঁ সকলো কৰিও অকৰ্ত্তা। হত্যা কৰিও অহিংস। সেই কাৰণে মানুহৰ পক্ষে হত্যা নকৰাই শিষ্টাচাৰ আৰু শাস্ত্ৰ সম্মত একমাত্ৰ পথ।

জ্ঞানং জ্ঞেয়ং পৰিজ্ঞাতা ত্ৰিৱিধা কৰ্ম্মচোদনা।
কৰণং কৰ্ম্ম কৰ্ত্তেতি ত্ৰিৱিধঃ কৰ্ম্মসংগ্ৰহঃ ॥১৮॥

"কৰ্ম্মৰ প্ৰেৰণাত তিনটা তত্ত্ব বিদ্যমান আছে—জ্ঞান, জ্ঞেয়, পৰিজ্ঞাতা। কৰ্ম্মৰ অঙ্গ তিনিপ্ৰকাৰ—ইন্দ্ৰিয়বিলাক, ক্ৰিয়া আৰু কৰ্ত্তা" ॥১৮॥

টিপ্পনী :--

ইয়াত আচাৰ আৰু বিচাৰৰ সমীকৰণ আছে। প্ৰথমে কৰ্ত্তব্যকৰ্ম্ম (জ্ঞেয়), তাৰ বিধি (জ্ঞান) জানে-- অৰ্থাৎ পৰিজ্ঞাতা হয়। এই প্ৰকাৰ কৰ্ম্মপ্ৰেৰণাৰ পাছত ইন্দ্ৰিয়ৰ দ্বাৰা কাৰ্য্যৰ কৰ্ত্তা হয়। এয়ে কৰ্ম্মসংগ্ৰহ।

জ্ঞানং কৰ্ম্ম চ কৰ্ত্তা চ ত্ৰিধৈৱ গুণভেদতঃ।
প্ৰোচ্যতে গুণসংখ্যানে যথাৱচ্ছৃণু তান্যপি ॥১৯॥

"জ্ঞান, কৰ্ম্ম আৰু কৰ্ত্তা, গুণৰ ভেদাভেদ অনুসাৰে তিনি প্ৰকাৰৰ হয়। গুণ গণনাত সেইবিলাকক কিদৰে বৰ্ণনা কৰিছে শুনা" ॥১৯॥

সৰ্ৱভূতেষু যেনৈকং ভাৱমৱ্যয়মীক্ষতে।
অৱিভক্তং ৱিভক্তেষু তজ্জ্ঞানং ৱিদ্ধি সাত্ত্বিকম্ ॥২০॥

"যিহৰ দ্বাৰা মানুহে সমস্ত ভূততেই এক অবিনাশী ভাব আৰু বিৱিধৰ মাজত 'এক'ক দেখা পায়, সেয়ে সাত্বিক জ্ঞান" ॥২০॥

পৃথক্‌ত্বেন তু যজ্জ্ঞানং নানাভাৱান্ পৃথগ্‌ৱিধান্।
ৱেত্তি সৰ্ৱেষু ভূতেষু তজ্জ্ঞানং ৱিদ্ধি ৰাজসম্ ॥২১॥

"(দেখোঁতে) বেলেগ বেলেগ হোৱাৰ কাৰণে সমস্ত ভূততেই যাৰ দ্বাৰাই বেলেগ বেলেগ বিভক্ত ভাব দেখা পায়, সেই জ্ঞানকে ৰাজস বুলি জানিবা" ॥২১॥

যৎ তু কৃৎস্নৱদেকস্মিন্ কাৰ্য্যে সক্তমহৈতুকম্ ।
অতত্ত্বাৰ্থৱদল্পঞ্চ তৎতামসমুদাহৃতম্ ॥২২॥

"যাৰ দ্বাৰাই একেটা কাৰ্য্যই কোনো কাৰণ নোহোৱাকৈ চলি থকা বুলি বোধ হয়, যি ৰহস্যৰহিত আৰু তুচ্ছ তাকে তামস জ্ঞান বোলে" ॥২২॥

নিয়তং সঙ্গৰহিতমৰাগদ্বেষতঃ কৃতম্ ।
অফলপ্ৰেপ্সুনা কৰ্ম্ম যৎ তৎ সাত্ত্বিকমুচ্যতে ॥২৩॥

"ফলৰ আকাঙ্ক্ষাৰহিত পুৰুষে আসক্তি আৰু ৰাগ-দ্বেষ বিহীন হৈ কৰা নিয়ত কৰ্ম্মকেই সাত্ত্বিক বোলে" ॥২৩॥

টিপ্পনী:—৩য়—৮ম শ্লোকৰ টিপ্পনী চোৱা ।

যৎ তু কামেপ্সুনা কৰ্ম্ম সাহঙ্কাৰেণ ৱা পুনঃ ।
ক্ৰিয়তে বহুলায়াসং তদ্ৰাজসমুদাহৃতম্ ॥২৪॥

"ভোগৰ ইচ্ছা ৰাখি যি কাম 'মই কৰিছোঁ' এই ভাবত বহুত সাধ্য হলেও তাকে ৰাজস বোলে" ॥২৪॥

অনুবন্ধং ক্ষয়ং হিংসামনপে(ৱে)ক্ষ্য চ পৌৰুষম্ ।
মোহাদাৰভ্যতে কৰ্ম্ম যৎ তৎ তামসমুচ্যতে ॥২৫॥

"যি কাম মানুহে পৰিণাম, হানি, হিংসাভাব আৰু নিজৰ শক্তি বিচাৰ নকৰাকৈ মোহবশতঃ আৰম্ভ কৰে তাক তামস কৰ্ম্ম বোলে" ॥২৫॥

মুক্তসঙ্গোঽনহংৱাদী ধৃত্যুৎসাহসমন্বিতঃ ।
সিদ্ধ্যসিদ্ধ্যোৰ্নিৰ্ৱিকাৰঃ কৰ্ত্তা সাত্ত্বিক উচ্যতে ॥২৬॥

"যিজন আসক্তি আৰু অহঙ্কাৰশূন্য, যাৰ হৃদয়ত দৃঢ়তা আৰু উৎসাহ আছে, যিজনে সফলতা আৰু নিষ্ফলতাত হৰ্ষ-শোক নকৰে তেনেজনকেই সাত্ত্বিক কৰ্ত্তা বোলে" ॥২৬॥

ৰাগী কৰ্ম্মফলপ্ৰেপ্সুৰ্লুব্ধো হিংসাত্মকোঽশুচিঃ ।
হৰ্ষশোকান্বিতঃ কৰ্ত্তা ৰাজসঃ পৰিকীৰ্ত্তিতঃ ॥২৭॥

"যি ৰাগী (অৰ্থাৎ কামনা পৰবশ, বিষয়ানুৰাগী) কৰ্ম্মফলাকাঙ্ক্ষী, লোভী, হিংসুক, মলিন, হৰ্ষ আৰু শোকযুক্ত, তেনেজনকে ৰাজস কৰ্ত্তা বোলে" ॥২৭॥

অযুক্তঃ প্ৰাকৃতঃ স্তব্ধঃ শঠো নৈষ্কৃতিকোঽলসঃ ।
ৱিষাদী দীৰ্ঘসূত্ৰী চ কৰ্ত্তা তামস উচ্যতে ॥২৮॥

"যি অব্যবহিত (যাৰ কোনো কামতে স্থিৰতা নাথাকে) বিবেকহীন,

গৰ্ব্বিত, শঠ, নীচ, এলেহুৱা, অপ্ৰসন্ন আৰু দীৰ্ঘসূত্ৰী তাকেই তামস কৰ্ত্তা বোলে" ॥২৮॥

বুদ্ধের্ভেদং ধৃতেশ্চৈর গুণতস্ত্রিরিধং শৃণু ।
প্ৰোচ্যমানমশেষেণ পৃথক্‌ত্বেন ধনঞ্জয় ॥২৯॥

"হে ধনঞ্জয় ! সত্ত্বাদিগুণ ভেদ বশতঃ, বুদ্ধি আৰু ধৃতিৰ গুণ অনুসাৰেও যে তিনি প্ৰকাৰ ভেদ আছে তাক এতিয়া সুকীয়াকৈ স্পষ্টভাৱে কওঁ শুনা" ॥২৯॥

প্ৰর‍ৃত্তিঞ্চ নির‍ৃত্তিঞ্চ কাৰ্য্যাকাৰ্য্যে ভয়াভয়ে ।
বন্ধং মোক্ষঞ্চ যা রেত্তি বুদ্ধিঃ সা পাৰ্থ ! সাত্ত্বিকী ॥৩০॥

"প্ৰবৃত্তি-নিবৃত্তি, কাৰ্য্য-অকাৰ্য্য, ভয়-অভয়, বন্ধন-মোক্ষ-এইবিলাকৰ ভেদ যি বুদ্ধিয়ে জানে সেয়ে সাত্ত্বিক বুদ্ধি" ॥৩০॥

যয়া ধৰ্ম্মমধৰ্ম্মঞ্চ কাৰ্য্যঞ্চাকাৰ্য্যমেৱ চ ।
অযথাৱৎ প্ৰজানাতি বুদ্ধিঃ সা পাৰ্থ ! ৰাজসী ॥৩১॥

"যি বুদ্ধি, ধৰ্ম্ম অধৰ্ম্ম, আৰু কাৰ্য্য আৰু অকাৰ্য্য যথাযথৰূপে নাজানে অৰ্থাৎ বিচাৰ ভুলকৈ কৰে, হে পাৰ্থ ! সেই বুদ্ধি ৰাজসিক" ॥৩১॥

অধৰ্ম্মং ধৰ্ম্মমিতি যা মন্যতে তমসার‍ৃতা ।
সৰ্ব্বাৰ্থান্ রিপৰীতাংশ্চ বুদ্ধিঃ সা পাৰ্থ ! তামসী ॥৩২॥

"যি বুদ্ধি অন্ধকাৰেৰে আবৃত হৈ আছে, অধৰ্ম্মকে ধৰ্ম্ম বুলি মানে আৰু সকলো কথাকে বিপৰীতভাৱে দেখে সেয়ে তামসিক" ॥৩১॥

ধৃত্যা যয়া ধাৰয়তে মনঃপ্ৰাণেন্দ্ৰিয়ক্ৰিয়াঃ ।
যোগেনাৱ্যভিচাৰিণ্যা ধৃতিঃ সা পাৰ্থ ! সাত্ত্বিকী ॥৩৩॥

"যি একনিষ্ঠ ধৃতিৰ দ্বাৰা মানুহে মন, প্ৰাণ আৰু ইন্দ্ৰিয়ৰ ক্ৰিয়াবিলাক সাম্য বুদ্ধিৰে ধাৰণা কৰে, হে পাৰ্থ, সেই ধৃতি সাত্ত্বিকী" ॥৩৩॥

যয়া তু ধৰ্ম্মকামাৰ্থান্ ধৃত্যা ধাৰয়তেঽৰ্জ্জুন ! ।
প্ৰসঙ্গেন ফলাকাঙ্ক্ষী ধৃতিঃ সা পাৰ্থ ! ৰাজসী ॥৩৪॥

"হে পাৰ্থ ! যি ধৃতিৰ দ্বাৰা ফলাকাঙ্ক্ষী হৈ ধৰ্ম্ম, কাম আৰু অৰ্থ আসক্তি সহকাৰে ধাৰণ কৰে সেয়ে ধৃতি ৰাজসী" ॥৩৪॥

যয়া স্বপ্নং ভয়ং শোকং রিষাদং মদমেৱ চ ।
ন রিমুঞ্চতি দুৰ্মেধা ধৃতিঃ সা পাৰ্থ ! তামসী ॥৩৫॥

"যি ধৃতিৰ দ্বাৰাই দুৰ্ব্বুদ্ধিযুক্ত মানুহে নিদ্ৰা, ভয়, শোক নিৰাশা আৰু মদ (গৰ্ব্ব) পৰিত্যাগ কৰিব নোৱাৰে সেয়ে, হে পাৰ্থ, তামসী ধৃতি" ॥৩৫॥

সুখং ত্বিদানীং ত্ৰিৱিধং শৃণু মে ভৰতৰ্ষভ ! ।
অভ্যাসাদ্ ৰমতে যত্ৰ দুঃখান্তঞ্চ নিগচ্ছতি ॥৩৬॥
যত্তদগ্ৰে ৱিষমিৱ পৰিণামেঽমৃতোপমম ।
তৎ সুখং সাত্ত্বিকং প্ৰোক্তমাত্মবুদ্ধিপ্ৰসাদজম ॥৩৭॥

"হে ভৰতৰ্ষভ, এতিয়া তিনিপ্ৰকাৰৰ সুখ বৰ্ণনা কৰো, মোৰ পৰা শুনা । যি অভ্যাস কৰোতে মানুহে আনন্দ পায় ; য'ত য'ত দুখৰ অন্ত হৈ গৈছে, যিটো প্ৰথমে আৰম্ভ কৰোতে বিষৰ দৰে হয়, কিন্তু শেষত অমৃতৰ দৰে হয়, যি আত্মজ্ঞানৰ প্ৰসন্নতাৰ পৰা উদ্ভৱ হয়, ইয়াকে সাত্ত্বিক সুখ বোলে" ॥৩৬॥৩৭॥

ৱিষয়েন্দ্ৰিয়সংযোগাদ্ যত্তদগ্ৰেঽমৃতোপমম্ ।
পৰিণামে ৱিষমিৱ তৎ সুখং ৰাজসং স্মৃতম্ ॥৩৮॥

"বিষয় আৰু ইন্দ্ৰিয়ৰ সংযোগৰ পৰা আৰু যিটো আৰম্ভৰে পৰা অমৃত সদৃশ লাগে কিন্তু পৰিণামত বিষৰ দৰে হয়. সেই সুখকে ৰাজস সুখ বোলা হৈছে" ॥৩৮॥

যদগ্ৰে চানুৱন্ধে চ সুখং মোহনমাত্মনঃ ।
নিদ্ৰালস্য প্ৰমাদোত্থং তৎ তামসমুদাহৃতম্ ॥৩৯॥

"যিটো আৰম্ভত আৰু পৰিণামত আত্মাক মোহিত কৰে, আৰু নিদ্ৰা, এলাহ, আৰু প্ৰমাদৰ [কৰ্ত্তব্য অৱধাৰণ কৰিব নোৱাৰা] পৰা উৎপত্তি হয়, সেইটোক তামস সুখ বোলা হয়" ॥৩৯॥

ন তদস্তি পৃথিৱ্যাং ৱা দিৱি দেৱেষু ৱা পুনঃ ।
সত্ত্বং প্ৰকৃতিজৈৰ্মুক্তং যদেভিঃ স্যাৎ ত্ৰিভিৰ্গুণৈঃ ॥৪০॥

"পৃথিৱী নাইবা স্বৰ্গৰ দেৱতাসকলৰ মাজত এনে কোনো নাই যিজনে প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা এই তিনিগুণৰ পৰা মুক্ত" ॥৪০॥

ব্ৰাহ্মণক্ষত্ৰিয়ৱিশাং শূদ্ৰাণাঞ্চ পৰন্তপ ! ।
কৰ্ম্মাণি প্ৰৱিভক্তানি স্বভাৱপ্ৰভৱৈৰ্গুণৈঃ ॥৪১॥

"হে পৰন্তপ ! ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ কৰ্ম্মও তেওঁলোকৰ স্বাভাৱিক গুণৰ কাৰণে বিভাগ (স্বাভাৱিকতে) হৈছে" ॥৪১॥

শমো দমস্তপঃ শৌচং ক্ষান্তিৰাৰ্জৱমেৱ চ ।
জ্ঞানং ৱিজ্ঞানমাস্তিক্যং ব্ৰহ্মকৰ্ম্ম স্বভাৱজম্ ॥৪২॥

"শম, দম, তপ, শৌচ, ক্ষমা, সৰলতা, জ্ঞান, অনুভৱ, আস্তিকতা এইবিলাক ব্ৰাহ্মণৰ স্বাভাৱিক কৰ্ম্ম" ॥৪২॥

শৌৰ্য্যং তেজো ধৃতিৰ্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্ ।
দানমীশ্বৰভাৱশ্চ ক্ষাত্ৰং কৰ্ম্ম স্বভাৱজম্ ॥৪৩॥

"শৌৰ্য্য, তেজ, ধৃতি, দক্ষতা, যুদ্ধত নপলোৱা, দান, ৰাজ্যশাসন, কৰ্ত্তৃত্ব এইবিলাক ক্ষত্ৰিয়ৰ স্বাভাৱিক কৰ্ম্ম" ॥৪৩॥

কৃষিগোৰক্ষ্যৱাণিজ্যং ৱৈশ্যকৰ্ম্ম স্বভাৱজম্ ।
পৰিচৰ্য্যাত্মকং কৰ্ম্ম শূদ্ৰস্যাপি স্বভাৱজম্ ॥৪৪॥

"কৃষিকৰ্ম্ম, গো-পালন, বেপাৰ এইবিলাক বৈশ্যৰ স্বাভাৱিক কাম, আৰু শূদ্ৰৰ স্বাভাৱিক কৰ্ম্ম উক্ত তিনিবৰ্ণক সেৱা" ॥৪৪॥

স্বে স্বে কৰ্ম্মণ্যভিৰতঃ সংসিদ্ধিং লভতে নৰঃ ।
স্বকৰ্ম্মনিৰতঃ সিদ্ধিং যথা ৱিন্দতি তচ্ছৃণু ॥৪৫॥

"প্ৰত্যেকে নিজ নিজ কামত লাগি থাকি মানুহে মোক্ষ লাভ কৰে, আপোন কামত লাগি থকা মানুহে কেনেকৈ মোক্ষ পায় কওঁ শুনা" ॥৪৫॥

যতঃ প্ৰৱৃত্তিৰ্ভূতানাং যেন সৰ্ৱমিদং ততম্ ।
স্বকৰ্ম্মণা তমভ্যৰ্চ্চ্য সিদ্ধিং ৱিন্দতি মানৱঃ ॥৪৬॥

"যাৰ দ্বাৰা প্ৰাণীবিলাকৰ প্ৰবৃত্তি পৰিচালিত হয়, যাৰ দ্বাৰা ইহজগতৰ সমস্ততে ব্যাপ্ত হৈ আছে, তেনেজনক যিলোকে স্বধৰ্ম্মৰ দ্বাৰা ভজনা কৰে তেওঁ মোক্ষ পায়" ॥৪৬॥

শ্ৰেয়ান্ স্বধৰ্ম্মো ৱিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ ।
স্বভাৱনিয়তং কৰ্ম্ম কুৰ্ৱন্নাপ্নোতি কিল্বিষম্ ॥৪৭॥

"পৰধৰ্ম্ম সহজ সৰল হলেও তাতকৈ বিগুণ (অঙ্গহীন) স্বধৰ্ম্ম অধিক ভাল । স্বভাৱ অনুৰূপে কৰ্ম্ম কৰা লোক পাপভাগী হব নালাগে" ॥৪৭॥

টিপ্পনী :—

স্বধৰ্ম্মৰ অৰ্থ নিজ কৰ্ত্তব্য, গীতাৰ শিক্ষাৰ মধ্যবিন্দু কৰ্ম্মফলত্যাগ আৰু স্বকৰ্ম্মতকৈ অধিক উত্তম কৰ্ত্তব্য বিচাৰিলে ফলত্যাগৰ অৰ্থই নাথাকে; এইকাৰণে স্বধৰ্ম্মক শ্ৰেষ্ঠ বোলা হৈছে। সকলো ধৰ্ম্মৰ ফল স্বধৰ্ম্ম পালনতেই পাব পাৰি ॥

সহজং কৰ্ম্ম কৌন্তেয় ! সদোষমপি ন ত্যজেৎ ।
সৰ্বাৰম্ভা হি দোষেণ ধূমেনাগ্নিৰিৱাবৃতাঃ ॥৪৮॥

"হে কৌন্তেয় ! স্বভাৱত হোৱা (অৰ্থাৎ সহজাত) কৰ্ম্ম-দোষ থাকিলেও এৰিব নাপায় । যেনেকৈ অগ্নিৰ লগত ধোঁৱা মিহলি থাকিবই, সেইদৰে সকলো কামৰ লগত দোষ থাকিবই" ॥৪৮॥

অসক্তবুদ্ধিঃ সৰ্বত্ৰ জিতাত্মা ৱিগতস্পৃহঃ ।
নৈষ্কৰ্ম্ম্যসিদ্ধিং পৰমাং সন্ন্যাসেনাধিগচ্ছতি ॥৪৯॥

"যাৰ বুদ্ধি সকলো বিষয়তেই অনাসক্ত, যিজনে সকলো কামনাকে ত্যাগ কৰিছে যিজনে মনক জয় কৰিছে, তেনেজনে সন্ন্যাসৰ দ্বাৰা নিষ্কামৰূপী পৰমসিদ্ধি লাভ কৰে" ॥৪৯॥

সিদ্ধিং প্ৰাপ্তো যথা ব্ৰহ্ম তথাপ্নোতি নিবোধ মে ।
সন্ন্যাসেনৈৱ কৌন্তেয় ! নিষ্ঠা জ্ঞানস্য যা পৰা ॥৫০॥

"হে কৌন্তেয় ! সিদ্ধি পোৱাৰ পাছত মানুহে ব্ৰহ্মক কেনেকৈ পায়, সেইটো মোৰ পৰা সংক্ষেপে শুনা । এয়ে জ্ঞানৰ পৰাকাষ্ঠা" ॥৫০॥

বুদ্ধ্যা ৱিশুদ্ধয়া যুক্তো ধৃত্যাত্মানং নিয়ম্য চ ।
শব্দাদীন ৱিষয়াংস্ত্যক্ত্বা ৰাগদ্বেষৌ ৱ্যুদস্য চ ॥৫১॥
ৱিৱিক্তসেৱী লঘ্বাশী যতৱাক্‌কায়মানসঃ ।
ধ্যানযোগপৰো নিত্যং ৱৈৰাগ্যং সমুপাশ্ৰিতঃ ॥৫২॥
অহঙ্কাৰং ৱলং দৰ্পং কামং ক্ৰোধং পৰিগ্ৰহম্ ।
ৱিমুচ্য নিৰ্ম্মমঃ শান্তো ব্ৰহ্মভূয়ায় কল্পতে ॥৫৩॥

"বুদ্ধি শুদ্ধ হৈ যোৱা যোগীয়ে দৃঢ়তা সহকাৰে, নিজক বশ কৰি, শব্দাদি বিষয় ত্যাগ কৰি, ৰাগ-দ্বেষ জয় কৰি, একান্তে থাকি অলপ আহাৰ কৰি বাক্য, শৰীৰ আৰু মনক সংযত কৰি সদায় ধ্যানযোগ পৰায়ণ হৈ, বৈৰাগ্যৰ আশ্ৰয় লৈ, অহঙ্কাৰ, বল, দৰ্প, কাম, ক্ৰোধ, আৰু পৰিগ্ৰহ * এৰি মমতাশূন্য আৰু শান্তভাৱৰ দ্বাৰা ব্ৰহ্মভাৱ পাবৰ যোগ্যবান হয়" ॥৫১॥৫২॥৫৩॥

ব্ৰহ্মভূতঃ প্ৰসন্নাত্মা ন শোচতি ন কাঙ্ক্ষতি ।
সমঃ সৰ্বেষু ভূতেষু মদ্ভক্তিং লভতে পৰাম্ ॥৫৪॥

"ব্ৰহ্মভাৱ পোৱা প্ৰসন্নচিত্ত মানুহে শোক নকৰে, একো নিবিচাৰে ; আৰু ভূত মাত্ৰতেই সমভাৱ ৰাখি মোৰ পৰমভক্তি লাভ কৰে" ॥৫৪॥

---

* পৰিগ্ৰহ— দেহৰক্ষাৰ কাৰণে পোৱা কৌপীন আৰু কঁথা ।

ভক্ত্যা মামভিজানাতি যাৱান্ যশ্চাস্মি তত্ত্বতঃ।
ততো মাং তত্ত্বতো জ্ঞাত্বা ৱিশতে তদনন্তৰম্ ॥৫৫॥

"মই কেনে আৰু কোন হওঁ, সেই স্বৰূপ তেওঁ ভক্তিৰ বলেৰে যথাৰ্থতে জানে আৰু এইদৰে মোক যথাৰ্থতে জানি মোত প্ৰৱেশ কৰে। (অৰ্থাৎ স্বয়ং পৰমানন্দ স্বৰূপ হয়, যথা-ব্ৰহ্মবিদ ব্ৰহ্মৈব ভবতি ইতি শ্ৰুতি"॥) ॥৫৫॥

সৰ্ব্বকৰ্ম্মাণ্যপি সদা কুৰ্ব্বাণো মদ্ব্যপাশ্ৰয়ঃ।
মৎপ্ৰসাদাদৱাপ্নোতি শাশ্বতং পদমব্যয়ম্ ॥৫৬॥

"মোৰ আশ্ৰয় লোৱা লোকে সদায় কৰ্ম্ম কৰিও মোৰ কৃপাত চিৰন্তন অব্যয় পদ পায়" ॥৫৬॥

চেতসা সৰ্ব্বকৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰঃ।
বুদ্ধিযোগমুপাশ্ৰিত্য মচ্চিত্তঃ সততং ভৱ ॥৫৭॥

"মনেৰে সকলো কৰ্ম্ম মোতেই অৰ্পণ কৰি, মোৰেই পৰায়ণ হৈ, বিবেক বুদ্ধিৰ আশ্ৰয় লৈ সদায় মোতেই চিত্ত নিযুক্ত ৰাখা" ॥৫৭॥

মচ্চিত্তঃ সৰ্ব্বদুৰ্গাণি মৎপ্ৰসাদাৎ তৰিষ্যসি।
অথ চেৎ ত্বমহঙ্কাৰান্ন শ্ৰোষ্যসি ৱিনঙ্ক্ষ্যসি ॥৫৮॥

"মোত চিত্ত সমাহিত কৰিলে দুৰ্গতিৰূপী সকলো পৰ্ব্বত মোৰ কৃপাত পাৰ হৈ যাব পাৰিবা। কিন্তু যদি অহঙ্কাৰৰ বশ হৈ মোৰ কথা নুশুনা তেন্তে তুমি নাশ হৈ যাবা" ॥৫৮॥

যদহঙ্কাৰমাশ্ৰিত্য ন যোৎস্য ইতি মন্যসে।
মিথ্যৈষ ৱ্যৱসায়স্তে প্ৰকৃতিস্ত্বাং নিয়োক্ষ্যতি ॥৫৯॥

"অহঙ্কাৰৰ বশ হৈ 'মই যুদ্ধ নকৰো', এইদৰে যদি ভাবা, তেন্তে তোমাৰ সেই সঙ্কল্প ভুল হব। তোমাৰ স্বভাৱেই তোমাক বলেৰে সেই ফালে আকৰ্ষণ কৰি লৈ যাব" ॥৫৯॥

স্বভাৱজেন কৌন্তেয়! নিবদ্ধঃ স্বেন কৰ্ম্মণা।
কৰ্ত্তুং নেচ্ছসি যন্মোহাৎ কৰিষ্যস্যৱশোঽপি তৎ ॥৬০॥

"হে কৌন্তেয়! নিজৰ স্বভাৱজনিত কৰ্ম্মত আবদ্ধ থাকিও (ক্ষত্ৰিয় হৈও) তুমি মোহ বশতঃ 'যুদ্ধ নকৰো' বুলি যি কৈছা তুমি অৱশৰ দৰে হৈ (স্বাভাৱিক ক্ষত্ৰিয় ধৰ্ম্মৰ বলৰ তলতীয়া হৈ) কৰিব লাগিব" ॥৬১॥

ঈশ্বৰঃ সৰ্ব্বভূতানাং হৃদ্দেশেঽৰ্জ্জুন! তিষ্ঠতি।
ভ্ৰাময়ন্ সৰ্ব্বভূতানি যন্ত্ৰাৰূঢ়ানি মায়য়া ॥৬১॥

"হে অৰ্জ্জুন! ঈশ্বৰৰ স্বীয় প্ৰভাৱেৰে সকলো প্ৰাণীৰ হৃদয়তে (যন্ত্ৰীৰূপে) বাস কৰে, আৰু নিজৰ মায়াৰ কাৰণে এইবিলাক কুমাৰৰ চাকত তোলা ঘটৰ দৰে ঘূৰি থাকে। অৰ্থাৎ স্ব স্ব কৰ্ম্মত নিজ মায়াবলেৰে প্ৰবৃত্ত কৰায়" ॥৬১॥

তমেৱ শৰণং গচ্ছ সৰ্ব্বভাৱেন ভাৰত ! ।
তৎপ্ৰসাদাৎ পৰাং শান্তিং
স্থানং প্ৰাপ্স্যসি শাশ্বতম্ ।।৬২।।

"হে ভাৰত ! তুমি সৰ্ব্বতোভাৱে তেওঁত শৰণ লোৱা । তেওঁৰ কৃপাত পৰম শান্তিময় পৰমপদ পাবা" ।।৬২।।

ইতি তে জ্ঞানমাখ্যাতং গুহ্যাদ্‌ গুহ্যতৰং ময়া ।
ৱিমৃশ্যৈতদশেষেণ যথেচ্ছসি তথা কুৰু ।।৬৩।।

"এইবিলাক গুহ্যতকৈ গুহ্যতম জ্ঞান মই তোমাক ক'লো । এই এটাই-বিলাক ভালদৰে বিচাৰ কৰি তোমাৰ যি ভাল লাগে বা উচিত বুলি বোধ হয়, তাকে কৰা" ।।৬৩।।

সৰ্ব্বগুহ্যতমং ভূয়ঃ শৃণু মে পৰমং ৱচঃ ।
ইষ্টোঽসি মে দৃঢ়মিতি ততো ৱক্ষ্যামি তে হিতম্ ।।৬৪।।

"আৰু সবাতোকৈ গুহ্য মোৰ এই পৰম বচন শুনা । তুমি মোৰ বৰ প্ৰিয়, সেই কাৰণে মই তোমাক তোমাৰ হিতৰ কাৰণে কওঁ" ।।৬৪।।

মন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু ।
মামেৱৈষ্যসি সত্যং তে
প্ৰতিজানে প্ৰিয়োঽসি মে ।।৬৫।।

"মোতেই মন স্থিত কৰা, মোৰ ভক্ত হোৱা, মোৰ কাৰণে যজ্ঞ কৰা, মোক নমস্কাৰ কৰা । তুমি মোকেই পাবা, এয়ে মোৰ সত্য প্ৰতিজ্ঞা, তুমি মোৰ প্ৰিয়" ।।৬৫।।

সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো
মোক্ষয়িষ্যামি মা শুচঃ ।।৬৬।।

"সৰ্ব্বধৰ্ম্ম পৰিত্যাগ কৰি মোৰেই শৰণ লোৱা । মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম । শোক নকৰিবা" ।।৬৬।।

ইদংতে নাতপস্কায় নাভক্তায় কদাচন ।
ন চাশুশ্ৰূষৱে ৱাচ্যং ন চ মাং যোঽভ্যসূয়তি ।।৬৭।।

"যি তপস্বী নহয়, যি ভক্ত নহয়, যাৰ শুনিবলৈ ইচ্ছা নাই আৰু যি-জনে মোক দ্বেষ কৰে, তেনেলোকক এই জ্ঞান কেতিয়াও নকবা" ।।৬৭।।

য ইদং পৰমং গুহ্যং মদ্ভক্তেষ্বভিধাস্যতি ।
ভক্তিং ময়ি পৰাং কৃত্বা মামেৱৈষ্যত্যসংশয়ঃ ।।৬৮।।

"কিন্তু যি এই পৰম গুহ্য জ্ঞান মোৰ ভক্তসকলক দিয়ে, তেওঁ মোক পৰমভক্তি কৰাৰ কাৰণে নিঃসন্দেহে মোক পাবই ।।৬৮।।

ন চ তস্মান্মনুষ্যেষু কশ্চিন্মে প্ৰিয়কৃত্তমঃ ।
ভৱিতা ন চ মে তস্মাদন্যঃ প্ৰিয়তৰো ভুৱি ।।৬৯।।

"তেনে লোকতকৈ মানুহৰ ভিতৰত অধিক প্ৰিয় সেৱঁক মোৰ নাই আৰু এই জগতত এনে জনতকৈ মোৰ অধিক প্ৰিয় হবও নোৱাৰে" ।।৬৯।।

অধ্যেষ্যতে চ য ইমং ধৰ্ম্ম্যং সংৱাদমাৱয়োঃ ।
জ্ঞানযজ্ঞেন তেনাহমিষ্টঃ স্যামিতি মে মতিঃ ।।৭০।।

"আমাৰ মাজত (কথিত হোৱা) এই ধৰ্ম্মসংবাদ যিসকলে অভ্যাস কৰিব তেওঁলোকে মোক জ্ঞান যজ্ঞৰ দ্বাৰা ভজনা কৰা হব—এয়ে মোৰ মত" ।।৭০।।

শ্ৰদ্ধাৱাননসূয়শ্চ শৃণুয়াদপি যো নৰঃ ।
সোঽপি মুক্তঃ শুভাল্লোকান্
প্ৰাপ্নুয়াৎ পুণ্যকৰ্ম্মণাম্ ।।৭১।।

"আৰু যিলোকে দ্বেষৰহিত হৈ শ্ৰদ্ধাসহকাৰে কেৱল শুনিব, তেওঁ মুক্ত হৈ য'ত পুণ্যবানসকল বাস কৰে, তেনে শুভলোক পাবগৈ" ।।৭১।।

টিপ্পনী :—

ইয়াৰ তাৎপৰ্য্য এই যে--যিজনে এই জ্ঞান অনুভৱ কৰিব পাৰিছে তেওঁহে ইয়াক আনক দিব পাৰে । শুদ্ধ উচ্চাৰণ কৰি অৰ্থ শুনা জনা সকলৰ সম্বন্ধে এই দুই শ্লোক প্ৰয়োগ নহয় ।

কচ্চিদেতৎশ্ৰুতং পাৰ্থ ! ত্বয়ৈকাগ্ৰেণ চেতসা ।
কচ্চিদজ্ঞানসম্মোহঃ প্ৰনষ্টস্তে ধনঞ্জয় ! ।।৭২।।

"হে পাৰ্থ ! তুমি এইখিনি কথা একাগ্ৰচিত্তেৰে শুনিলানে ? হে ধনঞ্জয়, অজ্ঞানৰ কাৰণে তোমাৰ যি মোহ হৈছিল, সেইটো নাশ (দূৰ) হলনে" ।।৭২।।

অৰ্জ্জুন উবাচ :—

নষ্টো মোহঃ স্মৃতিৰ্লব্ধা ত্বৎপ্ৰসাদান্ময়াচ্যুত !
স্থিতোঽস্মি গতসন্দেহঃ কৰিষ্যে ৱচনং তৱ ।।৭৩।।

অৰ্জ্জুনে ক'লে,—"হে অচ্যুত ! আপোনাৰ কৃপাত মোৰ মোহ নাশ হৈছে । মোৰ বোধ (বুজাশক্তি) আহিছে । সন্দেহ দূৰ হোৱাৰ কাৰণে মই শান্তি অনুভৱ কৰিছো । আপুনি কোৱা মতেই মই (কাৰ্য্য) কৰিম" ।।৭৩।।

সঞ্জয় উবাচ : -

ইত্যহং ৱাসুদেৱস্য পাৰ্থস্য চ মহাত্মনঃ ।
সংৱাদমিমমশ্ৰৌষমদ্ভুতং লোমহৰ্ষণম্ ।।৭৪।।

সঞ্জয়ে ক'লে,—"এইদৰে বাসুদেৱ আৰু মহাত্মা অৰ্জ্জুনৰ এই ৰোমাঞ্চিতকৰ অদ্ভুত সংবাদ মই শুনিলো" ।।৭৪।।

ৱ্যাসপ্ৰসাদাৎশ্ৰুতৱানিমং গুহ্যমহং পৰম্ ।
যোগং যোগেশ্বৰাৎ কৃষ্ণাৎ সাক্ষাৎ কথয়তঃ স্বয়ম্ ॥৭৫॥

"ব্যাসদেৱৰ কৃপাত যোগেশ্বৰ কৃষ্ণৰ শ্ৰীমুখৰ পৰা এই পৰম গুহ্য শুনিলো" ॥৭৫॥

ৰাজন্ ! সংস্মৃত্য সংস্মৃত্য সংৱাদমিমমদ্ভুতম্ ।
কেশৱাৰ্জ্জুনয়োঃ পুণ্যং হৃষ্যামি চ মুহুৰ্ম্মুহুঃ ॥৭৬॥

"হে ৰাজন্,—কেশৱ আৰু অৰ্জ্জুনৰ এই অদ্ভুত আৰু পৱিত্ৰ সংবাদ স্মৰণ কৰি মই বাৰে বাৰে আনন্দিত হৈছো" ॥৭৬॥

তচ্চ সংস্মৃত্য সংস্মৃত্য ৰূপমত্যদ্ভুতং হৰেঃ ।
বিস্ময়ো মে মহান্ ৰাজন্ ! হৃষ্যামি চ পুনঃ পুনঃ ॥৭৭॥

"হে ৰাজন ! হৰিৰ সেই অদ্ভুত ৰূপ স্মৰণ কৰি মই বৰ আচৰিত হৈছো, আৰু বাৰে বাৰে স্মৰণ কৰি আনন্দিত হৈ আছো" ॥৭৭॥

যত্ৰ যোগেশ্বৰঃ কৃষ্ণো যত্ৰ পাৰ্থো ধনুৰ্দ্ধৰঃ ।
তত্ৰ শ্ৰীৰ্বিজয়ো ভূতিৰ্ধ্ৰুৱা নীতিৰ্ম্মতিৰ্ম্মম ॥৭৮॥

"য'ত যোগেশ্বৰ কৃষ্ণ আছে, য'ত ধনুৰ্দ্ধাৰী পাৰ্থ আছে, তাত শ্ৰী থাকে, বিজয় থাকে, বিভৱ থাকে আৰু অবিচল প্ৰীতি থাকে, এয়ে মোৰ অভিমত" ॥৭৮॥

টিপ্পনী :—

যোগেশ্বৰ কৃষ্ণ,—অনুভৱ-সিদ্ধ শুদ্ধ-জ্ঞান; আৰু ধনুৰ্দ্ধাৰী অৰ্জ্জুন অৰ্থাৎ তদনুসাৰিণী ক্ৰিয়া । এই দুয়োৰে য'ত সংযোগ আছে,—তাত সঞ্জয়ে কোৱা পৰিণামৰ বাহিৰে আন কি হব পাৰে ?

ওঁ তৎ সৎ

এই প্ৰকাৰে শ্ৰীমদ্ভাগৱত গীতাৰূপী উপনিষদ অৰ্থাৎ ব্ৰহ্মবিদ্যা অন্তৰ্গত যোগশাস্ত্ৰৰ শ্ৰীকৃষ্ণাৰ্জ্জুন-সংবাদৰ সন্ন্যাস-যোগ নামক ১৮শ অধ্যায় পূৰ্ণ হ'ল ॥

ওঁ শান্তি ॥ ওঁ শান্তি ॥ ওঁ শান্তি ॥

ডেকা বয়সত বৰদলৈ

ছাত্ৰ অৱস্থাত বৰদলৈ

নেতাজী সুভাষচন্দ্ৰ বসুৰ লগত বৰদলৈ, ১৯৩৭

সত্যাগ্ৰহ আন্দোলনত বৰদলৈ

অসহযোগ আন্দোলনত ৰূপনাথ ব্ৰহ্মৰ সৈতে বৰদলৈ

सेवाग्राम, वर्धा

Sevagram,
SEGAON, WARDHA

3-7-41

Dear Bardoloi

Your letter. I am quite clear that you must not court imp. till you are cured of all your illnesses. Please show this to the President.

Yours

Bapu

লোকপ্ৰিয় গোপীনাথ বৰদলৈলৈ দিয়া
মহাত্মাৰ এখন চিঠি

গুৱালকুছিৰ ঘাটত জাহাজৰপৰা মহাত্মা নামি আহিছে। তেওঁৰ সোঁহাতে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু ছবিৰ বাওঁফালৰপৰা দ্বিতীয়জন হ'ল ডাঃ জ্যোতিষচন্দ্ৰ দাস

গান্ধীজীৰ লগত বৰদলৈ

સેવાગ્રામ, વર્ધા
8..

30. 10. 44
Sevagram.
~~SEGAON~~, WARDHA

My dear Bardoloi,

I replied to your wire there & then. I had a note from the Tel. Off. that you had left and that the wire was posted to you. You must have got it. In view of the notice given by you, I suppose you must court imp. But if the Govt had good grounds

for releasing
you, it would
be violence to
court imp. But
you are the best
judge. Please
keep me informed
of your movements
& doings. This is
a long drawn out
struggle in which
there must be no
haste. Everyone
will have all the
opportunity he
needs to show his

with

Yours
Bapu

লোকপ্ৰিয় গোপীনাথ বৰদলৈলৈ লিখা মহাত্মাৰ এখন চিঠি

মহাত্মা গান্ধীৰ অস্থি-ভস্মৰ ঘট হাতত লৈ গুৱাহাটীত বৰদলৈ

খিলঙৰ এখন ৰাজহুৱা সভাত ভাষণৰত বৰদলৈ

মিঃ বায়ৰণৰ লগত মানাসৰ ফুলগুৰিত, ১৯৪৮

দিল্লীলৈ যোৱাৰ আগমুহূৰ্ত্তত অসমৰ নেতৃবৃন্দৰ লগত বৰদলৈ

খাচী-জয়ন্তীয়া লোকসকলৰ লগত বৰদলৈ

বৰদলৈৰ দ্বাৰা ৰহা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰ উন্মোচন

চৰ্দাৰ বল্লভভাই পেটেল আৰু শ্ৰীমতী মনীবেন পেটেলক
সম্বৰ্দ্ধনাৰত বৰদলৈ আৰু মহম্মদ তৈয়বুল্লাহ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত
ডঃ ৰাধাকৃষ্ণণৰ সৈতে বৰদলৈ

চক্ৰবৰ্তী ৰাজাগোপালাচাৰীৰ লগত বৰদলৈ

প্ৰধান মন্ত্ৰী বনাম ৰাজ্যপাল : ফুটবল খেলত দুই প্ৰতিদ্বন্দ্বী

ৰাজ্যপাল আকবৰ হাইদৰীৰ লগত প্ৰথম মন্ত্ৰীসভাৰ অন্যান্য সদস্যবৃন্দ আৰু প্ৰধান মন্ত্ৰী বৰদলৈ

সংবিধান ৰচযিতা ৰাষ্ট্ৰীয় নেতাসকলৰ সৈতে বৰদলৈ

অসমৰ মুখ্যমন্ত্ৰী (তেতিয়া প্ৰধান মন্ত্ৰী) হৈ থকা কালত লোকপ্ৰিয় বৰদলৈক নিজৰ পৰিয়াল
আৰু কেইজনমান বিষয়াৰ লগত দেখা গৈছে

ৰাজ্যপাল শ্ৰীপ্ৰকাশ আৰু মন্ত্ৰীসভাৰ সতীৰ্থসকলৰ লগত বৰদলৈ

কাযালয়ত বৰদলৈ, ১৯৫০

লুংলেহ পথত বৰদলৈ, ১৯৫



উলুবাৰী বাসভৱন : ইয়াতেই বৰদলৈয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল

অন্তিম যাত্ৰাত বৰদলৈ

920
GOP/C
RF/920/11